বেণুধৰ শৰ্মা ৰচনাৱলী

(দ্বিতীয় খণ্ড)

বুৰঞ্জীৰ সঁফুৰা

মুখ্য সম্পাদক ঃ

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা

সম্পাদক ঃ

শ্ৰীঅজিতকুমাৰ শৰ্মা

ভূমিকা ঃ

ডঃ হীৰেন গোহাঁই

BENUDHAR SHARMA RACHANAWALI : Vol. II—
Buranjir Safura, a collection of historical essays by PADMABHUSAN Benudhar Sharma, published with the assistance of the Government of India vide Sanction No. F. 7-116/83-L, G, Cell, Ministry of Education dated 20.3.85

প্ৰথম সংস্কৰণ : এপ্ৰিল, ১৯৮৭ খ্ৰঃ

প্ৰকাশক : বেণুধৰ শৰ্মা স্মাৰক ন্যাসৰ হৈ
শ্ৰীঅজিতকুমাৰ শৰ্মা

অৰিচণা : [illegible]

পৰিবেশক : 'মানুহ' প্ৰকাশন,
সুৰাগপুৰ, গুৱাহাটী-৭৮১ ০০৮

মুদ্ৰক : হেমকোষ প্ৰিন্টাৰ্ছ, শিলপুখুৰী,
গুৱাহাটী—৭৮১ ০০৩

প্ৰকাশকৰ নিবেদন

ইতিমধ্যে প্ৰকাশিত 'বেণুধৰ শৰ্মা ৰচনাৱলী'ৰ প্ৰথম খণ্ড "মজিয়াৰপৰা মেজলৈ"ত প্ৰকাশকৰ ক'বলগীয়া খিনি কোৱা হৈছে। এতিয়া এই দ্বিতীয় খণ্ড "বুৰঞ্জী সঁফুৰা" সম্পৰ্কত দুআষাৰমান কথা মাত্ৰ যোগ দিয়া হ'ল।

বিভিন্ন আলোচনী আৰু বাতৰি-কাকতত ১৯২০ চনৰপৰা ১৯৮০ চনলৈকে এই ৬০ বছৰে 'পদ্মভূষণ' বেণুধৰ শৰ্মাই লিখি থৈ যোৱা বুৰঞ্জীমূলক প্ৰবন্ধবিলাক সংগ্ৰহ আৰু সম্পাদনা কৰি তাৰে ভিতৰৰপৰা ৪৫ টা প্ৰবন্ধ গোটাই লৈ 'বুৰঞ্জীৰ সঁফুৰা' গ্ৰন্থ প্ৰকাশ কৰা হ'ল। কোনটো প্ৰবন্ধ ক'ত, কেতিয়া ওলাইছিল যথাস্থানত উল্লেখ কৰা হৈছে।

এই প্ৰবন্ধ-সংকলন সন্দৰ্ভত উল্লেখ কৰি থোৱা উচিত হ'ব যে ১৯৫০ চনতে পোনপ্ৰথমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তেতিয়াৰ অধ্যাপক ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ পৰামৰ্শ অনুসৰি বেণুধৰ শৰ্মাৰ কেইটা-মান বুৰঞ্জীমূলক প্ৰবন্ধৰ সংকলন এটি 'দূৰবীণ' নামত প্ৰকাশ কৰা হৈছিল। কেবাবছৰো ধৰি এই পুথিখন গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পাঠ্যপুথি মনোনীত হৈও আছিল।

কুৰি বছৰৰ পাচত ১৯৭০ চনৰ আগষ্ট মাহত পৰম শ্ৰদ্ধেয় পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈদেৱে এইবুলি চিঠি এখন দিছিলে: "দেউতাৰাৰ বুৰঞ্জীমূলক প্ৰবন্ধবিলাক গোটাই উলিয়াব পাৰিলে ভাল কাম হ'ব।" কিন্তু তেখেতৰ পৰামৰ্শ মানি এই কাম সম্পূৰ্ণ কৰোতে বহুত পলম হৈ গ'ল। ইতিমধ্যে প্ৰবন্ধ-লিখক পৰম পূজনীয় পিতৃ বেণুধৰ শৰ্মা আৰু পৰম শ্ৰদ্ধেয় পিতৃতুল্য কৃষ্ণকান্ত সন্দিকৈদেৱ দুয়ো এই সংসাৰৰ পৰা বিদায় ল'লে। সি যি কি নহওক, এতিয়া বহুত পলমকৈ হ'লেও প্ৰবন্ধ-সংকলনটি ৰাইজৰ হাতত দিব পৰাৰ বাবে নিজেই ধন্য মানিছোঁ।

এই সংকলনৰ 'ভূমিকা' এটি লিখি দি আমাক সহায় কৰাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ হীৰেন গোহাঁইদেৱৰ আন্তৰিক শলাগ লওঁ।

বেণুধৰ শৰ্মাৰ ৰচনাৱলী ৰাইজৰ হাতত দিয়াৰ উপৰিও বৰ্তমান প্ৰকাশনৰ আন এটা ঘাই উদ্দেশ্য হ'ল স্থায়ীকৈ "বেণুধৰ শৰ্মা স্মৃতি-নিধি" প্ৰতিষ্ঠা কৰা আৰু সমুদায় ৰচনাৱলীৰ বাবদ পোৱা ৰয়েলটিৰ ধন উক্ত স্মৃতি-নিধিত আচুতীয়াকৈ জমা ৰাখি অসমীয়া ভাষা-সাহিত্য আৰু জাতীয় জীৱনৰ উন্নতিকল্পে কামত লগাই স্বৰ্গীয় দেউতাৰ ইচ্ছা পূৰণ কৰা।

ৰচনাৱলীৰ প্ৰথম খণ্ড 'মজিয়াৰ পৰা মেজলৈ' ইতিমধ্যে প্ৰকাশ হৈছে। দ্বিতীয় খণ্ড হ'ল এই "বুৰঞ্জীৰ সঁফুৰা"; তৃতীয় আৰু চতুৰ্থ খণ্ড হ'ল ক্ৰমান্বয়ে "চন্দন চ'ৰা" আৰু "টোকোবা বাহৰ কুটা"। তাৰ পিচত পঞ্চমৰ পৰা অষ্টম খণ্ডলৈকে হ'ব "মণিৰাম দেৱান"কে আদি কৰি বিভিন্ন গ্ৰন্থৰ পুনৰ মুদ্ৰণ।

এই খণ্ড ৰচনাৱলী ছপা কৰি দিয়াৰ বাবে 'হেমকোষ প্ৰিণ্টাৰ্ছ'ৰ স্বত্বাধিকাৰী শ্ৰীপৱিত্ৰ জীৱন বৰুৱা আৰু প্ৰেছৰ অন্যান্য কৰ্মীসকললৈ ধন্যবাদ জনালোঁ।

গুৱাহাটী
২ এপ্ৰিল, ১৯৮৭

শ্ৰীঅজিত কুমাৰ শৰ্মা
সংকলক, সম্পাদক আৰু প্ৰকাশক

বেণুধৰী ৰচনাৰ গুৰি কথা

আধুনিক অসমীয়া গদ্য সাহিত্যৰ বুৰঞ্জীত বেণুধৰ শৰ্মাই এখন বিশেষ আসন অধিকাৰ কৰি আছে। তেওঁ প্ৰৱৰ্তন কৰা অসমীয়া গদ্যৰীতিক বেণুধৰী গদ্য বুলি নিঃসংশয়ে ক'ব পাৰি।

আধুনিক যুগৰ বা জোনাকী যুগৰ অসমীয়া সাহিত্যিকসকলৰ কাল অনুসৰি একেবাৰে ধৰা-বন্ধাকৈ নহ'লেও তিনি ভাগত ভাগ কৰিব পাৰি। প্ৰথম ভাগত বেজবৰুৱা, হেম গোসাঁইকে আৰম্ভ কৰি কমলা-কান্তলৈকে, দ্বিতীয় ভাগত কালিৰাম মেধি, দুৰ্গেশ্বৰ শৰ্মা, ৰঘু চৌধাৰী, অম্বিকাগিৰী আৰু দুগৰাকীমান, তৃতীয় ভাগত পৰে বৰভূইকঁপৰ অলপ আগে-আগে ওপজা দুৱৰা, সূৰ্য্য ভূঞা, বাণী কাকতী, বেণু শৰ্মা, লক্ষ্মী ফুকন, কৃষ্ণ সন্দিকৈ, ৰত্ন বৰকাকতী, পদ্ম চলিহা, মিত্ৰদেৱ মহন্ত, মহাদেৱ শৰ্মা, দণ্ডী কলিতা, মহী বৰা, চিন্তা পাটগিৰী, ইন্দ্ৰেশ্বৰ বৰঠাকুৰ, পজিৰুদ্দিন আহম্মদ, তুলসী প্ৰসাদ দত্ত, প্ৰেমধৰ চলিহাকে আদি কবি সাহিত্যিকসকল। এই তৃতীয় দলৰ সাহিত্যিকসকলৰ প্ৰায় প্ৰত্যেকজনকে একোটা বিশেষ ক্ষেত্ৰত কৃতকাৰ্য্যতাৰ কাৰণে অনুশীলন কৰা (Specialisation) দেখা যায়। প্ৰত্যেক দলতে অৱশ্যে অনেক সৰুফুটীয়া সাহিত্যিকো আছে।

তৃতীয় ভাগত পৰা যতীন দুৱৰাই ওৰে জীৱন কাব্যৰে সাধনা কৰিলে। অধ্যাপক ভূঞা আৰু কাকতীয়ে ক্ৰমে বুৰঞ্জী আৰু সমালোচনা তথা ভাষাতত্ত্বৰ গৱেষণাত কৃতিত্ব লাভ কৰিলে। লক্ষ্মী ফুকনে সাংবাদিক জীৱন লৈ গল্পকে লেখিলে; কৃষ্ণ সন্দিকৈয়ে প্ৰাচীন ভাৰতীয় সংস্কৃতিৰ গৱেষণাৰপৰা মাজে মাজে অলপ সময় আঁতৰি গৈ অসমীয়া ভাষাৰ ভালেখিনি সমালোচনাৰ প্ৰবন্ধ ৰচনা কৰিলে; ৰত্ন বৰকাকতীয়ে কবিতা আৰু সমালোচনাতে গোটেই সময় নিয়োগ কৰিলে; পদ্ম চলিহাই নাটক আৰু সঙ্গীতত ভালেখিনি অৰিহণা যোগালে; মিত্ৰদেৱ মহন্তইও পৌৰাণিক নাট আৰু ধেমেলীয়া নাটৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ দাৰিদ্ৰ্য ভালেখিনি গুচালে; মহাদেৱ শৰ্মাই শিশু সাহিত্যৰ আৰম্ভণি কৰি দিলে ঃ দণ্ডি কলিতাই ব্যঙ্গ আৰু হাস্য

ৰসাত্মক কবিতাত বেজবৰুৱা আৰু চন্দ্ৰ বৰুৱাৰ ধাৰা জীয়াই ৰাখিলে; মহী বৰাই হাস্যৰসৰ গল্প লিখিলে; চিন্তাহৰণ পাটগিৰী সামাজিক উপন্যাসৰ লেখক; ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ কৃতিত্ব কেইবাখনিও পৌৰাণিক নাট আৰু ভালেখিনি কবিতাত; প্ৰেমধৰ চলিহাই অসমৰ দাঁতি-কাষৰীয়া ভাইসকলৰ বিষয়ে পোন প্ৰথমে প্ৰবন্ধ লিখি বাট দেখুৱালে, পদ্মিকদিন আহ্মদে ঘাইকৈ বুৰঞ্জীমূলক নাট ৰচনা কৰি অসমীয়া ৰঙ্গমঞ্চৰ দাবী ভালেখিনি পূৰণ কৰিলে। লক্ষ্মীধৰ-প্ৰসন্নলাল-জ্যোতিপ্ৰসাদ-বিষ্ণু ৰাভা এই তৃতীয় দল আৰু আধুনিকসকলৰ মাজতে থিয় দিছে।

লেখক শৰ্মাৰ সমসাময়িক সকলৰ সৰহ ভাগেই চাকৰি বা ব্যৱসায় কিবা এটা কৰিছিল; শৰ্মাৰ একমাত্ৰ চাকৰি আছিল সাহিত্য-সেৱা। স্কুলত পঢ়া কালত শিৱসাগৰৰ ছাত্ৰসমাজৰপৰা ওলোৱা হাতেলিখা আলোচনীতে তেওঁ সাহিত্যসেৱাৰ সিদ্ধিমন্ত হয়। তেতিয়াই তেওঁৰ দুটামান গদ্যপ্ৰবন্ধ, দুই-এটা গল্প আৰু কেইটামান কবিতা প্ৰথমে "আলোচনী" নামে ডিব্ৰুগড়ৰপৰা ওলোৱা মাহিলী কাকতত প্ৰকাশ হয়। সেই কিশোৰ কালৰ লেখাৰপৰাই তেওঁ মানুহক আকৰ্ষণ কৰিবপৰা ভাষাৰ অধিকাৰী বুলি চিনাকি দিছিল। তেওঁ কবি নাম ল'ব পাৰিলেহেঁতেন অতি সহজে। গল্প লিখক ৰূপেও তেওঁ জন-প্ৰিয়তা আৰ্জিব পাৰিলেহেঁতেন, কিয়নো তেওঁৰ "মৰমৰ কাৰেং" বোলা সংগ্ৰহটোত কেইবাটাও ভাল ভাল গল্প আছে। "কংগ্ৰেছৰ কাঁচিয়লি ৰ'দ"তত কিছুমান চৰিত্ৰ আৰু গাঁৱলীয়া জীৱনৰ পৰ্য্যবেক্ষণ ক্ষমতাই তেওঁৰ গাত থকা ঔপন্যাসিকৰ গুণ সূচায়।

কিন্তু তেওঁ ঘৰুৱা, জতুৱা অসমীয়া গদ্যত লেখিম বুলি প্ৰতিজ্ঞা কৰি ল'লে আৰু সেই উদ্দেশ্যে এটা গদ্য-ৰীতিৰ গৰাকী হ'বলৈ চেষ্টা কৰাত লাগিল। একেদিনাই এনে গদ্য ৰীতিৰ অধিকাৰী হোৱা নাই। স্কুলত পঢ়া অৱস্থাতে তেওঁ ইংৰাজী সাহিত্যৰ বিখ্যাত পুথি 'ৰবিন্সন ক্ৰুচ'ৰ ভালেখিনি অনুবাদ কৰে। কলিকতাৰ কলেজত পঢ়িবলৈ গৈ সেই অনুবাদৰ কাম গোৱালপৰীয়া বন্ধু গিৰীন্দ্ৰনাথৰ সৈতে লগলাগি শেষ কৰে। অসমৰ আন ঠাইৰ লিখকৰ দৰে গোৱালপৰীয়া ছাত্ৰ-লেখক এজনেও যে উজনি অসমৰ মানুহৰ দৰেই সুন্দৰ অসমীয়া লিখিব পাৰে এইটোও প্ৰমাণ হ'ল। অৱশ্যে এই অনুবাদৰ সৰহখিনি

বেণুধৰ শৰ্মাৰ, আৰু গোটেই অনুবাদতেই তেওঁৰ হাতৰ চিন আছে। ৰবিঞ্চন ক্ৰুচ'ৰ অনুবাদে তেওঁক সাহিত্যিক সমাজলৈ আনিলে আৰু অসমীয়া শিশু সাহিত্যৰ এগৰাকী বাটকটীয়া বুলি তেওঁ আদৰ পালে। সেই সময়ত হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত "অৰুণ" আৰু মহাদেৱ শৰ্মাৰ দুই-এখন পুথিৰ বাহিৰে অসমীয়াত শিশু-সাহিত্য বুলিবলৈ একো নাই। ইতিমধ্যে তেওঁৰ "আপদীয়া বঙ্গযাত্ৰাৰ অমঙ্গলীয়া কাহিনী" বোলা অনুবাদ "বাঁহী"ত প্ৰকাশ হয়। ইয়াৰ উপৰিও সেই সময়তে ইংৰাজী ভাষাৰ বিখ্যাত ছাৰ্লক হ'মছৰ কাহিনীবোৰৰ ভালেখিনি অসমীয়ালৈ তৰ্জমা কৰে। বিষয়বস্তু আৰু ৰচনা-ৰীতি এই দুয়োটাৰ গুণতেই মানুহে এই ডিটেক্‌টিভ কাহিনীবোৰ বিচাৰি-খোচাৰি পঢ়িবলৈ ধৰিলে। সমাজত এক শ্ৰেণী পাঠকে হত্যা-ডকাইতি আদি ভীষণ উত্তেজনাপূৰ্ণ ঘটনাৰ কাহিনী ভাল পায়। ছাৰ্লক হ'মছৰ কাহিনী সংযত, উন্নত। এসময়ত বঙালী ডিটেকটিভ উপন্যাস পঢ়া মানুহ যথেষ্ট আছিল, এতিয়াও আছে। এনে পাঠকৰ কাৰণে ছাৰ্লক হ'মছৰ গল্পবোৰ আমোদদায়ক আৰু শিক্ষাপ্ৰদ।

শৰ্মাৰ এই অনুবাদবোৰত ঘৰুৱা অসমীয়া শব্দ আৰু অসমীয়া ঠাঁচৰ ব্যৱহাৰ উল্লেখযোগ্য। অনুবাদ কৰি তেওঁ গদ্যৰীতিৰ ধাৰ দিবলৈ আৰম্ভ কৰিছিল। তেওঁ "তম্বু" নিদি "তামীঘৰা" শব্দ ব্যৱহাৰ কৰিছিল। শোভাযাত্ৰা নুবুলি হুজপাতি যোৱা বুলিছিল। অসমীয়া থলুৱা উপযুক্ত শব্দ থাকোতে আন শব্দ এটা ব্যৱহাৰ কিয় কৰিব লাগে? য'ত সংস্কৃতীয়া শব্দৰ ব্যৱহাৰ উপযোগী আৰু অপৰি-হাৰ্য্য তাত তেওঁ 'কালমায়াদিৰো অধিকাৰী' শব্দগুচ্ছ ব্যৱহাৰ কৰিছে। বেজবৰুৱাই কোৱাৰ দৰে বঙালী নাও হুগলিত ডুবে, অসমীয়া নাও লুইতত 'বুৰে'। চুৰা কৰিলে বুজাবলৈ 'বিতালিলে', গালৈ চেতন আহিছে ঠাইত গা 'চেবাইছে'। এই আচহুৱা যেন লগা শব্দবোৰো সংস্কৃতৰপৰা অহা অপভ্ৰংশই যদিও এইবোৰ শব্দ অসমত হে বিশেষকৈ প্ৰচলিত। অসমীয়া মানুহে 'পানী' 'জুই', 'জোন' বোলে; বঙালী-সকলে যথাক্ৰমে জল, আগুণ, চাঁদ বোলে। অসমীয়া মানুহৰ এনে কিছুমান বৈশিষ্ট্য আছে। ভাষাৰ এই বৈশিষ্ট্যবোৰ ৰক্ষাৰ কাৰণে শৰ্মা সদায় সচেতন। তেওঁৰ এই ভাবটো ইমান তীক্ষ্ণ আছিল যে বহুতে

তেওঁৰ এইটো দোষ বুলিয়েই ভাবিছিল। তেওঁ যে সুমথিৰা টেঙা-টোক 'কমলা' বুলিলে বৰ বেয়া পায়, এই কথা এটা কাহিনী হৈ পৰিছিল।

শৰ্মা কলিকতাত পঢ়ি থাকোতে এবাৰ তাতে লক্ষ্মীনাথ ফুকন আৰু নকুল চন্দ্ৰ ভূঞাও আছিল। তিনিও বন্ধু লগ লাগিল। তেওঁ-লোকে ঠিক কৰিলে মপাঁচাৰ এটা গল্পকে তিনিও অসমীয়ালৈ তৰ্জমা কৰিব, এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত। যেনে কথা তেনে কাম। তিনিও নিজৰ নিজৰ ভাঙনি একেলগে আনি মিলালে। তিনিওটা গল্প সেই সময়ৰ "আলোচনী"ত ওলাইছিল। শৰ্মাৰ সেই তৰ্জুমা গল্পটো "মৰমৰ কাবেঙত" ছপা হৈছে। অনুসন্ধিৎসু ছাত্ৰই তিনিওটা মিলাই চালে শৰ্মাৰ অনুবাদৰ বিশেষত্ব ক'ত ভালকৈ ধৰিব পাৰিব।

বেণুধৰ শৰ্মাৰ গদ্য সাধনাৰ এই উমেদাৰী (Probation) কালছোৱা তেওঁৰ কাৰণে বিশেষ সহায়ক হ'ল।

"আমাৰ ভাষাটো বৰ্তমান ভটীয়নি সোঁতত উটি যোৱা কাঠৰ দৰে, পুৰণি চিন-চকৰ মাৰি কেনোবা ফালে গতি কৰিছে। আৰু বহুবৰিয়েকৰ পিচত কি ৰূপ ধৰেগৈ ক'ব নোৱাৰি। তথাপি আশাই বৰদৌল একোটা বান্ধে বাবে অসমীয়া ভাষা নমৰে; এদিন নহয় এদিন আকৌ মেসে গজাদি গাজিব বুলি দৃঢ় বিশ্বাস হৈছে।" বেণু শৰ্মাই অসমীয়া ভাষাৰ ব্যৱহাৰ সম্পৰ্কে তেওঁৰ আশঙ্কা আৰু আশাৰ কথা চমুকৈ এইদৰে প্ৰকাশ কৰি গৈছে। তেওঁ যি বিপদৰ আশঙ্কা কৰিছিল সেইবোৰ যেন অসমীয়া ভাষালৈ আহিব নোৱাৰে সেই উদ্দেশ্যে তেওঁ সাহিত্যিক জীৱনৰ প্ৰথম ছোৱাত বিশেষকৈ যত্ন লৈছিল।

তেওঁৰ এই যত্নৰ ফলস্বৰূপে আমি তেওঁৰ কাপৰপৰা পাওঁ এনেবোৰ বৰ্ণনা---"দৈয়াঙৰ গৰাই গৰাই লুংলুঙীয়া বাট; দুই নৈৰ মুখলৈকে ভেটুলা-ভটুৱা গছ, বগৰী-বিৰিণাই পাৰখন ছাটি থৈছে। মিৰি গাঁৱৰ গৰুটো-ছাগলীটো তাতেই চৰেগৈ। দৈয়াঙৰ পূব পাৰে বহু গাঁও। গাঁওখনত মানুহে যেনেকৈ ঘিটঘিটাই থাকে হিজাৰ্ভৰ হাবিতো তেনেকৈ বনৰীয়া হাতীয়ে চিঞৰি থাকে।———"।

"তেতিয়া ভৰদুপৰ। ছাঁটোৰ ওপৰতে মূৰটো পৰিছে। কেউ-পিনে নিজান—জিলীয়ে যা কৰা নাই কাউৰীয়েও কা কৰা নাই।—"

"কাঁচিয়লি ৰ'দত তৰাৱতীয়ে যেতিয়া চুলিবোৰ জেলাই-লাইকৈ ডাঁৰত মেলি দিয়ে, তেতিয়া ৰ'দত জিলিঙনি পৰি যিটো জিক্‌মিকনি উঠে তাক দেখিলে এনেকুৱাহে লাগে যেন ওৰ-যাব খোজা মছোৱা গোম সাপৰ চকুৰ তিৰবিৰণিহে ওলাইছে। তেলত বন্দী হোৱা তেলিনী পকুৱাৰ দৰে ৰজাৰ মনটোও সেই জিকমিকনিতে বন্দী হ'ল।"-----

বেণুধৰ শৰ্মাৰ ৰচনাৰ ৰীতিটো ওপৰত দিয়া নমুনাৰ পৰাই অলপ ধৰিব পাৰি। "প্ৰসাদ" গুণটো গদ্যৰ প্ৰধান গুণ, পাঠকে লেখকৰ বক্তব্য স্পষ্টকৈ বুজি পাব লাগে। পঢ়ি যাওঁতে কাণত বাক্যৰ ভাৱসাম্য ধৰিবপৰা হ'ব লাগে। তদুপৰি অসমীয়া শব্দ আৰু জতুৱা ঠাঁচৰ ব্যৱহাৰে লেখকৰ বিশিষ্টতা পাঠকৰ আগত দাঙি ধৰে। এই গুণটো সৰহভাগ অসমীয়া গদ্যলিখকৰ গাত নাই, অথবা অতি কম।

দীঘলীয়া অনুশীলনৰ মূৰত নিজকে এটা বিশেষ গদ্যৰীতিৰ গৰাকী বুলি জানি হে তেওঁ বুৰঞ্জী আৰু জীৱনীমূলক প্ৰবন্ধত হাত দিলে। তেওঁৰ গ্ৰন্থ আৰু প্ৰবন্ধসমূহে অকল যে পুৰণি কথাকে সামৰিছে, এনে নহয়; আধুনিক অসমৰো সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বুৰঞ্জীৰ সাহটো তেওঁৰ ৰচনাৰ মাজত সোমাই আছে। "মজিয়াৰপৰা মেজলৈ" আৰু "কাঁচিয়লি ৰ'দৰ" জিলিঙনিত তেওঁৰ নিজৰ জীৱনতকৈও অসমৰ আধুনিক বুৰঞ্জীৰ কথাহে সৰহ। বহুতে আত্মজীৱনী নিজক যহাবলৈ আৰু বঢ়াবলৈ ৰচনা কৰে। শৰ্মাদেৱৰ লেখা এনেবিধৰ আত্মজীৱনীৰ শাৰীত নপৰে। তেওঁৰ "অৰ্ঘ্যাৱলী"ত মহাৰাণী আৰু মহাত্মাক লগ লগোৱা আধুনিক অসমৰ সকলো বিষয়তে মূৰজিলিকা ব্যক্তিসকলক লগ পায়। দেশপ্ৰেমিক, কবি, সাহিত্যিক, সাংবাদিক, ৰাজনৈতিক নেতা, শিক্ষাবিদ, সমাজ-কৰ্মী, স্বাধীনতা-সংগ্ৰামী— ইয়াত কোন নাই? 'অৰ্ঘ্যাৱলী' আধুনিক অসমৰ বুৰঞ্জী, আচল বুৰঞ্জী। এই সকল লোকৰ কথা নাজানিলে আধুনিক অসম বুজিব নোৱাৰি। এইদৰে জীৱনৰ আলেখ্য লেখা দস্তুৰটো আধুনিক অসমীয়া সাহিত্যত প্ৰথমে ইন্দীবৰ বৰুৱাই "জীৱনাদৰ্শ"ত দেখুৱালে যেন লাগে। "অৰ্ঘ্যাৱলী"ৰ জীৱনীবিলাক স্তোত্ৰ নহয়, চিত্ৰ হে। কোনো কোনো চৰিত্ৰৰ ছিদ্ৰও দেখুৱাই গৈছে।

কাৰোবাৰ আকৌ দুই চাৰিটা কথাৰপৰাই গোটেই চৰিত্ৰৰ ভিতৰখন ওলাই পৰিছে। অসমীয়া সাহিত্যত চৰিত্ৰপুথি বহুত আছে সঁচা, কিন্তু সৰহ ভাগেই অলৌকিক কাহিনীৰে পূৰ্ণ; অৱশ্যে ভক্তৰ কাৰণে সেয়া ভাত-মাছ। সাধাৰণ মানুহৰ কাৰণে জীৱনী বিশ্বাসযোগ্য হ'ব লাগে আৰু প্ৰশংসিত জনৰ মানৱ-সুলভ দোষ-দুৰ্ব্বলতাৰ কথাও দুই-এটা থাকিব লাগে। মানুহ দেৱতা নহয়, ঋষিয়ো নহয়। ঋষিৰো স্খলন আছে কেতিয়াবা। তদুপৰি বুৰঞ্জী হ'লেও ৰসেহে মানুহক তৃপ্তি দিয়ে। ৰস যে অকল কাব্যৰে থাকে, এনে নহয়। সাহিত্য মাত্ৰকৰে ৰস এটা অপৰিহাৰ্য্য গুণ। এই ৰসেই বেণুধৰ শৰ্মাৰ বুৰঞ্জীমূলক প্ৰবন্ধবোৰকো মানুহৰ মন টানিবপৰা কৰিছে। "দেশ-দ্ৰোহী কোন?" প্ৰবন্ধত লেখকৰ নতুন দৃষ্টিভঙ্গী সকলোৰে জনা কথা। সমসাময়িক বহুতলোকৰ প্ৰশংসা পোৱা পিতৃ বুঢ়াগোহাঁই পূৰ্ণানন্দও ঘিণাই বৰফুকনৰ আগত নিস্প্ৰভ, এই কথা বেণুধৰ শৰ্মাৰ প্ৰবন্ধতহে পাঠকে দেখিলে। বিষয়টো অৱশ্যে তৰ্কাতীত নহয়।

বেণুধৰ শৰ্মাৰ গদ্যত বিশেষকৈ গোহাঞিবৰুৱা আৰু লম্বোদৰ বৰাৰ প্ৰভাৱ লক্ষ্য কৰিব পাৰি। সত্যনাথ বৰায়ো জতুৱা ঠাঁচ আৰু অসমীয়া ঘৰুৱা শব্দৰ ব্যৱহাৰৰ কথা সদায় দোহাৰিছিল। অৱশ্যে তেওঁৰ বাক্য অতি সৰল আৰু বিধুৱা। হেম গোসাঞিক বেণুধৰে বৰ উচ্চ স্থান দিছিল আৰু হেম গোসাঞিৰ জীৱনৰ প্ৰেৰণাই তেওঁক বুৰঞ্জী-চৰ্চ্চাত একদেৱ শৰণীয়া হ'বলৈ সাহ আৰু শক্তি দিছিল যেন লাগে। সেই গুণে তেওঁৰ ৰচিত হেম গোসাঞিৰ জীৱনী তথ্য-পূৰ্ণই নহয়, উদ্দীপকো। অসমীয়া সাহিত্যৰ তিনিখন জীৱনী, আনন্দৰাম ঢেঁকীয়াল ফুকন, আনন্দৰাম বৰুৱা আৰু বেণুধৰৰ হেম গোসাঞি। হেম গোসাঞিৰ সাহিত্যৰ সম্পৰ্কে যদিও বেচি কথা নাই, তথাপি ইয়াত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ সংগ্ৰামৰ কাহিনী ভালকৈ আঁকি দিছে।

আধুনিক অসমীয়া জীৱনৰ আৰম্ভণিৰ পুৰুষ মণিৰাম দেৱানৰ কথা বেণুধৰেই অসমত প্ৰথম প্ৰচাৰ কৰে আৰু অনেক কাল অনু-সন্ধান কৰি বিভিন্ন তথ্য-পাতি গোটাই দেৱানৰ কথা লিখি গৈছে। ইয়াকে আলম লৈ পৰৱৰ্তী অনেক গৱেষক সাহিত্যিকে লিখিছে আৰু লিখিব।

অসম তথা ভাৰতীয় সংস্কৃতিৰ বুৰঞ্জীৰ পিনৰপৰা বিশেষ গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ল শৰ্মাদেৱৰ দক্ষিণপাট সত্ৰৰ বুৰঞ্জী। আমাৰ সমাজৰ প্ৰাণস্বৰূপ সত্ৰবিলাকৰ বিষয়ে লিখা গ্ৰন্থ এয়ে প্ৰথম। এই গ্ৰন্থৰ আদৰ অকল অসমতে নাথাকি ভাৰতৰ আন আন ঠাইৰ পণ্ডিতকো সমল-পাতি যোগাব। মাজুলী আজি আগৰ শান্তমিদমাশ্ৰমপদম্ হৈ থকা নাই। তথাপি মাজুলীৰ সত্ৰ বাদ দি অসমৰ সাংস্কৃতিক জীৱনৰ কথা ভাবিব নোৱাৰি।

বেণুধৰৰ সাহিত্যৰ বিষয় বস্তু আৰু গদ্যৰীতিৰ মূলতে তেওঁৰ গভীৰ দেশপ্ৰেম। সদিয়াৰপৰা ছত্ৰশাললৈ তেওঁ নুফুৰা, গচকি নোপোৱা গাঁও-চহৰ নাছিল। যলৈকে তেওঁ গৈছিল তাতে তেওঁ সেই ঠাইৰ মানুহ, সংস্কৃতি, বুৰঞ্জীৰ বুকুত সোমাই লৈ সুখ পাইছিল আৰু মানুহে দিয়া লাও-কোমোৰা, মানিমুনি বাবৰিৰ লগতে সেই সেই ঠাইৰ সোঁৱৰণী লৈ আহি নিজৰ ৰচনাত জ্ঞাতসাৰে বা অজ্ঞাতসাৰে সানি দিছিল। অসমীয়া গাঁৱলীয়া জীৱনৰ এনে অনবদ্য অভিজ্ঞতা থকা মানুহ অসমত আৰু নাই বুলিলেও হয়। আমি সকলোৱেই carpet knight. মহাত্মা গান্ধীয়ে দুখ কৰিছিল---আজিৰ শিক্ষিত ডেকাই do not feel poetry about their village home. বেণুধৰ ইয়াৰ ব্যতিক্ৰম। অসমৰ আচাৰ-ব্যৱহাৰ, পিন্ধা-উৰা, পুথি-পাজিৰ লগতে অসমৰ জতুৱা মাতকথা বেণুধৰৰ জীৱনৰ অতি চেনেহৰ বস্তু আছিল। মাত এৰিলেই জাত এৰে---এই বুলি কেতিয়াবা কেতিয়াবা তেওঁ কয়। দেশৰ বস্তু দেশৰ মানুহেই যদি আদৰ নকৰে, আন কোনে কৰিব ? বনৰীয়া বোন্দাই পহু মাৰি নুখুৱায়, এইটো ফকৰা প্ৰায়েই মাতে।

দেশৰ মাত, জতুৱা ঠাঁচ, শব্দ এইবোৰত দেশৰ ঘাই কালিকা থাকে। দেশৰ ভাষা দেশৰ আত্মজীৱনী। দেশৰ নিজৰ মাতেই দেশৰ কবিতা---এইটো বেণুধৰৰ দৃঢ় বিশ্বাস আছিল। সেই বিশ্বাস বুকুত বান্ধি বেণুধৰে অসমক গদ্য সাহিত্য এটি দি গ'ল যাৰ আদৰ অসমীয়া মানুহে আজি নহয় কাইলৈ কৰিব লাগিব। অসমীয়া ল'ৰা-বুঢ়া সকলোৱেই তেওঁৰ আনন্দবাহী গদ্য সাহিত্যৰ ৰস উপভোগ কৰিব পৰা।

শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
মুখ্য সম্পাদক

ভূমিকা

বুৰঞ্জীবিদ হিচাপে বেণুধৰ শৰ্মাৰ বৰ্ণাঢ্য ব্যক্তিত্বক খণ্ডিত কৰি চাবলৈ স্বাভাৱিকতে আমাৰ মনত সংকোচ ওপজে। তেওঁৰ বুৰঞ্জী-মূলক ৰচনাসমূহৰ মূল্য কেৱল পণ্ডিতসুলভ (academic) তথ্যসংগ্ৰহ বা গৱেষণাতে আবদ্ধ নহয়। সাহিত্য হিচাপেই, এক সৰস আৰু তেজাল মনৰ অভিব্যক্তিস্বৰূপে, পাঠকক সেইবিলাকে প্ৰথমে আকৰ্ষণ কৰে। অসমৰ সামাজিক জীৱনৰ বিভিন্ন দিশ সেইবোৰ ৰচনাই যেনেকৈ পোহৰলৈ তুলিছে, বহু প্ৰখ্যাত বুৰঞ্জীবিদৰ অৱদানত তেনে পোহৰ দুৰ্লভ। সৰ্বোপৰি স্বাধীনতা যুদ্ধৰ উত্তাল সোঁতত সাঁতুৰি-নাদুৰি বেণুধৰ শৰ্মাই যি গভীৰ উদ্দীপনা আৰু সঞ্জীৱনী প্ৰেৰণা প্ৰাণত অনুভৱ কৰিছিল তেওঁৰ বুৰঞ্জীমূলক ৰচনাৰ ছত্ৰে ছত্ৰে হৃদয়স্পৰ্শী আবেগৰ ৰূপত সি কল্লোলিত হৈ আছে।

সঁচা কথা, তেওঁৰ ব্যক্তিত্ব আৰু তেওঁৰ যুগৰ নানা সীমাবদ্ধতা আৰু স্ববিৰোধ তেওঁৰ বুৰঞ্জীমূলক ৰচনাবোৰতো প্ৰকট। অসমৰ স্বকীয় সত্তাৰ প্ৰশস্তি নে ভাৰতীয় আৰ্য্য ঐতিহ্যৰ বিপুল প্ৰসাৰৰ জয়গান? অসমৰ বৃহত্তৰ পৰিসীমাৰ মাজৰ বিচিত্ৰ ধাৰাৰ স্বীকৃতি নে আহোম যুগত আৰম্ভ হোৱা ঐক্য সাধনৰ গুণকীৰ্তন? গান্ধী-বাদৰ উদাৰ মানৱতাবাদৰ আগত আত্মসমৰ্পণ নে সামাজিকতাৰ কাৰ্য্যকৰী দৃষ্টিভংগীৰ পৰা সাম্প্ৰদায়িকতাৰ প্ৰতি আংশিক সমৰ্থন? এনেবোৰ প্ৰশ্নই আজিও অসমৰ শিক্ষিত সমাজক আহুকালত পেলাই আছে। শৰ্মাৰ ৰচনাৱলীত এইবোৰৰ উপস্থিতি অনস্বীকাৰ্য্য। আনকি এনে বিভিন্ন পৰস্পৰবিৰোধী ভূমিকা আৰু মতৰ প্ৰতি তেওঁৰ আসক্তিত তেওঁ নিজেও বিশেষ চিন্তিত যেন নালাগে। হয়তো দাৰ্শনিক পদ্ধতিৰে এইবোৰ স্ববিৰোধৰ ওপৰত এটা ঐক্যৰ প্ৰলেপ দিব পৰা গ'ল-হেঁতেন। কিন্তু সেই প্ৰলোভনৰ ওচৰত আত্মসমৰ্পণ নকৰি শৰ্মাই যেনেকৈ তেওঁৰ প্ৰকৃত অনুভূতি-উপলব্ধিৰ প্ৰতি সত্যনিষ্ঠ হৈ ৰ'ল, তাৰপৰা পৰৱৰ্তী পুৰুষৰ বাবে এক অৰ্থত তেওঁৰ ৰচনাৰ মূল্য বাঢ়িছে। বহু সময়ত জনপ্ৰিয়তা ক্ষুণ্ণ হ'ব বুলি জানিও তেওঁ এনে

মত সাহস আৰু দৃঢ়তাৰে প্ৰকাশ কৰিছিল। অৰ্থাৎ কোনো সন্তীয়া তাগিদ বা প্ৰয়োজনতকৈ ব্যক্তিত্বৰ গভীৰতম স্তৰৰ স্পন্দনতে তেওঁ এনে আঁহফলা মত প্ৰকাশ কৰিবলৈ গৈছিল। এইপিনৰ পৰা ইতি-পূৰ্বে প্ৰকাশিত "মজিয়াৰ পৰা মেজলৈ" গ্ৰন্থত শ্ৰদ্ধেয় নলিনীধৰ ভট্টা-চাৰ্য্যদেৱৰ পাতনিৰ দুটামান মন্তব্যত পাঠকে চিন্তাৰ সমল বিচাৰি পাব।

কেৱল পাঠাগাৰৰ দেৱালৰ মাজত গৱেষণাৰ ক্ষেত্ৰ আবদ্ধ ৰখা পণ্ডিতসকলৰ চকুৰ পৰা মানুহৰ জীৱনৰ কেতবোৰ অপ্ৰীতিকৰ, অৰুচিকৰ আৰু যুক্তিবিবৰ্জিত আচৰণ বা মনোভাৱ লুকাই থাকে। জীৱিকাৰ তাড়নাত আৰু স্বাধীনতা সংগ্ৰামৰ সংগঠক হিচাপে অস-মীয়া সমাজৰ উধৰ পৰা মুধলৈ পিট্‌পিটাই ফুৰা বেণুধৰ শৰ্মাৰ কিন্তু তেনেবোৰ ঘটনা বা পৰিস্থিতিৰ লগত প্ৰত্যক্ষ সম্পৰ্ক আছিল। ব্যক্তিগতভাৱেও তাৰ তিতা-কেঁহা আৰু নেওচা-কেওচা তেওঁ বহুবাৰ হজম কৰিবলগীয়া হৈছিল আৰু সেইবাবেই এনেবোৰ ঘটনাৰ 'মূল্য' বা 'গুৰুত্ব' তেওঁ বুজিছিল। সামগ্ৰিকভাৱে এনেবোৰ পংকিল-তাত বুৰ নোযোৱাকৈও তাৰ অস্তিত্ব সম্পৰ্কে তেওঁ নিৰ্বিকাৰ সাক্ষ্য প্ৰদান কৰিছে। আমাৰ সমাজ জীৱন আৰু পৰম্পৰাৰ ছাঁয়াময় দিশটো সেই খুটিনাটিবোৰে কেতিয়াবা চাঞ্চল্যকৰভাৱে উন্মোচন কৰিছে।

তেনেবোৰ খুটিনাটিত উত্তেজিত বা ক্ষুব্ধ হোৱা মনোবৃত্তি শৰ্মাৰ নাছিল। সমাজ সংস্কাৰকৰ ভূমিকাত তেওঁ অৱতীৰ্ণ হোৱা নাছিল। বৰং সমাজ জীৱনৰ নানা খুন্দা-খুন্দলিত নিজেও কেতিয়াবা ধৰাশায়ী হ'লেও তাক প্ৰফুল্লচিত্তে উপভোগ কৰিব পৰা এক স্বাস্থ্যবান ব্যক্তিত্ব তেওঁৰ আছিল। "মজিয়াৰ পৰা মেজলৈ" ৰচনাত তাহানিৰ অসমৰ নমস্য পুৰুষ সকলৰ বিষয়ে মাজে মাজে অপ্ৰত্যাশিত আৰু অগৌৰৱ-সূচক তথ্য দাখিল কৰোঁতে, নাইবা সাধাৰণ হিন্দু সমাজৰ সবাহত বহিবলৈকো তাহানিৰ কৈৱৰ্ত সম্প্ৰদায়ৰ লোকসকলে কেনে দুখলগা ধৰণৰ চালাকিৰ আশ্ৰয় ল'ব লগা হৈছিল (মজিয়াৰ পৰা মজলৈ পৃঃ ৪৭১-৪৭৩), তাৰ বিৱৰণ দিওঁতে তেওঁ ভকতীয়া বিধৰ ভদ্ৰতাক নেওচা দি সত্যান্বেষী জনৰ উপকাৰেই সাধিছে। কানি নিবাৰণৰ অভিযান চলাওঁতে মহেশ্বৰ ফুকন নামৰ এজন উদ্যোগী গঞা মানুহে কংগ্ৰেছ কৰ্মীসকলৰ প্ৰতি বাক্যবাণ এৰিলে ঃ

"থ থ তোৰ কথাখন! তহঁতক কোনে ক'লে কানি খালে দুখীয়া হয় বুলি? মই মাহে চাই টকা কানি খাওঁ। বলচোন, মোৰ ঘৰলৈ। চাগে, মোৰ ঘৰত কি নাই। হাতী আছে এহাল। ল'ৰা চাইটা। ফেঁচুৱে চীচিয়ালেই লৰাহঁত হাল লৈ পথাৰলৈ যায়। ভঁড়ালো দুটা, গুটিৰ এটা, গছীৰ এটা। কানি খালে আৰু' কিহৰ দুখীয়াটো হয় হোঁ?" (পৃঃ ৩২৯)

এটা সামগ্ৰিক systemৰ চাৰিবেৰৰ মাজত এনে আহুকলীয়া উপঙীয়া কথাবোৰ দাং দি থ'বলৈ তেওঁ চেষ্টা কৰা নাছিল। অৱশ্যে তেনেবোৰ অসুবিধাজনক কথাৰ আঁতিগুৰি বিচাৰিও তেওঁ বিশেষ চৰ্চা কৰা নাছিল। তেওঁৰ সমাজ আৰু শিক্ষাৰ মাজেদি বৈ অহা নানা পৰস্পৰবিৰোধী ধাৰাক সমানে মৰ্য্যাদা দি, বেলেগ বেলেগ সময়ত বেলেগ বেলেগ ধাৰা অনুসৰণ কৰিবলৈ বিচাৰিছিল। তাক সুবিধাবাদ বুলিলে ভুল হ'ব। হয়তো ৰবীন্দ্ৰনাথৰ দৰে স্বনামধন্য মনীষীৰ মাজতো এনে "সমন্বয়বাদৰ" মাৰ্জিত সংস্কৰণ পৰিস্ফুট হৈছিল। অসমৰ গঞা পৰিবেশত তাৰেই চহা ৰূপটো বেণুধৰ শৰ্মাৰ মনোভাবত প্ৰকাশ পাইছিল। কিন্তু ৰবীন্দ্ৰনাথৰ তুলনাত বোকামাটিৰ জগতখন বেছি ওচৰৰ পৰা চিনি পোৱা বেণুধৰ শৰ্মাই সমন্বয়ৰ মাজত লুকাই থকা বিৰোধ আৰু ব্যতিক্ৰমবোৰো নিঃসংকোচ মনেৰে ব্যক্ত কৰিছিল।

"বুৰঞ্জীৰ সঁফুৰাত" সংকলিত প্ৰবন্ধকেইটাৰ ৯টা আহোম যুগৰ বিষয়ে, ৪টা স্বাধীনতা সংগ্ৰামৰ বিষয়ে, ৬টা অসমীয়া নবন্যাস যুগৰ বিষয়ে। তাৰ পৰাই বুৰঞ্জীবিদ হিচাপে শৰ্মাৰ দৃষ্টিভংগীৰ গঠন আৰু চৰিত্ৰ অনুমান কৰিব পাৰি। ঊনবিংশ শতাব্দীত আধুনিক পৰিস্থিতিত এটা নতুন অসমীয়া জাতি গঢ় লৈ উঠিল, যাৰ পটভূমি অসমৰ ভূখণ্ডত হেজাৰ বছৰ বিয়পি আছিল। এই "নতুন" জাতিটোৱে থলুৱা সমাজৰ বিদ্যমান পৰম্পৰাকে নিজা পৰিচয়ৰ প্ৰধান ভেঁটি হিচাপে প্ৰতিষ্ঠা কৰি ল'লে। তাৰ লগে লগে চুবুৰীয়া আৰু অসমৰ ভূখণ্ডত ক্ৰমে প্ৰবল হৈ উঠা বঙালী জাতিৰ লগত প্ৰতিযোগিতা এই পৰিচয়ৰ অন্যতম দিশ হিচাপে ওলাই আহিল। নতুন অসমীয়া মধ্যবিত্তই এইদৰে এটা আধুনিক জাতি গঠন কৰিবৰ সময়ত উপলব্ধি কৰিছিল যে আহোম যুগৰ সাংগঠনিক, প্ৰশাসনীয় আৰু বীৰোচিত

(heroic) ঐতিহ্যৰ মাজতে অসমীয়া জাতিৰ ভৱিষ্যৎ ৰাজনৈতিক বিকাশৰ আদৰ্শ নিহিত থাকিব পাৰে---বিশেষকৈ উদাৰমনে সকলো আঞ্চলিক বৈচিত্ৰ্য সামৰি লৈ এখন ঐক্যবদ্ধ সমাজ গঠন কৰি প্ৰবল পৰাক্ৰান্ত মোগল সাম্ৰাজ্যৰ লোলুপ হাতোৰাৰ পৰা সেই আঞ্চলিক বৈচিত্ৰ্যখিনি ৰক্ষা কৰিবলৈ আহোমে লোৱা উদ্যোগত। বেণুধৰ শৰ্মাৰ বাবে সেয়ে আহোম যুগটো অসমীয়া জাতিৰ বুৰঞ্জীতে এক গুৰুত্বপূৰ্ণ অধ্যায়---হয়তো সকলোতকৈ গুৰুত্বপূৰ্ণ অধ্যায়। জাতি-গঠনৰ প্ৰেৰণাৰ থল হিচাপে আহোম যুগ গ্ৰহণ কৰা বাবে সেই যুগৰ নেতিবাচক দিশবোৰৰ বিষয়ে প্ৰণালীবদ্ধ আলোচনাৰ সুযোগ তেওঁ বেচি নাপালে। কিন্তু আগতে কৈ অহা ঘটনাবোৰৰ দৰে আহোম যুগৰ প্ৰথাসিদ্ধ (conventional) ইতিহাসত চেকা লগাব পৰা কেতবোৰ দিশ সম্পৰ্কেও তেওঁ সচেতন আছিল আৰু দেশপ্ৰেমৰ খাটিৰত তেনেবোৰ দিশ সম্পৰ্কে নীৰৱতা অৱলম্বন কৰাৰ কথাও ভবা নাছিল। কিন্তু সামন্ত ঐতিহ্যৰে পুষ্ট মধ্যবিত্ত মানসিকতাৰ পৰিসীমাৰ মাজত আহোম যুগৰ বিকাশ সম্পৰ্কে বৈজ্ঞানিক ধাৰণা বিচাৰি লোৱাও তেওঁৰ পক্ষে সম্ভৱ নাছিল। তথাপি অপইতা মাৰ্ক্সবাদৰ প্ৰভাৱত যিসকলে অসমীয়া জাতি গঠনৰ বিপুল বাস্তৱ প্ৰক্ৰিয়াটোকে আওকাণ কৰিব পাৰে, নাইবা আহোম যুগটোক এটা দুৰ্ভাগ্যজনক অধ্যায় বুলি নাকচ কৰিব পাৰে, তেওঁলোকৰ তুলনাত বেণুধৰ শৰ্মাৰ ধ্যান-ধাৰণা কম "বৈজ্ঞানিক" আছিল বুলি নাভাবোঁ।

অৱশ্যে জনগণৰ ঐতিহাসিক ভূমিকা সম্পৰ্কে এটা দ্বিধাহীন মনোভাৱ লোৱা শৰ্মাৰ বাবে সম্ভৱ নাছিল। হয়তো ব্ৰাহ্মণ্য ঐতিহ্যৰে অন্যতম পৰিণাম স্বৰূপে, মহাপুৰুষীয়া ধৰ্মমত আৰু শংকৰ-মাধৱৰ প্ৰতি শ্ৰদ্ধা-সন্মান যথাযথভাৱে প্ৰকাশ কৰিলেও সেইবিষয়ে তেওঁ বহলাই কতো লেখা আমাৰ চকুত পৰা নাই। কিন্তু "কংগ্ৰেছৰ কাঁচিয়লী ৰ'দত" (মজিয়াৰ পৰা মেজলৈ"ত সন্নিৱিষ্ট) লেখা বেণুধৰ শৰ্মাই সনাতন হিন্দু ধৰ্মৰ লাইখুটা হৈ নপৰিল আৰু অসমৰ সংস্কৃতিত শংকৰ-মাধৱৰ স্থান সম্পৰ্কেও ভ্ৰান্ত ধাৰণা পোষণ নকৰিলে। মটক বা মোৱামৰীয়া সকলৰ বিষয়ে তেওঁ লেখা প্ৰবন্ধপাতিৰ মাজত সেই বিদ্ৰোহৰ গুৰুত্ব সম্পৰ্কে তেওঁৰ চেতনাৰ আভাস পোৱা যায়ঃ

"মোৱামৰীয়া বিদ্ৰোহ উলামূলা নহয়--- এঠাইত কাটিলে সাত-ঠাইত গজিছিল।" কিন্তু আহোম শোষণ ব্যৱস্থা আৰু শাসনতন্ত্ৰৰ বিকাশৰ এটা স্তৰত সি কেনেকৈ অনিবাৰ্য্য হৈ পৰিছিল, সেই বিষয়ে তেওঁ বিশেষ অনুসন্ধান নকৰিলে। "লাচিত বৰফুকন" বা "মণি-ৰাম দেৱান" প্ৰভৃতি উদ্যোগী আৰু কৃতী পুৰুষ তেওঁৰ ইতিহাস চিন্তাৰ কেন্দ্ৰ। জনসাধাৰণে ইতিহাসৰ সোঁত কেনেকৈ সলাব পাৰে সেই বিষয়ে তেওঁৰ স্পষ্ট ধাৰণা নাই।

সেয়ে তেওঁৰ ইতিহাস চৰ্চাত প্ৰধানকৈ ব্যক্তি বা নেতাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। মণিৰাম দেৱানৰ ভূমিকা আৰু চৰিত্ৰত তেওঁ আসোঁৱাহ একেবাৰে নেদেখিলেই---দেৱানৰ দেশপ্ৰেমৰ গৰিমা প্ৰতিষ্ঠা কৰাই তেওঁৰ লক্ষ্য হৈ পৰিল। আকৌ "দেশদ্ৰোহী কোন---বদন নে পূৰ্ণানন্দ ?"ত এটা জটিল সামাজিক প্ৰক্ৰিয়াক ব্যক্তিগত দোষ গুণৰ বিচাৰলৈ সৰলীকৃত কৰা হৈছে। কিন্তু আন সকলো ঐতিহা-সিকে একমুখে প্ৰশংসা কৰা পূৰ্ণানন্দৰ মাজত তেওঁ ক্ষয়িষ্ণু সামন্ত-যুগীয়া দুৰ্বলতা আৰু বিকাৰ সন্ধান কৰি আগতে উল্লেখ কৰি অহা স্বাধীন চিন্তাৰ পৰিচয় দিছে।

বেণুধৰ শৰ্মাৰ বুৰঞ্জী চৰ্চাৰ অন্যতম প্ৰধান বিষয় হ'ল বৃটিছ শাসনত আৰম্ভ হোৱা অসমীয়া জাতিৰ নৱজাগৰণ। এইবোৰ ৰচনা-তো শ্ৰেণীগত বিশ্লেষণতকৈ বিভিন্ন নেতা বা ব্যক্তিৰ ভূমিকাৰ বিৱ-ৰণত গুৰুত্ব দিয়া হৈছে। এইক্ষেত্ৰত উল্লেখযোগ্য যে বঙালী ভাষা আৰু জাতীয়তাৰ পৰা আত্মৰক্ষাৰ বাবে অসমীয়া জাতীয়তাবাদৰ অগ্ৰদূত সকলৰ সংগ্ৰামত গুৰুত্ব দিলেও তেওঁ বৃটিছ সাম্ৰাজ্যবাদৰ অসমীয়া বিৰোধী মনোভাৱ সম্পৰ্কে সমসাময়িক আন বহু লেখকতকৈ অধিক সচেতন। "দৈনিক অসম"ত ১৯৬৬ চনত প্ৰকাশিত এটা প্ৰৱন্ধত তেওঁ বঙালী আমোলাৰ চক্ৰান্ততকৈ ডব্লু ৰবিন্সন, ফ্ৰেন্সিচ্ জেন্‌কিন্স প্ৰভৃতি বৃটিছ বিষয়াৰ সিদ্ধান্তকহে অসমৰ প্ৰশাসন আৰু শিক্ষাত বঙলা ভাষা প্ৰৱৰ্তনৰ বাবে জগৰীয়া কৰিছে। নিঃসন্দেহে বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে জাতীয় স্বাধীনতা যুদ্ধত ব্যক্তিগতভাৱে জড়িত থকা বাবেই তেওঁ এই ঘটনাৰ প্ৰকৃত সত্যৰ প্ৰতি সমসাময়িক আন বহু লোকতকৈ সজাগ হ'ব পাৰিছিল। কিন্তু "অৰুনোদই" সম্পৰ্কে লেখা প্ৰৱন্ধত গৈ থৈ পুনৰ বঙালী আমোলাকে প্ৰধানকৈ

জগৰীয়া কৰা হ'ল। তাৰ কাৰণ নিশ্চয় এয়ে যে অসমীয়া মধ্য-বিত্তৰ ভাৱ জগতত স্বাধীনতা আন্দোলনে ভুঁইকঁপ আনিলেও শেষ পৰ্য্যন্ত তাৰ বিশেষ পৰিৱৰ্তন ঘটাব নোৱাৰিলে। বেণুধৰ শৰ্মাৰ ৰচনাত প্ৰগতিশীল আৰু ঐতিহ্যৰ প্ৰতি প্ৰত্যাহ্বান থকা উপাদান মাজে-সময়ে উদয় হৈছে, সূৰ্য কুমাৰ ভূঞাৰ দৰে বিখ্যাত বুৰঞ্জীবিদৰ ৰচনাতো যেনে ধৰণৰ উপাদান দুৰ্লভ। কিন্তু তাৰ আলম লৈ তেওঁ এক নতুন দৃষ্টিভংগী বা দৰ্শন গ্ৰহণ কৰা নাছিল।

ভাৰতৰ স্বাধীনতা ৰণৰ বিৱৰণত বেণুধৰ শৰ্মাৰ কলমে এক স্বতঃস্ফূৰ্ত্ত প্ৰেৰণা আৰু দ্বন্দহীন গতিবেগ অৰ্জন কৰিছে। ব্যক্তিগত অভিজ্ঞতাৰ লগত মধ্যবিত্ত জাতীয়তাবাদী আদৰ্শবাদৰ সংগতি থকা বাবে তাত তেওঁৰ প্ৰেৰণা দ্বিধাদ্বন্দৰ চাকনৈয়াত বিভ্ৰান্ত হোৱা নাই। তেওঁৰ এই ধাৰাৰ ৰচনাৰ শ্ৰেষ্ঠ কীৰ্তি "মণিৰাম দেৱান" গ্ৰন্থ, যিখন "বঙালবৈৰী লাচিত বৰফুকন"ৰ লগতে তেওঁৰ গভীৰ দেশপ্ৰেম, তেওঁৰ তেজস্বী ব্যক্তিত্ব, থলুৱা সমাজ আৰু সংস্কৃতিৰ দ্বাৰা উত্তীৰিত হ'ব পৰা চমকপ্ৰদ ক্ষমতা আৰু বলিষ্ঠ অথচ বিচিত্ৰ ভাষাৰ স্মৰণীয় উদাহৰণ। ইয়াত সংকলিত ৰচনাকেইখনো একে দৃষ্টি-ভংগীৰ পৰা ৰচিত। মণিৰাম দেৱানৰ ব্যক্তিগত উচ্চাকাঙ্খা, নিজে অসমৰ জমিদাৰ হোৱাৰ প্ৰয়াস প্ৰভৃতি নেতিবাচক দিশৰ প্ৰতি তেওঁ নজৰ দিয়া নাই। লাচিত বৰফুকনৰ মনোভাৱত আজিৰ অৰ্থত জাতীয়তাবাদৰ মাত্ৰা কিমান আছিল, তেনে ধৰণৰ প্ৰশ্নও তেওঁ তোলা নাই।

মণিৰাম দেৱানৰ ভূমিকাৰ এনে সহজ সৰল ৰূপ আজি আৰু গ্ৰহণীয় হৈ থকা নাই। তেওঁ নিশ্চয় পৰৱৰ্তী যুগৰ দেশপ্ৰেমিক শ্বহীদসকলৰ দৰে আত্মত্যাগী বীৰ নাছিল। তেওঁৰ ব্যক্তিগত উচ্চাকাঙ্খা বৃটিছ সাম্ৰাজ্যবাদে দমন নকৰা পৰ্য্যন্ত তেওঁ আছিল বৃটিছ সাম্ৰাজ্য-বাদৰ প্ৰধান দেশীয় সহযোগী। কিন্তু বিদ্ৰোহী হৈ উঠাৰ পিছত তেওঁ যে ঐকান্তিকভাৱে অসমৰ পৰা ইংৰাজ শক্তিক বিতাড়িত কৰিবলৈ বিচাৰিছিল সন্দেহ নাই। বেণুধৰ শৰ্মাৰ ৰচনাৰ পৰাই জনা যায় যে তেওঁ বিদ্ৰোহৰ আয়োজন কৰিবলৈ অসমৰ নজন মুখীয়া মানুহলৈ চিঠি দিছিল—যোৰহাটৰ বাহিৰেও ডিব্ৰুগড়, গুৱাহাটী, নগাওঁ, গোলাঘাট প্ৰভৃতি ঠাইৰ সম্ভ্ৰান্ত লোকসকলৰ বিদ্ৰোহৰ প্ৰতি

সমৰ্থন আছিল--দিনৌ নামঘোৰা, সবাহ, ভাওনা আদিৰ জৰিয়তে বিদ্ৰোহৰ বাবে লোক সংগ্ৰহ আৰু গুপুত প্ৰচাৰ চলিছিল। আনকি চাহ বাগানৰ মালিক বিল্লাকে খবৰ দিয়া মতে দেৱান বন্দী হোৱাৰ পিছতো তেওঁৰ ৰিপুৱাবোৰে গাৱেঁ-ভূঞে মানুহক বিদ্ৰোহী কৰি তুলিছিল। সেয়ে বেণুধৰ শৰ্মাই স্বাধীনতা যুঁজাৰু হিচাপে দেৱানৰ চৰিত্ৰত যি মহিমা আৰোপ কৰিছে, তাক ভিত্তিহীন বুলিব নোৱাৰি। কিন্তু তেওঁ প্ৰশংসা কৰা আনন্দৰাম ঢেঁকীয়াল ফুকন আদি অসমৰ নৱজাগৰণৰ নেতাসকল যে বিদ্ৰোহৰ পৰা সাত হাত দূৰৈত আছিল, সেই আহুকলীয়া প্ৰশ্নটি বেণুধৰ শৰ্মাৰ মনত উদয় নহ'ল। কাৰণ আমি আগতে কৈ অহা দৰে সমসাময়িক বহু লেখকতকৈ দুঃসাহসী শৰ্মায়ো মধ্যবিত্ত সীমা লংঘন কৰি নতুন যুগৰ চিন্তাধাৰাৰ বাটকটীয়া হ'ব নোৱাৰিলে।

কিন্তু স্বাধীনতা যুদ্ধৰ পৰা আঁতৰত থকা বা স্বাধীনতা যুদ্ধৰ ঢৌত ওপৰে ওপৰে ভাহি ফুৰা সকলতকৈ কিছুমান ক্ষেত্ৰত শৰ্মা আছিল শ্ৰদ্ধেয় ব্যতিক্ৰম। "মজিয়াৰ পৰা মেজলৈ" ৰচনাতে ভুৰি-ভুৰি প্ৰমাণ আছে যে স্বাধীনতা যুদ্ধৰ এজন নিৰলস কৰ্মী হিচাপে জাতকুলৰ বিচাৰ নকৰি তেওঁ সাধাৰণ অসমীয়া মানুহৰ সমাজত মিলি গৈছিল। আৰু এনে আত্মীয়তাৰ ফলত এহাতে যেনেকৈ তেওঁৰ ভাষাই জতুৱা ঠাঁচৰ জীপ লৈ ঠন ধৰি উঠিছিল, আনহাতে সাধাৰণ মানুহৰ প্ৰতি তেওঁৰ মনৰ এচুকত নিভাঁজ শ্ৰদ্ধা আৰু মমতাই আসন পাতি লৈছিল। সি হয়তো পূৰ্ণাংগ গণতান্ত্ৰিক চিন্তাধাৰাৰ পিনে তেওঁৰ উত্তৰণ ঘটাব নোৱাৰিলে। কিন্তু এই উপাদানটোৰ মহত্ত্ব অস্বীকাৰ কৰিব নোৱাৰি। সেয়ে হ'বলা আৰ্যত্বৰ মোহত ওফন্দি থকা সকললৈ কেৰেপ নকৰি ৰাভা-কছাৰী-চুটিয়া জাতিৰ ঐতিহ্য সম্পৰ্কে তেওঁ আগ্ৰহ আৰু আদৰেৰে তথ্যানুসন্ধান কৰিছিল, তুলাৰাম সেনাপতিক জাতীয় বীৰৰ মৰ্য্যাদা দিছিল, মণিপুৰৰ টিকেন্দ্ৰজিতৰ বীৰত্ব-কাহিনী অসমীয়া সমাজত প্ৰচাৰ কৰিছিল। এই প্ৰেৰণাতে নিশ্চয় " অসমত ইছলামৰ সুত্ৰপাত" আৰু "খাচপৰ্বতীৰ সম্পৰ্ক" সম্বন্ধে তেওঁ উদাৰমনা আৰু মূল্যবান নিবন্ধ ৰচিছিল। এইবাবেই তেওঁ এনেবোৰ মন্তব্য কৰিব পাৰিছিল ঃ

"উজনি অসমৰ সৰহভাগটি অসমীয়াক scratch কৰক অৰ্থাৎ বৰ্থলিয়াই বা বাঁকুহি চাওক, দেখিব, তেওঁবিলাক আচলতে চুতীয়া।"

+ + +

"বৃটিছ কূটনীতিৰ হেঁচাত পৰি তুলাৰামে ত্ৰাহি-ত্ৰাহি কৰিলে। তাৰ ফলতেই আজিও আমাৰ আদি অসমীয়া বড়োচা-ডিমাচাৰ বংশ কছাৰী জাতিয়ে ক'তো মূখ উলিয়াব পৰা নাই।"

এনেবোৰ মুহূৰ্তত উচ্চবৰ্ণ আৰু আত্মাভিমানী অসমীয়া "বৰ-মানুহৰ" অমানুষিক আৰু অন্তঃসাৰশূন্য মানসিকতাৰ ভগা চকোৱা ডেৱাই বেণুধৰ শৰ্মাৰ মনটোৱে যেন দূৰ ভৱিষ্যতৰ গণতান্ত্ৰিক সমাজ এখনৰ পোহৰৰ প্ৰতি সঁহ দি দিছে। কিন্তু পৰিতাপৰ বিষয় এয়ে যে তেওঁৰ মনে আকৌ চিনাকি চাপটোলৈ বাৰে বাৰে উভতি আহিছে। স্বাধীনতা সংগ্ৰামৰ উত্তাল তৰংগ বাগৰি যোৱাৰ পিচত দেখা গ'ল জাতীয় জীৱনৰ নৈখন বেছি বহল হৈ নপৰিল। বিশেষকৈ স্বাধীনতা প্ৰাপ্তিৰ পিচত তেওঁৰ মন নতুন ব্যক্তিবাদী, সুবিধাবাদী শাসকশ্ৰেণীৰ প্ৰভাৱত পৰা যেন লাগে। অভিযাত্ৰী আৰু প্ৰগতিশীল প্ৰৱণতাৰ তুলনাত ৰক্ষণশীলতা তেওঁৰ মতামতত অধিক সক্ৰিয় হৈ উঠিল। তেনে প্ৰৱণতাৰ প্ৰভাৱতে হয়তো তেওঁ লেখিলে :

"সংস্কৃতি-সভ্যতা নোহোৱা জাতিৰ পতন হ'ল, ভাৰত কিন্তু জীয়াই আছে।" (ভাৰতীয়ৰ বাহিৰে আন প্ৰাচীন জাতিৰ সভ্যতা নাছিল, এই কথা এজন বুৰঞ্জীবিদে কেনেকৈ ক'ব পাৰিলে?)

+ + +

"বৰ্তমান ভাৰত পাকিস্থানৰ মাজত বিবাদ হৈছে মানুহৰ বাবে নহয়, হৈছে সংস্কৃতিৰ বাবে। এপিনে ইছলাম সভ্যতা, অইনপিনে হিন্দু বা ভাৰতীয় সভ্যতা।" (যুদ্ধত সাধাৰণতে সভ্যতাতকৈ অৰ্থনৈতিক স্বাৰ্থহে সক্ৰিয়)।

দক্ষিণপাট সত্ৰৰ বুৰঞ্জীত তেওঁৰ এই শেহতীয়া ৰক্ষণশীলতা বাৰুকৈয়ে প্ৰকট হৈছে। বদন-পূৰ্ণানন্দৰ খৰিয়ালৰ ওপৰত নতুন চিন্তাৰ জিলিঙনি পেলোৱা শৰ্মাই বনমালীদেৱৰ ঐশ্বৰিক ক্ষমতাৰ কাহিনী গোটে-গোটে হজম কৰিছে। সত্ৰসমূহ যে অসমীয়া সমাজৰ ঘাই ধৰণী আছিল সঁচা, কিন্তু সত্ৰীয়া ব্যৱস্থাই অসমীয়া সমাজৰ কোনো

ক্ষতিসাধন কৰা নাই, কথাষাৰ মানিবলৈ টান। সেয়ে তেওঁ যেতিয়া লেখে ঃ "সামাজিক বান্ধোন শিথিল হ'বলৈ যাতে কেনিও ছিদ্ৰ নোলায়-তাৰ প্ৰতিষেধক ব্যৱস্থা প্ৰণয়ন প্ৰয়োগ কৰাটোৱেই সত্ৰসমূহৰ প্ৰধান কৰ্তব্য।"—তেতিয়া আমি ভাবিবলৈ বাধ্য হওঁ, তেওঁৰ ঘটনাবহুল জীৱনত সেই বান্ধোনৰ বিষময় ফল তেওঁ কেতিয়াও লক্ষ্য কৰা নাছিলনে ?

ভাৰতৰ স্বাধীনতা সংগ্ৰামে সামৰণিত জ্যোতিপ্ৰসাদে কল্পনা কৰা "জনগণমুকুতি" আনিব নোৱাৰিলে। এমুঠি সুবিধাভোগী মানুহৰ প্ৰয়োজনত নিয়োজিত হ'ল দেশৰ সমগ্ৰ সম্পদ। তেনে পৰিবেশত মধ্যবিত্ত লেখকসকলৰ মনো নানা ধৰণৰ ব্যক্তিবাদী, গোষ্ঠীবাদী সংকীৰ্ণতাত কণ্টকিত হৈ উঠিল। স্বাধীনতা ৰণৰ প্ৰেৰণা যিমানে দুৰলৈ গ'ল সিমানেই দেশপ্ৰেমৰ অভিব্যক্তিও নিস্তেজ বা কৃত্ৰিম হ'বলৈ ধৰিলে। "সোতৰ শতিকাৰ অসম" নিবন্ধটিৰ মৰ্ম কেৱল অতীতবিলাস বা অতীতবিলাপ (nostalgia)। "বঙাল বৈৰী লাচিত বৰফুকন"ৰ ভাষাৰ অতুলনীয় উদ্দীপনা আৰু সংগ্ৰামী প্ৰেৰণা (যি প্ৰকৃততে বৃটিছবিৰোধী সংগ্ৰামতে ইন্ধন যোগাইছিল) তাত সম্পূৰ্ণ অন্তৰ্হিত।

ছাৰ এড্‌ৱাৰ্ড গেইট্ প্ৰমুখ্যে বৃটিছ প্ৰশাসনীয় বিষয়াসকলে হাতত বুৰঞ্জী ৰচনাৰ কাপ লৈ অতীতৰ নানা আউল মাৰি প্ৰণালীবদ্ধ বুৰঞ্জী ৰচনা কৰিলে হয়, তেওঁলোকৰ "বস্তুনিষ্ঠ" ইতিহাস কেতিয়াও অসমীয়া জাতীয় জীৱনৰ অগ্ৰগতিৰ সমল হ'ব নোৱাৰিলেহেঁতেন। ডঃ ভূঞা, কনকলাল বৰুৱা, বেণুধৰ শৰ্মা প্ৰমুখ্যে বুৰঞ্জীবিদসকলেই প্ৰশাসকৰ "নিৰপেক্ষতা" পৰিহাৰ কৰি জাতীয় ঐতিহ্যৰ মাধ্যম হিচাপে এক নতুন বুৰঞ্জীৰ মাৰ্গ উদ্ভাৱন কৰিলে—হয়তো ভাৰতীয় জাতীয়তা-বাদী ইতিহাসৰ আহিত। এখেতসকলৰ ভিতৰত সমাজ জীৱনৰ লগত বিচিত্ৰ আৰু ঘনিষ্ঠ সম্পৰ্কৰ বলত বেণুধৰ শৰ্মাৰ বুৰঞ্জী ৰচনাই এখন সুকীয়া আসন গুৱাই আছে। আনহাতে এই জাতীয়তাবাদী ইতিহাসৰ কিছুমান সীমাবদ্ধতা বেণুধৰ শৰ্মাৰ ৰচনাতো লক্ষ্য কৰিব পাৰি।

তথ্য উন্মঘাটন আৰু তথ্য সংগ্ৰহত শৰ্মাৰ অন্তহীন ধাউতি আৰু চমকপ্ৰদ কৃতিত্বৰ বিষয়ে বহলাই নক'লেও চলে। কিন্তু সূত্ৰসমূহৰ

পুংখানুপুংখ পৰীক্ষা আৰু সিদ্ধান্ত গ্ৰহণৰ সময়ত বিশেষ সতৰ্কতা তেওঁ হেগা চোৰোকাকৈহে প্ৰয়োগ কৰিছে। বহুক্ষেত্ৰত সূত্ৰ (source) উল্লেখ কৰাৰ প্ৰয়োজনেই তেওঁ বোধ কৰা নাই। কিন্তু তেওঁৰ বিস্তাৰিত পৰ্যটন আৰু অনুসন্ধানৰ ফলত পাৰিবাৰিক জনশ্ৰুতি বা কিংবদন্তী হিচাপে বাচি থকা বহু তথ্য লিপিবদ্ধ হৈ ৰ'ল। পাহৰিলে নচলিব যে তাহানিৰ সমাজত মুখে মুখে চলি অহা কিংবদন্তীৰ মাজে-দিও বহু ঐতিহাসিক তথ্য সংৰক্ষিত হৈছিল। কিন্তু আহোম যুগৰ কোনো কোনো বিষয়ত নতুন তথ্য আৰু ব্যাখ্যাৰ বস্তুনিষ্ঠ অধ্যয়নৰ বাবে শৰ্মাই যি প্ৰয়াস কৰিছিল অসম বুৰঞ্জীৰ সকলো ক্ষেত্ৰতে কৰা নাছিল। হয়তো আমাৰ সমাজত নতুন চিন্তাৰ প্ৰতি ৰক্ষণশীল মহলৰ বিৰাগ আৰু বিদ্বেষৰ বাবেই তেওঁ এনে তৰহৰ পৰীক্ষা বেছি কৰিবলৈ উৎসাহ নাপালে।

তেখেতে উন্মঘাটন কৰা কেতবোৰ তথ্য চাঞ্চল্যকৰ আৰু চিত্তা-কৰ্ষক। উদাহৰণস্বৰূপে তেওঁ "অসমত ইছলামৰ সূত্ৰপাত" নিবন্ধত লেখিছে যে অসমৰ বুৰঞ্জীত কেতিয়াও মুছলমানসকলক এটা জাতি হিচাপে উল্লেখ কৰা নাই—বৰং টুৰ্কী, আফগান, আৰবী আদি নামে-ৰেহে উল্লেখ কৰা হৈছে। কথাটো অতি গুৰুত্বপূৰ্ণ। "গুৱালপাৰাৰ বুৰঞ্জী চ'ৰা"ত প্ৰবন্ধত কৈছে যে চেকেৰীৰ (অৰ্থাৎ চৰকাৰ চেকুৰী নামৰ পৰগণাৰ বাসিন্দাসকলৰ) অনুৰোধতে আহোম ৰজাই গোৱাল-পাৰাৰ একাংশ আহোম ৰাজ্যত সুমুৱাই লৈছিল।" অসমীয়া সংস্কৃতিত চুতীয়াৰ দান" প্ৰবন্ধত কৈছে যে যুদ্ধৰ কাৰফাই ধেনু, গীতবাদ্যৰ মুৰলি, সুতুলি, গগনা, ছোৱালীৰ নামত থকা "দৈ" শব্দাংশটো, সংগীত প্ৰেম, স্ত্ৰীস্বাধীনতা আদি বহু সম্পদ অসমীয়াই চুতীয়াৰ পৰাহে পাইছে। দক্ষিণপাট সত্ৰৰ বিৱৰণত উল্লেখ কৰা হৈছে যে সত্ৰৰ শৰণ দিয়া প্ৰথাত তান্ত্ৰিক ৰীতিৰ প্ৰভাৱ আছে। "বঙাল বৈৰী লাচিত বৰফুকন"ত আছে যুঁজৰ আখড়াত কাঁড় মাৰিব নজনা কাঁড়ীক নিজ হাতে ধেনু মুঠি ধৰাই ৰজাই কাঁড়মৰা শিকাইছিল। আহোম শক্তিৰ পয়োভৰত কাঁড়ী পাইকৰ সংখ্যা আছিল ষাঠি লাখ। তেনেকৈ আধুনিক যুগলৈ আহি জোনাকী-বিজুলীৰ কাজিয়াৰ মাজত ব্যক্তিগত বিবাদৰ বীজ, অ ভা উ সাৰ সভাত অসমীয়া গীত চলোৱাৰ প্ৰচেষ্টা আৰু স্কাৰ্চী আহিৰ বঙলা ভাষা কাছাৰীত প্ৰথমে চলা বাবে পিচলৈ

কাছাৰীত ব্যৱহৃত অসমীয়াত বৈ যোৱা বঙলুৱা সাঁচ---এনেবোৰ আপুৰুগীয়া তথ্যই এইখন সংকলন ,আকৰ্ষণীয় কৰি তুলিছে। অলপতে এজন ডেকা বুৰঞ্জীবিদৰ মতত আপত্তি কৰি যশস্বী বুৰঞ্জীবিদ ডঃ হেৰম্ব বৰপূজাৰীয়ে কৈছিল ঃ "ৰাইজেই ৰজা কথাষাৰ মোৱামৰীয়াসকলে উলিওৱা বুলি ক'ত পালা?" কথাটোৰ সঁচা-মিছা নাজানো---কিন্তু বেণুধৰ শৰ্মাৰ "পটন্তৰৰ পৰ্বতীত বুৰঞ্জীৰ আঁচ" প্ৰবন্ধই কয় যে প্ৰবাদমতে কথাষাৰ পোনপ্ৰথমে কৈছিল মোৱামৰীয়াৰ ৰাঘৱ বৰবৰুৱাই।

বেণুধৰ শৰ্মাৰ ভাষাৰ এক অপূৰ্ব মোহিনীশক্তি আছে। "কিলিপ্ত" "কোঁহকাল", "চন্দ্ৰা পৰা" প্ৰভৃতি আজিকালি প্ৰায় অপ্ৰচলিত হৈ পৰা নিৰ্ভাজ অসমীয়া শব্দবোৰ তেওঁ যেনে নিপুণ হাতেৰে প্ৰয়োগ কৰিছে যে বৈ বৈ শলাগিবলৈ মন যায়। অথচ নতুন ধনীৰ দৰে নতুন শিকাৰুৱে কেউপিনে জতুৱা ঠাঁচ সিঁচৰতি কৰি যেনেকৈ বাহবাহ ল'বলৈ বিচাৰে, তেওঁৰ ৰচনাশৈলী সেই প্ৰদৰ্শনকামিতাৰ পৰা বহু পৰিমাণে মুক্ত। কেতিয়াবা গহীন, ওজস্বী ভাব, কেতিয়াবা ৰসাল টুপতি---একেজন মানুহেই একেবিধ গদ্যশৈলীৰে প্ৰকাশ কৰিছে। সেয়ে ধ্ৰুপদী বুৰঞ্জীৰ দৰে তেওঁৰ বুৰঞ্জীও সাহিত্য। পুৰণি অসমীয়া বুৰঞ্জীৰ ঐতিহ্যই যেন তেওঁৰ ৰচনাত নতুন সাজপাৰ পিন্ধি আৰু বিতোপন ৰূপ লৈছে।

কেৱল নীৰস তথ্য সম্ভাৰেই নহয়, অন্তৰ্দৃষ্টিয়েই আগশাৰীৰ বুৰঞ্জীবিদৰ প্ৰধান অৱদান। "অসমত ফিৰিঙি" নামৰ প্ৰবন্ধত অসমীয়া মানুহৰ মনস্তত্বৰ গুণ-গৰিমাখিনি তেওঁ যিদৰে ধৰিছে সি অন্তৰ্দৃষ্টিৰহে ফল। আৰু এই অন্তৰ্দৃষ্টি তেওঁ লাভ কৰিছিল অসমীয়া মানুহৰ প্ৰতি অন্তৰওপচা মৰমৰ গুণত। আমি যিমানেই "বৈজ্ঞানিক" ইতিহাসৰ কথা নকওঁ, এই মৰম অবিহনে যি কোনো জাতিৰ ইতিহাস অসম্পূৰ্ণ হৈয়েই ৰ'ব নেকি।

বেণুধৰ শৰ্মাৰ বাবে বুৰঞ্জী ৰচনা জীৱিকা নিৰ্বাহৰ বৃত্তিও নাছিল, আহৰি সময়ৰ চখো নাছিল। বহু সময়ত ব্যক্তিগত স্বাৰ্থ জলাঞ্জলী দিও তথ্য সংগ্ৰহত প্ৰাণপাত কৰিছিল তেওঁ। পাহৰিলে নচলিব, আন দহজন সংস্থানহীন নিবনুৱাৰ দৰে ঔপনিবেশিক যুগৰ আকালগ্ৰস্ত পৰিবেশত নিৰ্মম জীৱন সংগ্ৰামত জীৱনৰ বেছিভাগ

সময় তেওঁ অতিবাহিত কৰিবলগীয়া হৈছিল। স্বাধীনতা সংগ্রামে সজীৱ কৰি ৰাখিলেও সেই দীঘলীয়া কালছোৱাত মাজে সময়ে প্ৰেৰণাৰ ভাটা অহাটো স্বাভাৱিক আছিল। তুমুল আৰু নিষ্ঠুৰ প্ৰতিযোগিতাৰ মাজত সমাজ ব্যৱস্থাৰ তিক্ত পাঠবোৰ তেওঁ যেনেদৰে আয়ত্ত কৰিছিল, তেওঁতকৈ সৌভাগ্যবানসকলৰ সেই যন্ত্ৰণা হোৱা নাছিল। আকৌ এইবাবেই সেইসকলতকৈ আমাৰ দুখীয়া নিছলা মানুহখিনিৰ ওচৰ চপি যাব পাৰিছিল তেওঁ। এইবাবেই অসমীয়া ৰাইজৰ অন্তৰৰ অন্তঃস্থলৰ পৰা ওলোৱা স্বাধীনতাৰ আকাংক্ষা তেওঁ অনুভৱ কৰিব পাৰিছিল সহজ বুদ্ধিৰে। বেণুধৰ শৰ্মাৰ বুৰঞ্জী চৰ্চাৰ মহত্ত্ব এইখিনিতে যে তাৰ সীমাবদ্ধতা সত্ত্বেও সি আছিল দেশৰ প্ৰতি, অসমীয়া জনসাধাৰণৰ প্ৰতি, তেওঁৰ হৃদয়ভৰা ভকতি আৰু ভালপোৱাৰ অৰ্ঘ্য।

হীৰেন গোহাঁই

গুৱাহাটী বিশ্ববিদ্যালয়,
৭।৬।৮৬

সূচী পত্ৰ

(ক)	প্ৰকাশকৰ নিবেদন	ক
(খ)	বেণুধৰী ৰচনাৰ শুৰি কথা—যজ্ঞেশ্বৰ শৰ্মা (মুখ্য সম্পাদক)	গ
(গ)	ভূমিকা—ডঃ হীৰেন গোহাঁই	[illegible]
১।	অনুপ্ৰেৰণাৰ উৎস অসম বুৰঞ্জী	১
২।	অসম বুৰঞ্জীৰ সঁফুৰা	৬
৩।	অসম দেশ—সোণৰ সঁফুৰা	২০
৪।	ৰঙিলী কুঁৱৰী	২৫
৫।	বৰবৰুৱা মোমাই তামুলী	৩১
৬।	ৰঙালবৈৰী লাচিত বৰফুকন	৫২
৭।	দেশদ্ৰোহী কোন—বদন বৰফুকন নে পূৰ্ণানন্দ বুঢ়াগোহাঁই	৭৯
৮।	কছাৰী স্বাধীনতাৰ ৰাঙনী বেলিত	৯৬
৯।	ৰাভা জাতি আৰু বীৰ পৰ্শুৰাম	১০৯
১০।	গুৱালপাৰৰ বুৰঞ্জী চ'ৰাত	১১৫
১১।	অসমীয়া সংস্কৃতত চুতীয়াৰ ছাপ	১২৭
১২।	দৰঙী ৰাজবংশীয় সংস্কৃতি	১৪১
১৩।	অসমত ইছলামৰ সূত্ৰপাত	১৪৪
১৪।	সৰ্গদেওসকলৰ সুপৰিকল্পিত শাসন ব্যৱস্থা	১৫০
১৫।	যুৱৰাজ টিকেন্দ্ৰজিৎ	১৫৫
১৬।	সোতৰ শতিকাৰ অসমীয়া সমাজ	১৬৩
১৭।	দক্ষিণপাট সত্ৰ	১৬৮
১৮।	অসমত খ্ৰিষ্টিয়ান	১৮১
১৯।	স্বাধীনতা সংগ্ৰাম	২০০
২০।	পোনপ্ৰথম স্বাধীনতা যুদ্ধ	২০৩
২১।	স্বাধীনতা আন্দোলন (১৯৩০—৪৭)	২২২
২২।	অসমীয়া কথাসাহিত্য বিকাশৰ চমু আভাস	২২৯
২৩।	অসমীয়া ভাষাৰ গোবৰ্দ্ধনধাৰী আনন্দৰাম ঢেকীয়াল ফুকন	২৪৬

২৪। অৰুনোদই ২৫৪
২৫। নৱন্যাস যুগৰ সাৰথিসকল ২৬৪
২৬। জোনাকী যুগ ২৭৮
২৭। বাঁহী যুগ ২৯৪
২৮। অসম সাহিত্য সভাৰ কথা ২৯৯
২৯। গড়গাঁও নগৰ ৩০৬
৩০। বুৰঞ্জীৰ অপযশ ঃ জয়দুবাৰৰ ঐতিহ্য ৩১১
৩১। অসমীয়া ৰামায়ণ কোনে কৰালে ? ৩১৬
৩২। অসমীয়া চাহৰ আঁতিগুৰি ৩২১
৩৩। ব্ৰহ্মপুত্ৰৰ সোঁতা ৩৩১
৩৪। ৰজাদিনৰ প্ৰথম মাটিৰ মূৰ্তি পূজা ৩৩৬
৩৫। প্ৰাচীন অসমৰ পৰিবহন মাধ্যম ৩৪০
৩৬। তাঁতশালৰ ঐতিহ্য ৩৪৫
৩৭। ঠাই-নামৰ মহিমা আৰু আঁতিগুৰি ৩৫২
৩৮। পলাশবাৰীৰ দাঁতিয়ে-কাষৰে ৩৬০
৩৯। অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ ৩৬৭
৪০। ৰজা শঙ্কলাদিৰ ৩৯২
৪১। দেউৰী সংস্কৃতি ৩৯৭
৪২। সদৌ অসম নাটক সন্মিলনীৰ সভাপতিৰ অভিভাষণ ৪০০
৪৩। মটক ৰৰসেনাপতিৰ দেশ ৪২২
৪৪। অসমৰ থল-পৰ্বতী দুই নহয় এক ৪৩১
৪৫। অসমীয়া বাতৰি কাকতৰ ইতিহাস—'অৰুনোদই'ৰ পৰা "জনমভূমি"লৈ ৪৪০

[illegible] [illegible] দেখি এই [illegible] [illegible]
— [illegible] [illegible] [illegible] [illegible]।
[illegible] [illegible], [illegible] ([illegible]) [illegible]-[illegible] [illegible]।
[illegible] [illegible] [illegible] [illegible], [illegible] [illegible]।
[illegible] [illegible] [illegible] [illegible] [illegible] [illegible]। [illegible]
[illegible] [illegible] [illegible] [illegible] —
[illegible] ~~[illegible]~~ [illegible] [illegible]
[illegible] [illegible] [illegible] [illegible]।
[illegible] [illegible] [illegible] [illegible] [illegible]
[illegible]। [illegible] [illegible] [illegible]? —
[illegible] [illegible] [illegible]। [illegible] [illegible],
~~[illegible]~~। [illegible] [illegible] [illegible] [illegible]
[illegible]। [illegible]

বেণুধৰ শৰ্মাৰ সন্মানাৰ্থে মৰণোত্তৰ

'পদ্মভূষণ'


बेणुधर शर्मा

मैं, भारत का राष्ट्रपति, ज़ैल सिंह, व्यक्तिगत गुणों के लिए आपके सम्मानार्थ पद्म भूषण प्रदान करता हूं।

राष्ट्रपति

অনুপ্ৰেৰণাৰ উৎস অসম বুৰঞ্জী

অসমৰ ৰাজকাহিনী বা ৰাজাৱলীয়েই অসম বুৰঞ্জী। অসমৰ যি বুৰঞ্জী তাত অকল ৰজা-ৰাজোৱান সকলৰ ইতিবৃত্তই নেথাকে, ৰাজ ভগনৰ পৰা কলথোকা বাদুলীয়ে খোৱালৈকে সকলো কথা থাকে। অসম বুৰঞ্জী কল্পতৰু বৃক্ষ---মাগন্তাজনে যি বিচাৰে তাকে পায়। সাহিত্য বোলক, ৰণনীতি বোলক, দেশৰক্ষাৰ ব্যৱস্থা বোলক, পৰদেশীয় কূটনীতি বোলক, অৰ্থনীতি বোলক সকলোৱেই থুপ খাই আছে অসমৰ বুৰঞ্জীত। অকল ইমানেই নে? বাক্যবচনৰ একো একোটি অগ্নিবাণ সদৃশ অনুপ্ৰেৰণাৰ উৎসও সোমাই আছে ইয়াতেই। সেইহে, যি ৰাজকাহিনী বা বুৰঞ্জীৰ তাৎপৰ্য্য বুজিব নোৱাৰে বা বুজিও তাৰ কথাখিনি চম্ভালিব নোৱাৰে তাৰ নিমিত্তে বুৰঞ্জীয়ে আৰম্ভতে তিনি কটপা দি থৈছে ঃ---

"বুৰঞ্জী শাস্ত্ৰ, ইটো গুপুত শাস্ত্ৰ, আৰু ৰহস্যে ৰাখিব, আশ নেপালে পিতা পুত্ৰকো নেদিব। অবৈৰ মিত্ৰ হলে তাক দেখাব। ৰাজাৰ বিশ্বাস ভঙ্গ, পণ্ডিতৰ বাধা।"

খুন্‌লুং খুন্‌লাই যেতিয়া মুংৰিমংৰামলৈ নামি আহে, তেতিয়া তেওঁবিলাকৰ বুদ্ধি-পৰামৰ্শদাতা খেন্‌খাম, লোদন আৰু খেন্‌বক্‌ফা---এই তিনিজনাই আলচি আগলৈ কেনেকৈ দেশ শাসন কৰিব লাগে তাক এইকেইটা ধুনীয়া কথাৰে খুনলুং-খুন্‌লাইক শিকাই বুজাই পঠাই দিছিল ঃ---

"জোঙাই হ'লে যেমনে শহুৰ, জেঠেৰী, বৈনাই এইসকল সহিতে দ্বন্দ-কন্দল কৰিলে আপোনাৰ ভাৰ্য্যাও হেৰাই, আৰু পখীয়ে যেনে ৰূপে আপোনাৰ পোৱালী পাখিএৰে ঢাকি বাট বৃষ্টি দুখৰ পৰা ৰক্ষা কৰি আহাৰ খুৱাই ডাঙৰ কৰে, সেইমতে দুয়ো ভায়েৰে প্ৰজাক ৰক্ষা কৰিবি আৰু মিত্ৰে সহিতে দ্বন্দ-কন্দল নকৰিবি।"

ভুৱা দিয়া ৰাজভক্তক মুকলিকৈ এৰি দিয়া মানেই নেগুৰ কাটি বাঘ চোঙত মেলা। কামৰূপৰ শেষ কোঁচ ৰজা পৰীক্ষিত নাৰায়ণক দিল্লীৰ পাচ্চাহে তেওঁৰ কথা নুশুনা বাবে বন্দী কৰি থৈছিল।

খাটি-লুটি ওলালত পাচ্চাহে সুধিলে, "তোৰ ৰাজ্যত যি নাই খোজ।" পাচ্চাহৰ ছবি এখন ল'ব পাৰিলে সকলোৰে আগত মাতঃবৰ বোলাই ফুৰিব পাৰিম, এই বুলি পৰীক্ষিতে পাচ্চাহক তেওঁৰ ছবি এখন খুজিলে। পাচ্চাহেও ছবি দি ক'লে, "যাকে তাকে নেদো, আমাৰ বংশৰ লগত বিৰোধ নকৰিবি, তোক দিলোঁ, বিৰোধ কৰ যদি নষ্ট হ'বি।"

পৰীক্ষিতে সেই ছবি লৈ বঙ্গৰ নবাব ইব্রাহিম খাঁক পাচ্চাৰ ছবি দেখুৱাই নবাবৰ সেৱা ললে। পাছত পৰীক্ষিতৰ ফাঁকি ধৰা পৰিলত নবাবে পাচ্চাহলৈ লেখিলে, "আগলৈকে এনে মানুহক কেতিয়াও বিশ্বাস নকৰিব—পৰীক্ষিত হাৰামজাদা, বনৰ বাঘক ধৰি নি এৰি দিলা। ফিৰি বন পাইলে বাজ হইবাৰ নুই।"

যি ৰজাৰ প্ৰতি বাহিৰে মিত্ৰতা দেখুৱায় আৰু ভিতৰে বিদ্ৰোহ আচৰে তেনে শঠা-মিত্ৰৰ প্ৰতি বুৰঞ্জীৰ শিক্ষা—"তিতা কচিৰ আগো তিতা, গুৰিও তিতা—তাক যে বিশ্বাস কৰিব নেলাগেই, তাৰ বৈবঙ্গ-হকো বিশ্বাস কৰিব নেলাগে।" সত্ৰাজিতৰ ষড়যন্ত্ৰ দেখি মহাৰাজ প্ৰতাপ সিংহই কোৱা এই আমাৰ কথা। ৰাজ্য পাতিবলৈ দিয়া জনেই যদি কেনেবাকৈ স্বতন্ত্ৰ হ'বলৈ ধৰে অৰ্থাৎ ৰক্ষকে ভক্ষক হয়, তেন্তে তাক গলমুচৰি মৰাই আচল শাস্তি। এনে শাস্তি বিহিছিল কোঁচৰ ধৰ্ম্মৰাজাই বিশ্বাসঘাতক মধুৰামৰ প্ৰতি।

লালুক বৰফুকনৰ ভায়েক দেশদ্ৰোহী জাতিহিংসুক ভাওধৰাই যেতিয়া লুলুচুচু কৈ বিশ্বকৰ্ম্মা হেন দেৱৰো নিৰ্ম্মিত গুৱাহাটীখন মনচুৰ খাঁক দিবলৈ তলে তলে কথা চলায়, তেতিয়া অসমৰ ৰাজপাটত আছিল চুলিকফা বা ল'ৰা ৰজা। পাত্ৰমন্ত্ৰী সকলে চালে দেখোন দেশ এতিয়া যায় যায়। এনে সঙ্কট কালত কলীয়াবৰীয়া আৰু গড়গঞা ভাওৰীয়া ফুকন, ৰাজখোৱা, হাজৰিকিয়া সকলোৰে যুক্তি হ'ল। বোলে অসমৰ্থ ৰজাই কিকৈ ৰাজ্য চলাব পাৰিব। এতেকে গুৱাহাটী মোগলৰ হাতলৈ নোযোৱা কৰিবলৈ হ'লে ল'ৰাৰজাক ভগাহে উচিত হ'ব।

১৫৮৪ শক। অসমৰ ৰাজ-সিংহাসনত জয়ধ্বজ সিংহ স্বৰ্গদেৱ। এনেতে দৈৱে দেশত দুৰ্যোগ মিলালে। মিৰজুমলাই গড়গাঁও ললেহি। সেনাপতি সকলে যুদ্ধ কৰক বুলি ৰজা পৰ্ব্বতত উঠিলগৈ আৰু যাওঁতে কৈ গ'ল বহুা বহুা কাড়ী-বাৰুৱতি আৰু জনদিয়েক বিষয়াও

মোৰ লগতে আহক। যি কাৰণতেই নহওক সন্ধি কৰি মিৰজুমলা ফিৰি গল। পৰ্ব্বতৰ পৰা ঘূৰি আহি স্বৰ্গদেৱে যুদ্ধ হাৰিব বুলি লগত নোযোৱা বিষয়া আৰু নিৰপৰাধী মানুহবোৰক সোধপোচ নোহোৱাকৈ লোৱা লগাই দণ্ডিবলৈ ধৰিলে। ৰজাৰ এনে অস্থিৰ মনৰ গতি দেখি ৰজাশহুৰে বুজনি দিলে, 'মূৰৰ চুলি দুই একডাল পকিলে, তাক কাঢ়িলে শোভা দেখি, সকল চুলি যদি পকিল, তাক কাঢ়িলে মূৰত দুখ পাবলৈহে আছে।' বুৰঞ্জীৰ এই মহাবাণীয়ে সূচায়। এজন দুজনৰ অসন্তোষ দমাব পাৰি, সহস্ৰজনৰ হ'লে উপায় নাই। ৰাইজ মৰিলে মৰিব দিছে, নমৰিলেও চকু মুদিবলৈ কৈছে। গতিকে বিতুষ্টৰ ওচৰত সেও মানি চলিব লাগিব।

চতুৰ চৌকস্ আৰু দূৰদৰ্শী নায়ক নহ'লে, অস্ত্ৰ-শস্ত্ৰ যিমানেই নাথাকক, সকলো মিছা। জয়ধ্বজ সিংহৰ দিনত অস্ত্ৰ-শস্ত্ৰ বহুত আছিল। তথাপি তেওঁ নাম পালে ভগনীয়া ৰজা। সেইবাবে বুৰঞ্জীয়ে পতি-পতিকৈ সকীয়াই থৈছে 'অস্ত্ৰ-শস্ত্ৰ আহিলা পাতি সমস্তো জড়, স্বৰ্গদেৱৰ মানুহে চেতন। সেয়ে চলালে চলে, তাৰো বলাবল বুজিব লাগে, শত্ৰুৰো বলাবল বুজিব লাগে। জয়-পৰাজয় সকলো আছে—তাকো বিশেষৰূপে বুজি লৈ ৰণলৈ আগবাঢ়িলেহে ভাল।'

কোঁচৰ লগত সন্ধি কৰি খোৱা ৰজাই কোঁচৰজাক ডাঙৰীয়া সকলৰ একোটি ল'ৰা ওলমাল ৰূপে নিৰ্বন্ধ কৰে। আৰু সেইমতে বৰগোহাঁই পৰীয়া ল'ৰা এটিও কোঁচক দিবলৈ লৈ আহে। ল'ৰাটিৰ মাক নাংবকু গাভৰুৱে ৰজাৰ কাপুৰুষালি দেখি খঙতে জুই ছাই হৈ ৰজাক জ্ঞান দি ল'ৰাটি কাঢ়িলৈ গুছি গ'ল, আৰু এইবুলি কৈ গ'ল, মোৰ পোক আনৰ ৰাজ্যলৈ কেলৈ দিম, নিদিওঁ। কোঁচতে যে ৰণ হাৰিলি ৰজানো কি, ডাঙৰীয়ানো কি? গিৰীয়েককো ক'লে, তুমিনো কিহৰ বৰগোহাঁই। ভাল তহঁতে যে যুদ্ধ হাৰিলি, মই যুদ্ধ কৰি চাওঁ। তহঁতৰ টুপী, চোলা, কুন্‌বিন-কুন্‌খা মই পিন্ধি কোঁচক যুদ্ধ কৰোঁ। তিৰোতা নে পুতাপো এতেকে মোক জানিবি। তহঁতে মোৰ সাজ পিন্ধিবি। ভীৰু কাপুৰুষৰ নিমিত্তে এই ফাকি অধস্য গৰিহণাই যে উদ্দীপনিৰ অফুৰন্ত উৎস তাক কোৱাৰ সকাম নাই।

যুদ্ধৰ আগন্তুক হ'লে, পোনেই চাৰিটা নীতি অবলম্বন কৰিব লাগে। সাম, দান, দণ্ড, ভেদ—এই চাৰিটাই সেই নীতি। পোনেই

বাকযুদ্ধ, অর্থাৎ চিঠিপত্র লেখালেখি কৰি দুয়োপক্ষৰ মন বুজাবুজি। তাতেই কাৰ কিমান বল-বিক্রম, বুদ্ধি-চাতুৰী, মান-অভিমান, সকলো প্রকাশ পায়। এইটো চিপাতেই নিজক দুৰ্ব্বল যেন ভবা শত্ৰু আপোনা-আপুনি হুহকি যায়। অসম বুৰঞ্জীত এনেকুৱাকৈ চিঠিপত্ৰতে ফোৰো-হনি মাৰি শত্ৰুক দূৰতে বিদূৰ কৰা উদাহৰণ বহুত আছে। তাৰে এটি সাথোন এইখিনিতেই উনুকিয়ালোঁ।

মোগল সেনাপতি ৰামসিংহই হাজোত থিয় হৈয়েই কটকীৰ হাতত আফুগুটি এটোপোলা দি কৈ পঠিয়ালে, তোমালোকে যে আমাৰ লগত যুঁজিবলৈ ফেৰ পাতিছা পাৰিবা জানো? আমাৰ সেনাপদাতি কিমান আহিছে গম পোৱানে নোপোৱা? আফুগুটিৰ টোপোলাটোত আফুগুটি যিমান আছে, আমাৰ সৈন্যপদাতিও সিমান আছে এতেকে চাবা।

আমাৰ সেনাপতি লাচিতেও কটকীৰ হাতত পটা এখন আৰু পটা গুটি এটা দিলে আৰু এটোপোলা ব্ৰহ্মপুত্ৰৰ বালি দিলে। এইবোৰ দি কটকীক কবলৈ ক'লে, এইযে পটাখন দেখিছা, ইয়াত এইটো পটাগুটিৰেই তোমালোকৰ পোস্ত দানা অর্থাৎ আফুগুটি পিচিয়া খাইবে, আৰু এইযে দেখিছা টোপোলাটি, ইয়াত লুইতৰ বালি আছে। আমাৰ সৈন্যৰ এহয় লক্ষণ---কি সাধ্যে পিচিবা। মিৰজুমলাকে দিবলৈ বাকী থকা টৈ পেচকচ খুজি খেচখেচাই থকাত স্বৰ্গদেউ চক্ৰধ্বজ সিংহই ক্ৰোধ কৰি বচন বুলিলে 'পৰৰ অধীন হৈ থকাতকৈ মৰাই ভাল'। এইবুলি কৈয়েই সকলোকে যুদ্ধলৈ সন্টম কৰাবলৈ গুলাল। কিন্তু কথাগৰকা বাহগৰীয়া আতন বুঢ়াগোহাঁয়ে গহীন গহীনকৈ মাত লগালে, যেই সেই কাম হুৰ মুৰকৈ কৰা ভাল নহয়। অৱশ্যে সকল দিন স্বতন্ত্র ৰজা আমি। মোগলৰ আইচনি সহিব নোৱাৰি। স্বৰ্গ-দেৱতাই উত্তমকে বুলিছে। পাৰিতপক্ষে আজিয়ে যেন ধৰিম। ৰজা হলে শত্ৰুক মাৰি কাটি আপোনাৰ সীমনাক ৰাখনে হে যোগ্য। কিন্তু, এতিয়া ৰাজ্য ভাগিছে। সকলো প্ৰবত কৰি চাউল কঠা হে প্ৰধান। তাৰ খিকল হলে কোনো কৰ্ম্ম সিদ্ধ নহয়। কাড়ী পাইকে পৰভীয়া চাউল একঠা খাবৰ নিমিত্তে দুকড়া কড়িৰ চক্ষ এটা আনে। সকলো মিলি একুৰি কড়িৰ বেহানি, সেয়ে হানি হয় বুলি তলিৰ কাণত টুকুৰি-য়াই চায়। যদিহে হাতত বাজিল কড়িকো দিয়ে চক্ষকো কিনে।

যদিহে নেবাজিল, কিনে নেকি? এতেকে সকলো কথা আগ-পাচ চাইহে শত্ৰুক ধৰিবগৈ লাগে।

শৰাইঘাটত থৈয়া-নথৈয়া যুদ্ধ চলিছে। ৰামসিংহয়েই তেতিয়া-লৈকে ওপৰহতীয়া হৈ আছে। আলাবৈ পৰ্বতৰ ওচৰত যদি যুদ্ধ দি মোগলক ঘটুৱাব পাৰি তেন্তে অসমৰ জয় সুনিশ্চিত। কিন্তু আলাবৈ আচল ঠাই—শত্ৰুৱে কেউপিনে ঘেৰি আছে। তাত আক্ৰমণ কৰা মানে পৰাজয় স্বীকাৰ কৰা। উতনকুৱা ৰণুৱা গল আগবাঢ়ি ধৰিবলৈ। সেনাপতি লাচিত বৰফুকনে হাক দিলে বোলে, হেৰৌ, কেচা বৰলক জোকাই মৰিব খুজিছনে; তথাপি ইবোৰে সেইকথা নুশুনিলে। নুশুনি শত্ৰুৰ বেহুত সোমালগৈ। শত্ৰুৱে সেই একে দিনেই আমাৰ দহ হেজাৰ মানুহ মাৰিলে। তাতে লাচিতে বেজাৰ কৰি সেইকথা ৰজালৈ জনাব খুজিলে, আৰু মনে মনে পুনৰ যুদ্ধ কৰা উচিত হবনে অনুচিত হ'ব, তাকো ভাবিবলৈ ধৰিলে। এনেতে বুঢ়া গোহাঁই আতনে লাচিতক প্ৰবোধ দিলে, বাৰীৰ পাছ ফালে পুখুৰী এটা সিঁচিলেও দুই এটা শিঙি মাছে ফুটে, এতিয়া বিৰাট মোগল বাহিনীৰ লগত যুদ্ধ কৰি আমাৰ দহ হেজাৰ মানুহ মৰিল। মৰিল, মৰিল, সিওনো এটা কথানে। তাকে আকৌ ৰজাক জনাব লাগে কিয়? এতেকে আমাৰ পুনৰ যুদ্ধ চলক। বুঢ়াগোহাঁইৰ এই অভূতপূৰ্ব উদগনিয়ে লাচিতৰ সৈন্য বাহিনীৰ মাজত নতুন তেজৰ সোঁত বোৱালে আৰু সেই সোঁতেই অসম বুৰঞ্জীৰ চকৰিও ঘূৰাই পেলালে।

অসম দেশ হাড় কাটোনৰ দেশ—হাড় কাটি কাটি নিজে পতা দেশ। ইয়াৰ ছশ বছৰীয়া স্বতন্ত্ৰ বুৰঞ্জীৰ পাতত এতিয়াও চকমক্ জগমগ্ কৰি আছে সেই একেটি উৎস—যুদ্ধত মৰিলে স্বৰ্গত যায়, তৰিলে দেশক পায়।*

---

* আকাশী: সপ্তম বছৰ, ১০ম সংখ্যা, ৭ জুলাই ১৯৬৫ চন।

অসম বুৰঞ্জীৰ সঁফুৰা

অসম বুৰঞ্জীৰ লেখ ঃ অসমীয়া ভাষাৰে লেখা স্বৰ্গদেৱ সকলৰ দিনৰ অসম বুৰঞ্জীৰ নাম অলেখ। তাৰ ভিতৰত এই কেইটিয়েই প্ৰধান—চ'ৰা বুৰঞ্জী বা বুলঞ্জী, ৰাজবুৰঞ্জী, ফিটা বুৰঞ্জী (দৌল-দেৱালয় জোখা), বৰপাহী বুৰঞ্জী, সৰুপাহী বুৰঞ্জী, চকৰিফেটী বুৰঞ্জী, চাংৰুং ফুকনৰ বুৰঞ্জী, দ'ল-মৈদাম আৰু গড় বন্ধাৰ বুৰঞ্জী, কটকী বুৰঞ্জী, পাচ্চা বুৰঞ্জী, মিৰি সংবাদ, গড় চকীৰ লেখ-জোখ আৰু বাট-পথৰ বিৱৰণি ইত্যাদি।

বুৰঞ্জীৰ বিষয়বস্তু ঃ অসম চৰকাৰৰ দ্বাৰাই সংৰক্ষিত অপ্ৰকাশিত বুৰঞ্জীসমূহৰ খনদিয়েকৰ শাহটো মাত্ৰ ইয়াত উল্লেখ কৰা হ'ল। ভালেখিনি আৱশ্যকীয় পুথি পুথি-ঠগাৰ পৰা অন্তৰ্দ্ধান হ'ল বুলি জনা গৈছে। কোনো খনত পাব ইন্দ্ৰৰ সন্তান চুকাফাই সৌমাৰত সোমোৱাৰ পাছত থলুৱা মৰাণ-বৰাহী, চুতীয়া-কছাৰীৰ লগত বিয়া-বাৰুৰে সম্বন্ধ ঘটাই লগত অহা মানুহে সৈতে থলগিৰিৰে মিলি একেটা হোৱা, দৈনন্দিন কথা বতৰাবোৰ লেখি ৰাখিবলৈ নিয়ম কৰোৱা আৰু ধৰ্ম-পৰীক্ষা কৰি ক্ৰমাৎ দেশৰ অধিপতি হ'বগৈ পৰা বুদ্ধি চক্ৰান্তৰ বিৱৰণ; কোনোখনত পাব একোজন ৰজাৰ দিনত হোৱা ডাঙৰ ডাঙৰ যুদ্ধৰ বিৱৰণ, উৎপাত-অমঙ্গলৰ কথা; কোনোখনত আছে পাত্ৰ-মন্ত্ৰী আৰু ফুকন, ৰাজখোৱা, ডা-ডাঙৰীয়া সমন্বিতে কাঁড়ী-বাৰুৱতিৰ বুদ্ধি-চাতুৰী; কোনোখনত লিপিবদ্ধ আছে দাঁতিয়লীয়া ৰজাসকলৰ ছা-ছোৱালী আনি যিভাৱে মিত্ৰ কৰা হ'ল তাৰ কথা। কোনো কোনোখনত পাব দেওধাই-বাইলুং, দৈৱজ্ঞ-জ্যোতিষীয়ে দিনে-বাৰে মাহে-পষে, দণ্ডই- পলে, এক নিমিষো লৰচৰ নোহোৱাকৈ জয় হোৱাৰ শুভক্ষণ গণি যুদ্ধ-বিগ্ৰহত প্ৰবৃত্ত হ'বলৈ সেনাপতি-বৰ সেনাপতি, ফুকন-বৰফুকন, আনকি ৰজাকো উটওনি দিয়া কথা।

বিদেশৰ পৰা ঘূৰি অহা কটকীয়ে বিদেশৰ পৰা অনা চিঠিসমূহ

পাব—কটকী বুৰঞ্জীত; আৰু তাতে আছে ত্ৰিপুৰা-দিল্লীৰ ঘটনা আদিৰে চহৰৰ বিশদ বিৱৰণ। কোনোখনত কোন মানুহক কোন জাতৰ পৰা তুলি অনা হ'ল, কাক বিষয়া পতা হ'ল ইত্যাদি সবিশেষ কথা লেখি থোৱা আছে। কুঁৱৰীবিলাকৰ কোনো কোনো গৰাকীৰ ঔপন্যাসিক ভেৰাকুটীয়া আচৰণ, কোনো কোনোৰ একা-চেকা চৰিত্ৰ, বুলনী চ'ৰাৰ হাস্যালাপ আদিও কোনো বুৰঞ্জীৰপৰা বাদ পৰা নাই। ৰাজদ্ৰোহীৰ প্ৰতি যি অমানুষিক দণ্ড ব্যৱস্থা, সিও প্ৰত্যেকজন ৰজা পাটত উঠা আৰু ৰণলৈ যোৱাৰ আগে-পাছে অ'ৰু সামাজিক শান্তি-শৃঙ্খলা ৰক্ষা কৰা সময়ত কি ভাৱে সম্পাদিত হৈছিল, সেইবোৰ সকলো ঘটনা হুবহু বুৰঞ্জীসমূহত ভূত (প্ৰেত) হৈ আছে। শকৰ গণনা কৰোঁতে বছৰৰ শকটো কাচিৎ অমিল থাকিলেও ঘটনাৰ লৰচৰ নহয়। পৰদেশী শব্দও সময়ৰ সোঁতত পৰি অসমীয়া বুৰঞ্জীত অসমীয়া হৈ পৰিছে।

চুহুম্মুং ৰজাৰ দিনৰপৰা অৰ্থাৎ ইংৰাজী পঞ্চদশ শতিকাৰ পৰা অসমীয়া ভাষাত বিস্তৃত বুৰঞ্জী লেখিবলৈ ধৰা হয়। শুনা মতে, তাৰ আগেয়ে দুখন এখনৰ বাহিৰে আটাইবোৰকেই আহোম ভাষাত লেখা হৈছিল। চুহুম্মুঙৰ দিনত ৰাজ্যৰ সীমা বাঢ়ি যোৱাত শাসন কাৰ্য্যও জটিল আৰু বিস্তীৰ্ণ হ'বলৈ ধৰিলে। তেতিয়াই "সাত-ৰাজ মাৰি একে ৰাজ কৰা"ত মানুহৰ গোত্ৰ বা গোষ্ঠীও সমিল-মিল হৈ এক জাতত পৰিণত হ'ল।

ৰাজ্য বঢ়াৰ লগে লগে নানান ঘটনাৰে পৰিপূৰ্ণ হৈ অসমৰ বুৰঞ্জী লোদোৰ-পোদোৰ হ'ল। ১২২৮-২৯ খৃষ্টাব্দৰ পৰা ১৮২৬ খৃষ্টাব্দলৈকে যি ৰাজ্য গঢ়ি চুকাফা স্বৰ্গদেৱৰ সতি-সন্ততি সকলে অসম দেশক এখনি স্বতন্ত্ৰ দেশ কৰি গ'ল, তাৰ যি বুৰঞ্জী আজিলৈকে সংগৃহীত আৰু সংৰক্ষিত হৈছে; তাত প্ৰাক-বৃটিছ যুগীয়া অসমৰ ছশ বছৰীয়া প্ৰতিকৃতি এটি আচীত দেখা যেনেকৈ দেখিবলৈ পোৱা যায়। অসমৰ ভূগৰ্ভ যেনেকৈ সভ্যতাৰ সমাধিক্ষেত্ৰ, আহোম যুগৰ বুৰঞ্জী সমূহো তেনেকৈ জাতীয় অনুপ্ৰেৰণাৰ অফুৰন্ত উৎস।

জনদিয়েক অসম বুৰঞ্জী লেখক ঃ অসমৰ বুৰঞ্জী যে অসমীয়া সাহিত্যৰ অমূল্য সম্পদ, তাক আৰু ক'বই নালাগে। ডঃ

সূৰ্য্যকুমাৰ ভূঞাৰ অনৱচ্ছিন্ন উদ্যমৰ ফলত যিবিলাক বুৰঞ্জী সংগৃহীত হ'ল, তাৰ ভিতৰত সৰহ ভাগৰে লেখকৰ নাম নাই। তেওঁ ঢুকুৱাৰ পাছত বহুত পুথি নাইকিয়াও হ'ল। নামথকা কেইজনৰ ভিতৰত খিশেষকৈ উল্লেখ কৰিব পৰা এইকেইজন—

১) ৰত্ন কন্দলী আৰু অৰ্জুন দাস, ২) শ্ৰীনাথ দুৱৰা বৰবৰুৱা ৩) হলিৰাম ঢেকীয়াল ফুকন ৪) মণিৰাম বৰভাণ্ডাৰ বৰুৱা ৫) ৰঙ্গয় ডেকাফুকন, ৬) পদ্মেশ্বৰ নাওবৈচাফুকন, ৭) কাশীনাথ তামুলীফুকন, ৮) হৰকান্ত সদৰামিন ৯) বিশ্বেশ্বৰ বৈদ্যাধিপ, ১০) দুতিৰাম স্বৰ্ণকাৰ, ১১) বাঁহগৰীয়া বুঢ়াগোহাঁই ১২) গোকুল চান্দ বৈৰাগী।

নাম নজনাৰ ভিতৰত পঢ়িবলগীয়া পুথিও ভালেমান আছে। তাৰে বাছকবনীয়া খনদিয়েক ডঃ ভূঞাৰ যত্নত সম্পাদিত প্ৰকাশিত হৈ থকা বাবে সেইবোৰকো উল্লেখ কৰা হৈছে।

ত্ৰিপুৰা বুৰঞ্জীঃ ত্ৰিপুৰা ৰাজ্যত কটকী অভ্যৰ্থনাৰ বিষয়ে বুৰঞ্জীত উল্লেখ আছে। মহাৰাজ ৰুদ্ৰসিংহৰ কটকী দুজনে ১৭১৪ খৃঃৰ ১৩ এপ্ৰিল তাৰিখে তৃতীয়বাৰ গড়গাঁৱৰ পৰা ত্ৰিপুৰালৈ যাত্ৰা কৰে আৰু ১৭১৫ খৃঃৰ ৬ জানুৱাৰী তাৰিখে তেওঁলোকে ত্ৰিপুৰা ৰাজধানী পায়গৈ। তেওঁবিলাকেই ১৫৪৬ শকত (ইং ১৭২৪ চন) ত্ৰিপুৰা দেশৰ কথা লেখা বুলি ৰাজভৱনৰ বৃত্তান্ত এটি লেখে। তেতিয়া ত্ৰিপুৰাৰ ৰজা আছিল ৰত্ন মাণিক্য। ৰুদ্ৰসিংহৰ কৰতোৱা পৰ্য্যন্ত বিস্তৃত হৈ থকা ৰাজ্য অসমৰ ভিতৰ কৰা উদ্দেশ্যেৰে ৰজাৰ সৈতে মিত্ৰতা স্থাপন কৰিবলৈ এই দুজন কটকী গৈছিল। আমাৰ স্বৰ্গদেৱৰ অভিপ্ৰায় জনাই সম্প্ৰীতি স্থাপন কৰি সুন্দৰ বিৱৰণি এটি কটকী দুজনে লৈ আহিল। অসম ৰজাৰ কটকীবিলাকেই আছিল ৰজাৰ 'চাউল কানি'। সেই কটকীৰ ওপৰতে ৰাজ্যৰ মঙ্গলামঙ্গল নিৰ্ভৰ কৰিছিল। ত্ৰিপুৰা দেশৰ ৰজাৰ লেখাখনো প্ৰধান 'কটকী বুৰঞ্জীয়েই'।

বিদেশত কটকী তোলাঃ ত্ৰিপুৰা দৰবাৰত অসমীয়া কটকী দুজনক কি ৰূপে সন্মান সম্ভাষা কৰিছিল, তাৰ যাৰ চেৰেক এনেকৈ দিয়া আছে ঃ—

"পাছে আমাৰ কটকী সোণাৰ দুৱাৰৰ ঘৰৰ পৰা তিনি ঠাইত নিয়মেৰে নিলে।পাছে সিংহাসনৰ ঘৰত উঠি ৰত্ন কন্দলীয়ে আশীৰ্বাদ কৰিলে, অৰ্জুনে মজুৰা কৰিলে। পাছে ৰজাৰ আজ্ঞায়ে দেৱানে আহি পত্ৰ খুজিলে। পাছে ৰত্ন কন্দলীয়ে শিৰৰ পৰা পত্ৰ দিলে। পাছে ৰাজাৰ আজ্ঞায়ে দেৱানে সভা-পণ্ডিতৰ শাৰীত আমাৰ কটকীক বহিবলৈ বুলিলে, তাতে বহিল। পাছে দেৱানে পত্ৰ পঢ়িলে। পাছে দেৱানে আমাৰ কটকীত সুধিলে, বোলে—ৰত্ন কন্দলী, অৰ্জুন দাস, আমাৰ গোসাঁই মহাৰাজে জিজ্ঞাসিছে বোলে—"আপোনাৰা আসিবাৰ কালে তোমাৰ স্বৰ্গীদেৱ ৰাজা কুশলে আছেন?"

---পুনৰ্বাৰ আমাৰ কটকীত সুধিলে বোলে,---'ৰত্ন কন্দলী, অৰ্জুন দাস, আমাৰ মহাৰাজা বুলিছেন, বোলে---স্বৰ্গ মহাৰাজৰ প্ৰেমবৰ্দ্ধক পত্ৰ-সম্বাদ শ্ৰুত হয়্যা পৰম সন্তোষ হৈলাম। তেয়াও যে কুশলে থাকিবেন আম্ৰাৰো এই ৰূপ বাঞ্ছা।' পাছে আমাৰ কটকী বুলিলে, বোলে, 'উভয় পক্ষতে এই ৰূপে মহামায়া সম্পন্ন কৰিবেন।' পাছে আমাৰ কটকীক ফুল-চন্দন, সত-গুৱাপাণ দি নাম কাঢ়ি বুলিলে বোলে, "আপোনাৰ বাসাতে এখন আৰামে ৰহ যাই। তোমাৰ দিগেৰ যেখন বিদায় হয়, তেখন ইহাৰ সিদ্ধান্ত পাইবা।" পাছে আমাৰ কটকীয়ে আশীৰ্বাদ মজুৰা কৰি সিংহাসনৰ ঘৰৰ পৰা নামি সোণৰ দুৱাৰী ঘৰলৈ গাহিল। আৰু সিংহাসনৰ ঘৰতে যুৱৰাজ প্ৰমুখ্যো ৰাজবংশী-সকল বহে, আৰু কোটোৱাল মুছিবো বহে আৰু সভাপণ্ডিত, পুৰোহিত এই সকলো বহে। আৰু উজীৰ নাজীৰ-নেমুজীৰ, কাকোন, দেৱান, আনো ভাল কায়স্থ, বৈদ্য, দৈৱজ্ঞ---এই সকল খাড়া হৈ আছিল। আৰু সিংহাসনত ঘৰৰ আগত খলাত বৰা-বৰুৱা প্ৰমুখ্যো খাড়া হৈ থাকে। পাছে ৰাজা আজ্ঞা কৰিলত সকলকো ফুল-চন্দন, সত গুৱা-পাণ যাক যি নিয়মে দিব লগা সেই নিয়মে দিলে। পাছে ৰাজা উঠি ভিতৰলৈ গ'ল। সভাৰ লোকো ঘৰা-ঘৰি গ'ল। আমাৰ কটকীও বহালৈ গ'ল। ১৬৩৪ শক, মাস বৈশাখ, তাৰিখ ৪, ত্ৰিপুৰা ৰাজা ৰত্ন মাণিক্যে আমাৰ কটকীক তুলিলে।"

কটকীৰ ভেশছুন ঃ বিদেশৰ আৰন্তণিৰ কথাবোৰ সংগ্ৰহ কৰিবলৈ আমাৰ মানুহ ভেশছুন কৰি যাব লগীয়া হৈছিল।

তাৰ কথাও দুফাঁকি মান এই বুৰঞ্জীত আছে। যেনে ঃ— "কটকী তোলাৰ দিনা ত্ৰিপুৰা ৰজাই পিন্ধিছিল চিকণ খাছাৰ জামা, চিকণ উকা পাগ, সোণাৰ আঞ্চলেৰে ঝালৰ দিয়া কপাহী পটুকা, গুজৰাটী আতলচৰ ইজাৰ, শুক্ল চাল কাপৰ এখনি কাণত পেলাই থৈছিল। বাখৰ পতা সোণৰ মুঠিএৰে খড়্গৰ এপাট কমৰত লৈছিলে, সোণৰ নালেৰে ২টা শুক্ল চামৰেৰে দুই পাশে তুলিছিলে চিত্ৰ কৰা তালপাতৰ বিচনীৰে বিচিছিলে। ৰজাৰ পাছত বানাতৰ গিলিপ দিয়া সোণৰ মুঠিএৰে তৰোৱাল ৪ খন, সোণৰ চকা দিয়া ঢাল ৪ খন, সেৰক ৪টাও লৈছিল। সেইদিন ৰজা এই ধাৰাপে বহিছিল।

আৰু সিহঁতৰ উকীলে আমাৰ কটকীক নিবলৈ আহিলত আমাৰ কটকীয়ে দুটি মানুহ বহাত থৈ গ'ল, বোলে ; 'আমি গ'লে তহঁতে বেশচম কৰি ৰজাৰ দৰবাৰলৈ গৈ লোকজন, আহিলা-পাতি কিমান, কি নিয়মে বা থাকে, তহঁতে চাই আহি আমাত কবিহি।' পাছে সিহঁতে বেশচম কৰি দৰবাৰলৈ গৈ আমি যিৰূপে ক'লো, সেই ৰূপে ক'লেহি---" অৰ্থাৎ স্বৰ্গদেৱক জনোৱা কথাকে ক'লেহি। কটকী বুৰঞ্জীসমূহত এনেকুৱা ঘটনা কিছুমান আছে যিবোৰৰ সম্পৰ্কত কোৱা কথাবোৰ ভদ্ৰতা ৰখাৰ অভূতপূৰ্ব দৃষ্টান্ত আৰু বুৰঞ্জীৰ আদৰ্শনীয় শিক্ষা। এনে ঘটনা এটি হৈছিল তেতিয়া, যেতিয়া ভাটী অসমত শত্ৰুৱে অসমৰ দুৱাৰত ভিৰ দি আছিল। তাৰ অলপ উনুকিৱা হ'ল ঃ

কটকীৰ উপদেশ ঃ "সেই সময়ত স্বৰ্গদেৱ প্ৰতাপসিংহ জামিৰগুৰি বাহাৰত আছিল। মোমাই তামুলী বৰুৱাও মহাৰাজাৰ লগতে আছিল। এদিন দীঘলী বিলৰ মাছ মাৰিবলৈ যাওঁতে কটকীৰ নাও বুলি কাপোৰৰ ৰা-দি মাতিব দিলে। স্বৰ্গদেৱে বোলে বামুণী পুতেকৰ (কটকীৰ) নাও যেন দেখোঁ। নাৱত পুৰণি বৈচা (নাৱৰীয়া) নাছিল। তাকে দেখি ৰজাই ভাবিলে কটকীয়ে এইবোৰ কৰবাৰ মানুহ আনিছে।

খণ্ডত গুজৰি উঠি ৰজাই বৰবৰুৱাক আদেশ দিলে, 'জেঠেৰী, কটকীৰ নাৱৰ মানুহবোৰ পানীত পেলাই দে।' খং উঠি বৰুৱাইও মাতিব নোৱাৰি নাৱত থকা মানুহবোৰ পানীত পেলাই দিবলৈ

মন কৰিলে। এনেতে বামুণীৰ পুতেক সনাতন কটকীয়ে গলত কাপোৰ বান্ধি বোলে ‘মই (মোক) বন্দীকেহে কাটিব লাগে। স্বৰ্গদেৱে যি এশ ম’হ কিনা মানুহ বন্দীৰ লগত দিছে, সেই মানুহহে আছে। ভিন্ন মানুহ নহয়। ল’ৰা-লুৰিৰ মুখ চাবৰ নিমিত্তে কানি-কাপোৰখান ধুবলৈ আমি বন্দীহঁতে হে পঠাইছোঁ। ম’হ কিনা গাঁৱৰ ওচৰতে থকা, তাৰে ভাই-ভতিজাবোৰ হে তাহাঁতৰ সমনি ‘বন্দীহঁতৰ’ লগত আছেহি।’ এই বুলি কৈয়েই কটকীয়ে স্বৰ্গদেৱক বুজনি দিছে, ‘ইহঁতক কাটিলে-মাৰিলে কোনোবাই ৰাখিব পাৰিব নে কি? স্বৰ্গদেৱে ভাবি চাব লাগে। একোটি মানুহ কুৰি বছৰে হে হয়। একোটি মানুহ নহয়, একোখনি পৰ্বত। কাটিলে-মাৰিলে স্বৰ্গদেৱৰ হে হানি। তাতে ডাঙৰ শত্ৰু সমীপক আছে, না কাটি-নামাৰি ৰাখিলে এক চুকত মেলি থব পাৰিব।’ এইৰূপে মাতিলত স্বৰ্গদেৱে বোলে, ‘বামুণীৰ পুতেক, ভালহে ক’লি। কাটিলে-মাৰিলে গোৰ হে টুটে। ৰাখিলোঁ বাৰু, ইয়াৰ আপাহ কোনো ঠাইত পাবলৈ আছে।’

শ্ৰীনাথ দুৱৰা বৰবৰুৱাৰ তুংখুঙীয়া বুৰঞ্জী ঃ ১৮০৩ খৃষ্টাব্দত শ্ৰীনাথ দুৱৰা বৰবৰুৱাই লেখিবলৈ আৰম্ভ কৰে এখন বুৰঞ্জী আৰু শেষ কৰে ১৮০৬ খৃষ্টাব্দত। সেইখনত ১৭৫১ খৃষ্টাব্দৰ পৰা ১৮০৬ খৃষ্টাব্দলৈকে যিসকল ৰজা হৈছিল, সেই সকলোৰে দিনত হোৱা ঘটনা অনুপম ভাষাৰে আৰু পুংখানুপুংখভাবে বৰ্ণোৱা আছে। স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ ৰজা হোৱাৰ পৰা কমলেশ্বৰ সিংহৰ ৰাজত্বকালৰ প্ৰথম ভাগৰ বহু বছৰলৈকে অসম ৰাজ্যত যি শাসন-পদ্ধতি, যি সমাজ-নীতি, ধৰ্মনীতি আৰু যি যুদ্ধনীতি চলিছিল, সেই আটাইবোৰৰে একোখনি সুন্দৰ প্ৰতিচ্ছবি ইয়াত পোৱা যায়। ৰাজ্য সংগঠক, ৰাজনীতিবিদ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ বিচক্ষণ কাৰ্য্য-কুশলতা আৰু অপ্ৰতিহত ক্ষমতা, দিহিঙীয়া ঘৰৰ বৰৈ দুৱৰীয়া পানীফুকনৰ বীৰত্ব, গড়গাঁৱত মহাজন সম্মিলন, ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ বঙ্গ আক্ৰমণৰ বিৰাট আয়োজন আৰু আধ্যাত্মিক বিশ্বাস, বঙ্গদেশীয় ন ন সাজ-পাৰৰ প্ৰচলন, ভোটৰ কটকী সম্ভাষণ আৰু মৰাণৰ ন ন ঘটনাৰ পট পৰিবৰ্তনবোৰৰ আনুপূৰ্বিক বিৱৰণ বৰবৰুৱাই দেখা মতে

লেখি গৈছে। বীৰত্ব-ব্যঞ্জক ভাষাৰ উন্মাদ পাঠকৰ মন কোনো কোনো ঠাইত ৰঞ্জিত কৰি তোলে।

বৰৈ-দুৱলীয়া পানীফুকনৰ বীৰত্ব ব্যঞ্জক কথা ঃ মৰাণৰ ৰণত এজন বীৰৰ ৰাজানুগত্য আৰু স্ফুলিঙ্গসদৃশ বীৰৰ বচন কি ভাবে প্ৰকাশ পাইছিল, তাক দুৱৰা বৰবৰুৱাৰ বুৰঞ্জীয়ে জলজল-পটপটকৈ এইদৰে লিপিবদ্ধ কৰিছে ঃ "মৰাণৰ যুদ্ধ দিবৈ নৈৰ পাৰত হৈছে। আগতে মৰাণে পাতি লোৱা আহোমৰে ৰবজনা ৰজা, মৰাণৰ টোকন ধৰা সৈন্যসহিতে আহি বৰৈদুৱলীয়া পানী ফুকনেৰে সমুখা-সমুখি হ'লহি। পাছে ৰাঘ মৰাণে পানী ফুকনক মাত লগালে, 'ফুকন, তই কাক নো ৰণ কৰ? ৰবজনা গোহাঁইৰ পুতেকহে ৰজা। ভিতৰুৱাল ফুকন সসৈন্য সহিতে বৰিল, তাক তই দেখা নাই? আৰু দিহিং সীমাকৈ লোকজনো বৰিল।' পাছে ফুকনে বোলে 'স্বৰ্গদেৱো পাটতে, তই গান্ধী খোৱা মৰাণৰ কথাৰে মই বৰিম নে? মই দিহিঙীয়াৰ ঘৰৰ ল'ৰা, এই মুখেৰে স্বৰ্গদেৱক সেৱা কৰিছোঁ। আনক ৰজা কিয় লম?" এই বাক্য শুনি ৰাঘৰ সৈন্যই ফুকনক বেৰি ধৰিলেহি। ফুকন বেহুত সোমাল। ৰাঘই অকৌ কৈছে, 'ফুকন, এতিয়াও বৰ'। ফুকন ঃ 'মই পূৰ্বেই বুলিছোঁ মৰাণ, তোত নবৰোঁ।' ৰাঘৰ মানুহৰ লগত যুঁজ কৰি দুৱলীয়া পানীফুকনৰ নিঠৰুৱা অৱস্থা দেখি ৰাঘই 'নেমাৰোঁ' বুলিয়েই আকৌ সুধিলে, 'ফুকন এতিয়াও বৰ'। ফুকনে উত্তৰ দিলে, 'মই পূৰ্বেই বুলিছোঁ। তোত নবৰোঁ'। এনেতে পিছ ফালৰ পৰা যাঠীয়েৰে ফুকনক খোঁচ মাৰি দিলে; পিঠিয়ে সোমাই বুকে ওলাল। হামখুৰি খাই পৰিল। পৰিলতে মৰাণে কাটি পেলালে হি।"

বৰভাণ্ডাৰ বৰুৱাৰ বুৰঞ্জী বিবেক ৰত্ন ঃ ১৮৩৮ খৃঃত সংগ্ৰহ কৰা মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ 'বুৰঞ্জী বিবেক ৰত্ন'ত তাতো'ক আৰু এফাঁকি সাহসিক কথাৰ পৰিচয় পাওঁ।

মৰাণ আহি দিবৈ কোম পাইছেহি, এনে আতাইতাই সময়ত কুৰৈ-গঞা ঘনশ্যাম বুঢ়াগোহাঁইৰ পুতেক লৰী গোহাঁই পূৰ্ণানন্দই (আগলৈ বুঢ়াগোহাঁই হবলগীয়া) দেউতাকক কৈছেহি,—'দেউতা,

মৰাণ আহি দিবৈ নৈৰ কোম্ব পালেহিয়েই।' ঘনশ্যাম খণ্ডতে একো নাই হৈ গজি উঠি বোলে, 'তই কি বাঘৰ পোৱালি নহনে কি? মৰাণ পালেহি বুলি কৈছ, হয় তই মাৰিব পা, নহয় মাৰিব পা। তাকে নকৰি মোক কবলৈ আহিছ? তোকেইচোন মাৰি থওঁ'— এই বুলি বাপেক ঘনশ্যামে পুতেক পূর্ণানন্দৰ গালেকে যাঠীপাত মাৰি পঠিয়ালে। এনে ঘটনা ঐতিহাসিক যুগত সঁচাকৈয়ে অতি বিৰল।

দেশ বিজয়ৰ বেলিকা পাত্র-মন্ত্রীৰ পৰামর্শ ঃ যুদ্ধ কৰিবলগীয়া হ'লে স্বর্গদেৱে সকলো পাত্র-মন্ত্রীৰ বুদ্ধি-ভাৰসা লৈহে ৰাজ্য জয় কৰিবলৈ ওলাইছিল। ৰুদ্রসিংহ স্বর্গদেৱে বুঢ়া-গোহাঁই, বৰগোহাঁই, বৰপাত্র গোহাঁইবৰুৱা, ফা-ফুকন, গোহাঁই সমস্তেতে সুধিলে, 'মই ঢকা (ঢোকা) ৰঙাগড়াৰ পৰা এই ৰাজ্যখনি মাৰিবলৈ মন কৰোঁ, তোমালোকে কি কোৱা?" কেন্দুগুৰীয়া বৰ-পাত্রগোহাঁয়ে মহাৰাজাৰ কথাতে ভৰ দি বোলে, 'স্বর্গদেৱে উত্তম হে সুধিছে, কৰতীয়া গঙ্গা সীমা কৰি আমাৰে হে ৰাজ্য। আমি মন-কাণ নেদিবৰ হুই হে শত্রুৱে লৈছে। ৰাজা হ'লে পৰ-শত্রুক মাৰি আপোনাৰ সীমনা ৰাখি ৰাজ্য লবনে সে যোগ্য।' কুঁৱৈগঞা ফুকন, বুঢ়া-গোহাঁয়ে বোলে 'স্বর্গদেৱে উত্তম হে সুধিছে, বৰপাত্র গোহাঁয়ে উত্তম হে কৈছে। স্বর্গদেৱৰ পূর্বে পুলিন ৰজাদেৱে তেজ শক্তিৰ বলে ৰঙামাটি ছেৰাই কৰতোৱা-গঙ্গাত খাণ্ডা পখালি গৈছে। তেতিয়া তাক আচল হেন দেখি গুৱাহাটীত থানা কৰি মানাহ সীমাকৈ গৈছে।'

অস্ত্র-শস্ত্র আহিলা-পাতি সমস্তে জড় ঃ তাৰ পাছত সেইজনা বুঢ়া গোহাঁয়েই আকৌ বুৰঞ্জীৰ শুক্রনীতি বাণী ফেৰাও শুনাই দিছে। জয়ধ্বজসিংহৰ দিনত মীৰজুমলাই দেশত বহুত লটি-ঘটি কৰি গ'ল। ৰজা পর্বতত উঠিল গৈ। সেই বাবে নাম পালে 'ভগনীয়া ৰজা'। অস্ত্র-শস্ত্র যে নাছিল, এনে নহয়; সকলো আছিল। কিন্তু চলাব নজনা দোষত ৰাজ্যৰ নাজল-নাথল অবস্থা হ'ল। সেইহে ৰাজনীতিত ডাঠি-চুলি পকোৱা আতন বুঢ়া-গোহাঁইয়ে সেই অবস্থালৈ সকীয়াই কৈছে এইদৰে ঃ—জয়ধ্বজ ৰাজা-দেৱৰ দিনত এনে আহিলা-পাতি বহুতো আছিল, তথাপি নাম হল ভগনীয়া ৰজা। অস্ত্র-শস্ত্র, আহিলা-পাতি সমস্তে জড়, স্বর্গদেৱৰ

বন্দী বেটাহে চেতন। সেয়ে চলালে চলে, তাৰো বলাবল বুজিব লাগে। শত্ৰুৰো বলাবল বিশেষৰূপে বুজিহে বাতৃিবলৈ ভাল হেন দেখি।' ৰাজ্য শাসনৰ এনেকুৱা উৎকৃষ্ট বুদ্ধি পৰামৰ্শই ভৰি ভৰি আছে প্ৰায় সকলো বুৰঞ্জীতে।

ৰাজানুগত্যৰ শপত: 'বুৰঞ্জী বিবেক ৰত্নত' মণিৰাম দেৱানে বৰমেলৰ কথা এইদৰে লেখিছে: "স্বৰ্গদেৱে কটকী পাচে, ডাঙৰীয়াসকলক মতাই অনায়, বৰবৰুৱা-ফুকনৰ কেইজনাক চ'ৰাত, চাবুক ধৰা পাঁচি অনাই বাৰীক, হাজৰীকা, শইকীয়া, প্ৰমুক্ষে অনাই ভাল লোক নৱৰত্নৰ সভাৰ কটকী, কাকতী, দেওধাই, বৰাগী, চাংখাটনিয়াৰ, চমুৱা, বৰুৱা, ফুকন, মেলদগীয়া ফুকন, শ্ৰুতিপঢ়া বৰুৱাসকল এৱমাদি ঘোঁৰাচোৱা, হাতীমাউত, প্ৰমুক্ষে সৰ্কলো লোকক চপাই শ্ৰীশ্ৰীস্বৰ্গদেৱ ওলাই বহে। তাতে বৰলোকজন, চোটলোকজন সকলো বৰচ'ৰাৰ লোক বৰচ'ৰাতে বহে। খলাৰ লোক খলাতে বহে, এই ক্ৰমে বহে।

স্বৰ্গদেৱৰ প্ৰতি প্ৰজাৰ নিষ্কলঙ্ক ৰাজভক্তি: "তাতে পাচে বৰবৰুৱা কয়, 'দেশস্থ লোক ডাঙৰীয়া সকলকে মুখ্য কৰি আছে। ফল্না শত্ৰু লোকে দেশ ৰাজ্যক পীড়া কৰে। নতুবা মাৰি মৰকাদি উপগত হ'বৰ প্ৰযুক্ত, তাতে সকলো ৰাজ্যতো, ডাঙৰীয়া সকলোতো চ'ৰাৰ ফুকন, চমুৱা, বৰুৱা-ফুকন, নৱৰত্নৰ কটকী, কাকতী গই লোক, মেলদগীয়া ফুকন, বৰুৱা সকলো চাচমুৱা, বাৰীক, হাজৰীকিয়া, শইকীয়া, বৰা, নেওগ, ভাল পাইক, চোট পাইক, সকলতো শ্ৰীশ্ৰীস্বৰ্গদেৱে সুধিব দিছে:---

এই মহা বিগ্ৰহ উপগত হই আছে---নতুবা দেশত মাৰি-মৰক উপগত হই আছে, ইহাৰ কি উপায় শত্ৰু জিনা হ'ব, নতুবা মাৰিমৰক গঢ়ি সুস্থ হ'ব কি প্ৰকাৰে, ইহাৰ উপায় মন্ত্ৰণা বাব কি মনে স্পৰ্শে, তাক সকলোৱে কব লাগে। এই বুলি যদি বৰবৰুৱা সোধে, তাতে সকলো সভাসদলোকে শুনি মনে মনে স্বৰ্গদেৱৰ ঘৰৰ দা-শেল, ধেনু-কাঁড় দিব। এজনাক স্বৰ্গদেৱে সেনাপতি পাতি দিব। সেইদিনা সেনাপতিৰ হুকুমে আমি ৰণ কৰোঁতা হ'লে, প্ৰাণ পৰিশ্ৰমে দেহ-গেহ পুত্ৰ-কলত্ৰৰ আশা এৰি ৰণ কৰিব পাৰোঁহক। যদি তখন পাছু

ভৰি কৰি লৰ মাৰোঁহক, ৰণ নকৰি থাকোঁহঁক, পাশৰ পৰা আমাক কৰতেৰে কাটি দিব।" তাৰ পৰা চিপাহী লোকে কয় ঃ 'আমাক খাৰ-গুলি দি ব্যৱস্থাৰে ৰণ কৰাওঁতা হ'লে নিলগ দেশৰ শত্ৰুকেই বহু বছৰ যুঁজিবা উপায় কৰিম, যেৰী ধৰি থাকিলেও, খাৰলৈ নেপাই মৰিব, তখন যদি পাছু ভৰি কৰোঁহঁক, কাটি দিব। আমাৰ লগত মতি-বুদ্ধি থিৰ, আগে পাছে এই কাৰ্য্যত প্ৰবৰ্তন একজন সেনাপতি লাগে। প্ৰস্তাৱত খাৰ পুৰি খাৰ চুকালে বুজি বুজি দি থাকিব লাগে। খানা-পিনা, ক্ষুধা-তৃষ্ণা, বুজি খুৱাই থাকিব লাগে। তবে নিচিন্ত পৰোৱা নাই যেন মনে ধৰে।' এই বুলি চিপাহী লোকজন নিজান দিয়ে। তাৰ পাছত বৰহিলৈদাৰী লোকে কহে---স্বৰ্গদেৱৰ কাৰ্য্যকাম বন্দীহঁতৰ দেহপ্ৰাণ, তথাপি---শত্ৰু যি আহিছে, সি দেশস্থ লোক সমস্তৰো শত্ৰু। এতেকে ভঁড়লুৱা প্ৰভৃতি পাইক আমি যি কয় হাজাৰ হিলৈদাৰী আচোঁহঁক, আমাকে খাৰ-গুলি, হিলৈ তৈয়াৰ কৰি দি পাঁচ-ছয় মাসৰ ৰণৰ উপযুক্ত কৰি ভাল ডাঠ চৰদাৰ একজন লগে দি বন্দীহঁতক দশ-পোন্ধৰ হাজাৰ বৰটোপ, কুৰি-ছত্ৰিশ হাজাৰ পহলঙী, সাত-আঠ হাজাৰ গঠীয়া জিমৰু ন-দশ হাজাৰ হাতনলা এইখনি হিলৈ সহিতে বন্দীহঁতক আগবঢ়াই দিব। বন্দীহঁতে তিনি-চাৰি পালী কৰি যুঁজিম; শত্ৰু চূৰ্ণাকৃত হৈ উৰি যাব। তাত যদি আমি পাছু মুৰ কৰোঁ, তবে আমাক কাটি দিব। এই কাৰণ আমাৰ দেহ-প্ৰাণ উচগি আছোঁ। আমি পুনৰ ৰণ ঘাটি উলটি নাহোঁ। ইহাত স্বৰ্গদেৱৰ কিছু সংশয় নাই।"

এই ক্ৰমে বৰবৰা, কাঁড়ী-চিপাহীবিলাকে স্বৰ্গদেৱৰ চৰণ চুই নিষ্কলঙ্ক ৰাজভক্তি আৰু স্বদেশ-বাৎসল্যৰ পৰিচয় দিয়ে।

অসম দেশ হাড় কাটোনৰ দেশ ঃ 'বুৰঞ্জী বিবেক-ৰত্ন'ই আৰু কৈছে ঃ "অসম দেশ আন দেশৰ দৰে নহয়---আন দেশৰ ৰজাসকলে এই ৰজাই জিনি এক ৰজাই দেশ লয়। অসম দেশ, হাড় কাটোনৰ দেশ। অসম মধ্যে মধ্যে, মাত্ৰ মানুহ আছিলে, বহু বহু হাবি আছিলে। অনেক দেশৰ অনেক মানুহ আনি বৃত্তি-বিধান দি স্বৰ্গদেৱসকলে পাতি ললে। ঘৰ ফালি ফালি আনিও দেশ পাতি ল'লে। স্বৰ্গনাৰায়ণ ৰজাৰ নিজ বাহুবলে

কামাক্ষাৰ প্ৰসাদে পাতি লোৱা হাড় কাটোনৰ দেশ এইখন। এই কাৰণ দেশত অশৰিক্ষা হলেই স্বৰ্গদেৱে দুখ পায়।"

গদাধৰ সিংহৰ ফেৰাৰী আমোল ঃ গদাধৰ সিংহ স্বৰ্গদেৱ বৰ একাচেকা আছিল। ক'ত কেতিয়া কি কৰে একো থান ঠিক নাই। তেওঁৰ শাসন ইমান কঠোৰ আছিল যে দেশত চোৰ-চাৰিৰ সঁচ নাছিল। থাকিবলৈ, কেনেকুৱা অমানুষিক শাস্তি বিহিছিল, তালৈ চালেই বুজিব পাৰি। এঘৰ মানুহৰ গিৰিহঁতজনে তামোল গছ দুজোপা জেওৰাই থোৱা দেখি কোনে জেওৰাইছে বুলি ৰজাই সোধোৱাত জানিব পাৰিলে যে, চোৰে তামোল খায়। তামোল চোৰ ধৰি দিব নোৱৰাত গৃহস্থৰ ল'ৰা দুটাক ধৰাই অনাই বাপেকৰ আগতে কটাই পেলালে। তাকে বুৰঞ্জী বিবেক ৰত্নত লিখা আছে এইদৰে ঃ—"কদাচিত পথে যাওঁতে এক গৃহস্থৰ বাৰীত তাম্বুল গছত জেং দিয়া দেখিয় জিজ্ঞাস কৰিস। ফুকন বৰুৱাই ক'লে চোৰে খায় বুলি দি থৈছে। গৃহস্থকে জিজ্ঞাসা কৰিলত ক'লে, 'বন্দীৰে দুটি পুত্ৰ আছে, সিহঁতেই মনে মনে গছত উঠি খায়। সেই গুণে জেং দি থৈছোঁ।' 'আগলৈ জীয়াই থাকিলে সিহঁতো চোৰ হ'ব এই বুলি পিতৃৰ সাক্ষাতে চোতালৰ আগতে ১২।১৮ বছৰীয়া ল'ৰা দুটাক মৰাই পেলালে।" গদাধৰ ৰজা হ'লত চাংমায়ে ভাত খুৱাই সন্তোষ লগাব নোৱৰাত দিনৌ একোটা চাংমাই কাটিছিল। পাচে, ৰাজভগনৰ দিনত পলাই ফুৰোঁতে তেওঁ যেতিয়া পোহাৰী এঘৰত আশ্ৰয় লৈ আছিলগৈ, তেতিয়া পোহাৰীয়ে যি যি খাবলৈ দিছিল, তাকে তাই চাংমাইৰ আগত কোৱা ৰজাই শুনিলে। সেইদিনাৰ পৰা চাংমাইহঁতে সেইদৰে খোৱা বস্তু দিবলৈ ধৰাত চাংমাই কটা বন্ধ হ'ল। বুৰঞ্জী বিবেক ৰত্নত ঘটনাটো আছে এইদৰে ঃ—"গদাধৰ সিংহই দিনৌ চাংমাই কাটে, জেৰেঙাত পেলায় থয়গৈ। এদিন এজনী পোহাৰীয়ে ক'লেহি, কৌৰবালি কালত পাপ বেহা কৰোঁতে সেই পোহাৰী ঘৰত গদাধৰ আছিল। তাই নিতৌ এটা দঁতাল গাহৰি, এজনী চেঁউৰী, ২৪ টা কুকুৰা, এটা বৌমাছ আৰু বাংকৰা-বিংকৰা প্ৰভৃতি কাম ভেদে তৈয়াৰ কৰি অন্ন ব্যঞ্জন দিছিল। ৰজাই শুনি মাত লগালে, ছিঃ ছিঃ দুখৰ কালৰ মানুহ নোহোৱা হ'লে

পোহাৰীকো কাটিলোঁহেঁতেন। তেতিয়াৰ পৰা গদাধৰে চাংমাই নকটা হ'ল।”

গদাধৰ সিংহৰ আসুৰিক কাহিনী ভালেমান ঠাইত ভালেমান আছে। সেইদৰে বেয়া যিমান, ভালো সিমান আছে। প্ৰত্যেকখন বুৰঞ্জীতে নতুন কথা। কিংবদন্তীয়ে গদাধৰক ধৰ্ম্ম বিদ্বেষী বুলি দোষাৰোপ কৰে। কিন্তু বিবিধ সমসাময়িক আৰু পৰবৰ্ত্তী বুৰঞ্জীয়ে তেওঁৰ বহু গুণ বখানি গদাধৰসিংহক ন্যায়-বিবেকী ৰাজনীতিজ্ঞ আৰু প্ৰকৃত দেশ-শাসকৰ শাৰীত উচ্চ আসন দিছে। তেওঁ বৈষ্ণৱ মহন্তসকলক নিৰ্য্যাতন দিছিল, মহাজনসকলক স্থানৰ পৰা উচ্ছন্ন কৰি নিবোক টেকেলাইলৈ খেদি পঠিয়াইছিল। সুবৰ্ণৰ মূৰ্তিকো আনি ভাঙি পেলাইছিল। কিন্তু সেইজন ৰজাই ধৰ্ম্ম বিশ্বাসৰ প্ৰতি কেনেকুৱা বিবেকী আছিল, তাক বিবেকৰত্নই বৰ্ণাইছে, 'গদাধৰ সিংহ স্বৰ্গদেৱ দুৰ্গোৎসৱত কল্পাৰম্ভ হোৱা মাত্ৰেই গড়গাঁও নগৰ এৰি বৰকলা নগৰলৈ যায়। ৰুদ্ৰসিংহ আৰু নামৰূপীয়া গোহাঞি লেচাইক তাতে থৈ যায়। পূজা, বলি, উটুৰাত হিলৈ বৰতোপ বাদ্য কৰে। গদাধৰে হিলৈৰ মাত শুনে; বিজয়া দশমীৰ দিনত আহি, এবছৰ স্বৰ্গদেৱে ৰুদ্ৰসিংহক সুধিলে, "এইবাৰ মূৰ্ত্তি কেনেকুৱা হৈছিল' ?" ৰুদ্ৰসিংহই ক'লে, 'গোসানীৰ মূৰ্ত্তি খপুচুৰতী (ধুনীয়া) দেখিলাম।' নামৰূপীয়া গোহাঞি দেৱে ক'লে—'গোসানীৰ প্ৰতিমা বানৰৰ আকাৰ প্ৰায় দেখিলোঁ। তেতিয়া গদাধৰে বিশ্বাসেই পৰম ধৰ্ম বুলি পুতেক-হঁতক আশ্বাস দিলে—'বৰ বাপাই, তুমি ৰজা হব পাৰিবা। আঠ দহ ভাগ হ'ব। সৰু গোহাঞিদেউ ৰজা হ'ব নোৱাৰে। জংঘলৰ মধ্যে বাস কৰিতে হৈবেক।”

হিন্দুধৰ্ম্মৰ প্ৰতি গদাধৰ সিংহ : স্বৰ্গদেৱৰ আহোম মতে প্ৰবৰ্ত্তন আছিল, হিন্দু ধৰ্ম্মত আস্থা নাছিল। তথাপি বুৰঞ্জীয়ে কয়, '১৬০৬ শকৰ আঘোণত তিংখাঙত পুখুৰীৰ ভূমিত হাল বালে। পুখুৰী উৎসৰ্গলৈ আউনী-আটীয়া, বেঙেনা আটীয়া, কাটনী পৰীয়া, তিনিজনা মহাজনক অনাই পুখুৰী পাৰত সভা কৰাই নাগ পুতিলে, নাম থলে ৰহদৈ। ১৬১২ শকৰ পুহৰ ১২ দিন যাওঁতে শুক্ৰবাৰে ২ দণ্ড নিশা থাকোঁতে ৰজাদেৱে যাত্ৰা কৰি

সন্নালৈ গৈ ১৮ শত ব্ৰাহ্মণৰ হাতে বিশ্বনাথত জপ হোম কৰালে। কাত্যায়ণ ভট্টাচাৰ্য্যে মুকলিমূৰায়ে তিলে-কুশে উচৰ্গি এশ ব্ৰাহ্মণৰ আয়ু দিলে।' ওলোটা পাকে সেই কাত্যায়ণ ব্ৰাহ্মণকে আকৌ কি কৰিলে চাওক ঃ—একাদশীত ব্ৰত কৰা নিয়ম। গদাধৰৰ বিশ্বাস আছিল লঘোণে থকাটো পাপ। সেইবাবে একাদশীত লঘোণ দিয়া বাবে গদাধৰে "১৬১৩ শকৰ আহিনৰ ২০ দিন যাত্ৰোতে দুৰ্গোৎসৱৰ একাদশীত ভাত খাবৰ হুই" কাত্যায়ণকে আদি কৰি পণ্ডিত সকলক বাহিৰ গৰাৰ বাজ কৰি ডিঙিত কলহ আঁৰি গতিয়াই খেদিলে।

লাচিত বৰফুকনৰ দিনত, শৰাইঘাটৰ যুদ্ধতে গুৱাহাটীৰ পৰা মোগলৰ কঁকাল ভাঙি মোগলী শাসনৰ অন্ত পেলোৱা হ'ল যদিও তাৰ পাচত লালুকসোলা বৰফুকনে বঙালৰ (মোগলৰ) ৰুটী খোৱা আশা কৰি তলে তলে মঞ্চুৰ খাঁক বিশ্বকৰ্মা হেন নিৰ্মিত গুৱাহাটীখন দিবলৈ ষড়যন্ত্ৰ কৰিছিল। কৰিছিল কি, কিছুকাল অধিপতিকে পাতিলে। সেই মোগলী বিহৰ জইন মাৰিলে গদাধৰসিংহই।

ভকতীয়া একাচেকা বাহুবলী গদাধৰে গুৱাহাটীৰ পৰা মোগলৰ অধিকাৰ একেবাৰেই শেষ কৰি, পাত্ৰ-মন্ত্ৰীসকলেৰে সমালোচনা কৰা বিৱৰণ এটি এখনি সুৰক্ষিত পুথিত এইৰূপে দিয়া আছে ঃ "১৬০৩ শকত, মাস ফাগুণ, চন্দ্ৰবাৰ ২৩ দিন গত পাত্ৰমন্ত্ৰী সকলোৰে সমালোচনা কৰি (গদাধৰ সিংহ) স্বৰ্গদেৱে বোলে ঃ— মেটেকিয়াল লালুক বৰফুকনে গুৱাহাটীৰ থানা বঙ্গাললৈ এৰি দিলে। ১৬০০ শকৰ ফাগুণৰ ১৪ দিন গত বুধবাৰ লোকজন সহিতে নবাব মঞ্চুৰ খাঁয়ে গড় ললেহি। ৩ বৎসৰ ৫ মাহ অধিকাৰ কৰিলে। তদন্তৰে ডাঙ্গৰীয়া সকলেৰে ৺দেৱে সমালোচনা কৰি চাৰি অধিক ষোড়শ শতং (১৬০৪) শকে গুৱাহাটীৰ থানা লবলৈ আজ্ঞা কৰিলে। সকলোৱে বুলিলে, 'ৰাজা হ'লে যুদ্ধ কৰিবাক লাগে, ই ধৰ্ম্ম। শত্ৰুৰ অধীন হুই থাকিতে ভাল নুই। স্বৰ্গদেৱৰ আদেশ, প্ৰাণটাকি যুঁজিম, ৺দেৱৰ লোণ, চাউলৰ ধাৰ শুজিব পাৰিম।' দৈৱজ্ঞ দেওধাই সকলেও একবাক্যে বুলিলে, "ভাদ্ৰত যুদ্ধ যাত্ৰা হৈ আছে। বঙ্গালক (শত্ৰুক) জিনি কামৰূপ ভোগ কৰিব লাগে। এহি যোগে পূৰ্বে ৰাম চন্দ্ৰে সমুদ্ৰ তৰি ৰাৱণক বধ কৰিছে।" শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ মহাৰাজাৰ এইখন জন্ম চৰিত্ৰ বুৰঞ্জীতেই গুৱাহাটীৰ পৰা মোগল বহিষ্কৰণ কৰা

শেষ যুদ্ধৰ বৃত্তান্তটি অসম্পূৰ্ণ হলেও সামৰণিৰ ফালে তন্ন-তন্নকৈ দিয়া আছে ঃ—"পাছে স্বৰ্গদেৱে সকলোকে বঁটা প্ৰসাদ দি এই অনুক্ৰমে সেনাপতিসকলক পঠিয়ালে যুদ্ধ কৰিবলৈ। উত্তৰে বাঁহবাৰীত ধৰিবলৈ পিকচাই চেতীয়াৰ নাতি ডেকাফুকনৰ তলে এটা বাহিনী, দক্ষিণে সোণাপুৰ ধৰিবলৈ নামঙ্গীয়া ফৈদীয়া, ওপৰ দৈয়ঙ্গীয়া ৰাজখোৱাৰ তলে এক বাহিনী কলঙে ভটিয়াই গ'ল। সকলোৰে ওপৰত বৰ সেনাপতি হৈ গড়গঞা সন্দিকৈ নেওগ ফুকন লুইতে ভটীয়াই গ'ল-- লানমাখৰু চেটিয়া বৰফুকনৰ দল। যুদ্ধ কৰিবলৈ সৈন্য-সামন্ত সন্টম হৈছে। এনে সময়তে মঞ্জুৰ খাঁৰ উকীল শ্যামসিংহক পালে। পাছে বৰবৰুৱা শুনি বোলে শ্যামসিংহক পঠাবৰ ভাল নোহে। এই বুলি কণ্ঠভূষণ কটকীক পঠালে। সৰিয়হতলীতে (নগাঁৱৰ) ভাত খাওঁতে কণ্ঠভূষণক পাই ফিৰাই নিলে। পাছে দুই মুনি শিলাত বৰফুকনে লাগ পাই সুধিলে, বোলে, ভাই নবাবক যি বুলিলোঁ, তাক নকৰিলে। স্বৰ্গদেৱে আজ্ঞা নকৰিলে পাৰোঁ নেকি?" *

---

* অসম সাহিত্য সভা পত্ৰিকা।

অসম দেশ—সোণৰ সঁফুৰা

ইং সপ্তদশ শতাব্দীত মীৰজুমলাৰ লগত অহা জীন বেপ্‌টিষ্ট টেৱাৰ্নীয়াৰে অসমৰ সমৃদ্ধি দেখি এই মৰ্ম্মে কৈ গৈছিল যে অসমৰ দৰে এখন দেশ সমগ্ৰ এচিয়াতে নাই। দুষ্প্ৰাপ্য বোলা কথাষাৰ ইয়াত কেতিয়াও নেখাটে। অসমত নাই কি?—লোণৰ আকৰ, সোণৰ খনি, লোণৰ পুং, ৰূপৰ পৰ্ব্বত সকলো আছে। সোণ বৰণীয়া মুগা আৰু ধকধকীয়া বগা পাটৰ পলু-সূতা কাপোৰ ইয়াতেই পায়। ইয়াৰ পকৱা-লা চীন-জাপানলৈকো যায়। সেই লাৰে সেইবোৰ দেশৰ আহিলা-পাতি, আসন-ভূষণ, পেৰা-পেটাৰি মিনা কৰোৱা হয়। সপ্তদশ শতাব্দী আৰু তাৰ আগৰ পাছৰ যুগটোত সঁচাকৈয়ে অসম দেশ কেউপিনে জয়-জয়-ময়-ময় হৈ আছিল। তেতিয়া ৰজা-প্ৰজা সকলোৱে ইয়াৰ নাম দিছিল "সুণীয়া সঁফুৰা অসম দেশ।" এনে দেশত ঘাটি লাগে বুলিহে আগৰ ভৰি পাচ নকৰি, একেদিনাখনৰ যুদ্ধতেই বাৰহেজাৰ অসমীয়া সেনাই মগলী-তৰোৱালৰ আগত বুকু পাতি দিছিল। সৌমাৰপীঠৰ পৰা স্বৰ্গদেৱে যেতিয়াই মাত লগালে, ৰত্নপীঠ কামপীঠৰ হিয়াজালী গুৱাহাটীখন ইশ্বৰে আমাক দিছে, তাক এৰি আমি ক'ত মৰিমগৈ, তেতিয়াই অসমীয়া প্ৰজাই গুড়ি পকৱাৰ দৰে লাড়ু বান্ধিলে আৰু দেশৰ সন্মান-সমৃদ্ধি ৰক্ষাৰ নিমিত্তে শত্ৰু-ছাউনীত জপিয়াই পৰিলগৈ। এতিয়া, অৱশ্যে সেই দিন নাই। সোঁতত সকলো হৰিল। তথাপি, এটা কথা স্বীকাৰ কৰিব লাগিব যে দেশখন পৰমুখাপেক্ষী নোহোৱা বাবে হে চহকী-দুখীয়া সকলোৱে স্বদেশ প্ৰেমৰ দুৰ্দ্দমনীয় অনুপ্ৰেৰণাত নিজৰ নিজৰ দেহ জলাঞ্জলি দিব পাৰিছিল। সেই অনুপ্ৰেৰণাৰ পৰাক্ৰম নিৰ্ভৰ কৰিছিল দেশৰ স্বনিৰ্ভৰশীলতাৰ ওপৰত। অৰ্থাৎ, ৰাষ্ট্ৰীয় স্বাধীনতা ৰক্ষা কৰিবলৈ অস্ত্ৰ-শস্ত্ৰৰ যি আহিলা আৰু সাধাৰণ জীৱন নিৰ্ব্বাহ কৰিবলৈ যি বস্তুৰ আৱশ্যক সেই আটাইবোৰ অসমতেই উৎপন্ন হৈছিল। টেৱাৰ্নীয়াৰে উল্লেখ কৰা খনিজ বস্তুৰ বাহিৰেও এইবিলাক বস্তু ওচৰচুবুৰীয়া পৰ্ব্বতীয়া জাতিৰ যোগেদি পোৱা হৈছিল—বৰ খামতিৰপৰা কেঁচা

ৰূপ ; লামা-দেশৰ পৰা কঁৰৰ আগত দিয়া বিচা বিহ, বৰ বিহ আৰু কণী বিহ ; চিংফৌৰ পৰা সীহ, তাম আৰু ৰূপ ; মানদেশৰপৰা জাংফাই ; গাৰোৰপৰা দা ; নগাৰ যাঠি ; মিৰিৰ জিম কাপোৰ, মেজাঙ্কৰী ; খামতি-দা ; মিচিমি-তিতা, মঞ্জিষ্ঠা বা মজাঠী, আবৰ জিম ; চূণ আৰু গান্ধকলাই।

ইণ্ট ইণ্ডিয়া কোম্পানীৰ সম্বন্ধসূত্ৰ লাগিবৰপৰা অসম দেশত উৎপন্ন হোৱা বস্তুৰ ব্যৱহাৰটো অসমীয়াই কৰিবলৈ এৰি দিলে। ফলত সেইবোৰ আপুৰুগীয়া বস্তুৰ আজিকালি নাম শুনিবলৈকে নোহোৱা হ'ল। কিন্তু, পূৰ্ব্বৰ যুগ এতিয়া আকৌ ঘূৰি আহিছে। এতিয়া সেইবোৰ বৈজ্ঞানিক উপায়ে উদ্ধাৰ কৰিবৰ আৱশ্যক হৈ পৰিছে। যান্ত্ৰিক যুগত যন্ত্ৰৰ সহায় নললে প্ৰাচীন পদ্ধতি কেতিয়াও উন্নত কৰিব নোৱাৰি। আৰু সেয়ে নহলে বৈজ্ঞানিক জগতৰ লগত প্ৰতি-দ্বন্দ্বিতা কৰাও অসম্ভৱ। আমাৰ দেশখন সমৃদ্ধিশালী কৰিবলৈ হ'লে সমৃদ্ধিৰ আকৰ ক'ত ক'ত আছে আৰু সেই সমৃদ্ধি আগৰ দিনত কেনেকৈ ব্যৱহাৰৰ উপযোগী কৰা হৈছিল তাৰ উহ বা আঁতি-গুৰি জানিব লাগিব।

ধৰক জানিবা লো টোৱেই। এই লো শিৱসাগৰ জিলাৰ দক্ষিণে থকা জয়পুৰৰ পৰা আৰম্ভ কৰি গাৰো হাটলৈকে এই গোটেই অঞ্চলতে পোৱা যায়। আগৰ দিনত এই লোৱেৰেই হাতনলীয়া, ৰামচাঙ্গী, পহলঙ্গী, গঠিয়া জুমুৰ, মিঠাহোলোং, বাঘমূৰা, টুবুকী হাটীমূৰীয়া আদি হিলৈ বৰতোপ কৰা হৈছিল। তাৰ উপৰিও নিত্যনৈমিত্তিক ব্যৱহাৰত লগা সা-সজুলিও প্ৰস্তুত কৰা হৈছিল। ৰসায়নিক প্ৰক্ৰিয়াৰ দ্বাৰাই আধুনিক ভূতত্ববিদ্‌সকলে কৃত্ৰিম লো তৈয়াৰ কৰিব পাৰিলেও, দেশতে থকা স্বভাৱজ বা খনিজ লো আৱিষ্কাৰ কৰা পুৰণি প্ৰণালী-টোলৈ আওকাণ কৰা উচিত নহব।

লো-উলিওৱা পুৰণি নিয়ম :— বাৰিষা চল উঠিলে দৈয়াং নৈৰ বাচনি পানীয়ে পৰ্ব্বতৰ গাৰপৰা লোৱাচুৰ মিহলি খেচ-খেচীয়া মাটি খহাই আনি ঠায়ে ঠায়ে একো ডোখৰ ভাওৰ চট বা বলুকা পেলায়। সেই চটবোৰ পাচত পলশে ছাটি ধৰে ; শুকাই টান মাৰিলে খৰালি দিনত লো-শলীয়া মানুহে ঠাই বুজি-বুজি ১০।১২

হাত দলৈকে খান্দি খেচ-খেচীয়া মাটি পোৱা যেন গম পালেই এটা ওজা আৰু পাঁচোটা পালীৰে একোটা জুম বান্ধি চাৰি পাচ দিন কাম কৰে। এইদৰে সিহঁতে কাম কৰি দহ দিনৰ মূৰত হেজাৰ মোণ লোৱা মাটি খানি উলিয়ায়। খনা মাটিখিনি ইকৰা খৰিৰ জুই মাৰি পোৰে। পুৰি অঁতাই থালি এটাত সেইখিনি বহাই দিয়ে আৰু টানকৈ জুই মাৰিবলৈ ধৰে। জুইৰ কোবত তাৰ ভেবেৰবোৰ ফেন কাঢ়ি ওলাই যায় আৰু লো-মিহলি মাটিখিনি লেটু-সেতু হৈ লদা বান্ধে। লৰণিৰে লৰাই, কাঢ়নীৰে কাঢ়ি গোটা গোটা লো-ডোখৰাবোৰ ধুৰমুছ এডালেৰে খুন্দি নাইবা সাঁচত পেলাই দীঘল চেপেটা কৰি গঢ় লগায়। এই লোৰে নাঙলৰ ফাল, গজাল, বৰশী, বিন্ধনা, বটালি, বাইছ, চেকীৰ শুল, পুতলৰ কাঁইট আৰু হিলৈৰ শলা কৰি লৈছিল। ইয়াৰপৰাই অসমীয়া কমাৰে কোৰ, কুঠাৰ, ক্ষুৰ, তৰোৱাল, হিলৈ, বৰতোপ, তীখা আৰু ইস্পাত তৈয়াৰ কৰিছিল। যেতিয়া পঢ়োঁ যে মীৰজুমলাই উলটি যাওঁতে অসমৰ পৰা ৬৭৫টা হিলৈ, ৩৪৩টা জম্বুৰা তোপ, ১২০০ ৰমচাঙ্গী তোপ, ৬৫৭০টা হাতনলীয়া বন্দুক আৰু ১৮২৮ খন তৰোৱাল লৈ গৈছিল—তেতিয়া বাৰু স্বভাৱতে প্ৰশ্ন নুঠেনে—যিখন দেশত আজি বেজী এটাৰ নিমিত্তে বিদেশৰ ওচৰত হাত পাতিব লাগে সেইখন দেশৰ মানুহেনো তাহানিখন ইমানবোৰ অস্ত্ৰ-শস্ত্ৰ কেনেকৈ তৈয়াৰ কৰিছিল ?

লোণ ঃ— লোণও নগা পৰ্ব্বতৰ দাঁতিত থকা বৰহাট আৰু নামচাং পৰ্ব্বতৰ পইৰা অঞ্চলত পোৱা হৈছিল। ৰেল-জাহাজৰ চলা-চল হোৱাৰ পূৰ্ব্বে নগাসকলেই আমাক সৰহভাগ লোণ যোগাইছিল। য'ত লোণ পোৱা নগৈছিল, তাত কলাখাৰ আৰু পুণিখাৰ ব্যৱহাৰ কৰা হৈছিল। ৰজাদিনত লোণপুঙৰ পৰা লোণ উলিয়াবলৈ শলাল গোহাঁইৰ ওপৰতেই ভাৰ দিয়া হৈছিল।

লোণপুঙৰ লুণীয়া পানীখিনি বাঁহৰ চুঙাত ভৰাই আলীত বা ঘৰাৰ ওপৰত দি পগায়। পগাওঁতে অলপ টান মাৰিলেই গাতৰ ওচৰতে থৈ দিয়া বাঁহৰ চুঙাত টান মৰা লোণখিনি বাকি থয়। একেলগে এশটামান চুঙাত লোণপানী সিজোৱা হয়। এশ ডেৰশ চুঙাৰ পানী সিজালে ২০।৩০ সেৰমান লোণ ওলায়।

গোলাঘাটৰ গৰমপানীৰ ওচৰতো বহুত লোণ পুং আছিল আৰু এতিয়াও আছে। তাৰ পানী আনি তপতালেই গোট মাৰে। সেই গোটমৰা লোণখিনি মাটি কলহত থৈ দিলেই খাবৰ উপযোগী হয়। কেপ্টেইন ৱেলছৰ লগত অসম ৰজাই সন্ধি কৰাৰ পাচৰপৰাই অসমত বালি-লোণ, ভুখৰীয়া লোণ ওলাবলৈ ধৰিলে। তেতিয়াৰপৰাই অসমীয়া লোণ তৈয়াৰ কৰা দূৰৈৰ কথা ব্যৱহাৰ কৰাটোও অপমানজনক বা বৰ্ব্বৰতাৰ চিন বুলিহে গণ্য কৰা হলোঁহক। যোৱা মহাসমৰত আমি জুলুকি-জুলুকিকৈ নিশিকাকৈ নেথাকিলো যে হেজাৰো চালান বিদেশৰপৰা আহক ঘৰত নহলে সকলো মিছা। সেইদেখি, কি কি উপাদানেৰে লোণ তৈয়াৰ কৰিব পাৰি আৰু অসমতে থকা সেই উপাদানবোৰ কেনেকৈ বৈজ্ঞানিক উপায়ে লোকৰ ওপৰত আশা নকৰাকৈ ব্যৱহাৰত লগাব পাৰি তাৰ দিহা বুদ্ধি যুগুতোৱা চিন্তাশীল ছাত্ৰ মাত্ৰৰেই কৰ্ত্তব্য।

শীতাতেল বা পেট্ৰলিয়মঃ— কেৰাচিন বা পেট্ৰলক অসমীয়া মানুহে শীতাতেল বুলি কৈছিল। এই তেল গোলাঘাটৰ শীতলীয়া আৰু শীতল নেঘেৰীত পোৱা হৈছিল। নগা পৰ্ব্বতৰ নামনিতো সেই তেলৰ আকৰ আছিল। যেতিয়া তলৰপৰা তেল ওলাই বাৰিষা পানীৰ ওপৰত বিৰিঙি উঠে তেতিয়াই সেই ঠাই ডোখৰ চিনি থয়। খৰালি হ'লে তাকে খান্দি তলৰ পৰা তেলখিনি উলিয়ায়। সেই তেলৰ নাম মাটিতেল বা শীতাতেল অৰ্থাৎ জেকা মাটিৰ পৰা ওলোৱা তেল। শীতাতেলৰ উহ চিনা এটা প্ৰবাদ আছে। সাপে-নেউলে যুদ্ধ লাগিলে, সাপৰ বিষ উৰাবলৈ নেউলে এডোখৰ মাটিত গাটো ঘহাই আহেগৈ। যি ডোখৰ মাটিত নেউলে গা ঘহাই বিষ এৰুৱায় সেই ডোখৰ ঠাইতেই হেনো শীত মাটি থাকে আৰু সেয়ে শীতাতেলৰ ভুমুক বা উহ। সেইবোৰ বাৰু যি কি নহওক, কেৰাচিন, পেট্ৰল নহ'লে আজিৰ সভ্য জগতত এটা খোজো চলাব নোৱাৰি। সভ্যতাৰ টিঙলৈ আমি যিমানেই বগাই গৈছো, সিমানেই শীতাতেলৰ আৱশ্যকতা এৰাব নোৱৰা হৈ গৈছে। "সুণীয়া সফুঁৰা" অসম দেশেই ইয়াৰ গৃহস্থ। তথাপি আমাৰ অজ্ঞতাৰ দোষত বা আকাঙ্ক্ষাৰ অভাৱত তাৰ বিলনীয়া হৈছে আনহী। আমেৰিকাৰ কল-কাৰখানাৰ ফালে

আমি আৰু কিমান দিন সতৃষ্ণ নয়নে চাই থাকিম ? ইৰাণী অনুপ্ৰেৰণাৰ ধলে আমাক কোন কাহানিকৈ চৌৰাই পঠিয়াব ?

নাগমাটি বা কয়লা ঃ— অসম নাগমাটি বা কয়লাৰো আগাৰ। নাগমাটিও শীতাতেলৰ দৰেই সভ্যতাৰ একান্ত আৱশ্যকীয় পদাৰ্থ। ইয়াক পৰ্ব্বত খান্দি বা বখলিয়াই উলিওৱা দুঃসাধ্য। তথাপি সেই দিনটোৰ নিমিত্তে এনে ভাৱে সাজু হব লাগিব যিদিনা আমাৰ মানুহে সেই দুঃসাধ্য কামটো সাধন কৰিব পাৰিব।

সোণ ঃ— সোৱণশিৰি, দিছৈ, সোমদিৰী, দীক্ৰং, বৰগাং, ভৰলী, ধনশিৰী আদি অসমৰ প্ৰায় নৈতেই সোণ পোৱা যায়। সেই সোণ অতীজত অসমীয়া সোণোৱালেই কমাইছিল। স্বৰ্গদেৱ জয়ধ্বজসিংহৰ দিনত (খৃঃ ১৬৪৮-১৬৬৩ লৈকে) কুৰি হেজাৰ পৰ্য্যন্ত অসমীয়া সোণোৱালৰ উপজীৱ্য আছিল এই সোণ কমোৱা ব্যৱসায়েই। বৃটিছে দেশ লোৱাৰ আগলৈকে অসমৰ নৈত বছৰি কমোৱা সোণ চাৰি হেজাৰ তোলাতকৈ কম নাছিল। ধিং, সোণধনী, চাতগাৰীৰ মানুহেও ৰজাৰ ভঁড়াললৈ নিজৰ নিজৰ ঠাইত ওলোৱা সোণ পঠিয়াইছিল। ৰজাৰ সজাতিয়ে ভোটৰ পৰ্ব্বতৰ পৰাও সোণ আনিছিলগৈ।

নৈত উটি অহা বালি ধুবলৈ দুৰুণী, লেহেতৌ, কৌপাত, নাহৰ খৰি ইত্যাদি সঁজুলিৰ আৱশ্যক হৈছিল।

বালি ধুই সোণ উলিওৱা নিয়ম আজি কোনেও নেজানে। কিন্তু সেই সোণ ক'ত ক'ত পায় তাক জনা উচিত।

সোণধনে ধনী "শস্য শ্যামলা অসম" ধৰিত্ৰীৰ বুকুত বিপুল অৰ্থ সম্পদৰ অনন্ত আকৰ তন্দ্ৰাৱস্থাত তল পৰি আছে। অসমৰ ডেকা শক্তিয়ে সেই সম্পদৰ সৰ্জাল ধৰাবই ধৰাব—এই আশা পোষণ কৰি অসমৰ অৰ্থ সম্পদৰ যৎকিঞ্চিৎ আভাস দিয়া হ'ল।*

---

* "মাতৃভূমি" ১ম বছৰ, স্বাধীনতা সংখ্যা, ১৯৫৩।

ৰঙ্গিলী কুঁৱৰী

(আগ কথা)

ৰাজনৈতিক অৱস্থাৰ পাক-চক্ৰত পৰি, বদনচন্দ্ৰ বৰফুকনে কলিকতালৈ গৈ বৰ্মা ৰজাৰ উকীলেসৈতে পৰামৰ্শ কৰি বৰ্মা ৰজাৰ ত'ত অসম জয় কৰিবলৈ মান-সেনা ভিক্ষা কৰাত এগৰাকী "অসম-ৰজাৰ জীয়াৰী, মানৰজাৰ কুঁৱৰীয়ে" বৰকৈ খাটি-লুটি বৰফুকনক চাৰি হেজাৰমান মান-সেনা দিয়ায়। এই সৈন্য-সেনাকে লৈ বৰফুকনে অসমীয়া বিষয়াৰ গাইগুটীয়া স্বাৰ্থ, দম্ভ আৰু পৰশ্ৰীকাতৰতা নিঃচিহ্ন কৰিবলৈ গৈছিল। তাকে কৰোঁতেই অসমৰ বুৰঞ্জী-পট একেবাৰেই লুটি খাই গ'ল। যি গৰাকী কুৱঁৰীৰ খাটনি আৰু সহায়ৰ বলত এনেকৈ বুৰঞ্জীৰ পট পৰিবৰ্ত্তন হ'ল, অসমীয়া স্বাধীনতাৰ এক কথ্ম উঁৱলি গ'ল, বহগাঁৱেৰে পৰিপূৰ্ণ দেশ গুচি ৰিঙা পথাৰ আৰু টুপলি কটা হাবিৰে ভৰি পৰিল, সেই গৰাকী কুঁৱৰী কেনেকৈ, কি সূত্ৰে অসমৰপৰা গৈ বৰ্মা ৰজাৰ অন্তেষপুৰত কেনেকুৱা লাগী কুঁৱৰী হৈছিলগৈ তাকে কোৱাই এই প্ৰবন্ধৰ উদ্দেশ্য।

মোৱামৰীয়া অন্তৰ্বিপ্লৱত ঠাৰৰিব নোৱাৰি, স্বৰ্গদেৱ গৌৰীনাথ সিংহ গ'লগৈ গুৱাহাটীলৈ। অসমৰ ৰাজপাট শূণ্য হ'ল। ঠায়ে ঠায়ে একো-একোজন নপতা-ফুকন সাজি স্বয়ম্ভূৰূপে নিজৰ নিজৰ ক্ষমতা চলাবলৈ ধৰিলে। মায়ামৰীয়াৰ ডফলা বহতীয়া বুঢ়াফুকন আৰু তেওঁৰ পুতেক অগ্নিকুমাৰ অসম ৰজাৰ ৰাজধানী ৰংপুৰত ৰজা ৰূপে নিষ্কন্টকা হৈ বহি ললে। বৰটিয়াই চলকৈ অগ্নিকুমাৰক উত্তৰ পাৰলৈ পঠিয়াই ভৰতসিংহ নাম লৈ অসমৰ ৰাজপাটত বহি ৰজা হ'ল। এই হেগতে, খাম্‌তিক খেদি চিংফৌবিলাকে টেঙাপানীত থিতাপি ললেহি। তাৰ পিচত, বিচানঙ্গে দোৱনীয়া মৰাণেৰে মিলি বৰ্মা ৰাজ্যৰপৰা মান-সেনা আনি কেইখনমান অসমীয়া গাঁও লুট-পাট কৰেহি। এই বাৰ্ত্তা শুনি বুঢ়াগোহাঞে গৰীয়া বৰাক চিংফৌ মাৰিবলৈ পঠিয়ালে। সিফালে বৰ্মা দেশ, ইফালে অসম দেশ।

দুৰ্য্যোধনৰ মাজত থকা দোৱনীয়া-মৰাণ আৰু চিংফৌৱে অসমৰ সৌন্দৰ্য্যত মুগ্ধ মান ৰজাক তিনি বাৰকৈ অসম আক্ৰমণ কৰিবলৈ ফেটাই দিছিল ।

পানীতলৰ কাঁইট চিনি পাওঁতা, পেট-টেঙৰ পূৰ্ণানন্দ বুঢ়া-গোহাঞে আক্ৰোশৰ গুৰি ক'ত বুজিব পাৰি মৰাণৰ মুখিয়ালজনক বৰ-সেনাপতি পাতি উজনি খণ্ডত থাপি থলে আৰু আগলৈ মান অনাৰ যতকুটৰ ঘাই চিংফৌৰ বিচানঙ্গক এগৰাকী অসমীয়া গাভৰু সালঙ্কৃতাকৈ দি মিত্ৰতা স্থাপন কৰিবলৈ স্থিৰ কৰিলে।

ৰঙাচিলা দুৱৰা বংশত বৰম নামেৰে এজন মানুহ আছিল। তেওঁক আটায়ে বৰুৱা বুলি মাতিছিল। প্ৰকৃততে, এওঁ যে ৰজা-ঘৰৰপৰা বৰুৱা বিষয় পাইছিল এনে নহয়। মানুহজন বয়সীয়া আৰু কথা-বতৰাত পাগত-উঠা গুণে, তেওঁ সকলো বুঢ়া-মেথাই বৰুৱা বুলি মতা-বোলা কৰিছিল। এই বৰম বৰুৱাৰে এগৰাকী পেহীয়েক আছিল। তেওঁৰ নাম ৰঙ্গিলী। চিংফৌৰ বিচানঙ্গলৈ বন্দীয়ে-বেটীয়ে সৈতে ৰঙ্গিলী আইদেওক বুঢ়াগোহাঞে দি দিলে। ৰঙ্গিলী সঁচাসঁচিকৈয়ে ৰঙ্গিলী আছিল—'আঙুলী পাঁজিসেৰী, গা কেতেকী-কঁকাল আৰু মুখ পূৰ্ণচন্দ্ৰ'। লোদোৰ-পোদোৰ হাত-ভৰি, পূৰঠ গাল আৰু সাপৰ নেগুৰ যেন চুলিতাৰে ৰঙ্গিলীক তুলি ধৰিছিল। বিচানঙ্গে ৰঙ্গিলীক উপহাৰ পাই অসম দেশ আক্ৰমণ কৰা বা কৰোৱাৰ ভাব পৰিত্যাগ কৰি নিজৰ দেশলৈ গুচি গ'ল। পূৰ্ণানন্দ বুঢ়াগোহাঞেও ইপিনে একো আলৈ-আহুকাল নোহোৱাকৈ আপোন ইচ্ছামতে ৰাজ্য চলাবলৈ ধৰিলে।

ৰাজ্য সংক্ৰান্ত সকলো কথাতে লাগি থকা, টানে-আপদে ৰক্ষা কৰোঁতা মান-ৰজালৈকে আকৌ বিচানঙ্গে সেই গাভৰু গৰাকীক অসম ৰজাৰ কুঁৱৰী বুলি "মহিষী কৰি তুলি দিলে।"

"অসম ৰজাৰ কুঁৱৰী আহিব এনে সমাচাৰ পাই, বৰ্মা ৰজাই নগৰত আদেশ প্ৰচাৰ কৰি দিলে বোলে, ৰাজ-আলিৰ কাষত থকা সকলো মানুহে চাকি-বন্তি লগাই, ফল-ফুল, গছ-লতা আঁৰি, ঘৰ-বাৰীবোৰ সজাব লাগে। দোকান-পোহাৰবোৰত দ্ৰব্য-বস্তু ভৰাই দেখিবলৈ ধুনীয়াকৈ থব লাগে আৰু, পাক্কাম উংঘীয়ে (ৰণুৱা মন্ত্ৰীয়ে) সেইদিনা আবেলিলৈ পানীয়েদি গৈ অসম ৰাজকন্যাক সুৱাগুৰি তুলি

আনিবগৈ লাগে", প্ৰজাবিলাকে ঘৰবাৰীবোৰ সজোৱাত গহৰি কৰা বাবে বহুতে উৎঘীৰ হাতত শাস্তিও ভোগ কৰিবলগীয়া হৈছিল।

সেই ঘৰ পোৱাৰ তিনি দিনৰ মূৰত "অসম কুঁৱৰী"ক মানৰ কাৰেঙলৈ সুমুৱাৰ কথা। সেইদিনা, নাগৰিকসকলে উলহ-মালহেৰে "অসম-কুঁৱৰীক" আদৰি আনিব লাগে; সেই গুণে কতো ছিদ্ৰ নথকাকৈ নগৰৰ আলি-পদূলি, হাট-বাট, দোকান-পোহাৰ সজোৱাইছে পৰোৱাইছে; ইংৰাজ-প্ৰতিনিধিকো তেওঁৰ পদূলিত চাঙটি-চন্দোৱাৰ তৰিব লাগে বুলি আদেশ দিয়া হৈছে। অসমীয়া জীয়ৰী থকা বাহৰৰ-পৰা মানুহৰ নির্দানে বিৰদিও বাট পোৱা নাই। ৰজাঘৰৰপৰা অসংখ্য ভাৰভেঁটি আৰু নানান তৰহৰ উপহাৰ বস্তু আহি আছিল, গৈ আছিল। সেইবোৰকে সোণৰ কাঁহীত ভৰাই-নিয়া মানুহ আৰু অন্য মানুহো লগ লাগিলত উৰ্মিসদৃশ প্ৰজাৰ হেন্দোল লাগিছিল। ২৫ তাৰিখে দুপৰীয়া বৰকুঁৱৰীৰ ঘাই আলধৰাই অসমীয়া জীয়ৰীক আদৰ-সম্ভাষণ জনাই ৰজাৰ আগত তেওঁৰ গড়-পিত আৰু স্বভাৱ-চৰিত্ৰৰ বিষয়ে জনাবলৈ ঘূৰি যাওঁতে ইংৰাজ প্ৰতিনিধিৰ আগত ধুনীয়া অসমীয়া ছোৱালীৰ ৰেহ-ৰূপৰ কথা কৈ বৰ গৌৰৱ কৰি গৈছিল।

২৬ তাৰিখৰ দিনা একুৰি ষোলজন দুলীয়াই ভাৰ বৈ অনা ৰমক-জমক তমস্কাৰ-তমঙ্কাৰ দোলাত উঠি, লগত ভালেমান আইচ-গাভৰুকো দোলাত তোলাই, গায়নে-বায়নে, পেঁপা-মুৰুলীয়ে হিলৈদাৰী-ম্নাঠীয়ালেৰে বৰ্মা ৰজাৰ বৰকুঁৱৰী আহিল অসম-ৰজাৰ জীয়াৰীক আগ বঢ়াই নিবলৈ। আইদেওক লৈ, ৰাজ-কাৰেঙলৈ যি যি বাটেদি সেই সমদল গৈছিল, সেই বাটবোৰৰ কাষত থকা ঘৰৰ আগচালিবোৰ বাঁহৰ চাৰি-কঠেৰে এনেকৈ ছোওৱাইছিল যে সেইবোৰ দূতৰপীয়া হৈ আলিবাটৰ ফালে মুকলি হৈ ওলমি পৰিছিল। সেইবোৰকো আকৌ জালিকটা ফুলেৰে সজাই-পৰাই জক্‌মকৈ শাৰীপাতি সজাই থোৱা হৈছিল। দোকান-পোহাৰবোৰত সজাই থোৱা দ্ৰব্যবস্তুবোৰে মোক-তোল-মোক-তোলকৈ আছিল। অসম ৰজাৰ জীৰ লগত যোৱা মানুহক সেই বস্তুবোৰ আধামূলীয়াকৈ বেচিবলৈ ৰজাই আদেশ দিছিল।

চৌআলিৰ মূৰে মূৰে একোটাকৈ তোপ পুতি থোৱা হৈছিল। আলিৰ বাটত দুয়ো দাঁতিয়ে কল-কুঁহিয়াৰ, শাৰী শাৰীকৈ পঞ্চ-পল্লৱ

কৰাই দিয়া হৈছিল। গোটেইটো আলি ফুঁ মাৰি ভাত খাব পৰাকৈ সাৰি মচি আঁতাই থোৱা হৈছিল। সেইদিনা পুৱা সকলোটিয়ে এই অনুক্ৰমে সমদল পাতি গৈ আছিল ঃ—

আটাইতকৈ আগত যাঠীয়াল, তাৰ পাচতে হিলৈদাৰী, তাৰ পাচত ক্ৰমাণ্বয়ে গায়ন-বায়ন, ছত্ৰ-চামৰ, ৰাজমাৱৰ সোণবৰণীয়া সমাৰোহ, ৰাজমাৱৰ সোণখটোৱা বিয়াগোম দোলা, সেই দোলাৰ কাষে-কাষে ভাল কাপোৰ-কানি পিন্ধি আঁঠু কাঢ়ি যোৱা দুজনী দীপ-লিপ গাভৰু আৰু আগত হাত-জোৰকৈ ঘূৰি ঘূৰি সেৱা কৰি যোৱা দুজনী গাভৰু।

দোলাৰ চৌপাশে সোণোৱালি ছত্ৰধাৰীয়ে আগুৰি গৈছিল। ৰাজ মাৱৰ দোলাৰ পাচত এজাক অশ্বাৰোহী চিপাহী, তাৰ পাচতে যাঠিয়াল আৰু হিলৈদাৰী। তাৰ পাচত, অসম ৰজাৰ জীয়াৰী, লগত নিয়া হাতীদাঁত, কেৰু-মণি, ঢাল-তৰোৱাল, জপা-পেটাৰি, শোৱা চাৰি-পাটী আদি যৌতুকত দিয়া বস্তু নিয়া মানুহ। সৰ্বশেষত বগা পাগুৰী মৰা আৰু হলৌ চোলা পিন্ধা অসমীয়া পুৰোহিত। এওঁবিলাকৰ পাচতে বৰ্ম্মাৰজাৰ দুজন ঘাই বিষয়াকে আদি কৰি ইতৰস্থ বিষয়াবিলাক। তাৰ পাচত বগা কাপোৰ পিন্ধা ৰূপৰ কালি-পেঁপা আৰু তাল বজাই যোৱা মাইকী সমদল। এইবোৰৰ পাচতে অসম ৰাজকন্যাৰ পতা-সোণীয়া সমাৰোহ। বৰ্ম্মাৰজাৰ ৰবকুঁৱৰীৰ দৰে এওঁকো আগে-পাচে আঠুকাঢ়ি যোৱা দুযোৰা গাভৰুৱে সোণ-খটোৱা দোলাত তুলি লৈ গৈছিল। বৰ্ম্মাৰজাৰ ভাবী মহিষী অসমীয়া কন্যাই যাতে ভিতৰৰ পৰা সকলোকে দেখে, অথচ, বাহিৰৰ পৰা তেওঁক কোনেও নেদেখে এনে ভাবে তেওঁ উঠা দোলাখনত চীন দেশৰ ফুলবছা ফিফিৰীয়া কাপোৰৰ আৰোৱান তৰি দিয়া হৈছিল। এই দোলাৰ পাছতে বৰ্ম্মা-দেশীয় এজাক ঘোঁৰা ৰণুৱা, তাৰ পাছত লা-লিগিৰাৰে সৈতে কুঁৱৰী টোলৰ আই-কুঁৱৰী উঠি অহা ২০ খন দোলা আৰু ৰজাৰ গো'টইখিনি হিলৈদাৰী আৰু যাঠিয়াল। এনে বাছকবনীয়া সমাৰোহ, জাকজমক পয়োভৰ আৰু বৰ্মাদেশত নোহোৱা-নোপজা আদৰ-অভ্যৰ্থনাৰে অসম ৰজাৰ জীয়াৰীক আগ বঢ়াই নি আভা নগৰীৰ ৰাজকাৰেঙৰ অন্তেষপুৰ পোৱালেগৈ। বৰ্ম্মা ৰজাই অসমীয়া তিৰুতাৰ অপৰূপ লাৱণ্যত মুগ্ধ হৈ ৰঙিলীক ৰবকুঁৱৰী পাতি ললে। অসমীয়া কুঁৱ-

ৰীয়ে ৰজাক ইমানকৈ ভোল নিয়াইছিল যে তেওঁ দহ বুলিলেই দহ, পঁচি বুলিলেই পঁচি হৈ পৰিছিল।

কিন্তু হলে কি হ'ব? আঁহ ডালকে দুভাগ কৰিবপৰা সতিনী কুঁৱৰীবিলাকে তেওঁৰ খোজে পতি অপৰাধ উলিয়াবলৈ ধৰিলে। সৰ্ব্বগুণী সুৰাগী কুঁৱৰীৰ গাত ক'তো অকণো খুঁত নাপাই তেওঁৰ লগত অনা যৌতুকৰ বস্তবোৰলৈকে টোঁৱাই ৰজাৰ জীয়াৰী নহয় বুলি তেওঁবিলাকে ভেঙুচালিকৈ খেনি কৰিবলৈ ধৰিলে। সেইদেখি ৰঙ্গিলী আইদেওৰ কেউপিনে জয়-জয়-ময়-ময় হৈছিল যদিও, এইফেৰি সুখে নটাত মনতে বৰ দুখ পাই আছিল।

তেনেতে, কলিকতাৰপৰা মানৰজাৰ উকীলেসৈতে বদন বৰফুকন যাওক মান দেশলৈ। বৰফুকনে ঐৰাৱতী নৈৰ বালিত আঁৰ কাপোৰ তৰি ভাত খাবলৈ ধৰিছে, এনেতে ৰঙ্গিলীৰ বেটী কেইজনীমান আহি তাত উপস্থিত। তাহাঁতে বালি-ভাত খোৱা মানুহবোৰৰ কথা-বতৰা, পিন্ধন-উৰণ আৰু গঢ়-গতি দেখি অসমীয়া মানুহ বুলি অনুমান কৰি আঁৰ কাপোৰৰ ওচৰ চাপিল। বৰফুকনৰ মানুহৰ লগত পৰিচয় হৈ বুজিব পাৰিলে, বৰ্ম্মাৰজাৰ "অসমীয়া কুঁৱৰী" গৰাকী তেওঁৰে ভনীয়েক হেনো। বৰফুকনে সিহঁতৰ হাততে ভনীয়েকলৈ চাৰিটা হীৰা-পতোৱা আঙঠি পঠিয়াই দিলে।

আঙঠিতে বঙহৰ চিন পাই, ৰঙ্গিলী কুঁৱৰীয়ে বৰফুকনক কাৰেঙলৈ নিবলৈ লিগিৰা মানুহ পাচিলে। বৰফুকনে ৰাজ-অলঙ্কাৰ পিন্ধি মান-ৰজাৰ কোষত থিয় হ'লগৈ। কুৱৰীক তাত দেখা পাই দুয়ো চিনাকি হৈ ডিঙিত ধৰাধৰিকৈ কান্দিবলৈ ধৰিলে। তেতিয়াহে সকলো এলাগী কুঁৱৰীয়ে অসমীয়া কুঁৱৰীক ৰজাৰ জী বুলি বুজি পালে। বৰফুকনেও যেতিয়া মাইহেং বাটিত পানী খাই, পালেং পীৰাত বহি "পানীত পৰি হওঁ ফেঁটীগোম সাপ, দা-তৰোৱালৰ নাও নকওঁ" বুলি নিজৰ পৰাক্ৰমৰ চিনাকি দিলে, তেতিয়া সিংহাসনৰপৰা নামি আহি বৰ্ম্মাৰজাই স্বয়ং হাতত ধৰি বৰফুকনক সম্ভাষা কৰিলে।

তেতিয়া মান-ৰজাৰ 'জিজ্ঞাসামতে' বৰফুকনে আপোন প্ৰয়োজনৰ কথা ক'লে বোলে, "আমাৰ দেশত ৰজা নাইকিয়া হ'ল, অকল বুঢ়াগোহাঁই মন্ত্ৰীয়ে হে দেশখন খাই আছে। আমাৰ দেশৰ ৰজা পূৰ্ব্বে

আপোনাৰেই ভাই-বংশ। পূৰ্ব্বে যেতিয়াই তেতিয়াই মুংকঙৰপৰা সহায়ও পাইছিল। এতিয়া মুংকঙো আপোনাৰ হ'ল, আৰু আপুনি মিতিৰো। এতেকে কিছু সৈন্য আপোনাত খুজি নিবৰ নিমিত্তে আমাৰ ভাতি থোৱা ৰজাই মোকে পঠাই দিছে।" এই কথা শুনি, বৰ্ম্মা ৰজাই দুকুৰি বগা ম'হ আৰু লেখজোখ নোহোৱাকৈ হাঁহ-পাৰ-ছাগলী বলি দিয়াই, দেওপূজা কৰাই চাৰিটা ডেও মাৰি ক'লে, "পুতেকৰ মাংস বুঢ়াগোহাঁইক খুৱাম।" এই বুলি, বৰফুকনৰ লগত চাৰি হেজাৰ মানৰ সেনা দিবলৈ পূব-দুৱাৰত থকা মিঙিলৈ আজ্ঞা কৰিলে। সেই সেনাকে লৈ আহি বদন বৰফুকনে অসমত মানৰ দিনৰ বুৰঞ্জী-অধ্যায় সৃষ্টি কৰিলে।

"অসম ৰজাৰ জীয়ৰী
মান-ৰজাৰ কুঁৱৰী"—

ৰঙিলী আইদেও ইয়াৰ শুৰিত নথকা হ'লে ঘটনাৰ সোঁত কোনপিনে বলেহেঁতেন কোনেও কব নোৱাৰিলেহেঁতেন। সঁচাকৈয়ে, জগত-বুৰঞ্জীৰ পট-পৰিবৰ্ত্তনৰ অন্তৰালত স্ত্ৰী-শক্তিৰেই যে অলৌকিক প্ৰভাৱ তাক কোনে নুই কৰিব ?

ববৰুৱা মোমাই তামুলী

১৬০৩ খৃষ্টাব্দৰ পৰা ১৮২৪ খৃষ্টাব্দলৈকে---এই ২২১ বছৰৰ ভিতৰত স্বৰ্গদেৱসকলৰ অন্যূন প্ৰকৃত-অপ্ৰকৃত ৪১ জন ববৰুৱা বা ৰাজসভাৰ প্ৰধান বিচাৰকে ৰাজকাৰ্য্য সম্পাদন কৰি গ'ল। সেই সকলোটিৰ ভিতৰত মোমাই-তামুলীয়েই সৰ্বশ্ৰেষ্ঠ আছিল বুলি ক'ব পাৰি। আমাৰ ৰজা দিনত যি গৰাকী পুৰুষেই ববৰুৱা-পদত অভিষিক্ত হৈছিল সেই গৰাকীয়েই আহোম ভাষাত "ফু-কেন্-লুং" বুলি কোৱা হৈছিল। ফু-কেন্-লুঙৰ অৰ্থ হৈছে সৰ্বশ্ৰেষ্ঠ পুৰুষ।

মোমাই-তামুলীৰ কৃতিত্ব-প্ৰকাশৰ দিন মহাৰাজ প্ৰতাপসিংহৰ ৰাজত্বকাল ১৬০৩ খৃষ্টাব্দৰপৰা ১৬৪১ খৃষ্টাব্দৰ ভিতৰত। ১৬৫৪ খৃঃ বা ১৫৭৬ শকৰ কাতিৰ ৫ দিন যাওঁতে শনিবাৰে নাৰেঙা হৈ মৃত্যু হোৱাৰ আগলৈকে মোমাই তামুলীয়ে দেখুৱাই থৈ গ'ল যে,---

(১) ৰাজ্য জয় কৰাতকৈ ৰাজ্য পতা বা সংগঠন কৰা কাম অতি টান।

(২) পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতা-সংযোজিত প্ৰতিভাৰ আগত মানুহে পাতি লোৱা বংশগত বাহ্যিক মৰ্য্যাদা অতি তুচ্ছ।

(৩) সুযোগ-সুবিধা আৰু উৎসাহ-উদ্দীপনা পালে ফাঁড়ী-হজুৱা-পাইকো শুক্ৰ-নীতিত পাৰ্গত ৰাজনীতিজ্ঞ হ'ব পাৰে।

(৪) লাচিত বৰফুকনৰ ওচৰত হাৰ মানি ৰামসিংহই যে কৈ গৈছিল, অসমীয়া সেনাই সকলো কাম কৰিব পাৰে বুলি, তাৰ গুৰিতে হ'ল মোমাই তামুলীয়েই। একেজন মোমাই তামুলীয়েই বনুৱা হ'ল, ববৰা হ'ল, ববৰুৱাও হ'ল, বৰফুকনো হ'ল, অৰ্থাৎ একেজন পুৰুষেই সামৰিক অসামৰিক দুয়ো বিভাগতে দক্ষতাৰ পূৰ্ণ পৰিচয় দি গ'ল। অসম বুৰঞ্জীৰ গৰ্ভত যে এনে এজন পুৰুষে স্থান লাভ কৰিছিল তাক সুঁৱৰিলে সঁচাকৈয়ে সাহিত্যৰথী বেজবৰুৱাদেৱৰ ভাষাৰে ক'বৰ মন যায়---

"আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হ'ম ?
সকলো আছিল সকলো আছে
নুগুণো নলওঁ গম।
\+ \+ \+
যতন কৰিলে সৰু-বৰ হয়
তামুলী মোমায়ে ক'লে"—

আঁতি-গুৰিৰ পম খেদি গ'লে মোমাই তামুলীৰ খেলটো লুখুৰাখুণ বুলি পোৱা যায়। আহোম-বুৰঞ্জীমতে লুখুৰাখুণ দুঘৰ, এঘৰৰ নাম ফ্নিমা। সেই ফ্নিমাৰে সন্ততি মোমাই তামুলী।

মোমাই তামুলীৰ ঘাই নাম মেমাই ন্যোচাঙ্গ ঃ— এখন বুৰঞ্জীমতে মোমাই-তামুলীৰ ঘৰত মতা নাম আছিল মেমাই ন্যোচাঙ্গ। মাকৰ ফালৰ সম্বন্ধত খোৱা ৰজা দেউতাক হয়। গড়গাঁও নগৰৰ দক্ষিণে, নাজিৰাৰপৰা দুমাইলমান ভটীয়াই, চটাই আলিয়েদি এদিন চুচেংফা বা প্ৰতাপসিংহ ফুৰিবলৈ গৈছিল। যাওঁতে আটোমটোকাৰিকৈ পতা বাৰী এখনি স্বৰ্গদেৱৰ দৃষ্টিত পৰিল। বাৰীখন চাৰিওফালে পৰ্বত যেন ঢাপেৰে মেৰোৱা। তাৰ ওপৰতে টাহি ঘনকৈ বোৱা জেওৰা। ৰজাদেৱে বাৰীখনৰ ঠগ দেখি তৎমান্ খাই লগৰ মানুহক সেই বাৰীয়লীয়া মানুহটোক তেওঁৰ আগত ভেটাবলৈ ক'লে। ৰজাদেৱে সুধি-পুছি জানিব পাৰিলে যে মেমাই ন্যোচাঙ্গ নামৰ মানুহ এটাই ধুনীয়া বাৰীখন পাতিছে। মেমাই ন্যোচাঙ্গ দীন-দৰিদ্ৰ, ঘৰত ভনীয়েক এটিৰ বাহিৰে আৰু কেও নাই। স্বৰ্গদেৱৰ মৰম লাগি ভনীয়েকেসৈতে মেমাইক কাৰেঙলৈ নি ভনীয়েকক তামুলী লিগিৰী আৰু ককায়েকক তামুলী লিগিৰা পাতিলে। পৰে ৰাজাদেও সেই তামুলী লিগিৰীতে আসক্ত হৈ বৰকুঁৱৰীৰ ফাললৈ যোৱা কম হোৱাত এদিন বৰকুঁৱৰীয়ে সেই মেমাই নোচাঙ্গক মতাই নি ক'লে, "তই যদি আজি ৰজাদেওক মোৰ এখেলৈ পঠাব পাৰ, তোক মই আপোন-ভাই যেন জানিম।" এনে প্ৰতিজ্ঞা কৰি ক'লত, "মোৰ কি শক্তি! তথাপি পুৰুষাৰ্থ কৰি চাম" বুলি মেমায়ে কৈ আহিল। "বৰ-কুঁৱৰীৰ শৰীৰ কাতৰ আছে; বৰ নৰিয়া; স্বৰ্গদেৱক এই সময়ত

সেৱা এটি কৰিবৰ বৰ মন কৰিছে”—এই বুলি মেমায়ে জনোৱাত ৰজাদেৱে সেই কথা শুনি তেতিয়াই কুঁৱৰীৰ ফাললৈ গৈ, বৰকুঁৱৰীৰে আলাপ-প্ৰলাপ কৰিলেগৈ।

নিজৰ ভনীয়েকলৈ নেটানি বৰকুঁৱৰীৰ শুৱিলৈ যে ৰজাক নিয়ালে, এই বাবে মেমাই বৰকুঁৱৰীৰ বৰ মৰমৰ পাত্ৰ হ'ল। বৰকুঁৱৰীৰ শলাগৰ ওপৰতে আঁউজি স্বৰ্গদেৱে মেমাইক তামুলী-লিগিৰাৰ পৰা বৰবৰা বিষয়লৈ উধুৱালে আৰু সেই শলাগৰে জেউতি চৰোৱা মেমাইৰ স্বাভাৱিক প্ৰতিভাই ৰজাদেৱৰ মন মুহি পেলালে। মেৰাগড় বন্ধোৱাৰ পাচতে, ১৫৪০ শকত মেমাই বৰবৰুৱা হ'লগৈ; আৰু পিচলৈ মেমাইৰ প্ৰথম আখৰটোৰ গাতে আ-কাৰ এডালি লগাই সকলোৱে মোমাই বুলি ক'বলৈ ধৰিলে।

একেকঠি অসম ৰাজ্য ঃ— চুহুমফা বা দিহিঙীয়া ৰজা-দিনৰপৰা চুখাম্‌ফা খোৱা ৰজাৰ দিনলৈকে, এই ১৩৪ বছৰৰ ভিতৰত, স্বৰ্গদেৱসকলৰ ৰাজ্যৰ সীমা বাঢ়ি যোৱাৰ লগে লগে, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু বৈদেশিক নীতি আদি বিস্তৰ আউলীয়া সমস্যাই দেখা দিবলৈ ধৰে। ১৩৯০ শকৰ ১৪৬৮ খৃঃ আগলৈকে চুকাফা স্বৰ্গদেৱৰ বংশধৰসকলৰ স্বাৰ্থটো সোমাই আছিল কেৱল টাই-জাতীয় গণ্ডীৰ ভিতৰত। তাৰ পিচত সিবিলাকৰ সামৰিক ক্ষমতাৰ প্ৰভাৱত কচাৰী, কোঁচ-কমতা, চুতীয়া, ভূঞা, নগা, মিৰি, গাৰো, জয়ন্তীয়া সকলোটি লাহে-লাহে অসমৰ অন্তৰ্ভুক্ত হ'ল। তেতি-য়াই ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা খণ্ড খণ্ড ৰাজ্যবোৰ লগ লাগি এখনি অখণ্ড দেশত পৰিণত হ'ল। সৌমাৰৰ নোহোৱা, নাইবা উত্তৰ কূলৰ সমভূমিত নথকা মানুহবিলাকৰদ্বাৰাই দেশখন শাসিত হোৱা বাবে তেওঁ-বিলাকৰ নামেৰেই ইয়াৰ নামো হ'ল আ-সম বা অসম। তেতিয়াৰে-পৰাই আহুতীয়াকৈ থকা টাই-বৈশিষ্ট্য লুইতপৰীয়া সংস্কৃতিৰ লগত বিলীন হৈ পৰিল। ক্ৰমাৎ বাঢ়ি অহা সমস্যাবোৰ শৃঙ্খলা লগাই এটা নিৰ্দ্ধাৰিত পংক্তিলৈ অনাৰ সময় পৰিলহি চুচেংফা বা প্ৰতাপসিংহ স্বৰ্গ-দেৱৰ আমোলত। সামৰিক শক্তিৰে দেশ জয়কৰা উজু, কিন্তু পালি-পাচি যাউতিযুগীয়াকৈ ৰখোৱাটোহে আটাইতকৈ টান। এনে টান

—৩

কাম পৰিপাটিকৈ সমাধা কৰিবলগীয়া হৈছিল প্ৰতাপসিংহ* ৰজাৰ বৰবৰুৱা মোমাই তামুলীয়ে।

দেশ পাতন ঃ— পোন-প্ৰথম মানুহ গণনা। বৰা-শইকীয়া-হাজৰীকা আদি বিষয়াৰ সৃষ্টি ঃ— জয়ে জয়ে তেওঁ মানুহ-পিয়লৰ কাম আৰম্ভ কৰিলে। লুইতৰ শুকান সুঁতিত (দিখৌমুখ আৰু জাঁজী-মুখৰ ওচৰত) ৰাজ্যৰ সকলো প্ৰজা গোট খাবলৈ বৰবৰুৱাৰ আদেশ হ'ল। সকলোটি গোট খালত স্বৰ্গদেৱ স্বয়ং তাত উপস্থিত থাকি মানুহৰ লেখ ল'লে। একুৰি মানুহৰ ভিতৰত বাছি বাছি জনা-বুজা টেঙৰ একোজনক বৰা পাতিলে। এশ জন হ'লে, তাৰ ভিতৰত যিঘৰ মানুহত চাৰি পোৱা মানুহ থাকে তাৰে এটিক শইকীয়া পাতিলে। হেজাৰ হ'লে, সেই হেজাৰৰ ভিতৰত যিজন আটাইতকৈ চহকী, তেওঁক হাজৰীকীয়া পাতিলে। চাৰিপোৱা মানুহ গোটাই এটা এটা গোট-পাইক কৰিলে।

গড়-পুখুৰী, আলি-দৌল আদিৰ নিৰ্ম্মাণ আৰু সংস্কাৰ ঃ— এইবোৰ মানুহৰ হতুৱাই ব্ৰহ্মপুত্ৰৰ উত্তৰে-দক্ষিণে জোৰাই ১৫৪০ শকত মাটিৰ ৰাজগড় আঁতোৱালে। "তাকে দক্ষিণপাৰে লাহদৈ গড় আৰু কোটোহাগড় ও বোলে, মাজুলীত মেৰাগড় বোলে আৰু উত্তৰে চেৱাতলৰ গড় বোলে।" ১৫৪৪ শকৰ পুহত গড়গাঁও মেৰাই গড় বন্ধালে। ১৫৫৬ শকত বাৰভূঞাক ভাঙি ভূঞা-ৰাজ্যৰ মাজেদি এটি গড় বন্ধালে। গড়টোৰ নাম দিলে ডফলা গড়। সেই গড় উজনিৰ দুৱা-পৰ্বতত লগোৱা হ'ল। তাতে ভাটী ডোখৰক নৰনাৰায়ণৰ ভায়েক গোহাঁই-কমলে বন্ধোৱা দেখি গোহাঁই-কমলাৰ আলি বোলে। ১৫৪২ শকৰ আঘোণত শলাৰ গড় কৰিলে— উত্তৰে চণ্ডী দেওঘৰৰপৰা কপালিকাটিলৈকে; দক্ষিণে লুইতৰপৰা পাকৰিগুৰি পৰ্বতত লগাই।

দুৰ্গাপূজাৰ প্ৰচলন ঃ— বিশ্বনাথত দৌল বান্ধিলে, নাম্‌-ডাঙৰ পাৰত কোঁচবেহাৰৰ আহিৰে দুৰ্গোৎসৱ পূজা পাতিলে। আহোম কটকীৰ ঠাইত বামুণ কটকী নিযুক্ত হ'ল।

---

* ১৫৬৩ শকৰ শাওণৰ ১০ দিন যাওঁতে শনিবাৰে প্ৰতাপসিংহ, জলসাৰ-মলদ্বাৰ নিৰোধ হৈ ১০ দণ্ড বেলি হ'লত স্বৰ্গী হ'ল।

সোৱালকুচিত তাঁতী স্থাপন ঃ—দক্ষিণ পাৰৰ আৰু অইন-অইন ঠাইৰ তাঁতী নি সোৱালকুচিত (শিয়ালকুচি) পাতিলে। ৰামদিয়াত তেলীয়াবিলাকৰ গাঁও বহুৱালে।

দোপদৰ (দুপগড়), বৰহাট, নামচাং এইবোৰ ঠাইত হাট বহুৱাই তাত ২০ গুণৰ এগুণ টোপোলা-কটা নিয়ম কৰি পোহাৰ পাতি মাহে ৪ কড়া দৰ কৰি লবলৈ নিৰ্বন্ধ কৰিলে।*

মিৰি-ডফলা-আবৰাদি জাতিৰ লগত সম্বন্ধ স্থাপন ঃ 'চাংমিৰি, ডফলা, আবৰ---ইহঁতৰ নিমিত্তে মাছ খাবলৈ বিল, পৰ্বতৰ পৰা নামি আহিলে থাকিবলৈ বহতীয়া মানুহ, মাছ মাৰি দিবলৈ বহতীয়া-কৈবৰ্ত, কথা-বাৰ্ত্তা হবৰ নিমিত্তে কটকী আৰু চিচি নদীৰ ভাটীৰ পৰা পচাৰ বাবে প্ৰতি পুৰা মাটিৰ এক হালিছা মাটিৰ ধান বা দ্ৰব্য, তাকে তুলি-তালি দিবলৈ একো-একোজন গৰুমুৰীয়া বিষয় দি ৰাখিলে।'

মিচিমি ঃ 'পূৰ্বে পৰ্শুৰামৰ লগত অহা বামুণ, মিচিমি হোৱা বুলি কোৱাত টকানিং, মাৰু, কিনজাও, ঠেনাই, মালক্ৰি, মোঁচ, মালো গাওঁ গ্ৰামু, টেকামাচু, তাটি, লঁচ, তাদ্যা এই ১২ খন মিচিমি পৰশুকুণ্ডত ৰখীয়া দি যাত্ৰীয়ে দিয়া বস্তুৰ বাহিৰে একো লব নোপোৱা শপত খুৱাই ৰাখিলে।'

মেমেহটীয়া ঃ---চুতীয়া ৰজাৰ প্ৰজাসকল মিচিমিত সোমাই মিচিমি হৈছিল। সিহঁতক আনি পচলামুখৰ উজনিয়ে পাতি, হাট পাতি মেমেহটীয়া নাম দি হাটৰ গৰাকী পাতি থ'লে।

মিজু, দিগাকৰ, তায়েং আৰু চুণকটাৰ গড়ত নমামিঅ' গামনে ইত্যাদি মিচিমিৰ কাৰবাৰ বাৰচিৰিঙ্গক দিলে। মিচিমিহঁত আহিলে কাৰবাৰ-বেহা কৰাই দিব আৰু খেলে-খেলে ৰজাঘৰলৈ মিচিমি জাঠী, গান্ধকলাই একোপদ দ্ৰব্য ল'ব---এই নিৰ্বন্ধ কৰি দিলে।'

---

* হাটত বস্তু বেচিবলৈ অহা মানুহে টোপোলাত বান্ধি বস্তু বেচিছিল। সেই টোপোলাৰে ২০ টাৰ ভিতৰত এটা ৰজাঘৰলৈ বুলি থব লাগিছিল।

ববৰকৰা-দুৱাৰ ঃ— তদনন্তৰ, খাৰঘৰীয়া দুৱাৰৰ নাম ডোখৰ অৰ্থাৎ চিচি নদীৰ পশ্চিম পাৰৰপৰা গাই নদীলৈ দবাৰ, আবৰ, মেৰা, টাইফেদীয়া হগি এই চাৰিখন চাং নামিব পায়। ইহঁতে সৰু-কলাবৰীয়া, বিহীয়া কচাৰী গঞা, বৰ-কলাবৰীয়া, দিমৌশেলীয়া (খেলীয়া), দিজমৰীয়া এই খেলৰ পোহনি খায়। সেই গাই নদীৰ পৰা সোৱনশিৰীলৈকে ববৰকৰা-দুৱাৰ নাম দিয়ে। এই দুৱাৰ বগি-টাই, মিকি মিৰি ইত্যাদি চাং মিকিৰৰ নামে।'

কাঠবকৰা-দুৱাৰ ঃ—সোৱণশিৰীৰপৰা গাই নদীলৈকে এছোৱা কাঠবকৰা-দুৱাৰ বোলে। সেই দুৱাৰে চাংমিৰি ডফলালোক নামিব পায়। "চিচি নদীৰ পছিমপাৰৰ পৰা প্ৰতি বছৰে পাচত এক হালিছা দবে পচাৰ জন্যে দি সেই পচাকে তুলি দিবৰ জন্যে টাওনি পাতি এক এক গৰুমুৰীয়া পাতি দিলে।"

পানীকটীয়া মিৰি ঃ— পানীয়ে অহা চাং মিৰিবিলাকক পানী-কটীয়া বোলে। বামে অহাবোৰক বামবটীয়া বোলে। সেই চাং—মিৰি-ডফলা আহি থাকিবলৈ বহতীয়া, মাছ খাবলৈ বিলবহতীয়া মাছো-ৱাই, লগত ফুৰিবলৈ চৌতাং, পৰ্বতলৈ যাবলৈ কটকী, পাৰাপাৰ কৰি-বলৈ আৰু নাৱেদি অনানিয়া কৰিবলৈ ঘাটে পতি চৰীয়া, গৰুমুৰীয়া টেকেলা—এইবোৰ দিও বেপাৰ কৰিবলৈ ঔৱাহাট, ফুকনৰ হাট ইত্যাদি ২।৩ খন হাট পাতি দিলে। ১৫৫৪ শকৰ ফাগুনৰ ১৮ দিন যাওঁতে তেলীয়াডোঙ্গা পুখুৰী খনালে।

১৫৫৬ শকত ৰাজ আজ্ঞামতে কচাৰী আৰু এই দেশৰ মাজত সীমা কৰি মৰঙ্গীত ভাৰধৰা চেতীয়া খেলৰ মৰঙ্গীখোৱা পাতিলে। এই শকতে নামডাঙ্গতো গড় বন্ধালে। ১৫৫৭ শকৰ মাঘৰ ২৪দিন যাওঁতে শুকুৰবাৰে গড়গাঁৱত ঘৰ উঠিল। সকলো ৰাজ্যকে ভাত ৰান্ধি খুৱালে। ৰূপকড়িও দিলে।

নগা-গড় ঃ—দক্ষিণে পৰ্বতত নগাগড় বন্ধাই নগাৰ দুৱাৰ পৃথক কৈ পোহনি মাটি, কটকী চৌতাং দিলে। ১৫৬২ শকত মাঘ-ফাগুনৰ সংক্ৰান্তিত লখৌত গড় বন্ধালে।

মাকুম-নামচাং দুৱাৰ ঃ—মাকুম দুৱাৰ ; নামচাং বৰদুৱাৰ ; ঢোপাবৰ ; গেলেকী, দোপদৰ ; লাহিং ; তৰাতলি ; ধনশিৰী ; চামগুৰি—এইবোৰত হাট পাতি দি দুৱাৰ অনুসৰি নগা নামিবলৈ নিয়ম কৰি দিলে।

ঘৰফলীয়া ঃ— দিহিঙ্গীয়া ৰজাৰ দিনত হাটীমূৰীয়া খেলৰপৰা বৰগোহাঁই-বুঢ়াগোহাঁই বিষয় দিয়া হৈছিল। প্ৰতাপসিংহ ৰজাই দিহিঙৰ অৰণ্য মুকলি কৰাই তাত থকা নামনিফলীয়া আহোমৰ খেলৰপৰাই বৰগোহাঁই-বুঢ়াগোহাঁই পাতিলে। সেই অঞ্চলত বসতি কৰা মানুহৰ ২০ ঘৰৰ পৰা এঘৰকৈ মানুহ বাছি আনি বছাদৈয়াং বুলি এখন নতুন পাম পতালে। সেই মানুহবোৰ ঠানথিত লগোৱাৰ ভাৰো পৰিল ডেকা মোমাইতামুলী বৰবৰুৱাৰ গাতে। ৰেহা লগাই পামখন পতা বাবে ৰজাই মোমাই তামুলীকে বছাদৈয়াং চহৰখন দি দিলে। পুৰণি ঘৰ-ফালি ইয়ালৈ অনা মানুহকে ঘৰফলীয়া বোলা হৈছিল।

"খৰিভাৰীৰ পৰাও ৰাজনীতি শিকিব লাগে" ঃ—১৫৫৫ শকৰ আঘোণত মৰঙ্গীৰ বছা-দৈয়াং চহৰ পাতোঁতে বৰবৰুৱাৰ লগত এটা বুঢ়া লগুৱা ফুৰিছিল। সি ঘৰলৈ যাওঁতে পুতেকো লগতে গৈছিল। বুঢ়াই বৰবৰুৱাৰ সকলো কথাকে ভাল বুলিলে, কিন্তু এটা কথা হে শলাগিব নোৱাৰিলে। সেইবাবে বুঢ়াই দুখ কৰি পুতেকৰ আগত ক'লে, বোলে, "বৰবৰুৱা-দেউতাই চহৰ পতা ভাল হৈছে ; পিছে, বেজী এটা লাগে বুলিলে মানুহে সতকাই বিচাৰি নেপাব।" এই কথা বৰবৰুৱাৰ কাণত পৰিলহি। অনতিপলমে, তেওঁ সকলো খেলৰ সকলো বৃত্তিৰ মানুহ আনি একেলগে পাতিবলৈ স্থিৰ কৰিলে। অভয়পুৰ, বছাদৈয়াং, মৰঙ্গী, বাছকটা, ধেমাজি ইত্যাদি ঠাইত একোখন চহৰ পাতিলে। তাৰ পিছত, বৰবৰুৱাই কাকতীবিলাকক একে ঠাইতে গোটাই কাকতীপাৰ নাম দি চাৰিওত বহুৱালে। এইদৰে চমাৰ, কমাৰ, কৈবৰ্ত্ত, শিলাকটিয়া সকলো গোট খুৱাই একোখন গাঁও পাতিলে।

নগাঁও চহৰ ঃ— কাজলীত থাকোঁতেই নগাঁও চহৰো পাতিলে। সোন্দৰ গোহাঞিৰ লগত অহা ভাটীৰ কোচবেহাৰৰ

মানুহখিনিক দিখৌ-নামদাঙৰ মাজত পাতিলে—তাকে ভটীয়াপাৰ বোলে। চুডাংফা কোঞ্চৰত (বামুণীকোঁৱৰ) আশ্ৰয় লৈ থকা হাবুঙীয়া বামুণৰ গঞা-জাতিবোৰক ফালি নি দিহিঙৰ শলগুৰিৰপৰা বগৰী-গুৰিলৈকে (জয়পুৰলৈকে) ঠায়ে ঠায়ে বহুৱালে। ভূঞাবিলাককো অভয়পুৰৰ মথুৰাপুৰ, ভূঞাখাত, চামগুৰি, পেঙেৰাত (আমগুৰি) বহুৱালে।

"দেশৰ মানুহক বাছি উত্তম মধ্যম প্ৰকৃত বুজি, পাইকান্ চমুৱা-কাঁড়ী বিলতীয়া এই চাৰি বিধ কৰিলে। প্ৰথমে কাকতী, কটকী, দলৈ, দেওধাই, মহন, বাইলুং, সভাপণ্ডিত ইত্যাদি ৯ বিধক চমুৱা কৰিলে। চমুৱা ফুকন, পাইক-বৰুৱা আৰু মেলদগীয়া ফুকন-বৰুৱা ভাগৰ যিখিনি মানুহ তাক পাইকান চমুৱা কৰিলে। বৰুৱাকে আদি কৰি চ'ৰাৰ ফুকন-ৰাজখোৱা এওঁবিলাকৰ অধীন মানুহখিনিক কাঁড়ী পাইক কৰিলে। সেইখিনি মানুহৰ ভিতৰতে আপোন-আপোন ভাগত শয়েক, কৰি প্ৰভেদ কৰিলে আৰু মুল, দোৱাল, তোৱাল এই তিনি বিধৰ তিনি পোৱাক এক গোট পাইক কৰি* প্ৰতি পোৱাই ৰজাঘৰত ৪ মাহকৈ খাটনিৰ নিৰ্বন্ধ কৰিলে। যদি এপোৱা পাইকেই বছৰেক খাটে, সিদুপোৱাই খটা পাইকটোৰ ঘৰৰ বন-বাৰী, খেতি-পথাৰ কৰি দি তাৰ গৃহস্থী ৰক্ষা কৰিব পায়।

মাটিবিলোৱা নিয়ম ঃ— আৰু বাৰীবন্ধীয়া ৰূপিত মাটি, বাৰীঘৰৰ মাটি, যত হওক, তাক এৰি, প্ৰতি পোৱা পাইকে, কাঁড়ী-পাইকান, চমুৱা সকলোকে ২ পুৰাকৈ ; গোট পাইকে প্ৰতি ৬ পুৰা পথৰুৱা ৰূপিত মাটি দিলে। বিষয়াই যিমান লগুৱা-লিকচৌ পায় তাৰ গোটে প্ৰতি এপুৰা দৰে মান-মাটি, পুত্ৰৱতী বাঁৰীৰ ল'ৰা-তোলা দিবৰ নিয়ম কৰিলে। যি খেলৰ পাইকৰ যি বীৰ্য্যৰ ল'ৰা সেই খেলত হে পাইক হব পায়। মতা ল'ৰাবোৰ ১৬ বছৰ হ'লেই পাইক কৰি পাইক-মাটি দিব পায়।"

বিলতীয়া ঃ—ন কুৰি হেজাৰ কাঁড়ী-পাইকৰ ফুকন, ৰাজখোৱা হাজৰীকীয়া, শইকীয়া, বৰা, বাৰীকৰ নিমিত্তে লগুৱা লিকচৌ প্ৰভৃতি

---

* তাৰ আগেয়ে চাৰি পোৱাকৈ আছিল।

তিনি কুৰি হেজাৰ এৰি, ছকুৰি গোট পাইকৰ আধা পাইকৰ আধা ভাটিত, আধা উজনিত ৰজাৰ লগত সদায় থাকিব লাগিছিল। সিহঁতে তাতে মৈদামলৈ কঁড়িয়াই কাঁড়ধনু অভ্যাস কৰিব লাগিছিল। ঘৰতো সেই মানুহেই বন-বাৰী কৰিব লাগিছিল। ডাঙৰীয়াসকলৰ অধীনে যিথিনি মানুহ আছিল তাক বিলতীয়া নাম দিছিল।"

হাটীমূৰীয়া :--- ডাঙৰীয়াসকলৰ জতুৱা মানুহবিলাক কাড়ী পাইকৰ নিচিনাকৈ হেজাৰ-হেজাৰকৈ নেপাতি, হেজাৰে প্ৰতি একোটা হাটীমূৰ পাতিলে। সেইবিলাকৰ নাম দিলে :---

ৰেৱতী, বানটো, লেকাং, লেবাং, বনটুং, দেনী মুঠতে ১৭ টা; তাৰে আকৌ এভাগ মানুহক চাওৰক, চাবুকধৰা, বাকৰুতি এনে কাম দি বৰ চ'ৰাত খাটিবলৈ ৰাখি, বাকী দুভাগী মানুহে সৈতে তেলী, চমাৰ, কমাৰ, ধোবা, নাপিত, গায়েন, বায়েন, ইত্যাদি এক এক বিলাতত যত মানুহ আছিল সকলোকে ডাঙৰীয়াসকলক দিলে। কিন্তু, যুদ্ধ-বিগ্ৰহ লাগিলে সেই মানুহবোৰ যুদ্ধ কৰিবলৈও যাব লাগিব বুলি নিয়ম কৰিলে।

আৰ্থিক অৱস্থা ভাল কৰাৰ ব্যৱস্থা :--- মূল এৰিও অকল দেৱাল-তেৱাল বা দোৱাল-তোৱাল মানুহেৰেই মোমাই তামুলীয়ে ঠায়ে ঠায়ে প্ৰকাণ্ড প্ৰকাণ্ড একোখন বাৰী পতালে। বাৰীখনৰ চাৰিও মেৰে ঢাপ মৰাই তাৰ ওপৰত বাঁহ ৰোঙৱালে ঢাপৰ পাচফালে তামোল-পাণ, আম-কঠাল আদি নানান তৰহৰ শস্যৰ বাৰী পতোৱালে। ইখন গাঁৱৰপৰা সিখন গাঁৱলৈ অলি বন্ধোৱালে। প্ৰতি দিনে তিৰুতাহঁতক দিনত বাৰীৰ বনত লগাই বাৰীৰ ভিতৰত গোবৰ পেলোৱায়; ৰাতি হলে, দহ অঁৰাকৈ মুগাৰ সূতা কটোৱায়; ৰাতি পুৱালেই প্ৰতি জনী মাইকীয়ে এদোণকৈ চাউল খুন্দি দেখুৱাব লাগে। যি ঘৰে সূতা কাটিব নোৱাৰে আৰু চাউল নিব নোৱাৰে সেই ঘৰৰ তিৰুতাকে ধৰি-বান্ধি কিলায় আৰু নাকে কাণে শলা মাৰে। এই ৰূপে ভঁৰি কৰি ৰাজ্য চলোৱাত ৰাইজৰ কামত বৰ দুখ হৈছিল যদিও, একো বস্তুৰ অভাৱ নাছিল। শাস্তি দিবলৈ পঠোৱা টেকেলাই ভেঁটী খাই শাস্তি নকৰিলে, বৰবৰুৱাই সেই টেকেলাটোক যদি এগুণ দণ্ড কৰে, ভেঁটী

দিয়াটোক দহ গুণ কৰে।" এইৰূপে গুৰু দণ্ড কৰাত ৰাজ্যত দুনী-তিয়ে শিপাবলৈ চল নেপাইছিল।

ফাট ঃ—মোমাই তামুলীৰ নিৰ্দেশত মৰোৱা গড়বোৰৰ ঠায়ে ঠায়ে একোটা একোটা কেঁাঠ আছিল। কোঠবোৰত ৰণুৱা চিপাহী থাকে। গড়ৰ কাষত থকা কেঁাঠবোৰক ফাট বোলা হৈছিল।

ডফলা গড় ঃ—উত্তৰ পাৰে ডফলা গড় বন্ধাওতে ৰজাদেৱে বুঢ়াগোহাঁই-বৰগোহাঁই আৰু ফুকনবিলাকৰ কাৰো পৰামৰ্শ লোৱা নাছিল। গড় বান্ধোতে মূল মানুহৰ আদখিনি ডফলাই কাটিলে। এই কথা ৰজাই শুনি তিনিজনা গোহাঁইক সুধিলে 'ডফলাই যে মানুহ কাটিছে, তাক ধৰিবৰ উপায় কৰিব নোৱাৰি নে?' এইৰূপে তিনিদিন সুধিলে। তথাপি কোনো এজন গোহাঞে ৰজাক একো উপায়-ভাৰসা নিদিলে। এদিন ৰজাদেৱক চাংমাই বৰুৱাই ভাতৰ শৰাই দিবলৈ যাওঁতে দেখে, দেখোন, ৰজাই হুমুনিয়াহ কাঢ়িছে। 'হুমুয়িাহ' কাঢ়িবৰ দেখি চাংমাই বৰুৱাই মাত লগালে, বোলে, 'স্বৰ্গদেৱেই সকলো যাক যি কৰে সেয়ে হ'ব। এতেকে স্বৰ্গদেৱে হুমুনিয়াহ কাঢ়িবৰ কি কাৰণ?'

ৰজাদেৱে বোলে, "দেখ চাংমাই বৰুৱা, ডফলা গড় বান্ধিবলৈ সিহঁতক নুসুধিলো হয়। এতিয়া যে মোৰ মানুহ ডফলাই কাটিছে? তাতে সিহঁতক চপাই আজি তিনি দিন ধৰি উপায়-বুদ্ধি সোধোঁ, তেও এটায়ো একো বল-বুদ্ধি নিদিয়ে আৰু যাওঁ-থাকোঁ কেৱে নোবোলে"। পিছে চাংমাই বৰুৱাই বোলে, 'ভাত খক; এইটি কথালৈ নো কষ্ট কৰিব লাগিছে নে? ইয়াৰ উপায় আছে।'

গড়বন্ধোৱা নিয়ম ঃ—তেতিয়া বৰুৱাই মোমাই তামুলীৰে যুগুতি হৈ ৰজাক জনালে—'গড়ৰপৰা ভিতৰ ফালে কিছুমান আঁতৰে আঁতৰে কোঠ সাজিব; আৰু গড়ৰ বাজ ফালে দহ বেওঁমান আঁত-ৰত ৰণচোৱা মানুহ কাঁড়-ধনু লৈ যুদ্ধৰ সাজে সকলো জাঙ্গ পাতি যত্ন কৰি থব। এইৰূপে এহোৱা এহোৱাকৈ দিনত গড় বান্ধিব। ৰাতি হ'লে, কোঁঠত সোমাই সন্টম হৈ থাকিব। যদি গড় বান্ধোতে ডফলা

আহিবৰ দেখে, তাৰে দুই চাৰি হিলৈ মাৰিব । এতেকে ডফলা ভাগি যাব।' এইৰূপেই ডফলা গড়টো বান্ধি পেলোৱা হ'ল।

গড়-মাৰোঁতাৰ খোৱা সমল ঃ--- গড় বন্ধাওঁতে ৰজাই ৰাইজলৈ শুকান ভাত, তিতা শোকোতা, শুকান খৰিচা, বগৰি গুড়ি, ধোঁৱাপাত (ধপাত), নলী-চিলিম, তেল-ভৰণ, আনো সকলো বস্তু দি আছিল। ভূঞা ৰাজ্য আক্ৰমণ কৰিবলৈ যাওঁতেও ৰণুৱা মানুহক এইদৰেই যোগান দিয়া হৈছিল।

এই প্ৰকাৰেই মোমাই তামুলী বৰবৰুৱাই প্ৰতাপসিংহৰ উজনি ৰাজ্যখন নিকপ্‌কপীয়াকৈ গঢ়ি পেলালে।

দেশ ৰক্ষণ ঃ বিদেশীৰ সমাগমলৈ তীক্ষ্ণ দৃষ্টি ঃ এনেতে আমাৰ দেশত বঙাল সোমালহি। ১৪৪৮ শকত "বৈশাখ গত জ্যৈষ্ঠ প্ৰবেশ সংক্ৰান্তিৰ দিনা, যৈসানি তুৰ্ব্বকক আহোমে মাৰিলে তাৰপৰা যে কালে আনি যুদ্ধ লগালে।" কামৰূপ অঞ্চল ১৫৩৪ শকতে মোগলৰ হাতলৈ গ'ল। কোঁচ-ৰজা পৰীক্ষিতৰ পিচত দিল্লীৰ নৱাবে মকৰম খাঁক কামৰূপৰ অধিকাৰী কৈ পঠালে। থানাদাৰ মকৰম খাঁ পহু মাৰিবলৈ যাওঁতে লুইতত বুৰি মৰিল। তাৰ পাছত, চৈয়দ বাবাকাৰে বৰবালা (হাজো) নামে ঠাইত ১৫৩৭ শকত থানা পাতিলেহি। তাতে চৈয়দ বাবাকৰে অসমৰপৰা পলাই গৈ থকা সোন্দৰ গোহাঁইৰ ভায়েক আখেক আৰু কেঁৰা গোহাঁইক অসম-ৰাজ্যৰ সীমা ক'ত বুলি সুধিলে। আমাৰ চকী লুইতৰ দক্ষিণে খাগৰিজান, উত্তৰে ভৰলী নৈ আছিল; তাকে তেওঁবিলাকে সীমা বুলি ক'লে। সেই সীমাকে ছেৰাই বাবাকৰে ৰতন ছা মুদৈক শিঙৰীত বেহা-বেপাৰ কৰি আমাৰ ভু-ভা ল'বলৈ পঠাওক। স্বৰ্গ মহাৰজাই শুনি বোলে, "মোগলে আৱাস কৰি কোঁচৰ ৰাজ্যখন ভাঙিলে, আমাৰো ৰাজ্যখন মাৰিবলৈ চন্দ-বন্দ হে কৰে। সিহঁতক পালে নেৰিব।" পিচে, আমাৰ মানুহে চায় গৈ দেখোন বঙালে বেগশিৰীৰ ভিতৰত পেটেলা নাও দুখনেৰে মাহ-সৰিয়হ-ধপাত কিনিছে। ততালিকে গৈ বঙালৰ নাও দুখন মাৰিলে; বঙাল দুটাক কাটিলে; ৰতন ছা মুদৈ পলাই সাৰিলে। নাৱত থকা তাবুকি, তৰাহী, ধোৱাঁপাত

সকলো লুটি আনি ৰজাক দেখুৱালেহি। সেইবোৰকে চাই ৰজাই গম্ভীৰভাৱে মাত লগালে "মোৰ (বিশ্বনাথৰ ওচৰৰ শলাৰ) মাজগাঁৱতে যে বঙালে বেহা-ৰেপাৰ কৰিলেহি, আৰু কি থাকিল কথা?"

মোগল সোমোৱাত বাধা ঃ সেই সময়ত শিঙৰীৰ ভাটী-ফালে বঙাল ব্যাপি আছিল। আমাৰ মানুহো উজনিপোনে ঠাহ খাই আছিল। অকল কলিয়াবৰতে দহ হেজাৰ অসমীয়া ঠাটকটক জমা হৈ আছিল।

বঙাল ভিতৰ সোমোৱা বাতৰি পায়েই কাঁড়ী-বাৰুৱতি লৈ ডা-ডাঙৰীয়াসকল ৰণ কৰিবলৈ ওলাল। তেওঁবিলাকে কাজলী বৰনদী আৰু হাতীমুৰাত কোঁঠ মাৰিলেগৈ। জয়ে জয়ে আমাৰ সেনা হুহঁকি আহিব লগীয়া হৈছিল। পাছৰ কোবত মোগলৰ সকলো সৈন্য বন্দী হ'ল। চৈয়দ বাবাকৰ কটা গ'ল। সেই যুদ্ধত বঙালৰ গন্ধৰ্বৰায় ৰজা, হাবা ৰজা, নৰসিংহ ৰায়, ভগৱান বক্‌ছি এই কেইজনক হেঙ্গুলীয়া ডাকু লগাই স্বৰ্গ মহাৰজালৈ খবৰ দিলে বোলে, "আমি বঙালক বেড়ি ৰাখি থৈছোঁ; কি কৰিম?" পাছে স্বৰ্গদেৱে শুনি "কেনুৱা বঙাল, চাওঁগৈচোন বাৰু"—বুলি বঙাল চাবলৈ আহিল। স্বৰ্গদেৱ আহি নৌ পাওঁতেই ডাঙৰীয়াসকলে বঙালকিটাক কাটি পেলালে। ৰজাই বঙাল চাবলৈ নেপাই, হুমুনিয়াহ কাঢ়ি ডাঙৰীয়া তিনিজনক কাটি বঙাল কটাৰ হেঁপাহ পূৰালে।

যুদ্ধই শাম কাটিছিল। আকৌ গা-দাঙি উঠিল। সেই বেলি কাজলীত লাগিল। ১৫৩৯ শকত দিখৌৰ যাত্ৰা ঘাটত (বৰঘাটত) সকলোটি গোট খাই বঙাল যুঁজিবলৈ ওলাল। সেই যুদ্ধত আমাৰ ফালৰ ২০০০ মানুহ মৰিল। কিছু দিনৰ নিমিত্তে বঙালৰ লগত আমাৰ যুদ্ধ স্থগিত থাকিল। পাৎছাৰ সেনাপতি মিৰ্জ্জা নাথুল্লাই হাজোৰ পোৱা নৈ পাৰৰ পোৱা গাঁৱত মোকাম পাতি থাকিবলৈ ল'লে।

মোগলৰ লগত আকৌ যুদ্ধ কিয় লাগিল ঃ— তাৰ পিছত, বছৰ দিয়েক পাৰ হৈ গ'ল। আকৌ অসম-মোগলৰ যুদ্ধৰ সুত্ৰপাত হ'ল। দুই ঘৰৰে কন্দল লগাৰ এই তিনিটাই ঘাই বীজ ঃ—

(১) ঢাকাৰ পৰা হৰিকেশ নামেৰে মুদৈ এটাই ৫০০ টকা ৰাপ লৈ দৰঙলৈ পলাই আছে। তাক ধৰি দিবলৈ ঢাকাৰ নৱাব ইছলাম খাঁই স্বৰ্গদেৱলৈ অনুৰোধ জনালত স্বৰ্গদেৱে উত্তৰত কোৱালে বোলে, "আমাৰ মামো গোৱিন্দক ধৰি নিলি, তাক নো কিয় এৰি নিদিলি? তাতে আকৌ হৰিকেশ এতিয়া আমাৰ শৰণীয়া, কিয় এৰি দিম?'

(২) বঙালৰ হেঙ্গাল কুকুৰ এটাই পহু খেদি আনি আমাৰ পানীত পেলাইছিলহি। আমাৰ চকীয়ালক বঙালে অনেক প্ৰকাৰে খুজি চাইছিল, চকীয়ালে নিদিলে। পাছে বঙালেও অসুৰৰ আলিৰ পৰা আমাৰ খৰিভাৰী মানুহ তিনিটা ধৰি নি তাৰে এটাক মাৰিলে। দুটাক কুকুৰৰ হতুৱাই খুৱাই মৰালে।

(৩) ঢেকেৰীৰে লগ লাগি অসম ৰাজ্যৰ মানুহে বঙালৰ মানুহ কাটেগৈ। মোগলে ৰজালৈ সেই কথা জনোৱাত ৰজাই ক'লে, "ঢেকে-ৰীয়ে কেনেকৈ বঙালৰ লোক কাটে নাজানো।"

হৰিকেশক ধৰি নিবলৈ মোগল খেদি আহিল। এই বাৰ্ত্তা শুনি স্বৰ্গদেৱে চৈধ্য হেজাৰ কাঁড়ী-বাৰুৱতি ৰণ কৰিবলৈ পঠাই দিলে। লগত বৰুৱা ফুকনবিলাকো গ'ল। হাজো, সোঙ্কা, শৰাইঘাট, অশ্ব-ক্লান্ত, পাণ্ডু-শৰাই আৰু অমৰাজুৰীত হহঁকি পিছলি যুদ্ধ কৰি অসমে বঙালক কচু কটা দিলে।

"বঙালক নধৰি কিয় উমলিছ?" আমাৰ সেনাই পাণ্ডু-শৰাইত কোঁঠ দি থাকোঁতেই মোগলৰ মিত্ৰ সত্ৰাজিত আহি মাজুলী পাইছিলহি। ইপিনে, "আচাম-বঙালে এমাহ কাল খেলন-ভুলন কৰি আছিল।" এই কথা স্বৰ্গদেৱে শুনি ফুকন-ৰাজখোৱাক খংকৈ, মোমাই তামুলী ববৰুৱাক সকলোৰে নেওগ (অধিকাৰ) পাতি পঠিয়ালে। ববৰুৱা গৈ বৰফুকনহঁতক দায় ধৰিলেগৈ বোলে, "বঙালক নধৰি কিয় উমলি আছ? এই কথা শুনি আটাইৰে তেজ উতলি আহিল—বঙাল সেনাৰ ওপৰত অসমীয়া সেনা জঁপিয়াই পৰিলগৈ। মাজুলী বালিত বিস্তৰ বঙাল মৰিল।

হাজোত যিখন যুদ্ধ হ'ল, তাতো বঙালৰ পৰাজয় হ'ল। আব্দুল ইছলাম নৱাব সমন্বিতে মুহদি নৱাব বৰফুকনৰ শৰণাপন্ন হ'ল। বৰফুকনে মোগল-বিষয়া বহুতক বন্দী কৰি গড়গাঁৱলৈ পঠিয়াই দিলে। বন্দী হোৱা বিষয়াবিলাকও আপোনাআপুনি সেও হৈ থাকিল।

তাৰ ভিতৰতে মীৰ নামৰ এজন কিন্তু ফাললৰি কাটি অবৈয়াল হৈ থাকিল; "পাৎছাৰ লোণ-চাউল খাই কেনে হাৰাম কৰিম" বুলি তেওঁ বৰফুকনত শৰণ নললে।

পিছে শৰণীয়া মোগল বিষয়া কেয়োজনাই বৰফুকন আৰু বৰ-বৰুৱাৰ বিৰুদ্ধে ৰজাত গোচৰ দিলেহি বোলে, "পাৎছাই স্বৰ্গদেৱলৈ পেৰা এটাত ভৰাই কিবা বস্তু দিছিল। স্বৰ্গদেৱে পালে নে নেপালে একো ভু পোৱা নগ'ল। আৰু সোৱালকুছীয়া তাঁতী ৬০ ঘৰে পাৎছালৈ কাপোৰ বৈছিল, তাকো ফুকন-বৰবৰুৱাই আত্মসাৎ কৰিলে।"

টুটকীয়াই সকলো অনিষ্টৰ মূল ঃ— "সিবিলাকে যে এনেকৈ লোকৰ বস্তু লয়—স্বৰ্গদেৱৰ ৰাজ্যত নো কি বস্তুৰে নাটি-ছিল?" এইবোৰ টুটকীয়া কথাকে বিশ্বাস কৰি স্বৰ্গদেৱে লাঙ্গি বৰ-ফুকনক মাৰিলে আৰু মোমাই তামুলীক বন্দী কৰি থ'লে।

অবিশ্বাসীক বিশ্বাস কৰা ভুল ঃ—মোগলৰ লগৰীয়া কথাত প্ৰত্যয় গৈ ৰজাই লাঙ্গি ফুকনক কটালে, মোমাই তামুলীকো বন্দী কৰিলে হয়, মোগলে কিন্তু যুঁজ নেৰিলে। মধুপুৰ, চুনৰি, বেকী, পোমৰা, জাখলি আৰু পুঠীয়া কোঁঠত যুদ্ধ চলি থাকি-বলৈ ধৰিলে। মোগলৰ সেনাপতি মিৰ্জ্জা জাহিনা আৰু আলিয়াৰ খাঁ আহিল। আমাৰো সৰুচকুৱা বৰগোহাঞি, ফুল বৰুৱা গ'ল। দুয়ো পক্ষৰ ভিতৰত তয়াময়া যুদ্ধ হ'ল। আমাৰ সৈন্যই সেপকে গিলিব নোৱাৰিলে। কাড়-গুলিও চুকাল। বাৰপইতা, পাণ্ডুশৰাই কাজলীত ঠাৱৰিব নোৱাৰি অসমীয়া সেনা হুহঁকি আহি কলিয়াবৰ পালেহি। পাণ্ডু-শৰাইত আমাৰ একাঁঠী কাড় মাৰোঁতাও নহ'ল। আৰু যত নাও পাণ্ডুত আছিল সকলোটি বঙালে নিলে। অবিশ্বাসীক বিশ্বাস কৰাৰ শোচনীয় পৰিণাম স্বৰ্গদেৱক জনালত, স্বৰ্গদেৱে "তিতাকছিৰ আগো তিতা, গুৰিও তিতা" বুলি ভঁড়িয়াল মানুহ বিচাৰি মোমাই তামুলী বৰুৱাক হে পালেগৈ। তৎক্ষণাৎ তেওঁক বন্দীশালৰপৰা মুক্ত কৰি কামৰূপৰ দক্ষিণে ফুকন পাতি পঠিয়ালে। আঠ দিন তেওঁ মোগলৰ লগত যুঁজিলেগৈ।

যুজাৰু ফুকন মোমাই তামুলী ঃ— দিনে শ-পঞ্চাশ মোগল পৰিল। এদিন বঙালক চিলাই থাপ মৰাদি মাৰি, একে উশাহতে ধৰোঁ বুলি মোমাই তামুলীৰ নাওখন আগ কৰি দি সকলোটি পানীলৈ খেদি গ'ল। বঙাল কিন্তু এনে সজা-সৰকা যে আমাৰ নাও আগবাঢ়ি যোৱা দেখিয়েই ঘূলি এটাত সোমাই থাকিল। পাচফালৰপৰা বঙালে বৰবৰুৱাৰ নাও আগ ভেটি ধৰিলেগৈ। বৰবৰুৱাইও ডেও দি পলসুৱা বোকাত জাঁপ মাৰি পৰিল। বোকাৰে লুতুৰি-পুতুৰি হোৱা বৰবৰুৱাক বঙালে কোনোৱা মানুহ বুলি সুধিলে, "বৰুৱা-ফুকনবোৰ কেনি গ'ল?" বৰবৰুৱাই ভাও ধৰি মাত লগালে, "সেই পোনেই গ'ল।" সেই কথামতে শত্ৰু সেনাই বৰুৱা ফুকনৰ পাছ ধৰি খেদা দি যাওঁতেই বৰবৰুৱা বোকাৰপৰা ওলাই গৈ নাৱত উঠিলগৈ। দুৰৱস্থাত পৰি আমাৰ সৈন্য সামন্ত বিভঙ্গে পলাল। সকলোটি ঢলিয়াই-কলিয়াই আহি কলিয়াবৰ পালেহি। শত্ৰুৰে আশপোৱা বাতৰি পাই ৰজা খণ্ডত জমদগ্নি হ'ল। ফুকন-বৰুৱা-গোহাঁই সকলোলৈকে কৈ পঠালে বোলে সিহঁত চামধৰালৈ আহক।

চামধৰাত গড় বন্ধাৰ আয়োজন ঃ— চামধৰাত তেতিয়া বঙালক ধৰিবলৈ ঠেকৰেই নাছিল। গড়-কোঁঠ-টাটী এটাই-বোৰেই আধৰুৱা। অথচ, সিপিনে মিৰ্জ্জা জাহিনা ক্ৰমান্বয়ে উজাই আহি বৰকৈয়ানিৰপৰা মৰিউৰলীৰ মুখ পালেহি। এনে আতাইতাই সময়ত কি কৰা উচিত সকলোটি ভাবি নিৰুপায়। অৱশেষত বৰবৰুৱা মোমাই তামুলীৰে আলচি সকলোৱে ঠিক কৰিলে যে বঙালক সম্প্ৰতি চক্ৰান্তৰ ছিটিকাত পেলাব লাগিব। শত্ৰুৰ আক্ৰমণ পলম কৰিব পাৰিলেই চামধৰাত যুদ্ধৰ সকলো আয়োজন—কোঁঠ-টাটী, চকোৱা-পাঁজৰি সম্পূৰ্ণ কৰিব পৰা হ'ব। এই বুলি বৰবৰুৱাই অভয়-পুৰীয়া বাৰুৰতিৰ সনাতনক কটকী কৰি মিৰ্জ্জা জাহিনাৰ ওচৰলৈ পঠিয়াই এই বুলি ক'বলৈ শিকালে—"ভাই নৱাবক কবিগৈ বুলি, আপুনিনো কিহৰ নিমিত্তে যুঁজিবলৈ আহিছে? হাতী লাগে যদি ধৰি দিম, আগৰ কাঠ লাগে যদি আনি দিম, সোণো দিম। অকল সিমানেই নহয়, অইন বস্তুও যিহকে লাগে তাকো আমি দিবলৈ সাজু আছোঁ। মিছাকৈয়ে যুঁজ কৰি মৰিব লাগিছে কিয়?"

কটকী যোৱা আৰু ঘূৰি অহা শূইন ছেগতে আমাৰ মানুহে ৰাতিয়ে দিনে চামধৰাত গড় বান্ধিবলৈ ধৰিলে। এনেতে কটকী ঘূৰি আহি সেইখিনি বস্তু নৱাবক লাগে বুলি ক'লে। তেতিয়া আকৌ আমাৰ বৰবৰুৱাই কুটনীতিপূৰ্ণ বতৰা পঠিয়ালে বোলে, "আমাক দিন দিয়ক। এই কথা স্বৰ্গ-মহাৰজাৰ ত'ত জনাব লাগিব। মহাৰজাৰ সেইখিনি পাবলৈকে লাগিব ছমাহ। গতিকে, নাই নাই বুলিও নৱাবে ছমাহ মানলৈ বাট চাওক।"

তাৰ উত্তৰত নৱাবে তিনি পক্ষ অৰ্থাৎ ডেড়মাহলৈ সময় দিলে। এই বাতৰি লৈ অহা কটকীজনৰ লগত যোৱা নাওবৈছা মানুহ এটি নৱাবৰ তাত থাকি আহিছিল। তাক নি নৱাবৰ আগত ভেটালত নৱাবে সুধিলে, "স্বৰ্গমহাৰজাৰ কাৰেঙলৈ ছমাহৰ বাট হয় নে নহয়?" নাওবৈছাই ক'লে, "কটকীয়ে কোৱা কথা তেনেই মিছা। গড়গাঁৱলৈ ক'ৰ ছমাহৰ বাট? আপোনাক ভুৱা দি সিহঁতে চামধৰাত গড় হে বান্ধিছে।"

স্বৰ্গদেৱৰ "গৰ্বিত বচন"ঃ-- ইতিমধ্যে, চামধৰাত গড় তৈয়াৰ হৈ উঠিল। আকৌ আমাৰ কটকীক পাচিলে নৱাবৰ তালৈ আৰু ক'ব দিলে এই বুলি---"আমি স্বৰ্গদেৱক জনালোঁ। স্বৰ্গদেৱে বোলে বনৰ হাতী ছাৰি লাদকো নিদিওঁ; আগৰ কাঠ ছাৰি জগা কাঠকো নিদিওঁ; মৰিচ ছাৰি ছেইকো নিদিওঁ; সোণা ছাৰি লুইতৰ বালিকো নিদিওঁ। ভাল, যুদ্ধ কৰিবলৈ আহিছে, যুদ্ধ কৰক।"

কটকীৰ মুখে এনে অসহনীয় আৰু অপমানসূচক বাৰ্ত্তা শুনি নৱাবৰ খং মূৰৰ চুলি আঁগ পালেগৈ। তৎক্ষণাৎ নৱাবে চকু পকাই সুধিলে, "জান যে লেড়াইক মনে আছে, এবে হাৰামজাদা, আগে তই কিয় জুঠ বাট কহিলি?" এই বুলি তোম বান্ধি দুই কটকীক পানীত পেলাই দিবলৈ ক'লে। কটকীহঁতৰ লগত দুতোলা সোণ আছিল তাকে বঙালক দি বোলে, আমাৰ চকীৰ পোনে চকীয়ালত কথাখিনি কৈ পানীত পেলাবি, বান্ধো ঢিলাই দিবি।" পাছে সোণ পাই বান্ধ ঢিলাকৈ দি আমাৰ চকীৰ পোনে পেলাব খোজোতেই আমাৰ কটকীয়ে চকীয়ালক ৰিং মাৰি মাত লগালে বোলে, "স্বৰ্গদেৱৰ শৰণ। আমাক

বঙালে বান্ধি পানীত পেলায়। খেদি আহি ধৰি নেহি।" পানীত পেলোৱা মানুহক চকীয়ালে তুলি আনিলে।

চামধৰাৰ ৰণঃ—চামধৰাত যুদ্ধ কৰিবলৈ সকলো সম্পূৰ্ণ হ'ল। যুদ্ধৰ আহিলা পাতি তাকৰ আছিল। স্বৰ্গদেৱলৈ জনালত স্বৰ্গদেৱে সকলো আহিলা পাতি পঠিয়াই দি যুদ্ধ নেৰিব বুলি দহগুণে উৎসাহ বঢ়াই পঠিয়ালে। চামধৰাৰ দক্ষিণে থাকিলে মোমাই তামুলী বৰবৰুৱা প্ৰধান চৰ্দাৰ বা ফুকন। পূবে থাকিলে তিনিজন গোহাঞি আৰু পানীত থাকিল পিকচাই চেতীয়া ফুকন। বঙালেও নাৱেৰে চাপি ধৰিলেহি। সাঁজ লগাৰ এড়াঁৰ মান বেলি আগৰেপৰা ডাঙৰ যুঁজ লাগিল, গধুলি হে এৰাইছে। বঙালৰ ঘোঁৰা-মানুহৰ শবেৰে গড়খাৱৈ উপচি গ'ল। পানী যুঁজো হৈছিল। চামধৰাৰপৰা বঙাল উজাই দুই মুনি শিলা পালেহি।

বঙাল উজোৱা দেখি, উত্তৰপৰীয়া ফুকন পিকচায়ে আক্ষেপকৈ ক'লে বোলে, "বৰবৰুৱা, আমি ৰণত হাৰিলোঁ।" বৰবৰুৱাই প্ৰবোধ দি ক'লে, "কেলেই হাৰিম হে, পানীফুকন নাই জানো?" পিকচায়ে ভেকাহি মাৰি পঠিয়ালে, "হাৰিবলৈ কি আছে? দেখা নাই নে বঙাল উঠিলগৈয়ে।"

"লুইতত বঙালৰ শ"ঃ— পাছে, মোমাই তামুলীয়ে নিজে ৰণ ধৰিলেগৈ। বঙালক কাটি মাৰি ভগাই নিলে। লুইতে তেজ বৈ গ'ল। নাৱে নোৱাৰি গধুলি ভৰলী পাৰ হৈ ৰ'ল। শক ১৫৬০। কৰ্ত্তব্যলৈ পিঠি দিয়া বাবে মহাৰজাই পানীফুকনক কৰতেৰে ছিৰিব দিলে। আকৌ বঙালে উত্তৰ কূলত চাৰিদণ্ড বেলাৰ বাট জুৰি গড়ত ধৰিলে। আমাৰো গোহাঞি বৰুৱা সমস্তে প্ৰাণটাকি যুদ্ধ কৰিলে। বঙাল যদি এফৈদ পৰে, আন এফৈদে আকৌ উঠি ধৰে। এইমতে বাৰম্বাৰ যুঁজি যুঁজি বঙাল চলকুচিয়াই পৰিলগৈ। চৈয়দ কাণ্ডি নামেৰে চিপাহী এটাই মৃত্যুক নগনি গড়ত উঠিছিলহি। তাকো তৎকালে মাৰিলে। পাছে, দিকৰাই নদী আৰু গড়খাৱৈ বঙালৰ শবেৰে উপচি গ'ল।

শত্ৰুক মৰা উপায়ঃ— সেই সময়ত আহিলা-পাতি কিছু টুকাল। বঙালৰ গালৈ গোবৰ-পানী তপতাই লাঠনীৰে

মাৰিছিল। দীঘল জোৰ লগাই ভঁাৰিত জুই দি ছিলেৰে কোবাই বঙাল খেদিছিল। তিনি দিনৰ মূৰত মিৰ্জ্জা 'জাহিনা' আলিয়াৰ খাঁ, মহম্মদ জোমা, মাচিম খাঁ ইচ্চপিঞ্জৰ, মিৰচাঁদ, প্ৰাণনাৰায়ণ, ৰামচন্দ্ৰ কাযি, উত্তম—এওঁবিলাক সকলো ভাগি গ'ল। গুৱাহাটীত আলিয়াৰ খাঁক থৈ, মিৰ্জ্জা জাহিনাই কৈ গ'ল, "আচামক একো প্ৰকাৰে যে নোৱাৰোঁ। আহিলা-পাতিও ঢুকাল। মই পাৎছাৰ তালৈ যাওঁ গুৱাহাটীতে যেনেকৈ থাকিব লাগে লগৰ মানুহেৰে তেনেকৈ থাকিবি।" ১৫৬০ শকতে মিৰ্জ্জা জাহিনাৰ লগত মোমাই তামুলী বৰবৰুৱাৰ যুদ্ধ শেষ।

গুৱাহাটীত মোগলৰ থানাদাৰ আলিয়াৰ খাঁ :—জাহিনাৰ আজ্ঞা অনুসৰি আলিয়াৰ খাঁই গুৱাহাটীত থানা কৰিলে। আমাৰ চকীও কাজলীত হ'ল। তাৰ পৰাই বঙালৰ চকীয়ালৰ লগত আমাৰ চকীয়ালে ভিতৰি-ভিতৰি বেচা-কিনা কৰি আছিল।

মোগলৰ লগত সন্ধি :—গুৱাহাটী এৰি মিৰ্জ্জা জাহিনা ভটিয়াই যোৱালৈকে মহাৰাজ প্ৰতাপসিংহৰ ৰাজত্ব কালত অসম-বঙালৰ বাৰ বছৰ যুদ্ধ লাগে। এই বাৰ বছৰত আমাৰ যুদ্ধৰ সমল ভালেখিনি পৰালি পৰিল। ভঁৰালতো খোৱা বস্তুৰ নাটনি হ'ল। কাঁড়ী-বাৰুৱতি মানুহবোৰো ৰণ কৰি কৰি ভাগৰি লালকাল দিলে। সেই হেতুকে ৰজাই সাম্প্ৰতিকলৈ যুদ্ধ স্থগিত ৰাখি বৰবৰুৱা বৰফুকনে বঙালৰ লগত সন্ধি কৰক বুলি তেওঁ-বিলাকলৈ ইঙ্গিত দিলে। সেই ইঙ্গিত অনুসৰি সন্ধিৰ প্ৰস্তাৱ লৈ আমাৰ কটকী অভয়পুৰীয়াৰ সনাতন আৰু চলাৰ কাণু আলিয়াৰ খাঁৰ তালৈ গ'ল। আমাৰ বৰবৰুৱা-বৰফুকনৰ প্ৰস্তাৱ আছিল উত্তৰে বৰনদ, দক্ষিণে অসুৰৰ আলি, ইয়েই সম্প্ৰতি অসম আৰু বঙালৰ সীমা হওক। আলিয়াৰ খাঁই সেই প্ৰস্তাৱত মান্তি হৈ আমাৰ কটকীৰ লগতে জাৰখণ্ড, ওৱাকাদাস, আৰু চেকমেদা এই তিনিজন কটকীক অসমৰ কাৰেঙলৈ পঠিয়ালে আৰু নিয়মমতে দুয়ো পক্ষৰ সন্ধি হ'ল।

মোগল কটকীৰ মুখত মোমাই তামুলীৰ প্ৰতাপ বৰ্ণনা : সন্ধি কৰি আগলৈ যুদ্ধৰ নিমিত্তে প্ৰস্তুত হ'বলৈ আমাৰ স্বৰ্গদেৱ

বৰবৰুৱা প্ৰমুখ্যে সকলোৱে যেনেকৈ চল চাপিছিল, আলিয়াৰ খাঁইও তেনেকৈ চেকদেমাকে আদি কৰি তিনিজন কটকী পঠিয়াই অসমৰ আভ্যন্তৰীণ অৱস্থা বুজিবলৈ ফান্দ পাতিছিল। কিন্তু আলিয়াৰ খাঁই কটকী মুখে 'জৱান' শুনি ভৱিষ্যত অসম আক্ৰমণ কৰাৰ কথা সঁচতে মচ খুৱাব লগীয়া হ'ল। গড়গাঁৱৰপৰা উলটি গৈ চেকমেদা কটকীয়ে আলিয়াৰ খাঁক জনালেগৈ বোলে, "স্বৰ্গদেৱ ৰজা নহয়, সাক্ষাৎ মহাদেৱ। মোমাই তামুলী বৰবৰুৱা নহয়, সাক্ষাৎ নন্দীশ্বৰ। যি থানত তেওঁবিলাক থাকে, সেই থান কৈলাস। এই দুজন থাকে মানে সেই দেশ ল'বলৈ কোনে সাহ কৰিব পাৰে?"

বৰবৰুৱাৰ "নামজানী" ৰজাঃ কচাৰীৰ গতি-বিধি লক্ষ্য কৰিবলৈ আৰু সেই দেশৰ লগত ৰাজনৈতিক সম্বন্ধ চিৰস্থায়ী কৰিবলৈ মোমাই তামুলী আছিল বৰফুকন হৈ, কলিয়াবৰত। কচাৰী ৰজাই তেওঁলৈ ৰাজোচিত শ্ৰী লগাই "নামজানী-ৰজা" বুলি সম্বোধন কৰি এখন পত্ৰ দিছিল। সেই চিঠি আনিছিল দুজন কটকীয়ে। দুয়ো কটকীক অনাই, তুলি, পত্ৰ শুনি মোমাই তামুলীয়ে স্বৰ্গদেৱলৈ জনাই পঠালে বোলে, "কচাৰী ৰজাই মোক বৰবৰুৱা নুবুলি" "নাম-জানী ৰজা" বুলি কিয় পত্ৰত লিখিব। তাৰ সমিধানত স্বৰ্গদেৱে বুলিলে, "মোৰ বৰবৰুৱাক যে পত্ৰত "ৰজানাম" বুলি লেখিছে, তাৰ পৰা মোৰ হে যশস্যা বাঢ়িছে, ইয়াত একো নাই। তোমাক যেতিয়া ৰজা বুলি ভাবিছে, মোক বা আৰু কিমান ওপৰত থৈছে?" সেই দিনৰপৰা হে অৰ্থাৎ মোমাই তামুলীৰ "নামজানী ৰজা" বোলাৰপৰাহে বৰফুকনৰ নাম "নামজানী ৰজা" হ'ল।

কাৰেঙত বৰবৰুৱাৰ প্ৰভাৱঃ— কাণু আৰু সনাতন কটকীয়ে খৱাসৰ কটকী চেকমেদাইতক আনি স্বৰ্গদেৱৰ ওচৰত ভেটাইছিলহি। চেক্‌মেদাক ধাৰালে তুলি বৰবৰুৱাৰ চৌলত থাকিবলৈ দিয়া হ'ল। তাৰ পিচত, ৰজাই সনাতন-কাণুক কিবা কথা ক'বলগীয়া আছে নে বুলি সুধিলে। সিহঁতে বোলে, "স্বৰ্গদেৱ দুই

আখাৰিজান কথা আছে। দেৱতাই যদি পুনৰ্বাৰ নোসোধে আমি বন্দীহঁতে ক'ব খোজোঁ।" স্বৰ্গদেৱে বোলে, "নোসোধোঁ"।

কটকীহঁতে বিদেশলৈ গৈ যি যি দুখ পাই তাকে স্বৰ্গদেৱক জনালে। স্বৰ্গদেৱে ওজৰ মুশুনি আকৌ সিহঁতকে বঙালৈ পাঠিলে। সিহঁতেও বৰবৰুৱাক খাটনি ধৰিলে বোলে, "দেউতাই আমাক ৰাখক।" কটকীহঁতৰ দুখ দেখিয়াই বৰবৰুৱাইও এবাৰ কোৱাত স্বৰ্গদেৱে বোলে কটকীহঁতে যি কৈছে তাৰ কথা-বাৰ্তা আশে-মুণ্ডতি "জেঠৈশীয়ে" (মোমাই তামুলীয়ে) মোলৈ কৈ থাকে। পিচে বৰবৰুৱাৰো স্বৰ্গদেৱলৈ প্ৰাৰ্থনা কৰি ব্ৰাহ্মণৰ অৰ্থে জনাই আছিল। স্বৰ্গদেৱে 'যা' বুলি কৈ মাত লগালে, বোলে, "তামুলীৰ পুতেক অ' তইঁতেই", বোৰ চাউল-কাৰি, "কাটিলোঁহেঁতেন, যাতো "জেঠৈশীয়ে" মাতি আছিলে।"

প্ৰজাই ৰজাৰ শক্তি. "একোটা মানুহ একোটা পৰ্বত। তাক কাটিলে মাৰিলে স্বৰ্গদেৱৰহে টুটে: সনাতন আৰু কাপু কটকীয়ে আহিয়াৰ খাঁৰপৰা পত্ৰ-সন্দেশ লৈ গড়গাঁৱৰ কালে উজাই আহিছে। তেতিয়া স্বৰ্গদেৱৰ সৈতে বৰবৰুৱা আছিল অনিৰুদ্ধিত (দিখৌমুখত)। আটাই কাৰৰপৰা কটকীৰ মাত অহা দেখি কাপোৰৰ খা-দি মাত ৰখালে। মাৰত পুৰণি মাও-খোৱা সেদেখি ৰজাই খংকৈ মাৰত থকা মানুহবোৰক বান্ধি পানীত পেলাই দিবলৈ ক'লে। ৰজাৰ খং দেখি অতুৰ্জকৈ উঠিছিল যে বৰবৰুৱায়ো একো মাতিব নোৱাৰিলে। পানীত পেলাই মাৰিবলৈ ক'লত, কটকী সনাতনে গলত কাপোৰ মেৰাই কাকুতিকৈ ক'লে বোলে, "কাটে যদি স্বৰ্গদেৱে বন্দীলৈ কাটিক। বন্দীৰ লগত স্বৰ্গদেৱে ম'হ কিনিবলৈ এশ মানুহ দিছিল। সেই মানুহ হে এতিয়া মাৰত আছেহি। ম'হ কিনা গাঁৱৰ ওচৰতে সিহঁতৰ ভাই-ভতিজা আছে। সিহঁত আহিছে বন্দীহঁতৰ লগত আছেহি। বন্দীৰ মানুহখিনি ৰবা-দুখিৰ মুখ চাবলৈ আৰু কাপোৰ-কানি ধুবলৈ হে গৈছে। মাৰত থকা মানুহখিনি স্বৰ্গদেৱে কাটো বুলিলে হেকোনোবাই আনো বাধিব পাৰিব?" কিন্তু, স্বৰ্গদেৱে ভাবি চাব লাগে—একোটা মানুহ বুলি বহুতে কে হয়। একোটা একোটা মানুহ একোখনি একোখনি পৰ্বত। তাতে

ভাঙৰ শত্ৰুও সমীপতে আছে। নাকাটি-নামাৰি ৰাখিলে এক টুকত মেলিবলৈ পাব। কাটিলে-মাৰিলে স্বৰ্গদেৱৰ হে টুটে।"

প্ৰজাই ৰজাৰ শক্তি। এনে প্ৰজা বৃদ্ধি হওক বুলিয়েই মোমাই তামুলীয়ে অসম দেশ নকৈ পাতিলে আৰু এনে প্ৰজা ৰক্ষা হওক বুলিয়েই অসুৰৰ আলি আৰু ৰৰনদীকে অসম ৰঙালৰ সীমা কৰি ৰাব বহুৰীয়া যুদ্ধৰ ওৰ পেলালে।

মহাৰাজ প্ৰতাপসিংহৰ স্বভাবটো একাচেকা আছিল। কেতিয়াবা অলপ কথাতে বৰ খং উঠিছিল। আৰু লঘু অপৰাধতে গুৰু দণ্ড দিছিল। মোমাই তামুলীয়ে হে ভালেমান কথাত ৰাজকাৰ্য্যৰ প্ৰতি বিধি নিয়ন্ত্ৰণ কৰিছিল। এনে নিয়ন্ত্ৰণৰ ফলত অসমীয়া জাতিৰ সেই কালত যে ব্যক্তিগত দায়িত্ব হৃদিগত হৈ আছিল, সেই কথা আজিও বুৰঞ্জীপাতত নতুন পঞ্জিকাৰ দৰে নতুন হৈ পৰি আছে। চাওঁতা হ'লেই মোমাই তামুলী ন-ৰূপত আজৌ ওলাবহি।

বঙাল-বৈৰী লাচিত বৰফুকন

শব্দ ব্ৰহ্ম। ব্ৰহ্মাৰ যেনেকৈ মৰণ নাই, শব্দৰো তেনেকৈ মৰণ নাই। কাল-পাত্ৰৰ ঠাই বুজি যেনেকৈ সৃজিত প্ৰাণীৰ ধাৰণাত ব্ৰহ্মাৰ ৰূপ পৰিবৰ্ত্তন হয়, শব্দও তেনেকৈ সংসাৰৰ সহস্ৰ জল্লাৰ মাজেদি সৰকি, নামান্তৰিত হৈ পৰিস্ফুট হয়। "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী" অৰ্থাৎ আমি ওপজা জন্মভূমিখন ইন্দ্ৰৰ অলকাপুৰীতকৈও শ্ৰেষ্ঠ। এই মহাকাব্য যিদিনাই আৰ্য্যাৱৰ্ত্তত পোন-প্ৰথম উচ্চাৰিত হ'ল, সেই দিনাৰপৰাই সেই বাক্যই ভৰত ৰজাৰ ভূ-ভাগত অৰ্থাৎ এই ভাৰতবৰ্ষত যুগে যুগে নাম সলাই, ৰূপ সলাই বিয়াপত্ত দি আছে। সেই বাক্যৰ এনেহে গুণ যে যি এবাৰ তাক শুনিছে, তেওঁ আৰু তাক কেতিয়াও পাহৰিব নোৱাৰে, যি এবাৰ তাক উপলব্ধি কৰিছে, তেওঁ আৰু কেতিয়াও স্বদেশ-প্ৰেমত বলিয়া নোহোৱাকৈ থাকিব নোৱাৰে আৰু যি তাৰ ৰস চেপি পাঞ্চভৌতিক দেহাৰ তেজৰ লগত মিলাই ল'ব পাৰিছে, তেৱেঁই তেওঁৰ জীৱন ধন্য কৰি জগতত অমৰ কৰি ৰাখিছে। এনে অমৰ অমৃত ৰসত আপ্লুত হৈয়ে ৰাজস্থানৰ ৰাণাপ্ৰতাপ জন্মভূমিহন্তে প্ৰলয়প্ৰাপ্ত হ'ল; এই বাক্যৰ মোহিনী মন্ত্ৰত মুগ্ধ হৈয়েই পঞ্জাৱকেশৰী ৰণজিৎ সিংহই বিলাস-বাসনা বৰ্জ্জন কৰিছিল; এই বাক্যৰ ধনঞ্জয় টোলৰ মাত শুনিয়েই মাৰাঠা-কেশৰী শিৱাজী মহাৰাজে মোগলৰ ঠাটকটকক থৰ্থৰিমান কৰি পেলাইছিল। এই বাক্যৰ মোহত পৰিয়েই, আজি যাক সুঁৱৰিবলৈ ওলাইছোঁ, সেই প্ৰশস্তমনা, উন্নতহৃদয়, বীৰভৈৰৱ লাচিত বৰফুকনে "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি নিজা মোমায়েকক কাটি খণ্ড-বিখণ্ড কৰিলে। অকল সেয়েই নহয়, "বঙালৰ অধীন হুই থাকিবতকৈ মৰণে সে উচিত"—এই কিটা অমোঘ-মন্ত্ৰেৰে এধাৰি মুকুতামালা গাঁথি অসম-বুৰঞ্জীৰ গৌৰৱদীপ্ত পাতকেইটি চকচকীয়া কৰি থৈ গ'ল।

সেই মুকুতাৰ মালা গাঁথি অসম-বুৰঞ্জীৰ পাতত পিন্ধাবৰ আজি তিনি শ বছৰ পাৰ হৈ গ'ল। এই কেই শ বছৰে আমাৰ জননী জন্মভূমিৰ ওপৰেদি কত ধুমুহা, কত ভূমিকম্প, কত উৎপাত পাৰ হৈ

গ'ল, তথাপি শব্দ যে ব্ৰহ্ম, ব্ৰহ্ম যে অজৰ-অমৰ, সেই বাবেই আজিও সেই লাচিতৰ জীৱন-প্ৰসঙ্গত উচ্চাৰিত হোৱা অমোঘ-মন্ত্ৰ অজৰ-অমৰ হৈ পৰি আছে। পৰি আছে—অজৰ-অমৰ হৈ; কিন্তু বিহীনা জীৱনীশক্তি। পৰাধীনতাৰ পিঞ্জৰাত জিঞ্জিৰি পিন্ধি আবদ্ধ হৈ থকা আমি, কিজানিবা সেই জীৱনীশক্তিবিহীন অমোঘ বাক্যত চেতনাৰ সঞ্চাৰ কৰিব পাৰোঁৱেই, এই বুলিয়েই হৰলা গোটেই দেশজুৰি লাচিতৰ স্মৃতি সঞ্জীৱিত কৰিবলৈ চেষ্টা কৰা হৈছে।

যিখন দেশত, "একোটি মানুহ কুৰি বছৰে হে হয়। য'ত একোটা মানুহ একো-একোটা পৰ্বত; য'ত একোজন ৰজা নহয়, সাক্ষাৎ মহাদেৱ; একোজন মন্ত্ৰী নহয়, সাক্ষাৎ নন্দী" সেইখন দেশত—

"কতজনে সাহে-পিতে গদাধৰ হৈ
মূৰ তুলি আছিল গাঁৱত;
নীৰৱে বজাই বীণা কত বা শঙ্কৰে
শেষ শান্তি ললে শ্মশানত!"

—তাৰ বুজ লয় কোনে? আজি আমাৰ ঘৰৰ খবৰ আমি নাৰাখোঁ। বিদেশীৰ কৃপাত আশ্ৰয় লৈয়েই আমি উশাহ লৈছোঁহঁক। আমি জানো কেতিয়াবা ভাবিছোঁ—'পৰে কি আপোন হোৱে নাৰায়ণ শিমলু নহয় চন্দন?"

বিদেশী বুৰঞ্জী-লিখকে আমাৰ আশা-আকাংক্ষা পূৰোৱা বাটত হেঙাৰ পোতা দেখিয়েই ওলাই আহিল স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী। গোস্বামী দেৱৰ অনুগ্ৰহতেই শৰাইঘাটত হোৱা ৰণৰ নায়ক লাচিত বৰফুকনৰ হুবহু প্ৰতিকৃতি এটি দেখিবলৈ পাইছোঁহঁক। সেই গুণে, মোগল খেদোৱা বীৰৰ চৰিত্ৰ-আখ্যান মেলাৰ আগতে স্বৰ্গীয় গোস্বামী প্ৰভুলৈ ওলগ নজনাই নোৱাৰিলোঁ।

ওপৰতে কৈ অহা হৈছে যদিও, দোহাৰি উল্লেখ কৰা উচিত হ'ব যে, ১৫৩৭ শকৰ ফাগুন মাহত ছৈয়দ বাবাকৰ নবাবৰ ৰতন ছা মামেৰে এজন সদাগৰে দুখনি নাও লৈ আমাৰ দেশলৈ বেহা বেপাৰ কৰিবলৈ আহে। তেতিয়া আমাৰ ৰাজসিংহাসনত স্বৰ্গদেৱ প্ৰতাপ-সিংহ বিদ্যমান। যেই তেওঁ শুনিলে বোলে, মোগল আহি অসম

ৰাজ্যত প্ৰৱেশ কৰিছেহি, সেই তেওঁ ৰাজ্যৰ মাজত ঘোষণা কৰি দিলে বোলে, মোগলে আবাস কৰি কোঁচৰ ৰাজ্যখন ভাঙিলে ; আমাৰো ৰাজ্যখন মাৰিবলৈ বুদ্ধি চক্ৰান্ত হে কৰিছে। সিহঁতক পালে কোনেও নেৰিবি। এই বুলি, ৰজাই ওঁঠ হে লৰালে, আমাৰ মানুহে গৈ সদাগৰকো কাটিলে, বস্তু বেহানিয়েঁসেতে নাও দুখনিও কাঢ়ি আনিলে। অসমৰে বঙালেৰে, অৰ্থাৎ মোগল পাৎছাহেৰে অৰি হোৱাৰ এয়ে প্ৰথম সূত্ৰপাত। মোগলৰ সৈন্য-সামন্ত যুদ্ধৰ সাজেৰে আগ বাঢ়ি আহিল আৰু আমাৰ সৈন্যেৰে কেইবাখন ঠাইতো পিচত কেইবাৰনো ৰণ লাগিল। ৰণৰ শেষ ফল হ'ল, খাণ্ডাৰে ঠেলি যাক য'ত থলে অৰ্থাৎ একো সন্ধি নহ'ল। তৰোৱালৰ বলেৰে হে ঠেলাঠেলি কৰি থোৱা হ'ল। মুঠকথা হাজোলৈকে অসমৰ সীমা থাকিল।

আকৌ বঙালৰ দেশৰপৰা পলাই আহি আমাৰ স্বৰ্গদেৱত শৰণাপন্ন হোৱা হৰিকেশ বোলা মুদৈ এজনক স্বৰ্গদেৱে শৰণাগতক এৰি নিদিওঁ বুলি কোৱাত পুনৰ মোগলৰ লগত যুদ্ধ আৰম্ভ হ'ল। এই যুদ্ধত "সাগৰৰ উৰ্ম্মিৰ নিচিনা প্ৰজাৰ আন্দোল" হৈছিল। যুদ্ধত স্বৰ্গদেৱৰ ফালৰ মানুহ-ঘোঁৰাৰ 'মৰা শৰে খাৱৈ ভৰি গৈছিল, তেজৰ নদী বৈছিল। বৰতোপৰ গুমগুমনিত গৰ্ভাৱতী স্ত্ৰীৰ গৰ্ভ খহি গৈছিল। লুইতৰ পানী তেজময় হৈছিল।" অৱশেষত, মোগলৰ সেনাপতি আলিয়াৰ খাঁ আৰু আমাৰ বৰবৰুৱাৰ মোমাই তামুলীৰে এখনি সন্ধি হ'ল। সন্ধিমতে অসম-ৰাজ্যৰ সীমা লুইতৰ উত্তৰে বৰনদী আৰু দক্ষিণে অসুৰৰ আলি অৰ্থাৎ গুৱাহাটীলৈকে হ'ল। দিল্লী পাটশ্যাহৰ প্ৰতিনিধি ৰূপে গুৱাহাটীত আলিয়াৰ খাঁ থাকিল। তেওঁৰ পাচত লুৎফুল্লা চিৰাজী গুৱাহাটীৰ ফৌজদাৰ হ'ল। এনেতে কোঁচ-ৰজা প্ৰাণনাৰায়ণে কামৰূপ ল'বলৈ আগ বাঢ়ি আহে, অসম-ৰজা স্বৰ্গদেৱ জয়ধ্বজ সিংহয়ো পোতা কলঙৰ পাৰতে ডাঙৰ কোঁঠ মাৰি গুৱাহাটী ল'বৰ মনেৰে দলং বন্ধায়। ভাটী ফালৰপৰা কোঁচৰ হেঁচা আৰু উজনি ফালৰপৰা বঢ়াই অনা অসমৰ বিৰাট আয়োজন দেখি লুৎফুল্লা হাজো থানা এৰি গুচি গ'ল। সেই সুযোগতে, জয়ধ্বজৰ সৈন্য-সামন্তই কোঁচক খেদি গুৱালপাৰৰ হাতীচলা খৰীতলা পৰ্য্যন্ত অসমৰ কৰি ললে। নগৰবেৰাত কোঁঠ মাৰি অসমৰ মুখিয়াজি খোপনি পুতিলে।

কোঁচক এসেকা দি দিল্লীৰ পাটশ্যাহ আওৰংজেবে ১৫৮৩ শকত মোগল বাহিনীৰ প্ৰধান সেনাপতি মীৰজুমলাক পঠিয়ালে অসম ল'বলৈ। মীৰজুম্‌লাৰ লগত অসমৰ যুদ্ধ হ'ল। সেই যুদ্ধত, স্বাধীনতাৰ সম্ভ্ৰম ৰক্ষা কৰি ৰাজ্যত সুখ-শান্তি আৰু শ্ৰীবৃদ্ধি বাঢ়ক বুলি জয়ধ্বজ সিংহ স্বৰ্গদেৱে মোগলক তিনি লাখ টকা ৰূপ আৰু নব্বৈটা হাতী এবছৰৰ ভিতৰত শোধাবলৈ কবুল কৰিলে। ইয়াৰ উপৰিও উত্তৰে ভড়লী নৈৰ পছিমৰপৰা আৰু দক্ষিণে ডিমৰুৱাৰপৰা এছোৱা দেশ এৰি দিম বুলি ক'লে। পাখৰী কুঁৱৰীৰ কুমাৰী জীয়েক ৰমণী গাভৰুক—যাক ৰমণী গাভৰু বোলে—দিলে দিল্লীৰ পাটশ্যাহলৈ উছগি। তিনি লাখ টকা, নব্বৈটা হাতীৰ কবুল হে কৰিলে, সম্পূৰ্ণ কৈ শোধাবলৈ নহ'ল। তাৰ বাবে পোঁতা পঠিয়ালে জনদিয়েক অসমীয়া বিষয়াক আৰু বছৰে-বছৰে একুৰি একুৰিকৈ হাতী দিবলৈ গাত ল'লে। গুৱাহাটীত মোগলৰ প্ৰতিনিধি বা শাসনকৰ্তা ৰছিদ্ খাঁ ফৌজদাৰ থাকিল। সেই যে নব্বৈটা হাতী আৰু তিনি লাখ টকা আমাৰ ৰজাই দিবলৈ কবুল কৰিছিল, তাক স্বৰ্গদেৱে কিস্তীবন্দী কৰি শোধাই আছিল। এনেতে, ১৫৮৫ শকৰ কাতি মাহত মুদগৰ ৰোগ হৈ জয়ধ্বজ সিংহ বকতাত স্বৰ্গী হ'ল।

জয়ধ্বজৰ পাচতে ১৫৮৬ শকৰ ব'হাগত চক্ৰধ্বজ সিংহ ৰাজ-পাটত বহিল আৰু এই ক্ৰমে ডাঙৰীয়া-বিষয়াসকলেৰে ৰাজসভা গঠন কৰি ৰাজ্য চলোৱা পৰামৰ্শ ল'বলৈ ধৰিলে—

বুঢ়াগোহাঁই ডাঙৰীয়া :- বাঁহগৰীয়া আতন।
বৰগোহাঁই ডাঙৰীয়া :- বানৰুকীয়া।
বৰপাত্ৰ গোহাঁই ডাঙৰীয়া :-লাঙি (বাঘচোৱাল)।
বৰবৰুৱা :-ঘোঁৰা কোঁৱৰ।
আৰু
বৰফুকন :-সৰু জনা লাচিত*

---

*স্বৰ্গদেৱ বুদ্ধি স্বৰ্গনাৰায়ণৰ পুতেক এজনৰ নাম আছিল, লাচিত। ১৫৫৬ শকৰ চ'তৰ ৩ দিন যাওঁতে, এওঁ মৰাত মোমাই তামুলীৰ পুতেকৰ সৰুজনা বুলি পৃথকোৱা হ'ল।

এই গুৰিবৃক্ষৰ শিপা, ঠাল-ঠেঙুলি ৰূপে ভালেমান বৰুৱা-ফুকনৰ উপৰিও বণুৰ্ৱা বিষয়া হ'ল ঃ-নিবুকিয়ালৰ ঃ-বহা বৰ-অভয়পুৰীয়া, মাজু-অভয়পুৰীয়া, সৰু-অভয়পুৰীয়া পানী-অভয়পুৰীয়া। দৈয়ঙীয়া ঃ- ওপৰ-দৈয়ঙীয়া, মাজু-দৈয়ঙীয়া, সৰু-দৈয়ঙীয়া। দিহিঙীয়া ঃ- তৰুৱা দিহিঙীয়া, পানী দিহিঙীয়া। শলগুৰীয়া ঃ- তৰ-শলগুৰীয়া, পানী-শলগুৰীয়া। কপহুৱা গজপুৰীয়া, ঘিলাধৰীয়া, টিমপমীয়া, তিৰুৱাল, দিখৌমুখীয়া, নামদঙীয়া মৰঙীয়া---এইসকল ৰাজখোৱা। প্ৰত্যেকজন ৰাজখোৱাৰ তলে বাৰ হেজাৰকৈ কাঁড়ীবণুৱা। মুল, দোৱাল, তোৱালত মুঠ বণুৱা মানুহ আছিল ৮৬৪০০০।

জয়ধ্বজ সিংহই পূৰ্ব্বে কবুল কৰা চৈ-পেছকছৰ বাকী টকা আৰু হাতী সাধি গুৱাহাটীৰ ফৌজদাৰ ফিৰোজ খাঁই অধিক গৰ্ব্ব বচন বুলি চৈয়দ জাফৰঁ কটকীক স্বৰ্গদেৱ চক্ৰধ্বজৰ ওচৰলৈ পঠালে। ইতি-পূৰ্ব্বে, দিল্লীৰ পাচ্চাই দোৰবেগ ৰস্তম বেগৰ হাতত স্বৰ্গদেৱ জয়ধ্বজ সিংহলৈ ভালেমান বকচিছ বা উপঢৌকন দি পঠিয়াইছিল। তাৰ ভিতৰত, "শিৰ-পাও-বঁটা" বুলিও এটি অমূল্য ৰত্ন উপহাৰ আছিল। বঁটাৰ আকৃতি আছিল এনেকুৱা---সোণ-ৰূপ, হীৰা-মুকুতা খটোৱা এটি শিৰত পিন্ধা মুকুট; সেই মুকুটৰ ওপৰত মণি-মুকুতাৰে চক-মকাই থকা সাপৰ ফেট যেন কিৰীটিৰ ওপৰত দিল্লী-পাৎশ্যাহৰ চৰণ-চাব (পাওৰ সাঁচ)। জাফৰে যেতিয়া ফিৰোজ খাঁৰ বচন-সমাচাৰ জনাই বকচিছৰ শৰাই মেলিলে, আৰু সেই "শিৰপাও" বঁটাত যেতিয়া দিল্লী-পাৎশ্যাহৰ চৰণ-চাব ওলাল, তেতিয়াই তৎমুহূৰ্ত্তেই চক্ৰধ্বজ সিংহে "মহা ক্ৰোধ কৰি" বচন বুলিলে, "বঙালৰ অধীন হৈ থকাতকৈ মৰাই উচিত।" এই বুলি, স্বৰ্গদেৱে পাত্ৰমন্ত্ৰী ভাঙৰীয়া সকলেৰে আলচ কৰিবলৈ ধৰিলে।

বাঁহগৰীয়া বুঢ়াগোহাঞে সকলোলৈকে চাই মাত লগালে, "সদায় স্বতন্ত্ৰ ৰজা আমি, বঙালৰ আইচতি সহিব নোৱাৰোঁ---স্বৰ্গদেৱতাই উত্তম হে বুলিছে। পাৰিতপক্ষে আজিয়েই যেন বঙালক ধৰিম।" এইষাৰ তেজ উতলোৱা কথা কৈয়েই আকৌ কুহমীয়াভাৱে দকৈ গমি হাতত যদি বাজিল, চাৰি কড়া কড়িকো দিয়ে, চককো নিয়ে। সেয়ে যদি নেবাজিল, নিয়ে নে কি?" বুঢ়াগোহাঁইৰ গধুৰ পৰামৰ্শ শুনি চাবলৈও ক'লে, "কুমাৰে চক বেচে, পাইকে হাতত লৈ ৰজাই চায়,

ৰজাদেৱে সেই সভাতে জয়ানন্দ তামদলৈক সুধিলে বোলে, "আমাৰ আহিলাপাতি নো কি আছে? তামদলৈয়ে উপৰাই কৈ পেলালে, "সকলো আছে।" পাছে, ৰজাদেৱে খাৰ-ভঁড়াললৈ সোমাই চায়গৈ দেখোন, "খাৰৰ নামে পেটাৰী এটিও নাই, গুলীৰ নামে চাৰিটা গেৰাও নাই, কাঁড়ৰ নামেৰে কাঠি এটিও নাই। খং উঠি ৰজাই তৎকালে জয়ানন্দক ডিঙিত কলহ আঁৰি দিখৌত পেলাই দিবলৈ আদেশ কৰিলে। তেতিয়া গলবস্ত্ৰ হৈ জয়ানন্দই জনালে, "ৰাজসভাত যদি বন্দীয়ে কৈ দিলোঁহেঁতেন একোটি নাই বুলি, ৰাইজৰ মন ভাগিলহেঁতেন। এতেকে হে ক'লোঁ, সকলো আছে বুলি।" ৰজাই কথাষাৰ তৰকি চাই প্ৰশংসা কৰিলে।

তৎক্ষণাৎ স্বৰ্গদেৱে হুকুম দিলে বোলে, "লেহেম কৰিলে নহব। জোৰ পুৰি হাত পালেহি। আহিলা-পাতি য'ত যেনেকৈ যি আছে তুৰন্তে গোটাই আমাৰ সন্তম হ'ব লাগে।" কথাৰ লগে লগে নাও-শলীয়া বৰুৱা-ওজাক বঁটা-বাহন দি নাও সজোৱালে; ৰজাৰ নগৰৰ ভিতৰতে কাঁড়-ঘৰ---খাৰ-ঘৰ কৰালে। বৰদুৱাৰৰ (নাজিৰৰ চুণ-পোৰা ঘাটৰ ওচৰত) মুখতে কমাৰ শাল পতোৱালে। যুদ্ধৰ আহিলা-পাতিৰ কাম হৈছে নে নাই হোৱা দুয়ো বেলা ৰজাই নিজে চাবলৈ ধৰিলে। কাঁড়ীক কাঁড় মৰাই, হিলৈদাৰীক হিলৈ মৰোৱাই, বাৰুৱতিক বাৰু চৰোৱাই ৰণৰ আখৰা কৰালে। ধন-কাপোৰ-তিৰোতা-গাখীৰ-মাছ-লোণ-চাউল দি ৰণুৱাহঁতৰ উৎসাহ বঢ়াবলৈ ধৰিলে। কাঁড়ী-খলাত যিটোৱে কাঁড় মাৰিব নেজানে, ৰজাই তাক নিজ হাতেৰে ধনু-মুঠিত ধৰাই কাঁড় মৰোৱালে আৰু কামায়ণ,--টোৱা,--জম্বুৰ, গঠিয়া জমুৰ,---কেঁচাইখাটি,--পহলভী,--পাথৰকলাই আৰু বৰতোপ কৰিবলৈ ধমাধম মানুহ লগাই দিলে। চকৰধৰা ৰবাৰ হতুৱাই নিয়ন্ত্ৰণ কৰাই গোঁসাই মহন্ত সকলৰ হতুৱাই যজ্ঞ-হৰসবাহ পতোৱালে। দেওধাই-বাইলুঙে দেও হেঁকাৰিলে। সমজ্যাৰ মাজতে স্বৰ্গদেৱৰ চৰণলৈ চাই কাঁহী-বাৰুৱতিয়ে শপত খালে, "বঙালৰ ৰণত কেনেবাকৈ যদি বন্দী-হঁতে আগ-ভৰি পাচ কৰোঁহঁক, বন্দীহঁতৰ বুকুখনহঁত কুঠাৰেৰে ছিৰি ছিৰি পেলাব।"

নিজা নিজা পালী পাইক লৈ সমস্ত গড়গঞা বিষয়া এইদৰে ৰণৰ উদ্যমে কাছি-পাৰি ওলাল। ভাগে-ভাগে এইসকলক সেনাপতি পতা হ'ল---ভুঁইমেলা বৰগোহাঞি ফুকন, দৈয়ঙীয়া ৰাজখোৱা, দোলাকাষ-

ৰীয়া বৰুৱা লাটুম, ৰাক্সিয়াল বৰগোহাঁই, নেওগ হাজৰীকা, কমলা-বৰীয়া গোহাঁই ফুকন, মৰঙীখোৱা বৰচেতীয়া গোহাঁই, শলগুৰীয়া ৰাজচক্ৰপাণি, লুখুৰি চেতীয়াফুকন, বৰ-অভয়পুৰীয়া ৰাজখোৱা, শেন গোহাঁই, অভয়পুৰীয়া ৰাজখোৱা, সৰু অভয়পুৰীয়া ৰাজখোৱা, বাঁহ-গৰীয়া বুঢ়াগোহাঁই আতন, মিৰিসন্দিকৈ ফুকন, দিহিঙীয়া ৰাজখোৱা, চাৰিঙীয়া ফুকন, ধলা গোহাঁই, গজপুৰীয়া ৰাজখোৱা, বৰপাত্ৰ গোহাঁই, খাইডঙীয়া ৰাজখোৱা আৰু অনেক বৰুৱা-ফুকন-শইকীয়া-হাজৰীকা। কাঁড়ী-বঠিয়াতলীৰপৰা হুজে-হুজে সৈন্যসামন্ত ওলাবলৈ ধৰিলে। মপুৰাৰ সংখ্যা হ'ল একলাখ ষাঠি হেজাৰ।

মোমাই তামুলী বৰবৰুৱাৰ পুতেক সৰুজনা লাচিত ডেকাক সবাৰে ওপৰত ৰথফুকন পাতি কলিয়াবৰলৈ পঠালে, আগ- বঢ়াই--- কুকুৰা-ঠেং চাই। ফুকনৰ গাত গ'ল এই ব্ৰহ্ম কৱচ :---



ব্ৰহ্ম কৱচ

সকলোতি সম্ভম হৈ, ১৫৮৭ শকৰ ভাদৰ তিনি দিন যাওঁতে, বৃহস্পতি বাৰে গড়গাঁও নগৰৰপৰা ওলাল দলদোপ-হেন্দোলদোপকৈ কলিয়াবৰেদি গৈ গুৱাহাটীত থানা মাৰিবলৈ।

কলিয়াবৰত পাঁজি-টাটবি গড়-কোঁঠ মাৰি ১৫৮৯ শকৰ ভাদৰ ১৭ দিন যাওঁতে বৃহস্পতিবাৰে বাঁহবাৰীতে বঙালৰ লগত যুদ্ধ ধৰিলে। মোগলৰ সেনাপতি মীৰবেগ-ৰোচনবেগ আমাৰ বন্দী হ'ল। তাৰ পিচত, ক্ৰমান্বয়ে কাজলিমুখ, তাঁতীমৰা, সোণাপুৰ আৰু ছয়দুৱাৰত থানে থানে ৰণ হ'ল। লুইতৰ উত্তৰে, বৰনদীৰ ফালে টান ৰণ হৈছিল। বঙালে খোপনি লোৱা এটাইবোৰ ঠাই জিনি অসমীয়া সৈন্যই গুৱা-হাটীৰ সোঁমাজ ইটাখুলি পালেগৈ। তাতে ভয়ামনা ৰণ হ'ল। “কলঙু সন্দিকৈ বেতমেলাই বঙালৰ ইটাখুলি-থানাদাৰ ৰেৰেসোতে সত্য নিবন্ধ কৰি দুয়ো ঘোঁৰাৰপৰা নামি তৰোৱাল টানি সমৰঙ্গে যুঁজিলে। বেতমেলাৰ কৰঙনত, হাতৰ পিঠিত বঙালে দুই মাৰ মাৰিলে। পিচে, বেতমেলাই সাৰটি ধৰি আফাল মাৰি পেলাই তাৰে হাতৰ দা কাঢ়ি লৈ তাক কাটিলে।”

তথাপি আমাৰ মানুহে ইটাখুলি ল'ব পৰা নাই। একোপধোই আশা নেদেখি ভক্তিমেলা ফুকনে অসম্ভৱ যেন ভাবি ক'বলৈ ধৰিলে, —“ইটাখুলি যি ভঙাব পাৰে, মই তাৰ বন্দী হ'ম।” এই কথা স্বৰ্গদেৱে শুনি টানকৈ কৈ পঠিয়ালে বোলে, “ইটাখুলি লয় যদি লওক, নহলে ভাত খৰা ফুকন বৰবৰুৱাহঁতক মেখেলা পিন্ধাম।” “এই কথা শুনি সকলোৱে আলচ কৰি অন্তঃপুৰীয়া ৰাজখোৱা জগৎ গোহাঁইক আগ কৰি দিলে। ৰাজখোৱায়ো ৰাতি চোৰ মেলি বঙালৰ হিলৈৰ মুখত পানী ঢলালে। পাছে, জখলা বান্ধি পুৱতি নিশা ইটাখুলি উঠিলগৈ। আমাৰ লোকে সমস্ত বঙাল কাটিলে। ফৌজদাৰ-মৰাবেৰসেতে, গুৱাহাটী এৰি বঙাল খিভজে পলালে।” পলাই গৈ চৈয়দ পিৰোজ খাঁ, চৈয়দ চালা হুৰ্মাৰে মানাহামুখত আকৌ ফেৰ পাতিলে। লাচিত বৰফুকনে মোগলৰ সেনাক খেদি গৈ মানাহামুখত ভেটি, ধৰি আনিলে। পিৰোজৰ বেটা প্ৰহৰ খাঁ আৰু চৈয়দ হুচেইন—এই দুজন পলাই গ'ল। কিছু-মানক কাটিলে, কিছুমানক পঠিয়ালে গড়গাঁৱলৈ—সজাত ভৰাই। এই ৰণ জিকাৰ স্মৃতি-চিনস্বৰূপে স্বৰ্গদেৱৰ আজ্ঞাৰে লাচিতে ১৫৮৯ শকৰ আঘোণ মাহত, অনিকৰ্ণেশ্বৰৰ ওচৰত, বাঁহগৰীয়া বুঢ়াগোহাঁই আৰু নিছিজীয়া ফুকনৰ দিহা বুদ্ধি মতে বিশ্বকৰ্মা নিৰ্মিত যেন এটি গড় বন্ধালে। সেইদৰে দক্ষিণপাৰতো এটি বন্ধালে। লাচিতৰ বিজয় সাক্ষ্যতো এটি 'বিজয়স্তম্ভ' পোতোৱা হ'ল। তেতিয়াকণৰাই গুৱাহাটী

আমাৰ হ'ল আৰু মানাহামুখত খাগুা পথালি পঞ্চৰত্নমত অসমৰ সীমা বন্ধা হ'ল। এই বাতৰি শুনি চক্ৰধ্বজ সিংহই সুখেৰে ভাত এগৰাহ খালে।

"উদয়গিৰিৰ" স্বৰ্গদেৱে গুৱাহাটীৰপৰা মোগলৰ ফৌজদাৰ খেদি মানাহামুখত খাগুা পথলাৰ কথা যেতিয়া 'অস্তগিৰিৰ' পাৎছাহে শুনিলে আৰু যেতিয়া শুনিলে, লাচিত বৰফুকনে চৈয়দ পিৰোজ আৰু চৈয়দ চালাক বন্দী কৰি পাহৰি-সজাত ভৰাই নিলে, বাঁহগৰীয়া বুঢ়া-গোহাঞে বৰ গড় বন্ধোৱালে, নগৰবেৰাত নগৰ কৰি পঞ্চৰত্নলৈকে সীমা বঢ়ালে, তেতিয়া আওৰংজেব পাৎছাহে মান্ধাতা ৰজাৰ নাতি জয়সিংহৰ বেটা ৰজা ৰামসিংহক পঠালে গুৱাহাটীৰ গড় ভাঙি অসমক উদ্ধাৰ কৰিবলৈ। ৰামসিংহক দিলে সোণখটোৱা জীনেসৈতে এখন সোণৰ মিনা-কৰোৱা তৰোৱাল; লগত আহিল অসংখ্য ওমৰাও আৰু ক্ষত্ৰিয় ৰজা; সৈন্য ললে তিনি লাখমান।

দিল্লী এৰি অসমমুৱা হৈ আহোঁতে, কোচবেহাৰৰ সীমাতে গজাল-বনত কোঁচৰজা প্ৰাণনাৰায়ণৰ আপ্তপাত্ৰ কৰিকিশোৰ বৰুৱাই ৰাম-সিংহক ৰজাঘৰীয়া ভাবেভেটীৰে ওলগ জনালে। প্ৰাণনাৰায়ণ ৰজায়ো সৰ্ব্বেশ্বৰ বৰুৱা, ঘনশ্যাম বৰুছি, ৰামদেৱ বৰ—এই তিনিজনৰ "তাৱিলত" পোন্ধৰ হেজাৰ ঢালী কাড়ি পঠিয়াই দিল্লী-সেনাপতিক সহায় কৰিলে। ৰঙালৰ ৰজা ৰঘুনাথ ৰাইৰ নাতিয়েক ৰজা ৰাম-সিংহও সিবিলাকৰ লগত মিলিলহি আৰু হেজাৰ ঢালী কাড়ী পঠিয়াই দিল্লী-সেনাপতিক সহায় কৰিলে। বঙ্গদেশৰ নৱাব চায়েস্তা খাঁয়ো ২০০০ চিপাহী দি ৰামসিংহৰ সৈন্যবাহিনীটো শকত কৰিলে। মুলে-সৈতে এইবোৰ পালী সেনা লৈ ৰামসিংহই ৰঙামাটিত কোঁঠ মাৰিলে আৰু নৱাব মনচুৰ খাঁক ঘাই কৰি পানী দুৱাৰেদি উজুৱাই পঠিয়ালে। নৱাব আলিয়াৰ খাঁৰ তলে দিলে চৈয়দ চৰিপ খাঁ, নৱাব পৰসনাতি, ৰজা ইন্দ্ৰমল, বন্দেলা দেশৰ ৰজা পৰীক্ষিতৰ নাতি ৰজা জয়নাৰায়ণ আৰু চায়েস্তা খাঁৰ সেই দুহেজাৰ চিপাহী। সিবিলাক আহিল দক্ষিণ-কুলৰ বাম বাটে। ৰঙামাটিত ইয়াৰখাঁক, চাকক থানাত আবেদকেচক, আওৰা (হাউৰিয়া) ঘাটত ইস্লাম খাঁক আৰু জুগুৰি যোফত (যুগী-যোপাত) চমচেৰক ৰখীয়া থৈ পাঁচ হেজাৰ আচোৱাৰেৰেসৈতে ৰাম-সিংহ নিজে ভত্ৰৰ মাটি ওপৰলৈ উজাই আহিল। চৰিপ খাঁ, মহম্মদ

খাঁ, ৰুপিদাস ৰজা আদিয়ে চলাই অনা কোম্বাজনীয়া, ভৰা আৰু অসংখ্য জোলা নাৱে ব্ৰহ্মপুত্ৰৰ উজনি পানী খলক লাগালে। এৰি অহা ঠাইবোৰ মোগল সৈন্যৰে মকৰা-জাল যেনেকৈ গাঁথি উজাই আহি ৰামসিংহৰ ফৌজ বৌকৰাব মুখ পাইছেহি এনেতে, তাৰপৰাই বৰ-পেটাৰ ফালে পঠিওৱা চৰৰ আগত ৰামসিংহই কৈ পঠিয়ালে “বৰ-ফুকনে গুৱাহাটি খন আমাক ছাৰি দিয়ক।”

স্বৰ্গদেৱৰ চ'ৰাত মেল

হঠাতে এই আপদীয়া বাতৰি শুনি, আমাৰ ডাঙৰীয়াসকলে বৰফুকনে সৈতে যুগুতি হৈ চালে দেখোন, কথা বিসঙ্গতি, আমাৰ পাঁজি-টাটৰি একোৱেই হোৱা নাই। পৰ্বতী-গড়ো ওলোৱা নাই। বৈৰী ৰঙালহঁতক ছলবুদ্ধি কৰি দুদিনমান হোঁহোঁকাই-পিছলাই নেৰা-খিলে নহ'ব। সময় পালে ক্ষণ পায়, ক্ষণ পালে অজৰ অমৰ হয়। এতেকে, ছেগ মাৰি বালিগড় দুটামানেৰেই পুনৰ কাম আৰম্ভ কৰা ভাল হব। ইয়াকে সকলোৱে ঠিৰাং কৰি চিঠি দিয়াদিয়ি কৰি সময় নিয়াৰলৈ বুদ্ধি পাতিলে। বটাৰগঞা সোন্দৰ আৰু কোমোৰাখোৱা, এই দুজন কটকীক মতাই অনাই শিকাই বুজাই পত্ৰ দি পাচিলে, বোলে, “ভাই ৰামসিংহ ৰজাত এইখান কৰিগৈ—তেওঁ কি কাৰ্য্যে আগবাঢ়ি আহিছে, আমি জানিব লাগে, সাম-দান-দণ্ড-ভেদ আৰু শাস্ত্ৰ-মৰ্য্যাদা সৰ্ব্বতিকালে প্ৰৱৰ্ত্তিছে। কাৰ্য্য বুজি লৈ হে কথা।”

এইৰূপ চিঠি দিয়াদিয়ি কৰি উত্তৰ-প্ৰত্যুত্তৰ অনা-নিয়া কৰি থাকোঁতেই লাচিত বৰফুকনৰ আদেশত পাজি-টাটৰি গড়, গড়-কোঁঠ সকলো হৈ উঠিল। ব্ৰহ্মপুত্ৰৰ উত্তৰে-দক্ষিণে দুয়ো পাৰে ৰণথলীৰ বেহু নিৰ্ম্মাণ হ'ল।

আমাৰ কটকীয়ে নিয়া চিঠি পঢ়ি ৰামসিংহই বৰফুকনলৈ লেখা এখন দি পিৰোজ খাঁ কটকীক পঠালে বোলে, “পূৰ্ব্বে আলিয়াৰ খাঁ আৰু মোমাই তামুলীৰ ভিতৰত যি সন্ধি হৈছিল সেই সন্ধিমতে দক্ষিণে অসুৰৰ আলি আৰু উত্তৰে বৰনদীকে অসম-মোগলৰ সীমা কৰা হৈছিল। সেই অনুসাৰে, গুৱাহাটী পাৎশ্যাহৰ ৰাজ্যৰ ভিতৰ। গতিকেই, সন্ধিৰ সৰ্ত্ত অব্যাহত ৰাখিবলৈ হলে মোগলক গুৱাহাটী এৰি দিব লাগে। এই লেখাত লিখা কথাৰ বাহিৰেও, পিৰোজ খাঁক

মুখজবাখনেও কৰবলৈ কলে, "গুৱাহাটী আমাক ছাড়ি দিয়ক। গোৱালপাৰা মুগলে থাওক। যদি হে গুৱাহাটী ছাড়ি নিদিয়, বাৰ-বছৰীয়া সন্মুখ হৈ আছিছোঁ। যুদ্ধ দিবলৈ যদি আহিলা-পাতি নাই, মোক খুজি পঠাওক, মই দিম। শুনিছোঁ, লাচিত বৰফুকন হেনো বৰবৰুৱাৰ বেটা ভাতৰ মানুহ। সি মোক দুই ঘড়ী লেওঁহাই দিব আৰু কোনো বস্তু, তীৰ-বন্দুক যদি কমি থাকে আমাক লিখি পঠাব। আমি চলাম।" এই বুলি, হাজোৰপৰা ৰামসিংহই দেৱকীনন্দন কটকীৰ হাতত আফুগুটি এটোপোলা বৰফুকনলৈ দি পঠিয়ালে আৰু তাকে দেখুৱাই দেৱকীনন্দনে বৰফুকনক কলেহি,—"এই যে গোণ্ট-দানাৰ (আফুগুটি) টোপোলাটো দেখিছে, ইয়াত যিমান আফুগুটি আছে, ৰামসিংহৰো সিমান সৈন্য আছিছে, গণিব পাৰিব নে? এতেকে, ভাবি চাওক।" "আমাৰ বৰফুকনেও চুঙা চাই যোগা দিও" বুলিছে ৰামচৰণ আৰু নিমৰ হাতত পটাগুটি এটা আৰু পটা এখন দি পঠিয়াই ৰামসিংহক কবলৈ ক'লে, "তোমাৰ যি গোণ্টদানা পঠিয়াইছা, তাক আমি এই পটাতে এই পটা গুটিটোৰেই পিহিয়া (পিহি) খাইব।" পটাৰ লগতে ব্ৰজপুৰৰ বালি এপালো দি পঠিয়াইছিল। সেই বালিকো দেখুৱাই ৰামচৰণইতে ভাতি কলে, "এই যে দেখিছা, বালি গান, আমাৰ সৈন্যৰ একণ লক্ষণ! (অৰ্থাৎ তাক তোমালোকে কি সাধ্যে পিহিবা?)

পিবোজৰ মুখত ৰামসিংহৰ গজাটুপীয়া কথা শুনি আমাৰ ডা-ডাঙৰীয়া-সকলৰ গা বিনাই উকা-দি ডাকিবলৈ ধৰিলে, দহোগুণে খঙৰ জমক জ্বলি উঠিল। লাচিত বৰফুকনে পিবোজ খাঁ কটকীক ইতাখুণ্ডিতে তুলি দান-চাই-সন্মিধান দিলে, যোগে "পিৰোজ খাঁ, তই ভাইৰজাক কবি গৈ, গুৱাহাটী তেওঁৰ নহয়। কোঁচক খেদি হে আমি লৈছোঁ। দৈব গতিত পৰি হে গোটাচাৰেক দিন আমাৰ হাতৰপৰা এৰাই গৈছিল। শুনিছোঁ বজা ৰামসিংহ ৰাজপুত বজাৰ গোষ্ঠী আৰু জয়সিংহৰ পুত্ৰ। ইমান ডাঙৰলোকৰ গোৱাজি-মুখত এনে সক কথা কেনেকৈ শুনাৰ?—দুই ক্ষত্ৰিয়ৰ যে তেওঁ যুঁজিব খোজে দুই-আৰি অহন যুঁজিবলৈ সাহ নাই নে কি?' আমি যে তেওঁক তীৰ বন্দুক, আহিলা-পাতি যোগাৰ কথা কৈছে, তাৰ এতিয়া তেওঁকে আনিব লাগে, থাওক। দুই চাৰি বছৰৰ পিছত আনিবে আৰু যোগা হব।' গুৱা-হাটীখন উভতে আমাক দিছে, আমি তাক বন্দাপি নেলৌঁ।

এই কেৰাপ কথাকে শুনাই, লগৰ মানুহকেইটাক ওলোটাই পঠিয়াই দিয়েৰাজক গুৱাহাটীৰ লতাশিলতে বন্দীকৈ ৰাখে আৰু ইয়াৰ বুজ লিখোঁতে কোনোবাখোৱা কটকীক ৰামসিংহৰ ওচৰলৈ পঠিয়ালে। কটকীৰ মুখে লাচিতৰ বীৰত্বব্যঞ্জক অভিধান শুনি ৰামসিংহ হাজো-শিলাৰাকুটিৰ (সোৱালকুচি) ফালে চাপি আহিল। আতে মাধৱ গোঁসাঞিৰ দৰ্শন হৈ এৰাতি কুলহাটীৰ নে-বাসিত থাকিল। তাৰ পাঁচ দিনৰ মূৰত, ১৫৯০ শকত চ'তৰ ২৬ দিন ৰাওঁতে শৰাইঘাটৰ লগৰ সন্মুখে আগীয়াথুৰিৰ অলপ আমনিত, কাঁহে গুলীয়ে মোগলোৱাত কাপোৰৰ ঘৰ কৰি ছাউনি পাতিলেহি, আৰু তেওঁৰ লগত অহা ৰছিদ খাঁই অকলমান উজাই আমাৰ সকলিলেৰ গুলীয়ে চুকি নেপায়, অথচ ৰৱহিলেৰ গুলীও ছেপাই যায়—এনে ঠাইত তাম্বুবা তৰি কোঁঠ আহিলে।

এই খিনিতে থিত দিওঁতেই ৰামসিংহেৰে ৰছিদ খাঁৰে চুৰ্ম্বুৰীয়া-ত ৰে থাকিবা এখন লাগিল। দিল্লী-শাহজাহৰ আপোন বুলি, ৰৱাই ধৰি, "মই পাঠান, ৰাজপুত ৰামসিংহৰ কথামতে চলিব লাগিব বুলি জনা হলে নাহিলোঁহেঁতেঁ" বুলি ৰছিদ খাঁই ৰামসিংহৰ লগ এৰা দিলে। ৰছিদৰ আচৰণত নিৰুৎসাহী নহৈ ৰাজপুত ৰামসিংহই ৰবং শৰাই-ঘাটৰ সন্মুখে অসমৰ লগত যুদ্ধ কৰিবলৈ দুগুণ উৎসাহেৰে কেৰ পাতি হৈ আছিল।

লাচিত বৰফুকনে দক্ষিণপাৰে ইটাখুলিৰপৰা আৰম্ভ কৰি পাছিমলৈ ক্ৰমান্বয়ে অমৰাজুৰি—পাণ্ডু—বাজলী-যুকত—দুৰাৰকবিলা—পাৰ-যোগা—খেমুধিৰীয়া—গোটানগৰ—কটাশিল—অসুৰৰ আলি—উৰা-হৰণ পৰ্ব্বতলৈকে মাটি জলাই লাজে-পাজে বশুৰাৰ পাৰী পতালে।

উত্তৰপাৰে লঠীয়া পৰ্ব্বত—কুৰীয়া—শৰাই—কৌপুৰী—চিলা-পৰ্ব্বত—সিন্দুৰীঘোপা—বংশৰল—কনাইবৰশীবোৱা শিল আৰু বাহুবুকজ জোৰাই সৈন্যৰ পাৰী দিলে।

গড়ৰ পীড়িত বৈৰঙ্গতি এটাকে, পৰ্ব্বতৰ ওপৰত তিনি বৌৰত ছুটাকৈ মহলীয়া মানুহ ৰাখিলে। এটা এটা বাদিত পৰলুণ্ঠনালৈ অগা দিহাকৈ তিনি বাৰী—তিনি শাৰী পাতিলে। আৰম্ভ শাৰীৰ পাৰীত গড়ৰ কাষে দীৰ্ঘলীয়াকৈ ৰ হাতৰ আঁতৰে আঁতৰে একোটা একোটা মানুহ। সেই মানুহজনৰ পিঠিফালৰ শাৰীয়ত সেই দাঁৰাই এটা-এটা মানুহ। নিৰ্দ্দিষ্ট আঁতৰত আন্ধোঁচাৰি পাৰী। তাৰে প্ৰথমাৰীৰ

মাজে-মাজে অহা-যোৱাকৈ উৎসাহ দি থাকে; এপালীয়ে খোৱা বস্তু যোগায়; এপালীয়ে ধেনু কাঁড় দি ফুৰে আৰু এপালীয়ে মানুহ-বোৰে কি কৰিছে-কি-নাইকৰা চাই থাকে। মুখৰ শাৰীত থকা মানুহৰ হাতত দুঝাপ-দুঝাপ হিলৈ, ঢাক, জোং। পালীত থকা মানুহৰ গাত গাইপতি কাঁড় দুচক (৩২ টা), টোণ দুটা, ধেনু এখন, জোৰ দুগছ, বাৰু এখন, গাতলোৱা চাকতলীয়া (চাল) এখন, বৰ ডাঠা, আগত মঘা আৰু চাকতলীয়া। এই প্ৰকাৰেই উত্তৰ পাৰৰ খাহ-বুৰুজলৈকে সকলো মানুহ মতাই (যতাই) ৰাখিলে।

বৰফুকন স্বয়ং থাকিল আন্ধাৰু বালি আৰু ইটাখুলিত (শুক্ৰেশ্বৰত?)। তাৰপৰা বৰফুকনে নিজে হাতত ধনু-তৰোৱাল লৈ মূৰত ৰণুৱা টুপী পিন্ধি পালীৰ মাজত পাক-দি---পাক-দি ঘূৰি ফুৰে। সেই অনুক্ৰমে, ফুকন-বৰুৱা-ৰাজখোৱা-শইকীয়া-হাজৰীকাই নিজা নিজা পালীত ৰণ-টুপী, ৰণ-ঘোঁৰা, তৰোৱাল, ধনু; বৰছা লৈ ঘূৰি ফুৰিছিল। "গোহাঞিবোৰেও এই বুলি কৈ ফুৰিছিল---শত্ৰুৰ আড়ম্বৰ শুনি ভয় খাবৰ সকাম নাই। লাওফুল ফুলোঁতে চিকণ দেখি, সবোতে একেতিলেই সৰে।"

বৰফুকনে সেই বেলা ডাঁৱৰ বাতৰি ভাঁড়ে লৈ আছিল। ৰাম-সিংহ ক'লৈ গৈছে---কি কৰিছে আমাৰ চেংধৰা পঠিয়াই সেইবোৰৰ ভু-ভা তলে-তলে লৈ আছিল। হাজোৰ ৰাজেন্দ্ৰ চক্ৰৱৰ্ত্তীক বিচাৰি আহোঁতে সেই সময়তে, আমাৰ চকীয়ালৰ হাতত বঙালৰ হেঙেৰা-বৰীয়া লষ্কৰ সিন্দূৰীঘোপাত ধৰা পৰে। তাৰ মুখে ৰামসিংহৰ সবিশেষ বাৰ্ত্তা পালে। সিয়েই কলেহি যোলে, "আমাৰ তৰপে-তৰপে পৰ্ব্বত, তাৰ ওপৰত শাৰী-শাৰী গড়, চক্ৰাকৃতি ব্যূহ, ঘোঁৰা-সৰকিব নোৱৰা চেপ্ আৰু ঠেক "ময়দান" দেখি ৰামসিংহ অলপ থমক খাইছে। তথাপি, লোকক দেখুৱাই তেওঁ আমাৰ যুদ্ধ-সজ্জা প্ৰশংসা নকৰি থাকিব পৰা নাই।" ৰামসিংহৰ বল-উৎসাহ যে হ্ৰাস পাইছে---এই কথাৰপৰাই বিশ্বাস কৰি লাচিত বৰফুকন শত্ৰুৰ সমুখ হবলৈ নিৰ্ভয়-মনে সন্তুষ্ট হৈ থাকিল।

১৫৯১ শকৰ বহাগৰ আঠ দিন গৈছে, এনেতে সসৈন্যে ৰামসিংহ শৰাইঘাটৰ সমুখত ওলালহি। আমাৰ বিহুৱলীয়া সৈন্যও হুই আৰি ওলাই গ'ল। গৈয়েই, পোনেই পানীবাটতে মজুৰ খাঁৰ নাও-নাৱৰীয়াবোৰ

আগচি ধৰিলেগৈ। তাৰ পিছত, দাঁতিয়ে-কাষৰে থকা শত্ৰু-ছাউনী-বোৰ আক্ৰমণ কৰিলে; সিন্দুৰীঘোপাত জৰপুৰ হেঁচা দিলে কোচ-বেহাৰৰ ঢালী কাঁড়ীখিনিক; দক্ষিণে বেড়িলে আলিবকৰখাঁৰ ফৌজক আৰু ঘাই ঠাই শৰাইঘাটৰ সন্মুখে ধৰিলে স্বয়ং ৰামসিংহক। সেই যে যুদ্ধৰ চুৰু হল, সেই দিনাৰপৰা ব'হাগ, জেঠ, আহাৰ আৰু শাওনৰ এক পক্ষলৈকে---প্ৰায় চাৰিমাহ কাল অবিশ্ৰান্তভাৱে যুদ্ধ চলিল। ৰামসিংহই গড়ৰ খাবৈত হিলৈ পুতি, গড় উকৰাই দিবলৈ প্ৰাণপণে নেৰানেপেৰা চেষ্টা কৰিছিল, কিন্তু, পানী হলত, সকলো মিছা হল। তাৰ হিলৈ-খাৰ তিতি সেমেকি তাতেই নষ্ট পালে। আমাৰ কাঁড়গুলীতে বঙালৰ বিস্তৰ মানুহ মৰিল। পিছ দিনা আকৌ গড় পাৰ হবলৈ অহাত, ঘোৰতৰ যুদ্ধ লাগিল। একোপধ্যেই, গড় পাৰ হবৰ উপায় নেদেখি সুচতুৰ ৰামসিংহই ইপাৰে দুটা সিপাৰে দুটা সুলুং (সুৰুঙ-গাত) খান্দি বাখৰ ভৰাই থলে। দৈৱাৎ ৰাতিয়েই বৃষ্টি হল। পানী সোমাই সুলুঙৰ বাখৰ তিয়াই পেলালে। এইটি ছিদ্ৰ পায়েই অসমীয়া সেনাই বৰতোপৰ আগত অগণন মোগল-সেনা উকৰাই পঠিয়ালে। ৰামসিংহৰ আশাৰ ওপৰত ৰামটাঙোন পৰিল। শৰায়েদি অসমৰ খোপনি লৰাব নোৱাৰি, বঙালহঁত দক্ষিণপাৰে পাণ্ডুত লাগিলগৈ।

পাণ্ডুত আমাৰ যি গড় আছিল বঙালে তালৈকে পোনাই ৰাঙলী-বুৰুজৰ তলে সিন্ধি খানি জুই লগাই দিলে আৰু "গাঁতৰ জোখাৰে এগছ জামুকি মাৰি খাৰৰ প্ৰমাণ কৰি চালে। তিন দিনে পুৰি এঁতালে। পিছে, ৰাঙি-মুখৰ গাঁতত জুই দিলে---তিন দিনৰ অন্তৰে খহিব বুলি। গড় খহিলেই, সেই পোনে বঙালৰ ঘোঁৰা-বণুৱা পাৰ হবলৈ সাজু হৈয়ে আছিল। কিন্তু গড় নখহাত পাৰ হব নোৱাৰিলে। আকৌ খাৰ দি গাঁতত জুই লগাই চালে, সেই বাৰো মাটি সেমেকা দেখি খাৰত জুই নেলাগিল।" তিনিবাৰে নিবাৰ বুলি আকৌ এবাৰ জুই লগাই চালে। এইবাৰো নুপুৰিলে। তাকে দেখি, আমাৰ পলীয়া-সব নিশ্চিত হৈ বহি থাকিল। ভাবিলে, বঙালে কি গড় খহাব? কিন্তু উমাই-উমাই জুই লাগিলত পাঁচ দিনৰ মূৰত পাণ্ডু গড়ৰ ২১ বেক্ৰো গড় খহি প'ল। সেই পোনে লুথুৰি চেতিয়া ৰাজখোৱা আছিল।

গড় খহি ৰাজখোৱাইসেতে পলীয়া মানুহবোৰ পোত খালে। পিছে শব্দ উঠি ধোঁৱাবৰ দেখি হুৰহুৰ কৰে ঘোঁৰাই-মানুহে গড়ত উঠি বঙাল খেদি আহিল। "সেই বেলা দৈৱবশে কিঞ্চিত বৃষ্টি কৰি বতাহে পছিমলৈ খাবৰ ধোঁৱা বলাবলৈ ধৰিলে।" কুকুৰা বতাহত গোটেইখন ধুঁৱলী-কুঁৱলী হ'ল। ধোঁৱাৰ আঁৰতে পোত-খাই থকা লুথুৰি ৰাজখোৱা ওলাই আহিল।

শেনচকুৱা বৰফুকনে, চোৰাংচোৱাৰ মুখে সকলো অৱস্থা বুজি আগৰেপৰা মানুহ-দুনুহ, আহিলা-পাতি, বুন্দমাটি, ঘোঁৰা-শলখা ঠিক কৈ থৈছিলেই—গড় ভাগিলে বা ভাঙিলে তৎকালে তাক তৈয়াৰ কৰিবলৈ। ধোঁৱা বলি থাকোঁতেই, সকলোৱে উটাপুটাকৈ হাতে-পাতে ধৰি গড় বান্ধিবলৈ লাগিল। এফালে লুথুৰি ৰাজখোৱাই যুদ্ধ কৰি বঙালক ভেটি ৰাখিছে, আৰু, ইফালে বৰফুকনে চাওডাং, দোলাকাষৰীয়া টেকেলা পঠিয়াই গড় বান্ধিবলৈ মানুহ লগাই দিছে। এনে হুৰমূৰকৈ হজুৱা-ৰণুৱা এটাইবোৰ উবুৰি খাই পৰা দেখি বৰ-ফুকনে "পাছলৈও লাগে" বুলি কৈ, আদখিনি মানুহ কামৰপৰা এৰুৱাই অনালে। তেহে, গোহাঁই-ফুকনসকলে ভৰ দি যুদ্ধত ধৰিছে। সকলোৱে গাইপতি "ভাঙৰ মাৰ দিলত" বঙাল উঠিব নোৱাৰি হুঁহকি গ'ল। "পাচ্চাই লোককো বিস্তৰ কাটিলে।" গড়ো পূৰ্ব্বৱৎ কৰিলে। আদখিনি মানুহ এৰুৱাই অনা বাবে লাচিতলৈ জনচাৰেক গোহাঞি-ফুকনৰ কুষাৰি ভাব উপজিছিল। সেই গুণে, বুঢ়াগোহাঞে-ফুকনে সমালোচনা কৰি বাঁহবৰীয়া ৰামকৃষ্ণ কটকীক পঠিয়াই স্বৰ্গদেৱ চক্ৰধ্বজ সিংহক নিঃশেষ বাৰ্ত্তা জনালে। কটকীৰ মুখে বঙালে ২১ বেঁও গড় খহোৱা শুনি স্বৰ্গদেৱ খঙতে গৰ্জি উঠিল, বোলে, "২১ বেঁওকৈ গড় খহিছে, সেই পোনে নেকি বঙাল নুঠি আছে?" ৰজাৰ খঙৰ গাজনি আহি গুৱাহাটীত মাৰ যাবলৈ নৌ পাওঁতেই তৎকালেই গুৱাহাটীৰপৰা কৌপটীয়া কটকীক পঠিয়াই "গড় পূৰ্ব্বৱৎ" হ'ল বুলি ৰজাক আশ্বস্ত কৰা হ'ল। তথাচ সেই কুষাৰি ভাব ৰখা সেনাপতি কেইজনৰ মনৰ কপট নুগুচিল।

মৰি মৰ-জাহ দিও পাণ্ডুত একো কৰিব নোৱাৰি ৰামসিংহই পুনৰ শৰাইঘাটৰ ফালে চাল ললে। এইবাৰ ৰামসিংহৰ সংগ্ৰামশীল ৰাজপুত সেনা সোপাই মৰেঁা-জীউ সোঁ-আধিকৈ লাগিলহি। বৰফুকনৰ

কাঁড়ী-ধাৰুৱতি-ধনুধাৰী-হিলৈদাৰীও সকলো আগবেশৰা বঙালক ধৰিম-ধৰিম বুলি সাজু হৈয়ে আছিল। ৰামসিংহৰ সৈন্য সোমোৱাৰ ফুট পায়েই আমাৰ সেনাই পৰ্ব্বতী গড়ৰ ভিতৰৰপৰা কামায়ণ, তোৱা, পহলঙী, আৰু বৰতোপৰ জাউৰীয়ে জাউৰীয়ে গুলী বৰষিবলৈ ধৰিলে। দুয়ো দলৰ ভিতৰত দুৰ্ব্বাদল যুদ্ধ হ'ল। আচানত পৰি মোগলৰ "অলেখ পালোৱান যুঁজাক বাগৰি পৰিল।" মৰণক ইতিকিং কৰি চাৰিজন সৈনিক গড়ৰ ওপৰত উঠিছিলগৈ। আমাৰ দা-ধৰীয়াই সিহঁতক কাটি মূৰ ছিঙি পঠিয়ালে। কোঁচ ৰজাৰ কবি-কিশোৰৰ সেনাখিনিও মৰি নিশেষ হ'ল। মফুৰ খাঁৰ নৌ-সেনাও পানীদুৱাৰ এৰি হুঁহকি গ'ল।

কেউফালে ঘাটি আহি, গুৱাহাটীকে আক্ৰমণ কৰি কাঢ়ি লবৰ মনেৰে ১৫৯১ শকৰ ১১ চ'তৰ দিনা আগীয়াথুৰিত মোগল সেনা থুপ খালেহি। এই ঠায়েই ৰামসিংহৰ শেষ খোপনি বুলি লাচিতে বড়িয়াকৈ বুজিছিল আৰু এইটোও বুজিছিল যে আগীয়াথুৰিৰ যুদ্ধয়েই অসমীয়া জাতিৰ ভৱিষ্যত-ভাগ্য নিৰ্ণয় কৰিব। আগীয়াথুৰিয়েই গুৱাহাটীলৈ সোমোৱা একমাত্ৰ দুৱাৰ। ইয়াত ভেটা দিব পাৰিলে হে যে গুৱাহাটী ৰক্ষা পৰিব—এই কথাও তেওঁ নুবুজাকৈ থকা নাছিল। এইবোৰ সাতে-সোতৰে লাচিতে আগীয়াথুৰিৰপৰা গুৱাহাটী সোমাব নোৱাৰাকৈ গড় এটা বান্ধিবলৈ মোমায়েকক আদেশ কৰিলে। সেই ৰাতিৰ ভিতৰতে গড় বান্ধি উলিয়াব নোৱাৰিলে অসমীয়াৰ ফালে পতং হ'ব আৰু মোগল-পদানত নোহোৱা বাবে অসমীয়াৰ যি গৰ্ব্ব-গৌৰৱ আছে সিও চিৰকালৰ নিমিত্তে ভস্ম হৈ উৰি যাব। সেয়ে হ'লে সোণৰ সঁফুৰা অসম দেশত বৈৰী বঙাল টিঘিলঘিলাব। এইবোৰ আগ-পাছ গুণি, তত্তাতৈয়াকৈ গড়টো নো বন্ধা হৈছে নে নাই, বৰফুকন নিজেই চাবলৈ ওলাল।

গধূলি বেলিকা ঘোঁৰাত উঠি বৰফুকন ষক কাম চাবলৈ। চায়গৈ দেখোন, ৰাতিটোত সম্পূৰ্ণ হ'বলগীয়া গড়টোৰ চাৰি ভাগৰ এভাগেই তেতিয়ালৈকে হোৱাই নাই। ফুকন খঙতে ঘৃতাহুতি হ'ল আৰু এনে লেহেমকৈ কাম কৰাৰ কাৰণ সোধাত মোমায়েকে ক'লে, "বোপা দেউতা, দিনে নিশাই কাম কৰি-কৰি মানুহ ভাগৰতে লালকাল, আৰু কিমান কৰিব?"

"ওঁ, আৰু কিমান কৰিব ?" এই বুলি খাপৰপৰা সাউৎ কৰে তৰোৱালখন উলিয়াই, "মোৰ দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি তৎকালে বৰফুকনে মোমায়েকক কাটি দুডোখৰ কৰিলে। বৰফুকনৰ অমূর্ত্তক খং দেখি পলীয়া মানুহবোৰ কাকতীফৰিং-পৰা-দি গড় বান্ধিবলৈ উবুৰি খাই পৰিলহি। আৰু নিশাৰ ভিতৰতে গড় তৈয়াৰ হৈ উঠিল।*

পিছ দিনা তাতেই থৈয়া-নথৈয়া যুঁজ আৰম্ভ হ'ল। "পাল্চাই লোক" আৰু "ৰাজপুত সেনাৰ" ভিতৰত কোনে আগ হৈ গড় ভেদ পাৰে তাৰ অৰিয়াঅৰি লাগিল। বাঁহকাটৰ ঠাঠ্‌ৰা (ঠাট) লৈ "পাল্চাই লোক" আগ হ'ল আৰু পাছফালৰপৰা হয় হে ৰাজপুত সেনাই কাঁড়-গুলী মাৰে, ঠাঠ্‌ৰাত পৰি লাগি ধৰে—সৰকি নেযায়গৈ। ফেৰিয়া-ফেৰিত নলগা সৈনিক কিছুমান সিফালে গড়ৰ তচবত চন্দা মাছৰ দৰে বিৰ দিবলৈ লাগিল। ৰামসিংহৰ বছা-বছা অশ্বাৰোহী-পদাতিক সৈন্যও কেঁচা মৌৰ দৰে জিকাৰি আছিল। তথাপি, গড়ত উঠিবলৈ কাৰো সাহ নহ'ল। আমাৰ সৈন্যৰ ৰণচালি আৰু পৰ্ব্বতীয়া গড়ৰ ওপৰত বৰতোপৰ শাৰী আৰু বৰতোপ-সজোৱা গড়-গতি দেখি ৰাম-সিংহৰ মন কোঁচ খাই গ'ল আৰু বেজাৰ অপমানত মৰাৰ তুল্য হৈ তাৰঙ্গৰা উজতি আহি দলিবাৰী পচৰিয়াত কোঁঠ মাৰি ৰ'লহি।

তেতিয়া ভৰ বাৰিষা ; দলিবাৰী-পচৰিয়া আৰু আগীয়াথুৰি পৰ্ব্বতৰ চাৰিউপিনে ধলপানী। ৰামসিংহক আক্ৰমণ কৰিবলৈ এইটিয়েই বৰ বঢ়িয়া চল—এই বুলি ঘোঁৰা-কোঞ্চৰে বৰফুকনৰ কাণ ছোৱালে। বৰফুকনে কিন্তু সেই কথালৈ কৰ্ণপাত নকৰিলে ; নকৰি, উজতি ধৰি আকৌ হাক্ হে দিলে, বোলে, "কেঁচা বৰলক জোকাই মৰিব দিছ নে ?"

বঙালক ধৰিবলৈ বৰফুকনে থেৰোগেঁৰো কৰিছে বুলি শুনি স্বৰ্গদেৱে টানি আদেশ দি পঠিয়ালে বোলে ৰামসিংহক যেনেতেনে মতে তাৰপৰা ভাতি পঠিয়াবই লাগে। ৰজাৰ আজ্ঞা পেলাব নোৱাৰি জাচিতে বহুত সৈন্য-সামন্ত ৰণলৈ উলিয়াই পঠিয়ালে। ৰণস্থলী হ'ল আলাবৈ-পৰ্ব্বতৰ কোষ। তাতে সকলো সমবেত হৈ কোন বাটে নাও আগ কৰিব, কোন বাটে গৈ ৰামসিংহৰ কোঁঠত জাক পেলাব—

---

* এই গড়েই পিছলৈ মোমাইকটা গড় নামে প্ৰসিদ্ধ হ'ল।

ইত্যাদি উপায়-বুদ্ধিৰ আলচ কৰি থাকোঁতেই, বিনা মেঘে বজ্রাঘাত হ'ল—পানীবাট ভেটি তিনি শ মঞ্চপদাৰ তুৰুকহোৱাৰী আৰু ৫০টা অশ্বাৰোহী চিপাহী আহি আমাৰ সেনাক হৰমূৰকৈ কাটি পেলালেহি। তুৰুকহোৱাৰীহঁত ইমান বায়ুবেগে আহিছিল যে আমাৰ মানুহে গম পোৱা দূৰৈৰ কথা, স্বয়ং ৰামসিংহয়ো তৎ ধৰিব নোৱাৰিছিলে। ঘোঁৰাৰ গচক আৰু তৰোৱালৰ ঘাপত সেই দিনা সেই মুহূর্ত্তে আমাৰ দহ হেজাৰ মানুহ মৰিল। যি সাৰিল, সিও গড়ৰ ভিতৰ সোমাই পেপুৱা লাগিল।

সেইদিনা দোপগড়তে বহি, বৰফুকনে মূৰে-কপালে হাত দি বৰ বেজাৰ কৰিবলৈ ধৰিলে বোলে, "আমাৰ একো-একোটা সেনা একো-একোটা হাতী। তাৰ ঘাটি হয় বুলি হে আমি আগ পাছ চাওঁহঁক। কেইখন ডাঙৰ যুঁজ হৈ গ'ল, তাতো আমাৰ ইমান মানুহ নমৰিল। আজি অকাৰণ কথাতে অতবোৰ সৈন্য মৰি খাচ্ হ'ল।" এই দুখৰ বাতৰিটো লাচিতে ৰজালৈ জনাব খোজাত বাঁহগৰীয়া বুঢ়াগোহাঁয়ে এই বুলি বাৰণ কৰিলে, "বাৰীৰ ভিতৰত পুখুৰী এটা সিঁচিলেও ৮।১০ টা মানুহক শিঙী মাছে ফুটে। এখন ৰণত, বিশেষকৈ মোগলৰ নিচিন শক্তিমন্ত শত্রুৰ ৰণত ৮।১০ হেজাৰ মানুহ মৰিল, মৰিল, সিও নো এটা কথা নে? তাকে আকৌ স্বৰ্গদেৱক জনাব লাগে নে?

বুঢ়াগোহাঁইৰ বুঢ়া-পৰামর্শই শান্ত্বনা দিয়াত সেই কথা ৰজালৈ নজনাই দিনচাৰেক তাপ মাৰি থাকিল।

আলাবৈত্ত আক্রমণ কৰি জিকি, ৰামসিংহই দৰঙৰ ফালে চোঁচা ললে। কিন্তু, আগবাঢ়িব নোৱাৰিলে; পর্ব্বতীয়া কুৰ-কুৰুঙত সুমুৱাই দৰঙীয়া মানুহে বঙাল-সেনাক কাটি নেক্সানেফ্ কৰিলে। হুঁহকি ৰামসিংহই আকৌ দলিবাৰীত সোমালহি। বাধা-বিঘিনিৰ বাবে কেনিও আগ বাঢ়িব নোৱাৰি "আম কৰ, খাব, তেবেসে অসমৰ সুজান গড় মাৰিব" বোলা কথা এষাৰ যে তেওঁৰ উপৰিপুৰুষ সকলে কৈ গৈছিল, সেই কথালৈ তেতিয়া ৰামসিংহৰ মনত পৰিল। ভাবিলে—কথা সঁচা, দুই মাৰি এবছৰ বা দুবছৰতে অসম জয় কৰা অসম্ভৱ—দুৰ্জ্জয় গড় ভেদ কৰি অসম দেশ মাৰিবলৈ হলে নাই-নাই বুলিও আঠ-বছৰ বাট চাব লাগিব। আঠ বছৰে আয়োজন কৰি হে অসমৰ সন্মুখে আহিব পায়। ইমান দিন আটক ঠাই দলিবাৰীত্ত থকাতকৈ বঙা-

মাৰ্টিলৈ গৈ তাৰপৰাই পুনৰ যুদ্ধ আয়োজন কৰা ভাল হ'ব বুলি ৰাম-সিংহে ঠিৰাং কৰিলে। কিন্তু সেই সময়ত কোঠ এৰি যোৱাটো কাপুৰুষৰ কাম হেন ভাবি চেঁচামুখ-দলিবাৰীতে হাট-বজাৰ পাতি থাকিবলৈ ললে।

এনেতে দিল্লীৰপৰা সমাচাৰ আহিল যোলে, ৰামসিংহৰ পুতেক কৃষ্ণসিংহক পাচ্চাই বাঘেৰেসৈতে যুঁজাই মৰাব খুজিছিল, ভাগ্যে বাঘে মাৰিব নোৱাৰিলে। মাকেও লেখিলে, "অনেক ৰাজ্য মাৰি পাচ্চাৰ তললৈ আনি দিলা। ইমানবোৰ যশস্যায়ো তোমাক নুজুৰিলে; অসম জয় কৰি এতিয়া আৰু আয়ু বঢ়াব নেলাগে। নেজানে নে পূৰ্ব্বদিশত নামধৰ্ম সততে প্ৰৱৰ্ত্তিছে। মজুম খাঁ (মিৰজুম্লা) গৈছিল নহয়, কেইদিন থাকে? গো-ব্ৰাহ্মণ-বৈষ্ণৱ কুশলে থাকক, সোনকালে তাৰ-পৰা গুচি আহাঁ।" ইয়াত অমাত্যবৰ্গেও ক'লে, "তুমি ঔৰঙ্গজেব পাচ্চাক যত উপকাৰ কৰা মানে, তথাচ ভাল নাই। এতিয়া ৰঙ্গা-মাটিক যোৱা ভাল।"

তথাপি, ৰামসিংহই সকলোৰে সৈতে পৰামৰ্শ কৰি চালে। চাই দেখিলে, যুদ্ধ কৰি গুৱাহাটী লব পৰা আশা সমুলিকে নাই। মিত্ৰ-ভাৱে লব পাৰিলেহে মাকৰ উপদেশ আৰু পাচ্চাৰ আদেশ সমানে পালন কৰা হব। ইয়াকে স্থিৰ কৰি, তেওঁ পণ্ডিতৰায় কটকীক বৰ-ফুকনৰ ওচৰলৈ পাচিলে, বোলে, "বৰফুকনত কৰি, গড়ৰ যি কাম কৰিছে, তাৰ হুই তিনি লাখ টকা দিওঁ। অসুৰৰ আলি-বৰনদী সীমা কৰি মোমাই তামুলী—আলিয়াৰখাঁই যি সীমা নিৰ্বন্ধ কৰি গৈছে সেই নিৰ্বন্ধতে থাকি গুৱাহাটী ছাড়ি দিয়ক। ৰূপৰ সোণৰ খুঁটা পুতি দুইজনে নিৰ্বন্ধ কৰোঁ, ইয়াক চন্দ্ৰসূৰ্য্য থাকে মানে কোনে লবায়? মোক গুৱাহাটী ছাড়ি দিয়ক। চৈয়দ পিৰোজ খাঁৰ বেটাক আৰু চৈয়দ চালাক এৰি দিয়ক। আত কৰি (ইয়াতকৈ), যদি মই অধিক খোজোঁ, বঢ়াকৈ বোলোঁ, এই হাতৰ তৰোৱালে কাটিব; এই পৰমেশ্বৰীয়ে মোক খাব; আৰু কাঠৰ মুক্তামণি হাতেধৰি বোলে, এই মহালক্ষ্মীয়ে মোক এৰিব আৰু উৰ্দ্ধপুৰুষসকল নৰকগামী হব। এই কথাত যদি সঙ্গাত নাযায়, তেবে লোহিতৰ মাজত মাধ গোসাঞি আছে, মনিকূটত শপত কৰিম। বৰফুকনে যদি এই কথা মানে, তবে যাকে খোজে তাকে দিম।"

দহ হেজাৰ মানুহৰ মৃত্যুত মৰ্ম্মাহত হৈ থকা লাচিত বৰফুকনে ৰামসিংহৰ অপ্ৰত্যাশিত আশ্বাস আৰু সত্যশপতত প্ৰত্যয় গৈ, গুৱাহাটীখন এৰি দিবলৈকে ইচ্ছা কৰিছিল। কিন্তু, কথা-গৰকা বাঁহ-গৰীয়া বুঢ়াগোহাঞি আতনে গহীনে-গম্ভীৰে মাত লগালে, "আমি গুৱাহাটী এৰি পাও (ভৰি) দিম ক'ত? ৰামসিংহৰ নিৰ্বন্ধ হাইৰ আলি। তেওঁৰ শপত যে পতিয়াব খুজিছা, তেওঁ জানো পাচ্চা? ৰামসিংহৰ কথাত জানো পাচ্চা ব'ব?" ৰজাদেৱেও এই কথাতে ভৰ দিলে আৰু গুৱাহাটী এৰি দিয়া কথা একেবাৰে তল পৰিল।

আকৌ সৰু সুৰাকৈ খনদিয়েক যুদ্ধ আৰম্ভ হ'ল। এনেতে, "মহাৰাজ চক্ৰধ্বজৰ জলসাৰ ব্যাধি টান কৰিলে। নৰিয়া টান হলত, ভায়েক তিপাম ৰজাক আনি বোলে, ভগা ৰাজ্যখনক এক বৎসৰতে উৎসাহত জীউ বঢ়াই, চৈয়দ পিৰোজক খেদাই থান্-থান্ গুৱাহাটী লোৱা হ'ল। পুনৰ্ব্বাৰ ৰামসিংহেৰে লাগিছে। এনে সময়ত হৰি মোক দণ্ডে! এতেকে, ই ৰাজ্যভাৰ তোমাক দিলোঁ।" ভাদ, ১৫৯১ শক।

চক্ৰধ্বজ সিংহ স্বৰ্গী হ'ল। ভায়েক উদয়াদিত্য সিংহ 'স্বৰ্গদেৱ' হৈ ৰাজপাটত বহিল। এজন ৰজাৰ বিহীনে আন এজন ৰজা হোৱাত, ৰাজ্যত পয়মাল লাগিছিল যদিও, বঙালৰ লগত অবিৰাম যুদ্ধ চলি থকাত একো বিজুতি হবলৈ নেপালে। অৱশ্যে উভয় পক্ষৰ কটকী চোৰাং-চোৱা অহাযোৱা কৰিয়েই আছিল।

ৰামসিংহই ছল-চক্ৰান্তেৰে গুৱাহাটী লবলৈ বুধি সাজি, আমাৰ কটকী মাধৱচৰণৰ হাতত তিনি লাখ টকা আৰু হীৰামুকুতাৰে হাৰ এডাল বৰফুকনলৈ ভেঁটী দি পঠিয়াইছিল। ফুকনক বৰাই-বুজাই গুৱাহাটীখন এৰি দিবলৈ মান্তি কৰোৱাটোৱেই আছিল ভেঁটী পঠিওৱাৰ ঘাই উদ্দেশ্য? ক'ৰবাত মন কোমলে বুলি ফুটমনিয়াৰ মাধৱচৰণে বৰফুকনক সেই উপহাৰৰ ফুটকে জানিবলৈ নিদিলে। নিৰুপায় হৈ, ৰামসিংহই চেঁচামুখৰপৰা ব্ৰহ্মপুত্ৰইদি উজাই দক্ষিণপাৰৰপৰা গুৱাহাটী আক্ৰমণ কৰিবলৈ সঙ্কল্প কৰিলে।

১৫৯২ শকৰ ভাদ মাহত, পাচ্চাই পঠোৱা ৰচিপ খাঁক নৌবাহিনীৰ সেনাপতি পাতি, আল্লাক বালিয়েদি নৌসেনাৰদ্বাৰাই গুৱাহাটী আক্ৰমণ কৰিবলৈ পঠিয়ালে। আগেয়ে চায়েস্তা খাঁৰ সঁজাতী আৰু ৰামসিংহৰ চোৰাংচোৱা পণ্ডিতৰায় আহোঁতে, আল্লাক-বালিয়েদি ঘোঁৰা তুলিব

পথা দল দেখি গৈছিল আৰু বৰফুকনৰ মৰিয়া বুলিও শুনিছিল। সেই কথাৰ ওপৰতে নিভৰ কৰি, সেই পোনেই ৰামসিংহৰ ৰণুৱা ঘোঁৰাসমূহ চলাই নিয়া হ'ল। কিন্তু পণ্ডিতৰায় ঘোৰাৰ পিছতে, ফুটমনিয়াৰ লাচিতে যে ৰাতিক দিনকৈ ছয় শাৰী শালৰ খুঁটা পুতি তাতে নগা-চাৰিৰ বুকজ দি মাজত বালি ভৰাই আন্ধাৰুবালিত থিয়-গৰা বন্ধালে, ৰচিপ খাঁৰ নৌ-সেনাই সেই কথাৰ একো সম্ভেদকে নজলে বা নেপালে। তথাপি, নাও উজুৱাই আনিলে। আন্ধাৰুবালিত গড় পাৰ হব নোৱাৰি ভুৰীয়া পৰ্বতৰ কাষলৈ নাৱৰ ঠাঠ পাৰি নিলে। তাত থকা আমাৰ নৌ-সেনা হুঁহকি আহি, পানীফুকনৰ চকী অশ্ব-ক্রান্তত ৰ'লহি। আমাৰ মানুহৰ মন চুটি হৈ বয়বস্তবোৰ টোপোলা বান্ধি দুই-চাৰিজন পলাবলৈও ধৰিলে। বৰফুকনক ওলাবৰ নেদেখি লগৰ মানুহ কিছুমানে মিছাকৈয়ে বৌতি ফুটাই দিলে বোলে বঙাল আহি অশ্বক্রান্ত পালেহিয়েই। পানী-ফুকনৰ আদেশমতে উজাই অহা শত্ৰুৰ নাৱৰ ওপৰত হয় হে, বৰহিলৈৰ গুলিউৰা হ'ল, শত্ৰু নাও নুহুঁহকিল। পাণুত থকা হাজৰীকা জনে ব্যাকুল হৈ কৈ পঠিয়ালে, "ফুকন দেৱতা ওলাই আহক, নোলাব লাগিলে আমি আৰু নিগমে মৰিলোঁ।"

মানুহবোৰৰ মতি-গতি ভাল যেন নেদেখি, বৰফুকনে ঠেঁহ পাতি ঠেহেৰাই মাত লগালে, "এতিয়া মই নোলাওঁ। চিলা পৰ্ব্বতত চাৰি কৰা মাটি কিনিছোঁ। যাবৰ পৰ হলে এনেও যাম।

"সেইবেলা বৰফুকনৰ কাষ-বিৰলা হৈ নৰিয়া পৰি ঘৰতে খেনৰ বার্ত্তা খেনে লৈ আছিল।" দুই-চাৰি মানুহ ভাগিবৰ শুনি ফুকন খঙত গৰ্জ্জি উঠিল, বোলে, "বঙালৰ নো নাও কেইখন আহিছে, তাকে যে পানীদুৱৰীয়া ফুকন ৰাজখোৱা-হাজৰীকাবোৰে হোহোঁকাব নোৱাৰে, বঙালে ধৰি নিয়ে বুলি পাছ-হুঁহকি আহে! বঙালে নৌধৰোঁতে ৰজা নো ময়ে ধৰোঁ।" এই বুলি খৰজীৰ নদাইৰ গাত ধৰি লাচিতে নাৱত ভৰি দিলেগৈ। দিয়েই চায় দেখোন, ভুৰীয়া এৰি বঙাল আন্ধাৰু-বালিৰ পোন পালেহিয়েই; দুই-নাও-দুই-ভৰিত পৰি আমাৰ মানুহো দুই চাৰি ভাগিবলৈ ধৰিলে। এনে আতাইতাই বেলিকা, নাওবৈছা এটাই লাচিতক সুধিলেহি, দেউতাইশ্বৰ! বন্দীহঁতে নাও উজুৱাই দিম কি, কেনেকৈ দিম?" লাচিত বৰফুকনে খঙতে জুই-ছাই হৈ,

"কটা, বন্দী দৰৱীয়া! মোক উভুৱাই ক'লৈ পলুৱাই নিব খুজিছ? তেনেহলে, মই সি বাঘৰ পোৱালি নহওঁনে কি?" বুলি নাওবেহা-টোক হেংদান উলিয়াই কাটি ওলোটাই পেলালে। পাছে, বৈঠাহঁতক টঙনিয়াই দিবলৈ কৈ ৰাইজক শুনালে, "স্বৰ্গদেৱে মোক ইয়াত থৈছে, গুৱাহাটীখন মোগলে নপৰ্শাকৈ ৰাখিবলৈ। মই এতিয়া মোগলক গুৱাহাটী এৰি দি গড়গাঁৱলৈ যাম নে ল'ৰাতিৰোতাৰে সুখেৰে থাবলৈ? বঙালে মোক ধৰি নিয়ক। ৰাইজে উজাই গৈ সেই বাতৰি স্বৰ্গদেৱক দিয়কগৈ।" তাৰ পাছত, ক্ষন্তেক বৈ থাকি "দৰিয়াহঁত কি চাইছ? বঙালৰ মাজলৈ সোমা। সকলোবোৰ সাং হ'ল। বঙ্গহো কটা গ'ল।"——এই বুলি ডবিয়াব-হুঁকিয়াবলৈ ধৰিলে। বৰফুকনে এনেকৈ আক্ষেপ কৰি যেই উগ্ৰমূৰ্ত্তি ধৰিলে সেই স্বৰোদয়ত ক্ষণ মিলাৰ লগে-লগে বৰ-হিলৈ মাৰি বৰফুকনৰ সাতখন নাও বিজুলীসঞ্চাৰে বঙালৰ মাজলৈ মেলি দিলে। ফুকনক যোৱা দেখি, আমাৰ সৈন্যই দুয়ো পাৰৰপৰা জাউৰিয়ে জাউৰিয়ে বৰতোপৰ গুলী শোধাবলৈ ধৰিলে। সিমানতো, "অচমক বিমুখে ভঙাম" বুলি গগুপ মাৰি বঙালৰ নৌ সেনাপতি ৰচিপ্ (দ্) খাঁই আমাৰ ফাললৈ পিঠি দি বৰ আয়মেৰে টোৰোক-টোৰোক "হোঁকা টানি আছিছিল।" "অচমৰ" গুলী খাই থৰে থৰে 'হোঁকাৰ মুখেই' তেওঁ বৰ-লুইতৰ বুকুত সোমাল। তাৰ পিছত, যেয়ে যেনিয়ে পায় তেনিয়েই ফুকনক আগ কৰি নাও মেলি দিলে। নাৱেৰে ব্ৰহ্মপুত্ৰ চাক খাই পৰিল——শুৰি দিবলৈকে সন্ধি নোহোৱা হ'ল।

এনে কি, সেই সময়ত ব্ৰহ্মপুত্ৰ নাৱে-নাৱে ভৰি দিয়েই পাৰ হ'ব পৰা হৈছিল——যেন তৰে-তৰে খোজ কাঢ়ি যাবপৰা এখন মুকলি পথাৰ হে। বঙালৰ থৰ-কাছুটি হেৰাল। হুঁহকি পলাই যোৱা-বোৰকো নাওবেছাহঁতে আগভেটি ধৰি আনিলে। পলাই যাওঁতে হোলোকা-হোলোকে পানী সোমাই শত্ৰুৰ ভালেমান নাও-দুনি বুৰিল, তাত অনা ঘোঁৰাও পানী-তললৈ গ'ল। আমাৰ নাৱৰীয়াহঁতে উকিয়া-উকি কৰি উটাপুটাকৈ শত্ৰু-সেনাক মাথমাৰ দিবলৈ ধৰিলে। "মাৰ খাই কতক বঙালে বঠা এৰি নাৱৰ ভিতৰ সোমাই মাউথ দি ভাগি উটি গ'ল। বিস্তৰ বঙাল পৰিল। পাকত যিবোৰ পলাই সাৰিল তাহাঁতকো খেদি নি পাণ্ডুৰ নামত থৈ আহিলগৈ।"

ৰামসিংহৰ দম্ভ-অভিমান সকলো এই পানীযুদ্ধতেই চূৰ্ণীকৃত

হ'ল। আজ্ঞাকবালি-কাষত শৰাইঘাট-ৰণৰ যি যৱনিকা পৰিল তাতেই "অচমদৈ" অহা মোগল বাহিনীৰ "মোগলী ফন্দী" ফুঁতে উৰি গ'ল। আহোঁতে যেনেকৈ লাওফুল ফুলা-দি চিকণ হৈ ফুলি আছিছিল, আমাৰ পৰ্ব্বতী গড় সোমালত সেই ফুলৰ চিন মোকামেই নাথাকিল। হিন্দুস্থানৰ দৰে অসমকো মোগলময় কৰিবলৈ যি অভিসন্ধি পাতি লোৱা হৈছিল, সিও পাছৰ যুগৰ বহু কাললৈকে ঠিহিৰা লাগি থাকিল। বুঢ়াগোহাঁই আতনৰ শিলৰ খুঁটি যেন দূৰদৰ্শী পৰামৰ্শেৰে প্ৰভাৱান্বিত লাচিত বৰফুকনৰ নিঘুঁণী নেতৃত্বয়েই অসমৰ স্বতন্ত্ৰতা ৰক্ষা কৰিলে।

১৫৯২ শকৰ ২৩ চ'তৰ দিনা ৰামসিংহ চেঁচামুখৰপৰা উলটি ৰঙামাটি পালেগৈ। পূৰ্ব্বে, যি অসমীয়া মানুহক "পৰ্ব্বতৰ নিগনি" বুলি উলাই কিৰিছিল, সেই অসমীয়া সেনাকে এতিয়া ৰামসিংহই হাজোৰ মাধৱ দেৱালয়ত সেৱা কৰি উঠি তাৰ ঠাকুৰীয়া ব্ৰাহ্মণৰ আগত এই বুলি মুক্তকণ্ঠে প্ৰশংসা কৰিব লগীয়া হ'ল ঃ---

"বৰফুকন সামান্য লোক নহয়। যন্ত্ৰাকৃতি গড়; একো ঠাইত ছিদ্ৰ নেপালোঁ। প্ৰত্যেক অসমীয়া সেনাই নাও বাব প'ৰে, তোপ আৰু হিলৈ মাৰিব পাৰে। জল-স্থল সকলোতে সমান যোদ্ধা। এনে নিপুণ সৈন্য মই ভাৰতবৰ্ষৰ ক'তো নেদেখিলোঁ।"

সঁচাকৈয়ে ১৫৮৯ শকৰপৰা ১৫৯২ শকলৈকে এই চাৰি বছৰে শৰাইঘাটৰ ৰণত যি গৰাকী বীৰপুৰুষে অক্লান্ত পৰিশ্ৰম, অচল-অটল ধৈৰ্য্য আৰু দুৰন্ত সাহৰ যি অলৌকিক আহি দেখুৱাই থৈ গ'ল, সেই গৰাকী পুৰুষ লাচিত বৰফুকনৈৰ ভক্তি-গৌৰৱত আমাৰ মূৰ আপোনা-আপুনি দোঁ খাই আছে।

এই যুদ্ধৰ পিছতে অসমৰ সীমা মানাহলৈকে বঢ়াই হাদীৰাত চকী পাতি নগৰবেৰাত অসমৰ সীমান্ত-কোঁঠ নিৰ্ম্মাণ কৰা হ'ল। তাৰপৰা লাচিত বৰফুকন গুৱাহাটীলৈ আহিল; তাৰপৰা কলিয়াবৰ পালেহি; তাতে, ১৫৯৩ শকৰ বহাগৰ ৪ দিন যাওঁতে তেওঁৰ স্বৰ্গ-প্ৰয়াণ হ'ল।

লাচিত বৰফুকনৰ সন্মান, যশ, বুদ্ধি আৰু উপস্থিত বুদ্ধিৰ তুলনা নাই। মাজতে তিনি লাখ টকা লওক বুলি সন্ধিৰ প্ৰস্তাৱ কৰোঁতে ৰামসিংহই লাচিত বৰফুকনক এই বুলিহে সম্বোধন কৰিছিল ঃ---

"স্বস্তি সমস্তাবিকুল শুক্লাবণ্য দাস্তাশ্লিসদৃশ সকল দিগসুন্দৰী, কৰ্ণপুৰীকৃত কীৰ্ত্তিপুষ্পক, সকলশত্ৰু মস্তকমণিনিৰাজিত—চৰণকমল-যুগল স্বকুশল শতপত্ৰ প্ৰকাশৈকৈকাদিত্য সমস্তশা কৰ্ণক্ষালন সমীৰণ খলিত—প্ৰতাপানল ৰাজবল্লভতবেন্দু শ্ৰীমৎ বৰুৱাত্মজেষু ফুকনেসু।"

সেইজন ফুকনলৈ—যিজন শ্ৰীমৎ বৰুৱাৰ পুত্ৰ, যিজনক ৰজাই বৰ ভাল পায়, যিজন প্ৰতাপৰ অনল, যাৰ চৰণযুগলত শত শত পাহি পদুম ফুল ফুলি থাকে—যাৰ যশস্যা বেলিৰ পোহৰৰ দৰে চাৰিওপিনে বিস্তৃত হৈ থাকে, যাৰ প্ৰতাপৰ কথা সমীৰণে বোজা বান্ধি লৈ ফুৰে, শত্ৰুসবৰ মূৰত যি মণি থাকে, সেই মণিৰ পোহৰ যাৰ কীৰ্তিৰ কাষ পালে নিষ্প্ৰভ হৈ যায় অৰ্থাৎ পোহৰ নাইকিয়া হয়—যি শত্ৰুৰ প্ৰতি বিৰিণাত জুই জ্বলাৰ দৰে জ্বলি উঠিব পাৰে, সেইজন বৰবৰুৱাৰ পুতেক বৰফুকন লাচিতলৈ।

বৰফুকনৰ কটকী কৌপচীয়াই ৰামসিংহলৈ চিঠি নিওঁতে ৰাম-সিংহৰ আগত কৈছিল, "তোমাক আক্ৰমণ কৰিবলৈ স্বৰ্গ মহাৰাজৰ দেশৰপৰা তিনি লাখ প্ৰজা আহিছে। লাচিত বৰফুকন স্বৰ্গ মহাৰাজৰ চাকৰ হৈয়েই যেতিয়া এনেখন কৰিছে, বাকীবিলাকৰ বা কি? বিশেষতঃ ৰৰনৱাব বা বৰফুকনৰ আজ্ঞা স্বৰ্গ মহাৰজাৰ ঠাইত নচলে।" শত্ৰুৰ আগত কোৱা হ'লেও কটকীৰ এই কথাষাৰত অশেষ ৰাজনৈতিক মূল্য আছে।

ৰামসিংহই, "ভাই ফুকনে এইডাল পৰিধান কৰিব" বুলি কৌপচীয়া মাধৱচৰণ কটকীৰ হাতত যিডাল কণ্ঠাভৰণ দি পঠিয়াইছিল, সেই ডাল ফুকনে পিন্ধা নেদেখিলে। তেনেতে ৰামসিংহই কৌপচীয়া কটকীক সুধিলে, "ভাই ফুকনে দেখোঁ কণ্ঠাভৰণ নিপিন্ধিলে। মই পিন্ধিবলৈ হে দিছিলোঁ।" কৌপচীয়াই কলে বোলে ৰৰনৱাবৰ কি বস্তুৰ কমি? যেতিয়া যি ইচ্ছা, তাকে পৰিধান কৰে। কটকীৰ মুখে লাচিতৰ বিভূতিৰ কথা শুনি ৰামসিংহই সেই পিনে ভক্তলৈ মূৰ কৰিলে।

আজি লাচিতৰ ভিথিত সঁুৱৰিব লাগিব লাচিতৰ বীৰত্ব; চাব লাগিব লাচিতৰ বুদ্ধি; লব লাগিব লাচিতৰ স্বদেশপ্ৰেম; শিকিব লাগিব লাচিতৰ আত্মত্যাগ; অনুকৰণ কৰিব লাগিব লাচিতৰ চৰিত্ৰ-বল।

লাচিত ফুকনৰ দৰে স্বদেশপ্ৰেমত উদ্বুদ্ধ হ'বলৈ শিককচোন ; লাচিতৰ দৰে স্বাৰ্থত্যাগী, দৃঢ়সঙ্কল্পী, অধ্যৱসায়ী হ'বলৈ শিককচোন ; লাচিতৰ দৰে মাৰ বান্ধি জন্মভূমিৰ হে প্ৰাণ জলাঞ্জলি দিবলৈ শিককচোন। দেখিব—মৈদামৰ অতল তলিৰপৰা উঠি অহা আপোনাৰ দেশখনিয়ে নতুন চেতনা পাই জগতত কি অসাধ্য সাধন কৰে।

ওপৰঞ্চি

১৫৯১ শকৰ চ'তৰপৰা ১৫৯২ শকৰ চ'তলৈকে এই এবছৰ কাল চেঁচামুখ-দলিবাৰীতে ৰামসিংহ থাকে। তাৰ পিছত তেওঁ ৰঙামাটিলৈ যায়। তাৰপৰাই পুনৰ অসম আক্ৰমণ কৰিবলৈ ছিদ্ৰ চাই আছিল। বহুত দিন একো নকৰাকৈ থকা দেখি, ইয়াৰপৰা ৰাকানৱিচে (কাকতিয়াৰ) পঠিওৱা চিঠি পঢ়ি আওৰংজেব পাচ্চাই খং কৰি ৰামসিংহক পদচ্যুত কৰিব খুজিছিল। কিন্তু ৰামসিংহৰ সন্তোষজনক কৈফিয়ৎ পাই মনে মনে থাকিল।

আকৌ পাচ্চাৰ 'ফৰমান' আহিল বোলে "ৰামসিংহই ৰঙামাটিত থানা থাব, দিল্লীত হাত ধুব" ইমান 'জলদি' যাব লাগে। পাচ্চাই খৰকৈ যাবলৈ কোৱাত, ৰামসিংহ উলটি ১৫৯৭ শকৰ বহাগত দিল্লী পালেগৈ। অসমৰপৰা এই কেইজন সতীৰ্থ ৰামসিংহৰ লগতে গৈছিল—"কামৰূপৰ গকুলচান্দ বৰুৱাৰ দদায়েক ১, জয়ানন্দ কাননগুগ্নি ১, বাউসীৰ কামেশ্বৰ চৌধাৰী ১, বজালীৰ কন্দৰ্পেশ্বৰ চৌধাৰী ১, ক্ষেত্ৰিৰ কেহোৰাম পাটোৱাৰী ১, আৰু তেওঁৰ ভায়েক কৈল্যাণ।

ৰামসিংহ দিল্লীলৈ প্ৰত্যাবৰ্ত্তন কৰা বিৱৰণটি আজিলৈকে ছপা হোৱা অসমীয়া বুৰঞ্জীত ওলোৱা নাই। সেই গুণে, সেই হোৱাও পাঠকৰ মনোৰঞ্জনৰ অৰ্থে তুলি দিয়া হ'ল ঃ—

"পাচে ৰাজা ৰামসিংহে এই সকল মন্ত্ৰণা শুনি একবছৰ থাকি চৈত্ৰ মাহা সসন্যেসহিত ৰঙামাটিক ভটিয়াই গেল। পাচে ওৱাক্যানবিশে এই সকল অবাস্তৱ লেখি দিল্লীৰ ঠাইক পঠাই দিলে। এই কথা শুনি পাচ্চাই ক্ৰোদ্ধ হ'ল। ৰাজাৰ পঞ্চ হাজাৰি মঞ্চপ আছিল।

তাৰে দুই হাজাৰ গুচাই তিনি হাজাৰ ৰাখিছে আৰু সুধি পঠালে, বোলে, জয়সিংহৰ বেটা হই কি কাৰণে এনয় কুকৰ্ম্ম কৰিলি, নোৱাৰ যদি ক্ষিৰি আহ। এই শুনি ৰামসিংহই কৈ পঠালে, বোলে জয়-সিংহৰ বেটা হওঁ, মোৰ মনো কুকৰ্ম্ম কৰা নাই, ভাল হে কৰিছোঁ। অসমক বলে নোৱাৰোঁ বুলি, কাহানি কি কৈ পঠাইছোঁ? চুজান গড়, তৰপে-তৰপে, পৰ্ব্বতৰ গড়ও নদীৰ গড়। স্বৰ্গমহাৰাজাৰো লোক সামান্য লোক নহয়। এতেকে, পাচ্চাৰ লোক থাকিবাৰ ঠাই নাই, বিকট জাইগ্যা। এই কাৰণে ৰঙামাটিত থাকিছোঁ আহি। যেতিয়া ছিদ্ৰ পাম গড় মাৰিম। দাই নোপোৱা কৰি ৰণ কৰি লোক কটালে কি হব? তেতিয়া পাচ্চা মোক বেয়া বুলিব। অস্তব্যস্ত কৰিলে একো কাৰ্য্য সিদ্ধি নহয়। আৰু পাচ্চা মোৰ দো হাজাৰি মঞ্চ গুচালে। ইসব আছে, মোৰ আম্বেৰৰ ৰাজ্য থাকোক মাতৰ, সকল মঞ্চপ চালেও মোৰ কিছু হানি নাই। এতেকে, মোৰ আম্বেৰৰ লোক আনি যদি লব লাগে তেঞো অচমক মাৰি লম।" পাচে পাচ্চা ৰাম-সিংহৰ এই উত্তৰ শুনি ঘোঁৰা আৰু বটা-বাহন দি আশ্বাস কৰি পঠালে। বোলে, চুজান গড়, জিৰূপ জিৎ হই সেইৰূপ কৰিবি, বিলম্বক দোষ নধৰোঁ।

পাচে ৰামসিংহ এদিন চিকাৰক গ'ল। এনেতে পাচ্চাৰ ফৰমান আহি পালেহি। ফৰমানত এই লেখিছিল—বোলে, "ৰামসিংহে ৰঙামাটিত খানা খাব, দিল্লীত হাত ধুব।" পাচ্চা খৰকৈ যাব দিছে হেন দেখি, ৰঙামাটিক নাহি তাৰেপৰা দিল্লীত গ'ল। ৰঙামাটিৰপৰা তিৰী-তিৰোতা গৈ বাটত ছুৰি জঙ্গলত ৰামসিংহৰ লগ ধৰিলেগৈ। ১৫৯৭ শকত বৈশাগত ৰামসিংহ দিল্লীক গেল। ৰামসিংহৰ লগত কামৰূপৰ যোৱা গোকুলচান্দ বৰুৱাৰ দদায়েক ১, জয়ানন্দ কানগুজি ১, বাউসীৰ কামেশ্বৰ চৌধাৰী ১, বজালীৰ কন্দৰ্পেশ্বৰ চৌধাৰী ১, ক্ষেত্ৰিৰ কেহোৰাই পাটোৱাৰী ১, ভায়েক কৈল্যাণ। ৰজাৰ লগত এই সকল গৈছিল।

ৰঙামাটিৰপৰা যাই গল্লাত লোক পাৰ কৰিবৰ নিমিত্তে ৰাজমহলত ৪ দিন আছিল। তাৰ পাচে, পাটনাত বাপেক জয়সিংহৰ লগত ৪ দিন আছিল। তাতে পাচ্চাৰ ঠাই একেলগে আছিল। খাটিছিল মীৰ খাঁ নাম ৫০০০ হাজাৰি ৰাৱে। পাটনাৰ শি ৰজাক মেহমান

কৰালে। বিস্তৰ সাজবস্ত্ৰ দিলে। নাৰিকল, লং, জাঁইফল, এলাচি, ডালচেনি, কৰ্পূৰ, চোহৰাত, দ্ৰাক্ষা আনো ভাল ভাল দ্ৰব্য ৰবতৰ কাঁহীত ভৰাই, সোণৰূপৰ মলমা দিয়া কাপোৰ বেঢ়াকৈ দিছিলে। আৰু লং, জাঁ ফল, আনো তোফাৰ বস্তুক সোণৰূপ নিমিহলাই পতা কৰি দিয়া, তাক মেৰাই, গোটাগোটে দিছিল। ভাঙিলে প্ৰতিগোট সোণ গুৰি হয়, ঘোড়া-ছিতাবাঘ, বিলায়তি গৰু আনো বহমূল্য বস্ত্ৰ দিছিল। সেইবিলাক গৰু তলিতে ১০ সেৰ গাখীৰ পাই। ৰাজা সোণৰ সাজেৰে ৪টা ঘোঁৰা দিলে। মিৰ্জা যি চিতা বাঘ দিলে, পথত ৰাজা যাত্ৰোতে কৃষ্ণসাৰ হৰিণৰ চিকাৰক গৈছিল। পাচে হৰিণ দেখিলে, দূৰতে বাঘে খেদি ধৰে। তাৰপৰা ৰাৰাণসীয়ে গ'ল। ইলাহাবাদৰ নামে পাৰা গ'ল"—কোঁচবেহাৰ ৰাজগ্ৰন্থালয়ৰপৰা।

আবাহন, ১১শ বছৰ, ৩য় সংখ্যা, ১৮৬১ শক।

দেশদ্ৰোহী কোন - বদন নে পূৰ্ণানন্দ ?

এসময়ত, আমাৰ দেশত আমাৰ স্বতন্ত্ৰতা সম্পূৰ্ণ অক্ষুণ্ণ আছিল। এসময়ত, অমোঘগৰ্ভসম্ভূত মহাবাহু ব্ৰহ্মপুত্ৰ নদৰ বুকুৰ ওপৰত স্বাধীনতাৰ দীপ্তিমান দিনমণি হিৰণ কিৰণেৰে তিৰবিৰাই আছিল। পৰাধীনতাৰ পিঞ্জৰাত সোমাই গিৰিনদবেষ্টিত, দেৱৰো ঈপ্সিত নন্দনবনহেন দেশখনত মুক্তবায়ু কাক বোলে, কোনেও কাকো সুধিব লগীয়া নহৈছিল। একে লালীয়ে ছশ বছৰকৈ চলি থকা স্বাধীনতাৰ যুগ এটি ধ্বংস হ'ব বুলি কোনেও স্বপ্নতো ভাবিব নোৱাৰিছিল। কিন্তু, "নিয়তি কেন বাধতে ?" ৰাজ্যভ্ৰষ্ট হ'বৰ সময়ত ৰজা আৰু ৰাজবিষয়াবিলাকৰ মতিভ্ৰম হয়; অহঙ্কাৰ, ডাঙ্কোপ আৰু হতবুদ্ধিয়ে শ্ৰীবৃদ্ধিশালী দেশখনকো মৰিশালী কৰে। সেইদৰে, আমাৰো ইঘৰসিঘৰৰ মাজত খিয়লাখিয়লি, হিংসাহিংসি, চকুচৰহালি, কাপুৰুষালি আৰু ৰাজবিষয়াবিলাকৰ মাজত ক্ষমতাৰ অৰিয়াঅৰি হৈ থকাত স্বতন্ত্ৰীয়া যুগ এটি চকু চাওঁতেই ভস্মীভূত হৈ গ'ল। বুৰঞ্জী-পুথিৰ এইবোৰেই শিকনি। ৰাষ্ট্ৰীয় স্বাতন্ত্ৰ্য ৰক্ষা কৰি স্বাধীনতাৰ পাটকাই পৰ্ব্বতটো যিমান ওখ হৈ জিলিকি আছিল, সেই স্বতন্ত্ৰতা ধ্বংস হ'লত পৰাধীনতাৰ পাটনাদত পৰি সি সিমান দ-লৈ বহি গ'ল। এতিয়া আমাৰ সেই ৰামো নাই, অযোধ্যাও নাই। ৰাজবংশ আছে, ৰাজ্যবৰ্দ্ধনৰ শক্তি নাই। সমৃদ্ধি-সমল আছে, খুণ্ডতাৰৰ সামৰ্থ্য নাই। অস্তিত্ব আছে—সিও জড়। জড়ভৰত হৈ জীয়াই আছে মাথোন—ধাৰাবাহিকৰূপে গঠিত হৈ অহা দূৰ ভৱিষ্যতৰ মহৎ আকাঙ্খা এটি।

এনে অধঃপতনৰ হেতু বিচাৰি, উজাই গৈ শুৰিত এজন ৰাজপুৰুষেই আছিল বুলি সকলোৱে আঙুলিয়াই দিয়ে। ৰাষ্ট্ৰীয় স্বাধীনতা লুপ্ত হবৰ উপক্ৰম যদিও অলপ আগৰেপৰাই উত্তৰ, তথাপি এইজন ৰাজপুৰুষৰ গাতেই সকলো দোষ আৰোপ কৰা হৈছে। এওঁ হেনো ৰাজহন্তা, বিশ্বাসহন্তা, দেশদ্ৰোহী, সঙ্কীৰ্ণমনা, দেশৰ শান্তি সংহাৰকৰোতা আৰু শত্ৰুক আগমজহ-দেখুৱাওঁতা। এৱেঁই হৈছে বুৰঞ্জীবিখ্যাত বদনচন্দ্ৰ বৰফুকন। এজন দায়িত্বপূৰ্ণ বিষয়াক ইমানবোৰ

দূষিত বিশেষণেৰে কলুষিত কৰাৰ আগেয়েই স্বভাৱতে এটি প্ৰশ্ন উঠে, সঁচাকৈয়ে বদনচন্দ্ৰ বৰফুকন দেশদ্ৰোহী নে ?

নিৰপেক্ষভাৱে বুৰঞ্জীৰ পম খেদি গলে অসমৰ অস্তগামী সূৰ্য্যৰ শেঁতা পোহৰৰ তলত দুজন ৰাজপুৰুষৰ স্বভাৱ-চৰিত্ৰ, সন্ধি-অভিসন্ধি আৰু কাৰ্য্যকলাপে আপোনা আপুনি দেখা দিয়েহি। এজন সকলোৰে কোৱা বদনচন্দ্ৰৰ আৰু ইজন পূৰ্ণানন্দৰ। বদনচন্দ্ৰ বৰফুকন; ৰঙা-চিলা দুৱৰাৰ ঘৰৰ। পূৰ্ণানন্দ, ৰাজমন্ত্ৰী ;—কুৰৈঁগঞা বুঢ়াগোহাঞি ঘৰৰ। দুয়ো ঘৰ সিৰফুটা, দুয়ো ঘৰ প্ৰাচীন। কিন্তু কালৰ কি লীলা। বদনচন্দ্ৰই নাম পালে দেশদ্ৰোহী, অদূৰদৰ্শী কূটশাল আৰু স্বাৰ্থপৰ পূৰ্ণানন্দ হ'ল স্বদেশপ্ৰেমিক, চিন্তাশীল, কাৰ্য্যপ্ৰিয় আৰু অসা-ধাৰণ ৰাজনীতিজ্ঞ পুৰুষ—"যাৰ তুলনা দিবলৈ সেই সময়ত আৰু আন এজন পুৰুষ ভাৰতবৰ্ষত নাছিল।" অকল সেয়ে নহয়, তেওঁ "ৰাজতন্ত্ৰৰ পুনৰ জন্মদাতাও"। আয়ুবটবৃক্ষৰ ডালপাত শিপাঠেঙুলীৰ দৰে আজিও আমাৰ মনত এইবোৰ ধাৰণায়েই ছাটি ধৰি আছে। এনে ছাটনীৰে বান্ধ খাই থকা অৱস্থাত, ওলোটা সোঁতোতাকৈ এজনৰ চৰিত্ৰভূষণ ইজনৰ চৰিত্ৰ-কলঙ্ক বুলি কৰলৈ গলে বা দুয়োজনকে তাৰ সমভাগী কৰিবলৈ ওলালে, যৎকিঞ্চিত নহয় যৎকিঞ্চিত ধাৰণাৰ কট-কটিয়া ভেটিটিত ভুঁইকপৰ জোকাৰণি পৰিবই পৰিব।

ৰাজসভাৰ তিনি জনা ডাঙৰীয়াৰ ভিতৰত ডাঙৰীয়া বুঢ়াগোহাঞিও এজনা। বৰগোহাঞি আৰু বৰপাত্ৰ গোহাঞিৰেসৈতে পৰামৰ্শ কৰি এওঁ ইতৰ বিষয়া আছোক ছাৰি ৰজাকো ভঙাপতা কৰিব পাৰে। ৰণ হলে, স্বৰ্গদেওৰ আজ্ঞাৰে জকাইচুকীয়া নিজা বিলতীয়া সেনা আৰু ৰজাঘৰীয়া সৈন্য লৈ যুদ্ধলৈ যাব লাগে। মৰ্য্যাদাতো ৰজাৰ পাছতেই। দোষীক দণ্ড দিব পাৰে, কিন্তু কাটিব নোৱাৰে। এগৰাকী বুৰঞ্জী লেখকে কৈছে ঃ—বুঢ়াগোহাঞি ঘৰৰ পূৰ্ণানন্দ "আহোমৰ এজন মহামন্ত্ৰী পুৰুষ আছিল।" ১৭০৭ শকৰ আহাৰ মাহৰপৰা ১৭৩৭ শকৰ চ'তলৈকে এই ৩১ বছৰ কাল পূৰ্ণানন্দই খ্ৰি অখণ্ড প্ৰতাপ আৰু ৰাচনীপানী যেন ক্ষমতাৰে ৰাজমন্ত্ৰী বাব ভোগ কৰি গ'ল -ভালে চাই তেওঁ নিশ্চয় মহামন্ত্ৰী পুৰুষ আছিল বুলি ক'ব লাগিব। ইমান দীৰ্ঘকাল ৰাজমন্ত্ৰী হৈ থকা লোক এজনৰ জীৱনটি যে ঘটনাপূৰ্ণ নহব, তাত আৰু সন্দেহ কৰিবলৈ কিবা আছে জানো ? এনেহেন

দীঘলীয়া জীৱনটিয়ে ঘটনাক সৰ্বগ্ৰাস কৰিলে নে ঘটনাই জীৱনটিক সৰ্বগ্ৰাস কৰিলে, তাকেহে "মহামন্ত্ৰী" পূৰ্ণানন্দৰ কাৰ্য্যকলাপত বিচাৰি চাব লাগিব।

মন্ত্ৰীৰ বিশেষত্ব মন্ত্ৰণাত। নিজৰ স্বাৰ্থ বলি দিও, যি মন্ত্ৰীয়ে ৰজা আৰু ৰাজ্যৰ কুশল কামনা কৰে, সেইজন হে উপযুক্ত মন্ত্ৰী।

"ৰাইজেই ৰজা জাতিয়েই গঙ্গা,
ৰাইজ নহলে কিহৰ ৰজা।"—

এনে প্ৰবাদবাক্য যি দেশত ৰচিত সেই দেশৰ শিৰৰ মুকুট ৰজাৰ স্বাৰ্থ অটুট ৰাখিব পাৰে যি জন বলী মন্ত্ৰীয়ে, সেই জন হে প্ৰকৃত মহামন্ত্ৰী। এতিয়া ডাঙৰীয়া পূৰ্ণানন্দ বুঢ়াগোহাঞি ৰাজমন্ত্ৰী হৈ কি কৰিলে তাক চোৱা যাওক ঃ

সঁচা কথা—যি লাই বাঢ়িব তাৰ দুপাততেই চিন। পূৰ্ণানন্দ সৰুৰেপৰা স্বজাতিভক্ত আছিল যদিও, পৰশ্ৰীকাতৰ আছিল; গোহাঞি হৈ থাকোঁতেই দেউতাকক কৈ মোৱামৰীয়াৰ লগত যোগ দিয়া বৰবৰুৱাক হত্যা কৰোৱায়। পিতৃবিয়োগ হোৱাৰ পিছত, যেতিয়া তেওঁ নিজেই বুঢ়াগোহাঞি ডাঙৰীয়াৰূপে অধিষ্ঠিত হ'ল, তেতিয়া ল'ৰাকালৰ অসূয়া অহঙ্কাৰ আৰু বৰলোকালি ভাববোৰ নিজ কাৰ্য্যাৱলীত ক্ৰমান্বয়ে প্ৰকাশ পাবলৈ ধৰে।

ৰজা গৌৰীনাথ সিংহ কানীয়া, দুৰ্বল আৰু নপুংসকৰ দৰে জীৱনীশক্তিবিহীন। মন্ত্ৰী পূৰ্ণানন্দ পৰম উৎসাহী, সবল আৰু উচ্চাকাঙ্ক্ষাপূৰ্ণ। এনে স্থলত, জগন্নাথৰ জড়মূৰ্তি হেন বহিৰজাই কৰা কুকাৰ্য্যৰ প্ৰত্যবায় নিশ্চয় চক্ৰস্থিত মধুমক্ষিকাহেন উঠি-ৰজা মন্ত্ৰীৰ গাত পৰিবই পৰিব।

বুঢ়াগোহাঞিৰ মন্ত্ৰীত্বত দূৰদৰ্শিতা, স্বাৰ্থহীনতা আৰু সমদৰ্শিতা থকা হ'লে সেইবিলাক গুণৰ প্ৰভাৱেৰে তলতীয়া বিষয়াবিলাকৰ মাজত হোৱা বিৰোধাবিৰোধী ভাৱত প্ৰতিবন্ধক জন্মাব পাৰিলেহেঁতেন; পূৰ্ণানন্দ বুঢ়াগোহাঞি হোৱাৰ লগে-লগেই লালী নিছিগাকৈ বাৰ বছৰলৈ হ'বলগীয়া "মোৱামৰীয়া বিদ্ৰোহ" আকৌ ওৰা পাতি লব নোৱাৰিলেহেঁতেন। মোৱামৰীয়া বিদ্ৰোহৰ প্ৰথম ছোৱাত তেওঁ যি বুদ্ধি-কৌশল, বল-বিক্ৰম আৰু কাৰ্য্য তৎপৰতা দেখুৱালে, আৰু বছাদৈয়াওত যিৰূপে নতুন ৰাজ্য পাতিলে তাক দেখি শ্ৰীনাথ দুৱৰা বৰবৰুৱাই

লেখোৱাইছে ঃ—

"সেই বেলা মহামন্ত্রী বুঢ়াগোহাঞি ডাঙৰীয়া পক্ষীয়ে যেনেকৈ শিশু চটকক পখাৰে আবৰি ৰাখে, সেইৰূপে ডাঙৰীয়াই ৰক্ষা কৰিছিল।"

গৌৰীনাথ সিংহ স্বৰ্গদেৱ ভটীয়াই গ'লত, তেওঁ অকলে নিজ বুদ্ধি অনুসৰিয়েই নগৰ ৰক্ষা কৰি আছিল। এই খিনিলৈকে বুঢ়াগোহাঞিৰ ফালৰ পৰা, স্বৰ্গদেৱসকলৰ ডাঙৰীয়া-তন্ত্ৰৰ সন্মান অটুটভাৱে ৰক্ষা কৰা হৈছিল।

কিন্তু প্ৰশ্ন উঠে, ৰক্ষা কৰা হৈছিল কেনেকৈ---ঢাল-বান্ধ হিলৈ-তৰোৱাল, তোপ-বৰতোপেৰে সুসজ্জিত, শিক্ষিত সৈন্যেৰে বাঁহৰ জোং, চুণ ছাইঘঁহা কাঠৰ দা-লোৱা অশিক্ষিত, অমাৰ্জিত প্ৰজাতন্ত্ৰ সমৰ্থনকাৰী এদল প্ৰজাৰ বিৰুদ্ধে বিৰাট অভিযান চলাই!

বিতুষ্ট প্ৰজাৰ মনোভাব দমাবলৈ দুৰ্বাৰ ৰাজশক্তি যিমানেই কঠোৰভাৱে প্ৰয়োগ নকৰক, সিমানেই সি ভোটা হৈ উফৰিবই উফৰিব। মোৱামৰীয়া পক্ষৰ লোক, সমূহ প্ৰজা আৰু পূৰ্ণানন্দৰ পক্ষৰ, অকল স্বৰ্গদেৱৰপৰা কিনি লোৱা অনুগত ভৃত্যসকল।

মোৱামৰীয়া বিদ্ৰোহ উলামুলা নহয়—এঠাইত কাটোঁতে সাত ঠাইত গজিছিল। ৰাজ্যজুৰি অসন্তোষৰ ভাব বিয়পি পৰাত, পূৰ্ণানন্দৰ সেনাই তেওঁৰ লগ এৰা বা ৰণবলত বিজুতি লগোৱা, নাইবা বিশ্বাসী বিষয়াবিলাকে যুদ্ধ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰা একো আচৰিত নহয়। বহুতাৰ মানুহখিনি বুঢ়াগোহাঞি ডাঙৰীয়ায়েই পতা। অথচ, সিহঁতক যেতিয়া বুঢ়াগোহায়ে মোৱামৰীয়াৰ বিৰুদ্ধে ৰণ কৰিবলৈ ক'লে তেতিয়া সিহঁতে তুতি-মিনতি কৰি জনাই পঠালে বোলে, "আমি ল'ৰা-তিৰুতা এৰি যাবও নোৱাৰোঁ, মোৱামৰীয়াৰে ৰণো নকৰো। বুঢ়াগোহাঞি ডাঙৰীয়া যেইৰূপে আছিছে সেইৰূপে গুচি যাওক গৈ। আমি যাব নোৱাৰোঁ!"

সোঁহতীয়া মন্ত্ৰীত্বৰ প্ৰভুত্ব চলায়ো যেতিয়া বুঢ়াগোহাঞে মোৱামৰীয়া বিপ্লৱৰ শাম কটাব নোৱাৰিলে, তেতিয়া পাৰোতে নো দেৱৰগাঁৱত নামতিয়াল বৰবৰুৱাই খেদ কৰি কৈছিল নে বোলে, "এই কাঁড়ী-বাৰুৱতিয়েৰেই স্বৰ্গদেৱে যুদ্ধ কৰি অনেকবাৰ বঙালকো জিনিছে। তথাপি, এই বাৰুৱতীয়ে মোৱামৰীয়াক দেখিলে মাছকে পৰাঙমুখ

হৈ বিভঙ্গে পলায়। ঈশ্বৰ ইশ্বৰীৰ ইচ্ছাতেই ইহৰূপ হ'ল। এতেকে, কালচক্ৰ বলৱন্ত বটে, বুজন নাজায়।" মাউখে উঠিলে গুড়ি পক্ৰাৰো যে মৰণ নাই, এয়ে তাৰ প্ৰমাণ। অৰ্থাৎ পূৰ্ণানন্দৰ প্ৰতি প্ৰজাৰ একমন নহয়।

গৌৰীনাথ সিংহক "মতিচ্ছন্ন" বুলিলেও দোষ নাই। তেওঁ ৰজা হৈ কপাহ নেওঠা মানুহক ধৰি আনি প্ৰাণে মাৰোঁতে, চাপৰ মাৰি নাও ফলা মানুহটোক কঠিন শাস্তি দিওঁতে, সকৰ কালৰ সখি এজনৰ চকু কাঢ়োঁতে, তেওঁৰ অনুগ্ৰহ-নিগ্ৰহ কেতিয়া কাৰ ওৰপ পৰে তাৰ একো নিদৰ্শন নেপাওঁতে ৰাজ্যৰ ধৰণী বুঢ়াগোহাঞি ডাঙৰীয়াই যদি সুযুক্তি-সুপৰামৰ্শ-সুবুদ্ধি দিলেহেঁতেন, তেওঁৰ মন্ত্ৰিত্ব সাৰ্থক হ'লহেঁতেন; প্ৰজাৰ মনো পূৰ্ণানন্দমুখীয়া হলহেঁতেন।

স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ কাল পালেহি। লঙ্কাৰ ৰাৱণৰ দৰে তেওঁ এই ভূ-ভাৰস্তত তিনিটা কাম কৰি থৈ যাব নোৱাৰিলে; যথা ঃ—তেওঁৰ ভায়েকক বিয়া দিব নোৱাৰিলে, নগঞা সিন্ধুৰাক মাৰি তাৰ মঙহ পুতেকক খুৱাব নোৱাৰিলে, বাছকটীয়া বৰবৰুৱাক বধ কৰি মনৰ খেদ গুচাব নোৱাৰিলে। এই কেউটা মনৰ কথা মনতে মাৰ গ'ল। কিন্তু ৰজাৰ সোঁহাত পূৰ্ণানন্দ বুঢ়াগোহাঞি স্বয়ং ৰাজমন্ত্ৰী হৈ থাকোতে এনেবোৰ ৰাজ আক্ষেপ—যিবোৰ পূৰণৰ দ্বাৰাই ৰাজমন্ত্ৰীৰ স্বাৰ্থ সিদ্ধি হব পাৰে সেইবোৰ প্ৰতিপালিত নোহোৱাকৈ থাকিব পাৰে নে? বুঢ়াগোহাঞে কৰিলে প্ৰতিজ্ঞা। যেই প্ৰতিজ্ঞা সেই কাম। ৰজা স্বৰ্গী হ'বলৈ হে পালে, বুঢ়াগোহাঞে গুপুতে গুপুতে বৰবৰুৱাক মতাই অনাই বধ কৰালে। তাৰ অলপ পিছতে, নতুন ৰজাক সিংহাসনত বহুৱাই সিন্ধুৰাক প্ৰাণদণ্ড কৰিলে। এনে প্ৰকাৰেই প্ৰজা-হিতাকাঙ্খী হবলগীয়া মন্ত্ৰণাকাৰীয়ে প্ৰজাসংহাৰক ৰুদ্ৰমূৰ্ত্তি পৰিধাৰণ কৰাত গৃহকন্দলৰ বিষয়াঙভাৰে দেশ ছানি পেলালে মোৱামৰীয়া বিদ্ৰোহৰ জুইত এই গৃহকন্দলৰ ঘিঁউ পৰিলত অসমৰ স্বাধীনতা তেতিয়াই এক প্ৰকাৰ ছাৰখাৰ হৈ গ'ল।

মোৱামৰীয়া যুদ্ধত "বুঢ়াগোহাঞিৰ কৃতিত্ব"

যুদ্ধবিদ্যাত সুনিপুণ সেনাপতি আছিল যদিও, নিজ কৰ্ম্মদোষৰ ফলত ৰণৰ আহিলা-পাতি সংগ্ৰহ কৰা আৰু সৈন্যবল গঠন কৰাত

পূৰ্ণানন্দ পদে পদে বিফল হৈছিল। প্ৰমাণ মোৱামৰীয়া যুদ্ধখনেই "ৰজাদেৱৰ ফালৰ কোঞ্চৰ হিলৈদাৰী, বাজুৱা হাজাৰ, ভিতৰুৱাল হাজাৰ এই দুই হাজাৰে সহিতে অস্ত্ৰ-শস্ত্ৰধৰা সেনা অতি কমেও ৩০।৪০ হেজাৰ আছিল। সেনাপতিও অনেকটি আছিল। খাৰ বাৰুদ ভাল বুলিব নোৱৰা আছিল। খাৰ কৰি টকৌপাতৰ খুমত ভৰাই খাৰঘৰত ৰাখিলে, তাৰ আৰু ভাল বেয়াৰ বিচাৰ নাই। কোনো কালে ৰ'দ নেদেখি জেকি গোটা বান্ধিছিল। তাকে ৰণলৈ নিয়ে। মোৱামৰীয়াৰ ফালে তাদৃশ অস্ত্ৰ-শস্ত্ৰও নাই, ১০।১২ হেজাৰ-মান মানুহ হে হব। সেনাৰ হাতত বাহৰ জেং, চুণ-ছাই সনা কাঠৰ দা, মাজে মাজে দুই-চাৰি ভাল শেল-বৰছা, লোৰৰ দীঘল দা ২।৪ খন, এই মাত্ৰ আছিল। তাতে ৰজাৰ ফালৰ সৈন্যই খেদি গৈ ৰণ ধৰক বা মোৱামৰীয়াই খেদি গৈয়ে ৰণ ধৰক, দুয়ো ফালৰ সৈন্য দেখাদেখি হলে আমাৰ সেনাপতি পাছু পৰে। ৰাজসৈন্যৰ মাজত সকলোৰে আগে হিলৈদাৰী। তেওঁবিলাকে সেই পুৰণা খাৰকে ৰণ-জনেদি জুই দিলে চেৰচেৰাই খাৰ মাটিত বাগৰি পৰে; জুই দিলে নেবাজে। যদি কেনেবাকৈ এটা হিলৈ বাজি গুলি যায়ো, ভয়ত সেই হিলৈ পতাত বিপক্ষৰ পোন ধৰাত বিজুতি হৈ ওপৰে বা অন্তৰে গুলি যোৱাত সেই গুলি বিপক্ষে কোঁচ পাতি ধৰিছোঁ বুলি অহঙ্কাৰ কৰে। কাঁড়ীৰ কাঁড়, বিপক্ষৰ এৰিয়া কাপোৰৰ গাঁতি লগা, তাকে গাৰপৰা উঘালিছোঁ বুলি দেখায়। খাৰ আৰু এৰিয়া কাপোৰৰ দুৰ্গুণ নুবুজি বিপক্ষৰ বৰ মহাত্মা, গুলি নাযায়, গলেও কোঁচ পাতি ধৰে আৰু হিলৈ নাবাজে, ৰণজনৰ মুখে পানী ওলায়, কাঁড়ো নোসোমায়, এইদৰে কোৱাকুই কৰি ভয়াতুৰ হৈ আৰু সেনাপতিসকলে পাছত থাকি সেই-বোৰ কথা শুনি অধিক ভয়াতুৰ হৈ আগেয়ে পলায়। মোৱা-মৰীয়াৰ ফালৰ প্ৰতিজনে ২।৩ খন এৰিয়া কাপোৰৰ গাঁতি, গোৰোৱা লেটোৱা মুগাৰ ডাঠ চুৰিয়া পিন্ধা। কঁকালে গামোচা, মূৰে এৰিয়া গামোচা বা গৰু-চকুৱা গামোচাৰ মথৰি। হাতত জেং বা দা লৈ, হুজপাতি-হুজপাতি ঢোল-দণ্ড কোবাই, অষ্টভুজ, ষষ্ঠভুজ, চতুৰ্ভুজ গোসাঁই; মেলেছ মাৰিবলৈ যায়।" মেলেছ খাওঁ বুলি হাতে জোং লৈ ২০।৩০ মোৱামৰীয়া খেদি গৈ হাতীৰ কাণে, ঘোঁৰাৰ গাই ২।৪ মানুহকো খোচ লগালেই হাতীৰ চিঞৰ, ঘোঁৰাৰ হেঁহনি, মানুহৰ

হাওহুইত সেই ভয়াতুৰ ৰাজসৈন্য পলাই যায়।"

এই সৈন্যৰেই ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞি বৰসেনাপতি। গছ নোহোৱা ঠাইত এৰা গছকে বৰ গছ পাতি লোৱাৰ নিচিনাকৈ ভয়াতুৰ বা অনিচ্ছুক সেনা সেনানীৰ ওপৰত বুঢ়াগোহাঞিক বৰ-সেনাপতি পাতি নিপুণত্ব বা কৰ্ত্তৃত্বৰ যে কিবা গৌৰব বঢ়োৱা হৈছিল, কব নোৱাৰি। বিশ্বাস হেৰুউৱা বা বিশ্বাস নিদিয়া বিশৃঙ্খল সৈন্যৰ ওপৰত সেনাপতিত্ব কৰাত আৰু কিহৰ নিপুণতা?

সৈন্য পৰিচালনা কৰা দায়িত্বতকৈ ভেম-অহঙ্কাৰৰ ম'ৰাচালি ধৰি থকাটো যে বৰসেনাপতি পূৰ্ণানন্দই আঁকোৰগজালি ভাৱে ধৰি আছিল তাক বৰফুকনে মান অনা সময়ত ভালকৈ দেখিবলৈ পোৱা হয়। বদন বৰফুকনে মানদেশৰপৰা চাৰি হেজাৰ সৈন্য লৈ অসমৰ অভিমুখে আহি হুকং পাইছেহি। এনেতে এবাৰকৈ নহয়, দুবাৰকৈ চিংফৌৰ বাৰগাম আহি বুঢ়াগোহাঞিক "সকীয়াই দিছেহি বোলে পাটকাই পৰ্ব্বতত আচল ঠাই অনেক খানি আছে। এটা মানুহে এটি শিল বগৰাই দি হাজাৰো প্ৰাণী মৰা এনেও অনেক ঠাই আছে। তাতে কিছু সেনা থলে সিহঁতে হুকঙৰপৰা টোপোলা ভাত আনি খাই সেই আচল ঠাই পৰ্ব্বতত যুঁজ কৰিব নোৱাৰি মৰিব বা পলাই যাব। যদি সেই মানুহ পাটকাই পাৰ হৈ আহিব পাৰিলে, আমাৰ চিংফৌ-খাম্তি ললেহি, সেই চিংফৌ খামতিৰ এই চাউল-ভাত হাত-ভৰি নিচিনা হব। চিংফৌ খাম্তিয়ে সিহঁতক চাউল ভাত নোশোধাই থাকিব নোৱাৰিব আৰু সিহঁতে সহিতে সমান ঠাইত যুঁজাও টান হব। এতেকে, পাটকাইলৈ সেনা-পদাতি পঠালে, আমি চিংফৌ খাম্-তিয়েও সেই সেনাপতিৰ লগত থাকি মানেসৈতে ৰণ কৰিব পাৰিম।"

এনে বুলি চিংফৌৰ কটকীয়ে জনোৱাত বুঢ়াগোহাঞে স্বভাৱ-সুলভ ডাঙ্কোপ মৰা কথাৰে মাত দিলে ঃ—

"মোৰ ওঠৰ কুম্পানী চিপাহী আৰু দুহেজাৰ কোঞ্চৰ হিলৈদাৰী, তাত বাহিৰেও কাঁড়ী বাৰুৱতি অনেক সেনা আছে—টোপোলা-ভাত আনি সিহঁতে কি ৰণ কৰিব? নগণি আহক আহিব দে।" এই বুলি, বাৰগাম চিংফৌক বিদায় দি বুঢ়াগোহাঞে পাটকাইলৈ সেনা নপঠালে।

নপঠোৱাৰ ফলত হ'লগৈ কি?—টোপালা-ভাতখোৱা মান কেইটাই অসম দেশ জুলুকি-জুলুকিকৈ শিকালে। দেশৰ ধৰণী হৈ এনে

ভাবে কৰ্ত্তব্যত আওহেলা কৰাটো সুনিপুণ সেনাপতিৰ পক্ষে শোভা পায় নে ? বিপদৰ আগচুলিত ধৰিবলৈ সংষ্টম নোহোৱা বা হব নোখোজা বাবেই দেশখন ৰসাতললৈ নগল নে ? এই অবিমৃষ্যকাৰিতাত ৰাজ্যৰ প্ৰধান মন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞি কিমান পঙ্কিলভাৱে নিমজ্জিত তাক ভাবি চাবলগীয়া।

গৌৰীনাথ সিংহ স্বৰ্গী হোৱাৰ পিছত ক্ৰমান্বয়ে পাত্ৰ-মন্ত্ৰীসকলৰ ঘাই ঘাই কেউজনেই বুঢ়াগোহাঞিৰ আপোন-মানুহ হবলৈ ধৰিলে। পূৰ্ণানন্দ নিজেই বুঢ়াগোহাঞি---ৰাজসভাৰ প্ৰধান ডাঙৰীয়া, ভায়েক দোলাকাষৰীয়া বৰুৱা, ভতিজাক মৰঙিখোৱা, নিচায়েকৰ পুতেক ৰাজনেওগ ফুকন, পুথায়েক বিলগতীয়া পানীফুকন, ডেকাফুকন ইত্যাদি। স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ নিৰ্ব্বাচনো এক অসন্তোষৰ সংক্ৰামক বীজ। সেই বীজো ব'লে পূৰ্ণানন্দ বুঢ়াগোহাঞেই।

শিঙৰি ঘৰত তুলি, সিংহাসনত বহুৱাই, ৰজা পাতিবলৈ হ'লে ৰাজকোঞৰ জনাৰ বংশত কলঙ্ক বা শৰীৰত ঘুণ থাকিব নালাগিব--নিৰ্ব্বিকাৰভাৱে সৰগ-দেৱতা ইন্দ্ৰৰ বীৰ্য্য পুৰুষানুক্ৰমে বৈ আহিব লাগিব। কিন্তু কমলেশ্বৰ সিংহৰ গাত এই দুটা গুণৰ এটা গুণো নাছিল। গদাধৰ সিংহৰপৰা বাঢ়ি অহা কোঞৰ হলেও, তেওঁৰ পিতৃ-পিতামহৰ গাত আহোম-তেজৰ পবিত্ৰতাত ওখল লাগিছিল। সেই বাবে, পুৰ্ব্বাপৰ চলি অহা ৰজাঘৰীয়া নিয়ম মতে তেওঁক ৰজা পাতিব নালাগিছিল। কিন্তু, "বুঢ়াগোহাঞে গৌৰীনাথ সিংহ মৃত্যু হোৱা দিনাই ছলেৰে ৰজাপতা বিষয়া বৰবৰুৱাক মাৰিলে আৰু ৰজাপতা কামখিনি নিজে কৰি পূৰ্ব্বপুৰুষত ছিদ্ৰ থকা কিনাৰামক আনি কমলেশ্বৰ সিংহ নাম দি, ৰজা পাতি, সাক্ষীঅৱস্থাকৈ ৰাখি তেওঁ নিজেই ৰাজকাৰ্য্য কৰিবলৈ ধৰিলে।" পূৰ্ণানন্দৰ ইও এক ক্ষমতাৰ আৰ্ষপ্ৰয়োগ ---আৰ্ষ নহলেও দেখাদেখি অপপ্ৰয়োগ। তদুপৰি, কিনাৰাম, ওৰফে কমলেশ্বৰ সিংহৰ দেউতাকে শলগুৰীয়া মহাজনত নামকথা বা শৰণ লৈছিল। এতিয়া, ৰজা হলত, বুঢ়াগোহাঞিৰ সূচনি আৰু ৰাজমাওৰ আদেশ অনুসৰি কিনাৰামে তান্ত্ৰিক পথ লবলগীয়া হ'ল। এই কথাতে শলগুৰি মহাজনত শৰণলোৱা শিষ্যবৰ্গ বুঢ়াগোহাঞিৰ বিপক্ষে মূৰ দাঙি উঠিল। বুঢ়াগোহাঞে সেই শিষ্যবিলাকক মাৰি নিষ্কণ্টক হবলৈ উঠি পৰি লাগিল। পাৰেঁতে নো, গৌৰীনাথ সিংহৰ ভাৰ্য্যা কমলেশ্বৰী

দেৱীয়ে ইষ্ট ইণ্ডিয়া কোম্পানীক সহায় খুজিছিলগৈ নে? লাক্ষি মুংৰাও শকত (ইং ১৭৯৮ চনত) পানীমুৱা নামে এজন মানুহে গজলা মহন্তক গুৰু লৈ জাতি বিচাৰ নকৰি একেলগে বহি, ৰাতি ৰাতি সবাহ পাতি খোৱা-বোৱা কৰিছিল। ইয়াক ৰীতিয়া-মত বোলা হৈছিল। সেই সবাহত বুঢ়াগোহাঞিৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা হৈছে বুলি পানীমুৱা আৰু গজলা মহন্তক ধৰাই অনাই, মহন্তক গাধত তুলি অৰণ্যলৈ মেলা হ'ল। পানীমুৱাক চৌআলিৰ মাজত লোৱা লগাই থৈ তাৰ সাক্ষাতে ৰীতিয়া, মতত চলা মানুহবোৰক এফালৰপৰা হত্যা কৰি পেলোৱা হ'ল।

বুঢ়াগোহাঞিৰ আদেশত কোনোৰ চকু কঢ়া হ'ল, কোনোক বনলৈ খেদা হ'ল কোনোক আকৌ ফাঁচী-ৰৰশীত দিয়া হ'ল। আলিয়েদি যোৱা কোনোবা বাটৰুৱাক পানীমুৱাই যদি "হেৰা ককাই। একে লগে খাইছিলোঁ বৈছিলো এতিয়া মাত এষাৰকো নলগোৱাঁ?" বুলি মাত দিলে, তেন্তে সেই বাটৰুৱাবো পিঞ্জৰ ওপৰত প্ৰাণ গ'ল! বুঢ়া-গোহাঞিৰ ৰীতিয়া মতলৈ ইমান আক্ৰোহ হৈছিল যে পানীমুৱাৰ লগত একে লগে খোৱা-বোৱা কৰে বুলি, তেওঁৰ নিজা জেঠেৰিয়েক এজনকো মৰাই পেলাইছিল। ধৰ্ম্মমতৰ সামান্য প্ৰভেদ এটিত লাগিয়েই পূৰ্ণানন্দ ৰাজমন্ত্ৰীয়ে বাছ-বিচাৰ নকৰাকৈয়ে ৫০০ কৈ মানুহ নিষ্ঠুৰভাৱে হত্যা কৰোৱায়। তেতিয়া দেশ গুচি অৰণ্য হ'ল।*

(১) আমাৰ দেশখন বৃটিছৰ দখললৈ আহিলত, জনদিয়েক পুৰুষে ইংৰাজৰ মেগেজিন ঘৰ পুৰি ইংৰাজক অসমৰপৰা খেদিবলৈ ওলাইছিল। দলৰ ভিতৰত মইমতীয়া অহঙ্কাৰী মানুহ থাকিলে যে সেই কাৰ্য্য সাধিব নোৱাৰি তাক জাগীয়াল গোহাঞিৰ কথাৰ উত্তৰত ধেণুধৰ গোহাঞে পূৰ্ণানন্দৰ আচৰণৰ কথা সোঁৱৰাই দিছিল। জাগীয়াল গোহাঞে কৈছিল, পূৰ্বে ভকতৰ জীয়াৰী চন্দ্ৰকান্ত ৰজাই যেতিয়াই নিলে তেতিয়াই কুঁৱৈগঞা পূৰ্ণানন্দ বুঢ়াগোহাঞি মৰি গ'ল। এতিয়াও সেই কথা। তাৰ উত্তৰত ধেণুধৰে সোঁৱৰালে' "বুঢ়াগোহাঞে মন্ত্ৰী বুলিলেই মাৰে। প্ৰথমে পাট-কোঁৱৰ জপৰা গোহাঞি, হেলি-মেলি গোহাঞি আৰু কতক মাৰিলে, তথাপি জাগীয়াল গোহাঞে কয়, বুঢ়াগোহাঁই স্বৰ্গলৈ গ'ল। তেতিয়াই দেশগুছি অৰণ্য হ'ল।"—বেঁতিয়নিৰ মুক্তেশ্বৰ সন্দিকৈৰ হাতত পোৱা বুৰঞ্জী।

* (২) চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱৰ চিঠি চাওক—পৰিশিষ্ট।

বুঢ়াগোহাঞিৰ চৰিত্ৰৰ ওপৰত এই হত্যাকাণ্ডই ভীষণ কলঙ্কৰ গভীৰ, কালিমা নবহুৱায় নে ? সাম্ৰাজ্যবাদী আকাংক্ষাই স্পৰ্শ কৰিব নোৱৰা নিজৰ দেশৰ হত্যাকাণ্ডবোৰকো গৰিহণা দিওঁতা এজন নিৰপেক্ষ বুৰঞ্জীতত্ত্ব আলোচনা কৰা ইংৰাজ লোকে সেই হে লেখি গৈছে ঃ—

"Life and property were not safe for an hour at a time, whole families were massacred for alleged crimes of their ancestors though the supposed offenders preceded them by some generations, and five individuals of rank, under a charge of conspiracy."

লাক্ষি ডাপচেউত অৰ্থাৎ ইং ১৮০৬ চনত, কমলেশ্বৰ সিংহৰ মৃত্যু-হলত বুঢ়াগোহাঞিৰ উদ্যোগত সেই কেনালগা ৰজাৰ ভায়েক চন্দ্ৰ কান্তক সিংহাসনত বহুৱা হ'ল। দেশৰ আৰ্থিক অৱস্থাৰ চেলু লৈ তেওঁৰ অভিষেক উৎসৱো পাতিবলৈ নহ'ল। ল'ৰা চন্দ্ৰকান্ত ল'ৰা-ধেমালিত মগ্ন; বুঢ়া পূৰ্ণানন্দ আপোন-অভিলাস পূৰোৱাত ব্যস্ত !

কমলেশ্বৰৰ দিনত সম্বন্ধীয়া মানুহেৰে ৰাজসভা গঠন কৰাত যিখিনি ত্ৰুটী থাকি গৈছিল, এতিয়া চন্দ্ৰকান্তৰ ভনীয়েক মাজিউ আইদেউক পূৰ্ণানন্দৰ পুতেকলৈ, সৰু আইদেওক লান্‌মাখৰুৰ লম্বোদৰ ফুকনলৈ বিয়া কৰাই সেইখিনি পূৰ কৰা হ'ল। গৌৰীনাথৰ ৰাজত্বত গুটি-পচোৱা, কমলেশ্বৰৰ দিনত শিপোৱা পূৰ্ণানন্দৰ স্বাৰ্থপৰতা, পৰশ্ৰী-কাতৰতা আৰু অহংকাৰৰ ফণিবিহ এতিয়া চন্দ্ৰকান্তৰ ভোগত সংক্ৰামকৰূপে কেউফালে বিয়পিবলৈ ধৰিলে। সকলোৰেই গাবলৈ ধৰিলে---মন্ত্ৰী-বিদ্ৰোহৰ কথা, দেশদ্ৰোহৰ কথা নহয়।---ৰাজবিদ্ৰোহ কৰি পূৰ্ণানন্দৰ অসীম ক্ষমতাৰ পঞ্চত্ব পোৱাব পাৰিলেই ৰাজ্য ৰক্ষা হয়।

কিন্তু, তাকে কৰিবলৈ ৰাজক্ষমতাৰ কৱচ পিন্ধা পূৰ্ণানন্দই কেতিয়াও চল নিদিছিল। প্ৰজাৰ ভাবগতি দেখি তেওঁ উন্মত্তৰ দৰে হৈছিল। চন্দ্ৰকান্তৰ অভিষেক নহ'ল বুলি যদি কোনোবাই ক'লে তেওঁ হ'ল ৰাজবিদ্ৰোহী। গোসাঁনী পূজা নকৰি, গোসাঁই পূজা কৰিলেও হ'ল ষড়যন্ত্ৰ কৰা, বৰফুকনে জীয়েকৰ লগত মানীৰ মান ৰক্ষা কৰি সাতখন চ'ৰা-নাও ভৰাই যৌতুকৰ দ্ৰব্যবস্তু দিলে, সিও হ'ল সিংহাসন আক্ৰোহী। সামান্য মানুহ সতৰামে যেনিবা স্বৰ্গদেৱে পিন্ধিব লগীয়া চোলা এটা পিন্ধিলেই আৰু সেই চোলা পিন্ধা বাবে

ভুলকৈ কোনোবাই ৰজা বুলি সেৱাকে জনালে বা, তথাপি তাৰে প্ৰতিশোধ লবলৈ গৈ পূৰ্ণানন্দই সমূহীয়া হিচাপে দেশৰ মুখীয়াল মানুহবোৰক ৰাজবিদ্ৰোহত লেটপেটাব নেলাগিছিল ! ৰাজহুৱা আৰু ব্যক্তিগত স্বাৰ্থ ৰাজনীতিৰ তুলাচালনিত সমানে জুখিব নোৱাৰি। এই দৰে সকলোকে বৈৰীভাৱ কৰি পূৰ্ণানন্দই গহিত কাম কৰিবলৈ কিবা বাকী থলে নে ?

জগ চাৰিঙীয়া বৰুৱা, মধু ওজা, চাওডাঙৰ চন্দৰ শইকীয়াৰ চকু কাঢ়িলে ; বলোৰামক ধুমেৰে খুন্দিলে; দুতিৰামক আঁচোৰাৰে আঁচুৰিলে ; লখি আৰু হলিক কুঠাৰেৰে ঘপিয়ালে ; গুৰুদত্ত চাং-কাকতীৰ নাক আৰু বাঁওকাণ কাটিলে, লক্ষ্মীধৰ চাংকাকতীৰ বাঁওকাণ কাটিলে, ধনাইক শালত চেপিলে ; লুতুমক কৰেতেৰে কটোৱালে, বুদু ওজাৰ জিভা কটোৱালে ; খনিকৰৰ ৰামক বৰশীত দিয়ালে, আৰু কুকুৰচোৱা লেখাৰুক কেঁচাইখাতী গোসাঁনীৰ আগত বলি দিয়ালে।

প্ৰজাৰ প্ৰত্যেক কাৰ্য্যতে যেতিয়া এনেকৈ ৰজাঘৰে ষড়যন্ত্ৰৰ বিভীষিকা দেখিবলৈ হয়, তেতিয়া সেই ৰজা বা তেওঁৰ শাসনৰ পতন অনিবাৰ্য্য। "বিচক্ষণ ৰাজনৈতিক মন্ত্ৰী, মহামতি পূৰ্ণানন্দ বুঢ়া-গোহাঞি ডাঙৰীয়াৰ" তথাকথিত স্বদেশপ্ৰেমৰ আহুতিত শ শ হৃষ্ট পুষ্ট, বলিষ্ঠ, কৰ্ম্মিষ্ঠ লোকে অনা-জগৰতে জীৱন জাহ দিব লগীয়া হৈছিল ; যাৰ পূৰ্ব্বপুৰুষসকলে নিভাঁজ ৰাজভক্তিৰ পৰিচয় দিবলৈ গৈ দিখৌ-ব্ৰহ্মপুত্ৰৰ মাজত জঁপ দি পৰিছিল, সেইসকলৰ সন্তানেই এতিয়া পূৰ্ণানন্দৰ কাৰ্য্যপ্ৰণালীৰ ওপৰত খড়গহস্ত হ'ল। নিজে কৰি লোৱা ঘটনাৱলীয়েই পূৰ্ণানন্দক সৰ্ব্বগ্ৰাস কৰিলে—গত্যন্তৰ নেদেখি পাছত তুচ্ছ কথাতেই কালহীৰা চেলেকি তেওঁ নশ্বৰ দেহাৰো অন্ত পেলাবলৈ বাধ্য হ'ল।

পূৰ্ণানন্দ যদি সৰ্বগুণীয়েই হ'লহেতেন বা তেওঁৰ কিঞ্চিতমানো দীৰ্ঘ দৃষ্টি থাকিলহেতেন, তেওঁ কেতিয়াও সতৰামৰ লগত সহযোগ থকা বুলি বদনচন্দ্ৰ বৰফুকনক ধৰিবলৈ মহেশ্বৰ পৰ্ব্বতীয়া ফুকনক নপঠিয়ালেহেঁতেন ! উজনিত বুঢ়াগোহাঞি ডাঙৰীয়া যেনে প্ৰতাপী, ভাটীত বদন বৰফুকনো তেনে প্ৰতাপী। যি জন ৰজাৰ সন্মতিৰে পূৰ্ণানন্দ "বুঢ়া গোহাঞি" হব পাৰিছিল, সেইজন ৰজা বহা সিংহাসনৰ-

পৰাই বদনচন্দ্ৰও ভাটীত "বৰ ফুকন" হৈছিল। চন্দ্ৰকান্ত সিংহক ৰজা-পতাত পূৰ্ণানন্দৰ যেনে স্বাৰ্থ, বদনচন্দ্ৰৰো তেওঁক সেৱা কৰি থকাত তেনে স্বাৰ্থ।

প্ৰথম বাৰ বৰফুকন হৈ থাকোতে, বদনচন্দ্ৰৰ পৰামৰ্শ মতে হে দত্তৰাম—বিকা মজিন্দাৰ আদিক পঠিয়াই বৃটিছৰ সাহায্য-প্ৰাৰ্থনা কৰা হৈছিল। বৃটিছ-সেনা আহি পালত হে মোৱামৰীয়া উপদ্ৰৱৰ হাত সাৰিব পাৰিছিল। উজনিৰ জেওাজঞাল বুঢ়াগোহাঞে যেনেকৈ ভাণ্ডিব লাগিছিল। ভাটীৰ জেওাজঞালো বৰফুকনে হে তেনেকৈ ভাণ্ডিব লাগিছিল। এনে স্থলত, সমানে প্ৰতাপী পূৰ্ণানন্দই বদনচন্দ্ৰক সতাই নাৰকীৰ লগৰ ৰাজবিদ্ৰোহী বুলি সন্দেহ কৰিব নালাগিছিল। সমানে সমানে অৱজ্ঞা কৰাতকৈ মহা অনিষ্টকৰ একো হব নোৱাৰে —বিশেষকৈ ৰাজনীতি ক্ষেত্ৰত।

বৰফুকন বদনচন্দ্ৰই কামাখ্যা-মাধৱ দেৱালয়ৰ সোণৰ কোষা-অৰ্ঘা ভাঙি হাজাৰসিং বঙালক যাঠি লেজাৰ টকা দিয়ে। অৱশ্যে ওপৰচকুৱা হৈ চালে দুখৰ বিষয় বুলি কব লাগিব। কিন্তু বদনচন্দ্ৰই সেই টকা আপোনাৰ স্বাৰ্থসিদ্ধিতকৈও চেতীয়া বৰফুকনে কৰা অত্যা-চাৰৰ প্ৰায়শ্চিত্ত স্বৰূপে হে ভৰিব লগীয়া হৈছিল। বুঢ়াগোহাঞি পূৰ্ণানন্দই বৃটিছৰ কাপ্তানক মাতি আনি ৰংপুৰ বাহৰৰপৰা "সোণৰ চাৰি লাখ, ৰূপৰ চাৰি লাখ, সোণ ৬২৫০ মোন আৰু তাম-কাহ-পিতলৰ-বস্ত্ৰ অলঙ্কাৰ যিমান দিলে তাক লেখি কোনে অন্ত পাব? নাও দুহেজাৰ খন, দন্তাল হাতি এটা, মাখুন্দী এজনী, হিলৈ চাৰি হেজাৰ" দিলে। লগে লগে অসমৰ ৰাজভঁৰাল উদি হৈ গ'ল। বৰ-ফুকন বদনচন্দ্ৰই যাঠি হেজাৰ টকা দিছিল বঙালৰ হাজাৰুসিঙক, যাক আকৌ ৰাজনৈতিক ছিটিকাত পেলাই প্ৰতিপ্ৰায়শ্চিত্ত কৰাবলৈ আশা আছিল। কিন্তু পূৰ্ণানন্দই যি অপ্লাৱিত ধন-সোণ উলিয়াই দিলে তাক আৰু কোনোবা কাহানিবাকৈ উদ্ধাৰ কৰিবপৰা হব নে? একে সভ্যতাৰ আদৰ্শত পৰিপুষ্ট হোৱা জাতিৰ লগত বিনিময় কৰাটো মঙ্গলজনক নে, ৰঘুমলা হৈ গা-গছকে ধ্বংস কৰা জাতি এটাৰ লগত আদান-প্ৰদান কৰা মঙ্গলজনক? আগৰটোৱেই যদি সমীচীন হয়, পাছৰ নিচিনা এটাক আমাৰ ওপৰত পজা পুতিবলৈ সুবিধা দিয়া বাবে বদনচন্দ্ৰতকৈ পূৰ্ণানন্দ কোন গুণে বেছি দূৰদৰ্শী বুলিব পাৰি?

বদনচন্দ্ৰই জীয়েক পীজৌ আইদেওৰ লগত তমক্কাৰ-তমক্কাৰ অলঙ্কাৰপাতি দি লিগিৰী-লিক্‌চৌৰে সৈতে সাতখন চ'ৰা নাও জোঙ্কায়েকৰ ঘৰলৈ পঠিয়ালেই যেনিবা, তাতে নো এওঁ এনে কি অগৰ লগালে যে তাৰ বাবে পূৰ্ণানন্দৰ "পুণ্যপ্ৰতাপত" কলুষ-কল্মষ লাগিল ? মানুহ দুৰ্ব্বল হলে হিতাহিত জ্ঞানৰ অভাৱ হয়, সামান্য লেজু ডালতে ফেঁটী সাপৰ বিভীষিকা দেখে। এনে-ৰূপে যাৰ মানসিক চিন্তাৰ ধাৰা অধঃপাতে যাবলগীয়া হয়, তেওঁতকৈ আৰু দুৰ্ব্বল ৰাজনীতিবিদ্ কোনোবা হব পাৰে নে ?

কোনো-কোনোৱে কয়, পীজৌ গাভৰুৰপৰা হে বোলে স্বৰ্গদেৱৰ ৰাজ্যশ্ৰী লুপ্ত হ'ল। পীজৌ গাভৰু বৰ ভাল ; বৰফুকনৰ উপযুক্ত কন্যা। তেওঁ বুঢ়াগোহাঞিৰ ঘৰত ভৰি দিয়েই ন-বোৱাৰী ৰূপেই পূৰ্ণানন্দৰ দোপাকী তেপাকী কথা, অভ্যন্তৰৰ কূটমন্ত্ৰণা এটাইবোৰ টুকি ললে। যেতিয়া দেখিলে যে অনাজগৰতে তেওঁৰ পিতৃক বধিবলৈ গুপ্ত ষড়যন্ত্ৰ চলিছে, তেতিয়া পীজৌৱে দেউতাকলৈ সেই বাতৰি নিদিয়াকৈ পাৰে কেনেকৈ ? বৰং ঘৰতে যেতিয়া শত্ৰুৰ দুহিতা স্বয়ং বিদ্যমান, পূৰ্ণানন্দ হে সদায় সতৰ্ক হৈ থকা উচিত আছিল। স্বৰ্গদেৱৰ ৰাজ্য যদি বুঢ়াগোহাঞে লখিন্দাৰৰ মেৰ-ঘৰকে কৰিব খুজিছিল, তাত নো আকৌ পীজৌৱে চিঠি সৰকাৰ পৰা কুন্দ্ৰাক্ষ কিয় থৈছিল ? সেই বাবে বুঢ়াগোহাঞি হে অসাৱধানতাৰ দোষত দোষী।

বৰফুকনে সজ্ঞানে কিবা অত্যাচাৰ কৰিছিলনে নাই কব নোৱাৰি কিন্তু পুতেক জন্মি-পিয়লিহঁতে বালকদাস হাতীক ভাং খুৱাই বলিয়া কৰি নামনি অসমৰ মানুহৰ মাজত মেলি দিয়াটো ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ বুৰঞ্জীয়ে কয়। নিৰস্ত্ৰ মানুহৰ মাজত বলিয়া হাতী মেলি দিয়াৰ নিচিনা একোটা বীভৎস কাণ্ডত বৰফুকনৰ কিমান সহানুভূতি আছিল স্পষ্ট উল্লেখ নাই। তথাপি, "মৌনেন সম্মতিলক্ষণ" প্ৰকাশ পোৱা দেখা যায়। গতিকেই, নামনি অসমৰ মানুহক বিদ্বেষ চকুৰে চোৱা অপবাদৰপৰা বৰফুকনক স্খালন কৰিব নোৱাৰি। কিন্তু বিজেতাই বিজিতক হেয় ভাবেৰে দৃষ্টি কৰা স্বাভাৱিক। সেই বাবেই, নাইবা, বহুত দিন নামনি অসম ভোখৰ মোগল আৰু কোঁচৰ অধীনত থকা বাবে আৰু হৰদত্ত-বীৰদত্তৰ বিদ্ৰোহৰ বাবে স্বৰ্গদেৱৰ ৰাজ্যত চামিল হৈ থকা প্ৰজাই সেই কালৰ কিছুমান মানুহক অৱজ্ঞাৰ,

চকুৰে চাইছিল। সেই বুলি, বিশ্বাসী আৰু উপযুক্ত লোকক বৰুৱা, চৌধাৰী আদি ৰজাঘৰীয়া বিষয়-বাব দি যে বিভূষিত কৰা নহৈছিল এনে নহয়।

সিপিনে কোঁচ, ইপিনে অসম আৰু দাঁতিত মোগলৰ লগত সকলো প্ৰকাৰৰ সম্বন্ধ ৰাখিবলগীয়া হোৱাত স্বাভাৱিকতে তেওঁবিলাকৰ বুদ্ধিবৃত্তিসম্পন্ন গতিবিধিত বৰফুকনে তীক্ষ্ণ দৃষ্টি পেলাই থাকিব লগীয়া হৈছিল। এইবোৰ কাৰণৰ নিমিত্তেই বৰফুকনে বিশ্বস্তসকলৰ বাহিৰে নামনি ফালৰ সাধাৰণ মানুহক বিশ্বাস নকৰিছিল। তদুপৰি সন্ত্ৰাজিত, ভেলাই আৰু দন্দুৱাদ্ৰোহৰ কথাও কোনেও পাহৰিবপৰা নাছিল। তথাপি, পূৰ্ণানন্দ বুঢ়াগোহাঞে ৰাজক্ষমতাৰ বাঘজৰী হাতত লোৱাৰেপৰা "পানীমুৱাৰ খবৰলৈকে" যতবোৰ নৰবধ পাপ কৰা হ'ল, তাৰ তুলনাত বদনচন্দ্ৰ বৰফুকনৰ নামনি অসমৰ মানুহমৰা কলঙ্কটিক চন্দ্ৰ-বদনৰ মৃগপহু-সদৃশ বুলিয়েই কব পাৰি।

"বদনচন্দ্ৰই মান আনি বৰ ঘৰৰ ভিতৰত ফেটিগোম সাপ মেলি-লেহি।" বদনক সকলো দোষৰপৰা অব্যাহতি দিলেও এই গুৰুতৰ অপৰাধৰপৰা হেনো অব্যাহতি দিব নোৱাৰি; সকলোৰে মনত বদ্ধ-মূল ধাৰণা। কিন্তু মানসৈন্য অসমত প্ৰবেশ কৰাৰপৰা বদনচন্দ্ৰ বৰফুকনক অশেষ লাঞ্ছনা দি মৰোৱালৈকে ঘটনাৰ আদ্যোপান্ত ঘাটি চালে বৰফুকনৰ গাত যিমানবোৰ কলঙ্কৰ ছেকা সানি থোৱা হৈছে সিমানবোৰ, পূৰ্ণানন্দৰ ফালৰপৰা উদাৰ ভাবে চালে, সানিবলগীয়া নহব। বদন বৰফুকনেই অসমলৈ পোন-প্ৰথম মান অনা নাছিল। ইয়াৰ আগেয়েও, এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ অসমলৈ মান আহিছিল। এই তিনিউবাৰেই তেওঁবিলাকে অসম-ৰজাৰ কাৰেঙৰ-পৰা মনেঅঁটা ভাৰভেটী লৈ আমাৰ ৰজাৰ লগত "ভাই-ৰজা" সম্বন্ধ ৰাখি ক'তো বন এডাল নমৰাকৈ নিজৰ দেশলৈ গুচি গৈছিল! ৰজাৰ পুতেক ৰজা হোৱা আমাৰ দেশৰ নিয়ম, ৰজাক কাঠৰ পুতলা যেনকৈ ৰাখি মন্ত্ৰীয়ে দেশ শাসন কৰা নিয়ম নহয়। পূৰ্ণানন্দৰ অবাধ অত্যা-চাৰৰ ফলত যেতিয়া ৰাজতন্ত্ৰৰ স্থিতি পঙ্কস্থিত বটবৃক্ষৰ দৰে হ'ল আৰু ৰাজমন্ত্ৰীৰ স্বেচ্ছাচাৰিতাই সকলোকে যেতিয়া তিতা লগাবলৈ ধৰিলে তেতিয়াহে উপায়ান্তৰ নেদেখি "সপ্তম পুৰুষৰপৰা" স্বৰ্গদেৱৰ সেৱা কৰি অহা বঙ্গাচিলা দুৱৰাৰ ঘৰৰ বদনচন্দ্ৰ বৰফুকনে বিদেশী

অথচ "ভাই ৰজাৰ" আশ্ৰয় লবলৈ বাধ্য হ'ল।

নিজ-দেশৰ ৰাজতন্ত্ৰ পৰিবৰ্ত্তন কৰিবলৈ পৰদেশীৰ যে আশ্ৰয় লব লগীয়া হয়, সি, বদন ফুকনৰ মান অনাতেই আৰম্ভ হোৱা নাই। জগতৰ বহুত জাতিৰ ভিতৰত, অন্ততঃ যিবোৰ জাতিয়ে বল-বিক্ৰমকে স্বত্ব বুলি ধৰে সেইবোৰ জাতিৰ ভিতৰতে এনে কাৰ্য্যৰ সূচনা হৈ আহিছে। অৱশ্যে, সেই পৰদেশী আহি যদি দেশৰ ৰাজহাড় ভাঙি থৈ যায়হি, তেন্তে নিমন্ত্ৰণকাৰী নিতান্তই দেশদ্ৰোহৰ পাপত লিপ্ত হব লাগিব। বদনচন্দ্ৰই মান আনিলে; আনি, নিজে মন্ত্ৰীফুকন পদ লৈ বুঢ়াগোহাঞিৰ লগৰীয়া শত্ৰু কেইটাক হত্যা কৰোৱালে; মানসেনা লৈ নগৰ সোমোৱাৰ পিছতে, মন্ত্ৰী-ফুকন বদনে পূৰ্ণানন্দৰ পুতেক ৰুচিনাথক মন্ত্ৰী-বাব লবলৈ আহ্বান কৰিছিল। ইয়াৰ দ্বাৰাই স্পষ্টকৈ বুজিব পাৰি যে বদনৰ আক্ৰোশ আছিল কেৱল পূৰ্ণানন্দৰ ওপৰত হে। মানক দেশ দিয়াৰ অভিপ্ৰায় থকা হ'লে বুঢ়াগোহাঞিৰ পুতেককে বুঢ়াগোহাঞি পদ নেযাচিলেহেঁতেন। জন্মভূমিৰ উমৈহতীয়া স্বাৰ্থত পথালি দিয়া লোকৰ প্ৰাণদণ্ডই সমুচিত প্ৰায়শ্চিত্ত---এই বিধি অসম-ৰজাৰ আমোলত এদিনীয়া নহয়। স্বেচ্ছাচাৰিতা সমৰ্থকাৰী বিৰোধীদলক নিধন কৰি বৰফুকন বদনচন্দ্ৰই দেশত শান্তি স্থাপন কৰিছিলেই। কিন্তু, ১৭৩৮ শকৰ চ'তৰ ১ দিন যোৱাত বৃহস্পতিবাৰে বিহ খাই বুঢ়াগোহাঞি মৰাৰ পিছতে ১৭৪০ শকৰ শাওণলৈ বৰফুকনক মৰোৱা হ'ল।

বুঢ়াগোহাঞি মৰাৰপৰা বৰফুকনক মৰোৱালৈকে—এই বছৰে বুঢ়াগোহাঞি পৰিয়ালৰ বা তেওঁবিলাকৰ লগত উজান দিওঁতাসকলৰ বাহিৰে সকলোৱেই শান্তি লাভ কৰিছিল—অন্ততঃ মানৰ উপদ্ৰৱ নোহোৱা শান্তি লাভ কৰিছিল।

বৰফুকনক মৰোৱা হ'ল, আপোন মানুহৰ হতুৱাই নহয়,—ৰূপসিং বঙালৰ হতুৱাই; দেখাদেখিকৈ নহয়—লুকাই-চুৰকৈ। অকল্প বঙালৰ হতুৱাই মৰোৱায়ে যে এৰা হৈছিল এনে নহয়, ৰহমন্ খা নামেৰে তুৰুক এটাৰ হতুৱাই মৰা শটোৰ ওপৰতো আকৌ ঘা মৰোৱা হৈছিল। এনে গাৰ নোম শিয়ৰোৱা অপমানৰ বাতৰি যেতিয়া বিদ্যুৎ সঞ্চাৰে ব্ৰহ্মদেশত প্ৰচাৰ হ'লগৈ তেতিয়া হে সুপ্ত সিংহৰ হাতোৰা মেল খাই আহিল। অচিৰেই অসম দেশ মান-অত্যাচাৰৰ দাৱাগ্নিত

দগ্ধ হৈ পৰিল। বদন বৰফুকন জীয়াই থাকিবলৈ পোৱা হ'লে, নাইবা তেওঁক অশেষ লাঞ্ছনা দি নমৰোৱা হলে "ভাই ৰজাই" "ভাই ৰজাৰ" দেশখন এনেকৈ লণ্ডভণ্ড নকৰিলেহেঁতেন।

বদনে যদি সৎ বা বদ্ উদ্দেশ্যেৰে বিদেশীক বৰঘৰ সুমুৱাওঁতে, বৰঘৰৰ গিৰিহঁত হৈ থকাসকলে যি হাতে আদা কুইছিল সেই হাতেৰেই ঠেঙুলি ভাঙিবলৈ দিলেহেঁতেন অসমৰ স্বাধীনতা কেতিয়াও লুপ্ত হবলৈ নেপালেহেঁতেন। আমি ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ মান অনা বাবে বদন বৰফুকনক দেশদ্ৰোহী পাতিলে নহব ; যিজনৰ এদনীয়া ক্ষমতাই বদনচন্দ্ৰ বৰফুকনক "দেশদ্ৰোহীৰ" বৈতৰণী নৈত মেলিলে সেই জনক হে দেশদ্ৰোহী বুলিব লাগিব।

(আৱাহন ৫ম বছৰ, ৮ম সংখ্যা)

চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে বদন ফুকনলৈ দিয়া চিঠি ঃ—

(দেশদ্ৰোহী কোন---বদন নে পূৰ্ণানন্দৰ কোলাৰ কাকত)

শ্ৰীৰাম

শ্ৰীশ্ৰী৺দেৱ ঈশ্বৰে কৈছে ঃ---

শ্ৰীবৰফুকনক প্ৰতি ঃ-- মোৰ যি বিপত্তি হৈছে, ৰহস্যে ফুকনত কৈ আছোঁ। বুঢ়াগোহাঞে ক্ৰমে ক্ৰমে সকলকো মাৰিলে। আমাৰো প্ৰাণ ৰক্ষাৰ উপায় নেদেখোঁ। এতেকে ফুকনক কৈছোঁ যদি আমাত আশা আছে ফুকনে এই পত্ৰ দেখিতে বুঢ়াগোহাঞিক দমন কৰি মোক দৃঢ় কৰি ৰাখিব পাৰিব। ফুকন শীঘ্ৰে আহক। যদি এই প্ৰকাৰে আহিব নোৱাৰে ফুকন ভটীয়াই গৈ ৰঙপুৰৰ কলিকতাৰ শ্ৰীযুত বৰচাহাবত শৰণাগত হৈ ৰাজদ্ৰোহী বুঢ়াগোহাঞিৰ কথা চাহাবত জনাব গৈ। গৌৰীনাথ সিংহ ৺দেৱক পিতৃ চাৰিঙীয়া দেৱতাক ককাই-ৰজাদেৱক যেনেকৈ বিহ দি মাৰিছে, সম্প্ৰতি ফুকন বৰুৱা—লা-লিগিৰা যিবোৰ মাৰিছে আৰু মঞি (মই) মন পোৱা লোকক খেদি বুঢ়াগোহাঞিৰ পেটৰ মানুহ লগত দি মোক দিন ৰাত্ৰি ৰখি থাকে। মোহৰ কেইটাও হাত কৈ ললেগৈ। মোৰ শৰীৰ ৰক্ষা কি ৰূপে পৰিব। পেহীৰ পুতেকে দেখিছে ফুকনত কৈ যেন সকলো

কথা লেখি আজি কৰি শীঘ্ৰে গৈ চাহাবৰ ঠাইত দি শৰণাগত হবি গৈ। আত চাহাব লোকে অৱশ্যয় অনুগ্ৰহ কৰিব। দুই শত কোম্পানী কাপ্তানে পল্টন্ সহিতে লৈ শীঘ্ৰে আহিব। যি খৰচ হয় দিবলৈ কবুল কৰিব। এই দৰত যদি চাহাবে সুচি (খুচী) নহয় বসৰেকত (বছৰেকত) এক লক্ষ দিবলৈ লেখি দিব। এই প্ৰকাৰতো যদি নোবোলে ডেৰ লক্ষ দিবলৈ লেখি দিব। তেওঁ শত্ৰুক নষ্ট কৰিব পৰাকৈ হে আহিব। যদি আমাৰ শৰীৰ ৰক্ষা নপৰা শুনে অসমৰ কোঁৱৰ এটা যি ভাটীত আছেগৈ সেইটিকে আনি শত্ৰুক নষ্ট কৰি দেশখন ৰক্ষা কৰিবি। এই কথা যদি “বুঢ়া গোহাঞে” জানিব লাগিল, ৰাজবধ, গুৰুবধ, স্ত্ৰীবধ ফুকনৰ গাত লাগিব। ইতি—

১২২২ চনৰ ২৮ কাতিত বৰফুকনে এই চিঠি ৰংপুৰৰ জজ চাহাবক দিয়েগৈ।

কছাৰী স্বাধীনতাৰ ৰান্ধনি বেলিত

[১]

কছাৰী স্বাধীনতাৰ ৰান্ধনি বেলি ওলোৱা সময়ত অৰ্থাৎ বেলি মাৰ যোৱা সময়ত এজন কছাৰী বীৰে বৰ্তমান নগাঁও জিলাৰ দক্ষিণ অঞ্চলত ভীম পৰাক্ৰম আৰু চতুৰ বুদ্ধিৰে বৃটিছ জাতিকো কছাৰী তেজৰ বলবীৰ্য্য উপলব্ধি কৰাই আছিল।

হাংমুচা বংশৰ শেষৰ ৰজা গোবিন্দ চন্দ্ৰ নাৰায়ণক (ডুকাডাও) বধ কৰাৰ পিচত তেওঁৰ উত্তৰাধিকাৰী নাই বুলি ১৮৩২ খৃষ্টাব্দৰ ১৪ জুলাই তাৰিখে কাছাৰ দেশখন বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হয়। কিন্তু, এইজন সিংহপুৰুষে তেতিয়া এনেকুৱাকৈ বৃটিছক উৎপাত কৰিবলৈ ধৰিলে যে বৃটিছ শাসনৰ মুখ্য প্ৰতিনিধি ডেভিড স্কটে এওঁক কাছাৰতে এডুখৰি ৰাজ্য আচুতীয়াকৈ দিবলৈ বাধ্য হ'ল। আৰু ১৮৩৪ চনৰ ৩ নবেম্বৰ তাৰিখে কেপ্তেইন জেনকিন্‌ছে এওঁকেই কাছাৰ জিলাৰ উত্তৰ অঞ্চলটোৰ অধিপতি পাতি দিলে। এওঁৰেই নাম অসম বুৰঞ্জী প্ৰসিদ্ধ তুলাৰাম সেনাপতি; স্বাধীনতাৰ চকা ডুবিবৰ সময়তো এওঁৱেই হে কেৱল কছাৰী বীৰত্ব দেখুৱাই ১৮৫০ খৃষ্টাব্দৰ ১২ অক্‌টোবৰ তাৰিখে চিৰশান্তিধামলৈ প্ৰয়াণ কৰিলে। তুলাৰাম ৰজা নাছিল; কিন্তু তেওঁৰ ক্ষমতাৰ প্ৰভাৱ ৰজাৰ দৰেই থাকি গ'ল। আজিও মানুহে প্ৰতিশোধৰ ভাবুকি দেখুৱাব লাগিলে কয়, "ৰ, তোক তুলাৰাম-তুলাৰাম দেখুৱাই হে এৰিম।" তুলাৰামলৈ যে মানুহে কিমান ভয় কৰিছিল, এই কথাষাৰে তাৰো চিনাকি দিয়ে।

তুলাৰাম সেনাপতিৰ বিষয়ে লিখা সকলো ৰচনাতে পোৱা যায় যে তুলাৰামৰ পিতৃৰ নাম আছিল কছিধন। কছিধনৰ অৱস্থা বেয়া থকা বাবে, তেওঁ হেনো কৃষ্ণ চন্দ্ৰ ৰজাৰ তাত ৰান্ধনি সোমাইছিল। তদুপৰি, কছিধন ৰাজবংশীয় নহয় বুলিও প্ৰমাণ কৰা হৈছিল। কৃষ্ণ চন্দ্ৰৰ অনুগ্ৰহতে কছিধন ডাঙৰ মানুহ হ'ব পাৰিছিল। ৰাজপদ পাবৰ নিমিত্তে তুলাৰামে ডেভিড স্কটৰ আগত যি বংশাৱলী দাখিল কৰিছিল, তাৰপৰা বুজা যায় যে থাউচে বংশৰ ৰজা তাম্ৰধ্বজৰ পৰা

তুলাৰামৰ বংশ বাঢ়ি অহা। তাম্ৰধ্বজৰ তিনি গৰাকী কুঁৱৰী আছিল; যথা বৰ কুঁৱৰী চন্দ্ৰপ্ৰভা, মাজিউ কুঁৱৰী ৰাইচাৰদি আৰু নুমলী কুঁৱৰী কমলা দেৱী। চন্দ্ৰপ্ৰভা কুঁৱৰী বৰ সাহিত্যানুৰাগিণী আছিল। তেওঁৰ অনুগ্ৰহতে কেবাখনো অসমীয়া পুথি ৰচনা কৰা হৈছিল। ৰাইচাৰদিৰে পুতেক গম্ভীৰ সিংহ। গম্ভীৰৰ চতুৰ্থ পুৰুষত তুলাৰাম সেনাপতি। তুলাৰামৰ পিতাকৰ নাম কাশীচন্দ্ৰ বা কাছাদাও। এই কাশীচন্দ্ৰকে গেইট আদি বুৰঞ্জীৰ পণ্ডিত সকলে কহিধন বুলি কৈছে। বিদেশীৰ মুখত পৰি কাশীচন্দ্ৰই কাহিধন বা কহিধন হোৱা স্বাভাৱিক। দুৰৱস্থাৰ হেতুকে ভিন্ন গোত্ৰীয় ৰজাৰ ঘৰত ৰান্ধনিশাল চাবলগীয়া হোৱাটো বা নিজেই ৰান্ধনি হোৱাটো সেই কালত ওখ খাপৰ বিষয় বুলিয়েই গণ্য কৰা হৈছিল। অন্তৰত উচ্চ অভিলাস আৰু দৃঢ় সংকল্প থাকিলে আপদ-বিপদে আপোনা-আপুনি বাট এৰি দিয়ে। কাশীচন্দ্ৰই নিজৰ বলতেই কাছাৰৰ উত্তৰ অংশত ৰাজ-প্ৰতিনিধিৰূপে শাসন কৰিবপৰা ক্ষমতা পাইছিল। কৃষ্ণচন্দ্ৰ ৰজা মৰাৰ পিচত তেওঁৰ ভায়েক গোবিন্দচন্দ্ৰ ৰজা হয়। কিন্তু কৃষ্ণচন্দ্ৰৰ ৰাজত্ব কালতেই কাশীচন্দ্ৰই উত্তৰ কাছাৰত ৰাজ-প্ৰতিনিধি হৈ আছিল।

তুলাৰামৰ পুৰুষনামা :

(১) কাশীচন্দ্ৰ
- তুলাৰাম সেনাপতি
  - জগন্নাথ
    - বলিচন্দ্ৰ কোঞৰ
      - ধৰ্ম্মকান্ত
      - ধৰ্ম্মেশ্বৰ

তাম্ৰধ্বজ
- বৰকুৱঁৰী চন্দ্ৰপ্ৰভা
- মাজিউকুৱঁৰী ৰাইচাৰদি
  - গম্ভীৰ সিংহ
    - স্মনকদৰ্প
      - হিমাদ্ৰি
        - কাশীচন্দ্ৰ বা কাছাদাও
- নুমলী কুৱঁৰী কমলাদেৱী

(নিজ কামপুৰ নিবাসী শ্ৰীযুত বলিচন্দ্ৰ কোঞৰৰ পৰা পোৱা)

সেই সময়তে তেওঁৰ পুতেক তুলাৰামকো বনৰ হাতীয়ে বাট এৰি দিছিল বুলি ৰৌতি ফুটিছিল। এই দুয়োটা ঘটনাৰ নিমিত্তেই গোবিন্দ চন্দ্ৰই কাশী আৰু কাশীৰ পুতেক তুলাৰামক সদায় সন্দেহৰ চকুৰে চাইছিল। গোবিন্দই চক্ৰান্ত কৰি কাশীচন্দ্ৰক মৰায়েই পেলালে।

পিতৃহত্যাৰ প্ৰতিশোধ ল'বলৈ তুলাৰাম উঠিপৰি লাগিল। তেওঁ এনেভাৱে আন্দোলনৰ খলকনি তুলিবলৈ ধৰিলে যে ডেভিড স্কটে তুলাৰামক উত্তৰ কাছাৰৰ অধিপতি বুলি মানি ল'বলৈ গোবিন্দ চন্দ্ৰক পৰামৰ্শ দিব লগা হ'ল। কিন্তু গোবিন্দ চন্দ্ৰই স্কটৰ কথা একোপধ্যেই মানিব নুখুজিছিল; অৱশেষত ১৮২৯ চনত ডেভিড স্কটে এইখন চিঠি দি গোবিন্দ চন্দ্ৰক তাড়না কৰিলে। তেতিয়াৰ পৰাহে গোবিন্দচন্দ্ৰই তুলাৰামক দেখাদেখি অত্যাচাৰ কৰাৰ পৰা বিৰত থাকিল। স্কটে লেখিছিল—

"শ্ৰীল শ্ৰীৰাজা গোবিন্দচন্দ্ৰ নাৰায়ণ মহদাৰ চৰিতেষু বিজ্ঞাপনঞ্চ নিবেদন ঃ— আপোনাৰ এলেকাত থকা শ্ৰীতুলাৰাম বৰ্মণে সৈতে আপোনাৰ সদায় খৰিয়াল নুগুছে। তুলাৰামে আমাৰ অনুমতি লৈ যি ঠাই দখল কৰি আছে, তাত আপোনাৰ লোক সোমোৱা অনুচিত। আপুনি ক'তো দৌৰাত্ম্য নকৰিব।"

গোবিন্দ চন্দ্ৰৰপৰা একৰাই বৃটিছে পোণ প্ৰথমতে তুলাৰামক দিয়া মাটিৰ পৰিমাণ আছিল ২২২৪ বৰ্গ মাইল আৰু তাৰ চৌহদ আছিল এই ঃ—

পূবে চামচায় গাঁও, পশ্চিমে কপিলী নৈ, উত্তৰে ভটীয়া গাঁও আৰু দক্ষিণে কিম্নগড় মুখৰ জাটিঙালৈকে।

তুলাৰামৰ আপোন মানুহেই তুলাৰামক শত্ৰু শালিছিল। এইবোৰ মানুহক বৃটিছৰ চক্ৰান্ত মতে গোবিন্দ চন্দ্ৰই উচটাই দিছিল বুলি বহুতে সন্দেহ কৰিছিল। ১৮৩৩ চনত দেখাদেখিকৈ দুটা মানুহে তুলাৰামক হত্যা কৰিব খুজিছিল। কিন্তু তুলাৰামে মানুহ দুটাক মৰোৱাই পেলায়। ইংৰাজৰ ৰাজ্যত ইংৰাজৰ প্ৰজা হত্যা কৰিলে বুলি তুলাৰামক অভিযুক্ত কৰি গুৱাহাটীলৈ লৈ যোৱা হয়। তাত প্ৰমাণ হ'ল যে মানুহ দুটা ষড়যন্ত্ৰকাৰীয়েই সঁচা, কিন্তু বৃটিছ প্ৰজা নহয়। তদুপৰি তুলাৰামে যদিও মানুহ মাৰিছিল, স্বাধীন হৈ থকা বাবে তেওঁৰ ওপৰত হত্যাৰ অভিযোগ আনিবলৈ কাৰো এক্তিয়াৰ নাছিল। গতিকেই,

তুলাৰামৰ দণ্ড নহ'ল; মুক্তি পাই নিজৰ ৰাজ্যলৈ উলটি আহিল।

বিচাৰত মুক্ত হ'ল সঁচা, কিন্তু ইংৰাজ কৰ্তৃপক্ষসকলৰ মনত হ'লে আক্ৰোশ থাকি গ'ল। তেতিয়া সেনাপতিক বৃটিছৰ ফালৰপৰা কোৱা হ'ল যে তেওঁ সন্ধি কৰি বৃটিছৰ কৰতলীয়া হৈ থাকিব লাগে। এই কথা মতে ১৮৩৪ চনৰ ৩ নৱেম্বৰ তাৰিখে এখনি চুক্তিপত্ৰ কৰা হ'ল। এই চুক্তি অনুযায়ী তেওঁৰ ৰাজ্য ২২২৪ বৰ্গ মাইলৰ পৰা সংকোচ কৰি ১৮০০ বৰ্গ মাইলত পেলোৱা হ'ল। আৰু তাৰ সীমা হ'ল : উত্তৰে—যমুনা নৈ হাৰিয়াজান; দক্ষিণে—চেনম জেনম্ বা লংয়েম নৈৰ মুখৰ বৰাইল, পূবে—টমাকী বা ধনশিৰী নৈ আৰু পশ্চিমে—মাহুৰ আৰু দৈয়াং নৈ অৰ্থাৎ দৈয়াঙৰ পাৰে পাৰে দিকলিম্ ঘাটৰপৰা উত্তৰে দিমৰুৱা জানলৈকে, তাৰপৰা ভাটিলৈ দিমৰুৱাৰ ফালে ১৪ মাইলমান উত্তৰে বুঢ়ীগংগা-যমুনাৰ সঙ্গমলৈকে। তুলাৰামে এই লেখা অনুসৰি বৃটিছ গৱৰ্ণমেণ্টক ৰাজহ স্বৰূপে বছৰি ৪ জোৰ (৮টা) হাতী-দাঁত দিবলৈ গাত লৈছিল আৰু কাকো আক্ৰমণ নকৰোঁ বুলি প্ৰতিশ্ৰুতি দিছিল। পাছত হাতী-দাঁতৰ সলনি বছৰি ৪৯০৲ টকা নগদ কৰ শোধাইছিল। আনহাতে, বৃটিছ গৱৰ্ণমেণ্টে তেওঁক মাহে ৫০৲ টকাকৈ পেন্সন দিছিল।

এইৰূপে তুলাৰামৰ ক্ষমতা সংকোচ কৰাত বৃটিছে বহুত ৰাজনৈতিক টাগবটাল খেলিলে। তুলাৰামৰ ওপৰত ইমান কোঢ়ামুঠীয়া চেপা বহুওৱা হ'ল যে ১৮৪৪ চনৰ ১৯ অক্টোবৰ তাৰিখে তেওঁ নিজেই পুতেকহঁতৰ ওপৰত ৰাজ্যভাৰ গতাই দিলে। এই ৰাজ্য ডুখৰি প্ৰাকৃতিক সম্পদেৰেই ভৰা আছিল। তাত পোৱা গৈছিল মূল্যবান কাঠ, কয়লা, চূণশিল, লো, লোণ, হাতী-দাঁত, লা আৰু মৌ-সিটা। কছাৰী কাৰ্বিৰ এৰীয়া কাপোৰো আপুৰুগীয়া বস্তু। তালৈ সোমোৱা বাট আছিল চেমখৰ, নাচুং, ডিমাপুৰ আৰু লাংফেৰ।

১৮৪৪ চনৰ পিচৰপৰাই তুলাৰামে কাছুমাৰীত থাকিবলৈ লয়। তাতে জুৰুলা লাগি ভালেমান দিন আছিল। জীৱনৰ শেষ ছোৱাত এনে শোকলগা অৱস্থা হৈছিল যে জীৰ্ণ-শীৰ্ণ কাপোৰ এডুখৰিৰেহে তেওঁ গা ঢাকিবলগীয়া হৈছিল। ১৮৫০ চনৰ ১২ অক্টোবৰ তাৰিখে এইবিলাক বংশ-পৰিয়ালক কন্দুৱাই তেওঁ ইহ সংসাৰৰপৰা বিদায় লয় :—

[১]	ধনৱতী	ঃ তুলাৰামৰ ভাৰ্য্যা। (এমাহ মানৰ পিচতে মৃত্যু হয়)
[২]	ব্ৰজনাথ বৰ্মণ	ঃ তুলাৰামৰ ২য় পুত্ৰ
[৩]	নকুলৰাম বৰ্মণ	ঃ তুলাৰামৰ ১ম পুত্ৰ
[৪]	যোগেশ্বৰ বৰ্মণ লক্ষ্মীচৰণ বৰ্মণ নৰহৰি বৰ্মণ	ঃ ব্ৰজনাথৰ পুতেক
[৫]	ৰোহিণী বিশাখা গোৱিন্দী	ব্ৰজনাথৰ জীয়েক
[৬]	জগন্নাথ বৰ্মণ গোলোক চন্দ্ৰ	নকুলৰামৰ পুতেক; মানতৰা ঘৈণীয়েকৰ ফালৰ।
[৭]	ন্যায়দা	ঃ নকুলৰামৰ ঘৈণী।
[৮]	সাৰদা	ঃ ন্যায়দাৰ ফালৰ নকুলৰামৰ জীয়েক।
[৯]	কাণুৰাম বৰ্মণ	ঃ তুলাৰামৰ জোঞ্চায়েক, মাজু লাহৰী আইদেউৰ গিৰীয়েক।
[১০]	ইন্দ্ৰপ্ৰভা	ঃ কাণুৰামৰ বৰজীয়েক---শ্যামাচৰণ বৰ্মণে বিয়া কৰায়।
[১১]	সোণটিকণ	ঃ কাণুৰামৰ জীয়েক-বিশ্বনাথে বিবাহিছে।
[১২]	মন্দোদৰী	ঃ সেনাপ্তিৰ দদায়েক মধুৰামৰ জীয়েক, পৰিছিল গংগা প্ৰসাদলৈ।
[১৩]	গকুল বৰ্মণ	ঃ মধুৰামৰ নাতি।
[১৪]	বাণেশ্বৰী	ঃ তুলাৰামৰ আন এগৰাকী ভাৰ্য্যা।

তুলাৰামৰ মৃত্যুৰ পিচত তেওঁৰ বংশ-পৰিয়াল অওহী-বওহীয়ে বৃটিছ চৰকাৰৰ ওচৰত তলত লিখা দৰে সাহায্য ভিক্ষা আৰু মাটি দাবী কৰিছিল। এই দাবীৰ দৰ্খাস্তখনৰ পৰা কছাৰী জাতিৰ বিষয়ে ভালেমান কথা জানিব পাৰি।

তুলাৰাম বুদ্ধিত যেনেকুৱা চতুৰ, সাহসত যেনেকুৱা বীৰ আৰু কাৰ্য্যকুশলতাত যেনেকুৱা দক্ষ আছিল, ধৰ্মতো তেনেকুৱা অটল বিশ্বাসী আছিল। কাচমাৰী অঞ্চলত তেওঁৱেই ভালেমান মন্দিৰ নিৰ্মাণ কৰাই শিৱলিংগ আৰু অন্যান্য দেৱ-দেৱীৰ মূৰ্তি প্ৰতিষ্ঠা কৰায়।

তুলাৰামৰ ভাষা অসমীয়া, আচাৰ-ব্যৱহাৰ অসমীয়া আৰু শৰণ লোৱা গোসাঁয়ো আছিল অসমীয়া। বৃটিছৰ সুলসুলীয়া অস্ত্ৰৰ (সি অস্ত্ৰ লগালে গাত গম নেপায়) কৃপাত তুলাৰাম সেনাপতিৰ বংশধৰ সকলৰ অৱস্থা আজি পানীত হাঁহ নচৰা। চৰ্কাৰৰ ঘৰৰপৰাও একো সহানুভূতি নাই। অইন কি খেতি-বাতি কৰি খাবলৈকো এডৰা মাটি নাই। চাইমন চাহাবে ট্ৰাইবেল শব্দ উলিয়াই থৈ গ'ল, তাকে আজিও আমাৰ নিজা চৰ্কাৰে সানন্দে-নিৰ্বিবাদে গ্ৰহণ কৰি গৌৰৱ অনুভৱ কৰিছে। বৃটিছ কূটনীতিৰ হেঁচাত পৰি তুলাৰামে ত্ৰাহি ত্ৰাহি কৰিলে। তাৰ ফলতেই আজিও আমাৰ আদি অসমীয়া বডোচা-ডিমাচাৰ বংশ কছাৰী জাতিয়ে ক'তো মুখ উলিয়াবপৰা নাই।

[২]

কছাৰীৰ আদিভূমি আছিল ডালাওৱা আৰু সাঙীৱা নদী দুখনৰ সঙ্গমস্থলত। কোনো কোনোৱে কয় সাঙীৱা শব্দই ব্ৰহ্মপুত্ৰক, ডালাওৱাই বুঢ়ী গঙ্গা নৈক বুজায় বুলি। অসম বুৰঞ্জীত বদৌচা ৰজাৰ নাম উল্লেখ আছে। বৌদচাৰ অৰ্থ হৈছে বুদ্ধৰ সন্তান। দিমাচা বৰনদীৰ সন্তান। আমি সদায় ব্যৱহাৰ কৰা শব্দ জা-জলপান শব্দটো গুৰিতে কছাৰীৰ পৰা অহা। চাউল শব্দৰো উৎপত্তি কছাৰী মুখতে হে। ডাৱৰ, ডাব, ডোং, ডিঙ্গি (নাও), ডিব্ৰু, দিহিং, দিহং ইত্যাদি পানী অৰ্থযুক্ত প্ৰায়বোৰ শব্দই মূলতঃ কছাৰী। সদিয়াৰ কৌণ্ডিল্য বা কুণ্ডিল নগৰখনৰ নাম কছাৰী ভাষাত হালালি বোলে। কছাৰীৰ ডিমাচা বা দিমাচা বংশটোকেই অসম বুৰঞ্জীৰ ব্ৰহ্মপুত্ৰ বংশ বুলি কয়। এই বংশই স্বৰ্গদেৱ নামৰ আধিপত্য হোৱাৰ আগতে অসমত ৰাজত্ব কৰিছিল।

গুৰিতে এটা হ'লেও, কছাৰী বিলাকৰ ডাল-ঠেঙুলি বহুত। তাৰ ভিতৰত এই কেইটাই প্ৰধান-বদৌচা, ধ্যান বা দেহান, লাংঠাচা, ফংলংচা, ঠাউচেন চা, হাফালাংচা, হাম্মুচা। হাম্মুচা ঠালটোৰ বুৰঞ্জীমূলক আখ্যান অসমীয়া ভাষাত লেখা সাচিপতীয়া বুৰঞ্জীবিলাকত পোৱা যায়। দেহান বা ধ্যান কছাৰীৰ ঠালটো একেবাৰে সদিয়াৰ ওপৰৰপৰা অহা। তেজীমলা পানেসৈ, কাঁচনমতী, ফুলৰা-চতলা, লখাই-তৰাকে আদি কৰি যিবোৰ সাধু কথা আমি শুনি আহিছোঁ

সেইবোৰৰ সৰহ ভাগেই এই দেহান কছাৰী সকলৰ দিনতেই সৃষ্টি বুলি কব পাৰি। চেংখোৱা, ৰাজমাই, টেঙাবাৰী, কাচমাৰি, শিলপুখুৰী, ধেমাজি, গাভৰু পৰ্বত বাগিছা, কছাৰী পথাৰ আদি ঠাইবোৰত এতিয়াও যি দুই চাৰিঘৰ দেহান মানুহ আছে সেই সকলেই উজনিৰ কছাৰী সম্বন্ধটো নমৰাকৈ জীয়াই ৰাখিছে। তদুপৰি ৰাজমাই বাগিচাৰ ওচৰৰ দেহান কছাৰী গাঁৱত অলপতে, মাটিৰ তলত বহুদিনীয়া পুৰণি কাঁহীবাটি আৰু কছাৰী টকাৰ ঘাগৰী ওলাইছে। তাৰ দ্বাৰা প্ৰমাণ হৈছে যে এসময়ত দেহান কছাৰী ঠালটো অলপ নহয় অলপ অইনতকৈ উন্নতেই আছিল। গতিকেই, কছাৰী সংস্কৃতি সুকীয়া বুলি অসমীয়াৰ গাৰপৰা একৰাই নিলেও, বুৰঞ্জীক চিঞৰাই এশবাৰ ক'ব লাগিব যে স্বতী নৈপাৰৰ লগত সংযোগ থকা কছাৰীয়েই হে অসমীয়া সংস্কৃতিৰ ৰাজহাড়।

দেহান কছাৰীও বহুত খেলত বিভক্ত যেনে---বৰপাত্ৰ, ডেকাপাত্ৰ, সেনাপতি, উজীৰ, ৰজাকাজী, শ্যাম ভঁৰালী, কবিভুঞা, দলৈ, দেউৰী, পুৰকাইথ, শিঙাদাৰ, বাগদাৰ, কমাৰ লস্কৰ, ভেকুৰা লস্কৰ বা ভাকু-ৱাল লস্কৰ, ঢুলীয়া লস্কৰ, সোণাৰি, পাত্ৰ,---ইত্যাদি।

মাইবঙৰ দাঁতিয়ে-কাষে কছাৰী ৰজাই যিবিলাক মূৰ্তি কৰাই-ছিল, সেইবিলাকক পূজা সেৱা কৰিবলৈ 'ৰজা গোঁহাই কমলে' টীকল নদীৰ পাৰত কামৰূপ নিবাসী কাশ্যপ গোত্ৰজ যজুৰ্বেদীয় কণ্বশাখা-ধ্যায়ী ব্ৰাহ্মণসকলক নিযুক্তি কৰে। আৰু দুজনমান কোঁচক দেউৰী আৰু সেৱাইত পাতে। শ্ৰীযুত উপেন গুহৰ মতে "তেওঁৱেই উদাৰবন্দ আৰু গগ্মালি গ্ৰামত কেচাইখাতী, ৰণবাউলী, আন্ধেৰী, চান্দাই কালী গোসাঁনীৰ মূৰ্তি প্ৰতিষ্ঠা কৰে।"

দেহান বংশৰ ৰজা লক্ষ্মীচন্দ্ৰই কাঞ্চনীক বিয়া কৰাই খাচপুৰ কাৰেং সাজে। তেতিয়াই অৰ্থাৎ ১৭৪৫ খৃঃত অসমৰ বহুত ব্ৰাহ্মণ নি তাত বহুউৱা হয়। এই বিষয়ে, উক্ত গুহ ডাঙৰীয়াই লিখিছে, "জনশ্ৰুতি যে এই সকল ব্ৰাহ্মণ আসাম হইতে কাছাৰে আগমন করিয়াছিল। ধামাধি (ৰাজগুৰু) বংশত আসাম হইতে এতদ্দেশে কাছাৰে আগমন করিয়াছিল। ধামাধি (ৰাজগুৰু) বংশও আসাম হইতে এতদ্দেশে আসিয়াছিলেন বলিয়া লোক পৰম্পৰায় অবগত হওয়া যায়।" তুলাৰামৰ ৰাজ্যত থকা ব্ৰাহ্মণ সকলো টীকল নৈৰ পাৰতে

আছিল। এই সকল ব্ৰাহ্মণক আজিও দ্বাদশাদিত্য ব্ৰাহ্মণ বুলি জনা যায়। এওঁবিলাক যাত্ৰাপুৰ, বৰথলী আৰু ফুলবাৰীত থাকে। দ্বাদশাদিত্য বংশৰ নাম কব নোৱৰাবিলাকেই ঘৰচীয়া বা ঘৰজোঁৱাই নতুবা চপনীয়া বুলি ধৰিব লাগিব।

গোহাঁই কমলে শ্যামা গোসাঁনী পজাৰ নিয়ম উলিওৱাৰ আগতে কছাৰীসকলে পূজা-পাতল দিছিল এইবিলাক দেৱ-দেৱীক—এলাও ৰজা, নলী লম্ভিচা, নিকাও ঔৱা, মাংগাৰাং দিচাং, দিচাইম্, কচাইম, চাম-বিয়াম, লাৰিগ কংচা। এইবিলাক গোসাঁনীৰ পূজা হৈছিল ফাগুন মাহত।

তুলাৰামৰ ৰাজ্য গোটেইখন পুখুৰীময়। তাত ইমানবোৰ পুখুৰী হোৱাৰ এটি সাধু আছে। এদিন দেৱতাসকলে হেনো বৰ সভা পাতি সকলোকে নাচবাগ কৰিবলৈ ক'লে। ডিমাপুৰৰ চাৰিওপিনে থকা ঠিচা, ঠিৰেণ ডাওচুমছা, ঔৱাটিং লেংচা, জিলিয়াচা, ঠাও ফ্ৰাম্‌চা আদি মুখিয়াল মুখিয়াল খেলবোৰ, আটাইকে নাচৰ একোটা একোটা ভাগ দিলে। এইদৰে গাইপতি ভগাই দিয়াৰ পিচত কাবিক দিবলৈ একো নেথাকিলগৈ। কাবিয়ে আহি দেৱসভাত জনালত দেৱতাই দিহা দিলে বোলে, "তহঁতে মানুহ মৰিলে কঁকলুৱা পানীত পৰি নাচিবি-হঁক।" এই মতে কাবিসকলে মানুহ মৰিলেই শৱটোহঁত লৈ গৈ একোটা পুখুৰী খানি সেই পুখুৰীত নাচিবলৈ ধৰে। পুখুৰীটোত কাবিৰ ডেকা গাভৰু আটাইবোৰ নামি পানীতে নাচি বাগি জলক্ৰীড়া কৰি শৱটো নি এঠাইত পুতি থয়গৈ। এইৰূপে মৰাশ পুতিবলৈ জলক্ৰীড়াৰ অৰ্থে খনা হেতুকেই তুলাৰামৰ ৰাজ্যত অসংখ্য পুখুৰী আজিও দেখিবলৈ পোৱা যায়।

তুলাৰাম সেনাপতিৰ উপাধি আছিল বৰ্মণ। বৰ্মণটো পাচত লোৱা। পূৰ্বত, কছাৰী উপাধিৰেহে জনাজাত আছিল। বৃটিছৰ পৰা আচুটীয়াকৈ যিখণ্ড ৰাজ্য লাভ কৰিছিল তাত বৃটিছৰ খাছ দখললৈ অহাৰ পিচত, এই কেইটা মৌজা পতা হৈছিল।

১৮৫৪-৫৫ খৃষ্টাব্দত পতা মৌজা আৰু মৌজাদাৰৰ নামকিটা কেতিয়াবা কোনো কামত আহিব পাৰে বুলি ইয়াৰ লগতে ওলোমাই দিয়া হ'ল —

মৌজা	মৌজাদাৰ
১। বহতীয়া	হাবিবকৰা
২। বৰ হামুৰীয়া	ফাগুৰ জিফা
৩। দুৰৰী গাঁও	হাইচা দাও
৪। দুটা ইৰা	গৰুণ্ড
৫। দিও জোৱা	ফুৰা দলৈ
৬। কুকী	সৰুৰাম দলৈ
৭। কায়ং পাহাৰী	চুনফাৰমফা
৮। কাঠকটীয়া	মধুৰাম লস্কৰ
৯ লাংলা বুৰা	লাইডুৱা দাও
১০। লাংবাই বুৰা	নাগাম
১১। লাংফেৰ	ৰাং কচদেও জিৰিংতাই
১২। মহং দিজুৱা	ব্ৰজনাথ বৰ্মণ
১৩। মহং দেউৰী	ভূধৰ লস্কৰ
১৪। মহং জামাৰী	দুৰ্গাৰাম
১৫। পাইটিং জানজী	বীৰসিং লস্কৰ
১৬। চেমখ'ৰ	দিলবাসী
(এইখিনি কছাৰী)	
১৭। চিয়াগা	বানজাফা
১৮। দালমিয়া	সানিয়াদাও
১৯। আমকলী	লতী
২০। ডিমাপুৰ	বাংলুং
২১। শ্যামলু	জিয়ামালই
২২। জুমতং	চাৰমান
২৩। নগৰজান	উইলং
২৪। ৰংখাং	লাখপতি লিন্দুক
(এইখিনি কাৰ্বি)	
২৫। আছালু	দগাৰাম
২৬। দেজিং	বিলং
২৭। চেলাং	প'ও কামক্ৰ
২৮। গেৰেহবাংবেচা	ৰাৱাং বাও

মৌজা	মৌজাদাৰ
২৯। গোৱালুং	চই কামবাও
৩০। থোজাক	ৰামকেশ
৩১। হিকিং জানি	গাডুং বাহ
৩২। পিংক্লউ	পেদৌ চাংদিম
৩৩। নিংলৌ খাৰিজ	নামৰাং ৰাং
৩৪। নুৱাদিয়া	মিছুজী
৩৫ দেছা	---

(এইখিনি নগা)

জয় জয়ে গোলাঘাটৰ ৰেংমাত কছাৰীৰ ৰাজধানী আছিল। তেতিয়া ইয়াক বৰ ডিমাপুৰ বোলা হৈছিল। মনিপুৰ ৰ'ডৰ ওচৰৰ ডিমাপুৰ ১৫৩৬ খৃঃত ধ্বংস হয়। তাৰপৰা কহিমাৰ প্ৰামা ডুম-ডুমালৈ ৰাজধানী স্থানান্তৰিত কৰা হয়। তাৰ পিছত হে ১৫৭৬ খৃঃত মাইবঙত কছাৰী ৰাজধানী হয়।

তুলাৰামৰ বংশ পৰিয়ালে বৃটিছ চৰকাৰৰ ওচৰত অনুগ্ৰহ প্ৰাৰ্থনা কৰিলত, চৰকাৰৰ হৈ এইচ, এচ, বিয়াৰে বৃটিছ সাম্ৰাজ্যৰ স্বাৰ্থ পূৰণৰ বাট মোকোলাবৰ অৰ্থে সিবিলাকৰ দাবী প্ৰাৰ্থনা এইবোৰ কাৰণত, নামঞ্জুৰ কৰিছিল ঃ—

তুলাৰামৰ পুতেক ব্ৰজনাথৰ দাবীসমূহ সম্পূৰ্ণ অযুক্তিমূলক আৰু অভূতপূৰ্ব। তুলাৰামৰ জীয়েক লাহৰী আইদেওৰ গিৰীয়েক কানুৰাম বৰ্মাই ৩৫০ পূৰা মাটি খুজিছিল। সেই মাটি তেওঁ পাব নোৱাৰে বুলি কোৱা হয়।

যোগেশ্বৰ বৰ্মণে প্ৰাৰ্থনা কৰা ২৪০০ পূৰা মাটিও দিয়া নহ'ল। সেইৰূপে তুলাৰামৰ কেঁচুৱা ল'ৰাটিয়েও একো নাপালে। তুলাৰামৰ নাতিয়েক কাণুৰামৰ পুতেক ১৬ বছৰীয়া ডেকা চন্দ্ৰনাথেও ১৪০০০ পূৰা মাটিৰ নিমিত্তে দৰ্খাস্ত দিছিল। তুলাৰামৰ সম্পত্তি উপভোগ কৰিবলৈ স্বত্ব আছে বুলি তুলাৰামৰ পুতেক নকুলৰাম আৰু ব্ৰজ-নাথে চহী দি কোৱা স্বত্বেও বিয়াৰ চাহাবে সেই দলিল মিছা বুলি অগ্ৰাহ্য কৰিলে। তদুপৰি, নকুলৰাম আৰু ব্ৰজনাথৰ একো স্বত্ব নাই বুলি সেই চহীৰ মূল্যও উৰুৱাই দিলে।

খৃঃ ১৮৩৮ চনৰ ১৮ নৱেম্বৰ তাৰিখে তুলাৰাম সেনাপতিয়ে নিজে

লেখি থৈ গৈছিল যে পূজা-সেৱাৰ নিমিত্তে তেওঁক ৮০০০ পূৰা মাটিৰ আৱশ্যক। তেওঁ মৰিলত সেই মাটিখিনি দেৱোত্তৰ, ধৰ্মোত্তৰ স্বৰূপে আচুতীয়াকৈ ৰাখিবলৈ প্ৰাৰ্থনা কৰাত চাহাবে মঞ্জুৰ নকৰিলে।

তুলাৰাম বৰ্মণে ১০ জনমান লগুৱা লিক্‌চৌ লৈ মহং দিজুৱাত জীৱনৰ শেষ ছোৱা বৰ দুখেৰে অতিবাহিত কৰিলে।

তুলাৰামৰ পৰা ৰাজ্য লৈ বৃটিছ চৰকাৰে লাংফেৰ, যমুনামুখ, হাচুং হাজোত পুলিচৰ থানা পাতিলে। ডিমাপুৰ নাগিনীজান, ডবকা মহং দিজুৱা, চেমখৰ গেলাং আদি গাঁওবোৰত বৃটিছৰ প্ৰভাৱ বিস্তাৰ কৰাবলৈ ধৰিলে।

তুলাৰাম সেনাপতি মৰিলত, কছাৰীসকলে এই সাধুটো কৈ সিবিলাকৰ অধঃপতনৰ বাবে মন তাপৰি থাকে ঃ---

তাহানিখনেই হেনো ডিমাপুৰত ৰঙাদাও-ডেগাদাও নামে দুটা বীৰ আছিল। ভাটীৰপৰা অহা বীৰ এটাৰে ইহঁতে যুঁজ কৰিব লগীয়া হ'ল। ৰঙাদাও---দেগাদাওৰ লগুৱা চেমালুৰ গাত বীৰৰ তেজ আছিল। চেমালু মালৰ লগত যুঁজিবলৈ গ'ল। সদাশিৱৰ আশীৰ্বাদত চেমালু জিকিল। সদাশিৱই তাক ক'লে, "কি বৰ লাগে ল, তোত মই সন্তুষ্ট হৈছোঁ। মোৰ এই পাঁচোটা আঙুলিৰ কোনটো লাগে, খোজ।" চেমালুৱে গোটেইখন হাতকে খুজিলে। সদাশিৱই খং উঠি তাক শাও দিলে বোলে তই বিখ্যাত বীৰ হবি সঁচা কিন্তু মৰোতে হলে লেলাত ভুজি মৰিবি।

চেমালুৱে ব্ৰহ্ম মণিপুৰ জয় কৰি মণিপুৰত ১২ হাতত কৈও ওখ ঘৰ সাজিবলৈ হাক দিলে আৰু ব্ৰহ্মত ওলোটাই খোপা বান্ধিবলৈ আদেশ কৰিলে আৰু ওভোতাই বাঁহ ৰুবলৈ ক'লে। মান দেশৰ পৰা ঘৰি আহোঁতে সি এটা বগা হাতী আনিছিল। ৰজাই হাতীটো খুজিলত চেমালুৱে হাতী নিদিলে। ৰজাই তাক হাতীৰে গচকাই মৰাব খুজিলে কিন্তু চেমালুৱে গতা মাৰি হাতীকে বগৰাই পেলালে। শেষত তাৰ মাকক তাক মৰাৰ উপায় সুধি চেমালুৰ কাণত সীহ গলাই সুমুৱাই দিয়াত চেমালু মৰি থাকিল। তেতিয়া চেমালুৱে শাও দিলে বোলে "কছাৰী বংশত কেতিয়াও বীৰ নোপজে।" সেই দেখিয়েই বোলে তুলাৰাম সেনাপতিৰ পিচত আৰু কছাৰী বিলাকৰ ভিতৰত কোনো বীৰ উপজিব পৰা নাই।

তুলাৰাম সেনাপতিৰ বংশ পৰিয়ালে দাবী কৰা নিষ্কৰ মাটি আৰু মন্দিৰৰ লেখা---

	দাবী কৰোতাৰ নাম	মাটিৰ পৰিমাণ	মাটিৰ সীমা				মন্তব্য
			উঃ	দঃ	পূঃ	পঃ	
১	ব্ৰজনাথ বৰ্ম্মণ	১৪০০০ পূৰা	যমুনা নৈ	দিক্ৰং ক্ৰিমজান	ৰঙ্গিলাপুৰ	বৰ এৰাসুঁতি	যুটীয়া দাবী
২	কাণুৰাম	৩৫০ "	"	পাভজান	সৰু এৰাসুঁতি	বৰশিমলু	
৩	যোগেশ্বৰ বৰ্ম্মণ	২৪০০ "	কাকীজান	তেৰে লংচু	ডিমৰুমুখ	ভেৰহি বিল	ইয়াত ৰামচা আৰু খেলমাকন গাঁও আছিল।
৪	জগন্নাথ বৰ্ম্মণ	৩০০০ "	তেঁতেলীগুৰি	ডিমৰুজান	জৰীগছ	নমাটি	ডিমৰু গাঁও আছিল।
৫	চন্দ্ৰনাথ বৰ্ম্মণ	১৪০০০ "	যমুনা	আমপুখুৰী	বৰশীমলু	ঘূৰ্ণীয়া মুখ	
৬	পূজাসেৱাৰ অৰ্থে দেৱোত্তৰ	৮০০ "	হাবি	পটীয়াজান	ঘূৰ্ণীয়া মুখ	দিমৰু মুখ (দিগাৰু)	ওপৰ যমুনাৰ ভিতৰত পৰে দিজুৱলী গাঁৱৰ মাজত
৭	কাণুৰাম বৰ্ম্মণ (সুকীয়াকৈ)	৪৮০০ "	যমুনা	লাংফেৰজান	ধৰম বিল	মাখং দিচা	

	দাবী কৰোতাৰ নাম	মাটিৰ পৰিমাণ	মাটিৰ সীমা				মন্তব্য
			উঃ	দঃ	পূঃ	পঃ	
৮	মচমত বাণেশ্বৰী	২০,০০০ পূৰা	লাংলাই পঘত	কুইৰেৰ জান	লাংখেৰ মুখ	দিক্লিং	জেৰ্গা, মলুফা, পীত মালু, ৰেং লামফা, মোম্বাচা নাতুম্লা
৯	শ্ৰীমতী সোণ্টিকণ্	৪০,০০০ ”	যমুনা	লাংলাই পঘত	কুইৰেৰ জান	ৰঙ্গিলাপুৰ	ৰবকলা, চাৰুণ সঙ্গত গাঁও
১০	শ্ৰীমতী ইন্দ্ৰপ্ৰভা	৭০০ ”	যমুনা	লাৰী মহ গছ	দিকাৰুমুখ (দিগাৰু)	নমাটি	কাঠকটীয়া গাঁ

সৰ্বমুঠ—৩১০½ বৰ্গমাইল হব।

আৱাহন ঃ ৩য়-৪ৰ্থ সংখ্যা ঃ ২৫ শ বছৰ ঃ ১৯৫৪।

ৰাভা জাতি আৰু বীৰ পশুৰাম

ৰাভাৰ গোষ্ঠী কেবাটাও। তাৰে ভিতৰত পাটী, ৰংদানীয়া, মাইতৰীয়া আৰু দাহৰীয়ে উল্লেখযোগ্য। ৰংদান নৈৰ পাৰত থকা-সকল ৰংদানীয়া আৰু থলত থকাবিলাক পাটী। পাটীয়ে খেতি বাতি কৰি জীৱন নিৰ্বাহ কৰে, ৰংদানীয়া পুৰণি নিয়মমতে থাকে। ধৰ্ম আৰু ভাষা ফালৰ পৰা চালে, "মাৰ্টিন"ৰ মতে ৰাভা আৰু পানী কোচৰ ভিতৰত বহুত সাদৃশ্য থকা দেখা যায়। কোচ ৰজা বিশ্বসিংহ ৰজা হোৱাৰ আগতে কোচ বা ৰাজবংশীৰ যি ভাষা আছিল ৰাভাৰো সেই ভাষাই।

ৰাভাব এইকেইটা খেলেই প্ৰধান---বিদ্যা, ৰিব্দা আৰু ৰাভা। ৰাভা নামে কেউটাকে সামৰে। পানী কোচ আৰু ৰাভাৰ ভিতৰত বিশেষ প্ৰভেদ নাই যদিও ৰাভাই বৰকৈ ভাং খায়, এইটোহে মাথোন পাৰ্থক্য দেখা যায়। ৰাভাই দুদিনতে মৃতকৰ ক্ৰিয়া সমাপন কৰে (অশৌচ খেদায়) ইফালে পানীকোচে ছদিনৰ মূৰত মৃতকৰ ক্ৰিয়া-সমাপন কৰে। ৰাভাব ইষ্টগুৰু বা দেৱতা হ'ল ঋষি আৰু চাৰি-পক। দুয়ো গৰাকী দেৱ-দেৱী ৰংক্ৰং অৰ্থাৎ স্বৰ্গত থাকে। ঋষিৰ আদেশ মতে তাক মানব্ৰা নামে এজন দেৱতাই পৃথিৱীখন নিয়ন্ত্ৰণ কৰে। কিন্তু তেওঁক কোনেও পূজা নকৰে। এইবিলাকে ঋষিৰ নামে এটি গাহৰি আৰু চাৰি-পকৰ নামেও এটি ছাগলী বলি আৰু মদ-ফুল আগ বঢ়ায়। ৰাভাৰ নিমিত্তে ফুল বৰ আদৰৰ বস্তু।

ৰাভাৰ ধৰ্ম বুলি যিজন দেৱতা আছে---তেওঁ চোৰহাচু বোলা পৰ্ব্বতত থাকে। তাৰেই তেওঁ অধিপতি। তেওঁ সন্তুষ্ট থাকিলে ৰাইজৰ মঙ্গল। চোৰহাচুৰ ওপৰতে দৰং বুলি এটা পৰ্ব্বত আছে। দেশত মাৰি-মৰক হলে, অপায় অমঙ্গল হলে---খৰাং হলে, বৰ গৰম বা বাঢ়নী পানী আহিলে চোৰহাচুত উঠি ৰাভাসকলে ধৰ্মক পূজা কৰে। দৰংখনেই স্বৰ্গ বা ঈশ্বৰ থকা ঠাই। এইজনা দেওলৈ কলা ছাগলী এটি আগ কৰি বলি দিয়া হয়। মহেশ, ধনপাল, লাখৰ ঠাকুৰ, সোনাবায়, ৰূপাবায় এইকেইজন হল পুৰুষ দেৱতা আৰু

খুব চনী, চণ্ডী এয়া হল দেৱী। সেই দেৱ-দেৱীৰ আগত ৰাভাবিলাকে শপত খাই নিজৰ নিজৰ দোষ নিৰ্দোষ স্বীকাৰ কৰে। দেৱপূজা কৰাজনৰ নাম ৰজা। প্ৰত্যেক গাঁৱতে এজন বা দুজন ৰজা থাকে। সেই সকলে ঋষি পূজা কৰে। পুৰোহিতক পূজা কৰা বাবে এখনি গাত লোৱা কাপোৰ, উচ্ছৰ্গা কৰা গাহৰিটোৰ চাৰি ভাগৰ এভাগ আৰু মদ পানী এচোক পায়।

পৰিয়ালৰ মূল মানুহজন মৰিলে বাপেকৰ ডাঙৰ পুতেকে আটাই-তকৈ সৰহ ভাগ পায়। সেই অনুপাতে সৰু কেইটাই পায়। বিয়া বাৰু সম্পৰ্কে ৰাভাৰ মাজত বহু বিবাহ প্ৰচলিত। একো একোজন মতাই সাত জনীলৈকে বিয়া কৰিব পাৰে।

বিয়াত মাছ, ভাত; কুকুৰা দি ঋষিক পূজা কৰা হয়। বিয়াৰ পিচত গিৰিয়েক ঘৈণীয়েকে এৰাএৰি হব নোৱাৰে।

তিৰোতাবিলাকে কাপোৰ বয়, পুৰুষে যি ইচ্ছা তাকে কৰিব পাৰে। কিন্তু কাপোৰ বোৱাটো তিৰোতাৰ ধৰা বন্ধা নিয়ম। মতা-বিলাকে কেৱল খেতি কৰে আৰু খৰি কাঠ কাটে। ৰাভাৰ ভিতৰত ৰজা অৰ্থাৎ নৃপতি নাই কিন্তু একো একোজন মুখিয়ালেই গাঁও অঞ্চল একোডোখৰ শাসন কৰে। ৰাভা মানুহ বিলাক হৃষ্ট-পুষ্ট, কিন্তু ইমান সৰল যে সেই সৰলতাই দুৰ্বলতাক পৰিণত কৰে।

ইংৰাজী সোতৰশ শতিকাৰ দ্বিতীয় দশকৰ পৰা ৰাভাৰ দেশ বা অঞ্চলৰ বিষম পৰিবৰ্তন হয়। এই কালত এই অঞ্চল কোচৰ অধীন আছিল। কিন্তু কোচ ৰজা পৰীক্ষিত আৰু লক্ষ্মীনাৰায়ণৰ ৰাজ্য মুছলমানৰ হাতলৈ যোৱাৰ পিচত মিৰ্জানাথন নামে এজন মুছলমান নবাবে এই ঠাইত বহুত দিন যুঁজ বাগৰ কৰিবলগীয়া হয়। সেই যুঁজত কেবাজনো ৰাভা বীৰে জন্মভূমি হন্তে প্ৰাণপণে যুঁজ কৰে। কিন্তু সহায়-সাৰথিৰ অভাৱত সিসকলে হয় আত্ম সমৰ্পণ কৰিব-লগীয়া হয়, নহয়, বিদেশীসকলে সিসকলক বলেৰে ধৰি নিয়ে। সেইসকলৰ ভিতৰত পৰশুৰাম, মামু গোবিন্দ লস্কৰ, বলাই লস্কৰ, অকৰা ৰজা, আৰু শাম্ভুৰ ৰজাই প্ৰধান। ৰংজুলি গড়ত যুদ্ধ কৰোতা পৰশুৰামৰ লগত মিৰ্জা নাথানে বহুত ৰাভাক নিজৰ সৈন্য বাহিনীৰ লগত সুমুৱাই লৈছিল। কিন্তু সৰল হোজা হৈও ৰাভাবিলাকে যেতিয়া দেখিলে যে তেওঁবিলাকৰ নিজা ঘৰ-ঘৰ ৰংজুলীখনো এতিয়া মুছল-

মানৰ হাতলৈ যায়—তেতিয়া ৭০০ ৰাভাই একেলগে মির্জা নাথানৰ কাম এৰি দিয়ে। (সুভাষ বসুৱে গঠন কৰা J.N.N. force ৰ দৰে ইয়াৰ কাম।)

পৰশুৰাম ৰজা—ৰাভা অঞ্চলত কোচবিহাৰৰ ৰজা লক্ষ্মী নাৰায়ণৰ সম্বন্ধীয় বৃষকেতুৰ পুতেক মধুসূদনে পোন প্ৰথমে কৰৈবাৰীত নাৰায়ণৰ অধিকাৰী হয়হি। কৰৈবাৰী আছিল লক্ষ্মীনাৰায়ণৰ ভতিজাক পৰীক্ষিত নাৰায়ণৰ ৰাজ্যৰ ভিতৰত আৰু ইয়াত তেওঁৰ বংশৰ এজনৰ অধিকাৰী আছিল। মোগলে পৰীক্ষিতক ধৰি লক্ষ্মীনাৰায়ণক কোচবিহাৰৰ ৰজা পাতিলে। কামৰূপৰ চোৰা পৰীক্ষিতক দিলে। মধুসূদনে কৰৈবাৰী অধিকাৰ কৰা শুনি মোগল নবাব মির্জানাথানে চান্দ বাহাদুৰ, মুচাখা আৰু বাৰ ভূঞা ভাটীয়াৰ বহুত সৈন্য লৈ মধুসুদনক আক্ৰমণ কৰিবলৈ আহিল। মধুসুদন মুছলমানৰ হাতত বন্দী হ'ল। চান্দ বাহাদুৰক কৰৈবাৰীৰ থানাদাৰ পাতি মির্জানাথান ৰঙামাটিলৈ যায়। সেই সময়ত শাস্তৰ ৰাজ্যৰ শালমাৰীৰ অধিপতি আছিল পৰশুৰাম। চান্দ বাহাদুৰে পৰশুৰামক জিনি শাস্তৰ অঞ্চলো মোগলৰ ভিতৰ কৰিবলৈ মনস্থ কৰিলে আৰু সেই অভিপ্ৰায় সিদ্ধিৰ নিমিত্তে মির্জানাথানৰ সহায় খুজিলে। চন্দন কোঠত আছিল মোগলৰ নৌ বাহিনী। সেইবোৰ পঠিয়াই দিয়া হয় চান্দ বাহাদুৰৰ সাহায্যৰ নিমিত্তে আৰু ইপিনে মির্জাই নিজে ১০০ ঘোঁৰা ৰণুৱা, ৫০০ বগুৱান হিলৈদাৰী লৈ বগুৱানৰ দিহি সদৰ ঠাই ফুলবাৰীত কোঠ দি পৰশুৰামৰ বিৰুদ্ধে থিয় হ'ল। তাতে থাকি বাঁহবাৰী আৰু কঠাল বাৰীয়েদি সোমাই পৰশুৰামক ধৰিবলৈ আগবাঢ়ি গল। পৰশুৰামে সেই চৌধ্য হেজাৰ সৈন্য লৈ কঠালবাৰীতে গড় মাৰিলে গৈ। মেচপাৰা আৰু মনুপাৰাৰ জায়গীৰ আছিল কুলিজাখা নামে মোগল চৰ্দাৰ এজন। তাত ৫৮টা আচোয়াৰ চিপাহী আৰু ৩০০ পদাতিক সৈন্য ৰাখি মির্জা শাস্তাৰতে পৰশুৰামক আক্ৰমণ কৰিবলৈ আহিল। তেওঁৰ লগত ললে দৈত্যাৰী আৰু বামুণ নামে দুজন থলুৱা পথ প্ৰদৰ্শক। পৰশুৰামে সেই চৈধ্য হেজাৰ মানুহৰ ভিতৰৰ পৰা দহ হেজাৰ মানুহ লৈ শাস্তৰত কোঠ মাৰি তাৰ কাষৰতে থকা নৈৰ পাৰলৈ ৪০০ পদাতিক সৈন্য উলিয়াই নি মির্জাক প্ৰতিৰোধ কৰে। পৰশুৰামে অসীম বিক্ৰমেৰে যুদ্ধ কৰি মুছলমানৰ বহু সৈন্য ক্ষয় কৰিলে। নিজৰ দলৰো অনেক

হানি হয়। অৱশেষত যুঁজত ঠাৱৰিব নোৱাৰি পৰশুৰাম হুঁহকি গেন্দাৰালৈ গল। মিৰ্জাইও পিচদিনা শলমাৰীলৈ পিছুৱাই গ'ল। গেন্দাৰত যি যুদ্ধ হ'ল তাতো অসংখ্য গুলি বৰ্ষণ কৰা হ'ল, তথাপি পৰশুৰাম আগুৱাই যাব নোৱাৰিলে। গতিকে তেওঁ মিৰ্জাৰ পিচত শলমাৰী পালেগৈ। এই দুয়ো ঠাইত পৰশুৰামৰ সৈন্য সামন্তই প্ৰাণ-টাকি যুঁজ কৰিছিল। কিন্তু সৰহ সংখ্যক মোগল সেনাৰ আগত তিষ্ঠিব নোৱাৰি কঠালবাৰী পালেগৈ। কঠালবাৰীতো তেওঁ হাৰিল দুৰ্ভাগ্যবশতঃ। কঠালবাৰী মুছলমানৰ হাতলৈ গ'ল। কঠালবাৰীত পৰশুৰামে মিৰ্জাক ১৩ দিন আটককৈ ৰাখিছিল। ১৬ দিনৰ মূৰত হুঁহকি গৈ পৰশুৰামে মকৰি পৰ্বতত মিৰ্জাক আগুৰি ধৰিলে। তাত থৈয়া-নথৈয়া যুদ্ধ হৈছিল। মুছলমানৰ এটা ফৌজদাৰৰ চাহই ন্যায়ৎ আৰু মাৰৱা নামে দুটা হাতী পৰশুৰামৰ গুলিত মাটিত বাগৰি পৰিল। তথাপি মিৰ্জাই নুলটিল। পৰশুৰাম ৰংদান নৈৰ কাষলৈ গ'ল। ৰংদানত আছিল মুছলমানৰ চৰ্দাৰ তচ্‌লিম্‌খা। তচ্‌লিমৰ লগত পৰশুৰামৰ হতা-হতি যুদ্ধ হ'ল।

সেই যুদ্ধতো পৰশুৰামে পৰাজয় মানিবলগীয়া হ'ল। মুছলমানে ৰংদান গাঁওখন জুই লগাই দিলে। জুই লাগি সমস্ত গাঁও ধ্বংস হ'ল। এশ গৰু মাৰিলে বাঘৰো মৰণ হয়। মানুহ পোৰা পাপতেই নেকি জুই লাগি থাকোতেই বা-মাৰলি বতাহে পাই সেই জুইয়ে তচ্‌লিমখাৰ চাউনিটোও পুৰি পেলালে। মুছলমানৰো বহুত মানুহ মৰিল।

পৰশুৰাম ৰংদানৰ পৰা আহি বালিজানত গড় মাৰি মুছলমানৰ বহুত মানুহক কচুকটা দিলেহি। বালিজানাত মুছলমানৰ চৰ্দাৰ আছিল দস্তুৰবেগ। দস্তুৰবেগৰ লগত যুদ্ধ কৰি পৰশুৰামে হৰুৱাব নোৱৰা যেন দেখি কোনোবা এলুটিয়ে আশ্ৰয় ললেগৈ। মিৰ্জাই তেওঁক বিচাৰি মাকৰি পৰ্বত পালেগৈ। বালিজানাত যুদ্ধ কৰি মিৰ্জাই বলভদ্ৰ দাস নামে এজনক স্থানীয় থানাদাৰ পাতি থৈ গ'ল। পৰশুৰামে মাকৰি পৰ্বতত থল আউটাই যুদ্ধ কৰিবলৈ প্ৰতীক্ষা কৰি আছে। এনেতে তেওঁক বিচাৰি মিৰ্জাই ওলালগৈ ১০০ জন অশ্বাৰোহী আৰু ৭০০ পদাতিক, ৪টা মদগজ হাতী আৰু সৈন্য সামন্ত লৈ। তাকৰীয় সৈন্যৰেই পৰশুৰামে তাতো বৰ বিক্ৰমেৰে যুঁজ কৰিলে। কিন্তু দুৰ্কপালৰ বাবে তাতো মিৰ্জাক ঘটুৱাব নোৱাৰিলে। মিৰ্জাই যুদ্ধ

জয় কৰি মাকৰি পৰ্বতৰ পৰা ২৭০০ মোন অগৰ-চন্দন কাঠ, ১৭০ মোন ওজনৰ ৯৬৭টা কাঁহ-পিতলৰ জকাটো, লোটা, কলহ, আৰু নানা বস্তুৰে ভৰা ৪৪টা নাও পালে।

মাকৰি পৰ্বতৰ পৰা মিৰ্জা শলমাৰীলৈ গৈ দম্ভুৰবেগক থানাদাৰৰ গাদীত বহুৱালে আৰু বলভদ্ৰক শাস্তোৰৰ মাণিকপুৰলৈ পঠিয়ালে। সেই ঠাই শাসন কৰিবলৈ মিৰ্জা আগবাঢ়ি গৈ আমজঙ্গা পালেগৈ। তাতে পৰশুৰামে মামু গোবিন্দে সৈতে মিৰ্জাক আগছিবলৈ খাপ দি আছিল। কিন্তু দৈৱদুৰ্বিপাকত আমজঙ্গাত ৰাখিব নোৱাৰিলে।

আমজঙ্গাৰপৰা পৰশুৰামে ৰংজুলীত ওলালগৈ। মিৰ্জাই ৪০০০ হেজাৰ গাৰো মানুহ লগত লৈ সেই বিৰাট ৰংজুলী কোঠ আক্ৰমণ কৰিবলৈ যায়। ইমান বিপুল সৈন্য ওচৰ চপা দেখি দাঁতিকাষৰীয়াৰ পৰা মানুহ ঘৰবাৰী এৰি গুচি গ'ল আৰু মিৰ্জাই অনায়াসেই সেই গাঁওবোৰ দখল কৰিলে। ৰাতি ৰংজুলী কোঠ আক্ৰমণ কৰিছিল। কিন্তু জয় কৰিব নোৱাৰিলে। যুদ্ধও ভীষণ-ভাৱে হৈছিল। মোগলৰ বহুত সৈন্য-চৰ্দাৰ পৰিল। মিৰ্জাই নতুন চাউনী সাজিবলৈ হজুৱা বনুৱাৰ হতুৱাই পৰ্বতাকাৰকৈ খেৰৰ পুজি গোটাই থোৱাইছিল। ইপিনে যুদ্ধত মিৰ্জাৰ সৈন্য নৰকৰ কুণ্ডত পৰি আছিল যদিও দুগুণ উৎসাহে যুদ্ধ কৰি ৰংজুলী কোঠ অধিকাৰ কৰিলে।

প্ৰথমতে সেই যুদ্ধত ৭০০ ৰাভা মানুহ মিৰ্জাৰ সহায়কাৰী আছিল। কিন্তু যেতিয়া দেখিলে যে ৰংজুলী কোঠ মুছলমানে অধিকাৰ কৰিলে তেতিয়া তেওঁলোকে মিৰ্জাৰ লগ এৰি সমৰু কাইঠৰ লগ ললেগৈ।

ৰাতি হ'লত আকৌ মিৰ্জাই ১০০ অশ্বাৰোহী, ৫০০ পদাতিক পঠালে। সমৰৱেও (সুমেৰু কাইঠ) বল্লাই লস্কৰ আৰু যুদ্ধ নায়কৰ তলত ১০০০ পদাতিক সৈন্য দি মিৰ্জাক বেঢ়ি ধৰিবলৈ পঠালে। সেই সৈন্যই দ'মাই থোৱা খেৰৰ পুজিবোৰত জুই লগাই দিলেগৈ।

ইতিমধ্যে মিৰ্জাই ৫টা গড় মৰালে। তিনিটা গড় সম্পূৰ্ণ হোৱা নাছিল। ৰংজুলী কোঠৰ নিচেই ওচৰতে আছিল পঞ্চমটো গড়। দোকমোকালিতে মিৰ্জাই সেই গড়টোত সোমাই ৰংজুলী কোঠলৈ গুলিয়ালে। পৰীক্ষিতৰ মোমায়েক মামু গোবিন্দে ধৰিলেহি। ধাৰাসাৰ গুলীয়া-গুলি হ'ল। ৰংজুলীত ঠাৱৰিব নোৱাৰি মিৰ্জাই হাতী বচাধাৰী

পালেগৈ। বচাধাৰীত মিৰ্জাৰ সেনাই ৩০০০ হেজাৰ গৰু সাঙুৰি আনিলে আৰু ১৭০০ মানুহো বন্দী কৰি নিলে। গোবিন্দ দাসৰ সহায়ত ৰংজুলী অধিকাৰ কৰিলে। তাৰ পিচত শান্তোৰজা আৰু অকৰা ৰজাও মিৰ্জাৰ অধীনলৈ গ'ল। বলভদ্ৰ দাসৰ বুদ্ধি ফন্দীত পৰশুৰাম বন্দী হ'ল। পৰশুৰামৰ তিনিজন পুতেক আৰু এগৰাকী ভাৰ্য্যাক মুছলমানে ধৰি লৈ গ'ল। ছবিচখাঁৰ হাতত গটাই দি পৰশুৰামক মিৰ্জাৰ ওচৰলৈ পঠালে। ৰংজুলীয়া ৰাভাবীৰ পৰশুৰামৰ এয়ে চমু পৰিচয়।*

---

* খাদুং-ভু'প্‌পা ১ম বছৰ, প্ৰথম সংখ্যা, ১৯৬১ চন।

গুৱালপাৰৰ বুৰঞ্জী চ'ৰাত

অসমৰ মানচিত্ৰত গুৱালপাৰ জিলাখন বৰ্তমান অসমৰ সীমান্ত-বৰ্তী আৰু সীমান্তৰক্ষী হৈ আছে সঁচা। কিন্তু একাল আছিল, যেতিয়া ই কামৰূপৰ কেন্দ্ৰস্থল হৈ উত্তৰ ভাৰত জলমলাই আছিল। গতিকে, অসমৰ বিস্তৃত বুৰঞ্জীত গুৱালপাৰৰ আংশিক বৰ্ণনা থকাটো একো অস্বাভাৱিক নহয়। আংশিক বোলা হৈছে এই বাবেই যে, কোচ-ৰাজবংশী, বড়ো-কচাৰী, ৰাভা, হাজং, ভুটীয়া, গাৰো প্ৰভৃতি থলগিৰীসকলৰ সঙ্গম স্থল আৰু সংস্কৃতিৰ চাক এই প্ৰাচীন কামৰূপ-কমতাপুৰ অঞ্চলত হাতীপুৰ দি সকলোকে সামৰি কোনো ঐতিহাসিকে অসমৰ ফালৰপৰা মধ্য যুগৰ অনুসন্ধান-গৱেষণাৰ নাঙ্গল-ফাল লগোৱা নাই। বুৰঞ্জী ক্ষেত্ৰত গুৱালপাৰ এতিয়াও ছন পৰিয়েই আছে।

প্ৰাচীন গুৱালপাৰৰ আঁতিগুৰি ধৰিবপৰা উপকৰণেৰে এতিয়ালৈকে ভালেমান এতুলা, বুৰঞ্জী আৰু পৰ্য্যটকৰ বিৱৰণী ছপা হৈ ওলাইছে। তাৰ ভিতৰত এই কেইখনৰ নামেই বিশেষভাৱে উল্লেখ-যোগ্য ঃ—(১) ফিৰ্দ্দোচীৰ "শ্যাহনামা", (২) তবকত-ই-নচিৰি, (৩) বাহাৰিস্তান-ই-গাইবী, (৪) পাটশ্যাহনামা, (৫) আইন-ই-আকবৰী আৰু আকবৰনামা, (৬) ইণ্টাৰ্ণ ইণ্ডিয়া, (৭) আমানুল্লাৰ কোচ ৰাজ্যৰ ইতিহাস আৰু সদৌ শেষত অসমৰ বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ দ্বাৰাই প্ৰকাশিত (৮) "অসম-বুৰঞ্জী" গ্ৰন্থসমূহ, অসমীয়া-ইংৰাজৰ সম্পৰ্কে লেখা ডক্টৰ সূৰ্য্যকুমাৰ ভূঞাৰ এংগ্ল আচামিজ ৰিলেচন বোলা গৱেষণাৰ বুৰঞ্জীখনো গুৱালপাৰৰ অন্ধকাৰত থকা বহুত তথ্যৰ উহ। এই এটাইবিলাক বুৰঞ্জীৰ ভিতৰত, ডক্টৰ ময়িদুল ইচ্‌লাম বৰাৰ দ্বাৰাই সম্পাদিত 'বাহাৰিস্তান-ই-গাইবী'খনেই ১৬০৮ খৃষ্টাব্দৰ পৰা ১৬২৪ খৃঃলৈকে গুৱালপাৰৰ ঘটনা চাবপৰা ফটফটীয়া দাপোন। এইবিলাকৰ উপৰিও থলগিৰীসকলৰ যাক আজিকালি ট্ৰাইবেল বোলা হৈছে—অনেক তত্ত্ব ৰিজ্‌লী, ডেল্টন, উইলচন, বানচেন, প্লেফেয়াৰ প্ৰমুখ্যে বহুত নৃতত্ত্ববিদ পণ্ডিতে নিজা নিজা দৃষ্টিত পৰামতে লিখি গৈছে। এইবিলাকৰ সমলতে ভেজা দি

আধুনিক তথ্যানুসন্ধানকাৰীক গুৱালপাৰাৰ বিস্তাৰিত বুৰঞ্জী লেখিবলৈ যুগৰ পৰিস্থিতিয়ে হাতবাউলি দি মাতিব লাগিছে।

সঁচাসঁচিকৈয়ে, গুৱালপাৰাৰ প্ৰায়বিলাক চুবা বা চুবুৰীয়েই অতীতৰ একোখন একোখন সৰুসুৰা কুৰুক্ষেত্ৰ ; আধ্যাত্মিক, ভৌতিক-আধি-ভৌতিক আৰু ভাস্কৰ্য্য-সৌন্দৰ্য্য চৰ্চ্চা কৰা একোটি-একোটি চন্দন চ'ৰা। তদুপৰি মইনামতী গোপীচন্দ্ৰ কোৱঁৰ আৰু জাৱৰা-জানচাৰ নিচিনা বৰদৈ-গীত, ফুলৰা-চতৰা, নেতাই-ধুবুনী, হুদুৰি-পাদুৰী (?)ৰ নিচিনা বিলাপৰ মালিতা ; সোণাৰাইৰ গীতৰ নিচিনা গাঁৱলীয়া ৰাগিণী-পদ আদিত অসমীয়া সাহিত্য বুৰঞ্জীৰ কত যে সুৱদি সম্ভাৰ সোমাই আছে, তাৰ কোনে অন্ত পায় ? এইবোৰ ঠাইতেই কমবোৰ কথা লুকাই আছে নে ?---খুঁটাঘাট, হাদীৰাচকী, ৰংজুলী, ৰৌমাৰী, দুমু-ৰীয়া, ধুপধৰা, নিবাৰী, ফুলবাৰী, যোগীঘোপা, পঞ্চৰতন, হাতীচলা, অশোকনগৰ, গৌৰীপুৰ, বিদ্যাবাৰী, শালকোচা, মাইজাঙ্গী, ধনতোলা, মাটিয়াব', ৰঙামাটি, ছত্ৰশাল, শিঙ্গিমাৰী, ফকিৰগঞ্জ, অভয়াপুৰী, বিজনী, বিলাসীপাৰা, মাণিকাৰচৰ, মেছাখোৱা, ওজাগড়, ৰামৰজাৰ গড়, চিৰাং, গুমা, বৰুণহাতা, চোৰহাছু-ঘিলাঝাৰ, কোকৰাঝাৰকে মুখ্য কৰি বহুত। পবিত্ৰ অসমৰ থান-সত্ৰ-গুৰুদ্বাৰ, দৰগাহ-ঈদগাহ-মছজিদৰ কথাই নকওঁ, কোচৰজা বিশ্বসিংহৰ মাতামহ হৰিদাস বা হাড়িয়া নমচৰ আদি বাসস্থান চিকণাই পৰ্বত, গোৰক্ষনাথ পাহাড়, নাকেশ্বৰী, ভৈৰৱচূড়া, তুক্ৰেশ্বৰী বা শুভাচল, শুৱচনী, শ্ৰীসূৰ্য্যৰ পাহাড় বৰপাহাড়, লেংটিয়াৰ পাহাড় আদি বুৰঞ্জী-গাভী পৰ্বতবিলাকে ; কৰ্ণাই, ফুলনাই, কৃষ্ণাই, দুধনাইৰ 'নাই' প্ৰত্যয় বা ৰূপান্তৰিত অৰ্থই ; আৰু 'মাৰী' প্ৰত্যয়ান্ত শব্দবোৰে ডলাত মেলা দি বুৰঞ্জীৰ তথ্য মেলি থৈছে—আমি মাত্ৰ বুটলিব হে লাগে। তামৰঙ্গা, উপদ, জালিগাঁৱৰ কুমটীয়া, বকদল, কদমতলা, ধনুভঙা, পদ্মপাৰা—এইবিলাকেও কিছুমান বুৰঞ্জীমূলক ঘটনা নুসুচোৱাকৈ নেথাকে।

গুৱালপাৰ জিলাৰ গুৱালপাৰ মহকুমাৰ এতিয়া য'ত সদৰ ঠাই আছে, বৃটিছে থানা পতাৰ আগলৈকে সেই ঠাই খুঁটাঘাট পৰগণাৰ ভিতৰত আছিল আৰু মোগল শাসনাধীনত থাকোতে চৰ্কাৰ ঢেকেৰী বুলি তাক নাম দিয়া হৈছিল। মিৰ্জা নাথানৰ "বাহাৰিস্তানত" "ঘালৱাপাৰা বা গালোৱা পাৰা" বুলি খুঁটাঘাটৰ ওচৰতে এটা চুবুৰী

প্ৰকাৰ কথা উল্লেখ আছে। সম্পাদক ডক্টৰ মফিদুল ইচ্‌লাম বৰাৰ মতে সেই ঠায়েই আজিৰ গোৱালপাৰা। গতিকে 'বাহাৰিস্তান'ৰ বয়স অনুসৰি সেই ঠাই চাৰিশ বছৰতকৈও পুৰণি। চন্দৰীয়া, বলদমাৰী, জিতকাবাৰী, বোৱালমাৰী, বিলাসীপাৰা, গোথলা, চন্দ্ৰৰ চৰ, গেৰা-মাৰী—এইবোৰ গোপচাৰ বা গৰু ম'হ চৰাবৰ সুন্দৰ সুচল ঠাই হোৱা বাবে অতীজতে, চিলমাৰী-ৰংপুৰৰ পৰা অহা বহুত গুৱালেও ইয়াত বাথান বা ম'হৰ খুটি পাতিছিল। তেতিয়াৰ পৰাই ইয়াৰ নাম গোৱালপাৰ বা গুৱালপাৰ হ'ল। গুৱালপাৰ যে গাখীৰৰ ৰহঘৰা আছিল আৰু গাখীৰৰ নিমিত্তেই যে ই বিখ্যাত তাক গুৱালপৰীয়া ৰাইজে এই কেষাৰি কথাৰেই ডাকৰ বচন কৰি চিৰস্মৰণীয়কৈ থৈছে ঃ---

"চিলমাৰীয়া চিকণ চিৰা
গোৱালপাৰৰ দৈ
খাবাৰ সময় মনে হৈল
মোৰ বন্ধু আসিল কই?"

ইষ্ট ইণ্ডিয়া কম্পেনীৰ ভালেমান ৰিপৰ্টত গুৱালপাৰ নামটোৰ বানান কেবা ৰকমেও কৰা পোৱা যায়। চাৰ জন ছ'ৰ প্ৰমুখ্যে ইংৰাজ শাসনকৰ্তা জনদিয়েকে লেখিছিল Gualparah আৰু জনদিয়েকে লেখিছিল Gowalpara, হেমিল্টন বুকাননে Gwalpara Gowalpara দুয়োটা লেখিছিল ; বঙালী কৰ্মচাৰীৰ মুখত শুনি কোনো কোনোৱে Goyalparah ও লেখিছিল। ইংৰাজী ভাষাৰে পোনপ্ৰথম অসমৰ বিস্তাৰিত বুৰঞ্জী লিখোতা উইলিয়াম ৰবিঞ্চনে "অসমৰ" নাম ইংৰাজীৰে 'Assam' নেলেখি শুনামতে 'Asam' লেখিছিল। সেইটোৱেই দেশীয় উচ্চাৰণমতে শুদ্ধও আছিল। উদ্ভিদ বিশেষজ্ঞ ডাক্তৰ ৰালিছে গুৱালপাৰাত গছ-গছনিৰ পৰিচয় লৈ ফুৰোতে সেইদৰে স্থানীয় মানুহৰ মুখত শুনামতে Gowalpara বা Goyal-parah নেলেখি Gualpara হে লেখিছিল। অসমৰ কমিচনাৰ মেজৰ জেন্‌কিন্‌ছে লেখিছিল বোলে মানৰ দিনত উজনিৰ সৰহ ভাগ সম্ভ্ৰান্ত লোক ভাগি গৈ চিলমাৰী ৰংপুৰত থাকোতে তেওঁবিলাকৰ মুখত গুৱালপাৰ বুলি উচ্চাৰিত হৈছিল। গোৱালপাৰাৰ পাৰা শব্দই বঙলাত পাড় বুজায় আৰু গুৱালপাৰৰ পাৰ অৰ্থাৎ শাৰী বা নৈৰ

দাঁতি বুজায়। সেইকাৰণে, বঙ্গ—অসমৰ নাওৰা তলত থকা ঠাইখনৰ নাম গোৱালপাৰ বা গুৱালপাৰেই শুদ্ধ—গোৱালপাড়া কেতিয়াও হ'ব নোৱাৰে।

যি কাৰণতেই নহওক কোচবেহাৰৰ মহাৰাজ নৰনাৰায়ণৰ পুতেক লক্ষ্মীনাৰায়ণ ৰজাই ১৫৯৬ চনত আকবৰ পচ্চাৰ ওচৰত আত্মসমৰ্পণ কৰা সময়ত নৰনাৰায়ণৰ ভায়েক চিলাৰাইৰ নাতি পৰীক্ষিত নাৰায়ণ আছিল, পছিমে পুৰণি সোণকোষৰপৰা পূবে দৰঙৰ ভৰলী নদীলৈকে —গুৱালপাৰে সৈতে এই গোটেই দেশখনিৰ অধিপতি। কৰৈবাৰী আৰু গাৰো পৰ্বতৰ মাজত থকা চুচং পৰগণাৰ জমিদাৰ আছিল ৰঘুনাথ (ৰায়)। এওঁ পৰীক্ষিতক সততে শত্ৰু পালি আছিল, সেই গুণে এওঁৰ পৰিয়ালটোক পৰীক্ষিতে বন্দী কৰি থৈছিল। এই আপাহতে, "জাহাঙ্গীৰৰ পাৎচাহী আমোলৰ অষ্টম বছৰত, বঙ্গৰ নবাব ছেখ আলাউদ্দিন ফটেহপুৰী ইচলাম খাক ৰঘুনাথে পৰীক্ষিতৰ বিৰুদ্ধে সঁচাই—মিছাই বহুত টুটকীয়া কথা লগালেগৈ।" সেই কথাতে, আলাউদ্দিনে, কোচ হাজো (পৰীক্ষিতৰ ৰাজধানী) ল'বৰ অভিপ্ৰায়ে পৰীক্ষিতৰ বিৰুদ্ধে বিৰাট সৈন্য বাহিনী পঠিয়াই দিলে। কৰৈবাৰীৰ গাতে হাট—শিলা পৰীক্ষিতৰ পশ্চিম সীমা। সেই সীমা পাৰ হৈ আলাউদ্দিনৰ ফৌজ ধুবুৰী পালেহি। ধুবুৰী কোঠটো পৰীক্ষিতৰ ৫০০ ঘোৰাবণুৱা আৰু ১০,০০০ পদাতিক বণুৱাই বেৰি আছিল। সেই সৈন্যপদাতিয়ে ছেদভেদ নোহোৱাকৈ এমাহকাল আলাউদ্দিনৰ বিপক্ষে যুঁজ দিলে। মোগলৰ পৰাক্ৰমী সৈন্যৰ আগত ঠাৱৰিব নোৱৰাত পৰীক্ষিত নাৰায়ণে ঘিলা বিজয়পুৰৰ পৰা উপঢৌকনেসৈতে সন্ধিৰ প্ৰস্তাৱ আগবঢ়ালে। মোগল সেনাপতি মকৰম খাঁ আৰু কামাল খাঁই সেই প্ৰস্তাৱ বঙ্গৰ নবাবলৈ পঠিয়ালত, নবাবে সন্ধিৰ উপঢৌকন গ্ৰহণ নকৰি ৰজা—ৰাজ্য উভয়ৰে সমস্ত দাবী কৰিলে। ধুবুৰীত আকৌ তন্নামন্না যুদ্ধ লাগিল। পৰীক্ষিতে ২০টা হাতী, ৪০০ অশ্বাৰোহী আৰু দহ হেজাৰ পদাতিক সৈন্যৰে প্ৰাণটাঁকি যুদ্ধ কৰিও জিকিব নোৱাৰি ঘিলালৈ হহঁকি গ'ল। গদাধৰ নৈ পাৰত তুমুল নৌ যুদ্ধ হ'ল। তাতো পৰীক্ষিত ঘাটিল। সিপিনে দদায়েক (খুৰাক) লক্ষ্মীনাৰায়ণেও মোগলৰ সহযোগী হৈ পৰীক্ষিতক পাচফালৰপৰা চেপি আনিছে—ইপিনে মোগলেও পৰ্বত

প্রমাণ হেৰ্চা দিছে-এনে মালখাৰৈ-গজহস্তীৰ উভয় সঙ্কটত পৰি বহুৰদিয়েক টাংবাংকৈ আছিল। শেষত একোপধ্যেই তিষ্ঠিব নোৱাৰি, ১৫৩৪ শকত মোগলৰ হাতলৈ ৰাজ্য এৰি দি প্রয়াগত মৃত্যুবৰণ কৰিলেগৈ। ইফালে ভায়েক বলীনাৰায়ণে সৌমাৰৰ অধিপতি বুদ্ধি স্বর্গনাৰায়ণ স্বৰ্গদেৱৰ চৰণত পৰি কাতৰে প্ৰাৰ্থিলেগৈ বোলে, "আমি স্বর্গদেৱ, তুমি ৰক্ষা কৰা।" স্বর্গদেৱে তেওঁক ধৰ্মনাৰায়ণ উপাধি দি দৰঙৰ কৰতলীয়া ৰজাৰূপে থাপিলে।

মোগলৰ হাতলৈ যোৱাৰ পাছত কোচ---হাজোতো অর্থাৎ কাম-ৰূপতো কোচবেহাৰত প্রবর্তন কৰি অহামতেই * মোগলী শাসন পদ্ধতি চলিল। হাজোত মোগলৰ থানাদাৰ এজন ৰাখি, সৰু সৰু "এলেকা"বোৰত পৰীক্ষিতৰ বংশ পৰিয়ালৰ একোজনকে অধিকাৰ পতা হ'ল। মোগলৰ নিয়ম অনুসৰি মাটি— মানুহ যেতিয়া পিয়ল কৰিব লগীয়া হ'ল, তেতিয়া আগৰ "চকলা" নাম গুচাই, তপা, পৰগণা আদি নাম দিয়া হ'ল। ছেখ ইব্ৰাহিম নামে এজন কাৰোৰীয়ে (আমিনে) পৰীক্ষিতৰ ৰাজ্যখন এইদৰে ভগালে ঃ—

১ম--চৰকাৰ কামৰূপ।
২য়---চৰকাৰ ঢেকেৰী।
৩য়---চৰকাৰ দক্ষিণকূল।
৪র্থ---চৰকাৰ বঙ্গালভূমি।

চৰকাৰ ঢেকেৰীৰ ভিতৰত পৰিল---খুঁটাঘাট (বৰ্তমান গুৱালপাৰ মহকুমাৰ সদৰ ঠাই), গুমা, পৰ্বত জোৱাৰ, ধুবুৰী, টাৰিয়া, ঘিলা, ঘুৰ্লা, চাপগড়, ৰেচমবাৰী, কোকলা, কাইঠ মহল, কোটোৱালী, জমিৰা, খুমাৰ মহল, দিমালি, ধুলহাট, দত্তক। দক্ষিণকূলত পেলালে—শাল্তোৰ, তাৰ তলে বগৰিবাৰী, খিকালি চমৰীয়া, হালজাল, জাখেলি,

---

* When the Mehommedans came into power they tried their utmost to get converts to Islamism from amongst the population, but made no serious attempt to obliterate the ruling Hindu dynasties from the map of India.

—"The Cooch Behare State"—

H. N. Chowdhury.

তিচিমপুৰ, দুমৰীয়া, মেছপাৰা, কালোমালোপাৰা, কৰৈবাৰী, গাৰো-মহল, গোছকটা বা গোৰকটা।

উল্লিখিত তপা-পৰগণাৰ দুই-এখনত বাদে গোটেইখিনিয়েই বৰ্তমান গুৱালপাৰ জিলাৰ ভিতৰতে পৰে।

সেই কালত, পুৰণি কমতাপুৰৰ অন্তৰ্গত এই অঞ্চলটোত ঘৰ নিৰন্তৰে মাৰৈ পূজা চলিছিল। মাৰৈ পূজাত প্ৰচলিত ধৰ্মানুযায়ী মূৰ্তি নোহোৱাকৈয়ো পূজা কৰা হয়; তাতে নাচি বাগি স্তোত্ৰমন্ত্ৰ কিছু-মান এনেদৰে গোৱা হয় যে সেই মন্ত্ৰ গাওঁতাজন পাছত মূৰ্চ্চা যায়গৈ আৰু তেওঁৰ গাত দেও লম্ভে। যেই দেও লম্ভে, সেই তেওঁ ভূত-ভবিষ্যত সকলো ক'বপৰা হয়। মূৰ্তি নোহোৱাকৈ মাৰৈ পূজা কৰে দেখি এইবিলাককে বোলে মাৰৈয়া বা মৰীয়া আৰু বঙ্গদেশৰ আফগান বিলাকে নাম দিলে চেক্‌কৰ বা চিকিৰ। এই চিকিৰবে ওলোটাটো হল ফিকিৰ বা ফকীৰ। অৰ্থাৎ যিবিলাকে "আল্লাৰ" নাম নোলোৱাকৈ আৰু মূৰ্তি পূজা নকৰাকৈ সুললিত সুৰেৰে দেও হেকাৰিছিল সেই-বিলাক হল চিকিৰ আৰু যি "কলেমা' পঢ়ি আল্লাৰ নাম লৈছিল সেইবিলাক হল ফিকিৰ।*

এই চিকিৰৰ পৰাই চেকেৰী আৰু চেকেৰী থকা দেখিয়েই চৰকাৰৰ নামো চেকেৰী হল। আদিতে, ৰাগপদ টানি দেও নমাব পৰা মানুহক হে চিকিৰ বা চেকেৰী বোলা হৈছিল। স্বৰ্গদেৱ জয়ধ্বজ সিংহই সেইবিলাকক "ডকাই" আনি উত্তৰকূলত থাপি-সাঁচি থোৱাৰ পৰা তাৰ অৰ্থ সুকীয়া হল। "চিকিৰ মানুহবিলাক দেখিবলৈ যেনেকুৱা ধুনীয়া আছিল, যাদুবিদ্যাতো তেনেকুৱা নিপুণ আছিল।" আইন-ই-আকবৰীৰ গ্ৰন্থকাৰে কোচ ৰাজ্যৰ ভিতৰতে কামৰূপ বা কমতা বুলি কৈ লেখিছিল, "এই ঠাইৰ স্বাভাৱিক উৎপন্ন বস্তুবিলাকৰ বিষয়ে আচৰিত-আচৰিত পতিয়াব নোৱৰা সাধুকথা শুনা যায়। তাৰ ফুলবোৰ ছিঙি আনি কেবামাহো যদি পেলাই থোৱা, তেও তাৰ গোন্ধ নুভে বা পাহিও নেলেৰেলে। এই বোৰেৰেই আকৌ পিঠা কৰি খায়। গছেও বোলে অমৃত বৰষে। মানুহবোৰ বহুৰূপী, দিনত এটা ৰূপ, ৰাতি হলে এটা। ডেকাকো বুঢ়া যেন দেখি, বুঢ়াকো ডেকা যেন দেখি। কুমন্ত্ৰ কৰাত ইহঁত বৰ পাকৈত। ইহঁতে

*চৈয়দ ইদ্ৰিছ্ শ্যাহৰ "অৰিয়েণ্ট মেজিক"।

ভাল নোপোৱা মানুহক তন্ত্র-মন্ত্র কৰি সহজতে যমৰ ঘৰলৈ নিব পাৰে।"

এসময়ত এই খুঁটাঘাটতে হৰলুকীমায়া জনা কমতাপুৰীয়াই মোগলৰ 'কাৰৰীক' জুলুকি-জুলুকিকৈ শিকাইছিল। তাৰে এটা আমোদজনক ঘটনা 'বাহাৰিস্তান'ৰ পৰা তুলি দিয়া হল ঃ—

"মহম্মদ জামানক খুঁটাঘাটলৈ কাৰৰীকৈ (আমিন) পঠিওৱা হল। তেওঁ বৰ খঙাল আৰু পৰগণাৰ ছোৱালীবোৰ ধৰি ধৰি আনি ৰায়তক জুলুম কৰিছিল। তন্ত্রমন্ত্র কৰি যাদু কৰাত খুঁটাঘাট পৰগণা গোটেইখনতে প্রখ্যাত। কোনোবা ৰায়তৰ পৰা যদি কোনোবাই কুকুৰা এটা কাঢ়ি আনে আৰু সেই কুকুৰাৰ গিৰিহঁতে কুকুৰাটো পাবলৈ গোচৰ দি ন্যায় বিচাৰ যদি নেপায়, অর্থাৎ কুকুৰাটো তাক দি দিয়া নহয়, তেন্তে কুকুৰা গিৰিহঁতে এনেকুৱা যাদুমন্ত্র মাতিবলৈ ধৰে যে সেই কুকুৰা কঢ়া মানুহটো মানুহৰ মাত মাতিব নোৱৰা হয় আৰু তাৰ পেটৰপৰা কুকুৰামাতহে ওলাবলৈ ধৰে। সেইদৰেই দিহিদাৰ বা পট্টাদাৰৰ মাটিবাৰী চৰজমিন কৰি ভগাই দিবলৈ নাজিৰ এজন গাৱঁত (খুঁটাঘাটত) আছিলগৈ। ৰাতি-বিয়লি মানুহৰ ঘৰত কোনেও মাছ জীয়াই নাৰাখে। (এইটো কথা জানি শুনিও) মদপানী খাই নাজিৰজনে সন্ধ্যা লাগি ভগাৰ পিছত নাইবা, মাজনিশা একোঘৰ গৃহস্থৰ ঘৰত ঘপহ কৰে সোমাই দকদকীয়া জীয়া মাছ খোজেগৈ। গৃহস্থই মাছ দিব নোৱাৰিলে ঘৰে-ঘৰে োৱাহকে ধৰিবান্ধি মাৰিকিলাই উগ্র-শাস্তি কৰে। সিহঁতেও নিৰুপায় হৈ আমপাত দুখিয়ামানকে নাইবা "লাওচৰ" পাতকে আনি বাৰবুৰি মন্ত্রেৰে জাৰিফুকি সেই পাত কেইখিলাক তৎক্ষণাৎ পানীৰপৰা তোলা যেনকৈ সৰু সৰু জীয়া মাছ কৰি পেলায় আৰু তাকে দি নাজিৰৰ শাস্তিৰপৰা ৰেহায় পায়।

এনেকৈ মদপী নাজিৰজনে এনেকুৱা মাছ এগাল অনি বান্ধি-বাঢ়ি খাবলৈ লওঁতেই মাছবোৰ (তেজৰ) চেকুৰা মাৰিলে। তাকে খায়েই নাজিৰজন মৰি থাকিল। মৰিল বুলি, খাই পেলাই থিতাদাহেই মৰা নাছিল। মৰাৰ আগতে, একেৰাহে তিনিদিনমান পগলাৰ দৰে, শিয়াল-কুকুৰ-মেকুৰীৰ দৰে, কেতিয়াবা হোৱা—হোৱা, কেতিয়াবা ভুক-ভুক, কেতিয়াবা মেওঁ-মেওঁ কৰি, ৰাও কাঢ়ি আছিল। সেইদৰে ৰাও কঢ়াৰপৰা হে কুমন্ত্র কৰিছে বুলি ধৰিব পৰা হ'ল।

মহম্মদ জামানৰ ঠাইত চেলিম বেগক মুস্তাজিৰ কৰি পঠোৱা হ'ল। তেওঁৰ ওপৰতো ৰায়ত বিতুষ্ট হোৱাত আকৌ মির্জা গিউক নিযুক্ত কৰা হ'ল। তেওঁও আকৌ মৰামুছা নৰিয়াত পৰিলগৈ। মৃত্যুক আদৰিবলৈ হে কোনোমতে আঁচলৰ আগত জীউটো বান্ধি খুঁটাঘাটৰপৰা সাৰি আহিল। তেতিয়া হে "জুনাদাৰ" (নৰগুণধাৰী) ৰজা ৰামক তালৈ মুস্তাজিৰ কৰি পঠোৱা হ'ল।* খুঁটাঘাটতে লেংটা-লেংটি মহাদেৱ থাকে। এই হেন মায়াপুৰী ঢেকেৰী ৰাজ্যৰপৰা "টিকিৰী মায়াক নির্য্যান" কৰি টিকিৰী জয় কৰিবলৈ 'ফকিৰ'বিলাকে "কলেমাৰ" এই ৰূপ দিছিল ঃ

ভুল ভুল্লুং কাল্লা কাল কালামং
ওঁং হুঃ কালামং।
বিস্মীলাৰ কালামং
ইয়ং বিস্মীলায়ে স্বাহা।
ওঁং ক্রৌচাছ কুলিনে হে
ৰাম ৰহিমনং নলকুল্লাচাটে, বাটে ঘাটে
মুদং মুদং ক্রিং স্বাহা।
জেই জেই মায়াক পাতাস তই
সেই সেই মায়াও মাৰিবি নিচয়
সপ্ত সাগৰৰ দেবে কৰে জকমক
আল্লাৰ নাম শুনিয়া পলায় দৈৱজাক
আকাশৰ দেৱতা পলায় আকশে
পলায় সমস্ত নৰ পলাই ত্রাসত
খেত্ৰাৱলী, ধৰাপলি, মখা (মক্কা) মদিনাত—মচ্‌কাট
মৃত্যু মাদিক্কনং আলুৰে বন্দিতমৰ।
দাহছাহ, চাব চাব, ডাবয় ডাবয়, সবে শেষয়
উচাটয় আল্লাৰ নাম শুনি
সৰোবৰ দেৱ দেৱী মৰে আজ্ঞা শুনি
ভিৰ ভিৰ বিচমিল্লা ভিৰ দগা দিৰ থিৰ থিৰ।
খাই আজামে তুমি মহা বীৰ। ভাব দ্রাবং

* অভয়াপুৰীত থকা ৰাম ৰজাৰ গড়টো এইজন ৰজা ৰামৰে গড় বুলি নিঃসন্দেহে অনুমান কৰিব পাৰি।

হুং বিস্মিল্লায়ে স্বাহা।
আইতুৱাল তুৱাল জাতি মায়াৰ দেৱতাগণ
পলাই বিচুতি
আজ্ঞা কাৰ?——আজ্ঞা মহ্মদৰ
সজ শিলাৰ বচন, অবৈতৰাৰ বচন
লাঙ্গটাৰ বচন
লেঙ্গেটীৰ বচন
মিশ্রিতং ৰামং ৰহিমনং হুং বিস্মীল্লা,
যি বেলাত আওৱাল কলিমা উপজিলায়ে স্বাহা।
চৌষষ্টি জাত, বৰ হুলস্থুল ভৈলা।
যি বেল্লাত কলিমা নামে উপজিলা,
ত্রিদশকৌটী দেৱতাৰ বুন্দামাৰ ভৈলা।
অঠাৰ পাল দেৱতাৰ লৰালৰি লাগি
গৈলা। সাতো সাগৰত সেই খলোক লাগিলা।
আল্লা-ই আল্লা-বিস্মীল্লা পকিম্বৰৰ দোহয়।
সজ শিলাৰ বচন।
আইচ, খাইচ, আল্লাৰ নামেদি মেদিনী বাচন্ধা।
চতুষপদ খাইছে।
আচন, মিচন, দেৱতা সবাৰ মই।
জতেক মায়াক পাতিলা নাট;
নাচন্তে নাচন্তে নাচনত ভৈল্লা সাজ।
আল্লাৰ আজ্ঞাক মনোৰ কাজ।
আল্লা গোসাইৰ মায়াক শুনি,
ৰহয় দেৱতা পাৱত আসি।
আল্লায়ে আসি মোল্লাইছেল্,
নাই ভূত পিশাচ সমস্তৰ মেল।
চাব্-চাব্, চুব-চুব, হিৰ হিৰা, জিৰ জিৰা,
খিৰহবয়া, চুঙ্গ চুঙ্গলি এই সবে আল্লাৰ বন্দিত পৰে।
যদি ঐ কলিমাৰ ওপৰে
চৰাৱে পাও,
খোদাইকে মাথা খাও।

ৰাভা বীৰ পশুৰাম

ৰজা পৰীক্ষিতৰ অধিকাৰৰ পৰা মোগলৰ আমোললৈ হাত বাগৰা সময়তে, এই ভূখণ্ডৰ শাম্ভোৰ, ৰংজুলী, বিকালি, খুঁটাঘাটত অলেখ ৰাভা-গাৰো-কচাৰী-ৰাজবংশীয়ে জন্মভূমিৰ স্বাধীনতা ৰক্ষাৰ অৰ্থে অকুন্ঠিতভাৱে প্ৰাণ বিসৰ্জন দিছিল। ৰাভা-ছাত্ৰ-সন্মিলনৰ মুখপত্ৰ "বাদুংডু'প্পাৰ"পৰা সেই বিষয়ে দুফাঁকিমান কথা ইয়াতে দাঙি ধৰা হল ঃ---

"ইংৰাজী সোতৰ শ শতিকাৰ দ্বিতীয় দশকৰপৰা ৰাভাৰ দেশত বা অঞ্চলত বিষম্ পৰিবৰ্তন হয়। সেই কালত এই অঞ্চল কোচৰ অধীনত আছিল। পৰীক্ষিত নাৰায়ণৰ মৃত্যুৰ আগতে নাথান নামে এজন মুছলমান নবাবে ইয়াত বহুত দিন যুঁজ কৰিবলগীয়া হয়। সেই যুঁজত কেইবাজনো ৰাভাবীৰে জন্মভূমি হন্তে প্ৰাণপণে যুদ্ধ কৰে। কিন্তু সহায়-সাৰথিৰ অভাৱত সিসকলে হয় আত্মসমৰ্পণ কৰিব-লগীয়া হয়, নহয়, বিদেশীসকলে ধৰি নিয়াত ঈস্লাম ধৰ্ম গ্ৰহণ কৰে। সেইসকলৰ ভিতৰত পশুৰাম, মামু-গোবিন্দ লস্কৰ, বলাই লস্কৰ, অঁকৰা ৰজা আৰু শাম্ভোৰ ৰজাই প্ৰধান। ৰংজুলীগড় ৰক্ষাৰ নিমিত্তে, পশুৰামে মিৰ্জা নাথানৰ লগত যেতিয়া যুদ্ধ কৰে তেতিয়া মিৰ্জাৰ সৈন্য বাহিনীত বহুত ৰাভা সেনা-পদাতি আছিল। সৰলমতীয়া হোজা ৰাভা সেনাবিলাকে যেতিয়া দেখিলে যে তেওঁবিলাকৰ নিজা ঘৰঘৰ ৰংজুলীখনো এতিয়া মুছলমানৰ হাতলৈ যায় তেতিয়া ৭০০ ৰাভা চিপাহীয়ে এক লগে মিৰ্জা নাথানৰ কাম পৰিত্যাগ কৰে।

মিৰ্জাই কৰৈবাৰীৰ মধুসূদনক বন্দী কৰি চান্দবাহাদুৰক তাৰ থানাদাৰ পাতিলে। তেতিয়া শাম্ভোৰ ৰজা আছিল পশুৰাম। শাম্ভোলবৰ অভিপ্ৰায়ে চান্দ বাহাদুৰে মিৰ্জাৰৈসেতে লগ লাগি ১০০ ঘোৰা-ৰণুৱা আৰু ৫০০ বগুৱান হিলৈদাৰী লৈ বগুৱানৰ দিহি সদৰ ঠাই ফুলবাৰীত কোঁঠ মাৰি পশুৰামক বাঁহবাৰী কঠালবাৰীয়েদি সোমাই আক্ৰমণ কৰিলে। পশুৰামে চৈধ্য হেজাৰ সৈন্য লৈ কঁঠালবাৰীত গড় মাৰিলেগৈ। মেচপাৰা-মনুপাৰাত চিপাহী পদাতি ৰাখি মিৰ্জাই শাম্ভোৰতে পশুৰামক বেঢ়ি ধৰিলে। পশুৰামে দহ হেজাৰ সেনা শাম্ভো-ৰত ৰাখি বাকী ৪০০০ হেজাৰেৰে মিৰ্জাক প্ৰতিৰোধ কৰিবলৈ গ'ল।

পৰ্শুৰাম যুদ্ধত ঘাটিল। হুঁহকি গেণ্ডাৰালৈ গল। মিৰ্জাই শলমাৰীত থানিকা পাতিলে। গেণ্ডাৰা-শলমাৰী, দুয়ো ঠাইতে বলে নোৱাৰি পৰ্শুৰাম-কঁঠালবাৰী পালেগৈ। ১৩ দিনকৈ মিৰ্জাক আটককৈ থৈও পৰ্শুৰাম জিকিব নোৱাৰিলত, কঠালবাৰীও মুছলমানৰ হাতলৈ গ'ল। আকৌ ১৬ দিনৰ মূৰত পৰ্শুৰামে মাকৰি পৰ্বতত মিৰ্জাৰেসৈতে থৈয়া নথৈয়া যুদ্ধ কৰিলে। মিৰ্জাৰ দুটা মদগজ হাতী মাৰিও পৰ্শুৰাম ওপৰহতীয়া হব নোৱাৰিলে। তাৰ পিচত ৰংদান পালেগৈ। ৰংদানত চৰ্দাৰ তচ্‌লিম খাঁৰ লগত পৰ্শুৰামৰ হতাহতি যুদ্ধ হল। সেই যুদ্ধতো পৰ্শুৰামৰ পৰাজয়েই হল। মুছলমানে ৰংদান গাঁওখন জুই লগাই ভস্মসাৎ কৰিলে। এশ গৰু মাৰিলে বাঘৰো মৰণ। মানুহ পোৰা পাপতেই নে কি, জুই লাগি থাকোতেই বা-মাৰলী বতাহে পাই তচ্‌লিম্ খাঁৰ ছাউনীটোও পুৰি পেলালে। পৰ্শুৰামে ৰংদানৰ পৰা আহি ক্ৰমান্বয়ে বালিজানা, মাকৰি পৰ্বত, আমজাঙ্গাত যুদ্ধ দি দি ৰংজুলী গড়ত ওলালহি। মিৰ্জাই 4000 গাৰো মানুহ লগত লৈ ৰংজুলী কোঁঠ আক্ৰমণ কৰিছিল। ভয়তে ওচৰৰ মানুহ পলাই ফাঁট মাৰিলে। ৰংজুলীৰ যুদ্ধত---পৰ্শুৰামে বিষম সাহসেৰে যুদ্ধ কৰাত শত্ৰুপক্ষৰ বহুত চৰ্দাৰ পৰিল। যুদ্ধত মিৰ্জাৰ সৈন্য নৰকৰ কুণ্ডত পৰি আছিল যদিও, দুগুণ উৎসাহেৰে যুদ্ধ কৰি মিৰ্জাই ৰংজুলী কোঠ অধিকাৰ কৰিলে। সেই যুদ্ধত মিৰ্জাৰ ৭০০ ৰাভা সৈন্যাই লগ এৰা দিয়ে। মিৰ্জাই তাত ৫ টা গড় মৰায়। ৰংজুলীৰ যুদ্ধত মিৰ্জাৰ পোনে বৃহস্পতি হল গোবিন্দ দাস নামে তাৰে এজন থলুৱা জমিদাৰ আৰু বলভদ্ৰদাস নামৰ আন এজন। এই দুজনৰ সহায়ত মিৰ্জাই ৰংজুলী ললে আৰু পৰ্শুৰামৰ তিনিজন পুতেক আৰু এগৰাকী ভাৰ্য্যাক মুছলমানে লৈ গল। পৰ্শুৰামো শেষত মিৰ্জাৰ হাতত বন্দী হল। আৰু বীৰ পৰ্শুৰামো বীৰৰূপে চিৰস্মৰণীয় হৈ থাকিল।

মিৰ্জা নাথানৰ আক্ৰমণৰ পিছত, ৰাজনৈতিক চাকনৈয়াই বহুত পাক ললে। তাৰ পিছত, ১৫৩৮ শকত, "পুনৰ্বাৰ দক্ষিণকুলীয়া, উত্তৰকুলীয়া, ঢেকেৰীয়ে মহাৰাজক (আহোম ৰজাক) উদ্যম্ কৰালেহি বোলে "স্বৰ্গদেৱ মহাৰাজা আমি যতেক ঢেকেৰী আছোঁ সমস্তকে ৰজা পৰীক্ষিতে তোমাৰ দুই পাৱৰ তলে দি থৈছে। আৰু যত লোক আছে সবাৰে দেৱ-কুটুম্বৰ ঠাইত হে ভাত ; আন ঠাইতো ৰক্ষা নাই।

এখন, স্বৰ্গদেৱে যদি আজ্ঞা কৰে হাজোত যি বঙ্গালখিনি আছে তাক ধৰিবাক প্ৰতি আমাকো দেৱতাৰ লোকজনকো পঠাই দিয়োক। দেৱতাৰ লোকজনক পাছ কৰি আমি আগ হই ধৰিমগৈ। এতেকে, দক্ষিণকূল উত্তৰকূল সমস্তে দেৱতাৰ হল।”

এই আশ্বাস আৰু সত্য-শপত অটুট ৰাখিবৰ নিমিত্তেই স্বৰ্গদেৱ-সকলে বাৰম্বাৰ যুদ্ধ কৰি যুগীঘোপা-পঞ্চৰতন অসমৰ ভিতৰ কৰিলে; নগৰবেৰাত অসমৰ সীমান্ত কোঁঠ নিৰ্মিত হল। গুৱালপাৰৰ হাদীৰাত চকী হল।

ভাগ্যৰ চকৰি কাৰো সমানে নেযায়। মানৰ দিনৰ ওৰ পৰিল ১৮২২ চনত। গুৱালপাৰ বৃটিছৰ অধীনলৈ আহিল। ১৮২৫ চনত গোটেই জিলাখনৰ সদৰ ঠাই পতা হল গুৱালপাৰতে। ১৮৭৩-৭৪ চনত ধুবুৰীলৈ সদৰ ঠাই তুলি নিয়া হল।

বুৰঞ্জীময় গুৱালপাৰৰ বুৰঞ্জী পাতে আৰু সোঁৱৰাই দিয়ে যে ইয়াতে পৰীক্ষিত ৰজাৰ বিজয়নগৰ-কাৰেঙত ৭০০ পণ্ডিত ৰাজানুগ্ৰহ লাভ কৰি অনুক্ষণ জ্ঞান-বিদ্যাৰ চৰ্চাত অনুৰক্ত আছিল। লেংটা-লেংটি মহাদেৱ-পাহাৰ আৰু পাঞ্জাতন দুৰ্গত হিন্দু-মুছলমান সকলোৰে সমভাৱে ঈশ্বৰ উপাসনা কৰিছিল। যুগীঘোপা-হাদিৰাচকীত বেহা-বেপাৰৰ নাওদুনিয়ে দলদোপ লগাই আছিল। অইন কি, ১৮০৬-১৮০৭ চনত “গুৱালপাৰ আছিল ইউৰোপীয় নগৰ এখনৰ দৰে, যাৰ তুলনা দিবলৈ উত্তমাশা দ্বীপৰ পছিম পোনে আৰু আন এখন নগৰ নাছিল।”*

---

* ‘ৰাভাৰীৰ পৰ্শুৰাম’ প্ৰসঙ্গত এই সংকলনৰে ‘ৰাভা জাতি আৰু বীৰ পৰ্শুৰাম’ শীৰ্ষক প্ৰবন্ধ দ্ৰষ্টব্য। —সম্পাদক

অসমীয়া সংস্কৃতিত চুতীয়াৰ ছাপ

ইংৰাজী 'কালছাৰ' (Culture) শব্দৰ প্ৰতিশব্দ ৰূপ বা অৰ্থ কৰি কৃষ্টি শব্দ ব্যৱহাৰ কৰা হৈছে। কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে আৰু ৰামানন্দ চট্টোপাধ্যায়ে পোন প্ৰথমেই ইয়াক 'কালছাৰ' বুলিয়েই ব্যৱহাৰ কৰিছিল। কিন্তু, ভালেমান আলোচনাৰ পিছত 'কৃষ্টি' শব্দকে চলাবলৈ ঠিক কৰা হল। আচলতে 'কৃষ্টি' বুলিলে Culture শব্দৰ হুবহু অৰ্থটো প্ৰকাশ নাপায়। সেই কাৰণে, ভাৰতৰ মনীষী সকলে মূল ধাতুটোৰ অৰ্থৰ সামঞ্জস্য ৰাখি আমাৰ ভাষাত তাৰ প্ৰতিশব্দ কৰিছে সংস্কৃতি। বুৰঞ্জী, ভৌগোলিক অৱস্থান, স্বাভাৱিক বিশ্বাস আৰু ৰীতি-নীতি, আৰু পুৰুষ পৰম্পৰায় চলি অহা অভিজ্ঞতাৰ অনুশাসনে জাতি এটাৰ জীৱনক যি ৰূপ দিয়ে সেয়ে সংস্কৃতি, সংস্কৃতিৰ অৰ্থ মই ইয়াকে বুজিছোঁ। মানুহটোৰে প্ৰতি মনটো, ধানটোৰে প্ৰতি কণটো হলেও, উল্লিখিত গণ্ডীৰ ভিতৰত থকা ভিন্ ভিন্ জাতৰ মানুহো সংস্কৃতিৰ প্ৰভাৱত পৰি এটা সুকীয়া গঢ়ৰ জাতি হৈ পৰে। ইয়েই জাতিৰ নিজা বৈশিষ্ট্য। ইয়াকেই আমি ভৌতিক-আধ্যাত্মিক জ্ঞান আৰু পৰা-অপৰা বিদ্যা বোলো। জ্ঞানবিদ্যাৰ সমন্বয়েই সভ্যতা।

অকল বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰিলেই বা ধনৱন্ত নাইবা উচ্চ কৰ্মচাৰী হলেই জ্ঞানী বা Cultured 'সংস্কৃত' হব নোৱাৰে। যি স্বভাৱজ আৰু পঢ়ি-শুনি অৰ্জা জ্ঞানক মাৰ্জিত কৰি লব পাৰে আৰু তাৰ লগত অইনৰ প্ৰতি সহৃদয়তাও প্ৰকাশ কৰিব পাৰে সেই-জনহে প্ৰকৃত জ্ঞানী বা Cultured পুৰুষ। আমাৰ ঘৰুৱা কথাত কবলৈ গলে, ধানখেতিটো নদন বদনকৈ কৰিবলৈ হলে, পোন প্ৰথমেই আমি যেনেকৈ মাটি কঢ়াওঁ (Culture) তাৰ পিছত তাক সলিয়ত কৰো, তেনেকৈ অনাদি অনন্ত কালৰপৰা কঢ়াই অনা জাতীয় জীৱন-টোকো যিহে সলিয়ত কৰে সেয়ে সংস্কৃতি। কোনো কোনোৱে সমাফল বুলিও কয়। সংস্কৃতিৰ শেষ Terminus বা মূৰ পৰিছেগৈ আনন্দত—সত্য, শিৱ, সুন্দৰত। সেই কাৰণে সংস্কৃতিৰ উপলক্ষে পতা সভা সন্মিলনী বিলাকৰ নামকৰণ "সুৰাগী সভা" কৰিলে ভাষাই ভাৱে কামে ৰজিতা খাই পৰিব।

মানুহ পশু হে। সেই গুণে, মানুহৰ গাত কঁঠাল-এঠাৰ দৰে পাশবিক প্রবৃত্তি লাগিয়েই আছে। আমি যে পশু তাৰ প্রমাণ আপোনা-লোকক দেখুৱাবলৈ বৰ নিলগলৈ যাব নেলাগে। কুকুৰে কুকুৰ এটা দেখিলেই ঘেং ঘেং কৰিবই আৰু দাঁত-চেলাই গেঙেৰি দিবই। এই-টোৱেই কুকুৰৰ নিজ জাতিৰ প্রতি আচৰণ কৰা ধর্ম আৰু এই ধর্মই হল "কুকুৰত্ব"। মানুহৰো সেই কুকুৰত্ব বা পশুত্ব ফেৰা কোনো কোনো সময়ত বৰ বেয়াকৈ প্রকাশ পায়। কেতিয়াবা বাটে-পথে গৈ থাকোতে বাটত লগ পোৱা মানুহ এজনকো আমি এইদৰেই গেঙেৰি দিবৰ মন যায়, বা তেওঁক দেখা মাত্রকে আমাৰ মনত খং বা দেখিব নোৱৰা ভাৱ এটা উদয় হয়। কথা পতা হে নেলাগে, মানুহ-জনকে আগেয়ে কোনো কালে দেখা নাই, তথাপি, তেওঁক দেখা মাত্রেই উঠিল টিঙিচ্ কৰে খংটো। এই যে খং উঠিল, ইয়েই আমাৰ মাজত থকা কুকুৰত্ব ফেৰা দেখুৱাই দিলে। দেখি-শুনি পঢ়ি-ঠেকি শিকা জ্ঞানবুদ্ধাৰা এই কুকুৰত্ব ফেৰা ধ্বংস কৰিবলৈ যি স্বয়ম্ভু চেষ্টা আৱহমান কালৰপৰা যুগে যুগে চলি আহিছে, সেয়ে সংস্কৃতিৰ পূর্ণ বিকাশৰ একো একোটা স্তৰ বা খোপ।

চক্রেটিছ যে মহাজ্ঞানী পুৰুষ আছিল তাক সকলোৱে জানে। তেওঁ আত্ম উপলব্ধি আৰু পাণ্ডিত্যত ইমান গভীৰ আৰু নিছিদ্র আছিল যে তেওঁক শ্রদ্ধা-ভক্তি নকৰা মানুহ বা তেওঁৰ চৰিত্রৰ বিৰুদ্ধে কোৱা মানুহ নিচেইকৈ নাছিল। এদিন তেওঁ সশিষ্যে কথা-বতৰা পাতি থাকোঁতেই এজন মুখ-পঢ়া বা মুখ চিনা মানুহ ওলালহি। শিষ্যসকলে তেওঁবিলাকৰ গুৰু চক্রেটিছৰ মুখৰ আর্য্যাটো তেওঁক পঢ়িবলৈ কলে। চক্রেটিছৰ নাকটো আছিল হাঁকোটা যেন; চকুজোৰ আছিল টেলেকা আৰু কপালৰ বাদুখিনি আছিল থোপাপাতি থকা। সেইবাবে চাইচিতি মুখ পঢ়োতাই কৈ পেলালে বোলে—এখেতৰ সমান লম্পট, পৰশ্রীকাতৰ বা চকুচৰহা, আৰু আপোনপেটীয়া মানুহ এজন মই ক'তো লগ পোৱা নাই। মঙ্গলতিজনে কথাষাৰ কবলৈহে পালে, শিষ্যসকলে তেওঁক মাৰিবলৈ জাঙুৰ খাই উঠিল। তেওঁবিলাকে আটায়ে ফৰফৰ কৰে কৈ পেলালে বোলে ই মুখ চোৱা পণ্ডিত বুলি কৈ কৈ মানুহক ঠগি সাং কৰিলে। তেতিয়া মহাজ্ঞানী চক্রেটিছে লাহেকৈ মাত লগালে,—বন্ধুসকল, আপোনালোকে তেওঁৰ গাত হাত

নম্ৰগাৰ। তেওঁৰ কথাবোৰ মোৰ গাত হুবহু ফলিয়াইছে, ফিজিওগ্নমি অর্থাৎ মুখৰ আর্য্যা চাই চৰিত্ৰ পঢ়া শাস্ত্র কেতিয়াও মিছা হব নোৱাৰে। মোৰ গাত সেইবোৰ পশু-প্ৰবৃত্তি থকা সম্পূৰ্ণ সঁচা। জ্ঞানবিদ্যাৰ দ্বাৰাই সেইবোৰ সংযতকৈ ৰাখিছো দেখি আপোনালোকে দেখিবলৈ পোৱা নাই।

জাতি এটাৰ অন্তৰত থকা এনে পশুবৃত্তিক সংহাৰ বা সংস্কৃত কৰিবলৈ যিটি মূলমন্ত্ৰৰ আৱশ্যক তাকে এই সন্মিলনীয়ে জানিবলৈ লব লাগিব।

অসমীয়া জাতিৰেই চুতীয়াও এটি সমৃদ্ধিশালী সম্প্ৰদায়। অসমীয়া হিচাপে সন্মিলন নেপাতি চুতীয়া বুলি সুকীয়াকৈ এখনি সভা পাতি সুকীয়া সংস্কৃতি সভ্যতাৰ পৰিচয় দিবলৈ যোৱাটো আজি অসাম্প্ৰদায়িকতাৰ দিনত মাখিছালত টোকৰ মাৰিয়েই ৰাজনীতি বিশাৰদ হোৱাসকলে চুতীয়া জাতিৰ মাতৃহা যোগ পৰিছে বুলি উচাপ খাই উঠিব পাৰে। কিন্তু, উচাপ খাবলগীয়া একো নাই। কুৰু-পাণ্ডৱৰ কথা সকলোৱে জানে। প্ৰভাস তীৰ্থত চিত্ৰসেন গন্ধৰ্বই যেতিয়া মহা-অভিমানী দুৰ্য্যোধনক ৰথত বান্ধি লৈ যায়, তেতিয়া কৰ্ণ আৰু উণশত ভায়েকে একো কৰিব নোৱাৰি হুমুনিয়াহ কাঢ়িবলৈ ধৰে। ধৰ্মপ্ৰাণ যুধিষ্ঠিৰে অৰ্জুনৰ হতুৱাই তৎক্ষণাৎ দুৰ্য্যোধনক মুক্ত কৰি দিয়ায়। প্ৰতিশোধপৰায়ণ ভীমে তৰ্জন-গৰ্জন কৰি হুঙ্কাৰি উঠিল—যি দুৰ্য্যোধনে পাণ্ডৱক নকৰিবৰ চকৰি কৰিলে, তাক আকৌ এতিয়া উদ্ধাৰ কৰিবৰ প্ৰয়োজন কি? তেতিয়া যুধিষ্ঠিৰে প্ৰবোধ দিছে "জানা ভীম, আমাৰ ভিতৰত কাজিয়া লাগোতে কৌৰৱৰ এশ আৰু আমাৰ পাঁচ বুলি ধৰিবা। কিন্তু, আমাৰ বাহিৰে আনৰ লগত লাগিলে আমি ১০৫ বুলি জানিবা। ভ্ৰাতৃ-বিৰোধ হ'লেও, দুই ঘৰৰে উমৈহতীয়া শত্ৰুক কেতিয়াও আগ মঙ্গহ দেখুৱা উচিত নহয়। চিত্ৰসেন, গন্ধৰ্ব, সি মোৰ চকুৰ আগতে দুৰ্য্যোধনক অপমান কৰিব তাক আমি কোনসতে সহিম? এতেকে আমি এতিয়া অকল পাঁচোটা নহয়, এশ পাঁচোটা।" সেইদৰেই, আমাৰ ঘৰৰ ভিতৰত আজি আমি সুকীয়াকৈ সভা পাতিছোঁ—আমাৰ কি আছিল কি আছে তাৰ লেখ লবলৈ। "অস্ত্ৰ সত্তাৰ সৱে জড়, তাক চলালেহে চলে।" আমাৰ আচল সত্তাৰ

আজি চলাব লাগে—শত্ৰুক আগমজহ দেখুৱাবলৈ নহয়, অসমীয়া জাতিৰে এটা বুলি ভাৰতীয় সভ্যতাৰ অজীণ পাতকী বিলাকৰ আগত আমাৰ পোহৰ পেলাবলৈ।

ভাৰতৰ আচুতীয়া সভ্যতাৰ বাবেই আজিও ভাৰতবৰ্ষ জগত-জিলিকা হৈ আছে। সংস্কৃতি সভ্যতা নোহোৱা জাতিৰ পতন হল; ভাৰত কিন্তু জীয়াই আছে। কুণ্ডিলৰপৰা দ্বাৰকালৈকে ভাৰতীয় সংস্কৃতি অখণ্ড। সেই অখণ্ড সংস্কৃতিয়েই হিন্দু সংস্কৃতি। বালি-জাভা দ্বীপলৈকে ইয়াৰ বিস্তৃতি। বৰ্তমান ভাৰত পাকিস্তানৰ মাজত বিবাদ হৈছে মানুহৰ বাবে নহয়, হৈছে সংস্কৃতিৰ বাবে। এপিনে ইছলাম সভ্যতা, অইনপিনে হিন্দু বা ভাৰতীয় সভ্যতা। পাকিস্তান-হিন্দুস্থান একে ভাৰতৰে। তথাপি জীয়াই টানিছে পাকিস্থানৰ মানুহক ইছলামী আদৰ্শত অনুপ্ৰাণিত কৰি ইছলাম ধৰ্মৰ চেৰিয়াৎ যুগমীয়া কৰিবলৈ। ভাৰত বা হিন্দুস্থান গৈছে, প্ৰাকৃতিক অৱস্থাত গঢ়ি অহা সংস্কৃতিৰে সদৌ ভাৰতীয় প্ৰজাবৃন্দক সংগঠন কৰিবলৈ। ভাৰতীয়ৰ ধৰ্ম বা সংস্কৃতিৰ ভেঁটি হল ত্যাগ আৰু আধ্যাত্মিকতাবাদ—যাৰ ধ্যান-ধাৰণাৰ মূলমন্ত্ৰ হ'ল "অহিংসা পৰম ধৰ্ম।"

"নলিনীদলগতজলবৎ বা তৰলম্।
তদ্বৎ জীৱনং অতিশয়ং চপলম॥"

নাইবা

"ধনক ধনে কৰি ধনকে ঘাটিলোঁ
পৰমে যতন কৰি।
ধন গল উচলি দেহা গল পিছলি
লগত গল দুচলি খৰি॥"

ইন্দ্ৰিয়বোৰক দমন কৰি, এক ভগৱন্তৰ চৰণত তনু মন দেহা-প্ৰাণ উছৰ্গি দিয়াটোৱেই হল ভাৰতীয় ঋষি মুনিসকলৰ চূড়ান্ত উপদেশ ঃ—

"ইন্দ্ৰিয় বিলাকে একেবাৰে ধৰি
থৈছে তোমাক মুহি
সংসাৰ ভাৱনা তথা লাগি চাই
আছা তুমি যে মজি।

সময়ত তোমাৰ পেটৰ চিন্তাত,
মূৰত জঁটাৰ বোজা।
খুৰায়ো তাকো, আকৌ ৰাখি চুলি
সেওতা ফালিছা শোভা,
বিবিধ বসনে নানান বেশেৰে
সজা-কচা তুমি কৰা
নাতাৰে কেতিয়াও ইসবে আমাক
মৃত্যুৰ হাতৰ পৰা।
মৰণ আহিলে মৰিব লাগিব
(সেইহে) এৰাহে স ফলো কাম
তুমি ভজা গোবিন্দৰ জপা গোবিন্দৰ
লোৱা গোবিন্দৰ নাম।"

ইফালে পাকিস্থানৰ আদৰ্শ হ'ল—

লোভ মোহ কাম ক্ৰোধক চৰিতাৰ্থ কৰি দেহাৰ ইন্দ্ৰিয়বিলাকক পৰিপুষ্ট কৰা—এইখিনি সাধন কৰিবলৈ চলে বলে কলে কৌশলে উপায় অৱলম্বন কৰা।

এই দুটা পৰস্পৰৰ বিৰোধী বিৰাট ব্যৱধান সমসূত্ৰে সংযোগ কৰিবলৈ মহামানৱ মহাত্মা গান্ধীয়ে মহাভাৰতৰ সেই যুধিষ্ঠিৰে দেখুৱাই যোৱা সংস্কৃতিৰেই উপাসনা কৰি আছিল। বনবাসত থাকোতে, পিয়াহ লাগি পানী খাবলৈ গৈ, বকৰূপী ধৰ্মৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি ভীম, অৰ্জুন, নকুল, সহদেৱ আৰু দ্ৰৌপদী চিৰ শয্যাত শয়ন কৰিবলগীয়া হৈছিল। যুধিষ্ঠিৰে প্ৰশ্নৰ উত্তৰ দিলত বকৰূপী ধৰ্মই মৰা পাঁচজনৰ ভিতৰত যেই সেই এজনৰ প্ৰাণ ভিক্ষা কৰিবলৈ কলে। যুধিষ্ঠিৰে মাদ্ৰীমাকৰ পুতেক নকুলৰ প্ৰাণভিক্ষা কৰিলে। নকুলৰ পুনৰ জীৱন লাভ কৰাই যুধিষ্ঠিৰৰ একো লাভ নহয় বুলি বকে বহুত বুজনি দিলে। যুধিষ্ঠিৰে কিন্তু সেই কথা নামানিলে। ধৰ্মৰাজে কলে, "মই জীয়াই আছো যেতিয়া মোৰ মাতৃবংশত পিণ্ড দিয়া হব। কিন্তু নকুলৰ মাতৃ বংশৰ পিণ্ড কোনে দিব? সেই কাৰণে নকুলক জীয়াব পাৰিলে মোৰ দুয়োকুল উদ্ধাৰ পৰে।" যুধিষ্ঠিৰৰ স্বাৰ্থশূন্য ধৰ্মপ্ৰাণতা দেখি বকৰূপী ধৰ্ম বিমুগ্ধ হল। তাৰ পিছত, স্বৰ্গাৰোহণৰ সময়ত এজন এজনকৈ চাৰিভাই আৰু দ্ৰৌপদীয়ে

প্ৰাণ এৰিলে। অৱশেষত কুকুৰৰূপী ধৰ্মই মাথোন যুধিষ্ঠিৰৰ পাছ ললে। ইন্দ্ৰই তেওঁৰ নিমিত্তে ৰথ আনি সাজু কৰিলেহি আৰু অস্পৃশ্য কুকুৰটো পৰিত্যাগ কৰি ৰথত উঠিবলৈ কলে। ধৰ্মৰাজ যুধিষ্ঠিৰে স্বৰ্গভোগকে তুচ্ছ জ্ঞান কৰিলে, তথাপি লগৰ অনুগত অস্পৃশ্য কুকুৰটো পৰিত্যাগ নকৰিলে। পিছত, ধৰ্মই তেওঁৰ কৰ্তব্য-নিষ্ঠা, আশ্ৰিতৰ প্ৰতি সদয় ব্যৱহাৰ দেখি নিজ মূৰ্তি ধৰি আশীৰ্বাদ দি গুচি গল। এইৰূপেই উচ্চ-অনুচ্চ, স্পৃশ্য-অস্পৃশ্যৰ সমজ্ঞান আৰু যতজীৱ ততশিৱ উপলব্ধি কৰাই ভাৰতীয় সংস্কৃতি বুলি, মহাত্মাই দেহান্তৰ ঘটাৰ আগলৈকে জগতক জনাই গল। সেয়েহে আজি এই, সাংস্কৃতিক সন্মিলনীৰ আৰম্ভণীতে ভাৰতীয় সংস্কৃতিৰ প্ৰতিমূৰ্তি মহাত্মা গান্ধীৰ বিয়োগ স্মৰণত এটোপ নোটোকা চকুৰ পানী বৈ পৰিছে।

ভাৰতৰে বিশিষ্ট অঙ্গ যদিও অসমৰ অসমীয়া সংস্কৃতি সঁচাকৈয়ে অ-সম। অসমৰ পৰাই প্ৰাচীন কালত জ্ঞান-বিদ্যা কৰ্ষণৰ কোবাল ধাৰা এটি পশ্চিমৰ ফালে বাগৰি যোৱা বুলি নিঃসন্দেহে কব পাৰি। কিয়নো, এসময়ত অসমেই আছিল স্বৰ্গ। স্বৰ্গীয় ৰজনী কুমাৰ পদ্মপতিয়ে তেওঁৰ "পুৰণি অসমত ভুমুকি" নামে পুথিত লিখিছে—

"অসম দেশখনক ব্যাসে কেনেকৈ বৰ্ণাইছে শুনক—বিশ্বামিত্ৰৰ শিষ্য গাৰ্গৱে গুৰুদক্ষিণাৰ বাবে বগা বৰণীয়া শ্যামকৰ্ণীয়া আঠ শ ঘোঁৰা দিব লগীয়া হৈ বৰ চিন্তাত পৰাত তেওঁৰ বন্ধু গৰুড়ে পূৱ-পশ্চিম উত্তৰ-দক্ষিণে থকা আটাইবোৰ দেশৰ কথা বৰ্ণাই তেওঁক যলৈকে নিবলৈ কয় তলৈকে নিবলৈ মান্তি হয়। গাৰ্গৱে পূৱ দিশলৈ যাবলৈ মন কৰাত গৰুড়ে তেওঁক পূৱলৈ লৈ গৈ পূৱ দেশৰ কথা এইদৰে বৰ্ণাইছিল---সকলো লোক প্ৰকাশক ভগৱানক মৰীচিমালি যি পিনে উদয় হয় সাধকসকলে সন্ধ্যাকালত যিপিনে তপস্যা কৰে, বিশ্ব-ব্যাপিনী বুদ্ধি প্ৰথমে সিপিনে আৱিৰ্ভূত হৈছিল, যজ্ঞসকল নিয়ন্ত্ৰিত কৰিবৰ নিমিত্তে যিপিনে ধৰ্মৰ চকু বিদ্যমান আছে, যিপিনে আহুতি দিলে সেই আহুত দ্ৰব্য সকলো পিনেই যায়, সেই প্ৰাচী দিশ দিন আৰু স্বৰ্গ পথৰ দ্বাৰ স্বৰূপ। এইপিনেই দক্ষ প্ৰজাপতিৰ জীয়েক অদিতি আদিৰ গৰ্ভত কশ্যপৰ ঔৰসত প্ৰজাসকলে শ্ৰীলাভ কৰিছিল। এইপিনে ইন্দ্ৰৰ অভিষেক সম্পন্ন হৈছিল আৰু এইপিনেই দেৱতাসকলে বাস

কৰিছিল। এইপিনেই ভূত ভগৱান ব্ৰহ্মাই সমস্ত বেদ গান কৰিছিল। এইপিনে সাবিত্ৰীদেৱী সবিতাৰ মুখৰ পৰা উৎপন্ন হৈ ব্ৰহ্মবাদীসকলক আশ্ৰয় কৰিছিল। এইপিনে সূৰ্য্যদেৱে যাজ্ঞবল্কক যজুৰ্বেদবিলাক দান কৰিছিল, এইপিনে সোমৰসে বৰ পাই যজ্ঞত সুৰ সকলৰ পেয় হৈছিল। এইপিনে হুতাশন পৰিতৃপ্তি হৈ আপোনাৰ প্ৰসূতি সোমৰস, ঘৃত আৰু দুগ্ধাদি স্বৰূপ জল উপভোগ কৰে। এইপিনে বৰুণদেৱে পাতাল আশ্ৰয় কৰি শ্ৰীলাভ কৰিছে। এইপিনে, মিত্ৰ আৰু বৰুণৰ যজ্ঞকালত পুৰণি বশিষ্ঠৰ উৎপত্তি, প্ৰতিষ্ঠা আৰু নিধন হৈছিল। এইপিনে ওঁকাৰৰ দহ হাজাৰ পথ উৎপন্ন হৈছে; এইপিনে ধুমপায়ী মুনিসকলে আজ্য ধুম পাণ কৰি থাকে। এইপিনে বৰাহ আদি অনেক পশু প্ৰোক্ষি হৈছিল। এইপিনে দেৱৰাজে দেৱতাসকলৰ নিমিত্তে, যজ্ঞভাগ কল্পিত কৰিছে আৰু এইপিনে হুতাশন সমুদ্ৰিত আৰু ক্ৰোধান্বিত হৈ অহিতকাৰী কৃতঘ্ন মানৱ-অসুৰবিলাকক সংহাৰ কৰে। এই পূৰ্বদিশেই ত্ৰিলোকৰ দ্বাৰ, স্বৰ্গৰ দ্বাৰ আৰু সুখৰ দ্বাৰ।"

এই স্বৰ্গদ্বাৰৰ মূৰতেই স্বতী নদী আৰু স্বতী ৰাজ্য। কুণ্ডিলপুৰ বা ভীষ্মক নগৰ নাইবা শদিয়া। সেইৰাজ্যত বাস কৰোতা মানুহেই হল চুতীয়া। ১৪৪৪ শকলৈকে হিমালয়ৰ পূব মূৰে নৰক ৰজাৰ ললিতকান্তা অৰ্থাৎ তাম্ৰেশ্বৰী মন্দিৰৰ চৌপাশে থকা পৰ্বতবোৰেই আছিল চুতীয়াসকলৰ আবাসভূমি। এওঁবিলাক ৰাঙ্গলগুৰি পৰ্বত, কালাগিৰি পৰ্বত, স্বৰ্ণগিৰি পৰ্বত, নীলগুৰি পৰ্বত, চন্দ্ৰগিৰি পৰ্বত, ধবলগিৰি পৰ্বত, শ্বেতগিৰি পৰ্বতৰপৰা হাবুং ছেৰাই তেজপুৰৰ চতীয়ালৈকে বিয়পি আছিল। মাজুলীৰ ৰতনপুৰ পাৰ হৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে দিখৌ, দিচাং আৰু দিহিং মুখলৈকে চুতীয়াৰেই ঘনবসতি আছিল।

স্বৰ্গদেৱ দিহিঙ্গীয়া ৰজাৰ দিনত স্বতীৰাজ্য ভাগিছিগি ঠানবান হ'ল। ভীষ্মক নগৰ শদিয়া, তাম্ৰেশ্বৰী মন্দিৰ আৰু কুবেৰ দত্ত সম্পতিও অৰাজকা আৰু লুপ্তৰত্নত পৰিণত হল। সেইবোৰ অতীতৰ কথা-কৈ লাভ কি? তথাপি মনে যে নামানে, পুৰণি পৃথিবীখন নকৈ চাবলৈ কাৰ নো হেঁপাহ নাই? সেই কাৰণে অলপ চালোঁ। আৰু অলপমান দেখুৱায়েই ইতিহাসৰ এই নীৰস কথাৰ আধ্যা পেলাম।

অসমদেশ বিচিত্ৰ দেশ। আমাৰ দেশৰ দৰে, বেলেগ বেলেগ জাতীয়া মানুহ একেলগ হৈ এটা জাতি হোৱা দেশ ভাৰতবৰ্ষত আৰু এইন এখন প্ৰদেশ নাই বুলি ডাঠি কব পাৰি। আহোমসকলৰ ৰাজনৈতিক একছত্ৰীত্বৰ প্ৰভাৱতহে সৌমাৰ পীঠ, ৰত্নপীঠ, কামপীঠ, সুবৰ্ণপীঠ জাপ গৈ এক অসম দেশত পৰিণত হল আৰু আজি আমি অসমীয়া বুলি কব পৰা হৈছো। ইংৰাজীত এষাৰ কথা আছে—

"Scratch a Russian, you will find a Tartar." সেইদৰে উজনি অসমৰ সৰহ ভাগটি অসমীয়াক Scratch কৰক অৰ্থাৎ বখলিয়াই বা বাঁকুহি চাওক, দেখিব, তেওঁবিলাক আচলতে চুতীয়া। কথাষাৰ তুলা কমোৱাদি কমাই কলে এইদৰে হ'ব—ময়েই এতিয়া; মোৰ নামৰ পাছত আছে শৰ্মা উপাধি। শৰ্মা বুলিলে কি বুজায় সকলোৱে জানে। তথাপি মোৰ ঐতিহাসিক মনোবৃত্তি, ৰীতি-নীতি আৰু সংস্কৃতি সভ্যতা, ল'ৰাবপৰা ডাঙৰ হোৱালৈকে পুহি অহা ভাব আৰু কৰি অহা ধেমালি ধুমুলাবোৰ তংকৈ চালে দেখিবলৈ পাওঁ মোৰ ও এফাল দেখোন চুতীয়া।

আমাৰ ল'ৰা-ছোৱালীয়ে ওমলোতে অলপ দিনলৈকে কৈছিল অৰ্থাৎ আমাৰ ভিতৰত পুৰুষ পৰম্পৰায় এই কথাটো চলি আহিছিল যে---আগেয়ে হেনো মেঘ নিচেই চাপৰতে আছিল। ঠাই সাৰোতে কুঁজী বুঢ়ীৰ কুঁজত লগাত বুঢ়ীয়ে বাঢ়নীতাৰেৰে সেই মেঘ খোঁচ মাৰি দিয়াত ওপৰলৈ গুচি গ'ল। ইয়াৰদ্বাৰাই বুজিব লাগিব যে আমাৰ পূৰ্ব পুৰুষসকল আগেয়ে সৰগছোৱা পৰ্বতত আছিল। তাৰ পিছতহে ভৈয়ামলৈ আহিছে। সেইদৰেই আমাৰ আদি বাসভূমি পৰ্বত নোহোৱা হ'লে আমাৰ ল'ৰা-ছোৱালীয়ে

"ৰদালি এ' ৰ'দ দে
জালি কাটি চালি দিম
চামৰ পীৰা পাৰি দিম
তাতে বহি বহি ৰ'দ দে" বুলি কেতিয়াও

নুমাতিলহেঁতেন।

সোণৰ মেকুৰী চুতীয়া ৰজাৰ কুবেৰ দত্ত সম্পত্তি। চুতীয়াই হে মেকুৰীক মান সৎকাৰ কৰিব লাগিছিল। কিন্তু অসমীয়া মাত্ৰেই মেকুৰীক দেৱতা স্বৰূপে সন্মান কৰোঁ। মেকুৰী মাৰিলে সিপুৰীত,

সোণৰ মেকুৰী দিব লাগিব বুলি আমাৰ মাজত যিটো প্ৰচলিত ধাৰণা বা বিশ্বাস আছে সেয়ে তাৰ প্ৰমাণ। সেই চুতীয়া প্ৰমাণেই অসমীয়াৰ ধৰ্ম নহয় জানো? আমাৰ গোত্ৰ হেৰালে, বা একো গোত্ৰ নেথাকিলে কাশ্যপ গোত্ৰকে লৈ আমাৰ সকলো আনুষ্ঠানিক ক্ৰিয়াকাণ্ড সমাধা কৰোঁহক। এই কাশ্যপ মুনি চুতীয়া ৰাজ্যৰ অন্তৰ্গত হাবুঙতে থাকি ব্ৰহ্মণত্ব লাভ কৰিছিল। শ্যান বুৰঞ্জীত আছে—সৌমাৰত শ্যানবিলাক প্ৰবেশ কৰোতে চুতীয়া বিলাকেহে কেৱল লেখাপঢ়াৰ চৰ্চা কৰিছিল। এই কথা কৰ্ণেল চেকছপীয়েৰে উনুকিয়াই গৈছে।

১৩৯২ শকত দিহিঙীয়া ৰজাই উত্তৰ পাৰে হাবুংমাৰি পাণবাৰী পালত, "একদিনাপ্ৰতি বৃহৎ বৰালি মাছ এটা দিহিঙৰ মাজেদি উটি আহে। মাজে সীমা, উত্তৰফালে চুতীয়া ৰজা, দক্ষিণে দিহিঙীয়া ৰজাৰ ৰাজ্য। আচামে দেখি নাও মেলি মাছ ধৰি আনোতে চুতীয়াৰ মাণিকচান্দ বৰুৱায়ে বোলে, "আমাৰ পানীৰ মাছ, কৰ মানুহে নিয়ে? নাও মেলি ধৰগৈ।" পাছে নাও খেদি গৈ জোটা-পোটা লগালে। হাতৰ পৰা মাছ কাঢ়ি নিলে। চুতীয়াৰ মানুহকো লণ্ড ভণ্ড কৰি মানুহ দুটা ধৰি নিলে। মাছো হাততে ছিগিল। এই কথা মাণিকচন্দ্ৰ বৰুৱাই খুন্তৰজাৰ জোঞায়েক অৰ্থাৎ চুতীয়া ৰজাত কলেঁগ বোলে,

"লণ্ডামুণ্ডা মানুহবোৰ, গাতো কলীয়া কাপৰ, দেখোতেই একবিধ দেখি, আমাৰ মানুহ ২ টাক ধৰি নিলে, মাছো কাঢ়ি নিলে, গাকো লণ্ডভণ্ড কৰিলে।" পাছে চুতীয়াৰজাই দিখৌমুখ আৰু ডিবুৰু কোঠত যুদ্ধ কৰিলেহি। এইসকল বৰা-বুৰুকে সেই যুদ্ধত আগ ভাগ লৈছিল তক্‌তক্, কইতবা, চুলুকি মাণিকচন্দ্ৰ বৰুৱা, বৰহলৌ বৰুৱা, চেলাৰজা। যুদ্ধত চুতীয়াৰ ৪000 লোক হানি হল, ১000 বন্দী হল।

"লণ্ডা মুণ্ডা মানুহবোৰৰ" সেনাপতি কনচেং বৰপাত্ৰ গোহাঞে "জুপুৰি দেওঘৰত ১000 চুতীয়াক কাটি মুণ্ডমালা বান্ধিলে।" ১৫৯৮ শকতো যুদ্ধ হৈছিল। এই দুয়োখন যুদ্ধত আহোমসকলে দৈৱজ্ঞ, ব্ৰাহ্মণ, তাঁতী, সোণাৰী, কমাৰ, চমাৰ, ধোবা, নাপিত, খনিকৰ আদি অনেক প্ৰজা পালে। হাতী ২৭টা, ঘোঁৰা ১০০, হিলৈ ১0000, নৌকা ৭০০ আৰু অসংখ্য আহিলাপাতিও লাভ কৰিলে। চৰামাও, ধবচা,

ধেনুকাঁড়, আহোমৰ হস্তগত হ'ল। ৯০০ মহৰ পালঁও সিঁবিলাকৰ অধিকাৰলৈ আহিল।

চন্দ্ৰগিৰি পৰ্বতত যুদ্ধ কৰোঁতে চুতীয়াৰ চন্দ্ৰনাৰায়ণ ৰজাই এইদৰে যুঁজ কৰিছিল,

"চন্দ্ৰগিৰি পৰ্বতৰ নিকটত যুধ পাতিলে। কুবেৰ দত্ত অস্ত্ৰ লৈ যুঁজত প্ৰবেশ হ'ল। লুকিস্থিত হৈ পুমৰ দৃশ্য হৈ স্বৰ্গীৰজা সৈন্য মাৰে। সেই কাৰণে তাঁহাকো চন্দ্ৰনাৰায়ণ বোলে। সেই চুতীয়া ৰজা চন্দ্ৰগিৰি শিখৰত উঠিল, বাজু পাতি যুদ্ধ দিলে। স্বৰ্গীৰজাই ভৈয়ামত সৈন্য মাৰি পৰ্বতত তুলিলেগৈ। চুতীয়া ৰজাৰ সৈন্য ভাগিল। ৰজাৰ ১২০ গৰাকী কুঁৱৰীয়ে শিলা কোঁচাই ৰজাৰ হাতত দিয়ে। ৰজাই অবিচ্ছেদে মাৰে। স্বৰ্গী ৰজাৰ সৈন্য পৰি পৰি মৰে। ফ্ৰাচেংমুঙে (স্বৰ্গী ৰজাৰ সেনাপতি) পাছে ফালে ঘিলা গছত বগাই চন্দ্ৰনাৰায়ণক বেঢ়ি ধৰিলগৈ। তেতিয়া ৰজাই দখলৈক মাত লগালে, "মোক পাছ ভেটি সৈন্য পালেহি। অদ্ভুত শ্ৰুতিহত হৈ সাধনী মহিষীক হাতত ধৰি পৰ্বতৰ শৃঙ্গৰ পৰা ডেওমাৰি জুৰিত পৰি মৰিল। ফ্ৰাচেংমুঙে ৰজাৰ হাড়মূৰ নেপালে।"

এইৰূপেই চুতীয়া নৃপতিয়ে আপোনা আপুনি মৃত্যুক আলিঙ্গন কৰিলে আৰু চুতীয়াৰাজ্য আহোম ৰাজ্যৰ লগত চামিল হ'ল। ফ্ৰাচেং-মঙে চুতীয়াৰ নীতিপালৰ পতেক সাধক নাৰায়ণক ১২ ঘৰ মানুহ দি তেজপুৰৰ চাৰীয়াত থাপি থলে।

আহোমৰ হাতত চুতীয়াৰ পৰাজয় হ'ল সঁচা, কিন্তু চুতীয়াৰ সংস্কৃতি চিৰজয়ী হৈয়ে থাকিল। চুতীয়াৰ সৌন্দৰ্য্যবোধ, শিল্পবিদ্যা, সংস্কৃতি-সভ্যতাৰ নিদৰ্শন আহোমৰ মাজত সোমাই গোটেই অসম বিয়পি পৰিল।

চুতীয়াক যুদ্ধত হৰুৱাই যি হেজাৰ হিলৈ আনিছিল, তাৰ ভিতৰত মিঠা হোলোং বোলা বৰটোপটোৱেই সৰ্বোৎকৃষ্ট আছিল। তাৰ আগেয়ে অসমত বৰতোপ নাছিল বুলি মণিৰাম দেৱানে কয়। সেই তোপটোৰ ওপৰখন পিতলেৰে চোৱা, তাৰ ওপৰত মিনাকৰাই সোণ আৰু ৰাখৰ খাজি দিয়া আছিল। চুতীয়াৰপৰা অনা তোপ, খাৰ-বাৰুদ দেখিয়েই সম্ভৱতঃ মীৰজুমলাৰ লগত অহা জনবেসটিক্টা টেৱানী নীয়েৰে অসমতে খাৰ-কলাই তৈয়াৰ হৈছিল বুলি কৈছিল।

কাজলীমুখত থোৱা পোন্ধৰ জন বৰফুকন চুতীয়াকেই পতা হৈছিল। "হেৰামে সৰকি" যোৱাকৈ কাঁড় মাৰিবপৰা চুতীয়া কাঁড়ী-কেই ৰণলৈ আগকৈ পঠোৱা হৈছিল। সেয়েহে আজিও চুতীয়া ধেনু, কাৰ্ফাই ধেনুৱে অসমীয়া ধেনু-কাঁড়ৰ মাজত সুকীয়া পীৰা পাৰি বহি আছে।

সাধি সাধি পোৱা সাধনীয়ে আত্মহত্যা কৰা ঠাইত আজিকোপতি যি পুৰণি মন্দিৰৰ চিনচাব, ইটাৰ গাঁথনি, ধলাশিল পৰি আছে, তাক লুইতৰ উত্তৰ পাৰে পৰ্বতীয়া-গড়ৰ দাঁতিয়ে কাষৰে পোৱা ইটাৰ চলা, আৰু শিলত অঁকা-মূৰ্তিৰ লগত ৰিজাই চালে কোনে নকৈ পাৰিব যে একালত চুতীয়া জাতি শিল্পকলাৰ অগ্ৰগণ্য উপাসক আছিল বুলি ?

(ব্ৰেড্‌লী বাৰ্ট চাহাবে "চুতীয়া নাগপুৰৰ" ইতিবৃত্ত লিখোঁতে নাগ-পুৰীয়া মানুহবিলাকৰ লগত অসমীয়া চুতীয়া মানুহৰ সাদৃশ্য আছে বুলি কৈছে। কথাষাৰ অমূলক বা যুক্তিহীন বুলি কব নোৱাৰি। চুতীয়া মহিলাৰ লাহী কঁকাল, কলাফুলত বৈ পৰা কিচ্-কিচ্ কৰে ক'লা চুলি, শাও বৰণীয়া হলেও নিমজ চিক্‌চিকীয়া গা-মুখৰ বৰণ, হাতেকৃত কাম, মুখে ৰাম নাম গাই থকা উদ্যোগ, সঁচাকৈয়ে নাগপুৰীয়া মহিলাৰ লগত ভাষাটোৰ বাহিৰে লিপিত খাই পৰে।)

সেইদৰে অসমীয়া চুতীয়া লৰাৰ ধেনুকাঁড় মাৰিবলৈ যেনে আগ্ৰহ, পেঁপা, মুৰুলি, সুতুলি, গগনা বজাই গীত মাত গাই নাচিব-বাগিবলৈ যেনেকৈ সিহঁতক কোনেও শিকাব নেলাগে, ভাৱনাই সবাহে ৰা পদ দিয়াত চুতীয়া মানুহৰ কণ্ঠস্বৰ যেনে সুললিত আৰু মিঠা, তালৈ চাই ঠাৱৰ কৰা হয় যে নাগপুৰীয়া মানুহৰ মৃগয়া স্বভাৱ আৰু নৃত্যগীতৰ লগত অসমীয়া চুতীয়াৰ নৃত্যগীত আৰু কিৰাট স্বভাৱৰ হুবহু সাদৃশ্য আছে। ডেল্টন চাহাবে, সেই কাৰণে অসমীয়া চুতীয়া আৰু নাগপুৰীয়া চুতীয়া গুৰিতে একে ঠাইৰ মানুহ বুলিয়েই স্থিৰ কৰিছে। ডেল্টনৰ নৃতত্ত্ব গৱেষণাৰ দ্বাৰাই যিটো সিদ্ধান্ত স্থিৰ কৰা হৈছে, সেই সিদ্ধান্ত শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ বিবাহে আমাক কাহানিবাই দি থৈ গৈছে। তাক আৰু আপোনাসকলক বিৱৰি নকওঁ। পূবৰ সংস্কৃতি পছিমলৈ বাগৰি যোৱা কাৰণটো ইয়েই প্ৰতিপন্ন কৰে।

"মা-দৈ" শব্দটো আজিকালি সকলোৰে কাণত নতুন যেন লাগিব। কিন্তু ই যে ইমান পুৰণি আৰু এই দুটা আখৰত যে এখন একোখন মহাভাৰত সোমাই আছে, তাক ভালকৈ ফঁহিয়াই চালে দেখিবলৈ পাব। ঠোৰতে কওঁ—মাতৃদেৱীৰ পৰা মাদই, মাদইৰ পৰা মা-দৈ অৰ্থাৎ মা-দেৱী। সাধুকথাত "মাদৈ" কথাষাৰ ঘনাই ওলায়। তাম্ৰেশ্বৰী মন্দিৰত চুতীয়াই আদিতে কামাখ্যা মাতৃক সম্বোধন কৰা শব্দ এইটোৱেই আজিও আমি ছোৱালীৰ নাম তৰা-দৈ, কলী-দৈ, ৰহ-দৈ, ভা-দৈ, কণ-দৈ আদি ৰাখি "সাধি সাধি পোৱা সাধনীৰ দৈকেই" আমি সন্মান কৰি আহিছোঁ; আৰু আমি যে পূৰ্বতে "দেৱী" প্ৰকৃতিৰ ঐকান্তিক উপাসক আছিলো তাৰো সাংস্কৃতিক নিদৰ্শন ৰক্ষা কৰি থৈছোঁ। মা বা মি শব্দই পুৰুষকে বুজায়। পুৰুষৰ দেৱীয়েই হল দৈ।

স্বতী ৰাজ্যৰ অৰ্থাৎ চুতীয়া দেশৰ মানুহে যে সঙ্গীত চৰ্চা কৰিছিলেই নে "শালিকী" চৰায়েও মানুহৰ মাত কাঢ়ি সঙ্গীত চৰ্চা কৰিছিল। নহ'লেনো, আজি কিয় আকৌ অসংখ্য শালিকাৰ মাজত "চুতীয়া শালিকীয়ে" সুকীয়া 'চুতীয়া' নাম লৈ আমাক সাধুকথা শুনাবহি। এই শালিকীজনীলৈ আমাৰ মৰম কিমানটো লৰাক ওমলোৱা নামষাৰতেই বিচাৰিলে পাব :—

শালিকী এ' ৰটৌ টৌ
ভাল হল শাক হল
শালিকী বাই কলৈ গল?
এইখিনিতে আছিলে গোবৰ খুচৰি
কোনোবাই লৈ গল ডিঙি মুচৰি।

চুতীয়া মানুহ এজনে, এনে শালিকী চৰাই এটিকে এদিন স্বৰ্গদেৱৰ আগত দি সেৱা জনাইছিল। শালিকীটো মানুহজনে বাঁহৰ শলীৰে আটোমটোকাৰীকৈ সজা দুটুপীয়া সঁজা এটাত ভৰাই নিছিল। সেই কাললৈকে, লুইতৰ দক্ষিণ পাৰে কাৰো দুটুপীয়া ঘৰ নাছিল। স্বৰ্গদেৱে সজাটোৰ গঢ়টো দেখি বৰ সন্তোষ পালে আৰু তৎক্ষণাৎ সেই চানেকিৰেই ৰজাৰ ঘৰ দুটুপীয়া কৰিবলৈ আদেশ দিলে।

"জনা গাভৰুৰ গীতত" অসমীয়া তিৰুতাৰ সাহ বলৰ কথা বঢ়িয়াকৈ বৰ্ণোৱা আছে। সেই গৰাকী গাভৰুৰ নামেই তেওঁ থকা ঠাইৰ নাম 'জনাপথাৰ' হল। এই জনাপথাৰ চৈখোৱা ঘাটৰ উত্তৰে এতিয়াও আছে। জনা-গাভৰু চুতীয়া-ৰমণী, যি তিৰী হৈ ৰাজপাট খাইছিল আৰু যি জুৰীয়া চাপ মৰাই নশ কোঁৱৰক বন্দীকৈ থৈছিল। চুতীয়া ৰমণীৰ (সকলো ফৈদৰ) নিৰ্ভীক চিত্ৰ আৰু লয়লাস খোজে স্ত্ৰী স্বাধীনতাৰ খীণ ৰেখা এটি এতিয়াও জিলিকাই ৰাখিছে।

মৰাণৰ ফৈদৰ বুৰুক চুতীয়া বংশৰ সৰ্বানন্দ বৰ সেনাপতি, মায়ামৰীয়া গোসাঁই বুলি কয় আৰু হাওবৰাৰ পতনৰ লগে লগেই অতীতৰ বীৰ বীৰাঙ্গনা সকল বিলুপ্ত হল, তথাপি তেওঁবিলাকৰ স্মৃতিত একো একোটা হুমুনিয়াহ কঢ়া মাত ললিত চন্দত আজিও স্বগতঃ ওলাই আছে।

বিয়া-নাম, আই-নাম, গৰখীয়া নাম, যোজনা-ফঁকৰা, শব্দাৱলী আৰু খণ্ডবাক্যবোৰক তন্ন তন্নকৈ লিৰিকি বিদাৰি চালে দেখিবলৈ পাব যে তাৰ ভালেমানেই চুতীয়াবপৰা অহা বুলি অসমীয়া সংস্কৃতিত মথুৰা পাগ মাৰি বহি আছেহি।

আজিকালি, ঘৰে ঘৰে জুহালৰ কাষত সাধু কোৱা, মুকলি পথাৰত গৰখীয়া নাম গোৱা, টোকাৰী-বীণত সুৰদি সুৰৰ ৰেপ দি জন্মভূমিৰ গৌৰৱ বৰ্ণোৱা, হেঙুল হাইতাল লগাই ঘৰতে বহি কাঠত ধুনীয়া-ধুনীয়া মূৰ্তি আঁকা অভ্যাস বা সজ নোহোৱা হল। এই-বিলাক কাম আগৰ দিনত চুতীয়া সম্প্ৰদায়ৰেই আচুতীয়া আছিল।

আগেয়ে মতা-মানুহেও গলধন ঢকাকৈ চুলি ৰাখিছিল, কৰ্ণবেধ কৰিছিল অৰ্থাৎ কাণৰ লতি বিন্ধা দিছিল। দা-তৰোৱালৰ ঘাপ চুলিৰ ওপৰত পৰি পিছলি যায়। সেই কাৰণে দীঘল চুলিৰ প্ৰয়োজন আছিল। কাণৰ বিন্ধাত কাঁড় ওফৰোৱা চাল আঁৰি লোৱা হৈছিল। এতিয়া বিজ্ঞানৰ দিন। বিজ্ঞানসন্মত উপায়েৰে আত্মৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। দিনে দিনে নতুন নতুন উপায়েৰে আত্মৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। দিনে দিনে নতুন কলা-কৌশলো সৃষ্টি হব লাগিছে। তাৰ লগত উজাবলৈ আমাৰ উদ্ভাবিকা শক্তিৰ প্ৰসাৰ কৰিব লাগিব। আমাৰ সাধুকথাবোৰ একোটা একোটা অঁকা হৈ পৰি আছে। তাত আধুনিকতাৰ ৰূপৰহণ সানি বোল-ছবিত ফুটাই তুলিব লাগিব।

গগনা, সুতুলি, বীণ-টোকাৰীত ন-সঙ্গীতৰ সোঁত বোৱাই অনা অসমীয়াকো বুৰাই নিব লাগিব। প্ৰেমফনত বা কলগানত বিদেশী গানেৰে আপোনাসকলৰ কাণ ঘোলা কৰা দিন আৰু নাই। খনিকৰী বিদ্যাটো চুতীয়াৰ আচুতীয়া সম্পত্তি। তাৰ আহিলা পাতিবোৰ আমাৰ হাবি-বননিতে আছে; বুটলি আনি ললেই হয়। হেঙুল-হাইতাল আজি পৰ্বতৰ কাছু-কণী হল। সেইবোৰৰ পুনৰ উদ্ধাৰ কৰিবলৈ হাতে-কামে নালাগিলে সংস্কৃতি-সভা পতাৰ একো প্ৰয়োজন নাই। আমাৰ সকলো আছিল, আছেও। আমি কিন্তু তাৰ গম নলওঁ পুৰণি চুতীয়া পৃথিবীখন আমি এবাৰ ভুমুকিয়াই চাওঁহঁক। এতিয়া ন-পৃথিবী গঢ়াৰ ভাৰ পৰিছে। পুৰণি আহিলা-পাতিৰ মামৰ গুচাই, সেই উপাদানেৰেই নতুন সত্তাৰ সৃষ্টি কৰক। অন্তৰত আগ্ৰহ ওপজাওক, প্ৰাণত চেতনা দিয়ক, আৰু জাতীয়তাৰ বিস্তাৰ কৰক দেখিব, অসম আকৌ সেই পুৰণি গৌৰৱদীপ্ত অসম হৈ উঠিব, তাৰ কোলাতেই চুতীয়া সংস্কৃতিও জলজমলাই থাকিব॥

সদৌ অসম চুতীয়া সন্মিলনৰ কৃষ্টি সভাৰ সভাপতিৰ অভিভাষণ। ভ্ৰমৰ॥ প্ৰথম বছৰ॥ দ্বিতীয় প্ৰকাশ ১৮৭০ শক।

দৰঙ্গী ৰাজবংশীয় সাহপিত

কোচবেহাৰৰ মহাৰাজ নৰনাৰায়ণৰ পুতেক লক্ষীনাৰায়ণ আৰু ভায়েক চিলাৰাইৰ পুতেক ৰঘুনাৰায়ণ। ৰঘুৱে কাজিয়া কৰি বেহাৰৰ পৰা গুচি আহি কামৰূপত ৰাজ্য পতাত নৰনাৰায়ণে তেওঁকে সোণ-কোষৰ পুব ফালে থকা কোঁচৰ ৰাজ্যখনি দি দিয়ে আৰু ৰঘুদেৱ কামৰূপৰ ৰজা হয়। ৰঘুৰ পুতেক পৰীক্ষিতনাৰায়ণ সম্বন্ধত লক্ষী-নাৰায়ণ-পৰীক্ষিতৰ দদায়েক। কোঁচ ৰাজ সিংহাসন দাবী কৰা সম্পৰ্কত দদায়েক ভতিজাকৰ কাজিয়া লাগিল। ভতিজাকৰ গৰ্ব-অভিমান চূনচাৎ কৰিবলৈ দদায়েক লক্ষীনাৰায়ণ মোগল পাৎসাহৰ কাষ চাপিলগৈ। পাৎচাহে মকৰম খাঁক পঠিয়াই ধুবুৰীৰপৰা পৰীক্ষিতক ছল বুদ্ধি কৰি বন্দী কৰি লৈ গ'ল। পৰীক্ষিতে এবছৰকাল প্ৰাণটাকি যুদ্ধ কৰিছিল, কিন্তু মোগলৰ অপ্লাৱিত সৈন্যৰ আগত ঠাৱৰিব নোৱাৰিলে। ধুবুৰী গড়ত হোৱা যুদ্ধখনৰ কথা বাহাৰ-ই-স্থাহ ঘাইটী আৰু অসমৰ বুৰঞ্জীত বহলকৈ লেখা আছে। সেই যুদ্ধতে পৰীক্ষিতে দেখুওৱা ৰণ কৌশল শলাগিব লগীয়া।

সি যি কি হওক, পৰীক্ষিতক ধৰি নি দিল্লী পাৎচাহৰ আগত হাজিৰ কৰিলেগৈ। লক্ষীনাৰায়ণ ৰজা আগৰেপৰা তাতেই আশ্ৰয়প্ৰাৰ্থী হৈ আছে। কামৰূপ ৰাজ্যত একালৰ স্বাধীন নৃপতিৰপৰা দপ-দপাই ফুৰা পৰীক্ষিত নাৰায়ণ ৰজা আজি অৱনত শিৰে দিল্লীৰ পাৎচাহৰ আগত লাজে আপমানে কেহেৰাজ বঁটা যেন হৈ থিয় দি আছে।

পাৎচাহে লক্ষীনাৰায়ণ-পৰীক্ষিতনাৰায়ণ উভয়কে গোট খুৱাই কলে,---

"তোমালোক মিল হোৱা, মিলিজুলি দুয়ো গৈ আকৌ ৰাজ্য শাসন কৰাগৈ। আৰু পৰীক্ষিত! লক্ষীনাৰায়ণ তোমাৰ চাচা (দদায়েক) হয় ও তেওঁৰ পাও ছুই সেৱা কৰা।" পৰীক্ষিতে বোলে, "যি বুলিছে, এতিয়া বুলিব পায়।" প্ৰমত্তসিংহে আপোনাৰ মন মাক্কিকে হস্তী

মাৰি আহাৰ কৰে—স্ত্ৰীগণেৰ অজ্ঞান থাকি নাহি মৰে। আৰু মহা-সমুদ্ৰে আপোনাৰ কালক্ৰমে হ্ৰাস বৃদ্ধি কপায়। কিন্তু জলজন্তু আমাক থাকি হ্ৰাস বৃদ্ধি নাপায়। আপুনিও তেমত। তেওঁৰে মোৰে শত্ৰুতা ভাব, প্ৰাণ গেলেও সেৱা নকৰোঁ।”তাৰ পিছতেই পৰীক্ষিত মৰিল।

১৫৩৭ শকত পৰীক্ষিতক মোগল সেনাই ধৰি নিয়াৰ পাছতে ভায়েক বলীনাৰায়ণে আহোমৰ সাহায্য প্ৰাৰ্থনা কৰিলেগৈ।

স্বৰ্গদেৱেও মোগল মাৰি তেওঁক ধৰ্মনাৰায়ণ নাম দি দৰঙত ৰজা পাতিলে। অকল ৰজা পতাই নহয়, সোণাৰি ছোৱালী এটি দি অসম ৰাজ্যৰ জোঁৱায়ো পাতিলে। ধৰ্মনাৰায়ণে মঙ্গলদৈ নৈৰ পাৰতে কৰাইমৰা নামে ঠাইত ৰাজধানী পাতি সুখে-সন্তোষে ৰাজ্য শাসন কৰি শিঙৰীৰ ওচৰত ১৫৫৫ শকত মৃত্যু বৰণ কৰিলে। বলীনাৰায়ণ বা ধৰ্মনাৰায়ণ টুকুৰাৰ পাচত কৰাইমৰাৰ পৰা মোহনপুৰলৈ ৰাজ-ধানী তুলি অনা হল। পূবে ধৰ্মনাৰায়ণৰ ৰাজ্যৰ সীমা যিমান বহল আছিল আৰু ৰাজপয়োভৱ যিমান জাকজমক আছিল, সেইবোৰ পুতেক মহীন্দ্ৰনাৰায়ণ আৰু ককায়েক চন্দ্ৰনাৰায়ণৰ দিনৰপৰা ক্ৰমাৎ টুটি আহিবলৈ ধৰিলে। তথাপি অতীতৰ সেই স্বাধীন কোঁচৰ-তেজ শেষ অনবেৰী মেজিষ্ট্ৰেট ভূপেন্দ্ৰ নাৰায়ণ দেৱলৈকে বৈ আছিল। সেইবিলাকৰ বিতং বিৱৰণ দাঙি নধৰি পৰৱৰ্তী এজনৰ এটি উদা-হৰণকে মাথোন ইয়াত উনুকিয়ালো।

পৰীক্ষিতৰ পিতাক ৰঘুদেৱ নাৰায়ণৰ আজোনাতি সূৰ্য্যনাৰায়ণ বহুত দিন বিদেশত আছিলগৈ। জ্যেষ্ঠানুক্ৰমে তেওঁৱেই পিতাক চন্দ্ৰনাৰায়ণ মৰাৰ পিছত ৰজা হ'ব লাগিছিল। কিন্তু পৰদেশত থকা বাবে মাহীয়েকৰ পুতেক ইন্দ্ৰনাৰায়ণ ভায়েকেই ৰাজপাটত বহি ৰজা হ'ল। বিদেশৰপৰা ঘূৰি অহা সূৰ্য্যক তেওঁক চিনি নোপোৱা হ'ল। অৱশেষত ৰাজগুৰু বনমালীদেৱে আহোম ৰজাৰ আগত ভেটাই ৰাজ্য প্ৰাৰ্থনা কৰোৱাত স্বৰ্গদেৱে সূৰ্য্যনাৰায়ণক ক'বলৈ কলে,—

“কোৱা সূৰ্য্যনাৰায়ণ, “মোৰ চুলিৰ মান স্বৰ্গদেৱৰ আয়ুস হক” বুলি। সূৰ্য্যনাৰায়ণ—আপোনাক বিধাতাই যিমান দিন আয়ুস দিছে, সিমান দিনহে পাব, মই খাটিলোঁৱেই জানিবা পাব নে কি?

স্বৰ্গদেৱ—তুমি বহু ঠাই ভ্ৰমি আহিছা, কোৱাচোন বাৰু, মোৰ নগৰখন কেনেকুৱা দেখিছা?

সূৰ্য্য—ভাটীফালৰ গাঁৱলীয়া হাট একোখনেই আপোনাৰ নগৰত্তকৈ ডাঙৰ।

তাৰ পাছত স্বৰ্গদেৱে চাংমায়ে ৰন্ধা ভাত খাবলৈ টানি ধৰাত সূৰ্য্যনাৰায়ণে ষৰ্মাহি মাৰি নেখাওঁ বুলি একে আষাৰেই গাটো থিয় কৰি পেলালে। স্বৰ্গদেৱে চুকচুকাই কলে, "সূৰ্য্যনাৰায়ণ, মোৰ চৰণৰ ধূলি অলপ তোমাৰ শিৰত তুলি লোৱাচোন।"

সূৰ্য্যনাৰায়ণ—আপোনাসকলেই থাপনি সিচিলে যদিও মোৰ পূৰ্বপুৰুষসকলে আপোনাক শিৰ বিকা নাই। মইনো এতিয়া কেলেই শিৰ দোৱাম?

ৰাজপদ লভিবৰ নিমিত্তে অনুগ্ৰহপ্ৰাৰ্থী সূৰ্য্যনাৰায়ণৰ মুখত ওলোৱা এনে নিৰ্ভীক বাক্য-বচন সঁচাকৈয়ে কোঁচ বুৰঞ্জীৰ একোটি প্ৰেৰণাৰ স্যমন্তক মণি।

সামৰণি ঃ

কোঁচৰজাৰ বুৰঞ্জী আছে, নৰনাৰায়ণৰ, গোহাঁইকমলৰ, চিলাৰাই দেৱানৰ কীৰ্তি যশস্যা অসমত আজিকোপতি জীয়াই আছে। মঙ্গল-দৈৰ মোহন বুৰ্হাধিপতি বলিনাৰায়ণ বা ধৰ্মনাৰায়ণ দৰঙ্গী ৰজাৰ আনুপূৰ্বিক বৃত্তান্ত হে পাবলৈ নাই। ৰজাঘৰীয়া শাসন ব্যৱস্থাত ধৰ্মনাৰায়ণে যি কৃতিত্ব লাভ কৰিছিল, সামাজিক ঐতিহ্য, গৌৰৱ আৰু সাহিত্য-সংস্কৃতি ৰক্ষা কৰাত সেই কৃতিত্ব শত গুণে অধিক আৰু যুগমীয়া। মঙ্গলদৈ সাহিত্য সভাই দৰঙ্গী ৰজাৰ বিস্তাৰিত বুৰঞ্জী এখন প্ৰণয়ন কৰিব।

"দৰঙ্গ স্মৃতি" ১৯৭৪ চন। ফেব্ৰুৱাৰী।

অসমত ইছলামৰ সূত্ৰপাত

স্বৰ্গীয় কনকলাল বৰুৱাৰ "আৰ্লি হিষ্টৰী অৱ কামৰূপ"ৰ (প্ৰাচীন কামৰূপৰ বুৰঞ্জীত) "মুছলমান আক্ৰমণ" অধ্যায়ত অসমত ইছলাম ধৰ্মৰ প্ৰথম সূত্ৰপাত হোৱা বিৱৰণ বিশদভাৱে বৰ্ণোৱা আছে। বখতিয়াৰ খিলজীৰ অসম প্ৰবেশত কামৰূপত ইছলাম ধৰ্মৰ নাম পোনপ্ৰথম বিদিত হয়। ভাৰতলৈ বৃটিছ অহাৰ পাচৰপৰা ইছলাম ধৰ্মাৱলম্বীক আমি নানান প্ৰকাৰে নাম দিবলৈ ধৰিলোঁ বা শিকিলোঁ—ইছলামত যাৰ "ইমান" থাকে তেওঁৱেই "মোছলমান", মুছলমান বা মছলমান আৰু আজিকালি মুছলেম। আৰু ইংৰাজীৰে, হজৰত মহম্মদৰ (দঃ) ধৰ্মাৱলম্বী হোৱা বাবে "মহাম্মদান" বা "মেহাম্মডান" বুলিবলৈ ধৰিলে। আজিকালি, যাক কবৰস্থান বোলা হয়, তাক আমাৰ দেশত আগেয়ে "গোড়স্থান" বুলিছিল আৰু যি 'গোড়দিয়ে' সেয়ে মানুহৰ মুখত পৰি 'গৰীয়া' হ'ল—গৌড় দেশৰ পৰা অহা বাবে গৰীয়া শব্দৰ সৃষ্টি হোৱাটো ভাষাতত্ত্ব আৰু বুৰঞ্জী ফালৰপৰা স্বীকাৰ কৰিব নোৱাৰি। প্ৰকৃততে, গৰীয়া বা গড়ীয়া শব্দটো কুষ্টিবাচক। সি যি নহওক, আজিকালি ধৰ্মটোৱেই জাতিত পৰিণত হোৱা বাবে জাতিমালা অভিধানৰপৰা গৰীয়া শব্দৰ প্ৰয়োগ অন্তৰ্দ্ধান হ'ল। আমাৰ বুৰঞ্জীত ইছলাম ধৰ্মীসকলক 'মুছলমান' বুলি পৰিচয় দিয়া নহৈছিল; হৈছিল ঃ—তুৰুক, আৰবী, পাঠান, আফগানী, ইৰাণী, লোডী আৰু মোগল প্ৰভৃতি জাতি (Tribe) অনুসৰি হে। মেহামডান বা মুছলমান শব্দটো অমুছলমানে অৰ্থাৎ ইংৰাজবিলাকে দিয়া যেন হে লাগে। মুছলমান আখ্যা দি ইছলাম ধৰ্মীয় সকলোকে সামৰি পেলোৱা হল যদিও, ৰাজ্য বা ৰাষ্ট্ৰ সম্পৰ্কত জাতি হিচাপে সুকীয়া সুকীয়া ৰাষ্ট্ৰ হৈয়ে থাকিল।

অৰ্থাৎ কোনো এখন ৰাজ্যয়েই ইশ্লামীয় ভেঁটিত ৰাজ্য স্থাপন নকৰিলে। ইশ্লামধৰ্মী বখতিয়াৰ খিলজীয়েই পোন প্ৰথম অসমলৈ অহা কাৰণে, তেওঁৰ অভিযানতে অসমে ইছলামৰ নাম শুনে। তেওঁৰ আদিপুৰুষ হিন্দ-দেশ আৰু চিজিস্তানৰ মাজত থকা গৰমচিৰ

নামে ঠাইত বসতি কৰিছিল আৰু জাতিত তুৰুষ্ক আছিল---এইবুলি মেজৰ ৰেবাৰ্টিয়ে (Major Raverty) কয়। গৰমচিৰৰ পৰা পুৰুষানুক্ৰমে উজাই আহি বঙ্গদেশ জয় কৰি অসমত (কামৰূপত) ক্ষয়প্ৰাপ্ত হোৱালৈকে বখতিয়াৰ আৰু বখতিয়াৰৰ পূৰ্বপুৰুষ বোধকৰোঁ, তুৰুষ্ক বুলিয়েই পৰিচিত হৈ আহিছিল। নহলে নো "কামৰূপ (কামৰূদ?) লৈ অহা তুৰুষ্কবিলাক (তুৰুষ্কাঃ) ১১২৭ শকৰ ১৩ চ'তৰ দিনা ক্ষয়প্ৰাপ্ত" হল বুলি ("শাকে তুৰগ যুগ্মেষা মধুমাস ত্ৰয়োদশে কামৰূপ (কামৰূদং?) সমাগত্যা তুৰুষ্কাঃ ক্ষয়মাযযুঃ) উত্তৰ গুৱাহাটীৰ কানাই বৰশীবোৱা পৰ্বতৰ শিলত কিয় লেখা থাকিব? সেই শিলালিপি মতে বখতিয়াৰে কামৰূপ 'আক্ৰমণ' কৰিছিল বুলি বুজা নেযায়। বুজা যায়—"কামৰূপলৈ আহি নিঃচিহ্ন হল বুলি হে।" আক্ৰমণ নহলেও, কিয় মৰিব লগা হল, তাৰ কাৰণ অৱশ্যে সকলো বুৰঞ্জীতে আছে। তথাপি, অসমত পোনপ্ৰথম ইছলামৰ সুত্ৰ কেনেকৈ স্থাপিত হ'ল তাৰ ব্যাখ্যাবিহীন উদ্ধৃতি এটি মেজৰ ৰেবাৰ্টি চাহাবে অনুবাদ কৰা মিনহাজৰ তবকৎ-ই-নছিৰিৰ পৰা তুলি দিলোঁ। পঢ়োঁতাই ইচ্ছানুসৰি যাক যি লাগে ইয়াৰপৰা উলিয়াই লব—

নছিৰৰ "তবকতত" আছে ঃ---"নদীয়াত ভালকৈ থিতাপি লোৱাৰ কেইবছৰমানৰ পাচত তুৰ্কীস্থান আৰু তিব্বত জয় কৰাৰ কথাই মহম্মদ বখতিয়াৰৰ মন তোলপাৰ লগাবলৈ ধৰিলে। সেই উদ্দেশ্যে সাধন কৰিবলৈ তেওঁ দহ হেজেৰীয়া অশ্বাৰোহী ফৌজ এটা গঠন কৰিলে। লক্ষ্মণৱতী আৰু তিব্বতৰ মাজত বহুত পৰ্বত আছে, তাৰ বেলেগে বেলেগ অংশত তিনি জাতিৰ মানুহ বাস কৰে। যেনে ঃ---কোঁচ, মেজ (মেছ) আৰু তিহৰু (ত্ৰিপুৰী কচাৰী)। এটাইবোৰৰ মুখৰ আকৃতি তিৰু দেশৰ (তিব্বতৰ?) মানুহৰ নিচিনা। সিহঁতৰ বেলেগ ভাষা আছে। সেই ভাষা তিৰু আৰু হিন্দুস্থানৰ মাত কথাৰ লগত নিমিলে। আলি মেজ নামেৰে কোঁচ আৰু মেজৰ অধিপতি এজনে মহম্মদ-ই-বখতিয়াৰৰ হাতত বন্দী হৈ ইছলাম ধৰ্ম লয়। তেওঁ মহম্মদ-ই-বখতিয়াৰক সেই পৰ্বতবোৰৰ মাজেদি বাট দেখুৱাই নিবলৈ মান্তি হৈ বখতিয়াৰক বৰ্দ্ধন নামে এখন নগৰ পোৱালেগে। সেই নগৰৰ বিষয়ে এনে কিম্বদন্তি আছে বোলে, অতীজতে ছাহ

—১০

গণ্টাছিৰে চীন দেশৰপৰা উলটি আহি কামৰূপ ওলায়হি; তাৰপৰা হিন্দুস্থান সোমাবলৈ এই নগৰ নিৰ্মাণ কৰায়। নগৰৰ সমুখেদি বক-মতী (বেগমতী) নামেৰে বৰ বহল নৈ এখন বৈ গৈ হিন্দুস্থানত পৰিছে।

"হিন্দুৰ ভাষাত ইয়াৰ মুখৰ নাম সমুদ (সমুদ্ৰ), ই বহলে আকাৰত গঙ্গা নৈতকৈ তিনি গুণ ডাঙৰ। গৈ গৈ মহম্মদ-ই-বখতিয়াৰ এই নৈ পালেগৈ। আলি মেজেও ইয়াতে ইছলাম সেনাৰ লগ ধৰিলে। সসৈন্যে উজাই গৈ বহু পৰ্বতৰ মাজেদি সৰকি বখতিয়াৰে কৌতি-কালতে সজা এখন দলং (সাঁকো) পালেগৈ। দলংখনত কুৰিতকৈও ওপৰ ভাজ বা ওখ চাপৰ পাক আছে (Arches)। ইছলাম সেনা পাৰ হৈ গলত মহম্মদ-ই-বখতিয়াৰৰ তুৰ্কীদাস আৰু খিলিজী নামেৰে দুজন আমীৰক তেওঁ ঘূৰি নহালৈকে দলং-ৰখীয়া থৈ বাকী সেনাৰে উজাই গল। কামৰূপৰ ৰজাই বিজয়ী সেনাৰদ্বাৰাই দলঙেদি বাট মুকলি কৰা শুনিবলৈ পাই বিশ্বাসী মানুহ পঠিয়াই কৈ পঠালে বোলে 'বৰ্তমান মহম্মদ-ই-বখতিয়াৰে তিব্বতৰ বিৰুদ্ধে যুদ্ধ কৰাটো ভাল হোৱা নাই, সেইদেখি এতিয়া উভতি গৈ অহা বছৰলৈ সৈন্য-সামন্তৰ আয়োজন কৰক। তেতিয়া কামৰূপৰ ৰজা, মইও সসৈন্য তেওঁৰ লগ লাগি সেই দেশ অধিকাৰ কৰিবলৈ আগবাঢ়িম।' মহম্মদ-ই-বখতিয়াৰে সেই কথা নুশুনি তিব্বতৰ অভিমুখে যাত্ৰা কৰিলে।

"৬৪২ হিজুৰি শকত এদিন ৰাতি দেওকট আৰু বেকনৱাৰৰ মাজত থকা লক্ষ্মণৱতী ৰাজ্যত মহম্মদ-ই-বখতিয়াৰে বিশ্বাসী দূত মুতামুদ্দৌলাৰ ঘৰত আলহী খপোতে এই বুৰঞ্জী লেখকে আলহী সোধোঁতাৰপৰা এইদৰে গোটেই বৃত্তান্তটো শুনিছিল। তেওঁ কৈছিলঃ—,

"সেনাবিলাক সেই নৈ পাৰ হৈ, পৰ্বতত উঠি, ভৈয়ামত নামি হাবিয়নি সৰকি, বননি গছকি একেৰাহে ১৫ দিনৰ মূৰ পৰিলত ১৬ দিনৰ দিনা শস্যে-মৎস্যে নদন-বদন মুকলি দেশ তিব্বত পালেগৈ। তাৰ গাঁওবোৰ মানুহেৰেই ঠাহখোৱা। মানুহবোৰৰ জাতো বহুত। সেনাবিলাকে তাতে এটা অভেদ্য গড় পাই, তাৰ দাঁতিকাষৰৰ গাঁও-ভুঁইবোৰ লুটপাট কৰিবলৈ ধৰিলে। সেই গড় ৰখীয়া নগৰীয়া আৰু ওচৰ চুবুৰীয়া মানুহবোৰে সৈন্যবোৰক খেদিবলৈ যুঁজ দিলেহি।

ফেঁহুজালিৰপৰা আৰম্ভ কৰি সাঁজ লগাৰ নামাজ পঢ়া সময়লৈকে দুয়োপক্ষৰ তয়াময়া ৰণ লাগিল। ৰণত বখতিয়াৰৰ বহুত সেনা মৰিল আৰু বহুত আহত হ'ল। বাঁহৰ যাঠী, জোং, ঢাল, ধেনুকাঁড় আৰু চ'ছালিৰে জাঁপ জাঁপকৈ গঁথা মূৰ ঢকা টুপীয়েই (জাপি) বিপক্ষ দলৰ প্ৰধান ৰণুৱা সঁজুলি।

"ৰাতি বখতিয়াৰৰ সেনাবিলাক দিহাদিহি গুচি গলত কেইটামান শত্ৰু বন্দীক সোধাত সিহঁতে কলে, "এই ঠাইৰপৰা প্ৰায় সাত ক্ৰোশ মান নিলগত কৰবৰ্তন বুলি এখন নগৰ আছে। তাত পঞ্চাশ হেজাৰ সাহিয়াল ঘোঁৰাৰণুৱা আৰু কাঁড়ী ৰণুৱা সাজু কৰি থোৱা আছে। সসৈন্যে বখতিয়াৰ কোঠৰ সীমা পাওঁতেই দূতৰ হতুৱাই সেই বাতৰি গোটেই দেশতে প্ৰচাৰ কৰা হল। গতিকে, কাইলৈ দোকমোকালিতে ৰজাৰ ৰণুৱাবিলাক পাবহি।"

"লক্ষ্মণৱতী ৰাজ্যত থাকোতে এই লেখকে আগেয়ে কৈ অহা দেশৰ কথা অনুসন্ধান কৰি ইয়াকে পালে যে ই এখন বৰ ডাঙৰ দেশ। নগৰৰ চাৰিবেৰ পকী—শিলেৰে বন্ধোৱা। তাত ব্ৰাহ্মণ আৰু "মুনিৰ" (যোগী?) বসতি। সেই দেশৰ এজন ৰজা আছে। প্ৰজাবিলাক জড়োপাসক। প্ৰতিদিনা ৰাতিপুৱা সেই নগৰৰ হাটত পোন্ধৰশ মান ঘোঁৰা বিক্ৰী হয়। লক্ষ্মণৱতীলৈ অনা এটাইবোৰ টাঙন ঘোঁৰা তাৰপৰাই অনা। ঘোঁৰাবোৰ মহম্মদ-ই-জৰাৰ দ্বাৰা গিৰিসঙ্কটেদি অনা হয়। সেই দেশৰ সকলোৱে এই বাট চিনি পায়। কামৰূপৰপৰা ত্ৰিহুতলৈকে এই বাটত ৩৫ টা গিৰিসঙ্কট আছে। সেইবোৰৰ মাজেদি লক্ষ্মণৱতীলৈ টাঙন ঘোঁৰা আনিব লাগে।"

সংক্ষেপতে কবলৈ গলে, মহম্মদ-ই-বখতিয়াৰে সেই দেশৰ গতিগোত্ৰ বঢ়িয়াকৈ বুজিব পাৰিলে। বখতিয়াৰৰ সৈন্যই বহুত দূৰ বাটকুৰি বাই ভাগৰ লগাত আৰু বহুত সেনাই ধৰ্মৰ নিমিত্তে প্ৰাণ এৰাত তেওঁ আমীৰবিলাকৰ লগত পৰামৰ্শ কৰি ইয়াকো স্থিৰ কৰিলে যে বৰ্তমানে উভতি গৈ তাৰ পিছ বছৰি বিৰাট আয়োজনেৰে সেই দেশলৈ যাত্ৰা কৰাটোৱেই প্ৰশস্ত। তেওঁবিলাক উলটি আহোঁতে তৃণ এডালিও বিচাৰি নেপালে। সেই দেশৰ মানুহেই জুই লগাই পুৰি, ঘাঁহনি বননি খাস্তাং কৰিলে আৰু সেই পৰ্বতৰ মানুহবোৰ আলিকানৰ পৰা উঠি গুচি গ'ল। এই পোন্ধৰ দিন ঘোঁৰাবোৰে ঘাঁহ এডালিকে

ৰা আন একো দানাপানীকে খাবলৈ পোৱা নাছিল। বখতিয়াৰৰ সৈন্যবিলাক (কামৰূপ) দেশ নোপোৱালৈকে ঘোঁৰা মাৰি তাৰ মঙহ খাই হে জীয়াই আছিল। শেহত সেই দলংখন পাই তাৰ দুটা খিলান অৰ্থাৎ মেচ ভগা দেখিলেহি। ইয়াৰ কাৰণ ভাবি ইয়াকে পোৱা গল যে তাত থৈ যোৱা ৰখীয়া দুজন দন্দ লাগি কৰবালৈ গুচি গল আৰু সেই চেলুতে কামৰূপৰ হিন্দুবোৰে দলংখন ভাঙি পেলালেহি।

সসৈন্যে মহম্মদ-ই-বখতিয়াৰ সেইখিনি পাই, নৈ পাৰ হবৰ একো উপা নেদেখি নাও বিচৰাত নাও এখনো বিচাৰি নেপালে। উপায় নেপাই তেওঁ বিমোৰত পৰিল। নাও-ভুৰ সাজি লৈ নৈ পাৰ হবলৈ উপায় চিন্তি এঠাইত তেওঁবিলাক ৰলগে। সেই ঠাইৰ নিচেই ওচৰতে দেৱমূৰ্ত্তি থকা ওখ, ডাঠ আৰু ধুনীয়া মন্দিৰ এটা দেখিলে। তাৰ ভিতৰত অসংখ্য সোণ-ৰূপৰ মূৰ্তি আছিল। তাৰে এটা ইমান ডাঙৰ যে সেই মূৰ্তিটো দুই কি তিনি হাজাৰ মোণ কেঁচা সোণেৰে তৈয়াৰী। মহম্মদ-ই-বখতিয়াৰে আৰু তেওঁৰ লগৰীয়াবিলাকে সেই মন্দিৰতে আশ্ৰয় লৈ নাওভুৰ সাজিবৰ নিমিত্তে কাঠ-বাঁহ বিচাৰিবলৈ ধৰিলে। তুৰুক সেনা নাজল-নাথল হোৱা শুনি কামৰূপৰ ৰজাই হিন্দুবোৰক মন্দিৰৰ চৌপাশে আক্ৰমণ কৰিবলৈ ঢোল পিটি শুনাই দিলে। দ'ল দলে আহি সিহঁতে চাৰিওফালে বাঁহৰ যাঠী পুতি মন্দিৰটো ঘেৰি পেলালে। তেওঁৰ সৈন্যবিলাকে বখতিয়াৰক জনালে ঃ—

"এইদৰে যদি আবদ্ধ হৈ থাকিবলগীয়া হয়, তেন্তে আমি এই কাফেৰবোৰৰ হাতত বন্দী হব লাগিব। গতিকে, আমি যাতে সাৰিব পাৰোঁ তাৰে এটা দিহা কৰিবলগীয়া হল। এই বুলি তেওঁবিলাক জাকেই সাউৎ কৰে মন্দিৰৰপৰা ওলাই আহিল আৰু সেই বাটত এজুম মানুহৰ হাত সাৰি মুকলি ঠাই পালেহি। হিন্দুবোৰে তেওঁবিলাকক পাচে পাচে খেদি আনিলে। নৈ পাৰ পাই বখতিয়াৰৰ সেনাবিলাক ৰলহি আৰু প্ৰত্যেকেই নিজ-বুদ্ধি অনুসৰি নৈ পাৰ হবলৈ চেষ্টা কৰিলে। হঠাৎ ঘোঁৰাবোৰ পানীত নমুৱাই দি চিপাহীবোৰ তীৰেপোৱামানলৈকে পানীত সাঁতুৰি গল। তেনেতে পাৰত থকা সেনাবিলাকৰ মাজত উসমিস লাগিল। ইটোৱে সিটোৱে কোৱাকুই কৰিবলৈ ধৰিলে বোলে সাৰিবৰ বাট ওলাইছে। এই বুলিয়েই এটাই-বোৰ এটি এটিকৈ পানীত জাপ মাৰি পৰি গ'ল। ইতিমধ্যে হিন্দু-

বোৰে নৈ পাৰ অধিকাৰ কৰিলেহি। নৈ মাজত দ-পানী পাই বখতি-য়াৰৰ সেনাবিলাক মৰি থাকিল। মহম্মদ-ই-বখতিয়াৰ জানিবা ছলেবলে কেইটামান ঘোঁৰাৰণুৱাই সৈতে জীয়াই থাকিল আৰু বাকী এটাইবোৰ ককবকাই ককবকাই পানীত তল গৈ মৰি থাকিল। মহম্মদ-ই-বখতিয়াৰ পানীৰপৰা উদ্ধাৰ পোৱাৰ বাতৰি কিছুমান কোঁচ আৰু মেজ মানুহৰ কাণত পৰিলগৈ। বাট দেখুৱাওঁতা আলি মেজৰ কেইজনমান জাতিবন্ধু সেইবাটতে আছিল। সেইবিলাকে মহম্মদ-ই-বখতিয়াৰক আগবঢ়াই আনিলেগৈ আৰু তেওঁ দেওকোট পোৱা-লৈকে বৰ সহায় কৰিলে।”

সৰ্গদেৱসকলৰ সুপৰিকল্পিত শাসন-ব্যৱস্থা

খৃঃ ১২২৮ চনৰ পৰা ১৮৩৯ চনলৈকে একেলেথাৰিয়ে অসমত ৰাজত্ব কৰোঁতা আহোম ৰজাসকলৰ শাসন-নীতি সম্পৰ্কে আজি আপোনাসকলৰ আগত কৰলৈ ওলাইছোঁ। আহোমসকল যদিও, পূৰ্বে-দক্ষিণ পূব এছিয়াৰ পৰাই অহা আৰু টাই জাতিৰে এটি শাখাৰ অন্তৰ্গত, তথাপি ব্ৰহ্মপুত্ৰ উপত্যকাকে সিসকলে নিজৰ ঘৰ বুলি গ্ৰহণ কৰিলে আৰু থলুৱা মানুহেৰে সৈতে একেবাৰেই নিজক জীণ নিয়ালে। পোনপ্ৰথম ৰাজ্য পাতোঁতে প্ৰতাপী চুকাফাই জয়ে জয়ে ঠাই বুজি সংঘৰ্ষ আৰু বৰগোৱা-বুজোৱা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰে। এই ব্যৱস্থাৰ দ্বাৰায়েই লাহে লাহে বাৰ জনমান ছেৰেলি-বেৰেলি হৈ থকা ৰজাৰ ওপৰত আহোমসকলে আধিপত্য বিস্তাৰ কৰে। সপ্তদশ শতিকাৰ শেষ দশকৰ ভিতৰত উপত্যকাটোৰ থল-পৰ্বতীত এইসকলৰ আধিপত্যই ইমান ভেজিবলৈ ধৰিলে যে দেশখনৰ নামটোৱেই সলনি হৈ গ'ল।

সৰ্বসাধাৰণ শাসন কাৰ্য্যৰ সুচলৰ অৰ্থে দেশখনক একোটা মহকুমা বা অঞ্চল স্বৰূপে কেবাটা ভাগতো ভগোৱা হৈছিল আৰু চিপাহী-চন্তৰি থকা চকীও পতা হৈছিল। গুৱাহাটী, মৰঙ্গী, শদিয়া আৰু শলাল (শলাল ফ্যাট) চহৰত একোজন একোজন ৰাজ প্ৰতিনিধি বিষয়াকৈ ৰখা হৈছিল। নিজৰ নিজৰ বাবৰ মানুহ ৰাখি তেওঁবিলাকেই সেই চকী বা চহৰকিখন শাসন কৰিছিল। মোগলক খেদোৱাৰ পিছত, নতুনকৈ অধিকাৰ কৰা দেশখনিহঁতক পালি-পাচি ৰাখিবলৈ বৰফুকনৰ ক্ষমতা বঢ়াই দিয়া হয় আৰু তেওঁৰ দোপদৰত থকা মানুহৰ সংখ্যাও সৰহ কৰা হয়।

আহোম ৰজাৰ দিনত চলা শাসন পদ্ধতিটোক ৰাজতান্ত্ৰিক আৰু সম্ভ্ৰান্ত-কুলীয়া শাসন বুলি কব পাৰি। অৱশ্যে ৰাজতন্ত্ৰৰ আহিৰে চলা ভালেমান শাসন পদ্ধতিতকৈ স্বৰ্গদেৱসকলে চলোৱা তন্ত্ৰ সম্পূৰ্ণ পৃথক। সেই গুণে, আহোম শাসনপদ্ধতিটো সীমাবদ্ধ ৰাজতন্ত্ৰ বুলি কোৱাটো উচিত হব। সকলো কাৰ্য্যৰে ৰজা স্বয়ং হৰ্তা-কৰ্তা আৰু ৰাজ্যৰ

সকলো বিভাগেই তেওঁৰ তলতীয়া আছিল। ৰজাই কাকো নোসোধাকৈ নিজেই সকলোকে বিষয়-বাব আৰু মৰ্য্যাদা উপযাচি দিব পাৰিছিল, কিন্তু সেইবিলাক দিয়াৰ আগতে বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই এই তিনিজনা ডাঙৰীয়াৰ পৰামৰ্শ লব লাগিছিল। এই তিনিও গৰাকী ৰাজমন্ত্ৰীৰ সম্মতি নোলোৱাকৈ ৰজাই কাৰো লগত যুদ্ধ বা সন্ধি কৰিব নোৱাৰিছিল। চ'ৰাৰ মেলত, ৰাজক্ষমতাৰ বলতে ৰজাই শেষ সিদ্ধান্ত দিব পাৰিছিল। "চুৰি-খুনি-ডকাইতি" আদি ডাঙৰ জগৰত, অপৰাধীজনক কেনেকৈ ফাঁচী-বৰশীত দিব লাগে বা প্ৰাণদণ্ড কৰিব লাগে ৰজাই হে কেৱল তাৰ দিহা বিহিব পাৰে। ৰজাৰ বাহিৰে আনে ৰূপৰ মোহৰ মাৰিব নোৱাৰে। তেওঁ ইন্দ্ৰ দেৱতাৰ বংশধৰ; সেই গুণে তেওঁক 'স্বৰ্গদেৱ' বোলা হয়। স্বৰ্গদেৱৰ অঙ্গও পৱিত্ৰ। সেই দেখি, গাত অঙ্গক্ষতৰ কিবা চিন থাকিলে, আনকি, ফোঁহা এটাৰ দাগ থাকিলেও ৰজা হোৱাৰ যোগ্যতা নাইকিয়া হয়। কেউজন ৰাজমন্ত্ৰীয়ে একে কথা হৈ ৰজা পতা আহোম-শাসন পদ্ধতিৰ মূল ব্যৱস্থা। স্বৰ্গী ৰজা জনাৰ পুত্ৰ নাথাকিলে নাইবা তেওঁৰ ফালৰ কোনো বংশধৰ নেথাকিলে স্বৰ্গদেৱৰ বঙ্গহৰ আন কোনোবা এজনক ৰজা পাতিব পাৰে।

ৰজাৰ পিছতেই, বৰগোহাঁই, বুঢ়াগোহাঞি আৰু বৰপাত্ৰ গোহাঞি। এই তিনিজনাই ডাঙৰীয়া, ইসকল বংশানুক্ৰমে ৰাজমন্ত্ৰী হৈ থাকিব পাৰিছিল। ৰজা পতা-ভঙ্গা, ইসকলেই হে কৰিব পাৰিছিল বুলি পূৰ্বৰেপৰা কোৱা কথা এটা চলি আহিছে। ৰাজমন্ত্ৰী বিষয়খন ব্যৱস্থানুক্ৰমে হলেও, ৰজাই ইচ্ছা অনুসৰি সিবিলাকৰ পৰা সেই বিষয় কাঢ়ি লব পাৰিছিল। ডেভিদ স্কটৰ মতে কেউজনা মন্ত্ৰীয়ে আপোনাৰ নিমিত্তে সৰ্বমুঠ ১০,০০০ পাইক পাইছিল।

মৰ্য্যাদা অনুসৰি মন্ত্ৰী তিনিজনাৰ পাছতে বৰবৰুৱা। এওঁৱেই ৰাজ্যৰ মুখ্য কৰ্মচাৰী বা সচিব। এইখন বিষয় বংশানুক্ৰমিক নহয়। এই কেইঘৰ সাতঘৰীয়া আহোমৰ যেই সেই এঘৰৰে এজনক বৰবৰুৱা পতা হৈছিল—লাহন, দুৱৰা, দিহিঙ্গীয়া, সন্দিকৈ, লুখুৰাখণ, পাতৰ আৰু চেতীয়া। দুজন বৰুৱা ফুকন আৰু বাৰজন ৰাজখোৱাৰ পৰা বৰবৰুৱাই দিহা-পৰামৰ্শ লাভ কৰিছিল। এইসকল ফুকনতকৈ তলৰ খাপৰ ফুকনো বহুত আছিল। বৰবৰুৱাৰ লগত সিসকলে

কিন্তু বহিবলৈ আসন পোৱা নাছিল। সিসকলক গায়ে গায়ে আত্মীয়াকৈ কাম ভগাই ভগাই দিয়া হৈছিল। ফুকনৰ তলৰ মৰ্য্যদাৰ বিষয় বৰুৱাসকলৰ দ্বাৰাই পূৰ্ণ কৰা হৈছিল। এইবিলাকেই প্ৰধান প্ৰধান বৰুৱা বিষয় আছিল—ভৰালীৰ, দোলাকাষৰীয়াৰ, চাওডাঙৰ, ঢেকিয়ালৰ, কাড়ীৰ, চাৰিঙীয়াৰ, হিলৈদাৰীৰ, খনিকৰৰ, পাগবন্ধাৰ, ভিতৰুৱালৰ, বেজৰ, চাংমাইৰ, হাড়ীৰ ধাপ মৰাৰ, ঘোঁৰাৰ, নামঘৰীয়াৰ, খাৰঘৰীয়াৰ আৰু সত্ৰীয়াৰ। বৰুৱাৰ পালী আছিল আৰু প্ৰত্যেককে নিৰ্দিষ্ট কাম কৰাবলৈ পাইক মানুহ দিয়া হৈছিল। বৰা, শইকীয়া, হাজৰিকিয়াৰ তলে হেজাৰৰ পৰা পাঁচ হেজাৰলৈকে কাম কৰা মানুহ বা পাইক আছিল। ১৬ বছৰ হলেই একোটা মানুহ একোটা পাইক হয়। পোনতে 8 টা মানুহে এগোট, পাছলৈ তিনিটাই এগোট বুলি ধৰা হ'ল। বৰাৰ ২০ গোট, শইকীয়াৰ হাতত ১০০ গোট আৰু হাজৰিকাৰ অধীনত ১৮০০ গোট পাইক থাকে। থল বুজি, এই আটাইখিনি মানুহৰ ওপৰতে ফুকন বা বিষয়া একোজনৰ এক্তিয়াৰ থাকে। ৰাজমন্ত্ৰীসকলৰ ল'ৰা, ব্ৰাহ্মণ, কায়স্থ আৰু অন্যান্য কিছুমান বিশেষ বিশেষ মানুহক জাত বা মৰ্য্যদা চাই গা-খটোৱা কামত লগোৱা নহয়।

অকল মাটিয়েই নহয়, প্ৰজাও ৰজাৰে সম্পত্তি। সঁচাসঁচিকৈ কবলৈ হলে, প্ৰজা মাত্ৰেই আছিল ৰাজ্যৰ ধৰণী আৰু প্ৰত্যেক জনকে একোটা পৰ্বতৰ লগত তুলনা কৰা হৈছিল। পাইকে গাইপতি দুপুৰালৈ ৰূপিত আৰু ঘৰৰ মানুহ অনুপাতে বাৰী আৰু বাৰী-মাটি পাইছিল। সেই মাটিৰ বাবে সলনাসলনিকৈ ৰজাঘৰত কাম কৰি দিব লাগিছিল। ৰাজ্যখনৰ পাইকে কামৰূপত হ'লে, খৰিকাধন; নগাঁও, লক্ষীমপুৰ, শিৱসাগৰত হ'লে কাম কৰিব পৰা মানুহটোৱে পতি এটকাকৈ গা-ধন, দৰঙত সৰুবৰ সকলোৱে চকটোৱে পতি লগোৱা এটকাকৈ চকধন দিব লাগিছিল। শদিয়াত শদিয়া-খোৱা গোহাঞে, মৰঙীত মৰঙীখোৱা গোহাঞে আৰু শলালত শলাল গোহাঞে ভেঁটুৱা বস্তুকে ৰাজহ স্বৰূপ গ্ৰহণ কৰিছিল আৰু কেতিয়াবা কেতিয়াবা হজুৱা বনত মাৰিও দিয়া হৈছিল। ৰোমান দুৰ্গৰ নিচিনা অসংখ্য গড়, মুৰফুৰণি লগোৱা ওখ দল আৰু বিয়াগোম সাগৰ যেন পুখুৰী আৰু পকী দলং—এইবিলাক পাইকৰ হাড়ক মাটি তেজক পানী কৰা

পাৰ খলেৰেই কৰোৱা হৈছিল। যি বিষয়াৰ যি পাইক, সেই পাইকে সেই বিষয়াক বৰ মান কৰিছিল—যেন গৰাকীৰ আদেশ পালন কৰাটোৱেই পাইকৰ বীজমন্ত্ৰ। ইহাতে গৰাকীৰ মানত পাইকটিহঁতো পৰিয়ালৰ এটি যেন আছিল। গৰাকী আৰু পাইক দুয়োৰে পূৰা বিশ্বাস আছিল যে এই দেশখন কেতিয়াও কাৰোপৰা যুদ্ধ কৰি লোৱা নহয়, নাইবা কোনো বিদেশীৰ বিভূতিও নহয়, গতিকেই দেশখন সিবিলাকে নিজে গঢ়ি লোৱা দেশ। আহোম শক্তি সৰ্বেসৰ্বা ক্ষমতাৰ কলচীত বহি থকাৰ কালত ৬০ (ষাঠী) লাখ পাইকে জন্মভূমি অসমৰ নিমিত্তে দেহা-মন উছগী দিছিল।

প্ৰত্যেকজন বিষয়াই তেওঁৰ অধীনত থকা মানুহখিনিৰ প্ৰতি ন্যায় বিচাৰ কৰিছিল। কটা-মৰা আদি ফৌজদাৰী বিচাৰৰ লিখিত কাকত-পত্ৰ কৰা নহৈছিল ; কিন্তু, দেনা-পাওনা আদি দেৱানী বিচাৰৰ মুখজবানী কাকত কৰা হৈছিল। বিচাৰৰ সিদ্ধান্ত হলে, সেই সিদ্ধান্তকে এখন পত্ৰ কৰি জিকাৰুজনক দিয়া হয়। ৰায় দিয়া কাকতৰ নাম আছিল সিদ্ধান্ত পত্ৰ। বিচাৰত সদায় বৰবৰুৱাকে মুখ্য মেলুৱৈ পাতি লোৱা হৈছিল। তেৱেঁই সভাপতি স্বৰূপ। কাকতী, কটকী দৈৱজ্ঞ-পণ্ডিত—এইসকলৰ পৰামৰ্শই বৰবৰুৱাক বিচাৰ কৰাত সততে সহায় কৰিছিল।

দেৱতাৰ পূজা সেৱা চলাবলৈ আৰু ধৰ্মসম্পৰ্কীয় অনুষ্ঠানবিলাকৰ ভৰণ পোষণৰ অৰ্থে প্ৰত্যেকজন ৰজাই মাটি বৃত্তি দান দিয়াটো প্ৰচলিত ৰীতিয়েই আছিল। কিছুমান দেৱালয়ত মুছলমান পাইকেও খাটিব লাগিছিল। আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী—এই চাৰিখন সত্ৰৰ বাহিৰে আটাইবিলাক ধৰ্মানুষ্ঠান ৰজাঘৰীয়া বিষয়াৰ তলত আছিল। সেই বিষয়াজনক সেৱা চলোৱা বৰুৱা বোলা হৈছিল। তেৱেঁই সকলোৰে তত্ত্বাৱধান লৈছিল। তেওঁৰ ঠাইত নতুন মানুহ লব লগা হ'লে, ৰজাই হে লব পাৰিছিল।

ৰণুৱা-বনুৱা অৰ্থাৎ সামৰিক আৰু নাগৰিক কাৰ্য্য সম্পাদন কৰিবলৈ দুঠাইত দুটা চ'ৰা আছিল—এটা গড়গাঁৱত আৰু ইটো গুৱাহাটীত। প্ৰকৃততে বৰবৰুৱায়ে ৰাজ্যৰ সকলো কাম সম্পাদন কৰিছিল যে এই কথা আগতে কৈ আহিছোঁ। দৰাচলতে তাত তেৱেঁই ৰণুৱা ফুকনবিলাকৰ অধিপতি আছিল। তেওঁৰ ওপৰতে বৰ সেনা-

পতি আৰু আদালত ফুকনৰ ভাৰ ন্যস্ত আছিল। ফুকন জনে পতি ১৮০০ কৈ মানুহ দিয়া হৈছিল।

গুৱাহাটী চ'ৰাত এইসকল ফুকনেই ৰণুৱা ফুকন আছিল---

(১) ন্যায়সোধা ফুকন, (২) দিহিঙীয়া ফুকন, (৩) নেওগ ফুকন, (৪) নাওবৈছা ফুকন, (৫) ডেকাফুকন, (৬) ভিতৰুৱাল ফুকন, (৭) ন-ফুকন।

বৰবৰুৱাৰ অধীনে ৰাজখোৱাই নিজৰ তাবিলত ৩০০০ মানুহ চলাবলৈ পাইছিল।

এনে ধৰাবন্ধা নিকপকপীয়া শাসন ব্যৱস্থাই আছিল আহোম ৰজাসকলৰ। কোনোবাই যদি এই ব্যৱস্থা কেনেবাকৈ উলংঘা কৰিছিল, তেন্তে তেওঁৰ মৃত্যুদণ্ড হৈছিল। বৃটিছ অহাৰ আগতে অসমত এনে ধৰণৰ সু-পৰিকল্পিত শাসন পদ্ধতিয়েই চলি আছিল। তাকে থোৰতে কোৱা হল।*

'ৰামধেনু' ৭ম বছৰ ৯ম সংখ্যা, পুহ, ১৮৭৬ শক

* গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত ইংৰাজী কথিকাৰ অনুবাদ

যুৱৰাজ টিকেন্দ্ৰজিৎ সিংহ সেনাপতি

১৮৯১ চনৰ ১৩ আগষ্ট তাৰিখটো মণিপুৰ-স্বাধীনতাত যৱনিকা পৰাৰ দিন। সেই দিনাই মণিপুৰীয়া বীৰ, সেনাপতি টিকেন্দ্ৰজিৎ সিংহৰ ফাঁচি-কাঠত জীৱন-লীলা অৱসান হয়। জন্মৰ লগে লগে মৰণ আছেই, তাত বেজাৰ কৰিবলগীয়া একো নাই; কিন্তু টিকেন্দ্ৰজিতৰ নিচিনা ৰাইজৰ প্ৰিয়পাত্ৰ, বিশ্বস্ত বন্ধু, দৃঢ়প্ৰতিজ্ঞ আৰু উদাৰ হৃদয়ৰ বীৰপুৰুষ এজন যে স্বাৰ্থজড়িত নিৰ্মম আইনৰ শালত অকালতে প্ৰাণ বিসৰ্জন দিব লগীয়া হ'ল, তাতে হে অন্তৰত শোকে-বেজাৰে খুন্দা মাৰি ধৰেহি। সঁচাসঁচিকৈয়ে টিকেন্দ্ৰজিৎ সেনাপতি আছিল মণিপুৰৰ "ঢেঁকীয়া-পতীয়া বাঘ।" তেওঁৰ সমান পাকৈত অশ্বাৰোহী, বুদ্ধিমান ৰাজনীতিজ্ঞ, যোদ্ধা আৰু সেই সময়ত আন এজন কোনো নাছিল। কি পল' খেলাত, কি বাটেপথে ভ্ৰমণ কৰাত তেওঁ সদায় তেজী ঘোঁৰা এটাত উঠি ফুৰিছিল। নিৰোগী, নিপোটল, সুন্দৰ সুঠাম দেহৰ অধিকাৰী হোৱা মানুহজন যে কেতিয়াবা নৰঘাতকী হব পাৰে, এনে কথা ভাবিবই নোৱাৰি। তেওঁৰ শিষ্টাচাৰ আৰু বিনয়ী ব্যৱহাৰত মণিপুৰত থকা উচ্চ বৃটিছ বিষয়াসকলো মোহিত নহৈ নোৱাৰিছিল। স্বয়ং পলিটিকেল এজেণ্ট গ্ৰীমউড্ হেনো তেওঁৰ নলে-গলে লগা বন্ধুৱেই আছিল। তথাপি বিধিৰ কি নিৰ্বন্ধ কব নোৱাৰি, ইমানতো যে সেই গ্ৰীমউডৰ জাতিভায়েই তেওঁৰ মৃত্যুৰ কাৰণ হ'ল।

অসমীয়া মণিপুৰীয়াৰ সম্বন্ধ এদিনীয়া নহয়—সাতামপুৰুষীয়া। অসমীয়াৰ মঙহে মণিপুৰীয়াৰ মঙহে, অসমীয়াৰ তেজে মণিপুৰীয়াৰ তেজে, অসমীয়াৰ ছালে-মণিপুৰীয়াৰ ছালে পৌৰাণিক যুগৰপৰাই এনে ভাৱে সানপোটক খাই আছে যে প্ৰশাসনীয় সুচলাৰ্থে পৃথকাই থলেও, ধৰ্মতঃ ঐতিহ্য, ধৰ্মবিশ্বাস আৰু ভৌগোলিক অৱস্থানত কোনেও কাকো স্পৰ্শ নকৰাকৈ ভেই যাব নোৱাৰে। সেই হে সেনাপতি টিকেন্দ্ৰজিতৰ মৃত্যু পৰ্বৰ দিনা অসমীয়া ডেকামাত্ৰেই এটুপী চকুপানী নোটোকাকৈ থাকিব নোৱাৰে।

টিকেন্দ্ৰজিতৰ মৃত্যু হোৱাৰ কাৰণটো হঠাতে হোৱা উত্তেজনাৰপৰা উদ্ভৱ হোৱা নহয়। ১৮২৩ চনতে, বৃটিছ-সংশ্ৰৱৰ লগতেই ইয়াৰ পোন প্ৰথম সূত্ৰপাত হয়। তেতিয়াই মণিপুৰীয়া ৰাজপৰিয়ালৰ ভিতৰতে কন্দলৰ সৃষ্টি হবলৈ ধৰে। সেই যে কন্দল আৰম্ভ হ'ল, তাৰপৰাই ক্ৰমাৎ অৱস্থা ভেদে ঘটনাৰ ৰূপ সলনি হৈ আহিল আৰু বৃটিছে ছেগ চাই কামোৰ মাৰিবপৰা অৱস্থা পালেহি। তাৰে শেষ পৰিণতি হ'লগৈ মণিপুৰীয়া স্বতন্ত্ৰতাৰ সম্পূৰ্ণ বিনাশ।

১৮৩৪ চনত, মণিপুৰৰ ৰজা গম্ভীৰ সিংহ স্বৰ্গী হ'লত, কেঁচুৱা পুতেক চন্দ্ৰকীৰ্তি সিংহক পিতৃ-সিংহাসনত অধিষ্ঠিত কৰা হয়। তাৰ পিছত, ৰাজ-সিংহাসনৰ বাবে কোঁৱৰসকলৰ ভিতৰত অৰিয়াঅৰি লাগে আৰু চন্দ্ৰকীৰ্তিয়ে ৰাজপাট পৰিত্যাগ কৰিবলৈ বাধ্য হয়। এই চলতে, সেনাঁপতি শূৰসিংহই সিংহাসন অধিকাৰ কৰি স্বয়ং ৰজা বুলি ঘোষণা কৰে আৰু তেওঁকেই মণিপুৰীয়া ৰজা বুলি বৃটিছ গৱৰ্ণমেণ্টে স্বীকাৰ কৰে। শূৰসিংহৰ স্বৰ্গাৰোহণৰ পিছত, ভায়েক দেবেন্দ্ৰ সিংহ উত্তৰাধিকাৰী হয় আৰু তেওঁকে বৃটিছে ৰজা বুলি মানি লয়। ইতিমধ্যে পলিটিকেল এজেণ্ট কাপ্টান মেকোলৰ (Caption Macculloch) টুটকীয়া কথামতে দেবেন্দ্ৰ সিংহ অধিপতি হৈ থাকোঁতেই বৃটিছ গৱৰ্ণমেণ্টে চন্দ্ৰকীৰ্তিকো মণিপুৰৰ অধিপতি পাতে। এইখিনিতেই বৃটিছ কূটনীতিৰ গোপন অভিপ্ৰায় সদৰী হৈ পৰিল।

চন্দ্ৰকীৰ্তিয়ে ৯ জন পুত্ৰ থৈ সংসাৰ পৰিত্যাগ কৰে। তেওঁৰ দুগৰাকী কুঁৱৰী আছিল। বৰ গৰাকীৰ ফালৰ শৰচন্দ্ৰ, পকাচানা, ফলযাওচানা, গোপালচানা আৰু এজন। সৰু গৰাকীৰ ফালৰ কুলচন্দ্ৰ, টিকেন্দ্ৰজিৎ, অঙ্গসেন বা কুবলচন্দ্ৰ আৰু জিল্লাঙ্গাবা। পিতৃ অবিহনে ১৮৮৬ চনত শূৰচন্দ্ৰই পিতৃ সিংহাসন লাভ কৰিলে ৰজা হৈ শূৰচন্দ্ৰই মাহীয়েকৰ পুতেক কুলচন্দ্ৰক মন্ত্ৰী আৰু টিকেন্দ্ৰজিতক সেনাপতি পাতি ললে। এইদৰে কেউজনে মিলিজুলি ৩ বছৰ ৰাজ্য-শাসন কৰাৰ পিছত, ৰজাঘৰত লাগিল কোঁহকাল। চন্দ্ৰকীৰ্তিৰ পুতেক কিজনৰ ভিতৰত যুৱৰাজ কুলচন্দ্ৰধ্বজ সিংহ আৰু সেনাপতি টিকেন্দ্ৰজিতেই আছিল ডাঙৰ। কাৰ উচটনিত পৰি কব নোৱাৰি, টিকেন্দ্ৰজিতে শূৰচন্দ্ৰধ্বজক ৰজা ভাঙি কুলচন্দ্ৰক ৰজা পাতিবলৈ ওলাল। টিকেন্দ্ৰৰ ষড়যন্ত্ৰত সমূহ প্ৰজা-পৰিষদৰ সমৰ্থন থকা বুলি

জানি, বৃন্দাবনলৈ যাওঁ বুলি শূৰচন্দ্ৰ কলিকতাত থকা বৰলাটৰ ওচৰ পালেগৈ। ইপিনে, দেশস্থ নিয়ম অনুসৰি সেনাপতি টিকেন্দ্ৰজিৎ, ৰাজমন্ত্ৰী ঠঙাল জেনাৰেল আৰু পৰিষদবৰ্গৰ উদ্যোগত শূৰচন্দ্ৰই এৰি থৈ যোৱা শূন্য সিংহাসনত কুলচন্দ্ৰধ্বজ সিংহ মহাৰাজৰূপে অধিষ্ঠিত হ'ল। অসমৰ চীফ্ কমিশ্যনাৰে সেই বাছনি আৰু অভিষেক সমৰ্থন কৰি, কুলচন্দ্ৰধ্বজক মণিপুৰৰ মহাৰজা বুলি চৰ্কাৰীভাৱে ঘোষণাও কৰিলে।

সিফালে, শূৰচন্দ্ৰই কলিকতালৈ গৈ গৱৰ্ণৰ জেনেৰলত (বৰলাট) জনালেগৈ বোলে, মোক ৰজা ভাঙিলে, কবই নোৱাৰোঁ। মই বৃন্দাবনলৈ আহোঁতেই চীফ্ কমিশ্যনাৰে মোক সিংহাসনচ্যুত কৰিলে। এতিয়া টিকেন্দ্ৰজিৎসিংহ সেনাপতি আৰু ঠঙাল জেনেৰেল মন্ত্ৰী, এই দুয়োজনে গোট খাই কুলচন্দ্ৰক ৰজা লৈ মণিপুৰৰ গাঁৱে-ভূঞে চৰ্কাৰৰ বিৰুদ্ধে থিয় দিবল সাজু হৈছে।

শূৰচন্দ্ৰৰ কথা শুনি, গৱৰ্ণৰ জেনেৰেল লৰ্ড লেণ্ডচডাউনে দুখ পতিয়াই সান্ত্বনা দিলে বোলে, "কুলচন্দ্ৰক ৰজা বুলি এবাৰ মানিলোঁ যেতিয়া তেওঁক আৰু গুচাব নোৱাৰোঁ। তথাপি, আপোনাৰ বিদ্ৰোহী টিকেন্দ্ৰজিৎ সিংহ সেনাপতিক আমি বাৰু মণিপুৰৰপৰা দেশান্তৰী কৰিম। আশ্বস্ত হওক, টিকেন্দ্ৰজিতৰ আৰু মণিপুৰত চাউল নাই।"

সেই প্ৰতিশ্ৰুতি মতেই লড লেণ্ডচডাউনে অসমৰ চীফ কমিশ্যনাৰ জে, বি, কুইন্টনলৈ আদেশ পঠিয়ালে টিকেন্দ্ৰজিতক বন্দী কৰিবলৈ। বৰলাটৰ আদেশ অনুসৰি ১৮৯১ চনৰ ৭ মাৰ্চ তাৰিখে গোলাঘাট এৰি কুইন্টন চাহাবে মণিপুৰৰ ৰাজধানী ইম্ফলৰ ফালে যাত্ৰা কৰিলে। এওঁৰ লগৰীয়া আছিল কৰ্ণেল স্কীন, মেজৰ টি বইল, কেপ্টেইন বুচ্চাৰ, ছেটাৰ্টন, ব্ৰেকেনবৰী, চিম্প্চন, কছিন্চা, কেপ্টেইন উড্ আৰু ৪০০ গুৰ্খা চিপাহী। ডাক্তৰ আছিল কৰ্ণেল শিৱৰাম বৰা আৰু আলি-পদূলি-ঘৰ-দুৱাৰ আদি তত্ত্বাৱধান কৰাৰ ভাৰ আছিল প্ৰথম অসমীয়া এক্‌জিকিউটিভ ইঞ্জিনিয়াৰ বলিনাৰায়ণ বৰাৰ গাত।

২২ মাৰ্চ্চৰ দিনা সঁজাতী সমাৰোহেৰে আৰু সসৈন্যে চীফ্ কমিশ্যনাৰ ইম্ফল পালেগৈ। ইম্ফল পোৱাৰ আগেয়েই, মৈয়াংথাং গাঁৱত মেলভিল্ চাহাবক মৰাৰ বাতৰি আহিল আৰু মণিপুৰৰপৰা কাৰ্চাজী কৰি কোনোবা কাকতীয়াৰ এজনে কমিশ্যনাৰলৈ এই বুলি টেলিগ্ৰাম

এখন দিলে—"মণিপুৰত টেঁকীয়াপতীয়া বাঘ এটা ওলাইছে।" এই দৰে বিজুলী বাতৰি দিয়াৰ অৰ্থ আছিল লাট চাহাব যেন বৰ সতৰ্ক ভাবে মণিপুৰ সোমায়হি ; বৰ বাঘটোৱেই যেন মেলভিলৰ হত্যা-কাৰী। কুইন্টন গৈ বৃটিছ প্ৰতিনিধিৰ বাসভৱনত (ৰেছিডেন্সি) অৱস্থান কৰিলে আৰু তাৰপৰাই মণিপুৰাধিপতিলৈ এই বুলি জনাই পঠালে—মহাৰাজক তেওঁ লগ পাব খোজে। পানীৰ চিন ভেঁটতে বুলি বুজি, কুলচন্দ্ৰধ্বজ সিংহ ৰাজটোলৰপৰা বৃটিছ-দৰ্বাৰলৈ ওলায়েই নাহিল। কুইন্টনে আকৌ চৌখাম কৰি জনালে, "কুলধ্বজক ৰজা ভাঙিবলৈ আমি অহা নাই। মহাৰাজাই সন্দেহ কৰিব নেলাগে। তেখেতে সেনাপতি টিকেন্দ্ৰজিতক ধৰাই দিয়াব লাগে—সেইটো হে আমাৰ অনুৰোধ।" এইৰূপে তিনি বাৰ জনায়ো ৰজাৰ মন পালতাব নোৱাৰিলে বৰং ৰাজোচিত ভাৱে দৃঢ়প্ৰতিজ্ঞাৰ সমিধান হে আহিল— "মই কেতিয়াও টিকেন্দ্ৰজিতক বন্দী কৰিব নোৱাৰোঁ।"

এই সমিধান পাই, মণিপুৰৰ ভাগ্যনিয়ন্তাসকলে ধৰি ললে যে কুলচন্দ্ৰধ্বজ-টিকেন্দ্ৰজিৎ দুয়ো একেনলীয়ে পানী খোৱা। গতিকে 'টেঁকীয়াপতীয়া বাঘ' টিকেন্দ্ৰজিতৰ লগতে কুলচন্দ্ৰৰো দণ্ডবিধান নহলে বৃটিছ মৰ্য্যাদা অটুট থাকিব নোৱাৰে। "পৰাধীন দেশত বৰ মুৰীয়া ওখ গছ থাকিব নোৱাৰে"—এই নীতিকে অনুসৰণ কৰি বলেৰে ৰাজটোলত সোমাই টিকেন্দ্ৰজিতক বন্দী কৰিবলৈ স্থিৰ কৰা হ'ল।

মহাৰাজৰ টোলটো আছিল আহলে-বহলে ৪০০ বৰ্গহাতমান। তাৰ বাহিৰৰ চাৰিওপিনে কঁকলুৱা দ যমুনা। ৰাজবাৰীৰ চৌপাশে প্ৰকাণ্ড মাটিৰ গড়। গড়ৰ ভিতৰলৈ ওলোৱা-সোমোৱা বাট উত্তৰে-দক্ষিণে মুঠেই দুটা।

এই উত্তৰ দুৱাৰেদি চিপাহী দুটামানেসৈতে ব্ৰেকনবৰী কাৱেণ্ডলৈ সোমাই গ'ল—টিকেন্দ্ৰজিতক ধৰি আনো বুলি। কিন্তু, ভিতৰ সোমোৱা মাত্ৰকে তেওঁক কোনোবাই গুলিয়াই আধামৰা কৰিলে। দক্ষিণ দুৱাৰে ছেটাৰ্টন সোমাইছিল ; তেৱেঁা বৰ নোৱাৰি প্ৰাণৰ ভয়ত পাছ হুঁহকি আহিল। ৰাজটোলৰ ভিতৰত ধৰ-মাৰ, কটাকাটি হৈ হুলস্থূল লগাত ভয়তে মেজৰ ৰইল, বুচাৰ, কেপ্টেইন উড়চ্, চুবাদাৰ মেজৰ, গ্ৰীমউডৰ মেম আৰু গৰ্ডন পলাই শিলচৰ পালেগৈ।' টোলৰ ভিতৰত এক প্ৰকাৰ ৩৬ ঘণ্টা জুৰি এখন খণ্ড যুদ্ধই হ'ল।

এই যুদ্ধতে ব্ৰেকেনবৰীৰ নায়ক বুচ্চাৰেসেতে টিকেন্দ্ৰজিতৰ প্ৰথম সংঘৰ্ষ হয়।

হিলৈ-খাৰ পৰালি পৰাত, ব্ৰিটিছৰ ফালৰপৰা যুদ্ধবিৰতিৰ প্ৰস্তাৱ আগ বঢ়োৱা হ'ল। সেই প্ৰস্তাৱ পঠিৱাৰ লগে লগেই এইটো সংবাদো মহাৰজালৈ দিয়া হ'ল যে তাৰ পিছদিনা গধূলিলৈ চীফ্ কমিশ্যনাৰ কুইন্টনে নিজেই মহাৰাজক সাক্ষাৎ কৰিবগৈ।

পাছদিনা সন্ধিয়া লগাতেই কুইন্টন ওলাল ৰজা ঘৰলৈ, এই-সকলক সমভিব্যাহাৰে লগত লৈ—কৰ্ণেল স্কীন, গ্ৰীমউড্, এচিষ্টেণ্ট চেক্ৰেটৰী কচ্চিনচ্ আৰু লেফটেনেণ্ট চিম্প্চন। সিবিলাক সকলোটি সিংহ দুৱাৰ মুখ পাওঁতেই গ্ৰীমউড সেই পিনে চলি গ'ল। শুনা যায়, কাজাউ নামে মণিপুৰী চিপাহী এটিয়ে সেই পাট যাঠী মাৰিছিল। চিপাহীটিক ধৰিবলৈ যাওঁতে চিম্প্চনৰ গাতো দাৰ ঘাপ পৰিল। নিশা ১০॥ বজাত কেউফালৰপৰা মণিপুৰীয়া চিপাহীবিলাকে 'চীফ্ কমিশ্যনাৰক নেৰিবিহ'ক" বুলি হুই মাৰিবলৈ ধৰিলে। সিফালে ব্ৰিটিছ-প্ৰতিনিধিৰ বাসভৱনটোতো জুই লাগিল।

ভৱনটো আছিল দৰবাৰ প্ৰাঙ্গনৰ উত্তৰে। ইয়াতে পাখাংবাৰ কাৰেং আৰু গোবিন্দজীৰ মন্দিৰ; তাৰ ওচৰতে চিপাহীহাটী। এই পাখাংবা কাৰেঙতে ৰাজসিংহাসন প্ৰতিষ্ঠিত। পৈতৃক ৰাজপাট বুলি প্ৰত্যেক মণিপুৰীয়া নৃপতিয়ে ৰজা অভিষেকৰ সময়ত এই পাটত আৰোহণ কৰে। সিংহাসনৰ সন্মুখতে সিংহদুৱাৰ, তাতে যুগল মগৰ মূৰ্তি বিদ্যমান।

গ্ৰীমউড্ ধৰাশায়ী হ'লত, ঠঙাল জেনাৰেলৰ আদেশ ক্ৰমে ই চাৰি জনক সিংহদুৱাৰৰ মুখতে বলি দিয়া হ'ল। চীফ্ কমিশ্যনাৰ কুইন্টনক চিৎ খুৱাই পেলাই লৈ, মণিপুৰী অস্ত্ৰ "টেন্দাংঠাং" দাৰে কচুকটা দিলে আৰু তেওঁৰ শটো নেফানেফ কৰি, কুকুৰ-শগুণে খাওক বুলি গড়ৰ বাজলৈ ছটিয়াই পেলালে। বাজত, যিবিলাক ইংৰাজ কৰ্মচাৰী বা সামৰিক বিষয়া আছিল সেইবিলাকক বান্ধি থবলৈ, ঠঙালে তুৰন্তে লোহৰ শিকলি গঢ়োৱালে। এই হত্যাকাণ্ডত টিকেন্দ্ৰজিৎ পৰোক্ষে বা অপৰোক্ষে সংশ্লিষ্ট আছিল বুলি কোনো নথি-পত্ৰত পোৱা নেযায়।

সি যিহওক, হত্যাকাণ্ডটো যে মণিপুৰীয়া মুক্তি সংগ্ৰামৰেই এটা

প্ৰাণপণ চেষ্টা তাক কাৰ্য্যৰ ভাও বুজিয়েই কব পাৰি। ইয়াৰে কণ-কঠিয়া মাৰিবলৈ বৃটিছ ফৌজৰ কৰ্তৃপক্ষই ইম্ফলৰ বিৰুদ্ধে সৈন্যবাহিনী চলাই নিলে। বাহিনীটোত আছিল ইংৰাজ অফিচাৰ ১৩, দেশীয় অফিচাৰ ২৩, বিকুলদাৰ ২০, হিলৈদাৰী ১২০০—মুঠ ৰণুৱা ১২৫৬। সেই অনুপাতে মণিপুৰী সৈন্য নিচেই তাকৰ বুলিব লাগে। মণিপুৰ সোমায়েই বাহিনীটোৱে মেলভিল চাহাবক য'ত মৰা হৈছিল সেই মৈয়াংথাং গাঁওখন জুই লগাই খাস্তাং কৰিলে। তাৰ পিছত মণি-পুৰাধিপতিক শুনোৱা হ'ল বোলে, মণিপুৰত কোনোবা ইংৰাজ কৰ্ম-চাৰী মাৰিব লাগিলে মহাৰজাৰেই সম্পূৰ্ণ জগৰ হব।

২৬ এপ্ৰিলৰ দিনা কহিমা, শিলচৰ আৰু টামু—এই তিনিও ফালৰপৰা বৃটিছ সৈন্যই মণিপুৰখন বেৰি ধৰি থলপাত কৰিলে আৰু টিকেন্দ্ৰজিতক ধৰিবলৈ ফান্দ্ পাতি পাতি পহুখেদা দিলে। পালেল্ আৰু ঠবালত মণিপুৰীয়াই বহুত চিপাহী কাটিলে; তথাপি বৃটিছৰ হেঁচা হোঁহোঁকাব পৰা নহল।

৭ মে তাৰিখৰপৰা বিজুলী ছাটিৰ দৰে ইজনৰ পাছত সিজনকৈ মণিপুৰী বীৰসকলক বৃটিছৰ পিঞ্জৰাত আৱদ্ধ কৰি থোৱা হ'ল। পোনেই বন্দী কৰা হ'ল বৃদ্ধ ব্ৰাহ্মণ ৰাজমন্ত্ৰী ঠঙাল জেনাৰেলক। মন্ত্ৰীৰ পাছতেই ৰুদ্ধ হ'ল মহাৰজা কুলচন্দ্ৰধ্বজ সিংহ। সেই দিনা আছিল ৮ মে। ৯ মেত, মণিপুৰী সৈন্যবাহিনীৰ মেজৰ আয়াপেৰেলক আটক কৰা হ'ল। তেতিয়ালৈকে টিকেন্দ্ৰজিতৰ একো উৱাদিহ ওলোৱা নাছিল। কোনো-কোনোৰ মতে তেওঁ হেনো পৰ্বতে-পাষণ্ডে লুকাই থাকি তাৰপৰাই মনে-মনে আহি ৰাজটোলত একোটা-একোটা ভুমুকি মাৰি গৈছিল আৰু ৰণুৱাবিলাকক যুঁজ কৰি থাকিবলৈ উদগনিও দিছিল। ভগা-ৰজাকো নিবস্ত্ৰ কৰি বৃটিছে অঙ্গসেনৰ নুমলীয়া ভায়েক আৰু গ্ৰীমউডক মাৰোঁতা কজাওক বন্দী কৰা হ'ল।

বন্দীশালত টিকেন্দ্ৰজিৎ

২৩ মেৰ দিনা যুৱৰাজ টিকেন্দ্ৰসিং সেনাপতি ধৰা পৰিল। লোহাৰ জিজিৰী লগাই নাগপাশ বান্ধ দি, আনি তেওঁক লোহাৰ গড়ালত সুমাই থোৱা হ'ল।

এতিয়া কুলচন্দ্ৰ, টিকেন্দ্ৰজিৎ, ঠঙাল জেনাৰেলকে মুখ্য কৰি মণিপুৰৰ সিৰফুটা সকলোটি আপোনাৰ ৰাজ্যৰ আপোনাৰ কাৰাগাৰতে অৱৰুদ্ধ। মণিপুৰত আৰু ৰজা নাই; বৃটিছ সেনাপতি কলেটেই (Collet) মণিপুৰৰ সৰ্বেসৰ্বা। দুজন বৃটিছ সেনানী আৰু এজন বৃটিছ চিভিলিয়ানেই অভিযুক্ত হত্যাকাৰী টিকেন্দ্ৰজিত-হঁতৰ বিচাৰক নিযুক্ত হ'ল। বিচাৰত, মণিপুৰীপক্ষ সমৰ্থন কৰোঁতা কোনোৱেই নাছিল। পলিটিকেল অফিছৰ বৰকেৰেণী বাবু ৰসিক-লাল কুণ্ডু, ৰাজটোলৰ কাকতিয়াৰ বামাচৰণ মুখোপাধ্যায়, সৈনিক ছেণ্টাৰটন আৰু বুচ্চাৰ এই কেইজনৰে সাক্ষ্য লোৱা হ'ল। এওঁ-বিলাকৰ উপৰিও মণিপুৰী চিপাহী চৰ্দাৰ আৰু কমাৰশালৰ কমাৰ দুজনমানক ধৰাই অনাই এনে ভাৱে বলেৰে সাক্ষী দিওৱা হৈছিল যাতে তেওঁবিলাকৰ সাক্ষ্যৰপৰাই টিকেন্দ্ৰজিতেই সকলো ষড়যন্ত্ৰৰ আৰু নিষ্ঠুৰ হত্যাৰ অপৰাধী বুলি প্ৰমাণিত হ'ব পাৰে। সেই অনু-সৰি, বিচাৰৰ ভেকোভাওনা পাতি ২৫ মে'ত কজাও, ৮ জুনত চুবাদাৰ নিৰঞ্জন সিংহ আৰু ১৩ জুনত যুৱৰাজ টিকেন্দ্ৰজিৎ আৰু ঠঙাল জেনাৰেলৰ প্ৰাণদণ্ডৰ আদেশ দিয়া হ'ল। মিঞা মিৰণজাও বা মিঞাৰ, কুলচন্দ্ৰধ্বজ, মেজৰ আয়াপাৰেল, কৰ্ণেল শ্যামসিংহ আন্দামানলৈ নিৰ্বাসিত হ'ল। কুলচন্দ্ৰ আৰু টিকেন্দ্ৰজিতক ধৰি দিওঁতা দুজনে গাই পতি ২০০০ টকাকৈ বৃটিছ চৰকাৰৰপৰা পুৰস্কাৰ লাভ কৰিলে।

বিচাৰকসকলে বিচাৰ কৰি পালে যে মণিপুৰৰ সিংহদুৱাৰত যি কেইজন উচ্চ বৃটিছ বিষয়াক হত্যা কৰা হৈছিল, সেই কেইজনক মাৰিবলৈ ঠঙাল আৰু যুৱৰাজ টিকেন্দ্ৰজিতেই "মদত" (উচটনি) দিছিল। ষড়যন্ত্ৰ কৰি ৰাজকাৰ্য্য চলোৱাটোত টিকেন্দ্ৰ-ঠঙাল একমত আছিল। ঠঙালে দাঁতি-কাষৰীয়া গাঁওবোৰত বৃটিছ মাৰি স্বতন্ত্ৰতা ৰক্ষা কৰিবলৈ কৈ ফুৰিছিল। সেই দেখি দুয়োজন "মহাপাপীক" একে লগে এক মুহূৰ্তত নিষ্প্ৰাণ কৰাৰ সিদ্ধান্ত হ'ল। সেই মতে ১৩ আগষ্টৰ দিনা অৰুণোদয়তেই যুৱৰাজ টিকেন্দ্ৰজিৎ সিংহ আৰু ঠঙাল জেনেৰেলক একে লগে একে সময়তে, সকলোৰে দেখাকৈ মণিপুৰৰ প'লগ্ৰাউণ্ডত বা প'লখেলা আৰংপথাৰত ফাঁচি-চাঙত তোলা হ'ল।

ফাঁচীৰ সময়ত বৃদ্ধ ঠঙালৰ এধানমানো চিত্তবিকাৰ হোৱা নাছিল। ভাবিছিল হ'বলা—পৰাধীনৰ নিমিত্তে জীয়াই থাকিলেও সংসাৰ

—১১

অসাৰ। স্বাধীনতা ৰক্ষাৰ নিমিত্তে মৰিব পাৰিলেই সোঁশৰীৰে স্বৰ্গ-লাভ—গীতাৰ এই মহাবাণীকে তেওঁ আওৰাই আছিল। এনে নিৰ্বিকাৰ বীৰ গৰাকী পোনেই ফাঁচিচাঙলৈ উঠিব নুখুজিছিল, চকী এখনত তুলি দাঙি নি হে তেওঁক বৰশীৰ পোনে পোনে বহুৱাই থব লগীয়া হৈছিল। যুবৰাজ হ'লে, নিৰ্ভীক-নিষ্কম্প চিত্তে প্ৰকৃত কৰ্ম-যোগীৰ দৰে গহীনে-গম্ভীৰে ফাঁচি চাঙলৈ গমহ্ গমহ্ উঠি গৈছিল। যুবৰাজৰ ডিঙিত চিপজৰীডাল লগাই চিপাহীটোৱে অৱজ্ঞাৰ ভাবেৰে ঠঙালৰ পিঠিত হাতবুলাই কৈছিল, "আপদেও, এতিয়া অলপ অলপকৈ উঠিব লাগে; নহ'লে, আপোনাৰ ডিঙিত ফাঁচ লগাব পৰা নহ্‌ব।" ঠঙাল কিন্তু অলৰ-অচৰ হৈ বহি থকাতে থাকিল। ফাঁচ লগোৱা চিপাহীৰ কথালৈ কৰ্ণপাতকে নকৰিলে। পিছে, চিপাহীটোৱে ফাঁচীৰ জৰীডালকে তললৈ নমাই ঠঙালৰ ডিঙিত বৰশীটো লগাই দিলে। টিকেন্দ্ৰৰ ডিঙিত আগেয়েই লগাই থোৱাই আছিল। এতিয়া দুয়োটা বৰশী জুঁটি, জৰীডাল চিপ মাৰি পঠিয়ালে আৰু নিমিষতে স্বাধীনতা-প্ৰাণ বীৰ যুগলৰ প্ৰাণবায়ু আকাশৰ লগত মিলি গ'ল। চাওঁতে-চাওঁতেই মণিপুৰ ৰাজ্যৰ স্বাধীনতা-ৰঙালয়ত অনিৰ্দিষ্ট কাললৈকে আঁৰ কাপোৰ পৰি থাকিল।

মণিপুৰৰ আত্মা টিকেন্দ্ৰজিৎ সেনাপতি আজি নাই। তথাপি, অসম বুৰঞ্জীৰ মগলু অধ্যায়ত তেওঁৰ নাম চিৰস্মৰণীয় হৈ থাকিব।*

---

* টিকেন্দ্ৰজিতৰ ফাঁচীৰ পিচত, বিলাতৰ কমন্স সভাত, সেই শোচনীয় হত্যাকাণ্ড সম্পৰ্কে তুমুল তৰ্কবাদ হয়। সেই প্ৰসঙ্গত টৰী দলৰ সদস্য ভাৰতীয় দপ্তৰৰ আণ্ডাৰ চেক্ৰেটৰী চাৰ জন গৰ্ষ্টে সেনাপতি টিকেন্দ্ৰজিতক ফাঁচী দিয়াৰ যৌক্তিকতা দেখুৱাবলৈ গৈ টিকেন্দ্ৰক এইৰূপে শলাগিছিল।

"ৰজা হৈ থকা মণিপুৰীয়া ৰাজবংশত সেনাপতিয়েই সকলোতকৈ বুদ্ধিমন্ত আৰু সকলো কামতে পাৰ্গত। চৰিত্ৰবলতো অত্যন্ত প্ৰভাৱশালী।" তেওঁৰ মহানুভৱতা ব্যাখ্যা কৰি কৈছিল, বোলে এনেকুৱা অসাধাৰণ গুণসম্পন্ন লোকৰ গুণ প্ৰকাশ কৰিবলৈ ভাৰত গৱৰ্ণমেণ্টে একো প্ৰকাৰেই উৎসাহ নিদিয়ে। মৌলিক বুদ্ধি-বৃত্তি থকা আৰু স্বাধীন মনোবৃত্তিৰ মানুহক সদায় ঘৃণাৰে চায়; মজলীয়া তৰপৰ নম্ৰ লোকে হে তেওঁবিলাকৰ ওচৰত আদৰ পায়।

অসমীয়া সমাজ ঃ সোতৰ শতিকাৰ

সোতৰ শতিকাৰ সপ্তদশকৰ সময়ত অসমৰ আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক অৱস্থা আৰু ব্যৱস্থা কেনেকুৱা আছিল তাৰ সম্যক বিৱৰণ ঘপৰাই লিখাটো অতি সহজ নহয়। তেতিয়াৰ পৰা আজিলৈকে প্ৰায় চাৰিশ বছৰ। এই চাৰিশ বছৰৰ ভিতৰত প্ৰাকৃতিক দুৰ্য্যোগ আৰু বিভিন্ন জাতিৰ লগত আদান-প্ৰদান হোৱাত অসমৰ সকলো কথাই মোট সলালে—তাৰে কিছুমান সময়ৰ প্ৰভাৱত আৰু কিছুমান মানুহৰ ইচ্ছা আকাঙ্ক্ষাত। যদিও দহোটা বছৰৰ গণ্ডী বৰ ঠেক, তথাপি বিষয়টোৰ অধ্যয়ন বিশাল। এই সময়ছোৱালৈ চালে পোনেই চকুত পৰে স্বৰ্গদেউ জয়ধ্বজ সিংহৰ আমোললৈ। এই আমোলতে অসমত দুটা সভ্যতাৰ সংঘাত হয়। তেতিয়াই তাৰ আগৰ থিতাপি লৈ অহা অসমীয়া সমাজৰ বান্ধনি লৰক-ফৰক। ইয়াৰ মূল কাৰণ হ'ল মোগল সম্ৰাট আওৰংজেৱ বাদছাহৰ মিৰজুমলাৰ অসম আক্ৰমণ। তেওঁ ইয়াত এবছৰ থাকিল। সেই এবছৰতে ইছলাম কৃষ্টিকো আমাৰ সমাজে সামৰি ললে।

গতিকে সেইজনা স্বৰ্গদেউৰ যিখন ছবি, সেই ছবিখন হুবহু আঁকিব লাগিব। তেহে আমি শিতানত দিয়া নামটোৰ বিষয়ৰ লগত ৰজিতা খাব। মিৰজুমলাৰ লগত অহা কাকতীয়ে আৰু ওলন্দাজ, ফৰাচী আৰু ইউৰোপীয় ভ্ৰমণকাৰীয়ে অসমৰ যি বিৱৰণ লিখি গৈছে তাক পঢ়িলে এনেকুৱাহে লাগে যেন তেওঁবিলাকে লগ পোৱা অসমীয়া মানুহবিলাক আমাৰ পূৰ্বপুৰুষ যেন নহয়েই, যেন স্বপ্ন ৰাজ্যৰ হে। আচলতে দিঠক হ'লেও অতিৰঞ্জিত। মিৰজুমলাৰ ৱাকানবীচ (কাকতি) কাজিমে লিখিছে, "যি দেশ বিস্তীৰ্ণ, সমৃদ্ধিশালী, দুৰ্ভেদ্য, আপদ-বিপদেৰে পৰিপূৰ্ণ—য'ৰ আলি-পদূলি ৱাধা-বিঘিনিৰে ভৰা—যি দেশ জয় কৰিবলৈ গ'লে অসংখ্য বিপদে জুমুৰি ধৰেহি য'ৰ মানুহবোৰ মৰ-সাহসী, নিৰ্ভীক—য'ত অগণন বনুৱাবোৰ ৰণ কৰিবলৈ উৎকণ্ঠিত হৈ থাকে—য'ৰ মানুহে আঁৰৰ পৰা শত্ৰুক আক্ৰমণ কৰিব পাৰে—যি দেশৰ আকাশলঙ্ঘা সুৰক্ষিত খোৱা সমলৰে

পৰিপূৰ্ণ কোঠ আছে—য'ত সাঁচি থোৱা খোৱা বস্তুবোৰ নি নি অন্ত কৰিবলৈ হ'লে বহুত দিন লাগে--সেইখিনি দেশত যে ইছলাম ধৰ্মৰ বিজয়ধ্বজা পোতা হ'ব ভাবিলে সঁচাকৈয়ে স্তম্ভিত হ'ব লাগে।"

সেই সংকটকালতে অসমীয়া ভাষাৰো শব্দাৱলী সমৃদ্ধিশালী হ'ল। দিল্লী বাদছাহৰ লগত আদান-প্ৰদান কৰাৰ ফলত কূটনৈতিক, ৰাজনৈতিক সম্পৰ্কীয় ভালেমান শব্দ সোমাল। সেই শব্দৰ লগতে অসমীয়া নাৰী প্ৰকৃতি দেশ প্ৰেমত কেনেকৈ তিতি-বুৰি আছিল সেই কথা জানিবলৈ হ'লে এই সময়তে জয়ধ্বজ সিংহ স্বৰ্গদেৱে দিল্লী বাদছাহলৈ দিয়া ৰমণী গাভৰুৰ চিঠিৰ পৰা বতিয়াকৈ উপলব্ধি কৰিব পাৰি। যৌতুকত দিয়াৰ পিচত ৰমণী গাভৰুৰ মোমায়েকে লালুক ফুকনলৈ লিখিলে, "মোমাইদেউ, তুমি মোগল-সাগৰত মজিছা। সাৱধান, মোগলী ফন্দীৰ তলানলাৰ সন্ধেদ মই হে পাওঁ। অসম-আইৰ বুকুৰ আগমজহ ডুখৰি বঙ্গালক দলিয়াই দিয়াৰ কথা সপোনতো নাভাবিবা। তাৰ পৰিণাম কালৈকো ভাল নহ'ব।" পিন্ধা-উৰা, চলন-ফুৰণ, আচাৰ-ব্যৱহাৰতো বহুত পৰিবৰ্তন ঘটিল। অ.ক ভিতৰুৱা সামাজিক বান্ধোনো শিথিল হৈ পৰিল। সেই সময়ত আমাৰ মহিলা সকলৰ অলঙ্কাৰ-পাতি কেনেকুৱা আৰু কি কি আছিল তাৰ এটা লেখ দিলে আজি-কালি নাৰীবৰ্ষৰ দিনত সোণতে সুৰগা চৰিব। স্বৰ্গদেৱে সেই ৰমণী গাভৰুলৈ উপহাৰ দিয়া অয়-অলঙ্কাৰ হ'ল—"সোণৰ কংকালি এগছ, জোখত সাতচল্লিছ তোলা; সোণৰ ৰুলি এযোৰ, জোখত চাৰিছ তোলা; সোণৰ খাৰু এযোৰ, জোখত বাইছ তোলা; সোণৰ আঙঠি দহ হেজাৰ, জোখত আঠাইছ ৰতি; সোণৰ উঝটি দহ হেজাৰ, জোখত আঠ তোলা; যুৰমলা এমলা; সোণৰ ডাবেৰে কাকৈ দুখন, জোখত ন-তোলা; সোণৰ ডাবেৰে কটাৰী দুখন, জোখত ছতোলা; সোণে-পোৱালে ডিঙিৰ মণি সাত-ধৰীয়া এছেৰ; সোণে-পোৱালে হাতৰ মণি চৈধ্যধৰীয়া এছেৰ; সোণে-পোৱালে ভৰিৰ মণি দুধৰীয়া দুধাৰ; সোণৰ ডাউ-বৰৈযেৰে ফুলাম বৰকাপোৰ দুযোৰ, ইয়াত বৰ বৰৈ আছে এঘাৰ গণ্ডা, সৰু বৰৈ আঠ-দহ গণ্ডা, ডাউ আঠ গণ্ডা, সোণৰ ফুল বাৰ গণ্ডা; সোণৰ ডাউয়েৰে মেখেলা এযোৰ, ডাউখনে সাত গণ্ডা, সোণা-ৰূপা ডাউয়েৰে মেখেলা এযোৰ; সোণৰ ডাউ খাইছিল চৈধ্যটা;

ৰূপৰ ডাউ এঘাৰ গণ্ডা ; সোণৰ ডাউ বৰৈ দিয়া ৰিহা এখন ; সোণৰ ডাউ বৰৈ দিয়া টঙালি দুগছ ; উকা টঙালি দুগছ ; ফুলাম বৰকাপোৰ ছ-যোৰ, আচল ফুলাম বৰকাপোৰ দুযোৰ, আচুৱনী বৰকাপোৰ তিনিযোৰ, উকা বৰকাপোৰ দহযোৰ মেখেলা একুৰি যোৰ, ৰিহা দুকুৰি যোৰ, সোণে বন্ধোৱা খড়্গ ছটা, সোণে বন্ধোৱা খড়্গৰ তৰ্পণ এটা, তাত সোণ তিনি তোলা, কটাৰী একুৰিখন, গাৰু দহোটা, তামোল এটা, তাত সোণ তিনি তোলা।"

মোমাই তামুলী বৰবৰুৱাই পাতি থৈ যোৱাৰ দৰেই দেশৰ খেতি-বাতি বেপাৰ-বাণিজ্য ইত্যাদি আৰ্থিক উন্নতি সম্পৰ্কীয় নীতি-নিয়ম চলোৱা হৈছিল। "দেশৰ মানুহক বাছি উত্তম-মধ্যম প্ৰকৃত বুজি, পাইকান-চমুৱা-কাড়ী-বিলতীয়া এই চাৰি বিধ কৰিলে। প্ৰথমে কাকতী, কটকী, দলৈ, দেওধাই মহন, বাইলুং, সভাপণ্ডিত ইত্যাদি ৯ বিধক চমুৱা কৰিলে। চমুৱা ফুকন পাইক বৰুৱা আৰু মেল-দগীয়া ফুকন বৰুৱা ভাগৰ যিখিনি মানুহ তাক পাইকান চমুৱা কৰিলে। বৰুৱাকে আদি কৰি চ'ৰাৰ ফুকন ৰাজখোৱা এওঁবিলাকৰ অধীন মানুহখিনিক কাড়ী পাইক কৰিলে। সেইখিনি মানুহৰ ভিতৰতে আপোন আপোন ভাগত শয়েক কৰি প্ৰভেদ কৰিলে আৰু মূল, দেৱাল, তেৱাল এই তিনি বিধৰ তিনিপোৱাক এক গোট পাইক কৰি প্ৰতি পোৱাই ৰাজঘৰত ৪ মাহকৈ খাটনিৰ নিৰ্বন্ধ কৰিলে। যদি এপোৱা পাইকেই বছেৰেক খাটে সি দুপোৱাই খটা পাইকটোৰ ঘৰৰ বন-বাৰী খেতি-পথাৰ কৰি দি তাৰ গৃহস্থী ৰক্ষা কৰিব পায়।"

সেই সময়ত অসম দেশ শস্যে মৎস্যে কেনেকুৱা অনুপাম আছিল তাৰ আভাস এটি ১৬৭৬ চনত ফৰাচী ভ্ৰমণকাৰী জন বেপটিষ্ট টেৱাৰ্ণীয়েৰে লেখি থৈ গৈছে, "অসম দেশ সুণীয়া-সঁফুৰা। মনুষ্য জীৱনত উপভোগ কৰিব পৰা সকলো বস্তুকে ইয়াত পাবলৈ আছে। এচিয়াৰ ভিতৰত ই এখনি উৎকৃষ্ট দেশ। ইয়াৰ মানুহে ওচৰ চুবুৰীয়া কোনো দেশৰ ওচৰত একো বস্তুৰ নিমিত্তেই হাত পাতিব নেলাগে। সোণৰ খনি, ৰূপৰ পৰ্বত, শীতাতেলৰ (কেৰাচিন) হিৰ আৰু লোৱৰ খনিয়েই মোক-ল মোক-ল কৈ আছে।"

সেই সময়ৰ অলপ অগা-পিচা আকবৰ বাদছাহৰ বুৰঞ্জী লেখকে তদানীন্তন অসমৰ বিষয়ে ভালেমান নেজানিবলগীয়া কথা জনোৱাৰ

পিচত লেখিছে "কামৰূপীয় মানুহ বিলাক দেখিবলৈ বৰ ধুনীয়া আৰু তেওঁবিলাক যাদু-মন্ত্ৰ কৰাত ওজা। সেই বিষয়ে বহুত কথা শুনা যায়। মানুহে কয় বোলে তাত এনে এবিধ ফুল আছে যিবিধ চিঙি থোৱাৰ পিচত তিনি মাহলৈকে গোন্ধ ওলাই থাকে। ৰবণো নমৰহে। আৰু তাকে পিঠা কৰিও খায়। আৰু এবিধ গছ আছে তাৰ ৰস খাবলৈ বৰ সোৱাদ; আমাৰ দেশৰ আঙুৰৰ দৰে।" এই দেখি গঙ্গা উপত্যকাৰ মানুহে কামৰূপৰ নাম ললে তিনিবাৰ মন্ত্ৰ মাতি লয়।

সেই সময়ত মানুহৰ যেনেকুৱা সাজপাৰ আছিল তেনেকুৱা পোচাক পৰিচ্ছদেই ৰুচিছ অহাৰ সময়লৈকে প্ৰচলিত আছিল বুলিলে সত্যৰ পৰা বেচি আঁতৰলৈ যোৱা বুলি ক'ব নোৱাৰি। তেতিয়া আছিল এনেকুৱা "খেতিয়কবিলাকে চুৰিয়া এডোখৰ আৰু গাত কাপোৰ এখন আৰু মূৰত গামোচা-মুক্‌কচা একোখন মেৰিয়াই লয়। চোলাৰ ব্যৱহাৰ নাছিল। দুই চাৰিয়ে লৈছিল যদিও, ঘৰতে সি বা সিয়াই লৈছিল। মাইকী মানুহে চোলা লোৱাৰ সজেই নাছিল। অলপ চহকী ঘৰৰ মাইকীবিলাকে কাণত জাংফাই কেৰু আৰু বুকু-কঁকালত ৰিহা-মেখেলা পিন্ধিছিল; কোনো কোনোৱে ৰিহাৰ সলনি পাটনী আৰু মেখেলাৰ সলনি মেঠনি মাৰি ফুৰিছিল। সেওঁতাটো মূৰৰ মাজে মাজে ফালিছিল। কপালত সেন্দুৰৰ জুৰীয়া ফোঁট মাৰিছিল। বিয়া, আই সবাহ, তিথি-জন্মাষ্টমী, দেওবৰীয়া সবাহ, সুবচনী সবাহ এইবিলাক উৎসৱত জীয়াৰী বোৱাৰী সকলোৱে নাম গাইছিল। নাম দিয়াসকলক নামতী বুলিছিল। ঘৰৰ তিৰোতাগৰাকীয়েই গৃহ-লক্ষ্মী ৰূপে নীতি-নিয়ম, সদাচাৰ-সৎকৰ্ম সকলো পালন কৰিব লাগিছিল।

১৮৬৪ চনত অসমলৈ অহা ডক্টৰ নেছুলী নামেৰে জাৰ্মান পৰিব্ৰাজক এজনে চকুপানী টুকি যি কথা লিখিছিল তাকেই পুনৰ আবৃত্তি কৰি মোৰ কথিত প্ৰবন্ধৰ সামৰণি মাৰিলো: "এনে এনে এটা দিন আছিল যেতিয়া অসম উপত্যকা অসমীয়া মানুহৰেই পৰিপূৰ্ণ আছিল---এতিয়া আৰু সেই দিন নাই। একাল আছিল যেতিয়া অসমীয়া জাতি সাধুতা সত্যবাদিতা গুণৰ পূৰ্ণ অধিকাৰী আছিল, কিন্তু কি হব, ওচৰ-চুবুৰীয়া জাতিৰ লগত ঘনিষ্ঠতা থকা বাবেই

হওক বা আমাৰ ন্যায়ালয়ৰ (ইউৰোপীয়) সম্পৰ্কত থাকি কলুষিত হোৱা বাবেই হওক, সেইবিলাক গুণৰ ধনিষ্টামানো আজি দেখিবলৈ নাই। একাল আছিল যেতিয়া অসমীয়া মানুহে নিজে নিজেই একোটা একোটা প্ৰকাণ্ড প্ৰকাণ্ড গড় মথাউৰি বান্ধি লৈছিল। সেই গড়বোৰ ৰোমান বুলি বা ৰোম দুৰ্গৰ লগতহে ৰিজাব পাৰি। কিন্তু আজি আৰু অসমীয়াৰ সেই বল-শক্তি, উৎসাহ-উদ্দীপনা একোটো নাই— সকলো লয় পালে।”*

---

*পয়োভৰা সাহিত্য সংখ্যা ঃ ষষ্ঠ বছৰ ঃ ২২শ সংখ্যা ঃ ১ ফেব্ৰুৱাৰী ১৯৭৬।

দক্ষিণপাট সত্ৰ

সত্ৰ ঃ ["যত্ৰা চৰন্তি সৰ্দ্ধমন কেৱলা ভগবৎ প্ৰিয়া নবধা ভগবদ্ভক্তিঃ প্ৰত্যহম যত্ৰ বৰ্ত্ততে তৎ সত্ৰম উত্তমম ক্ষেত্ৰম বৈষ্ণৱা সুৰ বন্দিতম তত্ৰাস্থ বৈষ্ণবাঃ সৰ্ব্বে হৰিনাম পৰায়ণাঃ।]

১৫৮৪ শকত, দক্ষিণপাট নামে ঠাইত জয়ে জয়ে দক্ষিণপাট সত্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। দক্ষিণপাট নামটো অতি প্ৰাচীন---ভৰত যুদ্ধৰ দিনৰে। শকাব্দৰ ত্ৰয়োদশ চতুৰ্দ্দশ শতিকালৈকে ইয়াৰ লগত ভালেমান বুৰঞ্জী প্ৰসিদ্ধ ঘটনা বিজৰিত হৈ আছে।

পুৰণি কালত দক্ষিণপাটৰ নাম আছিল দক্ষিণপাটক। দক্ষিণ-পাটক বুলিলে লৌহিত্যৰ দক্ষিণ পাৰে থকা এটা বন্দৰ বা বেপাৰ বাণিজ্যৰ এডোখৰ সমৃদ্ধ ঠাইকে বুজায় বুলি সংস্কৃতীয়া পণ্ডিতসকলে অভিমত দিয়ে। সংস্কৃত ভাষাতহে পাটকৰ এই অৰ্থ, অসমীয়া ভাষাত পাট শব্দই ৰাজপাট বা ৰজাৰ সিংহাসন প্ৰকাৰান্তৰে ৰজা থকা ঠাই বুজায়। পাটৰ লগত কটো লগ লাগি ৰাজধানীৰ ক্ষুদ্ৰ সংস্কৰণ বাণিজ্য কেন্দ্ৰ হোৱাটো ভাষাতত্ত্বৰ ফালৰ পৰা চালেও একো অস্বা-ভাৱিক নহয় যেন লাগে। সেই দেখি, দক্ষিণ পাৰে থকা কোনোবা ৰজাৰ ৰাজধানী বুলিয়েই বুজিব লাগিব। "দ্ৰবিৰ পুৰাণ" আৰু 'কলি যুগৰ ধৰ্ম নিন্নয় সাৰ' সংগ্ৰহত এগৰাকী বুৰঞ্জী লেখকে লেখিছে যে পাণ্ডু পুত্ৰ অৰ্জুনে তীৰ্থ ভ্ৰমণ কৰাৰ উদ্দেশ্যে ভাৰতৰ পূবদিশলৈ আহি গান্ধৰ্বী এগৰাকী বিয়া কৰায়। তেওঁৰে এটি পুত্ৰ হ'ল, নাম বভ্ৰুবাহন। এওঁ মণিপুৰ নামে (আজিকালিৰ মণিপুৰ নহয়) নগৰ কৰি চাৰিউ দিশৰ ৰজাক জিনি মহা শক্তিমন্ত ৰজা হয়। এতিয়ালৈ সেই নগৰকে গুগুৱা নগৰ বোলে।(১) তেওঁৰে পুত্ৰ চন্দ্ৰহাস। এই

---

(১) উত্তৰ লক্ষীমপুৰৰ ধেমাজীত। ইয়াতে এটি দৌল আছে। মানুহৰ মুখত পৰি গুগুৱা নাম গুচি গুঘুহা হল। "ভ্ৰমৰ" কাকতৰ তৃতীয় বছৰত শ্ৰীজগত চন্দ্ৰ দত্ত বৰাই "গুৰু ঘুৰাৰ" পৰা গুঘুহা হৈছে বুলি কৰা অনুমান কেৱল অনুমানহে।

চন্দ্ৰহাসেই "ৰজা হৈ তাৰপৰা আহি দক্ষিণত পাট কৰিলেহি। তেতিয়াৰে পৰা দক্ষিণপাট বোলে। তেতিয়া দিহিঙো মেৰাবিলে গৈ লোহিতত পৰিছিল। চন্দ্ৰহাসৰ পুত্ৰ উত্তৰধ্বজ ৰজা হল। তেওঁৰে পুতেক বিক্ৰমধ্বজ ৰজাৰ দিনত লোহিতে দক্ষিণ পাটৰ ৰাজধানী খহাই নিলে। কিন্তু ঠাইডোখৰৰ নাম দক্ষিণপাট থাকি গ'ল।

অতীজতে দক্ষিণপাটৰ অৱস্থিতি আছিল তিনিখন নৈৰ সঙ্গমস্থলত লুইত বা লৌহিত্য, বুঢ়ী দিহিং আৰু বশিষ্ঠী গঙ্গা বা দিখৌ। দিখৌকে এসময়ত কলঙ্ক বা কলং বোলাও হৈছিল। এই ঠাইৰ পৰা যেনিয়ে ইচ্ছা তেনিয়ে যাব পৰাত অহা যোৱাৰ বৰ চল আছিল। ৰজাৰ নাও নাৱৰাৰ থলী আৰু বেহেৰুৱা নাৱৰ জিৰণীয়া ঠাই হোৱা বাবে ঠাইডোখৰ নৈপৰীয়া ডাঙৰ নগৰ এখনৰ সদৃশ্যেই আছিল। শকাব্দৰ আনুমানিক দশম শতিকাত ৰত্নপাল বৰ্মাই ভাৰদ্বাজৰ গোত্ৰীয় ব্ৰাহ্মণ কামদেৱক যি ব্ৰহ্মোত্তৰ ভূমি দান কৰিছিল সেই ভূমিদানৰ ফলিত দক্ষিণপাট নামটোৰ উল্লেখ আছে। লাখুটিজান, কলঙ, দণ্ডী আদি নামবোৰ এতিয়াও সেই অঞ্চলত শুনিব পোৱা যায়। ধৰ্মপাল ৰজাই মহাবাহু ব্ৰাহ্মণক দিয়া ব্ৰহ্মোত্তৰ তাম্ৰ শাসনতো দক্ষিণপাটৰ উল্লেখ আছে। ব্ৰহ্মপুত্ৰ বংশীয় ৰজাৰ সন্তান আৰিমত্তৰ তথাকথিত পিতৃদেৱতাক প্ৰতাপ পুৰীয়া বা ৰাম চন্দ্ৰ নাইবা মায়ামত্ত ৰজাৰ উত্তৰ পৰীয়া পাট আছিল। (উত্তৰ পাটক) বিশ্বনাথৰ উত্তৰে গণ্ডকী নৈৰ পাৰত আৰু দক্ষিণপৰীয়া পাট (দক্ষিণ পাটক) আছিল লুইতৰ পাৰৰ ৰতনপুৰত। এই ৰতনপুৰ বা ৰত্নপুৰকে আগতে স্বৰ্ণগিৰিপাল চুতীয়া ৰজাই ভদ্ৰসেন ৰজাক পৰাস্ত কৰি আজি যিখন ঠাইক মাজুলী বোলা হয়, তাতে নিৰ্মাণ কৰিছিল। দক্ষিণপাটো সেই মাজুলীৰ ভিতৰতে আছিল। বৰ্তমান মাজুলীৰ দক্ষিণে ব্ৰহ্মপুত্ৰ বৈ গৈছে। ৰতনপুৰত ৰাজপাট থকা সময়ত ব্ৰহ্মপুত্ৰ উত্তৰ পোনে বৈছিল। পুৰণি ৰতনপুৰৰ কিছু অংশ ব্ৰহ্মপুত্ৰই পুতি আৰু খহাই পেলোৱাত অৱশিষ্ট ডোখৰৰ নাম হ'ল মাজুলী। মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনৰ পৰা সন্ত মহন্ত সকলৰ বাসস্থান হোৱা বাবে বৈষ্ণৱ ধৰ্মৰ কেন্দ্ৰ ৰূপে হিন্দু মাত্ৰেই মাজুলীলৈ সভক্তিনয়নে দৃষ্টিপাত কৰিবলৈ ধৰিলে।

ঘাই ৰতনপুৰখন ব্ৰহ্মপুত্ৰৰ বালিয়ে পুতিলে। ইয়াতে প্ৰতাপ সিংহ স্বৰ্গদেৱৰ দিনত ৰাউলী বাহৰো আছিল। জয়ধ্বজ সিংহ

স্বৰ্গদেৱে প্ৰভু বনমালীদেৱক সত্ৰ পাতি থাপনা কৰিব খোজোতে সত্ৰলক্ষণীয়া ঠাই বিচাৰিলত দূতবিলাকে "নামত দক্ষিণপাট বুলি সবে কহে উত্তৰত মহানদী ব্ৰহ্মপুত্ৰ বহে" বুলি সমাচাৰ দিছিলহি। সেই পুণ্যভূমিতেই মহাৰজাৰ আদেশত দক্ষিণপাট সত্ৰৰ আধাৰশিলা প্ৰতিষ্ঠা কৰা হয়, আৰু মহাপ্ৰভু ৺শ্ৰীশ্ৰীযাদৱৰাইৰ পূজা সেৱা উদ্দেশ্যে ১০০ ভকত আৰু মহাৰাজে ২০ জন পাইকে সৈতে ৩০০ পুৰা মাটি প্ৰভু বনমালীদেৱৰ নামে উছৰ্গা কৰি থৈছিল, সেই মাটি সত্ৰৰে দেৱোত্তৰ ভুক্ত হল। তাৰ পিছত স্বৰ্গদেৱ চক্ৰধ্বজসিংহই বনমালীদেৱৰ বৰ ভকত শ্ৰীৰাম চলিহাৰ "চিৰাম চাপৰিয়ে" সৈতে ১৫৭৬ পুৰা মাটি দেৱোত্তৰ কৰি দিয়ে। এইৰূপে সময়ে সময়ে সমকালিক ৰজা আৰু ভাওৰীয়া বিষয়াসকলৰ দান দক্ষিণাৰ প্ৰৱলতাত সত্ৰৰ পয়োভৰ ক্ৰমাৎ বাঢ়ি আহে।

বানপানী, ভূইকঁপ, ৰাজনিগ্ৰহ, দেশবিভ্ৰাট আদি এশ এটা নৈসৰ্গিক প্ৰাকৃতিক আৰু ৰাজনৈতিক দুৰ্য্যোগত পৰাত সত্ৰৰ ঠাই লৰাই থাকিব লগীয়া হৈছিল। সময়ে সময়ে গোপালপুৰ, কল্লাবাৰী, জাতকৰা, অগ্নি-চাপৰি, কলিয়াবৰ প্ৰভৃতি ঠাইত ২৪ বছৰলৈকে ভকত সমন্বিতে সমহা-প্ৰভুৱে সত্ৰাধিকাৰ সকল অৱস্থান কৰিব লগীয়া হৈছিল। মানৰ দিনৰ আগত "মোআমৰা" বিদ্ৰোহৰ সময়ত শুকান সুঁতিৰ ওচৰতে বুঢ়ীদিহিং নৈখন লুইতত পৰিছিল। শুকান সুঁতিয়েই অতীজতে লুইত আছিল।

শকাব্দৰ সপ্তদশ শতিকাৰ শেহ ভাগত দক্ষিণপাটৰ সীমা আছিল। দিহিঙৰ পাৰে পাৰে (তেতিয়া মাজুলীৰ দক্ষিণে ব্ৰহ্মপুত্ৰ নাছিল, দিহিংহে আছিল) দীঘলীয়াকৈ দীঘে ৪ ক্ৰোশ বা ৮ মাইল আৰু বহলে আঢ়ৈ ক্ৰোশ বা ৫ মাইল। ইয়াৰ ভিতৰতে আছিল চামগুৰি গাঁও, দীঘলী গাঁও, বৈৰাগী গাঁও আৰু কুমাৰ গাঁও।

বৰ্তমান যি ঠাইত সত্ৰ আছে, সেই সত্ৰৰ মাটি পূৰ্বে ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত বৰগোহাঁই পৰীয়া চন্দ্ৰমলা আইদেৱে ৺শ্ৰীশ্ৰী যাদৱ ৰাইৰ নামত উছৰ্গা কৰা। ইয়াৰ সীমা পূবে দীঘল নৈ, নাওশালী আৰু বুঢ়াগোহাঁয়ে খনা জান। উত্তৰে মাৰোৱাৰী ব্ৰাহ্মণ আৰু বৰবিলা, দক্ষিণে ব্ৰহ্মপুত্ৰ। বজাই দিয়া মাটিৰে সৈতে এই চতুঃসীমাৰ ভিতৰত থকা দেৱোত্তৰৰ পৰিমাণ ১০৪০ পুৰা। ইয়াতে এতিয়া সত্ৰ অৱস্থিত।

"যি ঠাইৰ মাহাত্ম্য পবিত্ৰতাৰে পৰিপূৰ্ণ যাৰ চৌপাশে থকা প্ৰাকৃতিক সৌন্দৰ্য্যই ত্ৰিতাপক্লিষ্ট প্ৰাণতো শান্তিৰ বাৰি বৰিষণ কৰে, যাৰ গহন বনৰ নিৰ্জনতাই ঋষি মুনিৰ আশ্ৰমলৈ মনত পেলাই দিয়ে, য'ত শৌচ-সংযম, নীতি-নিষ্ঠা-দয়া-দাক্ষিণ্য বিধিবৎ পালন কৰা হয়, য'ত ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি নিয়মানুবৰ্তিতাৰ শাসন-অনুশাসন কঠোৰভাৱে উদ্‌যাপন কৰা হয়, য'ত মৈত্ৰী-মিলনৰ সম্ভাৱেই সততে বিদ্যমান আৰু সকলো লোকৰ মঙ্গলৰ অৰ্থে বেদপাঠ, ভাগৱত পাঠ, শাস্ত্ৰ চৰ্চা আৰু নৱবিধ ভক্তি সম্বলিত হৰিনাম কীৰ্তনৰ দ্বাৰাই অন্তৰ্য্যামী পৰমেশ্বৰৰ অন্তৰীক্ষকো আলোড়ন কৰি থকা হয়, সেই ঠাইত যি অনুষ্ঠানেই নেথাকক, সেয়ে সত্ৰ। এনে অনুষ্ঠানকে কথিত ভাষাত পূৰ্বে শত্তৰ বা শত্ৰ বোলা হৈছিল। ভাগৱত, কাব্য কল্পদ্ৰুম আৰু কবিৰত্ন ভট্টদেৱৰ মতে সত্ৰৰ যি নিবন্ধ অনুসাৰেই সৰ্বগুণান্বিত প্ৰভু শ্ৰীশ্ৰী ৺বনমালীদেৱৰ দ্বাৰাই ১৫৮৪ শকত দক্ষিণপাটত সত্ৰ সংস্থাপিত হয়। এনেয়ে দক্ষিণপাট অতীতৰে পৰা ঐতিহ্যপূৰ্ণ, তাতে যেতিয়া ন্যূনাধিকৰূপে উল্লিখিত সত্ৰ শব্দ পৰ্য্যায়ৰ গুণ ৰাশি সংযোজিত হ'ল, দক্ষিণপাটৰ লগত সত্ৰ ৰজিতা খাই পৰিল।

শ্ৰীশ্ৰী৺দেৱ দামোদৰৰ দ্বাৰাই প্ৰৱৰ্তিত বিশুদ্ধ ভাগৱতী ধৰ্মৰে অনুগামী দক্ষিণপাট সত্ৰ।*

কোচবেহাৰৰ মৰা তোৰ্ষা নৈৰ দুই মাইল পশ্চিমে মধুপুৰত (বিৰিণাবাৰী বা বিন্নাবাৰী নাইবা বাঙনবাৰী?) মহাৰাজ লক্ষ্মীনাৰায়ণে দেৱ দামোদৰৰ নিমিত্তে, পূৰ্বে মহাৰাজ নৰনাৰায়ণে বন্ধাই থৈ যোৱা ভেটিতে এটি হৰি মন্দিৰ নিৰ্মাণ কৰোৱায়। তাৰ চৌপাশে তৰুৱা আৰু ভিতৰুৱা চাপ মৰোৱাই চাপৰ ভিতৰত চাৰি হাটী সজাই দিয়ায়। এনেকৈ হৰি মন্দিৰ স্থাপন কৰোৱাই বৈকুণ্ঠ সদৃশ যিখন ধৰ্মপুৰী

---

* "পৰে কলাবৰীয়া যদু ব্ৰাহ্মণৰ পুত্ৰ বনমালীএ তেহো দেৱ গোপালৰ শিষ্য হুয়া কুৰুৱা বাসীত আছিল। দেৱৰ বিয়াগে বলোদেৱৰ সত্ৰে গৈলা। কতো কাল তান সঙ্গে আছিল। পাৰে তাঙ্ক সত্ৰ দিয়া বলোদেৱে দেহা ছাড়িলা। দেৱ বনমালী দক্ষিণ পাট সত্ৰ কৰিল। চক্ৰধ্বজ ৰাজা সেৱক। এতেকে দেৱ দামোদৰৰ সত্ৰ দক্ষিণপাট জানিবা।

"সন্ত নন্নয় গোবিন্দ দাস

নিৰ্মাণ কৰোৱা হ'ল তাৰে নাম প্ৰখ্যাত হল দামোদৰপুৰ ধাম। প্ৰাণনাৰায়ণ ৰজাই সেই দামোদৰপুৰৰ অধিকাৰী শ্ৰীশ্ৰী৺বনমালী দেৱৰ নিমিত্তে বৈকুণ্ঠপুৰ নাম দি সুকীয়াকৈ এখন সত্ৰ পতাই দিছিল। সত্ৰহে সুকীয়া আছিল। সেৱাইত আৰু অধিকাৰত একেই আছিল। দেৱ দামোদৰৰ পাছত ধামৰ অধিকাৰীসকলক মেধি বোলা হৈছিল। মেধি অৰ্থাৎ ধাৰণাৱতী আৰু উৎকৃষ্ট বিবেচনা শক্তি থকা গুণেই মেধি বোলাৰ হেতু। সম্ভৱ ভেলা মধুপুৰ সত্ৰৰ বৰ ভকত সকলৰ পৰা পৃথক বুজাবলৈ মেধি বোলা হৈছিল। **

সি যি নহওক, প্ৰাণ নাৰায়ণৰ দিনত সেই বৈকুণ্ঠপুৰত প্ৰভু বনমালী গোসাঞেই ভালেমান দিন অধিকাৰ হৈ আছিল। তাৰ পৰা আহি বনমালীদেৱে দক্ষিণপাটত যিখন সত্ৰ প্ৰতিষ্ঠা কৰিলেহি, সেইখনকে বৈকুণ্ঠপুৰৰ আহিতেই কৰালে। যদিও পাচত দক্ষিণপাট সত্ৰ বুলিয়েই নাম জ্বলিল প্ৰভুৱে কিন্তু পোনতে নাম দিছিল বৈকুণ্ঠ পুৰহে। সেইদেখি দক্ষিণপাটৰ মূল যোগসূত্ৰডাল বেহাৰৰ দামোদৰী সত্ৰ বৈকুণ্ঠপুৰৰ লগত লাট লাগি থকা।

যিখন মূৰ্তিক উপাসনা কৰি যুধিষ্ঠিৰ মহাৰাজে ৰাজসূয় যজ্ঞ কৰিছিল, সেইখন ৺শ্ৰীশ্ৰীযাদৱৰায় মহাপ্ৰভুৰ মূৰ্তিয়েই অদ্যাবধি দক্ষিণপাটত দৈনিক ইষ্ট দেৱতা ৰূপে পূজিত হৈ আছে। দেৱ দামোদৰৰ উপাস্য বিগ্ৰহ সালগ্ৰাম খনিও ক্ৰমাগত সত্ৰাধিকাৰসকলৰ দ্বাৰাই সদা সৰ্বদা পূজা অৰ্চনাৰে সুৰক্ষিত হৈ আছে। সেই কাৰণেও কোচবেহাৰৰ পৰা উত্তৰ লক্ষীমপুৰলৈকে জুৰি থকা দামোদৰী সত্ৰ-সমূহৰ ভিতৰত দক্ষিণপাট সত্ৰ বিশেষৰো বিশেষ বুলি কলে বৰ বঢ়াই

** মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ স্থাপিত থান ভেলা বা মধুপুৰৰ অধিকাৰী জনক বৰ ভকত বোলা হৈছিল। মধুপুৰ ধামৰ মণিকূটৰ বৰ দুৱাৰত অসংখ্য দেৱতাৰ মূৰ্তি আছিল। সেই মূৰ্তিৰ ওপৰত একো প্ৰাধান্য নিদি বৰভকতসকলে ভাগৱত পাঠতহে কেৱল প্ৰাধান্য দিছিল। বৈকুণ্ঠপুৰত হলে (দামোদৰপুৰত) ভাগৱত পাঠৰ উপৰিও বৈদিক আৰু ভাগৱতী বিষ্ণু দেৱতাৰ পূজা অৰ্চনা কৰা হৈছিল। ভকত আৰু মেধিৰ এইটিয়েই পাৰ্থক্য।

কোচবেহাৰ ষ্টেটচ—এইচ এন চৌধুৰী

কোৱা নহয়। সত্ৰৰ ঠাই লবাই ফুৰোৱাত সত্ৰীয়া সম্পদৰ বিস্তৰ ক্ষতি হৈছিল আৰু কোনো কোনো চিৰাচৰিত নীতি নিয়মৰো ব্যতিক্ৰম ঘটিছিল, তথাপি পৰৱৰ্তী কালত ৰজা আৰু সেৱক শৰণীয়া ভক্তবৃন্দৰ সাহায্যত পূৰ্বৰ নীতি নিয়ম অনুসৰিয়েই সম্প্ৰতিও পূজা পদ্ধতি নাম কীৰ্তন অখণ্ড আৰু অটুট ভাৱেই চলাই অহা হৈছে।

একেজনা আদিগুৰু (শ্ৰীশ্ৰীদেৱ দামোদৰ) আৰু একে ব্ৰহ্মসংহতি হলেও, একে মৰ্য্যদাৰে চলা ই তিনিখন ৰজা সত্ৰেৰে সৈতে দক্ষিণ পটীয়া ধৰ্মাচৰণৰ দৈনিক প্ৰসঙ্গক্ৰমৰ কিছুমানত পাৰ্থক্য দেখা যায়— (১) যাদৱৰাই মহাপ্ৰভুৰ আগত বিহু সংক্ৰান্তিৰ ব্যতিৰেকে দৈনিক সিদ্ধান্ন আৰু নৈবেদ্যাদি ভোগ দিয়া হয়। (২) সত্ৰৰ গৰাকী অধিকাৰ গোস্বামী প্ৰভুৱেহে নিজে নিতৌ শ্ৰৱণী সকলক আগত থৈ ভাগৱত পাঠ কৰে আৰু ব্যাখ্যা কৰি শুনায়। (৩) শ্ৰীকৃষ্ণৰ ৰাসোৎসৱেই দক্ষিণপাটৰ প্ৰধান আৰু ডাঙৰ উৎসৱ, গান-বাজনাও প্ৰসস্ত আশীৰ্বাদো সুকীয়া। পৌৰাণিক বিধিমতে ৰাধা কৃষ্ণ উভয়ৰে পূজা, হোম অৰ্চনা বন্দনা কৰি নৃত্যগীতে ৰাসলীলাৰ অভিনয় কৰা হয়। আধুনিকতাৰে কৃত্ৰিম ৰহণ সানি ভগৱন্ত শ্ৰীকৃষ্ণৰ প্ৰতি থকা অহৈতুকী প্ৰেম বিকৃত কৰি ৰাসৰ ভাৱনা কৰা নহয়। নাম কীৰ্তনত শঙ্কৰী-দামোদৰী একো প্ৰভেদ নাই। তথাপি, সত্ৰৰ নিজা বুলি পূৰ্বীয় অধিকাৰ পুৰুষসকলে ৰচনা কৰি থৈ যোৱা ঘোষা আৰু ভাগৱতৰ পদ কীৰ্তন ব্যৱহাৰ নকৰাকৈ নামপ্ৰসাদ কৰা নহয়।

"কলিৰ প্ৰাধান্য থকা তন্ত্ৰশাস্ত্ৰৰ সমাবেশ ভাগৱততো পোৱা যায়। শ্ৰীমদ্ভাগৱতৰ একাদশ স্কন্ধৰ সাতাইছ অধ্যায়ত শ্ৰীকৃষ্ণদেৱে ভক্ত উদ্ধৱক বৈদিক, তান্ত্ৰিক আৰু মিশ্ৰ এই তিনিপ্ৰকাৰ পূজাৰ উপদেশ দিছে। ইয়াৰ ভিতৰৰ যেই কোনো এক প্ৰকাৰেৰে বা তিনিও প্ৰকাৰেৰে ভগৱানক উপাসনা কৰিলে ভগৱান সন্তুষ্ট হয়। আৰু এই শ্ৰীমদ্ভাগৱতৰে "নিমিজায়ন্ত" সম্বাদত ভগৱদ্ধৰ্ৰক্তা আবিহোত্ৰ সিঙ্গয়ো তন্ত্ৰোক্ত বিধিৰেই ভগৱান বিষ্ণুক অৰ্চনা কৰিবলৈ উপদেশ দিছে।

শ্ৰীমদ্ভাগৱতৰ এনে মত অনুসৰণ কৰা শ্ৰীশ্ৰীদামোদৰ দেৱে প্ৰায় দামোদৰী সত্ৰ বিলাকত পুৰাণোক্ত আৰু তন্ত্ৰ শাস্ত্ৰোক্ত বৈষ্ণৱ মাৰ্গৰ প্ৰথাৰে শিষ্য সকলক দীক্ষা দিয়াৰ প্ৰণালী প্ৰণয়ন কৰাত প্ৰায়বিলাক দামোদৰী সত্ৰতে সেই প্ৰথা চলি আহিছে। দামোদৰ

দেৱৰে অনুগামী দক্ষিণপাট সত্ৰতো দামোদৰদেৱৰ দিনৰ পৰা আজিলৈকে দামোদৰ প্ৰদৰ্শিত দীক্ষামাৰ্গই প্ৰচলিত হৈ আছে। প্ৰধানতঃ বৈষ্ণৱ মাৰ্গৰ দীক্ষাই প্ৰচলিত আছে যদিও "বৈষ্ণৱঃ সৰ্ব্ব মন্ত্ৰণা মুপদেষ্টা ন সংশয়ঃ"—সনৎ কুমাৰ সংহিতাৰ এই মত অনুযায়ী দক্ষিণপাটতেই শৈৱ, শাক্ত, গাণপত্য আদি মাৰ্গৰ লোকে মন্ত্ৰ ল'বলৈ ইচ্ছা কৰি আহিলে, সিহঁতলাকৰ কুল প্ৰথা ৰক্ষা কৰি জীৱ হিংসা শূণ্য বৈষ্ণৱ পদ্ধতিৰে পুৰাণোক্ত বা তন্ত্ৰোক্ত মতে শৈৱ, শাক্ত বা গণপত্য আদি মন্ত্ৰও দিয়ে।

জীৱ হিংসাবিহীন বৈষ্ণৱ মাৰ্গেৰেই প্ৰভু দামোদৰে কোচ ৰজা লক্ষ্মীনাৰায়ণক দীক্ষা দিছিল। প্ৰভু বনমালীদেৱও এই পদ্ধতিৰেই জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ, ল'ৰা ৰজা বা ৰত্নধ্বজ সিংহ স্বৰ্গদেৱ কেইজনাক দীক্ষা মন্ত্ৰদান কৰিছিল বা শুনাইছিল।

ভগৱান শিৱই চৌষষ্ঠিখন তন্ত্ৰ শাস্ত্ৰ ৰচনা কৰিছিল। সেই তন্ত্ৰবিলাকত নিগম অৰ্থাৎ নিবৃত্তি মাৰ্গৰ পথ কমকৈ সন্নিবেশ কৰি আগম অৰ্থাৎ প্ৰবৃত্তি মাৰ্গৰ পথবিলাক সংখ্যাগৰিষ্ঠ ভাৱে যুগুত কৰা বাবে তন্ত্ৰশাস্ত্ৰ বিলাকক আগম শাস্ত্ৰ বুলি আখ্যা দিয়া হৈছে। পুৰাণোক্ত দীক্ষা দানৰ উপৰিও দক্ষিণপাটত যি তন্ত্ৰোক্ত দীক্ষা-দানৰ প্ৰথা চলি আহিছে সিয়েই হল সংখ্যালঘুভাৱে ভগৱান শিৱই তন্ত্ৰশাস্ত্ৰত উক্ত কৰা জীৱহিংসা বিহীন পবিত্ৰ নিগম পথ।

শিৱসিংহ স্বৰ্গদেৱে পৰ্বতীয়া গোসাঁইত শৰণ লৈ দীক্ষা মন্ত্ৰ গ্ৰহণ কৰে। তেওঁৰ বৰ কুঁৱৰী ফুলেশ্বৰী পোনতে আউনীআটী সত্ৰৰ সেৱকিনী আছিল। "বৰৰজা" হোৱাত স্বামীৰ অনুগামিনী হৈ উক্ত গোস্বামীতে দীক্ষিতা হয়। ৰজাৰ যেই ধৰ্ম প্ৰজাৰো সেই ধৰ্ম বুলি ডাঙৰীয়াসকলৰো বহুতে ৰাজগুৰু পৰ্বতীয়া গোসাঁইত শৰণ লয়। কিন্তু দক্ষিণপাট সত্ৰত শিৱোক্ত তন্ত্ৰ মতে ইচ্ছুকসকলক দীক্ষা দি অন্য ঠাইত শৰণীয়া হবলৈ নোযোৱাকৈ ৰখাত দেশৰ অধিপত্য দেশতে থাকিল। অসমৰ পুৰণি সত্ৰ এখনে তন্ত্ৰোক্ত মতে ধৰ্ম বিলাই জাতীয়তাৰ ফালৰ পৰা অসমৰ বৰ উপকাৰ কৰিলে সেইহে ঐতিহাসিক পণ্ডিত আৰু দিহিং সত্ৰৰ এগৰাকী প্ৰসন্ন শিষ্য ৰায়বাহাদুৰ কনকলাল বৰুৱা ডাঙৰীয়াই লেখিছে, "বাস্তৱিক দেশীয় আৰু জাতীয় ভাৱৰ পৰা বিবেচনা কৰি চালে তেওঁলোকে (দক্ষিণপাটে) এনে

নীতি অৱলম্বন নকৰা হলে আমাৰ ধৰ্ম গুৰুৰ আধিপত্য নেথাকিল-হেঁতেন।*

হিন্দু ধৰ্ম গ্ৰহণ কৰা বাবেই আহোম ৰজাৰ পতন হ'ল বুলি বহুতে মন্তব্য প্ৰকাশ কৰে। কিন্তু যি সময়ত অসমৰ স্বতন্ত্ৰীয়া অস্তিত্ব আৰু সন্মানজনক গৌৰৱ সদৌ ভাৰতময় ৰাষ্ট্ৰ হৈ পৰে। যি জন চক্ৰধ্বজ সিংহৰ মুখত "মোগলৰ অধীন হৈ থকাতকৈ মৃত্যুৱেই শ্ৰেয়" বুলি বীৰত্বব্যঞ্জক আমোঘ বাণী উচ্চাৰিত হৈছিল, সেইজন স্বৰ্গদেৱে নিজেই আছিল গুৰু বনমালীদেৱৰ অনুগত শিষ্য। তেওঁৰ পাচত, যি দুজনা ৰজাৰ আমোলত শৰাইঘাটৰ যুদ্ধৰ সামৰণি পৰে সেই দুজনাও হিন্দু ধৰ্মচাৰ্য্য বনমালী গোহাঁইতে শৰাণ-ভজন আৰু দীক্ষা মন্ত্ৰ লোৱা। পাত্ৰমন্ত্ৰী ডা-ডাঙৰীয়া সকলো প্ৰায়েই হয় গুৰুত লোৱা, নহয় নামকথা লোৱা। আন কি যিজন লাচিত বৰফুকনৰ বীৰ ভৈৰৱ সাহস আৰু জ্বলন্ত দেশপ্ৰাণতাই অসমৰ স্বাধীনতা ৰক্ষা কৰি গ'ল সেইজনো দিহিং নমাটি সত্ৰৰ হিন্দু গুৰুৰে শিষ্য আছিল। (১) পানীফুকন, দিহিংগীয়া, ৰাজখোৱা, ফুকন, বৰুৱা বহুতেই আছিল ৰজাৰে সৈতে একে হিন্দু গুৰুৰে শৰণীয়া। গতিকে, হিন্দু ধৰ্ম গ্ৰহণ কৰা বাবে আহোম ৰাজত্ব ধ্বংস হ'ল বুলি জপাই বনমালীকৈ কোৱা কথাষাৰৰ ঠেক নাই, অন্ততঃ দক্ষিণপাটীয় ধৰ্মাচাৰ্য্যক "গুৰুত্ব বৰণ" কৰি তান্ত্ৰিক দীক্ষা লওঁতা চক্ৰধ্বজ প্ৰভৃতি স্বৰ্গদেৱসকলৰ

---

* "মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত"—বাঁহী।

(১) লাচিত বৰফুকনে দিহিং-নমাটি সত্ৰৰ বিনন্দশ্যাম গোস্বামীত শৰণ লৈছিল ঃ

এহিমতে দিব্য কাছে চলি যান্ত
আগে পাছে
অসংখ্য পদাক গণে চলে অতি
ৰঙ্গ মনে
শৰণে পশিল জানি লাচিত
ফুকন জ্ঞানী"

শ্ৰীধৰ্মকান্ত গোস্বামী

দিনলৈকে। (২) স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনতে স্থাপিত কুৰুৱাবাহী সত্ৰ। প্ৰভু শ্ৰীশ্ৰী৺নিৰঞ্জন দেৱত শৰণ লৈ মহাৰাজ জয়ধ্বজ সিংহই আউনী-আটী সত্ৰ পাতে। তাৰ পাছত গড়মূৰ সত্ৰ প্ৰতিষ্ঠিত হয়। দক্ষিণ-পাট সত্ৰও জয়ধ্বজ সিংহৰ দ্বাৰাই সংস্থাপিত। মহাৰাজ ৰুদ্ৰসিংহই আউনীআটীত শৰণ লৈ সত্ৰসমূহৰ শ্ৰেণী বিভাগ কৰে। তেওঁৰ দিনতেই আউনীআটী, দক্ষিণপাট, গড়মূৰ, কুৰুৱাবাহী, এই চাৰিখন সত্ৰক ৰজাসত্ৰ পাতি সকলো এটকা মহন্তকৈ উচ্চাসন দিয়া হয়। সেই অবধি দক্ষিণপাট সত্ৰ ৰজাসত্ৰ ৰূপে গণ্য হৈ আহিছে।(৩) অকল আহোম ৰজা সকলৰেই দক্ষিণপটীয়া গোস্বামী মন্ত্ৰদাতা গুৰু নাছিল, কোচ, কচাৰী ৰজায়ো এই সত্ৰৰ গুৰুৰ পৰা মন্ত্ৰ গ্ৰহণ কৰিছিল। গতিকে, দক্ষিণপটীয়া গোস্বামী কোচ, আহোম আৰু কচাৰী এই তিনিওটা বংশৰে ৰাজগুৰু। কোচ বেহাৰৰ মহাৰজা প্ৰাণনাৰায়ণ আছিল বনমালীদেৱৰ প্ৰথম ৰজা শিষ্য।(৪) মহাৰাজ লক্ষ্মীনাৰায়ণৰ পুতেকে বনমালী দেৱতে শৰণ লৈ বৈকুণ্ঠপুৰ সত্ৰত ভকত হৈয়ে আছিল। দৰঙৰ ৰজা বলিনাৰায়নৰ পুত্ৰ মহাধৰ নাৰায়ণেও বনমালীৰ

---

(২) অৱশ্যে, গকুলপুৰী সন্ন্যাসীৰ পন্থ অৱলম্বন কৰাৰ পাচত সুকীয়া সুকীয়া সংহতি হোৱাত হিন্দু ধৰ্মৰ যি অৱনতি আৰু সেৱক শৰণীয়া সকলৰ ভিতৰত পাৰস্পৰিক যি হিংসা, দ্বেষ আৰু অৰিয়া-অৰিৰ সৃষ্টি হ'ল তাৰ ফলত আহোম ৰাজশক্তি দুৰ্বল হৈ আহিল বুলি কোৱাটো অসমীচিন নহব।

(৩) পূৰ্ব জয়ধ্বজসিংহ স্বৰ্গদেৱ গাল্লবাটত (গোসাইসকল বহা) সভাৰ আদ্যন্ত উত্তৰোত্তৰ বহা নিৰ্মালি দিয়া ব্যৱস্থা কৰি গৈছিল। সেই নিবন্ধতে শ্ৰীশ্ৰীৰুদ্ৰসিংহ স্বৰ্গদেৱে পুনৰ নিবন্ধ কৰিলে। পূৰ্বত চেৰাই কিছু মহাজন আগপাচ হ'ল। শ্ৰীশ্ৰীজয়ধ্বজ সিংহ ৺দিনৰে পৰা ৰজাও ভকতীয়া হ'ল। জয়ধ্বজ সিংহ স্বৰ্গদেৱক অবধি লবাৰজা পৰ্য্যন্ত দক্ষিণপাটৰ শিষ্য। 'বুৰঞ্জী বিবেক ৰত্ন' মণিৰাম বৰভাণ্ডাৰ বৰুৱা।

(৪) "মধুপুৰেৰ বনমালী গোসাই মহাৰাজ প্ৰাণনাৰায়ণেৰ মন্ত্ৰদাতা গুৰু ছিলেন।" কোচবেহাৰৰ ইতিহাস—খান চৌধুৰী আমানুল্লা আহমদ।

সেৱক হৈ গুৱাহাটীৰ ওচৰত সত্ৰ পতাই দিয়াইছিল। দক্ষিণপাটৰ গোস্বামীয়েই দৰঙ্গীয়া, বেলতলীয়া ৰজা দুয়ো ঘৰৰে ইষ্ট গুৰু। সৌমাৰত দক্ষিণপাটৰ প্ৰভুত্ব স্বীকৃত হোৱাৰ আগেয়েই বেহাৰ কামৰূপত পুণ্যশ্লোক শ্ৰীশ্ৰী৺বনমালী দেৱৰ মহিমা মাহাত্ম্যই, পাণ্ডিত্যই, প্ৰতিভাই গভীৰ প্ৰভাৱ বিস্তাৰ কৰি আছে। বনমালী গোসাঁইৰ ঐশ্বৰিক গুণসম্পন্ন শান্ত সৌম্য মূৰ্তি আৰু বাক সিদ্ধতাত মুগ্ধ হৈয়ে জয়ধ্বজ সিংহ স্বৰ্গদেৱেই পোন প্ৰথমে প্ৰভুতে আত্ম সমৰ্পণ কৰি মৃত্যুকালত দীক্ষামন্ত্ৰ শুনে। অকল তেৱেঁই যে দীক্ষা মন্ত্ৰ লৈছিল এনে নহয়; তেওঁৰ উত্তৰাধিকাৰী চক্ৰধ্বজ, উদয়াদিত্য ৰামধ্বজেও প্ৰভুৰ গুৰুত্ব বৰণ কৰিছিল। চুকিক্‌ফা বা কঠালগুটীয়া বা ল’ৰা ৰজায়ো বনমালীতে দেহ মন আত্ম সমৰ্পি শিষ্যত্ব গ্ৰহণ কৰিছিল।

কছাৰী ৰজা কৃষ্ণচন্দ্ৰয়ো শ্ৰীশ্ৰী৺যাদৱৰাই মহাপ্ৰভুৰ অতৰ্ক মহিমা দেখি আৰু হাতে হাতে তাৰ প্ৰত্যক্ষ ফল উপলব্ধি কৰি তদগত চিত্তে দক্ষিণপাটৰ গোস্বামীতে শৰণ লয় আৰু তেওঁৰ ৰাজ্যৰ ভিতৰতে দক্ষিণপাট সত্ৰৰ থাপনা এখনি পতাই তাৰ ভৰণ পোষণাৰ্থে মাটি বাৰী দি ভাগৱতী ধৰ্ম প্ৰচাৰত সহায়তা কৰে। শ্ৰীকৃষ্ণ ৰজাই পাতি দিয়া সত্ৰখনেই আজি নগাঁও জিলাত দক্ষিণপাট সত্ৰ নামে প্ৰখ্যাত হৈ আছে। তিনিখন দেশৰ ৰজাক শিষ্যৰূপে নিৰ্মালি দিবলৈ অধিকাৰ পোৱাটোৱেই দক্ষিণপাট সত্ৰৰ আগত “ৰজা সত্ৰ” বিশেষণটো নিৰ্বিৰোধে ৰজিতা খাই আছে।

শিষ্যসকলক সজ উপদেশৰ দ্বাৰাই ধৰ্মপৰায়ণ কৰি সামাজিক শৃঙ্খলা নিয়াৰিকৈ সংৰক্ষণ কৰা আৰু ঐহিক জঞ্জালৰ পৰা আঁতৰি ভক্তবৃন্দ সমন্বিতে ৰাজ্যৰ মঙ্গলাৰ্থে অহৰহ ভগৱন্তৰ চৰণত প্ৰাৰ্থনা কৰা এই দুটা কৰ্মই সকলো সত্ৰৰ মুখ্য কৃত্য। দক্ষিণপাট সত্ৰই ইয়াৰ উপৰিও কোনো কোনো সময়ত ৰজা নিৰ্বাচন আৰু কিছুমান ৰজাঘৰীয়া কঠিন সমস্যাৰ আউল ভঙাতো সংশ্লিষ্ট থাকিব লগীয়া হৈছিল। উদাসীন হৈ থকাৰ পৰা অব্যাহতি লাভ কৰা ইচ্ছুক ভকত সকলেও ৰজাঘৰীয়া বিষয় বাব লৈ ৰাজ্য শাসনৰ চেৰেকী ঘূৰাইছিল। আহোম ৰজায়ো একালত সেইবিলাক বিষয়ৰ সৰহ ভাগতে দক্ষিণপাটৰ ভকতহে নিযুক্ত কৰিছিল। জয়ধ্বজসিংহৰ মৃত্যুৰ পিছত

চক্ৰধ্বজক ৰজা পাতোতে যি খৰিয়াল বা অৰিয়া অৰি হৈছিল, তাক ভাঙি চক্ৰধ্বজ সিংহক ডাঙৰীয়াসকলে "লেচাঙৰ বহা ঘৰৰ পৰা" আনি অভিষেক পাতি ৰাজপাটত বহুৱালৈকে ৰাজ্য শাসনৰ বাঘজৰী ডাল দক্ষিণপাটৰ সত্ৰাধিকাৰ বনমালী গোসাঁয়েহে ধৰি আছিল। প্ৰতাপ সিংহৰ নাতি অৰ্জুন গোহাঞে ধৰ্মধ্বজ নাম লৈ ৰজা হলত, বুঢ়াগোহাঞিৰে যি বিবাদ লাগে তাতো দক্ষিণপাটৰ বনমালী গোসাঞিৰ মধ্যস্থতা নোহোৱাকৈ নহৈছিল।

কোচবেহাৰৰ প্ৰাণ নাৰায়ণ ৰজাৰ লগত জয়ধ্বজ সিংহৰ যি মনোমালিন্য ঘটিছিল, তাতো প্ৰাণনাৰায়ণৰ হৈ বনমালীদেৱ গা-হোৱাত হে স্বৰ্গদেৱৰ কুষাৰি মনোভাবে শাম কাটিছে। সেইদৰে চিনি পায়ো কোনেও "চিনি পোৱা নাই" বুলি কোৱা দৰঙী ৰজা সূৰ্য্য নাৰায়ণক "সূৰ্য্যনাৰায়ণ হয়" বুলি বনমালী গোসাঁয়ে খাটাংকৈ কোৱাত হে সকলো প্ৰত্যয় গৈছিল। গোসাঁই ঈশ্বৰে নোকোৱা হ'লে সূৰ্য্যনাৰায়ণে পোৱা ৰাজ্যডোখৰো নোপোৱা হ'লহেঁতেন; প্ৰভু বনমালী হোৱাতহে দুইকুল ৰক্ষা পৰিল। এইৰূপে আধ্যাত্মিক গুণৰ বলত এজন নহয় কেবাজনো ৰজাৰ ওপৰতো সুদীৰ্ঘ কাল পুণ্যাত্মা বনমালী দেৱৰ প্ৰভাৱ প্ৰতিপত্তি খটুৱাব পৰাত দক্ষিণপাট সত্ৰৰ মান সম্ভ্ৰম আৰু অলৌকিক ক্ৰিয়া কলাপ প্ৰসিদ্ধ হৈ থাকিল।

গোসাঁই বনমালীৰ দ্বাৰাই দত্ত পিশাচ শিষ্যকৰণ, প্ৰভুৰ ৫ তোলাকৈ কালকূট কানি ভক্ষণ আৰু তুলসী বিষ্ণুদেৱৰ নিৰ্মালিৰ মাহাত্ম্য প্ৰদৰ্শন, প্ৰভু বাসুদেৱৰ দ্বাৰাইও জড়মূৰ্তি জাগ্ৰত কৰণ আৰু নিঃসন্তানক সন্তান প্ৰদান, গুৰু ঈশ্বৰ হৰিদেৱৰ বাক্য উপলংঘা কৰাৰ অভিশাপ মিথ্যা-বাদীয়ে তৎকালে উপলব্ধি কৰণ ইত্যাদি অদ্ভুত অদ্ভুত ঘটনাতেই সত্ৰৰ ইণ্ট দেৱতা মহাপ্ৰভু শ্ৰীশ্ৰীযাদৱৰাইৰ কৃপাত দক্ষিণপাটীয় ধৰ্মা-ধিকাৰ সকলৰ তেজ বল আৰু ঐশ্বৰিক শক্তিৰ মহিমা পৰিলক্ষিত হয়।

সত্ৰৰ গোসাঁইসকল উদাসীন হ'লেও গৃহস্থী সত্ৰ এখন থকা বাবে প্ৰভু বনমালী দেৱৰ বংশৰ লোকেই সত্ৰ স্থাপন কৰা দিনৰ পৰা ধৰ্মাধিকাৰী হৈ আহিছে। আজি তিনিশ বছৰ পাৰ হোৱাৰ পিছতো আন সত্ৰ বা ঠাইৰ পৰা আনি দক্ষিণপাটৰ অধিকাৰ যে পাতিবলগীয়া হোৱা নাই সিও মহাপ্ৰভু যাদৱৰাইৰেই কৃপা। বনমালীদেৱৰ গোত্ৰ

ঐতিহ্য নিবন্ধ হ'বলৈ নিদিয়াকৈ একেৰাহে একে বংশতে সত্ৰৰ অধিকাৰত্ব ৰক্ষা কৰিবলৈ পোৱাটোও দক্ষিণপাটৰ এটি চকুত লগা বিশেষত্ব। ৰজা, গুৰু আৰু ৰাইজ—এই তিনিও ঘৰৰ পাৰস্পৰিক সংযোগ আৰু সুনিয়ন্ত্ৰণৰ ওপৰতে পৰজন্ম বিশ্বাস কৰা ৰাজ্য একোখনৰ নিৰাপদতা নিৰ্ভৰ কৰে—পন্থ পৃথক হ'লেও ইহকাল পৰকালৰ বিষয়ে চিন্তা কৰোতে দিব্য দৃষ্টিৰ ঋষি মুনিসকলে বান্ধি থৈ যোৱা শাস্ত্ৰৰ ব্যৱস্থা আটাইতকৈ উত্তম ব্যৱস্থা আৰু বান্ধনী নিকটকটীয়া। সেই বান্ধনীয়েই নীতি, নিষ্ঠা, সদাচাৰ, সদাচৰণ, সহযোগ, সহানুভূতি—এই এটাইবোৰকে একে ডালি সূতাৰে গাঠি দি সনাতন ধৰ্মক এককৈ থৈছে। গাঠিটো অলপ ঢিলা সোলোকা হ'লেই সমাজৰ মাৰ ভাগি যায়। মাৰ ভাগিলেই অৰাজকতাৰ সৃষ্টি হয়। কোনেও কাকো নমনা হয়। সামাজিক বান্ধোন শিথিল হ'বলৈ যাতে কেনিও ছিদ্ৰ নোলায় তাৰ প্ৰতিষেধক ব্যৱস্থা প্ৰণয়ন প্ৰয়োগ কৰাটোৱেই সত্ৰসমূহৰ প্ৰধান কৰ্তব্য। প্ৰাচীন ৰীতি-নীতি, লৌকিক সদাচাৰ আৰু এক পংক্তিতে চলা স্থানীয় সামাজিক প্ৰথা নিৰ্বিবাদে সংস্কাৰ বা সংৰক্ষণ কৰাত দক্ষিণপাট সত্ৰৰ শাস্ত্ৰসিদ্ধ সন্মত আৰু ব্যৱস্থা নিৰ্ভুলকৈ বুলি সৰ্বসাধাৰণৰ মাজত এটি বদ্ধমূল বিশ্বাস এতিয়াও অব্যাহত হৈ আছে।

যিবিলাক ঠাইত সত্ৰৰ ধৰ্মাধিকাৰসকলে পদাৰ্পণ কৰি সনাতন বৈদিক ধৰ্মৰ বন্তি জ্বলাইছিল, সেইবিলাক ঠাইতে একোখন একোখন গজালি সত্ৰ সংস্থাপিত হয়। মূল সত্ৰৰ দৰেই সেই বিলাক গজালি বা শাখা সত্ৰতো প্ৰভুদেৱ দামোদৰৰ প্ৰৱৰ্তিত ধৰ্ম মাৰ্গকে সদা সৰ্বদা অনুসৰণ কৰি অহা হৈছে। শাখা-প্ৰশাখা সত্ৰবিলাকে ঘাই সত্ৰৰ আজ্ঞা-অনুজ্ঞা, নিৰ্দেশ মতেই স্ব স্ব অঞ্চলত সামাজিক সংহতি স্থাপন আৰু ধৰ্মনীতি সম্প্ৰসাৰণ কৰাত দক্ষিণপাট সত্ৰৰেই ব্যাপকত্ব আৰু প্ৰতিপত্তি ঘোষিত হৈছে।

প্ৰত্যেকজন অধিকাৰ গোস্বামীয়েই চৌষষ্ঠী কলাৰ এটা নহয় এটাত পাৰদৰ্শী হ'বই লাগিব। শিষ্যও গুৰুৰ চাকতে গঢ়ালৈ উঠা হ'ব লাগিব। সেই হে সাহিত্য, সঙ্গীত, ৰাজনীতি, বিষয়, বাসনা ইত্যাদি সকলো ক্ষেত্ৰতে দক্ষিণপাটৰ শিষ্যই প্ৰায়েই শীৰ্ষস্থান লাভ কৰা দেখা যায়। নেদেখিবলৈ, সত্ৰৰ ইষ্ট দেৱতা শ্ৰীশ্ৰী৺যাদৱৰাই মহাপ্ৰভুৰ

ৰৰ আৰু গুৰুসকলৰ আশীৰ্বাদ নিৰ্মালিয়েই হ'ল "শিষ্য সকল বিদ্যায় প্ৰতিভায় শিৰফুটা হওক; বিভৱ বিভূতিৰে সমৃদ্ধ হওক, কীৰ্তি-যশস্যাৰে সুমণ্ডিত হওক; ধৰ্ম-ঐতিহ্য, সাহিত্য, ৰাজনীতি, সঙ্গীত চিত্ৰাদি সুকুমাৰ কলা সকলোতে জয় জয় ময় ময় হওক।" কতীয়া বছৰৰে চাৰিশ বছৰ পাৰ হৈ গ'ল, তথাপি প্ৰভুদেৱ দামোদৰৰ দ্বাৰাই যি বিশুদ্ধ ভাগৱতী ধৰ্ম প্ৰচাৰিত হ'ল সেই ধৰ্মৰ জেউতি আজিও পুণ্যভূমি মাজুলীতে উজ্বলি আছে আৰু বেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰৰ লগত অঙ্গাঙ্গীভাৱে জড়িত থকাত, ভট্টদেৱ, অৰ্জুনদেৱ, সন্তদেৱ আৰু ভগবানদেৱ প্ৰমুখ্যে দামোদৰ পন্থীসকলৰ সম্বন্ধটোও অবিচ্ছিন্নভাৱে চলি আছে।

অৱশ্যে বৰ্তমান সমাজৰ ৰাজনৈতিক চাকনৈয়াত পৰি প্ৰাচীনত্বৰ পূৰ্ণ কলা অব্যাহত ৰখাত হীন ডেঢ়ি যে ঘটা নাই, এনে নহয়, ঘটিছে। সেই বুলি বাহ্যিক আড়ম্বৰ আৰু সাময়িক বিলাসিতাৰ সোঁতত সত্ৰীয়া ঐতিহ্য আৰু আচাৰ-নীতিৰ বান্ধ ঢিলা কৰি বা উটাই দিয়া নাই। ৰুদ্ৰসিংহ স্বৰ্গদেৱে যি নিয়ম বান্ধি অসমৰ চাৰিখন সত্ৰক চাৰি সত্ৰীয়া বুলি উচ্চ মৰ্য্যাদা স্থাপি গ'ল, সেই নিয়মকে ৰক্ষা কৰি থাকিবলৈ প্ৰয়াসৰ এখুদমানো ত্ৰুটী কৰা নাই।

স্বৰ্গতকৈ শ্ৰেষ্ঠ জন্মভূমি ভাৰতবৰ্ষক সেৱা কৰি থাকিবলৈ অধিকাৰ গোস্বামীৰ দ্বাৰাই মহাপ্ৰভু ৺যাদৱৰাইক্ক সাক্ষী কৰি শ্ৰীমদ্ভাগৱতৰ চৈতন্যোদ্দীপক এই মহা মন্ত্ৰোপদেশৰ মৰ্মটি নিতৌ দক্ষিণপাটতে মন্দ্ৰ মন্দ্ৰস্বৰে অপ্লাৱিত সেৱক শৰণীয়াকে শ্ৰৱণ কৰাই থকা হয়ঃ "শুকে কহন্ত, জানা ৰাজা, এই ভাৰত বৰিষত অনেক পুণ্য নদ-নদী পৰ্বত সব আছে, যাহাতে স্নান কৰি পবিত্ৰ কৰ্মে মনুষ্য হয়। এই বৰিষৰ লোকে সাত্বিক কৰ্ম কৰি স্বৰ্গক যায়। তামসিক কৰ্মে নৰকক যায়। যদি আমাৰ স্বৰ্গভোগৰ অৱশেষ পুণ্য আছে, তেবে সেই পুণ্যে ভাৰত ভূমিত জন্ম হৌক। হে সভাসদ সব, দেখা, দেৱৰে প্ৰাৰ্থনী শৰীৰ ভাৰত ভূমিত পটয়া বিফল নকৰা।"*

---

*"আলোক"
পূজাসংখ্যা—১৩৭২।

অসমত ফিৰিঙ্গী

অসমৰ যৌৱন কালত কোচবেহাৰক সীমা কৰি তাৰ ভাটীফালৰ পৰা যেয়ে আমাৰ দেশত প্ৰবেশ কৰিছিলহি সেয়ে বঙাল নাম পাইছিল। স্বাধীন ৰজাৰ স্বতন্তৰীয়া আদেশ শিৰোধাৰ্য্য কৰি অসমীয়া বিষয়াই বঙাল-কটাতে এই বুলি টাব্ চিলিঙি পুতি থৈছিলগৈ যে, সেই সীমা পাৰ হৈ যি কোনো বঙালেই আহক, অসমৰ অভিমুখে ব্ৰহ্মপুত্ৰইদি কেতিয়াও উজাই আহিব নোৱাৰে---যদি হে কিবা ৰজাঘৰীয়া কামত বা ৰাজকীয় কথাত আহিব লগীয়া হৈছিল, তেন্তে সি কপিলীকলঙেদি হে অসম দেশত সোমাবহি পাৰিছিল। অসমীয়া মানুহৰ মানত তেতিয়া বিদেশী বুলিলে লেই-লেই-ছেই-ছেই, বঙালৰ বস্তু বেচা-কিনা কৰা মহা পাপ আৰু বঙালৰ আৰ্হি অনুকৰণ কৰাও অতি গৰ্হিত কাম। সেইদেখি, এটি বঙাল বা বিদেশীয়ে অসমত থিত দিলেহিয়েই, গুৱাহাটী চহৰৰ বৰফুকনৰ টোলৰপৰা গড়গাঁও নগৰৰ স্বৰ্গদেৱ চ'ৰালৈকে গোটেইখন তল-ওপৰ লাগি গৈছিল। তাতে আকৌ অসম ৰজাৰ অসম-তন্ত্ৰৰ ৰ'দ লৈ ডাঙৰ-দীঘল হোৱা অসমীয়া বিষয়াবিলাকৰ এইটো কথা বঢ়িয়াকৈ জনা আছিল যে এইখন অসম দেশ, ইয়ালৈ সোমোৱা বিদেশী মাত্ৰৰেই অভিপ্ৰায় মন্দ।

ৰজাৰপৰা খৰিভাৰীলৈকে সকলোৱে এনে ৰক্ষণশীল আত্মপ্ৰতিষ্ঠা ভাবৰ শিকলি ডাল আঁটি আঁটি বান্ধি ল'বপৰা বাবেই সমগ্ৰ হিন্দুস্থান মহতিয়াই অনা বিজয়ী মোগলৰ ঠাটকটককো অসমৰ দুৱাৰত থমক খুৱাই থব পাৰিছিল। অসম সকলোতে অ-সম---এই ভাবত ৰণচালি দি ফুৰিবপৰা নিমিত্তেই "ডাকিনীৰ দেশ" বুলি সকলোৱে অসমলৈ ভয় কৰিছিল। বঙাল-বহিষ্কাৰ নীতি অনুশীলন আৰু অনুকৰণ কৰাত অভ্যস্ত হৈ থকা গুণেই বামানয় শাস্ত্ৰৰ তীক্ষ্ণতৰ তৰোৱালখনিও ইন্দ্ৰদত্ত হেংদানৰ আগত উফৰি গৈছিল।

অসমৰ এনে ভমকাফুলীয়া যৌৱন কালত অসম-বুৰঞ্জী লেখকে সমাজিকতো বাৰু কেতিয়াবা ভাবিব পাৰিছিল নে যে সেই আত্মপ্ৰতিষ্ঠাৰ শিকলি ডাল ছিগি-ভাগি থানবান হ'ব, ৰণচালি দি ফুৰা

জাতি এটাৰ দেশ এখন শ্মশানশালী হ'ব, ইন্দ্রদত্ত হেংদানত মামৰে ধৰিব, বিদেশী বঙালে টিঘিলঘিলাব আৰু জীৱন্ত গড়গাঁও নগৰখনি যাদুঘৰৰ প্রতিমূর্তিৰূপে "নির্বাক নিষ্কম্প তৰুৰিৱ" জঠৰ লাগি পৰি থাকিব ?

এতিয়া, কোচবেহাৰৰ সিফালৰ বঙাল হে নেলাগে, বঙালবো বঙাল আও-বঙাল ইংৰাজৰ অনুগ্রহত অসমৰ তৃণতৰু জীৱ-জঙ্গম সকলোটি হয় ভয়ত, নহয়, কৃপাভিক্ষাত থৰহৰি কম্পমান।

তেতিয়া যীছুখৃষ্টৰ শক ১৬৩৯, যেতিয়া ফিৰিঙ্গী বুলিলেই অসমীয়াই ফৰিং-খেদা দিছিল। অসংখ্য বঙাল সেনাৰ লগত অসম দেশ চাওঁ বুলি অহা ফিৰিঙ্গী এটাই ক'ত এটা শগুণ মাৰিছিল সিও আমাৰ চোৰাংচোৱা—চেংধৰাৰ তীক্ষ্ণদৃষ্টিত পৰি স্বৰ্গদেৱৰ শৰণাপন্ন হ'ব লগীয়া হৈছিল। তেতিয়া শিয়ালকুঁচীৰ ওচৰৰে কোঠ এটিত আমাৰ আৰু বঙাল সেনাৰ মাজত থৈয়ানথৈয়া ৰণ চলি আছিল—

"পাচে, ফিৰিঙ্গী এটা শিয়ালকুচী কোঠৰপৰা আহি শগুণলৈ হিলৈ মাৰিলে। আমাৰ মানুহে হিলৈৰ শব্দ শুনি খেদি গৈ ফিৰিঙ্গী-টোক ধৰি আনিলে। পাছে, সকলে ফিৰিঙ্গীটোক লাইফঙ্গজাঙ্গত থৈ (লাইফংজাং নামৰ মানুহ এটাৰ হাতত গতাই দি) ৰজাদেৱৰ ঠাইলৈ দি পঠালে।" কথিত আছে, এই ফিৰিঙ্গীটোক হেনো ৰজাৰ আদেশ মতে ডিঙিত ডাকু লগাই, সি যি বাটেদি আহিছিল সেই বাটেদিয়েই গুচি যাবলৈ এৰি দিয়া হৈছিল।

ইং ১৬৬১ চনটো অসমৰ নিমিত্তে বিষম চন। মীৰজুম্লাৰ সৈন্যই গড়গাঁও নগৰখন লুৰিপুৰি নিয়াত জয়ধ্বজসিংহ মহাৰাজে হুক্ হুক্ কৰে কান্দিব লগীয়া হৈছিল। তথাপি, তেওঁ 'স্বতন্ত্রতা সন্মান ৰক্ষা হওক,' এই বুলি গোলাঘৰৰ অপৰ্য্যাপ্ত ধন-সম্পত্তি আৰু ৰাজ্যৰ অলেখ প্রজা সমর্পণ কৰিও বিদেশীৰ ছাঁ নগৰকিলে। সৌভাগ্যৱান মীৰজুম্লাৰ সেনাৰ লগতে আহি কেইজনমান ওলন্দাজ, আৰ্মেনীয়ান আৰু পর্টুগীজ নাবিকে অসমত ভৰি দি ৰজা প্রজাৰ অদ্ভুত স্বদেশ-বাৎসল্য দেখি-শুনি কৈ গৈছিল, বোলে, "কোনো বিদেশী মানুহ কেতিয়াও অসমলৈ আহিব নাপায়।"

মোগল সেনাৰ লগত অহা মলট্ পিলাৰ নামৰ এজন বেজে কৈ গৈছে, "এই দেশৰ (অসমৰ) মানুহবোৰ বৰ কাঠচিতীয়া। আমি লখৌ

গড়কাষৰীয়া গাঁৱত খাবলৈ আহাৰ বিচাৰিলত গাৱঁৰ মানুহবোৰে আমাক চাউলৰ সলনি তুঁহ এগাল আৰু মাছৰ সলনি চোকোৰা এগাল খাবলৈ দিছিল। এমাহমানৰ পিছতেই, আমাৰ মাজত গ্ৰহণী ৰোগ আৰম্ভ হ'ল আৰু বহুত সেনাও মৃত্যু হ'ল। বিদেশীবোৰ এনেকৈ গৰু মৰাদি মৰা দেখি অসমীয়াহঁতে অতিশয় আনন্দ লাভ কৰিছিল।"

১৬৬১ শকৰ (খৃঃ ১৭৩৯)—দিনকাম মাহত অৰ্থাৎ পুহ মাহত আমাৰ বুৰঞ্জীমতে তিনিজন আৰু গেইটৰ বুৰঞ্জীমতে চাৰিজন ফিৰিঙ্গী আহে অসম ৰজাৰ কাষেঁলৈ। সেই ফিৰিঙ্গী কেইজনৰ নাম যথাক্ৰমে বিল, গড্‌ৱিন, লিস্টাৰ আৰু মিল্। আমাৰ বুৰঞ্জীয়ে তেওঁবিলাকৰ নাম গুদিম বিল, দিস্তিৰ বিল আৰু মিস্টিৰ বিল বুলি কৈছে। (গেইটে লেখা নামটো মিলছ অৰ্থাৎ কৰ্ণেল মিল্‌ছ (Col. Mills) হে হ'ব লাগে)। লৰ্ড মেলকম্বৰ মতে কৰ্ণেল মিলছৰ অধিনায়কত্বত এই কেইজন ফিৰিঙ্গীয়ে অসম দেশত লোণৰ বেপাৰ কৰিবলৈ আহিছিল। লোণৰ বেপাৰেই যে সিবিলাকৰ মুখ্য উদ্দেশ্য আছিল এনে নহয়, সম্ভৱ হোৱা যেন দেখিলে, ৰাজনৈতিক দুৰ্বলতাৰ ছেগতে কামোৰ মাৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ জাল তৰিবৰো অভিসন্ধি আছিল। তেতিয়া কাছিম বজাৰত কোম্পানীৰ বেহা বেপাৰ কৰা কুঠী আছিল। সেই কুঠীৰপৰা মিল্‌ছ চাহাবে কেইনাওমান বালি-লোণ লৈ অসমত বেপাৰ কৰিবলৈ আহে। ইয়াত কেইবছৰমান বেপাৰ কৰি ফুৰোতে ৰাজধানীত বিদ্ৰোহ হয়। বিদ্ৰোহ দমাবৰ নিমিত্তে ৰজাই মিল্‌ছলৈ সহায় খুজি পঠায়। বাকী কেইজন চাহাবেসৈতে গোট খাই মিল্‌ছ চাহাবে বিদ্ৰোহ থমালেহি। পুৰস্কাৰ স্বৰূপে ৰজাই মিল্‌ছক অবাধে লোণৰ বেপাৰ চলাবলৈ দিলে। "লোণ চেলেকাই" অসম ৰজাক ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰতলগত কৰিবৰ মতলবেৰে মিল্‌ছ চাহাবে গড়গাঁও নগৰত এটি লোণৰ কুঠী পাতিবলৈ প্ৰস্তাৱ কৰি ৰজাক জনালে। ৰজাই কিন্তু, "ডিদ নট উইচ হিম টু এষ্টাব্লিছ হিম্‌চেল্‌ফ ইন্ দি কন্‌ট্ৰি" অৰ্থাৎ তেওঁক দেশত থিতাপি ল'বলৈ নিদিলে।

সেইসময়ত আমাৰ স্বৰ্গদেউ আছিল শিৱসিংহ মহাৰজা। উল্লিখিত চাহাব কেইজনে ৰাজ-কাষেঁত স্বৰ্গদেৱক কিৰূপে ওলগ জনাইছিল, চাওক ঃ—ফিৰিঙ্গীহঁত অহাৰ বুজ পাই ঃ—

"কাৰেঙৰ ভিতৰৰপৰা স্বৰ্গদেউ বৰচ'ৰাৰ মুখলৈ ওলাই আহিল। তাতে ফিৰিঙ্গী তিনটাই পাচ নুৰা বেজী, তামোল-পাণৰ শৰাই দুখন আৰু দুখন কম্বল—ইয়াৰে মান ধৰি, ভূমি চুই, দীঘল দি পৰি স্বৰ্গদেউক সাতসেৰা কৰিলে।"

কমলেশ্বৰ সিংহৰ ৰাজত্ব কালত ফৰাচী-বঙাল চিভেলিয়াৰ (Chevalier), ডাক্তৰ এনচেম্ আৰু মঁছিঅ' বেলার্ট (Dr. Anselme and Monsieur Belart) আহে গড়গাঁও নগৰ চাবলৈ। তেওঁবিলাক অহাৰ উদ্দেশ্য আছিল অসম দেশৰ মানচিত্ৰ আঁকি নিয়া। দিখৌৰেদি উজাই আহি ৰংপুৰ পোৱা মাত্ৰে তেওঁবিলাকক ৰাজমন্ত্ৰীৰ আদেশ মতে ৰাজ্যৰ বাজকৈ পঠিৱা হ'ল।

অসম-ৰজাৰ বৈদেশিক নীতি-সম্পৰ্কে আলোচনা কৰিলে অসম বুৰঞ্জীৰ মহিমাময় অধ্যায় দুটিমানে এই কেইটা কথা ফটফটীয়াকৈ দেখুৱাই দিয়ে ঃ—

(১) পোন-প্ৰথম অৱস্থাত অসমৰ ৰজা-প্ৰজাই বিদেশীৰ নামত জুইতো খেৰ এডাল নিদিছিল।

(২) বিদেশীৰ ঘন সঞ্চাল হ'লত, পৰাক্ৰমী বিদেশীৰ আগত সকলো ভৌতিক সম্পত্তি অৰ্পণ কৰিও অসমীয়া মানুহে সিহঁতৰ হাতত বিবেকৰ স্বাধীনতা বিক্ৰী নকৰিছিল।

(৩) যুগ অনুসৰি পৰিবৰ্তন হোৱা ঘটনাৰ সোঁতত পৰিও স্বাধীন দেশৰ স্বাধীন ৰজাই পৰদেশী মানুহৰ আগত নিজস্ব গৌৰৱ-পৰাক্ৰম আৰু সম্ভ্ৰম উপলব্ধি কৰাব পাৰিছিল।

যিমানেই আমি অসম বুৰঞ্জীখন পুংখানুপুংখৰূপে চন্দিয়াই ফঁহিয়াই চাওঁ, সিমানেই দেখিবলৈ পাওঁহঁক যে বুৰঞ্জী নাম সৃষ্টি হোৱাৰপৰা, কি ৰজা, কি প্ৰজা, সকলোৱেই বিদেশী মানুহক তেলপানী স্বৰূপে অসমৰ মাটিত খিলঞ্জি হৈ বহিবলৈ নিদিছিল।

ফিৰিঙ্গী সমাগমৰ প্ৰথম সূত্ৰপাত

কূটনৈতিক ফিৰিঙ্গী সমাগমৰ প্ৰথম সূত্ৰপাত হয় স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ দিনত। তাৰ পূৰ্বে যদিও হৈছিল, সেইবোৰ বালিৰ খোজ হে বুলিব লাগে। প্ৰকৃতপক্ষে, গৌৰীনাথ সিংহৰ ৰাজত্ব কালত হে বিদেশীৰ গোঁজেই বৰ গছ হবলৈ সম্পূৰ্ণ এক্তিয়াৰ পালে। এক্তিয়াৰৰ

মূল কাৰণ ঘৰুৱা কন্দল, ভায়ে-ভায়ে কটাকটি মৰামৰি, "মোৱামৰীয়া বিদ্ৰোহ।" "বিদ্ৰোহ"-তোলাৰ গুৰি যিয়েই নহওক, "বিদ্ৰোহে" কিন্তু আমাৰ দেশ জুৰুলা কৰিলে।

সেই সময়ৰ প্ৰজাৰ আৰ্থিক অৱস্থা আৰু সাহপিতলৈ চালে এইটো স্পষ্টকৈ সিদ্ধান্ত কৰিব পাৰি যে ঘৰুৱা কন্দলৰপৰাই আমাৰ যিমান হানি হ'ল, মানৰ অত্যাচাৰত হোৱা হানি তাৰ লগত তুলনাই নহয়। "মোৱামৰীয়া বিদ্ৰোহে" আমাৰ মাজ-কঁকালৰ যোৰা লৰাই দিলে।

কলিকতাত এচিয়াটিক চচাইটি স্থাপিত হোৱাৰ পিছতে, প্ৰাচ্য ভাষাত লিখা মূল্যবান পুথিবিলাক বৃটিছ গৱৰ্ণমেন্টৰ উদ্যোগত ইংৰাজী ভাষালৈ অনুবাদ কৰা হয়। ১৭৮০ খৃষ্টাব্দত হেন্ৰী ভেন্‌চিটাৰ্ট নামে এজন চাহাবে ফাৰ্ছী ভাষাত লিখা "আলমগীৰ নামা" পুথি-খনিৰ ইংৰাজী তৰ্জমা কৰে আৰু ১৭৮৬ চনত তেওঁ মৃত্যু হোৱাৰ পিছত ১৭৯০ চনৰ "এছিয়াটিক ৰিচাৰ্চ"ত সেই অনূদিত "আলমগীৰ-নামা"খন প্ৰকাশিত হয়। সাম্ৰাজ্যবাদী বৃটিছ জাতিক ইয়েই পোন প্ৰথমেই অসমীয়াৰ সাহপিত তেজবলৰ সম্ভেদ দিয়ে। সেই পুথিৰ "আচাম বৃত্তান্তত" লিখা আছিল ঃ---

'আচামৰ মানুহবোৰ বৰ নীচ; ইহঁতৰ কোনো ধৰাবন্ধা নীতি-নিয়ম বা কোনো ঈশ্বৰত বিশ্বাস নাই। ইহঁত কাৰো হুকুমৰ বা নিয়মৰ তলতীয়া নহয়; নিজৰ খুচি গলে যিহকে ইচ্ছা তাকে কৰে। নীচ মনে যিহকে কৰে তাকে সিহঁতে ভাল বুলি ভাবে।

"বঙ্গদেশৰ ভাষাৰ লগত সিহঁতৰ ভাষাৰ সমূলি মিল নাই। মুখৰ আকৃতি দেখিলেই মানুহবোৰৰ সাহবলৰ কথা বঢ়িয়াকৈ বুজিব পাৰি। কিন্তু, তাৰ লগে লগে, চেহেৰাত নুফুটিলেও, ভীষণ প্ৰকৃতি আৰু পাশৱিক স্বভাৱো দেখিবলৈ পোৱা যায়। কঠোৰ কাম কৰাত আৰু গাইগুটীয়া বলত ইহঁতক বহুত জাতিয়ে বলে নোৱাৰিব। ইহঁত দুঃসাহসিক, নিৰ্ভীক, অসভ্য, যুদ্ধপিপাসু, প্ৰতিশোধ লবলৈ সাজু, বিশ্বাসঘাতকী আৰু ব্ৰহ্ম-ঠগী। ইহঁতৰ দয়া-ধৰম, মৰম-চেনেহ, বন্ধুত্ব-সৰলতা, সত্য-সম্মান, লাজ-অপমান আৰু নৈতিক পবিত্ৰতা এইবোৰ একোটো নাই। ইহঁতৰ কঠুৱা হৃদিক্ষেত্ৰত দয়া-মৰমৰ গুটি কস্মিনকালেও পচোৱা হোৱা নাই।

"প্ৰায় ছয়-সাত হেজাৰ অচমীয়া গা-চোৱাই ৰাক্ষসৰ মূৰ্তি ধৰি নিৰ্ভীক চিত্তেৰে অস্ত্ৰ-শস্ত্ৰ লৈ সাজু হৈ দিনে ৰাতিয়ে ৰজাৰ ওচৰত পহৰা দি থাকে। এইবোৰ ৰজাৰ বিশ্বাসী সেনা। সেই দেশৰ যুদ্ধ কৰা অস্ত্ৰ-শস্ত্ৰ হৈছে হিলৈ, তৰোৱাল, যাঠী আৰু বাঁহৰ ধেনুকাঁড়। অচমীয়াৰ গড় আৰু নাও-বেৰেত হিলৈ, বৰতোপ আৰু ৰামচাঙ্গী তৰঙ্গাই থোৱা থাকে। সেইবোৰ ব্যৱহাৰ কৰাত অচমীয়াহঁত বৰ কাজুৱা। হতাহতিকৈ লাগিলে, এই জাতিটোৰ এটাৰ আগত অন্য জাতিৰ দুটাও তিষ্ঠিব নোৱাৰে।

আচাম ৰজা বৰ অভিমানী

"অতি ক্ষমতাসম্পন্ন পাৎশ্যাহৰ ওচৰতো এই ৰজাই কেতিয়াও সেও হৈ মূৰ দোওঁৱা নাই, নতুবা একো কৰ-কাটল বা চৈ-পচাও শোধোৱা নাই; বৰং, হিন্দুস্থান-অধিপতিৰ জগতজিনা সেনাৰ আক্ৰমণ ব্যৰ্থ কৰি জয়াশাৰ ওপৰত টাঙোন হে মাৰিছে। ইহঁতৰ বিৰুদ্ধে যুদ্ধ কৰিলে যিবোৰ বাধা-বিঘিনিয়ে জুমৰি দি ধৰেহি, তাক অতিক্ৰম কৰিবলৈ গৈ. জগদ্বিজয়ী বীৰ সকলো বিমোৰত পৰিছে। কোনো শত্ৰুসৈন্য দেশত সোমালে অচমীয়াহঁতে দুৰ্ভেদ্য গড়ৰ ভিতৰত সোমাই লৈ ছল-চক্ৰান্ত কৰি, ভাবুকি দেখুৱাই, চোৰাং আক্ৰমণ কৰি আৰু খোৱা সমল অনা-নিয়া কৰা বাট-পথ বন্ধ কৰি সিবিলাকক পীড়িবলৈ ধৰে। এইবোৰ উপায় যদি অথলে যায়, তেন্তে যুদ্ধ নিদি সিহঁতে ঘৰ-বাৰীবোৰ জুই লগাই খান্তাং কৰি পৰ্বতলৈ পলাই যায়। বাৰিষা বানপানীত শত্ৰুছাউনী তল গলে, ছেগ বুজি, পৰ্বতৰপৰা নামি আহে আৰু পলাই যোৱাৰ পোটক তোলেহি; পাছত এনেদৰে উৎপাত লগাবলৈ ধৰে যে নাজলনাথল হৈ থকা সেনাবোৰ বন্দী হয়, নাইবা মৰণত শৰণ লয়। এই দৰে আমাৰ অসংখ্য সাহিয়াল পুৰুষ ধ্বংসৰ চাকনৈয়াত পৰি চিৰকাললৈ চকু মুদিলে---এটি প্ৰাণীও জীয়াই নেথাকিল।

"হিন্দুস্থানৰ মানুহে আচাম দেশক ডাইনী যখিনীৰ দেশ বুলি কয় আৰু অচমীয়া মানুহক মায়াপী বুলি ভাবে। সেই দেখি হিন্দুস্থানীহঁতে এই দেশৰ নাম উচ্চাৰণ কৰোতে বাৰবুৰি মন্ত্ৰ মাতি লয়। সিহঁতে কয় বোলে, আচাম দেশত ভৰি দিলেই অচমীয়াৰ ভেলকী বাণত

ভোল গৈ কোনো মানুহ আৰু আপোনাৰ দেশলৈ উভতি অহিব নোৱাৰে।

"যি দেশ বিস্তীৰ্ণ, সমৃদ্ধিশালী, দুৰ্ভেদ্য, আপদ-বিপদেৰে পৰিপূৰ্ণ- য'ৰ আলি-পদূলি বাধা-বিঘিনিৰে ভৰা, যি দেশ জয় কৰিবলৈ গ'লে অসংখ্য বিপদে জুমুৰি দি ধৰেহি, য'ৰ মানুহবোৰৰ জ্ঞান নাই, যাৰ আচৰণ পাশৱিক, ব্যৱহাৰ দুৰ্দান্ত, য'ৰ মানুহবোৰ দেখিলেই ভয় লাগে, মৰসাহসী, নিৰ্ভীক, বিশ্বাসঘাতকী আৰু সুসজ্জিত, য'ৰ অগণন ৰণুৱাবোৰ ৰণ কৰিবলৈ উৎকণ্ঠিত হৈ থাকে, য'ৰ মানুহে আঁৰৰপৰা শত্ৰুক আক্ৰমণ কৰিব পাৰে, যি দেশৰ আকাশলংঘা, সুৰক্ষিত, খোৱা-সমলেৰে পৰিপূৰ্ণ কোঠ আছে, য'ত সাঁচি থোৱা খোৱা-বস্তুবোৰ নি-নি অন্ত কৰিবলৈ হ'লে বহুত দিন লাগে, যি দেশৰ বাটবোৰত কাঁইটীয়া জোপোহা গছ ভৰি আছে (কোটোহা বাঁহ) অৰু বিশাল নদনদীয়ে হো-হো কৰিব লাগিছে, সেইখনি দেশ যে আল্লাৰ কৃপাত আৰু অশেষ গুণসম্পন্ন পাৎশ্যাহৰ প্ৰবল-প্ৰতাপত মুছলমান সৈন্যৰ হাতলৈ আহিব আৰু তাত যে মুছলমান ধৰ্মৰ বিজয় ধ্বজা পোতা হ'ব ভাবিলে সঁচাকৈয়ে স্তম্ভিত হব লাগে।"

মহম্মদ কাজিমে লেখা ওপৰোক্ত পেটতে হাত-ভৰি-লুকুৱা অসমৰ অপূদঘাট বিৱৰণ পঢ়ি সেই সময়ৰ বাতৰি-কাকতত এজন সাংবাদিক ইংৰাজ ৰাজনীতিজ্ঞই লেখিছিল, "ৰাজনৈতিক অৱস্থাৰ পাক-চক্ৰ আৰু সুবিধাৰ ছিদ্ৰ চাই অসম দেশ অধিকাৰ কৰিবলৈ যত্ন নকৰিলে, এনেয়ে আক্ৰমণৰ অভিপ্ৰায় কৰি সৈন্য চলাব লাগিলে অভিযানৰ বিফলতা অনিবাৰ্য্য।"

মোগল পাৎশ্যাহসকলৰ দোদুল্যমান ঐশ্বৰ্য্য, ৰাজ্য-বিভূতি আৰু অপৰাজেয় বীৰত্ব ভাঙি-ছিঙি চূণছাট কৰি ইংলণ্ডৰ বণিক সম্প্ৰদায়ে যি ৰাজনৈতিক কূটনীতিৰ বলেৰে দেশৰ পিছত দেশ, প্ৰদেশৰ পিছত প্ৰদেশকৈ গোটেইখন হিন্দুস্থান হস্তগত কৰিলে, সেই কূটনীতিকে অসমতো প্ৰয়োগ কৰিবলৈ ধৰিলে। সেই ৰাজনীতিয়েই কূট ৰাজনীতি যাক প্ৰয়োগ কৰি এক পক্ষই অপৰ পক্ষক ভুৱা দি বশৱৰ্তীকৈ ৰাখিব পাৰে।

এটা শক্তিয়ে আন এটা শক্তিক ভুৱা দি আপোনাৰ অধীনলৈ আনিবলৈ শক্তিটোৰ প্ৰত্যেক মগজু থকা ব্যক্তিয়েই আপোন-আপোন

শক্তি অনুযায়ী চিন্তা কৰা উচিত। জাৰ্মান জাতিৰ প্ৰত্যেক জন চিন্তাশীল পুৰুষেই চিন্তা নকৰা হ'লে ইউৰোপৰ প্ৰথম মহাসমৰত এণ্টোৱাৰ্প নগৰখন উৰাই দিবলৈ ৪০ বছৰ আগৰেপৰা প্ৰত্যেক জন জাৰ্মানে আয়োজন নকৰিলেহেঁতেন। "নন্দকুমাৰ বিশ্বাসঘাতকী"; তথাপি তেওঁক হাত কৰি মীৰজাফৰৰ হাত-ভৰি কোঙা কৰিবলৈ বৃটিছ ৰাজশক্তিৰ গুৰিয়ালৰপৰা আৰম্ভ কৰি সামান্য বেপাৰী ইংৰাজ এজনলৈকে অবিৰাম চেষ্টা নচলিলহেঁতেন। ভুৰা দিয়াই হৈছে বৃটিছ ৰাজনীতিৰ প্ৰথম প্ৰতিপাদ্য। এই প্ৰতিপাদ্যৰ গৰিলা লৈ খৃষ্টীয় ওঠৰ শ শতাব্দীৰ শেষৰ কুৰি বছৰত হিন্দুস্থানত বিচৰণ কৰা বৃটিছ-বণিয়াসকলে এটা চকু সদায় ধনে-সোণে সমৃদ্ধিশালী অসম দেশলৈ থিয়কৈ থৈছিল। অসম দেশত বৈদেশিক নীতি ঘুণাক্ষৰেও স্খলন হ'বলৈ দিয়া নহৈছিল। বুৰঞ্জীৰ পাতটিহঁতেও ৰজা-প্ৰজা সকলোকে সেই নীতি অৱলম্বন কৰিবলৈ সোঁৱৰাই আছিল। কিন্তু কি হব? আপদ কালত ভঁৰেও গ'ল খজুৱায়; ধ্বংস কালত জ্ঞানবুদ্ধি সকলো হত হয়। পাৰিপাৰ্শ্বিক অৱস্থাত, বান্ধনীবোৰ যিমানেই কি আঁটি-আঁটি বন্ধা নহওক হেলেক-লেক হৈ সুলকি যায়। এতিয়া গৌৰীনাথ সিংহ মহাৰাজৰ কপালতো সেয়ে ঘটিল। ঘৰুৱা কন্দল- "মোৱামৰীয়া বিদ্ৰোহেই" ৰাহুৰূপে অসমৰ স্বাধীন চিন্তা গ্ৰাস কৰিলেহি, অসমীয়াৰ কটকটীয়া বৈদেশিক নীতি ক'ৰবালৈ উফৰি গ'ল; অইন কি অসমৰ সিংহাসনেই থৰক-বৰক হ'বলৈ ধৰিলে। সিপিনে "আসাম ল'ম্" বুলি ভাবি-গুণি আশাপালি থকা বৃটিছ-বণিয়াসকলক এই অন্তৰ্বিদ্ৰোহে সুৱৰ্ণ সুযোগ উলিয়াই দিলে।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃপক্ষসকলে দেখাদেখিকৈ ৰাজ্যগ্ৰাস কৰা নীতি অৱলম্বন কৰা নাছিল যদিও, ওচৰচুবুৰীয়া ৰাজ্যৰ অধিপতিসকলক বিপদত সহায় কৰি বেহাবেপাৰৰ বাট উলিয়াই লোৱা নীতি হ'লে দেখাশুনাকৈ চলাই আছিল। বিদ্ৰোহত ঠাৱৰিব নোৱাৰি আমাৰ স্বৰ্গদেৱৰ প্ৰতিনিধি যেতিয়া লৰ্ড কৰ্ণৱালিছৰ তাত শৰণে পশিল গৈ, তেতিয়া তেওঁবিলাকে আনন্দ মনেৰে ৱেলছ চাহাবক সৈন্য সামন্ত দি অসমলৈ পঠিয়াই দিলে। উদ্দেশ্য—মোৱামৰীয়া বিভ্ৰাটত নাজল-নাথল হোৱা ৰজা-প্ৰজাক থানথিত লগাই থাপি থোৱা। সঁচাসঁচিকৈয়ে ৱেলছ চাহাবৰ লগত অহা নিচেই তাকৰ "ৰঙ্গাটুনী" বিলাকে ("মোৱা-

মৰীয়া বিদ্ৰোহত” যোগ দিয়াসকলে গোঁৰা চিপাহীক ‘ৰঙ্গাটুনী’ বুলি-ছিল) বিদ্ৰোহী প্ৰজাক দমাই ৰজাক সিংহাসনত বহুৱাই গ’ল। কিন্তু এনে এটা “উপকাৰী” অভিযান এনেই যাব নে? বেপাৰী বৃটনক যে এটা সুবিধা লাগে। সেই বাবে, ৱেলছ্ চাহাবে অসম দেশৰ ভিতৰুৱা অৱস্থা বিশদৰূপে বুজি স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ লগত বাণিজ্যৰ সুবিধাৰ্থে এখনি লিখিত সন্ধি কৰিলে। বিপদত পৰি ত্ৰাহি-ত্ৰাহি চিঞৰা গৌৰীনাথ সিংহয়ো ক’ৰবাত পাৰ পাওঁ বুলি স্বইচ্ছাতে সেই সন্ধিত সন্মতি জনালে।

“বৃটিছ গৱৰ্ণমেন্টে সাহায্য কৰি যি উপকাৰ কৰিলে তাৰ বাবে উপকৃত হৈ মহাৰাজ গৌৰীনাথ সিংহই সেই গৱৰ্ণমেণ্ট আৰু তেওঁৰ ভিতৰত প্ৰীতি-সদ্ভাৱ স্থাপন হওক বুলি আৰু অসম-বঙ্গৰ প্ৰজাৰ মাজত তাৰ সুফল বিস্তাৰ হওক বুলি, বৃটিছ গৱৰ্ণমেণ্টৰ প্ৰতিনিধি কেপ্টেইন ৱেলছৰ পৰামৰ্শ অনুযায়ী তেতিয়ালৈকে চলাই থকা বাণিজ্যৰ কিছুমান নিয়ম উঠাই দিবলৈ সন্মতি জ্ঞাপন কৰে; আৰু দুয়ো দেশৰ প্ৰজাৰ সুবিধা আৰু উপকাৰৰ অৰ্থে, সময় বুজি, এই ব্যৱস্থাৰ সাল-সলনি বা সংশোধনী কৰিবপৰাকৈ তলত লিখা নিৰ্বন্ধবোৰ গ্ৰহণ কৰে ঃ—

১ম ঃ—অসম-বঙ্গৰ প্ৰজাবিলাকে তলত লিখা নিয়মমতে আজিৰপৰা অবাধে সকলো প্ৰকাৰ বস্তুৰে বেহা-বেপাৰ কৰিব পাৰিব।

২য় ঃ—আজিৰপৰা বঙ্গদেশৰ যেই-সেই বেপাৰীয়েই অসমৰ যেই-সেই ঠাইত তেওঁৰ ইচ্ছামতে বেপেৰুৱা বস্তু বিক্ৰী কৰিব পাৰিব। সেইবোৰৰ ওপৰত এই নিৰ্বন্ধত বন্ধা মতে একো প্ৰকাৰৰ কাটল লগাব পৰা নহব।

৩য় ঃ—বেহা-বেপাৰৰ সকলো আমদানি ৰপ্তানি বস্তুৰ ওপৰত তলত লিখা মতে কাটল (Duties) ধাৰ্য্য কৰা হ’ল ঃ—

আমদানি—অন্য ঠাইৰপৰা অনা বস্তু

(ক) ৮৪ তুলীয়া সেৰৰ ১০০ মোণ লোণত সাধাৰণতে ৪০০·০০ টকাকৈ বেচ ধৰি সেই বেচৰ ওপৰত শতকৰা ১০·০০ টকাকৈ কাটল লগোৱা হ’ব।

(খ) য়ুৰোপৰ নয়নচুক (লংক্লথ) তাৱৰ কাপোৰ (মাকিন), দলিছা, তাম, সীহ, বগীটিন, তুলাপাত, মুকুতা, লোৱৰ বস্তু, অলংকাৰ সুগন্ধি মছলা আৰু অসমলৈ অহা অন্যান্য বস্তুৰ সমানে শতকৰা ২১০.০০ টকাকৈ কাটল ধাৰ্য্য কৰা হ'ল।

(গ) যুদ্ধৰ সঁজুলি আৰু বহুদপাতি আমদানি কৰা নিষেধ ঃ— কেনেবাকৈ সেইবোৰ অনা পালে তৎক্ষণাৎ বাজেয়াপ্ত কৰা হ'ব। কিন্তু, অসমত থকা কোম্পানী-সৈন্যৰ নিমিত্তে অনা যুদ্ধৰ আহিলাপাতিবোৰৰ ওপৰত একো প্ৰকাৰৰ কাটল লগাব পৰা ন'হব।

ৰপ্তানি—বিদেশলৈ পঠিওৱা

(ক) বিদেশলৈ পঠিওৱা প্ৰত্যেক বস্তুৰ মূলবেচৰ ওপৰত শতকৰা দহ টকাকৈ কাটল বহুৱা হ'ব। এই অনুপাতে বস্তুৰ মূল্য ধৰা হৈছে ঃ—

মুগা চুৰিয়া—মোণে (সেৰত ৮৪ তোলা হিঃ)				৯৫.০০ টকা
মুগা সূতা	—	—	—	৭০.০০ টকা
জলকীয়া	—	—	—	—
হাতীদাঁত	—	—	—	৫০.০০ টকা
কটা লা	—	—	—	৪.০০ টকা
চপৰা আৰু সুৰী লা		—	—	৪.০০ টকা
মঞ্জিষ্ঠা (মজাঠী)		—	—	৪.০০ টকা
কপাহ	—	—	—	—

(খ) যিবোৰ বস্তুৰ পৰিমাণ জুখিব নোৱাৰি বা মূল্য ধাৰ্য্য কৰিব নোৱাৰি সেইবোৰ বস্তুৰ ওপৰতো খৰচ বাদে প্ৰকৃত মূল্যত শতকৰা ওপৰত কোৱা নিৰিখেই কাটল লাগিব। কাটলুৱা ধনৰ সলনি বস্তুও সলাব পাৰিব। কিন্তু, বঙ্গ কিম্বা অসম দেশত আকাল হ'লে ধান চাউলৰ ওপৰত কাটল লগোৱা নহ'ব। কোনোবাই স্বৰ্গদেৱক কাটলৰ ধন নিদি প্ৰৱঞ্চনা কৰিলে তাৰ সকলো সম্পত্তি চৰ্কাৰী কৰা হ'ব—তাক বেপাৰ কৰিবলৈও দিয়া নহব।

৪ৰ্থ ঃ—কাটলুৱা ধন সংগ্ৰহ কৰিবৰ নিমিত্তে গুৱাহাটী আৰু কান্দাহাৰত (হাদীৰাত) দুখন চকী বা হাট থাকিব—তাত কেইজনমান দুৱৰীয়া বিষয়া (এজেন্ট) থাকিব।

৫ম ঃ—কান্দাহাৰ চকীত থকা এজেন্ট বা দুৱৰীয়া কেইজনে গুৱাহাটীৰপৰা পছিমে উৎপন্ন হোৱা বস্তু আৰু তাৰপৰা ভাটীলৈ যোৱা আৰু ভাটীৰ পৰা তালৈ অহা বস্তুৰ কাটল সংগ্ৰহ কৰিব। সেই কাটলুৱা ধনৰ নিমিত্তে দুৱৰীয়া কেইজন সম্পূৰ্ণ দায়ী থাকিব। তেওঁবিলাকে উজোৱা ভটীওৱা এটাইবোৰ নাও পৰীক্ষা কৰি নাৱৰ মালিকেসৈতে কাটল সম্বন্ধে পকাপকি বন্দৱস্ত কৰি নাৱত যোৱা প্ৰত্যেক বস্তুৰ পৰিমাণ আৰু সংখ্যাৰ নিমিত্তে একোখনি “পাছ” বা অনুমতি পত্ৰ দিব। সেই অনুমতি পত্ৰৰে নকল এখন তৎক্ষণাৎ গুৱাহাটীৰ এজেন্টলৈ পঠাব। গুৱাহাটীত পত্ৰ দেখুৱাই, আৱশ্যক হ'লে, মুদৈ বিলাক উজাই যাব পাৰিব।

৬ষ্ঠ ঃ—গুৱাহাটীত থকা এজেন্ট কেইজন গুৱাহাটীৰ উত্তৰে-দক্ষিণে আৰু পুবে নগাঁৱলৈকে উৎপন্ন হোৱা যিবোৰ বস্তু ৰপ্তানি কৰা হয় তাৰ কাটল সংগ্ৰহ কৰিবৰ নিমিত্তে দায়ী থাকিব। গুৱাহাটীত ভটীয়নী নাৱত যোৱা বস্তুবোৰৰ বাবে এখনি অনুমতি পত্ৰ দিয়া হ'ব। সেই পত্ৰৰে নকল এখন তাৰ এজেন্টে কান্দাহাৰ চকীলৈ পঠাব। নাওবোৰ কান্দাহাৰ চকী পোৱা মাত্ৰকে, এজেন্টবিলাকে তৎক্ষণাৎ তাৰ মাল পৰীক্ষা কৰিব। কিয়নো, যাওঁতে গুৱাহাটীৰপৰা কান্দাহাৰ চকীলৈকে—এই ডোখৰ বাটত মুদৈবিলাকে নতুনকৈ মাল ভৰাই ল'ব পাৰে।

৭ম ঃ—এজেন্টবিলাকক কাম কৰিবলৈ উদগনি দিবৰ নিমিত্তে আদায় হোৱা কাটলুৱা ধনৰপৰা শতকৰা ১২·০০ টকা হিঃ পুৰস্কাৰ দিয়া হ'ব।

৮ম ঃ—এজেন্টবিলাকৰ ভিতৰত ইজনে-সিজনে জামিন হ'ব পাৰিব। আৰু সমজুৱাকৈ কেউজন এজেন্টে সংগ্ৰহ কৰা ধন নেখাওঁ বুলি আৰু কোনো বেপাৰত সোঁপাকে বা বাঁওপাকে লিপ্ত নেথাকোঁ বুলি স্বৰ্গদেৱৰ কাষত লেখি দিব লাগিব।

৯ম ঃ--প্ৰতি মাহৰ ১০ তাৰিখে হিচাপ দাখিল কৰিব লাগিব। সংগ্ৰহ কৰা ধনখিনি স্বৰ্গদেৱৰ মনোনীত সঁজাতীৰ হাতত সপ্তাহৰ অন্ততে দিব লাগিব।

১০ম ঃ--জোখৰ নিৰিখ হব ৮৪ তোলাই এসেৰ আৰু ৪০ সেৰে এমোন।

১১শ ঃ--দুয়োফালে ৰাজনৈতিক বেমেজালিৰ আশঙ্কা থকা গুণে, কি বঙালী সদাগৰ, কি ইংৰাজ সদাগৰ, কি বিদেশী ভ্ৰমণকাৰী কাকো গৱৰ্ণমেণ্ট আৰু স্বৰ্গদেৱৰ বিনা অনুমতিত অসমত বাস কৰিবলৈ দিয়া নহ'ব।

১২শ ঃ--ইমান দিনে চলি থকা বেহাবেপাৰৰ নিষেধাজ্ঞা যে স্বৰ্গদেৱে আজি বন্দ কৰিলে সেই বাবে ইংলিছ গৱৰ্ণমেণ্টৰ প্ৰতিনিধি কেপ্টেইন ৱেলছ চাহাবে অসমৰ সুপ্ৰতিষ্ঠিত আইন উল্লংঘা কৰোঁতা বঙালী বিলাকক আৰু এই চুক্তি ভঙ্গকাৰীক দণ্ড বিহিবলৈ সন্মত হৈছে। সেই চুক্তি কৰি কোনোবাই যদি পৰস্পৰৰ ভিতৰত স্থাপিত হোৱা প্ৰীতিভাবত অপঘাত কৰে, তেন্তে তাকো স্বৰ্গদেৱে যথোপযুক্ত শাস্তি দিব লাগিব। সন্ধিপত্ৰখনৰ নকল একোটা এনেভাৱে সকলোৰে চকুত পৰা ঠাইত আঁৰি থব লাগিব যাতে কোনেও ইয়াৰ বিষয়ে আসে মাতিব নোৱাৰে আৰু কেপ্টেইন ৱেলছক অনুৰোধ কৰা হ'ল, তেওঁ যেন ইয়াৰ নকল এটা ইংলিছ গৱৰ্ণমেণ্টলৈ পঠিয়াই দিয়ে।

চহী
টমাছ ৱেলছ কেপ্টেইন

স্বৰ্গদেৱ মহাৰজা
গৌৰীনাথ সিংহৰ
চাব মোহৰ

এই সন্ধিপত্ৰবদ্ধাৰাই স্বৰ্গদেৱ গৌৰীনাথ সিংহই আশঙ্কা কৰা উপদ্ৰৱ-ভয় নিবাৰণ হ'ল সঁচা, কিন্তু ইমান দিনে বিদেশী সোমাবলৈ সাহ নোপোৱা কৃন্দাক্ষৰ জলাটো হ'লে ভোমোলা হৈ পৰিল। সেই ভোমোলা জলাইদি বাণিজ্যৰ নাম লৈ ফিৰিঙী বণিকবিলাকে অসম ৰাজ্যলৈ হো হো কৰে বিদেশী সমাগমৰ সোঁত বোৱাই পঠিয়ালে। পূৰ্বে অসমত কানি আছিল যদিও, বৰবিহ হৈ অসমীয়াৰ সাহপিত

উৎসাহ-উদ্যমৰ কণ মাৰিব নোৱাৰিছিল। ৰেলপথৰ অভিযান আৰু এই সন্ধিপত্ৰৰ বলত বেলতলাত আক্ৰু গুটি ওলাল। সেই আক্ৰু-কানিয়েই অসমীয়াক আলুৰে-কলাপুলিয়ে খানিবলৈ ভালকৈ শিপাই ললে। ডুখৰীয়া লোণৰ ঠাইত বালিলোণ সোমালহি। মুগা-মেজাঙ্কৰী-খাঙ্কৰা কাপোৰৰ ঠাইত নয়নটিট-তাৰৰ কাপোৰে অস-মীয়াৰ গা ঢাকি পেলালেহি। আমাৰ ওচৰচুবুৰীয়া জগৰীভাই নগাই চিংফৌবিলাকক লোণ-কানি চেলেকাই বৰী কলাৰ দৰে বৃটিছৰ বাণিজ্য-নীতিয়ে আমাৰ আমিত্বকো পাহৰাই পেলোৱালে। সন্ধিপত্ৰ, খন আঁতি-গুৰি মাৰি ফঁহিয়াই চালে এইটো কথা স্পষ্টকৈ ওলাই পৰে যে বৃটিছ স্বাৰ্থত চিকুট মাৰিব পৰা কোনো এটা চুক্তিয়েই তাত নাই। বিদেশী পৰ্য্যটককো অসমত থাকিবলৈ দিয়া নহ'ব, কিন্তু কোম্পানীৰ ফৌজ হ'লে থাকিব পাৰিব। বিদেশৰপৰা বিনা কৰে অসমলৈ আগ্নেয়াস্ত্ৰ আনিব নোৱাৰে; কিন্তু কোম্পানীৰ ফৌজক হ'লে বিনা কাটলত সেইবোৰ যোগাব লাগিব।

ইয়াত যি ছিদ্ৰ থাকি গ'ল, সি যে আমাৰ কিমান হানি কৰিলে তাক ভাবিলেই মূৰ ঘূৰি যায়। আমাৰ আৰ্থিক অৱস্থাত ই ৰাম-টাঙোন বহুৱালে; বুদ্ধি-সন্ধি-উৎসাহ-উদ্যমত মাৰ্ঘাত মাৰিলে। ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ দিনত যি অসমীয়াই ৫০ মাইল দূৰলৈকে গুলী মাৰিবপৰা বৰতোপ সাজিব পাৰিছিল, সেই অসমীয়াই এতিয়া বজালহাট বা হাদীৰাচকীত থকা য়ুৰোপীয় সদাগৰৰপৰা হাতনলীয়া হিলৈ কিনিয়েই সন্তুষ্ট থাকিব লগীয়া হ'ল। সন্ধিৰ আগৰেপৰা গুৱালপাৰৰ যোগীঘোপাত থাকি কাৰবাৰ কৰা মিষ্টাৰ ৰছ চাহাবক ৰৰকথা মতা বাবে যি অসমীয়াই কাটি টুকুৰাটুকুৰ কৰিছিল সেই চাহাবৰে জাতিভাই অন্যান্য বিদ্যোৎসাহী চাহাবক দেখি এতিয়া সেই অসমীয়াই স্তুতি বন্দনা কৰিবলৈ ধৰিলে ;—

> "পৃথিবীত যত লোক আচয় মহন্ত।
> সাহাবক তাৰা সবে সদা বখানন্ত॥
> আনকো শিখাৱে নীতি বিদ্যা যত যত।
> ৰণকো জানন্ত মহা মহন্ত পণ্ডিত॥
> দুষ্টক মাৰন্ত সিটো সন্তক ৰাখন্ত।
> দৰিদ্ৰক ধন দিয়া মনক পুৰন্ত॥"

কানি ববৰবিহ আৰু বিদেশী মোহৰ প্ৰভাৱত পৰি অসমীয়াৰ উত্তেজনা শক্তি ৰহিত হ'ল। বিদেশী বেপাৰীয়ে অনুগ্ৰহকৈ হাতে ভুকি পোৱাতে যোগাই দিয়া বাবে "শোকোতা দি মুকুতা" লৈছোঁ যেন ভাবি অসমীয়াই সকলো বস্তুৰে আৰ্জন কমাই আনিবলৈ ধৰিলে। দেশত দ্ৰব্যবস্তু মহঙ্গা হ'ল। এই উৎসাহহীনতাৰ বাবে অসমীয়া মানুহ নিজেই সৰহ ভাগ দোষী।

"সামুদ্ৰিক লোণ, বঙ্গাল দেশৰ কাপৰ লোৱা ব্যৱহাৰ চলিবলৈ ধৰিলে। তথাপি ধান্য প্ৰতি টকাই ১৬৷২০ পূৰা, সোণ এতোলাত ১০·০০ টকা, মুগা সূতা ৩·০০, ৪·০০ টকা, পাট সূতা ৪·০৯, ৫·০০ টকা, কপাহী সূতা, এৰি সূতাৰ সেৰে ·৭৫, ১·০০ টকা, মাহ পূৰাত ১২ পইচা, সৰিয়হ ১২ পইচা, মতা মহ ১০·০০, মাইকী মহ খীৰতী ২০·০০, ২৪·০০ টকা, ডিৰা ১২·০০, ১৪·০০, গাই ৩·০০, ৪·০০ টকা, বলদ ৪·০০, ৫·০০ টকা, শুণা ১·৭৫, ২·০০।"

পাচলৈ এই মূল্য ক্ৰমাৎ বৃদ্ধি হবলৈ ধৰিলে। অসমৰ সোণ চুচি বিদেশী বঙালে লৈ গ'ল। অসমৰ আৰ্থিক অৱস্থা দিনক দিনে বেয়া হৈ আহিবলৈ ধৰিলে। এয়ে ৰাষ্ট্ৰবিপ্লৱৰ পৰিণতি।

সন্ধি হোৱাৰ পিচতে, বৃটিছ গৱৰ্ণমেণ্টে দেশীয় ৰাজ্যত হস্তক্ষেপ নকৰা নীতি অৱলম্বন কৰিলে; ৰাজনীতি মাত্ৰেই সময় আৰু সুবিধা-সাপেক্ষ, সেই বাবে সেই নীতি চিৰস্থায়ী হ'ব নোৱাৰিলে। দেখা-দেখিকৈ, কোম্পানীয়ে দেশখন হস্তগত কৰা নাছিল যদিও, ৰেণেল, উড্ হেমিল্টন, ছেচুন আদি চাহাবে অসমৰ মানচিত্ৰ, ৰাজনৈতিক অৱস্থা আৰু আৰ্থিক সমৃদ্ধি সম্বন্ধে তলে তলে অসম দেশখন এক প্ৰকাৰ হস্তগত কৰি লৈছিলেই।

সোৱাই-সোৱাই ভাৰতবাসীৰ তেজ শুহিবপৰা নীতিত অভ্যস্ত কোম্পানীৰ কৰ্মচাৰীবিলাকে "দেশীয় ৰাজ্যত হস্তক্ষেপ নকৰা নীতিৰে" আভুৱা ভাবি, সম্পূৰ্ণৰূপে অসম দেশ অধিকাৰ কৰিবলৈ ২৫ বছৰ-লৈকে বাট চালে। চৱা শতাব্দীৰ মূৰত আকৌ ভাগ্যৱান্ বৃটিছৰ কপালত পদুম ফুল ফুলিল।

মানৰ অত্যাচাৰত আমাৰ দেশ উপান্ত হ'ল। আকৌ অসমে বৃটিছৰ সাহায্য ভিক্ষা কৰিবলগীয়া হ'ল। অনতিপলমেই সাহায্যও লাভ হ'ল। কিন্তু, এই বেলি, ই সাহায্য হ'লেও, গৌণভাৱে বহুত

দিনৰপৰা সাঁচি থোৱা আশা-অভিলাষ পূৰাবলৈ দৃঢ়তৰ মুঠিৰে হেঁচা মাৰি ধৰা বুলিছুৰ দেখাদেখি খামোচা। কাছাৰৰ সীমাত মানহঁতে হাত দিয়াত পৰৰাজ্যত হস্তক্ষেপ-নকৰা-নীতি ক'ৰবালৈ উৰি গ'ল। ইংৰাজে মৰম কৰি অসম ৰজাক এই বিপদ কালত সহায় কৰিবলৈ কঁকালত টঙালি বান্ধি আগবাঢ়ি আহিল আৰু এওঁবিলাকৰ উদ্যোগতে ১৮২৪ চনৰ এপ্ৰিল মাহত এই ইস্তাহাৰখনি অসমীয়া প্ৰজাৰ মাজত প্ৰচাৰিত হ'ল ঃ—

"হে আসাম দেশীয় প্ৰজাৰা, তোমৰা উত্তমৰূপে জ্ঞাত আছ যে কয়েক বৎসৰাবধি ব্ৰহ্মদেশীয়েৰা তোমাদেৰ দেশে উপদ্ৰৱ কৰিতেছে এবং তাহাৰদেৰ অধিকাৰ কালাবধি তোমাৰদেৰ ৰাজাকে সিংহাসনচ্যুত কৰিয়াছে ও দেশে লুঠ কৰিয়া অনেক ব্ৰহ্মহত্যা ও গোহত্যা ও স্ত্ৰীহত্যা কৰিয়াছে এবং নানাপ্ৰকাৰ অবক্তব্য দৌৰাত্ম ও কু-ব্যৱহাৰ কৰিয়াছে, তাহাতে তোমাৰ-দেৰ দেশীয় অনেক লোক ভাৰগ্ৰস্ত হইয়া আমাৰদেৰ শৰণাপন্ন হইয়া সেই স্থান হইতে সৰ্বদা আমাৰদেৰ সহায়তা অপেক্ষা কৰিতেছে। সে যে হউক, যে দুখেতে তোমাৰা দুখিত ছিলা, সে দুখ দেখিয়া আমৰা বৰ কাতৰ ছিলাম, কিন্তু ঐ সময় আমাৰ ৰাজাৰ সহিত আমাদেৰ মিত্ৰতা ছিল, তৎপ্ৰযুক্ত আমৰা ঐ বিষয়ে হাত দিতে পাৰি নাই। সম্প্ৰতি ব্ৰহ্মৰাজ্যেৰ অধ্যক্ষেৰা আমাৰদেৰ অধিকাৰস্থ কাছাড় আক্ৰমণ কৰাতে ও ঐ স্থানে আৰ আৰ দৌৰাত্ম্য কৰাতে ও নানাপ্ৰকাৰে অহঙ্কাৰ ও শত্ৰুবৎ বাক্য কথনেতে অৱশেষে আমৰা যুদ্ধে প্ৰবৃত্ত হইয়াছি। এবং তোমাৰদেৰ অপেক্ষিত সময় অৰ্থাৎ যাহাতে তোমৰা আপনাৰদেৰ অন্যায়কাৰকদেৰ হাত হইতে মুক্ত হইতে পাৰ এমত সময় এই উপস্থিত হইয়াছে। যেহেতুকে আমাৰদেৰ জয়ী সৈন্য যে পৰ্য্যন্ত সিমা না উলংঘন কৰিয়াছে এবং ঐ অসভ্য সৈন্যৰদিগকে ব্ৰহ্মকুণ্ডেৰ ওদিকে তাৰিয়ে দিয়াছে, এবং এই পৰ্য্যন্ত তোমাৰদেৰ এই উপদ্ৰৱ দেশে শান্তি ও নিৰ্ভয়তা না হয়, সে পৰ্য্যন্ত আমাৰ নিবৃত্ত হইব নাই। অতএৱ বৰ্তমান ও ভবিষ্যত কালেৰ নিমিত্তে নিৰ্ভয় হইয়া তোমৰা অগ্ৰসৰ হও। এবং আমাৰদেৰ সৈন্যেৰ আহাৰীয়

দ্রব্য যোগাও, তাহাৰ মূল্য নগদ দেওয়া যাইবে। এবং যাহাৰা তোমাদিগকে এত ক্লেশ দিয়াছে তোমৰা সময় পাইলে তাহাৰদেৰ প্রতিহিংসা কৰিতে ছাৰিও না। তোমাৰদেৰ ৰাজ্যজয়কৰণ পিপাসাতে আমৰা আইলাম না। কিন্তু তোমাৰদেৰ ৰক্ষার্থে ভাৰাক্রান্ত হইয়া শত্রুৰদেৰ নাশার্থ আসিয়াছি, যাহাতে তাহাৰা আমাৰদেৰ উপৰ আৰ দৌৰাত্ম্য না কৰে। অতএব, তোমৰা নিৰুদ্বেগে থাক, আমাৰদেৰ শত্রুদিগকে যে পর্য্যন্ত নিঃশেষৰূপে আসাম দেশ হইতে দূৰ না কৰি সে পর্য্যন্ত নিঃশেষৰূপে আসাম দেশত্যাগ কৰিব না। এবং তোমাৰদেৰ ৰাজ্য এমত পুনঃ স্থাপন কৰিব যে তাহাতে তোমাৰদেৰ সুখ ও ৰাজ্যৰ মঙ্গল বৃদ্ধি হইবে।"

মান খেদাওঁ বুলি দয়াশীল বৃটিন সন্তানসকল অসমত সোমালহি, আমাৰ দুখত সিবিলাকৰ হিয়া গলি গ'ল। আশ্বাস দিলে ঃ—

"যেতিয়ালৈকে তোমালোকৰ দেশত উপদ্ৰৱ হৈ থাকিব আৰু যেতিয়ালৈকে তোমালোকৰ ইয়াত শান্তি-নিৰাপদে দেখা নিদিয়ে তেতিয়ালৈকে আমি ইয়াৰপৰা নেযাওঁ।" অকল সেয়ে নহয়, উদাৰচিতীয়া দীনবন্ধু ইষ্ট ইণ্ডিয়া কোম্পানীৰ কর্তৃপক্ষই অভয় দি ক'লে, "আমি তোমালোকৰ ৰাজ্য জয় কৰিবলৈ অহা নাই।" ক'লা বঙ্গালক কচুকটা দিয়া অসমে জানোচা ক'ৰবাত কিবা লেঠা লগায় এই বুলি আকৌ সেই ইস্তাহাৰতে শিলৰ খুঁটাত মৰা দি মাৰি পঠিয়ালে, "আমি শত্রুহঁতক যেতিয়ালৈকে এটি নোহোৱাকৈ খেদি নিদিওঁ তেতিয়ালৈকে আমি অসম দেশ এৰি নেযাওঁ।"

আমাৰ শত্রু মানহঁত যাবৰ এশ বছৰতকৈও ওপৰ হ'ল; তথাপি আমাৰ ধর্মাৱতাৰ দয়াশীল বৃটিছ গৱৰ্ণমেণ্টৰ বোধে এতিয়াও আমাৰ শত্রু নিঃশেষ হোৱা নাই। সম্ভৱতঃ মেল্‌কল্‌ম্ চাহাবে কোৱা সেই "ইণ্ডিয়া ইজ এজ কোৱায়েট এজ গন্‌পাউডাৰ—" "খাৰগুলিৰ দৰে ভাৰতবৰ্ষখন এতিয়াও নিজম দি আছে" কথাষাৰ তেওঁবিলাকে এতিয়া মনত পেলাই আছে। নহ'লে নো আজিও পৰ্বতৰ দাঁতিয়ে-দাঁতিয়ে চাহ বাগিচাৰ নামত শাৰী পাতি বৃটিছৰ গাম (বৃটিছ কলনি-জেছন) কিয় গঠন হ'ব লাগিছে?

কালৰো কাল বিপৰীত কাল। এতিয়া এনে হে হৈছেহি যেন নিজৰ জন্মভূমিতে আমি নিজেই পৰদেশী হলোঁহঁক। আমাৰ চিনাকি আজি আমি নিজে দিব নোৱাৰোঁ। দিওঁ কেনেকৈ ?—লোকৰ পাতনি দি বা লোকৰ আলম লৈ। খৃষ্টীয় উনৈছ শতিকাৰ মাজ ভাগলৈকে অসমীয়াৰ অসমীয়াত্ব পূৰ্ণমাত্ৰাই বিদ্যমান আছিল। ১৮৬৩ চনত ডাক্তৰ ডব্লিউ নেছু লীজ (Dr. W. Nassu Lees) LL D. নামে এজন আঢ্যৱন্ত ইংৰাজ পুৰুষে অসমীয়া জাতিৰ কথা যি লেখি গৈছিল তাক এতিয়া পঢ়িলে মনত এনে হে লাগে যেন সেইবোৰ অসমীয়া মানুহ নহয়েই—কোনোবা কালৰ 'ৰৰকণা' দেশৰ হে মানুহ। প্ৰকৃততে, সেইবোৰ অসমীয়া মানুহেই আছিল। নেছু লীজ চাহাবে পঞ্জাৱ ভ্ৰমণ কৰি যুঁজাৰু পঞ্জাবী জাতিৰগৰা যি সন্মান আৰু আদৰ-অভ্যৰ্থনা লাভ কৰিছিল, অসমত সেই সন্মান, সেই আদৰ অভ্যৰ্থনা পোৱা হে নেলাগে, জনপ্ৰাণী এটিয়েও তেওঁ অহাৰ গমকে নললে। সেইবোৰ কথাকে বিতংকৈ লেখি তেওঁ দুখকৈ কৈছিল ঃ—

"When in the same capacity (of a private person) I visited my estate in Assam, though the proprietor of thousands of acres of land and employing as many of the people as were not too indolent to work and spending amongst them monthly a sum of money equal to the whole annual collection of a Mouza, though I made my entry with two elephants and such other outward and visible signs of wealth and barbaric splendour as were calculated to indicate that I was a person of some consequence, though I scattered handfuls of rupees amongst the drunken reapers whose fieids I passed over, though, the villagers *en masse* had full permission to cut wood and to graze their cattle gratis in my forest ; and though some of them had been allowed to

cultivate my lands without paying any rent whatsoever, none of the headmen of the villages came to pay his respect or to welcome me; villagers positively refused, not to give, but to sell me a cup of milk; and it was with considerable difficulty I procured such means of subsistence, as rice, milk, eggs and fowls for the few days I remained in my estate," অর্থাৎ তেওঁক অসমৰ অসমীয়াই সমুলিকে গণিতা নকৰিলে। চাহাবসকলৰ কিছুমানে ভাবে—তেওঁবিলাকৰ বগা-বৰণেই ক'লা মানুহৰ মনটি কোঁচ খুৱাই আনিব। কিন্তু স্বদেশপ্ৰেমেৰে উদ্বুদ্ধ বা সিক্ত হৈ থকা জাতি এটিৰ পক্ষে ভয় আৰু ভক্তি যে দুটা কথা আৰু ভক্তি যে ধন দি বা বাহ্যিক আড়ম্বৰেৰে কিনিব নোৱাৰি তাক নেছু লীজ চাহাবে অসমত ঠেকি শিকি গ'ল। চীনাবিলাকে কয়, ইংৰাজৰ সহযোগ এৰুৱাবলৈ বৰতোপ বন্দুকৰ প্ৰয়োজন নাই—ইংৰাজক যে পেটে পেটে ঘিণ কৰে, এয়ে যথেষ্ট,—এই কথাকে ইংৰাজ এজনক জানিবলৈ গম দিলে তেওঁ আপোনা-আপুনি আঁতৰি যাব। সেই গুণেই হ'বলা, দেশকালপাত্ৰৰ অৱস্থা বুজি, "শনৈঃ পন্থা, শনৈঃ শনৈঃ পৰ্বতলঙ্ঘনং" কৰিবলৈ অৰ্থাৎ বৃটিছৰ জাতিয়ে অসমৰ লগত হাট-বাট কৰাৰপৰা আৰম্ভ কৰি ১৮২৪ চনৰ ইস্তাহাৰ জাৰি কৰালৈকে এই ডোখৰ কালত অসমীয়াৰ অন্তৰ বগা-বঙালৰ ফালে কিমান টান খাইছে তাক চাবলৈ-- ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ত্ৰিশ বছৰ কাল লৈছিল।

ইংৰাজ বা ফিৰিঙ্গী দেখিলেই অসমীয়াই বুকু ফিন্দাই মুৰ দাঙি কথা কোৱা অভ্যাস বহুত দিনলৈকে আছিল। বৃটিছৰ সাম্ৰাজ্যত অন্তৰ্ভুক্ত হোৱাৰ পাছত প্ৰায় ৫০ বছৰলৈকে অসমীয়াই বিদেশীক বিদ্বেষ নয়নেৰে দৃষ্টিপাত কৰিছিল। অসমীয়া যে চাহাবৰ গুৰিত সেও নহয় তাৰ কথাও চেমুৱেল বেইল্ডন নামেৰে এজন চাহাবে ১৮৭৪ চনত এই বুলি লেখি গৈছে :---

"The greater proportion of the population of Asam are Hindus, although, of course there are some Musalmans. The race is a proud

one in a way, specially in the bearing of the people towards Europeans. I think, this may be accounted for thə fact that the province was never taken in conquest by the British, but only annexed from the Burmese."

অসম দেশখন যুদ্ধ নকৰাকৈয়ে মানৱ হাতৰপৰা লোৱা বাবেই অসমীয়া জাতিয়ে ইংৰাজৰ আগত ওফন্দি গঙ্গা-টোপটো হৈ দেখুৱায়।

বিদেশীলৈ অশ্রদ্ধা অসমীয়াৰ বাপতিসাহোন। জাকত জীণ যোৱা বিদেশীলৈ যে শ্রদ্ধা সিও অসমীয়াৰ বাপতিসাহোন। বলীৰ ওচৰত নির্বলী সেও হৈ পৰে, জোঁৰৰ আগত বন্তিৰ পোহৰ সমূলি নাই, ডাঙৰৰ ওচৰত সৰুৰ সত্বা লুপ্ত হৈ যায়। একাল আছিল যেতিয়া অসমীয়াই অইনক সেও কৰাইছিল; একাল আছিল যেতিয়া অসমীয়াই নিজৰ জোঁৰৰ পোহৰেৰে অন্যান্য জাতিৰ বন্তিৰ পোহৰ-খিনি নিস্প্ৰভ কৰি পেলাইছিল আৰু একাল আছিল যেতিয়া অসমীয়া জাতিৰ আগত অন্য জাতিৰ সত্বা আপোনা আপুনি লীন হৈ গৈছিল। কিন্তু এতিয়া সেই কাল ক'ত? পাহৰণি কোঁৱাচোন, অতীতৰ সেই সোণাময় কাল এতিয়া ক'ত? প্রতিধ্বনিৰে সুধিছে, বুৰঞ্জীৰ তুলা-পাতে সুধিছে, স্বদেশপ্রেমৰ প্রেৰণাই সুধিছে ঃ—

ফিৰিঙ্গী বঙ্গালক ডাকুদিয়া কালটো অসমলৈ আকৌ কেতিয়াবাকৈ ঘূৰি আহিব নে?

(১ম সংখ্যা, ৩য় বছৰৰ আৱাহন, ১৮৫৩ শক। ১৯৩১ চন)

স্বাধীনতা সংগ্ৰামত গমধৰ কোঁৱৰ আৰু পিয়লী বৰফুকন ঃ

দুৰ্দান্ত মানহঁতক ব্ৰহ্মকুণ্ডৰ ফালে খেদি আনোতে ভগাৰজা চন্দ্ৰকান্ত সিংহ আৰু যোগেশ্বৰ সিংহৰ জনচেৰেক বৰমূৰীয়া ভগা বৰুৱা-ফুকন-ডাঙৰীয়া বিষয়াৰ বাহিৰে অসমীয়া প্ৰজা মাত্ৰেই কোম্পানী ফৌজক বাট দেখুৱাই, ৰছদ-পাতি যোগাই আগ বঢ়াই আনিছিল। সেই সময়ত বৃটিছ আহ্বানকাৰীসকলৰ লগ নালাগি চন্দ্ৰকান্ত সিংহ মানহঁতৰ লগতে থাকিল। লোকদৰ্শকৰূপে ১৭৪৩ শকত (১৮২১ চনত) মানে পতা ৰজা যোগেশ্বৰ সিংহ আগৰেপৰা মান সেনাৰ লগত আছিলেই। ১৮২৫ চনত কৰ্ণেল বিচাৰ্ডছে মানৰ শেষ খোপনি ৰংপুৰ কোঠ অধিকাৰ কৰিলত, বৃটিছ ফৌজক সহায় নকৰি তাতে ফালৰি কাটি থকা মানুহখিনিৰে সৈতে চন্দ্ৰকান্ত সিংহ আৰু যোগেশ্বৰ সিংহ দুয়ো ওলাই পৰিল। দুয়োজনকো "কয়েদ" কৰি গুৱাহাটী আৰু যোগীঘোপাৰ ফালে যোগান দি আঁতৰাই পঠিয়ালে।

ৰংপুৰ কোঠত থকা পুৰণি মানখিনিয়ে আত্মসমৰ্পণ কৰিলে আৰু নতুনখিনি নিজৰ দেশলৈ উলটি গ'ল। সিহঁতৰ লগতে বৃটিছক নববা চন্দ্ৰকান্ত যোগেশ্বৰৰ সজাতী জনদিয়েকো গ'ল। জনদিয়েক ইয়াতে লুকাই থাকিল ভেশছনকৈ। দুজনমান আকৌ বৃটিছৰ বন্ধু হৈয়ো থাকিল। এই সকলোৰে সংকল্প হ'ল—বৃটিছক কেতিয়াও অসমত থাকিবলৈ দিয়া নহ'ব আৰু যেনেতেনে মতে সিহঁতক বাধা দিবই লাগিব।

তেতিয়া ব্ৰহ্মাৰজা বগিদ্যাৰ তাত মুখ্য পটেশ্বৰী আছিল যোগেশ্বৰ সিংহৰ বায়েক পদ্মৰেখা আইদেও। এওঁকে ১৮১৮ চনত চন্দ্ৰকান্ত সিংহ স্বৰ্গদেৱে ব্ৰহ্মৰজালৈ সালংকৃতাকৈ উচৰ্গি দি মান দেশৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল। এওঁৰ আলমতেই মানৰ দিনত যোগেশ্বৰ সিংহই অসমৰ ৰাজপাট খাইছিল।

উলটি যোৱা মানৰ লগত যে বৃটিছ নমনা দলটো গৈছিল, সেই-

টোৱেই পদ্মৰেখাক অস্ত্ৰ-শস্ত্ৰ দি সহায় কৰিবলৈ খাটিলে যাতে তাৰ দ্বাৰা কোম্পানী ফৌজ খেদি পঠিয়াব পাৰি। বৰকুঁৱৰীৰ মুখ সহিব নোৱাৰি ৰজাই অনিচ্ছাসত্ত্বেও ধতুৰা লাইহিক পঠিয়ালে---অসমৰ মন জুখিবলৈ।

মান ৰজাৰ পৰা আহ্বান পাই, কাম সিদ্ধি হ'ব যেন ভাবি, সকলোৱে মন-গা-দাং খাই আছিল আৰু সকলোৱে যুদ্ধ দিবলৈ কঁকালত টঙালি বান্ধি ওলাল। চিংফৌ খামতিৰো অনেক লোক সিবিলাকৰ লগ লাগিল। কিছুমান মান সেনাও ওলাল সিহঁতক খেদোৱাৰ পোটক তুলিবলৈ। এই যুদ্ধোদ্যমৰ প্ৰধান আগৰণুৱা আছিল চন্দ্ৰকান্ত সিংহ স্বয়ং, পাখি নায়ক আছিল তেওঁৰে পৰিষদ ভগা বৰগোহাঁই ধনঞ্জয়, পুতেক হৰনাথ, জোঁৱায়েক জীউৰাম দুলিয়া-বৰুৱা, নাওবৈচা ফুকনৰ পুতেক পিয়লীয়া আৰু যোগেশ্বৰ সিংহৰ দিনত বৰবৰুৱা বৰফুকন হোৱা বদন বৰফুকনৰ পুতেক পিয়লী; পূৰ্বে মানৰ লগত অহা মানৰ "বাঘ" চিংফৌ আৰু মানৰ ফুণ্ডি জনচেৰেক। এইসকলৰ ভিতৰত বুদ্ধিমন্ত চতুৰ আছিল হৰনাথ। তেওঁ দাঁতিকাষৰীয়া পৰ্বত ভৈয়ামৰ মানুহ সকলোকে জঙ্গী কৰি তুলিছিল। সকলোটিয়ে অস্ত্ৰ-শস্ত্ৰ, সৈন্য-সামন্ত গোটাই ধন-পইচা তুলি যুদ্ধৰ নিমিত্তে সন্তম হৈ আছিল। ইতিমধ্যে কোম্পানী ফৌজ সদিয়া সোমালহি। গমধৰ কোঁৱৰৰ নেতৃত্বত যুদ্ধৰ অভিযান চলাই সিবি-লাকে বৃটিছক তধামূৰি খুৱাই দিলে। এই অভিযান আৰম্ভ হৈছিল ১৮২৮ চনত আৰু ইয়ে বাঢ়ি গৈ ১৮৩০ চনত ওৰ পৰে।

গমধৰৰ দল নিৰ্মূল হ'ল যদিও শক্তি নিৰ্মূল নহ'ল। গমধৰৰ লগত ধৰা নপৰা দ্ৰোহীবিলাকে চিংফৌ, খামতিহঁতক বৃটিছৰ বিৰুদ্ধে থিয় হ'বলৈ উচটাই ফুৰিছিল। তেওঁবিলাকে চিংফৌৰ ৰাকুম কুংমিন, মটকৰ বৰ সেনাপতি সৰ্বানন্দৰ মাজুপুতেক কলিবৰ আৰু ইংৰাজৰ লগত থকা কেইবাজনো বিষয়ালৈ চিঠি-পত্ৰ লেখি তেওঁবিলাকৰ পক্ষভুক্ত কৰি ললে। তাৰে দুজনমানে বিশ্বাসঘাতকতাও কৰিলে; তথাপি চোপাবৰ, লাকোৱা, জয়পুৰ অঞ্চলৰ চাৰিশমান মানুহ লৈ তেওঁবিলাকে আকৌ ভৰাতলীত ধনুকাঁড় মাৰি যুদ্ধৰ আখৰা কৰিবলৈ ধৰিলে। ৰংপুৰত তেতিয়া ৩০টা মান চিপাহীৰে সৈতে জামাদাৰ এটা থাৰঘৰ ৰখীয়া আছিল। ঘৰটো খেৰৰ আছিল। সেই ঘৰ-

টোকে জুই লগাই পুৰি উজনি অসমত বৃটিছ প্ৰভুত্ব অৱসান ঘটাবলৈ পাং পাতি যুদ্ধৰ জয় হ'বনে নহয় দেওপূজা কৰি মঙ্গলো চালে। পূজাত দেও উঠাজনে জয় হ'ব বুলি কোৱাত ১৮৩০ চনৰ ২৫ মার্চৰ দিনা ৰংপুৰৰ খাৰঘৰত জুই দিবলৈ উৰুলিকৃত হৈ ওলাল। সেই মতেই সেই ৰাতি জুই দিবলৈ জীউৰাম দুলীয়া বৰুৱা, খামতি বুঢ়া-গোহাঁই, ধনঞ্জয়, হৰনাথ আৰু জনদিয়েক ওলাই আহিল। পিয়লী ফুকন পাচত গৈছিল। জীউৰামে নাহৰগুটি সি লোৱা কাড়ৰৰ আগত জুই লগাই খাৰঘৰটোলৈ মাৰি পঠিয়ালে। খাৰঘৰৰ ছালত জুই লাগি গোটেইখন দিন যেন পোহৰ হ'ল। কোম্পানীৰ চিপাহীয়ে খেদা মাৰি যোৱাত এটাইবোৰ ভিৰাই পকাই লৰ মাৰিলে। লোকৰ কান্ধত উঠি পাচত বৈ থকা চাকোলা পিয়লী ফুকনহে মাথোঁ পলাব নোৱাৰিলে। অৱশ্যে বৃটিছৰ হিন্দুস্থানী চিপাহী জালিম সিং, জয়নন্দন সিং আৰু প্ৰাগদত্ত চুবেদাৰে পলৰীয়া কেইজনমানক গেলেকিত ধৰিলেগৈ।

হৰনাথ বৰগোহাঁই, জীউৰাম দুলীয়াবৰুৱা, ৰূপচন্দ্ৰ কোঁৱৰ, দেউৰাম দিহিঙ্গীয়া ফুকন আৰু ব'ম চিংফৌক ধৰি আনি বিচাৰৰ নিমিত্তে বন্দীকৈ থলে। পিয়লী বৰফুকনক ধৰি কাপ্তান নৌৰিল চাহাবৰ আগত হাজিৰ কৰিলেহি। নৌৰিলে ফুকনক সুধিলে, তুমি বিদ্ৰোহাচৰণ কিয় কৰিলা ?

ফুকনে উত্তৰ দিলে ঃ মই দেশ উদ্ধাৰ কৰিবলৈ অহা সঁচা। পাৰিত পক্ষে কোনেও পৰাধীন হৈ থাকিবলৈ ভাল নাপায়। আমি মৰিম বুলি ভয় কৰি তোমালোকক খেদিবলৈ ওলোৱা নাই।

পিয়লীফুকনৰ বীৰোচিত বাক্য শুনি চাহাব মনে মনে থাকিল।

বিদ্ৰোহাচৰণৰ প্ৰতিশোধ লোৱাত পিয়লী অলপো বিচলিত হোৱা নাছিল। জয়সাগৰৰ পুখুৰী পাৰত সদৰ দেৱানী পঞ্চায়ত আছিল। বৃটিছ দ্ৰোহিতা বা প্ৰতিৰোধৰ বিচাৰ শুনিবলৈ সকলো "দ্ৰোহীয়াকে" বা যুঁজাৰুকে পঠিয়াই দিয়া হ'ল। পণ্ডিত-বিষয়া মেলুৱাই সকলে সুধি-পুছি সিবিলাকক ৰজাদিনীয়া নিয়মমতে ৰাজদ্ৰোহী বুলি সিদ্ধান্ত কৰিলে আৰু সেইমতে নানা লঘু-লাঞ্ছনা কৰি ফাঁচী হ'ব লাগে বুলি অনুমোদনৰ অৰ্থে ওপৰ বিষয়া কমিছনাৰ স্কটৰ ওচৰলৈ পঠিওৱা হ'ল।

তেওঁৰ পৰা আদেশ আহি পোৱাত পলম হোৱা বাবে মেথী চাহাবৰ নিৰ্দেশ অনুসৰি তেওঁলোক দুয়োজনকে শিৱসাগৰ বৰপুখুৰী পাৰৰ ঈশান কোণত ফাঁচী দিয়া হ'ল। ০০০

পোন-প্ৰথম স্বাধীনতাৰ যুদ্ধ

ইংৰাজী ১৮৫৭ চনত উত্তৰ ভাৰতত বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহৰ অগ্নি প্ৰজ্বলিত হৈ উঠে। স্বাধীনতা আকাংক্ষাৰ উন্মগনিত পৰিসততে অমিল হৈ থকা সদৌ ভাৰতবাসী সংঘবদ্ধ হয়; স্বদেশ-উদ্ধাৰৰ মহান যজ্ঞত হিন্দু-মুছলমানৰ ধৰ্ম-সঙ্কীৰ্ণতা জলাঞ্জলি দিয়া হয়; ভাৰতবাসী মাত্ৰেই এক মুঠি হৈ ভাৰতৰ প্ৰধান বৈৰী বৃটিছক ভাৰতৰপৰা বহিষ্কাৰ কৰিবলৈ দৃঢ়সঙ্কল্প কৰে। এয়ে বৃটিছৰ আমোলত, বৃটিছৰ বিৰুদ্ধে কৰা সদৌ ভাৰতীয়ৰ প্ৰথম স্বাধীনতাৰ যুদ্ধ। ইংৰাজ ঐতিহাসিকসকলে ইয়াক অকল চিপাহীৰে বিদ্ৰোহ বুলি জনতা-জাগৰণৰ গুৰুত্ব কমাই দেখুৱাইছে। স্বৰূপাৰ্থতে, অপহৃত স্বাধীনতা ঘূৰাই অনাত ভাৰতীয় চিপাহী, ৰাজন্যবৰ্গ আৰু জনতাৰ ইয়েই পোন প্ৰথম ঐক্যবদ্ধ প্ৰয়াস। ইয়াতেই লাখ-বিলাখ ভাৰত সন্তান স্বাধীনতা সংগ্ৰামৰ অগ্নিকুণ্ডত জঁাপ দি জাহ যায়। ভীম্মক নগৰৰপৰা দ্বাৰকালৈকে, ব্ৰহ্মাবৰ্তৰপৰা দাক্ষিণাত্যলৈকে বিদ্ৰোহৰ অগনি জ্বলিবলৈ ধৰে। জন্মভূমি উদ্ধাৰৰ নিমিত্তে হিন্দু-মুছলমানৰ টোপাটোপ তেজ গোট মাৰি বয়। দিল্লী অৱৰোধ, পলাশীৰ প্ৰতিশোধ, কানপুৰ আৰু চেকণ্ডৰাবাদৰ হত্যাত তেজৰ নৈ বৈ যায়। লাখ-বিলাখ ঢাল-তৰোৱাল, তোপ-খাণ্ড খণ্ড-বিখণ্ড হয়। হেজাৰ বিজাৰ হাতী-ঘোঁৰা মৰা শ হৈ পৰি যায়। দিল্লী, কানপুৰ, বেৰিলী, জগদীশপুৰ, ঝান্সিৰ সিংহাসন পুৰি ছাই হয়। য'ত তেনেকৈ ইংৰাজ বিষয়া বা বেপাৰী আছিল, সকলোৰে মূৰত শনি চৰিবলৈ ধৰে। ফলত, ফিৰিঙটিৰপৰা খাণ্ডৱদাহ হয়। এইৰূপে বিদেশী শাসন প্ৰতিৰোধ কৰিবলৈ গৈয়েই দুই লাখ ভাৰতীয় মুক্তি যুঁজাৰুৱে অকাতৰে, অকালতে তেওঁবিলাকৰ অমূল্য জীৱন আহুতি দিয়ে। ভাৰতৰ পুব প্ৰান্তত থকা অসমেও তাত লাগনী খৰি নোযোগোৱাকৈ থকা নাছিল। দূৰত্বৰ প্ৰতিবন্ধক থাকিলেও আৰু বৃটিছ-সাম্ৰাজ্য-ভুক্তিত কালৰ ন্যূনতা হ'লেও, বৃটিছ গৱৰ্ণমেণ্টে সদৌ হিন্দুস্থানতকৈ অসমৰ ডিঙিত দাসত্বৰ জিজিৰি পিন্ধাবলৈ অতিশয় সতৰ্ক ভাৱে কুটচালি

নীতি প্ৰৱৰ্তন কৰিব লগীয়া হৈছিল। এনে নীতিৰ অৱসান ঘটাই অসমৰো লুপ্ত স্বাধীনতা প্ৰতিষ্ঠা কৰিবলৈ প্ৰাণ পৰিশ্ৰমে চেষ্টা কৰা হৈছিল—এই স্বাধীনতা সংগ্ৰামৰ ক্ষণসন্ধিতে। তাৰে গুৰি ধৰিছিল সংগ্ৰামশীল, সালচকুৰা ৰাজনৈতিক পণ্ডিত মণিৰাম দেৱানে। তেওঁৰে সমভাগী কুশাগ্ৰবুদ্ধি-সম্পন্ন পিয়ালী বা মহেশচন্দ্ৰ গাভৰু-মেলীয়া বৰুৱাই স্বাধীনতাৰ বা-দি অসমীয়া প্ৰজাক বিদ্ৰোহৰ ভাবত মতলীয়া কৰি পেলাইছিল। এওঁবিলাক দুয়োজনৰ বুদ্ধি, পৰামৰ্শ, আদেশ-নিৰ্দেশতে স্বাধীনচিতীয়া, দেশানুৰাগী, মৰজিলিকা অসমীয়া মাত্ৰেই গা ঢালি অৰিহণা পেলাইছিল। স্বাধীনতা যুদ্ধৰ চিতাত উঠা দুই লাখ ভাৰতীয় দধীচিৰ শিতানতে অসমীয়া দধীচি মণিৰাম-পিয়ালীয়েও শিতান ল'ব লগীয়া হৈছিল। গতিকেই, মণিৰাম-পিয়ালীৰ প্ৰাণ পৰিত্যাগ মানেই "৫৭ ছালৰ" পোন-প্ৰথম স্বাধীনতা যুদ্ধ আৰু "৫৭ ছালৰ" যুদ্ধ মানেই মণিৰাম দেৱান আৰু পিয়ালী বৰুৱাৰ ফাঁচী।

যুদ্ধৰ ওৰা পাতি আনোতেই মণিৰাম দেৱান অৱস্থান কৰিছিল কলিকতাৰ লাটু বাবুৰ ঘৰত। উত্তৰ ভাৰতত ভালেমান ঠাইত বৃটিছৰ খাজনা-গেৰাজ দখল কৰা, বৃটিছে আটক কৈ থোৱা বন্দীবোৰ মুকলিকৈ দিয়া, অহা-যোৱা বাটবোৰ কাটি-ছিঙি ভয়ঙ্কৰ কৰা, যেনিয়ে তেনিয়ে বৃটিছক ঠেকত পেলোৱা—এইবোৰ বাতৰি আহি কলিকতাখন তল-ওপৰ লগাই আছিল। দিল্লীৰ সম্ৰাটে ৰজা জমিদাৰলৈ পঠিওৱা গোহাৰি পত্ৰখনে লাটুবাবুৰ ঘৰৰ কাষৰতে থকা চিৎপুৰ নৱাবৰ টোলত আৰু তাৰ ইফালে-সিফালে থকা জমিদাৰৰ ঘৰত গুপ্ত আলোচনাৰ বিষয় হৈ পৰিছিল। গোহাৰি পত্ৰত আছিল ঃ—

"যেনেতেনেমতে হিন্দুস্থানৰপৰা ফিৰিঙ্গীবোৰক খেদিবই লাগিব। প্ৰাণ যায়ও যাওক, তথাপি, খেদিব লাগিব! সদৌ হিন্দুস্থান স্বাধীন হওক, এয়ে মোৰ প্ৰাণৰ বাঞ্ছা। কিন্তু এই বিদ্ৰোহৰ যুদ্ধত আমাক মানুহ লাগিব। এনে মানুহ লাগিব যি বাৰবেৰেজীয়া মানুহ গোটাই এক কৰিব পাৰিব, যি সকলোৰে দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ হাঁফি ওলাব পাৰিব আৰু যি সকলোকে বিদ্ৰোহৰ ভাবত মতলীয়া কৰিব পাৰিব। ফিৰিঙ্গীবোৰক খেদাব পাৰিলে, মইও হিন্দুস্থানৰ পাটশ্যাহ হৈ নেথাকোঁ। তেতিয়া ৰজা নৱাব সকলোৱে গোট খাই নিজ ইচ্ছা মতে দেশ শাসন কৰিব পাৰিব।"

ইয়াৰ উপৰিও, নানা চাহিব, টাটীয়া টুপী, কুমৰ সিং, আমেদ ছাহ আদি ৫৭ ছালৰ "বিদ্ৰোহৰ" ঘাই ধৰণীসকলে সদৌ ভাৰতত ৰাষ্ট্ৰকৰা তেজ-উতলোৱা বাণীৰো ধ্বনি-প্ৰতিধ্বনি হৈয়ে আছিল।

এইবোৰ ঘঙ্কাল বাতৰিয়ে মণিৰামৰ বৃটিছ নিয়মতান্ত্ৰিক ভাব-ধাৰাৰ ওপৰত বিপ্লৱী ভাবধাৰাই উজান-ভাটী লগাবলৈ ধৰিলে। বিজুলী-ছাটিৰ দৰে তেওঁৰ মনত নেখেলোৱাকৈ নেথাকিল যে দাসত্বৰ শিকলি ছিঙিবলৈ হ'লে শস্তীয়া আবেদন-নিবেদনে একো গুণ নিদিয়ে; কঠোৰ ত্যাগ আৰু একতা নহলে দেশ কেতিয়াও স্বাধীন নহয়। আমাৰ ভৌগোলিক পৰিস্থিতি, ডা-ডাঙৰীয়াসকলৰ মনোভাৱ, বৃটিছ কৰ্মচাৰীসকলে দিয়া প্ৰতিশ্ৰুতিৰ মূল্যহীনতা, স্বৰ্গদেৱ পুৰন্দৰ সিংহৰ দিনলৈকে ৰজা-প্ৰজাৰ লানি নিছিগা লাঞ্ছনা—এই আটাইবোৰ কথা, এটি এটিকৈ তেওঁৰ মনলৈ তেতিয়া নহাটো অস্বাভাৱিক হ'ব নোৱাৰে।

বৃটিছ সংশ্ৰৱলৈ অহাৰ চাৰি বছৰৰ পিচৰপৰাই বৃটিছে ভালুকৰ দৰে যি ওলোটা খোজ ললে, তাৰ প্ৰতিকাৰ কৰিবলৈ তেওঁৰ শক্তিয়ে আঁটা নাছিল। কিন্তু, কোম্পানী-শাসনৰ প্ৰতি কক্ষা, কুমাৰি আৰু অসন্তোষ হ'লে, ওন্দোলাই অহা ডাৱৰৰ মাজত বৰষুণ সোমাই থকা দি, তেওঁৰ অন্তৰত সোমাই আছিল—বৰষিব কেতিয়া তাৰ হে একো ঠিক নাছিল। ১৮৫২ চনতে মিলচ্ চাহাবক দিয়া আবেদন-নিবেদনতে মণিৰামৰ বিদ্ৰোহী ভাব ফুটি ওলাইছিল।

মানৰ দিনৰ পিছত, ইংৰাজক জিনিবলৈ বা ইংৰাজৰ খোপনি লৰাবলৈ অসমীয়াৰ শক্তিত মামৰে ধৰিছিল। শিহৰ দৰে দুজন এজন স্বাধীনতাপ্ৰিয় লোকে তেওঁবিলাকৰ বিৰুদ্ধে থিয় হৈ "কেৰ্কেটুৱা ৰণ দিবলৈ" ওলাইছিল যদিও, ভাৰতীয় মানুহ—বেহাৰী-দেছুৱালী চিপাহীৰ হতুৱাই সেই লেহুকা আন্দোলনৰ ওপৰত মাধমাৰ দিয়া হৈছিল। এতিয়া সেই বেহাৰী-দেছুৱালীও আমাৰ মিত্ৰ হৈ পৰিল। ডিব্ৰুগড়ত যি তিনিটা দেছুৱালী পল্টন আছিল, তাৰ চিপাহীবোৰো বিদ্ৰোহতোলা কুমৰ সিংহৰ ৰাজ্যৰ আৰু চাহাবাদ জিলাৰ। বন্দুক-ধাৰী পল্টন যিটো আছিল, তাৰো বহুতৰে গুৱাহাটীতে থকা ২ নম্বৰ পল্টনৰ লগত নিকট সম্বন্ধ। গোলাঘাটৰ নোগোৰাত (ন গোৱা) "ফাৰ্ষ্ট আসাম লাইট ইনফেণ্ট্ৰি"ৰ যিটো ফৌজ আছিল তাৰ চিপাহী-বোৰেও ফিৰিঙী কৰ্মচাৰীক সময়ে সময়ে চকু পোন্দাই চাইছিল।

পতিকেই, ধনঞ্জয় বৰগোহাঁই, গমধৰ কোঁৱৰ আৰু জীউৰাম দুলীয়া বৰুৱাই বৃটিছক খেদিবলৈ কাৰবাৰ কৰোঁতে এইবোৰ চিপাহীয়েই যেনেকৈ বৃটিছৰ সহায় হৈ তেওঁবিলাকক ধৰি বন্দীকৈ আনিছিল, এতিয়া আৰু তেওঁবিলাকে তেনেকৈ আমাক ধৰি দি বৃটিছক সহায় নকৰে।

পুৰন্দৰ সিংহৰ আমোলত থকা ৫০০ জন অসমীয়া ৰণুৱা চিপাহী ৰজা ভগাৰ লগে লগে কাম নোহোৱাকৈ বহি আছিল।

ছশ বছৰকৈ নিৰ্ব্বিবাদে ৰাজত্ব কৰোঁতা, সোণৰ জখলাৰে নামি অহা খুনলুং-খুনলাইৰ বংশৰ এজন ডেকা সন্তান তেতিয়া যোৰহাটতেই আছিল; আৰু তেওঁৰ মান-সম্ভ্ৰম ৰক্ষা কৰিবলৈ অমাত্যবৰ্গৰ ভিতৰত ভালেখিনিয়েই অসমৰ সকলো ঠাইতে সিঁচৰতি হৈ আছিল।

তদুপৰি, তেতিয়া অসম দেশ ইষ্ট ইণ্ডিয়া কোম্পানীৰ কেন্দ্ৰ ঠাই কলিকতাৰপৰা বহুত দূৰৈত। ৰেল নাই, জাহাজ নাই, অহা যোৱা বাটো দুৰ্গম। কলিকতাৰপৰা খেদা মাৰি সতকাই অসম পোৱাও উজু কাম নহয়। অসমৰ বাহুত থকা পৰ্বতীয়া জাতিবিলাকো ক্ৰমাৎ বৃটিছৰ অসঞ্জাতী হৈ আহিছিল—চল পালে, তেওঁবিলাকেও চাহাবক শিশুপাল-খেদা দিবলৈ হুমিয়াই আছিল।

বঙ্গদেশৰ নিচিনা এখন ডাঙৰ দেশতো পল্টনীয়া চাহাব আছিল মুঠেই ২৪০০। কিন্তু, স্বাধীনতা সংগ্ৰামত লিপ্ত থকা চিপাহীবিলাকৰ অঙহী-বঙহী দেশীয় চিপাহী আছিল ২৯,০০০। কলিকতাত থকা গোৰা পল্টনটোও ভাৰতৰ আন ঠাইত আৱদ্ধ হৈ আছিল গৈ। ইয়াৰ বাহিৰেও, কলিকতাৰ সন্নিকটত ফিৰিঙী চিপাহীও এটিয়েই নাছিল। কলিকতাৰপৰা ৩৮০ মাইল দূৰৈত দানাপুৰত মাথোন এটি গোৰা-পল্টন আছিল—যি তাত থকা চাৰিটা দেশীয় পল্টন এৰি অইন ঠাইলৈ যাব নোৱাৰিছিল।

অসমত থকা ফিৰিঙীৰ সংখ্যাও আঙুলীৰ আগত লেখিবপৰা; "আসাম কোম্পানী", "নকচাৰী কোম্পানী" আৰু নেঘেৰী টিঙৰ চাহ বাগিছাবোৰত জনদিয়েক চাহাব আছিল যদিও, লাট লাগি থকা নাছিল—হাবিৰ মাজে মাজে চেলেকাচুবুৰীয়াকৈ হে আছিল।

উল্লিখিত সুবৰ্ণ সুযোগৰ সন্ধিক্ষণতে, অসম ৰজাৰ উঁৰলি যোৱা কাৰেং ঘৰটো নিৰ্মাণ কৰি অৰ্থাৎ স্বধৰ্ম আৰু স্বৰাজ্য স্থাপন কৰি,

মিলছে দিয়া অপমানৰ পোটক তুলিবলৈ বুৰঞ্জীত বিবেকিত মণিৰামৰ থৌকিবাথৌ হৈ থকা অন্তৰত মুক্তিৰ বিজুলী ছাটিয়ে উজ্জ্বলতৰ হৈ দেখা দিলেহি।

জীৱনত ছেগ এবাৰ হে আহে। সেই কাৰণে, মণিৰাম দেৱান বৰভণ্ডাৰ বৰুৱাই তাৰ আগচুলিত ধৰি, গজলীয়া ডেকা কন্দৰ্পেশ্বৰ সিংহ সমন্বিতে পাত্ৰমন্ত্ৰী ডা-ডাঙৰীয়া সকলোটিকে দেশৰ প্ৰতি নিজৰ নিজৰ কৰ্তব্য সম্পাদন কৰিবলৈ হেঁচুকি তুলিলে।

হিন্দুস্থানত হোৱা চহা-চিপাহীৰ খিদ্ৰোহ আৰু ৰাজন্যবৰ্গৰ স্বাধীনতা সংগ্ৰামৰ কথা তেওঁ কলিকতাৰপৰা ৰজা, বিষয়া আৰু অন্যান্য মানুহলৈ সাধাৰণ ভাৱে লেখিবলৈ ধৰিলে। মধুৰাম কোঁচ, মুক্তিয়াৰ মধু মল্লিক, পিয়ালী বৰুৱা বা মহেশচন্দ্ৰ গাভৰুমেলিয়া বৰুৱা, মায়াৰাম বৰবৰা, চিত্ৰসেন বৰবৰা, গণেশচন্দ্ৰ বৰুৱা, কমলা চাৰিঙীয়া বৰুৱা, দেউৰাম দিহিঙীয়া ফুকন, মৰঙীখোৱা গোহাঁই—এইসকল মুখিয়াল লোকলৈ বিশেষ পৰামৰ্শ দি, গাইগুটীয়াকৈও ফৰকৰাৰ হাতত একোখন চিঠি দি পঠিয়ালে। প্ৰায়বোৰ চিঠি পঠিয়াইছিল বিদ্ৰোহৰ বাতৰি অনা-নিয়া কৰা 'ভাট'ৰ হাতত। ইহঁত ৰাজপুতনা বা গুজৰাটৰ মানুহ, ফকীৰৰ ভেশ ধৰি ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈকে বিদ্ৰোহীসকলৰ গুপ্তচৰ হৈ বিদ্ৰোহৰ বা-বাতৰি বিলাই ফুৰিছিল।

পিয়ালী বৰুৱা বা মহেশচন্দ্ৰ গাভৰুমেলিয়া বৰুৱাই তেতিয়া কন্দৰ্পেশ্বৰ সিংহৰ সোঁহাত-স্বৰূপে আছিল। 'ভাটে' আহি তেওঁৰ হাততেই চিঠি পত্ৰ দিছিল আৰু উত্তৰ ভাৰতৰ 'ক'ত ক'ত ইংৰাজক মৰা হৈছিল তাৰ বাতৰিও দিছিল। পিয়ালীয়ে সেই চিঠিবোৰ নাম অনুসৰি যাক যেনেকৈ দিব লাগে দি ফুৰিছিল আৰু জন্মভূমি উদ্ধাৰ কৰিবলৈ সকলোৰে আগ্ৰহ বঢ়াই আৱশ্যকীয় সামগ্ৰীও সংগ্ৰহ কৰোৱাইছিল।

মণিৰামৰ চিঠি-পত্ৰবোৰৰ মৰ্ম আছিল ঃ—

কাৰ্য্যৰ ভাও বুজি ছাগৰ পাও পখলা, ইংৰাজক বলি দিয়া আৰু স্বধৰ্মত থাকি সকলো অস্ত্ৰ-শস্ত্ৰ যুগুতাই ৰখা।

ৰজাই ঘাই মন্ত্ৰী মণিৰামৰপৰা বুজনি পৰামৰ্শেৰে পৰিপূৰ্ণ চিঠিৰ উপৰি চিঠি পাই আহোম-বামুণ, কোঁচ-কলিতা, হিন্দু-মুছলমানৰ মুখিয়াল মুখিয়াল মানুহ মিলি-জুলি, গোট খাই, ৰাতি-ৰাতি কন্দৰ্পেশ্বৰ

সিংহৰ কাৰেঙত বহি অসমৰপৰা ইংৰাজ খেদোৱাৰ উপায় আলচ কৰিবলৈ ধৰিলে। নিতৌ নামগোৱা, দিহানাম, পালনাম, সবাহ, বৰ সবাহ, ভাওনা উৎসৱ—এইবোৰৰ এটা নহয় এটা পতাৰ আয়োজন হ'ল। শিৱসাগৰত ফৌজদাৰী চিৰস্তাদাৰ কাম কৰি থকা নামতিয়াল কাকতীৰ ঘৰৰ দুতিৰাম বৰুৱাইও কাম ইস্তফা দিলে। তেওঁ ভগাৰজাৰ পৰিষদৰ লগ লাগিলহি। ছুটিত থকা চিপাহীবোৰেও ৰজাঘৰৰ গুপুত মন্ত্ৰণাত ভাগ ললেহি। ডিব্ৰুগড়ত থকা হিন্দুস্থানী চিপাহীৰ চুবেদাৰজনেও সৰ্বতোভাৱে ৰজাক সহায় কৰিবলৈ প্ৰতিশ্ৰুতি দিলে। যোৰহাটৰপৰা দূৰৈত থকা ডিব্ৰুগড়, গোলাঘাট, নগাঁও, গুৱাহাটীৰ ডাঙৰীয়াসকলেও সেই গুপুত মেলৰ কথা সমৰ্থন কৰিলে। পুৰন্দৰ সিংহৰ জোঙ্গায়েকৰ পুতেক (যিজনে পুৰন্দৰৰ ৰূপহী আই-দেওক পত্নীস্বৰূপে গ্ৰহণ কৰিছিল) মৰঙীখোৱা গোহাঞি ডাঙৰীয়াই মৰঙী অঞ্চলৰপৰা মানুহ-দুনুহ গোটাবলৈ কঁকালত টঙালি বান্ধি ওলাল। মধুৰাম কোঁচে নাজিৰাৰ আসাম কোম্পানীত কাম কৰা ঠিকাদাৰবিলাকৰ হতুৱাই কাম বন্ধ কৰোৱাই দিয়ালে। চিপাহীহঁতৰ নিমিত্তে চাউলপাত, বন্দুক-পাতি সকলো সংগ্ৰহ হ'ল। সকলো আয়োজন ঠিক-ঠাক কৰি মেলুৱাই ডাঙৰীয়াসকলে সিদ্ধান্ত কৰিলে যে ১৭৭৯ শকৰ দুৰ্গোৎসৱ পূজাৰ বৰবলিদিনা ফিৰিঙীবোৰক বলি দি, মণিৰাম দেৱানক আগত থৈ, কন্দৰ্পেশ্বৰ সিংহক অসমৰ ৰাজপাটত বহুৱাব লাগিব।

বেলে, বেৰৰো কাণ আছে। সেই কাণ এনেয়ে জড়াৱস্থাত থাকিলেও, দুৱাৰমুখত শত্ৰু থাকিলে তাৰ শ্ৰৱণ-শক্তি দহো গুণে বাঢ়ে। ৰজাঘৰৰ মেলৰ কথাই ওফন্দি ভীমাকাৰ হৈ গৱৰ্ণমেণ্টৰ দেশীয় অনুগত ভৃত্যসকলৰ কাণত প্ৰতিধ্বনিত হ'লগৈ। দেৱানে কলিকতাৰপৰা দিয়া চিঠিবোৰ বেলেগ বেলেগ হৰকৰা বা ভাটৰ হাতত দি পঠিয়াইছিল। বিদ্ৰোহৰ বাতৰি প্ৰচাৰ কৰি ফুৰা এনে এটা হৰকৰাৰ হাততে মণিৰামে দিছে কাণত থকা (যোৰহাটত) অসম ৰজালৈ এখন চিঠি দিছিল। তেতিয়া যোৰহাটত, ধৰশীজৰ ঘৰৰ পৰ্বতীয়া বৰুৱা হৰনাথেই আছিল বৃটিছৰ বিশ্বস্ত বন্ধু, পুলিচৰ বৰ-ডাৰোগা। তেৱেঁই অসীম ক্ষমতাপন্ন এক প্ৰকাৰ অসমৰ ৰজা। হৰকৰা-ভাটে ছাঁয়াৰূপী অসম ৰজাক চিনি নাপাই “প্ৰকৃত অসম

বজাৰ" হাতত চিঠিখন দি দিলে। হৰকৰাৰ চিঠি আহিছিল লাখুটিৰ ভিতৰত। লাখুটি ফালি উলিয়াই দিলত পৰ্বতীয়া বৰুৱাই চাই দেখোন চিঠিত চহী নাই; লেখা আখৰবোৰ কিন্তু মণিৰাম দেৱানৰ; বিজোগত আছে মহীধৰ মুক্তিয়াৰৰ নাম। চিঠিৰ কথাখিনি লেখিছে কন্দৰ্পেশ্বৰ সিংহলৈ। হলৰইড, হৰনাথ আৰু হৰনাথৰ লগুৱা উমেদ মুঞ্চিয়ে দেৱানৰ এই চিঠিকে গইনা লৈ কেউফালে বিদ্ৰোহৰ গুংসূত্ৰ বিচাৰিবলৈ ধৰিলে। পম খেদি খেদি কৰ্তব্যপৰায়ণ ডাৰোগা আৰু লগুৱাজনে ভালেমানৰ ঘৰত ফিৰিঙতী মাৰিবলৈ উপক্ৰম কৰা ভালেমান চিঠি-পত্ৰ আৰু সঁজুলি হেৰা পালে।

ইফালে, যেই জগদীশপুৰ, চাহাবাদ আৰু আৰা জিলাত চিপাহী বিদ্ৰোহৰ চক ফুটা শুনিলে, যেই জলপাইগুৰিৰ ৭৩ নম্বৰী পল্টনতে বু-ৰা-বা-বা কৰিবলৈ ধৰিলে, যেই প্ৰয়াগ-কানপুৰত "কলা আদমিয়ে" চাহাবৰিলাকক গৰুমৰিৰা দি মৰাৰ কথা ওলাল, যেই হিন্দু মুছলমান লগ লাগি ভাৰতত থকা ইংৰাজক সবংশে নিধন কৰিবলৈ প্ৰস্তুত হ'ল আৰু সেই প্ৰস্তুত হোৱাৰ বাতৰি আহি অসমৰ পৰ্বতত ঠেকা খালেহি, সেই অসমত থকা পমুৱা পাদুৰী চাহাবৰিলাকক কেউ-ফালৰপৰা ভুই মাৰি খেদি নিয়া হ'ল। কোনো সোমাল গিৰ্জাঘৰত, কোনো পলাই গ'ল, কোনো নৈৰ মাজত নাৱতে থাকিলগৈ। কাৰো কিন্তু প্ৰাণবধ হ'বলৈ নাপালে। কথমপি হে কানপুৰ হত্যাৰ পুনৰাভিনয় নোহোৱাকৈ থাকিল।

ডিব্ৰুগড়ৰ পহিলা নম্বৰী দেহুৱালী (দেশৱালী) পল্টনটোৰ চিপাহীবোৰ বিদ্ৰোহী হৈ উঠিছিল। তাত থিটো গুৰ্খা পল্টন আছিল, তাকে ইং ১৮৫৭ চনৰ চেপ্তেম্বৰ মাহত কন্দৰ্পেশ্বৰ বজাৰ কাৰেং লুৰুকিবলৈ লুথাৰে দিছে নগৰৰ ফালে (যোৰহাটলৈ) চলাই লৈ আহিল। হলৰইড চাহাবে লগুৱা লিকচৌবোৰৰ গা ভাল নহয়, কোনেও তেওঁক দেখা কৰিব নালাগে বুলি কৈ, শিৱসাগৰত থকা গুৰ্খা চিপাহীখিনিও মনে মনে লৈ, সিহঁতৰ লগতে যোৰহাটমুৱা হ'ল। বজাৰ ঘৰ লোৰোকা হ'ল।

কিন্তু কন্দৰ্পেশ্বৰ সিংহই ক'তো ইংৰাজৰ আধিপত্য অস্বীকাৰ কৰাৰ গুংসূত্ৰ পোৱা নগ'ল। পোৱা হ'ব বুলি লুথাৰ-হ'লৰইড-হেনে

—১৪

চাহাবে কন্দৰ্পেশ্বৰৰ কাৰেং লুৰুকিলে; তাতো একো অস্ত্ৰ-শস্ত্ৰ নোলাল। তনুহত্যা কৰাৰো একো প্ৰমাণ নোলাল। বৃটিছৰ প্ৰতি বিদ্বেষ ভাব প্ৰচাৰ কৰাৰো একো উমান পোৱা নগ'ল। চিপাহী উচটোৱাৰো চিন-মোকাম নাই। ঘৰ লোৰোকোতে যিবোৰ চিঠি পত্ৰ পোৱা হৈছিল, সেইবোৰতো বিজোগ বা চহীৰ নাম-গোন্ধ নাই অথচ, সাধু কথাৰ দৰে সাজি লোৱা হ'ল যে চহী থকা চিঠিবোৰৰ ভালেমান লেখোঁতাজনৰ ইঙ্গিত অনুসৰি পুৰি বা ফালি পেলোৱা হৈছিল। কন্দৰ্পেশ্বৰৰ গাত এই ফেৰাই দোষ হ'ল যে, দুপৰ নিশা সোধ-পোচ নোহোৱাকৈ তেওঁৰ কাৰেং সোমাই, ঘৰ বাৰী, বয়-বস্তু লুটপাত কৰোঁতা কেপ্টেইন লুথাৰ আৰু ডাৰোগাজনৰ আগত 'শান্ত শিষ্ট সাধু' ল'ৰাটিৰ দৰে তেওঁ সৈমান নহৈ, সিংহ বিক্ৰমেৰে গজি উঠিছিল। বয়সত ১৫।১৬ বছৰীয়া ল'ৰা হ'লেও, কন্দৰ্পেশ্বৰে বিচক্ষণ-তাত বুঢ়া সাহিয়াল পুৰুষ মণিৰামক তেওঁৰ দেৱান বা উপদেষ্টা পাতি লব নালাগিছিল আৰু দেৱানৰ চিঠি পাই "স্বৰ্গাদপি গৰিয়সী" জন্মভূমি উদ্ধাৰৰ উপায় আলোচনাতো যোগ দিব নালাগিছিল। ধন-বস্তু, সহায়-সাৰথিৰ অভাৱ হ'লে মনটোও যে কোঁচ খাই থাকিব লাগে, দৈৱদুৰ্বিপাকত পৰি শৰীৰৰ অংগ কোঙা হ'লে ইচ্ছা আকাংক্ষাও যে কোঙা হ'ব লাগে তাক বৃটিছ জাতিয়ে গঢ়ি লোৱা সাম্ৰাজ্য বিস্তাৰৰ সামৰিক আইনখনৰ বাহিৰে জগতৰ কোনো মানৱীয় আইনে কেতিয়াও স্বীকাৰ নকৰে।

বৃটিছ সাম্ৰাজ্যবাদৰ মূল নীতি আৰু বিধান অনুসৰণ কৰিয়েই অসমত থকা সামৰিক বৃটিছ বিষয়াসকলে, স্বাধীনতাকামী অথচ তথাকথিত "বিদ্ৰোহত" নিৰ্বিকাৰ কন্দৰ্পেশ্বৰ ৰজাক কাৰাৰুদ্ধ কৰিলে। আৰু সিফালে কলিকতাত, তেওঁৰ মন্ত্ৰী অৰ্থাৎ পৰামৰ্শদাতা মণিৰাম দত্ত দেৱানকো আলিপুৰ জেলত আৱদ্ধ কৰোৱালে।

স্বাধীনতাৰ ইন্ধন যোগাওঁতা মণিৰাম আৰু সেই ইন্ধনৰপৰা উত্তপ্ত হোৱা অগ্নিৰ উত্তাপ লওঁতা কন্দৰ্পেশ্বৰ সিংহক বন্দী কৰিয়েই বৃটিছ কৰ্তৃপক্ষৰ হেপাহ নপলাল। উত্তৰ ভাৰতত বিদ্ৰোহ দমন বিধিৰ নামত ৫৭ চনৰ জুন মাহত যি ১৪ আইন চলোৱা হৈছিল, অসমতো তেওঁবিলাকে তাকেই এতিয়া প্ৰৱৰ্তন কৰিলে। এই আইনমতে কোনো দেশীয় চিপাহীয়ে বৃটিছৰ স্বাৰ্থ পূৰণৰ বাহিৰে বিৰোধিতা

কৰিব নোৱাৰে আৰু পৰাধীন দেশক স্বাধীন কৰিবলৈ কোনো জন প্ৰাণীয়ে আলচো কৰিব নোৱাৰে। ইয়াকে যদি কোনোবাই কৰে তেন্তে তেওঁক ৰাজদ্ৰোহী বুলি গণ্য কৰি ফাঁচী পৰ্য্যন্ত দিয়া হ'ব।

ডিব্ৰুগড়ত থকা চিপাহীবিলাক যেনেকৈ জঙ্গী হৈ উঠিছিল, গুৱালপাৰাৰ চিপাহীয়েও তেনেকৈ কৰ্দৈগুৰি থানাৰ ঘৰ-বাৰীবোৰ পুৰি ধ্বংসই কৰিছিল। ডিব্ৰুগড়ৰ দৰে তাৰ চিপাহীবিলাককো অইন ঠাইলৈ যোৱাত বিদ্ৰোহৰ গপগপনি অলপ কাললৈ শাম কাটি আছিল। যাক আলম লৈ চিপাহী আৰু মণিৰাম দেৱানে বিদ্ৰোহৰ জুই জ্বলাই দিবলৈ ওলাইছিল, তেওঁকো ধৰি নিয়াত অসমৰ কমিছনাৰ আৰু অন্যান্য উচ্চ বৃটিছ কৰ্মচাৰীসকলে ভাবিছিল যে অসমত আৰু বিদ্ৰোহ হ'ব নোৱাৰে।

কিন্তু 'আসাম কোম্পানী, 'নেঘেৰিটিং কোম্পানী' আৰু 'নকচাৰী কোম্পানী'ৰ চাহাববিলাকে খনে-খনে দৰ্খাস্ত দি গৱৰ্ণমেণ্টক জনালে যে অসমত বিদ্ৰোহ ভালকৈয়ে হৈছে। ৰজা বন্দী হ'ল যদিও, তেওঁৰ অনুচৰ আৰু মণিৰাম দেৱানৰ ৰিপুৱাই গোটেই দেশতে ইংৰাজৰ বিৰুদ্ধে উচটাই ফুৰিছে। বাগিছাৰ ঠিকাদাৰবোৰেও চাহাবৰ বাগিছাত কাম কৰিবলৈ বন্ধ কৰি দিছে।

চৰ্কাৰী কৰ্মচাৰীৰ বাহিৰেও জনদিয়েক কৃতঘ্ন দেশীয় বৃহন্নলাই আপোন মানুহৰ চাৰিবেৰৰ মাজত সিন্ধি দি চাহকাৰবাৰী চাহাব বিলাকৰ অভিমতকে দৃঢ়তৰ কৰি পেলালে। ইংৰাজৰ দৰে তেওঁ-বিলাকেও দৃঢ় বিশ্বাস কৰি ললে যে পৰাধীন জাতিৰ অন্তৰত দেশাত্ম-বোধ উদয় হোৱাটো মহাপাপ। এনে "মহাপাপত" পৰি উন্মাৱল হৈ থকা লোকসকলক হয়, ফাঁচী কাঠত তোলাই, নহয় ফটেক দিয়াই প্ৰায়শ্চিত্ত কৰালেহে দেশখন "মহাপাপী"ৰপৰা নিস্তাৰ পাব।

বাগিছাৰ চাহাব আৰু দেশীয় "দেশবন্ধুসকলৰ" সহায়-সুচনি, পাই ওপৰত উনুকিয়াই অহা আইনৰ জাল তৰি কৰ্ণেল হেনে, মেজৰ ৰিচাৰ্ডছন, লেফটেনেণ্ট চেম্বাৰ্ছ, কেপ্টেইন হলৰইড আৰু কেপ্টেইন ৰীচাৰে দমনচক্ৰ চলাই উজনি অসমত মূৰ দাঙি থকা দেশহিতৈষী-সকলৰ ওপৰত যথেমধে উঠিব নোৱৰাকৈ ঘা মাৰিবলৈ ধৰিলে। এই সাময়িক 'হৰ্ত্তা-কৰ্ত্তা-বিধাতা'ৰ নিগ্ৰহত দেশত যি আতঙ্কৰ সৃষ্টি হৈছিল দেশীয় মানুহৰ খিয়লা-খিয়লিয়ে তাকে দহোগুণে জ্বলাই দিছিল।

সুশাসন আৰু সুশৃঙ্খলাৰ মুখা পিন্ধোৱা, নাইবা, দেশোদ্ধাৰৰ মনোভাব মন্ত্ৰিমুগ্ধ কৰা আইনৰ বলেৰে ধৰাই অনা দেশহিতৈষীসকলৰ "ৰাজদ্ৰোহিতা অপৰাধ" বিচাৰ কৰিবলৈ ষোৰহাটত দুটা তামাসাৰ সজোৱা হয়। তাৰে এটাত বহিছিল ১৮৫৭ চনৰ ১৪ আইন অনুসৰি কমিছনাৰৰ ক্ষমতা লোৱা চি, হলৰইডৰ আদালত; আৰু, ইটোত বহিছিল, তেওঁৰ প্ৰধান বল্লভ বৰডাৰোগা হৰনাথ পৰ্বতীয়া বৰুৱাৰ কাছাৰী। ১৮৫৭ চনৰ চেপ্তেম্বৰ মাহৰপৰা ১২ মাহ এই কাছাৰী দুটাত অজ্ঞাতী মূলুকৰ (এজেন্টৰ তলত থকা মূলুক অৰ্থাৎ দেশ) আইন অনুসৰি বিচাৰ কাৰ্য্য চলি আছিল। তাত ১৪ আইনৰ সোধখন এই দৰেই হৈছিল ঃ---

"আজি-কালিৰ পুলিচৰ দৰেই, ডাৰোগাজনে লেখাপঢ়া জনা বা কথকি মানুহ মাত্ৰকেই ধৰাই অনাই তেওঁৰ কাছাৰীত থিয় কৰোৱাই সোধে, "পিছে দেও, তুমি এতিয়া সাক্ষী হোৱাঁ নে আচামী হোৱাঁ অৰ্থাৎ তুমি নিজেই তেওঁবিলাকৰ ষড়যন্ত্ৰত যোগ দিছোঁ বুলি সৈ কাঢ়া? ডাৰোগাৰ এনে অপূদ্ঘাট প্ৰশ্ন শুনি সকলোৱেই ভেবা লাগি থাকিবলৈ বাধ্য হৈছিল। সকলোৱেই "আমাৰ সাত পুৰুষক নৰকত পেলাই নজনা কথা ক'ব নোৱাৰোঁ; দেউতাৰ যি ইচ্ছা তাকে কৰক" বুলি অজ্ঞাতী মূলুকৰ আইনৰ শাললৈ দৃঢ়ভাৱে নিজৰ নিজৰ মূৰটোহঁত আগবঢ়াই দিছিল। তেওঁবিলাকক তৎক্ষণাৎ আচামীৰূপে অভিযুক্ত কৰি কমিশ্যনাৰৰ আদালতলৈ চালান দিয়া হৈছিল।

"কোনোবাই যদি হলৰইডৰ বিশ্বাসী বন্ধু ডাৰোগাজনৰ বা পাছুৰজনৰ লগুৱা উমেদ মুঞ্চিৰ হৃদয় কোমলাব পাৰিছিল, তেওঁৰ প্ৰাণ ৰক্ষা হৈছিল। যেয়ে নোৱাৰিছিল, তেওঁ তপত খোলাৰ হাত সাৰি পকা আঙঠাৰ জুইত পৰিছিলগৈ। সিমানতো, ভালেমান অভিযুক্ত ইতৰ মানুহে হলৰইড চাহাবক কাতৰস্থ হৈ জনাইছিল---তেওঁ যেন ধৰ্মবিচাৰ কৰে। হলৰইডে কিন্তু তামোময় মূৰ্তি ধৰি "Well hang you first, try you after-wards" অৰ্থাৎ আগে ফাঁচী, পিছাৰী বিচাৰ, বুলি একেআষাৰ সুৰাসুৰ কঁপোৱা ভেকাহিৰে তেওঁবিলাকক কঠোৰ দণ্ড বিহি কাতৰ অনুৰোধৰ ওপৰত পৰশু কুঠাৰ বহুৱাইছিল।"

এনেকৈ পৰুৱাই পোৱা মস্তিষ্কৰদ্বাৰাই পৰিচালিত বৃটিছ সাম্ৰাজ্যৰ

প্ৰতিনিধি এজনে মণিৰাম-পিয়ালীৰ লতা-পতা মাত্ৰকেই ধৰাই অনোৱালে।

অৱশ্যে, তাৰ ভিতৰৰ ভালেমানকে এৰি দিয়া হ'ল। কিন্তু, বিদ্ৰোহৰ বহিস্ত বা-দিওঁতা মণিৰামৰ সৌহাদ্ৰ পিয়ালী বা মহেশচন্দ্ৰ গাভৰুমেলিয়া বৰুৱা, বাহাদুৰ গাঁওবুঢ়া খনিকৰ, দুতিৰাম বৰুৱা চিৰস্তাদাৰ, মৰঙীখোৱা গোহাঁই, নীলকণ্ঠ চোলাধৰা ফুকন, লুকী শেনচোৱা বৰুৱা, গণেশচন্দ্ৰ কাইথ বৰুৱা, মায়াৰাম নাজিৰ, কমলা চাৰিঙীয়া বৰুৱা, নাৰায়ণ বৰবৰা, উমাকান্ত শৰ্মা, মধুৰাম কোঁচ, ফৰ্মুদ আলি আৰু এওঁবিলাকৰ লগৰীয়া ৩০ জনৰ বিৰুদ্ধে চোৰাং-চোৱা কৰ্মচাৰীসকলে স্বধৰ্ম আৰু স্বৰাজ্য প্ৰতিষ্ঠা কৰা বিপ্লৱত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ চাক্ষুস্ প্ৰমাণ সংগ্ৰহ কৰি দিলে।

ওপৰোক্ত আদালততেই এওঁবিলাকৰ বিচাৰ আৰম্ভ হ'ল। জগৰীয়া বুলি ঠাৱৰ কৰা মধু মল্লিকত বাদে প্ৰথম অভিযুক্ত লোক কন্দৰ্পেশ্বৰ সিংহক আগেয়েই আলিপুৰ জেললৈ পঠিওৱা হ'ল। সেই কাৰণে, দ্বিতীয় আচামী মধুৰাম কোঁচেই এই আদালতৰ বিচাৰ স্বদেশ প্ৰেমৰ বাবে ৭ বছৰ কাৰাদণ্ড মূৰ পাতি লয়। তৃতীয় আচামী হ'ল পিয়ালী বৰুৱা বা মহেশচন্দ্ৰ গাভৰুমেলিয়া বৰুৱা। চতুৰ্থ আচামীয়েই হ'ল মণিৰাম দেৱান—ধৰাধামত যাৰ চিন নথবলৈকে বৃটিছ-শাসন-যন্ত্ৰৰ মূৰবপৰা ভৰিলৈকে সকলোৱেই বিশেষ ভাৱে তৎপৰ আছিল।

বৰভাণ্ডাৰ বৰুৱা মণিৰামক আলিপুৰ জেলত আৱদ্ধ কৰাৰ পিছতো দেখা গ'ল যে বিদ্ৰোহৰ উপশম হোৱা নাই, প্ৰায়বোৰ মানুহেই ৰজাৰ লগত সহযোগিতা কৰি অকল চিপাহীবোৰক হে যে বিদ্ৰোহী হ'বলৈ উচটাই ফুৰিছে এনে নহয়, সঁচাসঁচিকৈয়ে সাধাৰণ মানুহৰ মতি-গতিও বিদ্ৰোহৰ ফালে চাল খুৱাই নিছে।

গোৰা পল্টনৰ ফৌজ গোটাদিয়েক নহ'লে, অসমত ওৰা পতা ষড়যন্ত্ৰ দমাব নোৱাৰি—এই বুলি গাঁৱলীয়া ৰাইজৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা বাগিছাৰ ছাহাববিলাকে বঙ্গদেশৰ দুৱলীয়া লাট হেলিডে চাহাবলৈ লেখাত, লাটে বিদ্ৰোহ দমাবলৈ জাহাজেৰে ১০০ গোৰা চিপাহী অসমলৈ পঠিয়াই দিলে। সেই চিপাহীবোৰৰ স্বাস্থ্য "চুপাৰিছ" কৰি আহিছিল আসাম টী কোম্পানীৰ ডাক্তৰ ক্ৰিপটন চাহাবে।

চিপাহী ফৌজৰ লগতে ১৮৫৭ ছালৰ ৩১ ডিচেম্বৰ তাৰিখে মণিৰাম দেৱানকো আলিপুৰৰপৰা পঠিয়াই দিয়া হ'ল যোৰহাটত স্বাধীনতা স্পৃহাৰ 'পুৰস্কাৰ' লবলৈ।

ইপিনে, যোৰহাটত দেৱানৰ ইঙ্গিতত চলা 'ষড়যন্ত্ৰকাৰীসকলৰ' বিৰুদ্ধে বিচাৰৰ ভেকোভাৱনা চলিছে। ১৮৫৮ চনৰ ৩০ জানুৱাৰীত মধুৰাম কোঁচৰ আৰু ৯ ফেব্ৰুৱাৰী তাৰিখে পিয়ালী বৰুৱাৰ বিচাৰ হৈ গৈছে। ২৬ ফেব্ৰুৱাৰী তাৰিখে চৌ আলিত সকলোৰে দেখাকৈ পিয়ালীক ফাঁচী দিবলৈ ৰায় বান্ধি থোৱা আছে। এনেতে, মণিৰাম দেৱানক অনা জাহাজ মহগড় ঘাটত (গেলাবিলত) লাগিলহি। তেওঁক আনিয়েই দিছে নগৰত থকা ৰজাশূন্য কাৰেংটিত বন্দীকৈ থোৱা হ'ল। সেই বন্দীশালতে ফাঁচীৰ বলি পিয়ালী বৰুৱাকো সুমুৱাই থোৱা হৈছিল। দেৱানক যোৰহাট পোওৱাৰ পিছদিনাই, অৰ্থাৎ ২৩ ফেব্ৰুৱাৰী তাৰিখেই (১৩ ফাগুন, ১৭৭৯ শক) তেওঁক ডাৰোগাৰ কাছাৰীলৈ নিনি পোনেপোনেই হলৰইডৰ আদালতলৈ লৈ যোৱা হ'ল। তাত সেই দিনাই বিচাৰৰ ভেকোভাৱনা তৰি সিদ্ধান্ত কৰা হ'ল যে মণিৰাম দেৱানে ৰাজবিদ্ৰোহ কৰিছে। সেই বাবে, তেওঁক ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে ফাঁচী-কাঠত তুলি মৃত্যুদণ্ড দিব লাগে।

ওপৰোক্ত ৰায়কে বা সিদ্ধান্তকে কমিছনাৰৰ চং পিঙ্কা হলৰইডে শিৱসাগৰৰ মেজিষ্ট্ৰেট আসনত বহা হলৰইডলৈ পঠালে অৰ্থাৎ ভক্ষ-কেই ৰক্ষকৰ মুখা পিন্ধি ভক্ষণৰ ৰায় বান্ধি দিলে। এনে ৰায় অনুসৰি ১৮৫৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৬ তাৰিখে বা তাৰ আগেয়ে পিয়ালী বৰুৱাকো ফাঁচি দিবলৈ হুকুম কৰি থোৱাই আছিল। মণিৰাম দেৱা-নকো এতিয়া সেই তাৰিখেই প্ৰাণদণ্ড কৰাৰ আদেশ হ'লত দুয়োকো একেলগেই একেখন শালতে, একে সময়তে ফাঁচী দিয়া স্থিৰ হ'ল।

আসন্ন মৃত্যুৰ বজ্ৰাঘাত বাতৰি পাইও মণিৰামৰ মন কিঞ্চিৎমানো বিচলিত নহ'ল। বৰং 'জন্মিলে মৰিব লাগে'—এইটি সত্যকে সাৰোগত কৰি প্ৰশান্তভাৱে ভগৱন্তৰ চৰণত আত্মসমৰ্পণ কৰিবলৈ লাগিল। তেওঁৰ মন আৰু পঞ্চেন্দ্ৰিয়ৰ মাজত দুৰ্বাদল চঞ্চল সংগ্ৰাম চলি থাকোঁতে, সেইখিনি সময়ত, তেওঁক যি চাবলৈ গৈছিল, তেওঁ-বিলাকেও তেওঁৰ অন্তৰৰ নিভৃততম কোণত দয়া-ক্ষমাৰ এখনি ফল্গু

নদী বৈ থকা দেখিবলৈ পাইছিল। ফাঁচীৰ আগদিনা পুতেক এজনে চাবলৈ যাওঁতে দেৱানে পুতেকক এই বুলি প্ৰবোধ দিছিল—'কাইলৈ এই নশ্বৰ দেহা এৰা পৰিব। সেইবাবে তহঁতে একো বেজাৰ নকৰিবি, তহঁত ভাই-ককাই কেউটি মিলা প্ৰীতিৰে থাকিবি। চেংলুং আৰু চেনিমৰা বাগিছা দুখনকে সোণৰ গছ বুলি ভাবিবি। মেহৰাক অৰ্জুনৰ শুৰিৰ মাটিখিনি দিবি। ম'ৰা চৰাই দুটা 'যাদৱৰায়ৰ ঠাইলৈ (দক্ষিণপাট সত্ৰলৈ) পঠিয়াবি। আঘোণী আৰু লুদুৰীহঁতৰ পৰিয়ালটোক আগলৈকে নেৰিবি। মোৰ দুৰ্যশ ৰটা মানুহক কেতিয়াও বিশ্বাস নকৰিবি।' এইৰূপে, অ পোনজনৰপৰা চিৰকালৰ নিমিত্তে বিদায় লৈ ফাঁচী-কাঠত উঠি অকাল মৰণৰ কাষ চাপিবলৈ দেৱান সন্টম হৈ থাকিল।

তাৰ পিছত, দিনকৈ তিনি দিন, ৰাতিকৈ তিনি ৰাতি অনন্তৰ বুকুত লীন গ'ল। সম্ভৱতঃ, সেই দিন ৰাতি কেইটা তেওঁ উজাগৰে থাকোঁতেই সোঁ-জোনে ৰাতি পুৱাইছিল। শুক্লপক্ষ, ত্ৰয়োদশী তিথিৰ বাসন্তী শশধৰ লাহে-লাহে নিষ্প্ৰভ হৈ আহিল। ১৭৭৯ শকৰ ১৬ ফাগুনৰ চতুৰ্দশী তিথিৰ (২৬ ফেব্ৰুৱাৰী) তৰুণ তপনে পূৰেৰুণ দিলেহি। আনকাল অৰুণ কিৰণে দিগ-দিগন্ত প্ৰকাশ কৰে। সেই দিনাৰ অৰুণত চৌপাশে মৰলৰ ছাটি। এনেয়ে গোৰা চিপাহীৰ পাশৱিক অত্যাচাৰে সকলোকে থৰহৰি কম্পমান কৰি থৈছে, তাতে আকৌ প্ৰকৃতিৰ এনে অস্বাভাৱিক তমসাচ্ছন্ন অৱস্থা। সকলোৰে মন ন-যযৌ ন-তস্থৌ—কলৈ-যাম-কি-কৰিম লাগি আছে। এনে আপদীয়া বেলিটি যিমানেই ওপৰলৈ উঠিছে সিমানেই ফাঁচি-অ য়োজন খৰধৰ হ'বলৈ ধৰিছে। আগৰেপৰা অৱশ্যে মণিৰাম-পিয়লীক ফাঁচী দিবলৈ সকলো সাজ-সঁজুলি, আহিলা-পাতি সংগ্ৰহ কৰি থোৱাই হৈছিল।

পুৰন্দৰ সিংহৰ পুতেক কন্দৰ্পেশ্বৰ সিংহৰ পিতৃদেৱক কামেশ্বৰ সিংহই নতুন ঘৰ সাজিবলৈ শিওৰি কাঠৰ খুঁটা অনাই থৈছিল। বুঢ়াগোহাঁইৰ টোলৰ পিনে, টোকোলাই নৈৰ পছিম পাৰত 'কুঁৱৰী পুখুৰীৰ পূবে, গড়ৰ আলিৰ দক্ষিণে (আজি- কালি থকা নৰ্মাল স্কুলৰ পূবে, গৰু-পাউণ্ডৰ ওচৰত), এতিয়া সেই খুঁটাকে আনি যোৰ পাতি দুয়োৰ খুঁটা পোতা হ'ল। খুঁটা কেইযোৰক কঁতৰা মেন-কৰি মাজত

আমৰল-শলাই দৰে এডাল ঢেকী-ভাং দিলে। তাৰ সোঁ-মাজত খোলনি বিন্ধা দি ওপৰতে কাঁতৰিৰ দৰে এডাল কাঠ বহুৱাই, কাঠৰ দুয়ো মূৰে দুডাল দীঘল চোঁচনি বা চিপজৰী লগালে। বীৰাই চাওভাং বুলি জনমভৰ ফাটেক খোৱা চেনিমৰাৰ এটা ফাটেকিয়াল আছিল। তাৰ হতুৱাই এসেৰ মুগা সূতাৰে দুডাল ফাঁচী জৰী বটোৱাই লোৱা হ'ল। ফাঁচী শালখন ঠিক ৪ অক্ষটোৰ দৰেই সজোৱা হৈছিল। কাঁতৰি ডালৰ মূৰৰ পোনে মাটিৰ ওপৰত দুফালে দুখন চাং সজালে। চাঙৰ চাৰিউপিনে এনে ভাবে বেৰা দিয়ালে যেন ভিতৰত কি আছে কোনেও নেদেখে, চ'চালি পাৰি চাংখন সমানকৈ থোৱা হ'ল।

ৰাতি পুৱাল। ২৬ ফেব্ৰুৱাৰী আহিল। পুৱাৰেপৰা ফাঁচি-শালৰ চৌপাশে গেৰাজে-গেৰাজে চিপাহী বৰকন্দাজবোৰ ভাগে ভাগে শাৰী পাতি কান্ধত বন্দুক লৈ থিয় হৈ ৰ'লহি। সিহঁতৰপৰা অলপ আঁতৰত গোৰা পল্টনৰ চিপাহীহঁতে বন্দুক-চঙীন লৈ টহল দি ফুৰিবলৈ ধৰিলে। এনে চক্ৰবেহুৰ বাহিৰ পিনে, নিলগত, হেজাৰ-বিজাৰ মানুহ আহিছে, গৈছে। ৰংপুৰ, গোলাঘাট, মাজুলীৰপৰাও মানুহ আহি দিছে পাৰৰ (যোৰহাটৰ) আলি-পদূলিত হুৱাদুৱা লগাইছে। কোনোৱে হিয়ামূৰ ধুনি কান্দিছে, কোনোৱে হাঁ-হুমুনিয়াহ কাঢ়িছে, কোনো কোনোৱে আকৌ বেজাৰৰ খুন্দা সহিব নোৱাৰি ফাঁচী চাবলৈ আহি উভতি নিজৰ ঘৰলৈকে গৈছে। ইপিনে বেলি উঠি ৮ দণ্ড মাৰোঁ মাৰোঁ হৈছে, অৰ্থাৎ ৯ মান বাজিছে এনেতে, দিছে কোঁঠৰ ছাউনিৰপৰা মণিৰাম পিয়ালীক উলিয়াই অনা হ'ল। দুইৰো কঁকাল শিকলিৰে জোঁটাপাতি বন্ধা। তেওঁবিলাকৰ আগে-পাছে বৰকণ্ডাজ চিপাহী। তেতিয়াও মণিৰামৰ হাতত ৰূপৰ ধোঁৱা-খোৱা, মন প্ৰফুল্ল। চিপাহীয়ে দুইকো সাঙুৰি আনি ফাঁচি-দিয়া ঠাই পোৱালেহি। ফাঁচি-চাঙৰ দাঁতিতে হল্ৰইড বিচাৰ, বিচাৰ্ডছন নকচাৰী-আসাম কোম্পানীৰ আৰু নেঘেৰিটিং বাগিছাৰ কেইজনমান চাহাবে মনৰ সুখেৰে চেলেউ হুঁপি হুঁপি বহি আছে। কৰ্তব্যপৰায়ণ হৰনাথ পৰ্বতীয়া বৰুৱা ডাৰোগাও তাতেই খোজ চলাই আছে। তেওঁ-বিলাকৰ সাক্ষাতে, মণিৰাম-পিয়ালীৰ বান্ধ মোকলাই দি, আকৌ দুয়োৰো এখন এখন হাত জুঁটি পেলালে। এই দৰে বান্ধি, তেওঁ-বিলাকক বৰশীৰ পোনে পোনে তৰি থোৱা পাছফালে চাঙৰ ওপৰত

তুলিলেগৈ। তাতে হলৰইডে শিৱসাগৰৰ মেজিষ্ট্ৰেট ৰূপে, কমিশ্যনাৰ হৈ বহোঁতে তেওঁবিলাকক ফাঁচী দিয়া আজ্ঞাপত্ৰ দুখন ইংৰাজী আৰু বঙলা ভাষাৰে পঢ়ি শুনালে। পত্ৰত লেখা হুকুম শুনি ক্ষন্তেক মান বেলি দুয়ো নিটাল মাৰি থাকিল। দেৱানে তেওঁৰ ধোঁৱাখোৱাটিত হোঁপা দুটামান মাৰি ললে। তাৰ পিছত, ধোঁৱাখোৱাটি ডাৰোগাৰ হাতত দি, হাতকেৰী অৱস্থাতে থিয় হৈ চাওৰপৰাই সমৱেত প্ৰজা-সকললৈ চাই এই বুলি ক্ষমা খুজিলে---

"হে প্ৰজাসকল! মই বিষয়া হৈ থাকোঁতে মোৰপৰা তোমালোকে অশেষ দুখ-বেজাৰ পাইছিলা, সেই সকলোবোৰ এনে সময়তে তোমা-লোকে ক্ষমা দিব লাগে।"

এনেতে, ফাঁচি-চাওৰ চাৰিউফালে পহৰা দি থকা গোৰা আৰু বৰকন্দাজ চিপাহীয়ে জাঁয়ে জাঁয়ে হিলৈ মাৰিবলৈ ধৰিলে। কেউপিনে কোলাহল লাগিবলৈ ধৰিলে। খাৰ-বাৰুদৰ ধোঁৱাই আকাশ ছানি পেলালে। যেই হিলৈৰ মাত নিজম পৰিল, সেই ধোঁৱাকোঁৱাৰ মাজতে দুফালে দুটা ফাটেকিয়াল চাওৰ ওপৰলৈ উঠি মণিৰাম-পিয়ালী দুয়োৰে মূৰত ক'লা টুপী পিন্ধাই, চকু মুখ ঢাকি, ঘাটিকাত ফাঁচ বৰশী লগাই নামি আহিল। পাছে, বীৰাই চাওডাঙে চঁচালিখন দাঙি ফাঁচি-জৰীত টিপ দিলেহি। যেই টিপ দিলে, সেই মণিৰাম-পিয়ালীৰ জীয়া শৰীৰ মৰা-শ হৈ তললৈ পৰি গ'ল।

"ভাগি গল বীণখনি ছিগি গ'ল তাঁৰ
বৈ গ'ল অৱশেষ অমিয়া জোঁকাৰ।"

আগ-বেলাৰপৰা সাঁজ লাগি ভগালৈকে সেই নশ্বৰ দেহা দুটি তাতে পৰি থাকিল। মাটিতেই মণিৰামৰ দেহা মলণ্ডি গ'ল। জন-নায়ক মণিৰাম দেৱানৰ মৃত্যুত জনগণে গাবলৈ ধৰিলে,---

"চাঙত মলণ্ডিলে
চালে-দৈ কোমোৰা,
টেকেলিত মলণ্ডিলে লোণ
মাটিত মলণ্ডিলে
মণিৰাম দেৱান ঐ
নেকান্দি থাকিব কোন?"

বসন্তৰ আগমনত "ৰবিৰ কিৰণে যেন মৰকত গিৰি" হৈ থকা অসম দেশখন মণিৰাম-পিয়ালীৰ ফাঁচীত জিলী-যা-কোৱা-কা হৈ পৰিল। ঘৰে ঘৰে শোক উথলোৱা ৰাগিণী বিস্তাৰ হ'ল। শিপিনীৰ খঁতৰত শলা নুঘূৰা হ'ল। উত্তৰ লক্ষীমপুৰৰ ৰঙানৈৰ পাৰত সাদিন সাত ৰাতি একেৰাহে জুই লাগিবলৈ ধৰিলে, অকালত নেজাল তৰা ওলাল। "কুকুৰে চাং বগাবলৈ ধৰিলে।" কাকতী-ফৰিঙে দেশ ছানি পেলালে। ৰঙা টুনীৰ (গোৰা চিপাহী) অত্যাচাৰত যোৰহাট জুই-হাট হ'ল। শোক আৰু পাশৱিক অত্যাচাৰত দেশ জঁয় পৰিল।

এইবিলাকক ফাঁচী দিয়াৰ পিছতেই স্বদেশোদ্ধাৰ-মন্ত্ৰত দীক্ষা লৈ, "ৰাইজেই ৰজা, জাতিয়েই গঙ্গা"ৰ প্ৰতিমূৰ্তিক প্ৰতিষ্ঠা কৰিবলৈ যিসকলে দৃঢ় সংকল্প কৰিছিল সেই সকলকো হলৰইডে নানান ৰূপে দণ্ডবদ্ধ কৰিলে ঃ---চাৰিংৰজা কন্দৰ্পেশ্বৰ সিংহক আলিপুৰ জেললৈ পঠিয়ালেই; মধুৰাম কোঁচক ফাটেকত থলে; নীলকণ্ঠ চোলাধৰা ফুকন, মায়াৰাম নাজিৰ, কমলা চাৰিঙীয়া বৰুৱা আৰু লাম্মাখৰু চেতীয়াৰ লুকী শেনচোৱা বৰুৱাক কলীয়াপানীলৈ মেলিলে; গণেশচন্দ্ৰ বৰুৱা, নাৰায়ণ বৰবৰা আৰু উমাকান্ত শৰ্মাক শিৱসাগৰত অৱৰুদ্ধকৈ থলে; মৰঙীখোৱা গোহাঞি আৰু দুতিৰাম বৰুৱাক যাৱজ্জীৱন কলীয়াপানীলৈ নিৰ্বাসন কৰিলে, ছেখ ফৰ্মুদ আলি আৰু ছেখ বাহাদুৰ গাঁওবুঢ়াক (বাহদিল) বন্দীশালৰ দণ্ড দিয়া হ'ল। মুক্তিয়াৰ মধুৰাম মল্লিকক কলীয়াপানীলৈ মেলিলে।

দেশৰ ধৰণী আৰু সমাজৰ মুখিয়ালসকলক এইদৰেই প্ৰাণে বধ কৰি কোনোক শাস্তিবন্দী কৰি, কোনোক বিবিধ প্ৰকাৰে নিৰ্য্যাতন ভোগাই বৃটিছ চৰকাৰে দেশজুৰি ভীষণ হুলস্থুল লগাই দিলে। শান্তিৰ নামত কেৱল অশান্তিৰ জুই জ্বলিল। ঘৰে ঘৰে কান্দোনৰ উমি উঠিল। বল যাৰ চল তাৰ। পৰাক্ৰমী পাশৱিক অস্ত্ৰ বলে স্বৰাজ্য-স্বধৰ্ম-স্পৃহা দলি পেলালে। কৃতঘ্নতাশূন্য একতা, উমৈহতীয়া একাগ্ৰতা, চকুৱাল পৰ্য্যবেক্ষণ, কুশাগ্ৰবুদ্ধিৰ অভাৱ আৰু স্থিৰলক্ষ্যহীন অদূৰ-দৰ্শিতাই অসমীয়া জাতিৰ দুৰ্বলতা। ইয়াৰ ওপৰতে "মূণ্ডে ভৰি" দিবলৈ প্ৰথম প্ৰচেষ্টা হৈছিল---সদৌ ভাৰতজোৰা পোন প্ৰথম স্বাধীনতা সংগ্ৰামত। 'বলৱন্ত কালচক্ৰৰ' লগতে বৃটিছৰ দমনচক্ৰই আগৰণুৱা কেইজনৰ আগচেষ্টা ফাঁচি-কাঠত পিহি পেলালে। নল মৰি ওলোৱা

গজালিলৈ সেই অসম্পূৰ্ণ কাম সম্পূৰ্ণ কৰিবলৈ পৰি থাকিল। শস্য-শ্যামলা অসম-ধৰিত্ৰীৰ বুকুত বিপুল অৰ্থসম্পদৰ অনন্ত আকৰ তন্দ্ৰা-বস্থাত তল পৰি আছে; পূৰ্ণ স্বাধীনতাৰ অতৃপ্ত বাসনাত ভেই পুৰি থকা আমাৰ ডেকাশক্তিয়ে সেই সম্পদৰ সঁজাল ধৰাবই ধৰাব। "১৮৫৭" চানৰ পৰা জগতত হেজাৰ-বিজাৰ বৃন্দাবন পুৰি ছাই হ'ল, হেজাৰে-বিজাৰে হাঁহিলে মাতিলে, হেজাৰ বিজাৰ নৰ-নাৰী চিৰকালৰ নিমিত্তে প্ৰলয়প্ৰাপ্ত হ'ল। অৱশেষত, পাপৰ প্ৰায়শ্চিত্ত স্বৰূপে জাতিৰ হৈ লৰ্ড মাউণ্টবেটেনে কাতুৰ্বাদে মিনতি কৰিলেহি—অতীতক পাহৰি পেলোৱা।

অত্যাচাৰ পাহৰিব পাৰি। সন্তাপ কিন্তু কলৈ যায়? যি মণিৰামে স্বাধীনতাৰ পৰিকল্পনাটি পোনপ্ৰথমে আউটি লয়, সেই মণিৰামৰ কাৰ্য্যকল্পনাবোৰক নো অসমীয়াই কোন সত্তে পাহৰে? সেয়ে হে আজিও সকলোতে প্ৰতিধ্বনিত হৈছে—

"সংসাৰ যুঁজৰ ঠাই
ভুবৰ সকাম নাই
উঠি পৰি যুঁজা সবে
কৰি প্ৰাণপণ!"

১০ম বছৰ ৬ষ্ঠ-৭ম সংখ্যা 'আৱাহন'ত (১৮৬০ শক) প্ৰকাশ হোৱা প্ৰবন্ধৰ পৰিবৰ্দ্ধিত সংস্কৰণ।

মণিৰাম দেৱানৰ সাঁথৰুৱা বিদ্ৰোহী চিঠি

মণিৰাম দেৱানে কলিকতাৰপৰা দিয়া সাঁথৰুৱা দুখন বিদ্ৰোহী চিঠিৰ চিঁহা ঃ---

এইখন চিঠি দিছিল কন্দৰ্পেশ্বৰ সিংহ চাৰিং-ৰজালৈ ; কিন্তু লেফাফাৰ ওপৰত মহীধৰ শৰ্মা মুক্তিয়াৰৰ বুলি লেখা আছিল। ভিতৰত লেখা আছিল, "এই চিঠিখন দিব", "বৰ আপতৰ চিঠি" ঃ---

শ্ৰীশ্ৰীযুক্ত মহিমাবৰ প্ৰচণ্ড প্ৰতাপেষু,

---আপোনাৰ সেই পৰম সৌভাগ্য উদয় হওঁ-হওঁ হৈছে। সময় পাইছেহিয়েই। দশাত থাকিলে হে সু-ভাগ্য উদয় হয় সঁচা, তথাপি পুৰুষে পুৰুষাৰ্থ কৰি পুৰুষালি দেখুৱাব লাগিল। ---ছেগ সদায় নেপায়ও, নোলায়ও, জেঠ-আহাৰ মহীয়া বৰষুণ দিওঁতেই কঠীয়া নেপাৰিলে পাচত হাঁকাল-বিকাল হ'বলৈ আছে। সেই গুণে, কথাৰ ভাও ভালকৈ বুজিবাজি, ফলাফললৈ চাই শক্তি-বুদ্ধি খটুৱাই উৎসাহেৰে কৰ্তব্য সমাধা কৰিবলৈ প্ৰতিজ্ঞা কৰক।

দেৱতা! আপোনাৰ বৰ-ঘৰটো বৰ পুৰণি হ'ল। খুটা-চ'তিত ঘুণে ধৰিলে, বান্ধছাটো ছিগিল। চালও উৰুখিছে---এছাটি বতাহ মাৰিলেই ভাগি পৰিব। খুঁটা-চ'তি সলাই ঘৰটো নকৈ ছোৱাওক। খেৰবেত (সৈন্য-সেনা) নাই; এই বাবে হে ঘৰ ভাগিবলৈ পাইছে।--- বাৰিষাৰ বাকী দিন কিটা থকাও টান হ'ব। এতিয়াই সেই ঘৰ ভাঙি ন-ঘৰ সাজি উঠিয়ালে হে দেৱতাৰ অহুকাল নাইকিয়া হ'ব। ভাল জ্যোতিষী এজনৰ হতুৱাই চোওৱালত আপোনাৰ দশা বৰ ভাললৈ আহিছে বুলি কোৱাত হে আপোনালৈ লেখিলোঁ। বৰ্তমানে য'তে-ত'তে বাঘৰ গোজৰণি। ১৩।১৫ হেজাৰমান ফিৰিঙ্গী চাহাব কটা গ'ল। কিমান নো মৰিল, অন্ত নাই। এতিয়া এনে হে হৈছেহি, আপুনি কাণ থিয়কৈ গা নেদাঙিলে আৰু উপায় নাই। তাত থকা পল্টনীয়া ফৌজক আপুনি হয়, ধন-সোণ দি, নহয় চুকচুকাই-চুকচুকাই আপোনাৰ ফলীয়া কৰিবই লাগিব। সিহঁতক যেনেতেনে প্ৰকাৰে আপোনাৰ সমান নকৰাকৈ নেথাকিব।---চিপাহীহঁতক সৰহ-সৰহকৈ মহিনা দিবলৈও 'কবুল' কৰিব আমাৰ জয় হ'বই। ১৬ আষাঢ়।*

---

* ডাঃ এইচ, কে, বৰ পুজাৰীৰ "আসাম ইন দি ডেইজ অৱ দি কোম্পানী" পৰা ভাঙনী কৰি তোলা

দেৱানৰ চিঠিৰ তলত থকা অঙ্ক-চহীৰ চিঠি

উৰ্বীধৰ শিৱসাগৰীয়া বৰুৱালৈ দিয়া ঃ---

"দিনক দিনে শত্ৰুৰ বল বাঢ়ি গৈছে। কি ওপৰ, কি মাজ, কি তল---এটাইবোৰ আগৰ ফৌজেই বিদ্ৰোহী হৈ উঠিছে। সিহঁত আহি বঙ্গদেশ পাইছেহি। বঙ্গদেশো লয় হে লাগে। বৰমুনীয়াহঁতৰ মুখত পানী নাই---সিহঁতে যুদ্ধ কৰিও একো কৰিব পৰা নাই। সিহঁতৰ খাৱন-শোৱন নাই---দিনত চিন্তা, নিশা উজাগৰ---যুদ্ধও হৈছে, বহুত ফিৰীঙ্গীও মৰা পৰিছে। ৬০০০ ছয় হেজাৰক হেনো সিফলীয়া কৰিলেই। কোনেও যেন এই চিঠিৰ ফুট নেপায়। ইতি---

চহী

৫	৪	৬	৫
৫	৫৭	২	৫

চহীৰ ভাঙনী ঃ---

প্ৰথম ৫ অঙ্কটোৱে বুজায় প বৰ্গৰ পঞ্চম বৰ্ণ---ম
দ্বিতীয় ৫ " " ত বৰ্গৰ পঞ্চম বৰ্ণ---নি
তৃতীয় ৫ " " অন্তঃস্থ বৰ্গৰ দ্বিতীয় বৰ্ণ---ৰা
চতুৰ্থ ৫ " " প বৰ্গৰ পঞ্চম বৰ্ণ---ম
অৰ্থাৎ মনিৰাম।

অসমত স্বাধীনতা আন্দোলন
(১৯৩০-৪৭)

১৯৩০ চনৰ পৰা ১৯৪৭ চনত স্বাধীনতা পোৱাৰ আগলৈকে বছৰ লেখেৰে পূৰাপূৰি ১৭ বছৰ। এই সোতৰ বছৰত স্বাধীনতা লাভৰ অৰ্থে অসম জুৰি যি আন্দোলন হৈছিল তাৰ ইতিহাস লেখি অন্ত কৰিব নোৱাৰি। হাতী মাৰি ভুকুকাত ভৰোৱা যেনে, ইও তেনে। তথাপি, তাৰে এটি চমু আভাস দিবলৈ আগ বাঢ়িলোঁ। হিংসামূলক মাৰাত্মক অস্ত্ৰই যে যুদ্ধত প্ৰবৃত্ত হ'বপৰা সম্বল, সেই কথা জগতৰ বুৰঞ্জীত অনাদি কালৰ পৰাই চলি আহিছে। কিন্তু যুদ্ধ বিদ্যাৰ ভু নোপোৱা পৰাধীন জাতি এটাৰ পক্ষে শত্ৰুবো অন্তৰ গলোৱা ত্যাগ আৰু যাতনা ভুঞ্জাৰ বাহিৰে আন অস্ত্ৰ একো নাই। আধুনিক অস্ত্ৰ-শস্ত্ৰ সুসজ্জিত পৰাক্ৰমী বৃটিছ কবলৰ পৰা মুক্ত হ'বলৈ মহাত্মা গান্ধীয়ে কংগ্ৰেছৰ যোগে উলিয়াই দিলে ১৯২০ চনত এইপাট পাশুপাত অস্ত্ৰ যাৰ নাম অহিংস অসহযোগ আন্দোলন। পৰাধীনতাৰ মোহনী মন্ত্ৰত মুগ্ধ হৈ থকা সকলে তেতিয়া কৈছিল---ক'ৰবাত নো বিনা অস্ত্ৰে যুদ্ধ হয় নে? নিৰীহ ছাগলীয়ে যেনিবা কাউবাউকৈ বেবালেই, সেই বুলিয়েই খাবলৈ অহা বাঘটোৱে তাক নেখাই ক'ৰবাত নো এৰি যায় নে? তথাপি সকলোৰে মুখত ছাই পেলাই এই জগতক চমক খুৱাই দিলে। সকলোৱে অকুণ্ঠিত ভাৱে স্বীকাৰ আৰু গণ্য কৰিলে---অহিংস আন্দোলন সঁচাকৈয়ে অভিনৱ আন্দোলন। এই আন্দোলনৰ পৰিণতিয়েই হ'ল সসন্মানে বৃটিছৰ ভাৰত ত্যাগ আৰু ভাৰতত স্বাধীনতা প্ৰতিষ্ঠা। আন্দোলনৰ প্ৰথম প্ৰস্তাৱ হয় ১৯২১ চনতে। এই চনৰ আন্দোলনতে চাক খাই থকা স্বদেশপ্ৰাণতাৰ জুইকুৰা ভাৰতবাসীৰ অন্তৰত পুনৰ ৰাক্‌ৰাবলৈ ধৰে। তাৰপৰা দেশৰ পৰিস্থিতি আৰু অভিযানকাৰীৰ পাকচক্ৰ আৰু সৰ্বসাধাৰণ প্ৰজাৰ কাৰ্য্যৰ ভাও বুজি আন্দোলনেও কোনো সময়ত উগ্ৰ আৰু কোনো সময়ত মন্থৰ গতিৰে বাট বুলিবলৈ ধৰে। ৯ বছৰৰ মূৰত যেতিয়া ১৯৩০ চন পালেহি, তেতিয়া অহিংস

আন্দোলনে ৰুদ্ৰ মূৰ্তি ধাৰণ কৰিলে আৰু স্বাধীনতা আন্দোলনৰ অহিংস পৰ্য্যায়টোৰ দ্বিতীয় অধ্যায় সৃষ্টি কৰি পেলালে। এই চনতে প্ৰকাশ্য ভাৱে ঘোষণা কৰি দিয়া হ'ল যে ভাৰতীয় আশা-আকাংক্ষাৰ পৰিপন্থী আইন মতেই ভাৰতীয় নৰ-নৰীয়ে প্ৰত্যক্ষভাৱে প্ৰতিৰোধ কৰিবই।

'২১ চনৰ আন্দোলন আছিল জাতযোৰা পৰাধীন ভাৰতীয়ৰ অন্তৰত স্বাধীনতাৰ ফুলিঙ্গ জ্বলাই দি জেল-জৰিমনাৰ ভয়-ভাবুকি আৰু বিদেশী শাসনক হাতেৰে নেমাৰি ভাতেৰে মাৰিবৰ নিমিত্তে সকলোৰেই আত্মৰক্ষাৰ উপায় আলচ কৰা। আৰ্থিক সংগঠনৰ লগে লগে বাকস্বাধীনতা প্ৰতিষ্ঠা কৰাটোও আছিল জাতীয় কংগ্ৰেছৰ প্ৰধান সঙ্কল্প আৰু সঙ্কল্পটো কাৰ্য্যত পৰিণত কৰিবলৈ প্ৰাণটাকি পৰিষত্ন কৰিছিল সৰহভাগ "বিলাতফেৰৎ" বিচক্ষণীয় বীৰ ভৈৰৱ পুৰুষ-সকলেহে। কংগ্ৰেছৰ নিৰ্দেশ পালন কৰাত সেইসকল একচুলিমানো কক্ষভ্ৰষ্ট হোৱা নাছিল, বৰং স্বাধীনতা অৰ্জনৰূপী মহীৰুহ বৃক্ষৰ বীজ ৰোপন কৰাত সাংসাৰিক সুখ-সন্তোষ, লাঞ্ছনা, অপমান সকলো জলাঞ্জলি দিছিল। সেই সকলকে ভেড়াৰ দৰে অনুসৰণ কৰিছিল বিপ্লৱী বস্তিধাৰী লক্ষ লক্ষ উদ্বাউল ডেকাই। চমুতে ক'বলৈ হ'লে '২১ চনৰ আন্দোলনটো জনসাধাৰণৰ মাজত তীব্ৰ বেগে প্ৰবাহিত হৈছিল। তথাপি সি বেষ্টিত আছিল পুৰুষ শ্ৰেণীৰ মাজত আৰু পুৰুষেই দেখা দেখিকৈ বৃটিছ আইনৰ বিৰুদ্ধে তুমুল অহিংস সংগ্ৰাম চলাইছিল। ১৯৩০ চনত কিন্তু, পুৰুষৰ সীমা চেৰাই আন্দোলনে সুকীয়া মূৰ্তি ধাৰণ কৰিলে। এইবাৰ ই গৈ মহিলাৰ মাজতো সোমা-লগে। বোম্বাইতে হেজাৰ-বিজাৰ মহিলাই বিষম সাহ আৰু অসীম ধৈৰ্য্যেৰে বৃটিছৰ ৰঘুমলাৰূপী আইনক প্ৰত্যক্ষৰূপে প্ৰতিৰোধ কৰিবলৈ ধৰিলে। ফলত হেজাৰ বিজাৰৰ কাৰাগাৰত বাস হ'ল আৰু লগে লগে অৰ্থদণ্ডত সকলোটি কোঙা হ'ল। তথাপি নিৰ্য্যাতনৰ ওচৰত মহিলা শক্তয়ে মূৰ নোদোঁৱালে।

পচোৱা বতাহৰ আগত উঠি এই বাতৰিয়ে অসমৰ গাঁও-ভুঁই তৌৱাই পেলালেহি। জাকে জাকে ৰৰঘৰ শুৱনি জীয়াৰী ছোৱালী, শই শই বোৱনে-কাটনে সুৱাগী কাজী বিধৱা, বোৱাৰী ওলাই আহিল চাৰিবেৰৰ ভিতৰৰ পৰা মুকলি পথাৰত সভা সমিতি পাতিবলৈ, সভা পাতি কংগ্ৰেছ সেৱকিনী সংগ্ৰহ কৰিবলৈ। সকলোৰে মনৰ পৰা

ওৰণি যাৱণি আঁতৰি গ'ল। সকলোৱে ভাগে ভাগে কাম বণ্টাই ললে। কোনো গ'ল কানি দোকানত পিকেটিং কৰিবলৈ, কোনো গ'ল বিলাতী কাপোৰৰ দোকানত ধৰ্ণা ধৰিবলৈ, কোনো গ'ল ঘৰে ঘৰে কাৰৌ-কোকালি কৰি পৰিশ্ৰমৰ সন্মান বুজাবলৈ আৰু স্বদেশী গ্ৰহণ কৰাবলৈ আৰু কোনো গ'ল শুই থকা জনগণক স্বাধীনতা মন্ত্ৰেৰে জগাই দিবলৈ। শিৱসাগৰ, নগাঁও, কামৰূপ, নদুৱাৰ, উত্তৰ লক্ষীমপুৰত ক্ৰমে ক্ৰমে গাঁৱলীয়া মহিলা সেৱকিনীয়ে পুলিচৰ লগত প্ৰত্যক্ষ সংঘৰ্ষ কৰিবলৈ প্ৰস্তুত হৈ ওলাল। সংঘৰ্ষত ভাগলোৱা মহিলাই কাৰাবৰণ কৰিলে--- কালুগাঁৱৰ লক্ষেশ্বৰী ভূঞা, গুৱাহাটীৰ চন্দ্ৰপ্ৰভা শইকীয়ানী, চাৰিঙৰ সুন্দৰী কাকতীয়নী, ঢকুৱাখনাৰ চন্দ্ৰশেখৰ দাসৰ পৰিবাৰ অৰুণবালা দাস, নগাঁৱৰ ভুবনেশ্বৰী নাথ প্ৰভৃতি। ১৯২১ চনত বহুত ল'ৰাই স্কুল-কলেজ বৰ্জন কৰি ফাটেক খাই আকৌ শিক্ষালয়ত প্ৰৱেশ কৰিছিল। সেইবিলাকেই এতিয়া চৰ্কাৰী কামত সোমাই পৰোক্ষভাৱে '৩০ চনৰ আন্দোলনত ভিতৰি ভিতৰি সহায় কৰিবলৈ ধৰিলে। যিসকল মহিলাই আইন অমান্যৰ মুখামুখি হ'বলৈ ভাল নেপাইছিল বা অভিভাৱকৰ পৰা বাধা পাইছিল, সেইসকলেও মহিলা সভা পাতি মানুহক মহাত্মাৰ বাণী পালন কৰিবলৈ উদগাই ফুৰিছিল। তেতিয়ালৈকে মণিৰাম দেৱানৰ নামো কোনেও উচ্চাৰণ কৰিব নোৱাৰিছিল। ক্ষুদিৰাম বসু, ভগৱৎ সিঙৰ নাম ললে যেনেকৈ আইনে নাম লওঁতাজনক হয় ফাঁচী দিছিল নহয় কলিয়াপানীলৈ মেলিছিল, তেনেকৈ মণিৰাম দেৱানৰ গুণ-গৌৰৱ গোৱাজনকো বৃটিছ শাসনৰ দ্বাৰাই লালিত-পালিত পুলিচ কৰ্মচাৰীয়ে টিকাত বেত দি ফাটেকত ভৰাই থৈছিল। তেনে এজন ৰাজনীতি বিশাৰদ সলিশিয়ান বীৰৰো স্মৃতি সভা পতা হ'ল এই ১৯৩০-৩১ চনতে। '৩০ চনতে গৱৰ্ণমেণ্টে কঠোৰতকৈ কঠোৰ আইনৰ প্ৰৱৰ্তন কৰে। স্কুল-কলেজ, হাত-বজাৰ, চাৰিআলি, চাহৰ দোকান, ক্লাবঘৰ, ভাওনা-থিয়েটাৰ সকলোতে গৱৰ্ণমেণ্টৰ চোৰাংচোৱা বিদ্যমান।

নিতৌ ঘানি-ঘূৰোৱা, এল'পাত খুন্দা, মাজে সময়ে সৰৌপ-সৰৌপ বেত খোৱা---এইবোৰেই আছিল জেলৰ পুৰস্কাৰ। তাতে যদি কোনো-জনে জেল কৰ্মচাৰীৰ লগত বাচ্যাবাচী কৰিলে, তেন্তে তেওঁৰ হ'ল নিজান ফাটেক নাইবা ভৰিত ডাঙৰ শিকলিৰ বান্ধ। আগলৈ উঠি

যিহা দেশৰ আশা-ভৰষাৰ স্থল, যিবিলাক ডেকাই এনে অপমান সহ্য কৰিব নুখুজিছিল, সেই সকলেই এনে কঠোৰ "পুৰস্কাৰৰ দ্বাৰা পুৰস্কৃত" হৈছিল। তেওঁবিলাকৰ যৌৱনোচিত স্বাধীনতা স্পৃহা আৰু একাগ্ৰচিত্ত আদৰ্শবাদে বৃটিছ কৰ্মচাৰীকো স্তম্ভিত কৰিছিল। মহিলা-সেৱকিনী মাত্ৰেই আছিল সম্ভ্ৰান্ত কুলৰ যি কোনোকালে জীৱনত দুখ কাক বোলে চিনি পোৱা নাছিল, তেনে মহিলায়ো অকুণ্ঠিতভাৱে জেলত থাকি কি নিকাৰ ভুগিছিল, ভাবিলে আগমগহ ক'লা পৰি যায়। '৩০ চনৰ কৰ্মীবৃন্দক জেলত সুমুৱাই থৈ হৰ্তাকৰ্তা বিধাতাসকলে ভাবিছিল যে আপদীয়া আন্দোলনকাৰীৰ অন্ত পৰিল। কিন্তু সিবিলাকে বুজা নাছিল যে ওপৰে ভেটিলে নৈৰ সোঁতে তলে বাট লয় বুলি। ১৪৪ ধাৰা জাৰি কৰি কোনো মৌজাত অৰ্ডিনেন্স আৰু সাধাৰণ ফৌজদাৰী দণ্ডবিধিৰ গৰাহত পেলাই কঠোৰ দমননীতিৰে স্বাধীনতা আকাংক্ষী মাত্ৰকে জেল-জৰিমনা, শাস্তি-বন্দী কৰিও আন্দোলন থমাব নোৱাৰিলে। বাহিৰৰ হৈ চৈ অলপ কমিল সঁচা; কিন্তু ভিতৰত সি প্ৰবলভাবে চলিবলৈ ধৰিলে। ঠায়ে ঠায়ে ৰায়ত সভা, সেৱকদল আৰু সূতা কটা শিপিনী সংঘ গঠিত হ'ল। অলেখ ৰায়ত সভাৰ ভিতৰত বিশ্বনাথ ৰায়ত সভা, চাৰিং-শলগুৰি ৰায়ত সভা, টিজিকিআম ৰায়ত সভা, কলিয়াবৰ ৰায়ত সভা, গণকপুখুৰী ৰায়ত সভা, পাট্টাচাৰকুছি-বজালী ৰায়ত সভাৰ নামেই বিশেষভাৱেই উল্লেখযোগ্য। তথাপি সেই কালৰ ৰায়ত সভাবিলাকৰ ভিতৰত ন-দুৱাৰ ৰায়ত সভাই চূড়ামণি ৰায়ত সভা আছিল বুলি নকৈ নোৱাৰি। জ্যোতিপ্ৰসাদ আগৰৱালাই নবীন আদৰ্শেৰে গঢ়ি লোৱা স্বেচ্ছাসেৱক বাহিনীয়েই এই সভাৰ কৰ্ণধাৰ আছিল। কংগ্ৰেছ কমিটিবিলাক বে-আইনী বুলি ঘোষিত হোৱাৰ পিছত এই ৰায়ত সভাবিলাকেই চৌধ অনা কংগ্ৰেছৰ কামকে কৰি ফুৰিছিল। ১৯৩০ চনৰ পৰা ১৯৩২ চনলৈকে চুৰ্ণ্ডুৰীয়া-ভাৱে পুলিচৰ দমননীতি চলি আছিল। মাজতে উচ্চতম চৰ্কাৰী কৰ্মচাৰীৰ নিৰ্দেশত কংগ্ৰেছ সেৱকক গ্ৰেপ্তাৰ কৰা আদেশটো অলপ-মান ঢিলাই দিয়া হৈছিল আৰু জেলত থকা দীঘলীয়া ম্যাদৰ ফাষ্টে-কিয়ালবিলাককো অলপ মৰমৰ চকুৰে চোৱা হৈছিল। জেলত থকা কৰ্মচাৰীবিলাকৰ সজাতীয় মানুহকো আগলৈ চৰ্কাৰী কাম পোৱাৰ আশা

নাই বুলি ভাবুকি দিয়া হৈছিল। তেওঁবিলাকে ভাবিছিল গৱৰ্ণমেণ্টৰ বিৰুদ্ধে এনে "অতপালি আন্দোলন" চলোৱাৰ মূলতে শিক্ষানুষ্ঠানবিলাক। সেইবাবে শিক্ষা বিভাগৰ কৰ্তৃপক্ষই ছাত্ৰবিলাকলৈ পঢ়না পঠিয়ালে যে কোনো ছাত্ৰই কোনো ৰাজনৈতিক সভা-সমিতিত যোগ দিব নোৱাৰে। কিন্তু ফেটী সাপৰ মূৰ যেনকৈ ফেনে-ফোটোকাৰে বাঢ়ি অহা স্বাধীনতা স্পৃহাৰ উত্তাল তৰঙ্গ কোনে দমাব পাৰে ? ছাত্ৰ শক্তিয়ে পুৰণি "অসম ছাত্ৰ সন্মিলনী"ৰ সেই শোৱাসেৰেলুৱা নিয়মাৱলী নকৈ ৰচনা কৰি তাৰ ভেঁটিত নতুন ছাত্ৰ অনুষ্ঠান নিৰ্মাণ কৰিলে। সকলোৱে একধ্যান এক চিন্তা কৰিলে যে চৰ্কাৰৰ সেই "কাল অজগৰ যেন" কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰিবই লাগিব। সঁচা-সঁচিকৈয়ে কৰিলেও। তাৰ ফলত যোৰহাট-গুৱাহাটীত যে কত ছাত্ৰৰ মূৰ ফাটিল, কতৰ যে হাত ভাগিল আৰু কতৰ যে ভৱিষ্যত শিক্ষাৰ মুদা মৰিল! তথাপি ইমান নিৰ্মম দমন-চক্ৰ চলায়ো বৃটিছ শাসনে অসমীয়া ছাত্ৰ-শক্তিৰ দুৰ্বাৰ আকাংক্ষা প্ৰতিহত কৰিব নোৱাৰিলে।

'২১ চনত পুৰুষৰ, '৩০ চনত মহিলাৰ আৰু '৩২ চনত ছাত্ৰৰ জাগৰণ---এই তিনিটা উধান হোৱাদি হ'ল আৰু স্বাধীনতা আন্দোলন জুই-থালিটো তাৰ মূৰতেই বহুৱাই দিয়া হ'ল। সেই উধানত বহি থালিটোৱেই ক্ৰমাম্বয়ে উমি উমি জ্বলি ১৯৪২ চনৰ আগষ্ট মাহত নিৰস্ত্ৰ যুদ্ধ ৰূপে দেখা দিলেগৈ আৰু ইতিহাস চিৰস্মৰণীয় কৰি পেলালে। এই চনৰ এই মাহতে সমস্ত অসমৰ নৰ-নাৰী টিঙিৰ তুলা হৈ উঠিল। ল'ৰা-বুঢ়া, জীয়াৰী-বোৱাৰী, বাঁৰী-দুখুনী, বুঢ়ী-থেৰী সকলোৱেই উন্মত্ত হৈ পৰিল। সকলোৰে একমাত্ৰ চিন্তা হ'ল---কেনেকৈ বিদেশী শাসনৰ ওৰ পেলাব পাৰি; কেনেকৈ ক্ৰিপছ আদি মন্ত্ৰীসকলৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰি তাৰ পোতক তুলিব পাৰি, কেনেকৈ ভুৰুকিৰা কথাৰ প্ৰতিশোধ লব পাৰি। কেৰ্কেটুৱাৰ বাঁহ পাতেই ভেঁটি স্বৰূপ যি যেনেকৈ পাৰে তেনেকৈয়ে নিৰুপদ্ৰৱী অস্ত্ৰ লৈ মুক্তি সংগ্ৰামত প্ৰবৃত্ত হ'বলৈ ধৰিলে।

১৯৩৯ চনত হিটলাৰে পৃথিৱী ছাৰখাৰ কৰা মহাযুদ্ধৰ আৰম্ভ কৰিলে। বৃটিছ গৱৰ্ণমেণ্ট ভাৰতবাসীক ধনে-জনে সহায় কৰিবলৈ কাতুৰ্বাদে অনুৰোধ কৰিলে। কিন্তু খং, ঘৃণা আৰু অসন্তোষত তিতা-লাগি ভাৰতবাসীয়ে সমিধান দিলে---আমি কেতিয়াও যুদ্ধত কোনো

প্ৰকাৰেৰেই সহায় নকৰে। । ১৮৫৭ চনত স্বাধীনতাৰ প্ৰথম যুদ্ধৰ দৰেই, এই যুদ্ধতো নৃশংসভাৱে আমাৰ জনগণে জীয়াতু ভুগিবলগীয়া হৈছিল। বিদেশী শাসকবিলাকে চকুৱাল, বুদ্ধিয়ক, কথকী মানুহ মাত্ৰকেই সন্দেহ কৰিছিল। বাতৰি-কাকতৰ ওপৰত নিষেধাজ্ঞাৰ উপৰি নিষেধাজ্ঞা জাৰি কৰিছিল; থূপ খোৱা মানুহৰ দল এটা দেখিলেই পুলিছে গৱৰ্ণমেণ্ট বিৰোধী সভা হৈছে বুলি ৰিপৰ্ট দিছিল। যি বৃটিছে ভাৰতক পৰাধীনকৈ নথওঁ বুলি প্ৰতিশ্ৰুতি দিছিল, সেই বৃটিছক সিফালে যেনেকৈ ডানমাৰ্কত হিটলাৰ বাহিনীয়ে কঁকাল ভাঙি পঠিয়াইছিল ইফালে তেনেকৈ দমন চক্ৰ উলিয়াই সেই কঁকাল ভগা বৃটিছেই মুক্তিকামী নিৰস্ত্ৰ ভাৰতবাসীক পিহি পেলাইছিল। পুলিছৰ লাঠিৰ কোব, কাণতাল মৰা চৰ, বেয়নেটৰ খোঁচ, ঠায়ে ঠায়ে বন্দুকৰ গুলী, নিৰ্বাক নিস্পন্দচিত্তে সহ্য কৰিবলগীয়া লাজ-অপমান-এইবোৰেই আছিল মুক্তি যুঁজাৰু সৈনিকহঁতৰ চিৰসহচৰ। সিপিনে হোজা গাঁৱলীয়াই হাড়ক মাটি তেজক পানী কৰি অৰ্জা খেতিৰ ভাত খাই যুঁজাৰুসকলৰ আলেখলেখ চাই আছিল; পাৰিছিল যদি কেতিয়াবা এষাৰ সহানুভূতিৰ কথা কৈছিল। তাতেই তোষামোদী কৰ্মচাৰীৰ নিগ্ৰহত পৰি সিবিলাকে পাইকাৰী জৰিমনা ভৰিবলগীয়া হৈছিল। প্ৰায়েই কৰ্মচাৰীবিলাকে উৰহৰ খং ভগা চাৰিত তুলিছিল। ৰেলৰ আলিৰে চিড়ী যদি কোনোবাই উঠাই দিলে, ডাক বঙলা বা চৰ্কাৰী ঘৰত জুই লাগিল নাইবা বিমান কোঠত ঘৰ ভাঙি পেলালে; তেন্তে অকৰ্মণ্য পুলিচৰ তৎপৰতাৰ অভাৱত জগৰ লাগিলগৈ ওচৰ-চুবুৰীয়া নিৰীহ গাঁৱলীয়া ৰাইজৰ গাত। অকল জৰিমনা আদায় কৰিয়েই এৰা নাছিল। অশেষ ৰূপে সিবিলাকক লাজ-অপমান দি জীৱন্ততে মৰাতুল্য কৰিছিল। অত্যাচাৰৰো একোটা সীমা আছে। "শ্বেতাঙ্গ সাম্ৰাজ্যবাদীতকৈও" কৃষ্ণাঙ্গ স্বাৰ্থান্বেষীৰ পৈশাচিক তাড়নাই সৰল চহাৰ প্ৰাণতো বৃটিছৰ প্ৰতি বিদ্বেষ ভাব দকৈ সোঁচৰালে।

তথাপি স্বৰাজ সৈনিকৰ দুৰন্ত সাহ আৰু আকাঙ্ক্ষা কোনোমতেই নেথামিল। বৰং "মৰিলে স্বৰ্গ তৰিলে দেশ"---বুলি দলে দলে ডেকা বীৰ বীৰাঙ্গনাৰ দলে পুলিচৰ গুলী বুকু পাতি ললে। কেউপিনে আত্মৰক্ষাৰ ৰণশিঙা বজাবলৈ ধৰিলে। ৰণত শান্তি সেনাৰ তিলক ডেকা পৰিল, গহপুৰৰ কণক-প্ৰতিমা কণকলতাই মুলা গাভৰুৰ দৰেই

প্ৰাণ বিসৰ্জন দিলে, ভোগেশ্বৰী ফুকননীৰ তনুত্যাগত তেজৰ নৈ বৈ গ'ল। লক্ষী হাজৰিকা, ঠগী সূত, বলো সতৰ ভোজৰ পাতত নিজা নিজা তেজেৰে বন্তি জ্বলালে। গহপুৰ-বৰহ্‌পুৰ তীৰ্থস্থান হ'ল। ঘোৰহাটত কুশল কোঁৱৰে, "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰ" বুলি স্বদেশৰ হন্তে নীৰৱে ফাঁচী চাঙত দুচকু মুদিলে। কমলা মিৰিয়ে অচল-অটল প্ৰতিজ্ঞা ৰাখি মৰণ শয্যাতে চিৰশান্তি লভিলে। বজালীৰ সপ্তম শ্ৰেণীৰ ছাত্ৰ মদন বৰ্মন আৰু ৰাউতাৰাম দাসে বুকুপাতি গুলী লৈ তেজেৰে ধৰণী ৰাঙলী কৰিলে। পুলিচৰ অন্যায়ৰ বিৰুদ্ধে গুৱাহাটীৰ ছাত্ৰশক্তিৰ প্ৰতিৰোধ অভুতপূৰ্ব। পুলিচৰ দয়া মমতা-হীন অত্যাচাৰলৈও কেৰেপ নকৰি ভালেমান ছাত্ৰই স্বাধীনতাৰ বন্ধগান গাই চিৰদিনৰ নিমিত্তে নিজৰ শৰীৰ ঘুণীয়া কৰিলে। সৰভোগৰ মহিলাবৃন্দই পুলিচৰ ভ্ৰূকুটিলৈও ভ্ৰূক্ষেপ নকৰি থানা আগুৰি থকা দৃশ্যটোৱেই জগতক চমৎকাৰ চানেকি থৈ গ'ল। আৰু সাহে পিতে কতজন গদাধৰে অসমৰ চুকে-কোণে মুক্তিপণ জপি সাংসাৰিক মায়া-মমতাৰ পৰা মুক্ত হ'ল, তাৰ লেখ কোনে দিয়ে। বাতৰি কাকতৰ পিঠিতো সিবিলাকৰ নাম নুঠিল। তথাপি মুকুণ্ড কাকতী, মঙ্গল কুৰী, ৰতন কচাৰীকে মুখ্য কৰি সকলোৰেই স্বাধীনতাৰ বুৰঞ্জীত একো একোটি আপুৰুগীয়া অৰিহণা পেলাই থৈ গ'ল। গণ-আন্দোলনৰ এনেবোৰ গোটমৰা তেজৰ ওপৰতে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনতাৰ বৰদৌল প্ৰতিষ্ঠিত হ'ল।

অসমীয়া কথা-সাহিত্য বিকাশৰ চমু আভাস

(১)

শকাব্দৰ পঞ্চদশ শতিকাৰ আৰম্ভতে অঙ্কীয়া নাটত মহাপুৰুষ শঙ্কৰদেৱে এবিধ গদ্য সৃষ্টি কৰে---সেই গদ্যক অঙ্কীয়া নাটৰ গদ্য বুলি কোৱা হয়। তাত পোৱা যায়---

"হে প্ৰিয়ে গোটা এক ফুল পদ্মিনীক দিলোঁ। সে নিমিত্ত যদি অপমান কৰা, তবে উঠ হ। তোক এক শত পাৰিজাত দেৱব। হে প্ৰাণপ্ৰিয়ে! সে ৰুক্মিণী, জাম্বৱতী তোঁহোক সম সৌভাগিনী হয় নাহি। তুঁহু হামাৰ প্ৰাণপ্ৰিয়সম জানি তাপ তেজ হ। তোমাৰ দুখ দেখি হামাৰ হৃদয় নাহে। হে প্ৰিয়ে, তোমাক শপত, উঠ হ উঠ হ।" ভাৱনাত কোৱা এই প্ৰবোধ বাক্য-বচন অতি হৃদয়গ্ৰাহী হৈছে যদিও, তুঁহু, উঠ হ, দেৱব, হামাৰ ইত্যাদি মৈথিলী শব্দ মিশ্ৰিত হোৱাত অসমীয়া গদ্যৰ সাজ কৃত্ৰিম হৈছে।

শকাব্দৰ ষোড়শ শতিকাৰ মাজ ভাগৰপৰা অষ্টাদশ শতিকাৰ শেহলৈকে যিটো যুগ সেই যুগটোৱেই অসমীয়া গদ্য-সাহিত্যৰ চৌফলীয়া যুগ। সংস্কৃতৰ ভাগৱত ভাঙি অসমীয়া 'কথাবন্ধে' লেখা ভট্টদেৱৰ "কথা-ভাগৱত" আৰু "কথা-গীতাৰ" গদ্যয়েই যুগটোৰ প্ৰথম পথ প্ৰদৰ্শক।

কিয়নো, ইয়াৰ আগলৈকে যিবিলাক গদ্য ব্যৱহাৰ কৰা হৈছিল, সেইবিলাকৰ ভাষা কথিত যদিও, উকা আৰু উপমাহীন। তদুপৰি তাত প্ৰকাশভঙ্গীৰ একো এটা ধৰাবন্ধা নিয়মো নাছিল। 'কথা-ভাগৱত' আৰু দেওধাইসকলৰ মাজত যি আশীৰ্বদীয়া ভাষা এতিয়াও চলি আছে তাতো মন্ত্ৰযুগৰ আহি পোৱা যায়। আশীৰ্বদীয়া গদ্যৰ ভাষা চহা হ'লেও, নিখুঁত অসমীয়া আৰু আন ভাষাৰ প্ৰভাৱ নপৰা। এইদৰে আশীৰ্বাদ দিয়া নিয়ম আৰু ভাষা চতুৰ্দশ শতিকাৰ পৰা চলি আহিছে বুলি কোৱা হয়।

বহাগ বিহুত সেৱা কৰোঁতে, গৃহস্থক দিয়া আশীৰ্বাদ—"চত গৈ গৈ বহাগ সোমাইছে। লাও দিলে হেদাঙ্গি, পূবৈ দিলে জেং। বছেৰে-

কৰ মূৰত ফুৰিবৰ নিয়ম। ঘৰৰ গৃহস্থই ম'হটি গৰুটি উলিয়াইছে, সুমুৱাইছে, নোৱাইছে, ধুৱাইছে। এইখিনিও ডাঁৱে-পৰে তিথিয়ে-নক্ষত্ৰে বাৰ আদি সকলো শুভ হ'ব লাগে। অমৃতৰ বাৰ, অমৃতৰ খেণ হ'ব লাগে। পা-পেৰেত, খহকাৰু, ৰোগব্যাধি, সকলো বিঘিনি-সবৰপৰা উদ্ধাৰ কৰিব লাগে আৰু মনিছু ৰাজ্যৰ পৰা গৰুচৰ ৰাজ্যলৈ চলি যাব লাগে।" এইখিনিতে কোৱা ভাল যে আশীৰ্বাদত কোৱা গৰুচৰ শব্দটোৱেই আশীৰ্বাদৰ গদ্য ভাষাটো চতুৰ্দশ শতিকাৰ বুলি প্ৰমাণ কৰে। এই গদ্যৰ পাৰ্থক্যটো ধৰা পৰে যদি আমি ভাগৱতী প্ৰভাৱ পৰা এই ফাঁকি আশীৰ্বাদ ভালকৈ ৰিজাই চাওঁ ঃ---

"ভাল সকলো ৰাইজে বুলিব লাগে, পূৰ্বে ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ তিনি গুণৰ তিনি ৰিহ বছেৰেকত তিনিটি নিঃকামী সেৱা ৰাখি গ'ল। সেই উপলক্ষে ৰাইজ আহি ইয়াত হৰি কীৰ্ত্তন কৰি ৰং-ধেমালি নাচ-বাগ কৰিছে। ইয়াতে যি ৰূপ ৰাইজক দানদক্ষিণাৰে সেৱা কৰিব লাগে সেইৰূপ পৰা নাই। যথাৱৎ শক্তিমত দক্ষিণা আগবঢ়াই সেৱা কৰিছে। এই সেৱাৰ ফলতে, ঘৰৰ অমিল--অপ্ৰীতি দৰ্প-হাই দূৰ কৰি ধৰ্মত মতি স্থিৰ কৰি ধনবান গো-মহিষ মহালক্ষ্মী নিবাস কৰি গোবিন্দে কৃপা কৰিব লাগে।"

"কথাগীতাৰ" ভাষা সংস্কৃত-গন্ধী যদিও, ইয়াৰ বাক্য ৰচনা অসমীয়া ব্যাকৰণ-সম্মত, শব্দব্যৱহাৰ শুদ্ধ আৰু সংযত আৰু বৰ্ণ-বিন্যাসো নিখুঁত। আৰু এটা কথা মন কৰিবলগীয়া যে ইয়াত মোগলী, মৈথিলী, ব্ৰজাৱলীৰ প্ৰভাৱ নাই; উচ্চ পৰ্য্যায়ৰ পৰমাৰ্থিক তত্ত্বসমূহকো 'কথাবন্ধে' নিবন্ধি যাওঁতে গদ্য প্ৰকাশিকা শক্তিয়ে গহীন পৰিবেশ এটি সৃষ্টি কৰিছে। এই গুণেই, এই যুগটোক ভাগৱতী যুগ বোলা হৈছে।

কথা ভাগৱতৰ গদ্যৰ চানেকি ঃ---

"শুকে কহন্ত, জানা ৰাজা, এই ভাৰতবৰিষত অনেক পুণ্য নদ-নদী আছে---যাহাতে স্নান কৰি পৱিত্ৰ কৰ্ম্মে মনুষ্য হোৱয়। এই বৰিষৰ লোকে সাত্ত্বিক কৰ্ম্মক কৰি স্বৰ্গক যাই! ৰাজসিক কৰ্ম্মে মনুষ্য হোৱই। তামসিক কৰ্ম্মে নৰকক যাই। যদি আমাৰ স্বৰ্গভোগৰ অৱশেষ পুণ্য আছে তেবে সেই পুণ্যে ভাৰতভূমিত জন্ম

হৌক। হে সভাসদসব, দেখা, দেৱৰো প্ৰাৰ্থনী-মানুষ শাৰীৰ ভাৰত-ভূমিত পায়া নিস্ফল নকৰা।"

"কথাগীতাৰ" এই ঃ---পুৰুষৰ শীত-উষ্ণসহিতে আত্মাও নষ্ট নহয় মিথ্যা শীতোষ্ণাদিৰ আত্মাত স্থিতি নঘটয়ে। সত্য আত্মাৰ বিনাশ নাই। এই সন্ত অনন্তৰ তত্ত্বদৰ্শীসৱে নিৰ্ণয় দেখিছে। এহেয় জ্ঞান হৈলে সবে সহিব পাৰিবা। যি আত্মায়ে সকল দেহাদিক সাক্ষীৰূপে ব্যাপি আছে, তাঙ্ক অবিনাশী কৰি জানিবা।---আত্মাৰ পুনু বিনাশ নাই।---এতেকে মোহজন্য শোক এড়ি যুদ্ধ কৰা।"

এই কালছোৱাতে অসম-বুৰঞ্জীৰ গদ্যয়ো অসমীয়া সাহিত্যৰ বৰঘৰলৈ আপুৰুগীয়া সম্পদৰ ধল বোৱাই আনে। ভাগৱতী গদ্য-সাহিত্যত আধ্যাত্মিক তত্ত্বৰ গভীৰ আলোচনা বা ব্যাখ্যা থকাত সেইবিলাক সংস্কৃত-গন্ধী নহৈ নোৱাৰিছিল। বুৰঞ্জী গদ্যৰ ভাষা কথিতেই, কিন্তু প্ৰাণৱন্ত; অৱস্থা ভেদে বাক্য একোটিও টোপাকাঁড় হেন অন্তৰলৈকে ভেদে। ঠাই-ঘটনা-চৰিত্ৰৰ বিৱৰণো ফটফটীয়া অথচ অতিৰঞ্জনৰ দোষে নপৰ্শা। মুঠতে, এজন বুৰঞ্জীবিজ্ঞ সাহিত্যিকে কোৱাৰ দৰে বুৰঞ্জীৰ গদ্য "ভাবৰ সমাবেশ আৰু আবেগৰ সৌৰভেৰে" ভৰা। ব্যৱহাৰিক জীৱনত সদায় লাগি থকা শব্দ সম্ভাৰ সোমাই আছে বুৰঞ্জীপাতৰ গদ্যত। বুৰঞ্জীত ৰজা আৰু ৰাজ্যসংক্ৰান্ত সকলো কথাকে লিপিবদ্ধ কৰা হৈছিল। সেইবাবে, ঐহিক জগতৰ চিন্তা-ভাবনা দুখ-দুৰ্দশাৰপৰা কেনেকৈ নিস্তাৰ পাব পাৰি, তাৰ চিন্তা কৰোতা সমাজত বুৰঞ্জী সাহিত্যই সচৰাচৰ প্ৰবেশ কৰা নাছিল। তথাপি, সেইসকলক ভাগৱতী সাহিত্যই যেনেকৈ প্ৰাণত সান্ত্বনা দিছিল, প্ৰায় একে সময়ৰে বুৰঞ্জী গদ্যয়ো তেনেকৈ প্ৰাণত সঞ্জীৱনী শক্তি ঢালিছিল ঃ---

বুৰঞ্জী-গদ্যৰ আভাস অলপ লওক ঃ---

১। 'কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব; মই কথাৰ গড় বান্ধি দিছোঁ, প্ৰাণ পৰিভুগী হ'ব।"

২। "ৰাজা ৰাজ্য হ'লে যুদ্ধ কৰিবাক লাগে। ই ধৰ্ম্ম। শত্ৰুৰ অধীন হুই থাকিতে ভাল নুই।"

৩। "বিদেশৰ বস্তু যদি উত্তমো হয়, তাক ৰজা পৰিধান কৰিবলৈ ভাল নহয়।"

৪। "মিকিৰৰ আদি কথা। জামৰ দুই পুত্র। প্রথম পুত্র ৰংখাং-থেংপৰ ৰাজত্বকালত মিকিৰ সমাজত দুবিধ পূজা আৰু নৰবলিৰ প্রচলন আছিল।

৫। দাঁতিয়লীয়া বা দোৱনীয়া গদ্যৰ নমুনা ---
"আইচ্চা, অ'ৰু পথক্রমে হাঠিয়া চলন্তে কি ভয় ভ্রান্তি পাল্যা ?"
"অ' দেউ, গোসাই গোসানীৰ কৃপাই কিছো শ্রমে ভয় ভ্রান্তি পাই-ল্যাম না। নির্ভয়ে পৌছিলাম। আৰু কত ঘুমটিয়ে পালাম, ঘুমটিয়ে পৌছিলাম।"

অ', দেউ, ভগ্যা ৰাজ্য, ভগা দেশ, কিছো নাই। যি পাৰি গাছৰ ফুল, মাথাৰ চুল এয়োৰে সেউৰা জানাইবাৰ নিমিত্তে আছিছোঁ।

৬। চুতীয়া ৰজাৰ কথা ঃ---
"পাচে সকলো বৰা বৰুকে কাণ্ড লগাব নোৱাৰিলে। মনস্বী হৈ থাকিল। পাচে ৰজাৰ খৰিভাৰী সামান্য লোকক ৰজা বোলে, "দেখনী কন্যাক তোতে দিম, তই কাণ্ড লগা। 'সি বোলে মই সামান্য লোক, চাকৰে কিৰূপে ৰাজ্যৰ জীক পালিম ?' ইটো অযোগ্য কথা।" ৰাজা বোলে শামুকতো মাণিক, কদলীতো কর্পূৰ; আত তই সংশয় নকৰিবি। সুবর্ণপুৰী লঙ্কাতো ৰাইকহে ভোগ কৰে। ক'ত শুনিছ খুন্ত্ ৰজাৰ বচন লৰে ?

৭। গুৱাহাটীখন মোগলক এৰি দিয়াৰ পিচত বাদুলীৰ আক্ষেপ ঃ---
"তহঁতে কি কাম কৰিলি ? এই শৰাইঘাটৰ গড় দেৱৰো দুর্গম, আক কি বুলি এৰিলি ?"

৮। ম'হৰ যুঁজ—পাচে সমান চাই গলধন ধৰা দুটা ম'হ অনাই নাকী সোলোকাই সেই কোঠৰ ভিতৰ দিলে সিহঁতৰ দেখদেখি হোৱা মাত্র মূৰে মূৰে খুন্দা মাৰি যুঁজ লাগিব। এৰোটা খুন্দা কাঠত মৰা দৰে মাৰি যুঁজ কৰি হৰাটো লৰ মাৰি কোঠৰপৰা ওলাই যায়। জিকাটো পিচে পিচে খেদি অহাত নঙলা মাৰি কোঠৰ ভিতৰত ৰাখে। যদি তৎ নাপাওতে প্রথম নঙলা পাৰ হয়, দোচৰা নাঙল মাৰে। এইদৰে তিনিউ নঙলাতে ৰাখিব নোৱাৰিলেও টাংবাওতে পলৰীয়াটো বহুদূৰ পায়গৈ। পাচে

জিকাটোক মানুহ উজনিয়াই ধৰি ৰাখে।

চৰিত পুথি বংশাৱলী, ৰজাঘৰীয়া চিঠি-পত্ৰ, শিলালিপি, তামৰ ফলি আদিতো খৃঃ অষ্টাদশ শতিকাৰ আৰু উনবিংশ শতিকাৰ আগছোৱাৰ গদ্যচানেকি পোৱা যায়। চৰিত পুথিসমূহৰ ভাষা ভকতীয়া, সৰল আৰু বাক্য চুটি চুটি, কোনো ঠাইত কাৰকৰ বিভক্তি প্ৰত্যয় তাৰতম্য দেখা যায়। মোগলৰ লগত আদান-প্ৰদান হোৱাৰ পাচৰপৰা বুৰঞ্জী আৰু আন আন সাহিত্যত ফাৰ্চী আদি বিদেশী শব্দকো জীণ নিয়াই ভাষাত সুমুৱাই লোৱা হৈছে। বৃটিছ সভ্যতাৰ পোহৰত জ্ঞানবিজ্ঞানৰ বহুল প্ৰসাৰ হোৱাত অসমীয়া গদ্য-সাহিত্যৰ প্ৰকাশিকা শক্তিয়েও নৱন্যাস যুগ প্ৰৱৰ্তন কৰিলে।

(২)

ক্ৰম অনুসৰি উনৈশ আৰু কুৰি শতিকাৰ আগছোৱাৰ কথা-সাহিত্য চাৰিটা স্তৰত ভগাব পাৰি। প্ৰথম স্তৰ ১৮০১ চনৰপৰা ১৮২৫ চনলৈকে; দ্বিতীয় স্তৰ ১৮২৬ চনৰ বৃটিছৰ দখল হোৱাৰপৰা ১৮৪৬ চনলৈকে, ১৮৪৬ অৰপৰা ১৮৭৪ চনলৈকে তৃতীয় আৰু ১৮৭৪ চনৰপৰা কুৰি শতিকাৰ প্ৰায় অৰ্দ্ধশতাব্দীলৈকে চতুৰ্থ স্তৰ। শতিকাটোত হোৱা ৰাজনৈতিক আৱৰ্তন, বিৱৰ্তন আৰু পৰিৱৰ্তনৰ ধামখুমীয়াত লুটি-বাগৰ খাই অসমীয়া কথা-সাহিত্যৰ যি বিকাশ হ'ল তাক ভুৰুকাত হাতী ভৰোৱা দৰে ভৰাই এই চাৰিটা স্তৰ বা খাপি চমু চমুকৈ নিৰ্ণয় কৰা হৈছে।

ভোট ৰজাৰ দেৱধৰ্ম্মা কটকী আহিলত আমাৰ কাবেঙত যি ৰূপে সম্ভাষা কৰা হৈছিল, তাক ১৮০১ চনৰ গদ্যলিপিত এইদৰে প্ৰকাশ কৰা আছে ঃ—

"পাচে বুঢ়া গোহাঞি ডাঙৰীয়া বাহবৰীয়া কটকী বিশ্বম্ভৰক চৌখামে সুধিব দিলে, 'কটকী, জীৱদিন্দু, খুপা, বুৰুক দেৱা, তাহাঁতত সোধ, সিহঁত যেখন আহে, তেখন ৰাজা দেৱধৰ্ম্মা, লেমা, যোপুং, জাদুং, টংচুৰ চুঙা, গেলান---এইবোৰ সমন্বিতে পল পাৰ্ব্বতী লোক-জন প্ৰতিপালন কৰি কুশলে আছে ?

"এইৰূপ শুনি সিহঁতে বোলে, "আমি যেখন আহোঁ তেখন ৰজা দেৱধৰ্ম্মা কালী ঠাকুৰাণীৰ কৃপাত কুশলে আছে।"

পাচে ডাঙৰীয়া বোলে, তাহাঁতত সোধ, আহিল কোন মাসে? গুৱাহাটী পালেহি কোন মাসে? ইঠাই পাবৰ হ'ল বা কত দিন? পথত ভয় ভ্ৰান্তি কি পাই আহিল?

এইৰূপে শুনি সিহঁতে বোলে, আমি দেশ ছাড়ি আসিলোঁ পৌষ মাসে। চৈত্ৰ মাসে ইঠাই পাইলাম। পথে কিছু ভয় পাইলাম না।

এই থাপিতে ১৮১৩-১৮ চনত আত্মাৰাম শৰ্ম্মাৰ দ্বাৰাই লেখোৱা গদ্যৰ ভাষা ঃ---

এক মানুহৰ দুয় পুতেক আচিল। সৰু পুতেকে আপোনাৰ বাপেকক বুলিলে, হে বোপায় ময় জি ধনৰ ভাগ পাম তাকে মোক দিয়া। তাতে সি আপোনাৰ সম্পতি বাটি সিহঁতক দিলে। অল্পদিনৰ পাচে সৰু পুতেকে আপোনাৰ এটাই ধন অকাৰ্য্যতে ভাঙিলে এটাই। খানি চুকালত পাচে সেই দেশৎ বৰ একাল হল, তেতিয়া সি ভক্ষহিন হবলৈ ধৰিলে। পাচে সি সেই দেশৰ এক গিৰিহঁতে সৈতে থাকিল গৈ। পাচে গাহৰি ৰাখিবলৈ তেওঁ তাক পথাৰলৈ পঠিয়ালে।"

১৮১৫ চনত লেখা চিঠি এখনৰ গদ্যাংশ এই ঃ---

"শ্ৰীবৰফুকনক প্ৰতি---মোৰ যি বিপত্তি হৈছে, ৰহস্যে ফুকনলৈ কৈ আছোঁ। বুঢ়াগোহাঞ্ৰে ক্ৰমে ক্ৰমে সকলকো মাৰিলে। আমাৰো প্ৰাণ ৰক্ষাৰ উপায় নেদেখোঁ। এতেকে ফুকনক কৈছোঁ, যদি আমাত আশা আছে, ফুকনে এই পত্ৰ দেখিতে বুঢ়া গোহাঞিক দমন কৰি মোক দৃঢ় কৰি ৰাখিব পাৰিব।"

ভোট-কটকীৰ কথোপকথনত যি গদ্য-ৰীতি ব্যৱহাৰ কৰা হৈছে, সেই ৰীতি অষ্টাদশ শতিকাৰ শেহতীয়া ছেৰণি আৰু উনবিংশ শতিকাৰ চালুকীয়া আৰম্ভণি। আধুনিক যুগৰ পয়োভৰ নাই যদিও, কথোপকথনৰ প্ৰকাশ-ভঙ্গীত বৈদেশিক সম্বন্ধ ৰক্ষা কৰাৰ ই এটি সম্মানজনক গদ্যৰ দৃষ্টান্ত। শব্দৰ আৰম্বৰ নাই, বাক্যও চুটি চুটি; এই গদ্য পুৰণি অসমীয়াই ভাল পাইছিল যদিও, এতিয়া এৰাসুঁতী হ'ল।

আত্মাৰামৰ গদ্যপ্ৰকাশ আধুনিক প্ৰণালীৰ নিমিত্তে তেনেই আচহুৱা! ইয়াৰ বৰ্ণবিন্যাস আৰু বাক্যৰচনা সৰহ দিন স্থায়ী হ'বলৈ নেপালে। ত্ৰিশ বছৰ মানৰ মূৰত পাদুৰী চাহাব ব্ৰঞ্চনৰ কথা সাহিত্যত সেইবিলাক বাক্যয়েই নতুন ৰূপ ললে।

মানৰ দিনীয়া হুলস্থূলৰ সময়ত, কথা-সাহিত্য কেনেকুৱা আছিল সঠিককৈ কবৰ সাধ্য নাই। সেই সময়ৰ গদ্য-সাহিত্যৰ চানেকি এতিয়াও সন্ধানিকৈ প্ৰকাশ হোৱা নাই। তথাপি বৰফুকনলৈ দিয়া চিঠিখনত তেতিয়া যি অৰ্থত চতুৰ্থী বিভক্তিৰ ক প্ৰত্যয় ব্যৱহাৰ কৰা হৈছিল পাচলৈ সেই অৰ্থত ষষ্ঠী বিভক্তিৰ ৰ চলিল।

"সকলোকো"ৰ ঠাই "সকলকো" হ'ল আৰু "আমাত" শব্দৰ সপ্তমী বিভক্তিত টো পিচৰ যুগত 'ক' বা "লৈ" লৈ পৰিৱৰ্তিত হ'ল। সাহিত্যৰ গদ্য নহয় যদিও, সাহিত্য-গঢ়া ভাষাৰ ই এটা আদি গাঁথনি মাত্ৰ।

ৰাটিছ আহি ফাৰ্চী-বঙ্গলা চলোৱাৰ ঠিক আগতে, যি গদ্য আছিল তাৰ আহি ঃ---

ইং ১৮২৭ "সক ১৭৪৮ শকাব্দৰ ফাগুনৰ ১১ দিন যাগ্ৰোতে মোকাম গুআহাটি আদালত পঞ্চায়তি কচৰাত বিয়লা মেলাত বহি সন্দিকৈই শ্ৰী ঘিনাই মন্ত্ৰি বড় ফুকন দেও প্ৰমুক্ষে পঞ্চায়ত লোকে সোধাত দখিন পটিয়া শ্ৰীবাসুদেউ গোসাঞিৰ মুক্তি আৰু শ্ৰীৰামদাসে কৈছে (ৰামদাসৰ কথা শুনি এই ভাষাৰে সিদ্ধান্ত দিয়া হ'ল) ঃ---

"গুচৰিয়া পদকিয়া উভয়ৰ সাখি কলে। দখিন পটিয়া ডেকা গোসাঞি অধিকাৰ হৈই থকাত পদকিআই উপদ্ৰৱ কৰাত পূৰ্ণানন্দ বুঢ়া গোহাঞিদেৱৰ এবং স্বৰ্গদেৱৰ আজ্ঞাৰে ২ বাব খুটা মাৰিও দিছে। এতেকে এই স্বত্ গুচৰিয়া শ্ৰীদখিন পটিয়া গোসাঞে হে পাই। পদকিয়া শুভানন্দ নেপাই।"

এই পঞ্চায়তী বিচাৰত দুই-এটা বিদেশী শব্দ সোমাই জতুৱা অসমীয়া গাঁথনিটো ভজুৱা কৰা নাছিল। "অ"টোৱেই 'য়'ৰ কাম কৰিছিল। কিন্তু বছৰ দিয়েকৰ পাচত সেই ভাষাই যি ৰূপ ললে, সেয়ে আমাৰ কথা-সাহিত্য ৰচনাত বহুত বিঘিনি ওপজালে।

ফাৰ্চী-বঙলাৰ হেঁচাত ২৬ বছৰৰ মূৰতে সাহিত্য হে নেলাগে ভাষাটোৱেই মোট সলাই বিজতৰীয়া হৈ পৰিল।

"লিখীতং শ্ৰীশুভানন্দ মহান্ত সত্ৰ মিচামাৰি, সাকিন দীপিকা কস্য কবুলতী পত্ৰমিদং কাৰ্য্যাঞ্চ আগে আপুনি যে মিচামাৰি আদি ৫ সত্ৰৰ দখল পাত্তা সিস্যৰ কৰ তোলাৰ নিমিত্ত শ্ৰীগোপীনাথ কটকীক মোক্তাৰ কৰি পঠাইয়াছে তাহাতে আমি এহি কবুলতী লিখা দিতেছি যে মোক্তাৰ মজকুৰি ঐ সিস্যৰ কৰ তোলীতে নালাগে।"

ভাষাটো অসমীয়াৰপৰা বঙ্গলালৈ লুটিয়াই পেলোৱাত ভাষাটো মৰোঁ মৰোঁ হ'ল। তথাপি, দেশখনৰ এছোৱা নিজা ৰজাৰ অধীনত থকাবাবে বুৰঞ্জী, জীৱনী বংশাৱলী আদিত আধামৰা-আধাজীয়া হৈ ভাষাসাহিত্য জীয়াই থাকিল। এই স্তৰটোতেই কথা-সাহিত্যৰ ওপৰত মাৰঘাত পৰিল যদিও, কলা ডাৱৰৰ মুখত ৰূপালী ৰেখা ওলোৱাদি, ইয়াৰ পাচৰ স্তৰতে দুৰ্দিনৰ মূৰত সুদিনৰ উদয় হ'লহি। 'অৰুণোদই' কাকত ওলাল; আৰু তাকে কেন্দ্ৰ কৰি আনন্দৰাম ঢেকীয়াল ফুকন আৰু আমেৰিকান বেপ্‌টিষ্ট মিছনৰ পাদুৰীসকলৰ অনুগ্ৰহত অসমীয়া ভাষা-সাহিত্যই নতুন জীৱন পালে। আহি কিন্তু ইংৰাজীৰ আগেয়ে প্ৰতিকূল অৱস্থাত পৰি মৃতপ্ৰায় হোৱা কথাকোৱা ভাষাটোৱেই পুনৰ সাহিত্য ৰূপ পাবলৈ ঠন ধৰি উঠিল। ঢেকীয়াল ফুকনৰ "অসমীয়া ল'ৰাৰ মিত্ৰ", 'অৰুণোদইত' প্ৰকাশিত 'জাত্ৰিকৰ জাত্ৰা', 'কামিনীকান্ত' প্ৰভৃতি খৃষ্টিয়ান ধৰ্মযাজকসকলৰ নিজ লেখনীপ্ৰসূত, গ্ৰন্থ-প্ৰবন্ধই আমাৰ কথা-সাহিত্যৰ নতুন ভেটি এটি বান্ধি দিলে।

ঢেকীয়াল ফুকনৰ লেখা-ৰীতি ঃ---

"তুমি এৰাঁৰৰ ভিতৰত কি হয় নাজানা, এতেকে এক মুহূৰ্ত্তক কালো এনেই নেখেদাবা। কালে কালেকো বাট চাই নাথাকে।

তুমি সোনকালে মৰিবা, এতেকে যি কেইদিন জীয়াই থাকা সেই কেইদিন সৎকৰ্ম্ম কৰিবা।"

"জাত্ৰিকৰ জাত্ৰা"ৰ গদ্য এইৰূপ আছিল ঃ---

"এই জগতৰ অৰণ্যৰ মাজে মই ঘূৰি জাওঁতে জি এখন ঠাইত এটা গাঁত আছিল এনে ঠাই পালোঁহি, তাতে পৰি সুই থাকোতে এক সমাজিক দেখিলোঁ, গাত ফটা চিটা কাগোৰ পিন্ধি আপোনাৰ ঘৰলৈ পিঠি দি, হাতত এখন পুথি ধৰি পিঠিত বৰ গধুৰ বোকোচা বন্ধা থিয় হৈ থকা মানুহক দেখিলোঁ।"

অৰুণোদয়া কথা-সাহিত্যৰ বৰ্ণবিন্যাস প্ৰণালীত সংযোগী আৰু দ্বিত্ব আখৰ উচ্চাৰণ অনুসৰি কোমল কৰা হৈছিল যদিও, পচিমীয়া ভাব-ভাষাৰে পৰিপুষ্ট হোৱাত অসমীয়া সাহিত্য-ভঁৰাল শব্দ সম্পদেৰে চহকী হৈ আহিল আৰু গদ্য লেখাৰ ঠাচটোও ইংৰাজী ধৰণলৈ বাগৰ মাৰিলে। কথা-সাহিত্যৰ এই স্তৰটোক গজলীয়া স্তৰ বুলি কলে যুগে-বিকাশে বজিতা খাই পৰিব।

অসমত অসমীয়াৰ মাতৃভাষাক ন্যায্য আসনত প্ৰতিষ্ঠিত কৰাৰ বছৰ দিয়েকৰ আগেয়ে ১৮৬৬ চনত হেমচন্দ্ৰ বৰুৱাই 'বাহিৰে ৰং-চং ভিতৰে কোৱা ভাতুৰী' লেখি এবিধ নতুন সাহিত্য সৃষ্টি কৰিলে---যাক ভেৰাকুটীয়া বা চোকা ব্যঙ্গ সাহিত্য বোলা হয়। নামটো হে ব্যঙ্গ, আচলতে ই কিন্তু অভিনৱ কথা-সাহিত্য। 'অৰুণোদই' যুগত আৰম্ভ কৰা গদ্যৰেই ই ক্ৰমবৰ্দ্ধমান বিকাশ। ইয়াৰ চানেকি এই ঃ---

'মিঃ ড্ৰিকব্ৰেণ্ডী ইটৰেল জইণ্ট মাজেণ্টৰ, দেৱানী কলেকটৰীৰে ভাৰ পাইছে। শ্ৰীযুত পোনেই বিলাতৰপৰা আহি বঙ্গালী ভাষা শিকিবলৈ কলিকতাত অলপ দিন থাকি আসামলৈ আহিছে মাথোন আইন-কানুন থাকোক, অসমীয়া মাতকে ভালকৈ নুবুজে, কাছাৰি আহি মুৰ্ত্তি গোসাঁইৰ দৰে বহি থাকে। চিৰস্তাদাৰৰ একাদশৰ বৃহস্পতি, তেওঁ দহ বোলে দহ, পঁচি বোলে পঁচি হয়। গুচৰীয়া পদকীয়াৰ বৰ শুভ দশা নাইবা বৰ দুৰ্দ্দশা নহলে চিৰস্তাদাৰৰ কথা ন লবে, এইকথা সকলোৰে জনা আছিল; এই কাৰণে, পৰকালত নিস্তাৰ কৰোতা গুৰুদেউৰ ইহকালৰ নিস্তাৰ সঙ্কল্পেৰে আইচুদেওৰ ফালৰপৰা "সোণৰ আসন আঙ্গঠিৰে চিৰস্তাৰ দেৱতাই এভাগি পূজা পাইছিল, আৰু কাৰ্য্য সিদ্ধ হলে দক্ষিণাৰ বাবে যত্ কিঞ্চিৎ "কাঞ্চন মূল্য" দিবলৈও আগবাঢ়িছিল।"

অসমীয়া কথা-সাহিত্য লহপহকৈ বাঢ়ি আহিবলৈ উপক্ৰম কৰা এই যুগটোৰেই কথা-সাহিত্যৰ চতুৰ্থ স্তৰ। ইয়াক কথা-সাহিত্যৰ ভৰ যৌৱনৰ খাপি বুলি কলেও বঢ়াই কোৱা নহয়। ভাব-সম্পদ আৰু আদৰ্শসম্ভাৰেৰে পূৰ্ণ হৈ এই খাপিতে আমাৰ কথা-সাহিত্য অপৰূপ ৰূপত বিকাশ হবলৈ ধৰিলে।

আলোচনী, বাতৰি-কাকতেই ভাষা-সাহিত্য বিকাশৰ প্ৰধান মাধ্যম। গুণাভিৰাম বৰুৱাৰদ্বাৰা সম্পাদিত "আসাম বন্ধুৰ" আলমতে বিভিন্ন ৰুচিৰ বিভিন্ন লেখকে ৰুচি অনুসৰি সাহিত্য-বিজ্ঞান-শিল্পৰ ৰচনা লেখাত কথা-সাহিত্যৰ পৰিসৰ বাঢ়ি আহিল। ইয়াতেই উপন্যাসৰ আহি দেখুউৱা হ'ল। হেমচন্দ্ৰ বৰুৱাৰ ভেৰাকুটীয়া সাহিত্যই লম্বোদৰ বৰাক নতুন প্ৰেৰণা দিলে। বৰাই বৰুৱাৰ আহিকে লৈ 'সদানন্দৰ সমাচাৰ' প্ৰবন্ধত উন্নত ৰীতিৰে লেখিলে---

"পৰৰ তিৰুতাৰ চিঠি পঢ়া ব্যাধিটো সকলোৰে আছে ; তিৰুতাৰ চিঠি পঢ়িবলৈ, আখৰ কেইটিৰ গঢ়, চিঠিৰ ভাষা, লেখিকাৰ নাম, ইত্যাদি সমালোচনা কৰিবলৈ তাকে আশ্ৰয় কৰি নানা কথা উলিয়াই ব্যঙ্গ কৰিবলৈ, সকলো ডেকাই লোভ কৰে। এই সোঁচৰা ৰেগ সদানন্দৰো আছে। দুখন চিঠি মেলি চালোঁ। মোৰ কপালত এটা নহয় দুটা নাম ওলাল। প্ৰথম নামটো শ্ৰীমতী মণিৰাম শৰ্ম্মা। এই নাম পঢ়ি এওঁ মতা নে তিৰুতা, তাকে ঠিক কৰা বৰ টান হ'ল। শ্ৰীমতী স্ত্ৰীলিঙ্গ, মণিৰাম শৰ্ম্মা পুংলিঙ্গ, এওঁ লেখক নে লেখিকা তাক জনাৰ উপায় কি ? আজিকালি মতা-তিৰুতাৰ মাজত বিভিন্নতা উলিওৱা প্ৰায় অসম্ভৱ। দ্বিতীয় নামটি শ্ৰীমতী কুমাৰী মত্তমাতঙ্গিনী বড়ুৱা দেৱী সুন্দৰী'। শেহত মই এই স্থিৰ কৰিলোঁ, হয় এওঁ মতা, নহয় তিৰুতা কোনোবা বৰুৱানী। আৰু যদি তেওঁ কোনোবা তিৰুতা হয়, তেন্তে ঊনবিংশ শতাব্দীৰ মতা-তিৰুতা।"

ভৰ-যৌবনৰ খাপিত ওলোৱা এই দুটি বুটলি অনা হ'ল এই বাবেই যে ইয়েই অলপ দিনৰ পাচতে অপৰ্য্যাপ্ত কৃপাবৰী ৰসসাহিত্যৰ মূল চানেকি হৈ পৰিলগৈ। সময়ৰ লগত উজাই যোৱা গুণে কৃপাবৰী সাজনকাচনে "কোৱাভাতুৰীয়া" আৰু "সদানন্দী" কথা-সাহিত্যক তল পেলালে।

গুণাভিৰামৰ "সৌমাৰ ভ্ৰমণ"ৰ নিচিনা ভ্ৰমণ বৃত্তান্তও পোন-প্ৰথমেই এই স্তৰতে জন্ম হয়। এই ভ্ৰমণৰ কাহিনী বৰ্ণোৱা ৰীতিটো আজিও নতুন হৈয়ে আছে। তাৰো দুশাৰীমান তুলি দিওঁ :---

"ৰাতি জোনাক। আমি যাবলৈ ধৰিলোঁ। কিন্তু ক'ৰপৰা যাওঁ, পাঠকসকলে জানিছেনে নাই কব নোৱাৰো। আমি নগাঁৱৰপৰা ওলাইছোঁ।

নগাঁৱৰপৰা ১২ মাইল আহিলোঁ। ৰাতি পুৱাল। পুৰণিগুদামৰ পৰা গৈ খুটাৰ কাণৰ উজনিত চামগুৰি নামে এখনি বিল আছে। চামগুৰি বিলৰ ওচৰতে আজি ৩১ বছৰ হৈছে, এখান হাট পতা হৈছিল। ইয়াৰপৰা ৰঙাগৰা পালোঁ। ইয়াতে প্ৰথমতে নগৰ পতা হৈছিল। ৰঙাগৰা নগাঁৱৰপৰা ১৬ মাইল। ৰঙাগৰাৰ পৰা মিছা নোপোৱা মানলৈকে আলিৰ দুয়োফালে হাবি। দক্ষিণ ফালে শালনা, আমলখী প্ৰভৃতিলৈ যোৱা বাটৰ মুখ। আমাৰ আলিটি চামধৰা

গড় নামে এটা গড় পাৰ হৈ গৈছে। এই গড়েই কলিয়াবৰৰ পচিম সীমা।"

নগাঁৱৰপৰা কলিয়াবৰলৈকে যোৱা যি বিৱৰণ ইয়াত দিয়া হৈছে, সি আঁক পাৰি দিয়া মানচিত্ৰ নহয়—সৰল ভাষাৰে বৰ্ণোৱা এখনি কথাচিত্ৰ।

অকল সিমানেই নহয়, ভ্ৰমণৰ ক্ষুদ্ৰ সীমাৰ ভিতৰতে ঐতিহাসিক দৃষ্টিৰে কোন মনোৰম ভ্ৰমণ কাহিনী লেখিব পাৰি, ইও চতুৰ্থ স্তৰৰ এটি নতুন নিদৰ্শন।

অনিতপলমেই অভিধান ওলাল, ব্যাকৰণ ওলাল। নাট, উপন্যাস, চুটি গল্প প্ৰকাশ হ'ল। ৰাজনীতি, দৰ্শন, বিজ্ঞানৰ পূৰ্ণাঙ্গ ভাব প্ৰকাশৰ ভাষা-পৰিভাষা সৃষ্টি হ'ল। আগেয়ে যি সাহিত্যৰ সৌষ্ঠৱ বঢ়াবলৈ ভাব প্ৰকাশ কৰিব পৰা শব্দ ওলোৱা নাছিল, এতিয়া সেই শব্দ নকৈ স্ৰজন কৰা হ'ল। কুৎচিৎ আখৰযোটনি গুচাই একেকঠি কৰি ভাষাটো মাৰ্জিত আৰু বিশুদ্ধ কৰা হল। বিশ্বজনীন ভাবৰ গ্ৰহণশীলতাই আগৰ সীমাৱদ্ধ সাহিত্যৰ পৰিধি বহলাই পেলালে। ঐতিহ্য, বাস্তৱ আৰু ভবিষ্যতৰ মাঙ্গলিক আদৰ্শৰ উপায়নৰ দ্বাৰা কথা-সাহিত্য চৌফলীয়া ৰদৰ দৰে জিলিকিবলৈ ধৰিলে। এই স্তৰকে বোলা হয় নৱন্যাস যুগৰ স্ৰষ্টা "জোনাকী" যুগ।

তেতিয়া লেখক কম আছিল, তথাপি গদ্য-সাহিত্যক উচ্চ টিঙত বহুৱাত আছিল একো-একোজনেই সিংহ। এই যুগৰ অৱসানত জাক জাক লেখকে ওলাই আছে সঁচা; কিন্তু সৰহীয়া হৈও লেহেৰা হোৱা বাবে সেই তাকৰীয়া লেখকসকলৰ অৱদানেই এতিয়াও আগৰণুৱাৰ ধ্বজা ধৰি আছে। তাক চেৰ পেলাওতা কোনো ওলোৱা নাই মাথোন। সেই সকলৰ কথা-সাহিত্য এতিয়াও ৰমক-জমক হৈয়ে জিলিকি আছে।

(৩)

ৱৰ্টিছ আমোলত অসমীয়া গদ্য সাহিত্যই যি গঢ় ল'লে তাক তিনিটা যুগত ভগাব পাৰি: প্ৰাক্-অৰুণোদয় যুগ, অৰুণোদয় যুগ আৰু আসাম নিউচ—আসাম-বন্ধু যুগ। জোনাকী যুগ আৰু বাঁহী

যুগ—এই যুগ দুটা বেলেগ হলেও মোটামুটিকৈ দুয়োটা আনুষঙ্গিক বুলিয়েই ধৰা ভাল হ'ব। ১৮২৬ চনত ইংৰাজে দেশ লোৱাৰ পিচতে ১৮৩৭ চনৰ ৩০ মার্চলৈকে সকলো চৰকাৰী কামতে ফার্চী ভাষা চলোৱা হৈছিল। তাৰ পিচত, সেই ভাষাটো আদালতত মাত্র ৰাখি বঙ্গভাষা চলোৱা হ'ল। বিজিতে অনিচ্ছা সত্ত্বেও বিজেতাৰ ভাষা লব লগীয়া হোৱাত এইখিনিতে আমাৰ ভাষাই অলপ থমকা খালে। লেখা-পঢ়া জনা সকলৰ লেখাতো অলপ বঙলুৱা ঠাচ সোমাল। জাদু-ৰাম ডেকাবৰুৱাই হওতে বঙলা-অসমীয়াৰ পার্থক্য দেখুৱাই এখনি অভিধান লেখি কমিছনাৰ জেনকিন্‌চক দিছিল। কিন্তু আমেৰিকান বেপটিষ্ট মিছনৰ পাদুৰীসকল নহালৈকে সেই অভিধান একো কামত নাহিল। পুৰন্দৰ সিংহৰ অধীনত থকা বাবে উজনি অসমত পূর্বৰ দৰেই বুৰঞ্জীৰ ভাষা চলি আছিল। তথাপি মণিৰাম দেৱানকে প্রমুখ্য কৰি কোনো কোনো লেখকৰ বাক্যাৱলীয়ে লেজুৱা গঢ় লৈছিল আৰু দেৱানে নিজে বুৰঞ্জী-বিবেক ৰত্নত ফার্চী-বঙলা-সংস্কৃত—এই তিনিটা ভাষাৰ শব্দ ব্যৱহাৰ কৰিছিল। সেই বুলি তাত যে সমকালিক ভাষা লেখা নহৈছিল—এনে নহয়। মাত্র বর্ণবিন্যাসৰ ধৰাবন্ধা নিয়ম নথকাত উচ্চাৰণ মতেই লিখি গৈছিল।

১৮২৯ চনত লেখা লেজুৱা গদ্যৰ আহি ঃ—

"---আৰু সদিয়াত ৰিৰিমফিন্ সাহাব থাকোতে সাক্ষাৎ কৰি-বলৈ বিচাগাম অহাত সাহাব সহিতে বহি ভাত খোৱাত সাহাবে দিয়া চাহপানী বিচা গামে খাই ফানাপ" বুলি চাহপাত চিংফৌৱে খোৱা কথা কোৱাত দেখাৰ কাৰ, গুটি পুলি খোজাত বিচাগাম ঘৰলৈ গৈ চাহ-পুলি গছ পঠাই দিয়াত সেই পুলি তেতিয়াই কুণ্ডিল নদীৰ কিনাৰে চাউনীৰ ভিতৰতে ৰোৱাই থলে। চাহ দেশত উলিওৱা আদি ঐ সাহাবেহে হ'ল।" ইয়াত, হ্ৰস্ব ঠাইত আৰু দীর্ঘৰ ঠাইত হ্ৰস্ব ই-কাৰ মাথোন ব্যৱহাৰ হৈছিল।

মণিৰাম দেৱানৰ "বুৰঞ্জী বিবেক ৰত্ন"ৰ গদ্য, ইং ১৮৩৮ চন ঃ--

"অসম দেশত মধ্যে মধ্যে মাত্র মানুহ আচিলে, বহু বহু হাবি আচিলে। অনেক দেশৰ অনেক মানুহ আনি বৃত্তি বিধান দি পাতি থলে। ঘৰ ফালি ফালি আনিও দেশ পাতি ললে, স্বর্গী নাৰায়ণ ৰজাৰ নিজ বাহুবলে শ্রীশ্রীকামাক্ষ্যাৰ প্রসাদে পাতি লোৱা হাৰ-

কাট্টোনৰ দেশ। এই কাৰণ, দেশত অপ্ৰপ বিস্মি হলেই শ্ৰীশ্ৰীস্বৰ্গদেৱে বৰ দুঃখ পাই। দেশস্থ লোকে ৰাজাক পিতৃতুল্য মানি সেৱা কৰে।"

সেই "বিবেকৰত্নৰপৰা" আৰু এভোখৰ তুলি শুনাওঁ—

"নিত্যানন্দ মহন্তৰ একজনা অতি সুন্দৰী দুহিতা আছিলে। বেজদলৈৰ পুতেকো অতিশই ৰূপৱন্ত। অকস্মাৎ দুইকে দুয়ে দেখি উভয়ৰ আনিতে-যাইতে মনস্থ হ'ল। পাচে ঘৰে আহি বেজদলে ভণ্ডাৰী বৰুৱাৰ পুতেকে প্ৰকাৰান্তৰ বাপেকলৈ কোৱালে, বাপেকেও মেলৰ বৰাহঁতক পাচি চোৰাণীৰ কথা জনোৱালে। নিত্যানন্দ মহন্তে শুনি বিস্তৰ আক্ষেপ বাক্য সজ্জন গৰিহণাৰ সদৃশ বুলিলে।"

১৮৩৫-৩৮ চনৰ ভিতৰত লেখা কাশীনাথ তামুলী ফুকনৰ গদ্যৰ আহি ঃ—

"ভৈৰবি নদীৰপৰা দিক্‌কৰ বাসিনী অৰ্থাৎ সদিয়াৰ পৰা কেচাই-খাতি পৰ্জন্তে সৌমাৰ পিঠ বোলে। এই সৌমাৰ পিঠৰে পূৰ্ব্বে হিৰকুট পৰ্ব্বতৰ দখিন স্বৰ্ণাদ্ৰিৰ উত্তৰ এই সিমাৰ মধ্যতে বিহগ্ৰাদ্ৰি নামক পৰ্ব্বতৰ উপৰি বহ্নভুমি নামক স্থানতে সুন্দৰ স্থান দেখি এক সময়ত সখিগন সহিতে সচি ও ইন্দ্ৰ উভয়ই ক্ৰিয়া কৰি ফুৰিছিলে। সেই পৰ্ব্বতৰ গুহাতে বসিস্ট মুনি থাকে। তাৰে পৰা স্নান কৰিবলৈ মুনি ওলাই তেওঁৰ ফুলনিতে ক্ৰিড়া কৰা দেখি কুপিত হৈ ইন্দ্ৰক অন্ত্যজা স্ত্ৰিত পতিত হ বুলি শাপ দি সেই স্থান এৰি বহ্ন পিঠৰ ইসান কোণৰ নিলাচললৈ মুনি গুচি গল। পৰে ইন্দ্ৰ ততখ্যনে কানে নুশুনা, কলা ও বোবাও এনে দৈত্যাকাৰ মনুস্য হ'ল।"

ইয়াত অন্তঃস্থ য় ব্যৱহাৰ কৰা হৈছে আৰু ক-ৰ ঠাইত খ্য হৈছে। বাকী বৰ্ণবিন্যাস ইবিলাকৰ দৰেই।

১৮৪৬ চনত "অৰুণোদই" যুগ আৰম্ভ হ'ল। এই যুগেই বৰ দীঘল আৰু ইয়াতেই কোৱা ভাষাৰ গদ্য সাহিত্যক ৰূপায়ন আৰম্ভ হ'ল। "অৰুণোদই" দিনত বাক্য-প্ৰকাশক ৰীতিটো দীঘলীয়া গুচি চুটি হ'ল। পাৰ্য্যমানে সংস্কৃতমূলক শব্দৰ ঠাইত দেশজ শব্দ সুমুৱা হ'ল। বৰ্ণ বিন্যাসৰ প্ৰকৰণো জাদুৰাম বৰুৱাক আহি মতেই কৰা হ'ল। অৰ্থাৎ, চ-ছ দুটাৰ ভিতৰত অকল প্ৰথম চটো, তিনিটা শ, পেট কটা ষ আৰু দৈত্ স—এই তিনিটাৰ ভিতৰত দন্ত্য স-টো থাকিল

—১৬

আৰু বাৰেমতবাৰ দীৰ্ঘ উচ্চাৰণ গুচি হ্ৰস্ব হ'ল। কিন্তু, বাক্যবিন্যাস, বাক্যৰীতি প্ৰায়েই ইংৰাজী অনুৰূপেই হ'ল। আনন্দৰাম ঢেঁকীয়াল ফুকনেই আছিল "অৰুণোদই"ৰ ধৰণী। প্ৰকৃত পক্ষে তেওঁৱেই তেতিয়া আছিল অসমীয়া ভাষাৰ অধিনায়ক। ফুকনৰ লেখাত পাওঁ—সৰ্ব্বনাম শব্দৰ দ্বিতীয় পুৰুষ 'তুমি'ক যেতিয়া 'তেওঁ'ক বুলি কোৱা হয় তেতিয়া তেওঁৰ বহুবচন "বিলাক"—আজি কালিৰ দৰে "লোক" নহয়; আৰু "তুমি"ৰ বহুবচন "তোমোলাক"—যিটোৰ ব্যৱহাৰ কেৱল যোৰহাটৰ এটি অঞ্চলত হে এতিয়াও চলি আছে। ঢেঁকীয়াল ফুকনৰ গদ্য-ৰীতিটো একেবাৰেই ইংৰাজী-সাঁচত লেখা বুলি ক'লেও বঢ়াই কোৱা নহয়। এতিয়া চাওক "অৰুণোদই"ৰ ভাষা। এই ভাষাতেই "অৰুণোদই"ৰ উদ্দেশ্য আৰু গদ্য-পদ্যত ঘৰুৱা কথা ব্যৱহাৰ কৰাৰ কাৰণটো জল্‌জল্ পট্‌পট্‌কৈ ওলাই পৰিছে।

প্ৰাচীনপন্থী পণ্ডিত আৰু "অৰুণোদই"ৰ মাজত লিখা ৰীতিৰ বিষয়ে বহুত বাক্‌বিতণ্ডা চলিছিল। তাৰ উত্তৰত "অৰুণোদয়ে" লেখিছিল ঃ—

"আমি কেৱল পণ্ডিতলৈ লিখা নহই, সকলো মানুহৰ নিমিত্তে লিখিচোঁ। সংস্কৃত আৰু ভাষা মিহলি কৰিলে আমি ভাল নেদেখো। সংস্কৃত হলে সুধ সংস্কৃতেই হব লাগে। সংস্কৃতত হলে প্ৰাই সংজোগ্য আখৰ, ভাসাত গোট গোট আখৰ। আগৰ কালৰ মানুহৰ মুখত সংস্কৃতৰ সকলো মাত লিখা দৰে ফুটিছিল। এতিয়া প্ৰায় পণ্ডিতৰ মুখত নুফুটে। ভাষা লিখোঁতে আখৰৰ জিমান জাত তিমানহে লিখিব লাগে। একে জাতিৰে দুই তিনি প্ৰভেদৰ সকাম নাই। জ য এই দুইৰো একেটা উচ্চাৰণ। শ ষ স তিনিটাৰে একে মাত, শ্ৰী স্ত্ৰীৰ একো ভেদ নেদেখো। ভাষাত ৰণ নোবোলে ৰন হে বোলে। ণ ন হ্ৰস্ব দীৰ্ঘতো এইদৰে বুজিবা। পৰ্ব্বতী নোবোলে, পৰ্বত হে বোলে। ** স্লোক লিখিলে সংস্কৃতৰ ভাৱেৰে অৱশ্যে লিখিব লাগে। ভাষাত হলে আমাৰ দাই নধৰিবা। (১৮৫৪ চনৰ অৰুণোদয়—৫৯-৬০ পৃষ্ঠা)।

"অৰুণোদই" ওলোৱাৰ বাৰ বছৰ মান পিচত পদ্য ভাষাৰ ৰূপ বলিষ্ঠ হ'বলৈ ধৰিলে। কিন্তু, আখৰ জোটনি সেই আগৰ দৰেই থাকিল।

"যি দেশৰ মানুহৰ বুদ্ধিবৃত্তি অল্পপমান মাজ্জিত হৈছে আৰু যি দেশৰ মানুহৰ কিঞ্চিত ধৰ্মাধৰ্মৰ বোধ আছে, তেওঁবিলাকেই পৰোপকাৰ এটি প্ৰধান ধৰ্ম বুলি স্বীকাৰ কৰিছে। পৰম ঈশ্বৰে মানুহ মাত্ৰকে উপচিকিৰ্ষা বৃত্তি দিচে আৰু সকলোকে তদনুসাৰে কৰ্ম কৰিবৰো শক্তি দিচে।"

"অৰুণোদই"ৰ অৰুণ অস্ত যাওঁতে নৌ-যাওঁতেই, চৰকাৰৰ অনুগ্ৰহত অসমীয়া ভাষাই স্বতন্ত্ৰৰীয়া আসন লাভ কৰিলে। তেতিয়াৰ-পৰাই যৌৱনোচিত শক্তি লাভ কৰি "অৰুণোদই"ৰ উদ্দীপনাৰেই অনুপ্ৰাণিত হৈ হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাই গদ্য-পদ্য দুয়োবিধ সাহিত্যক বিজ্ঞানসন্মত ৰূপ দিলে। অসমীয়া ভাষা স্বতন্ত্ৰ ভাষা বুলি স্বীকৃত হয় ১৮৭৩ চনত। সেই কাৰণে সেই চনৰপৰা একেবাৰেই চোঁচা মাৰি ১৯৪৭ চনলৈকে নৱন্যাসৰ যুগ বুলি খাটাংকৈ কব পাৰোঁ। এই যুগত, অৱশ্যে অলপ অচৰপ সালসলনি নোহোৱাকৈ থকা নাছিল যদিও সেইবোৰক যুগৰে একোটি একোটি পালী ভাগ বুলি ক'ব পৰা যায়।

"অৰুণোদই" যুগত সংস্কৃত গন্ধী শব্দৰ প্ৰতি যি সতিনী-মৰম দেখুৱা হৈছিল, এই যুগত সেইবোৰ সংশোধন কৰি গ্ৰহণ কৰা হ'ল। তেতিয়া যি শব্দ বা লেখা-ঠাঁচ আচহুৱা আচহুৱা যেন লগা হৈছিল, তাক এতিয়া জীণ নিয়াই ঘৰুৱা কৰা হ'ল। ইংৰাজী বাক্য ৰীতিৰ প্ৰভাৱ যদিও একেবাৰেই নগ'ল, তথাপি সেই আগৰ গোটেপাতে ইংৰাজী ভাব প্ৰকাশ কৰাৰ ক্ৰমটো জতুৱা ৰীতিলৈ পৰিণত হ'ল। আগৰ কোমল কোমল উকা শব্দৰ প্ৰয়োগৰীতি গুচি, এতিয়া বলবান, মুকলি আৰু খণ্ডবাক্য যোগ দি ভাষা সমৃদ্ধ আৰু প্ৰকাশিকা শক্তি বহুপ্ৰসাৰী কৰা হ'ল।

এই যুগতে হেমচন্দ্ৰ বৰুৱাৰ ইংৰাজী-অসমীয়া দ্বিভাষী কাকত "আসাম নিউচ" আৰু গুণাভিৰাম বৰুৱাৰ "আসাম বন্ধু" আলোচনী ওলায়। 'আসাম নিউচ'ত ৰাজনীতিক কথাৰ বাহিৰেও সাহিত্য-সমাজ আদিৰ বিষয়ে সুন্দৰ সুন্দৰ প্ৰবন্ধ ওলাইছিল। সেই প্ৰবন্ধসমূহৰ গদ্য চানেকিয়েই বহু বছৰৰ আহি হৈ আছিল। "আসাম বন্ধুৱেও" কম কাম কৰা নাছিল। আখৰ যোটনিৰ কোনো কোনো ক্ষেত্ৰত গুণাভিৰাম নিজা মতানুযায়ীয়েই চলিছিল, তথাপি তেওঁৰো এচাম

অনুগামী আছিল। সেইসকল-নোহোৱা হ'লে গদ্য বিকাশৰ ধাৰাবাহিকতা ৰক্ষা নপৰিলহেঁতেন।

"হেমৰ কোষেৰে ওখ দৌল বান্ধি" হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষা লেখাৰ বৈজ্ঞানিক নিয়ম বান্ধি দিয়াৰ পিচৰ পৰা গদ্য প্ৰকাশ ভাষাৰ আউল ভাগি গ'ল আৰু ধৰ্মতঃ ক'বলৈ গ'লে, হেমচন্দ্ৰ বৰুৱাৰ গদ্য ৰীতিটোৱেই ১৯৪৭ চনত ৰূঢ়িছ যোৱালৈকে, সকলোৰে আহি স্বৰূপ হৈ থাকিল। লেখকে হাতত কাপ লৈয়ে হেমচন্দ্ৰৰ বৰ্ণবিন্যাস, বাক্যবিন্যাস প্ৰণালীলৈ তেতিয়া যে চকু দিব লাগিছিলেই নে, এতিয়াও দিব লগীয়া হৈয়ে আছে।

সদায় আউল লাগি থকা বৰ্ণ-বিন্যাসৰ বিষয়ে হেমচন্দ্ৰই যি অভিমত প্ৰকাশ কৰিছিল, তাক সকলোৱে লেখিবৰ সময়ত মন কৰা উচিত। তেওঁ লেখিছিল :—

"আমাৰ ভাষাত বৰ্ণবিন্যাস তিনি প্ৰকাৰে কৰা যায়। প্ৰথম উচ্চাৰণ অনুসৰি, দ্বিতীয়ত মূল শব্দৰ দৰে, তৃতীয়ত জনা লোকসকলে বহুত দিন চলোৱা নিয়ম মতে। কিন্তু বৰ্ণবিন্যাসৰ কথাত উচ্চাৰণেই ঘাই বাট দেখাওঁতা। এতেকে যদি মূল শব্দৰ আখৰ ৰাখিলে কোনো অসমীয়া শব্দৰ উচ্চাৰণ লৰে, তেনেহলে তাৰ মূললৈ মেচাই উচ্চাৰণৰ অনুগামী হ'ব লাগে"। এইদৰে বান্ধি দিয়া নিয়ম প্ৰকাশ হ'লত পাদুৰী মুৰ চাহাবেও আগৰ অৰুণোদই ৰীতি এৰি পেলালে। শব্দৰ অন্তত থকা অনুস্বৰটো, কাৰক-প্ৰত্যয় যোগ হ'লে অনুস্বৰৰ ঠাইত ঙ হয়। যেনে ছিলঙলৈ যাম—ছিলংলৈ যাম নহয়।

"বিস্তৰ অপভ্ৰংশ সংস্কৃত বা বিদেশী শব্দ বহুকাল আমাৰ ভাষাত চলি থাকি তাৰ অঙ্গ স্বৰূপ হৈছে। এতিয়া সিহঁতক অশুদ্ধ বা বিজতৰীয়া বুলি এৰিব নোৱাৰি, এৰিলেও অসমীয়া ভাষাৰ ছাল মঙহ গৈ ওঁকাটো মাথোন থাকিব।"

ভূঞা, জানো, ভাঙো, প্ৰণামো ইত্যাদি শব্দবিলাকৰ পাচত থকা অনুনাসিক বৰ্ণটোৰ ওপৰত চন্দ্ৰবিন্দু দিয়া অনুচিত। অনুনাসিক বৰ্ণ এনেয়ে নাকেৰে উচ্চাৰণ কৰা হয়, তাতে চন্দ্ৰবিন্দুটো দিলে নাকীসুৰ দুগুণ হৈ উঠিব।

হেমচন্দ্ৰ বৰুৱাৰ লেখা—ভঙ্গিমা বহুত, তাৰে অলপ শুনোৱা হ'ল।

"এই সময়ৰ ভালেমান দিন আগৰেপৰা (ভালেকেইদিন নহয়)

মই মিশ্যনেৰিবিলাকৰ মাহেকীয়া কাকত "অৰুণোদয়"ত লেখিছিলোঁ; কিন্তু যেতিয়া মিশ্যনেৰিবিলাকৰ গুৰিলৈ নিতৌ যাবলৈ ধৰিলোঁ, তেতিয়াৰ পৰা "অৰুণোদয়েৰে" সৈতে মোৰ সম্বন্ধ আৰু দৃঢ় হ'ল। তাতে মই বৰ্ণবিন্যাস সংশোধনৰ নিমিত্তে যত্ন কৰিবলৈ ধৰিলোঁ। মোৰ এই চেষ্টাত নিধিৰাম ফোৰোৱেল নামেৰে এক দেশীয় খৃষ্টীয়ানৰ পৰা বৰ বাধা পাইছিলোঁ।** পৰিশেষত মোৰ যত্ন সফল হল হয়, তথাপি 'ৱ' আখৰটৰ ব্যৱহাৰ চলোৱা অসম্ভৱ যেন বোধ হল।** মই গুৱাহাটীলৈ অহাৰ পিচত ৱ ৰূপাৰৰ সময়ত ইস্কুল ইন্‌স্পেক্টৰ মার্টিন চাহাবেও সেইটো আখৰ ব্যৱহাৰৰ বিষয়ত বৰ বাধা জন্মাইছিল। পাচে বিস্তৰ লেখালেখিৰ অন্তত তেওঁৰ নিজৰ ভ্ৰম বুজিব পাৰিলে আৰু ইস্কুলৰ কিতাপত তাৰ ব্যৱহাৰৰ নিমিত্তে চীফ্ কমিশনৰৰ আজ্ঞা ললে।" এইৰূপে হেমচন্দ্ৰ বৰুৱাৰ আদৰ্শকে মানি 'জোনাকী' 'বাঁহী' যুগলৈকে, আন কি; এতিয়াও, সাহিত্যানুৰাগী মাত্ৰেই অসমীয়া কথা-সাহিত্য ৰচনা কৰি আছিল আৰু আছেও। আজি অসমীয়া গদ্য সাহিত্য উজ্জ্বলনদী। অৱশ্যে, বৰ্তমান পৰিৱৰ্তিত যুগত পুৰণি দৃষ্টিভঙ্গী অলপ ইফাল সিফাল নোহোৱাকৈ থকা নাই। ভাষা জীয়া। ই কেতিয়াও অপৰিৱৰ্তিত হৈ থাকিব নোৱাৰে। "অৰুণোদই"ৰ দিনৰ প্ৰৱৰ্তিত গদ্যই ১০০ বছৰৰ পাছত কি বিৰাট ৰূপ ধাৰণ কৰিলে তাক ভাবিবই নোৱাৰি। ব্ৰহ্মপুত্ৰ এতিয়াও আছে। পাদুৰী ব্ৰাউনে কোৱাৰ দৰে যুগৰ লগত ফেৰ মাৰি, সেই ব্ৰহ্মপুত্ৰৰ দৰেই অসমীয়া গদ্য-সাহিত্য অনৱচ্ছিন্ন ভাৱে বৈ থাকিব।

আকাশ বাণীত প্ৰচাৰিত

অসমীয়া ভাষাৰ গোৱৰ্দ্ধনধাৰী আনন্দৰাম ঢেঁকীয়াল ফুকন

ইন্দ্র-যজ্ঞ নকৰি ইন্দ্রক অসন্তুষ্ট কৰা বাবে ইন্দ্রই যেতিয়া বৃন্দাবনবাসী সকলক শিলাবৃষ্টি কৰি মাৰি পেলাব খুজিছিল তেতিয়া শ্রীকৃষ্ণই যেনেকৈ গোবৰ্দ্ধন পৰ্বত ধৰি গোপবৃন্দক ৰক্ষা কৰিলে, অসমীয়া-বঙলা একে বুলি কোম্পানীদিনীয়া শাসনাধিকাৰ চাহাববিলাকে অনুগত অনুচৰবৰ্গই সৈতে গোট খাই অসমীয়া ভাষাক যমৰ দুৱাৰলৈ পঠিয়াই বঙলাক বৰপীৰা পাৰি দি অসমীয়া জাতিটোক মাৰিব খুজিছিল, তেতিয়া মাকিন দেশীয় পাদুৰীৰে সৈতে গোটখাই, শনাইত অন্যতকৈও চাৰ লিখনীৰ বলেৰে আনন্দৰাম ঢেঁকীয়াল ফুকনেই গোবৰ্দ্ধন পৰ্বত ধৰি থাকি অসমীয়া ভাষা আৰু অসমীয়া জাতিটোক যম দুৱাৰৰ পৰা টানি আনি ৰক্ষা কৰিলে।

অসমীয়া ভাষা ৰক্ষা পৰাৰ আদি পৰ্বটোৰ আভাসমাত্র ইয়াতে উল্লেখ কৰা হ'ল---যাতে আনন্দৰামক গোৱৰ্দ্ধনধাৰী বোলাৰ তাৎপৰ্য্যটো কিঞ্চিৎমান বুজিব পাৰি।

বৃটিছৰ হাতলৈ দেশ যোৱাৰ দহ বছৰমান পাচলৈকে অসমত অসমীয়া ভাষাই চলি আছিল---কি শিক্ষালয়, কি বিচাৰালয়, ক'তো অসমীয়া ভাষা বুজিব নোৱাৰি বুলি একো ওজৰ-আপত্তি উঠা নাছিল। ১৮৩৭ চনত চৰকাৰে (কোম্পানীয়ে) এখন আইন জাৰি কৰি ভাৰতৰ সকলো প্রদেশতে আদালত-পত্ৰাশালিত দেশীয় ভাষা প্রচলন কৰিবলৈ স্থিৰ কৰে। সেই অনুসৰি সকলো প্রদেশতে স্থানীয় ভাষাকে ৰখা হ'ল। অসমৰ বেলিকা হে লেঠা লাগিল। অসম প্রদেশখন বঙ্গৰ লগত চামিল থকা বাবে আৰু অসমৰ আমোলা-মহৰিবিলাক বঙালী হোৱা বাবে অসমৰ মাতৃভাষা অসমীয়াই অসমত থাকিবলৈ ঠাই নেপালে---অসমীয়াক মাৰি বঙলাকহে সেই ঠাইত বহুৱাবলৈ সিদ্ধান্ত কৰা হ'ল। সিদ্ধান্তৰ ঘাই হেতু দিয়া হ'ল---অসমীয়া ভাষা সুকীয়া নহয়---বঙলাৰে অপভ্রংশ মাথোন। অসমীয়া ভাষাত শিকাৰলগীয়া

একো পাঠ্যপুথিও নাই,—পাঠ্যপুথি হে নেলাগে আন একো পুথিয়েই অসমীয়াত লেখা নাই।

অসমীয়া যে বঙলাৰ পৰা বেলেগ, এই কথা ১৮৪৬ চনৰ পৰাই আমেৰিকান পাদুৰীসকলে 'অৰুনোদই'ৰ যোগেদি চিঞৰি-বাখৰিয়েই আহিছিল, অসমীয়া ভাষাৰে শিক্ষা দিবপৰা পাঠ্যপুথি লেখি প্ৰকাশ কৰিছিল। ১৮৪৯ চনত পঢ়াশলীয়া ছাত্ৰৰ নিমিত্তে আনন্দৰামে "অসমীয়া ল'ৰাৰ মিত্ৰ" নামেৰে দুই খণ্ড পুথি প্ৰকাশ কৰি বিৰোধী-সকলৰ যুক্তি ঠেৰ নোহোৱা কৰিছিল। চাহবাগিচাৰ জনাবুজা মহৰি-কেৰেণীসকলেও বঙলা চলাব নোৱাৰে বুলি আবেদন-নিবেদন কৰি-ছিল। তথাপি সেইবোৰলৈ চৰকাৰে কৰ্ণপাতকে নকৰিলে। অসমত বঙলাৰ খোপনি লৰচৰেই নহ'ল। কৰ্ণপাত নকৰিলে যদিও, এটি প্ৰতিক্ৰিয়া হ'ল। কোম্পানীয়ে ভাৰতৰ সৈতে নতুনকৈ লগ লগোৱাত অসমৰ ৰাজনৈতিক পৰিস্থিতি কেনেকুৱা হৈছে আৰু তাত কি প্ৰকাৰে নতুন শাসন প্ৰৱৰ্তন কৰিব লাগিব, ইত্যাদি কথাৰ অনুসন্ধান কৰি-বলৈ সদৰ দেৱানী আদালতৰ জজ এ, জে, মফট মিলছক অসমলৈ পঠিয়ালে।

সেইবিলাকৰ তদন্তৰ লগত ভাষাৰ প্ৰশ্নটো আছিলেই। সেইগুণে, ঢেঁকীয়াল ফুকনে সেই ছেগ খামোচ মাৰি ধৰিলে আৰু মিলছ চাহাব পোৱাহি মাত্ৰকে, অসমৰ ৰাজনীতিক, অৰ্থনীতিক, শিক্ষা-শাসন, ৰাজহনীতি, বিচাৰনীতি প্ৰভৃতি দেশ শাসন সম্পৰ্কীয় সকলো ব্যৱস্থা কি ৰূপে গ্ৰহণ কৰিলে দেশৰ কল্যাণ সাধিত হ'ব তাক বাহুল্যকৈ বৰ্ণাই এখনি আপুৰুগীয়া দলিল-সদৃশ দীঘলীয়া আবেদন-পত্ৰ দাখিল কৰিলে। অসমীয়া ভাষা চলোৱা সম্পৰ্কে তেওঁ এইবুলি টানি কৈছিল,

"অসমৰ দেশীয় ভাষা অসমীয়া। ইয়াকে আসামৰ সকলোৱে কয় আৰু বুজে; আন কি, আদালতৰ হাকিম-বিচাৰক সকলোৱেও বঢ়িয়াকৈ বুজে (সেইকালত এইবিলাক বিষয়া ইংৰাজ আৰু বঙালীয়েই আছিল)। অসমীয়া ভাষা বঙলাৰে সৈতে কেতিয়াও একে নহয়। বঙলাৰ লগত উৰীয়া ভাষাৰহে বেচি সাদৃশ্য আছে। তেনে উৰীয়া ভাষাকো বঙলাৰ পৰা বেলেগ বুলি স্বীকাৰ কৰি উৰিষ্যাৰ আদালতত চলিবলৈ দিয়া হৈছে। অথচ বি ভাষা মুঠেইকৈ নিমিলে, সেই ভাষা-কনো কিয় এই সুবিধাৰ পৰা বঞ্চিত কৰা হৈছে?" ফুকনৰ কথাকে

গোহ মাৰ্বি পাদুৰীসকলেও মিলহুক চোকা মন্তব্যেৰে মতামত দাঙি ধৰিলে। এওঁবিলাকে পূৰ্বৰে পৰা অসমীয়া ভাষাৰ হকে মাতি আছিছিল। সেই সময়তেই বা তাৰ মাহদিয়েকৰ পিচতেই, অসমত শিক্ষাৰ মাধ্যম কি হ'ব, এই বিষয়ে অসমৰ শিক্ষা বিভাগৰ ইন্সপেক্টৰ ডব্লিউ ৰবিন্সনক কলিকতালৈ মাতি নিয়ে আৰু তেওঁৰ মতামত লয়। ৰবিঞ্চনে অসমত শিক্ষাৰ বাহন বঙলা হ'ব লাগে বুলি অভিমত দি আহে। তেওঁ কৈছিল, "অসমৰ কথিত ভাষা বঙলাই।" বঙ্গদেশত বহুত "উপভাষা" আছে; সেইবোৰ ক'লে বুজিব নোৱাৰি যদিও, লিখিত ভাষাত সকলোৱে বুজে। অসমীয়া ভাষাটোৰ উচ্চাৰণ লেতেৰা। লিখিত আখৰ-জোঁটনীতো খেলি-মেলি। এইবোৰ গুচাই পেলাই বঙলা ভাষাৰে এফে কৰি দিলেই শিক্ষাদান সহজ আৰু সুগম হ'ব।"

এনে নাভূত-নাশ্রুত মন্তব্য দিয়া শুনি, নগাঁৱৰ পৰা পাদুৰী মাইলচ্ ব্ৰঞ্চনে বঙ্গদেশৰ দুৰ্বলীয়া লাট হেলিডে চাহাবলৈ বৰ দীঘল চিঠি এখন লিখি তাত (সিও এখন সংৰক্ষণীয় দলিলেই) ৰবিঞ্চনৰ মত প্ৰত্যাখ্যান কৰি দেখুৱালে যে অসমীয়া ভাষাৰে হে অসমত শিক্ষা দিব লাগে। বঙলা ভাষাৰে শিক্ষাদানত কৰিব লাগিলে চৰকাৰৰ শিক্ষানীতি ভ্ৰষ্ট হ'ব আৰু অসমীয়া মানুহক আগবঢ়াই নিয়ক চাৰি ৫০ বছৰৰ পিচলৈ হোঁহোকাই নিয়া হে হব। অসমীয়া ভাষা অকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ থলুৱা মানুহখিনিৰেই নহয়, ওচৰ চুবুৰীয়া পৰ্বতীয়া মানুহৰো কথা-বতৰা কোৱা উমৈহতীয়া ভাষা।

"The Bhutias, the Mishmis, the Abors, the Miris. the Khamptis, the Singphos, the Nagas and various other tribes compose a vast population, all of whom if ever reached at all, must be reached from the Valley and through the medium of the Assamese language.... It is not probable that the languages of all these tribes can ever be reduced to system and books and translations prepared for them, to any great extent ; but through the Assamese language, as a common medium, much can be accomplished for them even at the present time." সেইদেখি বঙলা ভাষাৰ হেঁচা নিদি ঈশ্বৰে দিয়া মাতৃভাষা অসমীয়াটোকে যেন শিক্ষাৰ বাহন কৰে।"

শিক্ষা বিভাগৰ গুৰিয়াল ৰবিঞ্চনে যেনেকৈ অসমীয়াৰ বিৰোধী আচৰণ কৰিছিল অসমৰ ৰেভিনিউ কমিছনাৰ ফ্রেঞ্চিচ জেন্‌কিন্‌চেও তেনেকৈ ২১ টা কাৰণ দেখুৱাই অসমত অসমীয়াই ভাষা চলোৱাত হেঙ্গাৰ পুতিছিল।

এই ২১ দফীয়া মেমৰেণ্ডম (প্রতিবেদন)খনো অৱশ্যে দলিয়াই পেলাবলগীয়া নহয়। নিজৰ মত সমৰ্থন কৰাত আগৰদিনীয়া শাসক-সকলে কেনে পৰিপাটিকৈ তথ্য আৰু যুক্তি যুগুতাই লৈছিল, তাকেই অন্ততঃ ইয়াত চাবলগীয়া।

প্রতিবেদনখনৰ তৃতীয় দফাত তেওঁ লেখিছিল, “মই ৰেভিনিউ কমিছনাৰৰ কাম লওঁতে সকসুৰা কাম দুটামানৰ বাহিৰে এটাইবোৰ ওপৰখাপৰ কাম চিলেট, মৈমনচিং, ঢাকাৰ পৰা অহা বঙালী। ডেভিদ স্কটৰ লগতে অহা। ৰবাৰ্টচনৰ দিনত, প্রায়বিলাক ডাঙৰ ডাঙৰ কাম চিলেটীয়াইয়েই খাবলৈ পায়। আদালতত বঙলা ভাষাই চলে।”

দশম দফাত আছিল ঃ---আহোম ৰজাসকলে ৬০০/৭০০ সেত্ৰাল স্থাপন কৰি তাত বঙালী ব্ৰাহ্মণৰ হতুৱাই বঙলা ভাষাৰে শাস্ত্ৰ চৰ্চা কৰোৱায়।

দ্বাদশ দফাৰ মত ঃ---কেপ্তেইন ৰেলছৰ লগত আহিও বহুত হিন্দুস্থানী আৰু ভাটীফালৰ মানুহ আহি অসমত থাকি যায়। সিহঁ-তেও বঙালী বুজে আৰু কয়।

এনেবোৰ কাৰণৰ নিমিত্তেই অসমত বঙলা চলোৱা উচিত।

মিছনেৰীবিলাকলৈ টোঁৱাই জেন্‌কিন্‌চে ১৯ শ দফাত লেখিছিলঃ---“তেনেস্থলত অসমীয়া ভাষাৰে শিক্ষা দি অসমীয়াক কিয়া আচুতীয়াকৈ ৰাখি বঙালীৰ পৰা অসমীয়াক ফালি নিব খোজে? ‘অসমীয়া এটা জাতি’ বুলি ওফাইডাং মাৰি গৌৰব কৰিবৰ একো কাৰণ নাই। অসমৰ পঢ়াশালিত অসমীয়া চলাবলৈ দ্বিজন আনন্দৰাম ঢেঁকীয়াল ফুকন উঠি-পৰি লাগিছে, সেইজনৰ আজোককাকেই দেখোন কনৌজৰ পৰা অহা।”

মিলছে অসমীয়া ভাষাটোক পোনেই শিক্ষাৰ বাহন কৰিব লাগিছিল বুলি কৈ আক্ষেপ কৰিছে। তথাপি, তাৰ পিচত, ‘প্রতিয়া আৰু সেই সময় নাই---তলি ফুটি জোল বৈ গ'ল’ বুলি তেওঁৱেই স্বীকাৰ কৰিছে।

এনেকুৱা অভিমত দিয়েই অসমৰ সৰ্বেসৰ্বা জেনকিন্সে বঙালীক সমৰ্থন কৰি অসমীয়া চলোৱাত চৰকাৰী ভাৱেই বিৰোধিতা কৰিছিল।

অৱশেষত অসমীয়া জাতিৰ ভৱিষ্যদ্দৰ্শী ঢেঁকীয়াল ফুকনে নিজৰ নাম নিদিয়াকৈ

"A few remarks on the Assamese language and on Vernacular education"— নামে ১০০ খন পুস্তিকা ১৮৫৫ চনত ছপাই চৰকাৰী বেচৰকাৰী কৰ্তৃপক্ষসকলৰ মাজত বিলাই দিলে।

"গৱৰ্ণমেণ্টে বৃটিছ ভাৰতত শিক্ষাৰ মাধ্যম দেশীয় ভাষা কৰিবলৈ যি ব্যৱস্থা হাতত লৈছে তাৰ বিষয়ে মীমাংসা কৰোঁতে, অসমত চলাবলগীয়া ভাষাৰ বিষয়েও আলোচনা চলিছে। কিন্তু বিধিৰ কি বিড়ম্বনা! যি সকলৰ হাতত আমাৰ শিক্ষা পদ্ধতি নিয়ন্ত্ৰণৰ ভাৰ ন্যস্ত হৈছে সেই সকলে বঙলা চলোৱাৰ পক্ষপাতিতাহে কৰিছে। সেই কাৰণে, এই পুস্তিকাত তেওঁবিলাকৰ ভুল ধাৰণা গুচাবৰ নিমিত্তে অসমীয়া বঙলাৰ পাৰ্থক্যটো পৰিপাটিকৈ দেখুৱা হৈছে"। এনে মৰ্মেৰে আৰম্ভ কৰি ফুকনে অখণ্ডনীয় যুক্তিৰে অসমীয়া-বঙলাৰ ভাষাগত পাৰ্থক্যবোৰ ফঁহিয়াই দেখুৱাই দিয়ে যে ১১০ টা শব্দৰ ভিতৰত ৯০ টা অসমীয়া শব্দ বঙলাৰ লগত নিমিলে। সেইকালৰ বঙলা-অসমীয়া আজিকালিৰ বঙলা-অসমীয়াৰ লগত তুলনা নহয়। ভাষাৰ মোট বহুত সলনি হ'ল। তথাপি ফুকনৰ উদ্ধৃতি দুটামান ইয়াত দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

বঙলা	অসমীয়া
এক দেশে ভগবান নামক এক ব্ৰাহ্মণ বসতি কৰিতেন। তিনি সেবা ধৰ্মে এমন নিপুণ ছিলেন যে তদ্দেশীয় ৰাজাৰ নিকটে ছায়াৰ ন্যায় সৰ্বদা থাকিয়া তাহাৰ আজ্ঞা মাত্ৰেই কৰ্ম সাধন কৰিতেন। তাহাতে তিনি ঐ ৰাজাৰ অতি প্ৰিয়পাত্ৰ	এখন দেশত ভগৱান নামে এটি বামুণ আছিল। তেওঁ খটালোটাত এনেহে পাৰ্গত আছিল যে সেই দেশৰ ৰজাৰ ওচৰত তেওঁ সদায় ছাঁৰ নিচিনা হৈ থাকি তেওঁৰ আজ্ঞা পোৱা মাত্ৰকে এটাই বনকে সিদ্ধি কৰি ৰজাৰ অতি মেথাৰ পাত্ৰ হৈ

বঙলা	অসমীয়া
হইয়াছিলেন। এ প্রযুক্ত তিনি ৰাজসভাসদ কি ৰাজকীয় কর্ম সম্পাদক সকলকেই তুচ্ছ-তাচ্ছিল্য কৰিতেন। তাহাতে ৰাজ সভাসদেৰ সকলে একত্র হইয়া পৰামর্শ কৰিল যে যাহাতে ঐ ব্রাহ্মণ ৰাজসভায় না আসিতে পায় এমত কৰা উচিত হয়।	ৰজাঘৰৰ বা ৰাজমেলৰ আন দুই মানুহ এটাইকে ইতিকিং কৰিছিল, তাতে সিবিলাকে এটাইএ গোট খাই আলচ কৰিলে বোলে কেনেকৈ এই বামুণ স্বর্গদেৱৰ মেললৈ আৰু আহিব নোৱৰা হয় তাকে কৰাহে যুগুত।

\+ \+ \+ \+

অসমীয়া-বঙলাৰ কোৱা ভাষা যে লিখিত ভাষাৰ পার্থক্যতকৈও যে কিমান বেচি, তাক তলত দিয়া উদ্ধৃতিৰে দেখুৱাই দিছিল---

বঙলা	অসমীয়া
পদ্মাৱতী ঃ অগো, আমাদেৰ মেয়ে কামিনীৰ প্রায় আট বৎসৰ বয়স হইল, ভাল একটি বৰ দেখ, বিয়েৰ সময় হইয়াছে।	পদ্মাৱতী। হেৰা, আমাৰ ছোৱালী কামিনীৰ আঠ বছৰ মান বয়স হ'ল। ভাল চাই এটি দৰা বিচাৰা, বিয়াৰ দিন পালেহি।
হৰিহৰ। বিবাহেৰ জন্য এত ব্যস্ত কেন? কন্যাৰ বয়ঃক্রমই কত, আৰও চাৰ পাচ বৎসৰ অপেক্ষা কৰা যাইতে পাৰে।	হৰিহৰ। বিয়ালৈ এনে লৰা-লৰি কেলেই কৰিচা? ছোৱালীৰ বয়সেইনো কিমান? আৰু চাৰি পাঁচ বছৰমান বাট চাব পাৰি।
পদ্মাৱতী। অ মা। আৰো চাৰ পাঁচ বছৰ মেয়েকে কেমন কৰে আইবৰ ৰাখবো? বাৰ তেৰ বছৰেৰ আইবৰ মেয়ে থাকলে লোকেৰ কাছে কেমন কৰে মুখ দেখাব। আৰ ছোট বাল্য বে দিতে কি তোমাৰ সাদ য্যায়না? অধিক বয়সে বিয়ে	পদ্মাৱতী। অ' আই, আৰু চাৰি পাঁচ বছৰমান নো ছোৱালীক কেনেকৈ আবিঐকৈ থম? বাৰ তেৰ বছৰীয়া আবিঐ ছোৱালী থাকিলে মানুহৰ আগলৈ কেনেকৈ মুখ উলিয়াম? লৰাতে বিয়া দিবলৈ নো তোমাৰ হাবিয়াস নাই নে? সৰহ বয়সত

বঙলা	অসমীয়া
দিলে একটা মস্ত দিকধা বড় জামাই আসবে, ছেলে হ্যাল্যা যে দিলে ছোট জামাই হবে, দেখতে ভাল, শুনতে ভাল, যেমন পুতুল খেলাৰ মত।	বিয়া দিলে এটা ডাঙৰ হুটঙা মুনিহ জোঁৱাই আহিব। লৰাতে বিয়া দিলে জোঁৱাই সৰু হব, দেখিবলৈকো ভাল। যেনেকুৱা দৰা পুতলীয়ে ওমলাৰ নিচিনা।

ইয়াৰ পিচত হিন্দী, বঙলা, অসমীয়াৰ ভাষাৰো চানেকি তুলি দি অসমীয়া যে বঙলাৰ পৰা সম্পূৰ্ণ পৃথক তাক গজগজীয়াকৈ দেখুৱালে।

পাদ্ৰীবিলাকৰ মত স্বাৰ্থ জড়িত বুলি কোনো বিভাগে অসমীয়া ভাষাৰ দাবীটো উলাই কৰিছিল। কিন্তু, ঢেঁকীয়াল ফুকনৰ আগৰ আৰু এই নাম নিদিয়া পুথিত দেখুউৱা যুক্তিবোৰ ওফোৰাবলৈ কাৰো সাধ্য নহ'ল। অচিৰেই বঙলা গ্ৰাসৰ পৰা অসমীয়া ভাষাক ৰক্ষা কৰি অসমত অসমীয়া ভাষা চলাবলৈ সিদ্ধান্ত হ'ল আৰু তেতিয়াৰ পৰা ১৭ বছৰ মানৰ মূৰত সেই সিদ্ধান্ত কাৰ্য্যত পৰিণত কৰা হ'ল। ফুকনৰ দুৰ্ভাগ্য, জীৱনজুৰি কৰা কৰ্মফল ভোগ কৰিবলৈ নেপালে। কিন্তু, তেওঁ লিখনী চলাই অসমীয়া ভাষাটোৰ স্বতন্ত্ৰতা প্ৰমাণ কৰি গোবৰ্দ্ধন পৰ্বত ধৰি নথকা হ'লে অসমীয়াৰ অস্তিত্ব কাহানিবাই লোপ পালেহেঁতেন।

গোবৰ্দ্ধন দণ্ডাৰ শেষ দোপটো মাৰোঁতে ঢেঁকীয়াল ফুকন নগাঁৱত কমিছনাৰৰ চব-এচিষ্টেন্ট বা চোট চাহাব হৈ আছিল। তাতেই তেওঁ ১৭৮১ শকৰ ৩ আহাৰৰ দিনা ২৯ বছৰ ৯ মাহ ২৯ দিনত ভৰি দি ইহ সংসাৰৰ পৰা বিদায় ললে। তেওঁ যোৱাৰ লগে লগে অসম দেশক স্বৰ্ণপুৰী পাতিবলৈ হাবিলাস কৰোঁতা মহাত্মা এজনৰ অন্তৰ্দ্ধান হ'ল।

অসমৰ আগৰ কমিছনাৰ হপকিঞ্চন চাহাবে তেওঁৰ গুণ বখানি এইদৰেই বেজাৰ কৰিছিল, "বঙ্গদেশত ৰাজা ৰামমোহন ৰায় যেনে, অসম দেশত আনন্দৰাম ফুকনো তেনে।"

মৃত্যুকালত, চকুৰ আগতে দেখি থকা ফুকনক হেৰুৱাই নগাঁওৰ ৰাইজ দুখে-বেজাৰে কিমান জৰ্জ্জৰিত হৈছিল তাক প্ৰকাশ কৰিবলৈ

অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই এটা শব্দহে বিচাৰি পাইছিল। সেইটোৱেই হৈছে "হামবাও কাড়া"।

বৰুৱা ডাঙৰীয়াই শব্দটোৰ ভাবে-গুণে ৰজিতা খোৱাকৈ এইটি পটন্তৰীয়া দৃষ্টান্ত দিলে। নগাঞা বাইজে আনন্দৰাম ফুকনলৈ আজিও "হামবাও কাড়ে"। ইয়াৰ দ্বাৰাই নগাঞা বাইজৰ ফুকনলৈ কিমান মৰম আছিল, তাক যে দেখুওৱা নেই নে, আওপাকে অভিধান ৰচয়িতা জনেও তেওঁলৈ ওলগ জনালে।

যাৰ জীৱন এনে উপমেয় পটন্তৰ হ'ব পাৰে, তেওঁৰ জীৱনেই মৃত্যুঞ্জয়ী---যদিও অমৰ।

[দৈনিক অসম ঃ ১৬ জুন, ১৯৬৬]

"অৰুনোদই"

অসমীয়া ভাষাৰ পোন-প্ৰথম আলোচনী আৰু বাতৰি-কাকত "অৰুনোদই"। ই আমেৰিকান বেপ্‌টিষ্ট মিশ্যনৰ ঐতিহাসিক দান। উজনিত 'অসম-বন্তিৰ' দিনলৈকে বাতৰি-কাকত দেখিলেই মানুহে "অৰুন্দই" বুলি চাবলৈ ওলাইছিল। "অৰুনোদই"এ অসমীয়াৰ মাজত জ্ঞানৰ পোহৰ বিলালে, গোট-গোট হৈ থকা লেখা-পঢ়া জনা শিক্ষিত মানুহখিনিক একে-গোট হ'বলৈ শিকালে আৰু অসমীয়া ভাষা যে এটা ভাৰতৰে সুকীয়া স্বতন্ত্ৰ ভাষা তাক প্ৰতিপন্ন কৰিলে। তদুপৰি, "অৰুনোদই" ছপাখানাই অসমীয়া মানুহক দপ্তৰী কাম আৰু সাঁচত আখৰকটা-কাম শিকালে।

তেতিয়া ইংৰাজী ১৮৩৬ চন। ইংৰাজৰ আগ্নেয় অস্ত্ৰৰ বলত মানৰ দিনৰ অন্ত পৰিল। ক্ৰমাৎ দেশখন সুথিৰ হৈ আহিছে মাত্ৰ। আহিব-যাবলৈ ৰেল-জাহাজ নাই, বাট-পথো দুৰ্গম—অটব্য অৰণ্যেৰে ভৰা; লেখা লেখি কৰিবলৈ ডাকঘৰ নাই, এঠাইৰ পৰা আন ঠাইলৈ যাবলৈ হ'লে হাঁহ-পাৰ মাৰি এদনীয়া হৈ ওলাই যাব লাগে। আমাৰ দেশৰ ভিতৰতে এই অৱস্থা; বিদেশৰপৰা অহা যে কিমান কঠিন, তাক ভাবিবই নোৱাৰি। দেশজয় কৰাৰ নিচিনা উচ্চ আকাঙ্ক্ষাই মনত যেতিয়া থিতাপি লয়হি, স্থিতিৰ, দূৰত্ব, ভাবৰ ব্যৱধান আৰু বিপদ-বিঘিনিৰ বিভীষিকা সকলো সমান হৈ যায়। সাত সাগৰ তেৰ নৈ পাৰ হৈ বৃটিছ জাতিয়ে যেনেকৈ ৰাজনৈতিক জয় কৰিবলৈ লগত আগ্নেয় অস্ত্ৰ লৈ আহিছিল, পৃথিবীৰ এক প্ৰান্তৰপৰা আমেৰিকাৰ পাদুৰীসকলেও তেনেকৈ জগত জয় কৰিবলৈ লগত মোহিনী অস্ত্ৰ যীচু খৃষ্টৰ প্ৰেমৰ বাণী লৈ আহিছিল। এই আধ্যাত্মিক জয়ৰ প্ৰেৰণাত পৰিয়েই ১৯৩৬ চন হেন কালতো পাদুৰী ৰেভাৰেণ্ড কটাৰ আৰু তেওঁৰ মেমে পাটকাইৰ নিচিনা পৰ্বতো হেলাৰঙে পাৰ হৈ আহি জয়ে-জয়ে অসমৰ তালু শদিয়াত যীচু খৃষ্টৰ পুণ্যপ্ৰেমৰ শঙ্খত ফুঁক দিব পাৰিছিল।

আমেৰিকাৰ বষ্টন নগৰৰপৰা কেনেকৈ যে আহি তেওঁবিলাক শদিয়া পাইছিলহি, ভাবিলে তস্মান খাব লাগে। ২০ বছৰ বয়সতে

অলিভাৰ উমাছ কটাৰে তেওঁৰ ঘৈণীয়েক হেৰিয়েট কটাৰে সৈতে ওপজা ঠাই লেকিংটন এৰি বৰ্মাত ছপাখানাৰ কাম কৰিবলৈ আহে। লগত এটি কলৰ ছপাখানাকে সম্বল লৈ তেওঁবিলাকে ১৮৩১ চনত বষ্টন নগৰ এৰে আৰু এবছৰ মানৰ মূৰত মৌলমেনত থাকিবলৈ লয়হি। তাৰপিচত, কটাৰ যুগল ৰেঙুনলৈ যায়। বৰ্মা ৰজাই ছপাখানা চাবলৈ হেঁপাহ কৰাত দুয়ো তাক লৈ আভালৈ যাত্ৰা কৰে। এই যাত্ৰাত তেওঁবিলাক ভোকে পিয়াহে জৰ্জৰিত হৈ গৈছিল। নাৱত উঠি ৰেঙুনৰপৰা আভা পাওঁতে ৪৩ দিন লাগিছিল। বাটত ডকাইতে নাওখন বেৰি বেৰি ধৰিছিল। করুণাময় পৰমেশ্বৰে কৃপা কৰাত হে সাৰি আহি বৰ্মা ৰজাৰ আগত উপস্থিত হ'ব পাৰিছিল।

ৰজাৰ তালৈ তেওঁবিলাক আহিল। আহি, ৰজাক ছপাখানাৰ কাম কৰি দেখুৱালে। ৰজায়ো বৰ সন্তোষ লাভ কৰিলে; কটাৰদ্বয়ে প্ৰচাৰ কৰিবলৈ ধৰিলে ঃ—

১। দুখীয়াবিলাক ধন্য; কিয়নো স্বৰ্গৰাজ্য তেওঁবিলাকৰ হে। অৰ্থাৎ দুখীয়া হে সদায় স্বৰ্গত থাকে; ঈশ্বৰক সুঁৱৰি পবিত্ৰ মনেৰে থাকে। কিন্তু ধনীয়ে ঈশ্বৰ চিন্তা কৰিব নোৱাৰে। কাৰণ তেওঁ-বিলাকৰ অন্তৰ ধন-বস্তুৰ অহঙ্কাৰত কলুষিত হৈ থাকে।

২। শোকাতুৰবিলাক ধন্য; কিয়নো, তেওঁবিলাকে সান্ত্বনা লাভ কৰে।

৩। নম্ৰ হৈ ফুৰাবিলাক ধন্য; কিয়নো তেওঁবিলাকেই পৃথিবীৰ অধীশ্বৰ হ'ব।

৪। সত্য ৰক্ষাৰ কাৰণে যিসকল ব্ৰতী, সেই সকল ধন্য, কিয়নো এদিন নহয় এদিন সেই সকলৰ দাবী পূৰণ কৰা হ'ব।

৫। যাৰ অন্তৰ নিৰ্মল তেওঁ ধন্য, তেনে লোকে হে ঈশ্বৰৰ সঙ্গলাভ কৰে।

৬। শান্তিস্থাপন কৰোঁতাসকল ধন্য; কিয়নো তেওঁবিলাকক ঈশ্বৰৰ সন্তান বুলি কোৱা হয়।

৭। সত্য আৰু ধৰ্মৰ নিমিত্তে যাক অভিষিক্ত কৰা হয় তেওঁ ধন্য; কাৰণ স্বৰ্গৰাজ্যখন তেওঁৰ নিমিত্তেই আচুতীয়াকৈ থোৱা আছে।

৮। যিবিলাকে ইষ্ট-মিত্ৰৰ নিমিত্তে লোকৰ গালি খায়, শাস্তি ভোগ কৰে আৰু সকলো অন্যায় অত্যাচাৰ অম্লানবদনে সহ্য কৰে তেওঁবিলাক ধন্য।

৯। আনন্দ কৰা, আনন্দত উৎফুল্ল হৈ উঠা—কাৰণ এই পৃথিবীৰ প্ৰাপ্যতকৈও স্বৰ্গৰ পুৰস্কাৰ অধিক মহান।

১০। তোমালোকেই পৃথিবীৰ লোণ, তোমালোকেই পৃথিবীৰ পোহৰ, এনে ভাবে তোমালোকৰ পোহৰ প্ৰকাশ কৰা যাতে সেই পোহৰত মানুহে তোমালোকৰ সজ কৰ্মবিলাক দেখে আৰু তাকে দেখি, স্বৰ্গ-বাসী পিতৃজনলৈ যেন মনত পৰে।

ওপৰত উল্লেখ কৰা বাণীত ভোল গৈ হঠাতে এজন ফুঙী (বৌদ্ধ-পুৰোহিত) খৃষ্টান হ'ল। তেতিয়ালৈকে ৰজাৰ একো ভ্ৰুভঙেই নাছিল। এই বাতৰিত গোটেই আভা নগৰী তল-ওপৰ লাগি গ'ল। যেই গ'ল, সেই ৰজাই পাদুৰী মেম চাহাব দুগৰাকীক নগৰৰপৰা উলিয়াই দিলে। তেওঁবিলাক গৈ, নগৰৰ বাহিৰত আগৰেপৰা থকা জদ্‌ছনৰ তাত থাকিলগৈ। সেই ঠায়ে নুশুজা বাবে তেওঁবিলাক আকৌ ৰেঙুনলৈ গ'লগৈ। তাৰপৰা আকৌ ১৮৩৫ চনত আভালৈ আহিল। আভাৰপৰা মৌলমেন পালেগৈ। মৌলমেনৰপৰা হে পাটকাই পৰ্বত পাৰ হৈ ১৮৩৬ চনত কটাৰ চাহাব শদিয়া পায়হি। তাতে তেওঁ ভালেমান খামৃতি, চিংফৌ আৰু অসমীয়া কিতাপ ছপায়।

১৮৪৩ চনত শদিয়াৰপৰা ছপাকলটো আনি জয়পুৰত থয়। তাৰ পিচত, শিৱসাগৰ নগৰৰ পছিম পিনে দিখৌ নৈৰ পকাঘাটৰপৰা অলপ উজাই দৈকলঙীয়া গাঁৱৰ অলপ নামে পাতেহি। তাতে সপ-ৰিয়ালে ৰেভাৰেণ্ড নাথান ব্ৰাউন চাহাবো তেওঁৰ লগ লাগেহি। কটাৰ ব্ৰাউনে প্ৰতিষ্ঠা কৰা আমেৰিকান বেপ্‌টিষ্ট মিশ্যনৰ এই ছপাখানা বা ছপাকলটোৰ পৰাই ইং ১৮৪৬ চনত অসমীয়া ভাষাৰ পোন-প্ৰথম মাহেকীয়া আলোচনী "অৰুনোদই" কাকত প্ৰকাশিত হয়। শ্ৰীৰামপুৰৰ কেৰী মাৰ্চমেনৰ দ্বাৰাই সম্পাদিত বঙলা 'অৰুনোদইৰ' আহিৰে অস-মীয়া 'অৰুনোদই' ছপোৱা হৈছিল। খৃষ্টিয়ান ধৰ্মশাস্ত্ৰৰ সোণালী বাণী প্ৰচাৰ কৰাই ইয়াৰ মূল উদ্দেশ্য আছিল যদিও, সাহিত্য বুৰঞ্জী-বিজ্ঞান বিষয়ে বাতৰিকনীয়া প্ৰবন্ধই তাত ঠাই পাইছিল। স্থানীয় বাতৰি

আৰু আন আন দেশৰো বিবিধ সম্বাদ দি কাকতখনলৈ পঢ়াশলীয়া ছাত্ৰবো ধাউতি বঢ়োৱা হৈছিল। কাকতখন উকা নাছিল---কাঠৰ ব্লক কৰি ছপোৱা ছবিৰে চিত্ৰিত কৰা হৈছিল। অসমীয়া মানুহৰ হতুৱাই সেই চিত্ৰ অঁকাই সাঁচত মৰোৱাইছিল। সেই কাঠৰ ব্লক-বোৰ তেতিয়া কলিকতাৰপৰা কৰাই অনোৱা হৈছিল। সৰু সৰু ছবিবোৰ, ইয়াতে বজৰমণি-কাঁইটত কাটি লোৱা হৈছিল। প্ৰথমতে "অৰুনোদই"---এই নামটোৰ আখৰ কেইটা কাঠত কাটি বেটুপাত-কাঁড়পাতত মুদ্ৰিত কৰা হৈছিল। "সাতাৱন ছাল"ৰপৰা সেই দুয়োটা পাততে পুখুৰীয়েসৈতে শিৱসাগৰৰ দৌল তিনিটাৰ ছবি ওলাইছিল।

কাকতত চ ছৰ ভিতৰত অকল চ আখৰটো; চিৰী-শ, পেটকটা-ষ আৰু দইত-স---এই তিনটাৰ ভিতৰত অকল দইত বা দন্ত্য সটো; স্বৰবৰ্ণৰ কেৱল ই-টো আৰু বাৰেমতৰাৰ হ্ৰস্ব ইকাৰটো মাথোন ব্যৱহাৰ কৰা হৈছিল। কলিকতাত সীহৰ ৱ আৰু ৰ আখৰৰ সাঁচ পোৱা নগৈছিল দেখি হেমচন্দ্ৰ বৰুৱাৰ পৰামৰ্শ মতে তাক আমেৰিকাৰ পৰা কটোৱাই অনোৱা হৈছিল। মুঠতে, 'অৰুনোদই'ৰ বৰ্ণবিন্যাস প্ৰণালী চলিছিল প্ৰথম অসমীয়া অভিধান লেখোঁতা জাদুৰাম ডেকা-বৰুৱাৰ আহিমতে।

'অৰুনোদই'ৰ সম্পাদকে কাকতখন সম্পাদনা কৰি, ছপা হোৱা মাত্ৰকে নিজে-নিজেই খোজ কাঢ়ি কাঢ়ি শিৱসাগৰৰ পৰা যোৰহাটলৈকে হাটে বাটে বেচি ফুৰিছিল। সম্পাদকেই সম্পাদকো, আখৰ-বাছোঁতাও, বেচোঁতাও, থিয়পোহাৰীও হ'ব লগীয়া হৈছিল। একো সংখ্যা কাকত ২00 খনলৈকে বিক্ৰী হৈছিল। তাৰ বছেৰেকীয়া বৰঙনি আছিল মুঠেই এটকা। কাকতৰ আকাৰ আছিল ডবল ক্ৰাউন আৰু প্ৰতি সংখ্যাত ১৬ৰ পৰা ২৪ পিঠিলৈকে আছিল।

১৮৩৬ চনত ডাক্তাৰ নাথান ব্ৰাউন আৰু ৰেভাৰেণ্ড কটাৰে অনা ছপাখানাৰ নামটো "অৰুনোদই" প্ৰেছ বুলিয়েই দিয়া হৈছিল। ১৮৪৬ চনৰ পৰা "অৰুনোদই" কাকতখন এই সকল সম্পাদকৰ তত্ত্বাৱধানত চলিছিল। ১৮৪৬ চনৰপৰা ১৮৬৫ চনলৈকে---ৰেভাৰেণ্ড হোৱাইটিং, ডাক্তৰ নেথন ব্ৰাউন আৰু ৰেভাৰেণ্ড অলিভাৰ টমাছ কটাৰ।

১৮৫৩ চনত---টমাচ কটাৰ গ'ল।

১৮৫৫ চনত---ডাক্তৰ ব্ৰাউন গ'ল।

—১৭

১৮৬৫ চনৰপৰা—ৰেভাৰেণ্ড এচ, এম, হোৱাইটিণ্ডে অকলে চলায়।
১৮৬৫ চনৰপৰা—ডাক্তৰ মাইল্‌ছ ব্ৰন্‌ছন।
১৮৬৭ চনৰপৰা—শ্ৰীমতী এছ আৰ ৱাৰ্ড।
১৮৬৯ চনৰপৰা—ৰেভাৰেণ্ড ক্লাৰ্ক।
১৮৭৪ চনৰপৰা—ৰেভাৰেণ্ড এ কে গানী।

১৮৮৩ চনত নাজিৰাৰ 'আসাম কোম্পানী'ক "অৰুনোদই"--ছপা খানাটো বিক্ৰী কৰা হয়।

১৮৩৭ চনৰপৰা "অৰুনোদই" ছপাখানাতে পাদুৰীসকলে পতা পঢ়াশালিত চলোৱা সকলো অসমীয়া কিতাপ ছপোৱা হৈছিল। সেই অসমীয়া কিতাপবোৰো পাদুৰীসকলে নিজেই লেখিছিল। "অসমীয়া বাইবেল", "যাত্ৰীকৰ যাত্ৰা" আৰু বহুত গীত-মাতৰ পুথি পাদুৰী-সকলৰ আপুৰুগীয়া দান। ৰাধানাথ বৰবৰুৱাৰ মুখৰপৰা শুনি কাশীনাথ তামুলী ফুকনে অসমৰ যিখন বুৰঞ্জী লিখিছিল সেইখনিও এই "অৰুনোদই" ছপাখানাতে ছপা হয়। অসমীয়া ভাষাত সেই-খনেই পোন-প্ৰথম মুদ্ৰিত অসম-বুৰঞ্জী। বঙলা ভাষাৰ লগত অস-মীয়া ভাষাৰ যে একো সম্পৰ্ক নাই আৰু অসমীয়া যে এটা স্বতন্ত্ৰীয়া ভাষা তাক পাদুৰী ডাক্তৰ নাথান ব্ৰাউনেই জয়ে-জয়ে অসমীয়া শব্দাৱলী ফঁহিয়াই দেখুৱায়। তেওঁৰ বিশ্লেষণৰপৰা জনা যায় যে অসমীয়া শব্দৰ ১০০টাৰ ভিতৰত অইন ভাষাৰ শব্দ এই অনুপাতে সোমাই আছে, যথা ঃ---

সংস্কৃত ৬৩টা, খামৃতি ১টা, শ্যামদেশীয় ১টা, অঁকা ৭টা, আবৰ ১টা, মিচিমি ১টা, মান ৫টা, কাৰেং ৩টা, মৰাণ ১টা, দক্ষিণ টঙ্কু ১টা, খৈবু ১টা, মাৰেং ৩টা আৰু জাপানী ১টা।

সেইকালৰ স্কুলসমূহৰ ইন্‌স্পেক্টৰ ডব্লিউ ৰবিঞ্চন্ চাহাবে কেপ্টেইন জেনকিন্‌ছেসৈতে গোট খাই যেতিয়া অসমত অসমীয়া ভাষাৰ পৰিবৰ্তে বঙলা ভাষা চলাবলৈ চেষ্টা কৰে আৰু অসমীয়া ভাষাটো বঙলাৰে অপভ্ৰংশ বুলি কয়, তেতিয়া "অৰুনোদই" সম্পাদক ভাষাবিদ পাদুৰী ব্ৰাউনে শিৱসাগৰৰপৰা এইটি চোকা মন্তব্য প্ৰকাশ কৰে ঃ---

"অসমীয়া ভাষাটো ইমান পুৰণি আৰু অসমৰ সকলোতে (কাম-ৰূপৰ চেকেৰীবাদে) ইমান একেআগী যে ই সঁচাসঁচিকৈয়ে কঁতো

নিমিলে। বঙলা ভাষাটো দিনে দিনে সলনি হৈ আহিছে বুলি মিঃ ৰবিঞ্চনে নিজেই কৈছে ; অসমীয়া ভাষাটো কিন্তু শ-শ বছৰ একে দৰেই চলি আছে। ই কেতিয়াও বঙ্গ দেশৰপৰা অহা নাই। বিশেষকৈ উচ্চাৰণলৈ চালে, বঙলাতকৈ সংস্কৃতৰপৰা উদ্ভৱ হোৱা অন্যান্য ভাষাৰ লগত হে ইয়াৰ সাদৃশ্য অধিক পৰিমাণে দেখিবলৈ পোৱা যায়। উপচি পৰা নহ'লেও, অসমীয়া ভাষাৰ মাত-কথাবোৰ সুৱদি আৰু সৰ্গৰীয়া। মিণ্টাৰ ৰবিঞ্চনে নক'লেও, ইয়াক অসমীয়া মানুহৰ মাতৃভাষা বুলি গণ্য কৰা নিতান্ত উচিত হ'ব। নজনা-নুশুনাকৈয়ে ভাষা এটা পেংলাই কৰা অতি উজু। আমাৰ আখৰ-জোঁটনি দেখুৱাই ভাষাটোকে খেহেটা, অমাৰ্জিত, আপচু আৰু চহা বুলি "পাঞ্চ" কাকতক দাঁত নিকটাই হুঁহা ছবিৰ নিচিনাকৈ হাঁহিব পাৰে, তথাপি আমি ম্রি মানুহৰ মাজত যি ভাষা চলি থাকে সেই ভাষা চলাবলৈ হে কঠোৰ ক্লেশ কৰিব লাগিব। নহ'লে, সেই জাতিৰ কেতিয়াও সুমঙ্গল নহ'ব।"

পাদুৰীসকলে অসমীয়া ভাষা সঞ্জীৱিত কৰিবলৈ কেনেকুৱা প্ৰতিবন্ধকৰ বিৰুদ্ধে যুঁজিব লগীয়া হৈছিল, ব্ৰাউনৰ মন্তব্যটোৱেই তাৰ সাক্ষী। অসমীয়া ভাষাক কি বিদেশী, কি চৰ্কাৰী কৰ্মচাৰী যেয়ে স্বতন্ত্ৰ ভাষা বুলি স্বীকাৰ নকৰিছিল তাৰ কথাকে পাদুৰীসকলে জুই আঙনিৰে প্ৰতিবাদ কৰিছিল।

নামত খৃষ্টীয়ানী হ'লেও কামত কাকতখনত জাতি-ধৰ্মৰ ভেদ ভাব নাছিল—সকলো সম্প্ৰদায়ৰে সৰ্বাঙ্গীন উন্নতি কৰাটোৱেই কাকতৰ এটি লক্ষ্য আছিল। সূৰ্য্যই পোহৰ বিলাওঁতে যেনেকৈ পদুমনি-গেৰেকণিৰ বাছ-বিচাৰ নকৰে "অৰুনোদই" কাকতেও যীচুৰ বাণী বিলাবলৈ যাওঁতে তেনেকৈ হিন্দু-খৃষ্টান একোকে নেচাইছিল। ডাক্তৰ ব্ৰন্চন চাহাবে গমিৰিৰ নিধিক নিধিলিৱাই ফেয়াৰবেল (ফাৰবেল) নাম দি খৃষ্টধৰ্মত দীক্ষিত কৰে। হেমচন্দ্ৰ বৰুৱা আদিক কোনো কোনো কথাত ঠেক দিছিল যদিও, এই নিধিলিৱায়েই 'অৰুনোদই'ৰ ধৰ্ম প্ৰচাৰ বিভাগৰ ৰাজহাড় আছিল। এওঁ 'ভাৰতীয় দণ্ডবিধি আইনখন ঘৰুৱা অসমীয়ালৈ ভাঙে। নগাঁৱৰ "আনন্দৰাম ঢেকিয়াল ফুকন", সোনাৰচান্দ ডেকাবৰুৱা (হেমচন্দ্ৰ বৰুৱা), পূৰ্ণানন্দ বৰুৱা, ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা, জাদুৰাম ডেকাবৰুৱা, জাঁজীৰ কাশীনাথ শৰ্মা পণ্ডিত আৰু এলফ্ৰেড বেনেটকে প্ৰমুখ্য কৰি সেই কালৰ সকলো জনা-বুজা

লোকেই 'অৰুনোদই'ৰ আলমতে সদৌ অসমত স্বদেশানুৰাগৰ অমৃত ছটিয়াই দিছিল। 'চুতীয়া' জাতিৰ বুৰঞ্জীখন 'অৰুনোদই'ৰ পাদুৰী সকলেই খি উদ্ধাৰ কৰিলে! তেওঁবিলাকে পিট-পিটকৈ বিচাৰি অসমীয়া মানুহৰ ধোঁৱাচাঙৰপৰা ভালেমান বুৰঞ্জী পুথিও আনি গোটাই থৈছিল।

"অৰুনোদই"-আভা উজ্জ্বল কৰিবলৈ আনন্দৰাম ঢেঁকীয়াল ফুকনে এনে আদৰ্শৰ ৰশ্মি ঢালিছিল:—

"জি সময়ত অসম হাবি গুচি ফুলবাৰী হব, নৈত ভোঙা গুচি জাহাজ হব, ঘৰ বাঁহৰ গুচি শিল-ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰে-বিজাৰে পঢ়াশালি, গিয়ানৰ সভা, চিকিত্‌চালই, দুখীয়া দৰিদ্ৰ পৰিত্ৰাণৰ আলয় হব আৰু জি কালত লোকসকলে সৰম্পৰ হিংসা নকৰি আটাইয়ে আটাইক ভ্ৰাতৃত্বৰ চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নিদি লাখ টকাকো কাত্তি কৰি থব, কোটি টকা ভেটি পাইও অন্যায় নকৰিব—সেই সময়, হে পৰমপিতা জগদিশ্বৰ, শিঘ্ৰে ঘটোৱাঁ।"

ভাৰতৰ অন্যান্য ভাষাৰ লগত অসমীয়া ভাষাৰ অমিল ক'ত তাক এইজন ঢেঁকীয়াল ফুকনেই "অৰুনোদই"ত লেখা কথাকেই সদৰ দেৱানী আদালতৰ জজ মিঃ এন্দ্ৰ মফট মিল্‌চৰ হাতভো লেখি দিছিল:

"ভালেমানে কয়, অসমীয়া ভাষা হেনো বঙলাৰপৰা ওলোৱা, এই কথা তেনেই মিছা। ভাৰতবৰ্ষৰ কোনো দেশতে বুৰঞ্জী-সাহিত্য ধাৰাবাহিকৰূপে আজিলৈকে লিখা পোৱা নাই। অসমত কিন্তু, অতীজৰেপৰা বুৰঞ্জী লেখা ৰীতি আছে। অসমীয়াৰ স আৰু ৰ উচ্চাৰণো অসমত হে আছে আৰু ই অসমীয়াৰ মুখত হে ফুটে।"

সেই কালৰ বৃটিছ চৰকাৰৰ বৰমূৰীয়াসকলে অসমত বঙলা ভাষা চলাবলৈ কাৰবাৰ কৰাত ঢেঁকীয়াল ফুকনৰ মতকে পাদুৰীসকলে চক্ৰবাণৰূপে ব্যৱহাৰ কৰিছিল।

'অৰুনোদই'ৰ একোটা বাতৰি এনে ভাৱে লিখা হৈছিল যেন ভৱিষ্যতলৈ সি একোটা বুৰঞ্জীমূলক ঘটনাৰ বিৱৰণী হ'বগে পাৰে। ১৮৪৬ চনৰ অকটোবৰ মাহৰ প্ৰথম ভাগ 'অৰুনোদই'ত থুনুক-থানাক ভাষাৰে মহাৰাজ পুৰন্দৰ সিংহৰ স্বৰ্গাৰোহণ বাৰ্ত্তাটি পাদুৰীসকলে এই দৰে দিছিল:—

"জোৰহাত নগৰত মহাৰাজ পুৰন্দৰ সিংহৰ ৩ দিন পৰ্জ্যন্তে মধু-মেহ পিৰা উপস্থিত হৈ বৰ্ত্তমান মাহৰ ১ তাৰিখ বৃহস্পতিবাৰৰ দিনা বেলি দুই বজাৰ সময়ত ম্রিত্যু হ'ল। তেতিয়া দুৰ্গাপূজা চাবলৈ ফুকন বৰুৱা আদি বৰবৰুৱা ডাঙৰীআ সকল গোট খাই সেই ম্রিত্যু মহা-ৰাজক নগৰৰ পৰা বাহিৰ কৰি দাহন আদি কৰাৰ নিমিত্তে শ্রীজুত কামেশ্বৰ সিংহক ম্রিত্যু ৰজাৰ স থকাৰ থাইতে বৰ চ'ৰাত কাপোৰ পাৰি বহুৱাই বৰবৰুৱা আৰু ডাঙৰিআসকলে চাৰি বজাৰ সময়ত পূৰ্ব্বে পিত্রি ৰজাই জুবৰাজ নাম দিয়া শ্রীজুত কামেশ্বৰ সিংহক এক সেৱা কৰি জুবৰাজ মৰ্জতা দিলে। পাচে জুবৰাজে সোন, ৰূপ, কাঁহ আৰু তাম এই চাৰি কলহেৰে ম্রিত্যু ৰজাক গা ধুৱাই ৰাজ অলঙ্কাৰ পিন্ধাই সৰাইত সাজ কাপৰ দি কুৱঁৰি আৰু গোহাঞ্রসকলে সেৱা জনাই চাওটি-চন্দোআৰ তৰি চৌদোলাত তুলি দিচৈ নৈৰ ওচৰলৈ নি আঁৰ কাপৰ তৰি চন্দন কাথ আদিৰে দহন কৰিলে। স নিওঁতে বৰলোক আৰু সৰু সৰু লোক বহু মানুহ গৈছিল।"

পুথিৰ সমালোচনা কেনেকৈ কৰিব লাগে তাৰো আহি এটা 'অৰুনোদই'য়ে দেখুৱাইছিল আৰু সেই সমালোচনাৰ প্রসঙ্গতে পুথি লেখকক প্রশংসাও কৰিছিল, উৎসাহ-উদগনিও দিছিল। আনন্দৰাম ঢেঁকীয়াল ফুকনে "অসমীয়া লৰাৰ মিত্র" পুথিখন লেখি ছপাই উলিয়ালত 'অৰুনোদই'এ এইৰূপে তাৰ সমালোচনা কৰিছিল ঃ—

"স্রীজুত বাবু আনন্দিৰাম ঢেকিয়াল ফুকনে কলিকতালৈ গৈ হিন্দু কলেজত ভালৰূপে ইংৰাজ বিদ্যা সিকিলে। পিচে গুআহাতিলৈ উভতি আহি আপোন অসম দেশৰ উপকাৰ হবৰ নিমিত্তে চিন্তা কৰি জেতিআ আহৰি পাই তেতিআ অলপ অলপকৈ এনে কিতাপ লেখিবলৈ ধৰিলে আৰু বহু পৰিশ্রমেৰে ইংৰাজি ভাষাৰ পৰা অসমিয়া ভাষালৈ এই কিতাপ লেখি আৰু কলিকতাত সুন্দৰ আখৰেৰে চপালে।

মাজে মাজে ভুল ওলাই। কিন্তু মানুহৰ কিতাপত বিসেসকৈ কোনো ভাসাত প্রথমে লিখা কিতাপবোৰত ভুল থাকে। কিন্তু বহু ভাল আৰু গিয়ানৰ কথা ইয়াতে ওলাই আৰু পঢ়িব জনা মানুহে কিনি পঢ়িলে ভাল। এই ফুকনৰ নিচনা কেৱল আপোন সুখ নিবি-চাৰি আন ভদ্র মানুবোৰে আপোন দেশৰ মানুহৰ উপকাৰৰ নিমিত্তে সেইৰূপে কোনো গিয়ানৰ কিতাপ লিখিলে ভাল। লোকৰ আগত

আপোনাৰ নামত প্ৰসংসা পাবৰ ইচা নাই দেখি ক্ৰুকনে সেই কিতাপৰ ওপৰত আপুনি কৰা বুলি নাম নিদিলে। অসমীয়া লোকৰ মাজত প্ৰথমে আপোন দেশৰ উপকাৰ চিন্তি এনে কোনো গিয়ানৰ কিতাপ কৰি চপোআত এই পুৰুসৰ আগত যদি তেওঁৰ প্ৰশংসা নোলাই তথাপি ইয়াৰ পাচে অনেক পুৰুষলৈকে তেওঁৰ সুজসস্যা থাকিব।"

'অৰুনোদই'খন শঁক লেখেৰে ৩৭ বছৰ চলিছিল। "স্বাধীনতা-যুদ্ধৰ" পিছৰপৰা অৰ্থাৎ ১৮৫৭ চনৰ পৰা নিয়মিতৰূপে প্ৰকাশ হোৱাত অলপ ব্যতিক্ৰম ঘটিছিল। তথাপি ওলাইছিল। খৃষ্টীয়ানী কাকত বুলি ভালেমানে এৰাইছিল যদিও, সাহিত্য-অন্বেষী, দেশ-হিতৈষী আৰু শিক্ষিত সমাজে বৰ আগ্ৰহেৰে পঢ়িছিল। তেতিয়া 'অৰুনোদই'টোৰ বাহিৰে অসমত আৰু কোনো প্ৰেছ বা ছপাখানা নাছিল।

"অৰুনোদই" অন্তৰ্দ্ধান হোৱাৰ বছৰ দিয়েকৰ আগেয়েই আউনী-আটী সত্ৰই ছপাখানা এটা আনি 'ধৰ্ম্মপ্ৰকাশ' নাম দি "আসাম বিলা-সিনী" কাকত উলিয়াইছিল। কিন্তু 'অৰুনোদই'খনৰ সমান তাৰ গ্ৰাহক নাছিল; প্ৰচাৰো নাছিল; আৰু তাত ছপাৰ কামো মনমোহাকৈ নহৈছিল। "অৰুনোদই"ৰ পিছতেই ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ দ্বাৰাই সম্পাদিত মাহেকীয়া "আসাম বন্ধু"ৰ আবিৰ্ভাৱ। "আসাম বন্ধু"ও "অৰুনোদই"ৰ অনুপ্ৰেৰণাৰেই ফল।

"শুংটো যেনেকৈ বৰলৰ, হাঁতোৰাকিটা যেনেকৈ বাঘৰ, শিংজোৰ যেনেকৈ মহৰ, আক্ৰমণ আৰু আত্মৰক্ষাৰ ঘাই আলম, তোষামোদ, শিয়ালবাগী দিয়া আৰু টাংচিঙালী কথাকোৱা তেনেকৈ যি মানুহৰ আত্মৰক্ষী স্বভাৱ" সেই মানুহৰ ভুৱা চক্ৰান্তৰ ফলত যেতিয়া অসমীয়া ভাষাটো অসমৰপৰা উঠি যাবলৈ হৈছিল, তেতিয়া অসম-প্ৰবাসী আমেৰিকাৰ পাদুৰীসকলে হে তয়াময়া ৰণ কৰি ৰাক্ষসী গ্ৰাসৰ পৰা তাক ৰক্ষা কৰিলে। অসমীয়া ভাষাৰ প্ৰতি ৰাজানুগ্ৰহ বিমুখ হৈ থাকোতেও অসমীয়া-ইংৰাজী অভিধান প্ৰণয়ন কৰোতা ডাক্তৰ মাইলছ ব্ৰঞ্চনে "অসমীয়া ভাষা ব্ৰহ্মপুত্ৰৰ গতিৰ দৰে অবাধে চলি থাকিব, ইয়াক বাধা দিবলৈ কাৰ সাধ্য ?" এই মৰ্মে কৈ বুৰ্চিছ বিষয়াবিলাকৰ চলিহাই-ধৰা-চকুত অঞ্জন সানিছিল। জেন্‌কিন্‌ছে অসমত বঙলা ভাষা চলাবলৈ হাতীপুঁৰ দি যত্ন কৰাতও মহানুভৱ পাদুৰীসকলৰ

যুক্তি-তৰ্কৰ গজাঙ্কুশে সেই খোপনি ওফোৰাই পঠিয়াইছিল। অসমীয়া ভাষা যিমান দিন ব্ৰহ্মপুত্ৰৰ সোঁতৰ দৰে বলি থাকিব সিমান দিন অসমীয়া জাতিয়ে "অৰুনোদই"ৰ কথা পাহৰিব নোৱাৰে আৰু সিমান দিনলৈকে আমেৰিকান বেপটিষ্ট মিশ্যনৰ অৰুণোদয়া পাদুৰীসকললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াই থাকিব।

নৱন্যাস যুগৰ সাৰথিসকল

দাঁত নসৰিলে যেনেকৈ দাঁতৰ মোল বুজিব নোৱাৰি, মাতৃভূমিৰ পৰা সৰি বিদেশত নপৰিলেও তেনেকৈ মাতৃভাষাৰ মোল বুজিব নোৱাৰি। ঊনৈশ শতিকাৰ শেহছোৱাত যি এমুঠি বিদ্যাৰ্থী ছাত্ৰই অসমৰ পৰা আঁতৰি গৈ বঙলাৰ মাজ-চোতাল কলিকতা চহৰত প্ৰবাস খাটিছিল সেইবিলাকে হে এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। তাৰে পৰিণতিত অসমীয়া ভাষা সাহিত্যৰ বুৰঞ্জীত এটি নতুন যুগৰ সৃষ্টি হ'ল; সেইটোকে বোলোহঁক নৱন্যাসৰ যুগ। যুগটিৰ প্ৰভাৱ ক্ৰমশঃ টুটি আহিছে যদিও, তাৰ সাৰথিসকলৰ আদৰ্শ-প্ৰেৰণা কেতিয়াও টুটিব নোৱাৰে।

তেতিয়া অসমীয়াৰ প্ৰতি কালচক্ৰৰ ভ্ৰূ এনে কুটিল আছিল যে অসমীয়া মাত মতাটোৱেই যেন জগৰৰ কথা। সেই গুণে, কলিকতা চহৰৰ ৰাজবাটত ফুৰোঁতেও ছাত্ৰমুঠিয়ে সসঙ্কোচে কথা-বতৰা পাতিব লগীয়া হৈছিল। কোনোবাই শুনিলে হাঁহিব—এই ভয়তে বাহিৰত মাতৃভাষাৰে কথা নেপাতি ইংৰাজীৰেই পাতিছিল। অসমীয়া হৈ দেখুৱালে য'তে-ত'তে চন্দুৱা পৰিব লাগে দেখি বিলাতী সাজপাৰ পিন্ধি বিলাতী দস্তুৰেৰেই চলকৰ কৰিছিল। মুঠৰ ওপৰতে ক'বলৈ গ'লে, ভাষা-সমন্ধি সকলোৱেই মই সৰু ভাব লৈ ফুৰিবলগীয়া হৈছিল।

অসমৰ পশ্চিম সীমাৰ বাহিৰত হে যে অসমীয়া ভাষাই চকুপানী টুকিবলগীয়া হৈছিল এনে নহয়, বঙলা কৰ্পতি লাগি থকাত আপোন দেশৰ বৰঘৰতো মাতৃভাষাৰ দুৰ্গতিত "হৰ্ষ-বিষাদ"ৰ খলক লাগিছিল। বাহিৰত এটা ভিতৰত এটা কথা ক'বলগীয়া হোৱাত আদালত-পঢ়াশালিত যে বেমেজালি লাগিছিলেই নে অঙ্কীয়া নাটতো সূত্ৰধাৰী ভাৱৰীয়াৰ বচনে পখৰা ৰূপ হৈছিল। সূত্ৰধাৰীয়ে গাব লাগিছিল---

"আহে সভাসদলোক, হামো যোহি কৃষ্ণৰ কথা কহছি, সেহি কৃষ্ণ ওহি সভামধ্যে মিলল, মিলল; তা দেখহ, শুনহ, নিৰন্তৰে হৰি" বুলি; কিন্তু গাইছিল---

"ওঁহে চভাচদবৰ্গ চুনহ, আমৰা যে কৃষ্ণকথা বলিয়াছিলাম; চে কৃষ্ণজী এ চভাৰ মধ্যে এখনি প্ৰবেশ কৰিবেন।"

মিটো গীত গাব লাগিছিল—

"দেখল জয় বিজয় দোহো দ্বাৰী
বিৰস্তে আসন্ত সিদ্ধ চাৰি" বুলি, সেইটো গোৱা হৈছিল ঃ—
"অ এ এ এ আছিল বিজয় চঙ্গে এক ভাই
জয় কৃষ্ণ চম ৰূপ এ এ এ"।
এনেকৈ "বাঙ্গালা, ইংৰাজী, হিন্দী
চবাকে গোটাই
মিক্সড (Mixed) কৰি
সাধুভাষা লিখে যি জনাই"

সেই জনাই আত্মবিস্মৃত শিক্ষিতৰ আগত সমাদৰ লাভ কৰিছিল।

কেউফালে মাতৃভাষাৰ এনে পানীত হাঁহ-নচৰা অৱস্থা দেখি বিদেশত পঢ়ি থকা ছাত্ৰমুঠিৰ অন্তৰত আত্মচৈতন্যৰ উদয় হ'ল। সিবিলাকৰ মনত খেলালে যে এইদৰে ভটীয়া নাৱত উঠি গৈ থাকিলে অসমীয়া ভাষাৰ স্বতন্ত্ৰতা, জাতীয় গৌৰৱ, জাতীয় সন্মান সকলোটি একেবাৰেই পতং পৰিব। ইমানতে নাও ঘূৰাই মাতৃভাষাৰ আত্ম-প্ৰতিষ্ঠা কৰিবই লাগিব। এই সঙ্কল্পকে লৈ, ছাত্ৰ কেইজনে স্থায়ী সভা পাতি এক গোট হ'বলৈ স্থিৰ কৰিলে আৰু ১৮৭২ চনতে গঙ্গাগোবিন্দ ফুকনে কলিকতাত যিখন "অসমীয়া ছাত্ৰৰ সাহিত্য-সভা" পাতি থৈ আহিছিল আৰু যিখনৰ সম্পাদক আৰু পুথি ভঁড়ালী দেৱীচৰণ বৰুৱা ১৮০৬ শকলৈকে (১৮৮৫ চন) আছিল আৰু যিখনৰ অৱস্থা তেতিয়া উঁৱলি গৈছিল, সেইখনৰে আহি লৈ তেওঁবিলাকে প্ৰায়ে বুধবাৰে-শনিবাৰে চচুৰীয়া টী-পাৰ্টি বা জলপনীয়া ভোজ একোটি পাতি নাইবা মেল এখনত বহি মাতৃভূমি-মাতৃভাষাৰ দুখ-দুৰ্গতিৰ বিষয়ে আলচ কৰিবলৈ ধৰিলে।

বুধবৰীয়া খনত সংস্কাৰমূলক বিষয়ৰ আলোচনা কৰা হৈছিল। সেই আলোচনাবিলাক মৌখিক আৰু খুহুটীয়া বিধৰ আছিল। অসমীয়া জাতিৰ পৰনিন্দা-পৰচৰ্চ্চা আদি কু-স্বভাৱ আৰু ভণ্ড চৰিত্ৰবোৰৰ ছবি একোটাও কেতিয়াবা ধেমেলীয়াভাৱে দাঙি ধৰা হৈছিল। সেই

দেখি কথাই-কামে মিলাই ভোজ বা টী-পাৰ্টিটোৰ নাম দিয়া হৈছিল— ফানি স্পীছ মিটিং (Funny speech meeting) বা ৰঙিয়াল বক্তৃতাৰ চ'ৰা। ইংৰাজীৰে সকলোকে বক্তৃতা দিব পৰা কৰাটোও আছিল এই চ'ৰাৰ এটা উদ্দেশ্য। প্ৰকাৰান্তৰে বুধবৰীয়া মেলখন ইংৰাজী বক্তৃতাৰ আখৰা চ'ৰা বুলিব পাৰি।

শনিবৰীয়াখনৰ আলোচ্য বিষয় আছিল অসমীয়া ভাষা। অসমীয়া ভাষাৰ উন্নতি বিধায়ক বিবিধ বিষয়াৰ ৰচনা কৱিতা, প্ৰবন্ধ লেখি ইয়াত পাঠ কৰা হৈছিল। প্ৰকৃত পক্ষে, শনিবৰীয়া টী-পাৰ্টিটো এখন সৰুসুৰা সাহিত্য-সভাই আছিল। এই 'পাৰ্টিতে' এদিন স্থিৰ কৰা হ'ল যে পুৰণি মৰা নাম 'অসমীয়া ছাত্ৰৰ সাহিত্য-সভা' নামটো আৰু নকৈ চাবৰ দৰ্কাৰ নাই, নতুন যুগোপযোগী নাম এটা দি ইয়াতে 'নবীন খুটা'হে লগাব লাগে। এনেকুৱা এটা সিদ্ধান্তকে কৰি ১৮১০ শকৰ শ্ৰীকৃষ্ণৰ জন্মাষ্টমী তিথিৰ দিনা সেই জলপনীয়া ভোজৰূপী মেলখনৰ 'জন্মোৎসৱ' আৰু নামকৰণ-উৎসৱ পাতি সভাৰ নাম দিয়া হ'ল "কলিকতা অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" বা ঠাৰে-চিঞাৰে 'কলিকতাৰ অ, ভা, উ, সা, সভা'। সভাৰ পোনপ্ৰথম সম্পাদক পতা হ'ল পুৰণি-চাম ছাত্ৰৰ শিৱৰাম শৰ্মা বৰদলৈক, তাৰ পিছত তেখেতৰ ঠাইত 'বহুগুণী' কমল চন্দ্ৰ শৰ্মা মনোনীত হ'ল। তেওঁ ১৮১১ শকৰ ২৮ শাওণৰ পৰা অতি উৎসাহ আৰু যতনেৰে কাৰ্য্য কৰি সেই শকৰ ২৩ মাঘৰ দিনা সভাক কন্দুৱাই এই সংসাৰৰপৰা একেবাৰেই বিদায় ল'লে। তেওঁৰ অসীম উদ্যোগ, পৰিশ্ৰম আৰু সভাৰ মঙ্গল কামনা, 'অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা'ই কেতিয়াও পাহৰিব নোৱাৰে।[১] কমল শৰ্মা ঢুকোৱাৰ পাচত ১৮১২ শকৰ ১০ ভাদলৈকে সভাৰ কাম বৰ ঢিলা-সোলোকা হৈ চলি আছিল। এনেতে ৰমাকান্ত বৰকাকতীয়ে আপোনাআপুনি মূৰপাতি সেই বাবটো লৈ অলপ দিন সভাখন চলালে।*

"১৮১২ শকৰ ১০ ভাদ তাৰিখে 'ঘাইসভা' ২ নং ভৱানীচৰণ দত্ত লেনত থকা ঘৰত বহি, তাতে লক্ষ্মীনাথ বেজবৰুৱা বি-এ সম্পাদক

---

১ কমল শৰ্মাই সুৰেন্দ্ৰ বানাৰ্জীৰ দৰে ইংৰাজীৰে বক্তৃতা দি সকলোকে স্তম্ভিত কৰিছিল।

* অঃ ভাঃ উঃ সাঃ সভাৰ কাৰ্য্য বিৱৰণী।

আৰু হেমচন্দ্র গোস্বামীক সহকাৰী সম্পাদক পাতি সভাৰ কাৰ্য্যত সুশৃঙ্খলা লগাবৰ দিহা কৰে।[৮] ইয়াৰ পাচত ক্রমান্বয়ে কৃষ্ণপ্রসাদ গুপ্ত (আগৰৱালা), ৰমাকান্ত বৰকাকতী, কনকলাল বৰুৱা, ৰাধানাথ ফুকন, লক্ষেশ্বৰ শৰ্মা, চন্দ্রধৰ বৰুৱা (নগাঁৱৰ), দেৱেশ্বৰ চলিহা, যোগেন্দ্রনাথ বৰুৱা (গুৱাহাটীৰ), জগৎচন্দ্র গোস্বামী এই সকলৰ ক্রমে কোনোজন সম্পাদক, কোনোজন সহকাৰী সম্পাদক হৈ কলিকতাৰ অঃ ভাঃ উঃ সাঃ সভাখন প্রায় বাৰ বছৰ পূর্ণ উদ্যমেৰে চলাই আছিল।

তেতিয়ালৈকে, আমাৰ বিয়া-নাম, আই-নাম আদি অসমীয়া লখিমী তিৰুতাসকলৰ নাম-গুণবিলাক ঘৰে-ঘৰে গোৱা হৈছিল হয়, কিন্তু, হাৰ্মনিয়ম আদি বাদ্যযন্ত্রৰ সুৰৰ লগত মিলাই গোৱা নহৈছিল---আন কি, সেইদৰে গাবপৰাটো অসম্ভৱ বুলিয়েই বহুতৰ ধাৰণা আছিল। ২২ বছৰৰ মূৰত সঙ্গীতাচাৰ্য্য ডাঃ ৰাধিকাৰাম টেঁকীয়াল ফুকন ইউৰোপৰপৰা যেতিয়া ঘূৰি আহে তেতিয়াই অঃ ভাঃ উঃ সাঃ সভাই ধৰি তেওঁৰ হতুৱাই "আগফাল শুৱনি

কাকিনি তামোল ঐ

পাচফাল শুৱনি পাণ।"

এই বিয়া নামটো বেহেলাৰ সুৰত গোওৱায়। 'পতিত পাৱন হৰি, পতিত পাৱন'---এই গীতটোও তেৱেঁই গায়। অঃ ভাঃ উঃ সাঃ সভায়েই আমাৰ গীত-মাতৰ মানদণ্ডও ওপৰলৈ তুলিলে।

বৰগীতৰ সুৰ-চানেকিও তেতিয়ালৈকে আমাৰ অপৰিচিত আছিল। অঃ ভাঃ উঃ সাঃৰ যত্নতেই 'সোই সোই ঠাকুৰ সোই যো হৰি পৰকাশা' আৰু 'জয় জয় জয় জন তাৰণ কাৰণ নাৰায়ণ পৰ দেৱং' গীতৰো স্বৰলিপি সঙ্কেত প্রথম প্রকাশিত হয়। সেই বুধবৰীয়া 'ফানি স্পীছ মিটিঙতেই' কৃপাবৰ বৰবৰুৱাৰ প্রথম আবির্ভাৱ। বৰবৰুৱা যে লক্ষ্মীনাথ বেজবৰুৱাৰ মানস ছাঁ বা কল্পিত চৰিত্র, তাক নজনা কোনো নাই। বেজবৰুৱাহঁত যিটো মেছত আছিল, সেই মেছৰে কোনোবা এটা খোঁটালিত এজন ছাত্র আছিল---যি জনৰ চলন-ফুৰণ, কথা-বাৰ্তা, খাৱন-পিন্ধন ইবিলাক মেছনিবাসী বন্ধুৰ লগত একেবাৰে নিমিলিছিল। তেওঁৰ টিকনি আছিল, পেটটোও হোৰোসা; মৰত

---

[৮] অঃ ভাঃ উঃ সাঃ সভাৰ কাৰ্য্য-বিৱৰণী।

সততে 'বাবুকেপ' পিন্ধিছিল, আবেলি ফুৰিবলৈ গ'লে লগত কাকো নিনিয়ে বা কাৰো লগত নাযায়ও, মেছৰ ভিতৰতো ইংৰাজীৰেই কথা-বতৰা চলে। "বাবু কেপ"টো হে মূৰত, এহেলে পিন্ধন-উৰণটো তেনেই ইংৰাজী। ইবোৰৰ দৰেই উৰীয়া ৰান্ধনিয়ে ৰান্ধি-বাঢ়ি দিয়া ভোজ্য দ্ৰব্যৰেই তেওঁ খাৱন কাৰ্য্যটো সমাধা কৰে কিন্তু সন্ধিয়া লগাৰ পিছত দেখিব সকলোৰে চকুত ধূলি মাৰি তেওঁ গ্ৰেট ইষ্টাৰ্ণ বা ব্ৰিষ্টল হোটেলত পান-ভোজন দুয়োফেৰি কৰ্ম নিশ্চিন্ত মনে সম্পাদন কৰিব লাগিছে। লোকৰ শ্ৰী সহিব নোৱৰাটোও তেওঁৰ এটা পৈতৃক গুণ। তেওঁৰ নামৰ অ্যাদ্যাক্ষৰটো আছিল 'ক' বৰ্গৰ প্ৰথম বৰ্ণ, সেই বৰ্ণটোৰ তলতে কাৰ ডাল লগাই কৃ ৰূপে সজাই পুৰানাম কৃপাবৰ বৰবৰুৱা কৰি পূৰ্বোক্ত বহুৰূপী মেছবাসীজনৰ হুবহু ছবি এখন আঁকি তেওঁৰ খোটালীটোৰ দুৱাৰতে কোনোবাই আঁৰি থৈ গ'ল। ফুৰিচাকি আহি গধূলি তেওঁ খোঁটালীৰ দুৱাৰ মেলিব খোজোঁতেই চায়, এইখন দেখোন তেওঁৰেই ছবি (ফটʼগ্ৰাফ)—কোনোবা অঘাইটঙে তেওঁক উপলুঙা কৰিবলৈকে তাত আঁৰি থৈ গৈছে। বহুপৰ ভাবি-চিন্তি ঠিক কৰিলেগৈ এইবোৰ লক্ষ্মীৰ হে কাম। এই বুলি তেওঁ লক্ষ্মীনাথ বেজবৰুৱাৰ ওপৰত মাধমাৰ শোধাবলৈ চোঁচা ললেই। বেজবৰুৱাৰ পোনে বৃহস্পতি পোন আছিল দেখি হে জানিবা সেই চোঁচা চোঁচাতেই থাকিল। পাচে সেই ছবি অঁকা অঘাইটংজন যে লক্ষ্মীনাথ বেজবৰুৱায়েই, সেইকথা ৰঙ্গিয়াল চ'ৰাত এদিন ওলাই পৰিল। তাৰপৰা 'কৃপাবৰ' নামৰ উহ কৃ আদ্যাক্ষৰী মেছবাসীজনৰ বেজবৰুৱাৰে সৈতে 'তোকাপানী' বন্ধ হৈ গ'ল, অৰ্থাৎ মাত-বোল নোহোৱা হ'ল।

এই দুই বন্ধুৰ পিঠিয়াপিঠিৰ পৰা আন হওক-নহওক, কৃপাবৰ বৰবৰুৱাৰ নামত টেটকুটীয়া সাহিত্যৰ ৰহঘৰা এটা নিৰ্মাণ হ'ল।

অ, ভা, উ, সা, সভা জন্ম হোৱাৰ লগে লগেই তাৰ শনিবৰীয়া অধিবেশনত পাঠ কৰা ৰচনা-কৱিতাবিলাক ছপাই উলিয়াবলৈ স্থিৰ কৰা হ'ল। কিন্তু ছপোৱা হয় ক'ত? যিবা এখন 'আসাম বন্ধু' আছে তাৰো আজি-মৰোঁ-কালি-মৰোঁ অৱস্থা। গতিকেই, সভাৰ ৰবীয়াকৈ নিজা কাকত এখন প্ৰকাশ কৰিবৰ আৱশ্যক হ'ল। ভাদৰ জন্মাষ্টমীৰপৰা মাঘৰ বিহুৰ ওচৰ পাওঁ-পাওঁ হ'লহি, তথাপি কাকত

উলিয়াব পৰা নহ'ল। এনেতে চন্দ্ৰকুমাৰ আগৰৱালাই এক্কাৰত জাঁপ দি, দিলে উলিয়াই 'জোনাকী' কাকত। তেৱেঁই সম্পাদকো হ'ল, চলাওঁতা হ'ল, খৰচ বহনৰ সম্পূৰ্ণ ভাৰ লওঁতাও হ'ল। কিন্তু এটা সৰ্ত ৰাখি হে তেওঁ এই দায়িত্বভাৰ গ্ৰহণ কৰিছিল। সেইটো হৈছে অ, ভা, উ, সা, ৰ সভ্য মাত্ৰেই জোনাকী'ক আল ধৰিব লাগিব আৰু 'জোনাকী'লৈ একোটা প্ৰবন্ধ লেখিব লাগিব। এই দুটা সৰ্তৰ এটাও যদি কোনোবাই ভঙ্গ কৰে বা পালন নকৰে তেন্তে তেওঁক সভাই ১৫ টকা জৰিমনা কৰিব লাগিব। এনে কোঢ়া মুঠিয়াকৈ ধৰা বাবে অসমীয়া ভাষাত হাত-নহা কেবাজনো অ-সাহিত্যিকো বহুবছৰিয়েকৰ মূৰত ভালেমান বিষয়তে হাত-অহা পৈণত সাহিত্যিক হৈ উঠিল। চমুকৈ ক'বলৈ হ'লে 'জোনাকী' কাকতখনকে অ, ভা, উ, সা, ৰ সাৰথিসকলে চক্ৰবেহু পাতি তাৰে আলম লৈ শৰাইঘটীয়া বিক্ৰমেৰে যুঁজি অসমীয়া ভাষাৰ বুৰঞ্জীত হাতীপটি হেন নতুন যুগ এটি সৃষ্টি কৰি পেলালে। সেইটিয়েই হ'ল নৱঅভ্যুত্থানৰ যুগ বা নৱন্যাস যুগ।

সেই হাতীপটিত এইবিলাক ভাষা-সূত্ৰৰ তথ্য এতিয়াও জিকমিকাই আছে :—

(১) যি ভাষায়েই নহওক, তাৰ স্বকীয়া বৈশিষ্ট্য প্ৰতিপন্ন হয় তাৰ প্ৰকাশভঙ্গী, ঐতিহ্য আৰু উপায়নৰদ্বাৰাই।

(২) মাতৃ ভাষাটো বাদ দিলে জন্মভূমিৰ লগত সম্পৰ্ক ছেদ হয়। "মাতৃভাষা জাতীয় উন্নতিৰ সিংহ দুৱাৰ।"

(৩) দন্তবিহীনৰ হাঁহি যেনেকুৱা, বৰ্ণবিন্যাসৰ আউল লগা ৰচনাও তেনেকুৱা। অকণমান অঙ্গক্ষতেই শাৰীৰিক সৌন্দৰ্য্য কুৎসিৎ কৰাৰ দৰেই অশুদ্ধ আখৰ-জোঁটনিয়েও তেনেকৈ ভাষাৰ অৰ্থ-মাধুৰ্য্য নষ্ট কৰে।

(৪) "ভাষাৰ উকা কথা এমুঠি, ভাব-চিন্তাৰ ৰস, অলঙ্কাৰ নিৰাময়বই মুঠি"। ভিতৰত চকুৱাৰ বেৰ, বাহিৰত বৰ চুৰিয়াৰ ফেৰ মাৰি ফুৰাটো ভদ্ৰতাৰ চিন যেনেকৈ, ৰজিতাখোৱা উপমা-অলঙ্কাৰেৰে সজাই-পৰাই লেখা ৰচনাৱলীও চিত্তবিনোদী তেনেকৈ।

(৫) ৰসমিশ্ৰিত শুদ্ধ ভাষাৰ ভেঁটিত হে সাহিত্যৰ চিৰন্তন সৌধ নিৰ্মাণ কৰিব পাৰি।

(৬) বিশ্বজনীন ভাৱৰ গ্ৰহণশীলতাৰদ্বাৰাই ঐতিহ্যপূৰ্ণ জাতীয় চৰিত্ৰ বিকশিত আৰু সম্প্ৰসাৰিত হ'লেহে সাহিত্য যুগমীয়া, সৰ্বজন-প্ৰিয় আৰু সমৃদ্ধিশালী হয়।

'জোনাকী' ওলোৱাৰ ২॥ বছৰমানৰ মূৰলৈকে অ, ভা, উ, সা সভাৰ সভ্যসকলেই একেমুঠীয়া হৈ 'জোনাকী'তে মাতৃভাষাৰ মৌচাক, বান্ধি আছিল, এনেতে, অলপীয়া কথা এটাত লাগিয়েই মুঠিটোত ফাট এটা মেলিলে আৰু তাৰে এটা ফাট ছিগি আঁতৰি গ'ল। ছিগি যোৱা দলটোৱে "আচামিজ লিটাৰেৰী ক্লব" নাম দি নতুন সভা এখন গঠন কৰিলেগৈ আৰু 'জোনাকী'ক কুটা-ছিঙা দি এৰি "বিজুলী" নামে নতুন কাকত এখন উলিয়ালে।

'বিজুলী'খন জন্ম হোৱাৰ কাৰণটো কলিকতাৰ অ, ভা, উ, সা, সভাৰ বুৰঞ্জীত এটি কৌতূহলোদ্দীপক ঘটনা। এইবাবে সেই বিষয়ে এইখিনিতে চিনমাত্ৰ উল্লেখ কৰা হ'ল।

সেই যে বুধবাৰে-বুধবাৰে ৰঙিয়াল বক্তৃতাৰ সভা বহিছিল, তাতে এদিন নকৰিবলগীয়া প্ৰস্তাৱ এটি উত্থাপন কৰা হ'ল। তেতিয়া সৰহভাগ ছাত্ৰই ঠায়ে ঠায়ে মেছ পাতি আছিল। কোনো আছিল আমহাৰ্ষ্ট ষ্ট্ৰীটত, কোনো আছিল সীতাৰাম ঘোষ ষ্ট্ৰীটত, কোনো আছিল মীৰ্জাপুৰ ষ্ট্ৰীটত, কোনো ভবানীচৰণ দত্তৰ লেনত, কোনো আকৌ ১৪ নং প্ৰতাপচন্দ্ৰ চ্যাটাৰ্জী লেনত।

চ্যাটাৰ্জী লেনত থকা দুজন ছাত্ৰই বিহু দৃশ্য দেখুৱাই "ডেকা-গাভৰু" নাম দি ধেমেলীয়া নাটিকা এডুখৰি ছপাই উলিয়ায় আৰু 'জোনাকী'ত তাৰ জাননীও দিয়ে। সেই কিতাপৰে কোনোবাই কৰা সমালোচনা এটিও 'জোনাকী'ত ওলায়। সমালোচকে লেখিছিল---"কলিকতাত থকা জনদিয়েক 'শিক্ষিত' অসমীয়াই এনে এটা অশ্লীল আৰু বিহুনামেৰে পৰিপূৰ্ণ কিতাপ অলপো সঙ্কোচ নকৰাকৈ প্ৰকাশ কৰিবলৈ সাহ কৰিলে! * * * তেওঁবিলাকৰ পৰিমাজিত ৰুচিৰ পাৱত আমাৰ সহস্ৰ প্ৰণাম * * *।"

সমালোচনাৰ তলত 'জোনাকী'ৰ সম্পাদকে এটি পাদটীকা দি ক'লে, "ভাত চৰুৰ এটা পিটিকি চোৱা আহি খটাই লেখকে যেন কলিকতীয়া গোটেইবিলাক অসমীয়া ডেকাৰ সম্পৰ্কে এটা মোটামুটি মত গঢ়ি নলয়, এই আশা। 'জোনাকী'ত জাননী ওলোৱা বাবে আমাৰ সৈতে কিবা সম্বন্ধ আছে বুলি যেন কোনেও নাভাবে।"

সমালোচনাটো প্ৰকাশ কৰিও আওপাকে তাৰ দাগ-দোম গাত নোলোৱা বাবে “ডেকা গাভৰু”ৰ লেখক দলৰ মনত 'জোনাকী' আৰু সম্পাদকলৈ বৰ কৃমাৰি ভাৱ উপজিল।

ইয়াৰ অলপ দিনৰ পাচতে ৰঙিয়াল চ'ৰাৰ বৈঠক এটি বহিছিল। তাতে সভ্যসকলৰ মাজত এটি কিলিখা লাগিল—

কলিকতা মেডিকেল কলেজৰ আগত 'পাণৱালী'য়ে “পাণ” (খিলি-পাণ) বেচে। সেই পাণৱালীক, তাইৰ ওচৰতে থকা কোনোবা দুৰ্বৃত্তই প্ৰায়ে অসৎ আচৰণ কৰি থাকে।

এইটো কথাকে গইনা লৈ 'জোনাকী'ত ওলোৱা সেই 'সমালোচনা'ৰ সমৰ্থক দলৰ এজনে 'অলপ ৰসিকতা কৰোঁ বুলি' টেটকুটীয়া গোচৰ এটি তৰিলে। সেইদিনা চ'ৰাখনৰ সভাপতি আছিল 'আসাম-বন্ধু'ৰ সম্পাদক ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱা। যথা নিয়মে সভাৰ কাৰ্য্য আৰম্ভ হোৱাৰ পিচত, গুচৰীয়াজনে বৰ ভদ্ৰভাৱে গোচৰটো দাখিল কৰি ইংৰাজীৰে এনেকুৱাকৈয়ে আৰম্ভ কৰিলে—“মোৰ মোক্‌কেল পাণৱালী এজনীৰ হৈ মই এই দৰ্খাস্ত পেচ কৰিছোঁ। মোৰ মোক্‌কেলে মেডিকেল কলেজৰ আগত 'পাণ' বেচে। এদিন তাই 'পাণ' বেচি আছে, এনেতে ওচৰৰ এজন ভদ্ৰলোকৰ ল'ৰা চলং পলংকৈ আহি তাইৰ গাতে হামখুৰি খাই পৰিলহি। অভিপ্ৰায় সদেই আছিলনে বদেই আছিল, ক'ব নোৱাৰি, কিন্তু পৰিছিল। মোৰ মোক্‌কেলে গালি-শপনি পাৰি কিবাকিবি ক'লত, ডেকা ল'ৰাজনে তাইক চৰিয়াই-ভুকুৱাই নগুৰ-নাগতি কৰিলে। এই অসৎ আচৰণদ্বাৰাই আলিৰ দাঁতিত পাণবেচোঁতা মোৰ ৰচকী মোক্‌কেল আইদেউ গৰাকীৰ চৰিত্ৰত কলঙ্ক সনা হৈছে ; তাইৰ মান হানি হৈছে, সমাজত হেয় হৈছে আৰু আৰ্থিক-মানসিক কেউপ্ৰকাৰে তাই ক্ষতিগ্ৰস্তা হৈছে। এতিয়া তাৰে ন্যায় বিচাৰৰ নিমিত্তে এই আদালতৰ আশ্ৰয় লোৱা হৈছে। আদালতে বিহিত বিচাৰ কৰি দোষীক দণ্ড দিব লাগে আৰু মোৰ মোক্‌কেলৰ নিচিনা 'সৎ-চৰিত্ৰা' 'পাণৱালী'ক শান্তিৰে বসবাস কৰিবলৈ তুৰন্তে যথোচিত প্ৰতিষেধক ব্যৱস্থা কৰিব লাগে।”

গোচৰৰ কাৰণটো বৰ্ণাই শেষ কৰিবলৈ পাওঁতে-নৌপাওঁতেই “গোসাই ঘৰত কোন, কল খোৱা নাই” বোলাৰ দৰে ১৪ নং প্ৰতাপচন্দ্ৰ লেনবাসী এজন জিকজিকাই উঠিল, বোলে “যিহেতুকে দৰ্খাস্তকাৰিণী

এজনী সামান্য ‘পাণবেচা’ তিৰুতা, ভদ্ৰলোকৰ ওপৰত মানহানিৰ মোকৰ্দমা কৰিবলৈ তাইৰ একো অধিকাৰ নাই। ‘পাণৱালী’জনী দুশ্চৰিত্ৰা বুলি সকলোৱে জানে। হাকিমে তেনে মানুহৰ দৰ্খাস্ত গ্ৰহণ কৰা কেতিয়াও উচিত নহয়। যদি হে গ্ৰহণ কৰে তেন্তে দণ্ডবিধি আইনখনকে অপমান কৰা হ'ব। এতেকে পাণৱালীৰ দৰ্খাস্ত অগ্ৰহণীয়।”

তেনেতে শুচৰীয়ানী পক্ষৰ উকীলে আপত্তি তুলিলে বোলে, “বিচাৰৰ নিমিত্তে দৰ্খাস্ত গ্ৰহণ কৰিবই লাগিব। পাণৱালীজনী সামান্য মানুহ সঁচা। তাই দুশ্চৰিত্ৰা বুলি পলাগোপা কৰা হয় সিও সঁচা। তাইৰ নিচিনা মানুহৰ দৰ্খাস্ত লোৱাটো অশোভনীয় বুলি আইনজ্ঞসকলৰ বহুতেই অৱশ্যে মত দিছে। কিন্তু “প্ৰতাপ চ্যাটাৰ্জী” বুলি মেডিকেল কলেজৰ সমুখত এজন সুবিজ্ঞ জজ থাকে। তেওঁ আইনৰ খুঁত খাতবোৰ সংশোধন কৰি বহুত উপবিধি ৰচনা কৰিছে আৰু সেইবোৰ সদৌ ভাৰতত গৃহীত হৈছে। সেই উপবিধিৰ ১৪ নম্বৰী ছেদটোৱে কয় যে সামান্য মানুহ হ'লেও খিলিপাণ বেচা ‘পাণৱালী’ হ'লেও, ভদ্ৰলোকৰ ওপৰত মোকদ্দমা কৰিবলৈ তাইৰ সম্পূৰ্ণ অধিকাৰ আছে— যদি ভদ্ৰলোকজনে ফটিকাৰ ‘গোলাপী নিছা’ত টলংভটং কৰি সেই ‘পাণৱালী’ৰ গাত পৰেগৈ। এই উপবিধি বা অনুশাসন কেতিয়াও উলংঘা কৰিব নোৱাৰি। কৰিব লাগিলে সমাজ, সমাজ শুচি বিহুতলী হ'ব। বাস্তৱিক পক্ষে প্ৰতিবাদীৰ যুক্ত তৰ্কটো এই উপবিধিয়েই খণ্ডন কৰিছে। গতিকে গোচৰ সম্পূৰ্ণভাৱে গ্ৰহণীয়।”

উকীলৰ তৰ্ক শুনি ১৪ নং প্ৰতাপচন্দ্ৰ চ্যাটাৰ্জী লেনত থকা ছাত্ৰ দুজনমানৰ গা বাজি গ'লগৈ। আৰু ‘আমাকে থেঁতলিবলৈহে এইখন ভেকোভাৱনা পতা হৈছে’ বুলি উচাট্ মাৰি সভাৰপৰা ওলাই গ'ল। সেই দিনাৰপৰাই আৰু ৰঙিয়াল বক্তৃতাৰ সামৰণি পৰিল। বক্তৃতা হে নালাগে বুধবৰীয়া জলপানৰো ভিকাচন ভাগিল।

“ডেকা-গাভৰু”ৰ সমালোচনাই প্ৰতাপ চ্যাটাৰ্জী লেনৰ মেছত থকা লেখক দুজনক যি অপমান দি থৈছিল, সেই অপমানৰ জুইত এতিয়া অ. ভা. উ. সা. সভাৰ ‘পাণৱালী-মোকৰ্দমাই’ ঘিঁউ ঢালি দিলে। আৰু তাৰে আক্ৰোশ পুৰাবলৈ সেই মেছনিবাসীসকলে অ. ভা. উ. সা. সভাৰ লগত ফেৰ মাৰি আচামীজ লিটাৰেৰী ক্লব’

খুলিলে (অসমীয়া সাহিত্য সভা) আৰু ১৮৯৩ শকত নীলকণ্ঠ বৰুৱা, পাচত পদ্মনাথ বৰুৱা-কৃষ্ণপ্ৰসাদ দুৱৰাৰ সম্পাদনাত 'বিজুলী' কাকত ওলাই গ'ল।

'জোনাকী'য়ে গুণাভিৰাম বৰুৱাৰ আখৰ-জোঁটনি সমৰ্থন কৰা নাছিল, 'বিজুলী'য়েও নকৰিছিল। তথাপি 'বিজুলী'য়ে বৰুৱাৰ সহযোগ টানি আনিছিল। গুণাভিৰামে 'জোনাকী'লৈ 'সৌমাৰ ভ্ৰমণ' আৰু 'আসাম যাত্ৰা' বুলি দুটা প্ৰবন্ধ লেখিছিল। প্ৰবন্ধ দুটাৰ এছোৱা-এছোৱা ওলাল। বাকী কিছোৱা 'জোনাকী'য়ে বিচাৰি নাপালে। 'বিজুলীয়ে' উদ্ধাৰ কৰি ছোৱাদিয়েক প্ৰকাশ কৰিলে। গুণাভিৰামক 'জোনাকী'ৰ প্ৰতি বাম কৰিবপৰা বাবে 'বিজুলী'ৰ অপাৰ আনন্দ।

সেইবুলি, 'বিজুলী' তিনি বছৰ মানতকৈ সৰহ দিন জীয়াই থাকিবলৈ নাপালে; কলিকতাৰপৰা অন্তৰ্দ্ধান হ'বলগীয়া হ'ল। শেষ অৱস্থাত দুৰ্গাধৰ বৰকটকী তাৰ প্ৰকাশক আছিল। চাওঁতা-চলাওঁতাৰ অভাৱত 'জোনাকী'-খন যেনেকৈ কলিকতাৰপৰা উঠি আহি তাৰ সম্পাদনাৰ ভাৰ গুৱাহাটীৰ সত্যনাথ বৰাৰ হাতত পৰিলহি, "বিজুলী'খনো সেইদৰে তাৰপৰা ঠাই সলাই ছিলং পৰ্ব্বতত লক্ষ্মীনাথ শৰ্মা এম, এৰ আশ্ৰয় ললেহি। আতে অলপ দিন থাকি 'বিজুলী'য়ে আৰু একেবাৰেই বিজুলীয়াবলৈ এৰি দিলে। কেইবছৰমান থাকি 'জোনাকী'ৰ পোহৰো নাইকীয়া হ'ল।

অ, ভা, উ, সা, সভাৰ প্ৰহসনীয় ভাৱনাত নৱযুগৰ সূচনা কৰোঁতা সুসাহিত্যিকসকলৰ মাজত যিটো ফাট মেলিলে, সেইটো দেখাত পোনেই বেয়া যেন লাগিলেও, পৰিশেষত সিয়েই কালিন্দ্ৰী ভোমোৰাই উলিওৱা বেণুবনৰ বিন্ধা যেনেই হ'লগৈ। 'জোনাকী' আৰু 'বিজুলী'য়ে অবিয়াঅবিকৈ ফুঁক দিয়াত সেই বিন্ধাৰপৰা নৱ-জাগৰণৰ ধ্বনি নিনাদিত হ'বলৈ ধৰিলে।

বিনন্দবিন্যাস সৃষ্টিৰ মূলতে তিনিমূৰ্ত্তি থকাৰ দৰেই 'জোনাকী'ৰ মূলতো আছিল তিনি মূৰ্ত্তি যথা :—চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী।

চন্দ্ৰকুমাৰ আছিল নিখুঁত-নিভাঁজ কবি। সেই কালত কবি বুলিলেই সৰ্বসাধাৰে বুজিছিল, তেওঁ যেন নিৰন্তৰ আকাশৰ মজিয়াতে ভ্ৰমি ফুৰে, প্ৰকৃতিৰ যৌৱনাঁহ চুহি ফুৰাতেই যেন তেওঁৰ দিন-ৰাতি

পাৰ হৈ যায় আৰু যেন সংসাৰৰ জেওা জঞ্জালত নোসোমাই অকল সৌন্দৰ্য্যকে তেওঁ উপাসনা কৰি থাকে। কিন্তু কি আচৰিত, চন্দ্ৰকুমাৰ কবি আছিল যদিও, তেওঁ যোল অনা ব্যৱসায়ীও। সাধাৰণতে ব্যৱসায়ী বুদ্ধি আৰু কবি-প্ৰতিভা তেলপানীৰ দৰে অমিল হৈয়েই থাকে, কিন্তু চন্দ্ৰকুমাৰ আগৰৱালাৰ গাত এই দুয়োটা গুণ সমানে মিলি আছিল। "ধাৰে খোৱা" অসমীয়া গ্ৰাহকৰ "অনুগ্ৰহ"ত তিষ্ঠি থাকিব নোৱাৰে বুলি জানিও তেওঁ মৰসাহ দি 'জোনাকী' উলিয়াইছিল আৰু পৰৱৰ্তী জীৱনতো কাকত এখন আজীৱন কাল চলাই যাব পাৰিছিল।

অ, ভা, উ, সা, সভা আৰু 'জোনাকী'ৰ কেউপিনে আগ-পাচ চাওঁতা ঘাই গুৰিয়াল আছিল লক্ষ্মীনাথ বেজবৰুৱা। ১ম সংখ্যা 'জোনাকী'ত এওঁৰ 'লিটিকাই' নাটৰ এছোৱা ওলায়। ১৮৯৪ চনৰ জানুৱাৰী মাহৰ প্ৰথম দিনা অ, ভা, উ, সা, সভাৰ যিখন নিয়মীয়া অধিবেশন বহে তাতে বেজবৰুৱাই 'অসমীয়া ভাষা' সম্বন্ধে প্ৰথম বক্তৃতা আৰম্ভ কৰে। সেই বক্তৃতা ইমান দীঘল আছিল যে বাৰটা অধিবেশনতো শেষ কৰিব পৰা নহ'ল। যি অৱশেষ থাকিল তাৰ দুটা বক্তৃতা মথুৰা-মোহন বৰুৱা—সম্পাদিত 'আসাম-বন্তি' আৰু তেওঁৰে সম্পাদিত 'এডভকেত্ অব্ আসাম'ত প্ৰকাশিত হ'ল। এইকিটা বক্তৃতাত যিখিনি এৰা পৰি গৈছিল তাকো আকৌ পিচত সময়োপযোগী কৰি বেজ-বৰুৱাৰ নিজা 'বাঁহী'ত 'থাপি-সাঞ্চি' থোৱা হ'ল। অ, ভা, উ, সা, সভাই তেতিয়া অসম দেশ আৰু অসমীয়া ভাষা সাহিত্যৰ তুংখাং বা বিজয় ডঙ্কা বজাই সাত শতুৰুক শুনাবলৈ ওলাইছে; দাৰ্শনিক, বৈজ্ঞা-নিক, ঐতিহাসিক আৰু ভাষা-তত্ত্বৰ যুক্তি প্ৰমাণেৰে অসমীয়া ভাষা সুকীয়া বুলি প্ৰতিপন্ন কৰিবলৈ ওলাইছে; তাত যদি কেনেবাকৈ পিছল খাবলৈ হ'ল তেন্তে ইকুলো গ'ল, সিকুলো গ'ল; অসমীয়া বুলি নিজকো ঠাৱৰাব নোৱাৰিলে, আগলৈকো নিজৰ ঠাইখন হেৰুৱালে। এনে বুদ্ধি হেৰোৱা দিনত, চালেবেৰে কোবোৱা, কাণত নোসোমোৱা শব্দেৰে চেলেংপেতেং ভাবে কোৱা কথাবোৰ সকলোৱে গ্ৰহণ নকৰিবও পাৰে। এইগুণে, বক্তৃতাবিলাক দিয়াৰ আগেয়েই লিখি লোৱা হৈছিল। সময়ৰ শৰ মৰাত বেজবৰুৱা আছিল অদ্বিতীয়। 'ৰুপাবৰী সাহিত্য'ৰ জনক বেজবৰুৱা। বেজবৰুৱাৰ প্ৰত্যেক লেখাতে পোৱা যায়—

শব্দ-সম্পদেৰে অসমীয়া ভাষা কিমান চহকী তাক দেখুৱাবলৈকে যেন একোটা শব্দ বা যোজনা পটন্তৰৰ ভেঁটিতে প্ৰবন্ধ একোটিহঁতৰ বৰ-পোহাৰখন মেলি দিয়া হৈছে, এনে কৰিও।

হেমচন্দ্ৰ গোস্বামীও তেনেই লেহেৰা বিধৰ কৰি নাছিল। তেৰেঁা যে কৰি, 'ফুলৰ চাকি'য়েই তাৰ সাক্ষী। অসম বুৰঞ্জীৰ আঘাটো তেৰেঁই বাহিৰলৈ উলিয়ালে বুলি ক'লেও বঢ়াই কোৱা নহয়। অসমীয়া ভাষাটো যে স্বতন্ত্ৰ আৰু অতি পুৰণি তাক পদে-প্ৰমাণে দেখুৱাই থাকোঁতেই তেওঁৰ জীৱনৰ যৱনিকা পৰিল।

এই ত্ৰিমূৰ্তিৰ কাষত থকা পাৰিষদবৰ্গও বহি থকা নাছিল, তেওঁবিলাকেও এফালে গদা ঘূৰাই আছিল আৰু ইফালে মাতৃভাষাৰ থাপনালৈ শক্তি অনুসৰি আঁজলিয়ে আঁজলিয়ে অৰিহণাৰ পুষ্পাঞ্জলি পেলাই আছিল। কোনেও কাৰো মুখলৈ চাই থকা নাছিল। তাৰে কেইগৰাকীমানৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এলাহে-ভাগৰে অচেতন হৈ পৰি থকা অসমীয়া জাতিক পুৰণি গৌৰৱ সোঁৱৰাবলৈ কনকলাল বৰুৱাই আগ বঢ়ালে 'আমাৰ দেশৰ বুৰঞ্জী আৰু বিবিধ শিল্পোন্নতি বিষয়ক' প্ৰবন্ধ, স্বদেশপ্ৰেমৰ ফটিকা খুৱালে অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যই; আব্দুল মজিদে সংগ্ৰহ কৰিলে যোজোনা-পটন্তৰ, বেণুধৰ ৰাজখোৱাই তলে তলে নাট লিখিলে, অসমীয়া ভাষাৰ ওপৰত বিদেশী ভাষাবিদসকলৰ মতামত গোটাই ছপালে; আনন্দচন্দ্ৰ আগৰৱালাই ইংৰাজী কবিতাৰ গুৱলা ভাওনীৰে মান ধৰি নাম পালে 'ভাঙনী কোঁৱৰ'; দুৰ্গাপ্ৰসাদ দত্তই 'মহৰি', 'নিগ্ৰো', ধেমেলীয়া নাট, কবিতাৰ পুথি 'উজুপাঠ' আদি ৰচনা কৰিলে; পদ্মনাথ (গোহাঞি) বৰুৱাই, কবিতা-উপন্যাস, জীৱন-চৰিত আৰু নানা প্ৰকাৰৰ উপচাৰ ভেঁটিৰে; সত্যনাথ বৰাই গান, কবিতা, জতুৱা-ৰচনা আৰু হাঁহি ধেমালীৰ বহুবিধ মৌলিক সমল যুগুতাই দিলে; লম্বোদৰ বৰাই আখৰ-জোঁটনি আৰু সোণাৰাম চৌধুৰীয়ে বুৰঞ্জী তথ্যৰ সমালোচনা সম্ভাৰ যাঁচিলে। 'ওলাই দেখিবা ষাক, শম্ভু নাভাবিবা তাক'—এনে ওলায়েই দেখা পৰ্বতীয়া ওচৰচুবুৰীয়াবিলাকৰ কথা আগেয়ে আমি কোনেও জনা নাছিলো বা জানিবলৈ ইচ্ছাও নাছিল, কিন্তু প্ৰেমধৰ চলিহায়েই জয়ে জয়ে তেওঁবিলাকৰ আদি-বৃত্তান্ত আমাক জনাই

দিলে। আৰু কাৰো চকু নপৰাতে, সেইবিলাক এতিয়াও আপোনাৰ কামতে পৰি ভেঁকুৰা লাগি আছে।

যি চাম ছাত্ৰই নৱন্যাস যুগৰ আৰম্ভণি ধৰি আছিল সেই চাম ছাত্ৰয়েই শিক্ষা সাং কৰি ঘৰৰ ল'ৰা ঘৰলৈ উভতিল। অ, ভা, উ, সা, সভা আৰু 'জোনাকী'ৰ মাই খুঁটা ৰমাকান্ত বৰকাকতী আৰু লক্ষ্মীনাথ বেজবৰুৱা কলিকতাতে থাকিল। পাচৰ চাম ছাত্ৰই তেখেতসকলতেই অঁাউজিবলৈ ধৰিলে।

পুৰণি চাম ছাত্ৰ অসমলৈ গুচি অহাত, অ, ভা, উ, সা, সভাৰ কাৰ্য্য-কলাপ কলিকতাত যদিও অলপ শিথিল হৈ আহিছিল তথাপি কলি-কতীয়া উৎসাহ-উদ্দীপনাই অসমলৈ হনা লোৱাত অ, ভা, উ, সা, সভাৰ কাৰ্য্যকলাপ অসমত ব্যাপকভাৱে প্ৰচাৰ হ'বলৈ ধৰিলে। ঠায়ে ঠায়ে সেই সভাৰ ঠাল-ঠেঙুলি ৰোপণ কৰা হ'ল। কছিমাত কলে মোদৰ বৰা-পদ্মনাথ বৰুৱাই; তেজপুৰত ডালিম চন্দ্ৰ বৰা-তাৰিণীচৰণ ভট্টাচাৰ্য্যই, ডিব্ৰুগড়ত শিৱৰাম শৰ্মা-দীননাথ দত্তই, শিৱসাগৰত গুঞ্জানন বৰুৱা-উপেন্দ্ৰ শৰ্মাই, নগাঁৱত বজ্ৰধৰ বৰুৱা-চন্দ্ৰধৰ বৰুৱাই; ঘোড়াঘাটত ঘনশ্যাম বৰুৱা-কৃষ্ণপ্ৰসাদ দুৱৰা-জগৎচন্দ্ৰ গোস্বামীয়ে; বৰপেটাত লোহিত নায়কে; গুৱালপাৰত হৰিপ্ৰসাদ নাথ-প্ৰসন্ন ঘোষে; যোৰহাটত যজ্ঞোৰাম নেওগ-বিনন্দি চন্দ্ৰ কুকনে আৰু গুৱাহাটীত কলে সত্যনাথ বৰা আৰু কৃষ্ণচন্দ্ৰ চৌধাৰীয়ে। /

"আমাৰ সকলো আছিল, সকলো আছে"---এই কথাকে হাদিগত কৰি, এই সকলে বুজাই ফুৰিছিল। অকল সভা পাতি প্ৰস্তাৱ গ্ৰহণ কৰি, কাৰ্য্যবিৱৰণী লেখিয়েই যে ক্ষান্ত আছিল এনে নহয়, গা-মন, হাত-মুখ কেউটাকে একেলগে খটুৱাই আছিল অসমীয়া ভাষাৰ নতুন যুগ প্ৰৱৰ্তনত। বৰঘৰত লখিমী খুন্দ্ খাই আছে, লোকৰপৰা ধাৰ কৰি অনা পিঠা-গুৰিৰে কিয় বৰসবাহ পাতিম"—এইটোৱেই আছিল সিকলৰ অঁাকোৰগোজালিকৈ লাগি থকা মনৰ ভাব। এইফেৰা অহঙ্কাৰ বা গৌৰৱৰ অধিকাৰী হ'ব পৰা বাবেই এই আগৰণুৱাসকলে বিদেশী সাহিত্যৰ জীণ নিয়মৰ নোৰৰা শব্দৰাজিকো লনদন কৰি নিজৰ জাতত তুলি ল'ব পাৰিছিল, সাংসাৰিক জঞ্জালৰ এশ এবুৰি নাগপাশেত বান্ধ খাই থাকিও যাতত কাপ এৰা নাছিল; লেখিয়েই আছিল, লেখিয়েই আছিল; লেখিছিল বুলি আকৌ ধনৰ টোপোলা যাচিব বুলি নহয়---অসমীয়া জাতিটোৰ উন্নতি হওক বুলিহে।

"আগে মন্ত্ৰিমূৰ মই-সব ভাব, পাচে প্ৰতিষ্ঠা জাতীয়তা"—জাতীয় উন্নতিৰ সিংহদুৱাৰ মাতৃভাষাৰ নিমিত্তে এইটি মূল মন্ত্ৰকে বুকুত বান্ধি, কলিকতা-অসমীয়া-ভাষা-উন্নতি-সাধিনী সভাই পৰাধীনতাৰ নিকাৰ ভুঞ্জিও, যি যি উপায়েৰে অসমীয়া ভাষাত নতুন জীৱনী শক্তিৰ সঞ্চাৰ কৰিলে, স্বাধীনোত্তৰ-যুগত আনন্দত উল্লাসিত আমিও এতিয়া সেই উপায়েৰে মাতৃভাষাৰ আগত পৰি থকা বাধবুৰি হেৰাৰ ভাতি ছিঙি দলিয়াই পেলাব লাগিব। বুৰঞ্জীৰ ঘটনাসমূহ ঘূৰি ঘূৰি হৈয়ে থাকে। যুৰঞ্জীত যিটো, সাহিত্যতো সেইটোৱেই—কাৰো একো ভিনদৰ নাই। অ, ভা, উ, সা, সভাই নৱ অভ্যুত্থানৰ যিটো যুগ সৃষ্টি কৰিলে তেনেকুৱা এটা যুগৰ আগন্তুকে আকৌ দেখা দিছেহি। দিছেহি কি দিলেহিয়েই! চুচুক-চামাককৈ আমাৰ সাহিত্যৰ মজিয়াত জাবৰ-জোঁথৰ সোমালেহিয়েই। সেইবোৰ সাৰি গুচাই নেপেলালে আমাৰ ভাষা যে তিষ্ঠিব লাগিবই নে, জাতীয় গৌৰৱৰো চিনছাপ নথকা হ'বগৈ। গতিকে, অ, ভা, উ, সা, সভাৰ সাৰথিসকলৰ পদাংক অনুসৰণ নকৰিলে আমাৰ গত্যন্তৰ নাই। *

---

* ১৯৫৮ চন।

"জোনাকী" যুগ

(১)

১৮৮৮ চনৰ ২৫ আগষ্ট (১৮১০ শকৰ ভাদৰ ১০ দিন ঘোৱাত জন্মাষ্টমী তিথিৰ দিনা) তাৰিখে কলিকতাৰ ৬৭ নং মীৰ্জাপুৰ ষ্ট্ৰীটৰ বহাত হোৱা অসমীয়া ছাত্ৰৰ চাহমেলত অসমীয়া ভাষাৰ উন্নতি সাধিবৰ অৰ্থে এখনি সভা বহে। সেই সভায়েই পাছত "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" বা চুটিকৈ অ. ভা. উ. সা. সভা নামে জনাজাত হয়। ইয়াৰ আগেয়েই, ১৮৭২ চনতে কলিকতা-প্ৰবসুৱা অসমীয়া ছাত্ৰৰ উদ্যোগত এই সভাৰ গুটি পচোৱা হৈছিল। সেই সভায়েই এতিয়া অ. ভা. উ. সা. সভা নাম লৈ নতুন কাৰ্য্যক্ষেত্ৰত প্ৰবৃত্ত হ'লহি। কেঁচুৱা মাতৃভাষাটি কেনেকৈ ডাঙৰ-দীঘল হ'ব, কেনেকৈ সি পৃথিবীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ-বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু আন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব, কেনেকৈ সি দুৰ্ব্বল, ৰুগীয়া, জীৰ্ণ অৱস্থাৰপৰা সবল সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায় সাধনেই এই সভাৰ উদ্দেশ্য আছিল।

ইয়াকে সাধন কৰিবলৈ সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটাবলৈ যত্ন কৰিছিল। পুৰণি পুথিবিলাক যাতে নষ্ট নেপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয়, সভা তাৰো চেষ্টাত আছিল। অসমৰ সকলোবিধ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলন কৰা হয় আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায় তাৰ নিমিত্তে অসমৰ শিক্ষা বিভাগৰ মনোযোগ আকৰ্ষণ কৰা; লেখা-পঢ়া কাৰ্য্যত অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ, শ্ৰীধৰ কন্দলী, শ্ৰীশঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলে লেখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টীপ্পনী লেখিবলৈ আৰু দোষ-গুণৰ আলচ কৰিবলৈ; আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত

সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ; অসমৰ আগৰ দিনৰ বা এতিয়াৰ যিবিলাক ধৰ্মনীতি, সমাজনীতি, ৰাজনীতি আৰু খেল-মেল গাঁও-ভূঁইৰ আনুপূৰ্বিক কেন্দ্ৰ আছে তাক সংগ্ৰহ কৰি এখন প্ৰকৃত বিস্তৃত বুৰঞ্জী লেখিবলৈ দেশৰ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰতে যাতে লেখা-পঢ়াৰ চৰ্চা হয় তাৰ নিমিত্তে উক্ত উপায় উলিয়াবলৈ বাতৰি কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ এই সভাৰ সঙ্কল্প আৰু লক্ষ্য আছিল।*

সেই সঙ্কল্প সিদ্ধি কৰিবলৈকে ১৮১০ শকৰ মাঘত "জোনাকী"ৰ জন্ম হ'ল। "জোনাকী" কলিকতা অ. ভা. উ. সা. সভাৰ মুখপত্ৰ। গুৰি ধৰিলে চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেম-চন্দ্ৰ গোস্বামীয়ে। আগৰৱালাই সম্পাদকীয়েৰে, বেজবৰুৱাই "লিটি-কাই" নাটেৰে আৰু গোস্বামীয়ে "ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত অসম" বোলা ঐতিহাসিক প্ৰবন্ধ এটিৰে "জোনাকী"ৰ জন্মোৎসৱ পালন কৰিলে। "জোনাকী"ক জন্ম দিওঁতে সম্পাদক আগৰৱালাদেৱে সশঙ্কিতভাৱে লেখিছিল---অসমীয়া কাকতৰ জীৱন কচুপাতৰ পানীৰ নিচিনা। কিন্তু, উপচি পৰা আনন্দ আৰু মচিব নোৱৰা কৃতজ্ঞতাৰে স্বীকাৰ কৰিবই লাগিব যে "জোনাকী"ৰ জোনাকে অসমীয়া সাহিত্যৰ বুৰঞ্জীত যুগান্তৰ আনিলে---"জোনাকী-সবিতা"ৰ পোহৰত অসমীয়া জাতি অকৌ ঠন ধৰি উঠিল।

'জোনাকী'ক গইনা লৈ, যিসকলে মাতৃভাষাহন্তে লেকেটীয়া যুদ্ধ কৰিলে, সেই সকলকে শৰাইঘাটৰ-ৰণৰ স্মৃতি অনুসৰণ কৰি, শৰাইঘটীয়া দল বোলোহঁক। 'জোনাকী' যুগৰ পাতনি মেলিলেই ওপৰত কৈ অহা ত্ৰিমূৰ্তিত বাদেও এইসকল ধনুৰ্দ্ধৰক মূলৰ শাৰীত ভাগ লোৱা দেখিবলৈ পাওঁ---ৰমাকান্ত বৰকাকতী, ঘনশ্যাম বৰুৱা, গুণাভিৰাম বৰুৱা, শিৱৰাম শৰ্মা, ৰত্নেশ্বৰ মহন্ত, যজ্ঞেশ্বৰ নেওগ, বেণুধৰ ৰাজখোৱা, লম্বোদৰ বৰা, সত্যনাথ বৰা, কনকলাল বৰুৱা, বিষ্ণুপ্ৰসাদ আগৰৱালা, আনন্দচন্দ্ৰ আগৰৱালা, উপেন্দ্ৰনাথ শৰ্মা, কমলচন্দ্ৰ শৰ্মা আৰু 'বিজুলী'ৰ সম্পাদক (পাচত) পদ্মনাথ বৰুৱা আৰু কৃষ্ণপ্ৰসাদ

---

* কলিকতা---অ, ভা, উ, সা, সভাৰ বছেৰেকীয়া কাৰ্য্যবিৱৰণী।

দুয়ৰা আদি। এখেতসকলৰ উমৈহতীয়া বুদ্ধি-পৰামৰ্শ আৰু আন্ত-ৰিকতাৰ সহযোগত অসমীয়া ভাষাৰ ন্যায্য অধিকাৰ প্ৰতিপন্ন হ'ল। অ, ভা, উ, সা, সভাৰ উদ্দেশ্য সিদ্ধি কৰিয়েই 'জোনাকী' ক্ষান্ত হৈ নেথাকিল, প্ৰাচ্য-প্ৰতীচ্যৰ মাজত তেলপানী হৈ থকা চিন্তাৰাশি গাখীৰ-পানী যেন কৰি, অসমীয়া ভাষাৰে সেইবোৰ বিলাই দি, সকলোকে চকুগজা কৰিলে।

কবিতা বা পদ্যই অকল জাতীয় জীৱনৰ জোখমাৰি বা তুলাদণ্ড নহয়। কথা বা গদ্য সাহিত্যত কবিতাতকৈ শতগুণে পৰিষ্কাৰ আৰু স্থায়ীকৈ জাতীয় চৰিত্ৰটো ফুটাই তুলিব পাৰি। পাশ্চাত্য সভ্যতাৰ লগত হাত-বাউ হোৱাৰ ফল স্বৰূপে "জোনাকী"-যুগীয়া সাহিত্যিক সকলৰ মাজত যি নৱজাগৰণৰ প্ৰেৰণা সোমাল সেয়ে "জোনাকী"ৰ পাতত খিত দি সদৌ অসমৰ হিলদ'ল ভাঙি দিলে। সেই প্ৰেৰণা ম্যাইকৈ প্ৰকাশ পাইছিল গদ্যৰ আলমত। কাৰণ আমি যি কওঁ, যি ভাবোঁ, যি আচৰণ কৰোঁ, যি চৰ্চা কৰোঁ, দৰ্শন-বুৰঞ্জীৰ যি তথ্য বোটলোঁ সেই এটাইবোৰ গদ্যৰ ভাষাৰে হে ফটফটীয়াকৈ দেখুৱাব পাৰোঁ। সঙ্গীতৰ সুৰসঞ্চ, নাট-উপন্যাসৰ চৰিত্ৰ, সাধুকথা কোৱাৰ ঠাচ, বুৰঞ্জীৰ কাঞ্জিকা, সমালোচনাৰ পাগমাৰি, দৰ্শন-বিজ্ঞানৰ জটি-কুটি---এই এটাইবোৰৰ পূৰ্ণ প্ৰকাশ ক্ষুণ্ণ হৈ থাকিব, যদি আমি গদ্য সাহিত্যৰ সহায়েৰে সেইবোৰ ফঁহিয়াই, বহলাই মেলি নিদিওঁ। আনকি, শিল্পীয়েও তেওঁৰ কল্পিত প্ৰতিকৃতিটোহঁত দৰ্শক বা ভাবুকৰ মনোগ্ৰাহী বা হৃদয়গ্ৰাহী কৰিব খুজিলে গদ্য ভাষাৰ আশ্ৰয় নোলোৱাকৈ নোৱাৰে।

বিষয়টো, যেনেকৈ টান আৰু গধুৰ নহওক, "জোনাকী"—সম্পা-দকৰ হাতে পালে, সি কোমল আৰু মধুৰ হৈ পৰে। সেই নিমিত্তে ইয়াৰ গদ্যই শিক্ষিত অশিক্ষিত, পণ্ডিত-অপণ্ডিত, খৰিভাৰী-হজুৱা, সকলোৰে অন্তৰখনহঁত সমানে আকৰ্ষণ কৰিব পাৰিছিল আৰু ভাষাত মোহনি-শক্তি থকা বাবেই পাঠকসকলৰ মনত একোটা দ সাঁচ বহুৱাই যাব পাৰিছিল। "অৰুনোদই"ৰ ভাষা আছিল ভানৰ গোহৰ বিচৰা চালুকীয়া দ'ৰাৰ থুনুক-থানাক ভাষা আৰু "আসাম বন্ধু"ৰ আছিল গহীন সম্ভ্ৰীয়া ভাষা, আৰু তাৰ আখৰ জোঁটনি আছিল লেখকৰ নিজা।

"জোনাকী"য়ে এই দুয়োটাকে মিলাই সকলোৰে গ্ৰহণ কৰিব পৰা পদ্ধ এটা দিলে। 'জোনাকী'ৰ ভাষা, ভাষাৰ ঠাচ আৰু বৰ্ণবিন্যাস

এফালে যেনেকৈ শক্তিশালী (কোৱা ভাষাবলম্বী বহুৱা শব্দ যদিও), সুষদি, সুকীয়া-সুকীয়া অর্থবোধক আৰু সর্বজনসম্মত; আনফালে তেনেকৈ তাৰ প্রত্যেকটো প্রবন্ধৰ প্রত্যেক শাৰী বাক্যই অসমীয়া চিন্তা-ধাৰাৰ একো-একোটি সুঁতি। প্রত্যেকটো শব্দ, উপমা-অলঙ্কাৰে আকৌ জাতীয় সংস্কৃতি-সভ্যতাৰ একোটা মহাভাৰত কয়। আখৰ-জোঁটনিও এনে নিখুঁত ভাৱে কৰা হৈছিল যে 'হেমকোষ' ৰচোঁতা হেমচন্দ্র বৰুৱায়ো ৰব আঁসোৱাহ উলিয়াব নোৱাৰিছিল।

হেমচন্দ্র বৰুৱাৰ "বাহিৰে ৰং-চং, ভিতৰে কোৱাভাতুৰী"ত অসমীয়া নাট্য সাহিত্যত ব্যঙ্গৰস সৃষ্টি হৈছিল যদিও (বৃটিছ শাসনৰ পাচত), লক্ষ্মীনাথ বেজবৰুৱাৰ মানস চৰিত্র "কৃপাবৰ বৰবৰুৱা"ৰ আখ্যানবিলাকে হে আজিকোপতি সৰবৰহীকৈ ধেমেলীয়া ৰসৰ সোঁত বোৱাই আছে। এই কৃপাবৰী সাহিত্যই বেজবৰুৱাৰ অদ্ভুত সৃষ্টি। সেই সাহিত্যই পোন প্রথমে জন্ম লাভ কৰে "জোনাকী"ৰ গর্ভত। 'জোনাকী'ত পোনেই ওলোৱা "কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা" আৰু সেই বৰুৱাৰ নামত যোৱা প্রবন্ধসমূহ সঁচাকৈয়ে অসমীয়া ভাষাৰ গুটিভঁৰাল। ই এহাতে যেনেকৈ ৰং লগোৱা কথাৰে অসমীয়াৰ দোষ খুচৰিছে, আনহাতে তেনেকৈ সেই দোষবোৰ গুচাবলৈ উপায় বুধিও দিছে। কৃপাবৰী সাহিত্যই মেলি দিয়া অসমীয়া ভাষাৰ বিপুল সম্ভাৰৰ আগত অসমীয়া ভাষাৰ সাত-শত্রুৰেও হাৰ মানিছে। ইয়াত চিত্তবিনোদিনী হাঁহি আছে, কুযাৰি ভৰা বিদ্রূপ নাই; ভাষাৰ তীব্রতা আছে, অপকাৰিতা নাই। কৃপাবৰৰ সাহিত্য অসমীয়া জাতিৰ নিমিত্তে এখন নিদানো।

ৰজাদিন কাহানিবাই গ'ল। ইংৰাজৰ দিনো প্রায় চাৰি কুৰি বছৰীয়া হ'ল। ৰজাদিনত বিষয়-বাসনা থকাই হে ৰজাঘৰীয়া উপাধি লেখিব পাৰিছিল। ইংৰাজ আহিলত, যাৰ যি ইচ্ছা সেইমতেই উপাধি লেখাত কোনেও হাতত ধৰিবলৈ নোযোৱা হ'ল। মিছা উপাধি এটা লৈ নিজকে প্রবঞ্চনাহে কৰা হয়। তথাপি তাকে লবলৈ যে কিছুমান মানুহৰ মন সদায় লকলকাই থাকে। এনেকুৱা উপাধি থকুৱাক জ্ঞান দিবৰ অভিপ্রায়েৰেই কৃপাবৰ বৰুৱাই খকুৱাৰ হাড়-সৰকাকৈ 'জোনাকী'ত প্রচাৰ কৰিছে---

"হওঁতে ধর্মত্ত্ব চাবলৈ গ'লে মোৰ ৰবৰুৱা হ'বৰ যোগ অনা

হক আছে। 'বৰ' শব্দটো মোৰ নামৰ ভিতৰত আছে লোকক হাত পাতিব নলগাকৈয়ে। ঠাইতে, লাহেকৈ কৃপা শব্দটোৰ গাৰপৰা তাক পানী অকণমান দি কোমলাই একৰাই "বৰুৱা" শব্দটোৰ গাত লগাই দিলেই লেঠা ছিগিল।

"আজিকালি শই-শই কত ন বৰুৱা-ফুকন পাবতে গজি মোক চা মোক-চাকৈ পেম ধৰি ওলাইছে, তাৰ লেখ-জোখ নাই। তাওখাম্‌তি স্বৰ্গদেৱৰ দিনৰপৰা সিৰফুটা কৃপাবৰ বৰুৱা হে কিবা বোলেনে, ৰবৰবৰুৱা হৈ ওলাব নোৱাৰে? কোম্পানীৰ বহাগমহীয়া বৰষুণ পৰি শাকতলীয়ে-মাহতলীয়ে, পিৰালীয়ে-চোতালে য'ত-য'ত বৰুৱা-ফুকনৰ গুটি পৰি আছিল, এটাইবোৰ ভৰভৰকৈ গজি উঠিল। য'ত গুটি নাছিল তাতো বিধাতাৰ ইচ্ছাত গজিল। সদানন্দ বৰুৱাৰ জীয়েকৰ নাতিনী-য়েকৰ মোমায়েকৰ টিপাৰাম শৰ্মা, তস্যপুত্ৰ নালীয়া শৰ্মাই ইস্কুলত পঢ়ি কেছাৰীত কাম এটা লৈয়েই নাম চহী কৰে---শ্ৰীনকুলেশ্বৰ বৰুৱা। স্বৰূপ চন্দ্ৰ ভাগৱতী, মোক্ষেশ্বৰ ফুকনৰ জোঁৱায়েক, সেইবাবে তেওঁ লেখে স্বৰূপ চন্দ্ৰ ফুকন; জুৰমন কলিতাই, ধৰ্মকান্ত বৰাৰ ঘৰত থাকি লাচনি পাচনি বন কৰি তাত খায় আৰু পঢ়ে। গতিকেই, তেওঁ আজিকালি লেখে জুৰমোহন বৰবৰা। বংশীধৰ এণ্ট্ৰেঞ্চ পৰীক্ষাত উঠি কলিকতালৈ আহিল, তেওঁৰ নামৰ পাছত মিণ্টৰ অমুক বুলি মাতিবলৈ একো এটা ভাল উপাধি নাই, কি কৰে নিৰুপায়; তেওঁ মহা চিন্তাত পৰিল---"আমাৰ নো নামৰ পিছত একো এটা উপাধি বিচাৰি উলিয়াব নোৱাৰেনে" বুলি ঘৰলৈ লেখি পঠালে।

"ৰুদ্ৰসিংহ স্বৰ্গদেৱে যেতিয়া মন্ত্ৰ ল'বলৈ পণ্ডিত ব্ৰাহ্মণক বিচাৰি অমুক খাউণ্ডক বঙ্গদেশলৈ পঠায় তেতিয়া সেই খাউণ্ডৰ লগত আমাৰ উপৰিপুৰুষ এজন গৈছিল, সেই হেতুকে আমি খাউণ্ড লেখিব পাওঁ।" এই চিঠি পোৱাৰপৰা বংশীধৰে নামৰ পিছত খাউণ্ড সহস্ৰনাম দিনৌ নেলেখাকৈ জলগ্ৰহণ নকৰে। যদি এটাইবোৰ এনেকুৱা মাহখোৱা বান্দৰেই, তেন্তে কৃপাবৰ বৰুৱায়ো নো জাতি-ভাইৰ লগত দুচিৰা-এচিৰা মাহ খালে অৰ্থাৎ ঈশ্বৰক চিন্তি কিবা বোলেনেসতে ৰবৰবৰুৱা হলে কি পাক লাগিব? দিন পালেই ক্ষেণ পায়, ক্ষেণ পালেই দকৈ শিপাই পেলাব, তেতিয়া কাৰ সাধ্য কৃপাবৰৰ ৰবৰবৰুৱা বিষয় ভাঙে? গতিকে, আজি চিঠি এখনৰ তলত বুজিব নোৱৰাকৈ, লেটি-পেটিকৈ

চহী কৰিম, কাইলৈ মণিঅৰ্ডাৰ এখনত বুজিব পৰাকৈ চহী কৰিম, পৰশুইলৈ ফটফটকৈ ভোটা তৰা জিলিকাদি জিলিকি ওলাব---কৃপাবৰ বৰবৰুৱা---ইত্যাদি।"

অসমীয়া মানুহৰ ভৱিষ্যত এন্ধাৰ দেখি, বুকুৰ জুই-পোৰণিত তৎ নেপাই অগ্নিঋষি কমলাকান্ত ভট্টাচাৰ্য্যই "জোনাকী" ওলাওঁতেই "কোৰাঁ পাহৰণি" কবিতাত মনৰ দুখেৰে গাইছিল,---

"ই শিৱসাগৰ ভেমত ডাঙৰ
যত অসমীয়া নামত বলিয়া
মুখ ওফোন্দাই ভেম পাতি চায়
ভাবিছে মনত এই জগতত
আমাৰ সমান নাই কোনোজন
ইপিনে অৱস্থা দেখিলে ব্যৱস্থা
বিদৰে পৰাণ।
পৰশ্ৰীকাতৰ স্বাৰ্থ পিশাচৰ
পূজিছে চৰণ।
দেখিলোঁ নগাঁও আৰু তেজপুৰ
দেখোঁ গুৱাহাটী আন ঠাই আদি
যত অসমীয়া জ্ঞান নাইকিয়া
জনমভূমিৰ দুখ মোচনৰ।"

চিন্তাৰ অনলত দগ্ধ হোৱা এই গৰাকী ভট্টাচাৰ্য্যই "অসমৰ উন্নতি"ৰ নিচিনা সমাজক আগবঢ়াই নিয়া প্ৰৱন্ধও 'জোনাকী' কাকতেই বহন কৰিছিল।

আখৰ যোঁটনি (জোঁটনি) বা বৰ্ণবিন্যাসৰ বেমেজালি গুচাবলৈ লম্বোদৰ বৰাই এইদৰে নিৰ্দেশ দিছিল---

আখৰ যোঁটোৱাৰ মূল মন্ত্ৰ মানুহৰ মুখৰ মাত বা উচ্চাৰণ। তুমি আখৰবিলাক এনেভাৱে যোঁটোৱা যেন এজনে পঢ়িলে ঠিক আগৰ মাত বা উচ্চাৰণটো ওলায়। এই নিমিত্তে "গৃহ" শব্দৰ পৰা ওলাইছে বুলি "ঘৰক" "গৰ" নিলিখিবাঁ। আগৰ বা ডাঙৰ মানুহে যি লেখে তাৰ দোষবিচাৰি নি সেই কামকে কৰা মানুহৰ স্বভাৱ। তেওঁবিলাকে লেখামতেই পাছৰ মানুহেও লেখে। এইদৰে কেতিয়াবা-কেতিয়াবা ভুলো চলিত হয়। ব্যাস-বাল্মিকী আদিৰ পুথিত কোনো ভুল থাকিলে

আমি তাক "আৰ্ষপ্ৰয়োগ" বোলোঁ। কেতিয়াবা কেতিয়াবা আমাৰ ভাষাতো এনে ঘটে। এতিয়া ইয়াৰ দৃষ্টান্ত দেখা যাওক। (তৰ ইন্ তৰী, গাৰ তৰ অ হে ইয়াৰ ওপৰত) এইমতে "ৰ"ত দীৰ্ঘ ঈকাৰ দিয়া উচিত। কিন্তু তৰি দিয়াহে চলতি। সৃজ ধাতুৰ পিচত অন্ প্ৰত্যয় কৰিলে "সৰ্জন" হয়, কিন্তু বঙ্গলা ভাষাত "সৃজন"—এই অশুদ্ধ শব্দটো চলিত আছে।" কোনো কোনো অসমীয়া লেখকে তেতিয়াৰ দৰে এতিয়াও এই শব্দটো বঙ্গলাৰ অনুকৰণ কৰি "সৃজনী শক্তি" বুলি চলাই আছে। অসমীয়াত "চৰ্জন"হে চলিত। এই প্ৰসঙ্গতে কোৱা ভাল হ'ব যে আজিও অসমীয়া ভাষাৰ বৰ্ণবিন্যাসৰ আউল নেভাঙিল। এতিয়াও ই পথাৰৰ মুঠা হৈয়ে আছে—যাৰে যি ইচ্ছা সেয়ে তেওঁৰ ৰুচি অনুসৰি আথৰ যোঁটায় আৰু অলপ সুবিধা পালেই আনকো বলেৰে সেই বাটেদি লৈ যায়।

সেই সময়ত, কিছুমান বাটৰুৱা বঙালী কৰ্মচাৰী আৰু পলসুৱা বঙ্গলা কাকত থনাদিয়েকে অসমীয়া ভাষাটো বঙ্গলাৰে অপভ্ৰংশ বা অপভাষা বুলি অ-ভাৰতীয় কৰ্তৃপক্ষসকলৰ কাণত পিন্ধাই থকা বাবে, 'জোনাকী' যুগৰ ৰথীসকলৰ ভিতৰত মহাৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাই সিহঁতৰ প্ৰতি যি ধনুৰ্বাণ জুৰিছিল তাৰ "আটোপ টঙ্কাৰতে" সিহঁতৰ "হোৱা-হোৱা", "খেক্-খেক্" সকলো গাপ মাৰিলে। ১৮৯৫ চনৰ পহিলা জানুৱাৰী দিনা বহা কলিকতীয়া অ, ভা, উ, সা, সভাত দিয়া বক্তৃতাটোৰ যাৰচেৰেক কথা "জোনাকী"ৰ পৰা তুলি আনি শুনোৱাৰ লোভ সামৰিব নোৱাৰিলোঁ। বেজবৰুৱাই কৈছিল,—

"প্ৰকৃত পক্ষেই, অসমীয়া ভাষাটোৱে বঙ্গালী আৰু অসমীয়াৰ মাজত বিন্ধ্যাপৰ্বত পৰি থকাদি অলংঘ্য হৈ পৰি থাকি দুই ভাইক কোলাকুলি কৰিব নিদিয়াকৈ বেলেগকৈ থৈছে নে? এই প্ৰশ্নৰ উত্তৰ আমাক কোনে দিব? আমি হলে কম, বুজা গৈছে,—

গড়গঞ্জা মিতিৰল ভাও
মুখে বোলে থাক-থাক
ভৰিৰে হেঁচোকে নাও।"

আসামৰ আসামবাসী বঙ্গালীৰ ভ্ৰাতৃভাৱৰ খুৰাতো সেৱা, চৰণতো সেৱা।০০০ বঙ্গালীয়েই বঙ্গালীক, কলিকতাৰ বঙ্গালীয়েই কলিকতাৰ চাৰিবেৰৰ বাহিৰৰ মানুহক যি ঘৃণাৰ চকুৰে চায়, তাৰ্ষা লৈ আপোনাৰ

তেজ-মহঙ্গকো যেনেকৈ বিদ্রূপ কৰে, দেখিলেই অনায়াসে এই কথাৰ মৰ্ম বুজিব পাৰি। ভাল বঙ্গালীয়ে তোঁৱাই আমি এই কথা কোৱা নাই। ভালৰ ভাল সৰ্বত্তি কাল। মিথ্যা ভাষাৰপৰা কোৱা ভাষা বেজেগ কৰিলে যে ভাষাৰ উদ্দেশ্যাই ভ্ৰষ্ট হয়, এই কথা তেওঁবিলাকে গমি নোচোৱাকৈ তেওঁবিলাকৰ যি আছে সেইয়ে অতি উৎকৃষ্ট বুলি ভাবি লোককো তাক লবলৈ পৰামৰ্শ দিয়ে। ভাষাৰ উদ্দেশ্যাই হৈছে মনৰ ভাবটো বাহিৰত শব্দেৰে প্ৰকাশ কৰি আনলোকক বুজোৱা। বঙ্গালীয়ে মুখেৰে কওঁতে এক ভাষা কয়, লেখোঁতে এক ভাষা লিখে। আমাৰ সুকপাল গুণে অসমীয়া ভাষাত এনে গোলমাল আজিলৈকে ঘটা নাই।০০০০

ভাষাৰ ভিতৰত উকা কথা এমুঠি, অলঙ্কাৰ নিৰামৈবে মুঠি। উকা কথা দেখি 'জোনাকী'য়ে উচ্চৈস্বৰে খিঙিয়াই আছিল, ঈশ্বৰে নকৰক, দুই তিনি শতিকাৰ পিছত বঙ্গলা ভাষা কাল-অজগৰে যদি অসমীয়া ভাষাক তাৰ পেটত সুমাবলৈ টানি লৈ যায়ও, দুই তিনি শতিকাৰ আগেয়েহে, আজি আমি নিজক ৰক্ষা কৰিবলৈ কিয় পুৰুষাৰ্থ নকৰিম? জীৱনৰ যুদ্ধত কোনো জিকিব, কোনো উঠিব, কোনো পৰিব, কোনো স্বৰ্গলৈ যাব আৰু কোনো ৰসাতললৈ যাব। কিন্তু, সেই বুলি আওমৰণে মৰাটো পুৰুষালি নহয়। মৰিম তো যুঁজত মৰিম। মৰিম তো মানুহ মৰাদি মৰিম—তিকতা মৰাদি নহয়। মৰিমতো সন্মুখ সংগ্ৰামত পৰি মৰিম; চাং তলত মুৰ সুমাই ভেঁকীথোৱাৰ মাৰ খাই নহয়। জীৱন যুদ্ধত পৰি যদি অসমীয়া ভাষা বঙ্গলা হৈ কটা যায়, যাওক, তাত আমি দুখ নকৰোঁ। বঙ্গভাষা—সন্নিপাত জ্বৰে ধৰে যদি অসমীয়া ভাষাক কাবু কৰে, আমি সকলো প্ৰকাৰে সেই জ্বৰ এৰুৱাবলৈ যত্ন কৰিম।"

"জোনাকী" যুগৰ এনেকুৱা "শৰাইঘটীয়া" সকলৰ কলমতেই অসমীয়াৰ ন্যায্য স্বত্ব সাব্যস্ত হ'ল আৰু সেই যুঁজাৰুসকলে অসমীয়া ভাষাৰ উন্নতি যজ্ঞৰ "জোনাকী" বেদীত যি ঘৃতাহুতি প্ৰদান কৰি গ'ল সেয়ে আজিও অসমীয়া জাতিৰ চকুৰ আগত ৰাখিছাই আছে।

(২)

'জোনাকী'খন নিচেই সৰু আছিল—'ডিমাই' আকাৰত ২০ পিঠি মাত্র। পিচলৈ অলপ বাঢ়িছিল। লেখকৰ সংখ্যাও তাকৰীয়া, কিন্তু বছা বছা। প্রবন্ধও সৰহ নহয়। তথাপি আজিকালি বাৰিষাৰ পুণীহেনকৈ বাঢ়ি অহা সৰহীয়া লেখকৰ লেখাই সেইবিলাক লেখকৰ ব্যক্তিগত চিন্তাশীলতা, ভাষাৰ বিশুদ্ধতা আৰু ভাবৰ গম্ভীৰতাৰ লগত একোপধ্যেই ফেৰ মাৰিব নোৱাৰে।

আগেয়ে ৰোমাণ্টিক কবিতা কাক বোলে, ৰোমাণ্টিক সাহিত্য কি, "চনেট" কি বস্তু, স্বদেশপ্রেমৰ কবিতা কেনেকুৱা, ধেমেলীয়া নাট কোন বিধ, কঠুৱা বুৰঞ্জী ঘটনা প্রাণৱন্ত কৰিব পাৰি কেনেকৈ, বোধ-বুদ্ধিমূলক সাহিত্যৰ পাৰ্থক্য ক'ত, পশ্চিমীয়া জ্ঞানবিদ্যা, সাহিত্য-সংস্কৃতি বুটলি আনি অসমীয়া সাঁচত ঢালিব পাৰি কিৰূপে এইবোৰ কথাৰ ভু অসমীয়া লেখকে পোৱা নাছিল বা জনা নাছিল। 'জোনাকী'ৰ জোনাকেই সেইবোৰ আমাক দেখুৱাই দিলে।

প্রথম বছৰৰ প্রথম সংখ্যা 'জোনাকী'তে চন্দ্রকুমাৰ আগৰৱালাই 'বন কুঁৱৰী', 'নিয়ৰ' আদি কবিতা লেখি ৰোমাণ্টিক কবিতাৰ, হেমচন্দ্র গোস্বামীয়ে 'কাকো আৰু হিয়া নিবিলাওঁ'ৰ নিচিনা 'চনেট'ৰ, যিখন "চিন্তানল" পুথি পাচত চৰকাৰে 'বাজেয়াপ্ত' কৰিছিল, সেইখন পুথিৰ ৰচক অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যই "পাহৰণি" কবিতাৰে স্বদেশপ্রাণতাৰ, হেমচন্দ্র গোস্বামীয়ে দ্বাদশ সংখ্যাত 'ৰুদ্রসিংহ মহাৰাজৰ দিনত অসম' বোলা প্রবন্ধেৰে বুৰঞ্জী ঘটনা প্রাণৱন্ত কৰাৰ, ঘনশ্যাম বৰুৱাই 'আত্মশিক্ষা' নামৰ প্রবন্ধেৰে গভীৰ চিন্তাশীলতাৰ, সত্যনাথ বৰাই (সেই বছৰতে) "ভ্রমৰঙ্গ" সমালোচনা কৰি সমালোচনাৰ আৰু লক্ষ্মীনাথ বেজবৰুৱাই গোটেই বছৰটো জোৰাই লেখা "লিটিকাই" বোলা নাটেৰে ধেমেলীয়া নাটৰ আগন্তুক সাহিত্য-আদৰ্শৰ আগলি বতৰা আটাইৰে আগত মেলি দিছিল।

দ্বিতীয় বছৰ আৰু তৃতীয় বছৰ হেমচন্দ্র গোস্বামী আছিল "এক-মেবাদ্বিতীয়ং" সম্পাদক আৰু বেজবৰুৱা আছিল সম্পাদকীয় দিহা বুদ্ধিৰ নিজৰা। তাৰ পিচত "জোনাকী"ৰ অৱস্থা কাহিল হৈ আহিল। তথাপি, ৫ম ভাগটোৰ সোণাৰাম চৌধুৰী আৰু ষষ্ঠ ভাগটোৰ মীনধৰ

হাজৰিকা প্ৰকাশক হৈ সেই দুবছৰ "জোনাকী"ক কথমপি জীয়াই ৰাখিলে। কাকতৰ গুৰিধৰোঁতা উৎসাহী লেখক আৰু কৰ্মীসকল কলিকতাৰপৰা গুচি আহিবলগীয়া হোৱাত, "জোনাকী"ৰ কলিকতা প্ৰকাশ বন্ধ হৈ গ'ল আৰু মাজতে বছৰদিয়েক বেওাই থাকি সত্যনাথ বৰা ডাঙৰীয়াৰ সম্পাদনাত গুৱাহাটীৰ পৰা দ্বিতীয় পৰ্য্যায়ৰূপে ই পুনৰ প্ৰকাশ হ'ল। কিন্তু, তিনি বছৰ ওলায়েই "জোনাকী"ৰ পোহৰ আৰু একেবাৰেই নুমাই থাকিল।

"জোনাকী"ৰে ভনীয়েক "বিজুলী"ৰ আঁৰত থকা সম্পাদক কৃষ্ণ-প্ৰসাদ দুৱৰা আৰু পদ্মনাথ বৰুৱা যদিও "জোনাকী"ৰ নিলগত আছিল, এখেতসকলকো সেই পৰ্বত শাৰীৰ ভিতৰতে থব লাগিব। পদ্মনাথ বৰুৱাই প্ৰতিদ্বন্দ্বিতা কৰি "জোনাকী"ৰ লগত সংশ্ৰৱ ৰখা নাছিল, তথাপি তেখেতে "জোনাকী"ৰ সাৰথিসকলক গৌৰৱৰ ওখ টিঙত বহুৱাই থৈছিল। বেজবৰুৱাক ট-ট কৰে জিলিকি থকা কৰিছিল "বিজুলী" কাকতে। কৃপাবৰৰ "জুগুলী" কাকতে হাস্যৰসৰ থুনপাক মেলিব নোৱাৰিলেহেঁতেন, যদি পদ্ম বৰুৱাৰ "বিজুলী" কাকত নাথাকিলহেঁতেন।

১৮১১-১২ শকৰ দ্বিতীয় বছৰ "জোনাকী"ৰ দুটামান প্ৰবন্ধ আৰু কেইজনমান লেখক :---

যোৰহাটৰ বিনন্দি ফুকন আছিল "জুনা ধৰি ধৰি মাখন-কটি খোৱাত পাৰ্গত আৰু নিউমেন আদি কোম্পানীৰ কেটেলগ পুথি আনি গোটাই থৈছিল।" এওঁ লেখিছিল, "অসমীয়াৰ খেতি' প্ৰবন্ধ, আৰু 'ডেকাদেও কবিতা'। চন্দ্ৰকুমাৰ আগৰৱালাৰ আছিল, 'উদগণি', 'জলকুঁৱৰী', 'তেজীমলা' কবিতা আৰু 'মৌমাখি' (কবিতা)। সেইদৰে 'সদায় আপোন কাজ শিকাত, ব্যস্ত থকা বিষ্ণুপ্ৰসাদ আগৰৱালাই "শঙ্কৰদেৱ" জীৱনী, 'উচতাই দিলে যেই সেই কাম কৰিব পৰা আৰু টোপনি আহিলে নানা স্বপ্ন দেখি ইংৰাজী লেক্‌চাৰ বেগেৰে জৰা' ৰজনীকান্ত বৰদলৈয়ে 'গছলতা ইত্যাদিৰ উৎপত্তিৰ নিয়ম', হাৰিও নহৰা, উত্তৰত ওজা আৰু সকলো ঠাইতে 'পয়েট্ৰি' দেখোতা দুখী আসামৰ "বাইৰণ" হেমচন্দ্ৰ গোস্বামীয়ে 'বংশ গৌৰৱ', অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যই 'অসমৰ উন্নতি' আৰু 'বহাগৰ বিহু' কবিতা; কনকলাল বৰুৱাই 'আমাৰ শিল্প', ৰত্নেশ্বৰ মহন্ত বা ৰামদাস গোস্বা-

মীয়ে 'অসমত মান' প্ৰবন্ধ আৰু 'গোলাপ' আদি কবিতা, পানীন্দ্ৰনাথ গগৈয়ে 'আমাৰ উন্নতি নে অৱনতি', লম্বোদৰ বৰাই 'অসমীয়া ভাষাৰ আখৰ জোঁটনি', বেণুধৰ ৰাজখোৱাই 'প্ৰকৃতি' কবিতা আৰু 'আত্ম-সংযম', সত্যনাথ বৰাই 'ভৱিষ্যৎ জ্ঞান'; কৃষ্ণপ্ৰসাদ আগৰৱালাই 'ঈশ্বৰোপসনা'; গুণাভিৰাম বৰুৱাই 'সৌমাৰ ভ্ৰমণ'; সোণাৰাম চৌধুৰীয়ে 'স্বৰ্গযাত্ৰা' প্ৰভৃতি কবিতা-প্ৰবন্ধ প্ৰকাশ কৰিছিল।

এইসকলৰ ওপৰতে জিলিকি আছিল "প্ৰকৃততে নহয় যদিও, দেখোতে গপাল যেন দেখা, কামত গহীন, লেখাত পাৰ্গত" আৰু "হাঁহি সুধি হাঁহি তোলাৰ জনা" লক্ষ্মীনাথ বেজবৰুৱা। এই বছৰ, এখেতৰ এইবিলাক প্ৰবন্ধই "জোনাকী"ৰ পাত শুৱাই থৈছিল :

১। অ. ভা. উ. সা. সভাৰ ২য় বছেৰেকীয়া কাৰ্য্য-বিৱৰণ।

২। কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা ১৫৯ পৃঃ।

৩। চুমা (কবিতা)।

৪। মইনা (কবিতা)।

১৮১২-১৩ শকৰ তৃতীয় ভাগ "জোনাকী"ত লেখত ল'বলগীয়া কবিতা প্ৰবন্ধ :

১। 'জোনাকী' কবিতা---হেমচন্দ্ৰ গোস্বামী।

২। ১৮৯০ চনৰ ৫ অক্টোবৰ (১৮১২ শকৰ ২০ আহিন) তাৰিখে বহা অ. ভা. উ. সা. সভাৰ দ্বিতীয় বছেৰেকীয়া উৎসৱত পঢ়া 'অসমীয়া ভাষা'ৰ ৰচনা। (অসমীয়া ভাষাৰ আদি-অন্ত লেখি পাঠ কৰা এই সুদীৰ্ঘ ৰচনাখনি এই বছৰৰ ১ সংখ্যাৰ ২৭ পিঠিৰ পৰা ধাৰাবাহিক ৰূপে প্ৰকাশ পায়) হেমচন্দ্ৰ গোস্বামী।

৩। কাকুতি কবিতা---হেমচন্দ্ৰ গোস্বামী।

৪। পদ্মকুমাৰী (ধাৰাবাহিক উপন্যাস) লক্ষ্মীনাথ বেজবৰুৱা।

৫। নৱবৰ্ষ (কবিতা) আনন্দচন্দ্ৰ গুপ্ত (আগৰৱালা)।

৬। তুলসীদাসৰ নীতিকাব্য---পদ্মনাথ বৰুৱা।

৭। মোৱামৰীয়া বিদ্ৰোহ---ৰত্নেশ্বৰ মহন্ত।

৮। অসমৰ উৎপন্ন বাণিজ্য বস্তু---কনকলাল বৰুৱা।

৯। বায়ুৰ ভৰ---চন্দ্ৰধৰ বৰুৱা।

১০। অসমৰ উন্নতি—ৰামদাস গোস্বামী আৰু কমলাকান্ত ভট্টাচাৰ্য্যৰ বাদানুবাদ।

১১। কবিবৰ ৰামসৰস্বতী—সোণাৰাম চৌধুৰী।

১২। ব্ৰহ্মপুত্ৰ (কবিতা) কনকলাল বৰুৱা।

১৩। তই—আনন্দচন্দ্ৰ আগৰৱালা।

তৃতীয় বছৰৰ "জোনাকী"ৰ সম্পাদক হওঁতেই লক্ষ্মীনাথ বেজ-বৰুৱাই লেখিছিল :

"আজি 'জোনাকী'ৰ বয়স দুবছৰ পাৰ হৈ তৃতীয় বছৰত সোমাল। এই বয়স অনুসৰি জোনাকী ডাঙৰ-দীঘল শকত-আৱত হৈছে নে, নাই পঁয়া লাগি থিহিৰা মাৰি আছে, তাক তাৰ পাঠক, গ্ৰাহক, পালক, পোষক সকলেহে ক'ব পাৰে। আমাৰ মনেৰে টিপচী জোনাকীয়ে গৰুগুৱ উৰাও মাৰিবলৈ চেষ্টা নকৰি নিজ শক্তি চাই টিপচীৰ উৰাওহে নিয়মমতে মাৰি আছে---।"

টিপচীৰ উৰাওহে বুলি যদিও কোৱা হৈছিল, স্বৰূপাৰ্থত, এই বছৰৰপৰাই "জোনাকী"ৰ প্ৰবন্ধৰাজিয়ে গৰুগুৱ উৰা মাৰি অসমীয়া ভাষাটোৰ মানদণ্ড বিমানত তুলি বহুত ওপৰলৈ লৈ গ'ল।

এই বছৰৰ আগলৈকে কাকতত সমসাময়িক বাতৰি দিয়া নহৈছিল। কিন্তু, এই বছৰৰ পৰা বিবিধ টোকা শিতানেৰে "মাহেকীয়া কাকতত যিবোৰ বাতৰি দিবৰ অযোগ্য নহয়, পাঠকসকলক তেনে-বিলাক" বাতৰি দিয়া হয়।

চতুৰ্থ বছৰৰ "জোনাকী"ও বেজবৰুৱাৰ সম্পাদনাতেই পৰি-চালিত হৈছিল। এই বছৰৰ ২য় সংখ্যাটো চিৰস্মৰণীয় বুলি ক'ব পাৰি। কিয়নো, ইয়াতেই অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ "আত্ম জীৱন চৰিত" এডুখৰি পোন প্ৰথমেই লেখাই অনাই প্ৰকাশ কৰা হয়। সম্পাদক হিচাপে, বেজবৰুৱা যে নিৰপেক্ষ আৰু উদাৰ সেই কথা ফটফটীয়াকৈ প্ৰকাশ পায়—লম্বোদৰ বৰাই 'উপন্যাস আৰু আত্মহত্যা নাম দি বেজবৰুৱাৰে "পদ্মকুমাৰী" উপন্যাসখন অপদাৰ্থ অনিষ্টকৰ বুলি কৰা সমালোচনাটো "জোনাকী"ত ঠাই দি, সম্পা-দকে অৱশ্যে, পাদটীকাত নিজৰ মতামতবোৰো প্ৰবন্ধৰ লগে লগেই প্ৰকাশ কৰিছিল। বৰাৰ সমালোচনাটো খেদি খেদি পঢ়িবলগীয়া।

—১৯

কাৰণ, লেখকৰ মুখলৈ নোচোৱাকৈ কৰা চোকা সমালোচনা বোধকৰোঁ এইটোৱেই প্ৰথম। পুথি-সমালোচনাত ব্যক্তিগত মতামত ব্যক্ত কৰাত বৰা ডাঙৰীয়া কিমান স্বাধীন আছিল, সেই কথাও ইয়াত পোৱা যায়। বৰাই নাট-নভেলৰ অপকাৰিতাৰ বিষয়ে সেই প্ৰসঙ্গতে কৈছিল, "সভ্য দেশবিলাকত যে আত্মহত্যা বেছি এনে (পদ্মকুমাৰী বা পদুম কুঁৱৰী) নাট-নভেল পঢ়াও এটা ঘাই কাৰণ।"---

"এইবোৰ কিতাপৰ ঘাই ভাব আদি ৰস, প্ৰেমৰ ঢৌ, প্ৰেমৰ বলি-য়ালি, প্ৰেমৰ কাৰণে লাজ মান ত্যাগ, প্ৰেমৰ কাৰণে পাপ, তাপ আৰু গণ্ডগোল, কেতিয়াবা প্ৰেমৰ কাৰণে আত্মহত্যা।"

বৰা হিন্দু ধৰ্মৰ নৈষ্ঠিক অনুগামী আছিল। সেই গুণে তেওঁ "পদ্মকুমাৰী" পুথি সমালোচনাটোৰ শেষত লেখিছিল, "হিন্দু গ্ৰন্থবিলাক আজি পেলাই দিয়া, হিন্দু সমাজ কালিলৈ ম্লেচ্ছ সমাজ হব।---বৰ দুখৰ কথা এই যে বহুত উপন্যাস লেখকে উপন্যাসৰ ফলাফল ভাবি নেচায়। তেওঁলোকে মাজে মাজে নিজৰ কেৱল স্বভাৱৰ আৰু কেঁচা বুদ্ধিৰ ছবি আঁকি মানুহৰ বৰ অপকাৰ কৰে। ইতিমধ্যেই, আত্মহত্যা মহাপাপ অসমত সোমাইছেহি; তাৰ ঘাই কাৰণ মদ, প্ৰেম আৰু বেয়া নাট-নভেল, আমাৰ উপন্যাস লেখকসকলে দুৰ্নীতি আৰু আত্মহত্যাৰ সোঁত বোৱাবলৈ চেষ্টা নকৰি সুনীতি প্ৰচাৰ আৰু আত্ম-হত্যা প্ৰচাৰ বন্ধ কৰিবলৈ হে পুৰুষাৰ্থ কৰিব লাগে।"

চৰণ-টীকাত বেজবৰুৱাই (সম্পাদকে) কোনো কোনো ঠাইত একোটা একোটা চুটি টোকা দি শেহত কৈছিল,—"উপন্যাসটো কি পদাৰ্থ সেই বিষয়ে ভাল লেখা পালে, ছপা কৰা যাব।—জোনাকীৰ সম্পাদক।"

সমালোচনাটো ছপা হৈ যোৱাৰ পিচতে জহনী ৰোগত পৰি লম্বোদৰ বৰাৰ মৃত্যু হ'ল। সেই বাতৰি পাই শোকত অভিভূত হৈ সেই সংখ্যা কাকততে বেজবৰুৱাই অনুতাপ কৰি লেখিছিল:

"লম্বোদৰ বৰাৰ মৃত্যুত "জোনাকী"য়ে এজন প্ৰকৃত বন্ধু আৰু ভাল লেখক হেৰুৱালে। এই সংখ্যা জোনাকীতে "উপন্যাস আৰু আত্মহত্যা" বুলি তেওঁৰ হাতৰ এটা প্ৰবন্ধ আছে। আমি কৰা ক্ষুদ্ৰ ক্ষুদ্ৰ 'নোট' সৈতে সি ছপা হৈ যোৱাৰ পিচত হঠাৎ আমি তেওঁ মৰাৰ শোকজনক বাতৰি পাওঁ। আগেয়ে এই দাৰুণ বাতৰি পোৱা-হেঁতেন আমি আমাৰ 'নোট' কেতিয়াও নছপাওঁ। যি হওক, তেওঁৰ

আত্মাৰ ওচৰত আমাৰ দোষৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।"—জোনাকী সম্পাদক।

কৃপাবৰ বৰুৱাৰ জন্ম হয় তৃতীয় বছৰৰ "জোনাকী"ত। কিন্তু, পাক লোৱা টিকনিয়ে লৰফৰাই থকা মূৰত 'বাবু কেপ' পৰিহিত, বাঁওহাত ছাতি আৰু সোঁহাত কাকতৰ টোপোলাৰে ওন্দোলিত, বনিয়নৰ ওপৰত ক্ৰীজ দিয়া দীঘলকৈ মোটোকোৱা 'কলাৰৰ' পাচিয়ান কোট আৰু চেলেউ-পাইপেৰে গা-মুখ সুশোভিত, হোৰোসাপেটীয়া কৃপাবৰ বৰুৱাৰ ভেঙুচলীয়া ফটগ্ৰাফখন চতুৰ্থ বছৰৰ "জোনাকী"ৰ ১৩৩ পিঠিত পোনপ্ৰথমেই প্ৰকাশ পায়। এইখনেই বোধকৰোঁ অসমীয়া আলোচনী কাকতত প্ৰথম ভেঙুচলীয়া ছবি আৰু ইয়েই ওলায় বেজবৰুৱা সম্পাদিত "জোনাকীত"। বেজবৰুৱাৰ "সাধুকথাৰ কুকি"ত ভৰাই থোৱা গল্পবিলাকৰো এটি-দুটিকৈ এই বছৰৰ পৰাই ক্ৰমাংবয়ে ওলাবলৈ ধৰে। 'ঘৰপতা ককা', 'মুলাখোৱা বুঢ়া' বোলা সাধুৰো প্ৰকাশ এই বছৰতে।

চতুৰ্থ বছৰৰ মাজভাগতে, বেজবৰুৱাই সম্পাদক বাবৰ পৰা অৱসৰ লয়। এই বছৰত তেওঁ কিমান কেঁকোজেঁকোকৈ কাকত চলাব-লগীয়া হৈছিল, তাৰ আভাস এটি বেজবৰুৱাই হেম গোসাঁইলৈ দিয়া এই চিঠিখনৰ পৰাই বুজিব পাৰি।

"তোমাৰ 'জোনাকী' দেখোন জঠৰ লাগিল। কনক (কনকলাল বৰুৱা), দ্বাৰিক (দ্বাৰিকেশ্বৰ শৰ্মা), ৰজনী (ৰজনীনাথ বৰুৱা) ঘৰলৈ গ'লগৈ। তোমালোকে টকা নপঠিয়ালে এই অকণমান 'বস্তুটি' (জোনাকী) এই সংখ্যাৰ পিচত মৰি থাকিব। আজীৱন সভ্যসকলেও বৰঙনি নিদিয়া হ'ল—What to say of callous & stupid subscribers. অধৰ বাবুক ৪৪ টকা দিব লাগে, অলপমান নেপালে, তেওঁ আৰু ছপা নকৰোঁ বুলিছে। তুমি যোৱাৰ পিচতে আমি আৰু তেওঁক এটা পইচাও দিব পৰা নাই। আন কি, কাগজৰ দাম ৬ টকা তাকে দিবপৰা নাই। কাগজখন মৰিব বুলি ভাবিলে বৰ দুখ লাগে।"

তাৰ পিচত খং উঠি 'জোনাকী'ৰ শুভানুধ্যায়ীসকলৰ বিষয়ে যিহকে পায় তাকে লেখে, "You are indifferent, Jaijneswar (Neog) silent, Chandra Kumar (Agarwalla) blind folded, Mahanta

(Ratneswar) callous, Kanak (Kanak Lal Barua) exhausted, Ananda (Agarwalla) dormant, Bezborua soporific, drawn to the last farthing. Subscribers stingy and advertisers wicked & cheats, how does the Jonaki subsist? খুজি মাগি হ'লেও মোৰ মইনা জোনাকীখন জীয়াই ৰাখোঁ, অসমীয়া ভাষাৰ নাম ৰাখোঁ।"

সম্পাদকৰপৰা অৱসৰ ললে যদিও, বেজবৰুৱাই কাকতৰ উত্তৰোত্তৰ উন্নতি-অৰ্থে প্ৰাণপণ চেষ্টা কৰি আছিল। ৫ম বছৰৰপৰা 'জোনাকী' তেওঁৰ হাতৰপৰা গ'ল যদিও, তেওঁৰ লেখনী তাৰপৰা নেৰাল, কাপখাই লাগিয়েই থাকিল। এই ভাগ 'জোনাকী' সমৃদ্ধ আছিল অত্যুৎকৃষ্ট প্ৰবন্ধ সম্ভাৰেৰে। তাৰ ভিতৰত ১৮১৬ শকৰ ২২ পুহ শনিবাৰৰ (৫ জানুৱাৰী ১৮৯৫) অ, ভা, উ, সা, সভাত দিয়াত বেজবৰুৱাৰ "অসমীয়া ভাষা" বক্তৃতাটোৰ ধাৰাবাহিক প্ৰকাশেই বিশেষভাৱে উল্লেখযোগ্য। 'ভদৰী'কে ধৰি 'সাধুকথাৰ কুকি' কিতাপৰ কেইটি মান গল্পও ইয়াৰ ভিতৰতে। অসমীয়া ভাষাত বিদেশ ভ্ৰমণৰ কাহিনীও এই বছৰৰ জোনাকীতে ওলায়। কাহিনীটোৰ নাম আছিল 'ব্ৰহ্ম যাত্ৰীৰ ডায়েৰী' লেখিছিল আনন্দচন্দ্ৰ আগৰৱালাই।

ভাওনীকোঁৱৰ আগৰৱালাৰ 'যোগী' কবিতাটিৰে ষষ্ঠ বছৰৰ 'জোনাকী'ক পোনেই মান ধৰা হয়। ইংৰাজী কবিতা অসমীয়া ভাষাত কেনে লনদনকৈ ভাঙিব পাৰি, ই এটি তাৰে ধুনীয়া চানেকী। তেতিয়াও 'ৰতন মুণ্ডা', 'আমাৰ সংসাৰ'ৰ নিচিনা বেজবৰুৱা কাপৰ পৰা ওলোৱা প্ৰবন্ধ প্ৰকাশ হৈ আছিল। দেবেশ্বৰ চলিহাই যে কবিতা লেখিছিল, ভাবিবই নোৱাৰি। কিন্তু এইভাগ 'জোনাকী'ত তেওঁৰ এটি কবিতা ওলাইছিল 'পত্ৰ লেখক' ছদ্মনামেৰে আৰু কবিতাটোৰ নাম দিছিল 'দুখৰ কথা'।

'অহং-একতাল' সুৰত বন্ধা।

"উঠা একে চিপে অসমীয়া ভাই
বান্ধা কঁকালত টঙালি আঁটি
লোৱাঁ বীৰ সাজ, দিয়াঁ দলিয়াই
কেঁচুৱা ল'ৰাৰ ঘাপৰি গতি।"

বোলা যিটি জাতীয় গীত এই বছৰত ওলাইছিল, সেইটি লেখিছিল অসমীয়া ভাষাৰ নীৰৱ সেৱক বেণুধৰ ৰাজখোৱাই। কেঁকাই গোথাই থকা 'জোনাকী'ৰ ইও এটি বিশিষ্ট দান।

গোপালচন্দ্ৰ ভূঞাৰ অপূৰ্ব কবিতা 'গোলাপ' এই বছৰ জোনাকীৰেই আপুৰুগীয়া বস্তু।

৭ম বছৰত 'জোনাকী'ৰ কলিকতা প্ৰকাশ বন্ধ হ'ল। যি হওক, কলিকতাৰপৰা স্থানান্তৰ কৰি গুৱাহাটীত আকৌ পুনৰ জন্ম দিয়া হ'ল। সম্পাদক হ'ল প্ৰবীণ ওজা সাহিত্যিক সত্যনাথ বৰা ডাঙৰীয়া। কলিকতীয়া চামৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱাকে প্ৰমুখ্য কৰি নতুন চামৰ চন্দ্ৰধৰ বৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, সোণাৰাম চৌধুৰী, মাটিৰাম দাস, ৰঘুনাথ চৌধাৰী, দুৰ্গানাথ বৰুৱা প্ৰভৃতি ভালেমানে সাৰপানী দিও 'জোনাকী'ক তিনি বছৰতকৈ আৰু সৰহ দিন জীয়াই ৰাখিব নোৱাৰিলে। অৱশেষত 'জোনাকী' মৰিল।

মৰিল যদিও, "উপচি পৰা আনন্দক আৰু মচিব নোৱৰা কৃতজ্ঞতাৰে স্বীকাৰ কৰিবই লাগিব' যে 'জোনাকী'ৰ জোনাকে অসমীয়া ভাষাৰ বুৰঞ্জীত যুগান্তৰ আনিলে। 'জোনাকী'—সবিতাৰ পোহৰত অসমীয়া ভাষা, অসমীয়া জাতি আকৌ ঠন ধৰি উঠিল। চমুকৈ ক'বলৈ হ'লে, 'জোনাকী' কাকতখনকে চক্ৰবেহ পাতি তাৰে আলম লৈ কলিকতা অ, ভা, উ, সা, সভাৰ প্ৰৱসুৱা সভ্যসকলে শৰাইঘটীয়া বিক্ৰমেৰে যুঁজি অসমীয়া ভাষাটোক গজগজীয়া কৰিলে আৰু কবিতা, নাট, উপন্যাস, সমালোচনা, শুদ্ধ বৰ্ণবিন্যাস ৰসাল থুহুটীয়া ৰচনা, জ্ঞানগৰ্ভ প্ৰেৰণা মূলক প্ৰবন্ধ পাতিৰে ভাষাটোক হৃষ্টপুষ্ট কৰি আন আন ভাৰতীয় ভাষাৰে সৈতে ফেৰ মাৰি, চম্দুৱা নপৰাকৈ, নিৰ্ভয়ে নিসঙ্কোচে গিৰিপ গিৰিপকৈ চামে চামে আগুৱাই যাবপৰা কৰিলে।

ৰামধেনু ৫ম বছৰ ৫ম-৬ষ্ঠ বছৰ, ১৮৭৪ শক

'বাঁহী' যুগ

১৯০৯ চনৰ ডিচেম্বৰ মাহত 'বাঁহী'ৰ জন্ম হয় আৰু কুৰি বছৰেৰে ডেৰকুৰি বছৰ জীয়াই থাকে। লক্ষ্মীনাথ বেজবৰুৱায়েই 'বাঁহী'ৰ জন্মদাতা। জন্মৰপৰা বাৰ বছৰলৈকে বেজবৰুৱা স্বয়ং নামে-গাঁৱে সম্পাদক আছিল। তাৰ পাচত ক্ৰমান্বয়ে আঁৰে আঁৰে চন্দ্ৰকুমাৰ আগৰৱালা, দেখনিয়াৰকৈ ডিম্বেশ্বৰ নেওগ, জ্যোতিপ্ৰসাদ আগৰৱালা, পদ্মধৰ চলিহা, অমিয়কুমাৰ দাসেই 'বাঁহী'ৰ সম্পাদনা কৰিছিল। হাত বাগৰিছিল যদিও, ১৯৩৮ চনলৈকে বেজবৰুৱাৰ আৰু বেজবৰুৱায়েই 'বাঁহী' হৈ আছিল। সেই চনৰ ২৬ মাৰ্চ তাৰিখে বেজবৰুৱাৰ স্বৰ্গপ্ৰয়াণ হয়। তাৰ পাছত মাধৱ চন্দ্ৰ বেজবৰুৱাই নতুন উদ্দীপনাৰে 'বাঁহী' চলাবলৈ লয়। কিন্তু নিঠুৰ কালে মাধৱক লৈ যোৱাৰ পাচত 'বাঁহী'ৰ সুৰো লয় পালে। তথাপি মাধৱৰ 'বাঁহী' য়েই আন্দোলন কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভেঁটিটো প্ৰতিষ্ঠা কৰি গ'ল।

মৰসাহ দি উলিয়াব লগা হোৱাত প্ৰথম বছৰৰ প্ৰথম সংখ্যা 'বাঁহী'ৰ কেউটা প্ৰবন্ধকে সম্পাদক বেজবৰুৱাই নিজেই লেখিব লগীয়া হৈছিল। শ্ৰীকৃষ্ণৰ বাঁহীয়ে যেনেকৈ যমুনাখন ওভোতাই বোৱাইছিল, বেজবৰুৱাৰ বাঁহীয়েও তেনেকৈ কলিকতাৰপৰা লুইতপৰীয়া অসমীয়াৰ মন আন্দোলিত কৰি পেলাইছিল। 'বাঁহী'ৰ সুৰত মতলীয়া হৈ ৰজনীকুমাৰ পদ্মপতিয়ে 'পুৰণি আসামত ভুমুকি' মাৰিছিল, কমলাকান্ত ভট্টাচাৰ্য্যই 'গুটিদিয়েক চিন্তাৰ চৌ' লেখিছিল, শৰৎ গোস্বামীয়ে 'পানীপথ' উপন্যাস, লোকনাথ গোস্বামী, দেৱেশ্বৰ শৰ্মাই 'চুটিগল্প', গল্প, প্ৰেমধৰ চলিহাই 'চিংফৌ-খামতিৰ বুৰঞ্জী' আদি হৰেক ৰকমৰ প্ৰবন্ধ লেখিছিল। ভবানন্দ পাঠক বা বাণীকান্ত কাকতীৰ 'বিজুলী'ৰ নিচিনা পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ ওলাইছিল। আনন্দচন্দ্ৰ আগৰৱালাৰ ঐতিহাসিক গৱেষণাৰ প্ৰবন্ধসমূহে অসমক স্বৰ্গ প্ৰমাণ কৰি অসমীয়া জাতিক 'বাঁহীৰ' পাততেই উচ্চ স্থান দিছিল। জ্ঞানদাভিৰাম বৰুৱাৰ বিলাতৰ কথা 'বাঁহী'ত নোলোৱা হ'লে পঢ়িবলৈকে নাপালোহেঁতেন।

নৱম ভাগলৈকে 'বাঁহী' কলিকতাৰপৰা ছপা হৈ ওলায়। সেই-হোৱা কালত শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰাই আহি কাকত চোৱাৰ পৰা ডাকত পঠিৱালৈক সকলো কাম অকলেয়ে কৰিবলগীয়া হৈছিল। বেজবৰুৱা আছিল বহি সম্পাদক আৰু যতীন দুৱৰা আছিল উঠি সম্পাদক। এই কেইবছৰ ঘাইকৈ কলিকতাত থকা ছাত্ৰবিলাকেই 'বাঁহী'ৰ লেখক, সহায়ক, প্ৰচাৰক আৰু বুদ্ধি পৰামৰ্শদাতা আছিল।

প্ৰথম বছৰৰ 'বাঁহী'ত বেজবৰুৱাই নিজে লিখা 'জগৰা মণ্ডলৰ প্ৰেমাভিনয়' প্ৰকাশ হয়। আজি আঠৈ কুৰি বছৰৰ ওচৰ চাপিলহি। তথাপি এতিয়াও সেই প্ৰবন্ধটি হাঁহিৰ থুনপাক হৈয়ে আছে। মাতৃ-ভূমিলৈ মনত পেলাই হাবিয়াহকৈ লেখিছিল 'অ মোৰ আপোনাৰ দেশ' গীতটি। কি অচৰিত আজি অসমীয়াৰ ঘৰে ঘৰে সিয়েই জাতীয় সঙ্গীত। সেইটিও সেই 'বাঁহী'ৰেই সম্পদ। 'বৰাগী আৰু বীণ'ৰ কথা ক'বই নেলাগে---এনে পূৰ্ণিমা যেন কবিতা আৰু নোলাবই হ'বলা! উমেশ চন্দ্ৰ বৰুৱা বা ভুবন চন্দ্ৰ বৰুৱাৰ অকালতে মৃত্যু হ'ল; কিন্তু প্ৰথম বছৰৰ 'বাঁহী'ত তেওঁ 'এক্‌কণমান ছোৱালীকণ তই' 'ফাগুনা লগুৱাৰ বেমেজালি' আদি যিবিলাক অভিনৱ সাহিত্য কলা সৃষ্টি কৰি থৈ গ'ল, সেইবিলাকে তেওঁৰ নাম অসমীয়া সাহিত্য বুৰঞ্জীত সোণালী আখৰেৰে চিৰকলীয়াকৈ জিলিকাই ৰাখিব। 'গোলা-পৰ পত্নীব্ৰত' বোলা চুটি গল্পটো লেখিয়েই লেখক বলীন্দ্ৰৰাম খাউণ্ডে বৈৰাগ্যব্ৰত অৱলম্বন কৰিলে। 'বাঁহী'ৰ পাতে এতিয়াও তেওঁক চুটি গল্প লেখকৰ শাৰীত বহুৱাই আগতে থৈছে। 'বাঁহী'য়ে আটাইতকৈ ডাঙৰ কাম দুটা কৰিলে :---এটা শ্ৰীমন্ত শঙ্কৰক পুনৰ সঞ্জীৱিত কৰিলে আৰু আনটো কৰিলে 'জোনাকী' যুগৰ আধৰুৱা কামখিনিৰ সম্পূৰ্ণতা।

অনৰ্থক কথাত 'বাঁহী'ৰ' চুক এটাও খৰচ হোৱা নাছিল। কুৰ্ৰু-ৰীয়া বসন্তৰ বা লৈ কত ডেকাই কবিতা প্ৰবন্ধ পঠিয়ায় 'বাঁহী'ত ওলা-ওক বুলি। 'বাঁহী' সম্পাদকৰ ওচৰ পালেই সেইবোৰৰ কাঠসংস্কাৰ হয়। ডেকাৰ ডেকা উচ্ছ্বাস বুলি ফটা কাগজৰ পাচিত সেইবোৰে ঠাই পায়; বাট চাই বাট চাই যেতিয়া দেখেগৈ যে সেই কবিতা 'বাঁহী'ত ওলোৱাৰ আৰু আশা নাই, তেতিয়া কবিতা-লেখক ডেকাইঁতে

টানি বেজবৰুৱালৈ এন্ কৰিম তেন্ কৰিম বুলি ভাবুকি দিয়া চিঠি লেখে। তাৰ উত্তৰত বেজবৰুৱাই কৰে কি? সেই কবিতাবোৰেৰে মেজি এটা কৰি তাত জুই লগাই দিয়া দৃশ্য এটা দেখুৱাই তাৰ ওচৰতে কবিকুলে হুক হুক কৰে কন্দা ছবি এটা আঁকি 'বাঁহী'ত ছপাই দিয়ে। ছবি দেখি কন্দনামুৱা কবিবৃন্দৰ বেজাৰ আঁতৰি যায়, হাঁহি-খিকিন্দালি কৰি আকৌ কবিতা লেখিবলৈ হে ধৰে। 'বাঁহী'ৰ মজা এইটোৱেই। তথাপি অপেণত লেখকৰ 'বাঁহী'লৈ সদায় এটা ভৰ আছিল। উলামুলা লেখকে 'বাঁহী'ৰ কাষ চাপিবলৈ বৰ ভয় কৰিছিল।

প্ৰথম বছৰৰ 'বাঁহী'ৰ বেটুপাতত আৰু আৰম্ভণিত বুকুত মেঠনি মৰা মাইকী মানুহ এগৰাকীয়ে বাঁহী বজাই থকা ছবি এটা দিয়া হৈছিল। সেই ছবিটো বেজবৰুৱায়েই দিছিল। কিন্তু যি মূল অৰ্থ কৰি 'বাঁহী' কাকতখন জন্ম দিয়া হৈছিল সেই অৰ্থতে মহিলাৰ মুখত বাঁহী পৰিব নেলাগিছিল। বেজবৰুৱা কদোক কোনে জোকাই লয়? এই ভয়তে কোনেও ভুলটো দেখুৱা নাছিল। কিন্তু আউনীআটী সত্ৰৰ চলাজন অধিকাৰ ৺কমলচন্দ্ৰ গোস্বামী প্ৰভুৱে তেখেতৰ আগৰ কবিতা নুলিৱাৰ পোটক তোলা স্বৰূপে এই ফাঁকি পদ্য লেখি বাঁহীলৈ পঠিয়াই দিয়ে---

> আজি ৰাতি দহ বজাত স্নান কৰি আহি
> পঢ়িবলৈ ধৰোঁতে পৰিল হাতত 'বাঁহী'।
> ময়ূৰ পক্ষীয়ে পাখি কৰি পাহি পাহি
> বাঁহীত উঠিছে ম'ৰা দেখি উঠিল হাঁহি।
> আজিকালি কলিকতাত ৰাধাই বজায়
> বুকুত মেঠনি মাৰি ম'ৰা নচুৱায়।
> ৰাধাই বজাই বাঁহী ক'তো শুনা নাই
> উত্তৰ পঠাব মোলৈ বেজবৰুৱাই।

বেজবৰুৱাই একো উত্তৰ নিদিলে বৰং কবিতাৰ লগত কবিতা নহয় যদিও, সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ কবিতাটো 'বাঁহী'ত সসম্মানে ঠাই দি, খি মৌন কৃতজ্ঞতা জনালে তাৰ চিনস্বৰূপে সেই বছৰৰ পৰা 'বাঁহী'ৰ বেটুপাতত আৰু সেই ছবি নাইকিয়া হ'ল।

চোকা সমালোচনা, থুকুচি পেলোৱা ব্যঙ্গ চিত্র আৰু সাহিত্যিক বাদানুবাদ থকা বাবে 'বাঁহী'খন কোনো কোনোৰ পক্ষে চকুৰ কুটা—দাঁতৰ শাল হৈছিল, যদিও সৰহভাগ পাঠকেই তাক আতোলতোলকৈ সাবটি লৈছিল। 'বাঁহী'ৰ লগত 'উষা'ৰ ফেৰিয়াফেৰি, 'প্ৰদীপিকা'ৰ লগত বাঁহীৰ তৰ্কযুদ্ধ, শঙ্কৰদেৱ চৈতন্যদেৱৰ মতবাদ বিশ্লেষণ, কৃপাবৰৰ প্ৰত্যাগমন, কৃপাবৰ-সুদৰ্শন সংবাদ, ভোকেন্দ্ৰ বৰুৱা, খহটা ডিমৰু সত্ৰাধিকাৰৰ কলিকতা ভ্ৰমণ আদি—এইবিলাকেই আছিল 'বাঁহী'ৰ উপাদেয়, উৎকৃষ্ট আৰু সকলোৰে তৃপ্তিপ্ৰদ প্ৰবন্ধ।

'বাঁহী' যেতিয়া ওলায়, 'উষাৰ' তেতিয়া অন্তিম সময়। 'উষা'—'বাঁহী'ৰ সম্পাদক দুয়োজন মত্ত-মাতঙ্গ। পদ্মনাথ বৰুৱাই 'টেটোন তামুলী নাটখন লেখিছিল। সেই নাটখন বেজবৰুৱাই 'বাঁহী'ত থকা-সৰকৈ সমালোচনা কৰিছিল। বৰুৱাৰ নিচিনা প্ৰথিতযশা গ্ৰন্থকাৰৰ কিতাপ সমালোচনা কৰি 'বাঁহী'ৰ সম্পাদকে মথে তৃপ্তি লাভ কৰিছিল। 'উষা'ই 'পাচ' 'পিচত' চ দিয়ে; 'বাঁহী'য়ে ছ দিয়ে। পদ্ম বৰুৱাই 'হাতৰ সাৰে ভৰিৰ সাৰে লিখে', বেজবৰুৱাই 'হাতত সাৰে ভৰিত সাৰে' লিখে। টেটোন তামুলীত 'বহোৱাও" আছিল, বাঁহীত 'বহুৱাওঁ' বুলি শুধৰাই দিয়ে। 'বাঁহী'ৰ সম্পাদক যে 'উষা'ৰ সম্পাদকতকৈ শ্ৰেষ্ঠ তাক গোহাঁই বৰুৱাই নিজে কোৱা কথাৰপৰা বুজিব পাৰি। 'উষা'ৰ সম্পাদকে 'আজিকোপতি' আৰু 'অনতিপলমে' শব্দ দুটা ন-কৈ উলিয়াইছিল। হয়হে তেওঁ চিঠি পত্ৰ আৰু 'উষা' 'বস্তিত' নিজে নিজেই লেখি থাকে, কোনেও গ্ৰহণ নকৰে। 'বাঁহী'ৰ সম্পাদকলৈও তেওঁ কেইবাবাৰো সেই শব্দকেইটা দি চিঠি লেখিলে। অৱশেষত বেজবৰুৱাই ঘূৰাই শব্দকেইটা ব্যৱহাৰ কৰি যেতিয়া চিঠি লেখিলে, তেতিয়া হেনো 'উষা'ৰ সম্পাদকৰ আনন্দত পাৰ নাই।

'বাঁহী' সম্পাদকৰ ভুল ধৰোঁতা মানুহ পোনতে মাত্ৰ এজন ওলাইছিল। তেওঁ হৈছে চন্দ্ৰনাথ শৰ্মা। 'বাঁহীয়ে' 'মেকুৰী জোলোঙাৰপৰা ওলাল'ৰ নিচিনা কথা লেখা বাবে আৰু 'হেমকোষৰ' মতে বৰ্ণ-বিন্যাসৰ নিয়ম মানি নচলা বাবে চন্দ্ৰ শৰ্মাই আঁসোৱাহ ধৰিছিল। তাতে বেজবৰুৱাই ভাড়িপোক নুঠুটিৱা কটন কলেজৰ ছাত্ৰ চন্দ্ৰ শৰ্মাক বৃটিছ পাৰ্লিয়ামেণ্টৰ পীটৰ লগত তুলনা কৰিছিল। 'বাঁহী' সম্পাদকৰ

এই পেংলাই কথাই সঁচাসঁচিত পৰিণত হ'লগৈ। চন্দ্ৰ শৰ্মাক অসমৰ আগৰণুৱা নেতাৰ শাৰীত পেলোৱাৰ গুৰি এই 'বাঁহী' কাকতেই।

'বাঁহী'ৰ তৰ্ক, বাদানুবাদ, ঠাট্টা-মস্কৰা, পেংলাই-পেংচালী সকলো (Sportsmanlike) খেলোৱাৰৰ দৰে আছিল। তাত কুৰ্ষাৰি, তিক্ততা বা বৈৰীভাব নাছিল। 'প্ৰদীপিকা'ৰ সম্পাদক ৰজনী বৰদলৈ, হেম গোসাঁই, যশস্পতি শৰ্মাৰ লগত থৈয়া নথৈয়া তৰ্কযুদ্ধ লাগিছিল। শেষত দুয়োপক্ষই সাম্প্ৰতিকলৈ 'বাঁহী'ৰ মতকে সৰ্ববাদীসম্মত বুলি স্বীকাৰ কৰিলে। 'বাঁহী'-'প্ৰদীপিকা'ৰ যুদ্ধই সঁচাকৈয়ে অসমীয়া সাহিত্য আৰু ধৰ্মৰ বুৰঞ্জীত নতুন যুগ প্ৰবৰ্তন কৰিলে। যুদ্ধত 'বাঁহী'ৰেই জয় হ'ল। আৰু সেই জয়হোৱা যুদ্ধৰ ফিৰিঙতি পোহৰে আজিও আমাক দীপ্তিমন্ত কৰি ৰাখিছে। অসমীয়া ভাষা, অসমীয়া সংস্কৃতি, অসমীয়া বুৰঞ্জী যিমান দিন থাকিব সিমান দিনলৈকে 'বাঁহী'-যুগৰ কৰ্ণধাৰসকলৰ কাৰ্য্যকলাপে আমাৰ মনত উৎসাহ-উদ্দীপনা দিয়েই থাকিব।

অসম বাতৰি, ২৬ আহিন, ১৮৯০ শক।

অসম সাহিত্য সভাৰ কথা

"অসমীয়া সাহিত্য সন্মিলনী" নামেৰে ১৯১৭ চনতে, শিৱসাগৰত অসম সাহিত্য সভাৰ পোন-প্ৰথম অধিবেশন বহে। সভাপতি আছিল "ত'ৰ" বুটিছ্ পালিয়ামেণ্টৰ দ্বাৰাই স্বীকৃত, সাহিত্য-পেঞ্চন ভোগ কৰোঁতা ৰায় চাহাব পদ্মনাথ বৰুৱা। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল অসমীয়া ভাষাৰ তৃতীয় আধুনিক নাট "ভ্ৰমৰঙ্গ"ৰ চাৰিজন লেখকৰ ভিতৰৰে এজন গুণানন্দ বৰুৱা বি-এল, আৰু প্ৰথিতযশা কবি আৰু সুকুমাৰ শিল্পকলাবিদ লক্ষ্মীকান্ত বৰুৱা আছিল সম্পাদক। তেতিয়া বহেৰেকীয়া অধিবেশনৰ নাম আছিল "সদৌ অসমীয়া সাহিত্য সম্মিলনী"। সভ্যসকলৰ ভিতৰত বাহিৰে-ভিতৰে, সভায়-সমিতিয়ে আৰু ডাঙৰীয়াসকলৰ চ'ৰাত সাহিত্য সভাৰ "অসম" আৰু "সন্মিলন" শব্দ দুটাৰ ব্যাকৰণ-বিধি অৰ্থমতে প্ৰয়োগ হোৱা-নোহোৱা লৈ থৈয়া-নথৈয়া তৰ্কাতৰ্কি হৈছিল। "অসমীয়া হ'লে নিভাঁজ অসমীয়াকিটাক হে বুজাব; "অসম" হ'লে, অসমলৈ আহি অসমৰ অন্নেৰে পৰিপুষ্ট হোৱা যেয়ে-সেয়ে ইয়াৰ সভ্য হ'ব পাৰিব। গতিকে, "অসম-সাহিত্য সন্মিলন" হ'লে সাহিত্য সভাৰ পৰিসৰ বঢ়াৰ আশা থাকে। পাচৰ মতটো পৰিস্থিতিৰ ফাললৈ চাই—বিশেষকৈ গ্ৰহণ কৰিবলগীয়া হৈছিল তেতিয়া, যেতিয়া যোৰহাটৰ 'দাস কোম্পানী'ৰ স্বত্বাধিকাৰী কলিকতীয়া বঙ্গালী আৰু অসমীয়া ভাষাৰ পৃষ্ঠপোষক জিতেন্দ্ৰ নাথ দাস আগবাঢ়ি আহি অসম সাহিত্য সভাৰ আজীৱন সভ্য হ'ল। "সন্মিলনী" হ'বনে "সন্মিলন" হ'ব, নাইবা 'সম্মেলন" হ'ব এই কেইটালৈও বাদ-প্ৰতিবাদ চলিছিল। শেহান্তত "সদৌ অসম সাহিত্য সভা"টোৱেই ৰ'লগে। গোহাঞি বৰুৱা পদ্মনাথে "সদৌ" টো লগাই দিছিল হয়, পিচত কিন্তু এৰা পৰিল। মাজতে আঁত ছিগিছিল যদিও, প্ৰধান সম্পাদকৰ জৰী-ডাল আকৌ জোৰা খালে। ১৯১৮ চনৰপৰা ১৯২৭ চনলৈকে প্ৰধান সম্পাদকৰ বাবটো শৰৎ চন্দ্ৰ গোস্বামীদেৱে পালে। গোস্বামীদেৱৰ ব্যক্তিত্ব, প্ৰভাৱ, বিশ্বস্ততা আৰু সংগঠন শক্তিৰ বলত হে আজি অসম সাহিত্য সভাই বছৰ লেখত, একুৰি আঠ বছৰ পাৰ হৈ এবছৰ কম ভেৰকুৰি বছৰত ভৰি দিবহি পাৰিছে। ৰাধাকান্ত সন্দিকৈ

ডাঙৰীয়াই হাত উবাৰি দিয়া দানে সভাখন যে অকল সুপ্ৰতিষ্ঠিতহে কৰিলে এনে নহয়, আগলৈকো শৃংখলা লগাই সাহিত্য বিষয়ক সমূহ কাৰ্য্য সম্পাদন কৰিবলৈ সুদৃঢ় ভেঁটিও স্থাপন কৰি দিলে। সন্দিকৈ ডাঙৰীয়াৰ দানৰ আগতে সভাৰ যি উটি-বাগৰি ফুৰা অৱস্থা আছিল তালৈ চালেই এই কথাৰ মূল্য ঠাৱৰ কৰিব পাৰি।

দ্বিতীয় মহাসমৰৰ সময়লৈকে আৰু তাৰ বছৰদিয়েক পিচলৈকো জজ, হাকিম, উকীল, কৃতবিদ আৰু গণ্যমান্য চৰকাৰী বিষয়াসকলৰেই দায়িত্ব আছিল তত্বাৱধানৰ। প্ৰধান সম্পাদক গোস্বামীদেৱ নিজেই স্কুলসমূহৰ ইন্সপেক্টৰ আৰু খোজে-কাটলে, কথাই-বতৰাই গহীন গম্ভীৰ পুৰুষ; তেখেতৰ মানত কথা আৰু কাম একেটা। জুহালৰ গুৰিত সাতহাল্ল বোৱা, পুৱা হ'লে এহালো নোবোৱা বিধৰ প্ৰতিভা তেখেতৰ নাছিল। আমি দেখাত যোৰহাটৰ নিচিনা সম্ভ্ৰান্তকুলীয়া মানুহৰ বসতি স্থানত, সকলোৰে লগত মিলিজুলি কাম কৰিবলৈ প্ৰধান সম্পাদকে সোঁহাতে স্বৰূপে সদায় লাগি থকা লগৰীয়া পাইছিল ঘাইকৈ দেৱেশ্বৰ শৰ্মা, চৰকাৰী উকীলক। সভাখন ধনেমানে টন-কিয়াল কৰাত, ই, এ, চি পণ্ডিত হেমচন্দ্ৰ গোস্বামীও তেখেতৰ সাৰথি আছিল। নৰ্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট হৈ থাকোতে স্কুলৰ সহকাৰী শিক্ষক আৰু ছাত্ৰবৰ্গই সভাৰ প্ৰচাৰ কাৰ্য্যত নথৈ সহায় কৰিছিল। এইবিলাকৰ ভিতৰত শিক্ষক হৰিনাৰায়ণ দত্তবৰুৱাৰ নাম আজিও জীয়াই আছে। দত্তবৰুৱাৰ উদ্যোগ, আগ্ৰহ আৰু নিস্বাৰ্থ সাহিত্য সেৱা অসমীয়া সাহিত্যানুৰাগী মানুহেই কেতিয়াও পাহৰিব নোৱাৰে।

"ভাল বস্তু খাব খুজিলে ৰান্ধনীৰে সৈতে ভালে থাকিব লাগে" বুলি অসমীয়া সদাগৰ ভোলানাথ বৰুৱা ডাঙৰীয়াই ডেকাবিলাকক সততে উপদেশ দিছিল। গোস্বামীদেৱৰো নীতি আছিল সেইটোৱেই। তেখেতে চৰ্কাৰৰ লগত ভালে থাকি সভাৰ উন্নতিবিধায়ক কাম যিমান হ'ব পাৰে, আৰু যিমান দূৰ কৰা সম্ভৱ সিমান কাম, সিমান দূৰ চৰ্কাৰৰপৰা আদায় কৰিছিল। সঁচা কথা ক'বলৈ গ'লে, তেখেতৰ হাতৰ পৰা সম্পাদকৰ বাব যোৱাৰ পিচত সাহিত্য সভাৰ নিয়মতন্ত্ৰ, সংগঠন আৰু মৰ্য্যাদা ভালেমান পাতলি আহিল। অৱশ্যে নানান বেমেজালি আৰু আঁসোৱাহৰ হেঙাৰ ভাঙি এতিয়া সভাই মূৰ জিলিকাব পৰা হোৱাত আগলৈ বহুত কাম হ'ব বুলি আশা কৰিব পাৰি।

আগৰ ছোৱাত, সভাপতি বছা হৈছিল কাৰ্য্যনিৰ্বাহক সভাৰদ্বাৰাই। তেতিয়া সাহিত্য সভাৰ সভাপতি যাক পতা হৈছিল, তেখেতৰ বয়স, সাহিত্যপ্ৰতিভা, সাহিত্য সাধনা, গধুৰ বিবেচনা শক্তি, দীৰ্ঘদৰ্শিতা, বাকসংযম ইত্যাদি গুণৰ অন্ততঃ যেই সেই এটালৈ চাই। তেনেকৈ নিৰ্বাচিত সভাপতি গৰাকী সঁচাকৈয়ে চৰ্কাৰৰ দোলাভাৰী হোৱাৰপৰা মুক্ত যদিও, চালুকীয়া সভাখন টনকিয়াল কৰিবলগীয়া বাবে সকলোৱে ভোলা বকৰাৰ নীতিকে প্ৰায়ে অনুসৰণ কৰিছিল।

সদৌ অসম-সাহিত্য-সভাৰ প্ৰথম অধিবেশনখন ১৯১৭ চনত, "আসাম এচচিয়েচনেসৈতে" একেলগে এদিনৰ অগা-পিচাকৈ শিৱসাগৰত বহে। 'এচচিয়েচনলৈ' যোৱা দৰ্শক-প্ৰতিনিধি সকলো প্ৰায়ে সাহিত্য সভাত উপস্থিত আছিল। তেখেতসকলৰ উপস্থিতিয়ে সভা-মণ্ডপৰ শোভাকে অকল বৰ্দ্ধন কৰা নাছিল, সাহিত্যানুৰাগী-সাহিত্য-সেৱীসকলকো নথৈ উৎসাহিত কৰিছিল। সাহিত্য সভা বুলি ৰাজনীতি পন্থীসকলে সতিনীভাব পোষণ কৰা নাছিল। সেই অধিবেশনত ৺ফণিধৰ চলিহা, শ্ৰীযুত হৰেশ্চন্দ্ৰ ৰাজখোৱা ভাওৰীয়া প্ৰভৃতিকে মুখ্য কৰি শিৱসাগৰীয়া ৰাইজ মাত্ৰেই দুয়োখন সভাৰ কাৰ্য্যাৱলী সুৰুচীপূৰ্ণ জাকজমকতাৰে সম্পন্ন কৰাত দেহামূৰ উবুৰিয়াই লাগিছিল। সভাত পঢ়া ৰচনা-সম্ভাৰো নিচেই তাকৰ নাছিল। চিন্তাশীলতাত আৰু পৰিপাটিতাত ৰচনা কেইখনৰ ভাব-ভাষাই আধুনিক ৰচনাৱলীৰ বহুতকে চেৰ পেলাব। এই কেইগৰাকীয়েই ৰচনা পাঠ কৰিছিল— মৌলবী মহিবুদ্দিন আহমদ, ডাক্তৰ বিপিনবিহাৰী বৰা, বেণুধৰ ৰাজখোৱা, শৰৎ চন্দ্ৰ গোস্বামী (পিচত সম্পাদক) আৰু ৰত্নকান্ত বৰকাকতী।

বৰকাকতীৰ ৰচনা-বিষয় আছিল "কোৱা ভাষা আৰু লিখা ভাষা।" সেই ৰচনাখনৰ উক্তিখিনি এতিয়াও কলপতীয়া হৈ থকা বাবে, তাৰপৰা দুষাৰমান ইয়াতে তুলি দিয়া হ'ল :—

"প্ৰথমতঃ কোনো কোনোৱে কয়, কোৱা ভাষা আৰু লিখা ভাষা একে হ'ব লাগে অৰ্থাৎ আমি মুখেৰে যেনেকৈ কওঁ, লিখাতো অবিকল তেনেকৈ লিখিব লাগে। কোনোৱে আকৌ কয়, কোৱা ভাষা আৰু লিখা ভাষা একে হ'বই নোৱাৰে। কওঁতে তুমি যেনেকৈ কোৱা কৰাঁ, কিন্তু লিখোতে তাৰ ওচৰ সীমায়ো যাব নোৱাৰাঁ। অৰ্থাৎ

লিখোঁতে শ্ৰুতিমধুৰ কৰিবৰ অৰ্থে প্ৰতিমা সজাদি তুমি এটা ভাষা সাজি উলিয়াবা। এই দ্বিতীয় মতটো কোনোমতেই সমৰ্থন কৰিব নোৱাৰি। কাৰণ লিখা ভাষাৰ উদ্দেশ্যটো কিবা এটা একেবাৰেই অসাধাৰণ কৰা নহয়। সাধাৰণক বুজোৱাহে তাৰ উদ্দেশ্য। গতিকে, সি যদি তেনে কৃত্ৰিম হয় তেন্তে উদ্দেশ্যই নিষ্ফল হ'ব। ভাষা মানুহৰ স্বাভাৱিক উচ্ছ্বাস। গতিকে সি যদি তেনেই অস্বাভাৱিক হয় তেন্তে তাৰ ভাষাত্বই নেথাকিব। সি মুঠেই কিছুমান কিম্ভূতকিমাকাৰ শব্দ সমষ্টিত বাজে আন একো নহ'ব। দ্বিতীয়তঃ শ্ৰুতিমধুৰ কৰিবলৈ যে এটা দুৰ্বোধ ভাষা লিখিব তাৰ কোনো মানে নাই, কাৰণ ভাষাৰ শ্ৰুতিমধুৰতাটোও মানুহৰ সৌন্দৰ্য্যবোধ শক্তিৰ ওপৰতহে ঘাইকৈ নিৰ্ভৰ কৰে; শ্ৰুতিমাধুৰ্য্যও এটা সৌন্দৰ্য্য বিশেষ। তাৰ এটা পুৰা জোখ বা নিৰ্দিষ্ট সীমা নাই। সেই দেখি শ্ৰুতিমধুৰ, শ্ৰুতিকটু ঠিক কৰিবৰ ভাৰ সৌন্দৰ্য্যবোধৰ গাত হে ঘাইকৈ পৰে।"

১৯১৮ চনৰ বৰদিনৰ বন্ধত, গুৱালপাৰত দ্বিতীয় অধিবেশন বহে। আসাম এচচিয়েচনৰ মণ্ডপেই সাহিত্য সভাৰো মণ্ডপ আছিল। সভাপতি হবৰ কথা আছিল হেমচন্দ্ৰ গোস্বামী, কিন্তু তেখেতৰ দুৰ্ঘটনা হোৱাত সাহিত্যৰথ চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই সভাপতি হ'বলগীয়া হ'ল। বৰুৱা ডাঙৰীয়াৰ অভিভাষণ আৰু উপস্থিত সমজুৱা সকলক মনোৰঞ্জন কৰা বক্তৃতাই গুৱালপৰীয়া ৰাইজৰ মনত কেনেকুৱা আশা উৎসাহ আৰু অনুপ্ৰেৰণাৰ সোঁত বোৱাই দিছিল তাক গুৱালপাৰৰ বয়োবৃদ্ধ নেতা হৰিপ্ৰসাদ নাথৰ পুত্ৰ গিৰীন্দ্ৰ চন্দ্ৰ নাথে সেই সময়ৰ 'অসমীয়া' কাকতত কলিকতাৰ পৰা যি লেখিছিল তাতেই তাৰ আভাস পাব। তেওঁ লেখিছিল :—

"যোৱা বৰদিনৰ বন্ধত, আমাৰ ভিন্ ভিন্ ঠাইৰ পৰা অহা প্ৰখ্যাতনামা সাহিত্যৰথীসকলে গোৱালপাৰত যি এক অভিনৱ যুগৰ সঁতি বোৱালে সেই সুঁতিৰ ঢৌ, গুৱালপাৰবাসীৰ সিৰে সিৰে বহুত দিনলৈকে থাকিব। আপোন-পাহৰি নিচলা অসম-আইক এৰি কুটশালৰ, বঙালী মাহীমাকক কল্পনা কৰি থাকোতেই আমাৰ গুৰিয়ালসকলে আমাৰ মনৰ মৰীচিকা গুচাই নিজৰ কোলালৈ সামৰি আনি যি জ্ঞানৰ জেউতি চৰাই কৰ্মজীৱনৰ বাট মুকলি কৰি দিলে আৰু কূটবুধীয়া বঙালীসকলৰ ছলনাত পৰি পূজা কৰিবলৈ এৰি যোৱা দুখুনী

আইৰ স্নিগ্ধ ৰঞ্জিত মূৰ্তি দেখুৱাই মাতৃৰ মোল বুজাই দিলে তাৰ বাবে আমাৰ হিয়াৰ সমল থাপি এখনি শলাগৰ শৰাই তেখেতসকললৈ আগ নবঢ়াই নোৱাৰিলো।

গুৱালাপাৰ যে আমাৰ, গোৱালপাৰ যে আমাৰ বুকুৰ তাক অসমৰ বুৰঞ্জীয়ে বঢ়িয়াকৈ চিনাকি দি আছে। বৰ দুখৰ বিষয় যে এই কথা কাণ সৰালি মাৰি শুনি থাকিও গুৱালপাৰৰ পমুৱা বঙালী কেইজনমানে গুভতগোৰে নাচি ফুৰিছে।---তেওঁবিলাকক মঁতে ৰুচে তালৈ গুচি যোৱাই ভাল।

ইমান হেঁচা পায়ো যে আমি অসমীয়া সাহিত্য সভাৰ এখন শাখা থাপিবলৈ সক্ষম হৈছো, সেইবাবে আমাৰ হিয়া আনন্দেৰে উপচি পৰিছে আৰু আমি বৰ গৌৰৱান্বিত হৈছোঁ। তাৰ লগে লগে অসমীয়া ভাষাৰ সেৱকমণ্ডলীলৈ আমাৰ কৃতজ্ঞতা জনাইছো। ৭ ফেব্ৰুৱাৰী, ১৯১৯ চন।"

কীৰ্তিনাথ শৰ্মা বৰদলৈ আৰু পদ্মধৰ চলিহাই এই সভাতে অসমীয়া গান গাই গুৱালপৰীয়া ছাত্ৰক সম্মোহিত কৰিছিল। পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াৰ বক্তৃতাৰ কোবত "জৌ-জৌ"কৈ দান বৰঙণিৰ টকা সভাস্থ লোকৰ পৰা সৰি পৰিছিল। সেই সভাত গুৱালপৰীয়া জমিদাৰসকলৰ আন্তৰিক সহযোগ আৰু দেশভক্ত তৰুণৰাম ফুকনৰ ব্যক্তিত্বই গুৱালপাৰত অসমীয়া ভাষাৰ নতুন যুগ এটা আনিলে বুলিব লাগে। সকলোৱেই যেন চিলমিল টোপনিৰ পৰাহে সাৰ পাই উঠিল। তাৰ কেই বছৰমান আগলৈকে গুৱালপৰীয়া ৰাইজ বঙলামোহিনীত পৰি গভীৰ নিদ্ৰাত মগ্ন হৈ আছিল; কৰ্ণেল গৰ্ডনে জানিবা সেই নিদ্ৰা ভাঙি দিলে অৰ্থাৎ সদৌ গুৱালপাৰ জিলাত অসমীয়া ভাষা চলাই দিলে। তথাপি, মৰিলেও ধনঞ্জয় বায়ুৱে নেৰাদি বঙলা প্ৰভাৱে স্থানীয় ৰাইজক এৰা নাছিল, সাহিত্য সভাৰ এই অধিবেশনত সেই ধনঞ্জয় বায়ুও উৰি গ'ল।

৭ম অধিবেশনখন গুৱাহাটীত বহিছিল; সভাপতি আছিল সাহিত্যৰ নিমিত্তেই সাহিত্য চৰ্চা কৰোঁতা ৰসৰাজ ৺লক্ষ্মীনাথ বেজবৰুৱা। সভাপতিৰ যুগমীয়া অভিভাষণখনত বাদেও, এই সভাত বহুত বিশেষত্ব দেখা পোৱা গৈছিল। আজিলৈকে হৈ যোৱা অধিবেশনবিলাকতকৈ এই অধিবেশনত সদৌ অসমৰে বছা-বছা ডেকা-বুঢ়া সাহিত্যিকসকলৰ

বেচি সমাবেশ হৈছিল। সভাত উপস্থিত থকা ভালেমানেই আজি সিপুৰীত। সভাৰ অন্তত লোৱা গোহৰ ছবি (ফটগ্ৰাফ) খন চালেই যেয়ে-সেয়ে বুজিব যে সেইখনেই "শৰাইঘটীয়া" দল সমবেত হোৱা অ, ভা, উ, সা, সভাৰ উত্তৰ যুগৰ সদৌ অসম সাহিত্য সন্মিলনী। এই গোহৰ ছবিখন আমাৰ 'যাদুঘৰ', অসম সাহিত্য সভাৰ কাৰ্য্যালয় আৰু বুৰঞ্জী আৰু পুৰাতত্ব বিভাগত সংৰক্ষণ কৰা নিতান্ত উচিত।

ইয়তে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু সঙ্গীতৰ ওজা লক্ষীৰাম বৰুৱাৰ পুত্ৰ শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ বৰুৱাই অসমীয়া গীতৰ অসমীয়া সুৰ শুনাই অসমীয়া সঙ্গীত-জগতলৈ মন্দাকিনীৰ ধাৰা এটি নমাই আনিলে। ৰিণিকি-ৰিণিকি মনত পৰে, সেইদিনা "গছে-গছে পাতি দিলে ফুলৰে শৰাই" বোলা আৰু "পদুম বুলি পৰি বন্দী হ'ল ভোমোৰা" বোলা গান দুটা এনেকুৱা ভাৱত গোৱা হৈছিল যে সভাৰ লোক সকলো সুৰ-মাধুৰীত তন্ময় হৈ আছিল।

'জোনাকী' যুগৰ 'বান্ধসকল' একেলগে গোট খোৱাটো হে আটাই-তকৈ মনত ৰাখিবলগীয়া দৃশ্য হৈছিল। 'বাঁহী'-'প্ৰদীপিকা'ৰ সম্পাদক দুগৰাকী একেলগে বহি অন্ন ভোজন কৰাটো বিশেষকৈ লেখত ল'ব-লগীয়া ঘটনা। লক্ষ্মীনাথ বেজবৰুৱাৰ 'বাঁহী' আৰু ৰজনীকান্ত বৰদলৈৰ 'প্ৰদীপিকা'ৰ মাজত যিখন থৈয়া-নথৈয়া যুদ্ধ লাগিছিল সেইখন দেখি আমি ভাবিছিলো এই যুযুৎসু বীৰ দুগৰাকী ক'ৰবাত দেখাদেখি হ'লে কাপৰ সলনি গদা লোৱালুই হ'ব। কিন্তু কি আচৰিত, সেইদিনা ভোজন কৰিবলৈ 'ভাতৰ পাতত বহোঁতে' দেখিলো দুয়োগৰাকী দেখোন হৰিহৰ আত্মা, ছেক্সপীয়েৰৰ এণ্টনিয়-বেছেনিয়'। বেজবৰুৱা-বৰ-দলৈৰ অন্তৰখোলা কথোপকথন দেখি ধেমেলীয়া কবি দণ্ডিনাথ কলিতাৰে কোৱাকুই কৰিছিলোঁ, এয়ে হে আচল সাহিত্যিক বন্ধুতা, প্ৰকৃত বীৰৰ মিত্ৰতা। চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, ৰজনীকান্ত বৰদলৈ, ভানদাভিৰাম বৰুৱা, কমলা কান্ত ভট্টাচাৰ্য্যও একে মেজৰ মজিয়া'তে। মেজৰ ওপৰত ভাত লৈ তেখেতসকলে যে সেই তাহানিখনৰ কলিকতীয়া জীৱনৰ পুনৰাবৃত্তিখন কৰিলে! চাহাবী ধৰণেৰে কলিকতাৰ বাটত বঙলা কথা কোৱা, মেছৰ ভিতৰতে মনে মনে অসমীয়া মাত মতা, মনে মনে ব্ৰাহ্ম সমাজলৈ যোৱা আদি পুৰাতনীয়া কথাবোৰ ভেড়কুৰি বছৰৰ পাচত দোহাৰি তেখেতসকলে

সঁচাকৈয়ে ভূমানন্দ উপভোগ কৰিছিল আৰু আমি, মানে, কলিতা আৰু মই বেৰৰ আঁৰৰপৰা তাৰ ভাগ লবলৈ পাই বৰ সৌভাগ্যবান বুলি ভাবিছিলোঁ।

বেণুধৰ ৰাজখোৱা ডাঙৰীয়াৰ সভাপতিত্বত বহা সেই স্মৰণীয় ধুবুৰী অধিবেশনৰ পাচত পূজাৰ বন্ধত গুৱালপাৰাত যিখন অধিবেশন হৈছিল, তাৰ সভাপতি আছিল, দেশভক্ত তৰুণৰাম ফুকন। ধুবুৰী-সভাত আনন্দচন্দ্ৰ আগৰৱালাদেৱৰ কঠোৰ "পুলিচী" শক্তি প্ৰদৰ্শন, লক্ষ্মীনাথ বেজবৰুৱা, তৰুণৰাম ফুকনৰ অসমীয়া-বঙালী মিলন প্ৰয়াসী টেটকুটীয়া বক্তৃতা আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ উত্তেজিত আহ্বান, কোচবেহাৰৰ আমানতউল্লা আহমদ খাঁ চৌধুৰীৰ বুৰঞ্জীমূলক প্ৰবন্ধ পাঠ শুনাসকলে জীৱনত পাহৰিব নোৱাৰে। এইবিলাকৰ পুনৰ মুদ্ৰণ আৱশ্যক।*

গুৱালপাৰাত তৰুণ ফুকনে কৈছিল, "নিজৰ ভাষা চহকী কৰিলেই নহ'ব। তোমাৰ ভাব পৰক জনাবলৈ হ'লে তেওঁকো সেই চহকী ভাষা শিকাব লাগিব। আমাৰ আত্মসন্মান জ্ঞান তো কমি আহিছেই, স্বদেশ-বোধো একেবাৰে লোপ পাইছে। এজন বিদেশীয়ে "অসমীয়া কাপুৰুষ" বুলি এই সভাৰ আগত কৈ গ'ল। মই ডাঠি ক'ব পাৰোঁ তাক মুখৰ আগত প্ৰতিবাদ কৰিবলৈ কম অসমীয়া ডেকা ল'ৰাহে ওলাব। জাতীয় ভাবৰ অনুপ্ৰাণতা নেপালে জাতীয় সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে।" ১৯২৭ চনতে, গুৱালপাৰাত এই সতৰ্কবাণী ঘোষণা কৰা হৈছিল। তেতিয়াৰ পৰা বুঢ়া লুইতৰ পানী বহুত বাগৰিল; একেখন মহাবাহু ব্ৰহ্মপুত্ৰ দুই খণ্ড হ'ল; দেশৰ মানচিত্ৰই মোট সলালে; লোকক দোষ দিবলৈ "পৰাধীনতাও" আঁতৰিল। ইমান পৰিবৰ্তনৰ মূৰতো দেশভক্ত ফুকনৰ "দাবী" অসম্-পূৰণ হৈয়ে থাকিল। নিজে-নিজেই সোধকচোন—সেই দাবী কোনে কেতিয়া পূৰণ কৰিব?

---

* ইতিমধ্যে "সাহিত্য সভাৰ সভাপতিসকলৰ ভাষণাৱলী" অসম সাহিত্য সভাৰ দ্বাৰাই প্ৰকাশিত হৈ গ'ল।

মণিদীপ ২য় বছৰ ১৯৬১ চন

গড়গাঁও নগৰ

চুহুম্মুঙ স্বৰ্গদেৱৰ পুতেক চুক্লেন কোঁৱৰে ১৪৬১ শকত গড়গাঁও নগৰ কৰি, তালৈ চৰগুৱাৰপৰা ৰাজধানী তুলি আনিলে আৰু তাতে শিঙৰি ঘৰত উঠি চুক্লেনমুঙ নাম ললে। পোন প্ৰথমেই, গড়গাঁৱতে ৰাজধানী পতা বাবে তেওঁক গড়গঞা ৰজাও বোলে। চুহুম্মুঙৰ দিনত আহোমবিলাকৰ সামাজিক ৰীতি-নীতি ধৰ্ম সম্পৰ্কীয় ক্ৰিয়া-কাণ্ডই যি অলপ অচৰপ পৰিৱৰ্তনৰ পিনে চাল লৈছিল সি গৰগঞা ৰজাৰ দিনত ভালকৈয়ে গঢ় লৈ ঠন ধৰি উঠিল। তেতিয়া অসম ৰাজ্যৰ কীৰ্তি চৌফলীয়া, গড়গাঁৱৰ মহিমা অলৌকিক। সেই গুণেই শান্তি সুখত ভোঁ হৈ থাকি অসমীয়া বুৰঞ্জী লেখকে গড়গাঁও নগৰৰ পৌৰাণিক আখ্যান এইদৰে কৈছিল—

"মহাভাৰতৰ যুদ্ধত অসংখ্য কুৰু-পাণ্ডৱ ধ্বংস হ'ল। বংশ-ৰক্ষা নপৰিব হেন দেখি তেওঁবিলাকৰ ভাৰ্য্যাসকল শঙ্কান্বিত হ'ল। যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞ সমাধা কৰাৰ ফলত পাণ্ডু বংশৰ কেউপিনে জয় জয় ময় ময় হ'বলৈ ধৰিলে। কিন্তু, ঈৰ্ষাপৰায়ণ কৌৰৱৰ হ'লে একো নহ'ল। কুৰুপত্নীসকলে কেনেকৈ তেওঁবিলাকৰ সতি-সন্ততি ভাৰতবৰ্ষত থৈ যাব পাৰে তাৰ কথা আলচিবলৈ ধৰিলে। শেহান্তৰত, ভগবান শ্ৰীকৃষ্ণ-বিনে গতি নাই হেন ভাবি, কুৰুনাৰীসকলে শ্ৰীকৃষ্ণৰ কাষলৈ গৈ, তেওঁবিলাকৰ বংশ ৰক্ষাৰ উপায় কৰিবৰ নিমিত্তে কাকুতি-মিনতি কৰি জনালেগৈ। শ্ৰীকৃষ্ণই কুৰু-পত্নীসৱৰ দুখ পতিয়াই ইন্দ্ৰৰ ওচৰলৈ গৈ ক'লেগৈ, হে ইন্দ্ৰ! তুমি শীঘ্ৰে পৃথিবীলৈ গৈ কুৰুপত্নী-সকলৰ শিৰোমণি দুৰ্ম্মৰীষৰু পত্নীৰূপে গ্ৰহণ কৰাগৈ। সেই স্ত্ৰী সম্ভোগ কৰাৰ পিচত তোমালোকে এনে এজন অসম প্ৰতাপী সন্তান লাভ কৰিবা যাৰ কীৰ্তি-কলাপে পূৰ্ণিমাৰ চন্দ্ৰৰ দৰে দুইমুনি শিলালৈকে বিয়পি পৰিব। এই বুলি কৈয়েই শ্ৰীকৃষ্ণই বৈকুণ্ঠলৈ প্ৰয়াণ কৰিলে। আৰু ইন্দ্ৰ আহি দুৰ্ম্মৰীষৰ ঘৰত উপস্থিত হ'লহি। ইন্দ্ৰ-দুৰ্ম্মৰীষৰ সংযোগত, অচিৰতে এজন দেৱতাসদৃশ পুত্ৰ জন্ম হ'ল। ইন্দ্ৰৰ পাৰিষদসকলে সেই পুত্ৰসন্তানক অসংখ্য পৰিজনে সৈতে এডোখৰ অসম-

অৰণ্যত নি বহুৱালে।" আৰু সেই অৰণ্য সমান কৰি তাতে এক অনুপম নগৰ নির্মাণ কৰিলে। সেই নগৰৰ নাম হ'ল গড়গাঁও। তাৰ দাঁতিতে দিখৌ নৈ; তাতে পাটমাদৈ, কুঁৱৰীসকলে স্নান কৰে।" এনেকুৱা পবিত্র ঠাইতে চুক্লেনমুং ৰজাই অসম দেশৰ ৰাজধানী পাতিলে।

১৫৮৫ শকত গড়গাঁও নগৰৰ অৱস্থা এনেকুৱা আছিল— "গড়গাঁও নগৰৰ চাৰিখন পকী দুৱাৰ। প্রতিখন দুৱাৰলৈকে ৰাজ-ভৱনৰ পৰা তিনি ক্রোশ। হাট-বজাৰ কৰিবৰ নিমিত্তে অহা-যোৱা কৰিবলৈ এটা ওখ আৰু বহল আলি আছে। নগৰৰ চৌপাশে, গড়ৰ পৰিৱর্তে, দুই ক্রোশ, পৰিধিৰ এশাৰী বৃত্তাকাৰ বাঁহ গছ। (এই বাঁহ গছেই বাঁহগড়।) নগৰখন অইন নগৰৰ দৰে নহয়। নগৰবাসী বিলাকৰ ঘৰবোৰ আলি-কাষৰ বাঁহনী মাজত। প্রত্যেক ঘৰ মানুহৰ সমুখত এখনি উপবন বা মুকলি পথাৰ। পথাৰখনৰ এটা মূৰ আলিত লাগিছে আৰু আনটো ঘৰত লাগিছে। ৰজাৰ কাৰেঙৰ ওচৰত দিখৌ নৈ, তাৰ দুয়োপাৰে ডাঙৰ ডাঙৰ ঘৰ। বজাৰৰ আলিটো ঠেক; তাত কেৱল পাণহে বিক্রী হয়; আমাৰ (বঙ্গাল) দেশৰ দৰে ইয়াত খোৱা বস্তু বেচাকিনা নহয়। কিন্তু প্রত্যেকজন মানুহে ভঁৰালত এবছৰলৈ খোৱা বস্তু সাঁচি থয়। নগৰখন ডাঙৰ বহুত গাঁৱৰ সমষ্টি। কাৰেঙৰ চৌপাশে এটা ডাঙৰ আলি; তাৰ ওপৰত, দেৱালৰ পৰিৱর্তে টাটীৰ গড়। তাৰ কাষে কাষে মানুহ পোত যোৱা দ খাবৈ এটা। গড়খাবৈটো পানীৰে ওপচ হৈ থাকে। ইয়াৰ পৰিধি এক ক্রোশ চৈধ্য জৰিপ। ভিতৰত ওখ আৰু আহল-বহল ছপ্পৰ। ৰজাৰ দেৱানখানা বা চোলং ঘৰটো দীঘলে ১২০ হাত আৰু ভিতৰপিনে পথালিয়ে ৩০ হাত। ইয়াৰ ভিতৰত ৬৬ টা স্তম্ভ আছে; প্রত্যেকটোৰ মেৰ চাৰি হাত। স্তম্ভবোৰ ডাঙৰ যদিও দেখিবলৈ নিজম; এইবোৰ দেখিলে, প্রথমতে, চাচি চুকচকি নিমজ কৰা যেন লাগে। আজিক গ্রি অসমীয়াই জোখ-পোতৰ কথা বুজিছে; তথাপি, জুখি মাখি এই স্তম্ভ-বোৰ সাজিছে বুলি বিশ্বাস কৰিব নোৱাৰি। ইয়াত কাঠৰ কাৰু-কার্য্যবোৰ এনে আচৰিতভাৱে সজোৱা পৰোৱা হৈছে যে তাক লিখি বর্ণোৱা অসাধ্য। ইয়াৰ নিচিনা কটকটীয়া, ধুনীয়া নানা কাৰু-কার্য্যেৰে সুশোভিত ঘৰ গোটেই পৃথিৱীত পাবলৈ নাই। এই ঘৰটোৰ

ঘাৰবোৰ কাঠৰ অসাধাৰণ কাৰু-কাৰ্য্যেৰে ৰঞ্জিত কৰা। ভিতৰত ভাঙৰ ডাঙৰ চকচকীয়া পিতলৰ দাপোণ; তাত বেলি ৰশ্মি পৰি চাওঁতাৰ চকুত জলক-তবক লগাই দিয়ে। বাৰ হেজাৰ বাৰৈয়ে এই ঘৰটো এবছৰৰ ভিতৰত সাজিছিল বুলি কথিত আছে। খোঁটালীটোৰ এমূধত চাৰিটা স্তম্ভ; তাত সমুখা-সমুখীকৈ আঙঠী আঁকা আছে। প্ৰত্যেকটো স্তম্ভত ন-টাকৈ আঙঠী। ৰজা বহিলে, এই খুঁটা চাৰিটাৰ মাজতে এখন আসন পতা হয়। তাৰ ওপৰত তৰপাতৰপিকৈ ন তৰপ চন্দ্ৰতাপ বা চাঙতি চন্দোৱাৰ তৰি তলৰ আসনত ৰজা বহে। তেতিয়া ঢুলীয়া খুলীয়াই ঢোল-খোল, মৃদং আৰু তাল বজাবলৈ ধৰে।---। ৰাজসভা বহিলে আৰু ৰজা নাইবা ফুকনসকলৰ কোনোজন ৰাজ কাৰ্য্যৰ কাৰণে বাহিৰলৈ ওলালে তাল বজোৱা হয়।---। গড়গাঁৱত আৰু আন আন ঘৰও আছে। সেই ঘৰবোৰ মটমটীয়া বিতোপনকৈ সজোৱা, বৰ দীঘল আৰু আহল-বহল। সেইবোৰ চাৰি-পাটীৰে ভৰা। বাহিৰফালে ঘৰবোৰ চাবলগীয়া।"

ওপৰত উল্লেখ কৰা বিৱৰণৰ লেখকজনে আকৌ কৈছে "হায়! প্ৰবল প্ৰতাপী পাৎশ্যাৰ ৰাজ্যত (আওৰংজেৱ) এই দেশ চামিল নকৰা হ'লে এই সুন্দৰ বস্তুবোৰ চাবলৈ আহি আমাৰ দৰে, কাফেৰবোৰও কি দুৰ্দশাত পৰিলহেঁতেন! চোলঙৰ বাহিৰে আৰু এটা ঘৰ আছে; এই ঘৰত ৰজা বাস কৰে। ঘৰটো দেখিবলৈ বৰ শুৱনি। ইয়াৰ ওচৰতে ফুকনবিলাকে ঘৰ সাজি লৈছে।---সঁচাসঁচিকৈয়ে এইখনি অতি বিতোপন দেশ!" অসমীয়া মানুহে এনেখনি বিতোপন দেশৰ কথা বুজক নুবুজক, অসমৰ বৈৰী বঙালে হ'লে দেখি শুনি 'মজি গৈছিল!

সেই কালত, গড়গাঁও অসম ৰাজ্যৰ ৰাজধানী। তাত কৰা দিহা বুদ্ধিমতেই অসম দেশখন চলিছিল। সেই দেখি যুদ্ধৰ আহিলা-পাতি বিষয় বাসনা সকলো গড়গাঁৱত প্ৰস্তুত হৈছিল। ৰাজ্যৰ য়ুদ্ধত নৌবাহিনী সকলো জয়জয়তে গড়গাঁৱৰ ওচৰতে দিখৌ নৈত যুগুত আছিল, তাৰপৰা হে অইন ঠাইলৈ নিয়া হৈছিল। প্ৰায় ১৬৭৩ শক-লৈকে অসম ৰাজ্যত দহ ঠাইত নাওশালি আছিল। সেই দহোখন নাওশালিৰ প্ৰধান ঠাই আছিল গড়গাঁৱৰ ওচৰৰ দিখৌ নৈ। তাতে ৰংপুৰৰ ফালে বৰ নাওশালি আৰু গড়গাঁৱৰ ওচৰৰ কাকবাৰী নাও-

শালিত নাওশলীয়া ফুকন, নাওবৈছা ফুকন আৰু সময় বুজি চোলা ধৰা ফুকনে প্ৰত্যেকেই ৩০০০ কাড়ী আৰু ৩০০০ নাওশলীয়া লগাই বছেৰেকত ৬০।৭০।৮০ জন মানুহ ধৰা বাৰ বেওঁ, চাৰে এঘাৰ বেওঁ আৰু এঘাৰ বেওঁৰ নাও ৪০,০০০ হেজাৰ খন যুদ্ধৰ কাৰণে সজাই থৈছিল। গুৱাহাটী আৰু গড়গাঁও নাওশালিৰ নাওবাবৰ কাৰণে বছেৰেকত ১০৫৬০ জন নাৱৰীয়া আৱশ্যক হৈছিল। অতবোৰ নাৱৰীয়াই চলাবলগীয়া নাৱৰ সমষ্টিৰে যেৰি থকা দেখি, অসম ৰজাৰ বিষম সাহৰ কথা শুনি, বামুণ-পৰিমৰা দিখৌৰ গড়া, পাৰ হোৱা অসম্ভৱ যেন ভাবি সাতশত্ৰুৱেও গড়গাঁও সোমাবলৈ সাহ কৰিব নোৱাৰিছিল।

মুঠতে, অসম দেশ ইতিহাসৰ দেশ। তৰু-তৃণৰ পাতে পাতে জল-থলৰ বাটে-ঘাটে, মাক-পুতেকৰ কথায়-বতৰায় অসম-ইতিহাসে অতীত কীৰ্তিৰ একোধাৰি মৰকত মালা আঁৰি আঁৰি থৈছে। অসম-ৰজাই যিদিনাই গড়গাঁও নগৰত ৰাজধানী পাতি, গড়গাঁওখন অসম দেশৰ কাঞ্চনজঙ্ঘা টিং কৰিলে সেই দিনাৰেপৰা সৌ সিদিনালৈকে এনেকুৱা আমোলন মৰকত মালা গাঁথি আছিল; সেই দিনাৰে পৰা অসম ৰাজ্যত 'গড়গঞা কটাৰীৰ ডাবেও কাটিছিল'। কাকবাৰীৰ নাও-শলীয়াহঁতৰ দোপাক-তেপাক নৌচালনা বুদ্ধি দেখি শলিসিয়ান বঙ্গালৰ সেনাইও কৈ গৈছিল,

"গৰগঞা মিতিৰৰ ভাও,
হাতে বোলে থাক থাক
ভৰিৰে হেঁচোকে নাও।"

সেই কালত অসমীয়া মানুহ ঘিঁউৰ চৰুত হাত দি উপজিছিল। "তেতিয়া কালৈকো ফেৰ পাতি নুফুৰিছিল যদিও অসমীয়া জাতি সাধুতা, সত্যবাদিতা আৰু আত্মনিৰ্ভৰতাৰ আহি স্বৰূপ আছিল। তেতিয়া, অইন নকৰিলেও, অসমীয়া জাতিয়ে এনে একোটা প্ৰকাণ্ড প্ৰকাণ্ড আলি পুখুৰী, দল-দেৱাল, গড়-মথাউৰি কৰিছিল যে তাৰ তুলনা জগতবিজয়ী ৰোমান জাতিৰ অভেদ্য দুৰ্গৰ লগত হে দিজাব পাৰি। কিন্তু, এতিয়া বিদেশী শাসনৰ দোষতেই হওক বা চুবুৰীয়া জাতিৰ লগত হাট-বাট কৰাৰ ফলতেই হওক, সেইবোৰৰ একোটোৱেই নাই।" এই আটাইবোৰ অতীতৰ কথা।

"অতীত মৰিল গ'ল, তাৰ কথা অন্ত হ'ল। তেনেহ'লে, সেই অতীতৰ মৰা শ'টো লৈ ঘাটি ঘুটি ফুৰিবৰ আৱশ্যক কি? দেশ খাইছিল, দেশ মাৰিছিল, দ'ল দেৱাল কৰিছিল, ভাল হৈছিল, মৰি শলগুৰি পোৱা সেই ইতিহাসবোৰ এতিয়া কেলৈ?" এই বুলি যদি কোনোবাই এজাউৰি উভঁহা উলিয়ায় তেন্তে তাৰ সমিধানত ক'ব লাগিব যে অতীত নমৰে। মৰে যদিও নল হৈ হে, আকৌ সি পুলি পোখা হৈ গজি উঠিব। কাল আৰু ঘটনা অনুসৰি, দেশৰ ইতিহাসে সমাজিকক দিঠক কাৰে, বুঢ়াক ডেকা কৰে, ডেকাক ৰণলৈ মাতে, সেই ৰণেই সখি! অতীত জগায়!"

(মিকিৰ পৰ্বতত থাকোতে ৩০।১০।২৩ তাৰিখে লেখা।)

"মিলন" জেঠ, ১৮৪৯ শক, ৫ম বছৰ—৩য় সংখ্যা।

বুৰঞ্জীৰ অপযশ ঃ জয় দুৱাৰৰ ঐতিহ্য

শৰাইঘাটৰ যুদ্ধতে মোগল আক্ৰমণৰ ঠেক ছিগিল। হেকউৱা গুৱাহাটী আকৌ আমাৰ হাতলৈ আহিল। মোগল সেনাপতি ৰজা ৰামসিংহ হুঁহকি গৈ ৰঙামাটিত থাকিলগৈ—কিবা এটা ছিদ্ৰ পালেই আকৌ অসম আক্ৰমণ কৰিবলৈ। মোগল বাহিনী পৰাস্ত হোৱাৰ বাতৰি যেতিয়া দিল্লী পালেগৈ আৰু যেতিয়া ৰাম সিংহই ৰঙামাটিত খানা খাই বহি আছে বুলি শুনিলে তেতিয়াই আওৰেংজেব পাটশ্যাই 'ফৰমান' পঠিয়ালে, "ৰামসিংহ তুমি জলদি আহাঁ; ৰঙামাটিত খানা খাই দিল্লীত হাত ধোৱাঁহি।"

ৰামসিংহ দিল্লী পালেগৈ। ৰামসিংহ হে গ'ল, মোগলী আক্ৰোশৰ কাঁইটটো কিন্তু থাকি গ'ল। ৰামসিংহৰ বদলি মনছুৰ খাঁক তাত নবাব পাতি থোৱা হ'ল। ৰঙামাটি অসমৰ গাতে লগা, তাৰ পৰা কোন সময়ত অসমত চোঁ মৰা হয় একো ঠিক নাই। মাখি চালত সোমাই থকা কাঁইটৰ শুং এডালিও কেতিয়াবা মৃত্যুৰ কাৰণ হ'ব পাৰে। সেইদৰে, মনছুৰ খাঁৰ নিকটস্থিতিও অসমৰ নিমিত্তে আগন্তুক বিপদৰ সংকেত বুলি ধৰিব পাৰি। গতিকে, শৰাইঘাটৰ যুদ্ধতে শত্ৰুৰ শক্তি নিঃশেষ বুলি ভবা হ'ল যদিও তাৰ জইন নমৰিল।

যুদ্ধ বিগ্ৰহ ওৰ পৰাৰ পিচত, স্বাভাৱিকতে ৰাজনৈতিক বা-বতাহ, মানুহৰ মতি-গতিয়ে নতুন গঢ় লয়। শৰাইঘাটৰ ৰণ জিকাৰ পিচত অসমৰ ৰাজনৈতিক অৱস্থা আৰু ৰজা-বিষয়া সকলোৰে মন কচুপাতৰ পানীৰ দৰে চঞ্চল-চলকচৌ হ'বলৈ ধৰিলে। ইয়াৰ পৰিণতি চাল খালে বেয়াৰ পিনেহে।

লাচিতৰ বৰফুকন-বৰীয়া কৰ্তব্য শেষ হোৱাৰ পিচত ককায়েক লালুক গুৱাহাটীৰ বৰফুকন হ'ল। তাৰ পিচত, ৰজাৰ ক্ষমতা হ্ৰাস হ'ল; পাত্ৰ মন্ত্ৰীসকলৰ হাতলৈ শাসনৰ শক্তি আহিল। ৰাজক্ষমতাৰ অৰিয়াঅৰি লাগিল—এজনৰ পাচত এজনকৈ ৰজা বধ কৰা হ'ল; ধৰ্মপন্থ লৈ দলাদলি-কটাকটি চলিল। গড়গাঁৱৰ এই অৱস্থা। গুৱাহাটীত থকা বৰফুকন লালুক ইমান ক্ষমতাশালী হৈ উঠিল যে

তেওঁৰেই ৰজাকো ভঙা-পতা কৰিবপৰা হ'ল। তেওঁৰ বৈ-বংশহ, লগা ভগা সকলে হে সদায় সকলো কথাতে ওপৰহতীয়া হ'বলৈ এক্তিয়াৰ পালে। লালুকৰ আদেশ-নিৰ্দেশ মতেই গুৱাহটীয়া ফুকন বিষয়া-সকলক যেতিয়া ভগা আৰম্ভ হ'ল, তেতিয়া শৰাইঘটীয়া ডেকাফুকনে ক'লে, "ফুকনক স্বৰ্গদেৱে হে ভাঙিব পাতিব পায়। ফুকনক ফুকনে ভাঙে পাতে, এনে কথা ক'ত দেখিছা? আজি মোক ভাঙিছে, কাইলৈ তোক ভাঙিব। যি ভাঙে-পাতে সিনো কোন?"

গড়গঞা ডাঙৰীয়াসকলৰ সঁজাতী আছিল ডেকা ফুকন। তেওঁৰ এই কথাতে বিষম পাই, স্বৰ্গদেৱক বুদ্ধি-পৰামৰ্শ দিওঁতা বিচক্ষণ ৰাজমন্ত্ৰী বাঁহগৰীয়া বুঢ়াগোহাঁইকো লালুকে চকুৰ কুটা দাঁতৰ শাল যেন ভাবিবলৈ ধৰিলে। ৰজাৰ ফলীয়া মানুহৰ ছাঁটোকে বাঘটো যেন দেখি থাকি লালুকে মনে মনে প্ৰতিজ্ঞা কৰিলে, "আপুনি শান্ত হৈ থাকিলে, মোক কোনে কি কৰিব পাৰে?"

এনেটোকে ঠিৰাং কৰি তেওঁ তলে-তলে ভায়েক ভাতধৰা (ভাধৰা) ফুকন আৰু মৰঙী বৰবৰুৱাৰে আলচি পূৰ্বে মীৰজুমলাক বৰি "বঙাললৈ" যোৱা বাদুলি ফুকনৰ যোগেদি মনছুৰ খাঁ নবাবলৈ ৰহস্যে লেখি পঠালে, "নবাবে যদি উত্তৰে-দক্ষিণে দুশমান ঘোঁৰা আৰু পানীয়েদি দুকুৰিমান নাও লৈ আহি শৰাইঘাটত দেখা দিয়েহি, তেন্তে আমি "নবাবৰ বিৰাট সৈন্যবাহিনীৰ আগত ঠাৱৰিব নোৱাৰি গুচি আহিলোঁ বুলি" কলিয়াবৰলৈ হহকি যাম। তেজ এটোপা নেপেলোৱা-কৈয়ে নবাবে গুৱাহাটীত থানা পাতি বহিব পাৰিব আৰু গুৱাহাটীখন অনায়াসে নবাবৰ হ'ব। হ'ব হে হ'ব, নবাবে কিন্তু পাটশ্যাহক কৈ মোক "আচম" দেশৰ অধিকাৰী পাতিব লাগিব।" তাৰ উত্তৰত বঙ্গদেশৰ নবাব চায়েস্তাখাঁৰ পুতেক আবদুল নাছিৰ খাঁই বৰফুকনলৈ পাদ্চাৰ চাব-মোহৰ মাৰি এখন চিঠি দিলে। চিঠিৰ লগত সিয়া কাপোৰ এখন মাননী পঠিয়াইছিল। চিঠিত আছিল, "পূৰ্ব সীমনাত সিবোৰ বহিব আমিও পূৰ্ব সীমনাত বহিম। পূৰ্বে যেনতে ধাৰাণ একআস প্ৰীতি চলিছিল এখনো তেনতে চলিব।" চিঠিখনৰ তলা-মলা নুবুজাৰ ভাও ধৰি, দেখুৱাই ৰজাঘৰীয়া নিয়ম ৰক্ষা কৰি, লালুকে বৰফুকনে সেই চিঠিখন গড়গাঁৱত থকা ৰাজমন্ত্ৰী বাঁহগৰীয়া বুঢ়া গোহাঁইলৈ পঠিয়ালে—লগতে লেখিলে—'এতিয়া কি কৰা হ'ব?

মোগলে পাইছি হে লাগে।' এনে সঙ্কট কাল আহিব বুলি দূৰদৰ্শী বুঢ়াগোহাঁয়ে আগতে ভাবিছিল আৰু গুৱাহাটীত ভৰি পিছুৱালে, মাজ-ৰাজত্য থিয় হ'বলৈ এড়োখৰ ঠাই লাগিব বুলি চিন্তামণি গড় বন্ধাই-ছিল। সেই গড় বন্ধাই থাকোতেই লালুকে পঠোৱা চিঠি ওলালগৈ।

নাচিৰ খাঁৰ চিঠি পাই বুঢ়াগোহাঁই খঙতে ঘৃতাহুতি হ'ল। তথাপি চিঠি পঢ়ি প্ৰকৃত ৰাজনীতিকৰ দৰে সৌম্যভাৱে মাত লগালে, "বোলে, বৰফুকনৰ নাম তল কৰি নৱাবৰ নাম কিয় ওপৰত দিলে? আৰু সিহঁতে কাপোৰ নো কোন দিনা সিহঁতে আমাক দি পাইছিল? সীমাৰ কথা যে কৈছে, ঈশ্বৰে যাক যেতিয়া যি সীমা দিয়ে, সেয়ে তাকেহে ভোগ কৰে। এইটো মোৰ সীমা, সেইটো তাৰ সীমা বুলি কোৱা অনুচিত। নবাবে পাহৰিছে এনেকৈ লেখিলে হ'বলা! ঘোঁৰা-হস্তী নো কি? আমাৰ মানত সেইবোৰ পশু হে।" এই চিঠি নিছিল বাদুলীয় মানুহে। চিঠি পঠিয়ায়েই লালুক দলেবলে কলিয়াবৰলৈ উজাই গ'লেই আৰু গড়গাঁও পাই চামগুৰিয়া ল'ৰা ৰজাক ৰজা পাতি নিবিবাদে স্বয়ং ৰজাৰূপে প্ৰবৃত্তিবলৈ ধৰিলে। ল'ৰা ৰজাৰ সমানে বহি ভেম আৰু খিতাপ দেখুৱাত পাত্ৰমন্ত্ৰীসকলে তেওঁক ১৬০২ শকত ভোটাই ডেকাৰ হতুৱাই ওভোটা কোলেৰে খোচাই মৰোৱালে।

ইপিনে, লালুকৰ আশ্বাস পাই সসৈন্যে মনছুৰ খাঁ গুৱাহাটী সোমালেহিয়েই। সোমাই চায় দেখোন---গুৱাহাটী শূণ্য; একেবাৰে নিজম দেখি, মনছুৰে গুৱাহাটী গড় সোমাবলৈ ভয়কে কৰিছিল--- জানোচা কোনোবাই কিবা কামৰূপী যাদুমন্ত্ৰকে কৰি থৈছে। পিচে, বৰফুকনৰ থৈ যোৱা ৰখীয়া এটাই সুমুৱাই দিলত জানিবা ভয় ভাগিল। মনছুৰ খাঁৰ মনে গুৱাহাটীতে টিঘিল-ঘিলাই আছে।

এফালে যাক এৰি পাও দিবলৈ অসমত ঠাই এডুখৰি নাই, তেনেহেন দেৱৰো দুৰ্লভ গুৱাহাটী ৰাজ্যখনি মোগলৰ পদানত, আন-ফালে ৰাজ্য বিপ্লৱ---কাৰো একো ঠান-থিত নাই---এনে সংকত কালত লালুকৰ বিৰোধী সকলোৱে গদাধৰ সিংহকে অসমৰ ৰাজপাটত বহুৱালে।

গদাধৰে ৰজা হৈয়ে পাত্ৰমন্ত্ৰী সকলোৰে সমালোচনা কৰিলে "১৫৯৩ শকত লালুকে গুৱাহাটী থানা মোগলক এৰি দিলে। ১৬০০, শকৰ ফাগুনৰ পৰা মনছুৰে গড়লৈ ৩ বছৰ ৫ মাহ অধিকাৰ কৰিলে।

“ৰাজা হ'লে, যুদ্ধ কৰিবাক লাগে, ই ধৰ্ম। শত্ৰুৰ অধীন হৈ থাকিতে ভাল নুই।” পাত্ৰমন্ত্ৰীসকলেও অভয় দিলে, “আমি প্ৰাণক টাকি যুদ্ধ কৰিম। তেবেহে লোণ-চাউল শুজিব পাৰিম।”

কিন্তু, যুদ্ধ জিনি দেশ বৈয়ত কৰিবলৈ হ'লে, যুদ্ধলৈ যোৱাৰ আগতে চুকে-কোণে আঁৰ লৈ থকা পঞ্চম বাহিনী বা ঘৰ বিভীষণ বোৰ অঁত কৰিব লাগিব। ইয়াৰ অন্যথাই ৰাজ্য সদায় থৰক বৰক হৈয়ে থাকিব। এয়ে শুক্ৰ নীতি। সেইদেখি, গদাধৰে ৰজা হৈয়ে সেই ৰাজদ্ৰোহীবোৰৰ বিচাৰ কৰি যাক যেনেকৈ পাৰে তেনেকৈয়ে দণ্ড কৰিলে। মনছুৰ খাঁক পোনেই মাতি আনি গুৱাহাটী সুমুৱাওতা, বিশ্বাসঘাতক ৰাজদ্ৰোহী ভাতধৰা ফুকনক বাকছুতে সপুত্ৰে ধৰি আনি পুতেকৰ গাৰ মঙহসৈতে আগমঙহখিনি তপত তেলত ভজাই বাপেকক খুৱালে। তাৰ পিচত, কণীবিহৰ সঁচ নথওঁ বুলি ভাতধৰাৰ বৈ-বঙহ এটাইবোৰকে নামৰূপলৈ মেলিলে আৰু ভাতধৰাকো ৰাধাহোৰ চেপি মৰালে। এইৰূপে কঠোৰ দণ্ড কৰা দেখি কাষলতিৰ চুকত সোমাই থকা বিদ্ৰোহী চিকৰাবোৰো তাপ মাৰিলে।

এতিয়া স্বৰ্গদেৱৰ বঁটা প্ৰসাদ লৈ, বাহুবলী কাঁড়ীবাৰুৱতী হিলৈ-দাৰী-ধনুধাৰী সকলো ওলাল সন্টম হৈ,---কলিয়াবৰৰ পৰা সংক্ৰামক মোগলী ব্যাধিৰ পৰা গুৱাহাটীখন চাফ্ কৰিবলৈ।

মনছুৰ অধিপতি হৈয়ে য'ত য'ত তেওঁৰ চিপাহী চন্তৰিবোৰ লালুকি হেনকৈ মেলাই থোৱাইছিল সেইবোৰ ঠাইতে গদাধৰৰ “নাই ৰঙামাটি, নাই গুৱাহাটী” বুলি যোৱা দৃঢ়সংকল্পী সৈন্য-সেনাই ক্ৰমান্বয়ে গদা কোবাই যাবলৈ ধৰিলে। পোনেই কোবালে পিকচাই চেতিয়াৰ নাতি ডেকা ফুকনৰ জুমে উত্তৰ বাঁহবাৰীত; দক্ষিণে সোণাপুৰত লাগিলগৈ। লানমাখৰুৰ ফৈদ সমন্বিতে ডিমৰুৱা-পাণবৰীয়া ৰজাই কলঙে ভটীয়াই গ'ল গড়গঞা সন্দিকৈয়ে সৈতে ৰাজখোৱা জনদিয়েক; লুইতে ভটিয়ালে লানমাখৰুৱা চেতিয়াফুকন নিজে পানীফুকন, পানীশলগুৰীয়া ৰাজখোৱা প্ৰভৃতিক লৈ। মোগলৰ চিপাহী চন্তৰী হৰমুৰকৈ মাৰি-ধৰি এইবোৰ ঠাইৰপৰা এভাগটি ফৌজ কাজলীত ওলালহি। কাজলীতে দুভাগ হ'ল; এভাগ গ'ল পানীখাইটীৰ ফালে আৰু আনভাগ গ'ল কুৰুৱাৰ ফালে। তাৰ পিচত সোণাপুৰ মাৰিলে। শৰণীয়া পৰ্বতৰ আগত ৰিখন মুকলি ঠাই আছিল, য'ত পাচত জয়দুৱাৰ পতা

হ'ল, তাতো বহুত মোগলী চিপাহী জমা হৈ আছিল। অসমীয়া সেনা বা-মাৰলীৰ দৰে অহাৰ বাতৰি পাই সেই চিপাহীঠাঠ ইটাখলি সোমাল গৈ। দিহিঙীয়া বৰবৰুৱা, নেওগ ফুকন, চাৰিঙীয়া ফুকন, নামভঙীয়া ফুকন—এই সকলে শৰণীয়া পৰ্বতৰ আগত বৰ ডাঙৰ কোঁঠ মাৰিলে, গড়ো বান্ধিলে, বেহুও পাতিলে। ইটাখুলিৰ পৰা ওলাই আহি মনছুৰৰ চিপাহীয়ে শৰণীয়া পৰ্বতৰ গড়তে ধৰিছিলহি কিন্তু, আমাৰ সেনাই খেদি গৈ ইটাখুলি পালেগৈ। তাতে লুইতৰ উত্তৰ পাৰে থকা অসমীয়া. সৈন্যখিনিও লগ লাগিলহি। দুয়োফালৰ কাঁড়-গুলিৰ তাপত ঠাৱৰিব নোৱাৰি মনছুৰ খাঁ পলাই পলং দিলে। শক ১৬০৫। শৰাইঘাটৰ যুদ্ধত, মৰা সাপৰ নেগুৰত যিৰূপ বিষ লাগি আছিল, সেই বিষ আৰু উৰি গ'ল। গুৱাহাটী মোগলমুক্ত হৈ সোণৰ সঁফুৰা অসমৰ গৰ্ভত সোমাল।

শৰণীয়া পৰ্বতৰ কাষত যি যুদ্ধ হৈছিল, সেয়ে আতাইতাই যুদ্ধ ; তাৰ ওপৰতেই হুৰাজিকা নিৰ্ভৰ কৰিছিল। সেইগুণে তাত এনেকুৱা এটি বিশ্বকৰ্মাহেন দুৱাৰ-গড়-বেহ কৰিবলগীয়া হৈছিল যাতে শত্ৰুৰ বালিচাহী এটিও সৰকি যাব নোৱাৰে। যি ঠাইকে কেন্দ্ৰ কৰি মোগল যুদ্ধৰ সমাপ্তি ঘটোৱা হ'ল আৰু যি যুদ্ধই লাচিত বৰফুকনৰ অপূৰ্ণ আকাঙ্ক্ষা পূৰ্ণ কৰি গ'ল, সেই ঠাইৰ নামেই হ'ল জয়দুৱাৰ। জয়দুৱাৰৰ পৰ্বতীত থকা ঘটনাসমূহে দেখুৱাই নিদিয়ে নে যে শালচকুৱা বিচক্ষণতা নহ'লে কোনো ৰাজনীতিকে কেতিয়াও দেশৰ স্বাধীনতা ৰক্ষা কৰিব নোৱাৰে। আজি সেই গৌৰৱোজ্জ্বল "জয়দুৱাৰ" নাম কলৈ গ'ল? কোনে আজি তাৰ মুখত ছাই সানি অমৰ্য্যাত (অশ্লীল) নাম দিলে? স্বাধীন হোৱাৰ পিচতো বুৰঞ্জীৰ এনে অপযশ ৰটনা হৈয়েই থাকিব নে?

অসম বাতৰি ॥ ৩০ শাওণ, ১৮৮৬ শক॥ স্বাধীনতা দিবস সংখ্যা ॥

অসমীয়া ৰামায়ণ কোনে কৰালে ?

আজি-কালি কোনো কোনো সভা-সমিতি আৰু কাকত-পত্ৰত, গৱৰ্ণমেণ্টৰ এত্‌লা অনুসৰণ কৰি আমাৰ কোনো-কোনো জনা-বুজা লোকসকলে কয় যে কছাৰী জাতিৰ মাজত অসমীয়া ভাষা প্ৰচলন কৰিব লাগে আৰু কছাৰীসকলে বড়ো ভাষা কোৱা বাবে, অসমীয়া জাতি বুলি দাবী কৰিব নোৱাৰে। দকৈ ভাবি চালে, উল্লিখিত অভিমত দুটিৰ ওপৰত এই বুলি ক'ব পাৰি যে কছাৰীৰ মাজত অসমীয়া ভাষা চলাবলৈ যোৱা মানে তেলীয়াৰ মূৰত তেল ঢলা আৰু "কছাৰী-সকল যে বিদেশী নহয়েই অইন কি আজিকালিৰ বহুত অসমীয়াতকৈ বেচি পুৰণি অসমীয়া। আমাৰ অনুমানেৰে কছাৰীসকলে দহ হেজাৰ বছৰৰো ওপৰ অসমত বাস কৰিছে।"* সেইবাবে তেওঁলোকেহে চেঞ্চছ ৰিপৰ্টত দেখুউৱা ১৭ লাখ বা ২০ লাখ অসমীয়াৰ ওপৰত সৌকা জোকাৰিব পাৰে। সেই সৌকা জোকাৰিবলৈ কছাৰীসকলৰ অধিকাৰ আছে। কিয়নো, অসমীয়া সাহিত্যৰ মূল আদৰ্শ সৃষ্টি হৈছিল কছাৰী ৰজাৰ অনুৰোধত আৰু কছাৰীৰজাৰ আমোলত। আদৰ্শৰ স্ৰষ্টা আছিল বিপ্ৰ-নন্দন মাধৱ-কন্দলি---ৰচিছিল অসমীয়া সাতকাণ্ড ৰামায়ণ আৰু তাৰ হেতু আছিল কছাৰী ৰজা মহামানিক ফা। যি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ-মাধৱদেৱে অগাধ শাস্ত্ৰৰ বাৰিধি অসমীয়া ভাষাত মন্থন কৰি অসমীয়া কোঁচ ৰজা নৰনাৰায়ণক বিক্ৰমাদিত্য উপাধিৰে বিভূষিত কৰাব পাৰিছিল সেই শঙ্কৰ-মাধৱদেৱ কছাৰী ৰজাৰ অন্নেৰে পৰিপুষ্ট মাধৱ-কন্দলিৰ ওচৰত কিমান ঋণী তাক তেৰাসকলে স্ব স্ব লেখনীৰেই প্ৰকাশ কৰি গৈছে। শঙ্কৰদেৱে উত্তৰাকাণ্ডত উল্লেখ কৰিছে ঃ---

"পূৰ্ব্ব কবি অপ্ৰমাদী মাধৱ-কন্দলি আদি
পদে বিৰচিলা ৰাম কথা।
হাথীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰে ভৈল তেহ্নয় অৱস্থা।"

---

* প্ৰভাতী ২য় বছৰ ২য় সংখ্যা।

মাধৱদেৱেও আদিকাণ্ডত লিখিছে—

"ৰামৰ চৰিত্ৰ বিৰচি আচন্ত,
মহা মহা কবি জনে।
তাসম্বাক দেখি পদ কৰিবাৰ
সাধ ভৈল মোৰ মনে ॥
প্ৰমত্ত হস্তীক সিংহে বিমৰ্দ্দয়
আপনাৰ বনে ৰাগী।
দেখি আতিশয় ক্ষুদ্ৰ মূষকৰ
শ্ৰদ্ধা হোৱে তাক লাগি ॥
সিংহ মূষকৰ, যতেক অন্তৰ
মোৰো সেহি পটন্তৰ।
ইটো মোৰ দোষ ক্ষেমিবে উচিত
তুমি সব মহন্তৰ।"

এই কেইফাঁকি পদৰ বিষয়ে পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে লিখিছে, "ইয়াত মাধৱদেৱে স্পষ্টকৈ মাধৱ-কন্দলিৰ নাম উল্লেখ নকৰিলেও তেওঁ যে শঙ্কৰদেৱৰ দৰে মাধৱ-কন্দলিৰ আহিকে স্বীকাৰ কৰিছে তাক সহজে বুজিব পাৰি।"* এই অনুক্ৰমে অনন্ত কন্দলিয়েও লিখিছে ঃ---

"মাধৱ কন্দলি বিৰচিলা ৰামায়ণ।
তাক দেখি আমাৰ আকুল বৰ মন ॥"

উদ্ধৃত পদবিলাকৰ পৰা বুজিবলৈ বাকী নেথাকিল যে শঙ্কৰ-মাধৱ আদি কবিসকলৰ মাধৱ-কন্দলিয়েই আহি আছিল আৰু সেই আহিয়েই আছিল "সাতকাণ্ড ৰামায়ণ" যাক ৰচনা কৰোঁতে মাধৱ-কন্দলিয়ে নিজ কাপে ব্যক্ত কৰিছে।

"কবিৰাজ-কন্দলি যে আমাকে সে বুলি কয়
কৰিলোঁহোঁ সৰ্ব্বজন বোধে।
ৰামায়ণ সুপয়াৰ শ্ৰীমহা মাণিকে যে
বৰাহ ৰজাৰ অনুৰোধে ॥

---

* "চেতনা" আৰু "বাঁহী"।

সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ
লম্ভা পৰিহৰি সাৰোদ্ধৃত।
মহামাণিকৰ বোলে কাব্যৰস কিছোঁ দিলোঁ
দুগ্ধক মথিলে যেন ঘৃত॥
পণ্ডিতলোকৰ যেবে অসন্তোষ উপজয়
হাত যোৰে বোলোঁ শুদ্ধ বাক----১"

হেমচন্দ্ৰ গোস্বামীয়ে উদ্ধৃত কৰা সাৰাংশত আৰু আছে :—

"কবিৰাজ কন্দলি যে আমাকে সে বুলি কয়
মাধৱ কন্দলি আৰু নাম।
সপোনে সুচিতে মঞি জান কায়বাক্যমনে
অহর্নিশে চিন্তো ৰাম ৰাম---॥"

মাধৱ কন্দলিৰ এই কেইফাঁকি কথাই অন্ধকাৰত পৰি থকা কছাৰী বুৰঞ্জীৰ বহুত সন্ধেদ দিলে। ইয়াৰপৰা আমি পালোঁ যে—

(১) মহামাণিক্যৰ অনুৰোধত সাতকাণ্ড ৰামায়ণ ৰচনা কৰা হৈছিল।

(২) সেই মহামাণিক বৰাহ-ৰজা আছিল।

(৩) মহামাণিকে অসমীয়া ভাষাত পুথি লেখোৱাই প্ৰচাৰ কৰিবলৈ সভাত মাধৱ কন্দলিৰ নিচিনা পণ্ডিত ৰাখিছিল।

এতিয়া কথা হৈছে, এই বৰাহৰজা মহামাণিক কোন ? 'শব্দকল্পদ্ৰুম'ৰ মতে বৰাহ বা বৰাহী একেটা জাতি। বৰাহ বা বৰাহী শ্যামা দেৱীৰো আন এটা নাম। পাটকাই পৰ্বত পাৰ হৈ আইষোম (আহোম) বিলাকে আসামত ৰাজ্য বিস্তাৰ কৰাৰ বহুকালৰ আগৰেপৰা শ্যামা দেৱীৰ উপাসক এই বৰাহীবিলাক আমাৰ দেশত আছে। ৰিছলী, লাথাম আদি জাতিতত্ত্ববিদ পণ্ডিতসকলৰ অনেক শাস্ত্ৰ অধ্যয়নৰ দ্বাৰাই দৃঢ়ভাৱে প্ৰতিষ্ঠিত মতৰ ওপৰতে সম্প্ৰতি আমি ক'ব পাৰোঁ যে বৰাহীবিলাক বড়ো বা কছাৰীবিলাকৰে এটি ঠাল বা কছাৰীৰে সতি-সন্ততি। আহোম বা টাই-চামবিলাক প্ৰৱেশ কৰোতে উজনি

১ মাধৱ চন্দ্ৰ বৰদলৈৰ দ্বাৰা সম্পাদিত "ৰামায়ণ"।

অসমত কছাৰীবে বৰাহী, মৰাণ, মদাহী মানুহবিলাকেই অধিবাসী আছিল। এই কথা অসম বুৰঞ্জীয়েই সমৰ্থন কৰে। গতিকেই মহামাণিক কছাৰী ৰজা।

গেইট চাহাবে আৰু তেওঁৰ পটিয়েদি বাট কাটোঁতা আমাৰ অন্যান্য বুৰঞ্জী লিখকে পৰিবৰ্দ্ধিত সংস্কৰণৰ "অসম বুৰঞ্জী"তো কছাৰীৰ পোনপ্ৰথম ৰজা খুনখাৰা বুলি লিখিছে। গেইট চাহাবক আমাৰ ক'বলৈ একো নাই। কিন্তু বুৰঞ্জী লিখক বুলি ৰজাঘৰে-প্ৰজাঘৰে প্ৰসিদ্ধি লাভ কৰোঁতা আমাৰ বুৰঞ্জী লিখকসকলে গেইটৰ খুন্‌খাৰাকে কছাৰীৰ আদি ৰজা বুলিলে সেই লিখকসকলৰ বুৰঞ্জী লিখা চেষ্টা পৰৰ মূৰত খোৱা ভটীয়নি নাৱত বোৱা নিচিনা লাগে।

২য় বছৰৰ একাদশ সংখ্যা 'আৱাহন'ত প্ৰকাশিত হোৱা কছাৰী বুৰঞ্জীৰপৰা জনা যায় যে বীৰসাহৰ পাচত বিচাৰপতি ফা ৰজা হয়। তেওঁৰ পুতেক বিক্ৰমাদিত্য ফা। এওঁ "নামচাং" বৰহাট সীমা কৰি ৰাজ্য মাৰিলে। বহুত দিন ৰাজ্য ভোগ কৰিলে আৰু সুবৰ্ণৰ দশভুজা মূৰ্তি কৰি দেৱালয় কৰি সোণাপুৰ নাম থলে। এতেকে, অদ্যাপিও সোণাপুৰ বোলে। আৰু সুবৰ্ণৰ বাণেশ্বৰ মূৰ্তি কৰি দেৱালয় থাপি বাণপুৰ নাম থলে। আজিও বাণপুৰ বোলে। পদুম পুখুৰী খানি নগৰো কৰিলে। তাৰ পিচত, তেওঁৰ পুতেকে মহামাণিক ফাক তাতে থৈ ভটীয়াই লখিন্দ্ৰপুৰলৈ আহিল। তাত বিক্ৰমাদিত্য ফা মৰিল। তেতিয়া মহামাণিক তাৰ ৰজা হ'ল। ৰজা হৈ পুতেক মণিফাক তাত থৈ তেওঁ "পাট-হেড়ম্বক আহি ৰজা হৈ ৰহিলহি তাত পাচে মহামাণিক ফা মৰিল।" মহামাণিকৰ পাচত হোৱা তৃতীয় জন ৰজাৰ নাম ভোৰাচাং ফা বা গেইটে নাম দিয়া ডেটচুং। এই ডেটচুঙৰপৰা পম ধৰি হেমচন্দ্ৰ গোস্বামীদেৱে ১২৬৯ শকত মাধৱ-কন্দলিয়ে অসমীয়া সাতকাণ্ড ৰামায়ণ লিখিছিল বুলি ঠাৱৰ কৰিছে। শিৱসাগৰ জিলাৰ ভিতৰত, এতিয়া য'ত বাণ ফেৰা, সোণাৰি আৰু বৰাহী চাহ বাগিছা আছে তাতেই মহামাণিক ফাৰ ৰাজপাট আছিল বুলি অনুমান কৰিব পাৰি আৰু তাতেই তেওঁৰ অনুৰোধ মতে মাধৱ-কন্দলিয়ে সুললিত অসমীয়া পদ্যৰে সাতকাণ্ড ৰামায়ণ লিখি অসমীয়া মানুহক দান দি থৈ গ'ল বুলিলে লেখাওতা, লিখোতা, ৰাজ্য আৰু ৰাজ্য বিস্তৃতিৰ লগত এটি ঘনিষ্ঠ সম্বন্ধ স্থাপন

কৰিব পাৰি। তেনেহ'লে, আমি এতিয়া দেখিলোঁ যে আনুমানিক ১২৬৯ শকত কছাৰী ৰজা মহামাণিক ফাৰ ৰাজঅনুগ্ৰহত অসমীয়া সাহিত্যৰ সুবিমল শশধৰ মাধৱ-কন্দলিয়ে অসমীয়া ৰামায়ণ লিখে। কছাৰীসকলৰ ভিতৰত আজিও বহুত ঠাইত "ৰামায়ণৰ জোৰা" দেখিবলৈ পোৱা যায়। বোধকৰোঁ এই জোৰাৰ সৃষ্টি মহামাণিক ফাৰ দিনৰে। এই জোৰাবিলাকে মাধৱ-কন্দলি ৰচিত ৰামায়ণ গানবিলাক বিহুৰে-সংক্ৰান্তিয়ে ঘৰে ঘৰে গাই ফুৰে।

কছাৰী ৰজাৰ অনুগ্ৰহতেই যদি পোন-প্ৰথম অসমীয়া সাহিত্যৰ লখিমী পচোৱা হ'ল, "কছাৰী জাতিৰ ভিতৰত আজি কালি (সেই অসমীয়া ভাষাৰ) কি অৱস্থা হৈছে বোধকৰোঁ বহুতে নাজানে" বুলি আক্ষেপ কৰিবলৈনো তেন্তে কি থাকিল! বুৰঞ্জীৰ ঘটাৱলী ঘৰাই আনিবলৈ হ'লে কছাৰীবিলাকেই অসমীয়া ভাষা প্ৰচলন কৰি অসমত নতুন বাট দেখুৱাব লাগিব।

খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ অসমীয়া সাহিত্যিকসকলৰ যুটীয়া চেষ্টাৰ বাবে মহাৰজা নৰনাৰায়ণক যদি আমি আমাৰ বিক্ৰমাদিত্য বুলিব পাৰোঁ, কবিৰাজ দ্বিজ চক্ৰৱৰ্তী আদিৰ গ্ৰন্থাৱলী পঢ়ি সাম্ৰাজ্য-বাদী ৰুদ্ৰসিংহ মহাৰাজক যদি আমাৰ কৃতজ্ঞতা সম্ভাৰ আগ বঢ়াব পাৰোঁ, অসমীয়া ভাষাৰ অনুপম গ্ৰন্থ সাতকাণ্ড ৰামায়ণ ৰচিবলৈ দিহা বুদ্ধি সহায় সূচনি দিওঁতা কছাৰী ৰজা-মহামাণিক ফাক সদৌ অসমীয়া জাতিয়ে কৃতজ্ঞতা জনালে নো-কি দায় লাগিব?

"ৰাইজ", প্ৰথম বছৰ, দ্বিতীয় সংখ্যা। শাওণ ১৮৫৫ শক।

অসমীয়া চাহৰ আঁতি-গুৰি

অসম ৰজা চন্দ্ৰকান্ত সিংহৰ লগত থকা ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজেণ্ট, স্কটলেণ্ড দেশীয় চাহাবৰ সন্তান মেজৰ ৰবাৰ্ট ব্ৰুছ ইং ১৮২৩ চনত চিংফৌ দেশলৈ য়াওঁতে, তাৰ ৰজা বীচা গামে তেওঁক হেনো দুজোপা চাহ-গছ ভেঁটী দিছিল আৰু তাৰ সলনি ব্ৰুছে গামক ধপাত ভৰাই লোহা এটা বাজনা-টেমা উপহাৰ দিছিল। কিন্তু, এনে সময়তে অৰ্থাৎ ১৮২৪ চনত মানে অসম দেশত হুলস্থুল লগাই থকাত তেও সেই চাহ্-গছ আনিব নোৱাৰিলে। চাহৰ সম্পৰ্কত ইমানতে ৰবাৰ্ট ব্ৰুছৰ নাম আধ্যা পৰিল। মানৰ উৎপাত গুচিল। দেশ বৃটিছৰ তললৈ আহিল। কৰ্ণেল ৰিচাৰ্ড (Richard) চাহাবে ৰংপুৰত বৃটিছৰ নিচান পুতিলেহি। কৰ্ণেল চাৰ্জন, নিউৱিল (নৱীন) কাৰ কেপ্তেইন, চাৰ্লটন, বিৰিমফিন্ চাহাব আৰু তেওঁলোকৰ লগতে মণিৰাম দুৱৰা উজাই গ'ল চিংফৌ দেশলৈ। সদিয়াতে তেওঁবিলাকে থাকিবলৈ ললে।

এদিন সেই সদিয়াৰ বাহৰলৈকে বীচা গাম আহে। বিৰিম্ফিন্ চাহাবে ভাত-পানী খাই উঠি গামক চীন দেশৰপৰা অনা চাহৰ পানী এবাটি খাবলৈ দিলে। গামে পানী খাই 'ফানাপ' বুলি মাত লগাই উঠিল। চিংফৌৱে চাহপাতক যে ফানাপ বোলে মণিৰামে চাহাবক বুজাই দিলে। চাহাবে গামক সেই ফানাপৰ পুলি গোটাদিয়েক খুজি পঠালে। গামে গুটি, পুলি, গছ আটাইবোৰ আনি চাহাবক দিলেহি। বিৰিম্ফিন্ চাহাবে সেই গুটি আৰু পুলি কুণ্ডিল নৈৰ দাঁতিত থকা ছাউনিৰ ভিতৰতে ৰোৱাই থলে। চাহপানীয়ে যে ৰাগী নলগায়, অথচ গা-মন ৰজিত-ৰজিত হে কৰে, এই কথা বিৰিম্ফিন (বেভিংছফিল্ড)ৰ মুখতেই পোন প্ৰথম ওলায়। সেই গুণে, টিটক পাহাড়ৰ ওচৰত থকা দোৱনীয়া বিলাকে বিৰিম্ফিন্ আৰু মণিৰামকে চাহৰ আৱিষ্কৰ্তা বুলি আজিকোপতি কৈ থাকে।

চাহৰ গুটি পচায়েই বিৰিম্ফিন্ চাহাব ভটিয়াই যাব লগা হ'ল। তেওঁক খাচীয়াবিলাকে পিচত নৃশংসভাবে হত্যা কৰিলে। সদিয়াত

থাকিল চি, এ ব্ৰুচ্চ আৰু চাৰ্লটন চাহাব। ব্ৰুচ্চ চাহাবে দাঁতিয়ে-কাষৰে অনুসন্ধান কৰি বহুত চাহৰ গছ পালে। তাৰে নমুনা স্বৰূপে কেইজোপামান গছ, গুটি আৰু কিছুমান পাত গৱৰ্ণৰ জেনাৰেলৰ এজেণ্ট ডেবিড স্কটলৈ পঠিয়ায়। ডেবিড স্কটে আকৌ সেই গছ আৰু গুটি পৰীক্ষাৰ কাৰণে কলিকতাৰ উদ্ভিদতত্ত্বসকললৈ পঠিয়াই দিয়ে। তেওঁবিলাকে সেইবোৰ চাহ ভাল বুলি শলাগিলে। কিন্তু বহুতৰ মনত সন্দেহ হ'ল যে, অসমত চাহ হোৱাটো অসম্ভৱ! চীন দেশৰ চাহেইহে প্ৰকৃত আৰু উৎকৃষ্ট চাহ। সেইদেখি, তেতিয়াৰ গৱৰ্ণৰ জেনাৰেল লৰ্ড আমহাৰ্ষ্ট (Lord Amherst) অসমত চাহ হোৱা বা চাহৰ খেতি কৰোৱা কথালৈ বৰকৈ মন-কাণ নিদিলে। ব্ৰুচ্চে ইপিনে কাকতে-পত্ৰই অসমত চাহ খেতি কৰোৱাৰ বিষয়ে টানি লিখিছিল যদিও, কৰ্তৃপক্ষসকলে বৰকৈ তালৈ চকু দিয়া নাছিল। লাহে লাহে ব্ৰুচ্চ আৰু স্কটৰ কথা নিফুট মাৰিলেগৈ যদিও, লৰ্ড উইলিয়াম বেণ্টিঙ্কৰ (Lord William Bentinck) আমোলত কলিকতাৰ ইংৰাজ সদাগৰবিলাকে চীন দেশৰপৰা গুটি অনাই অসমৰ মাটিত পচাবলৈ স্থিৰ কৰিলে। অসমৰ মাটি আৰু জলবায়ু চাহ-গছৰ নিমিত্তে উপযোগী হয় নে নহয় তাক পৰীক্ষা কৰিবলৈ গৱৰ্ণমেণ্টৰ দ্বাৰাই চাহ কমিটি এটি গঠিত কৰোৱা হ'ল। সেই কমিটিৰ সভ্য ডাক্তৰ ৱালিছ, ডাঃ মেকডোনেল্ড, ডাক্তৰ গ্ৰিফিল আৰু ৰামকমল সেন আছিল অসমলৈ আৰু চীন দেশৰপৰা চীনা মানুহ আৰু চীনা চাহৰ গুটি আনিবৰ নিমিত্তে গৰ্ডন চাহাব গ'ল চীন দেশলৈ।

ইপিনে চাৰ্লটন আৰু ব্ৰুচ্চে ন-দিহিঙৰ পোনে পিটপিটীকৈ বিচাৰি হাবিৰ মাজত থকা ডৰাই ডৰাই চাহৰ গছ আবিষ্কাৰ কৰি জেনকিন্স চাহাবক জনালে। ব্ৰুচ্চ বৰ উদ্যোগী আৰু চকুৱাল আছিল। সেই বাবেই, গৱৰ্ণমেণ্টে তেওঁক চাহবাৰীৰ হৰ্তা-কৰ্তা পাতিলে। চীন দেশৰপৰা কুৰি হেজাৰ চাহ গছৰ পুলি আৰু কেইটামান চাহৰ কাম জনা চীনা মানুহ লৈ গৰ্ডন চাহাব ঘূৰি আহিল। সেই কুৰি হেজাৰ পুলিৰ ভিতৰত আঠ হেজাৰ পুলিহে মাথোন জীয়াই থাকিলগৈ। পোন প্ৰথমেই গৱৰ্ণমেণ্টে যি ডোখৰ ঠাইত চাহ ৰোৱাই চাইছিল সেই ডোখৰৰ নামেই পিচত "চাবুৱা" হলগৈ। জীয়াই থকা আঠ হেজাৰ

পুলি খুন্দহৰ তত্বাৱধানত ৰুবলৈ দিয়া হয়। কিন্তু ৰোৱা মানুহৰ দোষতেই বা চাওঁতাৰ দোষতেই হওক তাৰ এটি পুলিও জীয়াই নাথাকিল। গৱৰ্ণমেণ্টৰ অযথা বহুত খৰচ হ'ল।

গৱৰ্ণমেণ্টে চাহৰ বাৰী পাতি চাহৰ খেতি কৰক—জেনকিন্স চাহাবৰ এনে ইচ্ছা সমুলি নাছিল। তেওঁৰ ইচ্ছা আছিল—গৱৰ্ণমেণ্টে চাহ খেতি কৰি বজাৰত অসমীয়া চাহৰ ঠাই আছে বুলি বাট দেখুৱাই দিয়ক আৰু জনসাধাৰণক সেই খেতিত লাগিবলৈ গৱৰ্ণমেণ্টে সুবিধা আৰু উৎসাহ দিয়ক। চাহ কমিটিৰো সেই উদ্দেশ্যই আছিল। কমিটিৰ সভ্যসকলে স্পষ্টকৈ কৈছিল, "গৱৰ্ণমেণ্টে পৰীক্ষা কৰি লবৰ নিমিত্তে কৰা চাহৰ খেতি ভাল যেন দেখিলে আমাৰ ৰাইজক (ইংৰাজক) বিশ্বাসতে এই কাৰবাৰ হাতত ল'বলৈ আহ্বান কৰিব লাগিব। চাহৰ খেতিটো যদি লাভজনকৈ কৰিব পাৰি সভ্যতা আৰু উন্নতিৰ বাটত অসম দেশখনকো বহুত আগুৱাই নিব পৰা হ'ব, ভাৰতবৰ্ষৰ আয় বৃদ্ধি কৰিব পৰা হ'ব আৰু গ্ৰেট ব্ৰুটেইনৰো ব্যৱসায়-বাণিজ্যই শ্ৰীবৃদ্ধি লাভ কৰিব।"

বেপাৰৰ চেলু লৈয়ে যেনেকৈ গোটেই ভাৰতবৰ্ষখন বৃটিছ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হ'ল, চাহ খেতিৰ চেলু লৈও তেনেকৈ জেনকিন্সৰপৰা আৰম্ভ কৰি ক'ৰ্ট অব ডিৰেক্টৰলৈকে সকলোৰে মাজত অসম দেশখনকো সাম্ৰাজ্যৰ লগত স্থায়ীভাৱে চামিল কৰিবলৈ চেষ্টা চলিল।

ঠিক সেই সময়তে, অৰ্থাৎ লৰ্ড উইলিয়াম বেণ্টিঙ্কৰ দিনতে ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃপক্ষসকলৰ ধাৰণা হ'ল যে ভাৰতবৰ্ষত বৃটিছ জাতিৰ পঞ্জা দৃঢ়তৰ কৰিবলৈ হ'লে ভাৰতৰ ভিতৰত বৃটিছৰ উপনিবেশ বা পাম পাতিব লাগিব। ইষ্ট ইণ্ডিয়া কোম্পানীৰ চাৰ্টাৰখন (charter) নতুন কৰিববৰ সময়ত বিলাতৰ পালিয়ামেণ্টতো এই মৰ্মে আলোচনা হৈছিল যে, ভাৰতত ইংৰাজৰ স্থিতি শিপা নোহোৱা এজোপা বটবৃক্ষৰ নিচিনা। সেই স্থিতি শিপাৰে সৈতে ছাটি ধৰাবলৈ হ'লে ভাৰতবৰ্ষত ঠাই বুজি বুজি গ্ৰেট ব্ৰুটেইনৰ মানুহ বহুৱাব লাগিব।

দূৰদৰ্শী বৃটিছ ৰাজনীতিবিদৰ এনে অভিমতকে অনুসৰণ কৰি জেনকিন্স চাহাবেও অসমত চাহাবৰ পাম পাতিবলৈ সঙ্কল্প কৰিলে। এই সঙ্কল্প সিদ্ধিৰ অৰ্থে তেওঁ অসমৰ মাটিত চাহ খেতি কৰিবলৈ ইংৰাজৰ বণিক সম্প্ৰদায়ক আহ্বান কৰিলে। এই আহ্বানৰ লগে

লগেই গৱৰ্ণমেণ্টে কৰোৱা চাহবাৰীৰপৰা বিলাতৰ সম্ভ্ৰান্ত লোকসকলে চাকি চাবৰ নমুনা স্বৰূপে বাৰ পেৰা চাহ পাত পঠিওৱা হৈছিল। সেই চাহৰ জুতি লৈ সিবিলাকে বৰ তৃপ্তি লাভ কৰিলে। অসমৰ চাহ যে উত্তম, সেই সম্ভ্ৰান্ত লোকসকলৰ তৃপ্তিপ্ৰাপ্তিয়েই তাৰ পৰিচয়। ভাৰত গৱৰ্ণমেণ্টৰ সহায়, আশ্বাস আৰু বৃটিছ প্ৰভুসকলৰ অভয়-উদগণি পাই লণ্ডনৰ ধনী সম্প্ৰদায়ে অসমত জোটাশলীয়াকৈ চাহ খেতি কৰিবৰ নিমিত্তে "অসম কোম্পানী" নাম দি এটি বিৰাট চাহৰ কোম্পানী খুলি পেলালে। সিপিনে, বিলাতত চাহ কোম্পানী খোলা উদ্যমৰ লগে লগে কলিকতাতো অসমত সোণ খানিবলৈ তোলপাৰ লাগিল। কলিকতাতো ইংৰাজ সম্প্ৰদায়ৰ মাজত "অসম কোম্পানী" বুলি অসমত চাহ খেতি কৰিবলৈ উখলমাখল লাগিল। এই উখলমাখলৰ লগত এটা "কিন্তু" আহি সোমাল।

"কিন্তু" এটা হৈছে এই :—অজস্ৰ ধন সংগ্ৰহ কৰি অসমৰ হাবি ত খৰচ কৰিলে জানোচা লাভ হওক ছাবি মূলৰেই পৰালি পৰেগৈ; জানোচা, গৰ্ডন চাহাবে চীন দেশৰপৰা পুলি আনি বোওৱাৰ দশাই হয়গৈ। এইদৰে কলিকতাৰ ইংৰাজ বণিক সম্প্ৰদায়ে দোধোৰ-মোৰত পৰি কথন-মথন কৰি থাকোতেই মণিৰাম দুৱৰা উপস্থিত। বৃটিছ সাউদে এনেভাৱে দুই নাওত ভুই ভৰি দি গুণা-গঁথা কৰি থকা দেখি মণিৰামে জনালে, বোলে অসমত অপ্ৰাৰিত চাহৰ গছ আছে। চাহৰ খেতিত ধন লগালে মূল যি নপৰেই; লাভে চৌ-চোৱাই থাকিব। সেই সময়ত কলিকতীয়া ইংৰাজ বণিক সম্প্ৰদায়ৰ মাজত মণিৰামে ৰজা ৰূপে প্ৰসিদ্ধি লাভ কৰিছিল। তেনেজন ক্ষমতাৱন্ত পুৰুষৰপৰা উজ্জ্বল আশ্বাস পাই "অসম কোম্পানী"ৰ প্ৰতিষ্ঠাপকসকলে মুক্তহস্তে দান কৰিবলৈ ধৰিলে আৰু অলপ দিনৰ ভিতৰতে তাৰ অৱস্থা গপ-গপীয়াকৈ তুলি লণ্ডনৰ "অসম কোম্পানী"কো লগ লগাই একেখন কোম্পানী কৰি পেলালে। দুয়োখন গোটালত, অংশই পতি ৫০০ টকা হিচাপে দহ হেজাৰ অংশত পঞ্চাশ লাখ টকা মূলধন হ'লগৈ। ইং ১৮৩৯ চনৰ পহিলা জুনৰ পৰা এই টকাকে অসম কোম্পানীৰ কাৰ্য্যত ব্যয় কৰিবলৈ ধৰা হ'ল। এই অসম কোম্পানীয়েই আজিৰ গোটেই দেশৰ কম-বেচি ৫০০০ হেজাৰ খন চাহ বাগিচাৰ গুৰি।

বসুন্ধৰাৰ এক প্ৰান্তৰপৰা টোপোলা বান্ধি আনি অসমৰ অটব্য অৰণ্যৰ মাজত অকুণ্ঠিতভাৱে পঞ্চাশ লাখকৈ টকা খৰচ কৰিবলৈ

সাহ কৰিবপৰা কোম্পানী "অসম কোম্পানী"। পলিটিকেল এজেন্ট কমিশ্যনাৰ জেনকিন্স চাহাবৰ পৰামৰ্শ অনুসৰি বৰলাট লৰ্ড অকলেণ্ডে মণিৰাম দুৱৰা বৰভণ্ডাৰ বৰুৱাকে এনে বৃহৎ কোম্পানীৰ দেৱান পাতি পঠিয়াই দিলে।

দেৱান বিষয়া লৈ, মণিৰাম দুৱৰাই কলিকতাৰপৰা অসমলৈ প্ৰত্যাবৰ্তন কৰিলে। তেওঁৰ লগতে গৱৰ্ণমেণ্টে হাস্পতাল পাতিবৰ নিমিত্তে কালাচান্দ দে, নবীন চন্দ্ৰ মুখাৰ্জী আৰু গোপালকৃষ্ণ গুপ্ত নামেৰে তিনিজন "মেডিকেল কলেজ"ৰ ছাত্ৰকো পঠিয়ালে। ডাক্তৰ কেইজনে সৈতে মণিৰাম আহি "অসম কোম্পানী"ৰ কুঠী নাজিৰাত উপস্থিত হ'ল। মণিৰাম হ'ল দেৱান; জে ডব্লিউ মাষ্টাৰ্চ হ'ল ছুপাৰিণ্টেণ্ডেণ্ট। গড়গাঁও নগৰৰ কাৰেঙৰ সমুখতে ২১৩ একৰ মাটি লৈ পোন প্ৰথমেই কোম্পানীয়ে চাহবাৰী পাতিলে; দিখৌমুখতো এডোখৰ মাটি লৈ তাত আলেক্জেণ্ডাৰ (Alexander) নামে এজন চাহাব ৰাখি এডোখৰ চাহতলী উলিয়ালে; চৰগুৱাতো চাহ-পুলি ৰোৱালে। (Which was submerged during the floods of 1878 for about a month and nearly destroyed ; subsequently it was—abandoned.—The Asiatic Sporting Newspaper—July 10,18 88) দিখৌমুখৰ মাটি জলাতক—-দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ পানীয়ে নোপোৱাকৈ মথাউৰি বান্ধি ললে ধান খেতিতকৈ চাহ খেতিটো বলীকৈ কৰিবপৰা হ'ব, এই বুলি "অসম কোম্পানী"য়ে তাতো চাহ লগাই দিলে। গড়গাঁৱৰ দক্ষিণে নাজিৰা। নাজিৰা ওখ ঠাই। তাত চাহৰ কুঠী অৰ্থাৎ অসম কোম্পানীৰ সদৰ ঠাই পতা হ'ল। গড়গাঁও নগৰৰ ভিতৰত থকা ৰজাদিনীয়া পকীঘৰৰ ইটাবোৰ এক্ষুৱাই নি কোম্পানীৰ অফিছ-ঘৰ আদি সজোৱা হ'ল। গৰগাঁও নগৰৰ তাবৎ মাটি পট্টা লগাই কোম্পানীক দিয়া হৈছিল যদিও কাৰেং ঘৰটো নিয়া নহৈছিল। কিন্তু গৱৰ্ণমেণ্টৰ প্ৰবল সহানুভূতি দেখি অসম কোম্পানীৰ ডিৰেক্টৰসকলে ধৰি লৈছিল যে, কাৰেং ঘৰটিও তেওঁলোকৰ অফিছৰ কাম-কাজ চলাবৰ নিমিত্তেই পাব। এই অনুমানৰ ওপৰত ভিৰ দিয়েই "অসম কোম্পানী"ৰ কৰ্তৃপক্ষসকলে চাহবাৰী পাতিবলৈ লোৱা মাটিৰ বাহিৰেও গড়গাঁৱৰ ভিতৰত থকা অইন মাটিও পট্টা কৰি লয়।

জাকৰা দেশ ইংলণ্ডতহে চাহৰ বিশেষ আৱশ্যক। আমাৰ দেশত সৰ্বসাধাৰণে তাক ব্যৱহাৰ কৰাৰ সমুলি প্ৰয়োজন নাই। বিলাতত চাহৰ দামো যথেষ্ট। কিন্তু আমাৰ মানুহক চাহ খুৱাই তাত তৃপ্তি লগাই নললে, আমাৰ মাজত চাহ খেতিটো যাউতিযুগীয়া কৰা কঠিন। তদুপৰি আমাৰ মানুহৰ চাহত জুতি লাগিলে যেনে হ'লেও চাহপাত বিচাৰি আমাৰ মানুহে মুকুতা দি শোকোতা আনিবলৈ আৰু সেই মুকুতাৰ সহায়ত বিলাতৰ ধনাঢ্যসকলে বৃটিছ সাম্ৰাজ্য চলোৱাত হেঁচা দিব পাৰিব। এনেবোৰ কল্পনা কৰিয়েই "অসম কোম্পানী"য়ে গড়গাঁও নগৰৰ ভিতৰত এখনি হাট বহুৱালে। তাত কোম্পানীৰ মানুহে চাহ-পাত বেহায় আৰু আমাৰ মানুহে ধান-চাউল, শাক-পাচলি আদি খোৱা বস্তুৰ সৈতে সেই চাহ সলায়। দিখৌমুখত চাহবাৰী পতাৰ দিহা, নাজিৰা-কুঠী চলোৱাৰ পৰামৰ্শ গড়গাঁৱত। হাতত আমাৰ মানুহক বেহা-বেপাৰ কৰিবলৈ শিকোৱা আৰু নাজিৰাৰ দাঁতিয়ে-কাষৰে ক'ত কেনেকৈ চাহ-গছ আছে আৰু তাৰ অনুসন্ধান কৰা কাম আছিল "উজনি অসমৰ সম্ভ্ৰান্ত পুৰুষ ধনী-মানী মণিৰাম দেৱানৰ।"

মাণ্টাৰ্ছ চাহাবে মণিৰামৰ বুদ্ধি-পৰামৰ্শ নোলোৱাকৈ একো কামতে হাত দিয়া নাছিল। নাজিৰাত কুঠী পতাৰ পিচতেই মণিৰামে দেখুৱাই দিয়া মতেই গাভৰু পৰ্বতত পোনপ্ৰথম চাহবাৰী পতা হয়। তাৰ পিচত অসম কোম্পানীৰ নামত মণিৰামেই লিগিৰী পুখুৰী, চৰাইদেও, চংটক, হাতীপটি, গেলেকী আদি অন্যান্য চাহ-বাগিচা খোলে। চাহবাৰী পতা, ধান খেতি কৰোৱা, হাট-বজাৰ বহুৱা আৰু ঘৰ-বাৰী আদি সজোৱা কোম্পানীৰ যাৱতীয় লাগতিয়াল কামবোৰ কৰিবৰ নিমিত্তে নাজিৰা কুঠীলৈ মাহে দুই লাখ টকা আহিছিল আৰু সেই দুয়ো লাখ টকাৰ দিয়ন-খোৱনৰ কাকত-পত্ৰ কৰিব লাগিছিল দেৱান মণিৰামে। য'ত যেনেকৈ খৰচ কৰিব লাগে দেৱানৰ দিহা মতেই খৰচ কৰা হৈছিল। অইনকি, কোম্পানীত কাম কৰা সহকাৰী চাহাববিলাকৰ দৰ্মহাও দিছিল তেৱেঁই।

তেতিয়া মণিৰাম দেৱানৰ ঘৰ আছিল বৰ্তমান শিৱসাগৰ নগৰৰ পশ্চিমে থকা অৰ্জুনৰ গুৰিত। এতিয়া এই অৰ্জুনৰ গুৰি শিৱ-সাগৰৰপৰা আঁতৰ হ'ল। আগেয়ে তাৰ ওচৰতে নগৰৰ কেঞ্চাপটি, পুলিচৰ থানা, চক বজাৰ, পাদুৰী চাহাবৰ ছপাখানা (য'ত 'অৰুনোদই'

ছুপা হৈছিল) আৰু দেশী পল্টনৰ ছাউনি আছিল। দেৱান কাম কৰোতে মণিৰামে নাজিৰাত নিজা বাৰী পাতি ঘৰ কৰি লৈছিল। কিন্তু শনিবাৰে শনিবাৰে প্ৰায়েই তেওঁ অৰ্জুনৰ গুৰিৰ ঘৰলৈ আহে। আহোতে বাটতে মঠীয়াছিগা পাই আহে। এই মঠীয়াছিগাতে হৰলুকী মায়াজনা পানীফুকনৰ ঘৰৰ প্ৰতাপী পুৰুষ হৰকান্তৰ নিবাস। তেওঁ মন্ত্ৰৰ বলেৰে, চাই থাকোতেই চকুৰ আগতে নাইকিয়া হ'ব পাৰিছিল। গাতো যথেষ্ট বল-বিক্ৰম আছিল। পানীফুকন দেৱানৰ পৰম মিত্ৰ—দুয়ো সখি বন্ধাই লৈছিল! নাজিৰাৰ পৰা আহোতে দেৱানে পানী-ফুকনক লগ নোপোৱাকৈ নাহে। দেৱানে তেওঁৰ আগত ইংৰাজ জাতিৰ বুদ্ধি আৰু সাহসৰ কথা প্ৰায়েই কয়। পানীফুকনে হ'লে ইংৰাজৰ নামত জুইতো খেৰ এডালি নিদিয়ে। দুইজনৰ বন্ধুত্বৰ মাজত এই ফেৰাই প্ৰভেদ যে, দেৱানে পানীৰ তলৰ কাঁইট চাই জাপ মাৰিব খোজে আৰু পানী ফুকনে পানী আৰু কাঁইট মহতিয়াই নিব খোজে। তথাপি দুয়ো দুয়োকে অতি বিশ্বাস কৰিছিল। মণিৰামে কেই টোপোলা ধন ঘৰলৈ আনিছিল, তাকো পানীফুকনৰ আগত কৈছিল আৰু সময়ে সময়ে দেখুৱাইছিলো।

"অসম কোম্পানী"ত হাণ্ট (Haunt) নামেৰে এজন এছিষ্টেণ্ট বা সহকাৰী চাহাব আছিল। কুঠীৰ ছুপাৰিণ্টেণ্ডেণ্ট বা বৰচাহাব যেনে ধীৰ আৰু বিবেচক আছিল, হাণ্ট চাহাব তেনে উতনুৱা আৰু উশৃংখল আছিল। এদিন দেৱানে দৰ্মহা দিওঁতে হাণ্ট চাহাবৰ সৈতে অলপ তথিয়াতথি লাগিল। সেইদিনা দেৱানে চাহাবক একো নকৈ আনকাল ঘৰলৈ অহাৰ দৰেই মঠীয়াছিগালৈ গুচি আহিল। আহি হৰকান্ত পানীফুকনৰ আগত ক'লে, "বগা বঙাল এটাৰ কিমান সাহ! সি মোক কুকুৰ পোৱালি, গাহৰী পোৱালি বুলি গালি পাৰে! তাক আৰু বন্ধু, কি চাই থাকিম?" পানীফুকনে কথাটো গমি চাই সেই-দিনা একো উত্তৰ নিদি তেওঁক অৰ্জুনৰ গুৰিলৈ যাবলৈ ক'লে—মাথোন ঘূৰি যাওঁতে তেওঁৰ তাত সোমাই যাব লাগে বুলিহে দঢ়াই দঢ়াই কৈ পঠিয়ালে। সেই অনুসৰি, দেৱানে ঘৰৰপৰা ঘূৰি নাজিৰালৈ যাওঁতে তেওঁৰ তাত সোমাই তেওঁক মাত লগালেগৈ। পানীফুকনে ক'লে, "বন্ধু, আজিময়ো যাওঁ। চাহাব বহি থাকোতে তুমি গোঁ-গোঁ কৰে ভিতৰলৈ সোমাই যাবা আৰু চাহাবে যদি কিবা টান কথা কয়

তুমি পোনেই লাগিবাই। অকলৈ যদি বলে নোৱাৰা এইয়া মন্ত্ৰ ভাং লৈছোঁ, "বজ্ৰ আহা" বুলি দিবা, ডাঙেৰেই মৰিয়াই তাৰ মূৰৰ লাও-খোলা উলিয়াই দিম।"

আলচা মতেই কাম হ'ল। দেৱান অফিছত সোমালগৈ। তিন দিনৰপৰা চাহাব খণ্ডত ঘৃতাগ্নি হৈ আছিল। দেৱানক দেখিয়েই তেওঁ ক্ষালমাৰিডাল লৈ, "মোৰ দৰ্মহাত কিয় লেকেচকেচ কৰিবি" বুলি কৈ খেদা মাৰি গ'ল। মণিৰামে চাহাবক গৰা মাৰি ধৰিলে। যুজি চাই বলে নোৱৰা যেন দেখি পানীফুকনক মতাত পানীফুকনে মন্ত্ৰপূত ডাঙেৰে একে মাৰেই চাহাবক বগৰাই পেলালে। চাহাবে মণিৰামৰ ওপৰত শিৱসাগৰ কাছাৰীত মোকৰ্দমা কৰিলে। কিন্তু সাক্ষী-বাদীৰ প্ৰমাণ দিব নোৱৰাত আৰু চাহাবে আগেয়েই ক্ষালমাৰি লৈ মাৰিব যোৱা প্ৰমাণ পাই কেপ্টেইন ব্ৰডী, প্ৰিন্সিপেল এছিষ্টেণ্ট কমিশ্যনাৰ চাহাবে দেৱানক খালাচ দি দিলে। বিচাৰত দেৱান নিৰ্দোষী বুলি প্ৰমাণিত হ'ল যদিও, যাৰ তলত তেওঁ কাম কৰিছিল সেই চাহাবৰ মানত হ'লে তেওঁ চকুৰ-কুটা, দাঁতৰ শাল হ'ল।

এই অনুৰূপেই, দিখৌমুখৰ আলেকজেণ্ডাৰ চাহাবৰ লগত মণি-ৰামৰ মতান্তৰ ঘটে। এদিন বৰআলিতে দুয়োৰে ভিতৰত বৰ তৰ্কাতৰ্কি হয়। মণিৰামে নিজৰ হাতীটো আলেজেণ্ডাৰৰ হাতীটোৰ পাচত লগাই দিলে। আলেকজেণ্ডাৰৰ হাতী লৰ মাৰি বিৰিণানিত সোমালগৈ। হাতী লৰ মাৰোতে চাহাব কেনেবাকৈ গদীৰপৰা সৰি পৰিল। হাতত বন্দুক লৈ চাহাব টিলা এটাৰ ওপৰত উঠিলগৈ। তাৰপৰা তেওঁ বনৰীয়া ম'হ এজাকলৈ গুলী মাৰোতেই ম'হজাকে জাতুৰ খাই তেওঁক ঘেৰি ধৰি শিঙৰ আগত আঁৰি ললে। ৰৌঢ়ি ফুটিল বোলে, মণিৰামেহে আলেকজেণ্ডাৰক বধিলে। এইবাৰো, তেওঁৰ ওপৰত নৰহত্যাৰ অভিযোগ অনা হৈছিল, কিন্তু পদে-প্ৰমাণে সাক্ষীয়ে চাবুদে দিব নোৱৰাত চাহাববিলাক হাৰিল।

মণিৰাম দেৱানৰ দোষ—তেওঁ চাহাবহঁতক ৰজত গিৰিন্নিভ শ্বেত চৰ্মাবৃত দেৱতা বুলি সমূলিকে জ্ঞান নকৰিছিল। তেওঁৰ মানত তেওঁ যেনেকুৱা, চাহাবো তেনেকুৱা আছিল। দেশাধিকাৰৰ মানুহ বুলি যে কিবা বিশেষ সম্মান কৰিছিল, তেনে নহয়। দেৱানৰ নাজি-ৰাত থকা বাৰীৰ চাৰিউপিনে বগৰী গছ আছিল। থৰালি বাৰীত

বগৰী পকি থাকে। কেতিয়াবা কোতিয়াবা চাহাববিলাকে মুখবোৰ অসপ সেমেনাসেমেনি কৰে; তেতিয়া দেৱানে কয়, "তোমালোকৰ দৰে বহুত চাহাবেই বগৰী খায় আৰু খুৱাইছোঁও; তোমালোকেই অকল খাব নালাগে।"

দিখৌমুখত থকা আলেকজেণ্ডাৰ চাহাবক মাতি আনি তেওঁৰ নাজিৰাৰ ঘৰত পীৰা পাৰি বহুৱাই আখৈ চিৰা খাবলৈ দিছিল আৰু মলাধপাত, তামোল-পানেৰে মুখ শুদ্ধি কৰাইছিল। ওপজাৰেপৰা লাগি অহা চাহাবিলাকৰ বগা বৰণে শাও বৰণীয়া মণিৰামৰ ওপৰত একো প্ৰভুত্ব চলাব নোৱাৰিছিল। ন-তে ন-অঁৰা, পুৰণি হ'লে ছু-অঁৰা-নীতি মানি পোন প্ৰথমতে চাহাবহঁতে মণিৰামৰ সেও হৈ ফুৰিছিল; পিচলৈ কিন্তু, সিহঁতে স্বপ্ৰকৃতি দেখুৱাই দেৱানক উলাই কৰিবলৈ ধৰিলে। যেতিয়াই আত্মসন্মানৰ ওপৰত আঘাত পৰা যেন দেখিলে, তেতিয়াই মণিৰামে দেৱান কাম ইস্তফা দিলে।

বিৰিম্‌ফিন্ (বেডিংছফিল্ড) চাহাবক চাহপাত চিনাই দিয়াৰপৰা আৰম্ভ কৰি "অসম কোম্পানী"ৰ চাহবাৰীবোৰ খোলালৈকে মণিৰাম দেৱানৰ লগত অসমীয়া চাহৰ যি পৰিচয় ঘটিছিল আৰু যি পৰিচয়ৰ সম্ভেদ দি অসমত চাহবাৰী পতাই অসমক সোণৰ খনি কৰাবলৈ বৃটিছ সাউদবিলাকক তেওঁ উলমূলাই আশ্বাস আৰু উদ্‌গণি দিছিল, সেইবোৰলৈ চায়েই ববেলী টি কোম্পানিৰ ডব্লিউ, ফামিজাৰ, মিঃ বেইল্ডন, জৰ্জ ছিম্‌ছন্‌কে প্ৰমুখ্যে বহুতে মণিৰাম দেৱানকে অসমীয়া চাহৰ আৱিষ্কৰ্তা বুলি কয়। প্ৰকৃতপক্ষে, দেৱান নোহোৱা হ'লে, অসমত চাহ খেতি কৰাবলৈ সাত সাগৰ তেৰ নৈৰ সিপাৰৰপৰা হেজাৰে বিজাৰে বিলাতী মানুহ ভাগি আহি অসমত কাকতি ফৰিং পৰা দি উবুৰি খাই নপৰিলেহেঁতেন আৰু সেয়ে নোহোৱা হ'লে, এই বেলি মাৰ নোযোৱা বৃটিছ ৰাজ্যত অসমৰ নাম বৈ-বৈ নগ'লহেঁতেন।

চলিত কথাৰ ওপৰত নিৰ্ভৰ নকৰি বিদেশীৰ দ্বাৰাই স্বীকৃত আৰু গৃহীত মতেদি বাট বুলিলেও ভূমণ্ডলত অসমৰ নিমিত্তে আচুতীয়া স্থান নিৰ্দেশ কৰোৱাৰ মূলত যে মণিৰাম দেৱানেই, তাক ডাঠি ক'ব পাৰি। বেডিংছফিল্ড, চাৰ্লটন চাহাবে কুণ্ডিলৰ পাৰত চাহ খেতি কৰাই থকা সত্ত্বেও তেওঁবিলাকৰে ফুট ধৰি ধৰি চাহ গছৰ ভু-ভা লৈ ফুৰা ৰবাৰ্ট ব্ৰুছৰ ভায়েক চি, এ ব্ৰুছ চাহাবে যদি অসমীয়া চাহৰ

আৱিষ্কৰ্তা নাম ল'ব পাৰে, ডেৰিড স্কট চাহাবে কেইজোপামান চাহ-গছ নমুনা স্বৰূপে কলিকতাৰ উদ্ভিদতত্ত্বজ্ঞসকললৈ পঠিওৱা বাবেই বাৰেল (Burell) চাহাবে যদি তেওঁক চাহৰ আৱিষ্কাৰক বুলি প্ৰতিপন্ন কৰিব পাৰে; কৰ্ণেল জেনকিন্স চাহাবে তলতীয়া কৰ্মচাৰীৰ দ্বাৰাই চাহ গছ উলিয়াই তাৰ বৃদ্ধি আৰু প্ৰসাৰৰ উপায় উদ্ভাৱন কৰোতেই যদি অসম বুৰঞ্জী লিখক ৰবিংসন চাহাবে তেওঁৰ ওচৰত সদৌ গ্ৰেট বৃটেইন ধৰুৱা বুলি ক'ব পাৰে, আমিনো তেন্তে পোনপ্ৰথম বেডিংফিল্ডক চাহৰ সৈতে চিনাকি কৰি দিয়া বাবে, কলিকতাত দুই-নাও দুই-ভৰি হৈ পেপুৱা লাগি থকা সদাগৰবিলাকক চাহ খেতি কৰাবলৈ উৎসাহ দিয়া বাবে আৰু অসম কোম্পানীৰ হৈ অতবোৰ চাহ বাগিচা খুলি, চাহৰ খেতিটো "জগজ্জননী পতিত পাৱনী" কৰি দিয়া বাবে অসমীয়া চাহ খোঁৱা সমাজটো মণিৰাম দেৱানৰ ওচৰত ধৰুৱা বুলিলে কি পাক লাগিব ?

"আৱাহন", ১০ম বছৰ, ৪ৰ্থ সংখ্যা, ১৮৬০ শক।

ব্ৰহ্মপুত্ৰৰ সোঁত

সাগৰৰপৰা ১৫৯৫৮ ফুট ওপৰত হিমালয় পৰ্বতত ব্ৰহ্মপুত্ৰৰ উৎপত্তি। মানস-সৰোবৰৰ দক্ষিণ-পুব কোণেদি ব্ৰহ্মপুত্ৰ ওলাই লামা গুৰুৰ ঘৰৰ আগেদি পুবমুৱাকৈ বৈ আহিছে। সেই ছোৱাত, তিব্বতীয় ভাষাত ইয়াৰ নাম চানপু' বা চেংপ'। কিছুদূৰ আহি চান পু বা চানপ' দক্ষিণমুৱা হৈ সমথলৰ সীমা পাচিঘাট পাইছেহি। পাচিঘাটৰপৰা কেইমাইলমান আহি নৈখন দুইসুঁতি হৈ লুহিতৰ লগত মিলিছে। তাৰে এটি সুঁতিক দিহং, আনটোক লালী বোলে। দিহং-লালীৰ মাজত থকা মাজুলীটোৰ নাম লালী চাপৰি। পাচিঘাটৰ পৰা দিহং আৰু লালীমুখলৈ ২০ মাইলমান দূৰৈ হ'ব। দিহং নৈয়েই যে তিব্বতৰ চেংপু বা চেংপ' ১৯১৩ চনলৈকে ভালকৈ জনা নগৈছিল। সেই দুসুঁতিৰ মুখৰপৰা চান্ প' গুচি লুহিত বা লুইত হ'ল। ১০০ মাইল-মান অকাইপকাই এই লুইত পৰশুৰাম কুণ্ড পাইছেহি। পৰশুৰাম কুণ্ডৰপৰা ভটীয়াই অহা খিনিৰ পৰা হে লুইতৰ নাম ব্ৰহ্মপুত্ৰ। সেই-খনেই আকৌ আগেয়ে দুই সুঁতিত এৰি থৈ অহা দিহং নৈখনৰ লগ ধৰিছে। তাৰপৰা মাজে-মাজে পকোৱাপকি হৈ অসমৰ বুকুৰ মাজেদি বৈ গৈ গুৱালপাৰাৰ সীমাতে দক্ষিণলৈ ঘোৰ লৈছে। অসমৰ ছোৱা প্ৰায় ৪০০ মাইল দীঘল হ'ব আৰু এই ছোৱাত ব্ৰহ্মপুত্ৰ কাঁড়মৰাদি মাৰিছে। তাৰ পিচত তিস্তামুখত গঙ্গাৰে সৈতে লগ লাগি বঙ্গ উপ-সাগৰত পৰিছে গৈ। ভৈয়ামৰ ছোৱাত সৰ্বমুঠ নদখন দীঘে ৯৩৩ মাইলমান হ'ব। চানপ'ৰ ছোৱা ১০০০ মাইল।

তিব্বতৰ পৰা ওলাই অহাৰ পিচত ব্ৰহ্মপুত্ৰৰ সোঁতা তিনিটা হৈছে। অসমীয়া মানুহে এটা সোঁতাক বোলে শ্ৰীলুইত---উত্তৰ ফালে বৈ গৈ উত্তৰ সাগৰত পৰিছেগৈ। এটাক বোলে বুঢ়ালুইত---দক্ষিণে ঢাল লৈ বৰ্মা দেশ পাইছেগৈ। আৰু এটা সোঁতাক বোলে লুইত বা গাভৰু লুইত, নাইবা ডেকা লুইত, নতুবা ব্ৰহ্মপুত্ৰ। শ্ৰীলুইতেই ইয়াংচিকিয়াং, বুঢ়া-লুইতেই ব্ৰহ্মদেশৰ ইৰাৱতী আৰু ডেকা লুইতেই আগৰ কালৰ স্বৰ্গঙ্গা, স্বৰ্গনদী বা শোৱণশিৰী। চানপ' নৈৰ পানী

দিহং নদীয়েই যে আহি লোহিতৰ লগত মিলা বাবে হে লৌহিত্যৰ নাম ব্ৰহ্মপুত্ৰ হ'ল। তিব্বতত দেশত থকা ছোৱাক ব্ৰহ্ম নদো বোলে।

বৌদ্ধসকলৰ মতে মঞ্জুঘোষাই ব্ৰহ্ম নদক দিহং নৈয়েদি আমাৰ দেশলৈ বোৱালে। আমাৰ পুৰাণৰ আখ্যানমতে পৰশুৰামে মাতৃহত্যা পাপ খণ্ডন কৰিবলৈ আহি হে আমাৰ দেশৰ মাজেদি ব্ৰহ্মপুত্ৰখন বৈ যাবপৰা কৰিলে।

অতীজতে ব্ৰহ্মপুত্ৰৰ নাম বহুত আছিল। যেনে :—হিৰণ্য, লৌহিত্য, হ্লদিনী, হ্লদ্য, অন্তঃশীলা, অন্তৰ্বলী, খাটাই, ব্ৰমী, চায়ন, ধৌনী, পচিনেচ, চেৰিচিলিছ, থামাউন, কামচ, দুঐনচ, কৰহট্টিকা, কৰকায়া আৰু দিয়ামে।

টাই আৰু বৰো (বড়ো) ভাষাত ইয়াক তিলাও, চিংফৌ-মিচিমি ভাষাত তালুৰ্ক বোলা হয়। এইবোৰ পুৰণি নাম লোৱা বা দিয়া দিনত ব্ৰহ্মপুত্ৰৰ গতি কেনি কেনি আছিল কোৱা টান। অৱশ্যে, বৰ্ত-মান মানচিত্ৰৰ মতে যে নাছিল সেইটো হ'লে একেবাৰেই ঠিক। ভুঁইকপ, বাঢ়নী পানী, গৰাখহনীয়াত পৰি ব্ৰহ্মপুত্ৰই পুৰণি বাট এৰি নতুন নতুন বাট লৈছে। খালক বাম, বামক খাল কৰি গাঁও-ভুঁই-নগৰ-চহৰ ভাঙিলে যেনেকৈ, পাতিলেও তেনেকৈ। ব্ৰহ্মপুত্ৰৰ গতিপথেই অসম বুৰঞ্জীৰ ভাগ্য নিৰ্ণয় কৰিছিল আৰু আগলৈকো কৰি থাকিব।

বঙ্গদেশৰ নামনিছোৱা প্ৰাচীন কালত পানীৰ তলতেই আছিল। ভূ-তত্ত্ববিদ পণ্ডিতসকলৰ মতে পুব-দক্ষিণ বঙ্গৰ অধিকাংশ ঠাই পূৰ্বে ব্ৰহ্মপুত্ৰৰ গৰ্ভত আছিল। ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতে পৰ্বতৰপৰা মাটি খানি উটাই নি বঙ্গদেশখনৰ পুব ছোৱা নকৈ পাতিলে। বঙ্গ দেশৰ 'সৰস্বতী আশ্ৰম নবদ্বীপ' নামটোৱেই এই অনুমান ঠাৱৰ কৰে। বুৰঞ্জী লেখক মিন্হাজউদ্দিনে লেখিছে যে খৃষ্টাব্দৰ ত্ৰয়োদশ শতা-ব্দীতো ব্ৰহ্মপুত্ৰখন গঙ্গাতকৈ তিনি গুণ বহল আছিল। অসমৰ দিহিঙীয়া ৰজাই কোচবেহাৰৰ বিশ্বসিংহক দান দিয়া চেৰপুৰ চহৰৰ ওচৰত ব্ৰহ্মপুত্ৰখন বহলে ১৫ মাইল আছিল। মৈমনচিং চহৰৰপৰা বোকা নগৰলৈকে আজিও ইয়াৰ বিস্তৃতি ১২ মাইলতকৈ কম নহয়।

ব্ৰহ্মপুত্ৰৰ সাগৰ-নেওৰ-ছিগা সোঁতে ভুৰভুৰীয়া মাটি খানি যেনিয়ে পায় তেনিয়েই বাট লৈছিল আৰু এতিয়াওলৈ আছে। উত্তৰ

গুৱাহাটীৰ শিলৰ সাঁকো—যিখনৰ বাবে বখতিয়াৰ খিলজীয়ে অসমৰ পৰা প্ৰাণটোহে মাত্ৰ লৈ যাব পাৰিলে সেইখনেই আছিল পুৰণি কালত ব্ৰহ্মপুত্ৰৰ ওপৰত। গুৱাহাটীৰ উমানন্দৰ পৰ্বত, সুৱালকুচিৰ ওচৰৰ ৰাক্ষসী পৰ্বত, অইন কি হয়গ্ৰীৱ মাধৱৰ মণিকূট পৰবতটোও ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰেহে আছিল। ১৮৬০ চনৰ মেপ এখনৰ লগত ১৭৯০ চনৰ মেপ এখন মিলাই চালেই ব্ৰহ্মপুত্ৰৰ সোঁত কেনি বৈছিল অনায়াসে বুজিব পাৰি। ওপৰত কোৱা শিলৰ সাঁকোৰ চিন এতিয়া প্ৰায় নায়েই, ব্ৰহ্মপুত্ৰৰ চিন কিন্তু একেবাৰে নাই। তাৰ শিলৰ খুটাই বৰপেটাৰ কীৰ্তন ঘৰত লাগি থাকি পুৰণি কামৰূপৰ শিলাকটীয়া বিদ্যাৰ নিদৰ্শন দেখুৱাই আছে। হাজোত থকা সাতদলীয়া বিল আৰু কাঁকৰা সাগৰৰ নামটোহঁতেও পুৰণি ব্ৰহ্মপুত্ৰৰ চিন-চকৰ ৰাখি আছে। ১৮৩২ চনলৈকে ব্ৰহ্মপুত্ৰ-ভৰলীৰ সঙ্গম স্থল আছিল উমানন্দৰ ওপৰে, দক্ষিণ ফালে।

শিলঘাটিৰ ওচৰত ১৭৯৫ খৃষ্টাব্দলৈকে ব্ৰহ্মপুত্ৰ ঠেক আছিল। সেই কাৰণে, সেই দিনেই, কলীয়া ভোমোৰা বৰফুকনে ভোমোৰাগুৰি পৰ্বতত লগাই দলং এখন দিবলৈ দিহা কৰিছিল। দলংখন সজাৰ নিয়মটো হেনো ইটালী দেশৰ টাইবাৰ নৈৰ দলংখনৰ নিচিনা আছিল—এই বুলি ডাক্তৰ জন পিটাৰ বেডে কৈ গৈছে। তেতিয়া ইমান ঠেক আছিল যে কুমুদ-কৌস্তুভ মুনি দুজনৰ নামে হোৱা দুই মুনি-শিলা দুটা ব্ৰহ্মপুত্ৰৰ দক্ষিণে আজিকালিৰ পানী মুৰলীৰ পৰা ভালেমান নিলগত আছিল। এতিয়া সেই দুটা নৈৰ সোঁমাজত সোমাওঁ-সোমাওঁ হৈছে। উত্তৰে বিশ্বনাথ, শলাল-ঘাট আৰু দক্ষিণে আঁৰিকাটিমুখ—ইয়াৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ গতি বহুত সলনি হ'ল। এসময়ত এই অঞ্চলটোত অসম ৰজাসকলৰ ডাঙৰ খোপনি আছিল। যুদ্ধৰ আখৰা কৰা ৰণথলী আছিল আৰু নাওবৈচা, কাঁড়ী বাৰুৱতিবেই ভৰি থকা ৰণুৱা পাইকৰ বহুগাঁও আছিল। বলিয়া ব্ৰহ্মপুত্ৰই পাৰ খহাই সেই এটাইবোৰ গাঁও-ভূঁই, মানুহ-দুনুহ নিজৰ বুকুত সুমুৱাই ললে। আঁৰিকাটিৰ লগত থকা আৰিমত্ত ৰজাৰ মৃত্যুৰ কাহিনীটো এইখিনিৰ ব্ৰহ্মপুত্ৰপাৰতে জন্ম।

সোৱণশিৰী মুখৰপৰা উজাই খেৰকটীয়া সুঁতিলৈকে প্ৰায় ষাঠি মাইল দীঘল যিটো দ্বীপ আকাৰৰ চাপৰি আছে আৰু যিটো আজি-

কোপতি বৈষ্ণৱ ধৰ্মৰ প্ৰাণকেন্দ্ৰ বুলি সুখ্যাতি আছে সেইটোৰেই আগেয়ে লুইত-দিহিঙৰ মাজালি বা মাজুলী আছিল। তেতিয়া খেৰকটীয়া সুঁতিৰপৰা দিহিঙৰ সৈতে সমান্তৰালভাবে বৈ গৈ মুহৰামুখত পৰিছিল। মুহৰামুখলৈকে উজনিৰ ডোথৰক দিহিঙেই বোলা হৈছিল। দিখৌ, দিচাং, দিচৈ, ধনশিৰী, দিহিঙৰ হে উপ-নৈ আছিল। বুৰঞ্জীৰ পম খেদোতে দিহিং ব্ৰহ্মপুত্ৰ বা লুইতৰ ভৌগোলিক গতিটো নিৰ্ণয় কৰিব নোৱাৰিলে সঠিক সিদ্ধান্ত কৰাত বহুত আউল লগাৰ সম্ভৱ। এইখিনিতে এটা কথা কোৱা ভাল যে পূৰ্বে দিখৌ নৈ মাজুলীৰ মাজেদি হে বৈ গৈছিল। টুনী নৈয়েই তাৰ চিন।

১৫৯৩ শকৰ কাতি মাহত দিহিং ভাগি উজনিৰ লুইতত পৰিলত ব্ৰহ্মপুত্ৰই খেৰসুঁতি বাট এৰি পোনে-পোনেই মাজুলীৰ দক্ষিণলৈ হনা ললে। ইতিহাস প্ৰসিদ্ধ নগৰ ৰঙ্গপুৰ, পূৰ্ব খেৰকটীয়া সুঁতিৰ ওচৰত লুইতৰ দক্ষিণে আছিল। ব্ৰহ্মপুত্ৰে তাকো বালিলে পুতি পেলালে। তথাপি ১৭০০ শক মানলৈকে খৰালি সোৱণশিৰি নৈ পৰ্য্যন্ত বৈ থকালৈকে দিহিং নামেই আছিল। এই ছোৱাক তেতিয়াও ব্ৰহ্মপুত্ৰ বোলা নাছিল। ১৭০২ শক মানতেই দিহং নৈত শঁকা-শাকিনী নামে ৰব ধল পানী এটা অহাত সেই পানীয়ে থল-পৰ্বত তল নিয়াই একাকাৰ কৰিলে। তেতিয়াই আগেয়ে দিহিং বৈ থকা পোনেই ব্ৰহ্মপুত্ৰ . ভৰা সোঁতা হ'ল। বগা দমৰা বৰফুকনে কোৱা মতে (কাপ্টান ৱিলকক্স ক) ব্ৰহ্মপুত্ৰৰ এই প্ৰলয়ঙ্কাৰী ধল আহিছিল ১৬৫৭ শকত বা ইং ১৭৩৫ চনত।

পূৰ্বে পাণ্ডুৰ ভাটীয়ে ৰাক্ষসী পৰ্বতৰ উত্তৰে হাজোৰ কাষেদি ব্ৰহ্মপুত্ৰ বৈ গৈ বৰলীয়া-মুখত পৰিছিল। নৰনাৰায়ণ ৰজাই ৰব ভাজ দেখি ৰাক্ষসী পৰ্বতৰপৰা বৰলীয়ালৈকে পোনাই খন্দাই দিয়ালে কিন্তু চীঁ-চিকৈ হে পানী বৈ থাকিল। পিচে, তুৰবকক যেতিয়া আহোম সৈন্যই খেদি নিয়ে তেতিয়া তুৰবক সেই বেঁকা বাটেদিয়েই নাৱেৰে ভটীয়াই পলাইছিল। আমাৰ সেনাই নৰনাৰায়ণে খনোৱা সুঁতিটোকে লৰালৰিকৈ "খৰ্গেৰে খান্দি পানী বোৱাই নাও উলিয়াই বৰলীয়া মুখতে আগ ভেটি ধৰি তুৰবকক মাৰিকাটি খেদি নিলে। সেই দিনৰপৰা সেই সোঁতা প্ৰবল হৈ সেই পিনেই ব্ৰহ্মপুত্ৰ হ'ল। খড়গাদি অস্ত্ৰৰদ্বাৰাই কাটি উলিওৱা বাবে তাকে মানুহে খৰ্গৰ সোঁতা

বুলি কয়।” হাজোৰ পিনে থকাটি ক্ৰমাৎ পোত খাই আহিল। তুৰ্বকৰ যুদ্ধ হৈছিল ১৪৫৪ শকত। সেইমতে ব্ৰহ্মপুত্ৰে হাজোৰ সুঁতি এৰা ৪০০ বছৰ পাৰ হৈ গ’ল।

১৯৫০ চনত হোৱা বৰ-ভুইকঁপে উজনি অসমৰ ভু-চিত্ৰখন তেনেই ওলট-পালট কৰি পেলালে। সোৱনশিৰী-দিহিং-দিবং আৰু সদিয়াৰ দাঁতিয়ে-কাষৰে থকা নৈ-নগৰ-পৰ্বত-বিলৰ চিন নাইকিয়া কৰিলে। পৰশুৰাম কুণ্ডও আধাখিনি পোত খালে। পুৰণি সদিয়াও নিঃচিহ্ন হ’ল। ব্ৰহ্মপুত্ৰৰ মাজখনো উঠঙা হ’ল। মেলাহী পানী কোন পিনে কেনেকৈ বয় ধৰা টান। লুইতৰ বিষয়ে ঠায়ে ঠায়ে একোটা একোটা লৌকিক প্ৰবাদো আছে। উজনিৰ পোনে আছে—লুইতে হেনো গাভৰুক বিয়া কৰাব—অৰ্থাৎ ব্ৰহ্মপুত্ৰৰ পানী আহি দক্ষিণে গাভৰু পৰ্বত পাবহি। নামনিতো শুনা যায় যে ব্ৰহ্মপুত্ৰই কোনোবা এদিন ছয়গাঁৱত থকা চান্দ সদাগৰৰ মেৰ ঘৰ বুৰাবগৈ। এইবোৰ কথাত পোনেই প্ৰত্যয় যাব নোৱাৰি যদিও, দকৈ ভাবি চালে ইয়াৰো সত্যতা আছে বুলি ঠিৰাংকৈ ক’ব পাৰি। যেয়ে যিহকে নকওক, এইটো হ’লে সূৰ্য্যৰ পোহৰ যেন দেখি থকা কথা যে যেতিয়ালৈকে ব্ৰহ্মপুত্ৰৰ গতি চীন-আমেৰিকাৰ নৈবোৰৰ দৰে বৈজ্ঞানিকভাৱে নিয়ন্ত্ৰণ কৰা নহয় তেতিয়ালৈকে অসমীয়া মানুহৰ আৰ্থিক সামাজিক জীৱন টলং ভটং হৈয়ে থাকিব।

———

ৰজা দিনত প্ৰথম মাটিৰ মূৰ্ত্তিত পূজা

শিৱসাগৰৰ ভটীয়াপাৰত পোন প্ৰথমেই মাটিৰ মূৰ্তি সাজি দশভুজা দুৰ্গা গোসাঁনীৰ পূজা কৰা হয়। সেইবুলি অসমত যে দুৰ্গা গোসাঁনী বা আই ভাগৱতীৰ পূজা নাছিল, এনে নহয়। আছিল। কামৰূপৰ কামাখ্যা মন্দিৰ, সদিয়াৰ কেঁচাইখাতী বা তাম্ৰেশ্বৰী মন্দিৰ নাইবা তামৰ মাই, কল্যাণপুৰৰ কল্যাণী দেৱী, ডুবি, পিছলা নৈৰ পাৰত বিভাণ্ডক মুনিৰ সৰোৱৰৰ ওচৰত, নুমলী গড়ত, সূৰ্য্য পাহাৰ প্ৰভৃতি কৌটীকলীয়া নিভৃত স্থানত হয় পীঠত, নহয় শিলত কটা প্ৰতিমাত বিবিধ বলি-বাহনে পূজা উপাচাৰেৰে গোসাঁনী পূজা চলিয়েই আছিল। খুনলুং খুনলাইৰ বংশধৰ আমাৰ স্বৰ্গদেৱসকলৰ যদিও ইষ্ট দেৱী গোসাঁই গোসাঁনীয়েই আছিল, (নামমাত্ৰ বিশেষ আছিল) তথাপি ৰাজহুৱাকৈ মুকলিভাৱে গোসাঁনী পূজা কৰা নহৈছিল। ভটীয়াপাৰত প্ৰথমেই পাতিছিল দেখি সেই পূজা উৎসৱকে অসমত প্ৰথম দুৰ্গোৎসৱ বুলি কোৱা হয়।

সেই উৎসৱ বৰ ধুমধামকৈ পাতিছিল মহাৰাজ প্ৰতাপ সিংহ স্বৰ্গদেৱে ১৫২৭ শকত। নামদাং নৈৰ পাৰৰ ভটীয়াপাৰত মহা-সমাৰোহেৰে মৃন্ময় দশভুজা মূৰ্তি প্ৰতিষ্ঠা কৰি যি পূজা পতা হৈছিল অৰু যি পূজা পৰৱৰ্তী স্বৰ্গদেৱসকলে দৌল-মঠ-মন্দিৰ কৰাই পতাৰ লৈ ধৰিলে, সেই পূজাকে ৰজা ঘৰতো কৰা হৈছিল আৰু অন্যান্য ডা-ডাঙৰীয়া বিষয়াসকলৰ ঘৰতো কৰা হৈছিল।

দশভুজাৰ মূৰ্তি কৰোৱাই ৰজাই গোসাঁনী পূজা চলোৱাৰ পৰ্বতীত কোঁচ-আহোমৰ সাংস্কৃতিক সংমিশ্ৰণৰ মনোৰম আখ্যান এটি লুকাই আছে।

কোঁচ ৰজা নৰনাৰায়ণ আৰু চিলাৰায় দেৱানে লগত খাঠি হেজাৰ সৈন্য লৈ ১৪৮৩ শকত অসম জয় কৰিবলৈ উজাই আহে। তেতিয়া আমাৰ ৰাজপাটত চুৰাম ফা বা খোৰা ৰজা আছিল। কোচবেহাৰৰ পৰা আহি আহি চিলাৰায় সেনাপতি লুইতৰ উত্তৰপাৰে নাৰায়ণপুৰ পালেহি। সেই বাৰ্ত্তা গড়গাঁও পালত খোৰা ৰজাও সসৈন্যে ভটীয়াই

আহিল। ইপিনে চিলাৰায়ো আগবাঢ়ি গ'ল। দিহিং নৈৰ ওচৰত থকা সিংহ দুৱাৰৰ ওচৰতে (দিহিং-দিখৌ ব্ৰহ্মপুত্ৰ লগ লগা তিনি সুঁতিৰ মুখ্য) দুয়ো পক্ষৰ তয়া মৰ্য়া যুদ্ধ হ'ল। যুদ্ধ সাদিন চলিল। শেহান্তত চিলাৰায়ক ভাগ্য দেৱীয়ে মোৰ বুলিলে। তেওঁ দিখৌৰেদি সোমাই কুঁজীবালিৰ দক্ষিণে খুটি পুতিবলৈ গ'ল। তাতে ১৪৮৫ শকৰ মাঘ মাহত মুধৰ মাৰলীটো মেচাকৈ এটি ঘৰ সাজি থাকিবলৈ যাঠি-ধনুৰ এটি পুখুৰী খনালে। আজিকালি শিৱসাগৰৰ পৰা নাজিৰালৈ যোৱা বাটত বৰ আলিৰ দাঁতিতে মেচাঘৰ বুলি যিটো পুখুৰী আছে সেইটিকে সেই চিলাৰায়ে খনাইছিল। মেচাকৈ সজা ঘৰটো থকা ঠাইডোখৰকে পাচলৈ মেচাঘৰ বোলা হ'ল। তাত থকা নিগাজী অধিবাসী বৰগোহাঁইসকলক সেই দেখি মেচাঘৰীয়া বৰ-গোহাঁই বোলা হয়---মেচাগৰীয়া নহয়। (এই নাম কোনোবা এখন আসাম ভূগোলত লিখা আছে দেখি ছাত্ৰেও সেই নামকে লিখিবলৈ ধৰিলে)। চিলাৰায়ৰ পাচে পাচে নৰনাৰায়ণ ৰজাও আহি আছিল। মেচাঘৰতে তেওঁ চিলাৰায়ক লগ ধৰিলেহি।

যুদ্ধ জিকাৰ আশা নেদেখি খোৰা ৰজা চৰাইখোৰোং পৰ্বতত সোমালগৈ আৰু তাৰ পৰা সন্ধিৰ প্ৰস্তাৱ কৰি পঠিয়ালে। সেই সন্ধি মতে কোঁচ ৰজালৈ আপচু আখেক আদি ভালেমান ভাওৰীয়া ফৈদৰ লোকক ৰাউমুৱা হাতী আৰু পখিৰাজ ঘোঁৰাৰে সৈতে ওলমান দিলে। লগত আমাৰ দেশৰ, তাঁতী, কমাৰ, কাটনী, কঁহাৰ, হজুৱা বনুৱাও অসংখ্য গ'ল।

অসম অভিযানত জয়ী হৈ বেহাৰ পালত, চিলাৰায় গৌড়দেশ মাৰিবলৈ গ'ল। কিন্তু হাৰি, গৌৰপাৎসাৰ বন্দী হ'ল। এনেতে, এদিন পাচচাৰ মাকক সাপে খোটে। চিলাৰায়ে কাপোৰৰ আগত কিবা দৰব এটা বান্ধি দি পাচচা মাওক সুঙিবলৈ দিলত সাপৰ বিষ ভাল হ'ল। সেই আপাহতে, মৰম লাগি পাচচাৰ জীয়েক এজনী চিলাৰায়লৈ বিয়া দিলে। চিলাৰায়ও, বেহাৰ পালেহি।

ইপিনে আপচু গোহাইহঁত নৰনাৰায়ণৰ কাৰেঙতে বন্দী হৈ আছে। আপচুৰ নামটিহে আপচু। "প্ৰকৃততে কিন্তু নহয় তেনে" দেখিবলৈ সোন্দাকলটো যেন। ভীম গোহাঞিও বুলিছিল। গোহাঁই

—২২

গাভৰুৰ দ'ৰা, নৰনাৰায়ণে বৰ আদৰ সমাদৰ কৰি ৰাখিছিল। আপচুৰ সৈতে কোঁচৰজাই পাশাও খেড়িছিল। এইদৰে এদিন পাশা খেড়ি থাকোতে নৰনাৰায়ণৰ পাটমাদৈয়ে ভিতৰৰ পৰা জুমি চাই আছিল। মাদৈয়ে দেখিলে মানুহটি বৰ সুন্দৰ এনে সোন্দাকল হেন সুন্দৰ পুৰুষটিৰ বিৰহত তেওঁৰ ঘৈণীয়েক চাগে গড়গাঁৱত কান্দি-কাটি বাউল হৈ আছে। তেওঁৰ (মাদৈৰ) দেখোন এদিনমান স্বামীক নেদেখিলেই মন-প্ৰাণ চাটি ফুটি কৰে। আপচুৰ ঘৈণীয়েক নো বাৰু ইমান দিন গিৰীয়েকক নেদেখি কেনেকৈ আছে? আপচুৰ ৰূপ দেখি, মাদৈয়ে ৰজাক খাটিলে "এই পুৰুষটিৰ নামটো সলাব নোৱাৰি নে? আৰু এওঁক মুক্তি দিলে আমাৰ নো কি হানি হ'ব! পাট-মাদৈৰ কথা শুনি নৰনাৰায়ণৰ মনটো সহানুভূতিৰে শিল পমাদি পমি গ'ল; আপচু নামটো সলাই সুন্দৰ (সোন্দৰ) বুলি মাতিবলৈ ললে আৰু এটা ফন্দী কৰি মুক্তি দিবলৈও ঠিক কৰিলে। এদিন কথায় কথায় ক'লে, "সোন্দৰ, আজি যদি তুমি মোক পাশাত হৰুৱাব পাৰা, তিনি সইত খাই কৈছোঁ, তোমাক মুক্তি দিম।" পাশাখেলত নৰ-নাৰায়ণৰ সমানেই সুন্দৰ গোহাঞো চাখী। দুয়ো পাশা খেলিবলৈ ধৰিলে। হৰা-জিকা হওঁ হওঁ হৈছে, এনেতে ৰজাই মাত লগালে, "যদি মোক কুৰি চাল পাশা জিকিব পাৰা তোমাৰ দেশৰ পৰা অনা মানুহে দুনুহে তোমাক এৰি দিম।" পাচে, সুন্দৰ গোহাঁয়েও সেই কুৰি পাশা জিকিলে। গোহাঞি অসমলৈ উলটিবলৈ সাজু হ'ল। কিন্তু লগৰ মানুহখিনিক এৰি নিদিয়াত তেওঁ অকলৈ আহিব খোজা নাই। তিনি দিন তেওঁ অপেক্ষা কৰি আছে, আহিবপৰা নাই। এনেকৈ বৈ থকাৰ কাৰণ সুধিলত নৰনাৰায়ণৰ আগত সোন্দৰ (সুন্দৰে) গোহাঞে ক'লে ঃ

"স্বৰ্গ হ'লেও, মোৰ পক্ষে অকলসৰে থকা অসম্ভৱ। দুখতে মৰিলোৱেই লাগে, পৰ্বতে, পাষণ্ডে লগেৰে থাকিবলৈ হে বাঞ্ছা কৰোঁ। মই অকলে গৈ ক'ত মৰিম গৈ? মোৰ লগৰ মানুহখিনিও মুকলিকৈ দিয়ক।"

ৰজাই চিলাৰায়ক আদেশ দিলে। বোলে, "বাৰু, বেলি ওলোৱাৰ পৰা বেলি পৰালৈকে যিমান মানুহ তোৰ্ষা নৈ পাৰ হৈ যাব পাৰে, সিমানখিনি মানুহ যক, নোৱৰাখিনি মোৰ ইয়াত থক।"

ৰজাৰ আজ্ঞা শুনি চিলাৰায়ে তৎক্ষণাৎ তোৰ্ষা নৈত থকা পাৰ-ঘাটৰ নাওবোৰ আঁতৰলৈ পঠিয়াই দিলে। পাচদিনা সোন্দৰে টুলুঙা নাও এখনি হে পালে। তাৰেই বেগাবেগীকৈ যিমান পাৰে সিমানখিনি মানুহক পাৰ কৰালে। সেই মানুহ প্ৰতাপ সিংহৰ দিনত দেশ পালেহি। ভটীয়াপাৰতে মাটি-বাৰী দি ৰজাই সিহঁতক পাতি থলে। ভাটীৰ মানুহ আনি পতা বাবে এতিয়াও পুৰণি পুখুৰীৰ ওচৰৰ গাঁও-খনক ভটীয়াপাৰ বোলে। ন-পুখুৰী থকা ডোখৰো ভটীয়াপাৰেই আছিল, তেতিয়া ন-পুখুৰী হোৱা নাছিল। আৰু দুয়োটা পুখুৰীৰ মাজেদি বৰ আলিটোও হোৱা নাছিল। এদিন স্বৰ্গদেৱে সোন্দৰক সুধিলে, "কোঁচ বেহাৰত নো কি দেখিলা, কি শুনিলা?" সোন্দৰ গোহাঞে ভাৱভক্তিৰে জনালে, "তাত মৃন্ময় অৰ্থাৎ মাটিৰে দশভুজা মূৰ্তি সাজি ৰজাই পূজা কৰে আৰু পূজাৰ কেইদিনত, ৰাজ্যৰ পৰা প্ৰজাসৱ হিল-দল ভাঙি আহে। কাৰেঙৰ ভিতৰৰ দুবৰি বনো মৰি ধূলি হয়, ইমান প্ৰজাৰ আন্দোলন আৰু তাত মোহৰ মৰা টকা চলায়।"

কোঁচৰ দৰে আমাৰ ৰাজ্যতো মহা পয়োভৰেৰে দুৰ্গা পূজা পাতিব লাগে বুলি তৎক্ষণাৎ প্ৰতাপ সিংহই ধনশিৰী নৈৰ (গোলাঘাটৰ) পাৰত থকা মৰঙ্গিয়াল কহাৰী খনিকৰক পঠিয়ালে বেহাৰলৈ—দশভুজা মূৰ্তি সজা শিকি আহিবলৈ। শিকি বুজি সিহঁত আহি আমাৰ দেশ পালতহি নামদাঙৰ পাৰৰ ভটীয়াপাৰতে ১৫২৭ শকত মহা সমাৰোহেৰে "ইন্দ্ৰ-বংশী স্বৰ্গ মহাৰজাই" ৰজঘৰনাকৈ মহামায়া দশভুজা দুৰ্গা দেৱীৰ পূজা উৎসৱ কৰে। তাৰ বহুত দিনৰ পাচতহে শিৱসিংহ স্বৰ্গদেৱৰ দিনৰপৰা কৃষ্ণানন্দ ভট্টাচাৰ্য্য, পৰ্বতীয়া গোসাঁইৰ তান্ত্ৰিক পদ্ধতিৰে পূজা কৰা নিয়ম চলিবলৈ ধৰে।

নতুন অসমীয়া; শাৰদীয় সংখ্যা, ২৩ আহিন ১৮৮৯ শক, ১০ অক্টোবৰ, ১৯৬৭ চন।

প্ৰাচীন অসমৰ পৰিবহন মাধ্যম

"একাল আছিল যেতিয়া অসম উপত্যকাখন অসমীয়া মানুহৰেই ভৰপূৰ আছিল। * * * একাল আছিল যেতিয়া অসমীয়া মানুহে নিজে নিজেই একোটা একোটা প্ৰকাণ্ড প্ৰকাণ্ড আলি-গড়, মথাউৰি বান্ধি লৈছিল। সেই গড়বোৰ ৰোমানৱাল বা ৰোম দুৰ্গৰ লগতহে ৰিজাব পাৰি। কিন্তু আজি আৰু অসমীয়াৰ বল শক্তি, উৎসাহ-উদ্দীপনা একোটো নায়েই—সকলো লয় পালে।" এই কথা কেইশাৰী লেখিছিল ডক্তৰ নেছুলীয়ে (Dr. Nassulec)।

লেখিছিল কেতিয়া ? ১৮৬৪ চনত যেতিয়া অসমীয়াহে নেলাগে, কোনো ভাৰতীয়ই "নিজৰ ভাগ্য নিজে গঢ়িব লাগে" বুলি ভবা নাছিল; ভটিয়নি সোঁতত নাও মেলি ফস্তা জুৰি শুই গৈছিল। জাতীয় মহাসভা কংগ্ৰেছ অইন কি, কোনো ৰাজনৈতিক অনুষ্ঠানেই তেতিয়া সঁচত যি নাছিলেই নে, মচতো নাছিল। এতিয়া আৰু লী চাহাবে লেখি যোৱা মতে অসমীয়া ঢোদ, সোৰোপা এলেহৱা হৈ থকা নাই। আকৌ সেই বুৰঞ্জী ঘূৰি আহিছে। আকৌ সেই আগৰ দিনীয়া উৎসাহ-উদ্যম, আশা-আকাঙ্ক্ষাই দেখা দিছেহি। "আমি কি আছিলোঁ, কি হলোঁ" বুলি কপালত হাত দি কোনো আৰু এতিয়া বহি থকা নাই—অতীতৰ পুনৰ অভিনয় কৰিবলৈ ওলাইছে। নৱলব্ধ স্বাধীনতাৰ পোহৰে আমাক সকলোপিনে স্বাৱলম্বী হ'বলৈ উদগণি দিছে। অতীতত আমাৰ বাট-পথ, আলি-পদূলি, গড়-মথাউৰি কিমান আছিল, কোনে কৰিছিল আৰু সেইবোৰ নিৰ্মাণত বুদ্ধি কৌশল কেনেকৈ খটুৱা হৈছিল—এই এটাইবোৰ এতিয়া পৰিবহন বিভাগে উলটি চাবৰ সময় পালেহি।

ৰাজগড় :—সদিয়াৰ পৰা বেহাৰলৈকে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে এটি বৰ আলি আছিল যাক ৰাজগড় বোলা হৈছিল আৰু এতিয়াও বোলা হয়। গড়টোৰ কোনো কোনো খণ্ড ছিগি আছে—নিছিগা অংশ মেৰামতি কৰি বা আওতাই মানুহ-দুনুহ যাবপৰা কৰা হৈছে। নেফাৰ অঞ্চলত যি খণ্ড সোমাইছে সেই খণ্ডত যান্ত্ৰিক যানবাহনো

চলিব পাৰে। কৰ্ণেল ছেক্সপীয়েৰৰ (Col. L.W. Shakespear) মতে এই ৰাজগড়টো হেনো মধ্যপ্ৰদেশ পাইছেগৈ। গড়টো বন্ধোৱা হৈছিল খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ মাজ ভাগত চুতীয়া ৰজা ৰত্নধ্বজ পালৰ দিনত।

সেই গড়টো নিৰ্মাণ কৰাৰ গুৰিত ঐতিহাসিক কাহিনী আছে। এইখিনিতে সেইটিও কৈ থোৱা ভাল।

চুতীয়া ৰজা ৰত্নধ্বজে মন্ত্ৰীৰ হতুৱাই কমতা ৰজাৰ মন্ত্ৰীৰ কন্যা খোজাইছিল। "কমতেশ্বৰে বোলে তহঁতক কন্যা দিব নোৱাৰোঁ। যদি ৰজা আহি নিয়ে, দিব পাৰোঁ।" ৰত্নধ্বজ পালে এই কথা শুনি মন্ত্ৰীৰে আলচি, "আমি আনিব নোৱাৰো বুলিহে এই কথা বুলিছে। ন্যায়পাল ৰজাতকৈও এওঁ ডাঙৰ ওলাল নে?" এই বুলি মন্ত্ৰী বিজয়া সেনক ৰজা পাতিলে। ৰত্নধ্বজেও নিজৰ ৰাজ্যৰপৰা কমতেশ্বৰ ৰজাৰ তালৈ আলি বান্ধি এদিনৰ অন্তৰে অন্তৰে নগৰ পাতি গ'ল। লগত পাত্ৰমন্ত্ৰী আৰু অনেক মানুহ লৈ হাবি পৰ্বত ভাঙি গৈছিল। আলি বান্ধি কমতেশ্বৰ ৰজাৰ ৰাজ্য পালেগৈ।** "পাচে কমতেশ্বৰ ৰজা বোলে" পৰ্বত-হাবি ভাঙি ই ঠাইলৈ আহিব নোৱাৰিব, এই বুলিহে এই কথা বুলিলো। জানিলো এই কৰম সামান্য শক্তি নহয়।

কোনো কোনোৱে লেখিছে এই গড় বোলে মধ্য প্ৰদেশলৈকে গৈছে।

লাহদৈ গড়-- অতীজতে শদিয়াৰ দক্ষিণে লাহদৈ নামে এখন ৰাজ্য আছিল। সেই ৰাজ্যৰ পৰা নামনি ফাললৈ এটি গড় বন্ধোৱা হৈছিল। সেই গড়টো বুঞ্জি স্বৰ্গনাৰায়ণ স্বৰ্গদেৱে বন্ধোৱা বুলি কোৱা হয়। কিন্তু স্বৰ্গনাৰায়ণে "আওতালে" বুলি লেখাৰ পৰা ধৰিব পাৰি যে সেইটো গড় অতীজৰে পৰা আছিল। চুতীয়া ৰাজ গড়তকৈও সম্ভৱ এইটো পুৰণি।

নগা আলি—এই আলিটি নামদাং শিলসাঁকোৰ ওচৰত দিখৌ নৈত লগাই নগা পৰ্বতৰ পৰা বন্ধোৱা হৈছিল। ই দীঘলে প্ৰায় ১২ মাইল; ১৫৬৩ খৃষ্টাব্দত খোৰা ৰজাই বন্ধোৱা এই আলি।

গোঁহাই কমলৰ আলি—পুৰণি আলিৰ ভিতৰত এইটোৱেই উত্তৰ পাৰে থকা আটাইতকৈ দীঘল আলি। ইয়াৰ দীঘে কোচবিহাৰৰ পৰা

উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰলৈকে ৩৫০ মাইল। ১৪৮২ শকত (১৫৬০ খৃঃত) নৰনাৰায়ণ ৰজাই অসম লবলৈ আহোঁতে ভায়েক গোহাঁইকমলৰ হতুৱাই এই আলিটো ৩ পক্ষৰ ভিতৰত সম্পূৰ্ণ কৰোৱাইছিল। পিতৃ বাক্য পালন কৰি নৰনাৰায়ণে অসমৰ তলতীয়া নাম গুচাবলৈ অসমৰ বিৰুদ্ধে যি যুদ্ধৰ আয়োজন কৰিছিল, তাৰ আৰম্ভতে নৰনাৰায়ণে ভেতিয়া ক'লে,---

"এতেকে পিতৃবাক্য কৰিবাক লাগে
তেতিয়া জানি নিৰন্তৰে আলি বান্ধিয়োক আগে।"

দৰং ৰাজবংশাৱলীত ঃ---গোহাঁইকমলে "বৰঘাগিকৈ" পৰশুকুঠাৰ অৰ্থাৎ পৰশুৰাম কুণ্ডলৈকে আলি বান্ধিবলৈ সণ্টম হ'ল আৰু "দুই প্ৰহৰৰ অন্তৰে অন্তৰে" আলিৰ দাঁতিয়ে দাঁতিয়ে একোটা সৰোবৰ হেন পুখুৰী খনাই নাঁৰায়ণপুৰলৈকে আলিটো বন্ধাই পেলালে। দৰং ৰাজবংশাৱলীত আলিটো পশুৰকুণ্ডলৈকে বান্ধিলে বুলি আছে। কিন্তু নাৰায়ণপুৰলৈকে বন্ধোৱাটোহে অন্যান্য বুৰঞ্জীয়ে কয়। তাৰপৰা উজাই যিটো আলি পৰ্বতৰ কাষে কাষে ভটীয়াই আহিছে, সেইটোক ৰাজগড় বোলে। তাত লগ লাগিছে গোহাঁইকমলৰ আলি।

গোহাঁইকমলৰ আলিটো দেখি কৰ্ণেল এল্ ডব্লিউ ছেক্সপীয়েৰে কৈছে ঃ---

"Assam is not thought of as ever having possessed a strong history or an old civilization; though this latter is attested by the numerous ancient forts, temples and certain old high roads such as the Kamali Ali (Gohain Kamala Ali) running 350 miles from Cooch Behar to Narayanpur, still in use in parts, which are to be found scattered up and down the length and breadth of the land."

চেউনী আলি--১৫৭৮ শকত, জয়ধ্বজ সিংহ ৰজাৰ দিনত বন্ধোৱা। ই দীঘলে ১৩৩ মাইল---গোটেই শিৱসাগৰ জিলাতে আছে। আমগুৰি ৰেইলৱে ষ্টেচনৰ পৰা অলপ উজনিতে চেউনী আলিটো ঢোদৰ আলিত লগ লাগিছে। অৱশ্যে চেউনী আগ, ঢোদৰ আলি পাচ।

ধোদৰ আলি---মহাৰাজ ৰুদ্ৰসিংহৰ দিনত কৰোৱা এই আলি। ই দীঘলে ১১৫ মাইল; আমাৰ সদৰ আলিত থকা ধনশিৰি দলঙৰ ওচৰত যিখন ধোদৰ গাঁও আছে, সেইখিনিৰ পৰাই অৰ্থাৎ কমাৰগাঁৱৰ পৰা ধোদৰ আলিৰ ঠালৰূপেহে ওলাই দক্ষিণমুৱা হৈ গোলাঘাট তিতাবৰেদি সৰকি জয়পুৰ পাইছেগৈ।

টেঙ্গাখাত ৰজা আলি--এইটোও ৰজা দিনীয়া আলি। কৰাইছিল কোনে সঠিক বৃত্তান্ত পোৱা নাই।

ব্ৰিগেট্ৰেচ বা গুৱাহাটী জয়ন্তীয়া আলি-- এইটোৱেই বৃটিছৰ দিনত বন্ধোৱা প্ৰথম আলি। ডেবিদ স্কটৰ আমোলত ১৮২৭ চনত চেৰাপুঞ্জীৰ পৰা আলিৰ কাম আৰম্ভ কৰি ১৮২৯ চনত শেষ কৰে। গুৱাহাটী ফালৰপৰা গলে এই আলিটোৰ বাটত এইবোৰ ঠাইত খোপনি আছিল ঃ---গুৱাহাটী, খনামুখ, ৰাণীগুদাম, জেৰাং, মৌপীয়া, নখোলা, মাইবঙি, সৰ্দ্দী, মংলং, কলাপানী, চেৰাপুঞ্জি। আলিটোৰ পোনেই কাম আৰম্ভ কৰিছিল মণিৰাম দেৱানে।

শিলঙৰ আলি ঃ---গুৱাহাটীৰ পৰা শিলঙলৈ যোৱা ৰাজ আলিটো কৰা হয় ১৮৭৫-৭৬ চনত।

বগলৰ আলি বা Bogal's Road--কামৰূপ জিলাত, বৃটিছৰ আমোলত হোৱা এইটোৱেই প্ৰথম আলি। ১৮৩১-৩২ চনত বান্ধি-বলৈ লৈ ৰাইজে মাটি এৰি নিদিয়াত কৰবাৰ ওচৰলৈকে আধাখিনি-য়াকৈ এৰি থৈ যায়।

কাঁহিকুচী আলি, ৰহা আলি---স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত এই আলি কৰা হৈছিল।

কাঁহিকুচী আলি---নগাঁৱৰ পৰা আজিকালি য'ত জাগিৰ'ড হৈছে। সেইখিনি পাইছিল---তাৰ পৰা জয়ন্তীয়ালৈ লুংলুঙীয়া বাট।

বৰ্তমান শিৱসাগৰ জিলাতেই অসম ৰজা দিনীয়া পৰিবহন প্ৰণালী অৰ্থাৎ অহা-যোৱা বাট পথৰ সংখ্যা সৰহ। কিন্তু, কলিয়াবৰ, প্ৰতাপগড়, চামধৰা গড়, আদি অসংখ্য গড় নিৰ্মাণ কাৰ্য্যত ৰজা দিনৰ প্ৰজা শক্তি আৰু বুদ্ধি চাতুৰ্য্য দেখিলে স্তম্ভিত হ'ব লাগে। যান্ত্ৰিক যুগ হ'লেও, এই বিলাকৰ ইতিহাস জনা উচিত।

সম্প্রতি, কেইটিমান ৰজা দিনীয়া আলি গড়ৰ তালিকা ইয়াতে ওলোমাই দিয়া হ'ল। প্রত্যেকটোৰে অন্তৰালত থকা বুৰঞ্জীমূলক ঘটনা আৰু কোনো কোনোটোহঁতৰ লগত জৰিত থকা ৰোমাণ্টিক আৰু যুদ্ধৰ কাহিনী বৰ্ণাবলৈ গলে, ই এখন মহাভাৰত হ'ব।

অসমৰ পৌৰাণিক ৰাজপথ দেখি আগৰ দিনত অসমলৈ অহা বিদেশী ভ্ৰমণকাৰীসকলে কৈ গৈছিল---অসমৰ নিচিনাকৈ সুন্দৰ সুন্দৰ পোন-পোন, জোখমতে কেঁকুৰী ৰখা ইমান সৰহ ৰাজবাট ভাৰতত দেখা নাই।

"পঁথদৰ্শিকা", ২৫ এপ্রিল, ১৯৭৫ চন।

তাঁত-শালৰ ঐতিহ্য

অন্ন-বস্ত্ৰই জীৱন ধাৰণ আৰু নিৰ্বাহৰ প্ৰধান সম্বল। আমাৰ প্ৰাণ যেনেকৈ অন্নগতা, বস্ত্ৰও তেনেকৈ অৰ্থ-সভ্যতাৰ আধাৰ। অন্ন-বস্ত্ৰ বিহীনে জীৱনেই বিড়ম্বনা মাত্ৰ। দুয়োটাৰে সংস্থান কৰি ল'ব পাৰিলেই জীৱন-যাত্ৰা সুগম আৰু সুখে-সন্তোষে ভৰা হয়। সভ্যতাৰ পোহৰ পোৱাৰ আগেয়ে আৰু এতিয়াও, অন্নৰ পৰিবৰ্তে মানুহে অন্য খাদ্য ব্যৱহাৰ কৰিও জীৱন ধাৰণ কৰিছিল আৰু কৰি আছে। কিন্তু বস্ত্ৰ ব্যৱহাৰ যি জাতিৰ নাই, সেই জাতিৰ নামৰ আগত সভ্য শব্দটো কেতিয়াও ৰজিতা নেখায়। যি জাতিয়ে সুখে-স্বাচ্ছন্দে জীৱন-নিৰ্বাহ কৰিবলৈ বস্ত্ৰকে আদি কৰি যিবোৰ মূল সঁজুলি উদ্ভাৱন আৰু উৎপাদন কৰিব পাৰিছিল সেই জাতিয়েই সুসভ্য বুলি পৰিগণিত হৈছিল। কাপোৰ উলিওৱাৰ পূৰ্বে মানুহৰ গছৰ বাকলি, তামোলৰ ঢকুৱা, ভেড়া ছাগলীৰ নোম আদিয়েই পৰিধানৰ বস্তু আছিল; সেই-বোৰে এটা নহয় এটাৰে লজ্জাও নিবাৰণ কৰা হৈছিল। সভ্যতাৰ লগে লগে মানুহে কপাহ, মুগা, পাট, উল বা উনি আৰু মৰাপাট প্ৰভৃতি আঁহীয়া বস্তুৰ সূতা কাটি, সেই সূতাৰে কাপোৰ বৈ লোৱা হ'ল। আগছোৱাত সদৌ পৃথিৱীতে সূতানেতা হাতেৰেই কটা হৈছিল আৰু ঘৰখনৰ জোখাৰেহে কাপোৰ কানি বৈ লোৱা হৈছিল। ১৭৭১ খৃষ্টাব্দত বোৱা-কটাৰ কল ওলালত পাশ্চাত্য দেশৰ মানুহে হাতেৰে ব'ব-কাটিবলৈ এৰি দিলে আৰু আমাৰ দেশতো এৰা পৰি আহিছে। বৰ্তমান বোৱা-কটা এটা প্ৰধান শিল্প।

কপাহী কাপোৰেই আটাইতকৈ উত্তম পৰিধেয়। কপাহ খেতি আৰু কপাহী সূতা ভাৰতত অপৰ্য্যাপ্তকৈ হৈছিল আৰু হৈও আছে। কপাহৰ সূতা কাটি কপাহী কাপোৰ তৈয়াৰ কৰা জুতি বা প্ৰণালীটো অতি প্ৰাচীন আৰু ই ভাৰততেই পোন প্ৰথম আৱিষ্কৃত। পছিমীয়া পুৰাতত্ত্ববিদসকলৰ মতে খৃষ্টাব্দৰ ১৫০০ বছৰৰ পূৰ্বেই ভাৰতীয় মানুহে (হিন্দুৱে) কপাহৰ সূতা কাটি কপাহী সূতা প্ৰচলন কৰে। হিন্দুৰ প্ৰচীনতম শাস্ত্ৰ ঋগবেদৰ সূক্ত এটাত আৰু আন আন পুথিতো

ইয়াৰ উল্লেখ থকা বাবেই সেই ঠাইৰ সিদ্ধান্ত কৰা হৈছে। ঋগবেদত আছে, "হে শতক্রতু, আপোনাৰ ভক্ত নিগনিয়ে তাঁতীৰ কাপোৰ কুটি-কুটি খোৱা দৰে মোক চিন্তা-ভাবনাই খাই পেলাইছে অর্থাৎ জুৰুলা কৰিছে।" সেইদৰেই মনুসংহিতাত আছে, "কাপোৰ বোৱা মানুহক কোনোবাই যদি কটা সূতা দহ নেছা দিয়ে তেন্তে তাঁতীজনে তাৰ সলনি টাহোনলগোৱা সূতা এঘাৰ নেছা দিব। নিদিব লাগিলে, বাৰ নেছা সূতা দি দণ্ড ভৰিব লাগিব।" গতিকে, মান্ধাতা যুগৰ পৰাই ভাৰতত কপাহী কাপোৰ বোৱা-কটা চলি আহিছে। মহাবীৰ আলেক-জেণ্ডাৰে ভাৰত আক্রমণ কৰাৰ পিচৰ পৰাহে কপাহ নামটো সদৌ ইউৰোপত ৰজনজনাই গ'ল। ভাৰতীয় বোৱা কটাৰ নিয়ম প্রণালী আৰু আহিলা-পাতি ইমান নিজঞলুৱা, যিহি আৰু নিজম যে অ-ভাৰতীয় সতকাঁহি তাৰ মর্মকে নেপায়। কিন্তু, কালৰ গতিত, বৃটিছ বাণিজ্য নীতিৰ শাঁকিনী সাপ সোমাই, কপাহী সূতাৰে দেৱ অভূষণ তৈয়াৰ কৰিব পৰা শিল্প বিদ্যাটো ভাৰতৰ এফালৰ পৰাই খাই আনি শেষ কৰিলে। যুগেও মোট সলালে! যান্ত্রিক যুগত, হাত নিষ্কর্মা হ'ল, গাইগুটীয়া উদ্ভাৱনী শক্তিও লোপ পালে। কল-কাৰখানাত তৈয়াৰী কাপোৰেৰে আজি নিৰিবাদ ৰাজত্ব। তথাপি, বুৰঞ্জীৰ পাতে টপ টপকৈ কৈ আছে---যিদিনালৈকে তুমি লোকৰ ঘৰত ভাত কাপো-ৰীয়া নোহোৱাকৈ আত্ম-নির্ভৰশীল হৈ থাকিবা সেইদিনালৈকে হে তুমি স্বতন্ত্র বা স্বাধীন।

আপোন-পাহৰা ভাৰতীয়ৰ পৰা কেঁচা কপাহ লৈ গৈ বৃটিছে বোৱা কাপোৰ সূতা দি ভাৰতক পাভচোঁচা দিবলৈ ধৰিলে। ভাৰতবাসীক ভালপাওঁতা মণ্ট'গমাৰী মার্টিনে তেতিয়াই এইবুলি বৃটিছ জাতিক সতর্ককৈ নিদি নোৱাৰিলে---তোমালোকে প্রবঞ্চন মূলক আর্থিক নীতি গ্রহণ কৰি ভাৰতবর্ষক চোঁচা বাবে, তোমালোকৰ অচিৰেই আসন্ন কাল পালেহি বুলি ধৰিবা। লোকমান্য তিলক আৰু মহাত্মা গান্ধীয়ে ভাৰতবাসীৰ অন্তৰত আত্মচৈতন্যৰ যিকুৰা বাড়াবাগি জ্বলাই দিলে, সেই কুৰা জুয়েই অৱশেষত, মার্টিনৰ ভৱিষ্যদ্বাণী দিঠকত পৰিণত কৰিলে। তাৰ ফলতে, জন্মভূমিৰ এফাল কাটি হ'লেও আমি ৰাজনৈতিক স্বাধী-নতা লাভ কৰিলোঁ। কিন্তু, সেই স্বাধীনতা যদি আত্ম-নির্ভৰশীলতাৰে নিকপকপীয়াকৈ পোহ মাৰি নলওঁ, তেন্তে আমাৰ স্বাধীনতা সদায় থৰকবৰক হৈয়ে থাকিব।

এনে সন্ধিক্ষণত তাহানিখনৰ অসমীয়া বোৱা-কটা ঐতিহ্যলৈ স্বাভাৱিকতে মনত পৰে। অসমীয়া তিৰোতাই সূতা কটা, তাঁত বোৱা, মাকোৰ লগত গুটিফুল বছা, তাঁতৰ পাটত বহি নীৰৱ কবিতা ৰচনা কৰা—এইবোৰে আজি দিঠকৰ পৰা স্বপ্নৰ ফাললৈ হনা লৈছে।

চুতীয়া ৰজা ভীষ্মকৰ কন্যা ৰুক্মিণীক বিয়া কৰাওতে শ্ৰীকৃষ্ণই জোৰণত দিয়া ৰিহা-মেখেলাৰ সঁজুলিটো আছিল পাটৰ আৰু বেইঘৰত নোৱনি কাপোৰ সলাওঁতে "ছুঁতে শুকুৱা, মুঠিতে লুকুৱা" সাজহে শ্ৰীকৃষ্ণই সলাইছিল। নামতী আয়তীসকলে গোৱা বিয়া-নাম শুনিলেই অসমীয়ালো "মছলিন" কাপোৰ আছিল বুলি নভবাকৈ থাকিব নোৱাৰি। উত্তৰ ভাৰতৰ সম্ৰাট হৰ্ষবৰ্দ্ধনক হংসবেগ কটকীয়ে আমাৰ দেশৰে সোণকৰিহাৰ চুলিহেন সৰু চিকচিকীয়া সোণ বৰণীয়া পাটৰ কাপোৰ উপঢৌকন দি কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মাৰেই যে মান মৰ্য্যাদা বঢ়াইছিল এনে নহয়, কামৰূপীয়া (অসমীয়া) মানুহে হে অপেস্বৰী সূতা যেন দেবাং বস্ত্ৰ তৈয়াৰ কৰিব পাৰে বুলি সৰৌ ভাৰততে কামৰূপৰ নাম জগদ্‌জননী পতিত পাৱনী কৰিছিল।

শ্ৰীশঙ্কৰদেৱৰ দিনৰ তাঁতিকুচীয়ে তাঁতশালৰ গুণ-গৰিমাই ভক্তসকলৰ মনত এতিয়াও আলোড়ন কৰি থাকে। দুঃশাসনে পঞ্চ পাণ্ডৱৰ পত্নী দ্ৰৌপদীক লাঞ্ছনা দিবৰ সময়ত অসমীয়া কবি ৰাম-সৰস্বতীয়ে দ্ৰৌপদীক "মাথাত মালতী ফুলৰ ঘ্ৰাণে সৈতে" গাত "নেতাৰ বসন পৰিধান" কৰি থকা বুলি বৰ্ণাইছে। মুগা-পাট অসমীয়াৰ আপুৰুগীয়া সম্পত্তি। আনদেশত পাট-সূতা থাকিলেও, মানদেশে সৈতে স্বৰ্গদুৱাৰ অসনৰ এই অঞ্চলটোত, বৈ কাটি উলিওৱা মুগা কাপোৰে কাপোৰ পিন্ধা জগতখনক চমক লগাই আছে।

বৃটিছ সোমোৱাৰ আগত আমাৰ যি ৰবৈয়া দিন আছিল সেইদিনত অসমীয়া শিপিনীয়ে কপাহী সূতাৰে এবিধ কাপোৰ বৈছিল—যাক বোলা হৈছিল কৱচ কাপোৰ। যুদ্ধ-বিগ্ৰহত ই অভেদ্য। মাজনিশা ৰাতি সেই কাপোৰৰ কপাহ নেওঠিব, ধুনিব, পাজি বটিব, সূতাও কাটিব। ৰাতি নৌ পুৱাওঁতেই বৈ শেষ কৰিব লাগিব। এই কাপোৰেই কৱচ কাপোৰ। এই ৰূপে যোগক্ষণ চাই তৈয়াৰ কৰা কাপোৰখনি যুদ্ধৰ এবিধ বৰ্মও—দা-তৰোৱালৰ ঘা নোসোমায়। দিক্ৰাই নৈৰ কাষত তুৰ্বলকে সৈতে আমাৰ যি যুদ্ধ হৈছিল, তালৈ বীৰাঙ্গনা

মূলা গাভৰুৱে এই কাপোৰ বৈ উলিয়াইছিল। প্ৰায় ৫ ঘণ্টাৰ ভিতৰত হাতেৰে বৈ কাটি কাপোৰ এখনি উলিওৱা অলৌকিক যেনেই লাগে। তথাপি, ই বুৰঞ্জীৰ কথা। সাধু নহয়।

মুগা-পাট কপাহী কাপোৰৰ বাহিৰেও আৰু এবিধ আচৰিত কাপোৰ বোৱা হয়। তাকে বোলে এৰীয়া কাপোৰ। এৰীয়া কাপোৰৰ গুণ মহৎ। এই কাপোৰৰ মাহাত্ম্যই মোৱামৰীয়া ৰণত স্বৰ্গদেৱৰ সেনাক এনেকুৱা ভাৱে পেপুৱা লগাই দিছিল যে ঘাইকৈ তাৰ প্ৰভাৱৰ বৌচিতেই মোগল বিজেতা দুৰ্জয় অসমীয়া শক্তি লাহে লাহে হলি আহিল। মৰাণ জীয়াৰী বীৰজায়া ৰাধা আৰু ৰুক্মিণীয়ে নিজা নিজা গাত যেতিয়া এইবিধ এৰীয়াৰ কৱচ কাপোৰ পিন্ধি ৰণথলীত চণ্ডীকা ৰূপে থিয় দিলেহি, অসমীয়া সেনাই জাঁয়ে জাঁয়ে ছিলৈ-বৰতোপৰ গুলি মাৰিবলৈ ধৰিলে, তথাপি টাহি বোহা কৱচ-কাপোৰ ফালি সৰকাই নিব নোৱাৰিলে। গুলী গৈ জোঁট-পোট লাগি ৰয়, ৰাধা-ৰুক্মিণীৰ এৰীয়াৰ গাঁতি মৰা কাপোৰতে সোমাই থাকিবগৈ, নহয়, মেখেলাতে লাগি থাকিবগৈ। কাপোৰৰ মহিমা বুজিব নোৱৰাত ৰজাঘৰীয়া সৈন্যৰ মাজত উস্‌মিস্‌ লাগিল, বোলে---ৰাধা-ৰুক্মিণী কি সাক্ষাৎ ৰণচণ্ডীকা ঔ! কোঁচ পাতি গুলী ধৰে? ভয়তে সেনা-সেনানী ভাগিবলৈ ধৰিলে। সময়ত দিব নোৱৰা বাবে, মূলা গাভৰুৰ কৱচ-কাপোৰৰ মহিমা যদিও প্ৰকট নহ'ল মৰাণ জীয়াৰী ৰাধা-ৰুক্মিণীয়ে গাঁতমাৰি লোৱা এৰীয়া সূতাৰ কৱচ কাপোৰে সেই মহিমা হেলাৰঙে দেখুৱাই থৈ গ'ল। এতিয়াও এনেকুৱা কাপোৰ ৰণুৱা চিপাহীক পিন্ধাই পৰীক্ষা চাব পাৰি। কেনেবাকৈ যদি ৰাধা-ৰুক্মিণীৰ ফলিতা হাতে হাতে পোৱা হ'ল, তেন্তে অসমীয়া তাঁত শিল্পৰ কিটিপ কৌশলে অসমক নিশ্চয় সমৃদ্ধিশালী কৰিব।

স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত, দেশপতা বৰবৰুৱা মোমাই তামুলীৰ দিহামতে দেশখন নকৈ ৰাহ লগোৱা হয়। প্ৰজাৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবৰ নিমিত্তে তেওঁৰ কঠোৰ আদেশ আছিল---"প্ৰতিদিনে তিৰোতাইতে দিনত, বাৰীত শইছ কৰি, তাতে গোবৰ পেলাব লাগিব। ৰাতি হ'লে দহ অঁৰাকৈ মুগাৰ সূতা কাটিব লাগিব; তাৰ উপৰিও ৰাতি পুৱালেই প্ৰতিজনী মাইকীয়ে এদোণকৈ চাউল খুণ্ডি উলিয়াই দিব লাগিব। যিবোৰে সূতা-চাউল দিব নোৱাৰিছিল সেইবোৰক ধৰি বান্ধি মাৰি কিলাই, নাকে-কাণে শলা মৰাইছিল।"--

এই প্ৰসঙ্গতে, মোমাই তামুলীয়ে ৰাইজৰ অৱস্থা ভাল কৰিবলৈ লোৱা আন আন ব্যৱস্থা দুটামানো উল্লেখ কৰা হ'ল :—

মূল এৰিও, অকল দোৱাল-তোৱাল মানুহেৰেই বৰবৰুৱাই ঠায়ে ঠায়ে বাৰী পতাইছিল। বাৰীখনহঁতৰ চাৰিউমেৰে চাপ মৰোৱাই তাৰ ওপৰত বাঁহ ৰোওৱাইছিল। চাপৰ পাচফালে তামোল-পাণ, আম-কঠাল আদি নানান তৰহৰ শস্যৰ বাৰী পতোৱাইছিল। ইখন গাঁৱৰ পৰা সিখন গাঁৱলৈ যাবলৈ আলি বন্ধোৱাইছিল, শাস্তি দিবলৈ পঠোৱা টেকেলাই ভেঁটী খাই শাস্তি নিদিয়াকৈ আহিলে, ভেঁটী দিয়াটোকেহে উগ্ৰ দণ্ড কৰিছিল। এইৰূপে শুৰুদণ্ড কৰিছিল যদিও ভাত-কাপোৰৰ নাটনি নহৈছিল আৰু ৰাজ্যতো দুৰ্নীতি শিপাব নোৱাৰিছিল। বাপেক বৰবৰুৱাই কপাহ যোগনীয়া, মুগা যোগনীয়া, পাটসূতা যোগনীয়া আৰু শুণাকটীয়া মানুহবোৰক খেল-বন্ধীয়াকৈ ৰেহা লগাই পাতি থৈ যোৱা বাবে হে পুতেক বৰফুকন লাচিতে একলাখ ষাঠি হেজাৰ ৰণুৱাক মূৰে গাই চকাকৈ কাপোৰ, খুমেখুমে লভা-সান্দহ যোগাব পাৰিছিল।

শিৱসিংহ স্বৰ্গদেৱৰ পাটমাদৈ "বৰ ৰজা" ফুলেশ্বৰীয়ে জয়দৌলত আৰতি কৰা পাচনী ছোৱালীবোৰক গোটাই নিতৌ গধূলি গধূলি লেখা-পঢ়া শিকাওঁতেই কপাহৰ পাঁজি কাটিবলৈ শিকাইছিল জয়সাগৰ পুখুৰীৰ পূব-দক্ষিণে থকা পাঁজিকটা পুখুৰীটোৱে অসম ৰজা দিনত লগ লাগি কপাহৰ বন কৰা কথা আজিও সোঁৱৰাই আছে।

আগৰ কালত, হজুৰা খেতিয়কৰ আগচালিৰ পৰা ৰাজকাৰেঙৰ বুলনীঘৰলৈকে মুগাৰেই হওক বা পাটৰেই হওক, নাইবা কপাহ মেজাঙ্কৰিৰেই এখন নহয় এখন তাঁতৰ খটখটনি শুনিবই। যাক যেনেকুৱাকৈ লাগে, তেনেকুৱাকৈ চুৰিয়া, বৰ কাপোৰ, এৰীয়া কাপোৰ, এৰি কাপোৰ, খনিয়া চেলেং, পাটৰেই বা গাজৰেই ৰিহা-মেখেলা-টঙালি আৰু পাট্‌নী প্ৰভৃতি নিতৌ লাগি থকা কাপোৰ-কানি বৈ লৈছিল। যিটো বস্ত্ৰ ভাৰততে পাবলৈ নাই সেই বস্ত্ৰ মুগা। তাৰেই অসমীয়া মানুহে সেই কালত আঁঠুৰা-গামোচা চুৰিয়া-ৰিহা-মেখেলা কৰি লৈছিল। সেইবুলি কপাহী কাপোৰৰ যে বোৱা-কটা নহৈছিল এনে নহয়, হৈছিল। পৰ্বত-ভৈয়াম গোট খাই এককাঠী হৈ এক অসম ৰাজ্য হোৱাৰ পৰা চেলেং-খনিয়া, আচুয়লীয়া চুৰিয়া আৰু

পাওৰিও কপাহৰ সূতাৰে ববলৈ ধৰিলে। গৌৰীপুৰ, টিপকাই, তাঁতীকুচি, বৰনগৰ, ভটীয়াপাৰ, বহা, হাজো, মঙ্গলদৈ, ম'ৰাপুখুৰী, ৰঙ্গাগড়া, মাজুলী, ৰংখাং, বিশ্বনাথ, মাজগাঁও, কুৰুৱা, কলিয়াবৰ, দেৰগাঁও, বৰদুৱাৰ, ছয়গাঁও---এইবোৰ বহু গাঁৱৰ এখন নহয় এখন জেঠুৱা, এহেৰুৱা, ভদীয়া, কতীয়া, জাৰুৱা, মুগাৰ এবাহ নহয় এবাহ পোহাই হৈছিল। ইয়াৰ বোৱা-কটাটো যেনেকৈ এটা শিল্প, পোহাটোও তেনেকৈ এটা ডাঙৰ আৰু অত্যাৱশ্যকীয় খেতি। পাট পলু পোহা-টোহে কেৱল এটা সম্প্ৰদায়ৰ ভিতৰত উপজীব্যৰ উপায় স্বৰূপে আচু-তীয়াকৈ ৰখা হৈছিল। সেই পাট-সূতাই ভাৰতৰ ভিতৰত উৎকৃষ্ট বুলি আজিও বহুতে শলাগে। কিন্তু দুখ লাগে, অসমত আজি মুগা পোহা মানুহ আৰু মুগা চোমনি হৰি আহিছে।

শিপিনী বা তাঁতসূত বোৱা ছোৱালী কেতিয়াও চটচটী বা উই-চিৰিঙাৰ দৰে পাতল হ'ব নোৱাৰে। পুৰুষৰ চটচটনি বা চঞ্চলতা সহিব পাৰি, তিৰোতাৰ চঞ্চলতা কটু সমালোচনাৰ বাহ---সততকাই সহ্য কৰিব নোৱাৰি। একে থৰে তাঁতৰ পাটত বহি থকা, নেটাই-চেৰেকী ঘুৰোৱা, মাকো মৰা, চানেকি চাই পিটিকি পিটিকি কাপোৰত বাবৰিফুল-গুটিফুল, লতা ফুল বছা, চকুৱে মণিব নোৱাৰা ছিগা সূতা জোৰা দিয়া উলামুলা মানুহৰ বন নহয়। তাঁতবোৱা পালীতকৈ সূতা কটাৰ পালী আৰু চাৰ। মুগা সিজোৱা; সিজাই কঁকালি ঘূৰাই ভাঁৰৰীত সূতা কটা; নেওঠনিত কপাহ পেৰা; ৰৰাল্লি মাছৰ কাঁইটেৰে কপাহ চন্দিওৱা, তাৰে আকৌ পাঁজিবটা, পাঁজিৰে আকৌ যঁতৰত কাটি তাঁতলৈ নিবপৰা কৰালৈকে যিখিনি জঠৰ লগা আমনি সহিব লাগে তাক অসমীয়া জীয়ৰী-বোৱাৰীৰ বাহিৰে আনে এজোপধ্যেই অনুভৱ কৰিব নোৱাৰে। এনেকুৱাই ধৈৰ্য্যশীলা আৰু সহিষ্ণুৱতী অসমীয়া তিৰোতা। তাহানি একজিকিউটিভ ইঞ্জিনীয়াৰ বলিনাৰায়ণ বৰাই কৈছিল---বিলাতত হেনো তিনি ডাও মাৰি ফুৰে। চতৰতীয়া ছোৱালী-বোৰক গহীন গম্ভীৰ কৰিবলৈ ফুটছাই এগালত মাহ কিছুমান ছটিয়াই সিহঁতক খুঁচৰি খুঁচৰি উলিয়াবলৈ দিয়া হয়। তাঁতশালে আমাৰ মাইকী মানুহক এনেয়ে গধুৰকৈ থৈছে। মাহ বছাত একো আয় নাই---তাঁতখন হলে আয়ৰ ৰহঘৰা। এনে তাঁতৰ অধিকাৰিণী আমাৰ শিপিনী। লোকে কাপোৰত বেজীৰে ফুল তোলে; আমাৰ

কাঁজীয়ে বৈ যাওঁতে মাকোৰেই ফুল বাছে। অথচ, বেজীৰে ফুল তোলাটোৰেই ধনঞ্জয়-ঢোল বাজে আৰু মাকোৰে ফুল বাছোঁতাই কুঁচি-মুচি "লোকক নকয় লাজে।" অন্যান্য প্রদেশত তাঁতী বা জোলা এশ্রেণী মানুহে হে তাঁতৰ না হাতৰ কাম জানে। অসমত হ'লে, আগত কৈ অহা দৰে, চহকী দুখীয়া, ৰজা-ৰাজোৱান, ঘৰ নিৰন্তৰে তাঁতশাল খট্‌খট্ কৰিবই লাগিছে। আন প্রদেশৰ গতি চাই অসমৰ তাঁত-শালক কুটীৰ শিল্প বোলাটো নামে-গুণে ৰজিতা খোৱা নাই। জাতি-ধৰ্ম অৱস্থা-সম্প্রদায় নিৰ্বিশেষে তাঁত-শাল বুলিলে ইয়াৰ মানদণ্ড তললৈ বহে। দেখিবলৈ এলাগী হ'লেও কাজী ছোৱালী সদায় সুৰাগী আৰু সিহঁতে য'তে ত'তে আদৰ-সাদৰো পায়। জীয়াৰী শুচি বোৱাৰী হ'লেও সেই ছোৱালী হে লখিমী তিৰোতা হ'বগৈ পাৰে। স্বভাৱতে গধূৰ মহিলাৰ হে কথা বহে আৰু দহজনক মনাব পাৰে। যিমানেই কি ধুনীয়া "আধুনিক তাৰকা" নহওক, বব কাটিব নজনা ছোৱালীক সৌ সিদিনালৈকে আমি ৰাজনৈতিক স্বাধীনতা পোৱাৰ আগলৈকে— সকলোৰে থুপৰী বুলি হাঁহিছিল; অকাজী তিৰুতাই চতৰতাই চত-ৰতাই বাহ্যিক বেহৰূপৰে তিৰোতা সেকৰা স্বামীক ভুৱা দি আগত বিয়োগ চিন দিব পৰাকৈ অৰ্থহানি কৰিব পাৰে, গধূৰ ভাৱৰ কাজী স্ত্রীৰ দৰে হাত ধৰি চলি উপাৰ্জনৰ বাট কেতিয়াও উলিয়াব নোৱাৰে। সেইহে কাজী তিৰোতা লখিমী।

তাঁত-শাল বিনে অসমীয়া সাহিত্যও চোহোঙা। তাঁত-শালৰ ঐতিহ্যই আমাৰ ভাষা-সাহিত্য-সমাজ সকলোকে কৌটী কালৰপৰা এখোপ ওপৰলৈ তুলি থৈছে। এনে ঐতিহ্যপূৰ্ণ বোৱা-কটা শিল্প যাতে যুগসন্মত মতে পুনৰ ঠন ধৰি উঠে, সেইটোৰ বাবেই দেশহিতৈষী মাত্রেই কায়মনবাক্যে উঠি পৰি লগা একান্ত কৰ্তব্য।

"আমাৰ প্রতিনিধি" ৮ম বছৰ, ২য় সংখ্যা।

ঠাই-নামৰ মহিমা আৰু আঁতিগুৰি

পৃথিৱীত এনে মানুহ বৰ কমেই আছে যি নিজৰ দেশৰ বা ঠাইডোখৰৰ গৌৰৱ কৰিবলৈ ভাল নাপায়। ঠাই-নামৰ মহিমা বা গৌৰৱ নিৰ্ভৰ কৰে সেই ঠাইৰ ঐতিহাসিক অৱস্থানৰ ওপৰত। আমাৰ দেশৰ প্ৰায়বোৰ ঠাইৰ আঁতি-গুৰি বিচাৰি চালেই দেখিবলৈ পোৱা যায় যে সেই ঠাইবোৰৰ নামটোহঁত সৃষ্টি হোৱাৰ গুৰিতে কিবা-এটা-নহয়-কিবা-এটা বুৰঞ্জীমূলক ঘটনা বা আখ্যান আছেই। একোখন গাঁও আছে যাৰ নামটো শুনিলেই সেই ঠাইৰ মানুহৰ প্ৰতি ভক্তি হয়; কোনো কোনো ঠাইৰ অকল নামটোৱেই কৈ আছে যে সেই ঠাইডোখৰ ঠাই অতীতৰ শিল্প-কলা-জ্ঞানচৰ্চা আৰু খনিকৰী বিদ্যাৰ মাজঠাই আছিল। কোনো কোনো ঠাইৰ নামৰ আঁতিগুৰি বিচাৰিলে ওলাই পৰে যে সেই ঠাইখিনি প্ৰাকৃতিক অৱস্থা আৰু জলবায়ুৱে গঢ়া। শস্যে মৎস্যে অনুপম ভোগালি হোৱা বাবেই ঠাই নামটো সেই অনুসৰি হৈছে বুলি ঠাৱৰোৱা হয়। কোনো কোনো থল বা ঠাইৰ নাও বা নামটোৱে মনত পেলাই দিয়ে যুদ্ধৰত-ৰণথলী এখনলৈ। মানুহৰ ভাৱ চৰিত্ৰ, আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ, আন কি নিতৌ ব্যৱহাৰ কৰা কথা-বতৰাও স্থানপ্ৰভাৱৰে প্ৰতিচ্ছবি। কোনো কোনো ঠায়ে পুৰণি কালতে শৌৰ্য্য-বীৰ্য্য বল-পৰাক্ৰমে দেখুৱাই মহিমাময় কীৰ্তি যশস্যাৰ একোটা দৌল বান্ধিছিল আৰু সেই দৌলৰ মৰ্য্যাদা যুগমীয়াকৈ ৰাখিবলৈকে ঠাই জোখৰৰ গৌৰৱজনক নাম দিয়া হৈছিল। কালৰ পৰিহাসত পৰি সেই বল-বীৰ্য্য এতিয়া লুপ্ত হ'ল। তথাপি ঠাইডোখৰৰ যি নাম থাকিল, সেয়ে আজিও মৰাৰ মুখত পানী দি আছে। সেই নামৰ শব্দতে স্থানীয় লোকে হে নালাগে দূৰ-দূৰান্তৰৰ মানুহেও মৌ পি আছে। এনে কিছুমান ঠাইৰ নামো আছে, যাৰ অধিবাসীসকলৰ ইচ্ছা-আকাঙ্ক্ষা আৰু কৰ্ম-কুশলতাৰ পৰিচয় পোৱা যায়—সেই ঠাইকে লৈ ৰচিত হোৱা একোটা একোটা প্ৰবাদৰপৰা। ভাষাতত্ত্ব, নৃতত্ত্ব আৰু প্ৰবজনতত্ত্বৰেই প্ৰধান আলম স্থলতত্ত্ব। সকলোৱেই উচ্চস্তৰত থাকিবলৈহে ভাল পায়।

নিম্নস্তৰত কোনো থাকিব নোখোজে। সেই গুণে হে, নীহ বা নিকৃষ্ট-বাচক ঠাই বা গাঁৱৰ নাম সলাবলৈ সকলোৰে হাবিয়াস। বুৰঞ্জী কোণৰপৰা চালে বেয়া হ'লেও ঠাই-নাম সলোৱাটো বাঞ্ছনীয় বুলি ক'ব নোৱাৰি, কিন্তু কৃষ্টি-ইতিহাস-নিহিত ঠাই একোখনৰ নামটো-হঁত পূৰ্বাপৰ উচ্চাৰণ অনুসৰি ৰক্ষা নকৰি ভাষা সাম্ৰাজ্যবাদীহঁতৰ উচ্চাৰণ অনুৰূপে বিকৃত আৰু বিৰূপ কৰাতও স্থানমাহাত্ম্যত উদ্বুদ্ধ হোৱাসকলে বিদ্ৰোহানল জলোৱাটো নিতান্ত বাঞ্ছনীয়।

কামৰূপ নামটোৰে পাৰাপাৰ নাই। কাম দেৱতাই পুনৰ্জন্ম পাই-ছিল বুলিয়েই ঠাইখনৰ নাম হ'ল কামৰূপ। পাৰ্থিব জগতৰ অসম্ভৱ ঘটনা এটি সংঘটিত হোৱাৰ লগতে যেতিয়া চিত্ৰলেখাৰ হৰলুকীমায়া, মায়ঙৰ বেজালি, কমতাপুৰৰ তন্ত্ৰ মন্ত্ৰ গোট খাই উপ-নৈৰ দৰে গোটেই কামৰূপক ভৰাসোঁতা কৰিলে তেতিয়া কৰতোয়াৰ পশ্চিম পাৰৰ মানুহ স্তম্ভিত হ'ল আৰু যাদু-মন্ত্ৰৰ দেশ বুলি কামৰূপ নামৰ চৰণতো সেৱা, খুৰাতো সেৱা কৰিবলৈ ধৰিলে। "হিন্দুস্থানৰ মানুহে স্নুত খেদোৱা তিনিটা টিলিকি মাৰি হে কামৰূপৰ নাম স্মৰণ কৰিছিল।'

কথা অলপ দীঘল হয় যদিও, এইখিনিতে ফাৰ্চী-স হিত্যত লেখি থোৱা কথা 'দুফাঁকিমান তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

'আইনী আকবৰী'ৰ গ্ৰন্থকাৰে কোঁচ ৰাজ্যৰ ভিতৰতে কামৰূপ বা কমতা বুলি কৈ কামৰূপৰ তন্ত্ৰ-মন্ত্ৰৰ কথা এই বুলি বৰ্ণাইছিল ঃ

"এই ঠাইৰ স্বাভাৱিক উৎপন্ন বস্তুবিলাকৰ বিষয়ে আচৰিত আচৰিত পতিয়াব নোৱৰা সাধু কথা শুনা যায়। তাৰ ফুলবোৰ ছিঙি আনি দুই চাৰি মাহো যদি পেলাই থোৱা, তেও তাৰ গন্ধ নুগে বা পাহিও নেলেৰেলে। এইবোৰেৰেই আকৌ মানুহবোৰে পিঠা কৰি খায়। গছেও বোলে অমৃত বৰষে। মানুহবোৰ বহুৰূপী, দিনত এটা ৰূপ, ৰাতি হ'লে এটা। ডেকাকো বুঢ়া যেন দেখি, বুঢ়াকো ডেকাযেন দেখি। কুমন্ত্ৰ কৰাত ইহঁত বৰ পাকৈত। ইহঁতে যাক ভাল নাপায়, তাক যাদু-মন্ত্ৰ কৰি হেলাৰঙে যমৰ ঘৰলৈ নিব পাৰে।"

এসময়ত, গুৱালপাৰৰ খুঁটাঘাটত হৰলুকী মায়া জনা "কাম-ৰূপীয়াই" মোগলৰ 'কাৰৰীক' (আমিন) কেনে জুলুকি জুলুকিকৈ

—২৩

শিকাইছিল তাৰে এটা আমোদজনক ঘটনাও 'বহাৰিস্তান ঘাইবী'ৰ পৰা তুলি দিয়া হ'ল ঃ

"মহম্মদ জামানক খুঁটাঘাটলৈ কাৰৰী (আমিন) কৈ পঠিওৱা হ'ল। তেওঁ বৰ খঙাল আৰু পৰগণাৰ ছোৱালী ধৰি ধৰি আনি ৰায়তক জুলুম কৰিছিল। তন্ত্ৰ-মন্ত্ৰ কৰি যাদু কৰাত খুঁটাঘাট পৰগণাটো গোটেইখনতে প্ৰখ্যাত। কোনোবা ৰায়তৰ পৰা যদি কোনোবাই কুকুৰা এটা কাঢ়ি আনে আৰু সেই কুকুৰাৰ গিৰিহঁতে কুকুৰাটো পাবলৈ গোচৰ দি ন্যায় বিচাৰ যদি নাপায় অৰ্থাৎ কুকুৰাটো যদি গিৰিহঁতটোক দিয়া নহয়, তেন্তে কুকুৰা-গিৰিহঁতে এনেকুৱা যাদু মন্ত্ৰ মাৰিবলৈ ধৰে যে সেই কুকুৰাকঢ়া মানুহটোৱে মানুহৰ মাত মাতিব নোৱৰা হয় আৰু তাৰ পেটৰপৰা কুকুৰা ডাকহে ওলাবলৈ ধৰে। সেইদৰেই দিহিদাৰ বা পট্টাদাৰৰ মাটিবাৰী চৰজমিন কৰি ভগাইবঁটাই দিবলৈ নাজিৰ এজন খুঁটাঘাটত আছিলগৈ। ৰাতি-বিয়লি মানুহৰ ঘৰত কোনেও মাছ জীয়াই নাৰাখে, এইটো কথা জানিশুনিও মদপানী খাই নাজিৰজনে সন্ধ্যা লাগি ভগাৰ পাচত, নাইবা মাজনিশা একোঘৰ গৃহস্থৰ ঘৰত ঘপহ কৰে সোমাই দকদকীয়া জীয়া মাছ খোজেগৈ। গৃহস্থই মাছ দিব নোৱাৰিলে ঘৰে-ঘৰোৱাহকে ধৰি বান্ধি, মাৰি-কিলাই উগ্ৰশাস্তি কৰে। সিহঁতেও নিৰুপায় হৈ আম-পাত দুখিলামানকে নাইবা লাওচুৰ পাতকে আনি বাৰ বুৰি মন্ত্ৰেৰে জাৰিফুঁকি সেই পাত কেইখিলাক তৎক্ষণাৎ পানীৰ পৰা থৰাথৰে ধৰি অনা যেনকৈ সৰু-সৰু জীয়া মাছ কৰি পেলায় আৰু তাকে দি নাজিৰৰ শাস্তিৰপৰা ৰেহায় পায়।

এনেকৈ 'নিছাখোৰ' নাজিৰজনে এনেকুৱা মাছ এগাল আনি ৰান্ধিবাঢ়ি খাবলৈ লওঁতেই মাছবোৰ তেজৰ চেকুৰাৰ দৰে গোট মাৰিলে। তাকে খায়েই নাজিৰজন মৰি থাকিল। (মৰিল বুলি, খাই পেলাই থিতাদাহেই মৰা নাছিল)। মৰাৰ আগতে, একেৰাহে তিনিদিনমান বলিয়া শিয়াল-কুকুৰৰ দৰে কেতিয়াবা হোৱা-হোৱা, কেতিয়াবা ভুক্-ভুক্, কেতিয়াবা আকৌ মেওঁ-মেওঁ কৰি, ৰাও কাঢ়ি ফুৰিছিল। সেইদৰে ৰাও কঢ়াৰপৰা হে কুমন্ত্ৰ কৰিছে বুলি ধৰিব পৰা হ'ল।"

এইৰূপেই চেলিম বেগ নামৰ আন এজন 'মুস্তাজিৰো' (ৰাজহৰ বিষয়ে) মৰিল। তাৰ পাচত মীৰ্জা গিউ বুলি যিজনক নিয়োগ কৰি

পঠিওৱা হ'ল, তেওঁও কোনোমতে হে "মৃত্যুক আদৰিবলৈ আঁচলৰ আগত জীউটো বান্ধি খুঁটাঘাটৰপৰা সাৰি আহিল।"

মায়ঙীয়া বেজৰ কীৰ্তিও কোনো গুণে কম নহয়। সেইবোৰ বিবৰি নকৈ মুঠতে ইয়াকে ক'লেই হ'ব যে কামৰূপৰ মানুহে কাম-দেৱক জীওৱা-দি মৰা মানুহ জীয়াব পাৰে। আৰু এইখন তন্ত্ৰমন্ত্ৰৰ দেশ। তিনি শ চাৰি শ বছৰৰ পূৰ্বেই কামৰূপৰ যাদু-মন্ত্ৰই সদৌ ভাৰতত যি অপূদঘাট ধাৰণা সৃষ্টি কৰিছিল আৰু কামৰূপৰ নামত ভাটীফালৰ মানুহ যেনেকুৱাকৈ ত্ৰস্তমান আছিল, কামৰূপ নামটো ফঁহিয়াই চালে সেই ভীতিসঞ্চাৰক অলৌকিক শক্তিটোৱেই আগত থিয় হয় হি।

কামৰূপ বা কমতা নামটো যেনেকৈ কালিকা লগা, কামৰূপ গিলোতা 'অসম' নামটোও তেনেকৈ সোণৰ সঁফুৰা। "ৰজাৰ কাপোৰ মেলিব পাৰি, চপাব নোৱাৰি।" এই দৰে আমাৰ দেশজ থলুৱা নাম-বোৰৰ উৎপত্তি খুঁচৰি গৈ থাকিলে ওলাই হে থাকে, ওৰ নপৰে। গুৱালপাৰৰ ফুলৰা-চতৰা, কামৰূপৰ দুৱনী-মুৱনী, বিশ্বনাথৰ কুমুদ-কৌস্তভ—এই কেইটা চাপলিকা পৰ্বতে আৰু লখাই-তৰা, ঔৱনা-জগৰা নৈ নামৰ অন্তৰালত থকা মনুষ্যসূচক এই নাম কিটাই কৌটি কালৰপৰা আধ্যাত্মিক ৰোমাণ্টিক কাহিনী বুকুত সুমুৱাই কিমান দুখেৰে যে প্ৰত্নতাত্ত্বিকৰ হিয়া বিদৰণ কৰা হস্ত স্পৰ্শনলৈ বাট চাই আছে, তাক কোনে ক'ব? সেই নামবোৰ ক'ৰপৰা আহিল, কেনেকৈ হ'ল, কোনে দিলে, কেতিয়া দিলে, ঐতিহাসিক ৰঙ্গমঞ্চ বা হ'ল কেনেকৈ? ইত্যাদি এশ-এবুৰি প্ৰশ্নৰ উত্তৰ দিবলৈ যোৱাৰ আগতে বিশেষ বিশেষ ঠাইৰ বিশেষ বিশেষ নামৰ প্ৰত্যয় উপসৰ্গবোৰ চালি-জাৰি চাব লাগিব। সেই প্ৰত্যয় বা বিভক্তিয়ে ঠাই-নামৰ উৎপত্তি জনোৱাৰ লগে লগে যি মানুহে সেই নাম দিলে সেই মানুহনো ক'ৰ আহিল তাৰ সম্ভেদ দিয়ে। সেই নাম থলুৱাৰে সৃষ্টি নে আচহুৱাৰ সৃষ্টি আৰু তাৰ সম্পৰ্কটো ক'ৰবাত আছে নে নাই তাৰো উহ পোৱা যায়।

আমাৰ দেশত, ঠাই-গাঁও-চুবুৰি বা যৌগিক নাম সাঙোৰ খাই আছে—আটি বা আউটি, কুঁচি, কুঁৰ, কোষ, কোণা, খোক, খোৱা, গুৰি, ঘাট, ঘোট, ষোগ, ঘোপা, চকু, চিগা, জাৰ, জুৰি, টাৰী, তলা,

দিয়া বা দিহা, দী, নেঘেৰী, পটি, পাৰ, পুৰ, বৰী, বাৰী, মাৰী, ৰা, হাটী। এইবোৰৰ উপৰিও এনে ঠাই অনেক আছে, যাৰ লগত গাই-গুটীয়াকৈ বা ৰাজহুৱাকৈ নাম দিওঁতা বা দিওঁতাসকলৰ স্বাৰ্থ বিজড়িত হৈ আছে।

এনে প্ৰত্যয়যুক্ত ঠাই-নাম কিছুমান ইয়াতে উল্লেখ কৰা হ'ল ঃ—

আটি ঃ—বেজেনাআটি, আউনীআটি, কঁহুৱাআটি, হালধিআটি, ইত্যাদি।

কুঁচি ঃ—ৰাধাকুঁচি, নকুঁচি, তিতকুঁচি, শানেইকুঁচি, ভেহকুঁচি, কাঁহীকুঁচি, সোৱালকুঁচি, ৰাউতকুঁচি, কমাৰকুঁচি, ভাবৰিকুঁচি, ৰণাকুঁচি, মুগকুঁচি, টপাকুঁচি, কলাকুঁচি, সোণাকুঁচি, কঠালকুঁচি, বালিকুঁচি, গণককুঁচি, ব্যাসকুঁচি, পট্টাচাৰকুঁচি আদি অলেখ।

কুৰ ঃ—জীয়াকুৰ, মালীকুৰ, গোহাঁইকুৰ, মাহীকুৰ, গৰখীয়াকুৰ, আদি।

কোষ ঃ—গৰকোষ, দিছৈকোষ।

কোণা ঃ—মুৰিকোণা, ভেতৰকোণা, ইত্যাদি।

খোক ঃ—হাতীখোক।

খোৱা ঃ—ছৈখোৱা, মাছখোৱা, নিকিনিখোৱা, হাতীয়েখোৱা ইত্যাদি।

গুৰি ঃ—কৰ্দৈগুৰি, বিহগুৰি, জামুগুৰি।

ঘাট ঃ—শৰাইঘাট, ঘিলাঝাৰিঘাট, বান্দৰডেৱা ঘাট।

ঘোগ ঃ—বৰীঘোগ, ঘোগ্ৰাপাৰ।

ঘোপা ঃ—মুগীঘোপা, হিন্দুঘোপা, গৰীয়াঘোপা।

চুক ঃ—বিৰিণাচুক, দহাঁবৰাচুক।

ছিগা ঃ—ফুলপানীছিগা, মিতংছিগা।

ঝাৰ বা জাৰ ঃ—সন্ধ্যাৰজাৰ, কোকৰাঝাৰ, বৰজাৰ।

জুৰি ঃ—অমৰাজুৰি, ঢেঁকীয়াজুৰি।

টাৰী ঃ—বাঘৰটাৰী, সাপৰটাৰী, চোপাৰটাৰী।

তল ঃ—টেপৰতল, গছতল, ঔতল।

তলা ঃ—মদাৰতলা, বৰতলা, শিমলুতলা।

দিয়া বা দিহা ঃ—ৰামদিয়া, সুন্দৰীদিয়া।

দি ঃ—বামুণদি।

নেঘেৰী ঃ—শীতল নেঘেৰী।

পটি ঃ—বামুণপটি, কেঞ্চাপটি, কমাৰপটি।

পাৰ ঃ—বিয়াহপাৰ, কুমাৰপাৰ, কাথপাৰ।

পুৰ ঃ—সুৰাগপুৰ, চন্দ্ৰপুৰ, জয়পুৰ, নাৰায়ণপুৰ, ৰংপুৰ, কামপুৰ, গোবিন্দপুৰ, ৰতনপুৰ, মথুৰাপুৰ, মোহনপুৰ, লক্ষীমপুৰ ইত্যাদি অজস্ৰ

বৰী ঃ—হেমাৰবৰী, উলাবৰী।

বাৰী ঃ—হেমনবাৰী, বীৰুবাৰী, ৰজাবাৰী, উলুবাৰী।

মাৰী ঃ—বৈটামাৰী, চিলমাৰী, বগালমাৰী বা বগালমৰা, কাবৈ-মাৰী, ইত্যাদি।

ৰা ঃ—কৰৰা, ননৰা, পানাৰা, কহঁৰা, মুৰাৰা, দদৰা, কৈৰাৰা, ধুসোৰা, দতৰা, অৰৰা, হাজৰা, হাহাৰা, বেজেৰা, আধাৰা, পালাৰা, বৈনাৰা, মনাৰা, মালাৰা, সীতাৰা, আজাৰা, ধনৰা, খটৰা, জাগাৰা, দমাৰা, লোকাৰা, প্ৰভৃতি বহুত।

হাটী ঃ—গুৱাহাটী, কৈহাটী, চিৰহাটী, বা শ্ৰীহাটী, বামুণহাটী ইত্যাদি।

ওপৰত দিয়া ঠাই-নামৰ তালিকাৰপৰা সহজেই অনুমান কৰিব পাৰি যে আমাৰ ভাষাত নিৰ্দিষ্ট ঠাই বুজোৱা গাঁও, চুবা বা চুবুৰী শব্দ ব্যৱহাৰ কৰাৰ আগেয়ে গছ-গছনি, জন্তু-চোং, নৈ-পৰ্বতৰ নামেৰে হে একোডোখৰ ঠাইৰ নামকৰণ হৈছিল। গাঁও শব্দটো সংস্কৃত গ্ৰামৰপৰা অহা। সেই দেখি যিবোৰ ঠাইক গাঁও বোলা হ'ল, সেই-বোৰৰ নাম নিশ্চয় পূৰ্বতে সংস্কৃতৰ লগত সম্পৰ্ক থকা মানুহে দিয়া। ইয়াৰ ভিতৰত কুঁচি, টাৰী আৰু ৰা প্ৰত্যয়যুক্ত নামবোৰেই অতি পুৰণি। ইহঁতৰ গুৰি খোঁচৰা বা আঁতি-গুৰি বিচৰাটো ইমান উজু নহয় যে ভাতৰ লগত খোৱা পানী টোপাৰ দৰে শোহা মাৰি খাই

থ'ব পাৰি, অৰ্থাৎ অলপ আয়াসতে তাৰ ইতিবৃত্ত উলিয়াব পাৰি। অতীতৰ মহিমা উদ্ধাৰ কৰিবলৈ ওলোৱা চাপ্ৰাছ পোৱা গৱেষকসকলে ঠাই-নামৰ প্ৰত্যয়বোৰতে খোপনি লৈ এখনি বিৰাট বুৰঞ্জী প্ৰণয়ন কৰিব পাৰে। অসমৰ প্ৰাচীন সভ্যতা নিৰ্ণয় কৰিবৰপৰা এই প্ৰত্যয় আউটিটোত কোনেও এতিয়ালৈকে হাল জোৰা নাই। দ্বিষপুৰ বা দিছপুৰ, শোণিতপুৰ, প্ৰাগজ্যোতিষপুৰ—এই বিলাকৰ পুৰ প্ৰত্যয়টো জাপলোৱাৰ আগেয়ে আমাৰ ঠাইবোৰৰ নাম কি আছিল—সিও এটা কৌতূহলী অনুসন্ধানৰ বিষয়। জাতিয়ে জাতিয়ে ঘটা সংমিশ্ৰণৰ ৰহঘৰাও সোমাই আছে ঠাই-নামৰ প্ৰত্যয়বোৰত হে।

কুঁচি, ৰা প্ৰত্যয়ান্ত নামবাচক সংজ্ঞাত যেনেকৈ একোখন-একোখন মহাভাৰত লুকাই আছে, নৰনাৰায়ণে পতা সুৱাগপুৰ, পতাৱন বা পতালং ববৰুৱাৰ ৰণথলী জয়পুৰ, নাৰেংপুৰ বা নাৰায়ণপুৰ, লক্ষীমপুৰ, গোবিন্দপুৰ প্ৰভৃতি পুৰ লগা ঠাই নামৰ ইতিবৃত্তও অতি মনোৰম। তথাকথিত সভ্যতাৰ গন্ধ নোপোৱা আমাৰ নিৰক্ষৰী মানুহে ঠাই একোখনৰ নামটোহঁতৰ বিশেষত্বটোৰে একোটা-একোটা ডাকৰ বচনকে ৰচনা কৰি গৈছে। গুৱালপাৰ দৈ-গাখীৰৰ নিমিত্তেই যে বিখ্যাত সেই কথা বিহুৰ দিনত মনত পেলাই গুৱালপৰীয়া বিৰহুৱে গায় ঃ

চিলমাৰীৰ চিকন চিৰা
গুৱালপাৰৰ দৈ
খাবাৰ সময় মনে পৰিল
বন্ধু আসি কৈ?

অলপ তুচ্ছ আৰু অবান্তৰ হয় যদিও, সকলোৱে জনাশুনা ঠাই-বিশেষত্বৰ ফঁকৰা দুটিমানো এই প্ৰসঙ্গতে উনুকিয়ালোঁ ঃ

সৰ্থেবৰীয়া লোটা
সাজোৱলীয়া ফোঁটা
মুৰিকোণাৰ জাপি
কমাৰকুচিৰ আপী।

আজি সভ্যতাৰ টিঙত উঠি আমি এইবোৰ শিল্প, সৌন্দৰ্য্য-স্বাস্থ্যৰ

প্ৰতীক ঠাইবোৰৰ আগৰদিনীয়া মহিমা বুজিব নোৱৰা হৈ আহিছোঁ সেই দৰে—

‘জয়থাম দাওৰ ভাত
বলমাৰ মাছ
চৰালৰ চৰু
বকথাৰ গৰু
বৰভগীয়াৰ তামোল।

ৰংখাউৰ পাণ।’ কোনে খাবলৈ পাইছে বা বাবলৈ পাইছে?

প্ৰত্যেয় বা উপসৰ্গ নোলোৱা বহুত ঠাই নামে উকা হৈও নিজৰ নিজৰ দুখ-সুখৰ কথা কৈ আছে। তাহানিখনৰ জনা গাভৰুৰ জনা-পথাৰে চৈখোৱা ঘাটৰ অঞ্চলত বিনাব লাগিছে।

“বুঢ়ী আই ঐ
নাহিলি ঐ সুখৰ কালত
সাতজনী নিগনী খীৰাই খাইছিলোঁ
গেৰেলাক বাইছিলোঁ হালত।”

যেই-সেই ঠাইত ভুমুকি এটা মাৰি ঠাইডোখৰৰ বৰঘৰটো নিছা-লেই এনেবোৰ প্ৰবাদে অনুসন্ধিৎসুৰ মন উদ্বাউল নকৰাকৈ নাথাকে।

“নীলাচল” ৫ম বছৰ, ১ম সংখ্যা, ১৯৬৭ চন।

পলাশবাৰীৰ দাঁতিয়ে-কাষৰে

পলাশবাৰী নামটো আধুনিক। দুমুৰীয়া ৰজাৰ অধীনত থকা ওঠৰ ৰজাৰ ৰাজ্যৰ ভিতৰত পৰিছিল পলাশবাৰী। তেতিয়া সম্ভৱতঃ ইয়াৰ নাম অন্য কিবা এটা আছিল। বহুতৰ মতে ব্ৰহ্মপুত্ৰৰ পলস পৰি হোৱা এইখন নতুন ঠাই। অতি পূৰণি কালত এতিয়া য'ত মিৰ্জা পাহাৰ আছে তাৰ দাঁতিয়েদি ব্ৰহ্মপুত্ৰ নৈ বৈ গৈছিল আৰু তেতিয়া ই হাজো শুৱালকুছিৰে লগালগি আছিল। আহোমৰজা স্বৰ্গদেৱ ৰুদ্ৰ-সিংহৰ দিনত পলাশবাৰীৰ নাম উল্লেখ আছে। প্ৰাচীন বুৰঞ্জীৰ ঘটনাৱলী লিপিবদ্ধ হোৱাৰপৰা বৃটিশ আমোললৈকে যিবিলাক ঘটনাই বুৰঞ্জীত ঠাই পাইছে তাৰ কোনো ঠাইতে সুকীয়াকৈ পলাশবাৰীৰ নাম উল্লেখ নাই, শুৱালকুছি বা শিয়ালকুছিৰ নাম আছে। মিৰ্জা জাহিনাই আক্ৰমণ কৰাৰ সময়ত এই অঞ্চলত যিবিলাক সৰু সৰু ৰাজ্য আৰু ৰজা বা জমিদাৰ আছিল, সেইবিলাকৰ অলপ অলপ উল্লেখ 'বাহাৰিস্তান ঘাইবী' পুথিত পোৱা যায়। প্ৰকাশিত অসম বুৰঞ্জীতো যিবিলাক বিৱৰণ আছে, তাৰদ্বাৰাই এই গোটেই অঞ্চলটোৰ সম্যক জ্ঞান লাভ কৰাও তেনেই উজু নহয়। তথাপি প্ৰকাশিত-অপ্ৰকাশিত আৰু দেশী-বিদেশী ভাষাৰ বুৰঞ্জীসমূহ ভালকৈ পঢ়িলে এই অঞ্চলৰ এখনি বিশিষ্ট বুৰঞ্জী প্ৰণয়ন কৰিব পাৰি।

১৫৩৪ শকৰ আগলৈকে ধুবুৰীৰপৰা উজাই দুমুৰীয়া দেশলৈকে এই দীঘলীয়া অঞ্চলটো কোঁচ ৰজা পৰীক্ষিত নাৰায়ণৰ অধীনত আছিল। ইয়াত তেতিয়া সৰু সৰু ওঠৰজন ৰজাই ভাগে-ভাগে দেশ থাই আছিল দেখি ওঠৰৰজীয়া দেশ বোলা হৈছিল। কিন্তু সেই ৰজা ওঠৰজনৰ বা দেশ ওঠৰখনৰ নাম সুকীয়া সুকীয়াকৈ পোৱা নাযায়। আহোম বুৰঞ্জীৰপৰা এই কেইখন দেশ আছিল বুলি জানিব পাৰি ঃ—

(১) ৰাণীৰ কলীয়া ৰজা আৰু মানসিংহ ৰজা, (২) মৰুৱাপুৰীয়া, (৩) ভোলাগঞা, (৪) বৰদুৱৰীয়া, (৫) বাগ ডেকা ৰজা, (৬) পান্ট-নীয়া, (৭) কালপানী, (৮) জন্তৰি পানী, (৯) বকোৰ জৈ ৰজা (জয় ৰজা), অঁৰৰা ৰজা, (১০) লুকীৰ পগলা ৰজা, (১১) ছুইগঞা ৰজা,

(১২) হেজেৰাবৰীয়া মল ৰজা, (১৩) সজাই ৰজা, (১৪) মোগোৰ ৰজা, (১৫) হালধিবৰীয়া ৰজা, (১৬) ব্ৰাহ্মণ ৰজা, (১৭) কান্তাম ৰজা, (১৮) ৰূপসিংহ ৰজা।

ৰাণীৰজা :—ৰাণীৰজাক ৰাণীদুৱৰীয়া ৰজাও বোলে। এওঁ গদাধৰ সিংহৰদ্বাৰাই ৰজা বুলি স্বীকৃতি লাভ কৰে। তেতিয়াৰে-পৰা এই ৰজা বৈষ্ণৱ ধৰ্মত দীক্ষিত হোৱা। এওঁ আহোম ৰজাক বছৰি ৬২১টা পাইক আৰু ৫০০০ টকা শোধাব লাগিছিল। বৰ-দুৱৰীয়া ৰজাৰ সমানেই এওঁৰ প্ৰতিপত্তি। প্ৰজাবিলাকৰ সৰহ ভাগেই গাৰো। এওঁবিলাকে অসম ৰজাক সদায় সহায় কৰিছিল।

ৰুদ্ৰসিংহৰ দিনত ৰাণীৰজাই অসম ৰজাৰ বিৰুদ্ধে এবাৰ বিদ্ৰোহ কৰাৰ কথা বুৰঞ্জীত আছে :—

স্বৰ্গদেৱে বোলে, "ৰাণীৰ পুতেকৰো উথামুথা শুনিছো, ফুকন এটাক পঠাই ধৰোক।" ৰজাৰ মানুহ গৈ কোঁঠ দিলত ৰাণীৰজা পলাই মতাইক্ষৰত (মাইলাটা?) সোমালগৈ। পাচে একো প্ৰকাৰে পোৱা নাই হেন দেখি কোঁঠ তোলাই আনি সোলাকাখৰীয়া চান্দ্ৰাই বৰুৱাকে, পলাশবৰীয়া টুকুৰীয়াকে পঠাই উপায় কৰি বোধভাৰসা দি তাক আনি গড়গাৱঁলৈ নিলে। স্বৰ্গদেৱে ফুকনলৈ বুলিলে, "ৰাণীৰ থোৰাএ বঙালনৈ শিৱনাৰায়ণলৈ, গুৱাহাটী লবলৈ ধনঞ্জয়ক পঠাই কথা দি আছাক, মৈদামী, দুৱাৰ গৰিলাত ধৰিম হেন বুলিবৰ, নৰ্তঙ্গ সোণাপুৰৰ কটা মানুহৰ আগমঙ্গহ, কলাফুল আনি দুৱাৰত দুটা মানুহ কাটি ঢোল কোবাই ৰণচলি কৰিবৰ আনো যি জনাশুনা কথাবাৰ্তা আছে সোধ-পোছ কৰি লেখা কৰি সকলো মানুহ-দুনুহ দি পঠাব।"

পাচে ফুকনেও সোধ-পোছ কৰি লেখা কৰি জনাশুনা মানুহ দি পঠালে। গড়গাঁৱতো সোধপোছ কৰিলে। সকলো কণা লাগিল। তাৰ পিচত খোৰা, দৰবধৰা বৰুৱাক যাৰি ৰাণীৰাজ্যত শান্তি প্ৰতিষ্ঠা কৰা হ'ল। তেতিয়াৰপৰা ৰাণী অসমৰে একান্ত শৰণীয়া হ'ল।

বৰদুৱৰীয়া ৰজা :—বৰদুৱৰীয়া ৰজাজন গাৰো, আৰু আছিল ভোগপুৰত। স্বাধীন গাৰোবিলাকে বৰদুৱৰীয়া ৰজাকে সিহঁতৰ ভাঙৰ ৰজা বুলি বৰ মান-সৎকাৰ কৰিছিল। কুকুৰীয়া (সম্ভৱ কুকুৰমাৰা) হাটত বৰদুৱৰীয়া মানুহে হাট-বজাৰ কৰিছিল আৰু তৈয়ামৰ ৰাজ্যডোখৰৰ বাবে অসম-ৰজাক কৰ-কাটল

শোধাইছিল। জয়ন্তীয়াৰ ৰজা-হাটত লোণ কিনি আনি গাৰোবিলাকে ফুকুৰীয়াত আন আন বস্তুৰ লগত সলাইছিল। (১০) লুকীৰজা-গুঠৰজন ৰজাৰ ভিতৰত আটাইতকৈ প্ৰতিপত্তিশালী আছিল।

কোঁচবেহাৰৰ লক্ষ্মীনাৰায়ণ আৰু কোঁচ-হাজো বা কামৰূপৰ ৰজা পৰীক্ষিতনাৰায়ণৰ গৃহকন্দলৰ ফলত মোগলৰ সেনাপতি মকৰমখাঁই ধুবুৰীত গড় মাৰি কামৰূপ দখল কৰিবলৈ আহিল। পৰীক্ষিত নাৰায়ণে এবছৰ যুদ্ধ কৰিও বলে নোৱাৰিলত, পৰীক্ষিত ৰজা বাধ্য হৈ মোগল পাৎশাহৰ শৰণে পশিলগৈ। এই ঘটনা হৈছিল ১৫৩৪ শকত বা ইং ১৬১২ চনত। পৰীক্ষিতে পাচত সাতলাখ টকাৰে ধীৰনাৰায়ণ, শূৰনাৰায়ণ, ভীমনাৰায়ণ—এই চাৰিউটি পুতেকক দিল্লী পাৎশ্যাহৰ হাতত সমপণ কৰি কৰতলীয়া স্বৰূপে কামৰূপৰ ৰজা হৈ থাকিবলৈ অনুমতি পাইছিল। কিন্তু দুৰ্বাসনাৰ ফলত ৰাজ্যভোগ কৰিবলৈ নেপালে।

ধুবুৰীত পোনেই গড় মাৰিছিল যদিও, পৰীক্ষিত ভাগিলত, ১৫৩৭ শকৰপৰা হাজোৱেই মোগলৰ মোকাম হ'ল। চৈয়দ বাবাকৰ নবাব তাতে থাকিল। হাজোৰপৰাই মোগলে অসম দেশত হাঁকুটীয়াবলৈ চল চাই ফুৰিবলৈ ধৰিলে। কামৰূপখন মোগলৰ অধীনলৈ যোৱাৰ পিচতে পৰীক্ষিতৰ ভায়েক বলিনাৰায়ণ আপুনি গৈ স্বৰ্গদেৱ প্ৰতাপ-সিংহৰ শৰণাপন্ন হ'লগৈ। বলিনাৰায়ণে এই বুলি কৈ স্বৰ্গদেৱৰ চৰণত পৰিছিল—

"শ্ৰীশ্ৰীস্বৰ্গদেৱ ঈশ্বৰ, মই বন্দী কল্ৰেশ্বৰ (মহাদেৱ) ঔৰসজাত কোঁচৰজাৰ সন্তান। বন্দীয়ে মোগলৰ প্ৰতাপত ঠাৱৰিব নোৱাৰি, চক্ৰবৰ্তীৰাজ সৰ্গদেৱৰ চৰণত শৰণাপন্ন হৈছোঁহি। এতেকে বন্দীক ৰাখিব লাগে।"

প্ৰতাপসিংহ মহাৰজাই ধৰ্মনাৰায়ণ নাম দি ১৫৩৭ শকত বলি-নাৰায়ণক দৰং দেশৰ ৰজা পাতিলে আৰু ওঠৰ ৰজাৰ কৰভাৰ লব পৰাকৈ ক্ষমতা অৰ্পণ কৰিলে। ক্ষমতাহে স্বীকৃত হ'ল; ৰাজ্যৰ কৰ-কাটল লবপৰা অধিকাৰ অৱশ্যে সাব্যস্ত কৰিব পৰা নাছিল।

"পিচে সেই ১৫৩৭ শকত চৈয়দ বাবাকৰ নবাবৰ ৰতনচা নামেৰে এটি সদাগৰে দুখনি নাও লৈ আহোমৰ দেশত বেহা-কিনা কৰিছিল। সেই কথা সৰ্গদেৱ প্ৰতাপসিংহই শুনি গজি উঠিল বোলে, "মোগলে আবাস কৰি কোঁচৰ ৰাজ্যখন ভাঙিলে। আমাৰ ৰাজ্যখন লবলৈও

এতিয়া চন্দ্ৰ চান্দি ফুৰিছে। এতেকে সিহঁতক পালে কেতিয়াও নেৰি-বিহঁক।" সৰ্বদেৱৰ লোকে এই কথা শুনি সদাগৰকো কাটিলে, বস্তুবোৰসৈতে নাও দুখনিও ৰাখিলে। সেই কথাই আহোম-বঙালৰ ৰণ হোৱাৰ প্ৰথম সুত্ৰপাত হ'ল। পাচত, যুদ্ধ আৰম্ভ হয়ে লাগিল। চৈয়দ বাবাকৰ কটা গ'ল। মোগলৰ হাতী ঘোঁৰা অপৰ্য্যাপ্ত অসমৰ হাতলৈ আহিল। আন আন বঙাল যি কটা নগ'ল, সিহঁতক বন্দী-বেটীকৈ ৰাখিলে। দৰং আৰু সাতৰজীয়া, ওঠৰ ৰজীয়া দেশ সমস্তে অসমৰ অধীন হ'ল।

আকৌ হাজোত তুমুল যুদ্ধ আৰম্ভ হ'ল। এইবাৰ আহোমৰ প্ৰায় দুহেজাৰ সৈন্য পৰিল। যুদ্ধ ভাগিল।

১৫৪০ শকত মোগলৰ মীৰ্জানাথন্নাই বলিনাৰায়ণ বা ধৰ্মনাৰায়ণক দৰঙতে হেঁচি ধৰিলেগৈ। আহোম সহায় আছিল দেখি মীৰ্জাই বল কৰিব নোৱাৰিলে। যুদ্ধত পৰাস্ত হৈ হাজোতে থাকিলহি।

ইয়াৰ পিচত আকৌ যুদ্ধ আৰম্ভ হ'ল প্ৰায় ১৫৫৮ শকত। সেইবাৰ আছিল মোগলৰ সেনাপতি মীৰ্জাহিমা নবাব। তেওঁৰ লগত সৈন্যৰ পাৰাপাৰ নাছিল। এওঁৰে সৈতে অসমৰ খনদিয়েক বৰ ভাওৰ ৰণ হ'ল। সেই ৰণত অসমৰ দহ হেজাৰ মানুহ হানি হ'ল। তথাপি, পাণ্ডুতে—শৰাইঘাটতে অসম-বঙালৰ দুৰ্ধাদল যুদ্ধ আৰম্ভ হ'ল। যুদ্ধ উলামুলা নাছিল—"বৰতোপৰ গুমগুমনিত গৰ্ভৱতী স্ত্ৰীৰ গৰ্ভ খহি গৈছিল। লুইতৰ পানী তেজময় হৈছিল।"

হাজোত থাকি অসমৰ লগত যুদ্ধ কৰোতেই মীৰ্জানাথান বা নাথু-ন্নাই দক্ষিণ কামৰূপ আৰু গাৰোপাহাৰৰ মাজত থকা দেশখিনিক যুদ্ধ কৰি নিজৰ দখললৈ আনে। সেই যুদ্ধৰ বিৱৰণ 'বাহাৰিস্তান ঘাইবী'ত বৰ পৰিপাটিকৈ লেখা আছে—অৱশ্যে সেই সময়ত যেনেকৈ লেখিব লাগিছিল তেনেকৈহে।

পাণ্ডু-হাজোতে মোকাম পাতি মীৰ্জানাথানে পলাশবাৰীৰ দক্ষিণে ৰাণীৰজাৰ দেশত যি কোঠ মাৰিছিল, সেয়ে আজিও মিৰ্জাপাহাৰ বুলি কথিত আছে। ইয়াৰ আগৰ নাম মাইলাটা আছিল বুলি জনা যায়।*

(এই সম্পৰ্কত মিৰ্জা পাহাৰ অঞ্চলত হোৱা ৰণ আৰু সেই অঞ্চলৰ গাঁৱৰ চমু বৰ্ণনা তলত দিয়া হ'ল। এই বৰ্ণনাৰ সংগ্ৰাহক উপৰহালি গাঁৱৰ শ্ৰীসৰ্বেশ্বৰ মজুমদাৰ)

(ৰণৰ বৰ্ণনা ঃ—অসম আক্ৰমণকাৰী মোগল বাহিনীটোৰ মীৰ্জা-নাথৰ নামৰ সেনানায়ক এজনে দক্ষিণকূল জয় কৰিবলৈ আগবাঢ়ি আহি বৰ্তমানৰ মিৰ্জা পাহাৰত (আগৰ নাম মাইলাটা) এটা দুৰ্গ সজায়। মিৰ্জাৰ অলপ দূৰত থকা বৰ্তমানৰ হালীগাঁও আৰু মিনাৰীত (এতিয়া মনিয়াৰী) আন আন দুৰ্গ সজায়। ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত বৰ্তমানৰ গৰল গাঁৱত আন এটা ঘাটি পাতি হাজোৰ মূল ঘাটিৰ লগত পোন-পটীয়া সম্বন্ধ ৰক্ষা কৰে। এই গৰলৰ ঘাটিৰ জৰিয়তে মিৰ্জা দুৰ্গলৈ খাদ্যপাতি সৰবৰাহ কৰা হৈছিল। সেই সময়ত এই অঞ্চলত ৰাজত্ব কৰা সৰু সৰু ৰজাবিলাকে এক গোট হৈ মোগলক বাধা দিবলৈ আগবাঢ়ি আহিল। এই অসমীয়া সেনাবাহিনীৰ নেতৃত্ব কৰিছিল ধৰ্মনাৰায়ণ ৰজাৰ মন্ত্ৰী সুমেৰু কায়থ আৰু ৰজা বলদেৱে। এওঁ-লোক মোগলৰ লগত বাৰে বাৰে যুঁজিও পৰাস্ত হয়। পিচত অসমৰ-পৰা অসম ৰজাৰ নাম বিলুপ্ত হোৱাৰ শঙ্কা কৰি এওঁবিলাকে আহোম ৰজাৰ আশ্ৰয় লয়। এই সম্মিলিত বাহিনীয়ে মোগলৰ আটাইকেওটা দুৰ্গকে কেওফালৰপৰা আক্ৰমণ কৰি মোগলক হাবু-দুবু খুৱায়। পিচে যেতিয়া গোপন প্ৰলোভনত আবদ্ধ হৈ এই অঞ্চলৰ দুজন ৰজা—ৰাজলক্ষ্মীনাৰায়ণ আৰু মধুসূদনে মোগলক সহায় কৰে তেতিয়া অসমীয়া সেনাবাহিনী পৰাস্ত হয়। এইখন বৰ তয়াময়া ৰণ হৈছিল। তাত অসমীয়া সৈন্যৰ সেনানায়ক সুমেৰু কায়থ, হাতীবৰুৱা, খাৰ-ঘৰীয়া ফুকন, অসম ৰজাৰ চৰদাৰ আৰু আন আন ওঠৰ জন পাহাৰী ৰজাৰ কেও পলাব লগীয়া হৈছিল আৰু কেৱো বঙালৰ হাতত বন্দী হ'বলগীয়াত পৰিছিল। তাৰ ভিতৰত সুমেৰু কায়থক সপৰিয়ালে বন্দী কৰাই আনি মীৰ্জানাথনৰ আগত হাজিৰ কৰোৱা হৈছিল। মীৰ্জা-নাথানে হেনো এওঁক বীৰোচিত সন্মান দেখুৱাইছিল।

গাঁৱৰ বৰ্ণনা ঃ—মিনাৰী দুৰ্গৰ ঠায়েই হৈছে বৰ্তমানৰ মনিয়াৰী ৰওামাটি। এইখনেই মিৰ্জাৰ দক্ষিণে থকা সৰু পাহাৰ।

মিনাৰী আৰু হালীগাঁও নাম দুটা মোগলে দিয়া নাম নহয়। গতিকে আমি ধৰি ল'ব পাৰোঁ এই গাঁৱত বহুদিন আগতে মানুহৰ বসতি আছিল। বৰ্তমান এই গাঁও দুখনত বাস কৰা সৰহ ভাগ বাসিন্দাই মুছলমান। ইয়াৰপৰা বহুতে অনুমান কৰিব খোজে যে এই গাঁও দুখন যুঁজলৈ আহি ইয়াত বৈ যোৱা মুছলমানসকলৰ

দিনৰপৰাহে হয়। বৰ্তমানৰ কোচপাৰা গাঁওখন সেই সময়ত অটব্য হাবিতলী আছিল। যুঁজলৈ আহি বৈ যোৱা কোঁচ সৈন্যই ইয়াত থাকিবলৈ লোৱাৰ ফলতে এই গাঁও সৃষ্টি হয় আৰু সেই অনুসাৰে নামকৰণ হয়। এই গাঁৱৰ মানুহখিনি গড়মূৰীয়া সত্ৰৰ ৺চতুৰ্ভুজ দেৱ গোস্বামীৰ শিষ্য।

আজিকালি উপৰহালী গাঁও বোলা ঠাইখনত তেতিয়া চাৰিটা বংশৰ লোকে বাস কৰিছিল। বংশকেইটা হ'ল—তালদাৰ, কপিলা, বাদুলী আৰু ওজা। এওঁলোক আটাইকেউজন ৺চতুৰ্ভুজ দেৱ গোস্বামীৰ শিষ্য হোৱাত কোচপাৰাত থকা গুৰুৰ ওচৰলৈ শৰণাদি ল'বৰ কাৰণে সততে অহা যোৱা কৰি থাকিবলগীয়া হৈছিল। কোঁচ-ৰা আৰু উপৰহালী গাঁৱৰ মাজত থকা (বৰ্তমান সৰপাৰা অঞ্চল) ঠাইখন নানা ধৰণৰ হিংস্ৰ জন্তুৰে ভৰি আছিল। এই জন্তুবোৰৰ ভিতৰত গুৰাৰৰ (গাহৰি) সংখ্যাই বেচি আছিল। এই গুৰাৰৰ পৰাই অৱশেষত গুৰাৰপাৰা, শৰপাৰা বা সৰপাৰ নামে এই ঠাইখনৰ নামকৰণ হয়। শৰপহু থকা হাবিতলীৰ পৰাও এই নামকৰণ হোৱা বুলি ক'ব পাৰি। বৰ্তমানৰ বতিয়াপাৰা সৰপাৰাৰে একাংশ।

কোচপাৰা আৰু উপৰহালী গাঁৱৰ মাজৰ অহা-যোৱা বাট দুৰ্গম কাৰণেই গুৰুৱে উপৰহালীৰ বংশকেইটাক নিজৰ ঠাইতে সকলৈ নামঘৰ এটা সাজিবৰ অনুমতি দিয়ে। সকলকে নামঘৰ এটা সজা হ'ল। এই নামঘৰ উদ্বোধনৰ প্ৰথমদিনা গুৰুৱে পৌৰোহিত্য কৰি বৰ্তমানৰ গোপাল প্ৰভুক থোৱা ঠাইতে ডাঙৰ চিলিম এটা স্থাপনা কৰিলে। এই ডাঙৰ চিলিম স্থাপনা কৰা কথাটোৰ পৰাই এই ঠাইৰ নাম অৱশেষত 'ডাঙুৰীপাৰা' হয়।

এই ডাঙুৰীপাৰাৰ বৰ্তমানৰ লিখিত নাম উপৰহালী। ১৮২৬ খৃঃত বৃটিছে অসম লোৱাৰ পিচত যেতিয়া 'বাহাৰিস্তান ঘাইবীত' নাম থকা হালীগাঁও পিয়ল হয়। তেতিয়া হালীগাঁওখনক ৩ খন গাঁৱত সৃষ্টি কৰিলে—দহালী, হালীগাঁও, উপহৰাহালী গাঁও। হালীগাঁও দুৰ্গৰ পশ্চিমাংশ দ কাৰণে দহালী, পূৰ্বাংশ ওখ বা উপৰ কাৰণে উপৰহালী।"

\+ \+ \+

মিৰ্জা নাথানে ৰংজুলীৰপৰা গুৱাহাটীৰ বামুণ-মৈদাম (বামুণ-ৰজা বলিনাৰায়ণৰ সম্বন্ধীয়) পৰ্য্যন্ত এই ঠাইৰ বহুত ৰজাক বশ কৰিছিল।

মির্জা নাথানে লেখা 'বাহাৰিস্তান ঘাইবী'ত বহুত নতুন কথাৰ সম্ভেদ পোৱা যায়—ৰংজুলী-যুদ্ধ, ৰাণীৰজা, অঁকৰা ৰজা, পৰ্শুৰাম ৰাজা, ৰংদনীয়া ৰাজা, সুমেৰু কায়স্থ, নৃসিংহ ৰজা, ৰাউলী খতীয়া ৰজা প্ৰভৃতি বহুতৰ যুদ্ধ কৌশল আৰু দেশ-প্ৰেমেৰে সৈতে সমসাময়িক ভৌগোলিক পৰিস্থিতিৰ ফট্‌ফটীয়া আভাস পোৱা যায়। মির্জা পাহাৰৰ ওচৰে-পাজৰে আমজং, চমৰীয়া আদি অনেক দামোদৰীয়া-মহাপুৰুষীয়া সত্ৰ আৰু অন্যান্য দেৱালয় আছে।

কামৰূপ-গোৱালপাৰাৰ এই দক্ষিণ অঞ্চলটোত ঐতিহাসিক বীৰসকলে যি অভিনয় কৰিছিল তাক নাট-উপন্যাস-কাহিনী আদিৰে পুনৰ অভিনয় কৰি দেখুৱাব পাৰিলে অসমীয়া সাহিত্য নিশ্চয় আৰু এখোপ ওপৰলৈ উঠিব।)

"দক্ষিণ কোল", ১৮৮২ শক।

অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ

সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনৰ লগতে পতা আজি বুৰঞ্জী শাখাৰ সভা। তাৰে সভাপতি পাতি মোক আদৰি আনিছে। সেই-বাবে, আপোনাসকল সকলোটিৰে ওচৰত মোৰ ভক্তিভৰা ওলগ জনাইছোঁ। কি গুণ চাই যে মোক সভাপতি বাছিলে, ক'ব নোৱাৰোঁ। পুৰণি পৃথিৱীখন ন-কৈ চাই ভাল পোৱাটোৱেই মোৰ প্ৰবৃত্তি। ইয়াত নাই বহুমুখী প্ৰতিভা, নাই বিস্তাৰিত অধ্যয়ন, নাই লেকাত লাগি থাকিবপৰা পৰিশ্ৰম আৰু নাই কাৰো সহায়-সাৰথি। গতিকেই, আপোনাসকলৰ সাগৰ-সঙ্কাশ বুৰঞ্জীজ্ঞানৰ মহাৰ্ণৱত মোৰ বক্তব্য যে কাঠীজাল মাত্ৰ, তাক কোৱা বাহুল্য মাথোন—তাৰে আৰু কি মাণিক-মুকুতা বুটলি আনি দিম? তথাপি, মাতিলে ৰণলৈকো যাবা নেমাতিলে ভোজলৈও নাযাবা—এইষাৰ পুৰণি পটন্তৰে উদগনি দিয়াত আপোনা-সকলৰ আগত মৰসাহ দি থিয় হৈছোঁহি। এতিয়া, আপোনাসৱ কৰুণাসিন্ধু সুধীবৃন্দই মোৰ শত ত্ৰুটী নিজগুণে মৰ্ষণ কৰিলেই ৰক্ষা পাওঁ।

আধুনিক যুগত ছিলঙেই অসমৰ মাজতাল। দেখাত, মাটি আৰু শিল-বালিয়ে থল-পৰ্বতীৰূপে সুকীয়াকৈ থোৱা যেন দেখা গৈছে সঁচা, কিন্তু বুৰঞ্জীয়ে ভুকি পোৱা দিনৰে পৰা ছিলঙৰ তেজ-মঙহ জয়ন্তীয়া, আৰু ভৈয়ামৰ তেজ-মঙহ লুইতৰ পাৰ, দুয়ো বৈবাহিক সম্বন্ধ আৰু মৰম-স্নেহৰ এনা-জৰীৰে নিকপকপীয়াকৈ বান্ধ খাই আছে। জয়ন্তী-য়াৰ যশমাণিক ৰজাই ১৬০৬ খৃষ্টাব্দত স্বৰ্গদেৱ প্ৰতাপসিংহলৈ কন্যা দিয়া কথা সকলোৱে জানে আৰু এইটোও জানে যে যেতিয়া মোগলে অসম আক্ৰমণ কৰে, তেতিয়া ভাগ্যৰ হেৰফেৰত পৰি সৈন্য-সামন্ত দি সহায় কৰিবলৈ নোপোৱাত জয়ন্তীয়া ৰজাই এই বুলিহে দুখ কৰিছিল—"অস্ অস্, মোগলে তোমালোকৰ ৰাজ্যমৰা কথা নুশুনিলোঁ। তুমিও একো বাৰ্তা নিদিলা। আমি সহায় কৰিবলৈ নেপাই মনত এনেকুৱা

দুখ লাগি আছে যেন মোগলে তোমাৰ দেশ নেমাৰিলে, আমাৰ দেশ হে মাৰিলে। যি হ'ল হ'ল বাৰু, এতিয়া এনেভাৱেই প্ৰীতিৰে কাম কৰিব লাগিব যাতে আমি মোগলৰ প্ৰতিশোধ লব পাৰোঁ। শত্ৰুতাৰ পোটক তুলিব পাৰিলে হে আমাৰ মনে সন্তোষ পাব। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ৰাজপাটত উঠাৰ পিচতে জয়ন্তীয়া ৰজা লক্ষ্মীসিংহই কিবা এটা কথাত বেয়া পাই স্বৰ্গদেৱক সোঁৱৰাই দিছিল, "পূৰ্বাবধি সত্য নিবন্ধ, প্ৰীতিৰে প্ৰীতিপূৰ্বক চলি গৈছে। পূবৰ বেলি পশ্চিমে ওলাব, ভটীওৱা লুইত উজাই বব, তথাপি, তোমাৰ আমাৰ প্ৰীতিগোট হ্ৰাস না হইভ।" এনে প্ৰতিজ্ঞা-পাশত আবদ্ধ হৈয়ে, ৰুদ্ৰসিংহই কছাৰী ৰজা গঙ্গা অসমৰ ভিতৰ সুমাব খোজোঁতেই জয়ন্তীয়া ৰজাই পাৰেমানে সৈন্য-সামন্ত দি সহায় কৰিছিল।

গৌৰীনাথ সিংহ স্বৰ্গদেৱৰ দিনত (১৭৯৩-৯৪ খৃঃ) খাচীয়া-জয়ন্তীয়াৰ খাইৰেম ৰজাৰ কটকী গুৱাহাটীৰ ভৰলুমুখত এইৰূপে আদৰ অভ্যৰ্থনা জনোৱা হৈছিল, "কটকীক সমাদৰ জনাবলৈ ভৰলুৰ দক্ষিণপাৰে খাঁজিখোৱাত ৰৰচ'ৰা সজোৱা হৈছিল। কটকী সোমোৱাৰ লগে লগে মাজ বাট এৰি দুয়োফালে গায়ন গাইছিল। তাৰ নামে হাতী দুটা সজাই থোৱা হৈছিল। তাৰ নামে খঁজা হিলৈ, ৰৰটোপ চ'ৰাৰ মূৰলৈকে ৰৰহাত-নলীয়া আৰু সৰুহাত-নলীয়া হিলৈ, আৰু মিঠাহোলোং, জম্বুক, তোয়া ৰৰতোপ পাতিছিল। তাৰ মাজে দুয়োফালে বানাতৰ মুখচালিদিয়া কুসুম বুলীয়া ঘোঁৰা পাতিছিল; থাৰো-বোৰে হাথিয়াৰ লৈ আছিল। তাৰ উত্তৰে-দক্ষিণে চালি কৰি ৰুকুৱী, ৰৰকাথ, চৌধাৰী, পাটোৱাৰী থঙ্গা-দলিছা পাৰি বহিছিল। চৌমেৰে তিনিশৰীয়াকৈ হিলৈ, তাৰ ভিতৰতে সালংকৃতাকৈ হাতী একুৰি আঠোটা। গড়ৰ দক্ষিণে ৰাণীদুৱাৰৰ গাৰোবোৰে ফুৰুলি মাৰি ঢাল-বাৰু খেলিছিল। তাৰ পিচত কৰ্ণত মকৰকুণ্ডল, শিৰপেঁচ কচ্ছিক পৰিধান কৈ ৰৰফুকনে সুধিলে—কি নিমিত্তে বা খৈৰামী কটকী আহিছে? কটকীয়ে তেতিয়া কৈছে, "আমি সৰ্গদেৱৰ শৰণীয়া হলোঁ। আগে যি বুলিছে তাক নিৰ্বন্ধকৈ লৈ আহগৈ, হাতীগড়ে, মাটিগড়ে নিৰ্বন্ধ পালসেৱা কৰি থাকিব লাগি; আৰু হৰিপৰায়ণ হৈ জীৱৰ কুশল যি হয় তাক সৰ্গদেৱে জানে।" (ডাঃ সূৰ্য্যকুমাৰ ভূঞাৰ দ্বাৰাই সম্পাদিত জয়ন্তীয়া বুৰঞ্জী)।

পৰ্বত-ভৈয়াম নাম দি যদিও জয়ন্তীয়াক প্ৰকাৰান্তৰে থলৰপৰা পৃথকাই ৰাখি শাসনকৃত্য কৰা হৈছে, তথাপি ইয়াৰ প্ৰাক্-বৃটিছ ইতিহাসে ৰিঙিয়াই ৰিঙিয়াই ক'ব লাগিছে—অসম আৰু জয়ন্তীয়া দুখন নহয়। "গড়গ্ৰাম জয়ন্তী দুই হেন নাজানিবাই।" সেই কথাকে আজি সুঁৱৰিছোঁ।

এনে অভিন্নভাৱে চলি অহা ৰজা-প্ৰজাৰ মাজত বৃটিছ সোমায়েই এটা প্ৰকাণ্ড ফাট মেলোৱাই দিলে। পূৰ্বে খাচীয়াৰ বৰ্ণলিপি নাছিল। ভাষা যি কৈছিল, সিও দোৱান হে। ডেবিদ্ স্কটে তেওঁবিলাকৰ দোৱানবোৰ লিখি, পাদুৰী বিশ্বপ হেবাৰৰ হতুৱাই সেইবোৰ ৰোমান আখৰেৰে লেখাবলৈ ধৰিলে (Memoris of David Scott.)। যি জয়ন্তীয়া ৰজা ৰাম সিংহে (ইন্দ্ৰ?) গোভাৰ চন্দ্ৰসিংহক ফেঁটাই দি কালী গোসাঁনীৰ আগত বেদিংফিল্ড বাৰ্ল্টনক বলি দিয়াইছিল সেই ৰজাৰে প্ৰজাই পাদুৰীৰ মৰম-পৰশত ৰোমান আখৰৰ দাসানুদাস হ'ল আৰু ইংৰাজৰ আহি অনুকৰণ কৰি তাৰে ভালেমানেই জাতিস্মৰ হ'বলৈ পাহৰি পেলালে। জয়ন্তীয়াই বোলক, খাচীয়াই বোলক বা চিন্‌টেঙেই বোলক, নাইবা গাৰোৱেই বোলক, জয়ন্তীয়া পৰ্বতৰ অধি-বাসী মাত্ৰেই যে প্ৰাচীন কালত, ভাৰতৰ অন্যান্য প্ৰদেশৰ দৰেই সুৰ-সংস্কৃতিৰ উপাসক আছিল তাক একোপধ্যেই স্বীকাৰ নকৰি নোৱাৰি। স্ফুৰ স্ফুচৰ নিচিনাকৈ পাতি থোৱা সিবিলাকৰ শিলপাট আৰু শিলা-স্তম্ভই সেই সংস্কৃতিৰেই আজিও সাক্ষী দি আছে—যি সাক্ষী থলৰ পিনে থকা অগণন পৰ্বতত আজিও সিঁচৰতি হৈ পৰি-পৰি আছে। সেইবোৰ বাৰু যিয়েই নহওক, ১৮৬৪ চনত ছিলঙত ৰাজধানী পাতি দিয়াত, থল-পৰ্বতীৰ জোৰা লৰা সম্বন্ধটো আকৌ কটকটীয়া কৰিবলৈ সকলোচিৰে হাবিয়াস হ'ল। মুখিয়াল জনদিয়েকে গোট খাই লৰাই দিয়া প্ৰীতি সম্বন্ধটো থাঁজ খুৱাবলৈ ১৮৯৬ চনৰ ২২ ডিচেম্বৰ তাৰিখে দিলে পাতি "অসম ক্লাব"। ক্লাবৰ উদ্দেশ্য আছিল অসমীয়া ভাষাৰ সৰ্বাঙ্গন উন্নতি সাধন কৰা, ধৰ্মৰ সঙ্কীৰ্ণতা দূৰ কৰা আৰু পৰস্পৰৰ মাজত ভাতৃভাব স্থাপন কৰা। উদ্যোক্তাসকলৰ ভিতৰত প্ৰধান আছিল, অভয়শঙ্কৰ গুহ (যি অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰে লগ লাগি "আসাম নিউজ" কাকত সম্পাদন কৰিছিল), অচ্যুতানন্দ

চৌধাৰী, মাণিকৰাম কাকতী, মুন্সি ৰহিম বকচ, মুন্সি উবেদুৰ ৰহমান, সিদ্ধেশ্বৰ গোহাঞি ৰাজকোঁৱৰ, প্ৰিয়লাল বৰুৱা, মুন্সি মিৰ মোহহাদী হুছেইন, শম্ভুৰাম বৰা, এ, চলমন্ আৰু মিলিয়েমৰ টীম। (Annual report of the Assam Club 1896)। এইসকল দূৰদৰ্শী উদাৰ পুৰুষে অসমৰ থল-পৰ্বতীৰ মাজত যিডাল সোণৰ সাঁকো দি থৈ গ'ল তাকো আজি ছিলঙীয়া সাহিত্য সভাৰ বুৰঞ্জী-শাখাত বহি সন্তৰ্পণে স্মৰণ কৰিব লগীয়া হৈছে।

অসমৰ থল-পৰ্বতীত অতীত সভ্যতা সমাধিস্থ হৈ নিজম দি আছে। অসম দেশ 'সুণীয়া সঁফুৰা'—বৌৰঞ্জিক আহিলা-পাতিৰ কুবেৰ-ভঁৰাল—অনুসন্ধিৎসুৰ কল্পতৰু বৃক্ষ—মাগন্তাজনে যিহক বিচাৰে তাঁকে পায়। ঐতিহাসিকৰ নিমিত্তে ভাৰতবৰ্ষ যেনেকৈ পৃথিৱীৰ মানচিত্ৰ, অসমখনো তেনেকৈয়ে ভাৰতৰে মানচিত্ৰ। "অস্ত-গিৰি দিল্লীৰ পাৎছাই" ৬০০ বছৰে দিল্লীৰ পাটত বহি হিন্দুস্থানত যেনেকৈ এটা গড় দি গ'ল "উদয়গিৰিৰ স্বৰ্গদেৱসকলেও" সেইদৰে ৬০০ বছৰ ৰাজ্য ভোগ কৰি অসমৰ পৰ্বত-ভৈয়ামত এজুপি অমৃতবৃক্ষ ৰুই থৈ গ'ল—যাৰ ফল ভোগ কৰি ভাৰতৰ এক প্ৰান্তত, শত প্ৰতি-বন্ধক প্ৰতিহত কৰি আজিও আছুতীয়া স্থানৰ অধিকাৰী হৈ থাকিব পাৰিছোঁহঁক। সেই ছশ বছৰীয়া ৰাজত্বই আমাক দি থৈ গ'ল এখনি বুৰঞ্জী শাস্ত্ৰ—যাৰ বীজমন্ত্ৰ হ'ল, "আৰু ৰহস্যে ৰাখিব। মন নেপালে পিতা-পুত্ৰকো নিদিব। অবৈৰ মিত্ৰ হলে তাক দেখাব। ৰাজাৰ বিশ্বাসভঙ্গ, পণ্ডিতৰ বাধা। আৰ বিশ্বাস ভাঙিলে, মাতৃ পৰিহাস পাপে পায়। হেনজানি বিশ্বাসে ৰাখিব।" (তুংখুঙীয়া বুৰঞ্জী—শ্ৰীনাথ দুৱৰা)। ভুকুকাত হাতী ভৰোৱা যেনে, মোৰ পক্ষে, এনে গুপুত শাস্ত্ৰৰ ভেদ ভঙাও তেনে।

সুণীয়া সঁফুৰা অসম দেশ

অ-বৰ্ণৰ বেৰণ্ জীণ্ বেপটিষ্ট টেবানীয়েৰে ১৬৭৬ চনতে কৈ গৈছে—"অহম দেশ সুণীয়া সঁফুৰা। মনুষ্য জীৱনত উপভোগ কৰিব পৰা সকলো বস্তুকে ইয়াত পাবলৈ আছে। এচিয়াৰ ভিতৰতে ই এখনি উৎকৃষ্ট দেশ। ইয়াৰ মানুহে ওচৰচুবুৰীয়া কোনো দেশৰ ওচৰত একো বস্তুৰ নিমিত্তেই হাত পাতিব নেলাগে। সোণৰ খনি,

ৰাপৰ পৰ্বত, শীতাতেলৰ (কেৰাচিন) হিৰা আৰু লোৱৰ খনিয়ে মোক-লা-মোক-লা কৈ আছে।"

সভ্যতাৰ সমাধি ক্ষেত্ৰ

যিখন দেশ কিংদন্ বাৰ্ডৰ মতে "সভ্যতাৰ সমাধি ক্ষেত্ৰ", সেইখন দেশ কোনোবা মান্ধাতা যুগৰে বুলি বিজ্ঞ বুৰঞ্জীবিদ্ জে, পি, মিল্‌ছে কয়। তেওঁ আৰু কয় যে যেতিয়া ৰোমাণবিলাকে সৰু লেটিন ৰাজ্য এডুখৰি পাতি লওঁতে শক্তিমন্ত শত্ৰুৰ লগত যুঁজি থাকিবলগীয়াত হৈছিল, তেতিয়াও অসম-ৰজাই নিৰ্বিবাদে ৰাজ্য শাসন কৰি আছিল।

সামৰিক পৰাক্ৰম

ইউৰোপীয় জাতিসমূহৰ মাজত পোনপ্ৰথমেই অসমীয়া বুৰঞ্জী প্ৰচাৰ কৰোঁতা ডাক্তৰ জন পিটাৰ বেডে খৃঃ ১৮০০ চনতে লেখি গৈছে ঃ—

"একাল আছিল যেতিয়া অসম সকলোতে জয়-জয় ময়-ময় আছিল আৰু ইমান পৰাক্ৰমী আছিল যে একে সময়তে চাৰি লাখকৈ সৈন্য-পদাতি উলিয়াব পাৰিছিল। ভুটীয়া পৰ্বত আৰু নেপাল ৰাজ্য অসমৰে অন্তৰ্গত আছিল। গৌৰৰ দেশ অধিকাৰ কৰি (কৰতোয়া) গঙ্গালৈকে ৰাজ্য বিস্তাৰ কৰিছিল। অকল সেইয়েই নহয়, ত্ৰিপুৰা, কোচবেহাৰ আৰু কৰতোয়াৰ পশ্চিমে থকা দেশখিনিও অসমৰ ভিতৰতে পৰিছিল। ঘূৰি ঘূৰি যতবাৰেই মুছলমানে আক্ৰমণ কৰি-ছিল, ততবাৰেই সেই আক্ৰমণ ব্যৰ্থ হৈছিল।" তেওঁৱেই আৰু লেখিছে, "অসমীয়া মানুহে মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত এনেকুৱা একোখন কলা-কৌশল খটোৱা দলং দিছিল যে আচহুৱা মানুহে দেখি বিস্ময় মানিছিল। সিবিলাকৰ আত্মৰক্ষাৰ উপায়সমূহ আন আন দেশে নকল কৰি নিছিল। বেলিচাৰিণ জাতিয়ে টাইবাৰৰ ওপৰ যিখন দলং দিছিল সেইখনহে কেৱল এনে ঠগৰ আছিল।"

অনিসন্ধিৎসুৰ প্ৰশ্ন—অতীত কলৈ গল?

অসমখন আগেয়ে কি আছিল আৰু এতিয়া কি হ'ল, তাৰ কথা ভাবি বুৰঞ্জীৰ পম খেদোঁতা ডাক্তৰ নেছুলীয়ে ১৮৬৪ চনত এই বুলি চকুপানী টুকিছিল ঃ—(Indian Daily Naws)

"এনে এটা দিন আছিল যেতিয়া অসম উপত্যকা অসমীয়া মানুহেৰেই পৰিপূৰ্ণ আছিল—এতিয়া আৰু সেই দিন নাই। একাল আছিল যেতিয়া অসমীয়া জাতি সাধুতা-সত্যবাদিতা গুণৰ পূৰ্ণ অধিকাৰী আছিল, কিন্তু কি হ'ব, ওচৰ চুবুৰীয়া জাতিৰ লগত ঘনিষ্ঠতা থকা বাবেই হওক, সেইবিলাক গুণৰ ধনিষ্টামানো আজি দেখিবলৈ নাই। একাল আছিল যেতিয়া অসমীয়া মানুহে নিজে নিজেই একোটা একোটা প্ৰকাণ্ড প্ৰকাণ্ড গড়-মথাউৰি বান্ধি লৈছিল। কিন্তু আজি আৰু অসমীয়াৰ সেই বল-শক্তি উৎসাহ-উদ্দীপনা একোটো নাই—সকলো লয় পালে।"

ভাস্কৰ্য্য নিদৰ্শন

কামপীঠৰ টুক্ৰেশ্বৰী-কামাখ্যাৰপৰা সৌমাৰ পীঠৰ বুঢ়াবুঢ়ী থান-তাম্ৰেশ্বৰ মন্দিৰলৈকে; হাজো-বিশ্বনাথৰপৰা দেৰগাঁও চৰাইদেওলৈকে; মুগীঘোপা গুহাৰপৰা কুমুদ কৌস্তভ-নাগশঙ্কৰ গুহ'লৈকে; কাছমাৰী ডিমাপুৰৰ শিলাস্তম্ভ, ইটাগড়, ভগ্নাৱশেষৰপৰা কপিলী উপত্যকাৰ বিবিধ পুৰণি মূৰ্ত্তি-প্ৰতিমাৰ সম্পদসমূহলৈকে; শোণিতপুৰৰ দুৰ্জয়গড়-পোৰামন্দিৰৰ শিলাকুটীয়া কাৰুকাৰ্য্যৰপৰা জয়সাগৰ-গৌৰীসাগৰ দ'লৰ চিত্ৰাৱলীৰ কঁৰাল অঙ্কণলৈকে অতীত অসমৰ অপ্লাৱিত আপুৰুগীয়া স্থাপত্য ভাস্কৰ্য্য নিদৰ্শনে পুৰাতত্ত্ববিদৰ স্পৰ্শন অধ্যয়নলৈ বাট চাই আছে। সেইবিলাক চাই এতিয়াও অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যৰ দৰে আক্ষেপ কৰিয়েই থাকিব নে?

"ই শিল ডুখৰি কোনে কাটিছিলে
কাৰ নো হাতৰ পুৰণি
কোনে বান্ধিছিলে শিলৰ আৱাস
পমি বা সিজাতি ক'ত হ'ল লীন।"

(চিন্তানল, ১ম ভাগ, কমলাকান্ত ভট্টাচাৰ্য্য) বুলি?

গছ-গছনি আৰু জীৱ-জন্তু

অসমৰ গছ-গছনি আৰু জীৱ-জন্তু সঁচাকৈয়ে বিধাতাৰ বিনন্দ-বিলাস সৃষ্টি—এজন কিংসন ৱাৰ্ড বা এজন ই পি জীয়ে ইয়াৰ

আঁতিগুৰিকৈ, ৰক্ষণাবেক্ষণৰ উপায় দি অন্ত কৰিব নোৱাৰে। ভূঁইকপ, গড়াখহনীয়া আদি প্ৰাকৃতিক দুৰ্য্যোগে স্বভাৱৰ বিচিত্ৰ উপবন-খনিহঁতৰ পৰালি পেলাই আনিছে, মানুহেও পশু-প্ৰবৃত্তি প্ৰকাশ কৰি দুষ্প্ৰাপ্য পশুকুল খয়ক্ষৰ কৰি আনিছে। বহঁমথুৰ, সাঁচি গছ, মিচি-মিতিতা, জেতুকা, সৰল-গন্ধসৰৈ; সুগৰি পহু, কাঠশৰ, বনৰীয়া ম'হ, হাতী, গড় ক্ৰমান্বয়ে হৰি গৈছে। চন্দনা, মদনা, গলমণিকা, গাল-পোৱা ভাটৌ, মহাভাৰত আখ্যানৰ একো একোটি অপৰিহাৰ্য্য উপ-কৰণ। আয়ুৰ্বেদোক্ত ভেষজ আৰু বনৌষধিৰ নিমিত্তে কামৰূপ ভাৰত প্ৰসিদ্ধ; শ্ৰীকৈয়দেৱ নামে এজন আয়ুৰ্বেদ-দ্ৰব্যবিবেকীয়ে "কৈয়দেৱ নিঘণ্টুঃ" নাম দি পথ্যাপথ্য সম্বন্ধে এখন গ্ৰন্থ ৰচনা কৰিছিল। সেই গ্ৰন্থত বনসট, জেতুকা, ৰাস্না আদি ভালেমান কামৰূপীয় বনৌষধিৰ উল্লেখ আছে। কামৰূপক চিনি নোপোৱা সম্পাদক পণ্ডিতসকলৰ অনুগ্ৰহত সেই বনৌষধি এতিয়াও অপৰিচিত হৈয়ে আছে। আয়ুৰ্বেদ শাস্ত্ৰ ঘুলুকিলে বা মন্থন কৰিলে, এতিয়াও এনে কিছুমান গ্ৰন্থকাৰৰ সন্ধান পোৱা যাব যে যাক আমি কামৰূপৰ বুলিয়েই দাবী কৰিব পাৰোঁ।

থল-পৰ্বতীৰ ভাষাৰ সুঁতি একেটা

অসমীয়া ভাষাৰ বাহিৰেও, আমাৰ ওচৰে-পাজৰে ১২০ টা দোৱান আছে বুলি ই, টি, ডি, লেম্বাৰ্টে অনুসন্ধান কৰি পাইছে। দোৱান মাত মতাৰ প্ৰত্যেকৰ ঘৰে পতি ঘৈণী আৰু খালে পতি ৰখিনী— এটাৰ লগতো ইটোৰ সম্বন্ধ নাই। সেই দেখি, লুইতৰ কৌটীকলীয়া সুঁতিয়েদি হে সকলে দোৱনীয়াই সিবিলাকৰ ভাষাৰ সোঁতটো বলায়। অৰ্থাৎ এই সকলো ভাষাৰে ঘাই সুঁতি হ'ল অসমীয়া ভাষা। থকা ঠাই ওখ-চাপৰ হোৱাত দা-দস্তুৰ, ধৰ্মবিশ্বাস আৰু খোৱা-বোৱাৰ নীতি-নিয়ম পৃথক হোৱাটো স্বাভাৱিক। হলেও, সেই পাৰ্থক্যৰ ভিতৰতে চিৰকাল ঐক্যৰ সংযোগ চলি আহিছে। সঁচাসঁচিকৈয়ে, মুৰহেড টমছন (Dr. Murhead Thompson) কোৱাৰ দৰে, জাতিমালা আৰু নৰদেহ তত্বানুসন্ধানকাৰী সকলৰ নিমিত্তেও অসম এখন বৰ বহল কঠীয়াতলী।

প্ৰাচীন বুৰঞ্জীত প্ৰাপ্যস্থান নোপোৱাৰ কাৰণ

প্ৰায় ১৭৮০ খৃষ্টাব্দত জনদিয়েক প্ৰাচ্যজ্ঞানপিপাসু ইউৰোপীয়ই কলিকতাত 'এচিয়াটিক ৰিছাৰ্চ চচাইটী' নাম দি এটি ভাৰতীয় বুৰঞ্জী পৰিষদ প্ৰতিষ্ঠা কৰে। তেতিয়া অসম দেশ নিজ ৰজাৰ অধীনত--- হিন্দুস্থানৰ লগত একো কথাতেই সম্পৰ্ক নাই। "পাৎছাহনামা" পুথিৰপৰা মাত্ৰ তেওঁবিলাকে সম্ভেদ পাই থৈছিল অসম দেশখন যাদুমন্ত্ৰৰ দেশ বুলি। ৰামায়ণ-মহাভাৰত, বেদ-উপনিষদ আৰু অন্যান্য প্ৰাচ্যভাষাৰ গ্ৰন্থত উল্লেখ কৰা কিছুমান নগৰ-উপনগৰ, নদ-নদী আৰু বাট-পথ অসমত থাকিব পৰাৰ ভু তেওঁবিলাকে পোৱা নাছিল---অথচ, সিবিলাকৰ অনুসন্ধান ক্ষেত্ৰখনত অসমক ভিতৰ সুমুৱাই ল'ব পৰা হ'লে দেখিলেহেঁতেন যে প্ৰাচীন গ্ৰন্থসমূহত উল্লিখিত ঘটনাৰাজিৰ অন্ততঃ কিছুমান অসমৰ লগত ৰজিতা খাই গ'লহেঁতেন। কিন্তু, তেনে অনুসন্ধানৰ বাট মুকলি নোহোৱাত, সেই গৱেষকসকলে অসমতে থকা বহুত প্ৰাচীন কীৰ্তিৰ স্থান অসমৰ বাহিৰৰ হিন্দুস্থানত নিৰ্দিষ্ট কৰিলে গৈ আৰু সেয়ে প্ৰামাণিক সিদ্ধান্ত ৰূপে পৰৱৰ্তী ঐতিহাসিক সকললৈ থাকি গ'ল। তাৰ ফল হ'লগৈ এইটোৱেই যে ভাৰত-বুৰঞ্জীত অতীত-অসমে পাবলগীয়া উপযুক্ত স্থান লাভ কৰিব নোৱাৰিলে।

নোৱাৰিলে যদিও, মেজৰ ৰেণেল, ডাক্তৰ ৰেড, বুকানন হেমিল্টন প্ৰমুখ্যে জনদিয়েক ঐতিহাসিক দৃষ্টিসম্পন্ন লোকে অসমীয়া মৌ-কোঁহৰ উমঘাম দিয়াত 'মায়াপী দেশ' অসমলৈ সকলোৰে চকু পৰিবলৈ ধৰিলে। ৰাজনৈতিক পাকচক্ৰই যেতিয়া বৃটিছ জাতিৰ ভাগ্যত কমল ফুল ফুলালে তেতিয়া দূৰদৰ্শী কৰ্তৃপক্ষসকলে তলতীয়া কৰ্মচাৰী-বিলাকক বুজাই দিলে যে দেশ এখন প্ৰশাসন কৰিবলৈ গ'লে প্ৰশাসক মাত্ৰেই সেই দেশৰ বুৰঞ্জীখন আগগুৰি মাৰি পৰিপাটীকৈ জানিব লাগিব। বুৰঞ্জীজ্ঞানহীন প্ৰশাসকৰ দ্বাৰাই শান্তি-শৃঙ্খলা লগোৱা দূৰৈৰ কথা, বিদ্ৰোহ আৰু অৰাজকতা হে আমন্ত্ৰণ কৰা হ'ব। ৰাজ্য শাসনৰ এই শাৰী মূল নিৰ্দেশকে অনুসৰণ কৰি পেম্বাৰ্টন, (Pemberton), উইলকক্স (Wilcox), নৌৱিল (Neuville), ৱেষ্টমেকট (Westmecott), ডেল্টন (Dalton), হেনে, প্ৰভৃতি ভালেমান

ইউৰোপীয় অনুসন্ধানকাৰীয়ে প্ৰাণকো তুচ্ছ কৰি বৃটিছ সাম্ৰাজ্য প্ৰসাৰণত আত্মাহুতি দিলে। বৃটিছ-শাসনৰ বৰতিভাল পেলাওঁতে চাহাবৰিলাকে কেনেকৈ দেশৰ নাড়ীজান কৰি, অসমীয়া মানুহক জয় কৰিছিল, তাক ৰামদেৱ কবিয়ে বঢ়িয়াকৈ বৰ্ণাইছে। তাৰে দুফাঁকিমান এই প্ৰসঙ্গতে পঢ়ি শুনাওঁ ঃ—

"জয় জয় মহাৰাজ চাহাবৰ মধ্যে সাৰ
যাৰ যশগুণ ভূৰি বাঢ়িল বিস্তৰ
মহা কীৰ্তিমন্ত গুণবন্ত দয়াবন্ত
যাৰ নাম সদায় লোকে বখানন্ত।
সকলো পুথিৰ তত্ত্ব সকলে জানন্ত
চিৰকাল আনজনে যাক নজানন্ত।"

স্বস্থানে প্ৰস্থান কৰাৰ পিছতো ইংৰাজ গৱেষকসকলৰ লেজুত ধৰি বল দিয়া দেখি আপোনাসকলৰ কাণ চাগে টিংটিঙাই গৈছে। কিন্তু নকৈ নোৱাৰোঁ। গৌণভাৱে ৰাজনৈতিক অভিসন্ধি পূৰণ কৰাই উদ্দেশ্য আছিল যদিও, ইউৰোপীয়সকলে হে বৈজ্ঞানিকভাৱে বুৰঞ্জী আৰু পুৰাতত্ত্বৰ বিষয়ে গৱেষণা কৰিবলৈ আমাক পোন প্ৰথমতে বাট লগাই থৈ গ'ল।

বৃটিছৰ সঁচত বুৰঞ্জীলেখকৰ নতুন চেষ্টা

এইসকল ইউৰোপীয় ইতিহাস-অনুৰাগীয়ে এহাতে যেনেকৈ অসম আৰু অসমীয়াৰ সম্পৰ্কে তেতিয়ালৈকে চলি থকা কিছুমান ভুল ধাৰণা গুচাই দিলে, আনহাতে তেনেকৈ শিক্ষিত অসমীয়াকো নতুন আহিৰে নিজা বুৰঞ্জী লেখিবলৈ ন-কৈ চকু পজাই দিলে। পোনেই হলিৰাম ঢেঁকীয়াল ফুকনে লেখিলে "আসামৰ বুৰঞ্জী" বঙলা ভাষাত— যিখনকে ১৮৫৫ চনত বেৰাবেণ্ড লং চাহাবে বঙলা ভাষাৰ একেখন মাথোন গদ্য বুৰঞ্জী বুলি উল্লেখ কৰিছিল আৰু যিখনেই এডোৱাৰ্ড বেলফ'ৰৰ "এনচাইক্ল'পেডিয়া অৱ ইণ্ডিয়া'ৰ অসম অধ্যায়ৰ পাতটোত বহি অসমৰ বুৰঞ্জী চকচকীয়া কৰি পেলালে। মণিৰাম দেৱান বৰভাণ্ডাৰ বৰুৱাই লেখিলে, "বুৰঞ্জী বিবেকৰত্ন"— য'ত অসমৰ থান-সত্ৰ সমূহেই যে অসমীয়া জাতিৰ নাভিকমল তাক বৰুৱাই

দেখুৱালে আৰু তাতে ৰাজনৈতিক দৃষ্টি পেলাই এইটোও জনালে যে "অসম দেশ, অইন দেশৰ দৰে দেশ মাথোঁ বুলি লোৱা দেশ নহয়, অসমীয়াই হাড়ক মাটিকৈ, তেজক পানীকৈ পাতি লোৱা এইখন 'হাড়-কাটনীৰ' দেশ। ৰাধানাথ বৰবৰুৱাৰ আদেশত কাশীনাথ তামুলী ফুকনেও 'অসমৰ বুৰঞ্জী' প্ৰণয়ন কৰি ইন্দ্ৰবংশী স্বৰ্গদেৱসকলৰ চমু ইতিবৃত্ত এটি দাঙি ধৰিছিল। উইলিয়াম ৰবিঞ্চনৰ আহি আগত লৈ, ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱায়ো জানিবলগীয়া বিষয়বোৰ পোহৰ মাথি বিস্তৃত অসম বুৰঞ্জী এখনি প্ৰকাশ কৰিলে। এইখিনি সময়ত আটাইতকৈ ডাঙৰ কাম কৰিলে আনন্দৰাম ঢেকীয়াল ফুকনে। অতীত সভ্যতা বুৰঞ্জী নথকা জাতিক অষ্ট্ৰেলীয়া হনলুলুৰ দৰে নিঃচিহ্ন কৰি খোৱা দেখি ঢেকীয়াল ফুকনে কোবাল লেখনীৰে বৃটিছ-ভাষাবিদৰ অনুসন্ধানত ঘমঘণ্টা লগাই দিলে—যাৰ অখণ্ডনীয় যুক্তি মূৰ দোঁৱাই মানি ডাক্তৰ গ্ৰীয়েৰ্চনে "লিংগুইষ্টিক চাৰ্ভে অৱ ইণ্ডিয়া'ত সন্নিবিষ্ট কৰিলে। ফুকনৰ কথাকে হুবহু তুলি দি গ্ৰীয়াৰ্চনে প্ৰচাৰ কৰিলে, "ভাৰতত বুৰঞ্জী পাবলৈ নাই। মুঠেই দুখন প্ৰদেশতহে বুৰঞ্জীলেখা ৰীতি আছে—তাৰে এখন কাশ্মীৰ আৰু এখন অসম। অসমৰ বুৰঞ্জীত ভগদত্ত ৰজাৰ দিনৰপৰা সকলো কথা লালীকৈ লিখা আছে। অসমত অপৰ্য্যাপ্ত বুৰঞ্জী পুথি আছে আৰু সেই আটাইবোৰেই প্ৰকাণ্ড প্ৰকাণ্ড।" বৃটিছ শাসনৰ আদিছোৱাত বুৰঞ্জী চৰ্চাৰ নিদৰ্শনেই আছিল জাতীয়ত্ব প্ৰতিপন্ন কৰাৰ প্ৰধান ভেটি।

বুৰঞ্জী চৰ্চাত বৃটিছ চৰকাৰৰ পৃষ্ঠপোষকতা

সকলো কথা বুজিয়াই অসমৰ বিস্তৃত বুৰঞ্জী এখন লেখিবৰ নিমিত্তে চাৰ জেমছ লায়াল, চীফ কমিশ্যনৰেই জয়ে-জয়ে চৰকাৰী পৃষ্ঠপোষকতা প্ৰদান কৰে। তাৰে ফলস্বৰূপে চাৰ এডোৱাৰ্ড গেইটে অবিশ্ৰান্ত অনুসন্ধান আৰু অপৰিসীম অধ্যয়নৰ দ্বাৰা প্ৰণয়ন কৰা 'অসম বুৰঞ্জী'খন পোৱা হ'ল। সেই পুথিয়েই আজিলৈকে সকলো বিদেশী আৰু প্ৰায় দেশী ঐতিহাসিকৰ নিমিত্তে অসমৰ প্ৰামাণিক বুৰঞ্জী স্বৰূপে পৰিগণিত হৈ আহিছে। মহামহোপাধ্যায় পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদৰ 'কামৰূপ শাসনাৱলী', পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দ্বাৰাই সংগৃহীত 'সাঁচিপতীয়া বুৰঞ্জী পুথিসমূহ' আৰু

ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাই কৰি দিয়া 'অ'হোম বুৰঞ্জীবিলাকৰ" তৰ্জমাই আছিল সেইবিলাক-বুৰঞ্জী ৰচনাৰ প্ৰধান আলম।

৬০০ বছৰীয়া ৰাজত্বই গঢ়ি থৈ যোৱা অসমকে বুৰঞ্জীত পাইছিলোঁ। সেই দেখিয়েই হ'বলা, সেইবিলাকে প্ৰাচীন যুগতকৈ, সেই যুগটো বহলকৈ আলোচনা কৰিলে। বুৰঞ্জীখন তথ্য আৰু আন আন সম্বন্ধেৰে পৰিপূৰ্ণ নহয় যদিও, তাৰ আলোচিত তথ্যবোৰ যে অপ্ৰমাদী তাক স্বীকাৰ নকৰি নোৱাৰি। তথাপি, শাসকৰ নীতি আঁহফলা হোৱা বাবে, তেওঁবো কিছুমান সিদ্ধান্ত এচঁহীয়া নোহোৱা নোৱাৰিলে। গতিকেই সেইবিলাক বুৰঞ্জীয়ে নৱযুগত অৰুণোদয়ৰ বেলা আমাৰ অভিলাষ পূৰ্ণ কৰিব পৰা নাই। ভালেমান বুৰঞ্জীপ্ৰাণ পণ্ডিতে ভাৰত আৱিষ্কাৰ কৰি প্ৰসিদ্ধি লাভ কৰিছে যদিও, অনা-অসমীয়া ঐতিহাসিকৰ নিমিত্তে সেইবিলাক বুৰঞ্জীয়েই নিদৰ্শনী হোৱাত অসমৰ জীউ আৱিষ্কাৰ কৰাত ব্যৰ্থতাই সিবিলাকক সাগুৰি পেলাইছে।

সেই কাৰণে, আমাৰ বুৰঞ্জী আমি নিজেই লেখিব লাগিব— লোকলৈ এৰি দিব নোৱাৰি। সিচঁৰতি হৈ পৰি থকা ভাস্কৰ্য্য নিদৰ্শনৰ অমূল্য সম্পদৰাজিৰ যুগ নিৰ্দ্ধাৰণ কৰিব লাগিব। কৌটীকলীয়া প্ৰমাদপূৰ্ণ সিদ্ধান্তবোৰ ন-কৈ টুকুৰিয়াই চাব লাগিব। সেইবোৰ অভ্ৰান্ত কৰিবলৈ নতুন দৃষ্টিভঙ্গী আৰু বৈজ্ঞানিক গৱেষণাৰ নিয়াৰিত নৱাবিষ্কৃত তথ্যসমূহ পিটিব লাগিব। ঐতিহ্যপূৰ্ণ জাতি এটাই ৰাজনৈতিক সুবিধাৰ নিমিত্তে কেতিয়াও নিজৰ ভাষা সাহিত্য জলাঞ্জলি দিব নোৱাৰে। সেই গুণে, কোনখিনিত আঠুৱা চাই ঠেং মেলিব পাৰি, বুৰঞ্জীৰ পাত লুটিয়াই নতুন চেউনি কাটিব লাগিব। বুৰঞ্জীগন্ধী প্ৰত্যেকটো কথাকে আহৰণ কৰিব লাগিব। অকল শক তাৰিখ থাকিলেই বা মানুহ কিছুমানৰ তালিকা থাকিলেই বা শাসকৰ প্ৰতিবেদন কিছুমান সংযোজিত কৰিলেই বুৰঞ্জী হ'ব নোৱাৰে। আমাক লাগে—ঘটনা পৰিক্ৰমাসম্বলিত, সৰ্বভাব সমন্বয়ী, অতিৰঞ্জনহীন, ভাবোচ্ছ্বাসবিহীন, নিসম্প্ৰদায়ী, নিখুঁত জাতীয় বুৰঞ্জী। এনে বুৰঞ্জী লেখকেই এনেভাৱে অতীতৰ ঘটনাৱলী পৰ্য্যালোচনা কৰিব লাগিব যাতে তেওঁৰ সিদ্ধান্তই ভৱিষ্যত জাতীয় বুৰঞ্জীৰ গতিনিয়ন্ত্ৰণ কৰিব পাৰে। পাচৰটো খোজেই আগৰটো খোজৰ কষটিশিল। গতিকে, আগ-পাচ চাই, অতীত-ভৱিষ্যতৰ অঙ্গাঙ্গী সম্বন্ধ নিৰ্ণয় কৰাটোৱেই হ'ল বুৰঞ্জীবিদৰ কেৱলীয়া ধৰ্ম।

তামোল গছত হে উঠিব পাৰে, এনেজন লোকক ৰাজনৈতিক উদ্দেশ্য বা স্বাৰ্থ সিদ্ধিৰ নিমিত্তে সজাই-পৰাই বৈকুণ্ঠত ৰজা হ'বলৈ ঠেলি পঠিয়ালে ইকুল-সিকুল দুয়োকুল নষ্ট হোৱাৰ ভয় থাকে। বৈষয়িক পয়োভৰৰ পেখম ধৰি গুণেজ্ঞানেবিমণ্ডিত বুলি মুখা পিন্ধি ফুৰা যাৰ সজ তেনে লোকৰ দ্বাৰায়ো বুৰঞ্জী প্ৰণয়ন কৰা সম্ভৱ নহয়। আমাক লাগিব এনে এটা মণ্ডলী যি একদেৱ একসেৱ বুলি অনুক্ষণ বুৰঞ্জী চিন্তাতে ব্যাপৃত থাকিব পাৰে।

এনে ভাৱে বুৰঞ্জী চৰ্চা কৰা লোক অৱশ্যে আমাৰ ভিতৰত অতি বিৰল। গাইগুটীয়া ভাৱে যি দুই-চাৰিজনে অসম-বুৰঞ্জীৰ বিষয়ে চিন্তা-চৰ্চা কৰিছিল সেইসকলৰ গ্ৰন্থ-প্ৰবন্ধও আজি পাহৰণিগৰ্ভত। অইন কি, পুৰুষক্ৰেইজনৰ নামকেইটাও হুতাশনীয়া ৰাজনৈতিক মনোভাৱে মচ খুৱাই পেলাইছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী, মহামহোপধ্যায় পদ্মনাথ বিদ্যাবিনোদ, সৰ্বেশ্বৰ কটকী, সোণাৰাম চৌধুৰী, ৰায়-বাহাদুৰ কনকলাল বৰুৱাক আমি পাহৰিয়েই গৈছোঁ।

চিত্ত বিনোদনৰ নিমিত্তেই অতীতৰ ফালে চকু ফুৰাওঁতে, তাঁত বাটিৰ উঘা ঘূৰাদি মোৰ মনটোও কিছুমান কথাত ঘূৰি থাকে, তাকে ছেগ বুজি আপোনাসকলৰ আগত মেলি দিলোঁ।

ৰজনীকুমাৰ পদ্মপতী আৰু আনন্দচন্দ্ৰ আগৰৱালা

গাইগুটীয়া চিন্তাধাৰাৰে বুৰঞ্জী চৰ্চা কৰোঁতাসকলৰ চিন্তাপদ্ধতি অবৈজ্ঞানিক বুলি অশ্ৰদ্ধা কৰাটো আমাৰ এটা বায়ু হৈ পৰিছে। স্বৰ্গীয় ৰজনীকান্ত পদ্মপতি আৰু ৰায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালাই লোকে বাটকটা পটিয়েদি পটি নেকাটি "অসমখনেই স্বৰ্গ" আৰু অসমেদিয়েই আগৰ চাম আৰ্য্য পশ্চিম ভাৰতলৈ চলি গৈছিল বা প্ৰব্ৰজন কৰিছিল বুলি অনুমান কৰিলতে কেউফালে চেৰেউ-ফেৰেউ লাগিবলৈ ধৰিলে। পদ্মপতিয়ে পুৰাণৰ তথ্যসমূহতে ভেজা দি তেওঁৰ কাল্পনিক সিদ্ধান্তটো থিয় কৰিছিল। কিন্তু সেই সিদ্ধান্ত "অৰণ্যৰ ৰোদনত" পৰিণত হ'ল। পুৰাণৰ আখ্যানবোৰ ভণ্ডুৱা মানুহৰ গল্প বুলি অনা অসমীয়া পণ্ডিতে তো উৰায়েই দিলে, অসমীয়াৰ যি আছিল সিবিলা-কেও সেই কথালৈ দৃক্‌পাতকে নকৰিলে। পদ্মপতিৰ "পুৰণি অসমত ভুমুকি"টোৱে সেইদেখি পুৰণি আৱৰ্জনাৰ জগতে ঠাই পুৰালেগৈ।

কিন্তু, সৌ সিদিনা বুৰঞ্জীবিদ ডাক্তৰ আৰ, বি, পাণ্ডেই ভাঠি মাত লগাইছে, বেদ-উপনিষদেই পুৰাণৰ ঘাই আলম। পুৰাণ বাদ দি ভাৰতীয় ইতিহাসৰ ই-টোকে আলোচনা কৰিব নোৱাৰি। সেই প্ৰসঙ্গতে তেওঁ 'পদ্মপুৰাণৰ' শ্লোক এটা উদ্ধৃত কৰি কৈছে যে চতুৰ্বেদ চৈধ্যশাস্ত্ৰ পঢ়ি মহাপণ্ডিত হ'লেও যিজন পণ্ডিতে পুৰাণ নেজানে সেইজন কেতিয়াও বিচক্ষণ হ'ব নোৱাৰে। এতিয়া সময় আহিছে, পদ্মপতিৰ সিদ্ধান্তবোৰ আকৌ চালিজাৰি চাবৰ। সেই দৰেই, আগৰৱালাৰ বৈদিক শব্দৰ ব্যাখ্যা আৰু বৈদিক যুগৰ ভৌগোলিক ঠাই-নিৰ্ণয়ৰ মতটো অসমৰ নিমিত্তে গৌৰৱময় হ'লেও, নতুন যুগত নকৈ পৰীক্ষা কৰি চোৱা উচিত; কিজানিবা চিভেলীয়াৰ বানচেনৰ (Coevaliar Bunsen) মতটোৱেই ৰজেগে।

বিদৰ্ভ ৰাজ্য অৱস্থিতিৰ তথ্য

চুতীয়াৰ ৰজা ভীষ্মক আৰু ভীষ্মকেই বিদৰ্ভৰাজ্যৰ অধিপতি। সেই ভীষ্মকৰ কন্যা ৰুক্মিণীসুন্দৰীকে দ্বাৰকাৰ শ্ৰীকৃষ্ণই বিয়া কৰিছিল—এইবোৰৰ কথা আমি পুৰুষে পুৰুষে শুনি আহিছোঁ। তথাপি, বিদৰ্ভ ৰাজ্য মধ্যপ্ৰদেশত আছিল বুলি বুৰঞ্জীবিদ্‌সকলে দৃঢ়ৰূপে সাব্যস্ত কৰি গ'ল। একে ঐতিহ্যেৰে দুজন ৰজা আৰু দুখন দেশ থকাত সংস্কৃতি-বুৰঞ্জীত বৰ খেলিমেলি লাগি আছে। সেই খেলিমেলি ভাঙিবৰ হ'ল। অসমৰ লগত মধ্যপ্ৰদেশৰ নিশ্চয় কিবা এটা ভাওৰ সম্বন্ধ আছিল। নহ'লে নো তাৰ ভাষা কামৰূপৰ ভাষাৰ লগত মিল বুলি হিউৱেন চাঙে খৃষ্টীয় সপ্তম শতিকাৰ মাজভাগতে লেখি থৈ যায় নে? কুণ্ডিল নগৰৰপৰা ডফলা পৰ্বতৰ কাষে কাষে যিটো প্ৰকাণ্ড গড় আছে, সেই গড়টো মধ্যভাৰতলৈকে আছে বুলি এল, ডব্লিউ, চেকছপীয়েৰে কয়। চুতীয়াৰ ৰজা ৰত্নধ্বজ পালে কমতাপুৰলৈকে এটি আলি কৰোৱা কথা চুতীয়া বুৰঞ্জীত আছে কিন্তু মধ্যভাৰতলৈকে থকাটো চেক্সপীয়েৰৰ বাহিৰে আনে কোৱা নাই। সেইদৰে চোটনাগপুৰক যে চুতীয়া নাগপুৰ বুলিছিল সেই কথাও ব্ৰেডলি বাৰ্ট আৰু এড়োৱাৰ্ড বেলফ'ৰে লেখিছে। তদুপৰি সদিয়াত যিটো শিলৰ ধ্বজ পোৱা হৈছিল, যিটো এতিয়া অসম মিউজিয়মত থোৱা আছে সেইটোৰ মূৰত ফণা ধৰি থকা সাপ এটাৰ মূৰ্তি সাজি থোৱা আছে। আহোম-

সকলো তেন মূৰ্তি সজা ক'তো পোৱা নাই। ইপিনে, তেনেকুৱা সৰ্পাঙ্কিত ধ্বজ নাগপুৰত আছিল বুলি বহুত ঠাইত উল্লেখ আছে। এই সৰ্পধ্বজ বা স্তম্ভটো সঁচাকৈয়ে প্ৰত্নতাত্ত্বিকৰ স্যমন্তক মণি বা কৌতূহলৰ বস্তু। তাম্ৰেশ্বৰী মন্দিৰ বা সদিয়াৰ দেওঘৰৰ ওচৰত ঘিবোৰ ভগা ইটা পৰি আছে, তাৰে চলা চেৰেকৰ চানেকি শ্ৰীযুত ৰাজমোহন নাথে প্ৰকাশ কৰিছে আৰু দুচলাগান ৰাজ্যপাল শ্ৰীযুত জয়ৰামদাস দৌলতৰামে আনিছে। ৰাজ্যপালে অনা এচটা ইটাত ম'ৰা চৰায়ে ঠোঁটত কেৰমেৰাই থকা সাপ এটা আঁৰি লোৱাৰ যিটো মূৰ্তি খোদিত আছে আৰু তদ্ৰূপ মূৰ্তি অঁকা যেনেকুৱা এচলা ইটা এ, ডেভিচে ১৮৮৭ চনত উখালৈ যোৱা* পুৰণি ফাটৰ দাঁতিত (মৰেমাত) পাইছিল, তাৰে সৈতে সৰ্পাঙ্কিত স্তম্ভৰ নিশ্চয় এটা সম্পৰ্ক আছে। নাগপুৰক চুতীয়া নাগপুৰ বোলাৰ আগতে, স্বতী নদীৰ পাৰত থকা গিৰি-চুতীয়া, দেউৰী-চুতীয়া, হিন্দু-চুতীয়া, আহোম-চুতীয়া আৰু চুলিকটা-মিচিমি-চুতীয়া নাম কেইটালৈও লক্ষ্য কৰিব লাগিব। বিদৰ্ভ ৰাজ্যৰ স্থিতি নিৰ্ণয় কৰাত মহাভাৰত ধোঁৱা-কোৱা নিৰ্দেশতকৈ এইবোৰ নিৰ্দেশ স্পষ্ট আৰু প্ৰত্যক্ষ; তাত প্ৰত্যয় যাবলৈ সহজো, উজুও। অৱশ্যে, 'দিক্কৰবাসিনী'ৰ অৰ্থ দিক্ৰুং কৰি তাম্ৰেশ্বৰী মন্দিৰৰ গুৰি বিচৰাদি বিদৰ্ভ ৰাজ্যৰ অৱস্থিতি-পুং বিচাৰিলে সিদ্ধকাম হোৱা টান। আমাৰ হাতত এতিয়া নতুন তথ্য পৰিছেহি। সঁচা বিদৰ্ভ কোনখন আৰু কল্পিত বিদৰ্ভ কোনখন বাছি উলিয়ালে বেয়া নহয়।

শঙ্কলাদিব

মণি কোঁৱৰৰ বাপেক শঙ্কলাদিব্ ৰজাৰ কথা 'ফুল-কোঁৱৰ মণি-কোঁৱৰৰ গীতত আছে। শঙ্কল কামৰূপৰ প্ৰতাপী ৰজা আছিল বুলি গেইটে লেখি গৈছে। শঙ্কলৰ উল্লেখ থকা মূল গ্ৰন্থ কবি ফিৰ্দৌচীৰ 'ছাহনামা'ত লেখা আছে যে উত্তৰ ভাৰতৰ কেদাৰ ব্ৰাহ্মণক পৰাস্ত কৰা শঙ্কল ৰজাই তেওঁৰ চন্দ্ৰাননী জীয়েক শপিনুৰক সাঁচিকাঠৰ সাৰ (অগৰু) আৰু চীনদেশীয় পট্টবস্ত্ৰাদি সমন্বিতে ইৰাণৰ বাহ্ৰাম গৌড়লৈ বিয়া দিছিল। শপিনুৰৰ লগত কামৰূপৰ ভালেমান কোঁচ মানুহ গৈছিল। সেই মানুহবিলাকেই যাওঁতে বাটত থাকি গ'ল।

* History of the Assam Rifles— cal. L. W. Shew

তাৰে বংশধৰ গুজৰাটৰ কুচ্ছ্ জিলাত এতিয়াও আছে। সিবিলাক যে ভাৰতৰ উত্তৰ-পূব সীমান্তৰ পৰা গৈছিল, কৰ্ণেল টডে তেওঁৰ 'ৰাজ-স্থানৰ পাদটীকা' এটিত উল্লেখ কৰিছে।* এই 'কুচ্ছ'ৰ লগত যোগিনীতন্ত্ৰত লেখা 'কুৱাচ'ৰ কিবা সম্পৰ্ক আছেনে নাই ভাৰত একত্ৰীকৰণৰ দিনত পুনৰ চাবলগীয়া হৈছে।

সুমেৰীয় সভ্যতা

কামৰূপৰ সৌমাৰ পীঠৰ লগত ইজিপ্ত-এছিৰীয়াৰ সুমেৰীয় সভ্যতাৰ কিবা সংযোগ আছেনে? যদি আছে পূবৰপৰা সেই সভ্যতা পছিমলৈ গ'ল নে পছিমৰপৰা পূবলৈ আহিল সভ্যতাৰ স্থান নিৰ্ম্মিত হোৱাৰ দীকছৌ যুগৰ প্ৰাচতো উলটি চাবৰ প্ৰয়োজন হৈছে। 'মহেঞ্জো-দাৰু'ৰ চিন-মোকাম আৰু জৈন ধৰ্মৰ বিষয়ে আলচ কৰোঁতে শ্ৰীকামত প্ৰসাদ জৈনে এটা উহৰ সন্দেদ দিছে বোলে সুমেৰীয়ান বিলাকৰ দেৱতা "শিনক" (চন্দ্ৰ) আদিতে "জুৱেন" বোলা হৈছিল। চন্দ্ৰক জোন বুলি কোৱাটো অসমীয়াৰ ঘৰুৱা কথা। জোনবাইক ল'ৰা-ছোৱালীয়ে আজিও 'জোনবাই এ তৰা এটি দিয়া' বুলি প্ৰাৰ্থনা কৰে। 'জোন' আমাৰ গ্ৰহ-দেৱতাও। তদুপৰি 'মেজি' 'যুৰৈয়া' প্ৰভৃতি এনে কিছুমান শব্দ আছে যে সেইবোৰ সুমেৰীয়ান বিলাকৰ লগত মিলি যায়। সৌমাৰপীঠৰ অতি পুৰণি চিনমোকামৰ লগত সুমেৰীয়ান-বিলাকৰ সভ্যতা কেনেকৈ মিল হ'ল, গৱেষণাৰ বিষয়। ইয়াত সেই যুগৰ বুৰঞ্জী আলচ কৰোঁতাসকলৰ দৃষ্টিমাত্ৰ আকৰ্ষণ কৰা হ'ল। ৰায়বাহাদুৰ কনকলাল বৰুৱাই আধৰুৱাকৈ এৰি যোৱা গৱেষণাখিনি সম্পূৰ্ণ কৰিবলৈ কোনোবা নোলাবনে?

প্ৰত্নতত্ত্ববিদ শ্ৰীযুত ৰাজমোহন নাথে "গৌৰৱময় অসম" পুথিত নগাঁৱৰ কপিলী উপত্যকাত তেওঁ আৱিষ্কাৰ কৰা কিবিলাক ধ্বংসাৱশেষৰ প্ৰতিকৃতি দিছে তাত অতীত অসমৰ অফুৰন্ত বুৰঞ্জীউপাদান সোমাই আছে। সেইবিলাকক পুনৰ ভাঙি ধৰিবৰ সময় পৰিছেহি।

থল-পৰ্বতীয় সম্বন্ধ

লুইতৰ পাৰৰ সমথলখিনিক ওৰণীৰ দৰে পৰ্বতমালাই আবৰি আছে। তাৰ অধিবাসীসকলক এক প্ৰকাৰে ভৈয়ামৰ দুৱাৰ ৰখীয়াই

---

* P. P. Toddi Rajathan 18....

বুজিব পাৰি। অনাদি অনন্ত কালৰপৰাই তাত বসতি যদিও, ১৫৩৯ খৃষ্টাব্দৰ পাচৰপৰা অসমীয়াৰ লগত সিবিলাকৰ খোৱা-বোৱা, খোৱা-লোৱা আৰু বিয়া-বাৰু আদি সামাজিক ঘনিষ্ঠতা বাঢ়িবলৈ ধৰে। পৰ্বতীয়া ৰবাহীকন্যা হিফলীক চুকাফা স্বৰ্গদেৱে আনিছিল যদিও, কনচেঙক ৰৰপাত্ৰ পাতিবৰ পৰাই পৰ্বতীয়া জাতিৰ লগত আমাৰ সম্বন্ধ গাঢ় হয়। তেতিয়াৰপৰাই একে মজিয়াতে সাজবস্ত (পানীদুনি) খোৱা বাবে অসমীয়াৰ মানত নগা হাজিসখী (সাজীসখী) হ'ল। অসম ৰজাই নগাক খাত-পাম দি, নগা-কটকী, নগা-চৌতাং পাতি তেওঁ-বিলাকৰ লগত অসমীয়াৰ অভেদ সম্বন্ধ চিৰস্থায়ী কৰিলে। মাটিৰ টেকেলি কলহ একেলগে থাকিলেও কেতিয়াবা ঠেকাঠেকি লাগে সেইদৰে পৰ্বতীয়া জাতিবিলাকৰ লগত ভৈয়ামৰ মানুহৰো কেতিয়াবা কেতিয়াবা এখন দুখন কাজিয়া যে নেলাগিছিল এনে নহয়। সেই-বোৰ কাজিয়া কিন্তু খন্তেকীয়া। অলপ দিনৰ পাছতে আকৌ মিল হৈছিল। পৰস্পৰে মিতুৰ বুলি সম্বোধন কৰি পূৰ্বৰ মিত্ৰতাকে ৰক্ষা, কৰিছিল। ৰাজসিংহ স্বৰ্গদেৱৰ আজ্ঞা পালি গাৰো জয়ন্তীয়া, কছাৰী মণিপুৰীয়া, নগা, ডফলা সকলোৱে সৈন্যই ফুৰুলি মাৰি কৰতীয়া গঙ্গা অসমৰ ভিতৰ কৰিবলৈ ওলাইছিল। খৃষ্টীয় পঞ্চদশ শতিকাৰ পাচত যেতিয়া সৰু সৰু ৰাজ্যৰ খাল-ডোংবোৰ পুতি সকলোকে একত্ৰ কৰা হ'ল, তেতিয়াৰ পৰা ৰাজনৈতিক, সামাজিক আৰু আৰ্থিক সম্বন্ধত পৰ্বত-ভৈয়াম চাপ খাই আহিল আৰু কোনেও কাকো এৰিব নোৱৰা হ'ল। অতীতৰ নিয়ম অনুসৰি অসম-ৰজাৰ অনুগ্ৰহত কটকী চৌতাং ৰহতীয়া লৈ অসমৰ দাঁতি-কাষৰীয়া পৰ্বতীয়া জাতিবিলাকে ৩৫০০০ টকা পৰিমিত খাত-পাম-বিল আদি উপভোগ কৰিবলৈ পাইছিল। মুঠৰ ওপৰতে থলুৱা পৰ্বতীয়া অসমীয়াৰ মাজত সদ্ভাৱ-সম্প্ৰীতি স্থাপন কৰাত স্বৰ্গদেৱসকলৰ বুদ্ধি পৰাক্ৰম আৰু জাতত তোলা প্ৰথাই প্ৰথম শুৰি। তাতে সোণৰ সাঁকো পাৰি দিলে মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ প্ৰৱৰ্তিত বৈষ্ণৱ ধৰ্মই---যাৰ প্ৰভাৱত গাৰোৰ গোবিন্দ আতৈ, নগাৰ নৰোত্তম আতৈৰ পৰ্বতীয়া শিষ্যসকল আজিও সংস্কৃত হৈ আছে। ইয়াৰ উপৰিও, ১৬৫৯ খৃষ্টাব্দত নগাঁৱৰ জখলাবন্ধা সত্ৰৰ কৃষ্ণানন্দদেৱ গোস্বামী ব্ৰহ্মচাৰীয়ে মণিপুৰীয়া কোঁৱৰ দীপসিংহক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰি মণিপুৰতো অসমীয়াৰ সংযোগ স্থাপন কৰে।

ভৈয়ামৰ মানুহৰ লগত জীৱন নিৰ্বাহতো পৰ্বতীয়াসকলৰ নিকট সম্বন্ধ। দৈনন্দিন ব্যৱহাৰ কৰিবলগীয়া বস্তু যোগোৱাত তাৰ বিনিময়ে ভৈয়ামৰ মানুহক বৰ-খামতিয়ে ৰূপৰ খনিৰ কেঁচা ৰূপ দিছিল; বিচাগামে বিচাবিহ, চিংফৌৰ সীহ, তাম, ৰূপ আৰু মান দেশৰ জাং-ফাই কেৰু যোগাইছিল। পাবোৰ দা-কটাৰী, নগাৰ লোণ, নগা-ঘাঠী, মিৰিৰ জিম কাপোৰ, খামতি-দা, মিচিমি-তিতা, মজাঠী, আবৰ-জিম, গান্ধকলাই, হাতীদাঁত, এইবোৰ আটকীয়া বস্তু পৰ্বতীয়াসকলৰেই দান।

কিন্তু, বুটিছে "ন ধাৰা, ন নীতি উলিয়াই, পৰ্বতীয়া জাতিবোৰক গহিত ৰূপে ব্যৱহাৰ কৰি সিহঁতৰে সৈতে সততে যুদ্ধ লগাই পৰ্বত-ভৈয়ামৰ ভিতৰত থকা চিৰকলীয়া সদ্ভাৱৰ বিৰোধ ঘটালে। তথাপি আগ্নেয় অস্ত্ৰেৰে যেতিয়া জাতিকেইটাক দমন কৰি ললে তেতিয়া সিবিলাকৰ মাজত শান্তি স্থাপন কৰিবলৈ কৰ্তৃপক্ষই পৰ দেশৰপৰা মানুহ নানি এইসকল অসমীয়াকে নিযুক্ত কৰিছিল ঃ—মণিৰাম দেৱান, ভোলানাথ পৰ্বতীয়া ফুকন, মোহন চন্দ্ৰ বৰুৱা, জাদুৰাম ডেকা, বৰুৱা, বলোৰাম খঙ্গীয়া ফুকন, লম্ন কটকী, কান্দুৰা দৈচুঙীয়া, গেজেৰা হৰকৰা, লাহমন দাৰোগা, ৰণজয় ফুকন, যাদৱচন্দ্ৰ বৰুৱা ভোগচান্দ গগৈ, নিৰাময় ডেকাফুকন, বাপুৰাম শলালগোহাঁই, জীৱেশ্বৰ বৰুৱা আৰু চন্দ্ৰকান্ত গোহাঁই। থল পৰ্বতী সম্বন্ধৰ অধ্যায়টো চুম্বকৈ মাত্ৰ উনুকিৱা হ'ল।

ব্ৰহ্মপুত্ৰৰ বিভিন্ন নাম

থল-পৰ্বতীৰ মাজেদি বৈ যোৱা ব্ৰহ্মপুত্ৰ খনেই এটি ডাঙৰ ঠেক যাৰ ওপৰত ভিৰ দি পুৰণি অসমৰ প্ৰতিকৃতিখন ভালকৈ চাব পাৰি। ভাৰতীয় সংস্কৃতিৰ সমন্বয় ঘটাবলৈ হলে যুগে-যুগে পোৱা এই নদৰ নাম কেইটাৰ সম্ভেদ পাব লাগিব। "প্ৰেমধৰ চলিহাই ব্ৰহ্মপুত্ৰ নদৰ এই কেইটা প্ৰাচীন নাম উল্লেখ কৰিছে—হ্ৰদিনী, হ্ৰদ্য, অন্তঃশীলা, আৰ্তবলী, খাটাই, ব্ৰমী, চায়ন, ধৌনি, পছিনেচ, চেৰিচিলিচ, খাঁমাউন, কামচ, দুঐনচ, কবহুট্ৰিকা কব, কায়া আৰু দিয়ামে। এই নাম-বোৰৰ গুঁত ধৰি পৰ্শুৰামকুণ্ডই পাৰভঙাৰ আগৰ অজ্ঞাকাৰ যুগটোৰ অলপ নহয় অলপ সন্ধান পাব পাৰোঁ।

ঠাইনামৰ বুৰঞ্জী

অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ ঠাই-নামবোৰৰ ৰূপটোহঁত ঠাৱে-ঠিকে ৰক্ষা কৰা উচিত। অসমৰ গাঁও-ভূই সকলোৱেই একোটা একোটা শিল্প চৰ্চাৰ কেন্দ্ৰ, নাইবা একোখন একোখন শৌৰ্য্য-বীৰ্য্যৰ থলী, নতুবা সভ্যতা-সংস্কৃতিৰ একোখনি অন্তঃসলিলা ফল্গু নদী লৈ আঙুলিয়াই দিয়ে। সেই নামৰ লগত অতীত গৌৰৱ একোটি জড়িত আছে বুলিয়েই সকলোৱে তাৰ নাম সুঁৱৰি আত্মপ্ৰসাদ লাভ কৰিব পাৰে। আজিও গুৱাহাটীক গৌহাটী বোলা, "মাণিক চৰক" মানকাচাৰ বোলাত আমাৰ ঐতিহ্য গৌৰৱৰ লাঘৱ হৈছে। নিমাতী বৰফুকনে অসম-বুৰঞ্জীৰ এটা অধ্যায় সৃষ্টি কৰি গ'ল, অথচ তেওঁৰ ক্ৰিয়া-কলাপৰ কেন্দ্ৰস্থলক আমি নিমাতী নুবুলি "নিয়ামাটি" বুলিবলৈ শিকিছোঁ। "পোৱা" নামৰ চিহ্ন এটাত থকা এখন গাঁৱৰ নাম চাৰিভাগৰ এভাগ কৰি "মক্কা"ৰ চতুৰ্থাংশ পাতিলে নাম মাহাত্ম্য তললৈ নমোৱা হয়। জীমখানা, হোটেলখানাৰ আহি লৈ, চকুৱাৰে মাটি খানি আনি ভেটি কৰা ঠাইডোখৰ 'চকুৱাখানা' বুলিলে বান্দৰালি কৰা হয় মাত্ৰ। মোমাই তামুলীয়ে পতা ন-গাঁওখনে "ন-গং" আৰু বৰদোৱা থানৰ ২০০০ ভকতৰ বিশিষ্ট অংশ বসতি কৰা "ভকত গাঁও"খনে আজিও যে "ভকত গং" বুলি নিৰ্দেশ দি আছে—লেখিলেখি পঢ়ি আত্মচৈতন্যহীনতাত পেটতে হাতভৰি লুকাইছে।

আজান ফকিৰৰ জিকিৰ গীত

"দিন হলে ৰাতি হয়, আজান ফকিৰেও জানে"—এই পটন্তৰটোৰ পৰ্বতীত কোনো এক ধৰ্মাৱলম্বী মানুহেই যে ধৰ্মৰ নামত এটা জাতি হ'ব নোৱাৰে সেই কথাৰ গূঢ় তত্ত্ব সোমাই আছে। আলিগড় বিশ্ববিদ্যালয়ৰ বুৰঞ্জীৰ অধ্যাপক মহম্মদ হবিয়ে সৌ সিদিনা ১৯৪৭ চনত হে ভাৰতৰ মুছলমান ভাৰতীয় বুলি ঘোষণা কৰিছে, আমাৰ আজান ফকিৰে কিন্তু অসমৰ মুছলমান অসমীয়া বুলি দুশ বছৰৰো আগতে সঙ্কেত দি গ'ল। আজান ফকিৰেই অসমলৈ আহি 'কোৰাণ-ভাগৱত'ৰ সামঞ্জস্য ৰক্ষা কৰি মাদুৰীবনৰ কণ্ঠত বহি জিকিৰ গীতবোৰে ইস্‌লাম ধৰ্ম প্ৰচাৰ কৰি গ'ল। সেই প্ৰচাৰৰ বাহন আছিল অসমীয়া জাতিৰ

প্ৰাণৰ বস্তু অসমীয়া ভাষা। শিৱসাগৰৰ মহম্মদ হুছেইন হাজৰিকাই শ দিয়েক জিকিৰ গীত সংগ্ৰহ কৰি থৈছে। অসম চৰ্কাৰে অলপ হাত উজান দি সহায় কৰিলে, সংগ্ৰাহকৰ মনোবাঞ্ছা পূৰ্ণ হয় আৰু অসমীয়া বুৰঞ্জী-সাহিত্যও পুৰঠ হোৱাৰ সম্ভাৱ ওলায়। আজান ফকিৰৰ গীতৰ বাহিৰেও, বিচাৰিব জানিলে নগাঁও-দেৰগাঁও আৰু চাৰিআলি-চামগুৰি ফালে ফাৰ্চীভাষাৰপৰা অনুবাদ কৰা এনে বহুত পুথি ওলাব যিবোৰ ভাষাত ধনিষ্ঠামানো বঙলাৰ চাট নাই আৰু যিবোৰে, চাহিবুদ্দিন টালিছে যে "ফাঠিয়া-ই-ইব্ৰিয়াত" "অসমৰ মুছলমানে অসমীয়াকহে ভাল পায়" বুলি ১৬৬৪ খৃঃত লেখি গৈছিল সেই কথাৰ প্ৰতিপন্ন কৰে।

অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ

স্বৰ্গীয় ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ বদান্যতা আৰু ডাক্তৰ সূৰ্য্যকুমাৰ ভূঞাৰ প্ৰাণপৰিশ্ৰম চেষ্টাৰ ফলত বৃটিছৰ আমোলতে অসমৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটো প্ৰতিষ্ঠা কৰা হয়। ডাক্তৰ ভূঞাই হৈছে ইয়াৰ হৃৎপিণ্ড। বৃটিছ আমোলতে এখেতৰ দ্বাৰাই সম্পাদিত সৰহভাগ আপুৰুগীয় অসম-বুৰঞ্জী এই বিভাগে প্ৰকাশ কৰে। সেই আমোলতে আৰম্ভ কৰা Anglo-Assamese Relations বা "ইংৰাজ-অসমীয়াৰ সম্পৰ্ক" নামৰ গৱেষণাপূৰ্ণ বিৰাট আৰু বিস্তৃত বুৰঞ্জীখনো (খৃঃ ১৭৭১-১৯২৬) ১৯৪৯ চনত ৰাইজৰ আগলৈ ওলায় আৰু এই বিভাগেই তাৰ খৰচ বহন কৰে। তেতিয়াৰপৰা বিভাগটো চেঁচেঁৰা পৰা দেখা গৈছে। বিভাগীয় মুখ্য মুখ্য সকলৰ কোনোজন দিহিঙত, কোনোজন মহঙত থকা বাবে গৱেষণাকাৰীৰ গৱেষণা কৰাতো অসুচল ঘটিছে, ৰাজনৈতিক স্বাৰ্থই প্ৰবেশাধিকাৰ লাভ কৰাত বিভাগটোৱে উন্নতি কৰিব পৰা নাই বুলি অনুমান হয়। যোগ্যজনৰ সুদৃষ্টিৰ অভাৱত অনুষ্ঠানটোৰ মৌলী ম্লান পৰিছে। কাৰ্য্য সম্পাদনৰ পৰিকল্পনা পৰিপুষ্ট হৈয়ে আছে, পুৰাতত্ত্ব সম্পৰ্কীয় সকলোতে পুঁজিৰ অভাৱ হেতুকে কোনো কাৰ্য্য-লৈকে অগ্ৰসৰ হ'ব পৰা নাই। আশা কৰোঁ, অচিৰেই দীৰ্ঘদৃষ্টিসম্পন্ন, বুৎপত্তিমন্ত বুৰঞ্জী বিজ্ঞৰদ্বাৰাই অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটো

উদ্ভাসিত হ'ব। অন্ততঃ আহোম ভাষাত লেখা বুৰঞ্জী সমূহ অসমীয়া ভাষালৈ অনুবাদ কৰিবলৈকে আহোম-ভাষা শিকিবলৈ এটি বৃত্তি দিয়া নিতান্ত উচিত। সংস্কৃত ভাষাত উপযুক্ত পণ্ডিতৰ অভাৱত পুৰাতত্ত্বৰ পুথিসমূহ তাতে ভেঁকুৰিব লাগিছে। আয়ুৰ্বেদীয় গ্ৰন্থবিলাকৰো সদগতি হোৱা নাই।

বুৰঞ্জী পৰিষদ

পুৰণি পুথি, শিলালিপি, মূৰ্তি-প্ৰতিমা আদিৰ ভগ্নাৱশেষ গোটাই থবলৈ ১৯১২ চনতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ উদ্যোগত আৰু ৰায় বাহাদুৰ কালিচৰণ সেন আৰু কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ সহযোগত কামৰূপ অনুসন্ধান সমিতি স্থাপিত হয়। তাৰ পিছত তাকেই বহলাই এক অংশ অসম যাদুঘৰ কৰা হয়। ৰায় বাহাদুৰ কনকলাল বৰুৱাই মন্ত্ৰীত্ব আৰু ব্যক্তিত্বৰ প্ৰভাৱ বিস্তাৰ কৰি যাদুঘৰটিৰ অভ্যুদয় বৃদ্ধি কৰে। ৰায় বাহাদুৰৰ আশাশুধীয়া পৰিশ্ৰমৰ ফলতেই আমি অনুসন্ধান সমিতিৰ পত্ৰিকা এখন পাইছিলোঁ। কিন্তু তেওঁৰ অবিহনে সেই কাকত চলাবলৈ সামৰ্থ্য থকা লোক নোলোৱাত অকালতে কাকত-খন মৰি থাকিল। বুৰঞ্জীৰ অন্তৰ্গত সকলো বিভাগৰ বিষয়ে আলোচনা কৰিবলৈ কাকত এখন যে অত্যন্ত আৱশ্যক তাক কোৱাৰ সকাম নাই। অনুসন্ধান সমিতি আৰু যাদুঘৰ ৰক্ষণাবেক্ষণৰ নিমিত্তে অসম চৰকাৰে মাহে ১০০০ টকা দিয়ে বুলি শুনা যায়। সেই টকাৰে কি কাম হৈছে অনুসন্ধিৎসুসকলে এবাৰ ভুমুকি মাৰি চোৱা উচিত।

মহাৰাষ্ট্ৰ-উৰিষ্যা প্ৰভৃতি ৰাজ্যৰ দৰে আমাৰ ইয়াতো বুৰঞ্জী পৰিষদ এখন গঠন কৰা আৱশ্যক। সেই পৰিষদৰ সভ্যসকলৰ ভিতৰত যাৰ যি যুগত ৰাপ, তেওঁক সেই যুগৰ বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ নিযুক্ত কৰিব লাগে। একেজনেই বুৰঞ্জীৰ আদ্যোপান্ত ঘোলোকা অসম্ভৱ। সেই দেখি প্ৰত্নতত্ত্ব শিলালিপি পাঠ, নৃতত্ত্ব আদিৰ বিষয়ে জনা বিশেষজ্ঞসকলৰ এখন পৰিষদ গঠন কৰিব পাৰিলে, আন নহ'লেও, বুৰঞ্জী সামগ্ৰী কিছুমান পোহৰলৈ আহিব। অৱশ্যে, পৰিষদৰ ব্যয়ভাৰ চৰ্কাৰী-বেচৰ্কাৰী দুইৰো গাত থাকিব লাগিব।

খনন কাৰ্য্য

প্ৰাগ্‌জ্যোতিষপুৰ, ডিমাপুৰ, শোণিতপুৰ, সধয়াপুৰ, কামপুৰ, ৰতনপুৰ, ৰংপুৰ প্ৰভৃতি পৌৰাণিক ঠাইৰ মাটিৰ তলত স্থাপত্য ভাস্কৰ্য্যৰ চানেকি পোত খাই আছে। প্ৰাচীন সম্পদ বিচাৰি কোনেও আজিলৈকে আঁচোৰ এটাও মৰা নাই, নাইবা তাত কোৰৰ চাব এটা মৰাবলৈকো কপৰ্দক এটা আছুতীয়াকৈ থোৱা নাই। বৃটিছ গভৰ্ণমেণ্টে বাৰু নথলে বা নেখানিলে দেখিবলৈ ভাল, আমাৰ নিজা চৰকাৰে নো সেই বিদেশী গৱৰ্ণমেণ্টৰ দৰেই এতিয়াও হাত সাবটি ভাঁকে চাই থাকিব পায় নে? একে লগৰে উৰিষ্যা প্ৰদেশে খনন কাৰ্য্যত হাতীপূৰ দি লাগিছে। কেন্দ্ৰীয় গৱৰ্ণমেণ্টৰপৰা সেই অনুপাতে লাখবিলাখ টকা সাহায্যও আদায় কৰিছে। তাত কামো হৈছে সেইদৰে। মাটিৰ তলত পোতখাই থকা শিশুপাল নগৰ আৱিষ্কাৰ কৰি ভাৰত বুৰঞ্জীত যুগান্তৰ আনিছে। কোনে জানে অসমৰ ভূগৰ্ভতো খানিলে-কুৰুকিলে তেনেকুৱা অনন্ত শায়িত অলৌকিক নগৰ মন্দিৰেই কিজানি ওলায়। কিজানিবা সিয়েই বুৰঞ্জী মণ্ডলত আকৌ তলওপৰ লগাই দিয়ে। মাজুলীৰ ৰতনপুৰে ঐতিহাসিক এন্দুৰ-কুমটিক আহশান কৰিয়েই আছে।

পুৰ্ত্তবিভাগৰ অফিচ লাগে

প্ৰাচীন কীৰ্তিসমূহ ৰক্ষণাবেক্ষণ কৰা ঘাই অফিচটো আছে সুদূৰ নতুন দিল্লীত অসমত থকা দৌল-মন্দিৰ, মঠ-মছজিদৰ মৰ্ম তাৰপৰা বুজা টান। শিৱসাগৰৰ শিৱদৌলৰ সোণৰ কলচীটো ভাগি পৰিবৰ কিমান দিন হ'ল, তথাপি তাক পুনৰ সংস্থাপন কৰিবলৈকো কাৰো কাণসাৰেই নহ'ল। চৰকাৰে চকু নিদিয়াত কত কীৰ্তি যে এইদৰে ধ্বংসস্তুপত পৰিণত হৈছে, তাৰ কিবা গম আছে নে? সেইবোৰ সঘনে চাইচিতি ফুৰিবলৈ আৰু আৱশ্যক অনুসৰি লৰালৰিকৈ ধ্বংস নিবাৰক ব্যৱস্থা লবলৈ ঘৰতে এটি প্ৰাচীন কীৰ্তি ৰক্ষাৰ অফিছ বা পুৰ্ত্তবিভাগ লাগে।

পুথি সংগ্ৰহ

বৃটিছ আমোলৰ দিনতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে চৰ্কাৰী বিষয়া হিচাপে যি পুথি-পাঁজি সংগ্ৰহ কৰিলে তাৰেই গোস্বামীদেৱে

কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া ভাষাৰ ন্যায্য স্থান দি থৈ গ'ল আৰু তাকেই অৱলম্বন কৰি আজি আমি অসমীয়া ভাষাৰ সুচিন্তিত প্ৰবন্ধকো লেখোঁহঁক। বৰফুকনৰ নামত আজি ৰাজ্যপালৰপৰা আৰম্ভ কৰি খৰিভাৰী হজুৰালৈকে অসম ৰাজ্য হেন্দোলদোপ লাগিছে সেই লাচিতৰ জীৱন কাহিনী উলিয়াই দিলে ঘোপমৰা এন্ধাৰৰ পৰা—এই হেমচন্দ্ৰ গোস্বামীয়েই; অথচ চৰকাৰৰ পুৰাতত্ত্ব বিভাগত তেওঁৰ এখন প্ৰতিকৃতি নাই। বিশ্ববিদ্যালয়ৰ ছাত্ৰই নো কিমান মনত পেলায়, তাকো প্ৰশ্ন কৰিব লগীয়া!

এতিয়াও অজস্ৰ পুথি অসমীয়া মানুহৰ ধোঁৱা চাঙে চাঙে আছে। লাচিত বৰফুকন কেতিয়া মৃত্যু হ'ল এতিয়াও আমি কব নোৱাৰোঁ। অইন কি, শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম, মাহ, তিথি নক্ষত্ৰৰ এতিয়াও খেলি-মেলি ভগা নাই। মটক নে মতেক---এতিয়াও ৰহস্যজনক ভাৱেই মানি আহিছোঁ। এনেকুৱা অনিশ্চিত কথাবোৰ বুৰঞ্জীৰ নিয়াৰিত দি নিশ্চয় কৰিবলৈ হ'লে, আমাক ভাল প্ৰমাণী পুথি লাগিব। সেই-বিলাক পোৱাৰ আশা এতিয়াও মাৰ যোৱা নাই। ছিলঙৰ "পৰ্বত ভৈয়ামৰ সংস্কৃতি" ভাৱনা কৰিবলৈ সততে গদগদ হৈ থকা অসম চৰকাৰে হেজাৰ দিয়েক টকা পুথি অনুসন্ধানৰ ফালে ছটিয়াই দিলে কিয়নো অকাৰ্য্য কৰা হ'ব? এনেকুৱা চাৰিটীয়া শূণ্যৰ টকা কত পানীত পৰি উটি গৈছে। তাৰ লগতে জানিবা অনুসন্ধানৰ টকাটোও পৰিল তাত নো কাৰ কাঁহীপাতে গা কাটিব? সেইবুলি, বুৰঞ্জীৰ দ্বাৰাই পদে-প্ৰমাণে অসমৰ্থিত কথা একোটাকৈ লৈ গৌৰৱ কৰি থাকিম নে?

অনা-অসমীয়া ভাষাত অসম বুৰঞ্জী ঃ অসমৰ পৰিপাটি বুৰঞ্জী লিখিব পৰা অলেখ সঁজুলি ভাৰতৰ হে নেলাগে, ভাৰতৰ বাহিৰেও অনেক ঠাইত সাঁচি থোৱা আছে। কোচবেহাৰ, দ্বাৰভাঙ্গা, জয়পুৰৰ ৰাজ্যিক গ্ৰন্থালয়ত অসম ৰজাৰ চিঠি পত্ৰ আৰু অন্যান্য পুথি-পাঁজি আছে বুলি জানিবলৈ পোৱা গৈছে। শ্যাম ৰিপজিটৰী, হংকং, লাই-পজিগ, লাইডেন, অইন কি মস্কোতো অসমীয়া পুথি থকাৰ সম্ভেদ ওলাইছে। বৃটিছ মিউজিয়ম আৰু কমনৱেলথ্ ৰিলেছনচ্ অফিচ (ইণ্ডিয়া অফিচ লাইব্ৰেৰী)ত বহু পুথি আছে। সেইবোৰ অনাৰ ব্যৱস্থা কৰা উচিত। আজিলৈকে অসমৰ বিষয়ে ফাৰ্চী—ইংৰাজী আদি

সাহিত্যত ওলোৱা অসম সম্পৰ্কীয় সকলো পুথি প্ৰবন্ধ অসমীয়া এতিয়াই তৰ্জমা কৰি থব লাগিব। কিয়নো, অলিক হ'লেও, কল্পনা বাস্তৱত পৰিণত হ'লে অৰ্থাৎ ইংৰাজী ভাষা আমাৰ দেশৰপৰা উঠি গ'লে, সেইবোৰ আমাৰ কাৰণে ঘুণাক্ষৰ মাথোন হ'বগৈ। চাৰ এডোৱাৰ্ড গেইট আৰু ডাক্তৰ সূৰ্য্য কুমাৰ ভূঞাই সম্পাদনা কৰা বিবলিয়গ্ৰেফী (পুথিপঞ্জী) দুখনত থকা পুথি প্ৰবন্ধখিনিকে সদ্যহতে অনুবাদ কৰিবলৈ ল'ব লাগে। কিন্তু চাব লাগিব যাতে তাৰ বৈশিষ্ট্যৰ অলপো বতা-টুটা নহয়। 'সাষ্টাঙ্গে প্ৰণিপাত'ৰ ঠাইত "সাষ্টাঙ্গে পূজা" লেখি, "আগমাচাৰ্য্য"ৰ সন্মনি "আহিবলৈ অনিচ্ছুক" বুলি "আগম পন্থৰ" ঠাইত "আগমী পন্থী" কৰি মূলৰ অৰ্থত যেন বেমে-জালি লগোৱা নহয়। অনুবাদকজনে ইংৰাজী ভাষা যেনেকৈ জানিব লাগিব, অসমীয়া ভাষা সাহিত্য-বুৰঞ্জী তেওঁ জানিব লাগিব।

প্ৰাচীন পত্ৰাৱলী

ৰজা দিনত আমাৰ কটকীসকলে নানান ঠাইলৈ চিঠি-পত্ৰ চলা-চল কৰিছিল। সেইবোৰ উদ্ধাৰ কৰি প্ৰকাশ কৰিব পাৰিলে, সেই কালৰ এটি সুন্দৰ আভাস পাব পাৰি। "ত্ৰিপুৰা বুৰঞ্জীয়েই" তাৰ চাক্ষুষ প্ৰমাণ (অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰাই প্ৰকাশিত) ভাৰতৰ জাতীয় দপ্তৰখানাৰ (National Archives of India) ডাই-ৰেক্টৰ ডাক্তৰ এচ, এন সেনে এনেকুৱা প্ৰাচীন পত্ৰাৱলী সম্পাদন কৰি এখনি বৃহৎ গ্ৰন্থ প্ৰকাশ কৰিছে। তাত, আমাৰ চন্দ্ৰকান্ত সিংহ, বদন চন্দ্ৰ বৰফুকনে লেখা চিঠিখন খন দিয়েকো আছে। বঙলা পত্ৰাৱলীৰ মাজত সেইবিলাক সুমুৱাই দিয়া বাবে অসমীয়াত্বতো মচ খালেই, সম্পাদনাতো ভালেমান ঠাইত অসমীয়া ভাষা নুবুজাত শব্দৰ অৰ্থ বিকৃত হৈছে। বুৰঞ্জী প্ৰয়াসীসকলে এই বিলাকৰ শুধৰণি কাম হাতত লোৱা উচিত। তদুপৰি আমাৰ জাতীয় সম্পত্তি দশম ভাগৱতৰ পুথিকো বঙলা ভাষাৰ পুথি বুলি নতুন দিল্লীৰ বুৰঞ্জী কংগ্ৰেছত প্ৰদৰ্শন কৰা হৈছিল। এনেবোৰ ভুল ভ্ৰান্তি নিবাৰণৰ অৰ্থে প্ৰশাসনীয় বিভাগৰ দৰে অসম বুৰঞ্জী বিভাগৰ এটি "বৈদেশিক পালিবিভাগ" লগা হৈছে। নহ'লে "লোকে নিব লফা দাই, গিৰিহঁত মৰিব খৰলি খাই।"

অসম সঁফুৰা

গেজেটীয়েৰ বা এনচাইক্লপেডীয়াৰ আহিত আমাক এখন অসমৰ সফুঁৰা লাগে। তাহানিয়ে ৰায় বাহাদুৰ আনন্দ চন্দ্ৰ আগৰৱালাই "অসমকোষ" নাম দি এনেকুৱা এখন গ্ৰন্থ উলিয়াবলৈ সঙ্কল্প কৰিছিল। কিন্তু সিদ্ধি নহ'ল। সেই কল্পিত কাম তেওঁৰ বংশধৰ আমি এতিয়া কৰিবলৈ হাতত লোৱা উচিত। ই ইমান মহৎ কাম যে চৰকাৰৰ পূৰ্ণ সহযোগ নহ'লে কৰি উঠা টান। কষ্ট আৰু ব্যয় দুয়োটা সমান।

পাঠ্য তালিকাত অসম বুৰঞ্জী অসমৰ হাইস্কুলসমূহত অসমৰ বুৰঞ্জী বিষয়ে একো শিক্ষা দিয়া নহয়। ওলোটা পাকে "ইংলেণ্ডৰ বুৰঞ্জী" শিক্ষা দি ছাত্ৰৰ মুৰটো তো গধুৰ কৰা হৈছেই, অভিভাৱক, সকলৰ মুৰতো অনৰ্থক বোজা এটা চপাই দিয়া হৈছে। ৰাজনৈতিক নেতাৰ নিৰ্দ্দেশত লেখোৱা বুৰঞ্জী কেতিয়াও নিৰ্বিকাৰ হ'ব নোৱাৰে। বুৰঞ্জীৰ চৌভিতি পৰিদৰ্শন কৰিবপৰা বিজ্ঞলোকৰ হতুৱাই লেখোৱা বুৰঞ্জীয়ে নিশ্চয় বুৰঞ্জীপাঠত নতুন প্ৰেৰণা আনিব।

স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী

আজিকালি বিদ্ৰোহীৰ অন্ত নাই। কিন্তু বিদ্ৰোহী কোন? অনন্তকালৰপৰা চলি অহা একোটা ৰীতি বা ধাৰণা, নাইবা ভাৱ নতুবা বিশ্বাসৰ এটা নতুন বাট যিজনে আগ-গুৰি ভাবি দেখুৱাই দিয়ে তেওঁৱেই বিদ্ৰোহী। আৰু সেই বিদ্ৰোহীয়ে যদি অতীত-বৰ্তমান-ভৱিষ্যতৰ সামঞ্জস্য থকা অন্তৰ্নিহিত চিন্তাত ব্যাপৃত থাকোঁতে কেনেবাকৈ প্ৰাণ বিসৰ্জন দিবলগীয়া হয় আৰু বিসৰ্জনো যদি তেওঁ অম্লানবদনে গ্ৰহণ কৰে তেতিয়াহে তেওঁক মুক্তি যুঁজাৰু দধীচি বুলি সন্মান কৰাৰ সাৰ্থক হয়। স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত এনে সূত্ৰৰ অন্তৰ্গত যুঁজাৰুসকলৰ কাৰ্য্য-কলাপ লিপিবদ্ধ হোৱা বাঞ্ছনীয়। চিংফৌৰ নিংৰুখুমুঙ, জয়ন্তীৰাজ ইন্দ্ৰসিংহ, মণিপুৰৰ টীকেন্দ্ৰজিৎ সিংহ, নগাৰ ৰাণী গাইদুলু, কচাৰীৰ তুলাৰাম সেনাপতিলৈ এই বুৰঞ্জীত নিৰ্দিষ্ট ঠাই থব লাগিব। স্বাধীনতা সংগ্ৰামৰ নিমিত্তে সজাগ আৰু সচেষ্টম কৰি ৰাখোঁতা সকলকো ইয়াৰ অন্তৰ্গত নকৰিলে বুৰঞ্জী সম্পূৰ্ণ নহয়।

সদৌ শেহত, সকলোকে ধন্যবাদ জ্ঞাপন কৰি জনাওঁ যে ৰাজনৈতিক চিন্তাৰাশি বুৰঞ্জী জ্ঞানেৰে শোধন কৰি নল'লে ভাৰত বুৰঞ্জীৰ "৫৭ সালৰ" ঘটনাই পুনঃপৌনিকৰূপে অভিনয় কৰাৰ সম্পূৰ্ণ আশঙ্কা। চাৰ জন চিলি আৰু মাননীয় জষ্টিছ এম, চি, চাগলাই বুৰঞ্জীৰ বিষয়ে একোটি অভিমত প্ৰকাশ কৰিছিল; তাকেই দোহাৰি মোৰ বক্তব্য সামৰিলোঁ। সেই অভিমতৰ সাৰমৰ্ম হৈছে, ঐতিহ্য আৰু আদৰ্শবিহীন ৰাষ্ট্ৰ গুৰিয়াল নোহোৱা হোলোং নাৱৰ নিচিনা—চাব টোৱে পতি টলংভটং। ৰাষ্ট্ৰীয় কৰ্ণধাৰসকল ঐতিহ্যভ্ৰষ্ট হৈ পথভ্ৰান্ত যাতে-নহয়, তাৰ নিমিত্তে প্ৰকৃত পথ নিৰ্দেশ কৰি দিয়াটোৱেই বুৰঞ্জীবিজ্ঞসকলৰ মুখ্য কৃত্য।" ৰাষ্ট্ৰ আৰু ঐতিহাসিকসকলৰ মাজত একেডালি যোগসূত্ৰই যেন খিলঞ্জীয়াকৈ প্ৰতিষ্ঠাপিত হয়— এয়ে আজি ভগৱন্তৰ চৰণত প্ৰাৰ্থনা।*

---

* ১৯৫৩ চনত ছিলঙত বহা অসম সাহিত্য সভাৰ ২২শ অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ।

ৰজা শঙ্কলাদিৱ

শঙ্কলাদিৱ ৰজাৰ বিষয়ে স্বৰ্গীয় বেজবৰুৱা ডাওৰীয়াৰ "অসম সঙ্গীত" নামৰ স্বদেশ প্ৰেম উদ্দীপনাপূৰ্ণ শুৱলা কবিতাটিৰ বাহিৰে অসমীয়া কোনো লিখকে বিশেষ আলোচনা কৰাৰ ভু পোৱা নেযায়। শঙ্কল ৰজাৰ বিষয়ে আজিলৈকে যিখিনি বুৰঞ্জীমূলক উপকৰণ উদ্ধাৰ কৰা হৈছে সেইখিনি থাওকতে ৰায়বাহাদুৰ পদ্মনাথ গোহাঁই বৰুৱাই তেওঁৰ 'অসম বুৰঞ্জী'ত সন্নিবিষ্ট কৰিছে। পুৰণি অসমৰ চকচকীয়া প্ৰতিকৃতি এখন অঙ্কণ কৰোঁতে স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাই "অসম-সঙ্গীত", "বীণ বৰাগী"ৰ উপৰিও "পুৰণি অসমৰ জিলিওনি আৰু অসম" প্ৰবন্ধটো শঙ্কলৰ মহা প্ৰতাপৰ কথা বৰ্ণাইছিল।

"বৰাগী ঐ!
শঙ্কলাদিৱে
কেদাৰ ৰজাক
কেনেকৈ জিনিলে শুনা,
পাৰশ্য সম্রাট
আফ্ৰিচিয়াৰে

যুঁজিলে কেনেকৈ জনা।"—এই বুলি বেজবৰুৱাই বৰাগীক বীণত সুৱদী সুৰ তুলিবলৈ কৈছিল। (বীণবৰাগী)

'কামৰূপৰ প্ৰাচীন বুৰঞ্জী'তনো শংকলাদিৱৰ কথা কিয় আলোচনা কৰা নহ'ল তাকো ৰায়বাহাদুৰ কনকলাল বৰুৱাই 'জৰ্ণেল অব দি ৰিছাৰ্চ ছচাইটি'ত 'ইৰাণ আৰু পূব ভাৰত' বোলা পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধত উনুকিয়াইছে। ত্ৰয়োদশ বছৰৰ প্ৰথম সংখ্যা 'বাঁহী'তো শঙ্কল ৰজাৰ মূল কাহিনীটো প্ৰথম হোৱা অনূদিত হৈছিল। কিন্তু মণিকোঁৱৰৰ পিতৃদেৱ 'শঙ্কৰদেৱ' ৰজাৰ কথাহে ক'তো আলোচনা হোৱা নাই যেন লাগে। স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীয়ে এই শংকৰ দেৱ ৰজায়েই 'শঙ্কলা-দিৱ' আছিল বুলি অনুমান কৰিছিল। তেওঁ প্ৰমাণাদিৰে অনুমানটো পৰিপুষ্ট কৰিবলৈ প্ৰয়াস কৰিছিল, কিন্তু নিঠুৰ কালে সেই প্ৰয়াসক পূৰ্ণকাল প্ৰাপ্ত হ'বলৈ নিদিলে।

শঙ্কল, শঙ্গল্ল বা শঙ্কলাদিৱ ৰজাৰ সৈন্য পয়োভৰ আৰু ৰাজক্ষমতা কিমান আছিল তাক শ্বাহনোমা গ্ৰন্থত বিস্তৃতৰূপে জনোৱা আছে। আৰ্থাৰ জৰ্জ ৱাৰ্ণাৰ আৰু এডমণ্ড ৱাৰ্ণাৰে ইংৰাজীলৈ তৰ্জমা কৰা শ্ব্যাহনোমাৰ পৰা এচোৱা অসমীয়ালৈ ভঙা হৈছিল, তাকে ইয়াত তুলি দিয়া হ'ল ঃ

"পাৰশ্য সম্ৰাট বাহৰাম গৌৰ শঙ্কল ৰজাৰ ওচৰলৈ ভেশচন কৰি আহিছিল। সেই আগমনটোকে বৰ্ণাওঁতেই ফিৰদোছিয়ে শঙ্কল ৰজাৰ অসীম ক্ষমতাৰ আভাসটো দি এইৰূপে কৈছে ঃ—

"চাৰিলাখ পদাতি, লাখ অশ্বাৰোহী
চাৰি হেজাৰেক হাতী,
শঙ্কলাদিৱৰ বীৰ্য্য-বিক্ৰমৰ
ভাৰত বিয়পা খ্যাতি।
লক্ষ্মণাৱতী গৌৰ ৰজাৰ
আমাৰ শঙ্কলে কৰা,
ৰাজধানী হৈ আছিল বঙ্গৰ
দুহাজাৰ বছৰ জোৰা। ("অসম সঙ্গীত")

'দূৰদৰ্শী উজীৰ এজনে নতজানু হৈ জনালে ভাৱেৰে—'হে জাহাপনা ধাৰ্মিক প্ৰবৰ; বিৰাজিছে শান্তি দশোদিশে নাই শত্ৰু ভয়; কিন্তু জাহাপনা! হিন্দৰাজ যশস্যী শঙ্কল এতিয়াও স্বেচ্ছাধীন। তস্কৰৰ দলে তাৰ উপদ্ৰৱ কৰি ফুৰে, হিন্দুস্থান দেশ হস্তে চীন ৰাজল'কে। ইৰাণকো আক্ৰমেহে লাগে। সেইগুণে জাহাপনা, শশংকিত হোৱাহে জুৱায়ে। জাহাপনা স্বয়ং শ্বাহেনশ্বাহ। শঙ্কল কেৱল হিন্দুস্থানপতি। তেন্তে কি ক্ষমতাৰে সি নিয়ে কৰ, সিন্ধু-চীন দেশৰ পৰা? ভাবি চক, আৰু চক তাৰ ধাৰা বিধি; ফলাফল মণ্ড যেন নহয় ইয়াৰ।'

চিন্তাপূৰ্ণ হ'ল শ্বাহ—উজীৰৰ বাক্য শুনি। বোধকৰি কণ্টক-সদৃশ গোটেই জগত, বুলিলে বচন—গুপ্তভাৱে কৰিম উপায় ইয়াৰ' সম্প্ৰতি কাৰো সতে নকৰি আলচ, অকলে চোৰাংভাৱে চামগৈ শঙ্কলৰ আয়োজন ঠাট-কটকৰ। কটকীৰ বেশ ধৰি চাম তাৰ সিংহাসন,

ৰাজ ব্যৱহাৰ। ইৰাণৰ জনপ্ৰাণী কিম্বা মোৰ সভাসদ কেৱে যেন নাপায় ইয়াৰ গুপুত সম্ভেদ। হে পুণ্যাত্মা সুকবি শিখৰ—তুৰন্তে লিখক চিঠি শব্দলৈ। নম্ৰভাৱে, কিন্তু টানকৈ সেই অনুসৰি।'

ধাৰ্মিক মন্ত্ৰীয়ে ত'ৰ
কাপ-কাঠি মহীচুঙা
কাকত কাকতি
আৰু যত লেখাৰ সম্বল
যতনাই লৈ
গুণ গাই বিশ্ব নিয়ন্তাৰ উপদেশ জ্ঞান
আৰু শিক্ষাৰে পূৰাই এই লেখিলে
সন্দেশ চিঠি---

"সনাতন কৃপালু প্ৰভুৱে ৰাখক কুশলে তেওঁৰ সেৱকবৃন্দক। চৰাচৰ জগতৰ সকলোৰে আছে আদি; ঈশ্বৰ অনাদি ৰজা-প্ৰজা, দীন-দুখী সমস্ততে হৰ্ষমনে ভগৱন্তে বিতৰে বিভৱ। কিন্তু ক্ষীণপ্ৰভ সকলোটি জ্ঞানৰ আগত; জ্ঞানৰ সদৃশ একো নাই মৰতত। জ্ঞান প্ৰভাতত উজ্জলিত গৰিমা বিভৱ। তাৰ পোহৰতে আঁতৰে মনৰ কুঁৱলী আন্ধাৰ, দুৰমতি দূৰ হই সুমতিয়ে লয় থান। পুণ্যবানে অনুতাপ নকৰে কাচিতো; তাৰ গুণতেই জ্ঞানৰ অখণ্ড প্ৰবাহ; সাধুসৱে তাত পাপকণা একণো নাপায়; জ্ঞানেহে কেৱল মনুষ্যৰ বিপদ খণ্ডায়। এয়েহে ভাৰসা এনে বিপদৰ কোনো যেন নপৰে কদাপি। জ্ঞানী লোকে আজীৱন পাপক ডৰায়। জানে নিজ আত্মাকো। জ্ঞান চকুৰেই চায় তেওঁ জগতৰ সুখীদুখী সকলোকে সম ভাবি। জ্ঞানেই ৰজাৰ শিৰৰ মুকুট। খ্যাতিমন্ত সকলোৱে সিয়েইহে ৰত্ন মুকুতাৰ মালা। তেন্তে কিয় নিজৰ আত্মাক ৰক্তত বুৰাই নাজানি নুবুজি একো নিজ বীৰ্য্য পৰাক্ৰম? বুজিব স্বৰূপ---ময়ে মাথো চলিত কালত ভাল-মন্দ বিচাৰৰ একমাত্ৰ অধিৰাজ। শুনো চৌদিশে কেৱল বিয়-পিছে অধৰ্মৰ অখণ্ড প্ৰতাপ। এই গুণে এনে ৰাজনীতি যাৰ তেওঁ যেন অতি শীঘ্ৰে ধৰ্মক আচৰে। পৰৰ ৰাজ্যত মনে মনে হস্তক্ষেপ কৰা আৰু অত্যাচাৰীসৱে সতে সমিলিত হোৱা ৰজোচিত বীৰোচিত নহয় কদাপি। আজুককা আপোনাৰ? আছিল আমাৰে তল,

বাপেকো আছিল শ্যাহৰে দাস—নিয়মিত ৰূপে হিন্দুস্থান হন্তে সকলোতে তুলিছিলোঁ কৰ। গুণি চক—ইৰাণৰ ৰাজ্য মাৰিবলৈ আহি চীন-খাঁৰ কেনেকুৱা বিপৰ্য্যয় ভাগ্য হ'ল—প্ৰথমতে সকলোকে লুটি ৰং কৰিছিল? পিচত, পাপৰ বাবে সমুচিত প্ৰায়চিত্ত হ'ল—অনুতাপে অন্তৰ কৰিলে বলীয়া। আপুনিও এয়ে। তাৰ দৰে ফৰ্মাহি মাৰি। তাৰ দৰেই দণ্ড কৰি আশাত বলিয়া। কিন্তু হায়! সেই আশা ক'ত বা উবিব?"

\+ + +

ছদ্মৰূপে পাৰশ্যৰ কটকী বাহ্ৰামে কিছুকাল শঙ্কলৰ কাৰেঙত থাকি শঙ্কলৰ জীয়েক ছপিনুড় (Sapınud) বা শপিনুৰৰ পাণি গ্ৰহণ কৰে, আৰু শঙ্কল কন্যাক ইৰাণলৈ লৈ যায়। বহুদিনৰ পিচত বাহ্ৰাম গৌৰে "পহ্লবী" ভাষাত চিঠি এখন লেখি ৰায় শঙ্কলক ইৰাণলৈ নিমন্ত্ৰণ কৰে। শঙ্কল যেতিয়া ইৰাণলৈ যায় তেতিয়া তেওঁৰ লগত এই কেইজন দ্বীপেশ্বৰ সমভিব্যৱহাৰে গমন কৰিছিল। যথা—কাবুলৰ অধিপতি, হিন্দুপতি, সিন্ধুৰাজ, চণ্ডাল দেশাধিপতি, জণ্ডালৰাজ, কাশ্মীৰাধিপতি আৰু মূলতানৰ ৰজা। বাহ্ৰাম বা বৰাহৰাম আহি চপিনুৰক পত্নীৰূপে গ্ৰহণ কৰা কথাটোকে অৱলম্বন কৰি ঔপন্যাসিকসকলে সুন্দৰ উপন্যাসো লিখিব পাৰে। শ্ৰদ্ধাস্পদ ৰায় বাহাদুৰ কনকলাল বৰুৱাই তেওঁৰ প্ৰাচীন কামৰূপৰ বুৰঞ্জীত শঙ্কলৰ কাহিনী পৌৰাণিক সাধুকথা বুলি ভাবি শঙ্কলৰ সময় স্থিৰ কৰা নাছিল। কিন্তু অসম অনুসন্ধান সমিতিৰ জৰ্ণেলত' তেওঁৰ "ইৰাণ আৰু পুব ভাৰত" বোলা প্ৰৱন্ধটোত এই বিষয়ে বিস্তৃত আলোচনা কৰিছিল। তাত ফেৰিস্টাই নিৰ্দিষ্ট কৰা সময়ৰ ওপৰতে ভিৰ দি শঙ্কল ৰজাৰ কাল খৃষ্ট জন্মৰ ৭০০ বছৰৰ পূৰ্ব বুলি নিৰ্ণয় কৰিছে। চাৰ এডোৱাৰ্ড গেইটে শংকলাদিৰ খৃষ্টীয় চতুৰ্থ শতিকাৰ ৰজা বুলি কৈছে। বৰুৱাই যিবোৰ যুক্তি প্ৰমাণ দি শঙ্কলক খৃষ্টপূৰ্ব সপ্তম শতিকাৰ ৰজা বুলি ঠাৱৰ কৰিছে "শঙ্কৰদেৱ ৰজাৰে পুতেক মণিকোঁৱৰ"ৰ নিচিনাকৈ পুৰুষানুক্ৰমে চলি অহা অসমীয়া গীতমাতলৈ চালে, "ঈশ্বৰৰ" ঠাইত "ঈস্পৰ", সংস্কৃতৰ 'স'ৰ উচ্চাৰণ আৰু অসমত থকা এলপাইন (ব্ৰাহ্মণ-কায়স্থ আদি) জাতীয় মানুহে তেওঁবিলাকৰ পূৰ্বপুৰুষ শঙ্কলৰ ৰাজধানী কণৌজপুৰৰ পৰা অহা বুলি কৰা গৌৰৱলৈ লক্ষ্য কৰিলেও সেইবোৰত ঠেক আছে

বুলি ধৰিব পাৰি। কেদাৰ ব্ৰাহ্মণক জিনোতা ৰাজ ৰাজেশ্বৰ শঙ্কলা-দিৱে অখণ্ড প্ৰতাপেৰে কোচবিহাৰৰ সিংহাসনত বহি খ্ৰীষ্টাব্দৰ সপ্তম শতিকাতে ইৰাণ আৰু ভাৰতবৰ্ষৰ এক প্ৰান্ত অসম বা কামৰূপৰ লগত অবিছিন্ন সম্বন্ধ লগাই থৈ গৈছে। তাৰ প্ৰমাণ আমি সদায় ঘৰৰ ভিতৰত কৈ থকা সাধাৰণ মাতকথাতো পাওঁ। মৌলবী মহিবুল হক বি-এল চাহাবে তাৰ আভাস অলপ দিছে। অসমীয়া, আৰবী আৰু ফাৰ্চী জনা বুৰঞ্জীপ্ৰিয় লোকসকলে দকৈ আলোচনা কৰিলে চক্ৰৱৰ্তী ৰজা শঙ্কলৰ কথা আৰু কিছুমান ওলাব বুলি আশা কৰা হয়।

নতুন অসমীয়া, ২৬ ফেব্ৰুৱাৰী, ১৯৫০।

দেউৰী সংস্কৃতি

পুৰুষ-প্ৰকৃতিৰ প্ৰতিমূৰ্তিকে দেউৰী-চুতীয়া ভাষাত কুণ্ডিমামা বোলা হয়। কুণ্ডিমামাতে জগৎ উৎপত্তিৰ বীজ নিহিত আছে আৰু ইয়েই গিৰাগিৰিচ বা বুঢ়াবুঢ়ী নাইবা হিন্দুমতে হৰগৌৰীৰূপে দেউৰী-সকলৰ দ্বাৰা আবহমান কালৰপৰা পূজিত সেৱিত হৈ আহিছে। "দেউৰীসকলৰ বিশ্বাসমতে এই বুঢ়া-বুঢ়ীয়েই আদি যুগৰ আৰাধ্য দেৱ-দেৱী বা মঙ্গলময় পৰমেশ্বৰ-পৰমেশ্বৰী বা হিন্দুমতে শিৱ-সতী।" এই হেন সৰ্বভূতে অৱস্থিতা অতি প্ৰাকৃতিক মহাশক্তিৰ উপাসনা কৰোঁতাসকলেই দেউৰী।

"দেউৰী সম্প্ৰদায় অসমীয়া জাতিৰ লখিমী-ভঁড়ালৰ এটি সংখ্যা-লঘু গোট।" গোট টিপচি হ'লেও, উৰণত গৰুড়ৰ পাখা আৰু বয়সতো কৌটিকলীয়া। দেউৰীসকলৰ এনে এটা দিনো আছিল যিটো দিনত সিসকলৰ ধৰ্মবিশ্বাস, পূজাপদ্ধতি আৰু দেৱপূজা কৰা ভাষাটো গোটেই অসমতে অৰ্থাৎ কমতা-কামৰূপত প্ৰসাৰিত হৈছিল। সেইবিলাকৰ চিন এতিয়া ক'তো পাবলৈ নোহোৱা হৈছে। তথাপি দেউৰী নামৰ জান্-নেজান্ সাঁচ একোটি কৌণ্ডিল্য গোত্ৰৰ ব্ৰাহ্মণৰ গাত আৰু দ'ল দেৱালয় প্ৰভৃতি হিন্দু ধৰ্মান্তৰ্গত অনুষ্ঠানকৃত্যাদিৰ লগত পৰি আছে।

কুণ্ডিলমামাৰ পৰা হোৱা কুণ্ডিল ৰাজ্যত পূৰ্বে যি জনে আৱৰৰ গীত গাই "আদ্যাশক্তিৰূপে বিশ্বনিয়ন্তা"ৰ পূজা-আৰাধনা কৰিছিল সেই জনৰে নাম সম্ভৱ, কুণ্ডিল মুনি আছিল। সেই মুনিৰ পৰা বাঢ়ি অহা বংশধৰসকল যেতিয়া ভাটীয়লিয়া আৰ্য্য হিন্দুসকলৰ লগত মিলি গ'ল, তেতিয়া তেওঁবিলাকৰ গোত্ৰ হ'ল কৌণ্ডিল্য বা কুণ্ডিল-মুনিজাত গোত্ৰ। ভাৰতৰ প্ৰথম তেৰটা গোত্ৰত কৌণ্ডিল্য গোত্ৰৰ নাম নাই। অথচ অসমত কৌণ্ডিল্য গোত্ৰৰ ব্ৰাহ্মণ অতি প্ৰাচীন কালৰ পৰাই আছে। ডাক্তৰ বেইন নামে এজন নৃতত্ত্ববিদে আৰ্য্যজাতিৰ প্ৰব্ৰজনৰ কথা কওঁতে, এফেদ আৰ্য্য ভাৰতৰ উত্তৰ-পূব চুকেদি ভাৰতলৈ অহা বুলি কৈছে। কুণ্ডিমামা পূজা কৰা দেউৰী, আৰ্য্যহিন্দু হৈ নামলোৱা

কৌণ্ডিল্য গোত্ৰৰ ব্ৰাহ্মণ আৰু পুৰুষ-প্ৰকৃতিক একেজন পৰমেশ্বৰ বুলি কৰা বিশ্বাস---এই তিনিউটা কথা ভালকৈ গমি-পিটিকি চালে বেইনৰ অনুমিত সিদ্ধান্তটো কেতিয়াও অমূলক বুলি ক'ব নোৱাৰি। সেয়ে যদি হয়, দেউৰী-চুতীয়া বিলাকেই পূবপিনে অসমলৈ সোমোৱা প্ৰথম আৰ্য্য আৰু তাৰে চিন একণ লাগি আছে কৌণ্ডিল্য গোত্ৰটোত। সেই কণেই অসমীয়া জাতিত লাগি থকা কুণ্ডিল ৰাজ্যৰ সাংস্কৃতিক পৰম্পৰা।

সেইদৰে, দেউৰী নামটোও। অসমত হিন্দু ধৰ্মাৱলম্বীৰ এনে এটা মঠ-মন্দিৰ আৰু এনে এখন থান-সত্ৰ-দেৱালয় নাই য'ত আগৰ-দিনীয়া ৰজাসকলে দেউৰী একোজন পাতি থৈ যোৱা নাছিল---যি দেউৰী এতিয়াও সকলোতে আছে। নীলাচলৰ কামাখ্যাত যিজনৰ গাত বৰদেউৰীৰ বাব আছে সেইজনৰ বাবটো পূব কামাখ্যাৰ কুণ্ডিমামা বা পিস্বাডেমা-পিস্বাচিডেমা সেৱকৰ পৰা ধাৰ কৰা নহয় জানো?

আমাৰ সকাম-নিকাম, পূজা-উৎসৱ হৈ যোৱাৰ পাচত, জলপান-প্ৰসাদ নাইবা মাহ-চাউল বিলাবলৈ আৰু সেইবিলাকৰ আয়োজন কৰিবলৈ একোজন সদাচাৰী লোক থাকে। তেওঁকে বোলা হয় দেউৰী। পূজা-সেৱা বা নামগোৱাৰ অন্তত ঈশ্বৰৰ নামত উচৰ্গা কৰা প্ৰসাদৰ শৰাই ভাগি বিতৰণ কৰিবৰ সময়ত যে কোৱা হয়, "দেউৰী-বিলনীয়া" উঠিবৰ হ'ল বুলি, সিও সূচায় যে দেউৰী সম্প্ৰদায়টো আজি যদিও পাচপৰা বা নগণ্য, তথাপি আমাৰ সংস্কৃতিত দেউৰী নামটোৱেই উচ্চস্থান পাই আহিছে। ইয়াৰ দ্বাৰা এনে এটা আংশিক অনুমান কৰিলেও ভুল নহ'ব যে দিক্কৰবাসিনী কামাখ্যা শক্তিপূজাৰ থান স্বৰূপে নীলাচল কামাখ্যাতকৈ পুৰণি। তাম্ৰেশ্বৰী মন্দিৰৰ ধ্বংসাৱশেষত পোৱা খণ্ডিত মূৰ্তিবিলাকেও ইয়াৰেহে সঙ্কেত দিয়ে। বুৰঞ্জীয়ে চুকি পোৱা কালৰ ভিতৰত, ধৰ্মপাল ৰজাৰপৰা আৰম্ভ কৰি বাৰভূঞা ৰাজত্বৰ দিনলৈকে, আনকি আহোম ৰাজত্বৰ দিনতো দেউৰী-চুতীয়াৰ তাম্ৰেশ্বৰী গোসাঁনীক বলি-বাহন দি পূজা কৰা হৈছিল। শাক্ত-পন্থী বাৰভূঞাসকলৰ দিনত বহুত গোসাঁনী-দেৱালয় স্থাপিত হ'ল আৰু বহুত পুৰণি দেৱালয় স্থাপিত হ'ল আৰু বহুত পুৰণি দেৱালয় সংস্কাৰ কৰা হ'ল। সেই দেৱালয়বিলাকত পূজা-পাতল কৰিছিল

একোজন লোকে, যাক দেউৰী বোলা হৈছিল আৰু যাৰ কুলৰ বিচাৰ নাছিল—মাত্র শুদ্ধসত্ব সদাচাৰী হ'লেই হ'ল। বাৰভূঞাৰ দ্বাৰা স্থাপিত বা সংস্কৃত এনে দেৱালয় বা চালিৰ-তলত-থকা কালিকা লগা থান দৰং জিলা আৰু কামৰূপৰ উত্তৰাংশত এতিয়াও ইমান আছে যে তাত দেউৰী নামধাৰী পূজাৰীসকলেহে হাঁহ-পাৰ-ছাগলী বলি দি গোসাঁনী পূজা কৰিব পাৰে। সেই দেউৰী, কুলত কছাৰীও হ'ব পাৰে, চুতীয়াও হ'ব পাৰে, নাইবা কলিতাও হ'ব পাৰে নতুবা বামুণো হ'ব পাৰে। কোঁচৰজাসকলৰ দিনত শক্তিপূজাৰ বিস্তৃত গৈ বেহাৰতো সোমাল ঃ লগে লগে পূব কামাখ্যাৰ পূজাৰী বা পূজাৰ সম্ভাৰ যোগাওঁতাৰ নাম আৰু কাম অনুসৰি “দেউৰী” বাবেও সেই ঠাইত থিতাপি ললেগৈ। এই ৰূপেই দেউৰী কৃষ্টি পূবৰ পৰা উৰি উৰি গৈ গোটেই অসমীয়া জাতিৰ সংস্কৃতিত লীন গ'ল। দেউৰী সম্প্রদায় আৰু দেউৰী ধৰ্ম-কৃষ্টি সেই কাৰণে অসমীয়া ধৰ্ম-সংস্কৃতিৰ অন্তৰঙ্গ বস্তু---কঁঠাল আঠাৰ দৰে দুয়োকো অঠিয়াই থৈছে---কোনেও কাকো এৰিব নোৱাৰে।

অসমীয়া জাতিৰ লগত এনেভাবে অঙ্গাঙ্গী সম্বন্ধ থকাদেউৰী হেন সম্প্রদায় এটাই যুগযুগান্তৰৰ পৰা আপুৰুগীয়া ধৰ্ম-বুৰঞ্জী-সভ্যতা সংস্কৃতিৰ সঁফুৰা সম্ভাৰ বুকুত বান্ধি লৈ আছিল. এতিয়া শ্ৰীমান ডম্বৰুধৰ দেউৰীয়ে “দেউৰী সংস্কৃতি” গ্ৰন্থত সেই সম্ভাৰ ভৰা সঁফুৰাৰ সাঁফৰ মেলি দিছে। সেই বাবে শ্ৰীমান দেউৰীলৈ হিয়া ভৰা শলাগ যাঁচিলো।*

---

* শ্ৰীডম্বৰুধৰ দেউৰীৰ “দেউৰী সংস্কৃতি”ৰ ভূমিকা, ৩ মাৰ্চ, ১৯৬৬।

সদৌ অসম নাটক সন্মিলনীৰ সভাপতিৰ অভিভাষণ

অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সমবেত ৰাইজ,

নামৰ আগে-পাচে চিন-চকৰ নাই—এনে এজন নিঃকিনক নিমন্ত্ৰণ কৰি আনি আপোনাসকলে এই বিৰাট সন্মিলনীৰ সভাপতি আসনত বহুৱাইছেহি। এই বাবে এফালে মোৰ বুকুখন গৌৰৱানন্দত যেনেকৈ ওভন্দি পৰিছে, মোৰ সীমাবদ্ধ অজ্ঞানতাত আপোনাসকল নিৰাশ হ'ব বুলি ভাবি তেনেকৈ কোঁচ খাইও আহিছে। তথাপি, আপোনাসকলৰ নিজ কৰুণা গুণৰ ওপৰত ভাৰসা কৰি, ৰাইজলৈ মূৰ দোঁৱাই জনাই-নজনাই দুষাৰ ক'বলৈ আগ বাঢ়িলোঁ।

জাবৰ খোচৰাটো কুকুৰাৰ যেনে স্বভাৱ, "পুৰণি পৃথিৱীখন নকৈ চোৱাটোও" মোৰ তেনে অনুৰাগ। এই অনুৰাগৰ দৃষ্টি পেলাই সভাখনৰ ওপৰে-ওপৰে কি দেখিছোঁ, জানে নে? দেখিছোঁ, অসমীয়া ভাষাৰ মৌ-বিচনীবাহ্নোতা আৰু অসমীয়া জাতিটো তেজে-মঙহে লোদোৰ-পোদোৰ কৰোঁতা এচাম থলুগিৰীৰ বাসস্থানখনিয়ে নিজৰ সঞ্চিত আশা-আকাঙ্ক্ষা পূৰাব নোৱাৰি ক্ষোভ-অনুতাপৰ জ্বৰত কেঁকাব লাগিছে। দেখাত জ্বৰটো ঘুঘুয়া যেন দেখি; কিন্তু ইয়েই ব-নি লৈ কালক্ৰমত ৰণচণ্ডীৰ জমক তুলিবগৈ পাৰে—এনে এটা খুদুৱনিয়েও মোৰ মনত বাহ নোলোৱাকৈ থকা নাই। সেই হে, সভাথলী সোমাই কেউপিনে চকু ফুৰাই যাওঁতেই সুধি চাবৰ মন গৈছে,

> "চালে চালে লগা ঘৰ
> সোধোঁ সোধোঁ বুলি
> সুধিব নোৱাৰোঁ।
> গাত নো কিমান জ্বৰ?"

সেইবুলি এতিয়া নোসোধাকৈ থাকিলে হ'ব নে? সুধিবলৈ হ'লে নাড়ীজ্ঞান থাকিব লাগিব; জ্বৰৰ লক্ষণ আৰু লক্ষণৰ কাৰণসমূহ

বিচাৰি উলিয়াব লাগিব। সেইখিনিতেই অনুসন্ধানৰ বৰ্ত্তি ভাল ছিঙি পেলালে নহ'ব—অলপ আগ বঢ়াই দি স্থানটোৰ কিমান দূৰলৈকে ভেজিব পাৰে তাকো চাব লাগিব। ইমান ভব্যাকাৰ হাতী হেন বিষয় এটা মাৰি আনি মোৰ এই ভুৰুকা হেন চমু অভিভাষণটিত সুমুৱাই থোৱা অসম্ভৱ।

জয়ে-জয়ে, স্থান-মাহাত্ম্য বা থল-বুৰঞ্জী পিটিকি চালে দেখিবলৈ পাওঁ—অসমৰ শিতানত থকা এই চুকটোৰ এটি সুকীয়া বৈশিষ্ট্য আছে। তথাপি আজিও যে সেই বিশিষ্টতাই যিমান স্বীকৃতি আৰু সন্মান পাব লাগিছিল, সিমান পোৱা নাই, এইটো হে অটাইতকৈ দুখলগা কথা। নিজেই 'কাৰ্ফাই' লৈ মাৰ হেৰ' বালি চৰাই" বুলি চক্ষু-চোৰা কুকুৰবোৰক কঁড়িয়াই পঠিয়াব লাগিব; নিজেই ধনুকাঁড় ধৰি হুজ পাতি হুই মাৰি বনবোন্দা খেদিব লাগিব। পৰত আশ, বনত বাস। আজি কালি পামৰ গালৈকে সামৰাৰ "দিনত কাৰ ভাগিনা মৰে, কাৰ হয় হানি" বুলি কোনে কালৈ উন্নটি চায়? সেইগুণে, মইসৰু ভাব লৈ, লাঞ্ছিত অৱহেলিত বুলি চুকত সোমাই ফেঁকুৰি থাকিলে নহ'ব।

সংহতি কাৰ্য্য সাধিকা। মাউখে উটিলে গুৰি পৰুৱাৰো মৰণ নাই। এই মন্ত্ৰকে জপি, মাৰি যাম, মৰি যাম বুলি মত্ত মাতঙ্গৰ দৰে মেদিনী কঁপাই ভূত প্ৰেত, যখিণী শাকিনীবোৰ খেদিবলৈ ওলাই অহক, লুপ্ত আত্ম সন্মান, অপহৃত অত্মউপলব্ধি আৰু মৃতপ্ৰায় জাতীয় চৈতন্য নকৈ সঞ্চাৰ কৰক। এনে দুৰ্বাৰ সঙ্কল্পই যেন আপোনা-সকলৰ অন্তৰখনহঁত উচ্ছসিত কৰক।

আত্মবিশ্লেষণ কৰিব পাৰিলে হে জাতীয়তাৰ পুনৰুত্থান সম্ভৱ হয়। আৰু সেই বিশ্লেষণ নিৰ্ভৰ কৰে বিশেষকৈ আত্মপৰিচয়ৰ ওপৰত।

আমি য'ত গোট খাইছোঁহিহঁক, এইখনেই আছিল বৰ সেনাপতি সৰ্বানন্দৰ দেশ। বৰসেনাপতিৰ দেশখনৰ ভৌগোলিক নাম আৰু অধিবাসীসকলৰ গোষ্ঠী সম্পৰ্কে নানান ঋষিৰ নানান মত। বুৰঞ্জিৰ অহাৰ পিচত এই দেশৰ সীমা বান্ধিছিল উত্তৰ-পশ্চিমে ব্ৰহ্মপুত্ৰ, দক্ষিণে বুঢ়ী দিহিং, পূবে দিহিঙৰপৰা কুণ্ডিল নদীলৈকে এটি কাল্পনিক ৰেখাৰ ভিতৰত যি অঞ্চল পৰিছে, সেই অঞ্চলটো; ইয়াৰ ভিতৰতে

—২৬

ডিবুৰু নৈৰ পাৰ দুটাও পৰিছে। ইয়াৰ যে কিবা নিৰ্দিষ্ট সীমা আছিল সঠিককৈ ক'ব নোৱাৰি, তথাপি ৰাজ্যখনৰ মুঠ মাটি কালি আছিল ছৈখোৱাকে ধৰি প্ৰায় ৮০,০০০ আশী হেজাৰ পুৰা।

ইয়াৰ অধিবাসীসকলক সাধাৰণতে কয় মটক, কোনোৱে কয় মৰাণ, কোনোৱে কয় মটক-মৰাণ। কোনোৱে আকৌ মোৱামৰীয়া বা মোৱামৰীয়া-মটক বুলি অভিহিত কৰে। কিছুমানে আকৌ মৰাণক (মটক) পৰ্বতীয়া জাতি বুলিও কয়। ৰবিঞ্চন চাহাবে মৰাণসকলক হাবুঙীয়া নাম দি গৈছে। ১৮৫৩ শকত "মায়ামৰা সন্ত্ৰ" গোসাঁইসকলৰ বংশাৱলী প্ৰকাশ হোৱাৰ পিচৰপৰা মোৱামৰাৰ সলনি 'মায়ামৰা' নামটো সম্চালনিকৈ প্ৰখ্যাত হৈছে।

১৬৯১ শকৰ পৰা হে অসমৰ মানচিত্ৰত থকা এই দেশখনৰ ভু-ভা ল'বৰ্লৈ নামনি ফালৰ মানুহ সজাগ হৈছে আৰু কাপ্টান ৱেলচ অহাৰ পিচৰপৰা মটক নামটোৱেই 'জগজ্জনন, পতিত পাৱনী' হোৱা দি হ'ল। তাৰ পাচত, ইউৰোপীয় ঐতিহাসিক আৰু নৃতত্ত্ববিদসকলৰ ঘন সমাগম হ'বলৈ ধৰিলে। এওঁবিলাকে সূক্ষ্ম অনুসন্ধান নকৰা-কৈয়ে কৈ গ'ল মটকবিলাক মঙ্গলীয় বুলি। কেদাৰ ব্ৰহ্মচাৰী, ভূদেৱ মুখাৰ্জী আৰু চিভেলীয়েৰ বন্চেনৰ মতে মৰাণবিলাক, যাক মটক বোলা হয়—অতীজতে নেপালৰ পশুপতিনাথ মন্দিৰৰ ওচৰৰ পৰা অহা। জালি-পানী, গাৰ গঠন, মুখৰ আৰ্য্যা, মিহি মাতকথা চাই মৰাণবিলাকক কেতিয়াও মঙ্গলীয়া বুলি ক'ব নোৱাৰি।

জাতি আগ; স্বভাৱ চৰিত্ৰৰ গুণাগুণসূচক বিশেষণ পাচ। বৰ-সেনাপতি দেশৰ মানুহবিলাকক অতীজতে চিংফৌ খামতিহঁতে মটক নাম দিছিল। মটক মানে, সহজে বৰাব নোৱৰা। তাৰ বিপৰীতে যিবোৰ মানুহ অলপ কথাতে লেউসেউ হয়, সেইবোৰক কৈছিল মুলুং বুলি।

আহোম-ভাষাবিদ ৰায়চাহাব গোলাপ চন্দ্ৰ বৰুৱাই মটক শব্দটো কেতিয়াৰপৰা আছে আৰু ইয়াৰ অৰ্থ কি তাহানিৰ 'বাতৰি' কাকতত প্ৰকাশ কৰি গৈছে। যথা—

"মটক" এই শব্দটো আহোম ৰজাসকলৰ আদি পুৰুষ স্বৰ্গদেৱ চুকাফা ৰজা অহা কালৰ বুলি আহোম ভাষাৰ বুৰঞ্জীত পোৱা গৈছে। আহোম সকল ইং ১২২৮ চনত এই দেশলৈ আহে। সেই কালৰ পৰা ইং ষষ্ঠদশ শতাব্দীলৈকে মটক শব্দই ব্যৱহাৰ হৈ আহিছিল।"

তেখেতেই আৰু লিখি গৈছে—মটক মানে আহোম ভাষাত পৰীক্ষিত, পণ্ডিত। ম আখৰে পণ্ডিত, জ্ঞানী আৰু ক্ষমতাশালী বুজায়; আৰু টক অৰ্থে জোখা, পৰীক্ষিত। মটকৰ বিপৰীতে, "মুলুং" বুলি যিটো শব্দ আছে তাৰ অৰ্থ আহোম মতে বৰাগাহৰি; মূৰ্খ।

এই মটকসকলেই "মৰাণ" নাম লৈ অসমৰ মূৰত কিৰীটি ৰূপে শোভা কৰিছিল। সেইসকল যে প্ৰকৃততে মৰাণেই, অষ্টভুজৰ ওচৰত শৰণ লবলৈ অহা বিৱৰণীয়েই কয়—

"অষ্টভুজ দেৱতাৰ গুণ যশচয়
নদীৰূপে দশোদিশে যেবে বহিচয়,
যেহি সময়ত মৰাণৰ লোকগণ
গুৰু ভজিবাক লাগি কৰি আলোচন
আসিলন্ত বহুলোক এক সঙ্গে
ৰাঘ খোৰা আদি কৰি অতি মন ৰঙ্গে।"

অষ্টভুজদেৱৰ ভোগকাল ১৬৭০ৰ পৰা ১৬৯২ শকলৈকে। ইয়াৰ আগলৈকে মৰাণ মানুহখিনি মায়ামৰীয়াৰ শিষ্য হোৱা নাছিল।

"মতেকৰ পৰা মটক হৈছে বুলি কোনো কোনোৱে কয়। ১৫৩৩ শকলৈকে যে 'মতেক' শব্দ সৃষ্টি হোৱা নাছিল সেইটো অনিৰুদ্ধদেৱৰ চৰিত পুথিয়ে কয়।

মায়ামৰা গোসাঁইৰ শিষ্যসকলে আনৰ ওচৰত মূৰ নোদোঁৱায়। এই কথাৰ সঁচা-মিছা প্ৰমাণ চাবৰ নিমিত্তে বুদ্ধিস্বৰ্গনাৰায়ণ ৰজাই ঘোঁৰা চেকুৰাই অহা জনদিয়েক শিষ্যৰ আগত মূৰ তল কৰক বুলি খাপ বা তৰোৱাল পতাই দিয়ালে। নেওগ ফুকন আদি প্ৰধান প্ৰধান শিষ্য দুজনে গুৰুৰ বাহিৰে আনৰ ওচৰত মূৰ নোদোৱাওঁ বুলিছোঁ, নোদোৱাওঁ বুলি সেই তৰোৱালৰ আগত ডিঙি পাতি দিলে। তেওঁবিলাকৰ মূৰ ছিগি মাটিত পৰিল। মায়ামৰীয়া ভকতৰ যে মত একেটা, দেখি, ৰজাই বিস্ময় মানিলে আৰু;

"এহি হন্তে মায়ামৰা শিষ্যসকলক
সৱেও বোলয় জানা বুলিয়া মতেক।"

গতিকে, এই অঞ্চলৰ মানুহখিনিৰ গাত "মতেক" শব্দটো ৰাঘ নেওগে শৰণ লোৱাৰ পিচৰপৰা হে প্ৰযোজ্য। তাৰ আগলৈকে

তেওঁবিলাক মৰাণেই আছিল আৰু ধৰ্ম-মতৰ চোঁৱাটো সোলোকাই উদংকৈ চালে এতিয়াও সেই মৰাণ ৰূপেই দেখা যায়।

মৰাণ, মেৰাম, মৰাং, মোৰঙ, মিৰাং, মিটাং বা মৰা—একে কথা। গুৰিত জাতি একেটাই। কিন্তু নেপালৰ পাদ দেশৰপৰা আহি ঠায়ে ঠায়ে ছেদেলি-ভেদেলি হৈ পৰাত ঠাই অনুসৰি নামটোহঁত সলনি হ'ল। লাথাম, ডেল্টন, হডচন আদি ইংৰাজ নৃতত্ত্ববিদবিলাকৰ আঁহ ফলা সিদ্ধান্তকে অনুসৰণ কৰি বহুতে মৰাণ জাতিক মঙ্গলীয়া শ্ৰেণীতে পেলাইছে। সেই ধাৰণা সত্য বুলি বিবেচিত হ'ব নোৱাৰে, কিয়নো, পূব ভাৰতৰ মণিপুৰ, ত্ৰিপুৰা আৰু কোচবেহাৰৰ উত্তৰতো মৰাণ বা মৈৰাং জাতিৰ নিবাস। ধনশিৰী পাৰৰ মৰঙীয়েও মৰাণ বা বৰাহী কছাৰীকে বুজায়। মৰাণ নামৰ অন্বয় কৰিবলৈ গ'লে এখনি মহাভাৰত হ'ব। তথাপি আকৌ দোহাৰি কওঁ যে এওঁবিলাকৰ আদি বাসস্থান নেপালৰ পয়ৰাত পশুপতিনাথ মন্দিৰৰ ওচৰত আছিল বুলি কেদাৰ ব্ৰহমচাৰীৰ উক্তি এটি ১৯৩০ চনৰ "বাতৰি" নামৰ সাদিনীয়া বাতৰি-কাকতত প্ৰকাশ হৈছিল।

এই জাতিটোৰে এটা ঠাল কেনেকৈ অসমৰ একেবাৰে পূব মূৰত সোমালহি তাৰ চমু আভাস এটিৰ চিন দৰ্শালে, আপোনাসকলৰ কাণত কণামাকৰিয়ে কেতিয়াও খৰ নখৰাব বুলিয়েই মোৰ বিশ্বাস।

মেজেৰা বা সৰ্বানন্দই "স্বৰ্গদেৱ" উপাধিৰে বৰসেনাপতি হৈছিল; এই কথা নজনা কোনো নাই আৰু তেওঁ যে মটক হ'লেও জাতত বুৰুক চুতীয়া, সেই কথাও সকলোৱে জানে। বুৰুক চুতীয়াটো আছিল ক'ৰপৰা এইটোহে আটাইতকৈ ডাঙৰ আহকলীয়া সাঁথৰ।

আপোনাসকলে আটায়ে জানে যে সদিয়া অঞ্চলতে তাহানিখনৰ বিদৰ্ভ ৰাজ্য আছিল। বিদৰ্ভৰ সীমা আছিল পূবে বৈদুৰ্য্য পৰ্বত। পশ্চিমে দিপাং নদী আৰু দিহিং নদী, উত্তৰে চন্দনগিৰী পৰ্বত, দক্ষিণে দণ্ডৰঙ্গ পৰ্বত। এই সীমাৰ ভিতৰখনি দেশকে ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ আৰু দক্ষিণ দুয়ো পাৰে বিদৰ্ভ ৰাজ্য বোলে। ইয়াতেই স্বতী নৈয়ো আছিল। ইয়াৰ ভিতৰতে কুণ্ডিনগৰ ৰাজধানী পাতি যিজন ভীষ্মক ৰজা আছিল তেওঁ ও সেই স্বতী নিবাসী। স্বতী নদীৰ পাৰবাসী চুতীয়া-ৰাজ ভীষ্মকৰ কন্যা ৰুক্মিণী সুন্দৰীয়ে শ্ৰীকৃষ্ণক স্বামী "চিন্তিয়া" সুমাজিনী ধাইৰ হতুৱাই বেদনিধি বাপুক মতাই দ্বাৰকাৰ শ্ৰীকৃষ্ণলৈ

"প্ৰবজ্ৰিয়া পত্ৰ এখনি লিখিলা
মুদ্ৰা দিয়া তাক ব্ৰাহ্মণৰ হাতে দিলা ?"

এনে বুলি যে দশমস্কন্ধ ভাগৱতত কথা এফাঁকি আছে, তাক কোনেও বৰকৈ তংকৈ চোৱা নাই। ৰুক্মিণীয়ে নিজহাতে চিঠি লেখিছিল, মানে, চুতীয়া ৰাজকন্যাই আখৰ লিখিব পাৰিছিল। ৰুক্মিণীয়ে চিঠি লেখা কথাটো এতিয়াও কোনো কোনো মানুহৰ গীত-মাততো শুনিবলৈ পোৱা যায়। স্বতী নৈৰ পাৰত থকা বাবে ভীষ্মকক চতীয়া বা চুতীয়া বোলা হৈছে। লুইতপৰীয়া বুলিলে যেনেকৈ অনেক জাতি বুজাব পাৰে, চতীয়া বা চুতীয়া বুলিলেও তেনেকৈ অনেক ফৈদ, অনেক খেল অনেক জাতি হ'ব পাৰে।

'কৰতোয়াং সমাৰভ্য যাবৎ দিক্কৰ বাসিনী" বোলা যোগিনীতন্ত্ৰৰ বচনে কৈছে, কামৰূপৰ সীমা দিক্ৰং নৈলৈকে আছিল। ইয়াত যি তাম্ৰেশ্বৰী মন্দিৰ বা কেচাইখাতী গোসাঁনীৰ দেৱাল আছিল, সেই দেৱাল ধৰ্মপাল ৰজাই কৰোৱাইছিল। সেই মন্দিৰেই চুতীয়া ৰৰাহীৰ প্ৰধান পূজাকৰা ঠাই আছিল। বিদৰ্ভৰাজৰ অন্তত ধৰ্মপালে কমতেশ্বৰ নাম লৈ এই খণ্ড শাসন কৰিছিল। তেতিয়া উজনি ব্ৰহ্মপুত্ৰৰ দক্ষিণ ছোৱাক আৰু সদিয়াৰ পূব ছোৱাক লাইদৈ বা লাহদৈ বোলা হৈছিল, সেই লাহদৈ ৰাজ্যৰ সাক্ষ্য এতিয়াও লাহদৈ গড়ে দি আছে। চুকাফা ৰজা সৌমাৰত প্ৰবেশ কৰাৰ বহু বছৰৰ আগেই ধৰ্মপালৰ ৰাজ্যৰ পৰা মেৰাম খেলৰ মানুহ এজন লাইদৈত ৰজা হৈছিল। এওঁৰ নামতেই সম্ভৱতঃ মৰাণ নামৰ উৎপত্তি। তেতিয়াই স্বতী নৈৰ পাৰৰ ভালেমান চুতীয়া বা চতীয়া খেলৰ মানুহ বহি নিজকে মেৰাং বা মৰাণ বুলি পৰিচয় দিয়া হ'ল, আৰু সেই পৰিচয়ৰপৰা মৰাণ নাম হ'ল। মানুহবিলাক বলী আৰু সাহসী আছিল দেখি চিংফো খামতিবিলাকে মটক বুলিবলৈ ধৰিলে। সেইদেখি মৰাণ-মটক দুটা যৌগিক শব্দ হ'লেও অৰ্থ একেটা।

মায়ামৰা দিনজয় সত্ৰৰ শ্ৰীশ্ৰী ৺হৃদয়ানন্দ চন্দ্ৰ অধিকাৰ গোস্বামীৰ দ্বাৰা প্ৰকাশিত শ্ৰীশ্ৰী ৺অনিৰুদ্ধ দেৱৰ চৰিতত আছে অনিৰুদ্ধদেৱৰ ধৰ্ম মহিমা চাওঁ বুলি চুখামফা নৃপতিয়ে কলহ এটাত পাণ্ডৰী এডাল সুমাই কলহটোৰ মুখ বান্ধি, সেই কলহত কি আছে বুলি সোধাত গোসাঁয়ে কালসাপ এটা আছে বুলি কৈ দিলে। ৰজাই কলহৰ মুখ

মোকলাই চায়, দেখে দেখোন সঁচাকৈয়ে সেই ভাল পাগুৰী নহয় কাল-সাপ হে। ৰজাই বিভূতি খাই সেই মায়াসাপ নাইকিয়া কৰিবলৈ ক'লত বাক্‌সিদ্ধ অনিৰুদ্ধদেৱে ততালিকে মায়া নিবাৰণ কৰিলে। মায়াক মৰা বাবেই গোসাঁই মায়ামৰা মহন্ত হ'ল আৰু তেওঁৰ শিষ্য-সমূহ মায়ামৰীয়া বুলি সকলোতে জনাজাত হ'ল।

হ'ল হে হ'ল, মানুহৰ মুখত আৰু লেখাত কিন্তু মায়ামৰা নহ'ল। সংস্কৃত নজনা দেশীয় মানুহৰ মুখত পৰি মোৱামৰা বা মআমৰাহে হ'ল। সেই কালত অন্তঃস্থ য় টোৰ ব্যৱহাৰ নাছিল। সেইদেখি পুথিয়ে-পাজিয়ে মায়ামৰাৰ সলনি মঞাঁমৰা, মোআমৰা, মআমৰা বা মআমৰ হে লিখা হৈছিল।

ওপৰত কৈ অহা গোলাপ চন্দ্ৰ বৰুৱাই আহোম বুৰঞ্জীত মু-আ-ম-ৰা বুলি লেখা পাইছিল। তেওঁ লেখিছিল, "মোৱামৰা সত্ৰৰ অধিকাৰ জনক "চাওমুন মআমৰা মহন্ত" বুলিছে। চাওমুন মানে, চাও অৰ্থে গৰাকী, মুন অৰ্থে পৱিত্ৰ, পবিত্ৰ গৰাকী। এই মু-আ-ম-ৰা শব্দৰপৰাই মোৱামৰা বা মোৱামৰীয়া শব্দৰ উৎপত্তি।

অগ্নি চাপৰিত যেতিয়া সত্ৰ থাকে তেতিয়া এই মায়ামৰা মহন্তৰ অৱস্থিতি আছিল মোৱামৰা নামে বিল এখনৰ পাৰত। সেইদেখি মায়ামৰা পুৰণিপাম বা পুৰণি মাটিৰ সত্ৰৰ ভূতপূৰ্ব অধিকাৰ শ্ৰীশ্ৰী উৎসৱানন্দ গোস্বামীয়ে লেখি গৈছে ঃ—

"উত্তৰ হাটীৰ সমীপত আছে বিল
তাত সৱে মোৱা মাছ বঞ্চে অবিকল।
সেহি হ্ৰদ কোলে ভৈলা সত্ৰ বিচক্ষণ।
এতেকে সে মোৱামৰা বোলয় বচন।
আৰু যিটো আনে লৈলে শৰণ ভজন
মায়া পাশ ভকতৰ হোৱে নিবাৰণ।
সিকাৰণে মায়ামৰা বোলে নৃপগণ
এহি তিনি গুণে মায়ামৰা সত্ৰ নাম
যাৰ যিবা মনে লয় তাকে অবিশ্ৰাম।"

মায়াক মাৰি অদ্ভুত আধ্যাত্মিক শক্তি দেখুউৱাত অনিৰুদ্ধদেৱ মায়ামৰীয়া হ'ল। আৰু তেওঁৰ শিষ্যসৱে মায়ামৰীয়া ভকত নাম

পালে। পৰৱৰ্তী কালত মোৱামাছ থকা বিলৰ কাণত থকা বাবে সত্ৰৰ নাম হ'ল মোৱামৰা। মোৱামৰাটো লৌকিক স্থানবাচক আৰু মায়ামৰাটো অলৌকিক গুণবাচক। লৌকিক অলৌকিক দুয়োটা শব্দৰ মাহাত্ম্যতে ১৫৩০ শকৰপৰা ১৬৯১ শকলৈকে জাতি ধৰ্ম সম্প্ৰদায় নিৰ্বিশেষে অসমৰ অসংখ্য প্ৰজাই নিৰ্বিৰোধে নিৰ্বিবাদে বৈষ্ণৱ ধৰ্মৰ ছাঁ লৈ নিশ্চিন্ত মনে জীৱন নিৰ্বাহ কৰি আছিল। সেই শকত যি ৰাজনৈতিক বিভ্ৰাট ঘটিল তাৰ পিচত হে উজনি পোনে মৰাণ ৰাজ্যত খুটীয়াপোতা বা পুৰণিপাম সত্ৰৰ ঠাল-ঠেঙুলি-বা শাখা সত্ৰ প্ৰতিষ্ঠিত হ'বলৈ ধৰিলে। তাৰ আগেয়ে ডিবুৰু পাৰত কোনো মায়ামৰা সত্ৰ নাছিল।

অষ্টভুজদেৱত ৰাঘ নেওগে শৰণ লোৱাৰ পাচৰপৰা হে মটক মৰাণ সকল "মতেকৰ" ভিতৰত সোমাই মোৱামৰীয়া মটক পৰ্য্যায় ভুক্ত হ'ল; মোৱামৰীয়া বা মায়ামৰীয়া মটক হে, মতেক নহয়। ১৬৯১ শকত অসম ৰজাৰ বিৰুদ্ধে যি বিদ্ৰোহ তোলা হয়, সেই বিদ্ৰোহ অকল পুৰণি পমীয়া মায়ামৰীয়া মতেকসকলৰ দ্বাৰায়েই হোৱা নাছিল; পোন প্ৰথমেই হৈছিল ৰজাঘৰীয়া অপমানৰ প্ৰতিশোধ ল'বলৈ যোৱা মায়ামৰীয়া সেৱক আৰু "মতেকৰ" তেল সনা স্বাধিকাৰ প্ৰমত্ত মটকসকলৰ দ্বাৰা হে।

সেই বিদ্ৰোহত ৰাধা ৰুক্মিণীৰ নিচিনা বীৰাঙ্গনাসকলে দেখুউৱা ৰণুৱা তেজ আৰু অলৌকিক শক্তিয়েই অতীতৰ "মটক" শব্দ যে বীৰত্বব্যঞ্জক সেই কথা প্ৰতিপন্ন কৰিলে। শত্ৰুপক্ষই তাক তাচ্ছিল্য বা ইতিকিং কৰি ব্যৱহাৰ কৰা একো আচৰিত নহয়। সেই তাচ্ছিল্য বা ঘৃণা ভাব দেখুৱা মানে ওপৰলৈ থু পেলাই নিজৰ গাতে পেলোৱাৰ নিচিনা। কাৰণ, এই মটক বিদ্ৰোহত অকল মৰাণেই নাছিল, মায়ামৰীয়া গোসাঁইৰ আহোম-বামুণ-কোঁচ-কলিতা-বণিয়া-কৈৱৰ্ত্ত সকলো জাতকুলৰ মানুহেই লিপ্ত আছিল।

তুঙ্গখুঙীয়া ফৈদৰ ৰজাত বাদে ৰজাঘৰীয়া বৈ-বজহৰ সৰহ ভাগকে নিওচি টাই আহোম বুলিলে, অসমৰ সাত শ বছৰীয়া স্বাধীনতা বুৰঞ্জী সৃষ্টি কৰোঁতাসকলৰ ভিতৰত এচাম মানুহৰ গৌৰৱ ছাট পৰি যায়। সেই কথা বহলাই ক'বৰ প্ৰয়োজন নাই। সৌমাৰ বিজয়ী চুকাফা স্বৰ্গদেৱৰ দলে বলে কেনেকৈ সবল আৰু ৰোমোৰ

পোদোৰ কৰা হ'ল তাক সকলোৱে জানে। তথাপি, অসমীয়া জাতি গঠন কৰাত টাই অ'হোমসকলৰ প্ৰতি এই চাম মানুহে যি অৱিহণা দিলে তাৰ কিঞ্চিৎ আভাস অসম বুৰঞ্জীৰ পৰা পঢ়ি শুনাওঁ ঃ—

সৌমাৰত সোমায়েই চুকাফা স্বৰ্গদেৱে শিমলুগুৰিৰ পৰা উজাই ৪০০০ চাৰি হেজাৰমান মৰাণ বৰাহী মানুহ থকা বুজ পায়। "পাচে ৰাজায়ে মানুহ পঠাই বোলে, আমিয়েবে দেখোদেখি হওঁ, আহোক। আমি উজনি ৰাজ্যৰপৰা আহিছোঁ, সিবোৰ হৈছে স্থান গিৰি; আমি আলহী, আমাক গাঁও ভূই পৰিচয় কৰাব লাগে।" এই বুলি ১১৯৭ শকত, বৰাহি মৰাণৰ সেনাপতি থাকুমথামাক মন্ত্ৰণা দ্বাৰা বশ কৰি তেওঁৰ চাৰিটি কন্যা বিবাহ কৰালে।" তিপামত থাকোতে, মৰাণৰ মানুহ এঘৰি পাই যঠী ডুবাই আনিলে, তাৰ নাম দিলে খিং খিং। তাৰ পুতেকে বেঁজীৰ কাণত বেতসুত সুমুৱাই কুনথা সিলে, তাৰ নাম থলে খিমৰত। আৰু এঘৰ লেখত লবলগীয়া মৰাণ মানুহ চুকাফা মহাৰজাই তিপামৰ পৰা আনি জাতত তুলি লৈছিল। সেই মৰাণ জনে নগাৰ যুদ্ধত নগাক আগ ভেটি ধৰিছিল আৰু দেখিবলৈও থোপোকা ধুনীয়া বেঙেনাটো যেন আছিল। সেই দেখি চুকাফাই "আ-সম" মাতেৰে তেওঁক লান্‌মাখ্ৰু নাম দি বৰুহৰ বুলি তুলি ললে। লান্‌ মানে ধুনীয়া, মাখ্ৰু মানে বেঙেনা; এওঁৰ বংশই ভৱিষ্যতত অসম বুৰঞ্জীৰ গলগন্তা ধাৰত কেনেকুৱাকৈ বাখৰ খাজিলে, ক'বৰ সকাম নাই, সকলোৰেই বিদিত।

'অধিকন্তু ন দোষায়' বুলি আৰু এফাঁকি কথা ইয়াতে যোৰা দিওঁ। সেই ফাঁকি হৈছে "অ'হোম পুথি পঢ়িব আৰু তাৰ অৰ্থ ক'ব পৰা চিৰিং ফুকনৰ পৰা শুনি" তাহানিয়েই "বিজুলী" কাকতত "আহোম বংশৰ উৎপত্তি" বুলি লক্ষ্মীকান্ত গগৈ নামেৰে এজন লোকে লেখা। তেওঁ লেখিছিল ঃ

"ইন্দ্ৰৰ শাপৰপৰা মুক্ত হোৱা দেৱতাসকলে ৰাজ্য পাতি থৈ যোৱাৰ পিচত ইন্দ্ৰবংশী ৰজা, সূৰ্য্যবংশী বুঢ়াগোহাঁই, চন্দ্ৰবংশী বৰগোহাঞি, কুবেৰৰ সন্তান মৰাণৰ ঘৰ, বৃহস্পতি বংশৰ পণ্ডিত ও পূজাৰী; পূৰ্বে মৰাণৰ ঘৰত জন্ম হোৱাত কুবেৰে ঐশ্বৰ্য্য সহিত সোণৰ দঁতাল হাতী দিছিল। এই কুবেৰৰ অংশ মৰাণৰ ঘৰক মৰাণৰ বৰুৱা বোলে ও মটকো বোলে। পূৰ্বে চুচেংফা বুদ্ধিস্বৰ্গনাৰায়ণ ও প্ৰতাপ-

সিংহ স্বৰ্গদেৱৰ দিনত মৰাণ লাকুক ৰাজমন্ত্ৰী পঠাই বৰপাত্ৰ কৰিছিল আৰু পূৰ্বে চুকাফা স্বৰ্গদেৱৰ দিনত বুঢ়াগোহাঞে মৰাণৰ জীয়ৰী বিয়া কৰাত সেই জীয়ৰীৰ ল'ৰাই পুনৰ বুঢ়াগোহাঞি হৈছিল। সেই গোহাঞিৰ মাকৰ পৰিয়ালকে মৰাণৰ বৰুৱাৰ ঘৰ বোলে।" মৰাণ যে চুতীয়া ইয়াত উল্লেখ কৰা কুবেৰৰ অংশ "বোলাটোৱেই জলজল গটপটকৈ দেখুৱাই দিয়ে। ভালকৈ ফঁহিয়াই চালে যিখন যুদ্ধক আমি মটক বিদ্ৰোহ বা "মোৱামৰীয়া বিদ্ৰোহ" বোলো সেইখন আচলতে তেজেমঙহে লগা অঙহী-বঙহী, মোমাই-ভাগিন-জাতি-কুটুম্বৰ কাজিয়া। গতিকে গৃহকন্দল। সেয়ে ফিৰিঙতিৰপৰা খাণ্ডৱ-দাহ হৈ উঠিল। কোনোৰ মতে সেই যুদ্ধত সাতলাখ, কোনোৰ মতে তিনিলাখ মানুহ মৰিল; উজনি অসম মৰিশালিত পৰিণত হ'ল।

অসমীয়া জাতিৰ এনেকুৱা মাৰাত্মক ভাগ্যবিপৰ্য্যয় কেৱল "মটকৰ দৌৰাত্ম্য" বা "মোৱামৰীয়া বিদ্ৰোহৰ" পৰাই হ'ল বুলি বুৰঞ্জীত লিপিবদ্ধ কৰাটো কেতিয়াও সুচিন্তিত সত্য সিদ্ধান্ত হ'ব নোৱাৰে। কাৰণ, এখন তাল কেতিয়াও অকলে নেবাজে। স্বৰ্গদেৱৰ ৰাইজৰ লগত মটক ৰাইজৰ যিখন বিবাদ হৈছিল সেই বিবাদ বা যুদ্ধৰ বুৰঞ্জীখন অপোনাসকলে পুংখানুপুংখকৈ প্ৰণয়ন কৰিব বুলি আশা কৰিলোঁ।

সি যি কি নহওক, সেই বিবাদৰ এটি চুম্বক বিবৰণ দিলেহে আমি সৰ্বানন্দ বুৰুক চুতীয়া মটকৰ বৰসেনাপতি বা সৰ্বানন্দ সিংহ নৰেন্দ্ৰই কেনেকৈ মটক ৰাজ্যৰ বাঘজৰী ডাল ধৰিলে তাত ওলামগৈ।

ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱৰ মৃত্যুৰ পাচত কীৰ্তিচন্দ্ৰ বৰবৰুৱা হৈ ৰজাৰ পুতেকহঁতৰ অঙ্গক্ষত কৰি নাইবা নামৰাপলৈ মেলি সিবিলাকক ৰজা হোৱাৰপৰা বঞ্চিত কৰিলে। গাৰ অলঙ্কাৰপাতি থহাই, স্বৰ্গদেৱৰ ২৪ গৰাকী কুঁৱৰীৰ নাৱত ভৰাই বৰকলালৈ পঠিয়ালে। নাও চলাই নিছিল মায়ামৰীয়া গোসাঁইৰ শিষ্য নাওবৈচাইঁতে। গোসাঁইৰ ঘাটিতে নাও ৰখাই দুদিন থাকিলে। কুঁৱৰীসকলৰ দুখ দেখিব নোৱাৰি গোসাঞে সকলোকে নতুন কাপোৰ কানি এসোঁজুলিহঁত দি নিজৰ মানুহ দি বৰকলালৈ উজুৱাই পঠিয়ালে। তাতে বৰবৰুৱাৰ বৰ খং উঠি বৌতি কুটাই দিলে বোলে, মোৱামৰীয়া মহন্তৰ কু-অভিপ্ৰায় আছিল; নহ'লে দুদিনকৈ শোকসন্তপ্তা কুঁৱৰীসকলক সন্নত কিয় ৰাখিব? সেই

বুলি, মিছা খং তুলি ৰজালৈ পঠোৱা মহন্তৰ নিৰ্মালি ওলোটাই পঠি-য়ালে। মহন্তৰ নিমিত্তে এনে অপমান অসহনীয় হৈ উঠিল। তাৰে চিন দেখুৱালে কীৰ্তিচন্দ্ৰ বৰবৰুৱা এদিন সন্নালে যাওঁতে গোসাঁয়ে অৱজ্ঞাৰ চকুৰে চাই।

আগৰ দিনীয়া নিয়মমতে মটক মৰাণবিলাকে স্বৰ্গদেৱক খাজনা দিব নেলাগিছিল; তাৰ সলনি নিতৌ লাগি থকা সকলো বস্তুকে যোগাৰ লাগিছিল। হাতী চুঙীয়াই হাতী, ৰংযোগনীয়াই ৰং, চাৰি বোৱাই চাৰি, মৌযোগনীয়াই মৌ—এইদৰে ভাগে ভাগে বস্তুযোগনীয়াই ৰজাঘৰত

বস্তু যোগাই আছিল। এনেতে "দৈৱযোগে অকাৰ্য্যৰ ওচৰ চাপিল।"

"মোৱামৰাৰ শিষ্য হাতীচুঙি মৰাণহঁতে প্ৰতিবৰ্ষে ৰজাক প্ৰশস্ত প্ৰশস্ত হাতী শোধাব পায়। তাৰে ৰাঘ নামে একজন নেওগ, খোৰা নামে একজন শইকীয়া, এই দুয়ো অনেক হাতীচুঙী সহিত পহিলা আহিনে হাতী শোধাবৰ কাৰণ অনেক প্ৰশস্ত হাতী আনি বৰচৌৰাৰ খোলাতে হাজিৰ কৰিলে। আগৰ হাতীত কৰিও বৰবৰুৱাৰ খং বুজি অতি বিচক্ষণ বিচক্ষণ হাতী আনিছিলে তাতে হাতী চাই চাই বৰবৰুৱা কিছু ছিদ্ৰ নাপাই অনেক বেলি আলচি আছিল। প্ৰধান হস্তীটি ৭ হাত ১ বেগেত আছিল। তাৰে দন্ত আহোনীয়া। তাতে মিছা ছিদ্ৰ উলিয়াই বোলে হাতী ক্ৰমে বেয়া কুলক্ষণবোৰহে আনিবলৈ ধৰিছে। বৰ হাতীটোৰ নখো কুৰিটা আছে, আন লক্ষণো অলপ অলপ দেখি। তথাপি দক্ষিণ ফালৰ দাঁতটো চাপৰ দেখি। সকলো সভাৰ লোকে চক। এই বোলাত সভাৰ কটকী কাকতীয়ে চাই মিছা বুলি কিঞ্চিতো নুবুলিলে। (কেৱল) মেলৰ হাঁহচোৱা বৰা দেও-ধাই এটাই হয় বুলিলে। তাতে বৰবৰুৱাই উৰহৰ খং ভগা চাৰিত মৰা দি, গোসাঁইৰ ওপৰত অপমানৰ হোৰ তুলিব নোৱাৰি ৰাঘৰ ওপৰতে তুলিলে; কুলক্ষণীয়া হাতী কিয় দিহ বুলি ৰাঘক ২০ চমটাৰ কোব মাৰিব দিলে। পাচে বা-বাঁহ দি অনেকে গচকি ধৰি চমটা একুৰি মৰালে। চমটা খাই ৰাঘই শৰণ দিলে, বোলে এই দেশ অশোধ-পুৰী হ'ল। চন্দ্ৰ, সূৰ্য্য, বায়ু, বৰুণ সাক্ষী, ধৰ্ম সাক্ষী। নগৰৰ লোকৰ কাৰো চক্ষু নাই। একে জনৰ হে চকু। এই অধৰ্মৰ ফল পাব।

তাৰ অলপ দিনৰ পিচতেই, মটকৰ প্ৰজাসমূহ স্বৰ্গদেৱৰ বিৰুদ্ধে হুই মাৰি আহিলেই। যুদ্ধত জয়ী হৈ, ১৬৯১-৯২ শকত লক্ষ্মীসিংহ স্বৰ্গদেৱক জয়সাগৰৰ পাৰৰ বৰদৌলতে ৰোজবাজ দি বন্দীকৈ ৰাখিলে। স্বৰ্গদেৱক শুশ্ৰূষা কৰিবলৈ লগুৱা, পূজা সেৱা কৰি নিৰ্মালি প্ৰসাদ দিবলৈ বামুণ আৰু লেখাপঢ়া, বুদ্ধিভাৰসা দিবলৈ কলিতা আৰু বাইলুং ডেকাক লগত দিলে। নাহৰ খোৱাৰ পুতেক ৰমাকান্তক পৰমানন্দ নাম দি ৰংপুৰত ৰজা পতা হ'ল। মদন চলিহা কাকতীৰ বুদ্ধি মতে ৰমাকান্তই ৯ চুকীয়াকৈ মোহৰো মৰাইছিল হেনো। ৰাঘ নেওগ বৰবৰুৱা হ'ল। তেওঁৱেই ৰাজ্যৰ সৰ্বেসৰ্বা। তেওঁ কীৰ্তিচন্দ্ৰৰ ঘৰ দখল কৰি তাতে থাকিবলৈ ল'লে। ১৬৯২ শকৰ বহাগ বিহুৰ দিনা সৰলতাৰ সুযোগ লৈ ৰাঘ বৰবৰুৱাক হত্যা কৰোৱা হ'ল।

ভাগ্যক্ৰমত লক্ষ্মীসিংহই আকৌ ৰাজপাট পালে যদিও মৰাণৰ যি আক্ৰোশ আক্ৰোশেই থাকি গ'ল। গৌৰীনাথ সিংহৰ দিনত সেয়ে খাণ্ডৱদাহত পৰিণত হ'লগৈ। ১৭০৮ শতক ৰজা পলাই গুৱাহাটী পালেগৈ। ইফালে মোৱামৰীয়াসকলৰ ভিতৰতে দন্দ্ লাগি দুদল হ'ল। ইজনে বোলে মই ৰজা হওঁ, সিজনে বোলে মই ৰজা হওঁ। তথাপি ১৭১৩ শকৰ ফাগুন মাহত ভগদত্তৰ বংশ বুলি আঠচুকীয়া মোহৰ মাৰি ভৰথ বা ভৰত সিংহ ৰজা হৈ বহিল, বৰবৰুৱা হ'ল বটু দ্বিজ, বৰপাত্ৰ পদ্মপাণি আৰু "পীতাম্বৰ মহাজন" ঘাই পৰামৰ্শদাতা। তাতী বৰাই নাৰায়ণপুৰৰ ওচৰৰ জাপৰি ভিটাত পাট বহুৱাই ডফলা পৰ্বতৰ পয়ৰাৰ পৰা লোহিতলৈকে থকা দেশ ভুখৰিৰ নায়ক হ'ল। হাওহা বৰাই মাজুলীখন ল'লে। খামতিবিলাকো সদিয়াৰ অধিপতি হ'ল। নগাঁওত মটকৰে সিন্ধুৰা হাজৰীকাই ৰজাক খেদি "ৰজা-খেদা নগঞা" নাম পালে।

সৰ্বানন্দ সিংহ বৰসেনাপতি

এই এটাইবিলাকৰ পূৰ্বেই ১৭০৯ শকত বুৰুক চুতীয়াৰ মেজেৰা বা সৰ্বানন্দক মৰাণ মটক বিলাকে চাংমাই পথাৰত বেংমৰা নামে নগৰ কৰি ৰজা পাতিলে আৰু গোধাক বৰবৰুৱা ল'লে। "উজনিৰ সকলোখিনি মৰাণ গোট খাই বেঙমৰাত পুখুৰী খান্দি নগৰ কৰিলে।

১৭১৩ শকত শ্ৰীশ্ৰীসৰ্বানন্দসিংহ নৰেন্দ্ৰস্য" বুলি অষ্টকোণীয়া মোহৰ মৰাই স্বৰ্গদেৱৰ দৰে উজনিৰ আশীহেজাৰ পুৰা জোৰা বিস্তীৰ্ণ মৰাণ দেশখন শাসন কৰিবলৈ লাগিল।

গোধা বৰবৰুৱাই হাঁহচৰাত নগৰ নিচিনাকৈ গড় বন্ধাই তাতে থাকিবলৈ ল'লে। তাৰপৰাই তেওঁ সৰ্বানন্দৰ হৈ লেজেইৰপৰা উজনি দেশ খনিত ৰাজত্ব কৰিবলৈ ধৰিলে। তেৱেঁই ন-আলি হাতী আলি ইয়াকো বন্ধালে। মৃত্যুৰ আগতে তেওঁ নগা চাঙলৈ গৈছিল; তাতে চালিকৈ যি ঠাইত আছিল তাকে আজিও বৰুৱাচালি বোলে।

"মান আহিবৰ সময়ত মৰাণ মানুহখিনি ডিবৰু নৈৰ উজনি-নামনি জুৰি আছিল। সৰ্বানন্দ মানৰ বৰ মিত্ৰ আছিল; মানে স্বৰ্গ দেৱৰ ৰাজ্য চাৰখাৰ কৰিলে; কিন্তু সৰ্বানন্দৰ ৰাজ্যত একো দৌৰাত্ম্য নকৰিলে। তেওঁ মানৰ মিত্ৰ আছিল আৰু সেই মিত্ৰতাৰ চিন স্বৰূপে ৰাজ ভৰালৰ টকাৰে কামিনী ফুকন বোলা ফুংজি এজনক ভৰণ পোষণ দি ৰাখিছিল। এৱেঁই বৰ্মা ৰজাৰ উকীল স্বৰূপে বেংমৰা নগৰত বাস কৰি আছিল। বিহ্না গামে বৰসেনাপতিৰ দেশৰপৰা মানুহ ধৰি নিবলৈ বৰ যত্ন কৰিছিল। নোৱাৰিলে।

"মটকক ভাঙিবৰ জন্যে অনেকবাৰ বহু বহু চিংফৌ অহাত বৰ-সেনাপতিয়ে কিছু মানুহ গোটাই লৈ সেই মানুহে সহিতে ৰণ কৰি চিংফৌক খেদাই মটক দেশ ৰক্ষা কৰিলে। " চিংফৌ বা মানৰ তলত থকাতকৈ বৰ সেনাপতিৰ তলত থকাই ভাল বুলি বহুত প্ৰজাই বৰ সেনাপতিৰ ৰাজ্যতে আশ্ৰয় লৈ আছিল।

"মৰাণৰ আচল থকা ঠাই হ'ল ডাঙৰী আৰু ডিবুৰু নৈ-পাৰৰ ঠাইখিনি। ডিবুৰুৰ দক্ষিণ পাৰেও সিবিলাকৰ বসতি আছে। ডাঙৰী ডিবুৰু লগ লগাই ঠাইতে দুই সুঁতিৰ মুখ, তাতে পানীচকী বুলি এখন চকী আছে। মৰাণ থকা ঠাই বা গাৱঁৰ নামঃ—বৰ চকৰী, সৰুচকৰী (আজি কালি য'ত চকৰীটিং বাগিছা), কাহজান, হোলোঙাগুৰি, গুইজান, দিহামুলি, ভাটজান, জিপনীগঞ্জা, মাজুগঞ্জা, বিহাখপা (বিহাখপী বাগিছা)।

কাপ্টান এচ ৰ্জ হেনে চাহাবে ১৮৩৮ চনত লেখা ৰাৰচেৰেক কথা তুলি দিলোঁ ঃ—

"বৰসেনাপতি মোৰামৰা জাতিটোৰ ৰজা। মোৰামৰীয়া এটা জাতি বা উপজাতি হ'ব নোৱাৰে। মোৰামৰীয়া হৈছে সকলো অসমীয়া জাতকুলৰে গঠিত সুকীয়া ধৰ্মমত এটিৰ সম্প্ৰদায়; মোৰামৰীয়াৰ ভিতৰত সকলো জাতৰ মানুহ আছে। তেওঁবিলাক জনাজাত হ'বৰ এপুৰুষেই হোৱা নাই। বৰ সেনাপতিক উপজাতি এটাৰ মুখীয়াল বুলি কোৱা হয় আৰু কোৱা হয় যে তেওঁ অসম ৰজাৰ কৰতলীয়া। এই দুয়োটা কথা মিছা।"

"বৰসেনাপতি জাতত বুৰুক চুতীয়া—পূৰ্বে সদিয়াৰপৰা অহা।"

সৰ্বানন্দ সিংহৰ অদ্ভুত ক্ষমতা আৰু দাঁতিকাষৰীয়া মানুহৰ ওপৰত অশেষ প্ৰতিপত্তি দেখি (যেইট চাহাবে কোৱামতে) পূৰ্ণানন্দ বুঢ়াগোহাঞি তেওঁক বৰসেনাপতি খাব দি সেনাপতিক মিত্ৰ ভাৱে কৰতলীয়াকৈ ৰাখিছিল।

১৭২৭ শকত কাপ্তান ৱেলচে দি থৈ যোৱা অস্ত্ৰশস্ত্ৰেৰে স্বৰ্গদেৱৰ মানুহে সৰ্বানন্দৰ ৰাজ্য আক্ৰমণ কৰে। বৰসেনাপতিয়ে তেওঁৰ লগৰ গহ বড়ুৱা নামে এজনক ঘোঁৰা উঠা অপৰাধে ধৰি মাৰি কিলাই বন্দী কৰি থোৱাত তেওঁ পলাই গৈ বিদ্ৰোহী হৈ খামতিত সোমায় আৰু তাৰপৰা কিছু সেনা আনি বেঙ্গমৰা নগৰখন জুই লগাই পুৰি পেলালে।" সৰ্বানন্দ আপোন পুত্ৰ মাতিবৰে সৈতে জাপৰি ভেটিলৈ গুচি যায়।

তাতে শত্ৰুৱে পাই সৰ্বানন্দ সিংহক বহুত দুৰ্গতি কৰি ফুৰিব চাকিব নোৱৰা কৰাত মাতিবৰে সৈতে পুনৰ বেঙ্গমৰা সোমায়হি।

সৰ্বানন্দ সিংহৰ, ৰাজ্যভোগ কাল চুটি হ'লেও তেওঁৰ সাহ পিত আৰু বুদ্ধি চাতুৰ্য্যাই মটকৰ নিমিত্তে অসমৰ মানচিত্ৰত এডুখৰি আচুতীয়া ঠাই সীমা বান্ধি থৈ গ'ল।

সৰ্বানন্দৰ পুতেক মাতিবৰ।

ইংৰাজে মানৰ দৌৰাত্ম্যৰপৰা অসম দেশখন উদ্ধাৰ কৰাৰ পাচত ইং ১৮২৬ চনত (১৭৪৮ শকত) মাতিবৰক ৩০০ চিপাহী ৰাখি মটক ৰাজ্যত বৰসেনাপতি পাতি থয়। ৰঙাগৰাতো তেওঁ এখন নগৰ পাতে। কোনো কোনোৱে তেওঁক ৰ্‌চিছ বিৰেৰী বোলাত কাপ্টান হোৱাইট চাহাবে লিখিছিল,

"অৰ্দ্ধ শতাব্দীকাল স্বাধীন হৈ থকা বৰসেনাপতিজন ৰজোৰে প্ৰবেশ কৰা মানুহলৈ শত্ৰু বা বিদ্বেষ ভাব হোৱা স্বাভাৱিক।

কোম্পানীৰ ইংৰাজ কৰ্মচাৰীবিলাকক তেওঁ ভাল মুখেৰে নেমাতে আৰু বৰ বেয়া ব্যৱহাৰ কৰে বুলি তেওঁৰ বিৰুদ্ধে যিবোৰ অভিযোগ তোলা হয়, সেইবোৰ সঁচা হোৱাটো একো অস্বাভাবিক নহয়।"

কিন্তু তেওঁক যদি খামতি চিংফৌৰ দাঁতিতে স্বাধীন ৰাজ্য এডোখৰৰ ৰজা হ'বলৈ দিয়া হয় তেন্তে তেওঁ কাহানিবা ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে থিয় হ'ব পাৰে। তদুপৰি মটক ৰাজ্যখন এনে সাৰুৱা আৰু গছে গছনিয়ে ভৰপূৰ যে তাত চাহ খেতি কৰিব পাৰিলে বৃটিছ জাতিৰ ৰাজ ভঁড়ালটো ওফন্দি পৰিব। আন কাৰণ থাকিলেও, আশঙ্কা আৰু আশা—এই দুটো কাৰণে মাতিবৰক ভাঙিব লাগে বুলি ১৮৩৮ চনত জেনকিন্স চাহাবে কোম্পানীৰ উচ্চ কৰ্তৃপক্ষলৈ প্ৰস্তাব পঠিয়ালে। মাতিবৰৰ পুতেক আছিল দহ জন—ভোগবৰ, ভগীৰথ, সুৰথ, পেলন, পিৰিকা, জাইবৰ, সোমবৰ, দশৰথ আৰু খুদ গোহাঁই। এই কেইজনৰ ভিতৰত কাজিয়া লগাই বান্দৰে পিঠা জুখি খোৱাদৰে মটক দেশখন কেনেকৈ গ্ৰাস কৰিব পাৰি তালৈকে চান্দি আছিল। ইপিনে, মাতিবৰো আলৰ বুঢ়া হৈ আহিল—একাঙ্গী ৰোগত পৰি কাহানিবাই আয়ুসৰ অন্ত পেলায় ঠিক নাই। মাতিবৰ পুতেক ভগীৰথ বা মাজু গোহাঁয়েই আছিল ই কেউজনতকৈ চতুৰ। কিন্তু তেওঁ ভক্তানন্দ ,গোসাঁইৰ অনুগত শিষ্য; টিফুক গোসাঁইৰ মৰাণ শিষ্যবিলাকে এওঁক ভাল নেপায়—এনেকুৱাবোৰ আঁহফলা কথাকে হোৱাইট চাহাবে ওপৰৱালালৈ লেখি অতি সোনকালে মাতিবৰৰ হাতৰপৰা দেশখন একেবাৰেই খাচ দখললৈ আনিব লাগে বুলি পৰামৰ্শ দিলে। জেনকিন্স চাহাব তেতিয়া গৱৰ্ণৰ জেনেৰেলৰ এজেণ্ট আছিল—তেওঁ এই কথা সমৰ্থন নকৰি হোৱাইটক সোঁৰবাই দিলে—আগেয়েনো মাতিবৰক দুইজন গোসাঁয়ে কেনেকৈ তেওঁবিলাকৰ বৰসেনাপতি পাতিছিল।

ইতিমধ্যে, ১৭৬০ শকত (১৮৩৯ চনৰ ২ জানুৱাৰী তাৰিখে মাতিবৰ বৰসেনাপতিৰ মৃত্যু হ'ল। উত্তৰাধিকাৰী থাকিল বিধৱা ঘৈণীয়েক, বৰগোহাঁই ভোগবৰ, মাজুগোহাঁই ভগীৰথ, খুদ গোহাঁই আৰু কাপ্তান গোহাঁই সোমবৰ।

বৃটিছ গৱৰ্ণমেণ্টৰ হৈ জেনকিন্স চাহাবৰ এইকেইটা পৰামৰ্শ

আগবঢ়োৱা হ'ল; আৰু কোৱা হ'ল, যদি এইকিটা সৰ্তত মাতিবৰৰ পুতেকহঁত মান্তি হয়, তেন্তে মটক ৰাজ্য অৰ্পণ কৰা হ'ব।

সৰ্তাৱলী

(১) পূৰ্বে মাতিবৰে শাসন কৰা দৰেই পুতেক মাজু গোহাঞে দেশ শাসন কৰিব পাৰিব।

(২) ৰায়ত পাইকবিলাকৰ পৰা যি টকা বা কামৰ বেচ পোৱা হয়, সেই সকলো টকা কোম্পানী চৰকাৰক দিব লাগিব।

(৩) পাইক আৰু ৰায়তৰ কামকৰা বেচ গোটেই অসমতে যেনে তেনে ভাবেই থাকিব। তাত বৰসেনাপতিয়ে হস্তক্ষেপ কৰিব নোৱাৰে।

(৪) হাবিয়নি ঠাইবোৰ চৰ্কাৰী হ'ব অৰ্থাৎ চৰকাৰে নিযুক্ত কৰা চাহাব কৰ্মচাৰীৰ জিম্মাত থাকিব। মটকৰ দেশত পতা চাহবাৰীৰ মাটিত বৰসেনাপতিৰ একো অধিকাৰ নেথাকিব।

(৫) মটকৰ উজনিখণ্ড উল্লিখিত সৰ্তৰ ভিতৰত নপৰে। অৰ্থাৎ টিপুক গোসাঁইৰ শিষ্য থকা উজান নখন খোলাৰ পৰা বৰসেনাপতিৰ অধিকাৰ একেবাৰে দিয়া হৈছে।

নিৰ্বন্ধত ভগীৰথ বৰসেনাপতিৰ কি মত সুধি পঠিওৱা হ'ল। আৰু কোৱা হ'ল যে এই সৰ্তবিলাক মানি ললেই বৰসেনাপতিক মটকৰ ভোগ-দখল দিয়া হ'ব।

কিন্তু তাত বৰসেনাপতিৰ খাজনাতোলা ক্ষমতাটো সঙ্কোচ কৰি অনা হৈছে; পিতৃদেৱতাক মাতিবৰৰ দিনত হাবি হৈ থকা মাটিৰ ওপৰত সম্পূৰ্ণ স্বত্ব আছিল, এতিয়া সেই স্বত্ব একেবাৰে বৃটিছ গৱৰ্ণ-মেন্টৰ খাচ দখললৈ আনিবলৈ অভিসন্ধি পতা হৈছে। পূৰ্বে যি ৰূপে মটকৰ ভিতৰত সংহতি ৰক্ষা কৰা হৈছিল, এতিয়া তেনে সংহতি ৰক্ষা কৰাৰ মূৰমৰা হৈছে। আটাইতকৈ ডাঙৰ কথা হ'ল, উজনি ভাটীৰ মৰাণ মটকক যে দুফাল কৰা হ'ল। এইবোৰ সাতেসোতৰে ভাবিচিন্তি ভগীৰথ মাজু গোহাঁয়ে দহ হেজাৰ টকাৰ পেঞ্চনটি যি গ্ৰহণ নকৰিলেই নে সৰ্তবিলাকো মানি নললে।

পলিটিকেল এজেণ্ট ভেট্চে দেখিলে দেখোন কথা বিষম।

শনৈঃ শনৈঃ মটক ৰাজ্য বৃটিছৰ অন্তৰ্গত কৰা অভিপ্ৰায়টো ব্যৰ্থ হোৱা যেন দেখি ভেট্‌চ চাহাবে সসৈন্যে মটক ৰাজ্যত প্ৰৱেশ কৰিলেহি। ৰণুৱা চিপাহীৰ এটা ফৌজ ডিবুৰুমুখলৈ পঠিয়ালে আৰু এটা পঠিয়ালে টিপুকলৈ। হেনে চাহাব থাকিল চিংফৌ দুৱাৰত—সন্দেহ, জানোচা মটকে চিংফৌৰ লগ লাগি বিদ্ৰোহকে তোলে। ১৮৩৯ চনৰ ১২ নৱেম্বৰ তাৰিখে লগত ৩০০ ৰণুৱা চিপাহী লৈ কেপ্টেইন ভেট্‌চ চাহাব ভগীৰথ বৰসেনাপতি থকা ৰঙাগৰা নগৰ সোমালেহিয়েই।

মাজু গোহাঁই বৰ সেনাপতিৰ ঘৰত গোহাঁই খেলুৱা মেলুৱা ৰাইজ সকলোটি গোটখাই চৰ্কাৰে আগবঢ়োৱা সৰ্ত দুটাৰ বাহিৰে সকলো গ্ৰহণ কৰাৰ সিদ্ধান্ত হ'ল। সেই দুটা হৈছে—টিপুক আৰু ৰঙাগড়াক ফালিব নোৱাৰে। একে মৰাণ দেশখন বা একে মটক দেশখন কেতিয়াও দুই খণ্ড কৰিব নোৱাৰে। আৰু চাহবাৰীৰপৰা বৰসেনাপতিৰ স্বত্ব এৰুৱাব নোৱাৰে। সৰ্বসম্মতিক্ৰমে এই সিদ্ধান্তত গৃহীত হোৱাত ভেট্‌চ চাহাবে সমস্ত মটক দেশখনি ইষ্ট ইণ্ডিয়া কোম্পানী বাহাদুৰৰ ৰাজ্য বুলি ঘোষণা কৰি দিলে। ১৮৩৯ চনৰ ২৪ ডিচেম্বৰত এই দৰেই বৃটিছে বলপূৰ্বক ভগীৰথ মাজিউগোহাঁইক বৰসেনাপতি ভাঙি মটক দেশখনি কোম্পানী বাহাদুৰৰ ৰাজ্যত চামিল কৰে। ক'ৰবাত ৰাইজে বিদ্ৰোহ কৰেবুলি ৰঙাগৰাকে সদৰ ঠাই পাতি মেন্‌ৱাৰ চাহাবক ৩০০ চিপাহীৰে সৈতে অধিকাৰ পাতি থলে। তেতিয়াই সেইখনি মটকৰ সীমা কৰিলে, "পূবে কুজুপাৰাৰ্ গড়, পশ্চিমে দক্ষিণে দিহিং নদী, উত্তৰে ডাউৰি ডিবুৰু নদী।"

১৮৪১ চনত বৃটিছ খেদা যুদ্ধৰ আয়োজন এটা হ'ল। চৈখোৱা, কুজু, নিংৰু আৰু তেজুৰপৰা চিংফৌ খামতি নগাবিলাকে ইংৰাজৰ থানা ভাঙিবলৈ আগ বাঢ়ি আহিল। মটকৰ মাজু গোহাঁই বৰসেনাপতিও আহিল ৰঙাগৰা উদ্ধাৰ কৰিবলৈ। ভায়েক কাপ্টান গোহাঁয়েসৈতে লগ লাগি, পোন প্ৰথমেই ডিবুৰুগড়ৰ কোঠ অধিকাৰ কৰিব। চিংফৌ-খামতি-নগা-দোৱনীয়া প্ৰভৃতি ওচৰচুবুৰীয়ালৈ সেৰে সেৰে কানি উপহাৰ পঠিয়াই জনোৱা হ'ল তেওঁবিলাকে যেন বৃটিছক খেদা কাৰ্য্যত সহায় কৰে।

এইবোৰ ষড়যন্ত্ৰ মুকাবলৈ নেপালে, তলে তলে চক্ৰান্তৰ ফুট পাই, গৱৰ্ণমেন্টে মাতিবৰৰ পুতেকহঁতক ধৰাই নিয়াই বিশ্বনাথত নজৰবন্দীকৈ থোৱালে।

কিন্তু কিছুদিনৰ পিচত গৱৰ্ণমেণ্টৰ নীতি অলপ লৰচৰ কৰি বৰসেনাপতিৰ পুতেকহঁতক মুকলি কৰি দিয়া হ'ল।

বৰসেনাপতিৰ পৰিয়ালৰ সংখ্যা আৰু উন্মত্ত দেশপ্ৰেমিক সকলো ইতিমধ্যে নাইকিয়া হ'ল—কোনো মৰিল, কোনো বুঢ়া হ'ল।

দয়া পৰবশ হৈ গৱৰ্ণমেণ্টে বৰসেনাপতিৰ পৰিয়ালক যথাযোগ্য পেঞ্চন বৃত্তি আৰু চৰ্কাৰী কাম কাজ দি সন্তুষ্ট কৰিবলৈ স্থিৰ কৰিলে আৰু বেঙমৰা ৰঙাগড়া প্ৰভৃতি যিবোৰত বৰসেনাপতিৰ বাসস্থান আছিল সেইবোৰ ঠাইক কৰৰপৰা নিষ্কৃতি দিয়া হ'ল অৰ্থাৎ নিষ্কৰ হ'ল। গোসাঁইসকলৰ মাটিবাৰীত জীৱিত কাললৈকে নিষ্কৰ কৰি দি পাচলৈ ক্ৰমান্বয়ে আধা আৰু পোৰা খাজনা লগোৱা স্থিৰ হ'ল।

"মটক শদিয়াৰ ৰাজসিক কামকাজ পৃথক ৰূপে এজেন্সিতে ৰাখি মুনচুফৰ দৰে সোধ-পোচ কৰাৰ নিমিত্তে মটকৰ ২ খন পঞ্চায়তক মুন্‌চুফৰ দৰমহা দি, (বিশ্বনাথৰপৰা ঘূৰি অহাৰ পাচত) ভগীৰথক সদৰামিন পাতি গোচৰ আৰু চুবিধুনি বিচাৰ চাহাবে সুধিবলৈ ললে। প্ৰথমতে বৰসেনাপতিৰ দিনৰ নিয়ম মতেই পোৱা পাইকৰ বছৰি ২ টকাৰ দৰে, খেলে, খেলে বিষয়াৰ লিকচৌ বাব আৰু পাওনাৰ বাবে যিখিনি ৰাজকৰ উঠিল তাৰে এভাগ মাতিবৰ বৰসেনাপতিৰ পুতেক, জীয়েক, স্ত্ৰী, ভাই, ভতিজা এইসকলক মানুহ বুজি বুজি মাটি আৰু এভাগি ৰূপ বাঁটি পেনচিয়ান বুলি প্ৰৱৰ্তন দি দুভাগি ৰূপ কোম্পানীৰ ঘৰলৈ থলে। এই নীতিকে ২।৩ বছৰ ৰাখি পিচত উজান ন-খন খোলাবো সেইদৰে পাইক, খাজনা, ভাটী নখন খোলাৰ মাটি পিয়ল কৰাই মৌজা পাতি বামৰ আধলি, ৰূপিতৰ এটকাৰ দৰে বছৰি ৰাজকৰ লগোৱা হ'ল।"

ভগীৰথ মাজিউ গোহাঁই বৰসেনাপতিৰ সদৰ আমিন হৈ সৰহ দিন নেথাকিল। কফাশ্ৰিত পিত হৈ খাব নোৱৰাত ১৭৬৮ শকৰ মাঘমহীয়া কৃষ্ণাষ্টমী দিনা ৰাতি ২ পৰ যাওঁতে মৃত্যু হ'ল। "২৯ ফাগুনৰ দিনা শুকুৰবাৰে ৰাতি দিনকৈ বৰসবাহ কৰিলে।"

বেংমৰা নগৰৰ অধিপতি সৰ্বানন্দ সিংহৰ পুতেক মাতিবৰ, মাতিবৰৰ পুতেক ভগীৰথ। তেওঁৰে পুতেক বিশ্বম্ভৰ, বিশ্বম্ভৰৰে পুতেক ৰাজপেঞ্চন ভোগী ৰাজকুমাৰ শ্ৰীযুত লক্ষেশ্বৰ গোহাঁই।

এখেতে মটকৰ হৈ মটকৰ ন্যায্য প্ৰাপ্য আৰু মটকৰ স্মৃতিচিন ৰক্ষা কৰা অধিকাৰৰ বাবে চৰ্কাৰৰ ঘৰত দাবী কৰি আছে। চাৰিকুৰি পাঁচ বছৰ বয়স অতিক্ৰম কৰিছে যদিও, এখেতৰ গাত এতিয়াও সেই বৰসেনাপতিৰ ৰক্তবীজ পূৰ্ণ মাত্ৰায় সঞ্চালিত হৈয়ে আছে।

সৰ্বানন্দ বৰসেনাপতিৰ যিজন গোধা বৰবৰুৱা আৰু যিজনে ৰঙাগড়া নগৰ পাতিছিল আৰু যি গোধা বৰবৰুৱাই ৰঙাগড়া নগৰ কৰিলে আৰু যাৰ অফুৰন্ত উদ্যোগৰ ফলত ৰাজ্যখন সমৃদ্ধিশালী হ'ল, তেওঁৰে পৰিণাতি, শ্ৰীযুত মনেশ্বৰ বৰবৰুৱাই এতিয়াও মটক জাতিক সঞ্জীবিত কৰা কামত হাতীপুঁৰ দি লাগি আছে।

ইমান বেলি বুৰঞ্জীৰ নীৰস কথা শুনাই আপোনাসকলক বৰ আমনি দিলো। কৰিম কি, উপায় নাই। আমি ঔতততলৈ নেচালে যে আনৰ আগত মূৰ দাঙিব নোৱাৰোঁ! মৰা জাতি এটাক জীয়াবলৈ হ'লে, বুৰঞ্জীয়ে হে ধুমকলা কাণৰো কণামাকৰি সকৰাব। অতবেলি যে গালোঁ বালোঁ, আপোনাসকলে কি পালে? পালে ঃ---

(১) মটকসকল অতি পুৰণি; শ্ৰীকৃষ্ণই ৰুক্মিণী সুন্দৰীক বিবাহ কৰোৱা সময়ৰে বা আগৰে।

(২) মটক মানে বলী, দৃঢ়সঙ্কল্পী আৰু স্বদেশ স্বধৰ্ম ৰক্ষা কৰোঁতা। এওঁবিলাক কেতিয়াও মুলুং নহয় অৰ্থাৎ লোকৰ ভৰিত লেউসেউ হৈ পৰি কাবৌ কৰি থকা নহয়।

(৩) কালৰ সোঁতত মটক মানুহ থকা অঞ্চলটোৱেই মৰাণ হ'লগৈ।

(৪) শকাব্দৰ অষ্টাদশ শতিকাৰ মাজ ভাগত মটকৰ লগতে "মতেক" ধৰ্মমতটোও কঁঠাল এঠাৰ দৰে এঠা লাগি পৰিলহি।

(৫) যি ধৰ্মই সকলো জাতি সকলো সম্প্ৰদায়কে এক কৰি সংহতি স্থাপন কৰিলে সেই ধৰ্মৰে অনুগামী মটকসকল।

(৬) মটকৰ যি গুৰু সেই গুৰুৱে মায়াক মাৰি মায়াবদ্ধ যৱন খেলী দৰ্জীকো ধ্যানপতি নাম দি আচল ৰূপ দেখুৱালে, সেই মায়ামৰাক ইতিকিং কৰি মঞ্জামৰাই বোলক বা মোৱামৰীয়াই বোলক নাইবা মোৱামৰা মটক বুলিয়েই কওক, তাৰপৰা মটকসকলৰ কাঁহী পাতেও গা নেকাটে। হিমালয় পৰ্বতৰ ওপৰত কাউৰীয়ে যেনিবা

কলকলালৈই তালৈ কোনে কাণ দিয়ে ? সদৌ অসম জুৰি আছে এই মটকেই। ভয় কিহৰ ?

(৭) ধাৰেৰে মাৰিলেও যেই, গাদিৰে মাৰিলেও সেই। মৰাণেই মটক আৰু মটকেই মৰাণ। প্ৰথমতে মৰাণ এটা সম্প্ৰদায় বা ক্ষুদ্ৰ জাতি আছিল যদিও, ১৭২৮-২৯ শকত গড়পৰা সত্ৰ স্থাপন হ'বৰ পৰা ক্ৰমাণ্বয়ে মায়ামৰা গোসাঁইত শৰণ লৈ ৰাঘ মৰাণ নেওগৰ দিনত, মটকসকল এটা গজগজীয়া জাতিত পৰিণত হ'লগৈ। সেই সময়ৰ-পৰা বামুণ, কলিতা, কোঁচ, কৈৱৰ্ত, আদি সকলো জাতৰ মানুহ সোমাই জাতিটো পুৰঠ কৰিলেগৈ। আহোমসকল যে ধৰণীয়েই; মৰাণো চুতীয়া বা চতীয়া 'কুলোদ্ভৱ'ই। সদিয়াৰপৰা অহা জাতি প্ৰব্ৰজনৰ পম খেদি গ'লে এই সকলৰে কোনো কোনোৰ গুৰিগছ ওলাবগৈ নেপালৰ পাদ দেশত। এতেকে, মটক মৰাণ এটা সম্প্ৰদায় নহৈ বুৰঞ্জীৰ দৃষ্টিত জাতিৰূপে দেখা দিয়েহি।

(৮) বলৱন্ত কাল চক্ৰৰ বলত মটকৰ ৰৰঘৰত গোমসাপ সোমালহি। সৰ্বানন্দ সিংহ বৰসেনাপতিৰ দেশ ছিৰাল-ফটা দিলে। বৃটিছৰ ৰাজনৈতিক কটপাশে মৰাণ, মটকৰ আঁহ ফালি ফালি ধল ডাওৰিৰ পৰা ডিবৃৰু নৈৰ দুয়োপাৰে থকা এক মটকক দুফাল কৰিলে আৰু বিভেদকাৰী নীতি প্ৰবৰ্তন কৰিলে আৰু বিভেদকাৰী নীতি প্ৰবৰ্তন কৰি জাতিটোক নপুংসক কৰি পেলালে।

(৯) মটক মঙ্গলীয় নহয়।

(১০) যি সৰ্বানন্দ বৰসেনাপতি আৰু গোধা বৰবৰুৱাই ভাগিবলৈ ধৰা ৰাজ্যখনকো নভগাকৈ ৰাখিছিল আৰু অতীতৰ মটক ঐতিহ্য অটুট থাকক বুলি বেংমৰা নগৰত পুখুৰী আৰু আলি পদূলি কৰাই-ছিল সেইসকলৰ সন্ততি এতিয়াও আছে। থাকিলে নো কি হ'ব ?—জগাকাঠ। নাই ৰাইজৰ চেতনা, নাই আত্মউপলব্ধি, নাই সংহতি, একতা। পূৰণি পৃথিৱী নকৈ চাই, এই কিটা কথাকেই পালোঁ।

এতিয়া নতুন পৃথিৱীত কি কৰা হ'ব ? কি কৰিলে নো মটকৰ সত্তা ৰক্ষা পৰিব আৰু কিহৰ দ্বাৰাই নো জাতীয় গৌৰৱ প্ৰতিষ্ঠিত হ'ব—এইটোৱেই হৈছে প্ৰশ্ন।

এই প্ৰশ্নৰ সমিধান দিয়া সহজ নহয়। তথাপি দেখি পঢ়ি শুনি আৰু ঠেকা খাই যি শিকিছোঁ তাৰ দ্বাৰাই একে আষাৰেই মোৰ

ক'বৰ মন গৈছে---আমাক লাগে জাতীয় চৈতন্য। জাতীয় ভাবেৰে অন্তৰ অনুপ্ৰাণিত কৰিব নোৱাৰিলে হেজাৰেই আইন কৰক, হেজাৰেই উপদেশ দিয়ক, সকলো মিছা। আমি আছিলোঁ কি, হলোঁ কি, এই প্ৰশ্নৰ সমাধান কৰিবলৈ আপোনাসকলৰ অন্তৰত কোন বিধাতাই খুন্দিয়াই দিবহি ?

আজি সাম্যবাদ, আত্মনিয়ন্ত্ৰণ, গণতন্ত্ৰ---এইবোৰৰ কলৰৱে ভাৰতৰ আকাশ খলক লগাইছে। আধ্যাত্মিক, ভৌতিক, আধি-ভৌতিক চিন্তাত ব্যাপৃত থাকিবৰ নিমিত্তে লাখবিলাখ পুস্তিকা প্ৰচাৰিত হৈছে। জনগণৰ আশা আকাংক্ষা পূৰাবলৈ, সুখ শান্তি স্থাপন কৰি-বলৈ, দৰিদ্ৰতা নিবাৰণ কৰিবলৈ নিতৌ ন-ন সঙ্কল্পৰ সজা বা আঁচনি ভঙ্গা-পতা হৈয়ে আছে---সেইবোৰৰ লেখ লৈ থাকিলে আমাৰ গা নুজুৰায়।

যিজন বৰসেনাপতি মটকসকলৰ নায়ক আছিল; যিজন মায়ামৰা গোস্বামী ভক্তানন্দৰ প্ৰিয়তম শিষ্য; যিজনকে মুখ্য শাসন কৰ্তা বুলি উজান নখন খোলা আৰু ভাটী নখন খোলা ৰাইজৰ পিতৃপুৰুষসকলে একচিত্তমনে সন্মান আগ বঢ়াইছিল, সেইজনৰ দ্বাৰাই প্ৰতিষ্ঠিত বেঙ্গমৰা নগৰখন আজি কলৈ গ'ল ? যি বেঙ্গমৰা নগৰত মানৰজাৰ কটকী বাস কৰিছিল; আৰু য'ত চিংফৌ খামতি সোমাবলৈ ভয় কৰিছিল, আন কি, পূৰ্ণানন্দ বুঢ়া গোহাঞি হেন প্ৰতাপ ৰাজমন্ত্ৰীয়েও য'ত আশ্ৰয় লৈ থকা সৰ্গদেৱৰ প্ৰজাক উলিয়াই আনিবলৈ সাহ কৰিব নোৱাৰিছিল সেই বেঙ্গমৰা আজি কাৰ হাতত---বুকুত হাত দি তাৰ বতৰা লওক, এই বেঙ্গমৰা আজি কাৰ হাতত ? বুৰঞ্জীৰ তুলাপাতে সুধিছে, মটকৰ জাগ্ৰত যুৱকৰ উড্ডীয়মান আকাংক্ষাই সুধিছে--- বেঙ্গমৰাৰ আৰু পুনৰ উত্থান নহ'ব নে কি ? প্ৰতিধ্বনিয়ে কৈছে ঃ---

হ'ব ;---কিয় নহ'ব ? হ'ব ঃ---

যদি আপোনাসকলে কুহুম নোহোৱা হাঁহ কণীটোৰ বীজলখিনি ৰঙা কৰিব পাৰে; যদি হে "মাৰি যাম মৰি যাম;
মায়াবান্ধ ছিঙি যাম"
বুলি দপদোপ হেন্দোলদোপকৈ আত্মপ্ৰতিষ্ঠাৰ বাবে কিৰীলি মাৰি ওলাব পাৰে!

যদি হে দৈধাম, বিছাখপি, চকবিটিং, হোলোঙাগুৰি, গুইজান আদিৰ মানচিত্ৰখন মচি পেলাব পাৰে, নমচিলেও চিত্ৰখনৰ বৰণ সলাব পাৰে; যদিহে সমজুৱাৰ স্বাৰ্থ আৰু বান্ধনী ৰক্ষাৰ অৰ্থে খেলা দৰ্জীক ধ্যানপতি কৰাৰ নিচিনা উদাৰ ধৰ্মনীতি অৱলম্বন কৰিব পাৰে আৰু যদি হে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ পৰা আৰম্ভ কৰি পুৰণিমটীয়া, গড়পৰীয়া, মদাৰখটীয়া, টিপুক আৰু দিনজয়া আদি যিবিলাক মায়ামৰীয়া গোসাঁইৰ পদ পুথি গীত মাত, নাট বৰগীত আছে সেইবিলাক অচিৰেই প্ৰকাশ কৰিব পাৰে।

যদি হে বেংমৰা নগৰ আৰু ৰঙাগড়াত যুগমীয়া কীৰ্তিচিন ৰাখিবলৈ সক্ষম হ'ব পাৰে; সাধন ৰায়বাহাদুৰ, লাহমন ডাৰোকাৰ কথা যে লগতে থাকিবই।

সদৌ শেহত "মটকৰ মত এটা"---এই মহামন্ত্ৰৰ দ্বাৰাই যদি দীক্ষিত হ'ব পাৰে তেন্তে দেখিব, হেয়, অৱহেলিত ঘৃণিত মটক জাতি আন আন ভাৰতীয়ৰ সমকক্ষ হ'ল আৰু বেংমৰাই পুনৰ জীৱন পাই মটক দেশৰ মানচিত্ৰখন বদলাই পেলালে আৰু তাৰ ঠাইত গজি উঠিল শস্য, শিল্প, শিক্ষা, ধৰ্ম আৰু অন্যান্য আধুনিক জগতৰ লাগতিয়াল সকলো বিধৰ অনুষ্ঠান। ইয়াৰ পাচতে ঘুঘুয়া জ্বৰৰ অৱসান।

* তিনিচুকীয়াত ৯।৬।৬৮ তাৰিখে বহা সদৌ অসম মটক অভিবৰ্তনৰ সভাপতিৰ অভিভাষণ।

মটকৰ বৰসেনাপতিৰ দেশ

মায়ামৰীয়া ধৰ্মমতৰ আঁতি-গুৰি :— অসম বুৰঞ্জীৰ (বৃটিছ অহাৰ আগেয়ে) শেষৰ ফালে প্ৰখ্যাত হোৱা মোৱামৰীয়াবিলাক অসমীয়া মানুহৰে এটা সম্প্ৰদায়। এওঁবিলাক গুৱালপাৰলৈকে ছেদেলিভেদেলি হৈ আছে যদিও, মটকৰ দেশত এওঁবিলাকৰ বসতি ঘন। অসম উপত্যকাৰ মানুহবিলাকে যেতিয়া হিন্দু ধৰ্ম গ্ৰহণ কৰে তেতিয়া এভাগ মানুহে কোনোবা এজন গুৰুৰ আদেশত বামুণীয়া পন্থা গ্ৰহণ নকৰি বিষ্ণুকহে কেৱল উপাসনা কৰিবলৈ লয়।

সম্প্ৰদায়টোৰ আদিজনা গুৰুৰ থান আছিল মাজুলীৰ কোনোবা এখন বিলৰ পাৰত। সেই বিল এতিয়া নাই—ব্ৰহ্মপুত্ৰই খহাই নিলে। বিলখনত হেনো মোৱামাছেই ভৰি আছিল। সেইগুণে, অসমীয়া ভাষামতে বিলৰ নাম হ'ল মোৱামৰীয়া। মোৱামৰীয়া বোলাৰ কাৰণ এইটোৱেই। কিন্তু বামুণীয়া মতত চলাসকলে মোৱা-মৰীয়া শব্দটো অলপ হেয় ভাৱত ব্যৱহাৰ কৰে।

মোৱামৰীয়াবিলাকৰ ক্ষমতা বাঢ়ি আহিলত, তেওঁবিলাকৰ গুৰু মোৱামৰীয়া গোসাঁয়ে থান বা সত্ৰখন খুটীয়াপোতালৈ তুলি আনে। যোৰহাটৰ পছিমে অলপ মান নিলগত খুটীয়াপোতা। গোসাঁই থকা ভেটিটো ১০০ ফুটমান ওখ আৰু শিষ্যবিলাকেই বন্ধা। পোন প্ৰথম গুৰুজনাৰ নাম অনিৰুদ্ধ। কছাৰী, আহোম, কৈবৰ্ত্ত, কলিতা, কায়স্থ, হাবি আৰু অন্যান্য অসংখ্য প্ৰজাই তেওঁত শৰণ লয়। এইবিলাকৰ লগতে উজনিৰ চুতীয়া, মৰাণ শিষ্যও অপৰ্য্যাপ্ত আছে।

---

*[বৰ সেনাপতি সৰ্বানন্দৰ পুতেক মাতিবৰ বৰসেনাপতিয়ে বৃটিছৰ সৈতে সন্ধি কৰাৰ পিচতে কাপ্তান এছ অ হেনেই মটকৰ বা বৰ-সেনাপতি দেশৰ বিষয়ে ১৮৩৮ চনত এই প্ৰবন্ধটি লেখিছিল। প্ৰবন্ধৰ বহু কথা "মায়ামৰীয়া বুৰঞ্জী"ৰ লগত অমিল যদিও ইয়াত জানিব লগীয়া ভালেমান কথা আছে। গৱেষকসকলে এই প্ৰবন্ধৰ যুক্তিপূৰ্ণ মত গ্ৰহণ কৰি পলসুৱাখিনি এৰি দিবও পাৰে। মাত্ৰ জানিবলৈ হে অনুবাদ কৰি দিয়া হ'ল।—লেখক]

লক্ষ্মীসিংহ ৰজাক দিনলৈকে সম্প্ৰদায়টোৰ কথা কোনেও একো নেজানিছিল। ৰজাৰ ককায়েকে বিদ্ৰোহত যোগ দিলত, বিদ্ৰোহী-বিলাকক একফালৰপৰা মাৰি নিয়া হ'ল আৰু সপুত্ৰ পৰিয়ালৰে গোসাঁইকো নিষ্প্ৰাণ কৰা হ'ল। লক্ষ্মীসিংহ ক্ৰোধত ইমান উন্মত্ত হৈছিল যে গোসাঁইক অকল অস্ত্ৰাঘাত কৰিয়েই তেওঁৰ প্ৰতিহিংসা পূৰণ কৰা নাছিল, গোসাঁইৰ মৃতদেহাটি নৈত যেতিয়া ওপঙি যোৱা দেখিলে তেতিয়াহে তেওঁ শান্ত হয়।

মৰাণ আৰু ওপৰ-বুঢ়ী দিহিঙৰ অধিবাসীসকল মিলি লক্ষ্মীসিংহৰ বিৰুদ্ধে থিয় হয়। যুদ্ধত ৰজা হাৰিল। পাচত মোৱামৰীয়াৰ অসংখ্য প্ৰজা বধ কৰি ৰজাই তাৰ প্ৰতিশোধ লয়। এই প্ৰতি-শোধেই শেহত বিদ্ৰোহ বা বিপ্লৱত পৰিণত হয়গৈ আৰু ইয়াৰ ফলতে প্ৰজা সৰ্বস্বান্ত আৰু দেশ ধ্বংস হয়।

সকলোৰে পৰামৰ্শ শুনি লক্ষ্মীসিংহৰ মন কুমলিল আৰু পূৰ্বে নিধন কৰা গোসাঁইজনাৰ পৰিৱৰ্তে তেওঁৰ ভতিজাক পীতাম্বৰক মোৱামৰীয়াৰ গুৰু পাতিলে। কিন্তু গুৰুৰ আক্ৰোশ নুগুচিল। অসংখ্য জ্ঞাতিমিত্ৰ বধৰ পোটক তুলিবলৈ, গৌৰীনাথ সিংহৰ দিনত গোসাঁয়ে ঠায়ে ঠায়ে একোজন একোজন স্বয়ম্ভু ৰজা পাতি সেই ৰজাবিলাকক স্বৰ্গদেৱৰ বিৰুদ্ধে যুদ্ধত প্ৰবৃত্ত কৰালে। গৌৰীনাথ সিংহ ঠাৱৰিব নোৱাৰি ৭ বছৰ দেশান্তৰী হৈ থাকিল। এই কেইজনেই সেই মোৱা-মৰীয়া ৰজা বা অধিনায়ক আছিল ঃ—ডফলা, বহতীয়া, বুঢ়াফুকন আৰু বুঢ়াফুকনৰ পুতেক অগ্নিকুমাৰ আৰু বৰটীয়া। বৰটীয়াই অগ্নিকুমাৰক বুধি ছলেৰে ছলিলে। বৰটীয়াই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে হে তেওঁৰ ৰাজ্য বুলি অগ্নিকুমাৰক উত্তৰ পাৰলৈ পঠিয়াই বৰটীয়া নিজে ৰংপুৰত ৰজা হ'ল। এইখিনি সময়তে বৰ হুলস্থূল লাগে আৰু কেবাজনো ৰজাৰ ভাঙন-পাতন হয়। সদিয়া চকুৱাখনাতো কৈৱৰ্তৰ একোজন ৰজা হৈ বহিছিল। পাচে, খামতিয়ে সিবিলাকক খেদি পঠিয়ালে।

মোৱামৰীয়াবিলাকৰ মৰাণ মানুহখিনি ডিবুৰুতে আছুতীয়া হৈ থাকিল। বৰ্তমান সেনাপতিৰ পিতৃদেৱতাকে (সৰ্বানন্দ বৰ সেনাপতিয়ে) চাংমাই পথাৰত নগৰ কৰি নাম দিলে বেংমৰা।

ৰংপুৰত ৰৰটীয়া ৰজা হৈ থাকোতেই গৌৰীনাথ সিংহই মৃটিছুৰ সহায় লৈ ৰংপুৰৰ পৰা মোৱামৰীয়াক খেদি পঠিয়াইছিল। সদিয়াৰ খামতিবিলাকেও ন দিহিঙৰ পাৰত থকা দুজন চিংফৌ-গামেসৈতে লগ লাগি বেংমৰাৰ ৰাজ্য ভাঙেহি। মৰাণৰ মানুহখিনি চিংফৌলৈ গুচি যাবলগীয়া হয়; কিন্তু যাওঁতে দুইসুঁতিৰ (ন আৰু পুৰণি দিহিং) মুখতে চিংফৌয়ে ধৰি এটাইবোৰ মানুহ কাটি পেলায়।

ৰাজমন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ কটকটীয়া শাসন চলাই থকা গুণে, গৌৰীনাথ সিংহ বা তেওঁতকৈ দুৰ্বল কমলেশ্বৰ নাইবা চন্দ্ৰকান্ত সিংহৰ দিনত কোনো কোনো মোৱামৰীয়াই ৰজা হ'বলৈ সাহ কৰিব নোৱাৰিছিল, যদিও তলে তলে যুদ্ধৰ ষড়যন্ত্ৰ কৰিয়েই আছিল। ৰৰটীয়া পলাই গৈ বিছা ৰজাৰ তাত আশ্ৰয় লয়। তাৰপৰাই ৰামনাথ বৰবৰুৱাক মান ৰজাৰ তালৈ পঠিয়াই মানৰজাৰ সহায় খোজে। কিন্তু মানৰজাৰ (বৰ্মা ৰজা) পৰা তেতিয়া সহায় নেপালে। তথাপি বাৰে বাৰে লেখালেখি কৰি থকাৰ পিচত, দুবেলিকৈ অসমলৈ মানসেনা আহে। প্ৰথমবাৰ আনে বিছাগামে আৰু দ্বিতীয়বাৰ আনে খামতি ৰজাই। এইজন খামতি ৰজাৰ নাম আছিল সৌকা গোহাঁই। এওঁৰ লগতে কামিনী ফুকন নামে এজনৰ বাপেক বৰ্মাৰপৰা পোনপ্ৰথমেই আহে। বহুত ভাৰভেঁটী দি নাইবা ৰাজমন্ত্ৰী বুঢ়াগোহাঁয়ে বুদ্ধিসন্ধি কৰি দুয়োবাৰ মানসেনাক ওভোতাই পঠিয়ায়। বুঢ়াগোহাঞিও লাহে লাহে মোৱামৰীয়াৰ প্ৰতি বৈৰীভাৱ নৰখা হ'ল আৰু বৰ্তমান মটকৰ ৰজাজনক বৰ সেনাপতি উপাধি দি মৰাণৰ ওপৰত ৰজা পাতিলে। বৰ সেনাপতিয়েও নিয়মিতৰূপে সেই ভুখৰি ৰাজ্যৰ কৰকাটল স্বৰ্গদেৱলৈ পঠিয়াই আছিল।

পূৰ্ণানন্দ বুঢ়াগোহাঞি আছিল দেশৰক্ষাকৰ্তা আৰু পুনৰ জন্মদাতা। এওঁ বিশ বছৰ কাল দেশত শান্তি আৰু শৃংখলা ৰক্ষা কৰি আছিল। তেওঁৰ আগলৈকে দেশত অৰাজক অশান্তি আৰু ৰক্তাৰক্তিয়েই দেখা দি আছিল। বুঢ়াগোহাঁই সৰহ দিন থাকিবলৈ নেপালে। চন্দ্ৰকান্ত সিংহ ৰজাৰ দিনত পাত্ৰ মন্ত্ৰীসকলে তেওঁক ভাঙিবলৈ একগোট হৈ আলচ কৰি বদন বৰফুকনক পঠিয়ালে মান আনিবলৈ। চন্দ্ৰকান্ত সিংহৰ হৈ বদন বৰফুকন কলিকতাইদি গ'ল বৰ্মা দেশলৈ। বৰ্মা ৰজাৰ তাত বদনে অসম দেশখন ধন ৰত্নৰ আগাৰ বুলি জনাই উচটাই

দিয়াত বৰ্মা ৰজাৰ আদেশ মতে খাই উংঘী আৰু ৮।১০ হেজাৰমান মানসেনা আহিল অসমৰ অভিমুখে। অসমৰ ধন-বস্ত্ৰ লোৱাৰ অভিপ্ৰায়ে অহা বাবে মানে হাবি-জংঘল একোকে নগনিলে। এফালৰ-পৰা হিলদল ভাঙি আহিবলৈ ধৰিলে। বুঢ়াগোহাঞে মানসেনা সীমান্ত পাৰ হৈছে বুলি শুনিলেহে, দেখিবলৈ নেপালে; তেওঁ আৰু জীয়াই নেথাকিল।

ইয়াৰ পিচত কি হ'ল, সকলোৱে জানে। মানৰ দিনত মানুহৰ পানীত হাঁহ-নচৰা অৱস্থা হৈছিল, মানৰ অত্যাচাৰে দেশখন শ্মশানত পৰিণত কৰিলে—আগতকৈও দেশৰ অৱস্থা কাহিল হ'ল।

এই ছেগতে, বৰ সেনাপতিয়ে বেংমৰাত ৰাজধানী পাতি মানৰ লগত মিত্ৰতা কৰিলে আৰু বৰ সেনাপতিৰ টোলত নিজৰ ভঁড়ালৰ টকা দি কামিনী ফুকনক ৰাখিলে। এওঁেই বৰ্মা ৰজাৰ উকীল বা প্ৰতিনিধিস্বৰূপ বেংমৰাত থাকিবলৈ ল'লে।

ডিবৰুৰ পাৰৰ মোৱামৰীয়াখিনিৰ ওপৰত বৰ সেনাপতিয়ে নিষ্কণ্টক ৰূপে ৰজা হ'ল। কিন্তু সেই দেশখনি অটব্য অৰণ্যেৰেই পৰিপূৰ্ণ হোৱা বাবে কৰকাটিল তোলাত অনেক অসুবিধা আৰু ৰজাৰ অৱস্থাও শোচনীয় বুলি জনাত বৰ্মা ৰজাই বৰসেনাপতিৰ ওপৰত হস্তক্ষেপ নকৰা হ'ল।

মানসেনা আহিবৰ সময়ত মৰাণৰ মানুহখিনি ডিবৰু নৈৰ উজনি নামনি জুৰি আছিল। তাৰ ইফালে সিফালেও মোৱামৰীয়া আৰু অন্যান্য অসমীয়া মানুহৰ বসতিও আছিল। কিন্তু বৃটিছ অহাৰ সময়তকৈ মানুহ তাকৰ আছিল। চিংফৌহঁতে ওপৰ অসমৰ বহুত মানুহ ধৰি লৈ যায়; বিশেষকৈ মানৰ দিনত। বৰসেনাপতিৰ দেশত মানে আক্ৰমণ কৰিব পৰা নাছিল, বৰসেনাপতিয়ে বাধা দি আছিল। বিছাগামে ইয়াৰ পৰা মানুহ দুনুহ ধৰি নিবলৈ বৰ যত্ন কৰিছিল, কিন্তু নোৱাৰিলে। গামৰ বহুত মানুহ মৰিল। চিংফৌ বা মানৰ তলত থকাতকৈ বৰ সেনাপতিৰ তলত থকাই ভাল বুলি বহুতে বৰসেনাপতিৰ আশ্ৰয় ললে। বৃটিছ দেশ লোৱাৰ পাছত সেই বৰসেনাপতিৰ ৰাজ্যত ৫০,০০০—পঞ্চাচ হেজাৰতকৈও সৰহ প্ৰজা পাইছিল।

বৰসেনাপতিৰ দেশখনিৰ কোনো নিৰ্দিষ্ট বন্ধা সীমা নাই নাইবা আগৰে পৰা শাসন কৰি অহা বুলিও এভোখৰ ঠাই নাই। তথাপি,

ম্বাটিছে এই গামকে বৰসেনাপতি ৰাজ্যৰ সীমা এইদৰে বান্ধিলেহি উত্তৰ-পছিমে ব্ৰহ্মপুত্ৰ, দক্ষিণে বুঢ়ী দিহিং আৰু সদিয়াৰ দক্ষিণৰ পৰা বুঢ়ী দিহিঙৰ পূবলৈকে। পুৰন্দৰ সিংহক যিমান ডোখৰ ৰাজ্য দিয়া হৈছে, বৰসেনাপতিকো প্ৰায় সিমানখন ৰাজ্যৰ ওপৰতে অধিপতি পতা হৈছে।

মৰাণ আৰু মোৱামৰীয়া সম্প্ৰদায় একেটা নহয়। মৰাণবিলাক সুকীয়া। আগৰ দিনত এওঁবিলাক য'ত আছিল, তাতে এতিয়াও আছে। মৰাণৰ আচল থকা ঠাই হ'ল ডাঙৰী আৰু ডিবুৰু নৈৰ মাজত। ডিবুৰুৰ দক্ষিণ পাৰেও সিবিলাকৰ বসতি আছে, কিন্তু ডাঙৰী ডিবুৰু লগলগা দুসুঁতিমুখৰ পছিমে আৰু নাই। তাতে পানী-চকী বুলি এখন চকী আছে। মৰাণ থকা ঠাই বা গাঁৱৰ নাম বৰ-চকৰী, কাছজান, হোঁলোঙাগুৰি, গুইজান, দিহামুলি, তাটজান, জিগনি-গঞা, মাজু গঞা, বিছাখপা প্ৰভৃতি। অসম ৰজাক মৰাণে কৰকাটল দিব নেলাগিছিল কিন্তু দেশখন ভবনৰীয়া হোৱা বাবে বনৰ উৎপন্ন আৰু দৈনিক লাগতিয়াল বস্তু শোধাব লাগিছিল। বস্তু শোধোৱাৰো আকৌ নিয়ম আছিল; যি যি খেলৰ সি সেই বস্তুহে দিব লাগিছিল। হাতীচুঙীয়ে হাতী, ৰংযোগোৱাই ৰং (ৰোম), চাৰি যোগোতাই চাৰি, মৌ যোগোতাই মৌ যোগাব লাগিছিল। ডিবুৰু নৈৰ ভাটিয়েও মোৱা-মৰীয়াৰ বহুত গাঁও আছে। সেইবিলাকৰ সৰহভাগেই বামুণীয়া নিয়ম মতে চলে। 'পছিম সীমালৈ যিবিলাক আহোম আছে, সেইবিলাক ওপৰ খাপৰ আহোম। তেওঁবিলাকো মোৱামৰীয়া গোসাঁইৰ শিষ্য।

বুঢ়ী দিহিঙৰ উত্তৰে যিখন অৰণ্যময় ঠাই তালৈকে দ্ৰোহীবিলাকক মেলা হৈছিল। সেইখনেই জগৰীয়াবিলাকৰ নিমিত্তে কলিয়াপানী। বুঢ়ী দিহিং ব্ৰহ্মপুত্ৰৰ মাজডোখৰ ঠাইত এশ বিশ হেজাৰ মান মানুহ আছে বুলি জানিব পৰা গৈছে। কাৰণটো ওলায়েই আছে। ডিবুৰু বুঢ়ীদিহিঙৰ মাজত থকা পথাৰবোৰত যিবোৰ খাত আছে সেইবোৰ প্ৰায়েই পুৰন্দৰ সিংহৰ ৰাজ্যৰ পৰা যোৱা মানুহে দখল কৰিয়েই খাই আছে। চিচি ধেমাজিও বৰসেনাপতিৰ দেশৰ ভিতৰতে পৰিছে। চিচি ধেমাজিত থকা বিহীয়া, পূৰ্বতে সদিয়াৰ পৰা আহি থকা চাৰি ভাগৰ তিনি ভাগ কছাৰী আৰু চিংফৌৰ হাতৰ পৰা এনুৱাই অনা

চাৰি ভাগৰ তিনি ভাগ দোৱনীয়া, সৰ্বমুঠ ৮া৯ হেজাৰ মানুহ হ'ব; এইখিনিও বৰ সেনাপতিৰেই প্ৰজা।

বৃটিছ গৱৰ্ণমেণ্টক বৰসেনাপতিয়ে বছৰি ১৮০০ টকা কৰ শোধায় আৰু আয়ৰ বাকীখিনি সেনাপতিয়ে নিজৰ হাতত ৰাখে। সৰ্বমুঠ আয় কিমান ক'ব নোৱাৰি। মই বুজলে এইবিলাকৰ পৰা ৰাজহ সংগ্ৰহ কৰা হয় বুলি জানিব পাৰিলোঁ ঃ—আন ঠাইৰ পৰা কোনো মানুহ আহি বৰসেনাপতিৰ দেশত ডেড় বছৰ থাকিলে খাজনা বা কৰ লগোৱা হয় আৰু গাধন বুলিও খাজনা লোৱা হয়। বেলেগ বেলেগ খেলৰ মানুহে এইৰূপে কৰ দিব লাগিছিল ঃ---

গায়মূৰি মৰাণে দিব লাগে —৩ টকাকৈ
" কছাৰী সোণোৱালে দিব লাগে—৩ টকাকৈ
" বিহীয়া সোণোৱালে —২ টকাকৈ
" অন্যান্য অসমীয়া মানুহে —এটকা বা দুটকাকৈ।

মানুহবোৰ প্ৰায়ে এলেহুৱা আৰু লম্পট হোৱা বাবে কৰকাটল নিদিয়াকৈয়ে সাৰে। তদুপৰি দেশৰ গুৰিয়ালজন নিজেই আৰু তেওঁৰ জাতিবংশৰ কোনো এজনেও লেখা-পঢ়া নেজানিছিল। সেইবাবেই বোধকৰোঁ শাসন-পদ্ধতিত একো শৃংখলা লগা নাছিল। কৰকাটলো নিয়ম মতে আদায় কৰিবপৰা নহৈছিল। সেনাপতিৰ সাতজন পুতেক, তেওঁ পৰিয়ালটোৰ মুঠেই একেজন মানুহ। তেওঁবিলাকৰ এজনেও ক খ কিটাকে লিখিব নেজানে। সেইগুণে, লেখা-পঢ়া জনা আন মানুহ আনি হিচাপে পত্ৰত ৰাখিবলগীয়া হয়। সেনাপতি পৰিয়ালৰ যাৰ যি ভাগত যি অঞ্চল পৰে, সেই অঞ্চলৰ সকলোতে এইদৰে একো একোজন নিলগীয়া মানুহে সকলো কাৰ্য্য চলায়। সাতজন পুতেকে সৈতে বৰ সেনাপতিয়ে ডাঙৰ ডাঙৰ খাত পাম ৰাখিছে। তাত অসমীয়া মানুহেই কাম কৰে। সিবিলাকে খাজনা নিদিয়ে যদিও, বৰসেনাপতিৰ লোকচান নহয়।

১৮২৫ চনৰ গৱৰ্ণমেণ্ট গেজেটত প্ৰকাশ হোৱা চিঠি এখনৰ পৰা জনা যায় যে বৰ সেনাপতিয়েই মোৱামৰীয়া জাতিটোৰ ৰজা। মোৰ মতে মোৱামৰীয়া জাতি বা উপজাতি (ট্ৰাইব) নহয়। মোৱামৰীয়া হৈছে এটা সকলো অসমীয়া মানুহৰে গঠিত সুকীয়া এটি ধৰ্মমতৰ

সম্প্ৰদায়। মোৱামৰীয়াৰ ভিতৰত সকলো জাতৰ মানুহ আছে। তেওঁবিলাক জনাজাত হৈছে অলপ দিনৰ পৰা, এপুৰুষেই হোৱা নাই। বৰসেনাপতি উপজাতি এটাৰ মুখীয়াল বুলি কোৱা হয় আৰু কোৱা হয় যে অসম ৰজাৰ তেওঁ কৰতলীয়া ৰজা। এই দুয়োটা কথা মিছা। তেওঁ মোৱামৰীয়া সম্প্ৰদায়ৰ ৰজা বা মুখীয়াল নহয়; মৰাণৰো নহয়—কিয়নো মোৱামৰীয়া মৰাণ মানুহ তেওঁৰ দেশৰ বাহিৰেও গোটেই খনতে আছে।

মোৱামৰীয়াৰ বৰ্তমান মহন্তজনা হ'ল ওপৰত কৈ অহা পীতাম্বৰৰ পুত্ৰ—অলপ দিনৰ আগলৈকে তেওঁ খুটীয়া পোতাতেই আছিল। সম্প্ৰতি তেওঁ বৰসেনাপতিৰ দেশতে আছে—নাম ভক্তানন্দ (Bhakta-nanda)। তেওঁ বামুণীয়া পথ ভাল নাপায়। টুটকীয়া লগনীয়া মানুহৰ তাপত থাকিব নোৱাৰি তেওঁ পুৰণি ঠাই এৰি আহিবলগীয়া হয়।

মোৱামৰীয়াৰ ধৰ্মনীতি বৰ উদাৰ বুলি বিশ্বাস হয়। তেওঁ-বিলাকৰ নীতি সাম্যবাদ আৰু ইচ্ছাধীন। সেনাপতিৰ দেশত থকা বহুতৰে আকৌ মত বিভিন্ন, সেই কাৰণে তেওঁবিলাকৰ মাজত কালিকন্দল লাগি থাকে।

ভক্তানন্দৰ শিষ্য নোহোৱা গুণে বৰসেনাপতি মহন্তৰ প্ৰীতিভাজন নহয়। মৰাণবিলাকেও আকৌ ডিবুৰুৰ আগাৰিত সুকীয়া গুৰু এজন পাতি লৈছে। একে খেলৰ আৰু জাতিভাই দেখি মৰাণবিলাকে বৰ সেনাপতিক তেওঁবিলাকতকৈ ডাঙৰ পাতিব নোখোজে। বৰ-সেনাপতিয়ে টকা আৰু বস্তুৰে খাজনা আদায় কৰাত মৰাণবিলাকৰ বৰ খং। তেওঁবিলাকৰ বৰসেনাপতিৰ ওপৰত ইমান খং আক্ৰোশ যে ১৮৩৭ চনৰ আৰম্ভতে সেই মৰাণেই বৃটিছ কৰ্তৃপক্ষৰ হাতত বৰ সেনাপতিৰ বিৰুদ্ধে দৰ্খাস্ত লেখি বৰ অসন্তোষ প্ৰকাশ কৰিছিল।

বৰ সেনাপতি জাতত বুৰুক চুতীয়া—পূৰ্বে সদিয়াৰ পৰা অহা। বৰ্তমান বৰসেনাপতিৰ জন্ম ওপৰ ডিবুৰুতেই। ডেকা কালত তেওঁ বৰ উৎসাহী আৰু চৰিত্ৰবান থকা বাবে সকলোৰে বৰ ভাল পাইছিল। কিন্তু ধনৰ আকাঙ্ক্ষা আৰু ক্ষমতাৰ মোহত পৰি এতিয়া তেওঁ তাতেই নিমগ্ন আছে। তেওঁ বোলে তিৰুতাসেৰুৱাও; তিৰোতাৰ কথামতে চলা বাবেই এনেবোৰ দুৰ্গতি হৈছে আৰু সেইবাবেই তেওঁক মৰাণবিলাকেও ভাল নোপোৱা হৈছে।

সেনাপতি এতিয়া আলৰ বুঢ়া; একাঙ্গী ৰোগত পৰি আছে আৰু সৰহ দিন জীয়াই থকাৰ আশা নাই। সাতোটা পুতেকৰ ভিতৰত মাজু গোহাঁই বোলা জনেই চতুৰ, এহেলৈ এজনো তেওঁৰ সমান হ'ব নোৱাৰিলে। মাজু গোহাঁই ভক্তানন্দ গুৰুৰ শিষ্য। ভক্তানন্দ গোহাঁইৰ আচৰণলৈ চালে, এইজন বৰ সেনাপতি ঢুকুৱাৰ পাচত আকৌ কিবা এটা গণ্ডগোল লগাৰ আশংকা আছে। এই ছেগতে বৃটিছ গৱৰ্ণমেণ্টে হস্তক্ষেপ নকৰিলে দেশত কটা-কটি, মৰা-মৰি হোৱাৰ সম্পূৰ্ণ আগন্তুক আছে।

সেনাপতিৰ দেশখন হাবিয়নি যদিও ঠায়ে ঠায়ে বৰ সাৰুৱা ধাননি পথাৰ আছে, প্ৰকৃততে বৰসেনাপতিৰ দেশখন ধানৰ ভঁড়াল বুলি ক'ব পাৰি। সৰহভাগ মানুহেই ভালকৈ খেতি-পথাৰ কৰে আৰু কৰিবও জানে। শইছ তইছবিলাকো নদন-বদনকৈ হয়। আসামৰ অইন ঠাইৰ দৰেই ইয়াতো সকলো শস্যৰ খেতি কৰা হয়। মাত্ৰ ইয়াতেই সৰিয়হ হে নহয়। ভাল জাতৰ কুঁহিয়াৰ খেতিও বৰ ভালকৈ কৰা হয়। কুঁহিয়াৰ পেৰি গুৰ কৰে। উজনি পোনে কপাহৰ খেতি হয়। এই কপাহ বৰ ভাল। ইমান ভাল যে নামনি অসমলৈও ইয়াৰ পৰা হে কপাহ পঠিওৱা হয়। অন্যঠাইলৈ পঠিওৱা বস্তুৰ ভিতৰত এইকেইটাই প্ৰধান :—

ধান-চাউল, কপাহ, গুৰ আৰু হাতীদাঁত।

উজনি অসমৰ ঠাইৰ দৰে ইয়াতো মুগা খেতি হয়।

দক্ষিণপূব চুকে বহুত চাহবাৰী আছে তাত চাহগছ গজি বুঢ়া হৈ গৈছে। চাহ পাতো বৰ ভাল। উজনি অসমৰ সমৃদ্ধি যেনেকুৱা বৰসেনাপতি দেশৰো তেনেকুৱাই; প্ৰভেদ একো নাই। অৱশ্যে ইয়াৰ পূবলৈ নগাপৰ্বতৰ দাঁতিত লো, লোণ, আৰু নাগমাটি (কয়লা) আছে। এইবোৰত বৰ সেনাপতিৰ সীমাতো পৰিছে যদিও কোনেও সেইবোৰ উলিয়াবলৈ যত্ন কৰা নাই।

সেনাপতিৰ দেশত তলত দিয়া বস্তুৰ বৰ অভাৱ আৰু এইবোৰ তাত বৰ বিক্ৰী হয় :—

লোণ, ধপাত, তামোলপান, খাচীয়া লো, তীখা আৰু ধাৰ থকা তীখাৰ জোঙা বস্তু, ডাব কটাৰী, পিতলৰ টৌ-কলহ মাটিৰ পাত্ৰ আদি।৫

দেশখন দক্ষিণ পছিমৰ পৰা একেবাৰে উত্তৰলৈ, পুবমুৱাকৈ লতা পৰ্বতৰ দৰে দীঘলীয়া হৈ গৈছে। সেই বুলি মাজখন যে ওখ এনে নহয়; দ। বাৰিষা ডিবুৰু আৰু বুঢ়ীদিহিঙৰ ভাটি পোনে গোটেইখন বানপানীত তল যায়। মাজে মাজে ওখ ওখ ঠাইবোৰহে তল নোযোৱাকৈ ওলাই থাকে। ডাঙেমান নৈ-উপনৈ আৰু জীয়া সুঁতিয়ে ৰাজ্যখন ডোখৰ ডোখৰ কৰি থৈছে। ডিবুৰু নৈৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ পৰা ওলোৱা সুঁতিবোৰেই আকৌ ব্ৰহ্মপুত্ৰত পৰি, দেশখন সদিয়াৰপৰা একে লানীকৈ অহা মাজুলী যেন কৰি থৈছে। উত্তৰ ফালে চেঁচা আৰু টিংৰাই নৈখন বুঢ়ী দিহিঙত পৰিছে। নৈ দুখনত বাৰেওমাহ নাওদুনি চলে। গোটেই বছৰটো অহা-যোৱা কৰাৰ সুচল থকা বাবে বেপাৰ-বাণিজ্যৰো বৰ সুচল হয়।

মটক নামটো খামতি ভাষাৰ। স্থানীয় মানুহে মটকৰ দেশখন স্বাস্থ্যকৰ বুলিয়েই ভাবে। কিন্তু তাত নিকা পানী পোৱা নেযায়। নৈ আৰু জান জুৰিবোৰ দ পথাৰৰ হোলাৰ পৰা ওলাই হাবিয়নিৰ মাজেদি বৈ অহা বাবে পানীৰ বৰণ ম'হৰজীয়া হয়। নৈৰ পৰা নিলগত থকা মানুহে নাদ খানি যি পানী ব্যৱহাৰ কৰে সেই পানী হ'লে পৰিষ্কাৰ।

মটক দেশৰ কথা মই আৰু বেচি নেজানো, মানুহবিলাকৰ সম্পৰ্কেও তথৈবচ। তথাপি কওঁ যে মটক আৰু অসমীয়াৰ ভিতৰত প্ৰভেদ নাই। মৰাণবিলাকৰ কিন্তু কিছুমান কথা অসমীয়াৰ লগত নিমিলে। বহুত অসমীয়া মানুহতকৈ মৰাণবিলাক বেচি শকত-আৱত, বলী আৰু গোঙোৰা। মৰাণৰ এতিয়ালৈকে কানিখোৱা অভ্যাস যোৱা নাই। কাপোৰ-কানি পিন্ধাতো অসমীয়াৰ লগত হেৰফেৰ আছে। মৰাণে মূৰত ক'লা কাপোৰৰ পাগুৰী মাৰে, কাণত জাংফাই কেৰু পিন্ধে। এশ বছৰৰ আগেয়েই উজনি অসমৰ মানুহ কেনেকুৱা আছিল এই মানুহবিলাকক চায়েই ক'ব পাৰি।

'আৱাহন' ১০-১১ শ সংখ্যা, ১৮৮৯ শক, ঃ ৩৭ শ বছৰ।

অসমৰ থল-পৰ্বতী দুই নহয় এক

ভোট, ডফলা, আবৰ (আদি), মিচিমি, চিংফৌ, কাৰেং, খেন, খাম্তি, নগা, খাচীয়া, জয়ন্তীয়া, গাৰো, কুকী প্ৰভৃতি যিবিলাক পৰ্বতীয়া মানুহে অসম দেশখন ওৰণিৰ দৰে আবৃত্ত কৰি ৰাখিছে, সেইবিলাক মানুহ কোন মান্ধাতা যুগত আহি সেইবোৰ ঠাইত বাস লৈছিহি তাক কোনেও এতিয়ালৈকে সঠিককৈ নিৰ্ণয় কৰিবপৰা নাই। তথাপি নৃতত্ত্ববিদ পণ্ডিতসকলে ঠাৱৰাইছে যে লুইতৰ দুয়োপাৰে জন বসতি, হোৱাৰ বহু বছৰৰ আগৰ পৰা এইবিলাক মানুহে ওখ ঠাইবোৰ অধিকাৰ কৰি আছে। ইবিলাকৰ ভিতৰত খাচী-জয়ন্তীয়াৰ অন্তৰ্গত জয়ন্তীয়াকে বোলক বা খাচীয়া চিন্‌টেঙকে বোলক নাইবা গাৰোকেই বোলক এই সকলো অতি প্ৰাচীন। তাৰ পিচতে পণ্ডিতসকলৰ মতে নগাসকল। নগাৰ আচল অৰ্থ 'যুঁজাৰু'। উলুপী-চিত্ৰাঙ্গদা-উষা প্ৰভৃতি স্ত্ৰীৰাজ্যৰ যিসকল স্ত্ৰীৰ ৰূপ-লাৱণ্যত মুগ্ধ হোৱা বাবে অৰ্জুনৰ হাতৰ অস্ত্ৰ হাতৰপৰা আপোনা-আপুনি সৰি পৰিছিল, সেই স্ত্ৰীসৱো আছিল উত্তৰ দক্ষিণ কুলীয়া পৰ্বতী ৰাজ্যৰ। মহাভাৰতৰ দিনত পূব প্ৰান্তত হোৱা ঔপন্যাসিক ঘটনাৱলীৰ বহুতেই আছিল অসমা কামৰূপৰ অৱগুণ্ঠন সদৃশ উপৰোক্ত গিৰীবাসীবিলাকেই।

পৰম্পৰাগত আখ্যান এটিকেই ভেটি কৰি অসম বুৰঞ্জীয়ে কৈছে "পূৰ্বে সপ্ত দ্বীপেশ্বৰ সগৰ ৰজাই ম্লেচ্ছৰ ৰজাসকলক নানান চিহ্ন দি পৰ্বত-পাহাৰলৈ খেদিলে। সেই লগৰে চুলি-ডাড়ি খুৰাই ম্লেচ্ছজনক লণ্ডা-মুণ্ডা কৰি খেদালে সেইজনেই নৰা নাম পালে। সেই নৰা ৰজাই আহি লৌহিত্যৰ পূব দিশে পৰ্বতত ৰজা হ'লহি। অতীজৰ সেই ৰজায়েই আপোনাৰ বাহুবলে মানতৰা, কচাৰী (বৰাহী), জয়ন্তা, চুতীয়া—এইসকল ৰজাক মিত্ৰভাৱে বশ কৰিলে। অ'ত এখন ত'ত এখন ঠাই আছিল যদিও কৰ-কাটল দি একে ৰজাৰ অধীন থকাত, আনুমানিকভাৱে নৰা ৰজাৰ দিনতে থল-পৰ্বতীৰ ভিতৰত আদান-প্ৰদান স্থাপিত হ'ল বুলি ক'ব পাৰি।

দেখাত লুইতীয়া মাটি আৰু পৰ্বতীয়া শিল-বালিয়ে থলুৱা পৰ্বতীয়া সকলক সুকীয়াকৈ থোৱা যেন দেখা গৈছে; প্ৰকৃততে কিন্তু, বুৰঞ্জীয়ে চুকি পোৱাৰ দিনৰ পৰাই পৰ্বত-ভৈয়াম সাঙোৰ খাই আছে। কাকো এৰি কোনো প্ৰবতিব নোৱাৰে। বেপেৰুৱা বা বেহেৰুৱা লেনদেন টোৰেই ভাওৰ সম্বন্ধ। ভৈয়ামে পৰ্বতক যোগাইছিল জীৱন নিৰ্বাহৰ দৈনন্দিন ব্যৱহাৰ কৰিবলগীয়া বস্তু; যেনে—এৰীয়া কাপোৰ, মুগা কাপোৰ, শুকান মাছ আৰু কোনো কোনো অংশত চাউল-মাহ। এইবোৰৰ উপৰিও আছিল ভৈয়ামত সিবিলাকৰ নিমিত্তে মান-মাটি আৰু বহতীয়া। সেইবোৰৰ বিনিময়ত লুইতপৰীয়াই পাইছিল বৰ খামতিৰ ৰূপ খনিৰ কেঁচা ৰূপ, বিচাগামৰ বিচা বিহ, চিংফৌৰ সীহ, তাম, ৰূপ আৰু মান-তৰা আৰু কাৰেঙৰ পৰা পাইছিল জাংফাই। গাৰোৰ দা-কটাৰী, নগাৰ লোণ আৰু কণী বিহ, নগা খাঠী, ফৰ, খামতিৰ দা; মিচিমিৰ মিচিমি তিতা; আবৰৰ জিম কাপোৰ, পান্ধ-কলাই, হাতীদাঁত---এইবোৰ আপুৰুগীয়া বস্তু আমাৰ পৰ্বতীয়া-সকলৰেই দান।

খ্ৰীষ্টীয় দ্বাদশ শতিকাৰপৰা অসমত পৰ্বতীয়াসকলৰ যি সংমিশ্ৰণ হ'ল, সিও থল-পৰ্বতৰ সম্বন্ধ নিকপকপীয়া কৰিলে। লুইতৰ পাৰত এতিয়াও এনে একোঘৰ নিভাঁজ অসমীয়া মানুহ যাৰ উপৰি-পুৰুষ পৰ্বতীয়াসকলৰেই এজন। চুকাফাই নৰাৰপৰা আহি সৌমাৰত খিত দিয়েই পৰ্বতীয়া থলুৱাসকলক সাদৰেৰে আহ্বান কৰিলে।

"আমি দেখাদেখি হওঁহঁক, আহক। আমি উজান ৰাজ্যৰপৰ আহিছোঁ। আপোনাসকল হৈছে থলগিৰি; আমি আলহী। আমাক গাঁও-ভূইখনৰো পৰিচয় কৰাব লাগে।" আহোঁতে বাটত ভেটা দিছিল যদিও, নগাসকলেই পোনেই সাদৰী মাত কথাত ভোল গ'ল। থলুৱা-সকলে লাওটো, কচুটো, বেঙেনাটো লৈ চুকাফাক সম্ভাষণ জনালেহি। পৰ্বতীয়া থলুৱাৰ প্ৰীতি বান্ধোনত তেতিয়াৰপৰাই একৰাব নোৱৰা এঠাৰ কৰাল লাগিল। ১৫৩৯ খ্ৰীষ্টাব্দৰপৰা সেইবিলাকৰ লগত খোৱা-বোৱা, খোৱা-লোৱা, আনকি, যুদ্ধ বিগ্ৰহতো বিশেষ ঘনিষ্ঠতা আৰু বিশ্বাসপৰায়ণতা বাঢ়িবলৈ ধৰিলে। সিবিলাকৰ লগত সৌহাৰ্দ্য-ভাব ৰক্ষা কৰিবলৈকে আহোম ৰাজত্বত শদিয়াত শদিয়াখোৱা গোহাঁই, মৰঙীত মৰঙীখোৱা গোহাঁই, কাজলীত কাজলীখোৱা গোহাঁই, [illegible]

গোহাঁই এইবিলাক বিষয়ব সৃষ্টি কৰি সেইবোব ঠাইত সেইসকল বিষয়া ৰাখিলে।

খাচী, গাৰো, জয়ন্তীয়াৰ লগত পোনপটীয়া সম্বন্ধ ৰখা হৈছিল, এইবিলাক গাৰো পৰ্বতৰ ঠেঙত থকা দাঁতিয়লীয়া ৰজাব যোগেদি— ৰাণীৰ বলিয়া ৰজা, মৰুৱা পুৰীয়া ভোলাগঞা, বৰ দুৱৰীয়া, বাঘ ডেকাৰজা, পল্টনীয়া, জগুবি মাটি, বকোব জৈ ৰজা, লুকীৰ পগলা ৰজা আৰু ছুইগঞা ৰজা। খাচীয়াৰ টিৰুৎসিঙৰ দিনলৈকে (বৃটিছৰ দিনলৈকে) এইবিলাক দাঁতিয়লীয়া ৰজাও অসম ৰজাৰে তললীয়া বা মিত্র আছিল। থলুৱা পৰ্বতীয়াৰ মাজত অসমীয়া বুলি সত্তাৰ সম্প্ৰীতি স্থাপন কৰাৰ গুৰি হ'ল স্বৰ্গদেৱ আৰু পাত্ৰ-মন্ত্ৰীসকলৰ বুদ্ধি-পৰামৰ্শ আৰু জাতত তোলা প্ৰথা। তাতে আকৌ পৰৱৰ্তী কালত সোণৰ সাঁকো পাৰি দিলে শ্ৰীমন্ত শঙ্কৰ প্ৰৱৰ্তিত ভাগৱতী ধৰ্মই—যাৰ প্ৰভাৱত গাৰোৰ গোবিন্দ আতৈ, নগাৰ নৰোত্তম আতৈ, দক্ষিণ কুলীয়াৰ শিষ্য গাৰো আৰু বাৰে ঘৰৰ শিষ্য নগাবিলাকে আজিও অসমীয়া সংস্কৃতি অটুট ৰাখিছে। ইয়াৰ উপৰিও ১৬৫৯ খৃঃত নগাঁৱৰ জখলাবন্ধা সত্ৰৰ কৃষ্ণানন্দ দেৱ গোস্বামী ব্ৰহ্মচাৰীয়ে পৰ্বত-পাষণ্ড পাৰ হৈ গৈ কোঁৱৰ দীপসিংহক বৈষ্ণৱ ধৰ্মত দীক্ষিত কৰি মণিপুৰতো অসমীয়া সংস্কৃতিৰ ছাপ মাৰি থৈ আহে। বৃটিছ অহাৰ আগলৈকে এই ৰূপেই থল-পৰ্বতীয়াৰ মিলা-প্ৰীতি চলি আছিল। অৱশ্যে মাটিৰ টেকেলি, কলহ, একেলগে থাকিলে, কেতিয়াবা ঠেকাঠেকি লাগে। সেইদৰে থল-পৰ্বতীৰো কেতিয়াবা কেতিয়াবা এখন দুখন কাজিয়া লাগিছিল। কিন্তু সেইবোৰ ক্ষন্তেকীয়া। অলপ দিনতে আকৌ মিল হৈছিল। পৰস্পৰে মিতুৰ, হাজিসখী আদি মিত্ৰতাসূচক সম্বন্ধ ধৰি লেনদেন কৰি আছিল।

ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ আজ্ঞা পালি, গাৰো-জয়ন্তীয়া কছাৰী, মণিপুৰীয়া, নগা, ডফলা সকলোৰে সৈন্য পদাতিয়ে ফুৰুলি মাৰি কৰতীয়া গঙ্গা অসমৰ ভিতৰ কৰিবলৈ ওলাইছিল। কেউফালৰপৰা জাঁকি মাৰি যেতিয়া দাঁতি-কাষৰীয়া, পৰ্বতীয়া আৰু স্বৰ্গদেৱৰ সৈন্য সমবেত হৈ গঙ্গা নৈখন অসমৰ ভিতৰুৱা কৰিবলৈ যি ঠেম ধৰিছিল, বুৰঞ্জীৰ বৰ্ণনামতে সেই ঠেমৰ দৃশ্যত মন-গা উলাহি থাকে। সেই হে পৰ্বতত

থাকিলেও থলুৱাসকলে তাৰ অধিবাসীসকলক বুকুৰ বান্ধৈ গাৰ মঙহ, এওঁবিলাকক এৰি আমি জীয়াই থাকিব নোৱাৰোঁ বুলি এতিয়াও হামৰাও কাঢ়ি ফুৰে।

জয়ন্তীয়াৰ যশমাণিক ৰজাই ১৬০৬ খৃঃত স্বৰ্গদেৱ প্ৰতাপসিংহলৈ কন্যা দিয়া কথা, ৰাজেশ্বৰ সিংহই মণিপুৰীয়া কুঁৱৰীক বিয়া কৰোৱা কথা সকলোৱে জানে। এইটো কথাও কিন্তু এতিয়া জানিবলগীয়া হৈছে যে যেতিয়া মীৰজুমলাই অসম আক্ৰমণ কৰে, তেতিয়া জয়ন্তী ৰজাই মানুহ-দুনুহ, সৈন্য-সামন্ত, ৰছদ-পাতি একো দিবলৈ নাপালে। মীৰজুমলা উলটি যোৱাত সেই বাতৰি শুনি জয়ন্তীয়া নতঙীয়া ৰজাই স্বৰ্গদেৱলৈ চিঠি লিখি এই বুলিছে দুখ কৰি কপাল খুন্দিয়াইছিল, "অস্, অস্। মোগলে তোমালোকৰ ৰাজ্য মৰাৰ কথা আগে নুশুনিলোঁ। তুমি একো বাৰ্তাও নিদিলা। জয়ন্তীয়া গড়গাঁও কেতিয়াও দুখন নহয়। তোমাৰ দেশ নেমাৰিলে, মোৰ দেশহে যেন মাৰিলে। আমি বিপদৰ সময়ত সহায় কৰিবলৈ নাপাই আমাৰ যি দুখ লাগিছে, কি ক'ম? আমাৰ মানুহ দুটা মোগলে ধৰি নিছে বুলি তুমি লেখিছা। দুজন কিয়, তোমাৰ কাৰণে, দহ-বিশ হাজাৰ মানুহ মৰা হ'লেও আমি অসন্তোষ কৰিবলৈ একো নাই। তোমাৰ দেশ মোগলে মাৰিলে! হায়! হায়! আমি তেতিয়া কুশলে আছিলোঁ, হুকুম নকৰিলোঁ। দহ-বিশ হাজাৰ মানুহ যে পঠিয়াব নোৱাৰিলোঁ। এইটো বেজাৰেহে আমাৰ অন্তৰ খুলি খুলি খাইছে। তোমাৰ আমাৰ প্ৰীতি নতুন নহয়। পূৰ্বাপৰ চলি আহিছে।"

বৃটিছৰ কূটনীতি আৰু ছলনা-চাতুৰিৰ ফলত ৰাজনীতিৰ যি বিষবৃক্ষ ৰোপিত হ'ল, তাৰ বিষ স্বাধীনতা লাভ কৰাৰ পাচতো গুচাব পৰা নাই—বৰং বাঢ়িছে হে। কিন্তু, এদিন আহিব যিদিনা গোটেই ভাৰতৰ নামত অসমৰক্ষী পৰ্বতীয়া সকলেৰে গোট খাই জয়ন্তীয়া ৰজাই মীৰজুমলা আক্ৰমণৰ সময়ত কোৱাদৰে একেদৰে ক'ব লাগিব—

'অসমৰ থল-পৰ্বতী দুই নহয়---এক। দুয়ো একেটা হৈ জন্মভূমি ভাৰতৰ বিজয় পতাকা উৰাই থাকিব লাগিব।' *

* অসম সাহিত্য সভাৰ ধিং অধিবেশনৰ স্মৃতিগ্ৰন্থত প্ৰকাশিত।

ব্ৰিটিছ পৰ্য্যটকৰ দৃষ্টিত অসম

খৃষ্টাব্দৰ সপ্তম শতিকাৰপৰা আৰম্ভ কৰি কুৰি শতিকাৰ আগভাগলৈকে ভালেমান বিদেশী পৰ্য্যটকে অসমৰ পৰ্বত-ভৈয়ামৰ নজনা নুশুনা ঠাইবোৰ আৱিষ্কাৰ কৰি, সেইবোৰৰ ভৌগোলিক বৃত্তান্ত লেখি থৈ গৈছে। তাৰ ভিতৰত পৰিব্ৰাজক হিউৱেন চাঙেই প্ৰথম আৰু দুঃসাহসিক টি ডি লেম্বাৰ্টেই শেষ।

ফৰাচী বেপাৰী জ্যাঁ বেপটিষ্ট চিভেলিয়াৰেই অসমৰ ভৌগোলিক আভাস লওঁতা বা দিওঁতা পোনপ্ৰথম বিদেশী ভ্ৰমণকাৰী। তেওঁ আহিছিল চন্দননগৰৰ পৰা ঢাকাইদি নাৱেৰে। অসম ৰজাৰ অনুমতি লৈ ৰংপুৰ, গড়গাঁৱত ওলাইছিলহি। কিন্তু, কোনো দেশীয় মানুহৰ সৈতে কথা-বতৰা পাতিব নোৱাৰে বুলি ৰজাই আদেশ কৰাত, তেওঁ অসমৰ একো বুজবাজ ল'ব নোৱাৰিলে। ৰংপুৰৰ পৰা গা বচাই কোনোমতে পলাই সাৰিল। দিখৌ-ব্ৰহ্মপুত্ৰইদি উলটি যাওঁতে বাটত যি গাঁও-ভুঁই দেখিলে তাৰে এখন মেপ বা চিত্ৰ আঁকি লৈ গ'ল। সেইখনেই বিদেশীৰ হাতত অসমৰ প্ৰথম ভৌগোলিক চিত্ৰ।

১৭৬৫ চনত মেজৰ জেমছ ৰেনেলে অসমৰ এখন ভূচিত্ৰ আঁকি নিয়ে। সেই চিত্ৰৰ বিৱৰণ তেওঁ সংগ্ৰহ কৰিছিল নগৰবেৰাৰ পৰা। ৰজাই অনুমতি নিদিয়াত উজাই আহিব নোৱাৰিলে। তথাপি বেহেৰুৱা মানুহক সুধিপুচি ব্ৰহ্মপুত্ৰ নদৰ গুৰি চান-প' বুলি 'ভূগোলবিদৰ পিতৃ' মেজৰ ৰেনেলে হিন্দুস্থানৰ মানচিত্ৰত অসমৰ প্ৰধান নদখনৰ উৎপত্তি আঁক এটা মাৰি থৈ গ'ল।

অসমৰ অন্তৰ্বিদ্ৰোহ দমাবলৈ কেপ্টেইন ৱেলছে যি সামৰিক অভিযান চলাই আনিছিল তাৰ লগতে টমাচ্ উড আৰু ডাক্তৰ জন পিটাৰ ৱেড আহিছিল। ১৭৯২ খৃষ্টাব্দৰ পৰা '৯৪ চনলৈ ৰংপুৰ পৰ্য্যন্ত সৈন্য-সামন্তৰ লগত আহি থাকোতেই উডে যন্ত্ৰপাতিৰ সহায়েৰে মানচিত্ৰই সৈতে অসমৰ ভৌগোলিক বৃত্তান্ত এটি লেখি নিয়ে। তেওঁৰ অঙ্কিত মেপত গুৱাহাটী-দৰং দেশৰ সীমা আচী যেনকৈ দেখুৱা আছে। তেওঁৰ সহযাত্ৰী ডাঃ ৱেডে বুৰঞ্জী আৰু বুৰঞ্জী তথ্য সংগ্ৰহৰ লগে

লগে পৰিবৃদ্ধিতকৈ ভৌগোলিক বিৱৰণো সংগ্ৰহ কৰে। বিস্তৃত ঠাই-বোৰ ৰেডে স্বচক্ষুৰেই চাই আৰু স্থানীয় মানুহক সুধি সুধি পৰি-শোধিতকৈ পাৰ্য্যমানে সেইবোৰৰ শুদ্ধ বিৱৰণ দিছিল। তেওঁ সংগ্ৰহ কৰা ভৌগোলিক বৃত্তান্তটি ১৯২৭ চনত প্ৰকাশিত হৈ গৈছে।

মান খেদি বৃটিছে দেশ লোৱাৰ সময়তে ১৮২৫ চনৰ পৰা '৩৫ চনলৈকে কেপ্টেইন উইল কক্স, কেপ্টেইন বেডফৰ্ড, বাৰ্লটন, কেপ্টেইন ন্যভিল বা নবীন চাহাব, কেপ্টেইন আৰ বইল, পেম্বাৰ্টন প্ৰভৃতি কেবাজনো দুঃসাহসিক অপুসন্ধিৎসুৱে অজ্ঞাত অসমক আৱিষ্কাৰ কৰি জগতত ভাৰতৰ এই উত্তৰ-পূব সীমান্ত দেশখনৰ কথা জগজ্জননী পণ্ডিত পাৱনী কৰিলে।

উইলকক্স চাহাব দিছাঙেদি নাৱেৰে সোমাই বৰহাট পায়গৈ। তাৰপৰা জয়পুৰলৈ যায়। বিশ্বনাথ, জয়পুৰ, যোৰহাট, পাটকাই পৰ্বতলৈ সোমায়গৈ। সেইবোৰ ঠাই বিষুৱ ৰেখাৰ পৰাও কিমান দূৰত তাকো নিৰ্ণয় কৰে। আবৰ পৰ্বতত ভৰি দিয়া তেৱেঁই সৰ্ব-প্ৰথম। তেতিয়া তেওঁ দিহং নৈৰ পৰা শোৱণশিৰীলৈকে জুৰি থকা পৰ্বতৰ নামনিত আবৰৰ (আদি) বসতি পাই আৰু মিৰিৰ (আজিকালি মিচিং) চাঙো আছিল আবৰ পৰ্বতৰ পয়ৰাৰ পৰা ব্ৰহ্মপুত্ৰৰ উত্তৰেও দক্ষিণেও। দিহং নৈৰ গুৰি বিচাৰি কেপ্টেইন বেডফৰ্ড আৰু কেপ্টে-ইন উইল কক্সে বৃটিছ সাম্ৰাজ্যক আগ কৰি নিজৰ জীৱনক পাছ পেলাই সেই অজান্তি মুলুকত প্ৰৱেশ কৰিছিলগৈ। উইল কক্স চাহাবৰ বিৱৰণীত পাওঁ—

স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহৰ দিনত দিহিং নৈত এনে এটা প্ৰবল বানপানী আহিছিল যে, সেই বানপানীয়ে আমাৰ গোটেইখন দেশ তল নিয়াইছিল আৰু গাঁও-ভূঁই সকলোবোৰ উটাই বুৰাই নিছিল। সেই বানপানীতে দিহিং নৈৰ গতি সলনি হ'ল আৰু দেশৰ বাম ঠাই দ হৈ আৰু দ ঠাই বাম হৈ আগৰ চিন-চকৰ নাইকিয়া হ'ল। এই বানপানী ১৫ দিন আছিল আৰু তাত অনেক খেতি-বাতিৰ সঁজুলি, গৃহস্থালীৰ মালামাল, হাতীৰ সা-সঁজুলি আৰু আন আন বস্তু বেহানি উটি আহি-ছিল। সেই বস্তুবোৰ যে এটা সভ্য আৰু উন্নত জাতিৰ বস্তু আছিল তাক সকলোৱে কৈছিল আৰু আমাৰ মানুহে সেইবোৰ কলিতা দেশৰ পৰা অহা বুলি ভাবিছিল।

কলিতা ৰজাৰ দেশৰ কথা কিম্বদন্তীৰূপে কোৱা শুনা যায়। গোপাল আতাৰ পূৰ্বপুৰুষো কলিতা ৰজাৰ দেশৰে আছিল। উইলকক্সে অসমৰ ভৌগোলিক উৰাদিহ ল'বলৈ যাওঁতে বগাদময়া ফুকন নামেৰে এজন মানুহে ১৮২৫ চনত তেওঁক কলিতা ৰজাৰ দেশৰ কথা এইদৰে কৈছিল---

"১৬৫৭ শকত আমাৰ দেশত দুখন নৈ বৈ আছিল। আগৰ দিনত দিহং দিপঙৰ ওচৰত থকা চেংলাই নৈৰ মুৰত ২ খন কছাৰী গাঁও আছিল। এই গাঁও দুখনত দুখন বিল আছিল। এখনৰ নাম দিহা দাকৰা আৰু আনখনৰ নাম দিবঙীয়া। চেঙা বা চেংলাই বুলি এখন নৈ দুৰিয়া গোহাঁইৰ দেশৰ পৰা বৈ আহি এই দুখন বিল পৰি দিহাং দিপাং নাম লৈছে আৰু কলিতা ৰজাৰ দেশৰ পৰা আহা দিবাঙ নৈত পৰিছে। দিহং নৈত অনেক শিল আছে, সেই কাৰণে চেংলাই নৈ, মুখলৈকে তাত নাও নচলে। কিন্তু সিহং নৈদি ৪০ দিন উজাই গৈ চেংলাই নৈৰ মুখ পায়। তাৰ পৰা কলিতা ৰজাৰ দেশ ১২ দিনৰ বাটত চেংলাই নৈত নাও নচলে।

শদিয়াৰ পৰা কলিতা দেশ ৪২ দিন ৪ ঘণ্টাৰ বাট। বাটত বহুত পৰ্বত হাবি আছে, সেইগুণে তালৈ যোৱা বৰ দুষ্কৰ। আবৰ দেশৰ পৰা ৯ দিনৰ বাটত বিৰৰ দেশ আৰু বিৰৰ দেশৰ পৰা তিনিদিন নৈদি জিবৰ দেশ পায়গৈ। জিবৰৰ পৰা ৭ দিন গ'লে বৰকণা দেশ পোৱা যায়। কলিতা দেশ বৰকণা দেশৰ পৰা ৩ দিনৰ বাটত। বাটত ২৪টা পৰ্বত, ১১টা ডাঙৰ সোঁতা আৰু সৰু সুঁতি অনেক আছে। পৰ্বতেদি যোৱা অসাধ্য; কিয়নো বৰকণাহঁতে বাট এৰি নিদিয়ে। কলিতা দেশৰ উত্তৰ-পশ্চিমে ৯ দিনৰ বাটত কিৰাং গোহাঞিৰ দেশ। দুৰিয়া দেশ কিৰঙৰ পৰা ৫ দিনৰ বাটত। দিহাং-দিপাং নৈ, কিৰাং আৰু দুৰিয়া এই দুই দেশৰ মাজৰ পৰা ওলাইছে।

ন্যুফিল চাহাবে সেই অঞ্চলটো ভ্ৰমি ভ্ৰমি শেহত এটা মন্তব্য দি থৈ গৈছে। সেইটো হৈছে এই---দিহং-দিবঙৰ উজনিত থকা পৰ্বত-শাৰীৰ সিলুটিয়ে এখন বিবাট সমৃদ্ধিশালী সুসভ্য দেশ থকাৰ চিন পোৱা যায়। কালক্ৰমত সেই দেশৰ সবিশেষ বিৱৰণ আমি জানিব পাৰিমহঁক।

কেপ্টেইন বইল পেম্বার্টনে মণিপুৰৰ ফালৰ পৰা অসমত সোমাই গোলাঘাটৰ নগোৰা, ববফালং, মহং, সৰিয়হজানৰ নলা পৰ্য্যন্ত বিষুব ৰেখাৰ পৰা কোন ঠাই কিমান দূৰ তাৰ ভৌগোলিক চিন দিয়ে। এওঁৰ ৰিপৰ্টত বৃটিছ ভাৰতৰ পূব সীমান্তত থকা অসমকে ধৰি বৰ্মা পৰ্য্যন্ত সকলো নব-আৱিষ্কৃত ঠাইৰে বিস্তাৰিত বিৱৰণ আছে। কমিছনাৰ জেনকিঞ্চ আৰু মেজৰ আডাম হোৱাইটৰ নামো এইখিনিতে উল্লেখযোগ্য।

ইয়াৰ পিচত ই-টি ডেল্টনে ১৮৫৩ চনত, এইচ-এল জেনকিঞ্চে ১৮৬৯ চনত, এইচ-ই পীলে ১৮৭৯ চনত, এইচ-এচ হেলেটে ১৮৬৬ চনত, লেফটেনেন্ট গ্ৰেঞ্জে ১৮৪০ চনত, গ্ৰীফিথে ১৮৩৬ চনত, কেপ্টেইন ব্ৰডীয়ে ১৮৪৫ চনত, হাৰ্মানে ১৮৭৯ চনত, টি-টি কুপাৰে ১৮৭৩ চনৰ বৰ্মাৰ সীমালৈকে ভৈয়ামৰ ভাগে ভাগে ঠাই ফুৰি আৰু পৰ্বতৰো নৈ-জান-জুৰি-শিলনি বগাই গোটেইখন চলাথ কৰিলে। এই এটাই-বিলাক ভৌগোলিক আৰু জাতি তত্ত্বানুসন্ধানকাৰীৰ ঐকান্তিক চেষ্টাৰ ফলতেই অসমৰ ভৌগোলিক মানচিত্ৰখন পৰিপাটিকৈ আঁকি দেখুৱাব পৰা হ'ল।

এস ডব্লিউ ছেক্সপীয়েৰ আছিল এজন সামৰিক বিষয়া। তেওঁ পল্টনৰ লগে লগে ফুৰি বহুত নতুন ঠাই আৱিষ্কাৰ কৰিছিল। ভাৰতৰ ভালেমান ঠাই দেখি অহা চেক্সপীয়েৰে অসমলৈ আহি উজনি অসমৰ বুৰঞ্জী' (হিষ্টৰী অব আপাৰ আসাম)' নাম দি এখনি বুৰঞ্জী লেখে। সেই বুৰঞ্জীত চিংফৌ-খামতি-আবৰ-কাবেন আদি দেশৰ বিষয়ে বহুত নতুন নতুন কথা আছে। শদিয়াৰ কুণ্ডিল নগৰৰ পৰা মধ্য ভাৰতলৈকে থকা ৰাজগড়টিৰ বিষয়ে তেৰেঁই প্ৰথমে আৱিষ্কাৰ কৰে। চেক্সপীয়েৰে থল-লাইব্ৰেৰী দুয়ো ঠাইৰ পৰা অনুসন্ধান কাৰ্য্য চলাইছিল।

ই টি ডি লেম্বার্টে কুৰি শতিকাৰ তৃতীয় দশকৰ ভিতৰত অসম আৰু বৰ্মাৰ মাজত থকা 'নো মেনছ্ লেণ্ড' (জনশূন্য ৰাজ্যাঞ্চল) চাৰ্ভে কৰে অৰ্থাৎ তাৰ নদী-পৰ্বত, মানুহ-ভাষা, ইঠাইৰ পৰা সিঠাইৰ দূৰত্ব জুখি জুখি ভূগোলৰ চিত্ৰ কৰে আৰু থলুৱা মানুহৰ ভাষা-সভ্যতাৰ বিষয়েও বহুখিনি কথা উদ্ধাৰ কৰে। তেওঁৰ মতে অসমকে ধৰি অসমৰ পৰা টুৰেনচাং পৰ্বতলৈকে ১৫০টা দোৱান বা কথিত ভাষা আছে।

১৮৬৪-৬৫ চনৰ ডাঃ ডব্লিউ নাছাও নামে এজন চাহাবে অসমত থকা তেওঁৰ নিজা চাহ বাগিছা চাবলৈ আহি, অসমৰ চুক-কোণত থকা ভালেমান অনাৱিষ্কৃত ঠাইৰ নতুন তথ্য উদ্ঘাটন কৰে। ঘূৰি গৈ অসম আৰু অসমীয়া মানুহৰ বিষয়ে তেওঁ এই অনুধাৱনযোগ্য মন্তব্যটি বাতৰি কাকতত প্ৰকাশ কৰিলেগৈ ঃ

'একাল আছিল, যেতিয়া অসমত সৰোবৰৰ নিচিনা একোটা পুখুৰী আৰু বোমান দূৰ্গৰ নিচিনা একোটা একোটা দূৰ্গ নিৰ্মিত হৈছিল সেইবোৰ নিৰ্মাণ কৰিছিল সেই দেশৰ মানুহেই। আজি আৰু সেইবোৰ ক'ত? সেই দূৰ্গও নাই, পুখুৰীও নাই, আলি-পদূলিও নাই। আটাইবোৰ হয় ধ্বংস পালে, নহয় হাবিয়নিৰ মাজত চাক খালে। অসমীয়া মানুহবিলাকো বৰ সৱলচিতীয়া আছিল; কিন্তু সেই স্বভাৱো এতিয়া ৩চৰ চুবুৰীয়াৰ সংসৰ্গত নাইবা আমাৰ আদালতী বিচাৰত পৰ্বতৰ কাছকণী হোৱাদি হ'ল।

কিংদন ৱাৰ্ড নামে বিমান বিহাৰী পৰ্য্যটকেও অসমৰ দীৰ্ঘব্যাপী পৰ্য্যবেক্ষণ কৰি অসমৰ নাম দিছিল "সভ্যতাৰ সমাধিক্ষেত্ৰ"।

আগতে কৈ অহা দীৰ্ঘদৃষ্টিসম্পন্ন ভৌগোলিক-ঐতিহাসিক, পৰ্য্যটক পণ্ডিতে উমঘাম দিয়াত 'মায়াপী' অসম দেশলৈ সকলোৰে চকু পৰিবলৈ ধৰিলে। বুৰঞ্জীজ্ঞানহীন প্ৰশাসকৰ দ্বাৰাই শান্তি-শৃঙ্খলা স্থাপন কৰা অসম্ভৱ দেখিয়েই বৃটিছ আমোলত—কি সামৰিক, কি অসামৰিক—সকলো বৃটিছ বিষয়ায়েই ৰাজ্য বিস্তৃতিৰ অৰ্থে চিন্তা কৰিব লাগিছিল। সেইকাৰণে আদিৰে পৰা বৃটিছে ভাৰত পৰিত্যাগ কৰালৈকে ইউৰোপীয় দ্বাৰাই বৈজ্ঞানিক পদ্ধতিত ভাৰত সাম্ৰাজ্যৰ ভূগোল ৰচনা কৰোৱা হৈছিল যেনেকৈ, অন্তৰ্বৰ্তী অসমৰ সীমা বিস্তাৰৰ হেতুকত উইলিয়মছন, গ্ৰেগাৰ্ছনৰ নিচিনা কেবাজনো ইংৰাজ ভৌগোলিকে আৰু দেশ আৱিষ্কাৰকে অসমৰ পূব উত্তৰ সীমান্তত প্ৰাণ বিসৰ্জন দি গ'ল। সিবিলাকৰ অক্লান্ত পৰিশ্ৰম আৰু অদ্ভুত দুঃসাহসিকতাৰ ফলকে আজি আমি উপভোগ কৰিবলৈ পাইছোঁ।*

---

* ১৮৯৪ শকৰ শাৰদীয় সংখ্যা 'দৈনিক অসম'ত প্ৰকাশ পোৱা।

অসমীয়া বাতৰি-কাকতৰ ইতিহাস

"অৰুনোদই"

খ্ৰীঃ ১৮৪৬--১৮৮৩

ইং ১৮৪৬ চনত ওলায় 'অৰুণোদই' কাকত। এইখনেই অসমীয়া ভাষাত পোনপ্ৰথম আলোচনী শ্ৰেণীত পৰা বাতৰি-কাকত। ইয়াৰ আগেয়ে আলোচনী বা বাতৰি-কাকত কাক বোলে অসমীয়া মানুহে ভু পোৱা নাছিল। আনকি ইংৰাজী 'নিউজ-পেপাৰ' শব্দটো ৰো অসমীয়া প্ৰতিশব্দ নাছিল। 'অৰুনোদইয়ে' সম্বাদ-পত্ৰ বুলিহে তাৰ অসমীয়া ভাঙনী কৰিছিল। 'সমাচাৰ' 'সম্বাদ' বা 'সংবাদ' এইকেইটা শব্দহে 'নিউজ পেপাৰ'ৰ সলনি ব্যৱহৃত হৈছিল। 'বাতৰি-কাকত' নামটো পাছত ওলোৱা।

'অৰুণোদই' আমেৰিকান বেপটিষ্ট মিশ্যনৰ ঐতিহাসিক দান। উজনি-অসমত 'অসম-বন্তি' ওলোৱা দিনতো মানুহে সেইখন কাকতকো 'অৰুনোদই' বুলি হে চাবলৈ ওলাইছিল। ই অসমীয়া মানুহৰ মাজত জ্ঞানৰ পোহৰ বিলালে, গোট-গোট হৈ থকা লেখা-পঢ়া জনা শিক্ষিত মানুহখিনিক সভা-সমিতি পাতিবলৈ শিকালে, বাতৰি-কাকতলৈ বাতৰি দিব লাগে কেনেকৈ তাকো শিকালে। আলোচনী ৰূপে অসমৰ সাঁচিপতীয়া বুৰঞ্জী আদি ছপাই অসমীয়া জাতিৰ স্বতন্তৰীয়া সভ্যতা জগতৰ আগত দাঙি ধৰিলে। 'অৰুনোদই'য়ে আটাইতকৈ ডাঙৰ কাম কৰিলে---অসমীয়া ভাষাটো একেবাৰে স্বতন্তৰীয়া বুলি প্ৰতিপন্ন কৰি। অৱশ্যে ইয়াৰ আঁৰত আছিল আনন্দৰাম ঢেকীয়াল ফুকন। তদুপৰি ছপাশালৰ আওভাও নোপোৱা অসমীয়া মানুহক "অৰুনোদই" ছপাশালত আখৰ-বাছিবলৈ শিকালে। বজৰমণি কাঁইটৰ ৰলক কৰি ছবি ছপাব লাগে কেনেকৈ তাকো দেখুৱালে।

'অৰুনোদই' উলিওৱা ইতিহাস বৰ দীঘল। তথাপি সকলোৱে জানে যদিও ইয়াৰ বিশেষত্ব দুটিমান নুনুকিয়াই নোৱাৰিলো। 'অৰুনোদই' ছপা কৰা যিটো ছপাশাল সেইটো ৰেভাৰেণ্ড কটাৰ (Rev Cutter) চাহাবে শদিয়াৰ পৰা আনি শিৱসাগৰৰ দৈকলঙীয়া গাঁও আৰু থানাঘাটৰ পৰা অলপ ভাটীয়ে পকাঘাটৰ ওচৰত বহুৱায়হি। ইয়াৰ পৰাই ১৮৪৬ চনত, কটাৰ, ডঃ নথান ব্ৰাউন পাদুৰী চাহাব দুয়ো গোটখাই 'অৰুনোদই'খন প্ৰকাশ কৰে। কাকতখনত মাহেকৰ মূৰে মূৰে ওলাইছিল। আজিকালি মাহেকীয়া কাকত এখনক কোনেও বাতৰি কাকত বুলি নকয়---আলোচনী বুলিহে কয়। কিন্তু, অসমত নভূত-নশ্ৰুত সম্বাদপত্ৰ 'অৰুনোদই'যে মাহেকীয়া হ'লেও আলোচনী আৰু বাতৰি দুয়োবিধ কাকতৰে কাম সম্পাদন কৰিছিল।

কাকতখন উলাইছিল। কাঠৰ ব্লক কৰি ছপোৱা ছবিৰে প্ৰবন্ধ কিছুমান চিত্ৰিত কৰা হৈছিল। অসমীয়া মানুহৰ হতুৱাই সেই চিত্ৰ আঁকোৱাই ওপৰত কেৰ দৰে সৰু সৰু কিছুমান বজৰমণি কাঁইটত কটাই ব্লক কৰাই লৈছিল।

১৮৪৬ চনৰ পৰা ১৮৮২ চনলৈকে 'অৰুনোদই' কাকত চলে। ইমান দীঘলীয়া বয়স 'অৰুনোদয়ে'হে পাইছিল। ইয়াৰ আখৰ-জোঁটনী কৰা হৈছিল গাঁৱলীয়া মানুহে যেনেকৈ মাত-কথা উচ্চাৰণ কৰে তেনেকৈ। প্ৰথম 'চ', শ, ষ, স---এই তিনিটাৰ ভিতৰত 'স'টো, আৰু বহু মতবাদৰ ভিতৰত 'ি' ইকাৰ ু উকাৰ হে ব্যৱহাৰ কৰা হৈছিল। কলিকতাত সীহৰ ৱ আখৰটো পোৱা নাছিল দেখি 'অ' অখৰটো চলাইছিল। হেমচন্দ্ৰ বৰুৱাই লাগি-ভাগি 'ৱ' আখৰটো চলাই অনালত হে 'ৱ'ৰ ব্যৱহাৰ হ'বলৈ ধৰিলে।

সম্পাদক জনেই আছিল সম্পাদকো, আখৰ বাছোতাও, বেচোতাও আৰু সভা পত্ৰা দিনা থিয় পেহাৰীও।

১৮৩৬ চনৰ পৰা ক্ৰমান্বয়ে এইসকল আছিল 'অৰুনোদই'ৰ সম্পাদক ঃ

১৮৫৩ চনত--কটাৰ গল।

১৮৫৫ চনত---ডাঃ ব্ৰাউন গ'ল।

১৮৫৬ চনলৈকে ৰেভাৰেণ্ড এচ এ আহেৰাই উ.ভ অকলৈ চলায়।

১৮৫৬ চনত---ডাক্তৰ মাইলচ্ ব্ৰন্সন অসমীয়া অভিধান লেখাতো)।

১৮৬২ চনৰ পৰা শ্ৰীমতী এচ আৰ ৱাৰ্ড (Mrs, S. R. ward)।

১৮৬৯ চনত ৰেভাৰেণ্ড ক্লাৰ্ক।

১৮৭৪ চনৰ পৰা ৰেঃ এ কে গৰ্নী। (Rev. A. K. Gurney)

১৮৮৩ চনত ছপাশালটো নাজিৰাৰ আসাম কোম্পানিয়ে কিনি নিলে।

ভাষাবিদ ডাক্তৰ নাথান ব্ৰাউনে (Dr. Nathan Brown) হে জয়ে জয়ে অসমীয়া ভাষাত কোন ভাষাৰ কিমান শব্দ আছে তাক ফঁহিয়াই দেখুৱায়। এনেকৈ বিশ্লেষণ কৰাত, বোধকৰো ডাক্তৰ ব্ৰাউনেই প্ৰথম। তেওঁ লেখিছিল—অসমীয়া ভাষাত ঃ

সংস্কৃত ভাষাৰ শব্দ ৬৩টা আছে

খামতিৰ	১টা
শ্যামদেশীয়	১টা
অঁকা	৭টা
আবৰ (আদি)	১টা
মিচিমি	১টা
মান	৫টা
ক্যাৰেং	৩টা
মৰাণ	১টা
দক্ষিণ টঙ্কু	১টা
খৈবু	১টা
মাৰেং	১টা
জাপানী	১টা
নগা	৩টা

পুৰন্দৰ সিংহ স্বৰ্গদেৱৰ আদেশত ৰাধানাথ বৰবৰুৱাই কৈ যোৱা মতে কাশীনাথ তামুলী ফুকনে যিখন অসমৰ বুৰঞ্জী লিখিছিল সেইখন পোন প্ৰথমেই 'অৰুনোদই'ত প্ৰকাশ হয়। আলোচনী ৰূপে ইয়াত ইংলণ্ডৰ বুৰঞ্জী আৰু নানান জ্ঞান-বিজ্ঞান বিষয়ক প্ৰবন্ধ প্ৰকাশিত হৈছিল। খ্ৰীষ্টীয়ান ধৰ্ম প্ৰচাৰেই ইয়াৰ মূল উদ্দেশ্য আছিল যদিও, দেশীয় বা-বাতৰি আৰু ভাষা-সম্পৰ্কীয় বিবিধ প্ৰবন্ধাদি থকাত কাকতখন সকলোৰে আতোল-তোল হৈ পৰিছিল। 'অৰুনোদই'ত ওলোৱা বাতৰিৰ ভাষা আছিল এনেকুৱা—

হেমকান্ত সিংহ যুবৰাজ

উজান দেশ চাবৰ মনে চন্দ্ৰকান্ত সিংহ মহাৰাজৰ পুত্ৰ শ্ৰীশ্ৰীহেম-কান্ত সিংহ জুবৰাজ গত নবেম্বৰ মাহত গুআহাটীৰ পৰা উজাই আহি জোৰহাত পালেহি। কিচুদিন জোৰহাতত থাকি বচাত খাত চাবলৈ গৈছে। 'অৰুনোদই', ডিচেম্বৰ ১৮৫০।

শিৱসাগৰ পুখুৰী সাতুৰি পাৰ হোৱা

সিঅসাগৰ জিলাৰ বজাৰত ২১ জুলাই (১৮৪৯ চন) ৰাতিত জুই লাগি ৬টা মান ঘৰ পুৰিলে।

২৭ আগষ্টত এজন ফকিৰে শিৱসাগৰ পুখুৰীত বেলা ১১ বজাত সাঁতুৰি দখিণ পাৰৰ পৰা মাজ পোৱাই পাৰ হৈ উত্তৰ পাৰত উঠিলগৈ। সুদা হাতে সাতুৰি পাৰ হোৱা আগেয়ে দেখা নাই।

আৰু এটা বুৰঞ্জীমূলক সংবাদো তুলি দিয়া হ'ল ঃ---

মহাৰাজ পুৰন্দৰ সিংহৰ মিৃত্যু

"জোৰহাট নগৰত মহাৰজা পুৰন্দৰ সিংহৰ ৩ দিন পৰ্য্যন্ত মধুমেহৰ পিৰা উপস্থিত হৈ বৰ্ত্তমান মাহৰ (১৮৪৬ চনৰ অক্টোবৰ) প্ৰথম তাৰিখে ব্ৰিহস্পতি বাৰৰ দিনা বেলি দুই বজাৰ সময়ত মিৃত্যু হল। তেতিয়া দুৰ্গা পূজা চাবলৈ ফুকন বৰুআ আদি বৰবৰুআ ডাঙৰীয়া-সকল গোটখাই সেই মিৃত্যু মহাৰজাক নগৰৰ পৰা বাহিৰ কৰি দহন আদি কৰাবৰ নিমিত্তে শ্ৰীশ্ৰীজুত কামেশ্বৰ সিংহক মিৃত্যু ৰজাৰ স থকা ঠাইতে বৰচৰাত কাপৰ পাৰি বহুআই বৰবৰুআ আৰু ডাঙ-ৰিয়াসকলে চাৰি বজাৰ সময়ত পুৰ্ব্বে পিত্ৰি ৰজাই জুবৰাজ নাম দিয়া শ্ৰীশ্ৰীজুত কামেশ্বৰ সিংহক এক সেআ কৰি জুবৰাজ মৰ্জতা দিলে। পাচে জুবৰাজে সোণ-ৰূপ কাঁহ আৰু তাম এই চাৰি কলহেৰে মিৃত্যু ৰজাক গা ধুআই আৰু অলঙ্কাৰ পিন্ধাই সবাইত সাজ কাপৰ দি কুঅঁৰি আৰু গোহাঁইসকলে সেআ জনাই চাঙতি চন্দোআৰ তৰি চৌ-দোলাত তুলি দিচে নৈৰ ওচৰলৈ নি আঁৰ কাপৰ তৰি চন্দন কাঠ আদিৰে দহন কৰিলে। স নিওতে বৰ লোক আৰু সৰু সৰু লোক বহু মানুহ গৈছিল।"—অৰুনোদই, অক্টোবৰ, ১৮৪৬।

১৮৪৬ চনৰ পৰা ১৮৮৩ চনলৈকে প্ৰকাশিত 'অৰুনোদয় সম্বাদ পত্ৰ'খন আধুনিক জ্ঞানান্বেষীসকলৰ নিমিত্তে এখনি সুবিস্তৃত বুৰঞ্জীকে বুলিব পাৰি। অকল 'অৰুনোদই' নাম দিয়েই সেই কাকত সম্পৰ্কে এখনি সুন্দৰ গ্ৰন্থ ৰচনা কৰিব পাৰি।

২। আসাম বিলাসিনী ১ম (পৰ্য্যায়)

১৮৭১—১৮৮৩

মাজুলীৰ আউনীআটি সত্ৰৰ পৰা প্ৰভু দত্তদেৱ সত্ৰাধিকাৰ গোস্বামীৰ দ্বাৰাই প্ৰতিষ্ঠিত মাহেকীয়া 'আসাম বিলাসিনী' কাকতেই বাতৰি কাকত ৰূপে অসমীয়া ভাষাৰ দ্বিতীয় কাকত। ধৰ্ম বিষয়ত ই 'অৰুনোদই'ৰ প্ৰতিদ্বন্দ্বীয়েই আছিল। শিৱসাগৰৰ মাজুলী নিচিনা আওহতীয়া ঠাইত সংৰক্ষণশীল চাৰি সত্ৰীয়া সত্ৰাধিকাৰ গোস্বামী গৰাকীয়ে মৰসাহ দি ধৰ্ম প্ৰকাশ নামে ছপাশাল পাতি সংবাদ-পত্ৰ এখন প্ৰকাশ কৰিবলৈ লোৱাটো সঁচাকৈয়ে কল্পনাৰো অতীত নুবুলি নোৱাৰি। সেই দিনত, বাতৰি-কাকতৰ ব্যৱসায়, ধনৰ ভঁৰাল বন্ধা নাছিল—ধাৰবান্ধ লগাই খৰচৰ খাল খনাহে হৈছিল। এনে স্থলত গোস্বামী প্ৰভুৱে ১২ বছৰকে কাকত চলাই বাতৰি কাকতৰ বুৰঞ্জীত খুটি এটি যে পুতি থৈ গ'ল সেই বাবে অসমীয়া মানুহে প্ৰভুক কেতিয়াও পাহৰিব নোৱাৰে।

'বিলাসিনী'ৰ মূৰতে কিৰীটি স্বৰূপে এই কেইআষাৰ মূলমন্ত্ৰ বা বীজমন্ত্ৰ আঁকি দিয়া হৈছিল ঃ—

বাহিৰ মেৰত ঃ

"যা শ্ৰীমজ্জগদীশ সদ গুণ গণালঙ্কাৰ
সম্ভূষিণী বাৰ্ত্তাব্ৰাত বিকাশিনী জনমন ঃ
শৰৎ সুধা বৰ্ষিণী
নানাখ্যান সুভাষিণী গুণৱতী শ্ৰেয়াং
শুভান্বেষিণী সৈষাসামবিলাসিনী
বিলসতি শ্ৰীদত্তহৃৎ তোষিণী"

ভিতৰ মেৰত ঃ

সম্বাদ সন্দোহজুষাং জনানা। আখ্যায়িকাঞ্চ
কৃত—স্পৃহানাং।
তোষায় সদ্বৃত্তৰতাঞ্চ পুংসাং। ভূয়াৎ
সদাসাম বিলাশিনীয়ং।

ডিমাই আকাৰৰ দুখিলা কাগজত কাকতখন ছপা হৈছিল। ছপা আখৰ ফটফটীয়া; কিন্তু বৰ্ণাশুদ্ধিৰ ফালে বৰকৈ মন কৰা নহৈছিল -অৱশ্যে তেতিয়া সকলোৱে গ্ৰহণ কৰিবপৰা অসমীয়া অভিধান ওলোৱাই নাছিল—যিবা এখন ডাঃ মাইলচ ব্ৰঞ্চনৰ ওলাইছিল তাৰো আখৰ জোঁটনী সকলোৰে মনঃপূত হোৱা নাছিল।

কাকতখনে ভাৰতৰ ৰজা মহাৰজাসকলৰ বা-বাতৰি প্ৰকাশ কৰি সমকালিক সম্ভ্ৰান্ত কুলীয়া পদ-মৰ্য্যাদাৰ প্ৰতি শ্ৰদ্ধা জনাইছিল। সেই বুলি স্থানীয় অভাব-অভিযোগ বিলাকো চৰকাৰৰ দৃষ্টিলৈ অনা হৈছিল। অসমৰ প্ৰথম জনা চীফ কমিছনাৰে আউনীআটি সত্ৰ দৰ্শন কৰিবলৈ গৈছিল। তেওঁ যোৱা বিৱৰণটো মহম্মদ আলী নামে এজন উচ্চ খাপৰ বিষয়াই বৰ শুৱলাকৈ লেখি সেই কাকতত প্ৰকাশ কৰিছিল। অধিকাৰ গোস্বামীৰ নামৰ আগত যিবিলাক বিশেষণ দিছিল, ভাল ভাল শৰণীয়া ভকতেও তেনেকুৱাকৈ লেখিব নোৱাৰিছিল বা নেজানিছিল। সেই চিঠিত "পৰম পূজনীয়", "প্ৰভু ঈশ্বৰ" আদি শব্দ ব্যৱহাৰ মন কৰিবলগীয়া।

(এই কাকতখন বৰ্তমান উদ্ধাৰ কৰি উলিয়াব পাৰিলে, আমাৰ গন্ধীয়া ভড়াল বা গ্ৰন্থালয়ৰ এটি আমোলন আপূৰুগীয়া সম্পত্তি যি হ'বই নে, ভৱিষ্যত সাহিত্যানুৰাগীসকলৰ নিমিত্তে এটি গৱেষণাৰ স্যমন্তক মণিও হ'ব।)

৩। আসাম মিহিৰ

ইং ১৮৭২—৭৩

"আসাম মিহিৰে"ই অসমত প্ৰথম সাপ্তাহিক কাকত। প্ৰথমতে ইয়াৰ ভাষা বঙ্গলা আছিল, পাচত ইংৰাজী আৰু বঙ্গলা দুয়োটা ভাষাতে চলোৱা হৈছিল। সম্পাদক আছিল বৰপেটাৰ চিদানন্দ চৌধাৰী; কাকত ছপা হৈছিল গুৱাহাটীত। সম্পাদকজন অসমীয়া আছিল যদিও, অসমত বঙ্গলা ভাষা চলোৱা দলৰ সমৰ্থক আছিল। গ্ৰাহক অনুগ্ৰাহকৰ সহানুভূতি-অভাৱত কোনোমতে এবছৰ বৰ্তি থাকিল। চৌধাৰী গুৱাহাটীৰ চুণছালি বাগিছাৰ মালিক আছিল।

"আসাম হিতৈষী"

১৮৩৭ খৃষ্টাব্দত ইংৰাজী কাকত 'টাইমচ অব আচাম'ৰ লব্ধপ্ৰতিষ্ঠ সম্পাদক ৰাধানাথ চাংকাকতীয়ে সেই সময়ত অসমীয়া বাতৰি কাকতৰ অভাৱ অনুভৱ কৰি 'আসাম হিতৈষী' নাম দি এখনি সাপ্তাহিক কাকত উলিয়াবলৈ আয়োজন কৰিছিল। 'টাইমচ অব আচাম' প্ৰেছতে সেই-খন ছপা কৰি উলিয়াইছিল। কলিকতাৰ পৰা ব্লক আদিও কৰাই অনাইছিল। সেই কাকতৰ নীতি আছিল অসমীয়া মানুহক ৰাজনৈতিক আন্দোলনৰ অৰ্থে সচেতন কৰা। কিন্তু বাতৰি-কাকতৰ ব্যৱসায়ত দইন পৰাৰ আশঙ্কা কৰি সেই সংবাদপত্ৰ উলিওৱা নহ'ল। তথাপি ইংৰাজী কাকতৰ সম্পাদক হৈয়ো অসমীয়া ভাষাতে কাকত উলিওৱাৰ চেষ্টাত ৰাধানাথ চাংকাকতী ডাঙৰীয়াই প্ৰথম।

৪। "আসাম নিউচ"

ইং ১৮৮২--১৮৮৫

"আসাম নিউচ" আছিল দ্বিভাষী বা দোভষীয়া সাদিনীয়া বাতৰি কাকত। ছপা হৈছিল ফুলস্কেপ কাগজৰ ৮ পিঠিত। চৰ্কাৰৰ দৃষ্টিত পেলাবলগীয়া স্থানীয় অভাৱ-অভিযোগ আৰু সম্পাদকীয় প্ৰবন্ধ এটাইবোৰ অসমীয়া ইংৰাজী দুয়োটা ভাষাতে লিখি প্ৰকাশ কৰা হৈছিল। সম্পাদক আছিল অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱা। ৰাজনীতিবিদ, মহান পুৰুষ মাণিকচন্দ্ৰ বৰুৱাই প্ৰায়েই ইংৰাজী স্তম্ভত প্ৰকাশ কৰিবলগীয়া প্ৰবন্ধবিলাক লেখিছিল। অভয়শঙ্কৰ গুহ নামে এজন কৃতবিদ্য বঙালীয়েও ইংৰাজী ছোৱা লেখাত সহায় কৰিছিল।

"বাতৰি-কাকত"—এই শব্দটো "আসাম নিউচ" ওলোৱাৰ পাচৰ পৰাহে ব্যৱহাৰ হ'বলৈ ধৰিছে। হেমচন্দ্ৰ বৰুৱাই অসমীয়াত নোহোৱা ভালেমান ইংৰাজী শব্দ নিজে সাজি উলিয়াইছিল। তাৰে কিছুমান থাকিল—সকলোৱে গ্ৰহণ কৰিলে আৰু কিছুমান মৰিল—কোনেও ব্যৱহাৰ নকৰিলে। জীয়াই থকাৰ ভিতৰত "নিউজ পেপাৰ"ৰ অস-মীয়া প্ৰতিশব্দ "বাতৰি-কাকত"টোৱেই প্ৰধান। ই আজিও সন্তাল-নিকৈ চলি আছে।

'আসাম-নিউচ'ৰ সম্পাদক বৰুৱা ডাঙৰীয়া politically radical—উগ্ৰপন্থী ৰাজনীতিক আছিল বুলি সমসাময়িক লোকে কৈছিল। সঁচাকৈয়ে আছিলও। চৰ্কাৰৰ ৰাজহ-নীতি, অসমীয়া ভাষা-নীতি আৰু বৃটিছ কৰ্মচাৰীবিলাকৰ অসৎ আচৰণ-ব্যৱহাৰৰ প্ৰতি তেখেতৰ লেখা দেৱদেৰীয়া চোকা আছিল।

"নিউচ"ৰ ভাষা বৰ গহীন, বিশুদ্ধ আৰু প্ৰয়োগ প্ৰমাদহীন। সেইদেখি এই কাকতৰ ভাষাই আছিল বহুত দিনলৈকে 'বাতৰি কাকত'ৰ আহি ভাষা।

পৰাধীন ভাৰতবাসীয়ে ইংৰাজ শাসকৰ হাতত লাঞ্ছিত হোৱা বাতৰি এটা পাই "নিউচ"ৰ সম্পাদকে এনেৰূপে সমালোচনা কৰিছিল। সেই সময়ত এয়ে তীব্ৰ স্বাধীন সমালোচনা।

"কলিকতাত লেম্ব নামেৰে এজন ৰাজবংশী ডিষ্ট্ৰীকট চুপাৰিণ্টে-ণ্ডেন্ট আছে, তেওঁৰ আগত জোতা পিন্ধিলে তেওঁৰ চকু ফুটে। অলপতে ৰমেশ চন্দ্ৰ বন্দোপাধ্যায় নামেৰে সেই আপিচৰ কেৰেণী এজনে দৰ্ম্মহা আনিবলৈ তেওৰ ওচৰলৈ যায়। কেৰাণীজনৰ দুৰ্ভাগ্যক্ৰমে তেওঁৰ ভৰিত জোতা আছিল, চাহাব মহাপুৰুষৰ চকুত পৰিল; ৰমেশ বাবুক জোতা খহাবলৈ আদেশ দিলে কিন্তু তেওঁ প্ৰকৃত ব্ৰাহ্মণৰ দৰে চাহাবৰ আদেশ পালিবলৈ অসন্মত হ'ল। প্ৰভুৰ আজ্ঞা নমনা বাবে লেম্বে ৰমেশ বাবুৰ এমাহৰ দৰ্ম্মহা জৰিমনা কৰিলে। ৰমেশ বাবুৱে ডিপুটী কমিশ্যনাৰৰ ওচৰত লেম্ব চাহাবে তেওঁক কেনেকৈ ব্যৱহাৰ কৰিলে তাক বৰ্ণাই আবেদন কৰে, ডিপুটী কমিশ্যনাৰ তো আন নহয় একে গছৰে পাণ, সেই বংশৰে; গতিকেই আবেদন নামঞ্জুৰ হ'ল। পাচত, গড়গতি বেয়া দেখি ৰমেশ বাবুৱে বিষয় পৰিত্যাগ কৰিছে। ৰমেশ বাবুৰে আৰ্য্যোচিত আত্ম গৌৰৱ দেখি আমি সন্তোষ পাইছো।"

"আসাম-নিউচ"ৰ পুথি সমালোচনা কৰা ৰীতিটোও পঢ়ি অলপ দকৈ ভাবি চাবলগীয়া। স্বৰ্গীয় হৰিবিলাস আগৰৱালা ডাঙৰীয়ায়েই জয়ে জয়ে মহাপুৰুষ শঙ্কৰদেৱৰ 'কীৰ্ত্তন' পুথি ছপা কৰি উলিয়ায়। সেই পুথিখনৰ হেমচন্দ্ৰ বৰুৱাই 'নিউচ'ৰ নিম্নলিখিত সমালোচনাৰে এনেকৈ খুন্দিছিল ঃ—

"এই দেশত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰোতা শঙ্কৰ আৰু তেওঁৰ শিষ্য মাধৱদেৱে সংস্কৃত ভাগৱত আদি পুথিৰ বৈষ্ণৱ ধৰ্ম্ম সম্বন্ধীয়

কোনো কোনো অংশ ভাঙি অসমীয়া ভাষাৰে ভালেমান পদপুথি কৰি গৈছে; আৰু বোধহয় অসমীয়া ভাষাত তেওঁবিলাকেই আদি কৰি আছিল। কিয়নো তেওঁবিলাকৰ আগেয়ে আন কোনোৱে কৰা পদ্য দেখা নেযায়। সেইবিলাক পুথি এই দেশৰ সকলো মানুহৰ ঘাইকৈ বৈষ্ণৱবিলাকৰ বৰ মান্য। এই দেশী বৈষ্ণৱবিলাকে ভাগৱতাদি মূল পুথিতকৈ ও সেইবোৰক অধিকৰূপে মানে আৰু বৰ যত্নেৰে ঘৰত ৰাখি সেৱা ভক্তি কৰে। কিন্তু লিখোতা নোহোৱাত লাহে লাহে সেইবিলাক দুষ্প্ৰাপ্য হৈ আছিছে। কিন্তু বৈষ্ণৱবিলাকৰ ইমান মান্য আৰু আদৰৰ পুথিবিলাক ছপাই সঞ্চালনি কৰিবলৈ সকলোৱে সাহ কৰিব নোৱাৰে। অনুমান হয়, ইয়াকে ভাবি পূজ্যবৰ শ্ৰীযুত আউনী-আটীয়া অধিকাৰ গোস্বামীয়ে প্ৰথমতে “গুণমালা” নামেৰে পুথি এখান ছপাই এটি আহি দেখুৱায়। ইয়াৰ পাচত, “হাজাৰী ঘোষা” আদি কোনো কোনো পুথিও তেওঁৰ আজ্ঞাৰে ছপা হৈছিল। পাচত, সেই পথৰ পথিক হৈ অন্যান্য লোকেও ‘কীৰ্ত্তন’ আদি কোনো কোনো পুথি ছপাইছে। কিন্তু আহি তোলোতাৰ দোষত হাতেৰে লিখা পুথিবিলাক এনে বিশ্ৰী হৈ পৰিছে যে অনেক ঠাইত লেখকৰ ভাব বুজাই টান হয়। বঙ্গালীবিলাকে কয়, “তিনি নকলে আসল খাস্ত।” বিশেষ সেইবিলাক পুথি লেখোতাসকলৰ সৰহ ভাগ “ভকত-বৈষ্ণৱ”। তেওঁ “বিল্লাকে” অন্য দেৱীদেৱৰ উপাসনা নকৰে। এতেকে আই সৰস্বতীৰ সৈতে তেওঁবিল্লাকৰ ঘোৰ বিবাদ; সৰুকালত ফলি লওঁতে, “সৰচতী, সৰচতী, কণ্ঠে গোলাপী, ভোগে বিলাপী,” বুলি ফলিৰ ছাইৰে যি ফোট লৈছিল, তাৰ বলতে যিমান হ’ব পাৰে; তেওঁবিলাকৰ পৰা তাতকৈ অধিক আশা কৰা বৃথা। এনে স্থলত, শুদ্ধ কীৰ্ত্তন পুথি পোৱা বৰ টিলা কথা নহয়। এতেকে তাক শুদ্ধৰূপে ছপোৱাও টান। কিয়নো গ্ৰন্থকৰ্ত্তাই যি ৰূপে লেখিছিল, যিমান পৰা যায় তদ্ৰুপে ছপোৱা পুথিক হে শুদ্ধ বোলা যায়। কিন্তু দুৰ্ভাগ্যৰ গুণে ছপা হোৱা যিবিলাক পদ পুথি আমি দেখিছোহঁক সেইবিলাকৰ ভিতৰত এখনকো সম্পূৰ্ণ শুদ্ধ বুলিব নোৱাৰোঁ।

“হৰিবিলাস বাবুৱে কীৰ্ত্তন পুথি আগেয়েও এবাৰ ছপাইছিল; এই দ্বিতীয়বাৰ। দুইও বাৰৰ পুথি আমি দেখিছোঁ আৰু তেওঁ যে শুদ্ধ-ৰূপে ছপাবৰ নিমিত্তে প্ৰচুৰ পৰিশ্ৰম কৰিছে তাকো আমি বুজিছোঁ।

তাত যে কোনো এজন বোধ থকা মানুহৰ হাত লাগিছে সেই পুথিয়েই তাৰ প্ৰমাণ।”

ইয়াকেই বোলে আওমৰা ছলেৰে বাও মৰা।

‘আসাম নিউচ’ৰ “মত” বা মূলমন্ত্ৰ আছিল,

“কাৰ্য্যং বা সাধয়েচ্ছৰীৰং পাতেয়েদ্বুধঃ” আৰু সাত দিনৰ মূৰে মূৰে ওলোৱা বাবে সাদিনীয়া নুবুলি “সাতদিনীয়া অসমীয়া-ইংৰাজী বাতৰি-কাকত” বুলি লিখিছিল। “নিউজ” শব্দটো “নিউচ” বুলি লেখা বাবে আজিকালি কিবা-কিবি যেন লাগে দেখোন।

আসাম

ইং ১৮৯৪--১৯০১

১৮৯৪ চনত গুৱাহাটীৰ পৰা প্ৰকাশ পোৱা দ্বিতীয় সাপ্তাহিক বাতৰি-কাকত “আসাম”।

ইয়াৰ ভাষা অসমীয়া যদিও ততালিকে চৰ্কাৰৰ দৃষ্টি পেলাবৰ নিমিত্তে মজামজিকৈ কোনো কোনো প্ৰবন্ধ আৰু চিঠি ইংৰাজীৰেও লেখা হৈছিল। ‘আসাম নিউচ’ৰ নীতিয়েই একপ্ৰকাৰ ইয়াৰো নীতি আছিল। কিন্তু হিন্দুধৰ্মৰ বিষয়ে আলোচনা কৰা চিঠি-পত্ৰ আৰু প্ৰবন্ধই ইয়াৰ সৰহ ঠাই জুৰিছিল। “আসাম”ত প্ৰকাশিত ইংৰাজী চিঠি-প্ৰবন্ধৰ ভিতৰত মাণিক চন্দ্ৰ বৰুৱাই লেখা ৰাজহ বৃদ্ধি আৰু কটন কলেজ স্থাপন আৰু পৰিচালনা সম্পৰ্কীয় নিৰ্বন্ধবিলাকেই প্ৰধান। সেইবিলাকৰ উপৰিও কাকতখনত কবিতা ৰচনা শিলালিপিৰ পৰা উদ্ধাৰ কৰা পাঠাদি আৰু স্থানীয় বা-বাতৰিও প্ৰকাশ হৈছিল। অসমীয়া অভিধান প্ৰকাশ হৈছিল যদিও, তেতিয়ালৈকে সকলোৰে সেই অভিধান চাই লেখা-পঢ়া কৰিবলৈ বৰকৈ মন-কাণ নিদিয়াত “আসাম”ৰ আখৰ-জোঁটনী নিৰ্বিবাদী নাছিল। সেই বুলি, কাকত-খনে হেমচন্দ্ৰ বৰুৱাই চলাব খোজা বা চলাবলৈ হাতত লোৱা কিছু-মান শব্দ সঞ্চালনিকৈ চলোৱাত সঙ্কোচ কৰা নাছিল। ইয়াত ‘লিখক’ শব্দৰ পৰিবৰ্তে ‘লেখোতা’ শব্দ ব্যৱহাৰ কৰা হৈছিল—যেনে, চিঠি “লেখোতা সকলৰ” মতামতৰ বাবে আমি জগৰীয়া নহও।”

দ'ল-দেৱাল, ৰংঘৰ-কাৰেংঘৰ আৰু অন্যান্য ৰজাদিনীয়া পুৰণি স্মৃতি চিহ্নবিলাকৰ সংৰক্ষণাৰ্থে লেখা চিঠি-পত্ৰয়ো ইয়াৰ স্তম্ভত ধাৰাবাহিকৈ ঠাই পাইছিল। সম্পাদক আছিল গুৱাহাটীৰ সাধু পুৰুষ স্বৰ্গীয় কামাখ্যাৰাম বৰুৱাৰ দেউতাক শিক্ষানুৰাগী অৱসৰপ্ৰাপ্ত চাব ইন্স-পেক্টৰ (শিক্ষা বিভাগৰ) কালিৰাম বৰুৱা। "সম্পাদকৰ শৰাই"ত গতানুগতিক ভাৱেই ৰাজভক্তৰূপে সম্পাদকীয় প্ৰবন্ধ আগবঢ়োৱা হৈছিল। ১৯০১ চন মানলৈকে কাকতখনৰ আয়ুস আছিল। "দেশ-বিদেশৰ বাতৰি" শিতানত ওলোৱা এটি সংবাদ তুলি দিয়া হ'ল---

চীফ কমিশ্যনাৰ কটন চাহাবৰ আতিথ্য---নমুনাটি চাওক বুলি---"আমাৰ চীফ কমিশ্যনৰ কটন চাহাবে দ্বাৰভাঙ্গাৰ মহাৰাজক শিলঙলৈ নিমন্ত্ৰণ কৰি নি আতিথ্য কৰাইছিল। চীফ কমিশ্যনৰ পুৰীৰ ভিতৰতে উক্ত মহাৰাজক থাকিবলৈ বাসাঘৰ আৰু পূজাৰ ঘৰ আদি নিৰ্ম্মাণ কৰি দিছিল। চাহাব বাহাদুৰৰ পুৰী শঙ্খ ঘণ্টা-ৰবত পৰিপূৰ্ণ হৈ দেৱালয় ৰূপ ধাৰণ কৰিছিল। শক্তিবানৰ পুৰীত শক্তিবাণৰ হাতেৰে মহাশক্তিৰ মহা পূজাই অতি অপৰূপ দৃশ্য হৈ পৰিছিল।"---"অসাম" ১৪ নবেম্বৰ ১৯০০ চন।

"আসাম বন্তি" বা "অসম বন্তি" নাইবা "বন্তি"

(ইং ১৯০০--১৯৪৪ (৪৪ বছৰ)

১৯০০ চনৰ ১৪ জানুৱাৰী সোমবাৰে "আসাম বন্তি"ৰ জন্ম হয়। জন্ম দিনৰ পৰা মৃত্যু দিনলৈকে "বন্তি"ৰ সম্পাদক, নাম আৰু নীতিৰ বহুত সালসলনি বা অকল সলনি হৈছিল। তথাপি, আগৰ কেইখন কাকততকৈ 'বন্তি' দীৰ্ঘজীৱী হোৱা বাবে গাঁৱে-ভূঞে 'অৰুনোদয়'ৰ দৰেই সমাদৃত হৈছিল। "আসাম" আছিল যদিও, ই শিক্ষিতসকলৰ অভাৱ পূৰণ কৰিব নোৱাৰিছিল আৰু প্ৰচাৰৰ অভাৱত, নগৰ কেই-খনৰ বাহিৰে আওহতীয়া ঠাইত ইয়াৰ নাম মানুহে বৰকৈ নুশুনিছিল। বঙলা কাকত "হিতবাদী" বঙ্গবাসীৰেই তেতিয়া পঢ়াশুনা জনা সকলৰ ভিতৰত অবাধ প্ৰবেশ। "আসাম বন্তি"য়ে এই প্ৰবেশত বাধা জন্মালে আৰু অতি অলপ সময়ৰ ভিতৰতে ই ইমান সৰবৰহী হ'লগৈ যে মানুহে বঙলা কাকত দেখিলেও "সেইখন বন্তি নে কি বুলিছে" সুধি-ছিল। মণ্ডল, কাণনও, পঢ়াশলীয়া পণ্ডিতৰ নিমিত্তে 'আসাম বন্তি"খন

আতোল-তোলৰ বস্তু আছিল। ‘বস্তি’ জন্মৰ অন্তৰালত বহু কথা সোমাই আছে। অগ্নি কবি সমাজ সংস্কাৰক কমলাকান্ত ভট্টাচাৰ্য্যকে প্ৰমুখ্য কৰি সেই কালৰ তেজপুৰীয়া দেশপ্ৰেমিকসকলেই ইয়াৰ জন্মদাতা আৰু পোনপ্ৰথম সম্পাদক আছিল, “এডভোকেট অৱ আসাম” উলিয়াই পাচত খ্যাতিমন্ত হোৱা মথুৰামোহন বৰুৱা। বৰুৱা ডাঙৰীয়াই ‘বস্তি’ৰ নীতি কৰি লৈছিল, “It is not possible for us ordinary mortals to know the Policies of these big officials” (ইংৰাজৰ) ভব্য-গব্য বিষয়াসকলৰ ৰাজনৈতিক কৌশল (মতলব) আমাৰ নিচিনা মৰণশীল মানুহে বুজা টান। এই কথা ফাকি লেখাতেই বুজিব পাৰি যে সম্পাদকজন কেনেকুৱা স্বাধীন চিন্তীয়া। বাক্য শাৰীৰ অৰ্থ দ্ব্যৰ্থবোধক বা দোভাছলীয়া। কাকতখন যে চৰ্কাৰৰ সমৰ্থক নহয় এই কথা জলজল ফটফটকৈ তাতে ওলাই আছে। বৰুৱাৰ দিনত ‘বস্তি’য়ে চৰ্কাৰী শাসন-নীতি, উচ্চ বিষয়া বিলাকৰ বিচাৰ-পদ্ধতিৰ তীব্ৰ সমালোচনা কৰিছিল। তেওঁৰ সম্পাদকীয় বিলাক ইমান চোকা আছিল যে ইংৰাজ বিষয়াবিলাকৰ গা বেজাই যোৱা হে নেলাগে, ৰাজভক্ত অসমীয়া বিষয়া জনদিয়েকৰো নাক কোঁচ খাই গৈছিল।

ইয়াত অসমীয়া-ইংৰাজী দুয়োটা ভাষাতেই প্ৰবন্ধ-পাতি, চিঠি-পত্ৰ প্ৰকাশ হৈছিল। কেতিয়াবা কেতিয়াবা বিষয়ৰ গুৰুত্ব বুজি সম্পাদকীয়টোতো ইংৰাজীতেই লেখা হৈছিল। অন্যান্য বা-বাতৰিও ইংৰাজীতেই ওলাইছিল। সেইবুলি “অসমীয়াও” নথকা নহয়। শিক্ষাবিদ উপেন্দ্ৰ নাথ বৰুৱা তেতিয়া কলিকতাত আছিল। তেখেত আছিল বৰ উগ্ৰ আৰু হাতত কাপটো ললেই কাৰো মুখলৈ নেচায়। তেখেতে ‘বস্তি’ৰ পাতত কলিকতাৰ পৰাই অসমত থকা ইংৰাজ বিষয়া আৰু চাহবাগিচাৰ চাহাববিলাকৰ আচৰণ সম্পৰ্কে ইংৰাজীৰেই বৰ টানটান কথা লেখিছিল।

‘বস্তি’ প্ৰেছৰ স্বত্বাধিকাৰীসকলৰ লগত মত নিমিলা বাবেই হওক বা ছপাশালৰে বেমেজালি বাবেই হওক, মথুৰামোহন বৰুৱাই দুবছৰ কি তিনি বছৰমান থাকিয়েই সম্পাদকৰ পদ এৰিবলগীয়া হ’ল আৰু তেজপুৰৰ পৰা আহি গুৱাহাটীত “এডভোকেট অব আসাম” ইংৰাজী সাপ্তাহিক কাকত উলিয়ালেহি।

বৰুৱাই কাম এৰাৰ মাহদিয়েক পিচত, স্বৰ্গীয় মহাদেৱ শৰ্মাৰ দেউতাক পণ্ডিত জয়দেৱ শৰ্মা সম্পাদক হয়। আকৌ শেহত পদ্মনাথ বৰুৱাই সম্পাদকৰ ভাৰ লৈ প্ৰতিশ্ৰুতি দিলেহি যে তেওঁ জীয়াই থাকে মানে "আসাম-বন্তি"খন মৰিবলৈ নিদিয়ে আৰু তেজপুৰৰ "আসাম চেণ্ট্ৰেল প্ৰেছ"ৰ বাহিৰে আন কতো নছপায়।

এই চুক্তিকে আখৰে আখৰে পালন কৰি পদ্মনাথ বৰুৱাই প্ৰায় দুকুৰি চাৰি বছৰ কাল "বন্তি" চলালে। ইয়াৰ ভিতৰত কত ধুমুহা, যে পাৰ হৈ গ'ল, তাৰ অন্ত নাই, গ্ৰাহকৰ অভাৱ। লেখকৰ অভাৱ জাননীৰ অভাৱ, পঢ়োঁতাৰ অভাৱ, ছপাশালৰ বিজুতি, কৰ্মচাৰীৰ অভাৱ, ইত্যাদি কাকত এখন চলাবলৈ যতবোৰ সা-সঁজুলি, যোগাৰ-যন্ত্ৰ, সহায়-সাৰথি লাগে, সেই এটাইবোৰৰ অভাৱ হোৱা সত্বেও পদ্মনাথ গোহাঁই বৰুৱা ডাঙৰীয়াই তেজেৰে 'বন্তি' জ্বলাই অসমীয়া সাংবাদিক বুৰঞ্জীত এটি খুটি পুতি গ'ল।

গোহাঞিবৰুৱা ডাঙৰীয়াই নিজেই কৈছিল,

"অবতৰীয়া পেঞ্চন পাওঁ ১৫ টকা, সাহিত্যিক পেঞ্চন পাওঁ ২৫ টকা—এয়ে-সেয়ে মুঠ দুকুৰি টকা পাওঁ। ইয়াৰে ঘৰকে চলাম নে মিউনিছিপেলিটিৰ টেক্সকে দিম নে, ল'ৰা-ছোৱালীকে পঢ়ুৱাম। কিতাপ বেচি যি দুপইচা পাওঁ সিও ফুটুকাৰ ফেন। 'বন্তি'খন ডিঙিত হাড়মাল লগায়েই থৈছো। কানিকাছুটি এৰি হ'লেও, "বন্তি"ক জীয়াই ৰাখিবই লাগিব। টাইপ ভাগিল; ভগা টাইপত মই নিজেই কেতিয়াবা কম্পজ কৰো। ভদ্ৰৰামক (ছপাওঁতা) কওঁ, "হেৰ', বন্তি"ৰ নটো ভাগিল যদি ছপা হলে তাৰ ঠাইত চিঞাহীৰ টোপা এটাকে পেলাই দিবি; তেওঁ আখৰ নাই বুলি নছপোৱাকৈ নেথাকিবি।" "বন্তি"ৰ আখৰ লেপথেপ, টাইপ ভগা ওলোৱাও টিমিক-ভামাক। এইবোৰকে লৈ মানুহে 'বন্তি'ক হাঁহে। হাঁহক, সেইবোৰ লৌৱালপা কথালৈ মই কাণ নেপাতো। মোৰ তেজেৰে বন্তি চলালো। মোৰ মনত এই ফেৰাই শান্তি যে 'বন্তি'য়ে অসমীয়া পাঠ্যপুথিৰ বাছনি গত লগালে, শিক্ষা বিভাগৰ পৰা বঙালী কৰ্মচাৰী গুচাই অসমীয়াক কাম দিয়ালে; বাতৰি কাকতৰ ভাষা কেনেকুৱা হ'ব লাগে তাৰ এটা পটি কাটি দেখুৱালে। আৰু কি কৰিলে—অসমীয়াৰ সকলো কথাতে হেজাৰ পুতি ভেমত ওফন্দি খাই পাত ফালি থকা

বোম্পা কেচুবোৰৰ মূৰত লোণপানী ঢালিলে অন্ততঃ তেজপুৰত নকলেও হ'ব যে সঁচাসঁচিকৈয়ে 'আসাম বন্তি'য়েই এইখিনি কাম কৰিলে।

'বন্তি' সম্পাদকৰ ভাষা আছিল মাজিত। লেখিছিলও গমি-গমি। এপিনে বিদেশী চৰ্কাৰৰ পোন্দোৰা চকু, ইপিনে অভিযোগ অসন্তোষৰ উজান-ভাটী—এনে গড়খাৰৈ-গজহস্তীৰ নিচিনা উভয় সঙ্কটত পৰিও সম্পাদকে ছান্দনী-সৰকা দি জাতীয় স্বাৰ্থ ৰক্ষা কৰিছিল।

'বন্তি'ৰ দিনত গাঁও-ভুঁইৰ বাতৰি যোগান আজিকালিৰ দৰে ধৰা নহৈছিল। আজিকালি সভা-সমিতিৰ যিহে উজান, সেইবোৰেই বাতৰি-কাকতৰ পাত ভৰি ভৰি থাকে। তেতিয়া কিন্তু আছিল বতৰ, স্বাস্থ্য, খেতি-বাতিৰ অৱস্থা, চৰ্কাৰী বিষয়াৰ গাঁও পৰিদৰ্শন, বজাৰ-ভাও ইত্যাদি। বাতৰি যোগনীয়াৰে কিবা এটি বাতৰি পঠিয়ালে, সম্পাদকীয় চাকত পৰি সি নতুন ৰূপ লৈ প্ৰকাশ পায়।

"শিৱসাগৰ ঃ---বহুদিন ৰ'দৰ মূৰত বৰষুণ হৈ বতৰে চকুকে মেলিব খোজা নাই। স্থানীয় ভদ্ৰলোকসকলে ৰাজহুৱা ঠিয়েটৰ ঘৰ এটা চিন-ষ্টেজ-ঘৰ আদিৰে সম্পূৰ্ণ কৰা দেখি ভাল লাগিছে। অহা শনিবাৰলৈ "মেঘনাদ বধ" অভিনয়ৰ নিমিত্তে ভাৱৰীয়া বিলাক সাজু হৈছে। হেড কোৱাৰ্টাৰ যোৰহাটলৈ বদলি কৰা সম্বন্ধে জনদিয়েকে সদাই আলোচনা কৰিবই লাগিছে।"--

গোলাঘাট ঃ---ইয়াত আজি প্ৰায় ৪।৫ দিনমান ৰ'দ হৈ গ'ল। সেই ৰ'দতে মানুহৰ জ্বৰ বেমাৰ অনেক হ'ল।---কেঞ্জাপটীৰ অৱস্থা ভাল নহয়, বজাৰৰ দৰ প্ৰায় আগৰ দৰেই আছে। ইয়াৰ স্থানীয় বেজবৰুৱা হাইস্কুলৰ এই বেলি এণ্ট্ৰেঞ্চ পৰীক্ষাত তিনিটি লৰা উত্তীৰ্ণ হোৱা দেখি আমি বৰ সন্তোষ পাইছোহঁক। আজি প্ৰায় ১৫ দিন মান হ'ল, ইয়াৰ মৰিয়া গাৱঁৰ এজনী ছোৱালীক গাৰিয়ে চেপিলে। গাৰিৰ গাৰোৱানটোৰ পৰা ৯ টকা ৰূপ লৈ এৰি দিলে বুলি শুনিছো। ছোৱালীজনী দশাৰ বলেৰে ক্ৰমে ২ ভাল হৈছে।

ডিবুৰুগড় ঃ---বহুদিন খৰাঙৰ মূৰত বৰষুণে অলপ দেশ চেচা কৰিছে। জুলাই মাহৰ শেষত ইয়াৰ ৰেভিনিউ চিৰস্তাদাৰ ডাঙৰীয়াই বিদায় লব, আৰু তেওঁৰ পৰিবৰ্ত্তে যোগ্য অসমীয়া এজন বিচাৰিবলৈ এতিয়াই গৰাকীসকলক কাণ ছোৱাই থৈছো।

ফুলাৰ চাহাবে অসমীয়াৰ হক ৰক্ষা কৰিবলৈ যেতিয়া চৰ্কাৰী কামত অসমীয়া যোগ্যলোকক নিযুক্তি দিবলৈ স্থিৰ কৰি যেতিয়া ভালেমান বঙালী কৰ্মচাৰীয়ে চেৰেউ ফেৰেউ কৰি অসমীয়া মানুহক ন্যায্যপ্ৰাপ্তিৰ পৰা বঞ্চিত কৰিব খুজিছিল তেতিয়া "আসাম বন্তি"ৰ সম্পাদকীয় স্তম্ভত "আসামৰ চৰ্কাৰী চাকৰী" শিতানেৰে এটি প্ৰবন্ধ প্ৰকাশ কৰা হৈছিল। বন্তিয়ে কিহৰ নিমিত্তে যুঁজ কৰিছিল, সেই প্ৰবন্ধ চকুৰ পৰা ভাত এটিকে তলত তুলি দিয়া হ'লঃ তাতেই তৰা আজিও সত্য হৈ থকা কাৰণটো ওলাই পৰিব ঃ---

"বৰ্ত্তমানত অসমীয়া আৰু বঙ্গালী বা আন বিদেশী চৰ্কাৰী চাকৰীয়াৰ যোগ্যতাৰো প্ৰকৃত বিচাৰক আসাম-গৱৰ্ণমেণ্টহে আৰু সেই গৱৰ্ণমেণ্টৰে ঘাই গৰাকী মাননীয় ফুলাৰ বাহাদুৰ। গতিকে, এই বিষয়ত মাননীয় ফুলাৰ বাহাদুৰৰ সিদ্ধান্ত মতেই সবাতো পৰি উচ্চ সমৰ্থন বুলি জগতে মানিব। তেনে সিদ্ধান্ত মতে কি কয়, খলকনি লগাওঁতা সকলে ধৈৰ্য্য ধৰি এবাৰ গমি চাওক। বিস্তৰ বুজনি আৰু চেচনি পাব।০০০

"ইমান দিন আমাৰ লগত থাকি সিবিলাকে আমাৰ মন নুবুজিলেনে? সেই নুবুজাই হে অত কালেও সিবিলাক আমাৰ বুকত সোমাব নোৱৰাৰ মূল কাৰণ। এইবিলাক যত হৈছে মানে সিবিলাকৰ নিজ কৰ্ম্মৰ ফল। সিবিলাকে লোকৰ বৰ ভড়ালৰ ধান উলিয়াবলৈ পাই স্বাৰ্থপৰ ভাবৰ দোষত জপাই বনমালী নকৰা হলে আজি সিবিলাকৰ খলকনিৰ লগত যোগ দিবলৈ উদাৰ মনৰ অসমীয়াকো আগবঢ়া দেখা গ'লহে তেন। কিন্তু এতিয়া দেখিছো, সিবিলাকৰ এই অকলশৰীয়া খলকনিয়ে যে কিবা গুণ ধৰাব পাৰিব, এনে আশা নাই; বৰঞ্চ অমূলক বলকনিয়ে সিবিলাকৰ বেয়া ফাল গৱৰ্ণমেণ্টৰ চকুত বেছিকৈ হে পোহৰাই ধৰিব। দৃঢ় চিতীয়া মহামতি ফুলাৰ বাহাদুৰৰ কৃপা দৃষ্টি ইমানতে নপৰা হলে, অসমীয়া জাতিটোৰ ভবিষ্যৎ কেনে ঘোপমৰা হৈয়ে থাকিলহেঁতেন? অসমীয়াই নিজৰ হকে বিচাৰি উচিত কথাৰে দু-আষাৰ গোহাৰি গৱৰ্ণমেণ্টক জনোৱাত পৰম উপকাৰী বঙ্গালী ভাইসকলে সিবিলাকক পৰ যেন ভাবিছে। আৰু সেই ভাবিয়েই আকৌ তাহানিৰ গুপ্ত উপদেশৰ মোহিনী মন্ত্ৰ ফাঁকি গাবলৈ ধৰিছে। সচাকৈয়ে কব লাগিলে শেহৰ উপদেশ কেইটা বৰ সাৰুৱা;

আমি সকলো ভাৰতীয় প্ৰজাই ভাই-ভাই আৰু নলে গলে লগা হৈ সাধাৰণ উন্নতিৰ কামনাত থাকিব লাগে। আমিও এই কথা মানো আৰু অসমীয়া প্ৰজাই ইয়াৰ বিপৰীত আচৰণ কৰা নেদেখো, কিন্তু উপদেষ্টাৰ কাষলতিৰ তলত লুকাই থকা স্বাৰ্থৰ জোলোঙাটি চকুত পৰিলে হে মন কোচ খায়। সৰহ নো কব লাগিছে কিয়? বেঙ্গলৰ কেখনমান জিলা আসামত লগ লগোৱাৰ বিৰুদ্ধে উঠা সভা-সমিতি কাকত-পত্ৰই অসমীয়া আৰু বঙ্গালী জাতি দুটা কেনেকৈ দুটা সুকীয়া কৰি আঁকিছে, তালৈ মন কৰক। সিদিনা মাথোন মহাৰজা চাৰ জ্যোতিন্দ্ৰ মোহন ঠাকুৰে স্পষ্টকৈ কৈছে যে ভাষা-ধৰ্ম্ম, আচাৰ-ব্যৱহাৰ চলন,ফুৰণ, সকলোতে অসমীয়া জাতিটো বঙ্গালীৰ পৰা সম্পূৰ্ণ পৃথক। হোজা কৃতজ্ঞ অসমীয়া কেতিয়াও কৃতঘ্ন নহয়, হোজা কাৰণে হে দুতালি মৰা উপদেশ লব পৰা নাই। সেই কাৰণে, সৰল ভাৱে অসমীয়াই কয় যে বঙ্গালী বন্ধুসকলে ৰাজবিষয়ৰ বৰভড়ালত উঠি ইমান দিনে অসমীয়াক উপদেশ আৰু ভাত-কাপোৰেৰে যি চহকী কৰিলে, সেয়ে অসমীয়া পজাত কুলায়-পাচিয়ে নধৰা হৈছে। এতিয়া আৰু নামি থাকে।"---আসাম বন্তি, ২২ জানুৱাৰী, ১৯০৪ চন।

"বন্তি"খন জন্ম হৈছিল "আসাম বন্তি" নাম লৈ। "আসামৰ" সলনি "অসম" হ'ব লাগে বোলা আন্দোলন হ'লত, নাম হ'ল "অসম বন্তি"। আৰু আহোম-সভাক পুনৰ জীৱন দিয়াৰ পিছত হ'ল কেৱল "বন্তি"। অসহযোগ আন্দোলনৰ পাচৰপৰাই "বন্তি"ৰ পোহৰ টিমিক-টামাক হ'ল আৰু চুচৰি-চুচৰি সাদিনীয়াৰ দৰেই চাৰিপিঠিয়া বা অতি টানে ৬ পিঠিয়া ফুলস্কেপ কাগজত মৰা আখৰেৰে দেখা দি ৰাইজক অবতৰীয়া বেঙেনা ৰূপে ৪ মাহ ছমাহৰ মূৰে মূৰে মোক তোল, মোক তোল কৰিবলৈ ধৰিলে। অন্তত, 'বন্তি' নুমায়েই থাকিল, আৰু যিজনে "তেজৰে শলিতা"ৰে ৪৪ বছৰ কাল সেই 'বন্তি' জ্বলাই আছিল, তেওঁৰো ১৯৪৬ চনত জীৱন-লীলা সামৰণি পৰিল। ওপৰত কোৱা দৰে, "আসাম বন্তি" সাংবাদিকতাৰ অকল এটা খুটিয়েই নহয় ইয়াৰ জন্মবৃত্তান্তৰ পৰা আৰম্ভ কৰি, মৰণ-বৃত্তান্তলৈকে লেখিবলগীয়া এটি উপাদেয় কাহিনীও।

"বন্তি"ৰ ভাষা কাৰো লগত নিমিলেই। গোহাঞিবৰুৱাৰ নিজা সুকীয়া ভাষা। সম্পাদক ডাঙৰীয়াই ভালেমান শব্দ সাজি উলিয়াই-

ছিল। যিবিলাক গ্ৰাহকে কাগজ পঢ়ে অথচ সোৱৰণী" পঠালেও; পইচা নিদিয়ে সেইবিলাকক বস্তিয়ে নাম দিছিল "আশীৰ্বদীয়া গ্ৰাহক" "জাননী দিয়া" নহয়, "জাননী মেলৰ" খৰচি মাৰি কৰা সমালোচনাৰ "টাহি মৰা সমালোচনা" আৰু পাৰ্চেলৰ সলনি "বাণ্ডি" নাম দিছিল। পদ্মনাথ গোহাঞিবৰুৱাই সাজি উলিওৱা সজা শব্দই বাছি উলিয়াব পাৰিলে এখনি আদৰণীয় বা আদৰুৱা পুস্তিকা হ'ব। তাকে পিছে, কৰে কোনে ?

বিশ্ববাৰ্ত্তা

ইং ১৯০৭--- (?)

অসমৰ সৈতে পূব-বঙ্গৰ জিলা কেইখনমান সাঙুৰি দি অসম নাম সলাই "ইষ্টাৰ্ণ বেঙ্গল এণ্ড আসাম" নাম দিয়াৰ পিচত, গৱৰ্ণমেণ্টে "বিশ্ববাৰ্ত্তা" নামেৰে চাকাৰ পৰা এখন সাপ্তাহিক কাকত প্ৰকাশ কৰে। কাকতৰ সম্পাদক আছিল শ্ৰীযুত কালিৰাম বৰ্ম্মণ। কাকতৰ মূল উদ্দেশ্য আছিল নকৈ পতা প্ৰদেশখনৰ সুচলতা দেখুউৱা আৰু বঙ্গদেশৰ বোমা ফুটোৱা অন্দোলনৰ পৰা অসমক বিৰত ৰখা। ৰাইজৰ পৰা আশানুৰূপ সহায় নোপোৱাত কাকতখনৰ অকাল স্মৰণ হ'ল। কিন্তু, বৰ্ম্মণ ডাঙৰীয়া সম্পাদক থাকোতে কৰ্ণেল গৰ্ডন চাহাবে কেনেকৈ অসমীয়া ভাষাৰ হিত চিন্তিছিল সেই কথাৰ হ'লে স্মৰণ নহ'ল। গৰ্ডনে বুজাইছিল--অসমীয়া ভাষা, অসমীয়াই বঙ্গলাৰ সৈতে তেনেই তেলপানী। 'বিশ্ববাৰ্ত্তা'ৰ ভাষা অসমীয়া। ইয়াৰ ভাষাও সেইদেখি নিৰ্ভাজ অসমীয়া হ'ব লাগে। কিন্তু সম্পাদকে মজামজিকৈ সংস্কৃতীয়া শব্দ ব্যৱহাৰ কৰাত গৰ্ডনৰ খং উঠি, এদিন বৰ্ম্মণ ডাঙৰীয়াক জক-জককৈ ধৰিলেগৈ, "কালিৰাম, তুমি সম্পাদকৰ কাম এৰি দিব লাগে। তুমি অচমীয়া ভাষা নেজানা।"

বৰ্ম্মণে মৃদুভাৱে মাত লগালে, "নিভাঁজ কামৰূপৰ মানুহ মই; মই অচমীয়া ভাষা নাজানো কোনে জানে ?" "অঃ, তুমি নেজানা। তুমি লিখিছা, 'গৱৰ্ণমেণ্টে মাহে ২০ টকা বৃত্তি দিলে অসমীয়া ছাত্ৰৰ উৎসাহ বাঢ়িব।" সেইদৰে কেলেই লিখিবা ? তুমি লিখিব লাগিছিল,

'চৰ্কাৰে বাহাদুৰে মাহে মাহে কুৰি টকাকৈ জলপানী দিলে অসমীয়া ছাত্তৰৰ মন-গা দাং খাই আহিব'।"

সি যি কি নহওক, বৰ্মণ ভাওৰীয়াই গুৱাহাটীলৈ আহি ওকালতি ব্যৱসায়ত ধৰিবলগীয়া হোৱাত, 'বিশ্ব বাৰ্ত্তা'ৰ লগত সম্বন্ধ ছিগি থাকিল। তাৰ পাচতেই কাকতৰ অৱস্থাও কাহিল হৈ আহিল আৰু অসমৰ হাড়মাল পূৰ্ববঙ্গ ডোখৰ এৰুৱাই দি অসমক আকৌ আগৰ অসম প্ৰদেশ কৰাত 'বিশ্ব বাৰ্ত্তা'ৰ আৱশ্যকো নোহোৱা হ'ল।

"আসাম বিলাসিনী" ২য় পৰ্য্যায়

ইং ১৯১৪---২৫ (?)

ওপৰত কৈ অহা, "আসাম বিলাসিনী"ৰে দ্বিতীয় পৰ্য্যায়---এইখন "আসাম বিলাসিনী"। আউনীআটী সত্ৰৰ "ধৰ্ম্মপ্ৰকাশ প্ৰেছ"টো এনেয়ে পৰি থকাত যোৰহাটৰ স্বৰ্গীয় কৃষ্ণকান্ত ভট্টাচাৰ্য্যদেৱে সেইটো আনি যোৰহাটত পাতেহি। আৰু তাৰ পৰাই ১৯১৪ চনত সাদিনীয়া কাকত "আসাম বিলাসিনী" প্ৰকাশ কৰে। প্ৰথমতে ইয়াৰ লেখাদেখি সম্পাদক আছিল ঘনকান্ত ভট্টাচাৰ্য্য আৰু শেহৰফালে সহায় কৰিছিল বিদ্যাধৰ শৰ্মাই। কিন্তু কংগ্ৰেছ আন্দোলনত যেতিয়া জুই জ্বলিছিল তেতিয়া কৃষ্ণকান্ত ভট্টাচাৰ্য্যই ঘাই সম্পাদক হৈ ইয়াৰ গুৰি ধৰিছিল।

"আসাম বিলাসিনী" অকল জাতীয়তাবাদী কাকতেই নাছিল। বৃটিছ আমোলাতন্ত্ৰৰ অধীনত থকা নিচেই তল খাপৰ কৰ্মচাৰীৰ পৰা ৰাজধানীত থকা উচ্চ বিষয়াসকললৈকে---সকলোৰে নিমিত্তে সৌকাজৰা বেজস্বৰূপ আছিল অৰ্থাৎ সৌকাজৰা বেজে যেনেকৈ খেদি খেদি চোৰ ধৰা পেলাইছিল বিলাসিনীয়েও তেনেকৈ দুৰন্ত দুৰ্নীতিপৰায়ণ কৰ্মচাচাৰীৰ দোষ খুচৰি উলিয়াইছিল। যি সময়ত ইংৰাজ এজন দেখিলেই মানুহে "মানুহ নহয় চাহাব" বুলি ভয়তে কোচ মোচ খাইছিল, সেই সময়ত নিৰ্ভীক ভাৱে ইংৰাজ বিষয়াসকলৰ দোষ আঙুলিয়াই মুখলৈ নোচোৱাকৈ সমালোচনা কৰা বাবেই "আসাম-বিলাসিনী"ক সকলোৱে আদৰ কৰিছিল। চেনিবন্ধা কাগজতেই "বিলাসিনী" ছপা হৈছিল। আৰু খবৰো নিচেই তাকৰ ওলাইছিল। তথাপি যেয়ে সেয়ে "বিলাসিনী" বুলিলে বৰ হেপাহেৰে হাতত তুলি লৈছিল। কংগ্ৰেছৰ নীতি সমৰ্থন কৰি বৃটিছ চৰকাৰৰ বিৰুদ্ধে খোলাখুলিকৈ গৰিহণামূলক প্ৰবন্ধ লেখা বাবেই অসহযোগৰ দিনত 'ধৰ্ম্মপ্ৰকাশ প্ৰেছটো' বাজেয়াপ্ত হ'ল

আৰু অৱিমনা ভবি নীলামত মাটিবাৰীগৈ সম্পাদক গৰাকীৰ অৱস্থাও পানীত হাঁহ নচবা অৱস্থা হ'ল। সেই আপদীয়া লটিঘটিতেই বিলা-সিনীও মৃত্যুমুখত পৰিল।

"দীপ্তি" মাহেকীয়া বাতৰি-কাকত

ইং ১৯০৫—১৯৩৮

সাদিনে মাহেকে-পষেকে ওলোৱা এই দীপ্তিখন ১৯০৫ চনতে যোৰহাটৰ পৰা ওলায়। নীতি আছিল—"ধৰ্মত মতি বৃদ্ধি কৰিবৰ নিমিত্তে সকলো কৰা হওক।" প্ৰথম সম্পাদক আছিল, গুৱাহাটীৰ ৰেঃ ভিকট হিউগ, ৰেভাৰেণ্ড চোৱাঞ্চন। গুৱাহাটীতো বছৰদিয়েক ছপা হৈছিল। ৰেভাৰেণ্ড টটোল, মিছ ভিক্‌চ আদি অসমত থকা আমেৰিকান খ্ৰীষ্টীয়ান পাদুৰীসকলৰ দ্বাৰাই প্ৰকাশিত হোৱা বাবে খ্ৰীষ্টীয় বা খৃষ্টান সম্প্ৰদায়ৰ মাজত ইয়াৰ প্ৰচলন হৈছিল। নগায়ো অসমীয়া ভাষাৰেহে দীপ্তিৰ পোহৰ লৈছিল। খ্ৰীষ্টান সমাজত অসমীয়া ভাষা প্ৰচাৰ কৰাত ৰেভাৰেণ্ড গল্ডস্মিথ, ৰেভাৰেণ্ড মিনাৰাম শলাগৰ পাত্ৰ।

গোলাঘাটৰ কুমাৰী লাবণ্যলতা শৰ্মাই "স্বদেশৰ মঙ্গলৰ অৰ্থে খ্ৰীষ্টীয়ান ছোৱালীয়ে কি কৰিব পাৰো ও কেনেকৈ" বুলি লেখা এটি প্ৰবন্ধত "অসমী আইৰ উপকাৰ সাধন কৰিবলৈ" এটি পৰামৰ্শ দিছিল। ১৯৩৮ চনৰ মেই মাহৰ 'দীপ্তি'ৰ পৰা তাৰে শাৰীদিয়েক তুলি দিয়া হ'ল ঃ—

"ছোৱালী জাতিৰ স্বভাৱ কেনেকুৱা হব লাগে সেই বিষয়ে পৌলে আমালৈ এটি সুন্দৰ চানেকী থৈ গৈছে। যেনেকৈ এগৰাকী শিপিনীয়ে চানেকীৰ পৰা এখন কাপোৰত ফুল তুলি সেই কাপোৰখনি শুৱনী কৰি তোলে, ঠিক সেই দৰে আমি বৰ্ত্তমান ছোৱালী জাতিয়ে পৌলে দিয়া সেই চানেকী লৈ আমাৰ নিজৰ স্বভাৱ চৰিত্ৰ গঠন কৰিব পাৰো। পৌলে কৈছে, 'তিৰুতা বিলাক, সুলাজ, সুবুদ্ধি আৰু পৰিপাটী পোছা-কেৰে আপোনাবিলাকক ভূষিত কৰোক; কিন্তু চেলাবটা চুলি, সোণ আৰু মুকুটৰে নহৈ সৎকৰ্ম্মৰে ভূষিত কৰোক।" যীচুখ্ৰীষ্টৰ ধৰ্ম্ম-বাণী প্ৰচাৰ কৰোতে 'অৰুনোদয়ে' যি ৰূপে উমৈহতীয়াভাৱে অসমীয়া মানুহৰ মঙ্গল চিন্তা কৰিছিল, 'দীপ্তি'য়ে সেই লক্ষ্য অনুসৰণ নকৰি

কেৱল খ্ৰীষ্ট ধৰ্মাৱলম্বীসকলৰ কথাহে প্ৰচাৰ কৰিছিল। এয়ে 'অৰুনোদয়' আৰু 'দীপ্তি'ৰ পাৰ্থক্য। তথাপি বাতৰি-কাকতৰ তালিকাৰ পৰা 'দীপ্তি'ৰ নাম বাদ দিব নোৱাৰি।

"অসমীয়া"

ইং ১৯১৮—৪৯ (?)

স্বৰ্গীয় চন্দ্ৰকুমাৰ আগৰৱালা, সদানন্দ দুৱৰা আৰু নীলমণি ফুকনকে প্ৰমুখ্য কৰি ডিবুৰুগড়ৰ মূৰ জিলিকা নাগৰিকসকলে বাতৰি কাকতৰ অভাৱ পূৰণৰ অৰ্থে এটি যুটীয়া কোম্পানী গঠন কৰি ১৯১৮ চনৰ জন্মাষ্টমীৰ দিনা ডিবুৰুগড়ৰ পৰা 'অসমীয়া' প্ৰেছত ছপাই "স্বৰ্গতো অধিক জনমভূমি" সঙ্কল্পেৰে সাদিনীয়া 'অসমীয়া' বাতৰি কাকত প্ৰকাশ কৰে। কাকতখনৰ গুৰিয়াল নাইবা প্ৰতিষ্ঠাতা আছিল আগৰৱালা ডাঙৰীয়া। সঁচা কথা ক'বলৈ গ'লে তেখেতেই আছিল অসমীয়া সৎ-সৰ্বহ। চালুকীয়া অৱস্থাত আগৰৱালা, ফুকন আৰু অনিৰ্দিষ্ট জনদিয়েকে সম্পাদকীয় প্ৰবন্ধ লেখিছিল আৰু অন্যান্য বা-বাতৰিবিলাক আগৰৱালা ডাঙৰীয়াইয়েই চকু ফুৰাই দিছিল। বছৰ দিয়েকমানৰ মূৰত মহেশ্বৰ বৰুৱাই সম্পাদকৰ ভাৰ লয় আৰু আগৰৱালাৰ বিশ্বস্ত কৰ্মচাৰী খগেন্দ্ৰনাথ দত্তই (ভুঞাই) প্ৰবন্ধ যুগুতোৱাৰ পৰা আহিকাকত চোৱা, আয়-ব্যয়ৰ হিচাপ কৰালৈকে সকলো কামৰ তদাৰক কৰে। বছৰ দিয়েকমানৰ পিছত 'অসমীয়া'ৰ ছপাশালটো গুৱাহাটীলৈ তুলি অনা হয় আৰু 'অসমীয়া'খনো গুৱাহাটী পৰা বন্ধ হোৱা দিনলৈকে ১৯৪৯ চন মানলৈকে নিয়মিত ৰূপে ওলা আছিল। 'অসমীয়া' জন্মাৱধি জাতীয়তাবাদী কাকত। ১৯২০ চনত 'কাউন্সিললৈ' (বিধান সভা) উঠিব খোজা কেণ্ডিডেট (নিৰ্বাচন প্ৰাৰ্থী) সকলক 'অসমীয়াই' সঁকীয়াইছিল এই ৰূপে (যি সঁকীয়নি এতিয়া প্ৰযোজ্য)।

"আগৰ কেইজন কাউন্সিল মেম্বৰে দেশৰ ৰাজনৈতিক অৱস্থা বুজি আছে। তেওঁলোকক আমি অসঙ্কিংধচিত্তে যাবলৈ কওঁ। কিন্তু কেণ্ডিডেটৰ ভিতৰত এনেকুৱা কেবাজনো ওলোৱা দেখিছোঁ যি কেজনে কাউন্সিললৈ যোৱাৰ আগেয়ে এবাৰ দকৈ ভাবি চোৱা উচিত। কাউন্সিলত সোমাব পাৰিলেই মই ডাঙৰ মানুহ হব পাৰিম বা দহোটাই

চিনি পাব, অথবা জিলাৰ বৰ চাহাব বা হাকিমসকলেও খাতিৰ কৰিব, এনে ভাবত কোনোৱে মেম্বৰ হ'বলৈ চেষ্টা কৰা নিতান্ত অনুচিত। যি কেতিয়াও ৰাজনৈতিক বিষয় চৰ্চা কৰা নাই, দেশৰ উন্নতি হক বুলি সভা-সমিতিত যি কেতিয়াও যোগ দিয়া নাই, আৰু বৰ্তমান গৱৰ্ণমেণ্টৰ শাসন প্ৰণালী চৰ্চ্চা কৰি তাৰ কি হলে, কি নহলে আমাৰ প্ৰজাৰ উপকাৰ বা উন্নতি হব তাক আলোচনা কৰি চোৱা নাই, তেওঁ কাউন্সিললৈ গৈ দেশৰ কথা কাউন্সিলত আগ কেনেকৈ বঢ়াবগৈ লাগিব, তাক শিকা অতিশয় আৱশ্যক, নহলে কাউন্সিললৈ যোৱাটো বেয়া বুলি ভবা উচিত।"

বাতৰি ঃ—

অসমীয়া ছাত্ৰৰ ইংলণ্ড যাত্ৰা।

"মালভোগ বৰুৱা ডাঙৰীয়াৰ সৰু-মাজু-পুতেক শ্ৰীমান ৰোহিনী কান্ত বৰুৱা (৺লক্ষ্মীনাথ বেজবৰুৱাৰ জোঁৱায়েক) এদিনবৰা বিশ্ব-বিদ্যালয়ত কৃষি-বিদ্যা শিকিবলৈ গ'ল। বৃহস্পতি বাৰে যাত্ৰা কৰিলে।
—অসমীয়া, ৮ আগষ্ট, ১৯২০।

সম্পাদক মহেশ্বৰ বৰুৱা।

"স্বাধীনতাৰ ৰণত পৰা অসমৰ বীৰ বীৰাঙ্গণাসকল ঃ—

"আমি ডেকা লৰা ডিঙ্গি পাতি পাতি
তেজেৰে বলি শাল গল্লো বোলাই।"

কুশল কোঁৱৰ, তিলক ডেকা, লক্ষ্মীকান্ত হাজৰিকা ঠানুৰ)ম সূত, বলোৰাম সূত, সৰু চুতীয়া, ৰতন কচাৰী, মনবৰ নাথ, মণিকান্ত বড়ো, দয়াল দাস পাণিকা, মদন কুকু, মহীৰাম কোঁচ, হয়াৎ বড়ো, চন্দ্ৰ নাথ, মদন চন্দ্ৰ বৰ্মা ৰাউতৰাম কোঁচ।

দেশৰ বাবে আত্মাহুতি দিয়া অসম-জীয়ৰী—কনকলতা বৰুৱা, ভোগেশ্বৰী ফুকননী, কমলী নেওগ, তিলেশ্বৰী খহলী নাথ।"

—অসমীয়া, ১১ আগষ্ট ১৯৪৫ চন।

১৯২৬ চনত শ্ৰীঅমিয় কুমাৰ দাস আছিল ইয়াৰ সম্পাদক। তেতিয়াই পাণ্ডু কংগ্ৰেছ বহা কেইদিন ইয়াক দিনীয়াকৈ প্ৰকাশ কৰা হৈছিল। ১৯৩০ চনত তিনিদিনীয়া অসমীয়া ওলায়। তেতিয়াৰ

পৰাই 'প্ৰেছ এক্‌ট' মতে কাকতত সম্পাদকৰ নাম প্ৰকাশ হয়। তেতিয়া ক্ৰমান্বয়ে শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা আৰু পদ্মধৰ চলিহা সম্পাদক আছিল। ১৯৪৬ চনত চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিষ্ঠিত বুলি "আসাম প্ৰিন্টাৰ্চ এণ্ড পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেডৰ হৈ পূৰ্ণচন্দ্ৰ কাকতীৰ দ্বাৰা প্ৰকাশিত" হয় আৰু শ্ৰীদেৱকান্ত বৰুৱাৰ সম্পাদনাত "দৈনিক অসম" নাম লৈ সাদিনীয়া অসমীয়াই নতুন ৰূপত দেখা দিয়ে। গুৱাহাটীৰ পৰা প্ৰকাশিত হোৱা অসমীয়াৰ উঠি-সম্পাদক আৰু পাণী-সম্পাদক কেইবাজনো হৈছিল। তাৰ ভিতৰত প্ৰধান আছিল শ্ৰীঅমিয় কুমাৰ দাস, শ্ৰীলক্ষ্মীকাথ ফুকন, শ্ৰীহৰেন্দ্ৰনাথ বৰুৱা, শ্ৰীদেৱকান্ত বৰুৱা আৰু শ্ৰীআনন্দ চন্দ্ৰ বৰুৱা। শ্ৰীমোহনচন্দ্ৰ মহন্ত, জ্যোতিপ্ৰসাদ আগৰৱালা, হলীৰাম ডেকা, নিধিৰাম দাস, প্ৰতাপ চন্দ্ৰ তালুকদাৰ, শ্ৰীসোণাৰাম বেজ প্ৰভৃতি। প্ৰতিষ্ঠাতা চন্দ্ৰকুমাৰ আগৰৱালা ডাঙৰীয়া বহি-সম্পাদক আছিল। "অসমীয়া"ই বহুত ডেকা লৰাক সাংবদিক কৰি তুলি খ্যাতিমন্ত কৰিলে। 'অসমীয়া' আছিল কংগ্ৰেছৰ নীতি সমৰ্থক, সেইবাবে যাতনা জৰিমনা বহুত ভোগ কৰিবলগীয়া হৈছিল। আগৰৱালাই বিজতৰীয়া শব্দ যাতে নোসোমায় তাৰ নিমিত্তে সম্পাদকবিলাকক টপ-টপকৈ সোঁৱৰাই আছিল। 'লঘোণ', 'সজোত', 'ব্ৰত', 'উপবাস' আদি একো নোখোৱাকৈ থকা বুজোৱা শব্দ থকা সত্বেও 'অনশন' শব্দটো বঙলা কাকতৰ পৰা আনি ব্যৱহাৰ কৰাত এজন সম্পাদকে আগৰৱালাৰ খঙৰ তাপত সম্পাদকৰ কামকে ইস্তফা দিব খুজিছিল। সাংবাদিকতাৰ বিষয়ে 'অসমীয়া' কাকতৰ আতিগুৰি মৰা ইতিবৃত্তৰ পৰা ভালেমান কথা শিকিবলগীয়া আছে। এই সম্পৰ্কতে ক'বই লাগিব যে বৰ্তমান 'নতুন অসমীয়া'ৰ সুপ্ৰতিষ্ঠিত প্ৰবীণ সম্পাদকৰ সাংবাদিকতা-জুইশালখন 'অসমীয়ায়েই' আছিল।

'সত্যবাদী'

ইং ১৯২৮

১৯২৮ চনত তোমেশ্বৰ চেঁকীয়াল ফুকনৰ সম্পাদনাত ডিব্ৰুগড়ৰ পৰা পষেকীয়া কাকত "সত্যবাদী" ওলায়। দুবছৰমান থাকিয়েই অৰ্থাভাৱত কাকতখন বন্ধ হৈ যায়। সত্যবাদীয়ে অসমীয়া ৰাইজক বেহা-বেপাৰ, খেতি-বাতি আদিত লাগি জাতীয় অস্তিত্ব ৰক্ষা কৰিবলৈ দঢ়াই দঢ়াই উপদেশ উদগনি দিছিল।

"ডেকা অসম"

ইং ১৯২৮

অসমীয়া জাতিক জাতীয় আদৰ্শেৰে অনুপ্ৰাণিত কৰিবলৈ জাতীয়-তাৰ আগ্নেয়গিৰি অম্বিকাগিৰি ৰায়চৌধুৰীয়ে গুৱাহাটীৰ পৰা নিজা, 'অৰুণা প্ৰেছত' নিজে নিজেই কম্পজ কৰি 'ডেকা অসম' নাম দি সংৰক্ষিণী নীতিৰে এখনি 'জ্বালাময়ী' সাদিনীয়া কাকত প্ৰকাশ কৰে। সম্পাদকৰ প্ৰায় মৃত্যুদিন পৰ্য্যন্ত এৰাধৰাকৈ ওলাই আছিল। কাকত-খনৰ গুণাগুণ নকৈ ৰায় চৌধুৰীৰ ৰাজনৈতিক অভিমত কিমান স্পষ্টতা আৰু দূৰদৰ্শিতাৰে পৰিপূৰ্ণ আছিল আৰু অসমীয়াৰ অস্তিত্বৰ বিষয়ে কিমান দকৈ চিন্তা কৰিছিল, তাকে দেখুৱাবৰ নিমিত্তে ১৯৪৫ চনৰ (ঠিক স্বাধীন হোৱাৰ আগে আগে) 'ডেকা অসম'ৰ সম্পাদকীয় প্ৰবন্ধ-টোৰ পৰা ষাৰচেৰেকে তুলি দিলোঁ। মৰণমুখী অসমীয়া ডেকাই পঢ়ি উদ্বুদ্ধ হয় যদি ভালেই, নহলেও 'ডেকা অসম' কাকতৰ ধৰম কলৈ যাব ?

"দলাদলিত মাতৃভূমিৰ সৰ্বনাশ"

ব্যক্তিগত, শ্ৰেণীগত আৰু সম্প্ৰদায়গত নানা স্বাৰ্থত জড়ীভুত বৰ্ত্তমান পকা নেতাসকলৰ কথা নকওঁ, ভবিষ্যৎ নেতা আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰো এই দলাদলিৰ অন্ধতাই আমাৰ জাতিৰ, জাতীয় ঘৰৰ সৰ্ব্বনাশ ক্ৰমে ওচৰ চপাই হে আনিছে।

(১) বহিৰাক্ৰমণৰ প্ৰচণ্ডতাই ভেদ কৰি মৰ্ম্মস্থলকো অধিকাৰ কৰিলেহি।

(২) অসমীয়াৰ জাতীয়ঘৰৰ পকা খুটাকেইটা বহিৰাক্ৰমণৰ আঘাতত হালি পৰিল।

(৩) অসমীয়াৰ জাতীয় ঘৰত তাৰ নিজ ভাষাতকৈ আন ভাষাৰ প্ৰতিপত্তি বেছি হ'ল।

(৪) অসমীয়াৰ বাবে তাৰ নিজ ঘৰত ঠাইৰ নাটনি হ'ল।

(৫) অনা-অসমীয়াৰ অসংখ্য বেঙ্ক, ইঞ্চিয়ৰেঞ্চ কোম্পানীয়ে অসমীয়াৰ আৰ্থিক ক্ষেত্ৰ ছাটি পেলালে।

(৬) অসমৰ বেহা-বেপাৰ কাম-কাজ, চাকৰি-বাকৰিৰ ক্ষেত্ৰত অসমীয়া চিটিকি পৰিল।

(৭) অসমৰ ভৱিষ্যত জাতি গঠনৰ শ্ৰম শিল্পৰ ক্ষেত্ৰবিলাক অনা-অসমীয়াৰ অধিকাৰত পৰিল।

(৮) অসমীয়া জাতি হিন্দু-মুছলমান, বামুণ-অবামুণ কেওঁত-কলিতা, ট্ৰাইবেল-চিডিউল্ড, আহোম-চুতীয়া, কোঁচ-কাটনী আদিত ছিনভিন দুৰ্ব্বল হ'ল। অথচ, জাতিটোৰ এই দুৰৱস্থা'টোলৈ আওকাণ কৰি, নিজ ভৱিষ্যতলৈ চকু জপাই দেশৰ ভৱিষ্যত মালিক ছাত্ৰ-ছাত্ৰী দলেও আজি "ইজোম-শ্লোগান" গাই কেৱল অৰ্থহীন নেতৃত্বৰ উৎকট মোহত আশাধাৰী। কিন্তু নিজ দেশখন আনে ছাটি পেলালে, নিজ জাতীয় মানুহ কেগণ্ডা ক্ষেত্ৰৰ অভাৱত অস্তিত্ব নোহোৱা হলে, তেওঁলোকে ভবিষ্যত নেতৃত্ব চলাব কাৰ আৰু কিহৰ ওপৰত ? মাত্ৰ "ইজম শ্লোগানে' আনৰ ওপৰত নেতৃত্ব কৰিবলৈ এৰি দিবনে ? স্থিৰকৈ চিন্তা কৰি অসমীয়া ছাত্ৰ-ছাত্ৰী সমাজ গোট বান্ধি আন সকলো "ইজম" বাদ দি মাত্ৰ "এচামিজম" বা অসমীয়া বাদক মনেপ্ৰাণে সাবটি ধৰক।"

"লীগ" চৰকাৰৰ অনুগ্ৰহত, "মৈমনচিঙৰ পৰা মৈৰাবাৰীলৈকে ৫ টকাৰ ৰেলৰে টিকট কাটি একেবাৰে হেজাৰে বিজাৰে পমুৱা মৈমনচিঙীয়া আহিবলৈ ধৰে; সেই সোঁত বন্ধ নকৰাত চৰ্কাৰৰ ফাঁকি বুলিয়েই অভিহিত কৰিছিল। এনে দুৰ্কপলীয়া অভিযোগৰ পৰা গোপীনাথ বৰদলৈৰ মন্ত্ৰী-সভাও বাদ পৰা নাছিল।

"লীগৰ উচটনিত বঙ্গৰ পৰা অসম দখল কৰা ইমিগ্ৰেচনৰ সোঁত যে নিতৌ অসমলৈ আহি আছে---সেই জনস্ৰোত বন্ধ কৰিবলৈ অসম গৱৰ্ণমেণ্টে একো কৰা নাই। এইদৰে ইমিগ্ৰেণ্টৰ সোঁত উজাই আহি অসম ভৰি পৰিলহি, অসমীয়াৰ ভবিষ্যত সতি-সন্তানৰ বাবে অসমৰ মাটি ৰক্ষা কৰা বুলি মন্ত্ৰী সভাই গ্ৰহণ কৰা এনেবিলাক প্ৰস্তাৱৰ মূল্য ধূৰ্তামিৰ বাহিৰে কি আছে ? বলেৰে সোমোৱা অঞ্চলৰ পৰা উপদ্ৰবকাৰী ইমিগ্ৰেণ্টচক উঠাই দিয়াৰ আন্দোলন আৰু ৰাজ কৰ্মচাৰীসকলৰ হুকুম ১৯২৭ৰ পৰাই আৰম্ভ হয়। তেতিয়াৰ পৰাই এই বাৰিষাৰ পাচত, এই খেতিটো উঠাৰ পাচত সিহঁতক উঠাই দিয়া হব" বুলি কৈ কৈ ফাকি দি লাখ লাখ ইমিগ্ৰেণ্টচক অসমীয়াৰ

মাটিত স্থায়ী কৰা হ'ল। এই ফাকি আজিও শেষ হোৱা নাই। আৰু এই ফাকিটোকেই "বিশেষ জৰুৰী গেজেটত" প্ৰকাশিত এই প্ৰস্তাৱটো দেখা গৈছে। গতিকে বলেৰে সোমোৱা ৰিজাৰ্ভৰ পৰা ইমিগ্ৰেণ্টচক কেতিয়াও উঠাই দিয়া নহব—কেৱল অসমীয়া ৰাইজৰ চকুত ধূলা দিবলৈকেহে এই প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। প্ৰকৃত আন্তৰিকতা থাকিলে, মন্ত্ৰী সভাই সেই অঞ্চল বিলাকত ডিপুটী কমিছনাৰৰ পৰা মহাকুমাধিপতি, চৰডিপুটী, কাণনগু, মণ্ডল, কলনাইজেছন অফিচাৰলৈকে সাম্প্ৰদায়িকতা উন্মত্ততাৰে মাটিৰ সংশ্ৰৱত থকা সকলোবিলাক কৰ্মচাৰীৰ ঠাইত তৎক্ষণাৎ এই অভসন্ধি ব্যৰ্থ কৰা মনোবৃত্তিৰ কৰ্মচাৰী নিয়োগ কৰিলেহেঁতেন।

অসমীয়াৰ জাতীয়ত্বৰ আৰু জাতীয় অস্তিত্বৰ ওপৰত আমাৰ অযোগ্য প্ৰতিনিধিসকলৰ অমাৰ্জনীয় অৱহেলা, আৰু মন্ত্ৰী দলৰ জঘন্য স্বাৰ্থপৰতাৰ খেল-ধেমালি আৰু কিমান দিনলৈ চলিব? কিমান দিনলৈকে অসমীয়া ৰাইজে, তেওঁলোকৰ একমাত্ৰ জাতীয় দেশৰ ওপৰত অসমীয়াক নিশ্চিহ্ন কৰিম বুলি উঠি পৰি লগা অসমীয়া বিৰোধী গৱৰ্ণমেণ্ট আৰু মন্ত্ৰী মণ্ডলীৰ উপদ্ৰৱ্য সহ্য কৰি থাকিব? অস্তিত্ব লোপৰ শেষলৈকে নে?"

"ডেকা অসম" চৰকাৰৰ দোলাভাৰী নাছিল দেখিয়েই এনে নিৰ্ভিক সাৱধান বাণী।

আগ্নেয়গিৰি অগ্নিকাগিৰীৰ বুকুৰ পৰা যি জুই ওলাইছিল স্বাধীন হোৱাৰ দুবছৰৰ আগেয়ে, সেই জুই এতিয়াও উমি উমি জ্বলি আছে, দুখ লাগে, "ডেকা অসম" আজি নাই—সেই কুৰা জুই উকৰাই পঠিয়াবলৈ।

"সাদিনীয়া বাতৰি"

ইং ১৯৩০

১৮৫২ শকৰ বিজয়া দশমীৰ দিনা "সাদিনীয়া বাতৰি"ৰ জন্ম। "স্বত্বাধিকাৰী ৰায় বাহাদুৰ শ্ৰীযুত শিৱ প্ৰসাদ বৰুৱা।" যোৰহাটৰ দাস কোম্পানীৰ প্ৰেছৰ শ্ৰীজিতেন্দ্ৰনাথ দাস মুদ্ৰক। 'বাতৰি' নামটো দিছিল ৰায় বাহাদুৰ বৰুৱাৰ ভাগিনীয়েক ভগৱতী প্ৰসাদ বৰুৱাই। কিছুমান দিন কীৰ্তিনাথ বৰদলৈ আৰু শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাই প্ৰবন্ধপাতি লেখি কাকতখন থিয়-দণ্ডা দিব পৰা কৰে আৰু ১৯৩১ চনত,

"নীলমণি টি ইষ্টেটৰ মেনেজিং প্ৰপ্ৰাইটৰ" শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়াই সম্পাদকৰ ভাৰ লৈ শ্ৰীআনন্দ বৰুৱাৰ সহায়েৰে ইয়াক গজগজীয়া কৰে। ডেকা বেজবৰুৱা মাধৱৰ অসম বিশ্ববিদ্যালয় পতা আহবানৰ অগ্নিস্ফুলিঙ্গ বাণীৰ শিতানে "বাতৰি"ৰ পাতত তৰবৰণি তুলিছিল।

"অসম বিশ্ববিদ্যালয়ৰ চৌৰে লুইতৰ পাৰ আফালিছে", "অসম বিশ্ববিদ্যালয়ৰ ধ্বনিয়ে পৰ্বতৰ টিঙে-টিঙে শিঙা বজাইছে।"

অসম বিশ্ববিদ্যালয়ৰ দিন পাল কৰিয়েই ক্ষান্ত নহব। ধ্যানে জ্ঞানে, বাক্যে বচনে আৰু হাতে-কামে "অসমী বিশ্ববিদ্যালয়" মহামন্ত্ৰ উচ্চাৰণ কৰি নিজ নিজ কৰ্তব্যত অগ্ৰসৰ হওক। অসম জননীৰ নীলাচলত অসম বিশ্ববিদ্যালয়ৰ স্বপ্ন উৰি ফুৰক। ছাত্ৰ-ছাত্ৰীৰ হৃদয়ৰ স্তৰে স্তৰে দিঠক হৈ উঠক---অসম বিশ্ববিদ্যালয়ৰ পবিত্ৰ মূৰ্ত্তি।"

জাঁজী জামুগুৰি চাপৰিত "লাচিত বৰফুকন" উৎসৱত সভাপতি ৰূপে মাজুলী ৰায়ত সভা, ডাঙৰী ৰায়ত সন্মিলনী, শিক্ষক সন্মিলনী আদিৰ কৰ্ণধাৰ ৰূপে মূৰ্ত হৈ উঠা ফুকন ডাঙৰীয়াৰ তেজ উতলোৱা বাগ্মিতা চৌৰে "বাতৰি" পাত খলক লগাই আছিল আৰু সেই খলকনিত অসমীয়া ডেকা শক্তিৰ দেশাত্মবোধ পুনৰ্জীৱিত হৈ হাফোলা-হাফোলে আগবাঢ়ি গৈছিল।

"দৈনিক বাতৰি"

ইং ১৯৩৫

১৮৫৭ শকৰ ২৭ শাওণ সোমবাৰে (১৯৩৫ চনৰ আগষ্ট) ৰায়-বাহাদুৰ বৰুৱাই নিজ ঘৰৰ চৌলত বহুউৰা নিজা "বাতৰি" প্ৰেছত অসমৰ প্ৰথম দৈনিক সংবাদপত্ৰ "দৈনিক বাতৰি"ৰ জন্ম হয়। ইয়াৰ জন্ম চক্ৰত এইসকলক বিৰাজ কৰা দেখা গৈছিল ঃ

স্বত্বাধিকাৰী ঃ ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা
তত্ত্বাৱধায়ক ঃ শ্ৰীশশীপ্ৰসাদ বৰুৱা
প্ৰধান সম্পাদক ঃ নীলমণি ফুকন
সহকাৰী " ঃ শ্ৰীবেণুধৰ শৰ্মা

(পাছত) সম্পাদক : শ্ৰীলক্ষ্মীনাথ ফুকন
পালী " : শ্ৰীকৰুণাকান্ত গগৈ
শ্ৰীৰাজীৱ লোচন বৰুৱা
প্ৰকাশক : ডম্বৰুধৰ ফুকন
সহ প্ৰকাশক : ৰামপ্ৰসাদ বৰুৱা
ছপাশালৰ প্ৰধান মুদ্ৰক : শ্ৰীনন্দনাথ গোস্বামী।

যোৰহাট নগৰৰ পৰা আঠ মাইল দূৰৈত থকা, ৰায়বাহাদুৰৰ জন্মস্থান বংশবনাবৃত ঠেঙ্গালৰ পৰা প্ৰকাশিত হৈ ওলোৱা "দৈনিক বাতৰি"য়ে ভাষা-সাহিত্য আৰু ৰাজনীতি-সম্পৰ্কীয় ভৱিষ্যদ্বাণীৰ সংখ্যাতীত বিভূতি যি অসমীয়া ৰাইজক দিলেই যে অসমক গিলিবলৈ লোৱা অসম-অসমীয়া-বিৰোধীৰ খাই পাতফলা 'ষড়যন্ত্ৰমূলক কেৰা-মতালিবো' হাঁফি লৰালে।

"দৈনিক বাতৰিয়ে"ই পোন প্ৰথম "ৰয়টাৰ", "এচছিয়েটেড প্ৰেছ" আদি বাতৰি সংস্থানৰ বিজুলী ডাকত (টেলিগ্ৰাফিক) অহা বিদেশৰ বাতৰি কিনি লয়। সেই বাতৰিবোৰ নিতৌ তপতে তপতে তৰ্জমা কৰি কাকতত চকুত লগা শিতানেৰে প্ৰকাশ কৰা পন্থাটোও "বাতৰি"-য়েই উদ্ভাৱন কৰে। এই তৰ্জমাত ন-কৈ সজা শব্দৰ শালখনক বোলা হৈছিল "শব্দশাল"।

সম্পাদকীয় প্ৰবন্ধাৱলীৰ উপৰিও, পূৰ্ণকান্ত বুঢ়াগোহাঁইৰ "মান দেশৰ বুৰঞ্জী", মহম্মদ ৰায়হান শ্যাহৰ "মহাপুৰুষ শঙ্কৰদেৱ" প্ৰভৃতি ভালেমান জানিবলগীয়া নতুন কথা আৰু ৰচনা সম্ভাৰেৰে সমৃদ্ধ হৈ ওলাইছিল "দৈনিক বাতৰি।"

"ভাষাৰ ভেঁটিত প্ৰাদেশিক গৱৰ্ণমেণ্ট", অসমত হাইকৰ্ট, "অসমত দুৱলীয়া ভাষা বওলা হ'ব নে? "অশুদ্ধ দেশত বিশুদ্ধ স্কুল", আন্তৰ্জাতিক বিপ্লৱ" "অসম বিশ্ববিদ্যালয়ৰ আদৰ্শ", "সুবিধাবাদ" প্ৰভৃতি অনেক সম্পাদকীয় প্ৰবন্ধ ওলাইছিল—যি বোৰ সঁচাকৈয়ে "দৈনিক বাতৰি"ৰ চিন্তামূলক প্ৰবন্ধ।

বাতৰিৰ এই দৈনিক সংস্কৰণটোৰ ১ম সংখ্যাটো কলপুলিৰ চিত্ৰেৰে সুশোভিত কৰি "আই তোৰ বাতৰি পৰ্বতে-ভৈয়ামে জানে-জুৰিয়ে বওক" বুলি স্বাগত প্ৰশস্তি উচ্চাৰি অসমীয়া ৰাইজৰ ওলগ লৈছিল।

"দৈনিক বাতৰি"ৰ জন্মতিথি উপলক্ষে শ্ৰীযুত মহেন্দ্ৰনাথ ডেকা ফুকনে এই বুলি ওলগ জনাইছিল,

মান্যবৰ ফুকন ককাইদেউ,

সদাশিৱ প্ৰতিম শিৱপ্ৰসাদৰ অপ্ৰতুল ঐশ্বৰ্য্যৰ উত্তৰাধিকাৰিণী স্বৰূপা হে, অপূৰ্ব অমৃতপ্ৰভা, মহামানী নীলমণিক কণ্ঠত লৈ ডেকা-গাভৰুৰ বুকুৰ বাতৰিয়ে সাদিনীয়াৰ পৰা এই দুদিনৰ মূৰতে সদাই দিনীয়াকৈ দোপ লব। ইয়াতকৈও ৰঙৰ বাতৰি অসমত কোনটি ?

বিদুৰৰ পজা উৰুখাও, উদংও, আগবঢ়াবলৈ একোটো নাই। সেই গুণে, ৰণুৱাৰ সপোন পুৰীৰে পৰা কিবাকিবি এমুঠি লৈ দোক-মোকালিতে উঠি, পুবলৈ চাই মালা এধাৰিকে গাথি পঠিয়ালো। চলে যদি "বাতৰি"ৰ একাষে ঠাই দিব।

কলপুলিয়ে গঁথা মালা ধাৰিয়েই শ্ৰীযুত মহেন্দ্ৰ নাথ ডেকা ফুকনৰ।

নগৰৰ কথা

ইং ১৯৩৫

এই সময়তে মাহ দিয়েক বাপুতা ওৰফে মফজল হুচেইন নামে যোৰহাটৰ নাগৰিক এজনে এপইচা দামৰ খিলীয়া (ৰয়েল ?) কাকত এখন উলিয়াইছিল। তাত খবৰ আছিল এনেকুৱা ধৰণৰ—

"অসমৰ সম্পাদক কীৰ্ত্তিনাথ বৰদলৈ আৰু 'বাতৰি'ৰ সম্পাদক শ্ৰীযুত নীলমণি ফুকন দুয়ো অহি-নকুল, কাৰো ৰাহিয়ে ৰাহিয়ে নাহে। সেই দেখি নগৰৰ কথাই বাতৰি দিছিল,—

"আজি ডাক বঙলাৰ আগেদি শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ আৰু শ্ৰীযুত নীলমণি ফুকন ডাঙৰীয়া দুগৰাকীয়ে হাতত ধৰাধৰিকৈ টহলি ফুৰিছে।"

"অসম"

ইং ১৯৩৫

সঙ্গীতাচাৰ্য্য কীৰ্ত্তিনাথ বৰদলৈৰ সম্পাদনাত যোৰহাটৰ পৰা 'অসম' নামে সাদিনীয়া কাকত ওলাইছিল।

"আসাম সেৱক"

ইং ১৯৩৮

"সাদিনীয়া বাতৰি কাকত" "আসাম সেৱক" ওলায় তেজপুৰৰ পৰা; সম্পাদক আছিল শ্ৰীযুত বিজয় চন্দ্ৰ ভাগৱতী। ইয়াৰ প্ৰতিষ্ঠাতা ডাঃ হৰিকৃষ্ণ দাস। সম্পূৰ্ণ কংগ্ৰেছ পন্থী।

"তৰুণ অসম"

ইং ১৯৩৯

দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু উপলক্ষে স্বৰ্গীয় অগ্নিকবি কমলাকান্ত ভট্টাচাৰ্য্যৰ বঁৰ পুতেক প্ৰখৰ বুদ্ধিসম্পন্ন তৰুণ কুমাৰ ভট্টাচাৰ্য্যই তৰুণ দলৰ উদ্দেশ্যে "উপদেশতকৈ আহি ভাল"—নীতি অনুসৰণ কৰোতা স্বাৱলম্বী, দানী, ধৰ্মপ্ৰৱণ স্বৰ্গীয় নন্দেশ্বৰ চক্ৰৱৰ্তী ডাঙৰীয়াৰ হতুৱাই সাপ্তাহিক কাকত "তৰুণ অসম"খন ১৯৩৯ চনৰ ২৯ জুলাই তাৰিখে ডিব্ৰুগড়ৰ পৰা "সদাশিৱ প্ৰেছত ছপাই প্ৰকাশ কৰে। প্ৰতিষ্ঠাতা চক্ৰৱৰ্তীয়ে 'তৰুণ অসম'ৰ নিমিত্তে বীজমন্ত্ৰ দিছিল, "উঠা, সজাগ হোৱা, শ্ৰেষ্ঠ সম্পদ লাভ কৰা।"

সম্পাদক হৈছিল তৰুণ কুমাৰ ভট্টাচাৰ্য্য নিজেই।

'নিজা বাতৰি দিওঁতা' আছিল নে নাছিল ক'ব নোৱাৰি, কিন্তু তৰুণ অসমত দেখিব সাদিনে সাদিনে ওলাই থাকে, লেনিনগ্ৰেড, ৱাশ্বিংটন, লণ্ডন, পিকিং, ৰেঙ্গুণ, ইস্তাম্বুল আদি ঠাইৰ পৰা 'আমাৰ নিজা সংবাদদাতাৰ পৰা পোৱা বাতৰি'—সেই বাতৰি শিতানত বৰ বৰ আখৰেৰে ছেৰেলী কোবাই যোৱাকৈ এপিঠি জুৰি প্ৰকাশ পায়।

"মস্কো-ৱাশ্বিংটনৰ মাজত দুৰ্দ্ধৰ্ষ প্ৰতিদ্বন্দ্বিতা", "জাৰ্মান টুৰ্কীৰ যুদ্ধ হোৱাৰ সম্ভাৱনা" ইত্যাদি।

ভট্টাচাৰ্য্যই আগেয়ে শ্বিলঙৰ পৰা ইন্টাৰনেশ্যনেল টাইমচ (International Times) নাম দি এখন হৈ-চৈ লগোৱা কাকতৰ সম্পাদক আছিল। তাত তেনেকৈ বৈদেশিক সংবাদ পৰিবেশন কৰাত কাকতখন বন্ধ হৈ থাকে। তাৰপৰা আহি 'তৰুণ অসম'তো সেই ৰূপেই সংবাদৰ কল্পিত সঁফুৰা মৰিবলৈ ধৰাত প্ৰতিষ্ঠাতাই তেওঁক গুচাই শ্ৰীবেণুধৰ শৰ্মাক সম্পাদক পাতে। সহঃ সম্পাদক শ্ৰীসাৰদা শঙ্কৰ প্ৰসাদ দত্ত

আৰু শ্ৰীকৃষ্ণকান্ত বৰুৱা। মেনেজাৰ ৰামেশ্বৰ ভট্টাচাৰ্য্য আৰু গিৰীশচন্দ্ৰ বৰুৱা।

১৯৪২ চনত যুদ্ধৰ বাবে কাগজৰ নাটনি হ'লত কাকতৰ প্ৰকাশ বন্ধ হয়।

এই কাকতত লেখা সম্পাদকীয় প্ৰবন্ধৰ বাবে সম্পাদকজন অজান্তী মুলুক সদিয়া চহৰৰ পলিটিকেল অফিচাৰৰ দ্বাৰাই অভিযুক্ত হৈ লাহে লাহে জেলত সোমাব লগীয়া হৈছিল। তেওঁৰ বঙালী কৰ্মচাৰী এজনক 'তৰুণ অসম'ত 'টেঁওৰ' বুলি কোৱাটোৱেই আছিল অভিযোগৰ কাৰণ। কৰ্মচাৰীজনে চাহাবক বুজাই দিছিল, 'টেঁওৰ' মানে Sly অৰ্থাৎ ধূৰ্ত (যেনেধূৰ্ত শিয়াল)। কিন্তু সম্পাদকে তাৰ ইংৰাজী Intelligent, clever ও হ'ব পাৰে বুলি উদাহৰণেৰে সৈতে বুজাই দিয়াত "বেকচুৰে" নিষ্কৃতি পালে। বাতৰি-কাকতীয় স্বাধীন মত-প্ৰকাশ কৰাত তৰুণ অসমৰ সম্পাদকে বহুত লঘু লাঞ্ছনা সহ্য কৰিব লগীয়া হৈছিল।

তথাপি ক'ব লাগিব যে যি উদ্দেশ্যেৰে "তৰুণ অসম" প্ৰতিষ্ঠিত হৈছিল, সেই উদ্দেশ্য পূৰ্ণ হোৱাত প্ৰতিষ্ঠাতাৰ জীৱন প্ৰাণ-পৰিভোগী হ'ল—লগতে অনাই বনাই ফুৰা অসমীয়া ডেকা ল'ৰা কিছুমানৰ অন্ন সংস্থান হ'ল।

"অসম ৰাইজ"

ইং ১৯৬৩

১৮৫৭ শকৰ চ'ত মাহত (১৯৩৬ চন) যোৰহাটৰ পৰা তিনি-দিনীয়াকৈ "অসম ৰাইজ" প্ৰকাশ হয়। সম্পাদক ছিল শ্ৰীদেবে নাথ শৰ্মা, বি, এ ; আৰু ছাপাখানা আৰু মুদ্ৰাকৰ আছিল ক্ৰমান্বয়ে 'অন্নদা প্ৰিন্টিং বৰ্কচ' আৰু শ্ৰীঘনকান্ত গোহাঁই ৰাজকুমাৰ। স্বৰ্গীয় জ্ঞাননাথ বৰাদেৱে "অসম ভাৰতত কিয় থাকিব ?" "কংগ্ৰেছত সোমালে অসমীয়াৰ অস্তিত্ব নাথাকিব"—ইত্যাদি সংৰক্ষিণী মতবাদ প্ৰচাৰ কৰাৰ বিৰুদ্ধে অভয়পুৰীয়া আমগুৰি বজালতলি আদি গাঁৱৰ তাম্ৰুলী, দুৰ্গেশ্বৰ কোঁৱৰ, মোহন বৰুৱা, প্ৰভৃতিৰ চিঠিয়ে চাঞ্চল্যৰ সৃষ্টি কৰিছিল ।

এটা খবৰ ঃ

শিৱসাগৰৰ প্ৰবীণ উকীল শ্ৰীযুত ৰামকুমাৰ বৰুৱা দেৱৰ মৃত্যু।
যোৱা ১৪।৬।৩৬ তাৰিখে শিৱসাগৰৰ প্ৰবীণ উকীল ৰামকুমাৰ বৰুৱা দেৱ হঠাতে স্বৰ্গী হয়।

আৰু এটা ঃ

পকামুৰা ৰায়ত সভা
সভাপতি শ্ৰীযুত দেবেশ্বৰ শৰ্ম্মা ঃ

সভাপতি দেৱে ওজস্বিনী ভাষাৰে ৰাইজৰ অভাৱ-অভিযোগৰ বিষয়ে বহলাই কয় আৰু ৰাইজক সংঘবদ্ধ হৈ কাম কৰিবলৈ কয়।

সভাত শ্ৰীযুত মোহন চন্দ্ৰ মহন্ত ডাঙৰীয়াই কংগ্ৰেছৰ লগত বেছিকৈ সহযোগ কৰিবলৈ ৰাইজক অনুৰোধ কৰে। তেখেতে আকৌ কয় যে বিশ্ববিদ্যালয় আদি স্থাপনৰ দ্বাৰাই খেতিয়কৰ কোনো বিশেষ উপকাৰ নহয়।"

"ৰাইজেই ৰজা" বুলি মন্ত্ৰ মাতি "অসম ৰাইজে" অসমীয়া ৰাইজক সেৱা কৰিছিল।

"স্বৰাজ"

ইং ১৯৩৯

১৯৩৯ চনত শ্ৰীযুত বেথাৰাম বৰাৰ দ্বাৰা সম্পাদিত মুদ্ৰিত আৰু প্ৰকাশিত হয় যোৰহাট দৰ্পণ প্ৰেছৰ পৰা। ১৯৪০ চনত ইয়াৰ সম্পাদক হয় স্বৰ্গীয় কীৰ্ত্তিনাথ বৰদলৈ।

"জনশিক্ষা"

ইং ১৯৩৫

"জ্ঞানৰ সমান ধন নাই জগতত"—এইটি মূলমন্ত্ৰকে লৈ গুৱাহাটী 'জয়ন্তী আৰ্ট প্ৰেছ'ত শ্ৰীগুণেশ্বৰ বৰুৱাৰ দ্বাৰা মুদ্ৰিত আৰু অসম

জনশিক্ষা বিভাগৰ পৰা জয়ে জয়ে শ্ৰীউপেন্দ্ৰ লেখাৰু এম,এ, বি-এল্‌ৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত হয়।

প্ৰতিভা

ইং ১৯৩৬

"প্ৰতিভা" সাদিনীয়া বাতৰি কাকত—Anglo-Assamese—সম্পাদক শ্ৰীগঙ্গাৰাম চৌধুৰী বি-এল।

বাতৰি : শ্ৰীযুত সুভাষ চন্দ্ৰ বসু।

ভাৰত মহাসভা কংগ্ৰেছৰ ভূতপূৰ্ব শ্ৰীযুত সুভাষ চন্দ্ৰ বসুক ৩ বছৰৰ কাৰণে কংগ্ৰেছৰ পৰা ৰষ্টিকেট কৰিছে।—প্ৰতিভা, ১৬ আগষ্ট ১৯৩৯।

"মিলিত জনসংঘৰ" মুখপত্ৰ আছিল "প্ৰতিভা"।

"বাঁহী"

ইং ১৯৪৫

স্বৰ্গীয় লক্ষ্মীনাথ বেজবৰুৱাৰ "বাঁহী"খন ভতিজাক মাধব চন্দ্ৰ বেজবৰুৱাই দদায়েকৰ মৃত্যুৰ পাচত সম্পাদক ৰূপে চলাবলৈ লৈ প্ৰথমতে মাহেকীয়াকৈয়ে উলিয়াই থাকে। ১৯৪৫ চনত সেইখনকে সাদিনীয়া সংস্কৰণ কৰে আৰু "কোনোৱেই দেশতকৈ ডাঙৰ নহয়" বুলি লাচিত বৰফুকনৰ আদৰ্শেৰে দেশ সেৱাত আত্মনিয়োগ কৰিবলৈ তৰুণ শক্তিক উদগনি দিয়ে।

"পঞ্চায়ত"

ইং ১৯৬৪

অসম কৃষক বনুৱা পঞ্চায়তৰ সাদিনীয়া মুখপত্ৰ 'পঞ্চায়ত'।

সম্পাদক—কেদাৰনাথ গোস্বামী।

নীতি আছিল :—

১। দিল্লীৰ তথাকথিত 'গণপৰিষদে বাইজৰ অনুকূল শাসনতন্ত্ৰ গঠন নকৰে—বৰ্তমানে শোষণ ব্যৱস্থাকে বাহাল ৰাখিব।

২। সমষ্টিত অসমক বলি দিবলৈ কাৰো অধিকাৰ নাই। দৰ্কাৰ হলে অসমৰ শাসনতন্ত্ৰ অসমেই ৰচনা কৰিব।

৩। গাওঁ, চহৰ আৰু কাৰখানাৰ পঞ্চায়তৰ প্ৰতিনিধিয়ে স্বাধীন সমাজতান্ত্ৰিক পঞ্চায়তী সমাজতন্ত্ৰ ৰচনা কৰক।"

"জনমভূমি"

ইং ১৯৪৭

"জনমভূমি"ৰ জন্ম হয় স্বাধীনতা উৎসৱৰ অধিবাস পালন কৰা বছৰি। জন্মস্থান—যোৰহাট, তাৰ "জনমভূমি প্ৰেছ"ৰ পৰা সাদিনে সাদিনে ওলাই ৰাইজক সেৱা কৰি আহি আজি একুৰি পাঁচ বছৰ পূৰ্ণ কৰিছে। জনমৰ পাঁচ বছৰতেই আমাৰ অবাঞ্ছিত অধিপতি-সকল ভাৰত পৰিত্যাগ কৰি গুচি গ'ল—স্বাধীনতাৰ কাচিয়লি ৰ'দ বিৰিঙিয়ালে। আগেয়ে যি কাকতত আওপকীয়া ভাষাৰে দৰক ধৰি ধৰি বা থমকি থমকি হে মাত মাতিব পৰা হৈছিল, এতিয়া সেই কাকতত সেই খুদুৱনি নোহোৱাকৈ স্বচ্ছন্দে কলম চলাব পৰা হ'ল। ৰাষ্ট্ৰীয় স্বাধীনতা অহাৰ লগে লগে, এইদৰে বাতৰি-কাকতৰ স্বাধীনতাও আহিল। আহিলহে আহিল, সম্পাদকীয় বোজাটো কিন্তু আগতকৈ দহোগুণে লেকলেকীয়া গধুৰ হৈ আহিল। পৰিচালিত যন্ত্ৰ হোৱা সহজ; পৰিচালনা কৰা যন্ত্ৰী হোৱা কঠিন। আগেয়ে বাতৰি কাকতে দৰ্শক ৰূপে চৰকাৰী কৰ্তৃপক্ষৰ কাৰ্য্যাৱলী ভালে-বেয়াই সমালোচনা কৰিছিল, এতিয়া সেই কৰ্তৃপক্ষকে বাতৰি-কাকতে হে বুদ্ধি পৰামৰ্শ দি দেখুৱাই-শুনোৱাই নিবলগীয়া পালত পৰিল। বৰ দুখে-কষ্টে মৰণ ভুঞ্জি আমোলাতান্ত্ৰিক বিদেশী শাসন আঁতৰাই গণতান্ত্ৰিক স্বদেশী শাসন প্ৰৱৰ্তন কৰা হ'ল হয়, পাচে তাকে সুখে-স্বাচ্ছন্দে পালি-পাচি, উপভোগ কৰি যুগমীয়াকৈ ৰক্ষা কৰাটোহে ভালুকৰ সাঙী হোৱাদি হ'ল। তথাপি, জনমভূমিৰ চালুকীয়া অৱস্থাতে শ্ৰীদুলাল চন্দ্ৰ ভূঞাই সম্পাদকীয় গাদীত বহি সেই সাঙী ভাৰখন কানত তুলি ল'লে। স্বাধীনতা ৰক্ষাৰ আনুষঙ্গিক উপায় বুদ্ধি দি তেওঁৱেই 'জনমভূমি'খন থিয়-দঙা দিব পৰা কৰি গ'ল। তেওঁৰ পাচতে সম্পাদক হ'ল শ্ৰীজগদীশ চন্দ্ৰ ফুকন, এওঁ নতুন তেজ সুমুৱাই কাকতখনৰ

উত্তৰোত্তৰ উন্নতি সাধন কৰিলে। তাৰ পাচত সম্পাদকীয় সাঙী ভাৰখন ন্যস্ত হ'ল শ্ৰীত্ৰৈলোক্যনাথ শৰ্মাৰ কান্ধত।

ৰাজনীতিৰ সম্পৰ্কে এওঁ "আঠুৱা চাই ঠেং মেলা" নীতি অৱলম্বন কৰাত 'জনমভূমি'খন টনকিয়াল আৰু সৰবৰহী হৈ উঠিল আৰু ই যে এখন উচ্চ শ্ৰেণীৰ সাদিনীয়া বাতৰি কাকত সেইটোও প্ৰতিপন্ন হ'ল। শৰ্মা সম্পাদকে আজৰি লোৱাৰ পিচতে শ্ৰীপ্ৰফুল্ল বৰুৱাৰ গাত সম্পাদকৰ বাব পৰিল। 'পানীৰ চিন ভেট'ত পোৱাদি এওঁৰ সম্পাদকীয় কুশলতা আৰম্ভতেই দেখা গৈছে 'জনমভূমি'ৰ বিতোপন সাজ-পাৰ আৰু জাতীয় সংহতিমূলক বিবিধ প্ৰবন্ধ ৰাজিত।

সম্পাদকসকলৰ ঐকান্তিক দায়িত্ব পালন আৰু স্বদেশহিতব্ৰতী প্ৰতিষ্ঠাপকসকলৰ অনবচ্ছিন্ন উদ্যোগ পৰামৰ্শৰ বলত স্বাধীনতাৰ বেলি নৌ-উঠাৰ পৰতে 'জনমভূমি'য়ে জনম লৈ পকা স্বাধীনতাৰ থিয়-দুপৰত ২৫ বছৰ পূৰ্ণ কৰিলে। আজি 'জনমভূমি'ৰ জন্ম-জয়ন্তীৰ ৰূপালী উৎসৱ—"হয় জীম, নহয় মৰিম" বুলি সঙ্কল্প লৈআগবাঢ়ি যাবৰ বছৰ।

আগবাঢ়ি যোৱা বছৰ সঁচা; তাতে কিন্তু এটা "কিন্তু" আছে। কিন্তুটো হৈছে যোৱা বাট সুগম নহয়। এশ-এবুৰি বিয়াগোম-বিয়াগোম সমস্যা পৰ্বত প্ৰমাণ হৈ বাটত থিয় দি আছে। সেইবোৰৰে ঘাই ঘাই কিটা হৈছে ঃ—

শাসনৰ চেৰেকী ঘূৰাওঁতা দুতলীয়া, পেটকুলী, পেট-টেঙৰ ৰাজনীতিবিদসকলৰ অসমীয়া জাতিক (জাতি বুলিবলৈ নায়েই) ছিৰাল ফটা দিবলৈ কৰা ষড়যন্ত্ৰ; পাকিস্থানীৰ অবাধ অনুপ্ৰৱেশ; অস্পষ্ট অনিশ্চিত ভূমি আইন প্ৰণয়ন; প্ৰকৃত থলুৱা ভূমিহীন অসমীয়াক বঞ্চিত কৰি "ন-অসমীয়া" বুলি ভুৱা দিয়া দুদিনীয়া পমুৱাৰ মাজত ভূমি বিতৰণ; মধে-মধে, য'তে-ত'তে সাম্প্ৰদায়িক বিভীষিকাৰ বেহেলা বাদন; জনগণৰ কুম্ভকৰ্ণ শয়ন, নিভাৰসা তৰুণ দলৰ চেলেপু বাক্য-বচন আৰু বিলাসিতা নিমৰ্জন, কায়িক পৰিশ্ৰমক ঘৃণনীয় কৰণ; আই বসুমতীক পোন প্ৰথমেই দৰ্শন কৰা গাঁও এৰি নগৰলৈ প্ৰব্ৰজন

আৰু গাঁওবোৰ এৰাবাৰী কৰি অসমীয়া ক'ব নোৱৰা মাটি-প্ৰকৃতাৰ সেইবোৰ উপভোগকৰণ।

'জনমভূমি'ৰ ৰূপালী জয়ন্তী উৎসৱৰ উৎপ্ৰেৰণাই প্ৰত্যেকৰ পৰা এইবোৰ সমস্যা দলি নিব পৰা শক্তি-বিবেক প্ৰদান কৰক। ০০০

জনমভূমি, ৭, ১৪ আৰু ২১ মাৰ্চ, ১৯৭৩।

॥ সমাপ্ত ॥

নিৰ্ঘণ্ট

অ

অৰুণবালা দাস ৬
অ ভা উ সা সভা ২৬৬,২৭০, ২৭৩
'অৰুনোদই' ২৩৭, ২৪১, ২৪৩, ২৫৪, ২৬২, ৪৪০
'অসম' ৪৬৭
'অসম বাইজ' ৪৬৭
'অসমীয়া' ৪৫৯
অসম দেশ হাড় কাটোনৰ দেশ ১৪
অসমীয়া-মণিপুৰীয়া সম্বন্ধ ১৫৫
অসমীয়া বাইবেল ২৫৮
অসমীয়া ছাত্ৰৰ সাহিত্য সভা ২৬৬
অসম ছাত্ৰ সন্মিলন ২২৬
অসমীয়া সাহিত্য সন্মিলনী ২৯৯
অসমীয়া সংস্কৃতি ১৩২

আ

আজান ফকীৰৰ জিকিৰ গীত ৩৮৪
আনন্দ চন্দ্ৰ আগৰৱালা ২৭৯, ৩৭৮
আচাম বুৰঞ্জী ১৮৫
আলিয়াৰ খাঁ ৫৪
'আসাম' ৪৪৯
'আসাম এছছিয়েচন' ৩০০
'আসাম কোম্পানী' ২৫৮, ৩২৪
'আসাম বস্তি' ২৭৪, ২৭৫, ৪৫০
'আসাম মিহিৰ' ৪৪৫
আমেৰিকান বেপটিষ্ট মিশ্যন ২৪০
'আসাম নিউচ' ৪৪৬
'আসাম বন্ধু' ২৩৭
'আসাম সেবক' ৪৬৮
আসাম বিলাসিনী ১ম পৰ্য্যায় ৪৪৪
আসাম বিলাসিনী ২য় পৰ্য্যায় ৪৫৭
'আসাম হিতৈষী' ৪৪৬
আসাম নিউচ-আসাম বন্ধু যুগ ২৩৯

ই

ইটাখুলি ৰণ ৫৯
ইষ্ট ইণ্ডিয়া কোম্পানী ১১৭,১৮৮

উ

উইলিয়াম বেণ্টিঙ্ক ৩২২
উপেন্দ্ৰনাথ বৰুৱা ৪৫১
উষা ২৯৭

এ

এচিয়াটিক চচাইটি ১৮৫

ক

কথা গীতা ২৩১
কথা ভাগৱত ২৩১
কটকী বুৰঞ্জী ৭
কটকীৰ ভেশছন ৯
কটকীৰ উপদেশ ১০
কছাৰীৰ ঠাল-ঠেঙুলি ১০১
কনকলতা ২২৭
কনকলাল বৰুৱা ১৩৮,২৬৭
কমলা মিৰি ২২৭
কমলাকান্ত ভট্টাচাৰ্য্য ২৭৫
২৮৬,৪৫১
কমলেশ্বৰ সিংহ ৮৮
কন্দৰ্পেশ্বৰ সিংহ ২০৯
কমল চন্দ্ৰ শৰ্মা ২৬৬
কৰুণাকান্ত গগৈ ৪৬৬
কলিতা দেশ ৪৩৬
কলিয়াবৰ ৰায়ত সভা ২২৫
কলিয়া ভোমোৰা বৰফুকন ৩৩৩
কয়লা ২৪
কাঁহিকুচি আলি ৩৪৩
কামৰূপ ৩৫৩
কামাখ্যাৰাম বৰুৱা ৪৫০
কালিৰাম বৰ্মন ৪৫৬
কাশীনাথ তামুলী ফুকন ৮
কৃপাবৰ ২৬৮,২৯১
কৃষ্ণচন্দ্ৰ চৌধুৰী ২৭৬
কৃষ্ণকান্ত ভট্টাচাৰ্য্য ৪৫৭
কেদাৰ নাথ গোস্বামী ৪৭১
কোঁচৰজা প্ৰাণ নাৰায়ণ
৫৪, ৬০, ১৭৮
কীৰ্ত্তিনাথ শৰ্মা বৰদলৈ
৩০৩, ৪৬৭

খ

খুন্‌লং খন্‌লাই ১
খৰিভাৰীৰ পৰা ৰাজনীতি ৩৭
খোৰা ৰজা ৩

গ

গদাধৰ সিংহ ১৬, ১৭
গমধৰ ২০১
গড়গাঁও ৫৯,৪৩৫
গণকপুখুৰীৰ ৰায়ত সভা ২২৫
গোবিন্দ চন্দ্ৰ নাৰায়ণ ৯৮
গুণেশ্বৰী নাথ ২২৪
গুণাভিৰাম বৰুৱা ২৩৮, ২৩৯
গুৱাহাটী-জয়ন্তীয়া আলি ৩৪৩
গৌৰীনাথ সিংহ ৮১, ৮৩,
৮৬, ৩৬৮
গোকুল চন্দ্ৰ বৈৰাগী ৮
গোহাঁই-কমলৰ আলি ৩৪১

ঘ

ঘনশ্যাম বৰুৱা ২৭৬

চ

চন্দ্ৰকান্ত ৯৪
চন্দ্ৰপ্ৰভা শইকীয়ানী ২২৪
চন্দ্ৰধৰ বৰুৱা ২৬৭
চন্দ্ৰকুমাৰ আগৰৱালা
২৭৩, ৪৫৯
চন্দ্ৰনাথ শৰ্মা ২৯৭

চক্ৰধ্বজ সিংহ ৭১
চক্ৰেচিহ্ন ১২৮
চান্দ সদাগৰ ৩৩৪
চামধৰাৰ ৰণ ৪৭
চাৰিং শলগুৰি ৰায়ত সভা ২২৫
চিলাৰায় ৩৩৬,৩৩৭
চিভেনিয়াৰ ৪৩৫
চেউনী আলি ৩৪২
চুকাফা সৰ্গদেও ৭
চুহংমুং ৭, ৩০৬

জ

জগৎ চন্দ্ৰ গোস্বামী ২৬৭, ২৭৬
জগদীশ চন্দ্ৰ ফুকন ৪৭৬
'জনশিক্ষা' ৪৭০
'জনমভূমি' ৪৭২
জয়ধ্বজ সিংহ ২, ২৪, ৫৫, ৫৬
জয়ন্তীয়া ৪৩৩
জাতীয় কংগ্ৰেছ ২২৩
জিতেন্দ্ৰ নাথ দাস ২৯৯
জীন বেপটিষ্ট টেৱাণিয়াৰ ২০
"জোনাকী" ২৩৯, ২৭০, ২৭৩, ২৭৯,২৮৫, ২৮৬, ২৮৭
জ্যোতিপ্ৰসাদ আগৰৱালা ২২৫
জ্ঞানদাভিৰাম বৰুৱা ৩০৪

ট

টাইমচ অব আসাম ৪৪৬
টিকেন্দ্ৰজিৎ ১৫৬
টিৰতসিং ৪৩৩
টেঙাখাট-বজাআলি ৩৪৩

ড

ডফলা গড় ৪০
ডালিম চন্দ্ৰ বৰা ২৭৬
ডাক্তৰ নাথন ব্ৰাউন ২৫৭

ঢ

ঢেকেৰী ১২০
ঢেঁকীয়াল ফুকনৰ লেখা-ৰীতি ২৩৬

ত

"তৰুণ অসম" ৪৬৮
তৰুণ কুমাৰ ভট্টাচাৰ্য, ৪৬৮
তৰুণ ৰাম ফুকন ৩০৫
তাম্ৰেশ্বৰী মন্দিৰ ৩৩৬
ত্ৰিপুৰা বুৰঞ্জী ৮
তুংখুঙীয়া বুৰঞ্জী ১১
তুলাৰাম সেনাপতি ৯৪, ৯৯-১০১, ১০৩
তুলাৰামৰ পুৰুষনামা ৯৭
ত্ৰৈলোক্য নাথ শৰ্মা ৪৭১

দ

দশভুজা দুৰ্গাদেৱী ৩৩৯
"দীপ্তি" ৪৫৮
দিহিঙীয়া ৰজা ১৩৩
দুৰ্গাপূজাৰ প্ৰচলন ৩৪
দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা ২৭৫
দুলাল চন্দ্ৰ ভুঞা ৪৭১
"ডেকা অসম" ৪৬২
'দৈনিক বাতৰি' ৪৬৫

দেহান কছাৰী ১০২
দেবেশ্বৰ চলিহা ২৬৭

ধ

ধোদৰ আলি

ন

"নগৰৰ কথা" ৪৬৭
নগৰবেৰাত কোঁঠ ৫৪
নগা আলি ৩৪১
নৰনাৰায়ণ ৰজা ৩৩৪

প

পদ্মধৰ চলিহা ৩০৩
পদ্মনাথ গোহাঁইবৰুৱা ৪৫২
পদ্মেশ্বৰ নাওবৈছা ফুকন ৮
পাশুৰাম ৰজা ১১১
পৰশুৰাম কুণ্ড ৩৩১
পৰীক্ষিত ২, ১৪১
পলাশবাৰী ৩৬০
"প্ৰতিভা" ৪৭১
প্ৰতাপ সিংহ ৫১, ৫৩, ৩৬৭
"পঞ্চায়ত" ৪৭১
প্ৰফুল্ল বৰুৱা ৪৭১
পাট্টাচাৰকুচি ৰাস্ত সভা ২২৫
পানীকটীয়া মিৰি ৩৬
পিজৌ গাভৰু ৯১
পিয়ালী ফুকন ২০২
পিয়ালী বৰুৱা ২০৭
পুৰন্দৰ সিংহ ২০২, ৪৪৩
পুৰ্ণানন্দ বুঢ়াগোহাঁই ৪২০

ফ

ফণিধৰ চলিহা ৩০০

ব

বদন বৰফুকন ২৫, ২৯, ৮২, ৮৩, ৯১, ৯২
বনমালী দেৱ ১৭৮
বৰ ভুঁইকঁপ ৩৩৫
বৰদুৱৰীয়া ৰজা ৩৬১
বৰৈ দুৱলীয়া পানীফুকন ১২
বৰ ৰজা ফুলেশ্বৰী ৩৪৯
বলিনাৰায়ণ ৰজা ৩৫০
বাঁহগৰীয়া বুঢ়াগোহাঁই ৮,৫৬
"বাঁহী" ২৬৯, ২৭১, ৪৭১
বাঁহী-প্ৰদীপিকা ২৯৮
"বিজুলী" ২৭০, ২৭৩, ২৭৯, ২৮৭
বিজতীয়া ৩৮
বিদেশত কটকী তোলা ৮
বিশ্বনাথ ৰায়ত সভা ২২৫
"বিশ্ববাৰ্ত্তা" ৪৫৬
বুৰঞ্জীৰ বিষয়বস্তু ৬
বুৰঞ্জী পৰিষদ ৩৮৩
বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ ৩৮৫
'বুৰঞ্জী বিবেক ৰত্ন' ১২
বুৰঞ্জী গদ্যৰ আভাস ২৩১
বেণুধৰ ৰাজখোৱা ২৭৯
বেণুধৰ শৰ্মা ৪৬৫, ৪৬৮
বেপটিষ্ট মিশ্যন ৪৪০
ব্ৰহ্মপুত্ৰৰ বিভিন্ন নাম ৩৩২

ভ

ভগবৎ সিং ২২৪
ভাগৱতী ধৰ্ম ৪৩৩
ভাৰতীয় সংস্কৃতি ১৩০
ভীষ্মকৰ কন্যা ৰুক্মিণী ৩৪৭
"ভ্ৰমৰঙ্গ" ২৮৬

ম

মণিৰাম দেৱান ৮, ২০৪, ২১১, ২২৪, ৩২১ ৩২৫, ৩২৮
মণিৰামৰ চিঠি ২০৭, ২২০, ২২১
মঙ্গল কুকী ২২৮
মদন বৰ্মন ২২৮
মথুৰামোহন বৰুৱা ৪৫১
মহাদেৱ শৰ্মা ৪৫২
মহেশ্বৰ বৰুৱা ৪৬০
মহম্মদ-ই-বখ্তিয়াৰ ১৪৮
মহাভাৰতৰ যুদ্ধ ৩০৬
মাইলছ ব্ৰন্সন ২৪৮
মাধৱ কন্দলী ৩১৬
মাধৱ চন্দ্ৰ বেজবৰুৱা ৪৭১
মাণিক চন্দ্ৰ বৰুৱা ৪৪৬
মায়ামৰা ধৰ্ম মত ৪২২
মিৰি-মিচিমি ৩৫
মিৰজুমলা ২, ৩, ৪
মোগলৰ লগত যুদ্ধ ৪২, ১১৯
মোগলৰ লগত সন্ধি ৪৮
মোৱামৰীয়া বিদ্ৰোহ ২৫, ৪০৯

য

যজ্ঞোৰাম নেওগ ২৭৬
যশমাণিক ৪৩৪
"যাত্ৰীকৰ যাত্ৰা" ২৫৮
যোগেন্দ্ৰনাথ বৰুৱা ২৬৭

ৰ

ৰমাকান্ত বৰকাকতী ২৬৬
ৰতন কছাৰী ২২৮
ৰত্ন কন্দলী ৮, ৯
ৰত্নধৰ বৰুৱা ২৭৬
ৰঙ্গয় ডেকাফুকন ৮
ৰমনী গাভৰু ৫৫
ৰজনী কুমাৰ পদ্মপতি ৩৭৮
ৰজনীকান্ত বৰদলৈ ৩০৪
ৰাজীৱলোচন বৰুৱা ৪৬৬
ৰাধানাথ চাংকাকতী ৪৪৬
ৰামসিংহ ৪, ৬১, ৬৪, ৬৫, ৭০, ৭৩, ৭৫, ৩১১
ৰাভাৰ খেল আৰু ধৰ্ম ১০৯
ৰাধানাথ বৰবৰুৱা ২৫৮
ৰাধানাথ ফুকন ২৬৭
ৰাধিকাৰাম ঢেঁকীয়াল ফুকন ২৬৭
ৰাউতাৰাম দাস ২২৮
ৰাধাকান্ত সন্দিকৈ ২৯৯
ৰাজগড় ৩৪০
ৰাণীৰজা ৩৬১
ৰাজেশ্বৰ সিংহ ৪০৯, ৪৩৬
ৰুদ্ৰ সিংহ ৪৩৩

ল

লক্ষণৱতী ৰাজ্য ১৪৭
লক্ষীনাথ ফুকন ৪৬৬
লক্ষীনাথ বেজবৰুৱা ২৬৬, ২৭৩, ২৯১, ২৯২,
লম্বোদৰ বৰা ২৭৫
লক্ষেশ্বৰী [illegible]

লাহদৈ গড় ৩৪১
লালুক বৰফুকন ২
লাচিত বৰফুকন ৪, ৫, ৩১, ৫৯, ৬৩, ৬৬, ৩১১
লেদ্বার্ট ৪৩৮
লোহিত নায়ক ২৭৬
লো উলিওৱা নিয়ম ২১

ৱ

ডঃ ৱেদ

শ

শৰণীয়া পৰ্বত ৩১৫
শৰৎ চন্দ্ৰ গোস্বামী ২৯৯
শৰাইঘাট ৫, ৬৬, ৩১১
শিৱাজী মহাৰাজ ৫২
শিৱসিংহ ১৭৪
শ্ৰীদেৱ দামোদৰ ১৭৩
শ্ৰীমন্ত শঙ্কৰ ৩১৬, ৪৩৩
শ্ৰীলুইত ৩৩১
শিৱপ্ৰসাদ বৰুৱা ৪৬৫
শ্ৰীনাথ দুৱৰা ৮

স

সত্যনাথ বৰা ২৭৬, ২৭৯
"সত্যবাদী" ৪৬১
"সাদিনীয়া বাতৰি" ৪৬৪
সুৰাগী সভা ১২৭
সুন্দৰী কাকতীয়নী ২২৪
সোণাৰাম চৌধুৰী ২৭৫
সোৱনশিৰী ৩৩৩
স্বতী ৰাজা ১৩৮
"স্বৰাজ" ৪৭০
সাৰদা শঙ্কৰ প্ৰসাদ দত্ত ৪৬৮
স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী ৩৯০

হ

হৰকান্ত সদৰামীন ৮
হৰনাথ পৰ্বতীয়া বৰুৱা ২০৯
হৰেশ্চন্দ্ৰ ৰাজখোৱা ৩০০
হলিৰাম ঢেঁকীয়াল ফুকন ৮
হাতীমুৰীয়া ৩৯
হাজো ৫৪
হেমচন্দ্ৰ বৰুৱা ২৩৭, ৪৪১
হেমচন্দ্ৰ গোস্বামী ২৬৭, ২৭৩, ২৮১
হেমকান্ত সিংহ যুৱৰাজ ৪৪৩

ক্ষ

ক্ষুদিৰাম বসু ২২৪